50 Years
Golden Jubilee

# স্মৃতিগ্রন্থ

SUALKUCHI B. M. S. COLLEGE
ESTD 1963
নহি জ্ঞানেন সদৃশং পবিত্রমিহ বিদ্যতে

## শুৱালকুছি বুদৱাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়

## সোণালী জয়ন্তী মহোৎসৱ ঃ ১৯৬৩-২০১৩








সম্পাদক
অতুল চন্দ্র দাস

# মহাবিদ্যালয়ৰ আন্তঃগাঁথনি


















# স্মৃতিগ্ৰন্থ

## সোণালী জয়ন্তী মহোৎসৱ

## ১৯৬৩-২০১৩

**শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়**
**শুৱালকুছি, কামৰূপ, অসম**




**সভাপতি ঃ ড° ৰজনীকান্ত দাস**

**সম্পাদক ঃ অতুল চন্দ্ৰ দাস**

সমীপেষু ঃ

.....

.....

# স্মৃতিগ্রন্থ
## সোণালী জয়ন্তী মহোৎসৱ
## ১৯৬৩-২০১৩
## শুৱালকুছি বুদৱাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়


**সম্পাদনা সমিতি**

| | | |
|---|---|---|
| **উপদেষ্টা** | ঃ | শ্রীযুত প্রিয়নাথ শর্মা<br>ড° ভগবান মৱল (মৃত্যু ঃ এপ্রিল, ২০১৩) |
| **সভাপতি** | ঃ | ড° ৱজনীকান্ত দাস |
| **উপসভাপতি** | ঃ | শ্রী চন্দ্রসিং ডেকা |
| **সম্পাদক** | ঃ | শ্রী অতুল চন্দ্র দাস |
| **সহ-সম্পাদক** | ঃ | শ্রী হিমাংশু কাকতি |
| **সদস্য** | ঃ | শ্রী শৈলেন কুমাৰ মৱল<br>শ্রী কুঞ্জমোহন ডেকা<br>শ্রী গৌৰাংগ বৱা<br>ড° পৱশমণি দাস<br>ড° মনালিছা বৱা<br>শ্রী বিদ্যুৎ বৈশ্য |
| **পদেন সদস্য** | ঃ | শ্রীযুত উমেশ চন্দ্র দাস, সভাপতি, সোণালী জয়ন্তী মহোৎসৱ উদ্‌যাপন সমিতি<br>ড° দীপেশ চন্দ্র ভাগৱতী, সাধাৱণ সম্পাদক, সোণালী জয়ন্তী মহোৎসৱ উদ্‌যাপন সমিতি |
| **আমন্ত্রিত সদস্য** | ঃ | ড° যোগেশ ডেকা |
| **বেটুপাত পৰিকল্পনা** | ঃ | সম্পাদনা সমিতি |
| **বেটুপাত অলংকৰণ** | ঃ | দিপাংকৱ মেধি |
| **প্রকাশক** | ঃ | সাধাৱণ সম্পাদক, সোণালী জয়ন্তী মহোৎসৱ উদ্‌যাপন সমিতি |
| **মুদ্রণ** | ঃ | ভৱানী অফ্‌ছেট এণ্ড ইমেইজিং ছিষ্টেমছ প্রাইভেট লিমিটেড<br>লাচিত লেন, ৱাজগড় ৱোড, গুৱাহাটী-৭৮১০০৭ |



প্রবন্ধবোৱত প্রকাশিত মতামত, তথ্য আৰু ঘটনা সংশ্লিষ্ট লেখক সকলৰ নিজা।
এই সম্পর্কে সম্পাদনা সমিতি বা উদ্‌যাপন সমিতি কোনো কাৱণতে দায়বদ্ধ নহয়।

# উচৰ্গা


সাধু বুদৰাম মহন্ত



লক্ষ্মীকান্ত মহন্ত


মাধৱ মহন্ত

**শুৱালকুছিৰ ঈশ্বৰ শ্রীশ্রীহাটী সত্রৰ সত্রাধিকাৰ, মহাপুৰুষীয়া ধর্মৰ পুৰোধা, শৈক্ষিক জগতৰ অনুপ্রেৰণাদাতা, পুণ্যাত্মা, বাক্‌সিদ্ধ পুৰুষ সাধু বুদৰাম মহন্তদেৱ, সত্রাধিকাৰ লক্ষ্মীকান্ত মহন্তদেৱ আৰু সত্রাধিকাৰ মাধৱ মহন্তদেৱৰ পবিত্র সোঁৱৰণত**
**শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়ৰ**
**সোণালী জয়ন্তী মহোৎসৱৰ**
**স্মৃতিগ্রন্থ উচৰ্গা কৰা হ'ল।**

**— স্মৃতিগ্রন্থ সম্পাদনা সমিতি।**

# শ্রদ্ধাঞ্জলি






অসম মাতৃৰ দুগৰাকী সুযোগ্য সন্তান ক্রমে
আন্তঃৰাষ্ট্রীয় খ্যাতি সম্পন্ন সংগীত শিল্পী, সুধাকণ্ঠ, অসমৰত্ন
ড° ভূপেন হাজৰিকাদেৰ
আৰু
জ্ঞানপীঠ বঁটা বিজয়ী সাহিত্যিক, মানৰদৰদী
ড° ইন্দিৰা গোস্বামী (মামণি ৰয়চম গোস্বামী) বাইদেউৰ
বিদেহী আত্মালৈ জনাইছো
একাঁজলি শ্রদ্ধাঞ্জলি।

**— স্মৃতিগ্রন্থ সম্পাদনা সমিতি**

# অশ্রু অঞ্জলি

অসমৰ মানচেষ্টাৰ শুৱালকুছি অঞ্চলৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ শুৱালকুছি
বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাকালৰে পৰা একাত্মভাবে জড়িত প্ৰয়াত বিদ্যোৎসাহী আৰু
কৰ্মযোগী মহৎপ্ৰাণ ব্যক্তি, মহাবিদ্যালয়খনৰ শিক্ষা আৰু উন্নয়নত অতুলনীয় বৰঙণি আগবঢ়োৱা
প্ৰয়াত অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দৰ লগতে
প্ৰয়াত ছাত্ৰ-ছাত্ৰীসকলক সোণালী জয়ন্তী মহোৎসৱৰ এই ঐতিহাসিক ক্ষণত
আন্তৰিকতাৰে সুঁৱৰিছো
আৰু
অশ্রু অঞ্জলি নিবেদন কৰিছো।

**— স্মৃতিগ্রন্থ সম্পাদনা সমিতি**



# শংকৰ জ্যোতি

‘শংকৰ জ্যোতি’— যাৰ নাই মহিমাৰ ওৰ,
অসীম পৰিধি ব্যাপি স্রোত পোহৰৰ।
জিল্‌মিল্‌ দশোদিশ চালে ৰয় চকু,
অন্তহীন আনন্দত ওফন্দে আমাৰ বুকু।
অজ্ঞান তিমিৰ ৰাশি কৰি অৱসান,
আই অসমীৰ ৰূপ-গুণ কৰিলে অম্লান।
জাত-পাত কাতি কৰি অসমবাসীক
নির্মল ভাগৱতী ধর্মত কৰিলে দীক্ষিত।
গুৰু আসনত ভাগৱত— তাতেই ঈশ্বৰ,
সন্মুখত অক্ষয় বন্তিৰে পুত নামঘৰ।
ভোৰ-তালৰ শব্দই কাণ তাল মাৰি ধৰে,
হাত চাপৰিৰে ভক্তগণে নাম-কীর্তন কৰে।
নামঘৰেই পঢ়াশালী, আদালতো নামঘৰ,
নামঘৰ সমন্বয়ৰ স্থলী, যুগ যুগান্তৰ।
বাক্‌সিদ্ধ সন্ত বুদৰামৰ অনুপম সৃষ্টি,
হাটীসত্রতো উজ্বলিল ‘শংকৰ জ্যোতি’।
মহিমাময়ী এই জ্যোতিৰ স্নিগ্ধ পোহৰত
জিলিকি উঠিল জ্ঞান মন্দিৰ, সত্রৰ ভূমিত।
পঞ্চাশ বছৰত সোণালী মহোৎসৱে
সাফল্যৰ হাঁহি মাৰে মহা গৌৰৱৰে।
বিদ্যা মন্দিৰৰ এয়া সমুধুৰ স্মৃতি,
‘শংকৰ জ্যোতি’য়ে বিয়পাওক জগতক জিনি !

## মহাবিদ্যালয় প্রতিষ্ঠাৰ ৰাঙলীপুৱাত শিল্পীৰ অনুভূতিৰে নিগৰিত হোৱা

# সমবেত সঙ্গীত

**ৰচনা আৰু সুৰ ঃ** শ্রীনাৰায়ণ চন্দ্র দাস

দেশৰে সীমাতে ৰণশিঙা বাজিছে
ৰাইজ ঐ নাথাকা শুই।
ধনে জনে সোণে মানে জ্ঞানে বিজ্ঞানে
নুমুৱা ৰণৰে জুই।

ৰাইজেই কৰিলে মন মোৰ ৰাইজ ঐ
ৰাইজেই কৰিলে মন
বৰনৈ ভেটিব সাগৰো সিচিব
সাগৰৰ তলিতো বাচি উলিয়াব
মাণিক মুকুতা ধন।
ৰাইজেই কৰিলে মন।।

বৰঘৰ মজিয়াত বৰমেল বহিছে
বৰ চ'ৰা বান্ধিব বুলি,
মজিয়াৰ এন্ধাৰক আতৰাই খেদিব
জ্ঞানৰে দীপালি পাতি।
দেশত বৰঙনি যোগাব পাৰিব
ৰাইজেই কৰিলে মন।।

ৰাইজেই ৰজা আৰু ৰাইজেই প্রজা
ৰাইজেই সাহসৰ সিন্ধু,
চনপৰা মাটিতো সৰিয়হ ফুটিব
লাগিব শ্রমৰে বিন্দু।
দেশত বৰঙনি যোগাব পাৰিব
ৰাইজেই কৰিলে মন।।

*বিশ্বমানৰৰ মই প্ৰাণৰ বেদনা-ব্যথা*
*আপোনাৰ দুখ কৰি লওঁ*
*মই, মই, পৃথিৱীৰে জনতাক*
*মইৰূপে দেখি*
*মই হৈও, মই আমি হওঁ।*

**—জ্যোতিপ্ৰসাদ আগৰৱালা**

**Dr. Himanta Biswa Sarma,** MA, LLB, Ph.D.
**MINISTER**
Education, Health & Family Welfare and
Implementation of Assam Accord
GOVT. OF ASSAM

सत्यमेव जयते

**DISPUR, GUWAHATI-781006**
**PHONE : (0361) 2237301 (O)**
**2237012 (FAX)**
**2268419 (R)**
E-mail : himantab@hotmail.com



## *MESSAGE*

*It gives me immense pleasure to learn that Sualkuchi Budram Madhab Satradhikar College of Sualkuchi, Kamrup Guwahati has completed its 50 years of glorious existence and is going to celebrate the concluding ceremony of its Golden Jubilee with a two-daylong colourful programme w.e.f. 9th of November 2013.*

*As the celebration sets sail one is reminded nostalgically of its humble beginning when it started with a handful of students how in course of time it gradually developed and blossomed into a complete institution. Today it can proudly claim as an institute having immense potential for excellence. Throughout this long and eventful journey one is reminded of the selfless devotion and sacrifice rendered by some of its founder members/faculties and local philanthropists for whom the institution has achieved this present status.*

*Education in the words of Swami Vivekananda, is the manifestation of divine perfection that already exists in man. With the change in time and advancement of science and technology the methodologies of teaching too have evolved manifold. The need of the hour is to strive for such quality education which can develop in our learners the capacities for making some original and meaningful contribution to the task of nation building. Government in the education department also has launched multi-pronged approaches to uplift the academic atmosphere and efficiency of the centres of higher learning by way of providing financial assistance for-infrastructure development, educational/study tours, publication of journals et al. All these are expected to give the desired boost to our educational institutions so far as enrichment of its academic environment is concerned. It is hoped that the Sualkuchi Budram Madhab Satradhikar College will ever strive to contribute immensely for the academic enrichment of the state through its quality education.*

*I would like to convey my heartiest best wishes for the august publication.*

*(Dr. Himanta Biswa Sarma)*

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY
Gopinath Bardoloi Nagar, Guwahati
Assam : India, PIN - 781 014
Website : www.gauhati.ac.in

ড° মৃদুল হাজৰিকা
উপাচার্য
Dr. Mridul Hazarika
Vice-Chancellor

# Message

It gives me immense pleasure to know that S.B.M.S. College, Sualkuchi is going to celebrate the closing function of its Golden Jubilee on 9th & 10th November, 2013.

It is praiseworthy that as a part of closing function of Golden Jubilee of the college, the organizing committee has decided to publish a 'Souvenir'. I hope the distinguished writers of this Souvenir will enrich the knowledge pool of the college, which I hope will bring about positive impact in the society. Publications are lifeline for an institution. It reflects diversity of thought process and manifestation of creativity of individuals.

I wish all success in their mission and hope the 'Souvenir' will be an asset of S.B.M.S. College, Sualkuchi.

Date : 01.11.2013

**( Dr. Mridul Hazarika )**

E-mail : vc_gu@yahoo.in, vc@gauhati.ac.in :: Ph. No.: +91-361-2570412 (O); 2570408 (R) :: Fax : +91-361-2675515

# শুৱালকুছি 'বুদৰাম-মাধৱ সত্ৰাধিকাৰ' মহাবিদ্যালয়ৰ সোণালী জয়ন্তী মহোৎসৱৰ সভাপতিৰ দুষাৰ

১৯৬২ চন বা তাৰ এবছৰমান আগৰ পৰা বৃহত্তৰ শুৱালকুছি অঞ্চলৰ উদ্যোগী আৰু শিক্ষানুৰাগী ৰাইজে শুৱালকুছিত এখন উচ্চ শিক্ষাৰ অনুষ্ঠান (কলেজ) স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু সেই উদ্দেশ্যে সামৰ্থ অনুযায়ী বিভিন্ন ব্যক্তিৰ পৰা দান বৰঙণি সংগ্ৰহ কৰে। আনকি শুৱালকুছিৰ সকলো পৰিয়ালৰ সহযোগিতা কামনা কৰি মুষ্টি ভিক্ষাৰ জৰিয়তে পুঁজি সংগ্ৰহ কৰে। ৰাইজে পুঁজি সংগ্ৰহত কিছু দূৰ আগবাঢ়িলেও কলেজৰ মাটিৰ ব্যৱস্থা নোহোৱাত ৰাইজে স্থানীয় শ্ৰীশ্ৰীঈশ্বৰ হাটী সত্ৰৰ সেই সময়ৰ সত্ৰাধিকাৰ মাধৱ চন্দ্ৰ মহন্ত বাপৰ ওচৰ চাপে। শ্ৰীশ্ৰীঈশ্বৰ হাটীসত্ৰৰ নামত শুৱালকুছি আৰু দাঁতিকাষৰত কেবা ডোখৰো মাটি আছিল। তাৰে এডোখৰ হ'ল হাটীৰ বাৰী। বৰ্তমান বুদৰাম-মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয় যি ঠাইত স্থাপন কৰা হৈছে সেই বাৰীখন হ'ল হাটীৰ বাৰী; ওখ নানান ফল-মূলৰ গছ আৰু শাল-চেগুন আদি মূল্যবান গছেৰে ভৰপূৰ আছিল আৰু মাজতে এটি ডাঙৰ পুখুৰীও আছে। ৰাইজে কলেজৰ কাৰণে মাটি বিচাৰি ওচৰ চপাত মাধৱ চন্দ্ৰ মহন্ত সত্ৰাধিকাৰ প্ৰভুৱে ৰাইজৰ অনুৰোধ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ কথা চিন্তা কৰি সেই হাটীৰ বাৰীতে ৪২ বিঘা মাটি কলেজৰ নামত দান কৰে। ৰাইজৰ বৰ আনন্দ হ'ল আৰু কলেজখনৰ নাম শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয় ৰখা হ'ল। তেতিয়াৰ পৰা ৰাইজে কলেজখন স্থাপন কৰাৰ বাবে উঠি পৰি লাগে আৰু ১৯৬৩ চনৰ ১ আগষ্টত কলেজখন আনুষ্ঠানিকভাবে স্থাপন কৰা হয়।

কলেজৰ বাবে পাঠদানৰ গৃহ নিৰ্মাণ নোহোৱত প্ৰথম অৱস্থাত শুৱালকুছি হাইস্কুলতে (বৰ্তমান হায়াৰ চেকেণ্ডাৰী স্কুল) ৰাতিৰ ভাগত পাঠদান আৰম্ভ কৰে।

ৰাইজৰ দান বৰঙণি আৰু একত্ৰ ভাৱবাদৰ বাবে কলেজখন বৰ্তমান এখন পূৰ্ণাঙ্গ মহাবিদ্যালয় হিচাপে চিহ্নিত হৈছে। বৰ্তমান এই মহাবিদ্যালয়ত কলা শাখাৰ উপৰিও বিজ্ঞান শাখাটিও খোলা হয়। এইদৰেই কলেজখনে বৰ্তমান ৫০ বছৰ পূৰ্ণ কৰে আৰু এই বছৰত কলেজখনে 'সোণালী জয়ন্তী মহোৎসৱ উদ্‌যাপন' কৰিবলৈ লৈছে। এই মহোৎসৱলৈ শুৱালকুছি আৰু ইয়াৰ ওচৰৰ গাঁওসমূহৰ পৰা দান বৰঙণি সংগ্ৰহ কৰা হয়। ৰাইজে সাধ্যনুযায়ী দান বৰঙণি আগবঢ়াইছে। 'সোণালী জয়ন্তী মহোৎসৱ'ৰ আৰম্ভণি অনুষ্ঠান জাক-জমকতাৰে ২০১২ চনৰ আগষ্ট মাহত উদ্‌যাপন কৰা হৈছিল আৰু সামৰণি অনুষ্ঠান ২০১৩ চনৰ নৱেম্বৰ মাহৰ ৯ আৰু ১০ তাৰিখে অনুস্থিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

সেই উদ্দেশ্যে আৰম্ভণিতে অভিভাৱক, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় বিশিষ্ট ব্যক্তিসকলক লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হৈছিল। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপে মোকেই সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতিৰ দায়িত্ব অৰ্পন কৰে।

তেতিয়াৰে পৰা শিক্ষক-শিক্ষয়িত্ৰী আৰু স্থানীয় ৰাইজৰ সহযোগত ৰাইজৰ পৰা সহায়-সহযোগ কামনা কৰাৰ লগতে দান-বৰঙণি সংগ্ৰহ কৰি থকা হৈছে। আৰম্ভণি অনুষ্ঠানটি যিদৰে সম্পন্ন কৰা হ'ল সামৰণি অনুষ্ঠানটো সেই পৰ্যায়ত সম্পন্ন কৰিবলৈ যিমান টকাৰ প্ৰয়োজন সেই টকা এতিয়াও সংগ্ৰহ হোৱা নাই। চৰকাৰৰ ফালৰ পৰা এই উৎসৱ উদ্‌যাপনৰ বাবে সহায় কৰাৰ নিয়ম নাই। তথাপিতো আমি আবেদন কৰিছো ফলাফল কি হয় নাজানো। আমি আশাবাদী আমাৰ দৃঢ়বিশ্বাস শুৱালকুছিবাসী ৰাইজৰ সহযোগত, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষীৰ অকুণ্ঠ সমৰ্থনত সোণালী জয়ন্তী মহোৎসৱ সাফল্যমণ্ডিত হ'ব।

আজি সামৰণী অনুষ্ঠান সমাগত। এই অনুষ্ঠান সফল কৰিবলৈ ৰাইজৰ সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিলো।

পৰিবৰ্তিত সময়ৰ সৈতে খোজ মিলাই মহাবিদ্যালয়খন অগ্ৰসৰ হৈ আছে। মহাবিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক, ছাত্ৰ-ছাত্ৰীয়ে সকলো সময়তে মহাবিদ্যালয়খনক সঠিক পথলৈ লৈ যাবলৈ যত্ন অব্যাহত ৰাখিছে। সোণালী জয়ন্তী মহোৎসৱে এই যাত্ৰা ত্বৰান্বিত কৰিব বুলি আশা কৰিব পাৰি। আমাৰ আশা চৰকাৰেও মহাবিদ্যালয়খনৰ প্ৰতি সুদৃষ্টি দিব।

শেষত শুৱালকুছি বুদ্‌ৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়খন এখন জাকত জিলিকা মহাবিদ্যালয় হওঁক, তাৰে কামনা কৰিলো। সোণালী জয়ন্তী মহোৎসৱ সফল কৰি তোলাত বৰঙণি যোগোৱা ৰাইজলৈ শ্ৰদ্ধা যাচিছো। মহাবিদ্যালয়খন সততে গতিশীল কৰিবলৈ অহোপুৰুষাৰ্থ কৰা সদাশয় মাননীয় অধ্যক্ষ, সন্মানীয় শিক্ষক-কৰ্মচাৰীবৃন্দ আৰু মৰমৰ ছাত্ৰ-ছাত্ৰীসকললৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। সকলোৰে সহায়-সহযোগিতাই আমাৰ প্ৰধান সম্বল।

'জয়তু বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়'

ইতি —

শ্ৰীউমেশ চন্দ্ৰ দাস
সভাপতি, সোণালী জয়ন্তী মহোৎসৱ উদ্‌যাপন সমিতি
বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়, শুৱালকুছি।

# অধ্যক্ষৰ দু-আষাৰ

ড° দীপেশ চন্দ্র ভাগৱতী

টোপাটোপে পথাৰত
ঘাম যদি নসৰে,
লখিমীয়ে নিজেই জানো
ভৰাঁল ভৰি উপচিব
কোনোবা এজনে যদি
গুৰি বঠা নধৰে
ডিঙৰাই নিজেই জানো
ভৰা নদী পাৰ হব।।

(দ্বীজেন্দ্র মোহন শর্মা)

যি সকলৰ শ্রম নিগৰিত কপালৰ ঘামেৰে এই পৱিত্র জ্ঞানতীর্থৰ জীৱন-গাঁথা সিক্ত হৈ আছে, আৰু জন্ম যন্ত্রণাৰ পৰা বিগত অর্ধ শতিকাৰ ভিন ভিন ক্ষণত গুৰি বঠা ধৰি ইয়াক আজিৰ স্থিতিলৈ যিসকলে সজাই-পৰাইআগবঢ়াইদিছে, আমাৰ অন্তৰৰ শ্রদ্ধা-ভক্তিৰ গুৰা-পাণেৰে কৃতজ্ঞতাৰ বৰ শৰাইখন তেখেতসকললৈ বুলি নিবেদন কৰিছো।

প্রতিটো পৱিয়ালৰ; নহয় প্রতি গৰাকী ব্যক্তিৰ ভোকৰ ভাত মুঠিৰো এধানিমান চাউলেৰে মুষ্টিভিক্ষাৰ জোলোঙা উপচাই 'মুঠৰ ওপৰত কলেজখন হবই লাগিব বুলি মাৰ বান্ধি অহা গঞা ৰাইজৰ প্রৱল উচাহক উদ্‌গনি যোগাই ৪২ বিঘা পৱিমানৰ ভূমিদানেৰে গণদেৱতাৰ হেঁপাহক সাকাৰ ৰূপ দিয়া স্থানীয় ঈশ্বৰ শ্রীশ্রীহাটীসত্র আৰু এই সত্রৰে মহান সত্রাধিকাৰদ্বয় প্রয়াত বুদৰাম মহন্ত আৰু প্রয়াত মাধৱ মহন্ত প্রমুখ্যেসমূহ সত্রাধিকাৰ প্রভুসৱলৈ মহাবিদ্যালয় পৱিয়ালৰ হকে শ্রদ্ধা নিবেদনৰে প্রতিবেদন প্রস্তুতিৰ কলম হাতত লৈছো।

কেনে পটভূমিত ডাঃ নাৰায়ণ কাকতি, সিদ্ধিৰাম দাস আৰু কৃষ্ণৰাম মেধি — এই ত্রিমূর্ত্তিয়ে 'শুৰালকুছিত এখন কলেজ হব লাগে' (ভৰালী, ১৯৯৯) বুলি ১৯৬৩ চনৰ এপ্রিল মাহত আগবাঢ়ি আহিছিল; তাৰ পৰবর্ত্তী পর্যায়ত এদেও-দুদেওকৈ কিদৰে অনুষ্ঠানখনে উত্তৰণৰ 'মাইলপ'ষ্ট'বোৰ অতিক্রমণৰ দিশত অগ্রসৰ হ'ল— এই সমস্ত ইতিহাস জ্যেষ্ঠজনৰ স্মৃতিৰ জঁপাত নিশ্চয় সঞ্চিত হৈ আছে। ১৯৭৩ চনত চৰকাৰী ঘাটি মঞ্জুৰী লাভ কৰা কলা শাখাৰ এই শিক্ষানুষ্ঠানখনত ১৯৮৯ চনত বিজ্ঞান শাখা মুকলি কৰা হয়। আৰম্ভণিৰ কালতে পৱিয়ালে প্রতি আগবঢ়োৱা ১০ টকীয়া বৰঙণিৰ উপৰিও মুষ্টিভিক্ষাৰে ব্যয় বহনৰ প্রয়াসে কৰা অঞ্চলবাসী ৰাইজক অকল আর্থিক দিশতে নহয়, আবেগিক পর্যায়তো কলেজৰ স্বপ্নই কিমান গভীৰভাৰে সাঙুৰি লবলৈ সক্ষম হৈছিল তাক বুজিবলৈ অসুবিধা নহয়।

**বর্তমান অৱস্থা ঃ**

ইতিমধ্যে উল্লেখ কৰা হৈছে যে, কলা শাখাৰে আৰম্ভ হোৱা এই অনুষ্ঠানটিত জন্মলগ্নৰ ২৬ বছৰৰ পাছত বিজ্ঞান শাখাৰ দ্বাৰোন্মোচন হয়। পিছে আজিৰ এই দিনটো পর্যন্ত বিজ্ঞান শাখাই প্রাদেশিকীকৰণ প্রক্রিয়াৰ পূর্ণতা লাভ কৰা নাই। অৱশ্যে চলিত বিত্তীয় বর্ষৰ ভিতৰত প্রক্রিয়াটোৰ আধৰুৱা কামখিনিয়ে পূর্ণতা পাব বুলি কর্তৃপক্ষৰ লগতে সংশ্লিষ্ট সদৌটিয়ে আশা কৰিছো। ইয়াৰ উপৰিও সম্পূর্ণ নিজা উদ্যোগত কম্পিউটাৰ শিক্ষা বিভাগটোও মহাবিদ্যালয়ত চলাই থকা হৈছে। ক'লা শাখাৰ ৭টা বিষয়, বিজ্ঞানৰ ৫টা আৰু কম্পিউটাৰ বিজ্ঞানকে ধৰি মুঠ ১৩ টা পাঠদানৰ বিভাগ সমৃদ্ধ মহাবিদ্যালয়খনত স্ব-বিনিয়োজন ব্যৱস্থাৰ অধীনত BCA আৰু PGDCA পাঠ্যক্রমৰো ব্যৱস্থা আছে।

**দান-বৰঙণি, এটি ৰেঙণি ঃ**

ৰাইজে নখ জোকাৰি নৈ বোওৱাৰ সার্থক উদাহৰণ হৈ ৰ'ব এই মহাবিদ্যালয়ৰ জন্ম বৃত্তান্ত। ইয়াৰ লগত ঈশ্বৰ শ্রীশ্রীহাটীসত্রৰ বৃহৎ পৱিমানৰ (৪২ বিঘা) ভূমিদান, হৃষিকেশ দেৱান আৰু লোহিত দেৱানৰ বজাৰ অঞ্চলৰ ভূমিদান, স্থানীয় সৰুখেল গঁএগ ৰাইজে দান কৰা এটি কোঠা, শ্রীযুত নাৰায়ণ চন্দ্র বৈশ্যই আগবঢ়োৱা শ্রেণীকোঠা এটা, শ্রীযুত জগন্নাথ শর্মাই আগবঢ়োৱা ১ লাখ টকা, শ্রীযুত কবিৰ আগৰৱালাই আগবঢ়োৱা ১ লাখ টকা, শ্রীযুতা মামনি দেৱীৰ ৫০ হাজাৰ টকা আৰু কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ আমাৰ মহাবিদ্যালয় অধ্যয়ন কেন্দ্রৰ পৰা ভিন ভিন সময়ত আচবাব ক্রয় কৰাৰ কাৰণে পোৱা লক্ষাধিক টকাৰ দান প্রণিধানযোগ্য। সমূহ ৰাইজৰ লগতে উল্লেখিত দাতাসকলৰ প্রতি এইচেগতে পুনৰবাৰ কৃতজ্ঞতাৰ শৰাই যাচিছো।

**শিক্ষক-কর্মচাৰী ঃ**

আমাৰ ৪৪ জনীয়া শিক্ষক মণ্ডলীৰ ২৫ গৰাকী কলা শাখাত, বিজ্ঞান শাখাত ১৬ গৰাকী আৰু ৩ গৰাকী শিক্ষক কম্পিউটাৰ শাখাত নিয়োজিত। নিজৰ মেধা, দক্ষতা কিম্বা সৃজনশীলতাৰে আন্তঃৰাষ্ট্রীয় মঞ্চত আমাৰ মহাবিদ্যালয়ৰ নামোচ্চাৰণৰ সুযোগ দিয়া বর্তমানৰ শিক্ষক বিশিষ্ট কবি অনুভৱ তুলসী, ড° পুলিন শর্মা আৰু নিহাৰ ৰঞ্জন কলিতাক লৈ আমি গৌৰাৱান্বিত। ইয়াৰ উপৰি অন্য এগৰাকী কবি ড° চিত্তৰঞ্জন দাস আৰু অনাতাৰ শিল্পী বন্তি বৰা আমাৰ মহাবিদ্যালয়ৰ অন্যতম পৱিচয়।

সর্বমুঠ ১৮ জনীয়া সদস্যৰে আমাৰ কর্মচাৰী বাহিনী গঠিত। ইয়াৰ ভিতৰত গ্রন্থাগাৰিক এগৰাকী, ২ গৰাকী জ্যেষ্ঠ বর্গৰ সহায়ক,

আৰু চাৰি গৰাকী কনিষ্ঠ বৰ্গৰ সহায়ক আছে। আমি আটাইকে কাম-কাজত হাত ধৰিবলৈ ১১ গৰাকী চতুৰ্থ বৰ্গৰ কৰ্মচাৰী আছে। ইয়াৰ উপৰিও আমাক বাহিৰে-ভিতৰে নিকা কৰি ৰাখিবলৈ এগৰাকী অক্লান্ত চাফাই কৰ্মী আমাৰ পৰিয়ালটিৰ অবিচ্ছেদ্য অংগ।

**ছাত্ৰ-ছাত্ৰী ঃ**

সংখ্যাই মাথোঁ শেষ কথা নহয়, কেনেধৰণৰ আৰ্থ-সামাজিক পটভূমিৰ পৰা অহা ছাত্ৰ-ছাত্ৰীৰ আশা-আকাংক্ষা পূৰণৰ দায়িত্ব শিক্ষানুষ্ঠান এখনৰ ওপৰত সমৰ্পিত, বৰং তেনেবোৰ কথাইহে অনুষ্ঠানখনৰ প্ৰয়োজন-প্ৰাসংগিকতা নিৰ্ণয় কৰে। কোৱা নিষ্প্ৰয়োজন, তাহানিৰ কামৰূপ জিলাৰ পূৱ বংশৰ, পশ্চিম বংশৰ, ৰামদিয়া আৰু হাজো মৌজাক আধাৰ অঞ্চল হিচাপে লৈ সম্পূৰ্ণ গাঁৱলীয়া পটভূমিত পঞ্চায়ত এলেকাত অৱস্থিত বোধকৰো এইখনেই অসমৰ ভিতৰত আটাইতকৈ পুৰণি উচ্চ শিক্ষানুষ্ঠান। মন কৰিবলগীয়া যে, ইয়াৰ সমকালীন শিক্ষানুষ্ঠানসমূহ সৰু হলেও একোখন নগৰত প্ৰতিষ্ঠিত। বৃহত্তৰ হাজো, শুৱালকুছি, বামুন্দী, ৰামদিয়া, শিঙিমাৰী অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ এই অনুষ্ঠানটি ভৌগোলিকভাবে আওঁহতীয়া আৰু কোনো প্ৰধান পথে গৈ স্পৰ্শ নকৰা গাঁও এখনত স্থাপিত হৈছিল। নগৰাঞ্চলৰ কলেজৰ দৰে ই দূৰ-দূৰণিৰ ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ নকৰিলেও স্থানীয় আৰু চুবুৰীয়া গাঁওবোৰৰ কৃষক, নিম্ন মধ্যবিত্ত পৰিয়ালৰ যুৱক-যুৱতীসকলৰ মাজত উচ্চ শিক্ষাৰ সুবিধা হাতৰ মুঠিতে পোৱাৰ যি সুযোগ দিছে, সেয়া কোনো মহানগৰীৰ আকৰ্ষণীয় অভিজাত অনুষ্ঠানে আগবঢ়োৱা সেৱাতকৈ তুচ্ছ হব নোৱাৰে। বৃহত্তৰ এই গাঁৱলীয়া অঞ্চলটোৰ বিগত দিনৰ বৌদ্ধিক উত্তৰণত এই মহাবিদ্যালয়খনৰ ভূমিকা অনস্বীকাৰ্য। শুৱালকুছিত কলেজখন নাথাকিলে বৃহত্তৰ এই অঞ্চলটিত আৰ্থিকভাবে অনগ্ৰসৰ পৰিয়ালবোৰৰ ল'ৰা আৰু প্ৰায় সৰ্বস্তৰৰ পৰিয়ালৰ ছোৱালীৰ উচ্চ শিক্ষা লাভৰ সপোন যে কোনো দিনে নফলিয়ালেহেতেন সি ধ্ৰুৱপ।।

সম্প্ৰতি প্ৰায় ১২০০ ছাত্ৰ-ছাত্ৰীৰ আশা-আকাংক্ষা পূৰণৰ প্ৰস্তুতি ক্ষেত্ৰ হৈ পৰা এই শিক্ষানুষ্ঠান সময়ৰ অগ্ৰগামী গতিত খোজ মিলোৱাৰ প্ৰয়াসত ব্ৰতী। আমাৰ মুঠ শিক্ষাৰ্থীৰ প্ৰায় ৬০% ছাত্ৰী আৰু ৪০% ছাত্ৰ। আকৌ মুঠ শিক্ষাৰ্থীৰ প্ৰায় ৩০% অনুসূচীত জাতিৰ। কোৱা বাহুল্য আমাৰ ১০০% শিক্ষাৰ্থী গাঁৱলীয়া।

**পৰিকাঠামো আৰু সা-সুবিধা ঃ**

উচ্চ শিক্ষাৰ কেন্দ্ৰসমূহৰ মূল্যায়ণৰ মানদণ্ডত NAAC এ এই দিশটোৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰিছে। UGC ৰ আৰ্থিক অনুদানকে মূল সমল হিচাপে লৈ ইতিমধ্যে আমাৰ মহাবিদ্যালয়খনেও এনেবোৰ সা-সুবিধা কিছু পৰিমাণে আহৰণ কৰিব পাৰিছে। অৱশ্যে UGC প্ৰদত্ত উৎসৰ উপৰিও যিবোৰ অনুষ্ঠানৰ আভ্যন্তৰীণ উৎস টনকিয়াল, তেনেবোৰে এইদিশত চকুতলগা অগ্ৰগতি সাধন কৰিব পাৰিছে। আমাৰ বেলিকা বিজ্ঞান শাখা আৰু কম্পিউটাৰ বিভাগটো অনাচৰকাৰী হিচাপে চলাই ৰখা বাবে আভ্যন্তৰীণ উৎস সা-সুবিধাৰ বিকাশত ব্যয় কৰিব পৰাকৈ পৰ্যাপ্ত নহয়।

২০১২-১৩ শিক্ষা বৰ্ষত শিক্ষক-ছাত্ৰ উভয়ৰ বাবে পৰ্যাপ্ত সংখ্যক প্ৰসাধন কক্ষ, ক'লা শাখাৰ বিভাগসমূহৰ বিভাগীয় কোঠাৰ ব্যৱস্থা আৰু প্ৰয়োজনীয় আচবাব যোগান, কম্পিউটাৰৰ ব্যৱস্থা, শ্ৰেণীকোঠাসমূহৰ উন্নয়ণ, পুথিভঁৰাল গৃহৰ উন্নয়ণ আৰু পুথিভঁৰালত অধিক সা-সুবিধাৰ প্ৰৱৰ্ত্তন, নতুন কেণ্টিনগৃহ নিৰ্মাণ আৰু কেণ্টিন সুবিধাৰ প্ৰৱৰ্ত্তন, বুনিয়াদ ভৱনৰ প্ৰথম মহলাত ১৬X২৫ জোখৰ পাঁচটা শ্ৰেণীকোঠা নিৰ্মাণ, চৌহদৰ খেলপথাৰৰ উন্নয়ণ আদি কেইটামান প্ৰধান উল্লেখনীয় কাম হিচাপে বিবেচনা কৰিব পাৰি।

উপৰোক্ত বৈষয়িক দিশসমূহৰ উপৰিও শ্ৰেণীৰ পাঠদানৰ পৰিবেশত নতুনত্ব সংযোজনৰ বাবেও আমাৰ প্ৰচেষ্টা অব্যাহত আছে। ইতিমধ্যে ডাঙৰ শ্ৰেণীকোঠা তিনিটাত শব্দ যতন (Sound System) সংযোগ কৰা হৈছে। আন দুটা শ্ৰেণীকোঠাত আধুনিক তথ্য প্ৰযুক্তি ব্যৱহাৰ কৰি পাঠদান কৰিব পৰাকৈ সুসজ্জিত কৰা হৈছে। অতি শেহতীয়াভাবে, অসম চৰকাৰৰ শিক্ষা বিভাগৰ পৰা এক কৌটি টকীয়া অনুদান এটা লাভ কৰা হৈছে। তদুপৰি মহাবিদ্যালয়ৰ নতুন জেনেৰেটৰটো কাৰ্যক্ষম কৰিবলৈ আমাৰ স্থানীয় বিধায়ক তথা মাননীয় শিক্ষা আৰু স্বাস্থ্য মন্ত্ৰী মহোদয়ৰ তৎপৰতাত এটি বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰ আমাৰ শিক্ষানুষ্ঠানৰ বাবে আবণ্টিত হৈছে। আমাৰ উন্নয়ণত স্থানীয় বিধায়ক তথা মন্ত্ৰী মহোদয়ে গ্ৰহণ কৰা ভূমিকাৰ বাবে এইছেগতে তেখেতলৈ কৃতজ্ঞতাৰ শৰাই যাচিলো।

**বৌদ্ধিক পৰিবেশ ঃ**

যিহেতুকে আমি এশভাগ গাঁৱলীয়া, সৰহভাগ নিম্ন-মধ্যবিত্ত আৰু বুজন সংখ্যক অনগ্ৰসৰ জনসমষ্টিৰ যুৱক-যুৱতীৰ বাবে সেৱা আগবঢ়াই আছো, সেয়েহে এই শিক্ষানুষ্ঠানৰ দায়বদ্ধতা আনতকৈ কিছু ভিন্ন ধৰণৰ। এনে দায়বদ্ধতাৰ প্ৰতি আমাৰ শিক্ষক-কৰ্মচাৰী আটাইয়ে সদাজাগ্ৰত। নিয়মীয়া পাঠদানৰ লগতে ব্যক্তিত্ব বিকাশমূলক কাৰ্যসূচীসমূহো আমাৰ প্ৰধান কাৰ্যসূচীৰ অংগ স্বৰূপ। প্ৰতিষ্ঠা দিৱসৰ বাৰ্ষিক বক্তৃতানুষ্ঠান, অধ্যাপক ৰঞ্জিত চৌধুৰী সোঁৱৰণী ৰাজ্যিক ভিত্তিক তৰ্ক প্ৰতিযোগিতা, NCC, NSS আদিৰ আঁচনিৰ সা-সুবিধা, পুথি অধ্যয়নৰ প্ৰতিযোগিতা, ভাৰানুবাদৰ আখৰা আদি বিশেষ উল্লেখনীয়। ধাৰাবাহিকভাবে ভালে কেইবছৰ ধৰি আমাৰ শিক্ষাৰ্থীয়ে বিশ্ববিদ্যালয় যুৱ মহোৎসৱত একাধিক বঁটা লাভ, NCC, NSS আদিৰ ৰাষ্ট্ৰীয় শিবিৰত অংশগ্ৰহণ কৰি মহাবিদ্যালয়ৰ গৌৰৱ বৃদ্ধি কৰিছে। এইবোৰৰ লগতে মূল লক্ষ্যত অগ্ৰগতি অব্যাহত ৰাখিবলৈ আমাৰ নিজস্ব শৈলীৰে বিদ্যায়তনিক খতিয়ান (Academic Audit) লোৱাৰ ব্যৱস্থা এটি কাৰ্যক্ষম কৰি তোলা হৈছে।

**গৱেষণা ঃ**

কোনো উচ্চ শিক্ষানুষ্ঠান মাঁথো শিক্ষণ-শিকনৰ মাজত আৱদ্ধ হৈ থকা দিন উকলি গ'ল। আনহাতে কোনোৱে কেৱল শিক্ষকসকলৰ ই এক বৌদ্ধিক বিলাস বুলি যদি ভাৱে, নিশ্চয় ভুল কৰা হব। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় উভয় ক্ষেত্ৰত উচ্চ শিক্ষানুষ্ঠানসমূহৰ মূল্যায়ণৰ ই এক উমৈহতীয়া মাপকাঠি। এনে গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি এফালে শিক্ষকৰ নিযুক্তি অথবা প্ৰমোচনৰ ক্ষেত্ৰত ইয়াক চৰ্ত হিচাপে গণ্য কৰা হৈছে; আনফালে নিম্নস্নাতক পাঠ্যক্ৰমত প্ৰকল্প কৰ্মৰ (Project Work) ৰূপত ইয়াৰ আদিপাঠ সন্নিবিষ্ট কৰা হৈছে। আমাৰ

মহাবিদ্যালয়ৰ গৱেষণাৰ এক ঐতিহ্যপূর্ণ ইতিহাস আছে। প্রতিষ্ঠাপক অধ্যক্ষ ড° তাৰাচৰণ ৰাষ্ট্রোগীদেৱৰ পৰাই এই পৰম্পৰাই সমৃদ্ধি লাভ কৰে। ৫০ বছৰীয়া পৰিক্রমাত গৱেষণাৰে কলেজখনৰ বৌদ্ধিক পুষ্টিত অহিৰণা আগবঢ়োৱাসকলৰ তালিকা স্মৃতিগ্রন্থৰ স্থানান্তৰত সন্নিবিষ্ট কৰা হৈছে। ইয়াৰ উপৰিও ভালে কেইগৰাকী শিক্ষকে UGC কে ধৰি বিভিন্ন সংস্থাৰ আর্থিক অনুদানত ক্ষুদ্র গৱেষণা প্রকল্প পৰিচালনা কৰি আছে। নিজে কৰা গৱেষণাৰ উপৰিও প্রাক্তন অধ্যক্ষ ড° প্রবীণ বৈশ্যদেৱে অর্থনীতি বিষয়ত Ph. D. ৰ বাবে গৱেষণা তত্ত্বৱধায়কৰ স্বীকৃতি লাভ কৰিছিল। মহাবিদ্যালয় পৰিয়ালত বর্তমানো এগৰাকী সদস্যই গুহাৱহাটী বিশ্ববিদ্যালয়ৰ Ph. D. ৰ বাবে গৱেষণা তত্ত্বৱধায়কৰ স্বীকৃতি লাভ কৰিছে আৰু একাধিক গৱেষকে এই গৰাকী তত্বাৱধায়কৰ অধীনত গৱেষণা কৰি আছে।

**সম্প্রসাৰণ সেৱা ঃ**

শিক্ষাদান আৰু গৱেষণাৰ উপৰিও, উচ্চ শিক্ষাৰ এই প্রতিষ্ঠানে গতানুগতিকতাৰ সীমাৰ পৰিধি ভাঙি গণসেৱাত ব্রতী হৈ আছে। শুৱালকুছিৰ শ্রমৰ বজাৰখনত স্বনিয়োজিত আৰু মজুৰী শ্রমিকৰ সংখ্যাই বোধকৰো সর্বাধিক হব। সেয়েহে এইসকলৰ বাবে নিয়মীয়া ছাত্র হিচাপে কোনো অনুষ্ঠানত ভর্ত্তি হৈ শিক্ষাগ্রহণ কৰাটো জীৱন-জীৱিকাৰ তাড়নাত অসম্ভৱ প্রায়, কিন্তু এইচামৰ বাবেও বিকল্প শিক্ষাৰ ব্যৱস্থা কৰিবলৈ আমি পাহৰা নাই। দূৰ আৰু মুক্ত শিক্ষাৰ দুখনকৈ বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্র খুলি নিয়মীয়া ছাত্র জীৱনৰ পৰা অব্যাহতি লোৱা সকলকো অধিক শিক্ষাগ্রহণৰ পথ মুকলি কৰি দিব খোজা হৈছে। ইয়াৰ উপৰিও স্থানীয় আর্থ-সামাজিক সমস্যাসমূহৰ ওপৰত আলাপ-আলোচনা বা সভা-সমিতি আয়োজনৰ জৰিয়তে স্থানীয় ৰাইজ আৰু মহাবিদ্যালয়খনৰ মাজত এক যোগাত্মক বলিষ্ঠ সম্পর্ক গঢ়ি উঠিছে।

**ভৱিষ্য-দর্শন ঃ**

'ন হি জ্ঞানেন সদৃসং পৱিত্রমিহ বিদ্যতে' এই বীজমন্ত্র ধাৰণ কৰি বিগত পাঁচটা দশকত এই জ্ঞানতীর্থই বৃহত্তৰ শুৱালকুছি অঞ্চলত জ্ঞানান্বেষণৰ এক আন্দোলন গঢ়ি তোলা বুলি কলেও নিশ্চয় অত্যুক্তি কৰা নহয়। ১৯৬৩ চনৰ পৰবর্ত্তী কালত চুবুৰীয়া অঞ্চলসমূহত প্রতিষ্ঠা হোৱা মাধ্যমিক আৰু প্রাথমিক স্কুলবোৰৰ জন্ম ৰহস্য অথবা জীৱন গাঁথাৰ লগত এই মহাবিদ্যালয়খন প্রত্যক্ষ অথবা পৰোক্ষভাবে যে জড়িত তাক অস্বীকাৰ কৰাৰ উপায় নাই। আকৌ তেনেবোৰ বিদ্যালয়েই যে তাহানিৰ এই সুবৃহৎ অঞ্চলটিত কেবাখনো নতুন কলেজৰ জন্ম দিছে, তাকো আমি প্রত্যক্ষ কৰিছোহক। অর্থাৎ, এৰি থৈ অহা দিনবোৰত জন্মদাতাসকলৰ আশা-আকাংক্ষা পুৰণত ই সার্থকতা প্রতিপন্ন কৰিব পাৰিছে যেন মনে ধৰে।

সময়ৰ পৰিবর্তনৰ লগত তাল মিলাই ব্যক্তি আৰু সমাজৰ চাহিদাই ৰূপ আৰু প্রকৃতি সলনি কৰে। চাহিদাৰ এনে পৰিবর্তনৰ লগত সংগতি ৰাখি শিক্ষানুষ্ঠানসমূহেও নিজৰ সেৱাৰ পুনৰ নবীকৰণ ধাৰাবাহিকভাবে অব্যাহত ৰাখিব লাগে। অর্থনৈতিক উদাৰিকৰনোত্তৰ কালত উন্নয়ণশীল ৰাষ্ট্রসমূহৰ উচ্চ শিক্ষানুষ্ঠানসমূহৰ বাবে এনে প্রয়োজন পুৰণ কৰাটো এক জটিল প্রত্যাহ্বান হিচাপে ঠিয় দিছে। স্ব-নিয়ন্ত্রিত শিক্ষানুষ্ঠান (Autonomous Institutions) সমূহে এইক্ষেত্রত কর্তৃত্ব পালেও বিশ্ববিদ্যালয় কর্তৃত্বাধীন এফিলিয়েতেদ কলেজখনৰ যুৱক-যুৱতীসকলক কি শিক্ষাৰ প্রয়োজন, তাক আমাৰ দৰে শিক্ষানুষ্ঠানসমূহত বুজি পোৱা ব্যক্তিৰ অভাৱ নহয়। কিন্তু সকলো বুজিও তাক সম্ভৱ কৰি তোলাটো আমাৰ বাবে সহজ নহয়।

কিন্তু আমি যিমানখিনি সম্ভৱ সাধন কৰিব পৰাৰ সুযোগ-সম্ভাৱনা থাকে তাক উজাৰি দিব পাৰিলেও যুৱ সমাজৰ বিকাশে নতুন মাত্রা লাভ কৰিব পাৰে। শিক্ষক-কর্মচাৰীৰ বৃত্তিগত দক্ষতাৰ অবিৰত উত্তৰণ, নিজ দায়িত্ব পালনত আত্মোৎসর্গৰ মনোভাৱ আৰু সামাজিক সংস্থাসমূহৰ দায়িত্বশীল ভূমিকা পালনে সমাগত দিনতো এই মহাবিদ্যালয়খনিক নিজৰ প্রাসংগিকতা অক্ষুন্ন ৰখাত সহায় কৰিব।

**সোণালী জয়ন্তী ঃ**

পঞ্চাশ বছৰ অতিক্রম কৰিব ওলোৱা এই অনুষ্ঠানখনিৰ সোণালী জয়ন্তী উদ্‌যাপনৰ মানসেৱে ২০১১ চনৰ অক্টোবৰ মাহত তদানিন্তন ভাৱপ্রাপ্ত অধ্যক্ষ টুৰা কটকীদেৱৰ নেতৃত্বত প্রথম সভা অনুষ্ঠিত কৰি প্রস্তুতি পর্বৰ সূচনা কৰা হয়। মাননীয় শিক্ষামন্ত্রী আৰু স্থানীয় বিধায়ক ড° হিমন্ত বিশ্ব শর্মাদেৱক মুখ্য পৃষ্ঠপোষক হিচাপে মনোনীত কৰাৰ লগতে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মাননীয় শ্রীযুত উমেশ চন্দ্র দাসদেৱক উদ্‌যাপন সমিতিৰো সভাপতি আৰু শ্রীযুত মহেন্দ্র কলিতাদেৱক কার্যকৰী সভাপতি হিচাপে বাচনি কৰি ১১ জনীয়া কর্ণধাৰ সমিতিকে ধৰি মুঠ ১৮ খন উপসমিতি গঠন কৰা হয়। বিগত ১ আৰু ২ আগষ্ট, ২০১২ তাৰিখে উদ্বোধনী অনুষ্ঠানেৰে বছৰ যোৱা কার্যসূচী পাতনি মেলি চলিত বর্ষৰ ৯ আৰু ১০ নৱেম্বৰ, ২০১৩ তাৰিখে সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সহৃদয় ৰাইজ, শিক্ষক-কর্মচাৰী, ছাত্র-ছাত্রীৰ দান-বৰঙণি এই অনুষ্ঠানৰ মূল ইন্ধন। এই অনুষ্ঠান উদ্‌যাপনে অঞ্চলবাসী ৰাইজ, প্রাক্তন ছাত্র-ছাত্রী শুভাকাংক্ষীসৱক অনুষ্ঠানখনলৈ এবাৰ উভতি চোৱাৰ সুযোগ দিয়াৰ লগতে, আশাকৰোঁ, সমাগত দিনত অনুষ্ঠানখনৰ লগত একাত্মবোধেৰে ইয়াৰ লগত আবেগিকভাৱে অধিক দৃঢ়তাৰে সাঙোৰ খাই পৰাৰ সুযোগ দিব।

**সামৰণি, এটি মিনতিৰে ঃ**

ডাঃ গনেশ চন্দ্র দাস, ডাঃ নাৰায়ণ কাকতি, হেমকান্ত দাস, কর্মেশ্বৰ বৈশ্য প্রমুখ্যে মাননীয় বিষয়ববীয়াসকলৰ নেতৃত্বৰ আৰু বৃহত্তৰ শুৱালকুছি অঞ্চলৰ চাৰিওখন মৌজাৰ শুভাকাংক্ষীসৱৰ সহযোগত ১৯৬৩ চনৰ ১ আগষ্ট তাৰিখে অস্থায়ীভাৱে শুৱালকুছি ল'ৰা হাইস্কুলত পাঠদানেৰে যি গছি বত্তি জ্বলি উঠিছিল সেই বত্তি জ্ঞানৰ বত্তি, সি অক্ষয় বত্তি। সত্রনগৰী শুৱালকুছিত এক নতুন তীর্থৰ সংযোজন হৈছিল; সি জ্ঞানতীর্থ পিছে। আঢ়ৈ কুৰি বছৰীয়া এই বত্তি গছি জ্বলি থাকিলেইতো নহব। তাক আৰু অধিক উজ্বলতৰ কৰি জ্বলাই ৰখাৰ দায়িত্ব আপোনাৰ, মোৰ, আমাৰ আটাইৰে। যি গছি বত্তিৰ জ্যোতিয়ে আমাৰ জীৱন পথ আলোকিত কৰিছে আমাৰ বংশধৰসকলকো সথিক পথ দেখুৱাব পৰাকৈ তাক অধিক জ্যোতিষ্মান কৰি তুলিবলৈ আমাতকৈ আন কাৰোবাৰ দায়বদ্ধতা অধিক বুলি ভবাটো উচিত হব জানো ? কথাষাৰ উপলদ্ধি কৰিবলৈ টান নাপায় যেন।■

# সম্পাদকীয়

**সোঁৱৰণিৰ বকুল বুটলি ঃ** ১৯৬৩ চন। ধর্ম আৰু কর্মৰ মিলন ভূমি সোণালী সূতাৰ দেশ শুৱালকুছিৰ সামাজিক আৰু শৈক্ষিক ইতিহাসৰ এক সোণালী অধ্যায়ৰ সূচনাৰ বর্ষ। এই বর্ষতে শুৱালকুছিৰ কেইগৰাকীমান শিক্ষাব্রতী মহানুভৱ ব্যক্তিৰ দূৰদর্শীতা, অদম্য কর্মপ্রেৰণা, আশাশুধীয়া প্রচেষ্টা আৰু ৰাইজৰ উচ্চ শিক্ষানুৰাগ, সমাজহিতৈষী লোকৰ দান-বৰঙণি, সর্বসাধাৰণ মানুহৰ মুষ্টিভিক্ষা আৰু সক্রিয় সহায়-সহযোগিতাত গঢ় লৈ উঠিছিল শুৱালকুছি আৰু পার্শ্ববর্তী অঞ্চলৰ উচ্চ শিক্ষাৰ একমাত্র অনুষ্ঠান শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়। স্থানীয় শ্রীশ্রীঈশ্বৰ হাটীসত্রৰ ভূমি দানেৰে স্থাপিত, শ শ ছাত্র-ছাত্রীৰ উচ্চ শিক্ষাৰ প্রাণকেন্দ্র ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনে সোণালী জয়ন্তী বর্ষ অতিক্রম কৰিবলৈ ওলাইছে। অযুত সম্ভাৱনা বুকুত বান্ধি এই জ্ঞান মন্দিৰটিয়ে পঞ্চাশ বছৰীয়া পথ পৰিক্রমাত নানান আনন্দ-বিষাদ, প্রত্যাহ্বান নেওচি একবিংশ শতিকাৰ আজিৰ এই অৱস্থা পাইছে। ৰাইজৰ আশা-আকাংক্ষাৰ থলী, শ শ ছাত্র-ছাত্রীৰ বর্ণময় স্বপ্ন আৰু শিক্ষক-শিক্ষয়িত্রীৰ অনুভৱৰ মিলন তীর্থ এই মহান শিক্ষানুষ্ঠানখনৰ সোণালী জয়ন্তীয়ে সকলোৰে হৃদয়-মন উদ্বেলিত আৰু আহ্লাদিত কৰি তুলিছে। এনে শুভ ক্ষণত মহাবিদ্যালয় প্রতিষ্ঠা কালৰ কাণ্ডাৰীসকল, যাত্রা পথৰ সোণানীসকল, ছাত্র, অধ্যক্ষ, শিক্ষক, জ্ঞাত-অজ্ঞাত ৰাইজলৈ আন্তৰিক শ্রদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

একবিংশ শতিকাত ভাৰতীয় উচ্চ শিক্ষাখণ্ডলৈ ন ন প্রত্যাহ্বান আহিছে। গোলকীয় প্রভাৱত উচ্চ শিক্ষাৰ ক্ষেত্রখনতো বজাৰৰ প্রতিযোগিতামূলক মনোভাৱ গঢ় লৈ উঠিছে। ব্যক্তিগতকৰণ, বাণিজ্যিকীকৰণ, বিদেশী বিনিয়োগ আদিৰ লগতে চৰকাৰৰ নীতি-নির্দেশনাৰ বাবেও ভাৰতৰ উচ্চ শিক্ষাখণ্ডলৈ আমূল পৰিৱর্তন আহিছে। এই পৰিবর্তনৰ দ্বাৰা বেছিকৈ আক্রান্ত হৈছে গ্রাম্যাঞ্চলৰ উচ্চ শিক্ষানুষ্ঠানসমূহ। কাৰণ গ্রাম্যাঞ্চলৰ উচ্চ শিক্ষানুষ্ঠানসমূহে নানান অসুবিধা আৰু সীমিত সম্পদেৰে সকলোবোৰ প্রত্যাহ্বানৰ মুখামুখী হ'ব লগা হৈছে। আমাৰ মহাবিদ্যালয়খনো ইয়াৰ ব্যতিক্রম নহয়; তথাপি পৰিৱর্তনৰ সোঁতত মহাবিদ্যালয়খনে নিজৰ সর্বস্ব উজাৰি দি গুণগত শিক্ষা প্রদান কৰি ৰাইজৰ সেৱা আগবঢ়াবলৈ প্রতিশ্রুতিবদ্ধ। প্রণিধানযোগ্য যে সোণালী জয়ন্তী বর্ষ গৰকা মহাবিদ্যালয়খনে ৰাইজৰ আশা-আকাংক্ষা কিমানখিনি প্রতিফলিত কৰিব পাৰিছে সেয়া ৰাইজৰ বিচার্য।

**স্মৃতিগ্রন্থ সম্পর্কে ঃ** স্মৃতিগ্রন্থ বুলিলেই যেন এক ধৰণৰ খৰধৰ, লৰা-ঢপৰা, তীব্র হেচা আদিৰ সমাহাৰ। উৎসৱ উপলক্ষে স্মৃতিগ্রন্থ প্রকাশৰ দিন যিমানে চমু চাপি আহে সিমানেই কামৰ বোজা বাঢ়ি যায়। বাঢ়ি যোৱাটোৱেই যেন অৱধাৰিত। স্মৃতিগ্রন্থৰ সৱহখিনি উপকৰণ একেবাৰে মূৰামূৰি সময়ত সম্পাদনা সমিতিৰ হাতত পৰে, ফলত নানান চাপৰ মাজত স্মৃতিগ্রন্থৰ কাম আগবাঢ়ে। আমাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী মহোৎসৱৰ স্মৃতিগ্রন্থও ইয়াৰ পৰা ব্যতিক্রম নহয়। গতিকে আমাৰ অনিচ্ছাসত্ত্বেও স্মৃতিগ্রন্থখনত অনেক ভুল-ভ্রান্তি ৰৈ যোৱাটো স্বাভাৱিক। স্মৃতিগ্রন্থখনৰ সকলো সীমাবদ্ধতা, অপূর্ণতা আৰু ভুল-ত্রুটিৰ বাবে সংশ্লিষ্ট সকলো পক্ষৰ ওচৰত আমি ক্ষমা প্রার্থনা মাগিলো।

এইখিনিতে উল্লেখযোগ্য যে স্মৃতিগ্রন্থখনত প্রকাশিত লেখনিসমূহৰ মতামত, তথ্য আৰু ঘটনা সংশ্লিষ্ট লেখকসকলৰ নিজা, এই সম্পর্কে সম্পাদনা সমিতি কোনো কাৰণতে দায়বদ্ধ নহ'ব।

**কৃতজ্ঞতাৰ শৰাই ঃ** সোণালী জয়ন্তী মহোৎসৱৰ স্মৃতিগ্রন্থখন সম্পাদনা কৰাৰ যোগ্যতা আৰু অভিজ্ঞতা আমাৰ নাই। তথাপি ৰাইজৰ আদেশ শিৰোধার্য কৰি আৰু নিজৰ মহাবিদ্যালয়খনৰ প্রতি থকা অপৰিসীম শ্রদ্ধাৰ বাবে সম্পাদনাৰ কামত অগ্রসৰ হৈছো। এই কাম একক ভাৱে কৰাৰ পৰিৱর্তে সম্পাদনা সমিতিৰ সকলোৰে লগত দলগত ভাৱে সম্পূর্ণ কৰাৰ প্রয়াস কৰিছো। আমি কিমান দূৰ সফল হৈছো, ক'ত বিফল হৈছো পঢ়ুৱৈয়ে বিচাৰ কৰিব।

স্মৃতিগ্রন্থখন সম্পাদনা কৰোতে সম্পাদনা সমিতিৰ মাননীয় উপদেষ্টা, মাননীয় সভাপতি, উপ-সভাপতি, সহ-সম্পাদক প্রমুখ্যে সদস্যসকল আৰু মাননীয় পদেন আৰু আমন্ত্রিত সদস্যসকলে অকুণ্ঠ সহায় আৰু বলিষ্ঠ ভূমিকা পালন কৰিছে। তেখেতসকলৈ পৰম কৃতজ্ঞতা জ্ঞাপন কৰিলো। স্মৃতি গ্রন্থত 'শংকৰজ্যোতি' প্রশস্তিমূলক কবিতাতি ৰচনা কৰাৰ বাবে শ্রীযুত প্রিয়নাথ শর্মাদেৱলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। সম্পাদনাৰ বিভিন্ন কামত বিভিন ধৰণে সহায় কৰাৰ কাৰণে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ আৰু মাননীয় শিক্ষকসকলৰ লগতে বন্ধু হিতেশ্বৰ দাস, দিপাংকৰ মেধি, মুকেশ কলিতা আৰু হিমাক্ষী কাকতিলৈ কৃতজ্ঞতা জনালো। যিসকল লেখকে বিভিন্ন লেখনি প্রদান কৰি স্মৃতিগ্রন্থ প্রকাশৰ বাট মোকলাই দিলে তেখেতসকললৈ আন্তৰিক শ্রদ্ধা নিবেদন কৰিলো। সোণালী জয়ন্তী মহোৎসৱলৈ আর্থিক সহায় আগবঢ়োৱাসকল আৰু ভবানী অফছেট প্রেছৰ কর্মীবৃন্দলৈও আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

'জয়তু শুৱালকুছি বুদ্ৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়।

**অতুল চন্দ্র দাস**

# সূচীপত্র

**শ্রদ্ধার্ঘ্য**

সোণালী জয়ন্তী মহোৎসৱ উদ্‌যাপন সমিতিৰ মুখ্য সমন্বয়ক স্বৰ্গীয় তুৰা কটকী (১৯৫৭-২০১৩) ■ গোপাল শর্মা/১৯

**ৰামধেনু**

- আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত ভাৰতবৰ্ষত শৈক্ষিক গৱেষণা ঃ এটি অৱলোকন ■ ড° দীপেশ চন্দ্ৰ ভাগৱতী/২০
- শিক্ষা ঃ অমৰত্বৰ বাহনখন পতিত হৈছে কিয় ? ■ ড° ৰজনীকান্ত দাস/২২
- ভাৰতীয় শিক্ষা ব্যৱস্থাত গোলকীয় মাত্ৰাৰ বিচাৰ ■ ড° জয়কান্ত শর্মা/২৬
- শিক্ষাৰ ব্যক্তিগতকৰণ, বাণিজ্যিকীকৰণ আৰু সাধাৰণ ৰাইজৰ ওপৰত ইয়াৰ প্ৰভাৱ ■ আব্দুল মান্নান/৩০
- উচ্চ শিক্ষা আৰু মানৱ সম্পদৰ অপচয় ■ দ্বিজেন বর্মন/৩৪
- সাম্প্ৰতিক সময়ৰ প্ৰেক্ষাপটত শিক্ষা, সমাজ, পৰিৱেশ, নৱপ্ৰজন্ম ইত্যাদি ■ মামণি দেৱী/৩৬
- বৈদিক যুগৰ শিক্ষা ব্যৱস্থা আৰু সাম্প্ৰতিক সময়ত ইয়াৰ প্ৰাসংগিকতা ■ অর্পণা নাথ/৩৮
- নাৰী শিক্ষা আৰু ইয়াৰ প্ৰয়োজনীয়তা ■ ড° মঞ্জুমালা দাস/৪৩
- প্ৰসংগ : সমাজ আৰু সাহিত্য ■ ড° বসন্ত কুমাৰ ভট্টাচার্য /৪৫
- সমাজ, সামাজিক সংকট আৰু আমাৰ দায়বদ্ধতা ■ হিতেশ্বৰ দাস/৪৯
- কেইষাৰমান যোগাত্মক কথা ■ দেবকান্ত সন্দিকৈ/৫২
- আধুনিক অসমীয়া সংগীত ■ ড° অনিমা চৌধুৰী/৫৪
- সমাজ বিজ্ঞানৰ দৃষ্টিত শ্ৰীমন্ত শংকৰদেৱ ■ ড° পৰশমণি দাস/৫৭
- বর্তমান সমাজত আইনৰ ভূমিকা ■ গোপাল ডেকা/৬১
- সামাজিক বিশৃংখলতা, মনোবিশ্লেষণ আৰু স্বাস্থ্য শিক্ষা ■ ডা° গৌৰাংগ দাস/৬২
- ভাৰতত ভাষাতত্ত্বৰ চর্চা ■ দিলীপ কুমাৰ শর্মা/৬৫
- ভাৰতত বাইশ বছৰীয়া নব্য-উদাৰ অর্থনীতিৰ পৰিহাস ■ অনন্ত কলিতা/৬৭
- অন্ধবিশ্বাস, কুসংস্কাৰৰ আৱর্তত মহিলা সমাজ ■ ড° চন্দ্ৰমোহন শর্মা/৬৯
- অসমীয়া ভাষাৰ জতুৰা ঠাঁচ ■ ড° মনালিছা বৰা/৭৩
- শ্ৰীমন্ত শংকৰদেৱ প্ৰৱর্তিত নামধর্ম ■ উমেশ চন্দ্ৰ দাস/৭৬
- সংগীত শিক্ষাৰ আৱশ্যকতা ■ খগেন চন্দ্ৰ মেধি/৭৮
- সাহিত্য জাতীয় আদর্শৰ চিনস্বৰূপ ■ কুমাৰী কামদা বৈশ্য/৭৯
- চিদানন্দ ৰাম সদানন্দ হৰি এ নিত্যানন্দ কৃষ্ণ মোক লৈয়ো দাস কৰি ■ ৰাজীৰ লোচন সন্ত/৮১
- শিশুৰ শৈক্ষিক বিকাশত অভিভাৱকৰ ভূমিকা ■ ৰবিতা বৈশ্য/৮২
- আকাশী গঙ্গা নিবিচৰা কবিজন ■ ড° চিত্তৰঞ্জন দাস/৮৩
- মামণি ৰয়চম গোস্বামীৰ নাৰীকেন্দ্ৰিক উপন্যাসৰ সাৰকথা ■ অনুভৰ তুলসী/৮৪
- কবিতাৰ শক্তি, হীৰেন ভট্টাচার্যৰ কবিতা আৰু কিছু প্ৰাসংগিক কথা ■ সমীন্দ্ৰ হুজুৰী/৮৬
- সমাজ সংস্কৰণ আৰু ধর্মগুৰুসকল ■ নীলোৎপল দাস/৮৯
- পুথিভঁৰাল ঃ ইয়াৰ প্ৰয়োজনীয়তা ■ ৰাকেশ কলিতা/৯১

**শুৱালকুছি দর্পণ**


- ভাৰতৰ স্বাধীনতা আন্দোলনত শুৱালকুছিৰ ভূমিকা ■ প্রিয়নাথ শর্মা/৯২
- শুৱালকুছি ঐতিহাসিক আৰু ভাষিক পটভূমিত শিপাৰ সন্ধান ■ যোগেন্দ্র ভৰালী/৯৭
- ঐতিহাসিক দৃষ্টিত শুৱালকুছি ■ হেমেন কলিতা/১০১
- শুৱালকুছিৰ উপভাষাৰ আঞ্চলিক ৰূপ ■ বাসুদেৱ ভৰালী/১০৬
- শুৱালকুছিৰ মুগা কটা শিল্প আৰু ইয়াৰ লগত ব্যৱহৃত থলুৱা শব্দ ■ হেমচন্দ্র ভৰালী/১১০
- শুৱালকুছিৰ সাংস্কৃতিক ঐতিহ্য ■ নাৰায়ণ দাস/১১২
- ধর্মীয় পৰম্পৰাত শুৱালকুছিৰ স্থান ■ দেবীৰাম দাস/১১৪
- শুৱালকুছি আৰু দাঁতিকাষৰীয়া অঞ্চলৰ ঐতিহ্যমণ্ডিত দৌল দেৱালয় ■ চতীন্দ্রনাথ শর্মা/১১৬
- শুৱালকুছিৰ আর্থসামাজিক দৃশ্যপট ■ কুঞ্জমোহন ডেকা/১২১
- শুৱালকুছিৰ মহাপুৰুষীয়া প্রধান সত্রকেইখনৰ সময় নিৰূপণ ■ গংগাধৰ কলিতা/১২৭
- ক্রীড়া আৰু শুৱালকুছি ■ দিলীপ মেধি/১৩১
- শুৱালকুছিত সাহিত্য চর্চা ঃ এক অৱলোকন ■ ৰঞ্জিত কুমাৰ মহন্ত/১৩৪
- শুৱালকুছিৰ শৈক্ষিক ৰূপৰেখা ■ গৌৰাংগ বৰা/১৩৮
- শুৱালকুছিৰ তাঁত শিল্পৰ আধুনিকীকৰণ ঃ এটি পর্যালোচনা ■ নিহাৰ ৰঞ্জন কলিতা/১৪২


**অনুভৱ আৰু স্মৃতি**


- স্বর্ণ জয়ন্তীৰ শুভ বর্ষত স্মৃতিৰ পৰিক্রমা ■ হৰেকৃষ্ণ শর্মা/১৪৭
- শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়ৰ ভিতৰচ'ৰা ■ ড° প্রবীণ বৈশ্য/১৫০
- সোঁৱৰণীৰ অতীত ৰেঙণি ■ যতীন দাস/১৫৩
- স্মৃতিৰ কৰণিত শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয় ■ বোধেন্দ্রনাথ শর্মা/১৫৭
- চাকৰি জীৱনৰ স্মৃতি ৰোমন্থন ■ প্রদীপ কলিতা/১৬১
- শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়ৰ বিজ্ঞান শাখা ■ ড° পুলিন শর্মা/১৬৩
- স্মৃতিৰ মুকুতা মালা ■ দিপালী কলিতা/১৬৫
- শুৱালকুছিত নাৰী শিক্ষা, কলেজ আৰু মধুৰী আই ■ কনকলতা দাস/১৬৮
- শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয় : এটি নষ্টালজিয়া ■ ৰমেশ চন্দ্র কলিতা/১৭১
- কলেজীয়া জীৱনৰ স্মৃতি যুগমীয়া ■ মলিন কলিতা/১৭৩
- স্মৃতি ৰোমন্থন ■ সনাতন দাস/১৭৫
- জীৱনৰ টার্নিং পইণ্ট ■ হেমেন ডেকা/১৭৭
- পঞ্চাশ বছৰীয়া তুমি ষোড়শী গাভৰু ■ বিপুল চন্দ্র বৈশ্য/১৭৮
- মহাবিদ্যালয়ত পঢ়ি থকা কালৰ সোণোৱালী সোঁৱৰণ ■ দীপালী ভৰালী/১৮০
- সোণালী সোঁৱৰণ ■ চন্দ্র সিং ডেকা/১৮১
- কলেজীয়া জীৱনৰ অনুভূতি ■ হৃদয় মড়ল/১৮৩
- অতীত স্মৃতি সোঁৱৰণ ■ চিম্পল কলিতা/১৮৪
- স্মৃতি যুগমীয়া ■ মণিকান্ত কলিতা/১৮৫
- শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল ইতিহাসৰ এক অনুভৱ ■ হেমেন্দ্র নাথ বৈশ্য/১৮৬
- স্মৃতিৰ এখিলা পাত ■ লক্ষ্মী দেৱী/১৮৭
- মোৰ কলেজীয়া জীৱনৰ সোণোৱালী অনুভৱ ■ ৰূপক বৈশ্য/১৮৮
- অনুভৱৰ পানচৈ ■ পূৰবী ভৰালী/১৮৯

## ইংৰাজী শিতান


- Higher Education in North-East India ■ Krishna G Bhattacharyya/১৯০
- The Role of Village Industries in Rural Development with Special Reference to Mahatma Gandhi ■ Banajit Baishya/১৯৯
- Problems and Prospects of Economic Development on Environment ■ Dr. Dipendra Kr. Sarmah/২০২
- Consumerism, Changing Social Values & Teachers ■ Bhabesh Chandra Deka/২০৬
- Preservation and Conservation of Reading Materials in Library ■ Geetali Das/২০৭
- Study of Tensile Properties ■ Chandrama Kalita/২১০
- The Essence of Social History ■ Seema Dutta/২১২
- Role of Thans and Satras in spreading Education ■ Dr. Sanjib Kr. Barkakati/২১৫
- Open and Distance Learning in the 21st Century: The Role of ICT ■ Dr. Kandarpa Das/২১৭
- Education for Emotional Integration: The need of the Nation ■ Ranjit Taku/২২০
- Democracy and Development Vs Depreciation and Demonstration ■ Bhupen Ch. Barman/২২৩
- Nickâma Karma and Management ■ Banti Borah/২২৫
- Participation of Student's in Politics ■ Gunajit Nath/২২৯


## সানমিহলি


- মহাবিদ্যালয়ৰ ভিতৰ চ'ৰা/২২৩
- দাতাৰ তালিকা/২৪৪
- ফটো এলবাম

# সোণালী জয়ন্তী মহোৎসৱ উদ্‌যাপন সমিতিৰ মুখ্য সমন্বয়ক প্ৰয়াত তুৱা কটকী

**গোপাল শর্মা**

*সহযোগী অধ্যাপক, শুঃ বুঃ মাঃ সঃ মহাবিদ্যালয়*

১৯৮৩ চনত শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত ইতিহাস বিভাগৰ এজন অধ্যাপক হিচাপে কর্মজীৱন আৰম্ভ কৰা স্বর্গীয় তুৱা কটকীৰ জন্ম হৈছিল শোণিতপুৰ জিলাৰ অন্তর্গত বিশ্বনাথ চাৰিআলিৰ দ-গাঁৱত ১৯৫৭ চনৰ দুই জানুৱাৰী তাৰিখে। তেখেতৰ পিতৃৰ নাম স্বর্গীয় কীর্তি কটকী আৰু মাতৃৰ নাম শ্রীমতী দুর্গেশ্বৰী কটকী। সাতজন ভাই-ভনীৰ মাজত তেখেতে চতুর্থজন সন্তান আছিল।

স্বর্গীয় তুৱা কটকী গাঁৱলীয়া পৰিৱেশত ডাঙৰ-দীঘল হৈছিল। ঘৰুৱা কাম-বন কৰা, কৃষিকার্য, পশুপালন ইত্যাদি কামত সহায় কৰাৰ লগতে তেখেতে স্থানীয় স্কুলত পঢ়া-শুনা কৰিছিল। ১৯৭৪ চনত তেখেতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীর্ণ হৈ বিশ্বনাথ মহাবিদ্যালয়ত নামভর্তি কৰিছিল। প্রাক বিশ্ববিদ্যালয়ত ইতিহাসত 'সন্মান' (অনার্ছ) বিষয় লৈ তেখেতে পঢ়িবলৈ লয়। পঢ়াত মেধাৰী তুৱা কটকী সেই সময়ৰ শিক্ষক-বন্ধুবর্গ সকলোৰে অতি প্রিয় আছিল। তেওঁৰ কলেজীয়া বন্ধুবর্গৰ ভিতৰত শ্রীযুত সত্যেন হাজৰিকা, ড° মৃণাল বৰা, শ্রীযুত দুলাল দাস আৰু শ্রীযুত জগন্নাথ উপাধ্যায়ৰ মাজত নিবিড় সম্পর্ক আছিল। ১৯৭৮ চনত তেখেতে স্নাতক পৰীক্ষা পাছ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ত ইতিহাস বিষয়ত অধ্যয়ন কৰিবলৈ লয়। স্নাতকোত্তৰ পৰীক্ষাত উত্তীর্ণ হৈ তেখেতে শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত ১৯৮৩ চনৰ এক জানুৱাৰী তাৰিখৰপৰা ইতিহাসৰ অধ্যাপক হিচাপে কর্মজীৱন আৰম্ভ কৰে।

মহাবিদ্যালয়ত অধ্যাপনা কৰি থাকোতেই ১৯৮৭ চনৰ ২৮ ডিচেম্বৰ তাৰিখে বৰপেটাৰ জীয়ৰী শ্রীমতী বীণা কটকীৰ সৈতে তুৱা কটকীৰ বিবাহ সম্পন্ন হয়। তেওঁলোকৰ দুজন পুত্র সন্তান, যথাক্রমে শ্রীকুলদীপ কটকী আৰু শ্রীৰাজদীপ কটকী। শ্রীকুলদীপ কটকী বর্তমান কম্পিউটাৰ ইঞ্জিনিয়াৰ আৰু শ্রীৰাজদীপ কটকী ইঞ্জিনিয়াৰিঙৰ ছাত্র।

স্বর্গীয় কর্মেশ্বৰ বৈশ্য মহোদয়ে ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে অৱসৰ লোৱাত কটকীদেৱে শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে ২৯-০৪-১৯৯৫ তাৰিখৰপৰা পদোন্নতি লাভ কৰে। ইতিমধ্যে তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তর্গত লোক-সংস্কৃতি বিভাগৰপৰা এম ফিল ডিগ্রী লাভ কৰিছিল (১৯৯০)। ইয়াৰ লগতে তেখেতে 'ইন্দিৰা গান্ধী ৰাষ্ট্রীয় মুক্ত বিশ্ববিদ্যালয়', গুৱাহাটী অধ্যয়ন কেন্দ্রৰ অধীনত সহকাৰী সমন্বয়ক আৰু শৈক্ষিক পৰামর্শদাতা হিচাপেও কার্যনির্বাহ কৰিছিল। ৩১ জানুৱাৰী ২০০৬ তাৰিখৰপৰা তুৱা কটকীদেৱে মহাবিদ্যালয়ৰ উপাধ্যক্ষ পদ অলংকৃত কৰে।

১ জানুৱাৰী ২০১১ তাৰিখৰপৰা ১৭ জানুৱাৰী ২০১২ তাৰিখলৈকে তুৱা কটকীদেৱে শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত ভাৰপ্রাপ্ত অধ্যক্ষৰ দায়িত্ব পালন কৰে। ১৮ জানুৱাৰী ২০১২ তাৰিখে স্থায়ী অধ্যক্ষ ড° দীপেশ চন্দ্র ভাগৱতীদেৱে মহাবিদ্যালয়ত যোগদান কৰাৰ পিছত তুৱা কটকী পুনৰ উপাধ্যক্ষ পদত কার্যনির্বাহ কৰে। ১৮ জুন ২০১৩ তাৰিখলৈকে তেখেতে নিজে গাড়ী চলাই আহি মহাবিদ্যালয়ৰ কার্য সম্পাদন কৰিছিল। ২৫ জুন ২০১৩ তাৰিখে গুৱাহাটীৰ ইণ্টাৰনেছনেল হাস্পতালত বৃক্কৰ অসুখত ভুগি তুৱা কটকীদেৱে ইহলীলা সম্বৰণ কৰে।

স্বর্গীয় তুৱা কটকীদেৱৰ অকাল মৃত্যুত তেওঁৰ গুণগ্রাহী আত্মীয়-স্বজন, বন্ধুবর্গ, সহকর্মী আৰু ছাত্র-ছাত্রীসকলে যথেষ্ট মর্মাহত হৈছিল। তেওঁৰ বন্ধুবৰ অধ্যাপক, শ্রীযুত সত্যেন হাজৰিকাৰ ভাষাৰে—'এটা কথা মই নিশ্চিতভাৱে ক'ব পাৰো যে কর্মত ফাকি দিয়া কটকীৰ অভ্যাস নাছিল। কর্তব্যপৰায়ণ আৰু নিষ্ঠা তেওঁৰ জীৱনত পৰিলক্ষিত হোৱা দেখা যায়।' শ্রীযুত কৌস্তভমণি শইকীয়াই স্বর্গীয় তুৱা কটকীদেৱ সম্পর্কে কৈছিল—'কটকীৰ মাতটো আছিল সুৰদি-সুৰীয়া। বিশেষকৈ ভক্তিমূলক গীত কটকীৰ কণ্ঠেৰে গদ্‌ গদ্‌ হৈ নিগৰিছিল। কটকীৰ ভাব-ভংগী, কথা-বতৰা, কাম-কাজত সমাজ আৰু দেশৰ প্রতি দায়বদ্ধতা প্রকাশ পাইছিল।' অধ্যক্ষ ড° দীপেশ চন্দ্র ভাগৱতীয়ে তুৱা কটকীদেৱ সম্পর্কে লিখিছে—'আমাৰ মাজৰ অন্তৰংগ আলোচনাত সততে স্থান পোৱা বিষয়টো আছিল কলেজখনৰ সামগ্রিক পৰিৱেশ আৰু ইয়াৰ উন্নয়নৰ প্রত্যাহ্বানসমূহ।... নিজৰ ৰোগগ্রস্ততাৰ কথা কিন্তু ঘুণাক্ষৰেও কেতিয়াও উল্লেখ কৰা নাছিল।' ড° মৃণাল বৰাই লিখিছে—'এবাৰলৈকে অসুখৰ কথা কোৱা নাছিল। যোগ আৰু প্রাণায়ামত কটকীৰ গভীৰ বিশ্বাস আছিল।' ইংৰাজী বিভাগৰ অধ্যাপক, কবি অনুভৱ তুলসীদেৱে 'শেষ পৃষ্ঠা' নামৰ কবিতাৰে স্বর্গীয় তুৱা কটকীদেৱক শ্রদ্ধাঞ্জলি যাচিছে। এই কবিতাৰ কেইটিমান ফাকি উদ্ধৃত কৰা হ'ল—

'শেষ পৃষ্ঠা পাঠশালাৰ ফলিত অঁকা অতীত।
তোৰ হাতেৰেই সমাধি ৰচনাকেই
অতীতৰ আছিল ইতিহাসৰ ছাত্র
ইতিহাস তোৰ হাততে ধূলি বুলি প্রমাণিত।
শেষ সূর্যাস্তৰ অকলশৰীয়া দর্শক
শেষ পখীৰ কলৰোল সহগীতৰ মুগ্ধ শ্রোতা তুৱা তই তন্ময়।
শেষ পৃষ্ঠা ৰচনাত।' ■

# আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত ভাৰতবৰ্ষত শৈক্ষিক গৱেষণা ঃ এটি অৱলোকন

**ড° দীপেশ চন্দ্ৰ ভাগৱতী**

*অধ্যক্ষ, শুৱালকুছি বুঃ মাঃ সঃ মহাবিদ্যালয়*

**প্ৰস্তাৱনা ঃ** পৰাধীন কালৰ চতুৰ ইংৰাজ আমোলা আৰু বিশিষ্ট আইনজ্ঞ মেকলেই প্ৰাচ্যৰ জ্ঞান-গৰিমাৰ প্ৰতি শ্লেষাত্মক মন্তব্য কৰি কৈছিল—'A single self of a good European library was worth the whole literature of India and Arabia'। এনে দাম্ভিকতাক নস্যাৎ কৰি পৰৱৰ্তী কালত ভাৰতীয় পণ্ডিতসকলে সোঁৱৰাই দি কৈছিল—'যি সময়ত ভাৰতীয় পণ্ডিত-ঋষিমুনিসৱে নভোমণ্ডলৰ তাৰকাৰাশিৰ গতিবিধি চৰ্চা কৰিছিল, সেই সময়ত মেকলেৰ পূৰ্বপুৰুষসকলে হয়তো কোনোবা গুহাত আশ্ৰয়লৈ পো�ৰা মঙহেৰে প্ৰাণ প্ৰৱৰ্তাইছিল।

প্ৰসংগটি উত্থাপন কৰাৰ কাৰণ হ'ল— সাম্প্ৰতিক কালত পশ্চিমীয়া দেশত যিবোৰ জাতিৰ আৰ্থ-সামাজিক বা বৌদ্ধিক প্ৰাচুৰ্যই বিশ্বত চমক সৃষ্টি কৰিছে, তেনেবোৰ জাতিক বহু পিছুৱাই থৈ ভাৰতীয় চিন্তা-চৰ্চাই নিজৰ চহকী অৱস্থাৰ কথা এটা সময়ত গৌৰৱেৰে সাব্যস্ত কৰিব পৰা সত্ত্বেও আজিৰ পৃথিৱীত ভাৰতীয়ৰ সেই গৌৰৱ ইতিহাস মাথোঁ; বৰ্তমান নহয়। পদে পদে পৰিৱৰ্তনেৰে জীৱন আৰু জগতত নতুনত্বৰ দিগ্‌বলয়ক ক্ৰমে ক্ৰমে অসীমলৈ ঠেলি নিয়া জ্ঞানৰ সাধনা —যাক আধুনিক শৈক্ষিক পৰিভাষাত গৱেষণা বা উদ্ভাৱন বুলি কোৱা হয়, তাৰ নেতৃত্বদানত আমাৰ দৰে ঐতিহ্যশালী জাতি এটাৰ বৰ্তমানৰ স্থিতি পিছে, বিশ্বৰ আন বহু ৰাষ্ট্ৰৰ তুলনাত মুঠেও সন্তোষজনক নহয়। সৰ্বসাধাৰণৰ মনত হয়তো গৱেষণাৰ ধাৰণা স্পষ্ট নহ'বও পাৰে। ক'বলৈ গ'লে যিকোনো নতুন সৃষ্টি, সি পাৰ্থিৱ বা অপাৰ্থিৱ যিয়েই নহওক কিয়, তাক গৱেষণাৰ ফল বুলিব পাৰি। বিদ্যায়তনিক পৰিসীমাৰ ভিতৰত নতুন তত্ত্ব, তথ্য বা সূত্ৰৰ সন্ধেদ দিব পৰা কৰ্ম, তাৰ বৰ্ণনা বা প্ৰমাণসিদ্ধ লিখনিসমূহ সফল গৱেষণাৰ স্বাক্ষৰ হিচাপে স্বীকৃত। উচ্চ শিক্ষাৰ কেন্দ্ৰসমূহ এনেধৰণৰ চিন্তা-চৰ্চা বা অনুশীলনৰ অন্যতম ক্ষেত্ৰ হিচাপে পৰিগণিত যদিও, আমাৰ দেশত গৱেষণাকে মুখ্য উদ্দেশ্য হিচাপে গ্ৰহণ কৰা কিছুমান শীৰ্ষস্তৰীয় গৱেষণা প্ৰতিষ্ঠানো আছে। ICAR, ICMR, ICSSR, CSIR, BARC, TIFR প্ৰভৃতি অনুষ্ঠানসমূহৰ কথা এই প্ৰসংগত বিশেষভাৱে উল্লেখযোগ্য।

১৮৫৭ চনতে ভাৰতবৰ্ষত প্ৰথমে আধুনিক শিক্ষাৰ বিশ্ববিদ্যালয় স্থাপন কৰা হয় যদিও, প্ৰথম অৱস্থাত গৱেষণাৰ কথাতো বাদেই, পাঠদানৰ কাৰ্যসূচীও বিশ্ববিদ্যালয়সমূহৰ দায়িত্বৰ আওতাত নাছিল। পৰীক্ষা পৰিচালনা কৰি ডিগ্ৰী বিতৰণ কৰাৰ লেখীয়া কামতে বিশ্ববিদ্যালয়কেইখন ব্যস্ত থাকিব লগাত পৰিছিল। কুৰি শতিকাৰ আ�ৰম্ভণিৰপৰাহে পাঠদান, গৱেষণা আদিতো বিশ্ববিদ্যালয়সমূহ জড়িত হ'ব লাগে বুলি গুণা-গঁথা চলিবলৈ ধৰে। শেহতীয়াভাৱে উচ্চ শিক্ষানুষ্ঠাসমূহৰ কাৰ্যপৰিসৰ ত্ৰিমাত্ৰিক হ'ব লাগে বুলি আঙুলিয়াই দিয়া হৈছে। সেইবোৰ হ'ল— পাঠদান, গৱেষণা আৰু সম্প্ৰসাৰণ সেৱা। সেয়েহে সম্প্ৰতি আন দিশ দুটাৰ উপৰিও উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহে গৱেষণাৰ দিশত দেখুৱাব পৰা কৃতিত্বক তেনে অনুষ্ঠানৰ সফলতাৰ অন্যতম মাপ-কাঠি হিচাপে বিবেচিত হ'বলৈ লৈছে।

**সাম্প্ৰতিক স্থিতি ঃ** শেহতীয়া তথ্যমতে আমাৰ দেশত ৬৭৭ খন বিশ্ববিদ্যালয় আৰু ৩৫,৫৩৯ খন মহাবিদ্যালয় আছে। এই শিক্ষানুষ্ঠানসমূহত নিৰ্দ্ধাৰিত বয়সৰ যুৱক-যুৱতীসকলৰ ভিতৰত মাথো ১৭.২% হে শিক্ষাৰ্থী হিচাপে নাম পঞ্জীভুক্ত কৰিছে। কিন্তু, গৱেষণাত অংশগ্ৰহণকাৰীৰ সংখ্যা তাতোকৈ পুতৌ লগা। এইসকল ছাত্ৰ-ছাত্ৰীৰ ভিতৰত প্ৰায় ১% ইহে গৱেষণাত হাত দিয়ে। বাকীসকলৰ মাজত গৱেষণাৰ প্ৰতি কোনো অভিপ্ৰায় বা উৎসুকতা দেখা নাযায়। অকল ছাত্ৰ-ছাত্ৰীৰ মাজত যে গৱেষণা বিমুখ প্ৰৱণতা বিৰাজমান এনে নহয়, এইক্ষেত্ৰত চৰকাৰী উদ্যোগো সন্তোষজনক বুলি ক'ব পৰা নাযায়। কাৰণ দেশখনে মুঠ ঘৰুৱা উৎপাদন (GDP) ৰপৰা মাথোঁ ০.৮৮% পুঁজিহে গৱেষণা আৰু উন্নয়ন (Research and Development) ৰ নামত ধাৰ্য কৰি আহিছে।

উচ্চ শিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ সাম্প্ৰতিক স্থিতিক মুঠেও সন্তোষজনক বুলি ক'ব পৰা নাযায়। উচ্চ শিক্ষাৰ বাবে নিৰ্দিষ্ট বয়সৰ জনসমষ্টিৰ ভিতৰত ব্ৰিটিছ দ্বীপপুঞ্জৰ ৬০% আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৮০% ই এই স্তৰৰ শিক্ষা গ্ৰহণ কৰাৰ বিপৰীতে ভাৰতবৰ্ষই ২০২০ চনতহে ৩০% যুৱক-যুৱতীক ইয়াৰ সুবিধা প্ৰদান কৰিব পৰাকৈ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে। উচ্চ শিক্ষা গ্ৰহণ কৰা শিক্ষাৰ্থীৰ সংখ্যা তাকৰীয়া হ'লে, গৱেষণাত ভাগ লোৱা ব্যক্তিৰ সংখ্যা কমি থকাটো তেনেই স্বাভাৱিক। ব্ৰাজিল, ৰাছিয়া, ভাৰতবৰ্ষ, চীনদেশ আৰু কোৰিয়াক সামৰি ২০১১ চনত কৰা এটা সমীক্ষাত দেখা গৈছিল যে, চীনদেশে এককভাৱে ১,৫০,০০০ গৱেষণা-পত্ৰ প্ৰকাশ কৰাৰ বিপৰীতে ভাৰতকে ধৰি আন ৰাষ্ট্ৰকেইখনে প্ৰকাশ কৰা গৱেষণা-পত্ৰৰ সংখ্যা ৫০,০০০ তকৈও কমহে আছিল।

**আন্তঃৰাষ্ট্ৰীয় পটভূমি ঃ** আমাৰ দেশৰ উচ্চ শিক্ষানুষ্ঠানসমূহৰ মানো বিশ্ব পটভূমিত সন্তোষজনক স্থিতিত নাই ; যাৰ প্ৰতিফলন গৱেষণাৰ গুণগত আৰু পৰিমাণগত — প্ৰতিটো দিশতে প্ৰতিফলিত হৈছে।

শেহতীয়া সমীক্ষামতে, বিশ্বৰ প্ৰথম ২০০ খন উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ তালিকাত কোনো এখন ভাৰতীয় শিক্ষানুষ্ঠানে স্থান দখল কৰিব পৰা নাই। ২০০ শিক্ষানুষ্ঠানৰ এই তালিকাখনত এছিয়াৰ ৰাষ্ট্ৰসমূহৰ ভিতৰত কোৰিয়াৰ ৪খন, হংকঙত ৪খন, চীনদেশৰ ২খন আৰু টাইৱানৰ ১ খন বিশ্ববিদ্যালয় আছে (২০১২ চনৰ জৰীপ মতে)। শেহতীয়াকৈ প্ৰকাশ পোৱা ২০১৩ চনৰ জৰীপমতে চীনদেশৰ পিকিং বিশ্ববিদ্যালয় ৪৬ তম স্থানেৰে প্ৰথম দুশখনৰ ভিতৰত এছিয়া মহাদেশৰ মুঠ ৭খন বিশ্ববিদ্যালয়ে স্থান দখল কৰিবলৈ সক্ষম হৈছে। আমাৰ দিল্লী আই. আই. টি.য়ে ২২২ নং স্থানেৰে দেশৰ ভিতৰতে প্ৰথম স্থান লাভ কৰিছে। উল্লেখযোগ্য যে, আমাৰ তিনিখনকৈ আই. আই. টি (দিল্লী, কাণপুৰ আৰু বোম্বাই) ৰ বিগত বৰ্ষৰ তুলনাত এই বছৰৰ স্থানগত মান নিম্নগামী হৈছে। উন্নতমানৰ গৱেষণাৰ অভাৱো এই পশ্চাদগমনৰ অন্যতম কাৰণ। জানি থোৱা ভাল, ২০১৩ চনৰ জৰীপত বিশ্বৰ শীৰ্ষ ৮০০ খন প্ৰতিষ্ঠানৰ ভিতৰত ভাৰতীয় উচ্চ শিক্ষানুষ্ঠানসমূহৰ ১১ খনেহে স্থান লাভ কৰিব পাৰিছে। এই তথ্য Q. S. World University Ranking ত পোৱা হৈছে। পশ্চিমীয়া দেশৰ কথা বাদেই, চীনদেশৰ উচ্চ শিক্ষা আৰু গৱেষণাৰ শেহতীয়া যি চমকপ্ৰদ উত্থান তাৰ তুলনাত ভাৰতবৰ্ষৰ অৱস্থা বহু দুৰ্বল। উদাহৰণস্বৰূপে ১৯৯১-২০০১ ৰ দশকটোত আমাৰ দেশত ডক্টৰেট ডিগ্ৰীধাৰীৰ ২০% সংখ্যা বৃদ্ধিৰ বিপৰীতে চীনদেশত এই বৃদ্ধিৰ নিৰিখ আছিল ৮৫% ।

**ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ পৰামৰ্শ ঃ** উচ্চ শিক্ষাৰ বিকাশ আৰু গৱেষণাৰ উন্নয়ন পৰস্পৰ পৰিপূৰক; এটাৰ ফালে পিঠি দি আনটোক আগবঢ়াই নিব পৰা নাযায়। আনহাতে জাতীয় বিকাশৰ স্বাৰ্থত গৱেষণাৰ ক্ষেত্ৰত ভাৰতবৰ্ষই বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিবই লাগিব। ইতিমধ্যে ৰাষ্ট্ৰীয় জ্ঞান আয়োগে (NKC) প্ৰধান অন্তৰায়সমূহ চিনাক্ত কৰি, সেইবোৰ নিৰাময়ৰ জৰিয়তে গৱেষণাৰ বিকাশৰ বাবে আগবঢ়োৱা পৰামশৱলী এই প্ৰসংগত বিশেষ প্ৰণিধানযোগ্য। আয়োগৰ মতে, ভাৰতবৰ্ষক জ্ঞানভিত্তিক অৰ্থনীতিলৈ ৰূপান্তৰ কৰিব পৰাকৈ দেশৰ শিক্ষা আৰু গৱেষণাৰ মান সন্তোষজনক নহয়। গৱেষণাসুলভ সা-সুবিধা (কাঠামো) অভাৱ, শিক্ষাৰ্থীসকলৰ অনিহাৰ উপৰিও গৱেষণাৰ নেতৃত্ব দিব পৰা শিক্ষক-অধ্যাপকৰ অভাৱ আদিৰ দৰে সমস্যাসমূহ দেশখনৰ গৱেষণাৰ ক্ষেত্ৰত অনগ্ৰসৰতাৰ প্ৰধান অন্তৰায় হিচাপে দেখা দিছে।

এনেবোৰ হেঙাৰ নেওচি গৱেষণাৰ দিশত দেশখনক আগুৱাই নিব পৰাকৈ জ্ঞান আয়োগে মাননীয় প্ৰধানমন্ত্ৰীৰ হাতত দহ-দফীয়া পৰামশাৱলী ইতিমধ্যে অৰ্পণ কৰিছে, (৬ নৱেম্বৰ, ২০০৮)। পৰামৰ্শসমূহৰ সংক্ষিপ্ত বিৱৰণ তলত দিয়া ধৰণে আগবঢ়োৱাৰ প্ৰয়াস কৰা হ'ল —

১। ৰাষ্ট্ৰীয় প্ৰচাৰ অভিযানৰ জৰিয়তে, সকলো পৰ্যায়ত শিক্ষকতা আৰু গৱেষণাৰ বাবে উপযুক্ত যুৱক-যুৱতীসকলক আকৃষ্ট কৰিব পৰাকৈ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

২। কাঠামোৰ উন্নয়ন আৰু সৃজনশীল ব্যক্তিক শিক্ষক হিচাপে নিযুক্ত কৰা আদি ব্যৱস্থাসমূহৰ জৰিয়তে বিশ্ববিদ্যালয়সমূহত ব্যাপক শৈক্ষিক সংস্কাৰ সাধনৰ প্ৰয়োজন।

৩। প্ৰয়োজনানুসাৰে, বিশ্ববিদ্যালয়সমূহৰ প্ৰশাসনিক সংস্কাৰ সাধন।

৪। উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহত গৱেষণামুখী পৰিৱেশ নিশ্চিত কৰা।

৫। নিম্ন স্নাতক পৰ্যায়ত উন্নত মানৰ পাঠদান/শিক্ষাদানৰ প্ৰতিষ্ঠান গঢ়ি তোলা।

৬। সৰ্বস্তৰৰ শিক্ষাৰ লগতে গৱেষণা আৰু উন্নয়ন (Research & Development) ৰ বাবে পৰ্যাপ্ত পুঁজিৰ যোগান ধৰা।

৭। বিভিন্ন বিষয়ৰ মাজত (Interdisciplinary) গৱেষণাৰ কাৰ্যসূচীক উৎসাহিত কৰা।

৮। উদ্যোগ আৰু শিক্ষা প্ৰতিষ্ঠানসমূহৰ মাজত উন্নত মানৰ সমন্বয় সাধন কৰা।

৯। ডক্টৰেট আৰু অন্যান্য গৱেষণাসমূহৰ উন্নত মান নিশ্চিত কৰা।

১০। সকলো গৱেষণাত বিশ্বমুখী দৃষ্টিভংগী আৱোপ কৰা।

আমাৰ দৰে মহাবিদ্যালয় পৰ্যায়ৰ শিক্ষানুষ্ঠানসমূহৰ বাবে উপৰিউক্ত ৫নং পৰামৰ্শটো বিশেষ গুৰুত্বপূৰ্ণ আৰু মনোযোগ আকৰ্ষণকাৰী। আমাৰ দেশৰ স্নাতকোত্তৰ শিক্ষানুষ্ঠানসমূহত গৱেষণাৰ কাম কিছু পৰিমাণে হয় যদিও, বিশেষকৈ অসমৰ পটভূমিত, নিম্ন স্নাতক পৰ্যায়ৰ পাঠদানৰ শিক্ষানুষ্ঠানৰ সৰহভাগত গৱেষণামূলক চিন্তা-চৰ্চা প্ৰায় নহয় বুলিব পাৰি। ইয়াৰ উত্তৰণৰ বাবে আগবঢ়োৱা পৰামৰ্শাৱলী এনেধৰণৰ—

* সুপৰিকল্পিত চাৰিবছৰীয়া পাঠ্যক্ৰমৰ প্ৰৱৰ্তন যাৰ সফল সমাপ্তিৰে পোনে পোনে Ph. D. পাঠ্যক্ৰমত নামভৰ্তি কৰিব পাৰিব।
* তীক্ষ্ণ আৰু মেধাসম্পন্ন ব্যক্তিক শিক্ষকতাৰ প্ৰতি যাতে আকৃষ্ট কৰিব পাৰি তাৰ বাবে ভিন্ন প্ৰকাৰৰ ব্যৱস্থা গ্ৰহণ।
* একে ধৰণৰ শিক্ষানুষ্ঠানসমূহৰ মাজত শিক্ষাৰ্থীক Credit Transfer ৰ সুবিধা প্ৰদান।

**মোখনি ঃ**

চাৰি বছৰীয়া নিম্ন স্নাতক পাঠ্যক্ৰম প্ৰৱৰ্তনৰ ওপৰত ইতিমধ্যে সম্পৰীক্ষা আৰম্ভ হৈছে। নিম্ন স্নাতকৰ গুৰু পাঠ্যক্ৰমত প্ৰকল্প কৰ্ম (Project Work) ৰ জৰিয়তে প্ৰায়বোৰ বিষয়তে গৱেষণামুখী আদিপাঠ সূচনা কৰিব খোজা হৈছে। পিছে, এই প্ৰচেষ্টাসমূহৰ কাৰ্যকাৰিতা নিৰ্ভৰ কৰিব কিমান আন্তৰিকতাৰে শিক্ষক-ছাত্ৰ উভয়ে প্ৰৱৰ্তিত ব্যৱস্থাসমূহৰ গুৰুত্ব উপলব্ধি কৰিব পাৰে—তাৰ ওপৰত। গতানুগতিক পাঠদান বা মূল্যাংকনৰ কামত ব্যস্ততাৰে শিক্ষকতাৰ দিনপঞ্জী সম্পূৰ্ণ কৰিয়ে উচ্চ শিক্ষাৰ শিক্ষকৰ কৰ্মৰাজিক সীমাবদ্ধ কৰিব খুজিলে জাতিৰ প্ৰতি অন্যায় কৰা হ'ব। সৰ্বাধিক শিক্ষাগত অৰ্হতাসম্পন্ন আৰু সৰ্বোচ্চ স্তৰৰ শিক্ষানুষ্ঠানৰ শিক্ষক হিচাপে, দেশৰ গৱেষণাৰ দিশত আজিৰ যি অনগ্ৰসৰতা, সেই অৱস্থাৰপৰা হাত সাৰিবলৈ উচ্চ শিক্ষাৰ শিক্ষকসকল আগবাঢ়ি অহিবই লাগিব। পুঁজিৰ সীমাবদ্ধতাৰ কথা উলাই কৰিব পৰা সমস্যা নহয় যদিও, আমি নিজে আগবাঢ়িব নুখুজি পুঁজিৰ সীমাবদ্ধতাৰ কথা কৈ থকাটো যুক্তিসংগত নহয়। উচ্চ শিক্ষানুষ্ঠানসমূহত ৰাষ্ট্ৰীয় জ্ঞান আয়োগে ভৱাৰ দৰে কাৰ্য ব্যৱস্থাসমূহ ৰূপায়ণ কৰিব পাৰিলে বিশ্বৰ গৱেষণাৰ ক্ষেত্ৰত ভাৰতবৰ্ষই অচিৰেই নিজৰ বলিষ্ঠ স্থিতি সাব্যস্ত কৰিব পাৰিব বুলি আমি আশাবাদী। ■

# শিক্ষা ঃ অমৰত্বৰ বাহন খন দুর্ঘটনাত পতিত হৈছে কিয় ?

**ৰজনী কান্ত দাস**
*প্ৰাক্তন অধ্যক্ষ, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

ষোড়শ শতিকাৰ এগৰাকী জ্ঞান তপস্বী পেৰাচেলচাচ (Paracelsus)-এ মানুহৰ দৈহিক পৰিচয়ৰ লগত আন এটা ধৰণৰ পৰিচয় সংযোজন কৰিছিল। মানুহৰ দ্বিতীয় পৰিচয়টোক তেওঁ 'আন্তঃমানৱ'(the inner man), 'দ্বিতীয় সৃষ্টিৰ মানৱ' (the man of the second creation) বুলি অভিহিত কৰিছিল। তেওঁ চিনাক্ত কৰিছিল য়ে 'দ্বিতীয় সৃষ্টিৰ মানৱ'ক সৃষ্টি কৰিছিল শ্ৰমে, যাৰ মাধ্যমত স্বৰ্গচ্যুত মানুহে শিকিবলৈ বাধ্য হৈছিল। তেওঁ কৈছিল — "আন আটাইবিলাক বস্তু সৃষ্টি হোৱাৰ পিছত প্ৰথম সৃষ্টিত আমাৰ জাতৰ বিলাকক পালো। কিন্তু মানুহৰ প্ৰয়োজন হোৱা জ্ঞান তেতিয়ালৈকে আডামৰ লভ্য নাছিল; সেই জ্ঞান তেওঁক দিয়া হ'ল স্বৰ্গৰ পৰা বহিস্কৃত হোৱাৰ পিছত। তাৰ পিছত তেওঁ 'জ্ঞান' লাভ কৰিলে দেৱদূতৰ সহায়ত, কিন্তু আটাইবিলাক জ্ঞান নহয়। তেওঁ আৰু তেওঁৰ সতি-সন্ততিবিলাকে এটাৰ পিছত আনটো কথা শিকিব লাগিব প্ৰকৃতিৰ পোহৰত। এইটো কৰিব লাগিব সেইবিলাক উন্মোচন কৰিবলৈ, যিবিলাক অন্তর্লীন হৈ আছে সমস্ত বস্তুত। কাৰণ যদিও দৈহিকভাৱে মানুহক সম্পূর্ণ কৰি সৃষ্টি কৰা হৈছে, কলা (art)ৰ প্ৰসঙ্গত তেওঁক সেই ধৰণে সৃষ্টি কৰা হোৱা নাই। তেওঁক সকলো প্ৰকাৰৰ কলা দিয়া হৈছে; কিন্তু তৎকালীনভাৱে চিনি পোৱা ৰূপত দিয়া হোৱা নাই। সেইবিলাক চিনি পাবলৈ তেওঁ শিকিব লাগিব।" এই শিকাটোৱেই শিক্ষা। আমি যাক সাধাৰণতে শিক্ষা বুলি কওঁ, সি শিকাৰ এটা অংশবিশেষ মাথোন। ই হৈছে শিক্ষাৰ আনুষ্ঠানিকতা অথবা আনুষ্ঠানিক শিক্ষা।

শিক্ষাৰ মূল্যায়ন কৰোঁতে বিজ্ঞসকলে তেওঁলোকৰ সুচিন্তিত ব্যাখ্যা আগবঢ়াইছে। এই প্ৰসঙ্গক আমি উল্লেখ কৰিব খুজিলো যুগশ্ৰেষ্ঠ বিজ্ঞানী আইনষ্টাইনৰ অভিমত।

১৯৩৪ চনত আমষ্টাৰ্ডাম ভ্ৰমণৰ সময়ত এজুম স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ সৈতে আলোচনাত মিলিত হৈছিল।ছাত্ৰ-ছাত্ৰীসকলক উদ্দ্যেশি তেওঁ কৈছিল —

"মোৰ মৰমৰ সোণমইনাহঁত,

উজ্জ্বল আৰু সৌভাগ্যশালী দেশখনৰ সুখী যৌৱন তোমালোকক আজি মোৰ আগত দেখি মই আনন্দ পাইছো।

মনত ৰাখিবা — তোমালোকৰ স্কুলবিলাকত তোমালোকে যিবিলাক আশ্চর্যজনক কথা শিকি আছা, সেইবিলাক পৃথিৱীৰ প্ৰতিখন দেশৰ উৎসাহী প্ৰচেষ্টা আৰু সীমাহীন শ্ৰমৰ জৰিয়তে বহুতো পীৰিয়ে সৃষ্টি কৰি থৈ গৈছে। তোমালোকৰ হাতলৈ এইবিলাক আহিছে উত্তৰাধিকাৰ সূত্ৰে যাতে তোমালোক এইবিলাক লাভ কৰিব পাৰা, এইবিলাকক মর্যাদা দিব জানা আৰু ইবিলাকৰ লগত তোমালোকে আৰু যোগ দিব পাৰা আৰু এদিনাখন নির্ভৰযোগ্যভাৱে এইবিলাক তোমালোকৰ সতি-সন্ততিসকলৰ হাতলৈ হস্তান্তৰ কৰিব পাৰা। আমি সামূহিকভাৱে যিবিলাক চিৰস্থায়ী বস্তু সৃষ্টি কৰোঁ, সেইবিলাকৰ জৰিয়তে আমি মৰণশীল মানুহে এইদৰে অমৰত্ব লাভ কৰোঁ।

এই কথা যদি তোমালোকে সদায় মনত ৰাখা, তেনেহ'লে তোমালোকৰ জীৱন আৰু কর্মত অর্থ বিচাৰি পাবা আৰু আন আন জাতি আৰু যুগৰ প্ৰতি শুদ্ধ মনোভাৱ গ্ৰহণ কৰিব পাৰিবা।"

অমৰত্ব লাভৰ পৰম আকাঙ্খাত অমৃত পান কৰিবলৈ চিৰ বৈৰী সুৰ আৰু অসুৰে যৌথভাৱে সমুদ্ৰ মন্থন কৰাত লাগি গৈছিল। সি এক পৌৰাণিক ৰূপকথা হ'লেও তাৰ মাজেদি ফুটি উঠিছে মানুহৰ অমৰত্ব লাভৰ চিৰন্তন হাবিয়াস। প্ৰাগৈতিহাসিক যুগতে আৰম্ভ কৰি ইতিহাসৰ লানি নিছিগা খলা-বমাৰে বাট কুৰি বাই অহা মানুহে অৱশেষত সচাঁকৈয়ে অমৰ হোৱাৰ উপায় বিচাৰি উলিওৱাত কৃতকার্য হ'ল। সামাজিক চেতনাত ধাৰ দি ধাৰ দি মনুষ্যজাতিয়ে নির্মাণ কৰি উলিয়ালে এনে এখন অভিনৱ বাহন, যিখনত আৰোহণ কৰি তেওঁলোকে পূৰণ কৰিব পৰা হ'ল মৰণশীল হৈও অমৰ হোৱাৰ উদগ্ৰ বাসনা। বাহনখনৰ নাম শিক্ষা। বিশ্ব চৰাচৰৰ অতল ৰহস্য আৱিষ্কাৰ কৰিব জনা বিজ্ঞানী আইনষ্টাইনৰ ইও এক অনন্য আৱিষ্কাৰেই — পদার্থ বিজ্ঞানত নহয়, সমাজ বিজ্ঞানত।

সমাজ নির্মাণৰ ইতিহাসত অতি প্ৰেৰণাময় অধ্যায়টো মুকলি কৰিছে আধুনিকতাক আবাহন কৰা আলোকপ্ৰাপ্তিৰ আৰম্ভণিয়ে। ৰুছো আছিল ফৰাচী আলোকপ্ৰাপ্তিৰ অন্যতম ৰূপকাৰ। তেওঁৰ ধাৰণাত শিক্ষা আছিল এনে এবিধ অমোঘ অস্ত্ৰ, যিয়ে পূর্বৰ ক্ষয়িষ্ণু সামন্তবাদী সমাজৰ সমস্ত অমানৱীয়তা নির্মূল কৰি সমাজক নব্য ৰূপত পুনর্নির্মাণ কৰিব পাৰে। পিছে পুঁজিবাদসৃষ্ট নব্য সমাজত ৰুচোৰ আকাংখিত মানৱীয়কৰণৰ ঠাইত চলিবলৈ ধৰিলে অমানৱীয়কৰণৰ সেই প্ৰক্ৰিয়াটোৱেই, অৱশ্যেই অন্য এক ৰূপত। ইয়াৰ অন্ত পৰা দূৰৰ কথা, সমাজত আজি ই দেখা দিছে আৰু অধিক জিঘাংসু ৰূপত। যি শিক্ষা ব্যৱস্থাৰ চৰিত্ৰ মনুষ্যত্বৰহিত, সি অমৰত্ব দানৰ দৰে সবাতোকৈ অধিক মহৎ কর্ম সাধন কৰাৰ গৌৰৱমণ্ডিত বাহন হয় কেনেকৈ? বাহনখন দুর্ঘটনাত পতিত হৈছে? কিন্তু কেনেকৈ?

ইয়াৰ উত্তৰটো পাব খুজিলে আমি আন এটা প্ৰশ্নৰ উত্তৰ



সোণালী জয়ন্তী মহোৎসৱ, শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়, (১৯৬৩-২০১৩)

বিচাৰিব লগা হয়। প্ৰশ্নটো — আমাৰ সামাজিক অনুশাসনবিলাকৰ নিয়ন্ত্ৰক শক্তি কি? শক্তিটো পুঁজি — পুঁজিবাদী সমাজ ব্যৱস্থাৰ স্বতঃসিদ্ধ ভাগ্যনিয়ন্তা। শিক্ষা নামৰ অমৰত্ব দানৰ বাহনখন যদি সঁচাকৈয়ে দুৰ্ঘটনাগ্ৰস্ত হৈছে, তেনেহ'লে আমি ইয়াৰ কাৰণ বিচাৰি চাব লাগিব পুঁজিবাদী অৰ্থনীতিয়ে নিৰূপণ কৰা সামাজিক পৃষ্ঠপটৰ চাৰিত্ৰিক মাত্ৰাবিলাকত।

মাত্ৰাবিলাক বুলি কওঁতে যিটো ঘাই মাত্ৰা, তাৰ পৰিচয়সূচক নাম — অৰ্থ (money)। অৰ্থই নিৰ্ণয় কৰে আনুসঙ্গিক মাত্ৰাবিলাকৰো চৰিত্ৰ। এই ঘাই মাত্ৰাটোৰ কালিকা ইমানেই সৰ্বগ্ৰাসী যে উৱলিব ধৰা সামন্তবাদী সমাজ ব্যৱস্থাৰ কাঠামোৰ পৰা যেতিয়া পুঁজিবাদী সমাজ ব্যৱস্থাৰ উত্থান ঘটিবলৈ ধৰিছিল, তেতিয়াই তাৰ স্বৰূপ চিনিবলৈ পোৱা গৈছিল। সেই ক্ৰান্তিকালৰ অভ্ৰান্ত পৰ্যবেক্ষণৰ মহান কলাকাৰ শ্ৱেইক্সপীয়েৰে পুঁজিৰ চৰিত্ৰ অংকন কৰি কৈছে —

"...damned earth,
Thou common where of mankind, that putt'st odds
Among the rout of nations...
O thou sweet king killer, and dear divorce
'Twixt natural son and sire! thou bright defiler
Of hymen's purest bed! lov'd, and delicate wooer,
Whose blush doth thaw the consecrated snow
That lies on Dian's lap! t hou visible god,
That solder'st close impossibilities,
And mak'st them kiss!"

কথাতে কয় — লাইৰ দুপাততে চিন। শ্ৱেইক্সপীয়েৰৰ সময়ত দুপতীয়া হোৱা পুঁজিবাদী অৰ্থনীতিৰ পুলিটো লহ্‌পহ্‌কৈ বাঢ়ি এতিয়া একৈশ শতিকাৰ আদিভাগত মহীৰূহ হ'ল। কেইবাটাও নাম সলাই আহি ই বৰ্তমানে পৰিচিত হৈছে লগ্নী পুঁজি (finance capital), নিগম পুঁজি (corporate capital) আদি নামেৰে। জাতিৰাষ্ট্ৰবিলাকৰ ভৌগোলিক সীমাৰেখাক হেলাৰঙে ডেই পুঁজিৰ এই নৱতম ৰূপটোৱে সমগ্ৰ পৃথিৱীখনকে এখন বজাৰ কৰি তুলিছে। এই বজাৰত মানুহ উপভোক্তা (consumer) আৰু সকলো সামগ্ৰীয়ে পণ্যদ্ৰব্য (commodity)। পণ্যদ্ৰব্য বুলিলে আমি আচলতে কি বুজো? 'Capital' গ্ৰন্থৰ ১ম খণ্ডত মাৰ্ক্সে ইয়াক সংজ্ঞায়িত কৰিছে এনেদৰে — "প্ৰথম কথা, এবিধ পণ্যদ্ৰব্য বুলিলে আমি আমাৰ বাহিৰত থকা এনে এটা বস্তুকে বুজো, যিয়ে তাৰ গুণ অনুসৰি মানুহৰ এবিধ নহয় আনবিধ অভাৱ পূৰণ কৰে। এনে অভাৱবিলাকৰ প্ৰকৃতিত — উদাহৰণ হিচাপে, সেইবিলাক পেটৰ তাড়না কিম্বা আসক্তিৰ পৰাই হওক — কোনো পাৰ্থক্য নাথাকে। নতুবা বস্তুটোৱে কেনেদৰে জীৱন ধাৰণৰ আহিলা হিচাপে প্ৰত্যক্ষভাৱে অথবা উৎপাদনৰ আহিলা হিচাপে পৰোক্ষভাৱে এই অভাৱবিলাক পূৰণ কৰে, সেই কথা জানিবলৈও আমি মনোনিৱেশ নকৰো।"

পুঁজিবাদী সমাজত শিক্ষাই দুটা প্ৰধান ভূমিকা পালন কৰে। এটা — অৰ্থনীতিৰ ক্ষেত্ৰত। পাৰদৰ্শিতা অবিহনে অৰ্থনীতিক সচল কৰি ৰাখিব নোৱাৰি। শিক্ষাই পাৰদৰ্শিতা সৃষ্টি কৰি অৰ্থনৈতিক দিশটো পোহৰাই ৰাখিব খোজে। আনটো ভূমিকা ৰাজনীতিৰ ক্ষেত্ৰত। ৰাজনৈতিক নিয়ন্ত্ৰণৰ বাবে cadres গঠন কৰা আৰু সংশ্লিষ্ট প্ৰণালীবিলাকৰ ব্যাপ্তি ঘটোৱা — এই দুয়োটা কাৰ্যৰ জৰুৰী আৱশ্যক। এই প্ৰসঙ্গত প্ৰখ্যাত মাৰ্ক্সবাদী পণ্ডিত গ্ৰামচি-এ কৈছে — "আধুনিক বুদ্ধিজীৱিসকলৰ সংবৰ্গটোক... অত্যাধিকভাৱে সম্প্ৰসাৰিত কৰি তোলা হৈছে। তেওঁলোকক ভব্য সংখ্যাত উৎপন্ন কৰিছে গণতান্ত্ৰিক আমোলাতান্ত্ৰিক সমাজ ব্যৱস্থাটোৱে। উৎপাদনত সামাজিক প্ৰয়োজনীয়তাৰ দ্বাৰা কামটোক যুক্তিযুক্ত কৰা হৈছে, যদিওবা মূল শাসক শ্ৰেণীটোৰ ৰাজনৈতিক আৱশ্যকতাৰ দ্বাৰা ইয়াক ন্যায্যতা প্ৰদান কৰা হৈছে।" ইয়াৰ লক্ষণীয় ফল হৈছে শিক্ষাৰ সংকটে স্বৰূপ প্ৰকাশ কৰে অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত। অৱশ্যে ইও মন কৰিবলগীয়া কথা যে অৰ্থনৈতিক আৰু ৰাজনৈতিক কাৰক দুটা পাৰস্পৰিকভাবে সংহত ৰূপত বৰ্তি নাথাকে। বৰং এই কাৰক দুটাই সংঘাতপূৰ্ণ সমাজ এখনৰ গাঁথনিকহে স্পষ্ট কৰি তোলে। শিক্ষা সংস্কাৰৰ নামত যিবিলাক ঢাক-ঢোল বজোৱা হয়, সেইবিলাক শিক্ষাৰ সংকট নিৰাময়ৰ প্ৰকৃষ্ট উপায় নহয়। সেইবিলাকে আনকি বুৰ্জোৱা শ্ৰেণীৰ স্বাৰ্থকো সম্পূৰ্ণৰূপে পূৰণ কৰিব নোৱাৰে — পূৰণ কৰে আংশিকভাবেহে। জাতীয় স্বাৰ্থৰ দোহাই দি অভীষ্ট সাধন কৰিব খোজা আংশিক উপায়বিলাকৰ মাজতো দ্বন্দ্ব ক্ৰিয়াশীল হৈ থাকে।

ঘাইশাসক শ্ৰেণীৰ ৰাজনৈতিক প্ৰয়োজনীয়তাই বুৰ্জোৱাসকলৰ সামূহিক স্বাৰ্থৰ প্ৰয়োজনীয়তা পূৰণ কৰিব খোজে। আনহাতে উৎপাদনৰ অৰ্থনৈতিক আৱশ্যকতা ব্যক্তি পুজিঁপতিসকলৰ স্বাৰ্থ পূৰণৰ লগত অধিক প্ৰত্যক্ষভাৱে সংপৃক্ত।

গ্ৰামচিৰ সময়ৰ বৌদ্ধিক পাৰদৰ্শীৰ সংখ্যাগত বৃদ্ধিৰ কাৰণ আছিল মূলতঃ ঘাই শাসক শ্ৰেণীৰ ৰাজনৈতিক প্ৰয়োজনীয়তা। পিছে সময় সলনি হৈছে। পুজিঁবাদৰ চৰিত্ৰ এতিয়া বিশ্বায়নিক। বৌদ্ধিক পাৰদৰ্শীৰ সংখ্যাগত বৃদ্ধিৰ কাৰণ বৰ্তমানে ৰাজনৈতিক হৈ থকা নাই। সি সোমাই পৰিছে অৰ্থনীতিত — বিশ্বায়নিক অৰ্থনীতিত। ইয়াৰ অৱশ্যাম্ভাৱী ফল ৰাজনৈতিক অস্থিৰতাৰ মাজত প্ৰকট হৈ পৰিছে।

শিল্পায়ন অবিহনে, পৰ্যায়ক্ৰমে উন্নতি সাধনৰ জৰিয়তে শিল্পায়নক বিকাশমুখী কৰি নাৰাখিলে পুজিঁবাদ টিকি থাকিব নোৱাৰে। শিক্ষাক যিহেতু পুঁজিবাদৰ সহচাৰী ৰূপত সজাই তোলাৰ লক্ষ্য স্থিৰ কৰি লোৱা হৈছে, সেয়েহে শিক্ষা ব্যৱস্থা — ভাৰতীয়ৰ উপাস্য দেৱী সৰস্বতী — ক ন ন সাজ পিন্ধাই যুগোপযোগী কৰি ৰখাটো সময়ৰ ডাক। এই ডাকৰ প্ৰতি সঁহাৰি জনায়ে শিক্ষা পদ্ধতিক 'শিক্ষাৰ শিল্পায়ন' (industrialization of education)ৰ শাৰীলৈ তুলি নিব বিচৰা হৈছে। এনে পৰিপ্ৰেক্ষিতত গণতান্ত্ৰিক-ৰাজনৈতিক প্ৰতিশ্ৰুতিৱদ্ধতাৰ সংহতিটোক বজাৰস্থলীৰ প্ৰতিযোগিতামূলক ধাৰণাৰে সলনি কৰাৰ প্ৰচেষ্টা চলোৱা হৈছে। যিজন মানুহে আনুসঙ্গিক অধিকাৰ আৰু দায়িত্ব বহন কৰি এজন ৰাজনৈতিক সত্তাৰ নাগৰিক, সেইজন মানুহে নিজকে সলনি কৰিছে এজন উপভোক্তা হিচাপে। শিক্ষানুষ্ঠানবিলাকত শিক্ষা আহৰণ আৰু ছাত্ৰ পৰিণত হৈছে 'খুচুৰা দ্ৰব্য' (retail product)ত।

গণতন্ত্রত স্বাধীনতাৰ অর্থ কি? ৰাজনীতি বিজ্ঞানৰ পণ্ডিতসকলৰ ভাষ্যত ইয়াৰ ব্যাখ্যাৰ অভাৱ হোৱা নাই। বিদ্যায়তনিক দিশটো যুক্ত নকৰাকৈ থোৱতে ক'ব পাৰি যে সার্বজনীন মঙ্গলৰ অর্থে অংশগ্রহণ কৰাই হৈছে ইয়াৰ অর্থ। এতিয়া পিছে ইয়াৰ অর্থ হৈছে মুক্ত বজাৰত জীৱন নির্বাহ কৰা। এইখন বজাৰৰ চাহিদা পূৰণৰ বাবে শিক্ষা ব্যৱস্থাক কার্য-প্রণালীৰ সৈতে যুক্ত কৰাৰ আৱশ্যক।

বজাৰৰ কার্য-প্রণালী নিৰূপণ কৰে পণ্যদ্রব্যকৰণে (commoditization)। শিক্ষাক ইয়াৰ আড্ডালৈ আনিব খুজিলে শিক্ষাৰ উদ্দেশ্যই বিকৃত হৈ পৰে। শিক্ষাৰ উদ্দেশ্য হৈছে কুমলীয়া ছাত্র-ছাত্রীৰ মন মুকলি কৰা যাতে তেওঁলোকে জিজ্ঞাসু হ'বলৈ শিকে আৰু অপ্রমাণিত বিশ্বাসক অবিশ্বাস কৰিবলৈ জানে। চমুকৈ, প্রশ্নহীনভাৱে মানি চলা বিশ্বাসক প্রশ্নৰ সন্মুখীন কৰোৱা আৰু তাৰ জৰিয়তে যুক্তিবাদী মননৰ অধিকাৰী কৰি তোলাটোৱেই হৈছে শিক্ষাৰ ঘাই উদ্দেশ্য। জ্ঞান (knowledge) ইয়াৰ প্রধান পৰিপোষক। ইয়াতে এটা প্রতি-অভিযোগ উঠিব পাৰে — শিক্ষাক পণ্যদ্রব্যত পৰিণত কৰিলেও ছাত্র-ছাত্রী জ্ঞান আহৰণৰ পৰা বঞ্চিত নহয়। কথাটো সঁচা। কিন্তু এনে ব্যৱস্থাত ছাত্র-ছাত্রীয়ে কিধৰণে জ্ঞান লাভ কৰে? ধৰণটো হৈছে তথ্য আৰু নৈপুণ্যৰ 'পেকেজ' (package)ৰ ৰূপত। কিন্তু পণ্যদ্রব্যৰ ৰূপটোৱেই এনেকুৱা যে ই জ্ঞানকো এনে ধৰণৰ পেকেজৰ যোগেদিহে সৰবৰাহ কৰিব পাৰে। নহ'লে ই পণ্যদ্রব্য হ'ব নোৱাৰে। গতিকে বুজাত অসুবিধা নহয় যে পণ্যদ্রব্যৰ ৰূপটোৱে শিক্ষাৰ মূলগত ভিত্তিটোতে আঘাত হানে। পণ্যদ্রব্যৰ ৰূপত আহৰণ কৰা জ্ঞানত নৈপুণ্যৰ চোক থাকে; কিন্তু তাত জনগণৰ মঙ্গলৰ হকে ব্যৱহৃত হোৱাৰ জীৱনমুখী অভিপ্রায় যুক্ত হৈ নাথাকে। ফলত উচ্চ ডিগ্রী লাভ কৰিও ছাত্র-ছাত্রীয়ে যুক্তিহীনভাৱে অন্ধবিশ্বাস, কুসংস্কাৰ আৰু সর্বনাশী দুর্নীতিৰ কবলত পৰি সমাজৰ ব্যাধিত পৰিণত হোৱাৰ সংখ্যা বৃদ্ধি কৰে।

১৯৯০ চনৰ মার্চ মাহত থাইলেণ্ডৰ জমটিয়েন (Jomtien) নামৰ নগৰত শিক্ষা বিষয়ক এখন সন্মিলন অনুষ্ঠিত হৈছিল। ইয়াৰ হোতা আছিল UNৰ তিনিটা বিভাগ — UNDP, UNESCO, UNICEF — আৰু বিশ্ববেংক (World Bank)। সন্মিলনখনৰ শীর্ষনাম আছিল — 'World Conference on Education for All : Meeting Basic Learning Needs.' ইয়াৰ গৃহীত হোৱা দুখন দলীল হৈছে —

1. World Declaration on Education for All.

2. Framework For Action to Meet Basic Learning Needs.

দুয়োখন দলীলক একত্রে 'জমটিয়েন ঘোষণা' (Jomtien Declaration) বুলি কোৱা হয়। এই ঘোষণা পত্রত স্বাক্ষৰকাৰী দেশবিলাকৰ ভিতৰত এখন আছিল ভাৰতবর্ষ। নব্য উদাৰবাদী শক্তিবিলাকে স্কুলবিলাকক কর্তৃত্বাধীন কৰাৰ বাবে ঘোষণা পত্রখনক হাথিয়াৰ হিচাপে ব্যৱহাৰ কৰে। এই অর্থনৈতিক চিকাৰী শক্তিবিলাকৰ বাবে ভাৰতবর্ষ বিবেচিত হয় এখন ৰম্য চিকাৰ ভূমি হিচাপে। আমাৰ ভাৰতবর্ষৰ দৰে ঔপনিৱেশিক শাসনৰ পৰা মুক্ত দেশবিলাকত অর্থনৈতিক আৰু সামাজিক বিষয়বিলাকত নীতি-নির্ধাৰণ আৰু নিয়ন্ত্রণৰ ক্ষেত্রত স্বদেশী শাসনৰ নির্দেশ বাহাল আছিল। এতিয়া সংস্কাৰ সাধন কৰি শিক্ষা ব্যৱস্থাটোক নতুনকৈ গঢ়ি তুলিবলৈ বিচৰা হ'ল। কিন্তু সংস্কাৰৰ লক্ষ্য কি? লক্ষ্যত আছে —

১। ভাৰতবর্ষৰ শিক্ষা কেন্দ্রবিলাকত নগৰীয় পাঠ্যক্রম আৰু কার্য-ক্রমণিকা (curricula and syllabi)ৰ আধিপত্যক আনুষ্ঠানিকতাৰ মাত্রা দান কৰা।

২। অর্থনৈতিক ইতিহাসক সম্পূর্ণভাৱে গুৰুত্বহীন কৰি তুলি ঔপনিৱেশিকতাবাদ আৰু ঔপনিবেশিক বিৰুদ্ধ সংগ্রামৰ স্মৃতি মচি দিয়া।

৩। ভাৰতীয় শিক্ষা ব্যৱস্থাত 'পুজিঁবাদ বিকাশমান'ৰ দৰে আদর্শগত অসত্য সন্নিৱিষ্ট কৰা।

৪। দেশীয় সমস্ত বৈচিত্র্য লোপ কৰা।

৫। মানৱকেন্দ্রিক আৰু সামজকেন্দ্রিক যিবিলাক বিষয়ত সামাজিক সমস্যাবিলাকৰ ক্ষেত্রত এতিয়ালৈকে কিছু পৰিমাণে হ'লেও প্রাসঙ্গিকতা আছে, সেইবিলাক বিষয়ৰ পৰিৱর্তে কাৰিকৰী বিষয়ক (technocratic) বিষয়বিলাকৰ অগ্রাধিকাৰ দিয়া।

৬। আমাৰ শিক্ষানুষ্ঠানবিলাক world rankingত অন্তর্ভুক্ত কৰাৰ মানসিক উদ্বেগ বৃদ্ধি কৰা। ইয়াৰ দ্বাৰা দেশীয় প্রয়োজনক উলাই কৰি পুঁজিবাদী ৰাষ্ট্রবিলাকৰ প্রচলিত ৰীতি-নীতি আৰু তাৰ লগত সংশ্লিষ্ট হৈ থকা মহানগৰীয় পুঁজিৰ আধিপত্য বিস্তা কৰা।

১৯৯১ চনত আমাৰ দেশত 'নব্য অর্থনৈতিক নীতি' (New Economic Policy) ঘোষণা কৰা হয়। শিক্ষাৰ ক্ষেত্রত এই সময়ত প্রয়োজন আছিল মুঠ ঘৰুৱা আয় (Gross Domestic Product – GDP)ৰ শতাংশ বৃদ্ধি কৰা। ১৯৬৬ চনত গঠন হোৱা কোঠাৰি আয়োগৰ সময়ৰ পৰা শিক্ষাত আবণ্টিত ধনৰ পৰিমাণ ক্রমাগতভাৱে কমি আহিবলৈ ধৰে। ইয়াৰ ফলত দেশবাসীৰ মনত অসন্তোষ ঘনীভূত হ'বলৈ আৰম্ভ কৰে। শিক্ষাত অধিক ধন আৱণ্টন কৰাৰ বাবে ১৯৮৬ চনৰ ৰাজহুৱা দাবী প্রবল হ'বলৈ ধৰে। আৱণ্টিত ধনৰ পৰিমাণ ৬ শতাংশলৈ বৃদ্ধি কৰাৰ বাবে উত্থাপন হোৱা ৰাজহুৱা দাবীৰ ওচৰত অৱশেষত ভাৰত চৰকাৰে নমনীয় স্থিতি গ্রহণ কৰি GDPৰ শতাংশ বঢ়াবলৈ লয়। কিন্তু ১৯৯০ ৰ দশকত বিশ্ববেংকে ভাৰত চৰকাৰক দিয়া মন্ত্রণা আছিল ইয়াৰ বিপৰীত। ১৯৮৬ৰ শিক্ষানীতিৰ সলনি ঘটাই বহু প্রতীক্ষিত শিক্ষাৰ সুনির্দিষ্ট পৰিৱর্তনৰ কার্যসূচী আংশিকভাৱে হ'লেও ৰূপায়ণ কৰিবলৈ ওলোৱা দ্বিধাগ্রস্ত ভাৰত চৰকাৰে ১৯৯১ চনৰ পৰা নিজৰ স্থিতি সলনি কৰিবলৈ বাধ্য হয়। বিশ্ব বেংক, UNৰ সংস্থাবিলাক আৰু আন আন আন্তর্জাতিক সংস্থা কেতবোৰৰ গৱেষণাবিহীন, অপৰীক্ষিত আৰু উপৰুৱা আঁচনি বা প্রকল্প কিছুমান গ্রহণ কৰি চৰকাৰে দেশীয় শিক্ষানীতিক ধ্বংসৰ পথলৈ ঠেলি দিয়ে। চৰকাৰে ৰূপায়ণ কৰিবলৈ বাধ্য হোৱা উপৰোক্ত বিত্তীয় সংস্থাবোৰৰ আঁচনি বা প্রকল্পবিলাকৰ আঁৰৰ উদ্দেশ্য আছিল — স্কুলৰ পৰা বিশ্ববিদ্যালয়লৈকে চৰকাৰী বৃহৎ শিক্ষা ব্যৱস্থাটোক অর্থৰ অভাৱত ভুগিবলৈ দিয়া আৰু তাৰ পৰিণামত শিক্ষাৰ মানদণ্ড নিম্নগামী কৰা। শিক্ষাৰ মানদণ্ড

নিম্নগামী হ'লে অভিভাৱকসকলে তেওঁলোকৰ ল'ৰা-ছোৱালীবিলাকক সেই শিক্ষা নীতি প্ৰচলিত শিক্ষানুষ্ঠানবিলাকৰ পৰা আঁতৰাই আনিবলৈ ধৰিব। আনকি আৰ্থিকভাৱে পিছপৰা অভিভাৱকসকলেও ল'ৰা-ছোৱালীৰ ভৱিষ্যত সম্পৰ্কে উদ্বিগ্ন হৈ একে ধৰণৰ ব্যৱস্থাকে গ্ৰহণ কৰিবলৈ চেষ্টা কৰিব। ইয়াৰ লগে লগে আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰৰ পৰা মানুহৰ দায়ৱদ্ধতা কমিবলৈ ধৰিব। শিক্ষাৰ বেচৰকাৰীকৰণৰ এয়ে আছিল বণিকগোষ্ঠীৰ গোপন ফন্দি।

ফন্দিত ভৰি দিয়াবলৈ বিশ্ব-বেংকে আন্তৰ্জাতিক সাহায্যৰ পৃষ্ঠপোষকতা কৰে আৰু তাৰ জৰিয়তে হস্তক্ষেপ কৰাৰ পথ সুগম কৰি তোলে। ই আছিল আন্তৰ্জাতিক মুদ্ৰা নিধি আৰু বিশ্ব বেংকৰ Structural Adjustment Programme (SAP) আৰু Social Safety Net আঁচনিৰ এটা অংশ। SAP-এ আৰোপ কৰা প্ৰাক্‌চৰ্ত আছিল কেইবাটাও। ইয়াৰ ভিতৰৰ এটা চৰ্তমতে ভাৰত চৰকাৰে সামাজিক খণ্ডত — বিশেষকৈ শিক্ষা আৰু স্বাস্থ্যখণ্ডত — ক্ৰমাগতভাৱে ব্যয় কৰ্তন কৰি আনিব লাগিব। উপযুক্ত শিক্ষা আৰু স্বাস্থ্য লাভৰ পৰা গৰিষ্ঠসংখ্যক দেশবাসী বঞ্চিত হৈ থকা ভাৰতবৰ্ষৰ দৰে এখন দেশৰ বাবে এই ধৰণৰ প্ৰাক্‌চৰ্ত মানি লোৱাটো আছিল হাতৰ কুঠাৰ ভৰিত মৰাৰ লেখীয়া।

ওপৰত উল্লেখ কৰা 'জমটিয়েন ঘোষণা' আছিল দেখাত জনহিতকৰ। কিন্তু ইয়াৰ আঁৰৰ উদ্দেশ্য হিতকৰ নাছিল। কিয়নো শিক্ষাক বিশ্ব-বজাৰত পণ্যদ্ৰব্যত পৰিণত কৰা আৰু WTOক তাৰ বাবে দৰ-দাম কৰিবলৈ এৰি দিয়াটোৱে আছিল ঘোষণা পত্ৰখনৰ আচল উদ্দেশ্য। ১৯৯০ৰ দশকটোত জমটিয়েন ঘোষণাই ভালেমান বিকাশমান ৰাষ্ট্ৰত শিক্ষাৰ আঁচনি প্ৰস্তুত কৰা আৰু নীতি নিৰ্ধাৰণৰ বেলিকা মুখ্য ভূমিকা লয়। এই দশকটোৰ পিছত প্ৰস্তুত কৰি উলিওৱা Dakar Framework (2000) আঁচনিয়ে জমটিয়েন ঘোষণাত থকা মূল দফাবিলাক আৰু অধিক সুদৃঢ় কৰি তোলে।

বিশ্ব বজাৰত পুঁজিবাদী অৰ্থনীতিয়ে লগ্নী পুঁজি (Finance Capital) নাম লৈ পণ্যদ্ৰব্যকৰণৰ প্ৰক্ৰিয়াটোকে ত্বৰান্বিত কৰি আছে। শিক্ষা খণ্ডত ইয়াৰ প্ৰভাৱ সম্প্ৰসাৰিত কৰাৰ স্বাৰ্থত সংস্কাৰৰ প্ৰয়োজন হৈ পৰিছে। এই প্ৰয়োজন পূৰণৰ তাগিদাত দিল্লী বিশ্ববিদ্যালয়ে ২০১৩-১৪ শিক্ষাবৰ্ষৰ পৰা ৪ বছৰীয়া স্নাতক পাঠ্যক্ৰম (Four Year Undergraduate Programme - FYUP) প্ৰৱৰ্তন কৰিছে। FYUP আচলতে এটা বৰ্ণসংকৰ জাতীয় পাঠ্যক্ৰম। পাঠ্যক্ৰমটোত পৰস্পৰ বিৰোধী তিনিটা পৰ্যায় সন্নিৱিষ্ট কৰা হৈছে। যথা —

১। ২ বছৰীয়া কা�ৰিকৰী পাঠ্যক্ৰম। নিপুণতা ভিত্তিক নিয়োগৰ উদ্দেশ্যে ছাত্ৰ-ছাত্ৰীসকলক এই পাঠ্যক্ৰমৰ ডিগ্ৰী/ডিপ্লোমাপ্ৰাপ্ত কৰি তোলা হ'ব।

২। ৩ বছৰীয়া সাধাৰণ ডিগ্ৰী পাঠ্যক্ৰম। ইয়াৰ জৰিয়তে বৃত্তিমুখী পাঠ্যক্ৰম বা স্নাতকোত্তৰ পাঠ্যক্ৰমত ভৰ্তি হ'ব পাৰিব।

৩। ৪ বছৰীয়া অনাৰ্চ পাঠ্যক্ৰম। এই পাঠ্যক্ৰমৰ জৰিয়তে একোটা বিশেষ দিশত বিশেষজ্ঞ হৈ শিক্ষকতা, গৱেষণা বা বিশেষ জ্ঞানভিত্তিক কেৰিয়াৰ বাচি ল'ব পাৰিব।

২০১৩-১৪ বৰ্ষত দিল্লী বিশ্ববিদ্যালয়ে ৫৫,০০০ ছাত্ৰ-ছাত্ৰীৰ ৪ বছৰীয়া FYUP কাৰ্যক্ৰম জাপি দি কি সংস্কাৰ কৰিব খুজিছে? উৰহী গছৰ গুৰি বিচাৰি পোৱা যাব, যদিহে ২০১২ চনৰ জুন মাহত ৱাশ্বিংটন ভি চি-ত অনুষ্ঠিত Second US-India Higher Education Dialogue লৈ ঘূৰি যাওঁ। সেই বৈঠকত আমেৰিকাৰ গৃহ-দপ্তৰৰ তদানীন্তন সচিব হিলাৰী ক্লিণ্টনে FYUP কাৰ্যসূচীক উচ্ছ্বসিতভাৱে চুপাৰিশ কৰিছিল। কিয়? কাৰণটো হৈছে — এই কাৰ্যসূচীৰ প্ৰৱৰ্তনে বৰ্তমানে চলাই থকা ১০+২+৩ আৰ্হিক ভাৰতৰ বিশ্ববিদ্যালয়বিলাকক আমেৰিকাৰ বিশ্ববিদ্যালয়বিলাকৰ আৰ্হিৰ ওচৰ চপাই আনিব। ফলত স্নাতকোত্তৰ পৰ্যায়ত ভাৰতৰ ছাত্ৰ-ছাত্ৰীসকলে আমেৰিকাত শিক্ষা লাভ কৰাৰ পথ সুগম হৈ পৰিব। FYUP-এ হিলাৰীৰ পৰা সততাৰ সমৰ্থন পোৱা নাই — পাইছে কৌশলৰ। আমেৰিকাত বছৰে বছৰে বাজেট কৰ্তন কৰাৰ ফলত সেই দেশৰ শিক্ষা ব্যৱস্থাটো গভীৰ সংকটত পৰিছে। ইয়াৰ ফল ফলিছে মাচুল বৃদ্ধি, ঠিকা ভিত্তিক শিক্ষক নিযুক্তি, শিক্ষা সম্পৰ্কীয় বিষয়বিলাকত বিশ্ববিদ্যালয়বিলাকৰ শাসনৰ কঠোৰতাৰ মাত্ৰা বৃদ্ধি, শৈক্ষিক পুঁজি আৰু সংস্কৃতিৰ ওপৰত কৰ্প'ৰেট গোষ্ঠীৰ আধিপত্য বিস্তাৰ, অধ্যয়নৰ বাবে ঋণৰ ওপৰত ছাত্ৰ-ছাত্ৰীৰ ভৰসা বৃদ্ধি আদিত। ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ সুবিধা আৰু সামাজিক-ৰাজনৈতিক চেতনা বৃদ্ধি কৰাৰ পৰিৱৰ্তে তেওঁলোকক প্ৰায়োগিকভাৱে চতুৰ কৰি নিয়োগ সাপেক্ষ পাঠ্যক্ৰমৰ পাঠ শিকিবলৈ বাধ্য কৰোৱা হৈছে। এই পৃষ্ঠপটতে সোমাই আছে ভাৰতবৰ্ষত FYUP পাঠ্যক্ৰম প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰত আমেৰিকাৰ মুখ দেখুওৱা সদিচ্ছা। FYUPৰ শিক্ষাৰে শিক্ষিত হ'লে আমেৰিকাৰত উচ্চ শিক্ষা লাভৰ বাবে ভাৰতৰ পৰা যোৱা ছাত্ৰ-ছাত্ৰীৰ ভিৰ বাঢ়িব আৰু আমেৰিকাৰ তলি উদং হৈ পৰা ডলাৰৰ চন্দুকটোৰো ওজন বাঢ়িব।

শিক্ষাৰ সংস্কাৰৰ প্ৰসঙ্গত আমাৰ দেশে এখনৰ পিছত আন এখন আয়োগ গঠন কৰি আৰু নিৰ্ধাৰিত সময়সূচীৰ সাল-সলনি ঘটোৱাটো লাগি আছে। কিন্তু এই পথেৰে শিক্ষাৰ ইপ্সিত সংস্কাৰ সাধন কৰিব নোৱাৰি। শিক্ষা ব্যৱস্থাৰ সংস্কাৰ কৰিবলৈ হ'লে সামাজিক চৰিত্ৰ আৰু তাক ৰূপ দিয়া অৰ্থনৈতিক চৰিত্ৰৰ সংস্কাৰ অনিবাৰ্য হৈ পৰে। এই কথালৈ পিঠি দি আমাৰ দেশত শিক্ষাৰ সংস্কাৰৰ নামত যিবিলাক কৰ্ম চলি আছে, সেইবিলাক এচকুৱা হৰিণৰ সাধুকথাটোৰ নিচিনা একদেশদৰ্শী হৈ আছে। বিপদ যে খাপপিটি ৰৈ আছে, তাৰ প্ৰতি কাণসাৰ নাই।

পুঁজিবাদী অৰ্থনীতিৰ গুৰু স্বয়ং আডাম স্মিথেই পুঁজিবাদৰ বিজয়সম্ভূত মানসিকতাক Commercial Spirit আখ্যা দি গৈছে। ইয়াৰ চৰিত্ৰ এনেকুৱা যে ই মানুহৰ আত্মাক দখল কৰি দেৱলীয়া কৰিব ধৰিছে। ইয়াৰ কবলত পৰি সৌভ্ৰাতৃত্বৰ বন্ধন ছিন্ন কৰি মানুহে মানুহৰ মাজত থাকিও একো একোটা নিৰ্জন দ্বীপৰ বাসিন্দাত পৰিণত হ'ব ধৰিছে। মাৰ্ক্সৰ ভাষাত এয়া বিচ্ছিন্নকৰণ (alienation), যিয়ে দু�ৰাৰোগ্য ব্যাধিৰ দৰে তিলে তিলে ক্ষয় কৰি মানুহৰ মন অস্থিৰ কৰি তুলিছে। ধনৰ দৌলত গঢ়াৰ যোগেদি অতৃপ্ত, অসুখী মানুহে

সুখপ্রাপ্তিৰ সন্ধান কৰিছে। অন্ধলাৰ দৰে মানুহে জপিয়াই পৰিছে দুনীৰ্তিৰ পঙ্কিল পিটনিত। এনে সামাজিক পৰিৱেশত শিক্ষা ব্যৱস্থাটোৱে এটা কাৰখানাৰ ৰূপ লৈছে আৰু এই কাৰখানাৰ পৰা careerist ৰ সাঁচত ঢালি শিক্ষিত যুৱকসকলক কৰ্মক্ষেত্রলৈ পঠিয়াই দিয়া হৈছে।

মাৰ্ক্সৰ ভাষ্য অনুসাৰে পুঁজিবাদৰ সৰ্বগ্রাসী চৰিত্রই সৃষ্টি কৰিছে 'artificial needs and imaginary appetities'। এনেকুৱাই হৈ পৰিছে সমাজ বাস্তৱতাৰ ৰূঢ় প্রকাশ। এনে অৱস্থাত শিক্ষাৰ সংস্কাৰ যদি প্রকৃতাৰ্থত কৰিব খোজা হয়, তেনেহ'লে commercial spiritক বিলোপ কৰি human spiritৰে ছাত্র-ছাত্রীসকলৰ মন জীপাল কৰি তোলাটো হ'ব প্রাথমিক চৰ্ত। কিন্তু যি পুঁজিবাদী অৰ্থনীতিয়ে commercial spiritক মদৎ যোগাইছে, সেই অৰ্থনীতিক প্রত্যাহ্বান নজনালে পৰিস্থিতিৰ আমূল পৰিৱৰ্তন ঘটাব নোৱাৰি। কিন্তু কেনেকৈ? আমাৰ দৃষ্টিক পুঁজিবাদৰ আৱৰ্তত পাক্‌ঘূৰণি খাই থাকিবলৈ দিলে ইয়াৰ উত্তৰটো বিচাৰি পোৱা নাযাব। আইনষ্টাইনৰ সৰল অথচ অন্তর্ভেদী কথা এযাৰ আমাৰ কাৰণে আলোকবর্তিকা স্বৰূপ হ'ব পাৰে। তেওঁ কৈছিল — 'You can't solve a problem on the same level on which it was created. You have to rise above it to the next level.' পুঁজিবাদৰ খলা-বমাত চলি থাকি দুর্ঘটনাত পতিত হোৱা অমৰত্বৰ বাহনখন ৰক্ষা কৰিব লাগিলে আমাৰ দৃষ্টি থাপিব লাগিব পুঁজিবাদতকৈ উন্নত মানৱীয় স্তৰটোত। সমাজতাত্বিকসকলৰ পৰিভাষাত এই স্তৰটোৰ নাম সমাজবাদ। ■

# ভাৰতীয় শিক্ষা ব্যৱস্থাত ৰাষ্ট্রীয় আৰু গোলকীয় মাত্রাৰ বিচাৰ

ড° জয়কান্ত শর্মা

২০১২ চনৰ এটা সমীক্ষা অনুসৰি বিশ্বৰ দুশখন উৎকৃষ্ট বিশ্ববিদ্যালয়ৰ ভিতৰত ভাৰতৰ এখনৰো নাম নাছিল। তালিকাখনত চীনৰ দুখন আৰু দক্ষিণ আফ্রিকা আৰু ব্রাজিলৰ এখনকৈ বিশ্ববিদ্যালয়ে স্থান পাইছিল। অৱশ্যে Times Higher Education নামৰ আন্তঃৰাষ্ট্রীয় সংস্থাটোৱে ২০১৩ চনত প্রকাশ কৰা আন এখন তালিকাত ভাৰতৰ দহখন শ্রেষ্ঠ শিক্ষানুষ্ঠানৰ নাম প্রকাশ কৰা হৈছে। সেই মর্মে বাংগালুৰুৰে IISc আৰু মুম্বাইৰ IIT-এ ক্রমে বিশ্বৰ ভিতৰত ১৩০ আৰু ১৯২ সংখ্যক স্থান পাবলৈ যোগ্য হৈছে। এই সমীক্ষাটোৱে ভাৰতৰ উচ্চ শিক্ষাৰ মান সন্দর্ভত শিক্ষাবিদসকলক বাৰুকৈয়ে চিন্তিত কৰি তুলিছে। ২০২০ চনলৈ বিশ্বৰ অন্যতম মহাশক্তি হ'বলৈ আশা পালি থকা দেশখনৰ উচ্চ শিক্ষাৰ স্তৰ আন্তঃৰাষ্ট্রীয় মান বিশিষ্ট নোহোৱাটো কম উদ্বেগজনক নহয়। অৱশ্যে দুশখন উৎকৃষ্ট বিশ্ববিদ্যালয়ৰ ভিতৰত ৯৭ শতাংশই উন্নত ৰাষ্ট্রসমূহৰ শিক্ষানুষ্ঠান, তাৰে ৭৬ খনেই আমেৰিকা যুক্তৰাষ্ট্রৰ। উন্নয়নশীল দেশবোৰৰ কেইখনমান বিশ্ববিদ্যালয়ৰ নামহে তাত আছে।

এখন দেশৰ আর্থিক অৱস্থাৰ ওপৰতে বহু পৰিমাণে দেশখনৰ শিক্ষাৰ মান নির্ভৰশীল, সেইটো তেনেই স্বাভাৱিক কথা। সেয়েহে প্রশ্ন উঠে, শিক্ষাখণ্ডত পুঁজিৰ বিনিয়োগ বৃদ্ধি নকৰাকৈ শিক্ষানুষ্ঠানৰ উৎকৃষ্টতা আশা কৰিব পৰা যায় নে? আমেৰিকা যুক্তৰাষ্ট্রৰ বিশ্ববিদ্যালয় এখনৰ সৈতে ছোমেলিয়া বা তেনেধৰণৰ দুর্ভিক্ষ পীড়িত দেশৰ বিশ্ববিদ্যালয়ক তুলনা কৰাটো নিশ্চয় সমীচীন নহ'ব। এই সন্দর্ভত কেতবোৰ তথ্য প্রণিধানযোগ্য। (১) ২০০৯ চনত যুক্তৰাষ্ট্রৰ ড্রেক্সেল বিশ্ববিদ্যালয়ৰ অধ্যক্ষ কনষ্টানটিন পাপা ডাকিছে পাৰিতোষিক লাভ কৰিছিল ভাৰতীয় মুদ্রা অনুসৰি প্রায় ২৭ কোটি টকা। ২০১১ চনতো ৰাজহুৱা খণ্ডৰ অনেক বিশ্ববিদ্যালয়ৰ অধ্যক্ষৰ বার্ষিক দৰমহা ১০ কোটিতকৈ অধিক আছিল। তাৰ বিপৰীতে আমাৰ দেশত বিশ্ববিদ্যালয়ৰ উপাচার্যৰ বার্ষিক বেতন ২৫ লাখ টকাতকৈ বেছি নহয়। (২) আনহাতে প্রখ্যাত হার্ভার্ড বিশ্ববিদ্যালয়ৰ জমাপুঁজি প্রায় ৩১০ কোটি ডলাৰ, এই ধন তামিলনাড়ুৰ মুঠ ঘৰুৱা উৎপাদনৰ এক চতুর্থাংশ। এই দুটা উদাহৰণৰপৰা সহজে বুজিব পৰা যায় যে আন্তঃগাঁথনি নির্মাণ আৰু মেধাৱী তথা পাৰদর্শী শিক্ষকৰ নিযুক্তিৰ ক্ষেত্রত আমাৰ দেশৰ শিক্ষানুষ্ঠানে উন্নত দেশৰ সৈতে ফেৰ মৰাটো সম্ভৱ নহয়। এনে অৱস্থাত ভাৰতীয় শিক্ষানুষ্ঠানসমূহে আন্তঃৰাষ্ট্রীয় মাত্রা লাভ কৰাটো এটা কঠিন প্রত্যাহ্বান। সেয়েহে আমাৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত শিক্ষক আৰু ছাত্রৰ আন্তঃৰাষ্ট্রীয় মান বিচাৰিবলৈ যোৱাটো বাতুলতা মাথোন।

মোটামুটিভাৱে ভাৰতে মুঠ ঘৰুৱা উৎপাদনৰ এক শতাংশ খৰচ কৰে গৱেষণাত, এই শিতানত জাপান আৰু আমেৰিকা যুক্তৰাষ্ট্রই ব্যয় কৰে ক্রমে ৩.৪ আৰু ২.৭ শতাংশ। আকৌ সমগ্র বিশ্বত গৱেষণা আৰু বিকাশত (Research and Development) হোৱা মুঠ খৰচৰ ৩.৭ শতাংশহে ভাৰতৰ; এইক্ষেত্রত চীনৰ ব্যয় ১৩ শতাংশৰপৰা ১৮ শতাংশলৈ বৃদ্ধি পাইছে। আনহাতে ভাৰতত গৱেষণা আৰু বিকাশত



সোণালী জয়ন্তী মহোৎসৱ, শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়, (১৯৬৩-২০১৩)

খৰচ হোৱা মুঠ ধনৰ চাৰি শতাংশ ব্যয় হয় উচ্চ শিক্ষাত, কিন্তু চীনত খৰচ হয় ১০ শতাংশ, জাপানত ১৪ শতাংশ, আমেৰিকা যুক্তৰাষ্ট্ৰত ১৭ শতাংশ আৰু কানাডাত ৩৫ শতাংশ।

এইটো সঁচা যে বিশ্ববিদ্যালয় অনুদান আয়োগে গ্ৰহণ কৰা কার্যসূচীৰ সৌজন্যত ভাৰততো গৱেষণামূলক কাম-কাজ বাঢ়িছে, কিন্তু বিশ্বত ভাৰতীয় গৱেষণাৰ অৱদান তিনি শতাংশতে স্থিৰ হৈ আছে। বিড়ম্বনাৰ কাৰণ হ'ল, দেশৰ ১০ শতাংশ শিক্ষানুষ্ঠানৰপৰাই প্ৰকাশিত হয় ৮০ শতাংশ গৱেষণাপত্ৰ। আনহাতে ভাৰতীয় গৱেষণাপত্ৰই উদ্ধৃতি লাভ কৰে গড়ে মাথোন ৩.২ বাৰকৈ। সেয়েহে ১৪৯ খন দেশৰ ভিতৰত গৱেষণাপত্ৰৰ সংখ্যাৰ ফালৰপৰা ভাৰতৰ স্থান ১৩ সংখ্যক হ'লেও গৱেষণাপত্ৰৰ প্ৰাসংগিকতা সন্দৰ্ভত স্থান হৈছেগৈ ১১৯। এনে পুতৌজনক স্থিতিৰ মূলতে শিক্ষাখণ্ডত পুঁজি বিনিয়োগৰ অসমৰ্থতা বুলি ভাবিব পাৰি। এই সন্দৰ্ভত আন এটা তথ্য মন কৰিবলগীয়া। ২০০৮ চনত হার্ভার্ড বিশ্ববিদ্যালয়ৰ বাজেটত ২৫০০ কোটি টকা আছুতীয়াকৈ ৰখা হৈছিল গৱেষণাৰ বাবে, সেই সময়ত ভাৰতবর্ষই গৱেষণাৰ বাবে মুকলি কৰি দিছিল মাথোন ১২০ কোটি টকা, তাৰে বিশ্ববিদ্যালয় অনুদান আয়োগৰ অংশ হ'ল ১৩ কোটি টকাহে।

সেই বুলি মাথোন যথোচিত পৰিমাণৰ পুঁজি বিনিয়োগ কৰাত ব্যর্থতাৰ বাবেহে ভাৰতৰ উচ্চ শিক্ষাৰ গুণগত মান নিম্নগামী হৈছে বুলি ভবাটো উচিত নহয়। এটা সমীক্ষা অনুসৰি ভাৰতীয় গৱেষক তথা অধ্যাপকসকলৰ এক চতুর্থাংশই সপ্তাহত পাঁচ ঘণ্টামানহে গৱেষণাত খৰচ কৰে। বহুতৰে বাবে গৱেষণা এটা পাল মৰা বিধৰ অনুশীলন। এনে স্থিতিৰ কাৰণ কি? উন্নত দেশবোৰৰ সৈতে ফেৰ মাৰিব নোৱাৰিলেও আমাৰ দেশৰ মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু অন্যান্য উচ্চ শিক্ষানুষ্ঠানত কর্মৰত শিক্ষক তথা গৱেষকসকলৰ দা-দৰমহা নিচেই কম নহয়, বৰং সমাজৰ অন্যান্য শ্ৰেণীৰ তুলনাত বেছি বুলিহে ক'ব পৰা যায়। বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু চৰকাৰে শিক্ষক-ছাত্ৰৰ মাজত বিদ্যায়তনিক বিষয়বোৰৰ লগতে সামাজিক সমস্যা সন্দৰ্ভতো মত বিনিময়ৰ ওপৰত গুৰুত্ব দিছে। শিক্ষকক মাথোন শিক্ষানুষ্ঠানৰ চাৰিবেৰৰ মাজতে আবদ্ধ নাৰাখি সামাজিক দায়বদ্ধতা গ্ৰহণৰ প্ৰতি উৎসাহিত নকৰাকৈও থকা নাই। উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানবোৰৰ গুণগত মান ৰক্ষা কৰাৰ উদ্দেশ্যে স্বয়ংচালিত সংস্থাৰদ্বাৰা সেইবোৰৰ প্ৰত্যায়নৰ ব্যৱস্থা কৰা হৈছে। আনহাতে শিক্ষকসকলক শিক্ষা জগতৰ বাবে প্ৰয়োজনীয় আধুনিক জ্ঞান আৰু কলা-কৌশলৰ সৈতে পৰিচিত কৰোৱাবলৈ সঘনে আলোচনা চক্ৰ আৰু পৰিশীলন পাঠ্যক্ৰমৰ আয়োজন কৰা হয়। আজিকালি বিশ্ববিদ্যালয়ৰ লগতে উন্নত মহাবিদ্যালয়বোৰতো ক্ষুদ্ৰ, মধ্যমীয়া আৰু বৃহৎ গৱেষণাৰ প্ৰকল্পৰ বাবে পুঁজিৰ যোগান ধৰা হয়। তৎসত্ত্বেও উচ্চ শিক্ষাৰ মান উন্নত হোৱা নাই। ইয়াৰ বাবে শিক্ষকসকলৰ উদ্যমৰ অভাৱ বুলি অভিযোগ কৰাটো সহজ, কিন্তু প্ৰকৃততে চৰকাৰৰ শিক্ষা নীতিহে ইয়াৰ বাবে জগৰীয়া। চৰকাৰী নীতিয়ে শিক্ষকসকলৰ মনত উদ্যমৰ সৃষ্টি কৰিব পৰা নাই। এই সত্য বুজিবলৈ ভাৰতীয় শিক্ষা ব্যৱস্থাৰ পটভূমিৰ বিচাৰ কৰিব লাগিব।

নক'লেও হ'ব যে প্ৰাচীনকালত ভাৰতীয় শিক্ষা ব্যৱস্থাটো বিশ্বৰ ভিতৰতে এটা উৎকৃষ্ট ব্যৱস্থা আছিল আৰু সেইটো আছিল সম্পূর্ণৰূপে শিক্ষক-কেন্দ্ৰিক। শিক্ষকেই পৰিকল্পনাকাৰী, শিক্ষানীতিৰ ৰচয়িতা আৰু ৰূপায়ণ কৰোতা। সেই ব্যৱস্থাটোৰ মাজেৰে নালন্দা, বিক্ৰমশিলা আৰু তক্ষশীলাৰ দৰে বিশ্ববিদ্যালয় উজলি উঠিছিল। আধুনিক কালৰ স্বয়ংচালিত মহাবিদ্যালয়ৰ (Autonomous College) ধাৰণাটোৰ উৎপত্তিও তাৰেপৰাই। পিছে বর্তমানৰ শিক্ষা ব্যৱস্থাটো ১৮২৩ চনৰ মাউণ্টষ্টুৱার্ট এলফাইনষ্টোনৰ টোকাৰ ভিত্তিতহে গঢ়ি উঠা। এই ব্যৱস্থাটোৰ মৌলিক বিন্দু আছিল দুটা, (১) ইংৰাজী ভাষাৰ শিক্ষা আৰু ইংৰাজী ভাষাৰে শিক্ষা, আৰু (২) ইউৰোপীয় বিজ্ঞানৰ শিক্ষা অনিবার্য কৰি তোলা। এই নীতিৰ আধাৰত ১৮৫৭ চনত কলিকতা, বোম্বে আৰু মাদ্ৰাজত বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল। তাৰে ত্ৰিছ বছৰ পাছত এলাহাবাদত স্থাপন কৰা হৈছিল চতুর্থখন বিশ্ববিদ্যালয়। মন কৰিবলগীয়া যে ১৯৪৪ চনৰ আগলৈকে ভাৰতত ৰাষ্ট্ৰীয় শিক্ষানীতি বুলিবলৈ একো নাছিল। কেন্দ্ৰীয় শিক্ষা পৰিষদৰ উপদেষ্টা সমিতিৰ (Central Advisory Board of Education) পৰামর্শ অনুসৰি ১৯৪৫ চনতহে বিশ্ববিদ্যালয় অনুদান আয়োগ (University Grasts Commission) গঠিত হয়। কিন্তু তেতিয়া আয়োগৰ দায়িত্ব আছিল মাথোন কেন্দ্ৰীয় বিশ্ববিদ্যালয় তিনিখন (আলিগড়, বেনাৰচ আৰু দিল্লী বিশ্ববিদ্যালয়) চোৱা-চিতা কৰা।

দেশ স্বাধীন হোৱাৰ পাছত ১৯৪৭ চনৰ ২৯ আগষ্টত ভাৰতত প্ৰথমবাৰৰ বাবে শিক্ষা বিষয়ৰ এটা সুকীয়া মন্ত্ৰণালয় গঠন কৰা হয়। তাৰে পাছতে মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু উচ্চ শিক্ষাৰ আন সকলো অনুষ্ঠানলৈ পুঁজিৰ আৱণ্টন আৰু পাঠ্যক্ৰম নির্ধাৰণকে ধৰি শিক্ষা নীতিৰ প্ৰৱর্তনৰ দায়িত্ব বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওপৰত অর্পণ কৰা হয়। ১৯৫২ চনৰ এই সিদ্ধান্ত দুটা কাৰণত যুগান্তকাৰী আছিল, (১) এইটোৱে উচ্চ শিক্ষাৰ ক্ষেত্ৰত এটা সর্বভাৰতীয় নীতি প্ৰৱর্তনৰ পথ মুকলি কৰিলে। (২) মাথোন চৰকাৰী মহাবিদ্যালয়, বিশ্ববিদ্যালবোৰেই নহয়, উচ্চ শিক্ষাৰ বেচৰকাৰী শিক্ষানুষ্ঠানবোৰো UGC ৰ পৰামর্শ মানিবলৈ বাধ্য হোৱাত শিক্ষাৰ গুণগত মান সন্দৰ্ভতো মূল্যায়নৰ থল ওলাল। ব্যৱস্থাটো অধিক সুদৃঢ় কৰিবলৈ ১৯৫৬ চনত ভাৰত চৰকাৰে সংসদত এখন বিধেয়কৰ জৰিয়তে UGC ক এটা সাংবিধানিক সংস্থা ৰূপে গঢ়ি তুলিলে। তেতিয়াৰেপৰা সমগ্ৰ ভাৰততে সমপর্যায়ৰ শিক্ষা, শিক্ষকৰ সমপর্যায়ৰ অর্হতা, সমপর্যায়ৰ দা-দৰমহা আদিৰ দৰে বিষয়বোৰে গুৰুত্ব পাবলৈ ধৰিলে। ১৯৬৩ চনত UGC এ সমগ্ৰ ভাৰততে মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহৰ শিক্ষকৰ বাবে একে বেতন নিৰিখ প্ৰৱর্তন কৰিবলৈ আহ্বান জনায়। কিন্তু এই ক্ষেত্ৰতো ভালেমান ৰাজ্যত হোঁহকা-পিছলা নীতি গ্ৰহণ কৰাহে পৰিলক্ষিত হয়। ভাৰতত শিক্ষা ব্যৱস্থাটো কেন্দ্ৰ আৰু ৰাজ্যৰ উমৈহতীয়া বিষয়, তাকে লৈ অনেক বেমেজালি ঘটাটো সর্বজনবিদিত।

এই কথা দোহৰাৰ প্ৰয়োজন নাই যে যিকোনো শিক্ষানীতি গ্ৰহণ কৰাৰ পূর্বে শিক্ষকসকলৰ পৰামর্শ লোৱাটো আৱশ্যকীয়; তদুপৰি পৰীক্ষা পদ্ধতি, পাঠ্যপুথি প্ৰস্তুতি, শিক্ষকৰ দায়িত্ব তথা কর্মপদ্ধতি

আৰু বেতন নিৰিখ নির্ধাৰণ কৰাত শিক্ষকসকলৰ সহযোগিতা অপৰিহার্য হৈ পৰে। এইটো সঁচা যে UGC আৰু চৰকাৰে গঠন কৰি দিয়া সমিতি তথা আয়োগবোৰত যথেষ্টসংখ্যক শিক্ষকক জড়িত কৰা হয়, কিন্তু চৰকাৰৰদ্বাৰা নির্বাচিত শিক্ষসকসকলে চৰকাৰী নীতি ৰূপায়ণৰ দিশতহে অধিক মনোনিৱেশ কৰে। এতেকে তৃণমূল পর্যায়ৰ অভিজ্ঞতাৰ ভিত্তিত পৰামর্শ দিবলৈ শিক্ষক সংগঠনৰ প্রয়োজন। কিন্তু শিক্ষক সংগঠনবোৰৰ পৰামর্শ আৰু দাবীবোৰ ভাৰতত আওকাণ কৰাটোহে নিয়ম হৈ পৰিছে, তাৰ বিপৰীতে অভিজ্ঞতাবিহীন তথা অদূৰদর্শী শিক্ষা বিষয়া বা শিক্ষামন্ত্রীৰ কথাহে হৈ পৰে শিলৰ ৰেখা।

উল্লেখযোগ্য যে ৰাধাকৃষ্ণণ শিক্ষা আয়োগৰ প্রতিবেদন প্রকাশ পাইছিল ১৯৪৯ চনত। উক্ত প্রতিবেদনত পৰামর্শ দিয়া হৈছিল যে স্বাধীন ভাৰতত চৰকাৰী কলেজ বুলি এবিধ সুকীয়া কলেজ থাকিব নালাগে, কাৰণ চৰকাৰী বন্ধনত থাকি উচ্চ শিক্ষাৰ উপযুক্ত অনুশীলন সম্ভৱ হ'ব নোৱাৰে। সর্বভাৰতীয় শিক্ষা সংগঠনসমূহৰ সংযুক্ত মঞ্চয়ো (AIFUCTO) এই মতকে দোহাৰিছিল যে উচ্চ শিক্ষাত দুতৰপীয়া প্রশাসনীয় ব্যৱস্থাৰ (এফালে চৰকাৰৰ নিয়ন্ত্রণ, আনফালে বিশ্ববিদ্যালয় অনুদান আয়োগৰ) অন্ত পৰিব লাগে। এই মত অসমৰ মুখ্যমন্ত্রী (তেতিয়া প্রধানমন্ত্রী বোলা হৈছিল) গোপীনাথ বৰদলৈয়ে সমর্থন কৰিছিল। অসম কলেজ শিক্ষা সংস্থাই সুদীর্ঘ পঞ্চাছ বছৰতকৈও অধিককাল ধৰি এই মতবাদকে গ্রহণ কৰি আহিছিল যে উচ্চ শিক্ষাৰ ক্ষেত্রখন চৰকাৰৰ পোনপটীয়া নিয়ন্ত্রণৰ বাহিৰত আৰু সম্পূর্ণৰূপে বিশ্ববিদ্যালয় অনুদান আয়োগৰ অধীনত ৰাখিব লাগে। পিছে দুর্ভাগ্যৰ কথা যে ভাৰতৰ স্বাধীন চৰকাৰেও ব্রিটিছ চৰকাৰৰ দৰেই শিক্ষা খণ্ডটো নিজৰ হাতৰ মুঠিত ৰখাৰ নীতি গ্রহণ কৰিলে, তাৰ বিষময় ফল অৱশ্যেই পৰিলক্ষিত হৈছে বিভিন্ন স্তৰত।

দেশত এতিয়া বিশ্ববিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ মর্যাদাপ্রাপ্ত উচ্চ শিক্ষানুষ্ঠান আছে ৬৩৪ খন, তাৰে ১০০ খন ব্যক্তিগত খণ্ডৰ। আনহাতে মহাবিদ্যালয়ৰ মুঠ সংখ্যা হৈছেগৈ ৩৩,০২৩ (২০১১ চনৰ হিচাব মতে)। স্বাধীনতা লাভৰ পাছতে প্রতিখন বিশ্ববিদ্যালয়ৰ বিপৰীতে আছিল ২৩ খন মহাবিদ্যালয়, এতিয়া সেই অনুপাত ৫৫ হৈছেহি। আপাত দৃষ্টিত এই পৰিসংখ্যা সন্তোষজনক যেন লাগিব পাৰে, কিন্তু জনসংখ্যা বৃদ্ধিৰ প্রতি লক্ষ্য ৰাখিলে সহজে বুজিব পৰা যায় যে প্রকৃতার্থত উচ্চ শিক্ষাৰ ক্ষেত্রখন দিনে দিনে সংকুচিতহে হ'ব লাগিছে। বিশিষ্ট শিক্ষাবিদ তথা প্রধানমন্ত্রীৰ বৈজ্ঞানিক উপদেষ্টা ছি এন এন ৰাৱে আঙুলিয়াই দিছে যে স্বাধীনতাৰ পূর্বে মহাবিদ্যালয়ৰপৰা কমসংখ্যক স্নাতক ওলাই আহিলেও তেওঁলোক সুপ্রশিক্ষিত আছিল, কিন্তু এতিয়া তেনে দাবী কৰিব নোৱাৰি। আমেৰিকা যুক্তৰাষ্টত বছৰি ৭৫,০০০ ছাত্রই অভিযান্ত্রিক মহাবিদ্যালয়ত যোগদান কৰে, কিন্তু ভাৰতত ৬.৫ লাখ ছাত্রই নাম ভর্তি কৰা সত্ত্বেও দেশখনে প্রযুক্তিৰ ক্ষেত্রত উন্নত দেশৰ সৈতে ফেৰ মাৰিব পৰা নাই। বিগত কেইটামান বছৰত বিশ্ববিদ্যালয়সমূহত গৱেষণামূলক কাম-কাজ তুলনামূলকভাৱে হ্রাস পাইছে বুলিও তেওঁ উদ্বেগ প্রকাশ কৰিছে। অথচ ভাৰতত যুৱ জনসংখ্যা বিশ্বৰ ভিতৰতে বেছি, তাৰ বিপৰীতে প্রায়বোৰ উন্নত দেশত বয়সীয়া লোকৰ সংখ্যাহে বাঢ়িছে। এতেকে বিজ্ঞান, প্রযুক্তি, আৰু আন আন বিষয়ত উচ্চ শিক্ষাৰ ভাল ব্যৱস্থা এটা নির্মাণ কৰি ল'ব পাৰিলে আগন্তুক দুই-তিনি দশকত বিশ্বৰ বিজ্ঞান-প্রযুক্তিৰ ক্ষেত্রখনতেই নহয়, আন আন ক্ষেত্রতো ভাৰতীয় যুৱক-যুৱতীয়ে আধিপত্য বিস্তাৰ কৰিবলৈ সুযোগ পাব। কিন্তু এই সুযোগ গ্রহণ কৰিবলৈ হ'লে দূৰদর্শী শিক্ষানীতি ৰচনা কৰাটো অপৰিহার্য।

এইটো সঁচা যে বিশেষজ্ঞসকলে ঘৰুৱা উৎপাদনৰ ৬ শতাংশ পুঁজি শিক্ষাৰ বাবে আছুতীয়াকৈ ৰখাৰ পৰামর্শ দি থকা সত্ত্বেও চৰকাৰে ২-৩ শতাংশ বিনিযোগ কৰিয়েই সন্তুষ্টি লাভ কৰে। কিন্তু মাথোন পুঁজি আৱণ্টনেই একমাত্র সমস্যা নহয়, সেইটোও সঁচা। মূল প্রত্যাহ্বানটো হ'ল, সমাজৰ সকলো স্তৰৰ লোক আৰু সংগঠনে বিজ্ঞানভিত্তিক জ্ঞানৰ জৰিয়তে সমৃদ্ধ ভাৰতবর্ষ গঢ়ি তুলিবলৈ আমাৰ শিশুহঁতক প্রেৰণা দিয়াটো। বর্তমানৰ পৰিস্থিতিলৈ চাই ক'ব পাৰি যে নিঃসন্দেহে তেনে প্রেৰণাৰ অভাৱ হৈছে। শিক্ষক-শিক্ষাবিদে প্রেৰণা দিব পৰা নাই, অভিভাৱকেও দিয়া নাই, আৰু চৰকাৰ এই ক্ষেত্রত সম্পূর্ণ উদাসীন। তাৰ বিষময় ফল সম্পর্কে অলপতে আঙুলিয়াই দিছে প্রসিদ্ধ শিক্ষাবিদ জেমছ মিৰলিছে। জানুৱাৰী (২০১৩) মাহত কলকতাৰ Indian Statistical Instituteৰ সমাৱর্তনত ভাষণ প্রদান কৰি ন'বেল বঁটা বিজয়ী অর্থনীতিবিদগৰাকীয়ে কৈছে যে যিবোৰ দেশত শিক্ষা ব্যৱস্থাটোৰ ৰূপ শোচনীয়, সেইবোৰতেই গণবিক্ষোভ তথা গৃহযুদ্ধ হোৱাৰ আশংকা বেছি। তেওঁৰ মতে উচ্চ শিক্ষাৰ মান উন্নত হ'লে যুৱ সম্প্রদায়ৰ প্রযুক্ত বুদ্ধি-বৃত্তি উন্নত হয়, ফলত সহনশীলতা বাঢ়ে আৰু হিংসাৰ প্রকোপ কমে। সংস্কৃতিৰ ওচৰত উচ্চ শিক্ষাৰ প্রত্যক্ষ প্রভাৱ আছে বাবেই উচ্চ শিক্ষাৰ উন্নত মানে সমাজত অর্থনৈতিক বৈষম্য দূৰ কৰাই নহয়, সাংস্কৃতিক বিভাজনো ৰোধ কৰিব পাৰে।

শিক্ষাখণ্ডৰ সামগ্রিক চিত্রখনৰ বিচাৰ নকৰাকৈ মাথোন উচ্চ শিক্ষাৰ ক্ষেত্রখনৰ উৎকৃষ্টতা বিচৰাটো এটা নিষ্ফল অনুশীলন, সিও সঁচা। শিক্ষা খণ্ডত উৎকৃষ্টতা সন্ধান কৰাটোৱে সমাজৰ ধর্ম, প্রগতি আৰু ৰাষ্ট্রৰ সমৃদ্ধিৰ পথ দেখুৱায়। আমাৰ প্রচেষ্টাই যেতিয়া নতুন জ্ঞানৰ সঞ্চাৰণ ঘটায় তেতিয়া সমগ্র সমাজখনেই উপকৃত হয়, তেতিয়া আমাৰ ভূমিকা হয়গৈ আনৰ বাবে আদর্শ, আৰু এনেদৰেই ন ন প্রজন্মই উদগনি লাভ কৰে। কিন্তু যেতিয়া আমি মেধা শক্তিক লুকুৱাই থওঁ, তেতিয়া আমি সম্পদ আৰু সুযোগৰ অপচয় ঘটাওঁ। ভাৰতৰ শিক্ষা খণ্ডত প্রকৃততে সেয়াই ঘটিছে। উচ্চ শিক্ষাৰ কথাই নকওঁ, অনেক দৰিদ্র অথচ মেধাৰী শিশুৱে প্রাথমিক শিক্ষাৰপৰা বঞ্চিত হৈয়েই নিৰক্ষৰ জীৱন কটাইছে।

স্কুলীয়া শিক্ষা ব্যৱস্থাটো সুসংগঠিত নহ'লে উচ্চ শিক্ষাৰ মান কোনোপধ্যে উন্নত হ'ব নোৱাৰে। পাঠশালাৰ পণ্ডিতগৰাকীয়েই শিশুৰ ভৱিষ্যৎ নির্মাতা, অথচ ভাৰতৰ প্রাথমিক শিক্ষা ব্যৱস্থাটো আটাইতকৈ অৱহেলিত। বহুতে ক'ব খোজে, স্কুলীয়া শিক্ষা ব্যৱস্থাটোক দুর্বল কৰি ৰখাৰ আঁৰত সমাজৰ উপেক্ষিত শ্রেণীটোক প্রকৃত শিক্ষা লাভৰপৰা বঞ্চিত কৰাৰ কৌশল এটা চলি আছে। এই অভিযোগৰ যথার্থতা বিচার্য। এইটো সঁচা যে শেহতীয়াভাৱে সমগ্র দেশতে শিশুৰ বিনামূলীয়া

আৰু বাধ্যতামূলক শিক্ষা আইনখন বলৱৎ হৈছে, এইটো পলমকৈ গ্ৰহণ কৰা এটা বৈপ্লৱিক পদক্ষেপ। কিন্তু সেইবুলি এই আইনখনে বৈপ্লৱিক পৰিৱৰ্তন আনিব পাৰে বুলি বিশ্বাস নহয়। কেইটামান বিন্দুলৈ মন কৰিলেই এনে নেতিবাচক দৃষ্টিভংগীৰ কাৰণ বুজিব পৰা যায়। (১) চৰকাৰে শিক্ষানুষ্ঠানসমূহৰ আন্তঃগাঁথনি সন্দর্ভত এনে কেতবোৰ বিধি-বিধান দিছে যিবোৰ স্বেচ্ছাসেৱী সামাজিক সংগঠনবোৰৰদ্বাৰা পৰিচালিত বিদ্যালয়ে সম্পূৰ্ণৰূপে পালন কৰাটো টান। অৰ্থাৎ পুঁজি বিনিয়োগ কৰিবলৈ প্ৰস্তুত থকা ব্যৱসায়িক সংস্থাবোৰেহে বেচৰকাৰী বিদ্যালয় স্থাপন কৰিবলৈ সক্ষম হ'ব পাৰে। এনেদৰেই বিদ্যালয় স্থাপনত সামাজিক সংস্থাবোৰৰ ভূমিকা নাইকিয়া কৰিবলৈ বিচৰা হৈছে।

ভাৰতত অতীজৰেপৰা শিক্ষা ব্যৱস্থাটো সামাজিক দায়বদ্ধতাৰদ্বাৰা পৰিচালিত। আমাৰ দেশৰ অধিকাংশ শিক্ষানুষ্ঠানেই সমাজৰ বিভিন্নজনৰ দান-বৰঙণি আৰু শিক্ষক তথা শিক্ষাসেৱী লোকৰ অসীম ত্যাগৰ বিনিময়ত গঢ়ি উঠা। কিন্তু সেইবোৰ এতিয়া ব্যৱসায়িক দৃষ্টিভংগীৰে চালিত কৰিবলৈ বিচৰা হৈছে। (২) বিদ্যালয়ত নিযুক্ত হ'বলগীয়া শিক্ষকৰ বাবে নিম্নতম অৰ্হতা স্থিৰ কৰি দিয়া হৈছে, কিন্তু অভাৱ হৈছে নিষ্ঠাৰে শিক্ষকতা বৃত্তি গ্ৰহণ কৰিবলৈ ইচ্ছুক ডেকা-গাভৰুৰ। স্বীকাৰ কৰিব লাগিব, চৰকাৰী আৰু প্ৰাদেশিকীকৃত বিদ্যালয়বোৰত মধ্যাহ্নভোজনৰ ব্যৱস্থাটো চলাই ৰাখিবলৈ চৰকাৰে যৎপৰোনাস্তি চেষ্টা কৰি আছে, কিন্তু তাৰ বিপৰীতে শিক্ষকৰ পদবোৰ পূৰণ কৰাৰ সদিচ্ছা দেখুওৱা নাই। শেহতীয়াকৈ প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়বোৰত চৰকাৰে ঠিকাভিত্তিক শিক্ষকক নিযুক্তি দিবলৈ লৈছে। পিছে ঠিকাদাৰজাতীয় শিক্ষকে পূৰ্ণৰূপত শিশুৰ মানসিক বিকাশ ঘটাব পাৰেনে? শিক্ষকতা হ'ল এটা বৌদ্ধিক অনুশীলন আৰু সামাজিক দায়বদ্ধতা, সেহে তাৰ মাজত জীৱনজোৰা সাধনাৰ ভাব নিহিত থাকে। ঠিকাভিত্তিক শিক্ষকৰ মাজত তেনে গুণ বিচৰাটো হ'বগৈ পৰ্বতত কাছ কণী বিচৰাৰ লেখীয়া।

চৰকাৰে অনুসূচিত জাতি-জনজাতি আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ শিশুসকলৰ বাবে যিবোৰ কল্যাণকামী আঁচনি গ্ৰহণ কৰিছে, তাৰ মাজত সাৰ্বজনীন শিক্ষাৰ বিষয়টোৱে যথোচিত গুৰুত্ব পোৱা বুলি ক'ব নোৱাৰি। কাৰণ বৰ্তমানৰ গাঁথনিত অশিক্ষিত আৰু দৰিদ্ৰ অভিভাৱকসকলৰ সন্তানে গুণগত শিক্ষা লাভ কৰাটো সহজ নহয়। এই ক্ষেত্ৰতো নিষ্ঠাৱান শিক্ষকৰ অভাৱ হ'ল প্ৰধান দুৰ্বলতা। স্বৰাজোত্তৰ কালৰ আৰম্ভণিতে শিক্ষা লাভৰ তাড়না আৰু শিক্ষাদানৰ বাবে ৰাজহুৱা উদ্যম উচ্চ শিখৰত উপনীত হৈছিল। চৰকাৰৰ ভুল নীতিৰ ফলত সেইটো ক্ৰমে স্তিমিত হৈ পৰিল। মোটামুটিভাৱে ১৯৮০ চন মানৰপৰা ৰাজহুৱা খণ্ডৰ শিক্ষা ব্যৱস্থাটো ভাঙি পৰে। শিক্ষকৰ অভাৱ আৰু শিক্ষকৰ অনুপস্থিতিৰ ফলতে স্কুল এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাইছে। ৰাজহুৱা খণ্ডৰ বিদ্যালয়বোৰৰ পৰিচালনাত অব্যৱস্থা যিমানেই বাঢ়িছে, সিমানেই বাঢ়িছে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ সংখ্যা। নক'লেও হ'ব যে ব্যক্তিগতখণ্ডৰ বিদ্যালয়ত নাম ভৰ্তি কৰাটো দৰিদ্ৰ আৰু উপেক্ষিত শ্ৰেণীৰ অভিভাৱকৰ সামৰ্থ্যৰ বাহিৰত। এনেদৰেই স্কুলীয়া শিক্ষা ব্যৱস্থাত দুটা শ্ৰেণীৰ সৃষ্টি হ'ল, এটা চহকী আৰু মধ্যবিত্ত শ্ৰেণীৰ শিশুৰ বাবে, আৰু আনটো দৰিদ্ৰ আৰু উপেক্ষিত শ্ৰেণীৰ শিশুৰ বাবে। সেই বাবে উচ্চ শিক্ষাৰ বিভিন্ন অনুষ্ঠানত দুৰ্বল শ্ৰেণীৰ বাবে আসন সংৰক্ষিত কৰি ৰখা সত্ত্বেও মূৰকত অৰ্হতাপ্ৰাপ্ত প্ৰাৰ্থীৰ অভাৱত সেই আসনবোৰ সাধাৰণ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰদ্বাৰা পূৰণ কৰিবলগীয়াত পৰে। উচ্চ শিক্ষাত সংৰক্ষিত আসনৰ বাবে পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অভাৱ হোৱাৰ মূলতে যে স্কুলীয়া শিক্ষাৰ বিসংগতি, সেইটো বুজিবলৈ টান নহয়।

বিগত তিনিটা দশকত শিক্ষা ব্যৱস্থাত ব্যক্তিগতখণ্ডৰ আৰু ৰাজহুৱা খণ্ডৰ বিদ্যালয়ৰ মাজত পাৰ্থক্য নিৰ্দিষ্ট ৰূপত পৰিলক্ষিত হৈছে। ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰক সমাজে বিকল্প ব্যৱস্থা ৰূপে গ্ৰহণ কৰিছে সঁচা, কিন্তু এইবোৰে সমাজত যিটো মূলমন্ত্ৰ বিয়পাইছে, সিটো হ'ল সামাজিক মিলনৰ অবিহনেই আৰ্থিক বিকাশ। এই শিক্ষা ব্যৱস্থাটোৰ আধাৰত এটা শিক্ষিত মধ্যম বৰ্গৰ সৃষ্টি হৈছে যিটোৰ জৰিয়তে সাধিত এটা বৃহৎ সামাজিক পৰিৱৰ্তন। পৰিৱৰ্তনটোৰ সৌজন্যত শিক্ষা লাভৰ বিষয়টো সম্পূৰ্ণৰূপে অভিভাৱকৰ আৰ্থিক অৱস্থাৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিল। এইটোৱে যে সমাজত আৰ্থিক অসমতাৰহে সৃষ্টি কৰিছে তেনে নহয়, শৈক্ষিক বৈষম্যৰো সৃষ্টি কৰিছে। এনে অসমতাৰ পটভূমিত উচ্চ শিক্ষাৰ দুৰ্বলতা বুজিব পৰা যায়। য'তেই আৰ্থিক লাভ মূল উদ্দেশ্য হৈ পৰে, তাতেই প্ৰকৃত শিক্ষা এলাগী হয়।

শিক্ষিত মধ্যমবৰ্গটোৰ সন্তানে কেতবোৰ সহজ আৰু আকৰ্ষণীয় বৃত্তি বাছি লোৱাৰ পক্ষপাতী। কোনো বিষয়ৰ গভীৰ অধ্যয়ন, বা গৱেষণাৰ দৰে বৌদ্ধিক অনুশীলনৰ পথ বাছি লোৱাতকৈ চাকৰি বা ব্যৱসায় কৰি ভাল উপাৰ্জন কৰাটোহে তেওঁলোকৰ অধিকাংশৰে পছন্দ। এই ক্ষেত্ৰত শিক্ষাৰ মাধ্যমৰ বিষয়টোৱেও প্ৰভাৱ বিস্তাৰ নকৰাকৈ নাথাকে। বিশ্বৰ সকলো শিক্ষাবিদ একমত যে মাথোন মাতৃভাষা মাধ্যমৰ শিক্ষাৰ জৰিয়তেহে শিশুৰ স্বাভাৱিক মানসিক বিকাশ সম্ভৱ হ'ব পাৰে। তৎসত্ত্বেও ব্যক্তিগত খণ্ডৰ ব্যৱসায়কেন্দ্ৰিক বিদ্যালয়বোৰে ইংৰাজী মাধ্যমৰ শিক্ষা পদ্ধতি কটকটীয়াকৈ বলৱৎ কৰে, অৱশ্যে বিদ্যা ভাৰতী বা জাতীয় বিদ্যালয়ৰ দৰে সামাজিক অনুষ্ঠানবোৰে ব্যক্তিগত খণ্ডতো মাতৃভাষা মাধ্যমত শিক্ষা দানৰ আদৰ্শ দাঙি ধৰিছে, সেইটো সুকীয়া কথা। বিদেশী ভাষা এটাৰ মাধ্যমত শিক্ষা গ্ৰহণ কৰাটো শিশুৰ বাবে হৈ পৰে একপ্ৰকাৰৰ মানসিক বোজা, এই বোজাৰে ভাৰাক্ৰান্ত ছাত্ৰ-ছাত্ৰীয়ে মৌলিক চিন্তা-চৰ্চা কৰি উৎকৃষ্টতাৰ দিশত অগ্ৰসৰ হোৱাটো সহজ নহয়। ভাৰতৰ বিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীয়ে আন্তঃৰাষ্ট্ৰীয় মূল্যায়নত অতি শোচনীয় ফল প্ৰদৰ্শন কৰাৰ এয়েই কাৰণ।

অৱশ্যে শিক্ষাখণ্ডত পুঁজি বিনিয়োগৰ অভাৱৰ বিষয়টোলৈ আমি পুনৰ ঘূৰি যাব লাগিব। প্ৰধানমন্ত্ৰীয়েও কৈছে, শিক্ষাখণ্ডৰ গৱেষণা আৰু বিকাশ শিতানত অধিক পুঁজি বিনিয়োগ নকৰিলে গুণগত শিক্ষা বা সংখ্যাগত শিক্ষাৰ কোনোটোৱেই সম্ভৱ নহয়। প্ৰধানমন্ত্ৰীয়ে শিক্ষাখণ্ডত অধিক পুঁজি বিনিয়োগৰ বাবে ভাৰতীয় বৃহৎ ব্যৱসায়ী গোষ্ঠীলৈ আহ্বান জনাইছে। পিছে এই আহ্বানে যথোচিত সঁহাৰি পোৱা টান। ভাৰতৰ প্ৰায়বোৰ ব্যৱসায়ী গোষ্ঠীয়ে মুনাফা লুটাৰ বাহিৰে শিক্ষামূলক সামাজিক আঁচনিৰ পৃষ্ঠপোষকতা কৰিবলৈ আগবাঢ়ি নাহে।

এনে পৰিস্থিতিত চৰকাৰে শিক্ষাখণ্ডত প্ৰত্যক্ষভাৱে অধিক পুঁজি বিনিয়োগ কৰাৰ বাহিৰে আন উপায় নাই। তাকে কৰিবলৈ চৰকাৰ প্ৰস্তুত নহয়।

ভাৰতীয় শিক্ষা ব্যৱস্থাটো বিশ্বৰ প্ৰাচীনতমেই নহয়, উৎকৃষ্টও আছিল। তেতিয়া শিক্ষা আছিল সামাজিক ব্যৱস্থাৰ অধীন। এতিয়া এইটো ৰাষ্ট্ৰীয় ব্যৱস্থাৰ অধীন হৈছে। পিছে বিড়ম্বনাৰ কাৰণ হ'ল, শিক্ষা খণ্ডত এহাতে চৰকাৰৰ হস্তক্ষেপ দিনক দিনে বৃদ্ধি পাইছে, আনহাতে গোলকীকৰণৰ প্ৰভাৱত শিক্ষাৰ ব্যৱসায়ীকৰণ দ্ৰুততৰ হৈছে। দুয়োটাই ভাৰতৰ দৰে দেশৰ বাবে 'সৰ্বহিতকাৰী উদ্দেশ্য'ৰ পৰিপন্থী। মনত ৰাখিব লাগিব যে আমেৰিকা যুক্তৰাষ্ট্ৰ, ফ্ৰান্স, ইংলেণ্ড আদিৰ দৰে উন্নত দেশৰ শিক্ষা ব্যৱস্থাৰ পটভূমিতকৈ ভাৰতৰ পটভূমি সম্পূৰ্ণ পৃথক। এতেকে ভাৰতৰ শিক্ষা ব্যৱস্থাটো ভাৰতীয় পৰম্পৰাৰ ওপৰত বিকশিত হ'ব নিদিলে অথন্তৰ ঘটাটোৱেই স্বাভাৱিক। এতিয়া বিশ্বায়নৰ যুগত নিঃসন্দেহে শিক্ষা ব্যৱস্থাত গোলকীয় মাত্ৰা আৰোপিত হ'ব লাগিব, কিন্তু সেই বুলি ৰাষ্ট্ৰীয় মাত্ৰাক নেওচা দি ব্যৱস্থাটোক ব্যৱসায়ীকৰণৰ টোত উটি-ভাহি যাবলৈ এৰি দিব নোৱাৰি। এনে দৃষ্টিভংগীৰে চৰকাৰ চালিত হ'লেহে বিশ্বত ভাৰতীয় শিক্ষা ব্যৱস্থাটোৱে মৰ্যাদা লাভ কৰিব পাৰে। এই সন্দৰ্ভত চৰকাৰে নিৰ্মোহ বিশ্লেষণ কৰাটো যেনেদৰে আৱশ্যকীয়, তেনেদৰে শিক্ষাবিদ আৰু শিক্ষকসকলেও সমাজত সচেতনতা বৃদ্ধিৰ প্ৰয়াস চলোৱা উচিত। অন্যথা শিক্ষা ব্যৱস্থাৰ বিসংগতিৰ ফলত অদূৰ ভৱিষ্যতত আমাৰ যুৱ প্ৰজন্ম উন্নত দেশবোৰৰ বহতীয়া হৈ পৰাৰ আশংকা আছে।

---

# শিক্ষাৰ ব্যক্তিগতকৰণ, বাণিজ্যিকীকৰণ আৰু সাধাৰণ ৰাইজৰ ওপৰত ইয়াৰ প্ৰভাৱ

আব্দুল মান্নান

ৰাজীৱ গান্ধী ক্ষমতালৈ অহাৰ পিছতেই ১৯৮৫-৮৬ চনত ৰাষ্ট্ৰই স্বাধীনতাৰ পিছৰেপৰা অনুসৰণ কৰি অহা শিক্ষানীতিৰ আমূল পৰিৱৰ্তনৰ ইংগিত দিছিল। শিক্ষাক ৰাজ্যৰ এক্তিয়াৰৰপৰা কাঢ়ি নি যৌথ তালিকাত স্থান দি ইতিমধ্যে কেন্দ্ৰই শিক্ষাক্ষেত্ৰত হস্তক্ষেপ কৰাৰ পথ প্ৰশস্ত কৰাৰ লগতে ইমান দিনে ৰাষ্ট্ৰই আনুষ্ঠানিক শিক্ষাৰ প্ৰসাৰৰদ্ধাৰা সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ বিকাশৰপৰা আঁতৰি আহি অনানুষ্ঠানিক শিক্ষাৰদ্ধাৰা নিৰক্ষৰতা দূৰ কৰাৰ পথ গ্ৰহণ কৰে। জাতীয় অৰ্থনৈতিক নীতিৰ পৰিৱৰ্তনৰ সৈতে শিক্ষানীতিৰ পৰিৱৰ্তনৰ এক গভীৰ সম্পৰ্ক আছে।

নিজৰ ভুল নীতিৰ বাবে দেশত সৃষ্টি হোৱা আৰ্থিক সংকটৰপৰা উদ্ধাৰ পোৱাৰ অৰ্থে আৰ্থিক বৃদ্ধিৰ হাৰ বঢ়োৱাৰ উদ্দেশ্যেৰে শাসক শ্ৰেণীয়ে দেশৰ আৰ্থিক ব্যৱস্থাক ব্যক্তিগত খণ্ডৰ পুঁজিপতিসকলৰ হাতত তুলি দিয়াৰ পৰিকল্পনা কৰে। ধনীক শ্ৰেণীৰ ভোগ্যপণ্যৰ চাহিদা সৃষ্টি কৰি দেশৰ অৰ্থনীতিত নতুন জীৱন দিবলৈ বিশ্ব বেংক, IMF -অৰ নিৰ্দেশনাত ভাৰতৰ শাসক শ্ৰেণীয়ে বাট বুলিবলৈ আৰম্ভ কৰে। উদাৰীকৰণ (Liberalisation), বেচৰকাৰীকৰণ (Privatization), গোলকীকৰণৰ (Globalisation) পথ অনুসৰণ কৰি দেশৰ ধনীক শ্ৰেণীৰ চাহিদা পূৰণৰ বাবে উৎপাদনত উৎসাহ যোগোৱাৰ নীতি আৰম্ভ হয়। সমৰ্থৱান শ্ৰেণীৰ ভোগৰ কাৰণে ভোগ্য সামগ্ৰী, যেনে— ইলেক্ট্ৰনিক বস্তু, গাড়ী আদিৰ উৎপাদন আৰু আমদানিৰ ওপৰত গুৰুত্ব দিয়া হয়। দেশত থকা টেক্‌ন'লজি পৰ্যাপ্ত নোহোৱা বাবে বৃহৎ পৰিমাণে বিদেশী টেক্‌ন'লজি আমদানি কৰাৰ লগত অবাধে বৈদেশিক পুঁজি আমাৰ দেশত বিনিয়োগ কৰাৰ পথ প্ৰশস্ত কৰি দিয়া হয়। বহুজাতিক সংস্থা (MNC)বোৰৰ শোষণৰ বাট লাহে লাহে মুকলি হৈ আহে। কেৱল সেয়াই নহয়, নতুন অৰ্থনৈতিক ব্যৱস্থাপনাৰ ফলত নতুন ধৰণে প্ৰশিক্ষিত সংখ্যাত তাকৰ এচাম লোকৰ প্ৰয়োজন হয় নতুন টেক্‌ন'লজিৰ কাম-কাজ কৰাৰ বাবে। সেই লক্ষ্য পূৰণৰ উদ্দেশ্যেৰে নতুন শিক্ষানীতিৰ ওপৰত শাসক শ্ৰেণীয়ে বিশ্ব বেংকৰ নীতি-নিৰ্দেশনাৰে গুৰুত্ব আৰোপ কৰে। তাৰেই পৰিণতি হিচাপে আজি সাৰ্বজনীন শিক্ষাৰ দায়বদ্ধতা পৰিষ্কাৰ কৰি 'বিশ্বমান'ৰ শিক্ষানুষ্ঠান গঢ়াৰ নীতি চৰকাৰে অনুসৰণ কৰিবলৈ লৈছে। ভাৰতবৰ্ষত আজিৰ দিনটোত এশজনৰ ভিতৰত একানব্বৈজন (১৬-২৪ বছৰৰ) যুৱক-যুৱতী উচ্চ শিক্ষানুষ্ঠানৰ চৌহদৰ বাহিৰত। তেওঁলোকৰ বাবে নতুন কলেজ, ইউনিভাৰ্ছিটি খোলা বন্ধ। যিবিলাক বৰ্তমান আছে, সেইবোৰত শিক্ষকে অৱসৰ ল'লে নতুন শিক্ষক মকৰল কৰা কমাই অনা হৈছে। এক কথাত ক'বলৈ হ'লে চৰকাৰে ব্যাপক হাৰত এক শিক্ষা সংকোচন-নীতিৰ পথ অনুসৰণ কৰি আছে। আনহাতে আধুনিক উৎপাদন-ব্যৱস্থাৰ লগত সংগতি ৰাখি এক অতি ক্ষুদ্ৰ অংশ ছাত্ৰ-ছাত্ৰীৰ প্ৰশিক্ষণৰ বাবে নিৰ্দিষ্ট পৰিমাণৰ অতি উচ্চ মানৰ মহাবিদ্যালয়-বিশ্ববিদ্যালয় (Centre of Excellence) গঢ়ি তোলাৰ সিদ্ধান্ত লৈছে।

চৰকাৰে এই নতুন নীতি গ্ৰহণ কৰি শিক্ষাৰ শিতানত ৰাজহুৱা ব্যয় কমাই আনিছে। উচ্চ শিক্ষা গ্ৰহণৰ পথ সংকুচিত কৰিছে। এনে নীতিৰ

ফলত দেশৰ আঢ্যৱন্ত শ্রেণীৰ ল'ৰা-ছোৱালী লাভান্বিত হ'ব, আনহাতে বিশাল জনগণ (৭০ শতাংশ) বঞ্চনাৰ বলি হ'ব। নতুন শিক্ষানীতি সেয়ে নতুন অর্থনৈতিক ব্যৱস্থাৰ প্রত্যক্ষ ফল বুলি ঠাৱৰ কৰিব পাৰি।

উচ্চ শিক্ষাই ব্যক্তিৰ চেতনা আৰু সামাজিক সজাগতা বৃদ্ধিত সহায় কৰে, লগে লগে ব্যক্তিজনৰ সৃষ্টিশীলতা বৃদ্ধি কৰে। এটা সময়ত দেশৰ উৎপাদিকা শক্তি বৃদ্ধিৰ তাগিদাত ব্যাপক সংখ্যক প্রশিক্ষিত যুৱক-যুৱতী সৃষ্টিৰ বাবে শিক্ষাৰ প্রসাৰৰ প্রয়োজন হৈছিল। ভাৰত চৰকাৰেও সেয়েহে ৰাজহুৱা খণ্ডত স্বাধীনতাৰ প্রথম তিনিটা দশকত বহু উচ্চ শিক্ষানুষ্ঠান-প্রতিষ্ঠান গঢ়ি তুলিছিল। কিন্তু ক্রমান্বয়ে যেতিয়া বর্ধিত মানৰ সম্পদক সুযোগ দিব নোৱৰা হ'ল, ৰাষ্ট্রই শিক্ষাখণ্ডক লাহে লাহে সংকুচিত কৰিবলৈ ধৰিলে। ৰাষ্ট্রই শিক্ষাৰ শিতানত ব্যাপক বাজেট সংকোচন কৰাৰ নীতি গ্রহণ কৰিলে।

পুঁজিবাদী বিশ্বায়নৰ বিষময় পৰিণাম কৃষি, শিল্প, শিক্ষা, সংস্কৃতি আনকি মূল্যবোধৰ ক্ষেত্রতো সমগ্র বিশ্বজুৰি আজি অনুভূত হৈছে। 'বিশ্বায়ন' শব্দটো এতিয়া আমাৰ বাবে আগতকৈ বহু বেছি পৰিমাণে পৰিচিত হৈ উঠিছে। 'বিশ্বায়ন'—এটা অতি শ্রুতিমধুৰ শব্দ যাৰ ভাবার্থ বিশ্বৰ সকলোকে সামৰি লোৱা। শব্দটোৰ উদ্ভাৱনী পর্বত তাৰ চাৰিওপিনে যি অনুসন্ধিৎসা আৰু সন্দেহৰ আৱৰণ আছিল, সেয়া বর্তমান বহু পৰিমাণে কাটি গৈছে। বিশ্বায়নৰ যি বর্ণাঢ্য প্রতিজন জনগণৰ সন্মুখত আৱন্তণিতে তুলি ধৰা হৈছিল, বিগত দুটা দশকৰ ভিতৰতেই বাস্তৱৰ অভিঘাতত সেই চিক্‌মিকনি বহুখিনি ম্লান পৰি গৈছে।

পুঁজিবাদী বিশ্বৰ ৰাজনীতি আৰু অর্থনীতিৰ কাণ্ডাৰীসকলৰ মতেৰে বিজ্ঞানৰ অভূতপূর্ব সাফল্যৰ পিছতো এতিয়াও যিদৰে মানৰ সমাজ দৰিদ্রতা, পুষ্টিহীনতা, নিৰক্ষৰতাৰ অভিশাপত অভিশপ্ত হৈ আছে, তাৰপৰা উদ্ধাৰ পোৱাৰ একমাত্র এটাই পথ আছে—'মুক্ত বজাৰ অর্থনীতি'ৰ পথ।

মুক্ত বজাৰ অর্থনীতি ওপৰত উল্লেখ কৰা তিনিটা স্তম্ভৰ ওপৰত থিয় হৈ আছে—(ক) বিশ্বায়ন, (খ) উদাৰীকৰণ, (গ) বেচৰকাৰীকৰণ। তেওঁলোকৰ মতেৰে সমগ্র বিশ্বখন এখন বজাৰৰ দৰে। ইয়াৰ কৃষি, বাণিজ্য, শিল্প আদি ক্ষেত্রবোৰত দেশভেদে কোনো ধৰণৰ বাধা-বাধ্যকতা থকা উচিত নহয়। অবাধ বাণিজ্যৰ প্রচলন আৰু সা-সুবিধা সকলোবোৰ দেশে কৰিব লাগিব। আনকি 'শিক্ষা'কো এটা পণ্য হিচাপে স্বীকৃতি দি মুক্ত বাণিজ্যৰ সুবিধা কৰি দিব লাগিব।

পুঁজিবাদী দেশবিলাকে, বিশেষকৈ মার্কিন যুক্তৰাষ্ট্র, জাপান, ইংলেণ্ড, অষ্ট্রেলিয়া, ফ্রান্স, ইটালি আদি দেশে দেখিছে যে শিক্ষাক ব্যৱসায়িক পণ্য হিচাপে ধৰি ল'লে বর্তমান বিশ্বত প্রায় ৫,০০০০ বিলিয়ন কোটি টকাৰ এখন বৃহৎ বজাৰ আছে। ই হ'ব পঞ্চম বৃহত্তম বাণিজ্যিক বজাৰ। শিক্ষা (Education) এটা সেৱা (Service) আৰু সকলোবোৰ সেৱা যিহেতু পণ্য (Commodity) সেয়ে শিক্ষাক বাণিজ্যৰ আওতালৈ অনা হৈছে।

মার্কিন যুক্তৰাষ্ট্রই নিজৰ আর্থিক, সামৰিক আৰু উন্নত মানৰ কাৰিকৰী জ্ঞানৰ বলত বলীয়ান হৈ বিশ্বৰ প্রায়বোৰ দেশক বিশ্ব বাণিজ্য সংস্থা (World Trade Organisation-WTO)ৰ অন্তর্ভুক্ত হ'বলৈ বাধ্য কৰিছে। দেশবোৰে নানা চর্ত মানি চুক্তিত স্বাক্ষৰ কৰিছে। ভাৰতেও WTOৰ সদস্যভুক্ত হৈ GATS (General Agreement on Trade in Services) চুক্তিত স্বাক্ষৰ কৰিছে।

GATS চুক্তিৰ চর্তাৱলীবোৰ সম্পূর্ণকৈ কার্যকৰী কৰিবলৈ হ'লে আমাৰ দেশত শিক্ষাৰ ক্ষেত্রত নৈৰাজ্যই দেখা দিব। ইতিমধ্যে ইয়াৰ কিছু কিছু লক্ষণ (Symptom) দেখা গৈছে। ভাৰত চৰকাৰে ১৯৬৮ চনত জাতীয় শিক্ষা নীতি (National Education Policy) ঘোষণা কৰিছিল। ১৯৮৬ চনত ইয়াৰ পৰিৱর্তন ঘটাই তেতিয়াৰ প্রধান মন্ত্রী ৰাজীৱ গান্ধীয়ে 'নতুন জাতীয় শিক্ষা নীতি' (New National Education Policy) ঘোষণা কৰিছিল। ১৯৯২ চনত নৰসিংহ ৰাওৱে নতুন শিক্ষানীতিক গতি দিবলৈ নির্দিষ্ট কার্যকৰী কর্ম আঁচনি (Well Defined Programme of Action-POA) তৈয়াৰ কৰে।

এই নতুন পথে দেশক ক'লৈ লৈ যাব? এইটোৱেই হৈছে এতিয়া আমাৰ সন্মুখত আটাইতকৈ ডাঙৰ প্রশ্ন। দেশৰ বর্তমান অৱস্থা কেনে ধৰণৰ তাকে চোৱা যাওক। ভাৰতবর্ষত বর্তমান প্রায় ৪৫ কোটি মানুহ নিৰক্ষৰ। ৩০ কোটি দৰিদ্র সীমাৰেখাৰ তলত বাস কৰা লোক আমাৰ দেশত আছে। দশম শ্রেণীলৈ উত্তীর্ণ হোৱাৰ আগতেই স্কুল এৰি যোৱা (dropout) ছাত্র-ছাত্রীৰ অনুপাত ৬৭ শতাংশ।

বিশ্বৰ উন্নয়নশীল দেশবোৰৰ আৰু আমাৰ দেশৰ শিক্ষাৰ ক্ষেত্রখনৰ এক তুলনামূলক চিত্র তলত উল্লেখ কৰা ধৰণৰ —

(সূত্রসমূহ ঃ (১) World Education Report - 2004, (২) Human Development Report-2002, 2005, 2009, (৩) Behind Operation Blackboard II)

(১) প্রাপ্তবয়স্ক সাক্ষৰতা (adult literary rate)ৰ হাৰ (শতকৰা)

| দেশ | লিংগ | |
|---|---|---|
| | পুৰুষ | মহিলা |
| ভাৰত | ৬৬ | ৪৪.৫ |
| অন্যান্য উন্নয়নশীল দেশ | ৮১ | ৬৫.৩ |

(২) জনসংখ্যা আৰু নিৰক্ষতাৰ অনুপাত

| দেশ | জনসংখ্যা / নিৰক্ষৰতা | |
|---|---|---|
| | জনসংখ্যাৰ অনুপাত | নিৰক্ষৰতাৰ অনুপাত |
| ভাৰত | ১৬.৯ | ৩৪ |
| অন্যান্য উন্নয়নশীল দেশ | ৮৩.১ | ৬৬ |
| মুঠ | ১০০ | ১০০ |

বিশ্বৰ জনসংখ্যাৰ ১৭ শতাংশ লোক ভাৰতত বাস কৰে। বিশ্বৰ মুঠ নিৰক্ষৰৰ ৩৪ শতাংশৰ বাসস্থান ভাৰত।

(৩) শিক্ষানুষ্ঠানত নামভর্তিৰ হাৰ (Enrolment Ratio)

(Gross enrolment in relevent age group in different stages)

| দেশ / স্তৰ | প্ৰাথমিক | মাধ্যমিক | উচ্চ | যুগ্ম |
|---|---|---|---|---|
| ভাৰত | ১০০ | ৪৯ | ৭ | ৫৬ |
| উন্নয়নশীল দেশবোৰ | ১১৯ | ৬৯ | ১২ | ৬১ |
| পৃথিৱী | ১০৬ | ৬৪ | ১৪ | ৬৫ |

ওপৰৰ তালিকাখনৰপৰা স্পষ্ট যে উচ্চ শিক্ষাৰ বাবে উপযুক্ত বয়সৰ প্ৰতি ১০০জন যুৱক-যুৱতীৰ মাজত সমগ্ৰ পৃথিৱীত ১৪জনৰ বিপৰীতে ভাৰততে মাত্ৰ ৭জন উচ্চ শিক্ষানুষ্ঠানলৈ যায়। মাধ্যমিকত ৬৪জনৰ বিপৰীতে ৪৯জন মাত্ৰ।

(৪) মুঠ জাতীয় আয়ৰপৰা শিক্ষাৰ শিতানত ব্যয়ৰ শতকৰা হাৰ

| দেশ | ব্যয়ৰ হাৰ |
|---|---|
| ভাৰতবৰ্ষ | ৩.২% |
| পৃথিৱী | ৪.৬% |

(৫) জনমূৰি জাতীয় আয়ৰপৰা শিক্ষাৰ শিতানত জনমূৰি ছাত্ৰ-ছাত্ৰীৰ বাবে খৰচ

| দেশ | খৰচৰ হাৰ |
|---|---|
| ভাৰতবৰ্ষ | ১৬.৩% |
| পৃথিৱী | ২৩.৩% |

(৬) ভাৰতবৰ্ষত প্ৰায় ২ কোটি শিশু শ্ৰমিকে দৰিদ্ৰতাৰ বাবেই কাম কৰি পৰিয়ালক সহায় কৰিবলৈ বাধ্য হৈছে। শিশু শ্ৰমবিৰোধী কঠোৰ আইন প্ৰয়োগ কৰিও ইয়াক বন্ধ কৰিব পৰা হোৱা নাই।

এনে এক পৰিস্থিতিত ৰাষ্ট্ৰই শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত নিজৰ দায়-দায়িত্বৰপৰা আঁতৰি আহি সকলো দায়িত্ব ব্যক্তিগত খণ্ডৰ হাতত তুলি দিলে নিশ্চিতভাৱে নৈৰাজ্যক আহ্বান জনোৱা হ'ব। দৰিদ্ৰতা আৰু সামাজিক বঞ্চনাৰ ফলত দেশৰ এক বৃহৎ অংশৰ পশ্চাৎপদ লোক শিক্ষাৰ পোহৰৰপৰা বঞ্চিত হৈ আছে। GATS চুক্তিৰ আধাৰত যদি সকলো ধৰণৰ উচ্চ আৰু কাৰিকৰী শিক্ষাৰ সুযোগ কেৱল মুনাফা লাভৰ বাবে সুযোগৰ সন্ধানত থকা ব্যক্তিগত খণ্ডৰ হাতত তুলি দিয়া হয়, ৰাষ্ট্ৰই কোনো দায়িত্ব নলয়, সমাজত বৈষম্য আৰু বৃদ্ধি পাব। ই হ'ব দেশবাসীৰ বাবে অত্যন্ত বেদনাদায়ক। কাৰণ এতিয়াও দেশৰ ৭০ কোটি মানুহৰ দৈনিক গড় আয় মাত্ৰ ২০ টকা।

স্বাধীনতা লাভৰ পিছত কিন্তু দেশবাসীক আমাৰ শাসক শ্ৰেণীয়ে সংবিধানৰ নিৰ্দেশিত নীতিৰ (Directive Principle) ৪৫ নং ধাৰাত প্ৰতিশ্ৰুতি দিছিল এইদৰে— 'The state shall endeavour to provide, within a period of ten years from the commencement of this constitution, for free and compulsory education for all children until they complete the age of 14 years. অৰ্থাৎ 'সংবিধান গ্ৰহণৰ দহ বছৰৰ ভিতৰত ৰাষ্ট্ৰই ১৪ বছৰৰ তলৰ সকলো শিশুকে বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষাদানৰ প্ৰয়াস কৰিব।' কিন্তু দুখৰ বিষয় যে সংবিধান গ্ৰহণৰ ৬০ বছৰৰ পিছতো দেশৰ শতকৰা ৩৫ শতাংশ মানুহ আজিও নিৰক্ষৰ হৈয়েই আছে। অতি সম্প্ৰতি শিক্ষাৰ অধিকাৰক এক মৌলিক অধিকাৰ হিচাপে সাংবিধানিক স্বীকৃতি দিয়া হৈছে।

কোঠাৰি আয়োগ (১৭জন সদস্য বিশিষ্ট উচ্চ ক্ষমতাসম্পন্ন) গঠন কৰাৰ বাবে জাতীয় চৰকাৰে গ্ৰহণ কৰা প্ৰস্তাৱনাত কোৱা হৈছে: 'স্বাধীনতা লাভৰ সময়ৰপৰাই ভাৰত চৰকাৰে আধুনিক সমাজৰ আশা-আকাংক্ষাৰ লগত সংগতি ৰাখি এটা জাতীয় শিক্ষানীতিৰ বিকাশৰ লক্ষ্যেৰে কাম কৰি আছে, যি শিক্ষা-ব্যৱস্থাই জাতীয় পৰম্পৰাক উদগনি দিব।... দেশৰ আৰ্থ-সামাজিক উন্নয়নত শিক্ষাৰ গুৰুত্বপূৰ্ণ ভূমিকালৈ লক্ষ্য ৰাখি আৰু এখন সুস্থ গণতান্ত্ৰিক সমাজ গঠন, জাতীয় ঐক্য-সংহতি সুদৃঢ় কৰাৰ বাবে আৰু সবাৰোপৰি ব্যক্তিসত্তাৰ পূৰ্ণ বিকাশৰ স্বাৰ্থত দেশৰ শিক্ষা-ব্যৱস্থাৰ পুনৰীক্ষণ কৰাৰ প্ৰয়োজন আছে, যাতে জাতীয় জীৱনৰ সকলোবোৰ গুৰুত্বপূৰ্ণ দিশত উল্লেখনীয় অৱিহণা অতি কম সময়ৰ ভিতৰত আমাৰ জাতীয় শিক্ষা-ব্যৱস্থাই যোগান ধৰাত সক্ষম হয়।'

আয়োগে ১৯৬৬ চনৰ ২৯ জুন তাৰিখে দাখিল কৰা প্ৰতিবেদনত অতি গুৰুত্বপূৰ্ণ মন্তব্য দি কয়—'ভাৰতবৰ্ষৰ ভৱিষ্যৎ এতিয়া (শিক্ষানুষ্ঠানৰ) শ্ৰেণীকোঠাবোৰত নিৰ্ণীত হ'ব। আমি বিশ্বাস কৰো যে এয়া এতিয়া আৰু কেৱল বাগ্মিতাপূৰ্ণ বক্তৃতা নহয়। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ওপৰত নিৰ্ভৰশীল এইখন পৃথিৱীত জনগণৰ প্ৰগতি, সমৃদ্ধি আৰু নিৰাপত্তা নিৰ্ণয় কৰিব শিক্ষাই।' (The destiny of India is now being shaped in her classrooms. This we belive, is no more rhectoric. In a world based on science and technology, it is education that determines the level of prosperity, welfare and security of the people.)

উপৰিউক্ত সপোন লৈয়েই ১৯৬৮ চনত আমাৰ জাতীয় শিক্ষানীতি ঘোষণা কৰা হৈছিল। কিন্তু আমাৰ শাসককুলৰ যিসকলে সকলো নীতি-নিৰ্দেশনা নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰে, তেওঁলোকৰ দৰ্শননীতি আৰু কাম-কাজ শিক্ষাৰ বিকাশ আৰু প্ৰসাৰৰ ক্ষেত্ৰত সন্তোষজনক নহয় বুলি প্ৰমাণিত হয় শিক্ষাৰ ক্ষেত্ৰত নিৰ্ধাৰণ কৰা ব্যয় বা বিনিয়োগৰ (outlay)ৰ পৰা। কোঠাৰি আয়োগৰ পৰামৰ্শাৱলীৰ অন্যতম পৰামৰ্শ আছিল যে মুঠ জাতীয় আয়ৰ ৬ শতাংশ আৰু বাৰ্ষিক বাজেটৰ ১০ শতাংশ শিক্ষাৰ শিতানত ব্যয় কৰিব লাগে।

কিন্তু পঞ্চবাৰ্ষিক পৰিকল্পনাবিলাকত শিক্ষাৰ শিতানত কৰা বিনিয়োগ মুঠ বিনিয়োগৰ (outlay) শতকৰা অনুপাত বিচাৰ কৰি চালে দেখা যায় যে আয়োগৰ এই মূল পৰামৰ্শ চৰকাৰে কোনো দিনেই কাৰ্যকৰী কৰা নাই অৰ্থাৎ গুৰুত্ব দিয়া নাই। পঞ্চবাৰ্ষিক পৰিকল্পনাৰ ব্যয় বৰাদ্দ এনে ধৰণৰ—

| পঞ্চবার্ষিক পৰিকল্পনা | শিক্ষাৰ শিতানত মুঠ বৰাদ্দৰ শতকৰা অংশ |
|---|---|
| প্রথম | ৬.৯৭ |
| দ্বিতীয় | ৪.৫০ |
| তৃতীয় | ৪.৮৭ |
| চতুর্থ | ৫.২০ |
| পঞ্চম | ৩.২৬ |
| ষষ্ঠ | ২.৫৯ |
| সপ্তম | ৩.৫৫ |
| অষ্টম | ৪.৯১ |
| নৱম | ৪.২৫ |

বার্ষিক বাজেটবিলাকতো শিক্ষাৰ ক্ষেত্রত বাজেট আবণ্টিত ধন কোনো দিনেই ৩ শতাংশৰ বেছি নহয়। উদাহৰণস্বৰূপে তলৰ কিছু তথ্যলৈ আঙুলিয়াব পাৰি।

| আর্থিক বছৰ | মুঠ বাজেট (কোটি) | শিক্ষাৰ বাবে ধার্য কৰা ধন (কোটি) | শিক্ষা শিতানত মুঠ ব্যয়ৰ ওপৰত শতকৰা হাৰ |
|---|---|---|---|
| ১৯৯৯-২০০০ | ২৯৩৮৮২ | ৭৯৩৬ | ২.৮% |
| ২০০০-২০০১ | ৩৩৮৪৮৭ | ৮৩৮৪ | ২.৫% |
| ২০০১-২০০২ | ৩৭৫১২২ | ৮৪২২ | ২.২% |

যি সময়ত প্রাথমিক শিক্ষাৰ শিতানত দক্ষিণ কোৰিয়া আৰু মালয়েছিয়াই জনমূৰি ব্যয় কৰে ১৬০ ডলাৰ (৮০০০ টকা), ভাৰতে ব্যয় কৰে মাত্র ৯ ডলাৰ (৪৫০.০০টকা)।

উপৰিউক্ত তথ্যবিলাকৰপৰা স্পষ্টভাৱে প্রমাণিত যে শিক্ষাৰ ক্ষেত্রত ভাৰতৰ শাসকশ্রেণীয়ে যিদৰে গুৰুত্ব দিব লাগিছিল, এক বিশালসংখ্যক দাৰিদ্র্যপীড়িত আৰু নিম্ন-মধ্যবিত্ত সাধাৰণ লোক (মুঠ জনসংখ্যাৰ ৭০ শতাংশ)ৰ ল'ৰা-ছোৱালীৰ শিক্ষা-দীক্ষাৰ বাবে যিদৰে গুৰুত্ব দি বিনিয়োগ কৰিব লাগিছিল, সেয়া কৰা নাই বা কৰাত ব্যর্থ হৈছে। তাৰ বিপৰীতে ৰাষ্ট্রই নিজৰ দায়-দায়িত্ব এৰাই চলি শিক্ষাৰ বিশাল ক্ষেত্র ব্যক্তিগত খণ্ডৰ হাতত তুলি দিব খুজিছে। ব্যক্তিগত খণ্ডৰ একমাত্র লক্ষ্য হৈছে মুনাফাৰ অংশ বৃদ্ধি কৰা। দেশৰ জনসাধাৰণৰ স্বার্থ তেওঁলোকৰ দৃষ্টিত গৌণ বিষয়।

১৯৯৮ চনৰ ৫-৯ অক্টোবৰ তাৰিখত ফ্রান্সৰ ৰাজধানী পেৰিচত এখন আন্তর্জাতিক সম্মিলনত তেতিয়াৰ মানৰ উন্নয়ন মন্ত্রী ডঃ মুৰলী মনোহৰ যোশীয়ে ঘোষণা কৰিছিল— 'The Government (of India) wants to encourage private initiatives in higher education.' এই উদ্দেশ্য আগত ৰাখিয়েই বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে শিক্ষাৰ ক্ষেত্রত বেচৰকাৰী খণ্ডৰ লগ্নীৰ বাবে নীতি নির্ধাৰণৰ উদ্দেশ্যেৰে মুকেশ আম্বানী আৰু কুমাৰ মংগলম বিৰলাক লৈ এখন বিশেষ কমিটি গঠন কৰিছিল। কমিটিখনে উচ্চ শিক্ষাৰ ক্ষেত্রত ৬০ শতাংশ বিনিয়োগ ব্যক্তিগত খণ্ডত হোৱাটো বিচাৰে।

আন্তর্জাতিক মুদ্রা ভাণ্ডাৰ (IMF) আৰু বিশ্ব বেংকৰ নির্দেশ সাৰোগত কৰি ৰাজীৰ গান্ধীয়ে আৰম্ভ কৰা নতুন শিক্ষানীতিৰ যাত্রা বর্তমানৰ প্রধান মন্ত্রী ড° মনমোহন সিঙৰ চৰকাৰেও অব্যাহত ৰাখিছে।

১৯৬৮ চনত যি সপোন লৈ আমাৰ ৰাষ্ট্রীয় শিক্ষানীতি ঘোষণা কৰা হৈছিল, বিশ্বায়নৰ চিক্‌মিকনিত ভোল গৈ আমি আমাৰ ঘোষিত নীতিৰপৰা আঁতৰি আহিলে, সি হ'ব দেশৰ অগণন মেহনতী মানুহ, দুখীয়া কৃষক, শ্রমিক, নিম্ন-মধ্যবিত্ত, দলিত, বঞ্চিত মানুহৰ প্রতি চৰম বিশ্বাসঘাতকতা। ■

# উচ্চ শিক্ষা আৰু মানৱ সম্পদৰ অপচয়

দ্বিজেন বর্মন

১৯৪৮ চনত অনুষ্ঠিত এলাহাবাদ বিশ্ববিদ্যালয়ৰ সমাৱর্তনত তেতিয়াৰ প্রধান মন্ত্রী পণ্ডিত জৱাহৰলাল নেহৰুৱে স্বাধীন ভাৰতৰ উচ্চ শিক্ষাৰ ভূমিকা কি হ'ব সেই বিষয়ে এনেদৰে কৈছিল— 'A University Stands for Humanism, for tolerance, for Reason, for the Advancement of ideas and for the Search for truth.' তেওঁৰ বক্তব্যৰপৰা জনা যায় যে বিশ্ববিদ্যালয় মানে চিন্তাৰ অগ্রগতি, বিশ্ববিদ্যালয় মানে সত্যৰ অন্বেষণ।

সমাজৰ সামগ্রিক আৰু বৌদ্ধিক, মানসিক আৰু আর্থিক বিকাশ সাধনেই উচ্চ শিক্ষাৰ মূল উদ্দেশ্য অর্থাৎ মানৱ সম্পদ সৃষ্টি কৰাটোৱে হৈছে প্রকৃতার্থত বিচার্য বিষয়। সেয়ে দায়িত্বশীল চৰকাৰে উচ্চ শিক্ষাৰ অধিক সম্প্রসাৰণ ঘটাই দেশত এক স্বনির্ভৰশীল আৰু মর্যাদাসম্পন্ন মানৱ সম্পদ সৃষ্টি কৰাটো প্রাথমিক কর্তব্য হিচাপে গণ্য কৰিব পাৰি। অকল উচ্চ শিক্ষাই নহয়, সর্বস্তৰৰ শিক্ষাৰ প্রতি ৰাষ্ট্র দায়বদ্ধ হোৱা উচিত। তথাপি আমি যিহেতু উচ্চ শিক্ষাৰ স'তেহে অধিক পৰিমাণে সম্পৃক্ত, সেই হেতুকে আলোচনাৰ সুবিধার্থে উচ্চ শিক্ষাৰ মান নির্ণয় কৰাৰ লগতে সাম্প্রতিক কালত আমাৰ দেশৰ মানৱ সম্পদৰ অপচয়ৰ বিষয়ে কিছুমান বিষয় মুকলি কৰিব বিচাৰিছো।

আমাৰ দেশত আজি পর্যন্ত উচ্চ শিক্ষাৰ সম্পৰীক্ষা চলি আছে। তাহানিতে আৰম্ভ হোৱা প্রাচ্য প্রতীচ্যৰ শিক্ষাকেন্দ্রিক যুঁজখনৰ যে আজিও অন্ত পৰা নাই সেইটো ভাবিহে আচৰিত হওঁ। ব্রিটিছ গৱর্ণৰ জেনেৰেল লর্ড উইলিয়াম বেণ্টিংকৰ দিনত প্রাচ্য আৰু পাশ্চাত্যপন্থীসকলে ভাৰতৰ শিক্ষাৰ বৈশিষ্ট্য নিজৰ মতানুযায়ী নির্ণয় কৰিব বিচাৰিছিল। তথাপি সেইবেলি পাশ্চাত্যপন্থীসকল সফল হৈছিল। বেণ্টিঙেও আধুনিক শিক্ষাৰ দোহাই দি সমর্থন দিছিল পাশ্চাত্যপন্থীসকলক। ভাৰতত আধুনিক শিক্ষা প্রৱর্তন কৰিব খোজাৰ আচল উদ্দেশ্য আছিল ব্রিটিছ সাম্রাজ্যবাদক সহায় কৰাহে। সেই অর্থত বেণ্টিংকৰ শিক্ষানীতিকো সম্পূর্ণৰূপে ভাৰতীয় সমাজখনৰ স্বার্থত বুলি ক'ব পৰা নাযায়। তাৰ মাজতে আমাৰ দেশত আধুনিক শিক্ষাৰ জন্ম হৈছিল। কিন্তু ব্রিটিছৰ শিক্ষানীতিৰ ফলত হিন্দুসকলে যিদৰে সুযোগ লাভ কৰিছিল, মুছলমান সমাজে পৰা নাছিল, কাৰণ একালৰ শাসকগোষ্ঠী হিচাপে মুছলিমসকলে ব্রিটিছক বেছি বিদ্বেষ কৰিছিল, লগতে তেওঁলোকে প্রৱর্তন কৰা পশ্চিমীয়া শিক্ষানীতিক। তাৰ পাছত ব্রিটিছে প্রাচ্যপন্থীসকলকো উলাই কৰা নাছিল। আলীগড়ৰ চৈয়দ ভাতৃদ্বয়ে আৰম্ভ কৰা শিক্ষানীতিয়ে আন এক পৰিস্থিতিৰ সৃষ্টি কৰিছিল, য'ত মুছলিম অভিজাতসকলে নিজৰ অস্তিত্ব বিচৰাৰ কুচকাৱাজ চলাইছিল।

দেশ স্বাধীন হোৱাৰ পাছত নেহৰুৱে অনুভৱ কৰা শিক্ষাৰ আধাৰ প্রকৃতপক্ষে একো নাথাকিল। আচৰিত ধৰণে ভাৰতৰ কি উচ্চ শিক্ষা আৰু নিম্ন শিক্ষা, সকলোতে আধুনিক জ্ঞান-বিজ্ঞানৰ লগতে প্রাচ্যমুখী প্রৱণতাই আপোচৰ সূত্র উদ্ভাৱন কৰি ল'লে। যাৰ পৰিণতিৰূপে আমি দেখা পাওঁ ব্যাপক ৰূপত গঢ়ি উঠা আধ্যাত্মবাদী শিক্ষানুষ্ঠানৰ ৰমৰমা ব্যৱসায়। মিশ্র অর্থনীতিৰ তাগিদাত চৰকাৰী আৰু বেচৰকাৰী দুয়োটা ব্যৱস্থাৰ সহাৱস্থান চলিল। আব্রাহাম কভূৰৰ দৃষ্টিত ভণ্ডৰূপে চিনাক্ত ভাৰতীয় আধ্যাত্মবাদী গুৰুসকলে আৰম্ভ কৰিলে উচ্চ শিক্ষা প্রতিষ্ঠান, অভিযান্ত্রিক মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়। এফালে চৰকাৰী শিক্ষা প্রতিষ্ঠান আৰু আনফালে বেচৰকাৰী তথা ব্যক্তিগত খণ্ডৰ শিক্ষা প্রতিষ্ঠান। তাৰ মাজত স্বাধীন ভাৰতৰ শিক্ষা আয়োগবোৰৰ অপমৃত্যু। এনেকৈয়ে উৱলি গ'ল কোঠাৰি আৰু গডকাৰ আয়োগ।

কোনো অৱস্থাতে দেশৰ মাটি আৰু পানীৰ লগত সম্পর্ক নথকা এচামে ভাৰতৰ শিক্ষানীতিৰ কথা কয়। ইন্দিৰা তনয় ৰাজীৱ গান্ধীয়েও প্রধান মন্ত্রী পদত অধিষ্ঠিত হৈ নতুন শিক্ষানীতিৰ কথা কৈছিল। তেখেতেই ১৯৮৬ চনত প্রৱর্তন কৰা নতুন অর্থনীতিৰ আধাৰতে উচ্চ শিক্ষা নীতিৰ ৰূপদান জৰুৰী হৈ পৰে। তৃতীয় বিশ্বৰ দেশবোৰ বিশ্ববেংকৰ ওচৰত ঋণগ্রস্ত। বেংক মানেই বেপাৰ আৰু বেপাৰ মানেই মুনাফা। ভাৰতো ফান্দত পৰিল। ৰাজীৱ গান্ধীৰ চুপাৰিছ মতে আমাৰ দেশে বিশ্ববেংকৰ কঠোৰ চর্তবোৰ মানিব লগা হ'ল। তাৰ অৱশ্যম্ভাৱী পৰিণতি হ'ল—আর্থিক আৰু ৰাজনৈতিক লাভ বেছি হোৱা ক্ষেত্রবোৰতহে ৰাষ্ট্রই মনোযোগ দিয়া উচিত। আমাৰ দেশৰ উচ্চ শিক্ষাৰ ক্ষেত্রখন এখন লাভজনক ক্ষেত্র। ইয়াত চৰকাৰী ব্যয় কমাব লাগিব। ব্যক্তিগতকৰণৰ ধামখুমীয়াত উচ্চ শিক্ষাৰ অৱস্থা জনমখী নহৈ পুঁজিমুখী হৈ পৰিল। বিশ্ববেংকে চর্ত দিছিল যে উচ্চ শিক্ষাৰ শিতানত নির্ধাৰণ কৰা ধন কর্তন কৰিব লাগিব আৰু ছাত্র-ছাত্রীৰ অভিভাৱকসকলে খৰচৰ বোজা বহন কৰিব লাগিব। বিশ্ববেংকৰ নির্দেশ মতে ভাৰত চৰকাৰে জাতীয় শিক্ষানীতি ৰূপায়ণ কৰিবলৈ আৰু উচ্চ শিক্ষাৰ ক্ষেত্রত চৰকাৰী ব্যয় অনুদান কমাবলৈ সময়ে সময়ে নানা সমিতি গঠন কৰিব ধৰিলে। উচ্চ শিক্ষাৰ সলনি বুনিয়াদী আৰু মাধ্যমিক স্তৰৰহে অধিক ধন বিনিয়োগ কৰিবলৈ ১৯৯৪ চনৰ এক নথিত বিশ্ববেংকে ঘোষণা কৰে।

উপৰিউক্ত পৰিস্থিতিৰ ফলত ভাৰতৰ উচ্চ শিক্ষা ব্যয়বহুল হৈ পৰিল। ধনীৰ দুলালসকলৰ বাবেহে উচ্চ শিক্ষাৰ দুৱাৰ মুকলি হ'ল। ব্যক্তিগত খণ্ডৰ বিভিন্ন উচ্চ শিক্ষানুষ্ঠানৰ কেপিটেছন ফী আদায় দি



সোণালী জয়ন্তী মহোৎসৱ, শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়, (১৯৬৩-২০১৩)

পৰিশ্ৰান্ত হ'ব লগা হ'ল মধ্যবিত্তৰ সন্তান, কাৰণ নিম্ন মধ্যবিত্তৰ বাবে কোন কাহানিবাই বন্ধ হৈ গৈছে উচ্চ শিক্ষাৰ সিংহদুৱাৰ। এনেকুৱা পৰিস্থিতিত কক্‌বকাই থকা ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক-সমাজে নিজৰ পৰিয়ালৰ বাহিৰে সমাজৰ আন অংশৰ কথা ভাবিবলৈ আহৰি নাপায়। ফলত এনেচাম ছাত্ৰ-ছাত্ৰী সমাজৰ বাবে সম্পদ নহৈ বহুক্ষেত্ৰত আপদহে হৈছে। সকলো ধৰণৰ মানৱীয় গুণ, যুক্তি আৰু সামাজিকতাৰপৰা আঁতৰত থাকি পাছৰ পৰ্যায়ত চৰম হতাশা আৰু নৈৰাশ্যত কাল কটাবলগীয়া হোৱাটো দুখৰ কথা। কাৰণ দুৰাকাংক্ষাই এওঁলোকক পানীমেটেকাৰ দৰে কৰে। এইচাম উচ্চ শিক্ষাৰ্থীয়ে হতাশাৰপৰা পৰিত্ৰাণ পাবলৈ ছায়াবাদৰ আশ্ৰয় লয়। প্ৰযুক্তিৰ মেটমৰা বোজা কঢ়িয়াই থাকিও অলৌকিকতাৰ আশ্ৰয়ত জীৱনৰ সুখ বিচাৰে।

বিগত দশকবোৰত আমাৰ দেশত উচ্চ শিক্ষাৰ মান নিৰ্ণয় হ'ল দুখ লগাকৈ। এন. ডি. এ. চৰকাৰৰ আমোলতো উচ্চ শিক্ষাক লৈ তামাছা চলে। দুজনকৈ বণিকক মানৱ সম্পদ মন্ত্ৰালয়ৰ উপদেষ্টাৰ পদত বহুৱাই গেৱৰা দৰ্শনৰ প্ৰবক্তাসকলে প্ৰমাণ কৰি দিছিল যে উচ্চ শিক্ষাৰ বাণিজ্যিকীকৰণৰ ক্ষেত্ৰত সোঁপন্থী ৰাজনীতিৰ মাজত কোনো তফাৎ নাই। মতাদৰ্শৰ ক্ষেত্ৰত কংগ্ৰেছ আৰু ভাজপাৰ অৱস্থান পৃথক পৃথক নহয়। সেইৰূপেই প্ৰতিভাত হ'ল আমাৰ দেশৰ উচ্চ শিক্ষা। ইউৰোপতকৈ আমাৰ দেশত বিজ্ঞানী আৰু বিশেষজ্ঞৰ সংখ্যা বেছি হ'লেও তাৰ সুফল ভাৰতীয় সমাজে লাভ কৰা নাই। কিয়নো ভাৰতত চলে বিজ্ঞানীৰ অবৈজ্ঞানিক চিন্তা। বিজ্ঞান শিক্ষাৰ প্ৰতিষ্ঠানবোৰতে চলে বিশ্বকৰ্মা পূজা। যুক্তিহীন চিন্তাই জন্ম দিছে এচাম মূঢ় উচ্চ শিক্ষিতৰ। সেইবাবেই হ'বলা বাৰ্ট্ৰাণ্ড ৰাছেলে এনেদৰে কৈছিল— 'আজিৰ শিক্ষাই মানুহক মূৰ্খ সজাইছে।' ভাৰতৰ ক্ষেত্ৰত কথাষাৰ একেবাৰে যোলঅনাই সঁচা বুলি প্ৰমাণিত হৈছে।

মানৱ সম্পদৰ মান জোখাৰ প্ৰৱণতা উচ্চ শিক্ষাৰদ্বাৰা নিৰ্ণীত হয়। ইউৰোপতকৈ বেছি বিশেষজ্ঞ থাকিলেও আমাৰ দেশৰ মানৱ সম্পদৰ অপচয়হে প্ৰধান চিন্তাৰ বিষয়। কোনোবাই আহ্লাদিত হ'লেও তাক মূৰ্খৰ সান্ত্বনা বুলি ক'ব পাৰি। কাৰণ প্ৰতিবছৰে আমাৰ দেশত দুই লাখ বিজ্ঞান স্নাতকৰ জন্ম হয়। জাপানত মাথোঁ সাত হাজাৰহে হয়। অথচ আমাৰ দেশৰ সিংহভাগ বিজ্ঞান স্নাতক অবৈজ্ঞানিক চিন্তা আৰু কাৰ্যত জড়িত হৈ পৰে। জাপানৰ সাত হাজাৰ বিজ্ঞান স্নাতক দেশখনৰ বিকাশৰ বাবে নিৰ্ণায়ক শক্তি হৈ পৰে। পিছে, আমাৰবোৰে বিকাশৰ বিপৰীতে স্থিতি লয়। এয়া এটা সামান্য উদাহৰণহে। এনেদৰেই ভাৰতীয় শৈক্ষিক আৰু সামাজিক গতি চলি আছে। সৰ্বাধিক নিৰক্ষৰ থকা দেশ এখনত সৰ্বাধিক শিক্ষিত নিৰক্ষৰ আৰু সৰ্বাধিক অনাহাৰত থকা লোকেৰে মানৱ সম্পদৰ অপচয় ৰোধিব কোনে?

ভাৰতৰ উচ্চ শিক্ষাৰ মান নিম্নৰপৰা নিম্নতম অৱস্থালৈ গৈছে। গোটেই পৃথিৱীৰ নিৰিখৰতো কথাই নাই, এছিয়া মহাদেশতে ভাৰতৰ স্থান লজ্জাকৰ হৈ পৰিছে। ভাৰতৰ শিক্ষাৰ মান বিশ্বৰ শিক্ষাৰ স'তে একেবাৰে খাপ নাখায়। এফালে নিয়োগৰ আকাল, আনফালে চৌহদ নিযুক্তিৰ নিম্নগামী হাৰ। তাৰ মাজতে মহামন্দা। নতুন চাকৰিৰতো কথাই নাই, যোৱা এবছৰত ত্ৰিশ লাখতকৈয়ো অধিক শ্ৰমিক-কৰ্মচাৰীয়ে কৰি থকা চাকৰি হেৰুৱাইছে। ভাৰতৰ বিখ্যাত প্ৰযুক্তি প্ৰতিষ্ঠানবোৰত পূৰ্বৰেপৰা চলি অহা 'কেম্পাছ ৰিক্‌ৰিউট্‌মেণ্ট (চৌহদ নিযুক্তি)ৰ সুযোগ কমি গৈছে অভাৱনীয়ভাৱে। ইয়াৰ মানে হৈছে আমাৰ সম্পদৰ উচিত ব্যৱহাৰ হোৱাগৈ নাই আৰু এইক্ষেত্ৰত ভাৰত চৰকাৰেও চাগৈ উচিত পদক্ষেপ ল'ব পৰা নাই।

উপৰিউক্ত তথ্যই ভাৰতৰ তথাকথিত শৈক্ষিক উত্তৰণৰ কথাকে উদঙাই দিছে। তথাপি আমাৰ বৰমূৰীয়াসকলে ফিতাহি মাৰিবলৈ এৰা নাই। শিক্ষা সংস্কাৰৰ নামত গ্ৰহণ কৰা কোনোখন আঁচনিকেই আন্তৰিকতাৰে গ্ৰহণ কৰাৰ নজিৰ স্থাপন কৰিব পৰা নাই ভাৰত চৰকাৰে। সম্প্ৰতি কপিল ছিবালে গ্ৰহণ কৰা শিক্ষা সংস্কাৰে হিন্দী ভাষাৰ প্ৰচাৰৰ বাবেহে জোৰ দিছে। আই. আই. টি. অথবা আইফাক্টৰ দাবীৰ প্ৰতি আওকণীয়া মনোভাব প্ৰকট কৰিছে। ৰাজনৈতিক লাভালাভৰ কথা বিবেচনাৰে গ্ৰেডিং প্ৰথাৰে ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানক মুনাফা লুটাৰ সুযোগ এৰি দিছে। হিন্দী ভাষাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাই আঞ্চলিক ভাষাৰ অপকাৰ কৰিব। এই বৈষম্যৰ মূল্য ভৰিব লাগিব ৰাষ্ট্ৰৰ সংহতিয়ে। সমগ্ৰ বিশ্বই বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দৌৰত চামিল হোৱাৰ সময়ত ভাৰতত শাসক দলে নিজৰ ক্ষুদ্ৰ ৰাজনৈতিক স্বাৰ্থত ভাষাৰ বোজা বঢ়াই মানৱ সম্পদ গঢ়াৰ প্ৰক্ৰিয়াক ব্যাহত কৰিছে। শিক্ষাৰ আচল লক্ষ্য আৰু উদ্দেশ্য এনেদৰেই ব্যাহত হৈ আছে ভাৰতত। আনপিনে উপযুক্ত মকৰলৰ দিহা কৰিব নোৱৰা কেন্দ্ৰীয় চৰকাৰে আঞ্চলিক বৈষম্য বৃদ্ধিৰ প্ৰতি বেছি গুৰুত্ব দিছে যেন লাগিছে। ভাৰতত তথ্য আৰু প্ৰযুক্তি ক্ষেত্ৰবোৰতে চৌহদ নিযুক্তিৰ মাত্ৰা নিম্নগামী হৈছে। তেন্তে কলা ধৰ্মী বিষয়ৰ ক্ষেত্ৰতেই নহয়, বিজ্ঞান আৰু প্ৰযুক্তিৰ দিশবোৰতো চৰকাৰৰ অনীহা প্ৰকাশ পাইছে।

এইদৰে ভাৰতৰ শিক্ষা আৰু মানৱ সম্পদৰ অপচয় হৈ আছে। মহামন্দাৰ অজুহাততে উন্নত দেশবোৰে গ্ৰহণ কৰা উন্নয়ন বিৰোধী স্থিতিৰ প্ৰতি ভাৰতৰ মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ৰ ৰেহৰূপ ওলাই পৰিছে। অকল এয়াই নহয়, স্বাস্থ্য, খাদ্য, গ্ৰাম্য উন্নয়ন, ৰাস্তা-ঘাট, বিদ্যুৎ, পৰিয়াল-পৰিকল্পনা, খোৱাপানী, শ্ৰমিক কল্যাণ, প্ৰসূতি আৰু শিশুৰ সুৰক্ষা, সামাজিক সুৰক্ষা সকলোতে চৰকাৰে ব্যয় কৰ্তন কৰিছে। ভাৰতৰ বিখ্যাত অৰ্থনীতিবিদ তথা সমাজবিজ্ঞানী ড° প্ৰভাত পাটনায়কৰ সম্পাদনাত প্ৰকাশিত 'Social Scientist' আলোচনীৰ ২০০৮ চনৰ ছেপ্টেম্বৰ-অক্টোবৰ সংখ্যাত R. Ramkumar -এ 'Levels and Composition of Public, Social and Economic Expenditures in India, 1950-51 to 2006-07' শীৰ্ষক লেখাত দাঙি ধৰা তথ্যই ভাৰতৰ যে মানৱ সম্পদ বিকাশ সম্ভৱ নহয় তাকে প্ৰতিপন্ন কৰিছে। ইয়াৰ পাছতো আমি অলীক স্বপ্ন নেদেখাই ভাল। বিশ্বৰ প্ৰতিযোগিতামূলক বিকাশৰ দৌৰত ভাৰত এনেদৰেই বহুযোজন পাছ পৰি আছে। নগৰকেন্দ্ৰিক মেদবহুল বিকাশে সমগ্ৰ ভাৰতৰ মানৱ সম্পদ বিকাশৰ চেহেৰা প্ৰকাশ নকৰে। মুঠতে শিক্ষা, স্বাস্থ্য, পথ, যোগাযোগ, গ্ৰাম্য উন্নয়নৰ লগতে আনবোৰ দিশক চিৰদিন অৱহেলা কৰি থকা হৈছে। এনে এক অৱস্থাত শিক্ষা আৰু মানৱ সম্পদৰ বিকাশ আশা কৰিব পাৰিনে? ■

# সাম্প্রতিক সময়ৰ প্ৰেক্ষাপটত শিক্ষা-সমাজ-পৰিৱেশ-নৱ প্ৰজন্ম ইত্যাদি

**মামণি দেৱী**

*সহযোগী অধ্যাপিকা, শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়*

শিক্ষাই পোহৰ দিয়ে। জীৱন কৰি তোলে মহীয়ান। মানুহে মানুহক সমাজত পৰিচয় কৰি দিয়াৰ ক্ষেত্ৰত গুৰুত্ব লাভ কৰি অহা প্ৰয়োজনীয় দিশসমূহৰ ভিতৰত এটি অন্যতম হ'ল — শিক্ষা। ই হ'ল জীৱন যোৱা সাধনাৰ ফল। শিক্ষাৰ কোনো নিৰ্দিষ্ট পৰিসীমাও নাই। ই হ'ল সমাজ বিজ্ঞানৰ সবাতোকৈ আৱশ্যকীয় অংশ। জন্মৰ পৰা মৃত্যুলৈকে আহৰণ কৰা বিভিন্ন শিক্ষা জ্ঞানেৰে মানুহৰ মনত থকা কুসংস্কাৰ, কু অভ্যাস আদি সংকীৰ্ণ ভাৱবোৰ আঁতৰাই জীৱনত প্ৰগতিৰ পথ প্ৰশস্ত কৰাৰ ক্ষেত্ৰত আৰু সমাজ পৰিবৰ্তনৰ এক শক্তিশালী তথা উত্তম আহিলা বুলি গণ্য কৰি অহা বিষয়টোৱেই হ'ল — শিক্ষা। কিন্তু এই শিক্ষা স্থান-কাল আৰু পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল। সেয়েহে সমাজ জীৱন উত্তৰণৰ ক্ষেত্ৰত শিক্ষাক বাদ দিয়াৰ প্ৰশ্নই উঠিব নোৱাৰে। কথাবোৰ পুনৰীক্ষণ কৰি এই কথাও সংযোজিত কৰিব পাৰি যে এচাম উচ্চ পদস্থ বিষয়া বা লাখ লাখ টকা ঘটিব পৰা আমোলা-ঠিকাদাৰৰ সৃষ্টি কৰাতেই সীমাৱদ্ধ নাথাকি শিক্ষাৰ প্ৰধান উদ্দেশ্য হ'ব লাগে 'ভাল মানুহ' সৃষ্টি কৰাহে। যিয়ে ঘটাব পাৰে জীৱনৰ চাৰিত্ৰিক উত্তৰণ আৰু সমাজকো কৰিব পাৰে সংস্কাৰমুখী। প্ৰবন্ধকাৰ হেম ফুকনৰ ভাষাৰে ক'বলৈ হ'লে — অৰ্থনীতিক যদি এখন সমাজৰ ৰাজহাড় বুলি ক'ব পাৰি তেনেহ'লে শিক্ষা হৈছে সেইখন সমাজৰ 'মগজু'। অতি প্ৰাসঙ্গিক এনেবোৰ কথা আজি যেন সময়ৰ তাগিদাত বৰ অপ্ৰাসঙ্গিক ৰূপত ধৰা দিব ধৰিছে। ইয়াৰ অন্তৰালত আছে পৰিৱেশ আৰু পৰিস্থিতি। বিশ্বায়নৰ যুগে দান কৰা কুপ্ৰভাৱ। আধুনিকতাৰ পৰা অত্যাধুনিকতালৈ গতি কৰাৰ বাবেই মানুহৰ জীৱনশৈলীলৈ নামি আহিছে আমূল পৰিৱৰ্তন যাৰ ফলশ্ৰুতিত আমি আজি ফালৰি কাটি আহিছো শিক্ষাৰ প্ৰকৃত লক্ষ্য, আদৰ্শ আৰু উদ্দেশ্যৰ পৰা। ইয়াৰ বাবে দায়ী আমি সকলোৱে; দায়ী সাম্প্ৰতিক সময়ে উপহাৰ দিয়া পৰিৱেশ, পৰিস্থিতি, যিবোৰ আজি অনুকূলৰ বিপৰীতে মাথো প্ৰতিকূল। আজি আমি লক্ষ্য কৰিলে দেখিম — শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আদিৰ মাজত তাহানি থকা মধুৰ সম্পৰ্কবোৰ আজি যেন হেৰাই গৈছে সময়ৰ ঠেলা-হেচাত। আজি আৰু তাহানিৰ মাজত আহি পৰিছে বহু ব্যৱধান। আহানিৰ পৰিৱেশ আৰু আজিৰ পৰিৱেশৰ মাজত যেন আকাশ-পাতাল পাৰ্থক্য। সম্পৰ্কবোৰ যেন যান্ত্ৰিকতালৈ গতি কৰিছে। কথাবোৰ বিশ্লেষণ কৰাৰ আগতে প্ৰবন্ধকাৰ নীতা শৰ্মাই কোৱা কথাখিনিৰেই আৰম্ভ কৰা যাওঁক। তেওঁ কৈছিল — "আমি প্ৰত্যেকেই আমাৰ ঘৰবোৰ সুন্দৰ কৰাৰ চেষ্টাত ব্ৰতী হ'ব লাগিব।" সেই কথাৰ আঁত ধৰি আমি নিশ্চয় এই প্ৰসঙ্গও আজুৰি আনি ক'ব পাৰো যে — মানুহ গঢ়াৰ কমাৰশাল ঘৰখনত নৈতিকতাপূৰ্ণ, সুস্থ জীৱনবোধৰ শিক্ষাৰে গঢ়ি পিটি সন্তানক সমাজৰ প্ৰতি দায়ৱদ্ধ নাগৰিক কৰি গঢ়ি তুলিব পাৰিলে নিশ্চয় এখন সুস্থিৰ, অপৰাধমুক্ত, শান্তি-সম্প্ৰতিৰ সমাজ গঢ়ি উঠিব। প্ৰতিজন অভিভাৱকেই উপলব্ধি কৰা উচিত যে 'ঘৰ ভালেই সমাজ ভাল, আপোন ভালেই জগত ভাল।' এনেবোৰ যুক্তিপূৰ্ণ কথাৰ স'তে আৰু যোগ দি ক'ব পাৰি যে — শিশুকালৰে পৰা নিৰ্দিষ্ট নীতি নিয়ম-শৃংখলা, সততা, ৰুচিপূৰ্ণ ঘৰুৱা পৰিৱেশ, সম্পৰ্কৰ মান্যতা আৰু পৰিমিত অনুশাসনত অভ্যস্ত সন্তান সময়ত সৎ নিৰ্দ্ধাৰণ হ'বই। ইয়াৰ বাবে দিব লাগিব সুস্থ পৰিৱেশ। এই পৰিৱেশ গঢ়ি তুলিব লাগিব পিতৃ-মাতৃ, অভিভাৱকে। কিন্তু আজি যেন সোঁতৰ বিপৰীতে সকলো ধাৱমান। কাৰো লগত কোনেও ৰাখিব নোখোজে সু-সম্পৰ্ক,যোগাযোগ ইত্যাদি। প্ৰত্যেকেই ব্যস্ত ভিন্ন লক্ষ্য উদ্দেশ্যত। পিতৃ-মাতৃয়ে নাজানে তেওঁলোকৰ সন্তানে কি কৰিছে, ক'লৈ গতি কৰিছে। সন্তানক প্ৰশ্ন কৰাৰ সাহসো বহুতো পিতৃ-মাতৃৰ নোহোৱা হৈ পৰিছে কাৰণ তেওঁলোক নিজেই পিছলি পৰিছে জীৱনৰ বাটত। সন্তানক দিবলৈ অশেষ ধন-সম্পদ আহৰণ কৰিছে কিন্তু সন্তানৰ বাবে নাথাকে 'সময়'। ফলত সন্তানেও উচ্ছৃঙ্খল বাটেৰে গৈ জীৱনৰ অমূল্য সময় নষ্ট কৰিছে। লগে লগে জীৱনলৈ নমাই আনিছে অন্ধকাৰ।

এই কথাও অনস্বীকাৰ্য যে আজি বিশ্বায়নৰ যুগৰ সুবাদতে পৰিৱৰ্তনৰ চেলুত বৰ্তমানৰ নৱ-প্ৰজন্মৰ মানসিকতাৰ অৱক্ষয় ঘটাটো অতি চিন্তনীয়। সমাজত চলি থকা বহুতো অসামাজিক কৰ্মত বহুতো নব-প্ৰজন্ম জড়িত হৈ পৰা দেখা যায়। তেওঁলোকৰ আচৰণ, ব্যৱহাৰ মুঠেই ফলপ্ৰসূ উপাদান নহয়। বৰঞ্চ তেওঁলোকে অবাবত বহুমূলীয়া সময় নষ্ট কৰি ধ্বংসৰ ফালেহে অগ্ৰসৰ হৈছে। আমাৰ সকলোৱে জ্ঞাত যে পুৱণিৰ ভেঁটিত থিয় হৈয়ে নতুনলৈ চাব লাগিব, ভৱিষ্যতৰ সপোন ৰচিব লাগিব। সুন্দৰক সজাবলৈ সুন্দৰতাৰ প্ৰয়োজন অনিবাৰ্য। গতিকে যুব-প্ৰজন্মই প্ৰতিটো খোজ সাৱধানেৰে দি আগবাঢ়িলেহে জীৱনৰ প্ৰকৃত লক্ষ্যস্থান পাবলৈ সক্ষম হ'ব। তাৰ অন্যথাই যদি সৰুৱে ডাঙৰক উপলুঙা কৰে, ডাঙৰৰ বাক্য লঙ্ঘন কৰি, উপদেশ গ্ৰহণ নকৰি অপমান কৰিবলৈ পিছ নুহুকে, জীৱন গঢ়াৰ ক্ষেত্ৰত তেওঁলোকে বাধাৰ সমুখীন হ'ব লাগিব। নম্ৰতা, ভদ্ৰতা, শিষ্টাচাৰ এনেবোৰ নান্দনিক শব্দক জীৱনলৈ নিমন্ত্ৰণ কৰি আনি জীৱনক মহৎ কৰি তুলিব পাৰিব লাগিব। জীৱন নিয়ন্ত্ৰণ কৰা



সোণালী জয়ন্তী মহোৎসৱ, শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়, (১৯৬৩-২০১৩)

'লক্ষ্মণৰেখা'ডাল কোনো পৰিস্থিতিতে নিঃচিহ্ন হ'ব দিব নালাগিব তেতিয়াহে তেওঁলোকৰ জীৱন পথ মসৃণ হ'ব।

ইয়াৰ বাবে পৰিৱেশ হ'ব লাগিব সুস্থ আৰু শান্তিপূর্ণ। মানুহ পৰিৱেশৰ দাস। পৰিৱেশ অনুযায়ী গঢ়ি উঠে চৰিত্র, গঠন প্রণালী। আন প্রসঙ্গৰ অৱতাৰণা নকৰি আমি এই কথা জোৰ দি ক'ব পাৰো যে — যাৰ শৈশৱ, কৈশোৰ, ছাত্রাৱস্থা আৰু তেওঁলোকে পোৱা পৰিৱেশ যিমানে মোহনীয় আৰু সেউজীয়া হয় তেওঁলোকৰ জীৱনো সিমানেই উজ্জ্বল-ৰঙীন হয়। মননশীল চিন্তা, ধ্যান-ধাৰণাৰে মানৱীয় প্রমূল্যবোধৰ আর্হি-আদর্শেৰে তেওঁলোকে আগবাঢ়ি যাব পাৰে যদিহে সেই পৰিৱেশ লাভ কৰে। সেইবাবে প্রতিজন মানুহৰ বাবেই প্রয়োজন সুস্থ, নিকা আৰু প্রেৰণাদায়ক সৃষ্টিশীল পৰিৱেশ। পাৰিবাৰিক শান্তি, সামাজিক শৃংখলা, শান্তি-সম্প্রীতি, নীতি-নিয়ম আদিয়েই আদর্শনীয় পৰিৱেশৰ ব্যৱহাৰিক দিশ। এইবোৰৰ অভাৱত সৃষ্টি হয় অনাকাংক্ষিত খেলি-মেলি আৰু সমাজলৈ বিশৃংখল পৰিৱেশ নামি আহে। সামাজিক বিশৃংখল অৱস্থাৰ বাবে দায়ী আজিৰ প্রচলিত শিক্ষা ব্যৱস্থা। কাৰণ নৱ-প্রজন্মৰ সুস্থ মানসিকতা, স্ব-নির্ভৰশীলতাই দেশৰ ভৱিষ্যত। কোৱাও হয় — 'আজিৰ ছাত্র কাইলৈ দেশৰ নাগৰিক।' জেষ্ঠ্যসকল, পিতৃ-মাতৃ, অভিভাৱক, শিক্ষাগুৰুসকল, চৰকাৰী প্রশাসনীয় ব্যৱস্থাৰ মুৰব্বী তথা শিক্ষা ব্যৱস্থা তেওঁলোকৰ পথ প্রদর্শক। উপযুক্তভাৱে তেওঁলোকক গঢ়ি তুলিব পাৰিলে অৱধাৰিতভাৱেই নৱ প্রজন্মই সকলো দায়িত্ব গ্রহণ কৰিবলৈ সক্ষম হ'ব। শিক্ষা-ব্যৱস্থাৰ সহায়েৰে পাব পৰা ভৱিষ্যত জীৱনৰ নিৰাপত্তা, আশা-আকাংক্ষাৰ ফলপ্রসূ ৰূপেহে নৱ প্রজন্মক আগুৱাই নিব পাৰিব আৰু সেইবাবে শিক্ষা হ'ব লাগিব বাস্তৱমুখী। ঘূণে ধৰা শিক্ষা ব্যৱস্থাই, ক্লেদাক্ত পৰিৱেশত অসুস্থ নাগৰিকহে জন্ম হ'ব। সুস্থ পৰিৱেশ গঢ়িবলৈ যিদৰে সুস্থ মানসিকতাৰ দৰকাৰ তেনেদৰে সৎ নাগৰিক হ'বলৈও সুশিক্ষাৰ অতীব প্রয়োজন। ইয়াৰ বাবে প্রয়োজন হ'ব সামূহিক প্রচেষ্টাৰ।

এই ছেগতে চিৰশাশ্বত কথা এযাৰ ক'বলৈ মন গৈছে। এটা সময়ত কোৱা হৈছিল যে 'সৰুৰে পানী পেলায়, ডাঙৰবোৰে পিছলি পৰে।' কিন্তু সাম্প্রতিক সময়ত এই আপ্তবাক্যশাৰী ওলোটাইহে কোৱা সমীচীন হ'ব। সেয়ে উপদেশতকৈ আর্হি ভাল বুলি ডাঙৰ, পূজ্যসকলে নীতি-আদর্শ বজাই ৰাখি সুস্থ পৰিৱেশ গঢ়ি তুলি শৈক্ষিক, সাংস্কৃতিক, সামাজিক, বৌদ্ধিক, চাৰিত্রিক আদি সকলো দিশতে নৱ প্রজন্মক আগবঢ়াই নিয়া উচিত। তেতিয়াহে অগ্রগতিৰ অভিলেখ অতিক্রম কৰিব পাৰিব। সকলোৰে বাবে হৈ পৰিব দেশ কল্যাণকামী। মনত ৰখা উচিত সুন্দৰক সজাবলৈ সুন্দৰতাৰ প্রয়োজন অনিবার্য।

পৰিশেষত ক'ব খোজো যে নৱ প্রজন্মই উপযুক্ত পৰিৱেশত সুস্থ-মানসিকতা, সু-শিক্ষাৰে সাম্প্রতিক সময়ক উপহাৰ দিয়ক যুগান্তৰ য'ত প্রতিজন ব্যক্তিয়ে স্বাভিমান, আত্ম-সন্মানেৰে জীয়াই থাকিব পাৰিব। তেতিয়াহে বিশ্বায়নৰ যুগৰ সুফল সকলোৱে গ্রহণ কৰি জীৱনলৈ, সমাজলৈ পৰিৱর্তন আনিব পাৰিব। যি পৰিৱর্তন আমাৰ সকলোৰে কাম্য নহ'লে বিশ্বায়নৰ যুগে আনি দিয়া পৰিৱর্তনে নৱ প্রজন্মক ধ্বংসৰ গৰাহলৈহে ঠেলি দিব। ■

# বৈদিক যুগৰ শিক্ষা ব্যৱস্থা আৰু সাম্প্রতিক সময়ত ইয়াৰ প্রাসংগিকতা

**অর্পণা নাথ**

*সহকাৰী অধ্যাপিকা, শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ বিদ্যালয়*

শিক্ষা ব্যৱস্থা সমাজ এখনৰ অবিচ্ছেদ্য অংগ। শিক্ষা ব্যৱস্থাক সমাজৰ দাপোণস্বৰূপ বুলি কোৱা হয়। সমাজ এখনৰ বর্তমান অৱস্থান আৰু ইয়াৰ ভৱিষ্যতৰ ৰূপ-ৰেখা নির্ভৰ কৰে সেই সমাজৰ প্রচলিত শিক্ষা ব্যৱস্থাৰ ওপৰত। এই প্রসংগত ড° ডি এছ কোঠাৰীয়ে কোঠাৰী আয়োগৰ জৰিয়তে আগবঢ়োৱা বক্তব্যত উল্লেখনীয় যে এখন দেশৰ ভৱিষ্যত গঢ় দি তোলা হয় ইয়াৰে শ্রেণীকক্ষসমূহত। গতিকে আমি নিঃসন্দেহে ক'ব পাৰো যে শিক্ষা ব্যৱস্থা, শিক্ষক আৰু শিক্ষাৰ লগত জড়িত অন্যান্য দিশসমূহ সমাজ এখনৰ বিকাশ আৰু প্রগতিৰ ক্ষেত্রত অতি ওতপ্রোতভাৱে জড়িত হৈ আছে। কোৱা হয় যে যিখন সমাজৰ শিক্ষা ব্যৱস্থা যিমান উন্নত, সেইখন সমাজ সিমানে গতিশীল, সিমানেই প্রগতিশীল। এইসূত্রে আমি আমাৰ প্রাচীন ভাৰতবর্ষৰ শিক্ষা ব্যৱস্থাৰ বা বৈদিক শিক্ষা ব্যৱস্থাৰ প্রসংগটো টানি আনিব পাৰো।

ভাৰতবর্ষ পৃথিৱীৰ ভিতৰতে অতি প্রাচীন সভ্য দেশ। এই উন্নত সভ্যতাৰ অন্তৰালত সেই সময়ত প্রচলিত শিক্ষা-ব্যৱস্থাৰ বৰঙণি আছিল উল্লেখযোগ্য। এই প্রবন্ধটিৰ জৰিয়তে প্রাচীন ভাৰতবর্ষৰ সমাজ ব্যৱস্থা আৰু শিক্ষা ব্যৱস্থা আৰু লগতে বর্তমান সময়ৰ পৰিপ্রেক্ষিতত সেই শিক্ষা ব্যৱস্থাৰ প্রাসংগিকতা সম্পর্কে এটি আলোকপাত কৰিবলৈ চেষ্টা কৰা হ'ব। বর্তমান সময়ৰ আমাৰ শিক্ষা ব্যৱস্থা বিশেষকৈ উচ্চ শিক্ষা ব্যৱস্থা বিভিন্ন প্রত্যাহ্বানৰ মুখামুখি হৈ আছে আৰু এইসূত্রে বিভিন্ন পৰিকল্পনা আৰু পৰিৱর্দ্ধনৰ প্রচেষ্টা অব্যাহত ৰাখিছে। এই প্রসংগত নিম্নোক্ত আলোচনাই কিছু কিছু দিশৰ সমস্যাৰ সমাধানৰ সূত্র উলিয়াবলৈ চেষ্টা কৰিব।

বৈদিক শিক্ষাৰ কাল ইতিহাসে ঢুকি নোপোৱা এক বিতর্কমূলক বিষয়। বহুতৰ মতে ১০০০ খ্রীষ্টপূর্বৰ আগেয়ে সিন্ধু উপত্যকাত আর্য সভ্যতা আৰু সংস্কৃতি গঢ়ি উঠে। তেতিয়াৰ পৰাই তেওঁলোকৰ সামাজিক আৰু আধ্যাত্মিক জীৱনক লৈ বৈদিক শিক্ষাৰ এক ব্যৱস্থা গঢ় লৈ উঠে, যি পৃথিৱীৰ ভিতৰতে প্রাচীন। এই শিক্ষা বিকাশৰ আনুমানিক সময় বহুলভাৱে খ্রীষ্টপূর্ব ১৫০০ ৰপৰা খ্রীষ্টপূর্ব ৬০০ বছৰলৈকে প্রায় ৮০০ বছৰ আগুৰি থকা বুলি বিবেচনা কৰা হয়। ১০০০ খ্রীষ্টপূর্বৰ আগৰ সময়ছোৱা বৈদিক আৰু এই সময়ৰ পিছৰপৰা প্রায় ৬০০ খ্রীষ্টপূর্বৰ সময়ছোৱা ব্রাহ্মণ্য শিক্ষা বা উত্তৰ বৈদিক শিক্ষাকাল স্বৰূপে সাধাৰণভাৱে গণ্য কৰা হয়।

ইতিহাসে ঢুকি নেপোৱা প্রায় ১২০০ খ্রীষ্টপূর্ব আৰু ১০০০ খ্রীষ্টপূর্ব সময়ছোৱাৰ ভিতৰত ঋষি-মুনিসকলে বেদৰ মন্ত্রসমূহ ৰচনা কৰে আৰু ইয়াক কেন্দ্র কৰি ভাৰতত এক শিক্ষা ব্যৱস্থা আৰু সমাজ ব্যৱস্থা গঢ়ি তোলে। এই শিক্ষা আৰু সমাজ ব্যৱস্থা সমগ্র পৃথিৱীৰ ভিচৰতে অতি প্রাচীন আৰু বর্তমানলৈকে ই প্রেৰণাদায়ক। পুৰণি ঋষি-মুনিসকলে কেৱল ভাৰতৰ বাবেই নহয়, সমগ্র বিশ্বৰ বাবেই তেওঁলোকৰ বৈদিক শিক্ষা গঢ় দি তুলিছিল। তেওঁলোক অতীত, বর্তমান আৰু ভৱিষ্যতৰ দ্রষ্টা আছিল আৰু সামগ্রিক ৰূপত চিন্তা কৰিব পাৰিছিল। সাধাৰণ লোকৰ বাবে জীৱনৰ প্রয়োজনীয় জ্ঞান-অভিজ্ঞতা, উপদেশ, নির্দেশ আদি দিব পাৰিছিল। সর্বসাধাৰণ লোকৰ ব্যস্ত জীৱনৰ সুখ-শান্তিৰ বাবে প্রয়োজন হোৱা এনেবোৰ অভিজ্ঞতাৰ প্রতি লক্ষ্য ৰাখিয়ে বেদৰ সাহিত্য ৰচনা কৰা হৈছে। বেদ হৈছে সুদীর্ঘ দিন ধৰি ভিন ভিন ঋষি-মুনিসকলে ৰচনা কৰা স্তোত্র বা ধর্মমূলক গীতসমূহ সংগ্রহ আৰু সংকলনৰ এক পৱিত্র ধর্মীয় সাহিত্য। বেদ শব্দ সংস্কৃত ভাষাৰ 'বিদ' ধাতুৰপৰা উৎপত্তি হৈছে যাৰ অর্থ হৈছে 'জ্ঞান'। ঋষি-মুনিসকলে তেওঁলোকৰ তপস্যাৰ যোগেদি লাভ কৰা জ্ঞান মানুহৰ বিবিধ ধর্ম আৰু কর্ম জীৱনৰ বাবে অতি প্রয়োজনীয় জ্ঞানস্বৰূপে বিবেচনা কৰা হৈছিল। তেওঁলোকে তপস্যাৰ যোগেদি প্রকৃত সত্য অনুভৱ কৰিব পাৰিছিল। কালক্রমত ইয়াৰ বিকাশ আৰু বিস্তাৰ লাভ কৰি হিন্দু ধর্ম আৰু সভ্যতাস্বৰূপে পৰিগণিত হৈ উঠিছিল। উল্লেখযোগ্য যে এই জ্ঞান পূর্বে কেইটামান ঋষি পৰিয়ালৰ মাজত ৰচিত হৈ তাৰ প্রচলন পৰিয়ালৰ মাজতে আবদ্ধ আছিল। পৰৱর্তী কালত ইয়াৰ প্রচলন বাঢ়ি গৈ বেদ অধ্যয়ন আৰু ইয়াৰ ধর্মীয় ক্রিয়া সম্পাদনৰ ক্ষেত্রত ভিন ভিন বিশেষজ্ঞ পুৰোহিতৰ সৃষ্টি হয়। সেই অনুক্রমে বেদ চাৰি শাখাত (ঋকবেদ, সামবেদ, যজুর্বেদ আৰু অথর্ববেদ) বিভক্ত হৈ পৰে।

বেদৰ চাৰিটা শাখাৰ উৎপত্তি মূলতে ঋকবেদৰপৰাই হৈ উঠে। ই হৈছে পৃথিৱীৰ সকলোতকৈ প্রাচীন গ্রন্থ। ইয়াক হিন্দু সভ্যতাৰ মূল উৎসস্বৰূপে বিবেচনা কৰা হয়। ঋকবেদৰ স্তোত্রসমূহৰ যোগেদি সাহিত্য, ধর্ম, উৎসৱ-পর্ব, যাগ-যজ্ঞ, জন্ম-মৃত্যু, বিবাহ, দান, উছর্গা আদি আর্যসকলৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ প্রয়োজন প্রতিফলিত কৰি তোলা হৈছিল। ইয়াৰ উপৰিও সেই সময়ৰ আধ্যাত্মিক চিন্তা দর্শন আৰু সর্বশক্তিমান 'বিৰাট পুৰুষ' বা ভগৱানৰ বর্ণনা ইয়াত পাব পাৰি। ইয়াৰ উপৰি সহজ-সৰল জীৱন-যাপন আৰু বৌদ্ধিকভাৱে উচ্চ চিন্তা-চর্চা আৰু ধ্যান-ধাৰণাৰ যোগেদি কিদৰে আধ্যাত্মিকতাৰ উচ্চ পর্যায়লৈ উঠিব পাৰি তাৰ এক অভিনৱ শিক্ষা আৰু জীৱন ব্যৱস্থা ইয়াত পাব পৰা যায়। সামবেদক ভাৰতীয় সংগীতৰ এক মৌলিক গ্রন্থস্বৰূপে

গণ্য কৰিব পাৰি। এই বেদ হৈছে সুৰ-জ্ঞান সম্বন্ধীয় এক প্ৰশিক্ষণ গ্ৰন্থ। বৰ্তমান ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ সপ্ত সুৰৰ মৌলিকতা এই সামবেদত পাব পাৰি। বেদৰ মাংগলিক ক্ৰিয়া পৰিচালনাৰ বেলিকা বিধি-বিধান আৰু নীতি-নিয়ম আদিৰ অধ্যয়নক লৈ যজুৰ্বেদ নামে তৃতীয়খন বেদৰ সৃষ্টি হয়। ঋতুৰ পৰিৱৰ্তনৰ সাপেক্ষে পালন কৰা চতুৰ্মাচায় যজ্ঞৰ যোগেদি সেই সময়ত জ্যোতিষ বিদ্যাৰ চৰ্চা থকাৰ কথাও জানিব পাৰি। যজুৰ্বেদত সেয়েহে ধৰ্মীয় বিষয়ৰ উপৰিও বিজ্ঞান বিষয়ৰ ধৰ্ম নিৰপেক্ষ উপাদানো অন্তৰ্ভুক্ত কৰা হৈছে। আনকেইখন বেদতকৈ কিছু পলমকৈ অথৰ্ববেদৰ সৃষ্টি হয়। ইয়াৰ উপাদানত ধৰ্ম নিৰপেক্ষতা আৰু বিজ্ঞানৰ প্ৰভাৱ থকা দেখা যায়। ইয়াক প্ৰাচীন ভাৰতৰ চিকিৎসাশাস্ত্ৰ স্বৰূপেও বৰ্ণনা কৰিব পাৰি। ইয়াৰ কেতবোৰ স্তোত্ৰত অৰ্থনীতি, ৰাজনীতি আৰু দৰ্শন আদি বিষয়ৰো তথ্য পাব পাৰি। বৈদিক সাহিত্যত পলমকৈ ৰচিত এইখন বেদৰ ধৰ্মীয় উপাদানৰ উপৰিও কলা, দৰ্শন, বিজ্ঞান, চিকিৎসা বিজ্ঞান আদি বিবিধ প্ৰয়োজনীয় বিষয়ৰ অন্তৰ্ভুক্ত কৰা হৈছে। বেদৰ অধ্যয়ন বিশেষকৈ ঋকবেদৰ উপযুক্ত আৰু প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰিবৰ বাবে কেতবোৰ বিজ্ঞানসম্মত নীতি-নিয়ম সম্বলিত অধ্যয়নৰ বিষয় গঢ় দি তোলা হয়। সেই লৈ বেদৰ ছটা অংগ বা ছদাংগ বেদৰ সৃষ্টি হয়। এইকেইটা হৈছে শিক্ষা, কল্প, ব্যাকৰণ, নিৰুক্ত, ছন্দ আৰু জ্যোতিষ। উল্লেখযোগ্য যে বেদৰ জ্ঞান অভিজ্ঞতা মৌলিকভাৱে গুৰুৰপৰা শিষ্যলৈ বংশানুক্ৰমে গতি কৰিব লগা হৈছিল। বেদাংগৰ এই ছটা দিশৰ অধ্যয়নৰ অবিহনে ঋকবেদৰ উপযুক্তভাৱে অধ্যয়ন কৰাটো সম্ভৱ নহয়। সেইবাবে ইয়াৰ অধ্যয়নৰ দিশত বিশেষ তৎপৰতা গ্ৰহণ কৰা হৈছিল।

বৈদিক শিক্ষাৰ প্ৰক্ৰিয়া ঋকবেদৰ অধ্যয়নৰ পৰা আৰম্ভ হয়। বৈদিক শিক্ষাৰ উৎপত্তি আৰু ইয়াৰ পৰৱৰ্তী কালৰ বিকাশৰ মাজত কিছু ব্যৱধান বিচাৰ কৰা হয়। প্ৰায় ১২০০ খ্ৰীষ্টপূৰ্বৰপৰা প্ৰায় ১০০০ খ্ৰীষ্টপূৰ্ব সময়ছোৱাত এই শিক্ষাৰ এক উদাৰ আৰু বহল ধৰ্ম নিৰপেক্ষতাৰ নীতি গ্ৰহণ কৰা হৈছিল। সমাজৰ জাত-পাত আদিৰ ভিত্তিত মানুহৰ বৰ্ণ বিবেচনা কৰা হোৱা নাছিল। কৰ্মইহে মানুহৰ পৰিচয় দিছিল। বৈদিক শিক্ষাৰ প্ৰসাৰ যথেষ্ট সীমিত বিধৰ হৈ থকা বাবে কেইটামান ঋষি পৰিয়ালৰ মাজতেই ই আবদ্ধ আছিল আৰু পুৰোহিত আৰু ব্ৰাহ্মণ শ্ৰেণীৰ বিশেষজ্ঞ লোক নোহোৱাকৈ একেজন লোকেই যাগ-যজ্ঞ আদিকে ধৰি শিক্ষাৰ সকলো দিশ পৰিচালনা কৰিছিল। ধৰ্ম অধ্যয়নৰ মূল বিষয় আছিল যদিও ধৰ্ম-নিৰপেক্ষতাৰ নীতি এই শিক্ষাত গ্ৰহণ কৰা হৈছিল। মহিলাসকলৰ শিক্ষা আৰু সামাজিক জীৱনত বিশেষ স্থান আছিল। শিক্ষিত মহিলাসকলক 'দেৱী' স্বৰূপে গণ্য কৰা হৈছিল। মহিলাসকল পুৰুষৰ বাবে শক্তি আৰু প্ৰেৰণাৰ প্ৰতীক স্বৰূপ আছিল আৰু সেয়ে তেওঁলোক পূজ্য বিবেচিত হৈছিল। উত্তৰ বৈদিক শিক্ষা বা পৰৱৰ্তী কালৰ ব্ৰাহ্মণ্য শিক্ষাৰ কালছোৱাত এনেবোৰ বৈশিষ্ট্য নোহোৱা হৈ পৰে।

বৈদিক শিক্ষাই ব্যক্তিৰ আধ্যাত্মিক আৰু সামাজিক জীৱনত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব পাৰে। এই কথা ধৰ্মীয় নিৰ্দেশ স্বৰূপে মানি লোৱা হৈছিল যে ব্যক্তিয়ে পৃথিৱীত জন্ম গ্ৰহণ কৰাৰে পৰা তিনিটা ধাৰৰ ঋণী হৈ পৰে। ইয়াৰ প্ৰথমটো হৈছে দেৱতাসকলৰ প্ৰতি। এই ধাৰ শুজিবৰ বাবে তেওঁ যাগ-যজ্ঞ, পূজা-অৰ্চনা আৰু উৰ্ছগা আদি কৰিব লাগে। ইয়াৰ যোগেদি ধৰ্মীয় আদৰ্শ আৰু নীতি-নিয়ম বংশানুক্ৰমে পালন কৰিব লাগে। দ্বিতীয়টো ধাৰ হৈছে ঋষি-মুনি আৰু শিক্ষাগুৰুসকলৰ প্ৰতি। এই ধাৰ শুজিবৰ বাবে তেওঁলোকে দি যোৱা জ্ঞান-অভিজ্ঞতাসমূহৰ চিন্তা-চৰ্চা আৰু শৈক্ষক ক্ৰিয়া কৰিব লাগে। ইয়াৰ যোগেদি গুৰুৰ শিক্ষা আৰু বৃত্তি পৰৱৰ্তী বংশধৰসকলৰ বাবে সংৰক্ষিত হ'ব পাৰে। তৃতীয়টো ধাৰ হৈছে পিতৃ-মাতৃ আৰু পূৰ্বপুৰুষসকলৰ প্ৰতি। এই ধাৰ পৰিশোধ কৰিবৰ বাবে ব্যক্তিয়ে বৈবাহিক জীৱন-যাপন কৰি, সন্তান-সন্ততি জন্ম দি লালন-পালন কৰিব লাগে আৰু ভৱিষ্যতৰ বংশ ৰক্ষা কৰিব লাগে। এই তিনিটা ধাৰৰ মূল উদ্দেশ্য আছিল বৈদিক সভ্যতা সংস্কৃতিৰ সংৰক্ষণ আৰু উত্তৰপুৰুষলৈ তাৰ সঞ্চাৰণ কৰা। বৰ্ণ বা সামাজিক জাতি-ভেদ প্ৰথা—ঋকবেদৰ সাহিত্যত পোৱা যায়। এই বৰ্ণ বা জাতি সেই সময়ত পুৰুষৰ কৰ্ম জীৱনৰ ওপৰত ভিত্তি কৰি বিচাৰ কৰা হৈছিল, যাক 'বৰ্ণাশ্ৰম ধৰ্ম' স্বৰূপে গণ্য কৰা হৈছিল। ইয়াক ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ স্বৰূপে চাৰিটা ভাগত বিভক্ত কৰা হৈছিল। এই চাৰিটা ভাগ সমাজৰ অংগ স্বৰূপে বিবেচনা কৰা হৈছিল। সামাজিক জীৱন পৰিচালনা আৰু পূৰ্ণতা লাভৰ বাবে সমাজৰ লোকৰ এনে ক্ৰিয়া বিভাজন কৰাটো প্ৰয়োজন বুলি ভবা হৈছিল। ব্ৰাহ্মণসকলে ব্ৰহ্মজ্ঞান লাভ কৰা আৰু পূজা-অৰ্চনা কৰা, ক্ষত্ৰিয়সকলে ক্ষমতা প্ৰয়োগ কৰি সমাজৰ প্ৰশাসনীয় দায়িত্ব গ্ৰহণ কৰা, বৈশ্যসকলে ব্যৱসায-বাণিজ্য আৰু বৃত্তিমূলক ক্ৰিয়া সম্পাদন কৰা আৰু শূদ্ৰসকলে সমাজৰ আন আন শ্ৰেণী লোকৰ ভৰণ-পোষণৰ দায়িত্ব গ্ৰহণ কৰা আছিল এই চাৰিটা বৰ্ণৰ নিজ নিজ ক্ৰিয়া বিভাজন।

কৰ্ম-জীৱনৰ ধৰ্ম পালন কৰি গঢ়ি উঠা এই চাৰিটা বৰ্ণ বিভাজন পিছলৈ ক্ৰমে ব্যক্তিৰ জন্মৰ ওপৰত ভিত্তি কৰি বিবেচনা কৰিবলৈ লোৱা হয়। উত্তৰ বৈদিক কালত সেয়েহে এই বৰ্ণ বিভাজনে এক বৰ্ণ বৈষম্যৰ ভাব সমাজত গঢ়ি তোলে। ইয়াৰ ফলত ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যসকলৰ বাবে তেওঁলোকৰ প্ৰয়োজন অনুসৰি শিক্ষাৰ পাঠ্যক্ৰমত ভিন ভিন বিষয়ৰ আৰু ক্ৰিয়া অভিজ্ঞতাৰ অন্তৰ্ভুক্ত কৰা হয়। আনহাতে শূদ্ৰসকলক নিম্ন শ্ৰেণীৰ জাতি স্বৰূপে গণ্য কৰা হয় আৰু তেওঁলোকক শিক্ষা গ্ৰহণৰপৰা বঞ্চিত কৰা হয়। কৃষি উৎপাদনৰ কাৰ্যত দৈহিক শ্ৰম কৰাৰ মাজতেই তেওঁলোকক সাধাৰণভাৱে আবদ্ধ কৰি তোলা হয়। এই বৰ্ণ বিভাজনে পিছলৈ ভাৰতীয় সমাজৰ লোকৰ মাজত বৰ্ণ বৈষম্য আৰু বৰ্ণ বিদ্বেষৰ ভাব সৃষ্টি কৰি তোলে।

বেদক কেন্দ্ৰ কৰি গঢ়ি উঠা সমগ্ৰ পৃথিৱীৰ ভিতৰতে পুৰণি বৈদিক সভ্যতাই ইয়াৰ নিজস্ব ৰূপত গঢ় দি তোলা শিক্ষা ব্যৱস্থাৰ নিজস্ব কিছুমান সাংগঠনিক বৈশিষ্ট্য আছে, যি বৰ্তমান শিক্ষাবিদ সকলৰো দৃষ্টি আকৰ্ষণ কৰে। বৈদিক যুগৰ শিক্ষা ব্যৱস্থা যথেষ্ট প্ৰাচীন যদিও বৰ্তমান সময়ৰ পৰিপ্ৰেক্ষিতত ইয়াৰ প্ৰাসংগিকতা নাই বুলি ক'ব নোৱাৰি। সময়ৰ সোঁততে সমাজ ব্যৱস্থা আৰু শিক্ষা ব্যৱস্থা যথেষ্ট পৰিৱৰ্তন হৈছে তৎসত্ত্বেও ভাৰতীয় সমাজে ইয়াৰ মৌলিক গতিধাৰাক সম্পূৰ্ণৰূপে অস্বীকাৰ কৰা নাই। মৌখিক অস্তিত্ব বজাই ৰাখি লগতে প্ৰকৃতাৰ্থত

আধুনিকতাক আকোৱালি প্রগতিৰ বাটত খোজ পেলাবলৈ যাওঁতে শিক্ষা ব্যৱস্থাৰ কৰণীয় দায়িত্ব যথেষ্ট বেছি। এই প্রসংগৰ বিতং আলোচনা এই প্রবন্ধটিৰ উদ্দেশ্য নহয়। গতিকে উদ্দেশ্যৰ লগত সংগতি ৰাখি প্রাচীন ভাৰতবর্ষৰ শিক্ষা ব্যৱস্থাৰ বিভিন্ন সাংগঠনিক দিশ আৰু বর্তমান সময়ত ইয়াৰ প্রাসংগিকতা এই শিতানত এটি থূলমূল আলোচনা দাঙি ধৰিবলৈ চেষ্টা কৰা হ'ব।

শিক্ষা ব্যৱস্থাৰ লক্ষ্যৰ দিশৰ বিবেচনাৰে ক'ব পাৰি যে ব্যক্তিৰ দেহ-মন আৰু আত্মাৰ সর্বাত্মক বিকাশ সাধন কৰাটোৱেই আছিল বৈদিক শিক্ষাৰ মূল উদ্দেশ্য। আধ্যাত্মিকতাৰে সিক্ত বৈদিক শিক্ষাই ব্যক্তিৰ জীৱাত্মাক পৰমাত্মাৰ লগত মিলিত কৰি জীৱনৰ মুক্তি লাভ কৰাটো ইয়াৰ প্রধান লক্ষ্য হিচাপে গণ্য কৰিছিল। শিক্ষাই ইন্দ্রিয়সমূহৰ দমন আৰু নিয়ন্ত্রণ কৰি মানুহৰ 'চিত্তবৃত্তি নিৰোধ' কৰিব পাৰিব লাগে। ইন্দ্রিয়যোগে পোৱা জ্ঞান হৈছে অতি সীমিত আৰু অসম্পূর্ণ। এই জ্ঞান সম্পূর্ণ কৰি তুলিব পাৰে তৃতীয় চক্ষু স্বৰূপ আধ্যাত্মিক জ্ঞানৰ যোগেদি। শিক্ষাই এই আধ্যাত্মিক জ্ঞান প্রদান কৰিব লাগে। কেৱল আত্মিক উৎকর্ষ সাধনেই নহয়, মানুহৰ বাস্তৱ আৰু ব্যৱহাৰিক জীৱনৰ প্রয়োজন পূৰণ কৰাৰ প্রতিও বৈদিক শিক্ষাত গুৰুত্ব দিয়া হৈছিল। সেই অনুক্রমে শিক্ষাক 'পৰা বিদ্যা' বা আত্মিক জ্ঞান আৰু 'অপৰা বিদ্যা' বা পার্থিৱ জ্ঞান স্বৰূপে এই দুটা ভাগত বিভক্ত কৰা হৈছিল। শিক্ষাৰ যোগেদি মানুহে জীৱনৰ বাস্তৱ প্রয়োজন পূৰণ কৰিব পৰাকৈ বৃত্তি ব্যৱসায়ৰ যোগ্যতা লাভ কৰাটো আছিল ইয়াৰ উদ্দেশ্য। সমাজৰ প্রতি সচেতনতা, দায়বদ্ধতা আৰু কর্তব্যবোধ ভাব জগাই তোলাটো আৰু তাৰ বাবে নৈতিক চৰিত্র গঠন কৰাটো আছিল বৈদিক শিক্ষাৰ আন এক লক্ষ্য-উদ্দেশ্য।

গতিকে সামগ্রিকভাৱে যদি আমি বৈদিক শিক্ষা ব্যৱস্থাৰ লক্ষ্য উদ্দেশ্যক বিচাৰ-বিশ্লেষণ কৰি চাওঁ, তেতিয়াহ'লে নিশ্চয়কৈ ক'ব লাগিব যে বৈদিক শিক্ষাৰ লক্ষ্য-উদ্দেশ্য সু-সংগঠিত আৰু সু-সমন্বিত আছিল। ব্যক্তি তথা সামাজিক জীৱনৰ আটাইবোৰ দিশ এই শিক্ষা ব্যৱস্থাই চুই যাব পাৰিছিল। বর্তমান সময়ৰ শিক্ষা ব্যৱস্থাই সময়ৰ তাগিদাত বাস্তৱ আৰু ব্যৱহাৰিক জীৱনৰ প্রয়োজন পূৰণ কৰিবলৈ যাওঁতে শিক্ষাৰ নৈতিক আৰু আধ্যাত্মিক দিশটো অৱহেলিত কৰা যেন অনুমান হয়। ফলস্বৰূপে ব্যক্তিগত তথা সামাজিক জীৱনত নানান সমস্যাৰ মুখামুখি হৈছে আজিৰ মানৱ তথা সমাজ ব্যৱস্থা। আনহাতে ব্যৱহাৰিক তথা বাস্তৱিক আৰু বৈষয়িক জীৱনৰ প্রয়োজনসমূহো আমাৰ শিক্ষা ব্যৱস্থাই সম্পূর্ণ ৰূপে পূৰণ কৰিব পাৰিছে যেন অনুমান নহয়। তেনেস্থলত বিকল্প ক'ত? সময়ৰ পৰিৱর্তন হৈছে, সমাজ ব্যৱস্থাৰো পৰিৱর্তন হৈছে। পৰিৱর্তিত সময়ৰ লগত খাপ খুৱাই সু-সংহত ৰূপত শিক্ষাৰ লক্ষ্য উদ্দেশ্য নির্ধাৰণৰ ক্ষেত্রত বৈদিক যুগৰ শিক্ষা ব্যৱস্থা নিশ্চয়কৈ আমাৰ পাথেয় হ'ব পাৰে। ব্যক্তি তথা সামাজিক জীৱনৰ সামগ্রিক প্রয়োজন সমূহ বিচাৰ-বিশ্লেষণ কৰি কেনেদৰে সময়-সাপেক্ষ শিক্ষাৰ লক্ষ্য-উদ্দেশ্য নির্ধাৰণ কৰিব পাৰি, এই ক্ষেত্রত বৈদিক যুগৰ শিক্ষা-ব্যৱস্থা আমাৰ বাবে আদর্শ স্বৰূপ হ'ব পাৰে। বৈদিক শিক্ষাৰ পাঠ্যক্রমত উপযোগিতা, প্রায়োগিকতা আৰু গতিশীলতাৰ নীতি গ্রহণ কৰা হৈছিল। সেই সময়ৰ আধ্যাত্মিক জীৱনৰ প্রয়োজন পূৰণৰ বাবে বেদৰ অধ্যয়ন বাধ্যতামূলক আছিল। বেদৰ জ্ঞানেই সকলোবোৰ জ্ঞান-অভিজ্ঞতাৰ মূল উৎসস্বৰূপ আছিল। তথাপি সময়ৰ অগ্রগতিৰ লগে লগে উত্তৰ বৈদিক শিক্ষাৰ কালছোৱাত পাঠ্যক্রমত ক্রমে নতুন নতুন বিষয়ৰ সমাৱেশ হ'বলৈ ধৰে। বেদৰ অধ্যয়ন অধিক বিজ্ঞানসম্মত কৰি তুলিবৰ বাবে শিক্ষা, কল্প, ব্যাকৰণ, নিৰুক্ত, ছন্দ আৰু জ্যোতিষ এই ষষ্ঠ বেদাংগ পাঠ্যক্রমত অন্তর্ভুক্ত কৰা হয়। যুক্তি-তর্কৰ যোগেদি জ্ঞানৰ সত্য-অসত্য বিচাৰ কৰিবৰ বাবে তর্কবিদ্যা অন্তর্ভুক্ত কৰা হয়। বৌদ্ধিক প্রয়োজন পূৰণৰ বাবে গণিত, দর্শন, ইতিহাস, অর্থশাস্ত্র, ৰাজনীতি, জ্যোতিষ শাস্ত্র আদি অন্তর্ভুক্ত কৰা হয়। কর্ম আৰু বৌদ্ধিক যোগ্যতাৰ ভিত্তিত মানুহৰ বর্ণ বা শ্রেণী বিবেচনা কৰি উঠাৰ লগে লগে পাঠ্যক্রমত কেতবোৰ বৃত্তিমূলক আৰু কার্যকৰী বিষয়ৰ সমাৱেশ কৰা হয়। ইয়াৰ ভিতৰত সুকুমাৰ কলা, ভাস্কর্য, চিকিৎসা বিদ্যা, সর্প বিদ্যা, ভূত বিদ্যা, ব্রহ্ম বিদ্যা, শৈল্য বিদ্যা, ন্যায় শাস্ত্র, যুদ্ধ বিদ্যা, ধনু বিদ্যা, বাণিজ্য, কৃষি, পশুপালন আদি উপযোগিতামূলক বিষয় উল্লেখযোগ্য। এনেবোৰ বিবিধ বিষয়ৰ অন্তর্ভুক্তিয়ে বৈদিক শিক্ষাৰ পাঠ্যক্রমৰ ব্যাপকতা, নমনীয়তা আৰু গতিশীলতাৰ পৰিচয় দিয়ে।

বর্তমান প্রচলিত শিক্ষা ব্যৱস্থাৰ পাঠ্যক্রম যথেষ্ট সমালোচনাৰ মুখামুখি হৈছে। প্রচলিত পাঠ্যক্রম বাস্তৱবিমুখ, তত্ত্বগধুৰ, ব্যৱহাৰিক প্রয়োজন পূৰণ কৰিব পৰা-নোৱৰা বিধৰ, পৰীক্ষাকেন্দ্রিক, অনমনীয়, ইত্যাদি ইত্যাদি বিভিন্ন দোষ-ত্রুটিৰে পৰিপূর্ণ বুলি সময়ে সময়ে অভিযোগ উত্থাপিত হৈ আহিছে। স্বাধীনতাৰ পিছৰেপৰা বিশ্ববিদ্যালয় শিক্ষা আয়োগ ১৯৪৮ চন, মাধ্যমিক শিক্ষা আয়োগ ১৯৫২-৫৩ চন, কোঠাৰী আয়োগ ১৯৬৪-৬৬ চন, নতুন জাতীয় শিক্ষা আঁচনি ১৯৮৬ চন, ইত্যাদি বিভিন্ন আয়োগে সময়ে সময়ে শিক্ষাৰ বিভিন্ন পর্যায়ত পাঠ্যক্রম ব্যৱস্থাৰ সংশোধনীৰ ওপৰত বিভিন্ন ধৰণৰ প্রস্তাৱ গ্রহণ কৰি আহিছে। তৎসত্ত্বেও আমাৰ পাঠ্যক্রম, সময়োপযোগী হৈ উঠিব পৰা নাই। ছাত্র-ছাত্রী তথা সমাজৰ চাহিদা পূৰণ কৰিব পৰা নাই। গতিকে আমাৰ দেশৰ শিক্ষাবিদ সকলে এই সমস্যাটোৰ সমাধানৰ সূত্র বিচাৰি বৈদিক শিক্ষাৰ পাঠ্যক্রম ব্যৱস্থাক বিচাৰ-বিশ্লেষণৰ কৰি চোৱাৰ যথেষ্ট যুক্তিযুক্ততা আছে যেন অনুমান হয়। উপযোগিতা, প্রায়োগিকতা আৰু গতিশীলতাৰ নীতি সমগ্র যুগৰ বাবেই অনুকৰণীয় আৰু আদৰণীয়। অৱশ্যে কেৱল পাঠ্যক্রম প্রস্তুতকৰণতেই সচেষ্ট হ'লে নহ'ব, এইসমূহ কার্যকৰীকৰণৰ ক্ষেত্রতো বৈদিক শিক্ষা আমাৰ কাৰণে অনুকৰণীয় হোৱাটো যুগুত।

সেই সময়ৰ সময়োপযোগীকৈ বৈদিক শিক্ষাদানৰ পদ্ধতি গঢ় দি তোলা হৈছিল, যাতে ইয়াক পৰৱর্তীকালত বহুদিনলৈকে সংৰক্ষণ আৰু অনুশীলন কৰিব পৰা যায়। শ্রৱণ, মনন আৰু পুনৰাবৃত্তিকৰণ আছিল শিক্ষা আহৰণৰ উপায়। গুৰুৱে বেদৰ মন্ত্র স্পষ্ট আৰু সঠিকভাৱে উচ্চাৰণ কৰে আৰু শিষ্যই তাক শুদ্ধ আৰু যথার্থভাৱে অনুকৰণ কৰে। শব্দ উচ্চাৰণৰ শুদ্ধতাত বা স্বৰ বিজ্ঞানত বিশেষ গুৰুত্ব দিয়া হৈছিল এই বাবেই যে ইয়াক মৌখিকভাৱেই পৰৱর্তী কাললৈ সংৰক্ষণ কৰিব লগা হৈছিল। মৌখিকভাৱে আয়ত্ত কৰাৰ উপৰিও মন্ত্রসমূহৰ জ্ঞান

ছাত্রসকলে অনুভৱ কৰি বুজি উঠিবৰ বাবে তপস্যা, আত্ম অধ্যয়ন আৰু আত্ম উপলব্ধিৰ ব্যৱস্থা কৰা হৈছিল। ইয়াৰ বাবে গুৰুৱে প্রতিজন ছাত্রৰে ব্যক্তিগত যত্ন ল'ব পৰাকৈ ছাত্র সংখ্যা বিশেষ সীমিত কৰা হৈছিল। একোজন শিক্ষকে ৯-১০ জন ছাত্রকহে শিক্ষাদানৰ বাবে গ্রহণ কৰিছিল। আর্জিত জ্ঞানৰ পৰিপক্কতা ছাত্রই লাভ কৰি কার্যক্ষেত্রত তাক প্রয়োগ কৰি উঠিবৰ বাবে প্রশ্ন-উত্তৰ, তর্ক, আলোচনা চক্র আদিত ছাত্রই ভাগ লোৱা আৰু বিদ্বান লোকসকলৰ বক্তৃতা মঞ্চ আদিৰো আয়োজন কৰা হৈছিল।

আধুনিক শিক্ষা ব্যৱস্থাত 'শিক্ষাদান পদ্ধতি' এটি বিতর্কৰ বিষয়। মৌখিক বা বক্তৃতাদান পদ্ধতিক আওপুৰণি বুলি সমালোচনা কৰা হয়। বিকল্প হিচাপে, নতুন নতুন শিক্ষাপদ্ধতি কিছুমানৰ আশ্রয় লোৱা হৈছে। উদাহৰণস্বৰূপে প্রকল্প পদ্ধতি, আত্মক্রিয়াৰ যোগেদি শিক্ষা, আঁচনিকৃত শিক্ষাদান পদ্ধতি ইত্যাদি উল্লেখযোগ্য। তদুপৰি আধুনিক প্রযুক্তিবিদ্যাৰ প্রভাৱে শিক্ষাদান পদ্ধতিকো চুই গৈছে। শিক্ষাদান ব্যৱস্থাত শিক্ষণ সঁজুলি হিচাপে প্রযুক্তি বিদ্যাৰ নতুন নতুন সামগ্রীসমূহৰ ব্যৱহাৰ বহুলভাৱে হ'ব ধৰিছে। কিন্তু, তৎসত্ত্বেও আমাৰ শিক্ষাদান পদ্ধতি সামগ্রিকভাৱে এক পক্ষীয়, অনাকর্ষণীয় ইত্যাদি সমালোচনাৰ উর্ধ্বত উঠিব পৰা নাই। বিভিন্ন নতুন নতুন পদ্ধতি আৰু সঁজুলিৰ প্রয়োগে শিক্ষাদান ব্যৱস্থাত নতুনত্ব অনাৰ প্রচেষ্টা নিশ্চয়কৈ আদৰণীয়, কিন্তু যেতিয়ালৈ উপযুক্ত শিক্ষকৰ দ্বাৰা ছাত্র-ছাত্রীৰ যোগ্যতা আৰু বিষয়বস্তুৰ প্রয়োজনীয়তা ইত্যাদি সামগ্রীক বিবেচনাৰ ভিত্তিত শিক্ষাদান পদ্ধতিক ব্যৱহাৰ কৰা নহয় তেতিয়ালৈকে শিক্ষাদান আৰু শিক্ষাগ্রহণ প্রক্রিয়াটো কেতিয়াও ফলপ্রসূ হৈ উঠিব নোৱাৰে। শিক্ষা লাভৰ জৰিয়তে প্রাপ্ত জ্ঞান, ব্যক্তিয়ে বাস্তৱিক আৰু ব্যৱহাৰিক জীৱনত প্রয়োগ কৰিব পৰাটোতেই নির্ভৰ কৰে শিক্ষাদানৰ সার্থকতা। আজিৰ শিক্ষাগুৰুসকলৰ বাবে এইক্ষেত্রত বৈদিক যুগৰ শিক্ষাগুৰুসকলৰ শিক্ষাদান পদ্ধতি অনুকৰণীয় হোৱাটো উচিত। কেৱল মৌখিকভাৱে জ্ঞানদানতেই তেওঁলোকৰ দায়িত্ব সামৰি নথৈ ছাত্র-ছাত্রীসকলে সেই জ্ঞান উপলব্ধিৰ জৰিয়তে ব্যৱহাৰিক জীৱনত প্রয়োগ কৰিব পৰাকৈ উপযুক্ত কৰি তোলা হৈছিল। তাৰবাবে প্রয়োজন হোৱা পদ্ধতি বা উপায় গুৰুসকলে নিজে উদ্ভাৱন কৰি লৈছিল।

পুৰণি বৈদিক শিক্ষাৰ এক আকর্ষণীয় দিশ হৈছে ছাত্র-শিক্ষকৰ মধুৰ সম্বন্ধ। গুৰুৰ ঘৰত থকা-খোৱা কৰি আৰু সকলো ঘৰুৱা কাম-কাজত সহায় কৰি পৰিয়ালৰ এজন সদস্য স্বৰূপে বিদ্যার্থীসকলে বাস কৰিছিল। গুৰু-শিষ্যৰ সম্বন্ধ পিতা-পুত্রৰ সম্বন্ধৰ দৰে নিবিড় আছিল। গুৰু-শিষ্যৰ সম্বন্ধই ছাত্রৰ মনত শ্রদ্ধা, ভক্তি, আন্তৰিকতা, বিনম্রতা, সৰলতা আদি গুণসমূহ বিকশাই তুলিছিল। গুৰুৰ আদেশ-নির্দেশ পালন কৰা, আনুগত্য প্রকাশ কৰা আদি ছাত্রসকলৰ শিক্ষাৰ অংশ বিশেষ আছিল। তেওঁলোকৰ মাজত অনুশাসনহীনতা সেই সময়ত ভাবিব নোৱৰা কথা। আনহাতে, গুৰুৰ ঘৰত শিক্ষাগ্রহণ কৰা কালত ছাত্রসকল সকলো কথাৰ প্রতি দৃষ্টি ৰখাটো গুৰুৰ নৈতিক কর্তব্য আছিল। এনে কর্তব্য পালন আজিৰ দৰে টকা-পইচা লেনদেনৰ ওপৰত সমূলি নির্ভৰশীল নাছিল।

বর্তমান সময়ৰ শিক্ষা ব্যৱস্থাত ছাত্র-শিক্ষকৰ সম্পর্কৰ ক্ষেত্রত কিছু শিথিলতা আহি পৰা দেখা যায়। সামাজিক বা চৰকাৰীভাৱে প্রতিষ্ঠিত ৰাজহুৱা শিক্ষানুষ্ঠানসমূহত গুৰুকুলৰ ছাত্র-শিক্ষকৰ পিতা-পুত্রৰ সম্বন্ধ বিচাৰি পোৱা নাযায়। গুৰুকুলৰ গুৰুসকলৰ উন্নত নৈতিক আৰু আধ্যাত্মিক চৰিত্র আৰু শিষ্যসকলৰ উন্নত মূল্যবোধৰ সংমিশ্রণত গঢ়ি উঠা মধুৰ গুৰু-শিষ্যৰ সম্পর্ক আজি আমাৰ বাবে আদর্শস্বৰূপ।

বৈদিক শিক্ষাৰ অনুশাসন ব্যৱস্থা বর্তমান কালৰ বাবে বিশেষ অনুপ্রেৰণাদায়ক। গুৰুৰ ঘৰত আত্ম অনুশাসন নীতিৰ যোগেদি ছাত্রসকল নিয়ন্ত্রিত আৰু পৰিচালিত হ'ব লগা হৈছিল। বিশ্বাস কৰা হৈছিল যে ছাত্র জীৱনত কঠোৰ আত্মনিয়ন্ত্রণৰ মাজেদি সজ গুণসমূহ অনুশীলন কৰি আয়ত্ত কৰিব পাৰিলে তেওঁলোকৰ ভৱিষ্যত জীৱন সুখৰ হৈ উঠিব পাৰে। বাহ্যিকভাবে কৰা ইন্দ্রিয় নিয়ন্ত্রণেহে আভ্যন্তৰীণভাৱে আত্ম অনুশাসনৰ ভাব গঢ়ি তুলিব পাৰে, এই নীতি-কার্যকৰী কৰি তোলা হৈছিল। অৱশ্যে ছাত্রৰ অনুশাসন ব্যৱস্থাৰপৰা শাস্তি প্রদানৰ প্রথা সমূলি বিলুপ্ত কৰা হোৱা নাছিল। শিক্ষকৰ শাস্তি প্রদানৰ অধিকাৰ মানি লোৱা হৈছিল। ছাত্রৰ অনুশাসন ব্যৱস্থাৰ বাবে শিক্ষকে শাস্তি দিয়াটো উচিত বিবেচনা কৰা হৈছিল। কিন্তু কঠোৰ শাস্তি প্রদানৰ বিৰোধিতা কৰা হৈছিল।*

বর্তমানৰ ছাত্র-ছাত্রীসকলৰ মাজত গঢ় লৈ উঠা অনুশাসনহীনতাই বহু সময়ত অভিভাৱক আৰু শিক্ষক-সমাজক চিন্তাগ্রস্ত কৰি তোলা দেখা যায়। নৈতিক চৰিত্র আৰু মনোবলৰ দুর্বলতা অনুশাসনহীনতাৰ এটা প্রধান কাৰণ বুলি যদি ধৰা হয়, তেনে ক্ষেত্রত শিক্ষকসকলৰ ব্যক্তিত্বৰ সান্নিধ্যই এই সমস্যাটিৰ সমাধানত কিছু সহায়ক হৈ উঠিব পাৰে। এইক্ষেত্রত বৈদিক যুগৰ শিক্ষা ব্যৱস্থা আমাৰ বাবে অনুকৰণীয়।

পুৰুষৰ সমানে মহিলাসকলেও অবাধে আৰু সমমর্যাদাৰে বৈদিক শিক্ষাৰ সুবিধা পোৱা হেতুকে বহুতো শিক্ষিত মহিলাৰ নাম পাব পাৰি। সহ-শিক্ষাৰ ব্যৱস্থা থকা হেতুকে ল'ৰাৰ দৰে উপনয়ন অনুষ্ঠান সম্পাদন কৰি ছোৱালীয়ে ব্রহ্মচর্য পালন কৰিব পাৰিছিল আৰু গুৰুৰ ওচৰত শিক্ষা লাভ কৰিছিল। এইসকল শিক্ষিতা মহিলাক ব্রহ্মবাদিনী বা ঋষিকা বোলা হৈছিল। তেওঁলোকে বেদৰ মন্ত্রও ৰচনা কৰিব পাৰিছিল। সমাজত শিক্ষিতা মহিলাৰ উচ্চস্থান আৰু মান দিয়া হৈছিল। উচ্চশিক্ষাৰ বাবে কোনো মহিলাই আন ঠাইলৈও গৈছিল।

বৈদিক যুগৰ মহিলা শিক্ষাৰ এনে ব্যৱস্থাই আমাৰ বর্তমানৰ শিক্ষা ব্যৱস্থাকো উৎসাহিত কৰে। নিঃসন্দেহে শিক্ষাৰ ক্ষেত্রত আমাৰ মহিলাসকল বর্তমানে পুৰুষতকৈ কোনো গুণে পিছ পৰি থকা নাই। কিন্তু চিন্তাৰ বিষয়টো হৈছে যে আমাৰ নাৰীসকল বিভিন্ন ক্ষেত্রত আগবাঢ়ি যোৱাটো সত্য, কিন্তু লগতে এইটোও বিচার্য বিষয় যে তেওঁলোকৰ সামাজিক স্বীকৃতি, সামাজিক নিৰাপত্তা কিমানখিনি? বিভিন্ন সময়ত সংগঠিত হৈ থকা বিভিন্ন অশোভনীয় ঘটনাসমূহে আমাৰ মূল্যবোধ ব্যৱস্থাক প্রশ্ন কৰে— আমাৰ সমাজ ব্যৱস্থাত নাৰীৰ প্রকৃত স্থান এয়াই নেকি? বৈদিক যুগত 'দেৱী' বুলি গণ্য কৰা নাৰীসকলৰ আধুনিক সমাজত এয়াই প্রাপ্য নেকি?

শিক্ষাৰ দায়িত্ব গ্রহণ আৰু পৰিচালনা কৰাৰ বাবে থকা সাংগঠনিক

ব্যৱস্থাও আজিৰ দৰে নাছিল। ৰজা, চৰকাৰ বা ৰাজকীয় শাসনৰ দ্বাৰা বৈদিক শিক্ষা নিয়ন্ত্রিত আৰু পৰিচালিত হোৱা নাছিল। ৰজাই শিক্ষা আৰু শিক্ষানুষ্ঠানৰ পৃষ্ঠপোষকতা কৰিছিল যদিও তেওঁৰ অধীনত শিক্ষা ব্যৱস্থা নিয়ন্ত্রিত হোৱা নাছিল। আজিৰ দৰে শিক্ষাৰ তেনে কোনো সামাজিক অনুষ্ঠানো নাছিল। গুৰুৰ পৰিয়ালৰ মাজত তেওঁৰ প্রত্যক্ষ নিয়ন্ত্রণৰ যোগেদি শিক্ষা পৰিচালিত হোৱা হেতুকে ইয়াক গুৰুকুল ব্যৱস্থা বুলি জনা যায়। শিক্ষাৰ নীতি নির্ধাৰণ, পাঠ্যক্রমৰ কার্যকৰীকৰণ, অনুশাসন ৰক্ষা, ছাত্রৰ কৃতকার্যতা নির্ধাৰণ আদিকে ধৰি শিক্ষাৰ সকলো দিশ গুৰুৱে পৰিচালনা কৰিছিল।

বর্তমান সময়ত পৰিৱেশ পৰিস্থিতিৰ সলনি হৈছে। সময়ৰ চাহিদাত চৰকাৰী শিক্ষানুষ্ঠান গঢ় লৈ উঠিছে। উঠি অহা ছাত্র-ছাত্রীসকলৰ প্রয়োজন পূৰণ কৰিবলৈ যাওঁতে নতুন নতুন পাঠ্যক্রমৰ কার্যকৰীকৰণৰ ব্যৱস্থা গ্রহণ কৰা হৈছে। চৰকাৰী খণ্ডৰ লগে লগে বেচৰকাৰী খণ্ডতো নানান শিক্ষানুষ্ঠান গঢ় লৈ উঠিব ধৰিছে। শিক্ষাৰ সাংগঠনিক দিশটোত আমূল পৰিৱর্তন সাধন হৈ গৈছে আৰু এই পৰিৱর্তনৰ ফলস্বৰূপে আজিৰ শিক্ষা ব্যৱস্থাত গুৰুৰ দায়-দায়িত্ব বহন কৰিছে বেতনভোগী শিক্ষকসকলে। প্রাচীন ভাৰতবর্ষৰ শিক্ষা ব্যৱস্থাত থকা গুৰুৰ দায়-দায়িত্ব আৰু স্বাধীনতাৰ স্বৰূপ বর্তমানৰ শিক্ষা ব্যৱস্থাত দেখিবলৈ পোৱা নাযায়। এয়া এক বিতর্কৰ বিষয়। কিন্তু এটা বিষয় স্পষ্ট যে স্বাধীন-আন্তৰিকতাপূর্ণ পৰিৱেশ আৰু দায়িত্বশীল মনোভাবৰ সীমাবদ্ধতা শিক্ষা ব্যৱস্থা বিকাশৰ পৰিপন্থী। সমগ্র মানৱতাৰ উৎকর্ষ সাধনৰ বাবে প্রস্তুত কৰি তোলা বৈদিক শিক্ষাৰ অর্থ আৰু ধাৰণা স্বাভাৱিকতেই ব্যাপক পৰিসৰৰ আছিল। 'অসতো মা সতগময়, তমসো মা জ্যোতির্গময়'— বিদ্যা বা জ্ঞান হৈছে এক জ্যোতি বা পোহৰস্বৰূপ যি মানুহৰ মনৰ সকলো সংকীর্ণতা, অসততা, পাশৱিকতা আৰু অজ্ঞান আন্ধাৰ গুচাই ভগৱানৰ দিব্যজ্যোতিৰে আলোকিত কৰি তুলিব পাৰে। জীৱৰ জৈৱিক পর্যায়ৰ সীমাবদ্ধতাৰপৰা মানুহক আধ্যাত্মিক পর্যায়লৈ উন্নীত কৰি তুলিব পৰা এই ক্ষমতাই হৈছে শিক্ষা। 'নহি জ্ঞানেন সদৃশ, পৱিত্রামহ বিদ্যতে'— অর্থাৎ মানুহৰ জীৱন পৱিত্র কৰি তুলিব পৰা বিষয় শিক্ষাৰ বাহিৰে আন একো নাই। পুৰণি ভাৰতৰ শিক্ষাৰ এই মুক্তিবাদৰ ধাৰণা সমগ্র মানৱতাৰ বাবেই গ্রহণযোগ্য। অৱশ্যে শিক্ষাৰ এই মুক্তিবাদৰ বহল আধ্যাত্মিক ধাৰণাৰ লগতে ইয়াৰ সীমিত আৰু পার্থিৱ ধাৰণাৰ প্রতিও দৃষ্টি নিক্ষেপ কৰা হৈছিল যাক বর্তমান শিক্ষাৰ সংকীর্ণ অর্থ বা প্রায়োগিক ধাৰণা স্বৰূপে বর্ণনা কৰিব পাৰি।

বৈদিক যুগৰ শিক্ষা ব্যৱস্থা সমগ্র কালৰ, সমগ্র যুগৰ শিক্ষা ব্যৱস্থা। পৰিৱর্তনশীলতা যুগৰ ধর্ম। সময়ৰ পৰিৱর্তনে শিক্ষা ব্যৱস্থাতো পৰিৱর্তন আনি দিছে। নতুনত্বই ঠাই পাইছে। তৎসত্ত্বেও বৈদিক যুগৰ শিক্ষা ব্যৱস্থাৰ আদর্শ আমাৰ বাবে পাথেয় হৈ ৰ'ব চিৰকাল। ■

* R. K. Mukharjee-Ancient Indian Education. Page 248

*প্রসংগ গ্রন্থসমূহ :*


১. সিদ্ধেশ্বৰ শইকীয়া : আধুনিক ভাৰতৰ শিক্ষা। পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি, গুৱাহাটী বিশ্ববিদ্যালয়।

২. ৰেণু দেৰী : অসমৰ শিক্ষাৰ ইতিহাস। ষ্টুডেণ্টচ ষ্ট'ৰছ, গুৱাহাটী।

৩. তৰুণ কুমাৰ শর্মা : আধুনিক ভাৰতৰ শিক্ষাৰ ইতিহাস আৰু সমস্যা। বনলতা, গুৱাহাটী।

৪. অজন্তা দত্ত বৰদলৈ : ভাৰতৰ শিক্ষা বুৰঞ্জী। লয়ার্ছ বুক ষ্টল গুৱাহাটী।

৫. যতীন বৰুৱা : ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন। লয়ার্ছ বুক ষ্টল, পাণবজাৰ, গুৱাহাটী।

৬. P. K. Mukharjee, Ancient Indian Education (Brahmanical and Buddhist). Motilal Banarsi Dass, Delhi.

৭. P.L. Rawat History of Indian Education. Ram Prashad And Sons, Agra.

# নাৰী শিক্ষা আৰু ইয়াৰ প্ৰয়োজনীয়তা

ড° মঞ্জুমালা দাস

নাৰী আৰু পুৰুষক লৈয়েই সমাজ এখন গঠিত হয়। সমাজখনৰ সৰ্বাংগীণ উন্নতিৰ অৰ্থে নাৰী-পুৰুষ উভয়েই এক উন্নত জীৱনৰ অধিকাৰী হ'ব লাগিব, যদি সমাজৰ আধা অংশই সামাজিক, শৈক্ষিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশত অনগ্ৰসৰ হৈ পৰমুখাপেক্ষী হৈ থাকে তেন্তে সমাজৰ তথা দেশৰ উন্নতি আশা কৰিব নোৱাৰি। সমাজত নাৰীৰ স্থিতিয়েই সমাজখনৰ মান নিৰ্ণয় কৰে। বহু শতিকাৰ শোষণ-শাসন, দমন আৰু অপমানৰ বঞ্চিত জীৱনৰপৰা মুক্তি বিচাৰি আজিৰ নাৰীয়ে আপোন সত্তাৰ স্থিতিক প্ৰতিষ্ঠা কৰিবলৈ আগুৱাই আহিছে। যুগে যুগে ধৰ্ম, সংস্কাৰ, শাস্ত্ৰ আৰু পৰম্পৰাৰ দোহাই দি পুৰুষতান্ত্ৰিক সমাজত নাৰীক এক নিকৃষ্ট জীৱৰূপেই সমাজে গণ্য কৰি আহিছে। পৰম্পৰাত বিশ্বাসী ভাৰতীয় ৰক্ষণশীল সমাজে আজিও নাৰীৰ স্থান ঘৰৰ চাৰিবেৰৰ মাজতেই থকাটো বিচাৰে। আদিম যুগত অৰণ্যবাসী মানুহৰ মাজত নাৰী-পুৰুষৰ মাজত কোনো বিভেদ নাছিল। কোনোজনেই শ্ৰেষ্ঠ বা নিকৃষ্ট নাছিল। কিন্তু মানুহ যেতিয়াৰপৰা কৃষিজীৱী হ'ল তেতিয়াৰপৰাই পৰিয়ালকেন্দ্ৰিক জীৱন আৰম্ভ হ'ল আৰু পুৰুষ হৈ পৰিল পৰিয়ালৰ সৰ্বময় কৰ্তা। নাৰীৰ কাম হ'ল সন্তান জন্ম দিয়াৰ আৰু পৰিয়ালৰ সকলোকে খুৱাই-বুৱাই, সেৱা-শুশ্ৰূষা কৰি জীৱন নিৰ্বাহ কৰা। যুগে যুগে সামাজিক, ৰাজনৈতিক উত্থান-পতনে নাৰী জীৱনহে গভীৰভাৱে আলোড়িত কৰিছে, পুৰুষসকলৰ জীৱন-ধাৰাত কোনো প্ৰভাৱ পৰা দেখা নাযায়। পৰ্দাপ্ৰথা, সতীদাহ প্ৰথা, বাল্য-বিবাহ আদি নানানটা কু-প্ৰথাৰে নাৰী জীৱন দুৰ্বিষহ কৰি তোলাত পুৰুষসকলেই আগভাগ লৈছিল। বাহিৰৰ পৃথিৱীৰ পোহৰ নেদেখা, অসহায়, অশিক্ষিত নাৰীয়ে ভাগ্যকে ধিয়াই সকলো অন্যায়-অত্যাচাৰ নিৰৱে সহি যোৱাৰ বাহিৰে অন্য একো উপায় বিচাৰি নাপালে। পুৰুষশাসিত সমাজত পুৰুষৰদ্বাৰা নিৰ্ধাৰিত নিয়ম-শৃংখলা, ৰীতি-নীতিয়ে নাৰীৰ নাৰীসত্তক সম্পূৰ্ণৰূপে পদদলিত কৰি নাৰীক পুৰুষৰ ব্যক্তিগত সম্পত্তিলৈ ৰূপান্তৰিত কৰিলে। কিন্তু বহু শতিকা জুৰি সমাজত চলি থকা নাৰী-পুৰুষৰ মাজৰ অন্যায় বৈষম্যমূলক আচৰণৰ বিৰুদ্ধে এদিন নাৰী শক্তি একত্ৰিত হৈ সৰবে প্ৰতিবাদ সাব্যস্ত কৰিলে। নিজৰ অধিকাৰ বিচাৰি পৃথিৱী কঁপাই আৰম্ভ হ'ল নাৰীমুক্তিৰ আন্দোলন। বহুজনৰ বহু শ্ৰম, ত্যাগ আৰু নেৰানেপেৰা প্ৰচেষ্টাৰ ফলশ্ৰুতিতেই আজিৰ নাৰীয়ে পুৰুষৰ সমানে সামাজিক, শৈক্ষিক, ৰাজনৈতিক ক্ষেত্ৰত আগুৱাই যাবলৈ সংবিধান প্ৰদত্ত অধিকাৰ লাভ কৰিছে।

কিন্তু আইনমতে লাভ কৰা নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ প্ৰথমে সেই অধিকাৰসমূহৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব লাগিব আৰু এই জ্ঞান লাভ কৰিব পাৰিব একমাত্ৰ শিক্ষাৰ জৰিয়তে। শিক্ষাই মানুহৰ অজ্ঞানতা দূৰ কৰি জ্ঞানৰ পোহৰেৰে মন বিকশিত কৰি তোলে। নাৰী সম্পৰ্কে সমাজত প্ৰচলিত অন্ধবিশ্বাস, কুসংস্কাৰ, শাস্ত্ৰৰ বিধান, সামাজিক ৰীতি-নীতিবোৰৰ যুক্তিযুক্ততা কিমান তাক বিচাৰ-বিশ্লেষণ কৰি সেইবোৰৰ সাৰ-শূন্যতা উপলব্ধি কৰি শতাব্দী জোৱা পৰম্পৰাৰ শিকলিডাল ছিঙি এক সুস্থ-সবল মানসিকতাক গঢ় দিবলৈ প্ৰয়োজন শিক্ষাৰ। আজিৰপৰা পঞ্চাছ-ষাঠি বছৰৰ আগৰ নাৰীসকলতকৈ আজিৰ নাৰীৰ সামাজিক স্থিতি উল্লেখনীয়ভাৱেই সবল। অসমত ঊনবিংশ শতিকাৰ শেষলৈকে শিক্ষাৰ কথাতো অকল্পনীয়। অসম ইংৰাজৰ শাসনাধীন হোৱাৰ পিছত খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ জোৰ লৈ অসমত প্ৰৱেশ কৰা খ্ৰীষ্টান মিছনেৰীসকলে ঠায়ে ঠায়ে পঢ়াশালি পাতি অসমীয়া মানুহক শিক্ষা দিয়াৰ কাম হাতত লৈছিল। ছোৱালীবোৰকো শিক্ষা দিয়াৰ চেষ্টা কৰিছিল। কিন্তু, ৰক্ষণশীল অসমীয়া সমাজৰ গোড়ামি, অন্ধসংস্কাৰ আৰু ধৰ্মান্ধতা সেই প্ৰচেষ্টাত হেঙাৰস্বৰূপ হ'ল। ১৮৩৯ চনত মিছনেৰীসকলৰ প্ৰচেষ্টাত শদিয়াত প্ৰথমখন ছোৱালীৰ প্ৰাথমিক বিদ্যালয় স্থাপন হয়। ১৮৭০ চনৰপৰা ১৯২৯ চনলৈ অসমত কেইখনমানহে ছোৱালীৰ বাবে প্ৰাথমিক আৰু মজলীয়া স্কুল স্থাপন হয়। ১৯১৩ চনত ডিব্ৰুগড়ত ছোৱালীৰ মডেল স্কুল এখন স্থাপন হয়। সেইখনেই তেৰ বছৰমানৰ পিছত হাইস্কুললৈ উন্নীত হয়। অসমৰ প্ৰথম ছোৱালী হাইস্কুল সেইখনেই। দ্বিতীয়খন ১৯২৬ চনত স্থাপিত গুৱাহাটীৰ পাণবজাৰ ছোৱালী হাইস্কুল।

ঊনবিংশ শতিকাৰ শেষাৰ্ধত বংগদেশত যি নৱজাগৰণৰ জোৱাৰ উঠিছিল তাৰ ঢোৰে অসমকো কোবাইছিল। আনন্দৰাম ঢেকিয়াল ফুকনেই প্ৰকৃতাৰ্থত অসমৰ স্ত্ৰী-শিক্ষাৰ বাটকটীয়া। তেওঁ নিজৰ পত্নী আৰু কন্যাকো শিক্ষা দিছিল। বংগদেশৰ নৱজাগৰণৰ প্ৰভাৱে অসমত স্ত্ৰী-শিক্ষাৰ যি পথ মুকলি কৰিছিল সি প্ৰশস্ত হৈ পৰে মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা স্বাধীনতা আন্দোলনৰ সময়ত। এখন সুস্থ-সবল আৰু উন্নত সমাজ গঢ়িবলৈ স্ত্ৰী-শিক্ষাৰ প্ৰয়োজনীয়তা কিমান সেই কথা মৰ্মে-মৰ্মে উপলব্ধি কৰিয়েই গান্ধীজীয়ে কৈছিল— 'এজন পুৰুষক শিক্ষিত কৰিলে ব্যক্তিগতভাৱে এজন ব্যক্তি শিক্ষিত হয়, এগৰাকী নাৰীক শিক্ষিত কৰিলে এটা পৰিয়াল শিক্ষিত হয়।' যুগপুৰুষগৰাকীয়ে গভীৰ অন্তৰ্দৃষ্টিৰে প্ৰত্যক্ষ কৰিছিল সমাজ এখনৰ ক্ষুদ্ৰ গোট পৰিয়াল একোটাৰপৰাই ভৱিষ্যতৰ সুস্থ-সুন্দৰ আৰু উন্নত সমাজ গঢ়োতাসকল ওলায়। সন্তানক সকলো প্ৰকাৰে দায়িত্ব এগৰাকী মাতৃৰ। মাতৃগৰাকী প্ৰকৃতাৰ্থত শিক্ষিতা হ'লেহে

আত্মবিশ্বাস আৰু দৃঢ়তাৰে সন্তানক সৰুৰেপৰা সৎ শিক্ষা, সৎ মূল্যবোধ আৰু সৎ আদর্শৰ শিক্ষা দিব পাৰিব। সন্তানৰ মনত নৈতিক, আধ্যাত্মিক আৰু সামাজিক সদাচাৰ আৰু সৎ নীতিৰ বীজ মাকগৰাকীয়েই নিজৰ জীৱনৰ দৃষ্টান্তৰে ৰোপণ কৰি পাৰে।

সমাজত নাৰীৰ স্থিতি আৰু মর্যাদা বহুখিনি নির্ভৰ কৰে সামাজিক আৰু সাংস্কৃতিক পৰিৱেশৰ ওপৰত। কিন্তু সমাজ আৰু সংস্কৃতি দুয়োটাই পৰিৱর্তনশীল। আজি বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ অভূতপূর্ব বিকাশে সমাজ-সংস্কৃতিৰ ওপৰত প্রভূত প্রভাৱ পেলাইছে। সকলো প্রকাৰৰ শিক্ষাৰে শিক্ষিত আজিৰ স্ব-উপার্জনেৰে স্বাৱলম্বী নাৰীৰ প্রতি সামাজিক দৃষ্টিভংগীও সলনি হৈছে। চৰকাৰেও দেশৰ সামাজিক আৰু অর্থনৈতিক উন্নতিৰ বাবে পুৰুষসকলৰ সমানে সমানে নাৰীসকলো যে সকলো ক্ষেত্রতে অগ্রসৰ হ'ব নাৰীসকলক সবলীকৰণ কৰাৰ ভালেমান আঁচনি গ্রহণ কৰিছে। কিন্তু এইবোৰৰ সুযোগ দেশৰ চুকে-কোণে, গ্রামাঞ্চল আৰু পিছপৰা অনুন্নত অঞ্চলবোৰৰ বহু নাৰীয়েই গ্রহণ কৰিব পৰা নাই। শিক্ষাৰ অভাৱতেই এইসকল নাৰীয়ে পুৰুষৰ শাসন-শোষণ দমন অত্যাচাৰ নিমাতে সহ্য কৰি চলি আছে। এইক্ষেত্রত চৰকাৰো জগৰীয়া। কাৰণ স্বাধীনতা লাভৰ পিছতেই শিক্ষাক মৌলিক অধিকাৰ হিচাপে সংবিধানত স্বীকৃতি দিয়াহ'লে শিক্ষিত নাৰীৰ সংখ্যা যথেষ্ট পৰিমাণে বৃদ্ধি পালেহেঁতেন। কিন্তু তাকে নকৰি স্বাধীনতা লাভৰ ছটা দশক পাৰ হোৱাৰ পিছতহে চৰকাৰৰ গা লৰিল, ২০০৯ চনতহে শিক্ষাই 'মৌলিক অধিকাৰ' হিচাপে স্বীকৃতি লাভ কৰিলে।

সমাজত নিজৰ স্থিতি সন্মান আৰু মর্যাদাৰে প্রতিষ্ঠা কৰিবলৈ নাৰীসকল অর্থনৈতিকভাৱে স্বাৱলম্বী হোৱাটো নিতান্তই প্রয়োজন। অর্থনৈতিক স্বাৱলম্বীতাই নাৰীসকলৰ মনলৈ এটা নিৰাপত্তাৰ ভাব আনে আৰু এই ভাবেই তেওঁলোকক মানসিকভাৱে সবল কৰি তোলে আৰু আত্মপ্রত্যয়েৰে নিজ কর্মক্ষেত্রত আগুৱাই যাবলৈ সাহস যোগায়। আজি শিক্ষা-সংস্কৃতি, সাহিত্য-কলা, বিজ্ঞান-প্রযুক্তি, প্রশাসন-দেশ ৰক্ষা, এনে কোনো ক্ষেত্র নাই য'ত নাৰীয়ে পুৰুষৰ সমানে সমানে আধিপত্য বিস্তাৰ কৰিব পৰা নাই। এই কথাই প্রমাণ কৰে যে নাৰী শাৰীৰিকভাৱে পুৰুষতকৈ দুর্বল হ'লেও মানসিক আৰু বৌদ্ধিক দিশত কোনো গুণেই পিছ পৰা নহয়। বৰং এখন উন্নত নাৰীসকল বেছি শক্তিশালী। এগৰাকী প্রকৃত শিক্ষাৰে শিক্ষিত জ্ঞানী নাৰীয়ে সমাজ সংস্কাৰৰ কাম নিজৰ ঘৰখনৰপৰাই আৰম্ভ কৰিব পাৰে। দুর্নীতিগ্রস্ত স্বামী আৰু কুপথে পৰিচালিত সন্তানক পত্নী বা মাতৃগৰাকীয়েই সাহস আৰু দৃঢ়তাৰে সৎ পথলৈ আনিব পাৰে।

স্বাধীনোত্তৰ কালত শিক্ষা বিস্তাৰৰ ফলত নাৰীসকলৰ ব্যক্তিগত আৰু সামাজিক জীৱনলৈ যথেষ্ট পৰিৱর্তন আহিছে, এই কথা অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু এতিয়াও নাৰী-প্রগতিৰ পথত ভালেমান অন্তৰায় আছে। দেশৰ সর্বত্র শিক্ষাৰ পোহৰ সমভাৱে বিয়পা নাই। এতিয়াও পুৰুষতকৈ শিক্ষিত নাৰীৰ সংখ্যা তুলনামূলকভাৱে যথেষ্ট কম। পৰিয়ালৰ সদিচ্ছা আৰু সমাজৰ বৈষম্যহীন উদাৰ সহযোগিতা অবিহনে নাৰীসকল শিক্ষা-দীক্ষাৰে আত্মবিশ্বাসী আৰু স্বাৱলম্বী হৈ আগবাঢ়িব নোৱাৰিব। নাৰীয়ে নিজৰ পু�ৰণিকলীয়া মানসিকতা সলাব লাগিব। পুত্র আৰু কন্যা সন্তানৰ মাজত কোনো স্বাস্থ্য স্বভাৱ-চৰিত্র গঠনৰ দিশত একেধৰণে চকু ৰাখি যত্ন ল'লে বহু সামাজিক সমস্যাৰো সমাধান ওলাব। বর্তমানে ভাৰতবর্ষত কন্যা সন্তানৰ ভ্রূণ হত্যা এটা ভয়ংকৰ সামাজিক ব্যাধিত পৰিণত হৈছে। কন্যা সন্তানক এটা বোজাস্বৰূপে গণ্য কৰাৰ বাবেই পিতৃ-মাতৃয়ে নিজ সন্তানক জন্মৰ পূর্বেই হত্যা কৰাৰ দৰে জঘন্য অপৰাধ কৰিবলৈও কুণ্ঠাবোধ নকৰে। যৌতুক প্রথাও এই ঘৃণনীয় কার্যৰ লগত জড়িত হৈ আছে। পিতৃয়ে কন্যাসন্তান নিবিচাৰে আর্থিকভাৱে ক্ষতিগ্রস্ত হ'ব বুলি, স্বামীয়ে পত্নীক হত্যা কৰে যৌতুকৰ দাবী পূৰণ কৰিব নোৱৰাৰ বাবে, কিন্তু পুৰুষৰ বিকৃত যৌন-লালসা চৰিতার্থ কৰিবলৈ সমাজত চলি আছে নাৰী ধর্ষণ, নাৰী অপহৰণ আৰু নাৰীদেহ ব্যৱসায়। ঘৰ বা কর্মস্থলী ক'তোৱেই নাৰীসকল সুৰক্ষিত নহয়। চৰকাৰে 'ঘৰুৱা হিংসা প্রতিৰোধ' আইন প্রণয়ন কৰিলেও বেছিভাগ নাৰীয়েই সমাজৰ ভয়ত বা লজ্জাবশতঃ সেই আইনৰ সহায় ল'বলৈ কুণ্ঠাবোধ কৰে। সমাজখন সুশিক্ষিত আৰু সুসংস্কৃত নহ'লে নাৰীসকলৰ জীৱন এনেদৰেই দুর্বিষহ হৈ থাকিব। এনেবোৰ দিশত শিক্ষিত নাৰীসকলে কৰিবলগীয়া ভালেমান কাম আছে। শিক্ষাৰ সুবিধা নোপোৱাসকলৰ মাজত শিক্ষাদানৰ ব্যৱস্থা কৰা, চৰকাৰে দিয়া সা-সুবিধাবোৰৰ বিষয়ে বুজোৱা আৰু সেইবোৰৰ সুযোগ গ্রহণ কৰিবলৈ অনুপ্রাণিত কৰা আৰু তেওঁলোকৰ মনৰপৰা এলান্ধুকলীয়া কু-সংস্কাৰ, অন্ধবিশ্বাস আৰু অর্থহীন নীতি-নিয়মবোৰ আঁতৰ কৰাত সহায় কৰা আদি কামবোৰ তেওঁলোকে কৰিব পাৰে। অৱশ্যে এনেবোৰ বিষয়ত চৰকাৰ, প্রশাসন আৰু সমাজেও সহযোগ কৰিব লাগিব। দাৰিদ্র্যৰ বিৰুদ্ধে যুঁজ দিয়াৰ এবিধ প্রধান অস্ত্র হৈছে শিক্ষা। আনুষ্ঠানিক বা অনানুষ্ঠানিক শিক্ষাইহে সামাজিকভাৱে অনুন্নতসকলক (যাৰ বৃহদাংশই নাৰী) সুবিধাবাদীসকলৰ শোষণৰপৰা মুক্ত কৰিব পাৰিব, নিজৰ প্রাপ্যখিনি দাবী কৰি আদায় কৰাত সহায় কৰিব।

আজিৰ নাৰীয়ে উপলব্ধি কৰিব পাৰিব লাগিব অতীজৰ নাৰীসকলৰ লগত তেওঁলোকৰ পার্থক্য ক'ত আৰু কিমান। আজি তেওঁলোকে যিখিনি সা-সুবিধা পাইছে যিখিনি সামাজিক মর্যাদা লাভ কৰিছে তাৰবাবে তেওঁলোকে কিমান কঠোৰ সংগ্রাম কৰিবলগীয়া হৈছে সেই কথাও পাহৰা উচিত নহয়। তেওঁলোকে বুজিব পাৰিব লাগিব স্কুল-কলেজৰ ডিগ্রী লাভতেই শিক্ষা শেষ নহয়, ই জীৱনৰ প্রকৃত শিক্ষা লাভ কৰিবলৈ মানসিকভাৱে মাত্র প্রস্তুত কৰিহে তোলে। নাৰীয়ে নিজৰ ভিতৰত থকা প্রচুৰ শক্তি আৰু সামর্থ্যখিনি নিজে অনুভৱ কৰিব পাৰিব লাগিব। নাৰীৰ অন্তর্নিহিত শক্তি আৰু গুণখিনি উপলব্ধি কৰিব পাৰিছিল বাবেই শিখ গুৰু নানক, স্বামী বিবেকানন্দ, গান্ধীজী আৰু ৰবীন্দ্র নাথৰ দৰে মহৎ ব্যক্তিসকলে পুৰুষসকলৰ দৰে নাৰীসকলকো শ্রদ্ধা, সন্মান, মর্যাদাৰে সমাজত প্রতিষ্ঠিত হোৱাটো বিচাৰিছিল। নিজে বিচৰা ধৰণে জীৱনক গঢ় দিয়াৰ অধিকাৰ নাৰী-পুৰুষ দুয়োৰে সমান। পুৰুষে যদি নিজৰ অহং ভাব ত্যাগ কৰি নাৰীক তেওঁলোকৰ অধীন বা তেওঁলোকতকৈ নিকৃষ্ট জীৱ বুলি গণ্য নকৰি ব্যক্তিগত বা পাৰিৱাৰিক জীৱনৰপৰা আৰম্ভ কৰি বাহিৰৰ বহল কর্মক্ষেত্রলৈকে সর্বত্র সমভাগী, সহকর্মী, সহযোগী, সহযাত্রীৰূপে গ্রহণ কৰি নাৰীক শ্রদ্ধা-সন্মান আৰু মর্যাদা দিব পাৰে তেন্তে সমাজৰপৰা নাৰী সম্পর্কীয় বহু অপৰাধ ক্রমে ক্রমে লোপ পাব।■

# প্রসংগঃ সমাজ আৰু সাহিত্য

ড° বসন্ত কুমাৰ ভট্টাচার্য

'সমাজ' শব্দটোৰ আভিধানিক অর্থ হ'ল: (ক)' উমৈহতীয়া নিয়ম-শৃংখলা মানি চলা একোটা জনসমষ্টি, (খ) সংঘ, সভা।'[১] আনহাতে সমপূর্বক অজ্ ধাতুৰ পিছত ঘঞ্ প্রত্যয় যোগ হৈ সমাজ শব্দটো সাধিত হৈছে।

উল্লিখিত সমাজ শব্দৰ দুয়োটা আভিধানিক অর্থই স্পষ্ট কৰি দিয়ে যে সমাজ মানুহৰদ্বাৰাই সৃষ্ট সংগঠন বা অনুষ্ঠান আৰু ই নির্দিষ্ট নিয়ম-নীতিৰে নিয়ন্ত্রিত। ইয়াৰপৰা বুজা গ'ল যে এজন মানুহ তথা ব্যক্তিয়েই সমাজ নহয়—সমাজ বহুজন ব্যক্তিৰদ্বাৰা গঠিত আৰু সেই বহুজন ব্যক্তি নিয়ম-নীতিৰদ্বাৰা শৃংখলিত।

ব্যুৎপত্তিৰ ফালৰপৰা লক্ষ্য কৰিলে 'সমাজ' শব্দটোৰ মূলত 'অজ্' বোলা যিটো ধাতু পাওঁ, তাৰ অর্থ হ'ল—'গতি কৰ'। ইয়াৰপৰা সহজে অনুভৱ কৰিব পাৰি যে সমাজ গতিশীল। সময়ো গতিশীল। সময়ৰ গতিশীলতাই সমাজৰ ওপৰত প্রভাৱ বিস্তাৰ কৰে আৰু তাৰ পৰিণতিত সমাজে কিছু এৰিবলগীয়া হয় আৰু আন কিছু গ্রহণ কৰিবলগীয়াত পৰে। এনেদৰে গ্রহণ আৰু বর্জনৰ মাজেদি সমাজৰ বুকুত যি পৰিৱর্তন ঘটে, সিয়েই প্রমাণ কৰে সমাজৰ গতিশীলতা। মনত ৰাখিবলগীয়া কথাষাৰ হ'ল— গতিশীল সমাজেই জীৱন্ত আৰু গতিহীনতাই হ'ল সমাজৰ মৃত্যু।

জীৱশ্রেষ্ঠ মানুহৰ অন্যতম প্রিয় সম্পদ হ'ল সমাজ। সেই কাৰণেই কোৱা হয়—মানুহ সামাজিক প্রাণী, মানুহ সমাজপ্রিয় প্রাণী। তদুপৰি মানুহ মন-বুদ্ধি আৰু বিবেকৰ অধিকাৰী। মনৰ লগত মানুহৰ চিন্তা-ভাবনা সংশ্লিষ্ট। আন কথাত ক'বলৈ হ'লে, মন আছে বাবেই মানুহে চিন্তা-ভাবনা কৰিবলৈ সক্ষম হয়। এনে চিন্তা-ভাবনাৰ উন্মেষ, সমৃদ্ধি আৰু বিকাশ সাধনৰ বাবে কোনো এজন মানুহৰ আৱশ্যক হয় আন এজন বা বহুজন মানুহৰ অথবা সমাজ এখনৰ। ইয়াৰপৰা সহজে অনুমান কৰিব পাৰি যে মানুহ আৰু মানুহ অথবা মানুহ আৰু সমাজৰ পাৰস্পৰিক সম্পর্কৰ সংযোগতহে মানুহৰ মনত ভাব-চিন্তাৰ উন্মেষ ঘটে। এই যে মানুহ এজনৰ মনত প্রেম-প্রীতি, ঈর্ষা-অসূয়া, স্নেহ-দ্বন্দ্ব, আশা-আকাংক্ষা আদি ভাবনাৰ উদ্রেক ঘটে, তাৰ মূলতেই আন এজন ব্যক্তি অথবা এখন সমাজৰ স্থিতি অনুভৱ কৰিব পাৰি।

সমাজ আৰু ব্যক্তিৰ সম্পর্ক অবিচ্ছেদ্য। সেয়েহে কোনো এজন ব্যক্তিৰ চিন্তা-ভাবনাত সেই ব্যক্তিজনে বাস কৰা তথা সম্পর্ক স্থাপন কৰা সমাজখনৰ ৰীতি-নীতি, আদর্শ, মূল্যবোধ আদিৰ প্রভাৱ পৰে আৰু ব্যক্তিজনৰ চিন্তা-ভাবনাৰ মাজেদি সিবিলাকৰ প্রকাশ ঘটে। এই প্রসংগত সমালোচক ত্রৈলোক্যনাথ গোস্বামীৰ এই মন্তব্য উল্লেখ কৰিব পাৰি: '...সমাজ আৰু মানুহৰ সম্বন্ধ অবিচ্ছিন্ন। মানুহৰ কার্য-কলাপ, উন্নতি-অৱনতি আদি সমাজৰ লগত এনে ঘনিষ্ঠভাৱে জড়িত যে সমাজক এৰি মানুহ আৰু মানুহক এৰি সমাজৰ চিন্তা কৰাই একৰকম অসম্ভৱ যেন লাগে।'[২]

কবি-সাহিত্যিক-শিল্পী, প্রতিজনেই সমাজৰ অংগীভূত একোগৰাকী সদস্য। সামাজিক উপকৰণসমূহে তেওঁলোকৰ সৃজনশীল মনক যুগপৎ দোলা দি থাকে। সাহিত্যিকৰ সৃজনশীল সত্তা আৰু সামাজিক সত্তা নিৰন্তৰ অভিযোজনশীল।[৩] মানুহ সমাজসত্তাৰ অৱয়ৱস্বৰূপ আৰু সেই অৱয়ৱসমূহৰ মাজেদি প্রতিফলিত হোৱা আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম, সংঘাত-সংঘর্ষ, ধ্যান-ধাৰণা, ধর্ম-দর্শন, অভিজ্ঞতা আৰু অনুভূতিসমূহ[৪] সাহিত্যৰ জৰিয়তে প্রকাশ পায়। আচার্য মনোৰঞ্জন শাস্ত্রীৰ ভাষাত: জাগতিক ক্রমবিৱর্তনৰ সোঁতত মানৱৰ বহির্জগত আৰু অন্তর্জগতৰ নানা প্রকাৰ ঘাত-প্রতিঘাতৰ ফলত সমাজৰ ৰূপ আৰু প্রকৃতি কালে কালে পৰিৱর্তিত হয়। এই ঘাত-প্রতিঘাতৰ ৰসান্বিত শব্দাত্মক স্ফুৰণেই সাহিত্য। গতিকে সাহিত্য আৰু সমাজৰ পৰস্পৰ-সম্বন্ধ অতি নিবিড় আৰু অবিচ্ছেদ্য। সাহিত্য সমাজৰ বাণীময় ৰস-ৰূপতা প্রাপ্তি আৰু সমাজ সাহিত্যৰ ভিত্তিভূমি।[৫] সমাজক আঁতৰাই ৰাখি কোনো সাহিত্যিক-শিল্পীয়েই সৃষ্টিকর্মত আত্মনিয়োজন কৰাটো একোতেই সম্ভৱ হ'ব নোৱাৰে। সাহিত্য সৃষ্টিৰ আধাৰ যিদৰে সমাজ, সেইদৰে সমাজৰ চালিকা শক্তিও সাহিত্য। সাহিত্যই সমাজক উন্নততৰ স্তৰলৈ আগবঢ়াই নিয়াত প্রভূত পৰিমাণে অৰিহণা যোগায়। সামাজিক বাস্তৱতাৰপৰা উপকৰণ আহৰণ কৰি সাহিত্যিকে যি সাহিত্য কলা নির্মাণ কৰে, সিয়েই সংশ্লিষ্ট সমাজখনক দান কৰে অভিনৱত্ব আৰু সেই অভিনৱ ৰূপৰ পৰিস্ফুৰণ ঘটে অব্যৱহৃত পৰৱর্তী সময়ত সৃষ্ট সাহিত্যত। এইখিনিতে উল্লেখ কৰা প্রয়োজন যে যি সাহিত্যেৰ মাজেদি সমাজৰ স্বৰূপ প্রকাশ নাপায়, সি পাঠকৰ হৃদয়-মন-মগজুত আলোড়ন সৃষ্টি কৰিব নোৱাৰে আৰু যিখন সমাজ সাহিত্যৰে সৈতে নান্দনিক ৰীতিৰে লীন হৈ নাযায়, সেই সমাজখনো প্রকৃতার্থত সমাজ ৰূপে চিহ্নিত হ'ব নোৱাৰে। বিশ্বৰ সর্বকালৰ সাহিত্যিকৰ নির্মিতি সমাজৰ স্বৰূপ চিত্রিত হৈ অহা হেতুকেই সাহিত্যিক স্থানীয় নৃবৃত্ত (native ethnography) আখ্যা দিয়া হৈছে।[৬]

মন কৰিবলগীয়া কথা এই যে সকলো কালৰ, সকলো সাহিত্যিকৰ ৰচনাত সমাজ-জীৱনৰ চিত্ৰ যথার্থভাৱে প্ৰতিফলিত নহ'বও পাৰে। আন কথাত ক'বলৈ গ'লে, কোনো এজন সাহিত্যিকে অর্থনৈতিক, ৰাজনৈতিক, ব্যক্তিগত আদি নানান কাৰণত যদি অধিকতৰ উচ্ছ্বাসপ্ৰৱণ হৈ তেওঁৰ সৃজনীশীল সত্তাক সামাজিক সত্তাতকৈ অধিক গুৰুত্ব প্ৰদান কৰে, তেতিয়া তেওঁৰ নির্মিতিত সমাজচিত্ৰৰ ৰূপায়ণ স্পষ্ট আৰু সংবেদনশীল নহয়। সাহিত্য সমাজৰ সমতল প্ৰতিফলন নহয়, কলাত্মক প্ৰতিফলনহে। সাহিত্যিকৰ প্ৰতিভাৰ সংযোগত বাস্তৱ সমাজখনে সাহিত্যৰ মাজেদি যি নৱতম ৰূপ পৰিগ্ৰহ কৰে, সিয়েই তাৰ কলাত্মক ৰূপ আৰু এইটো ৰূপ বাস্তৱ ৰূপতকৈ অধিক আৱেদনশীল আৰু ৰসসঞ্চাৰী।

কোৱা নিষ্প্ৰয়োজন যে প্ৰতিটো যুগতেই, প্ৰতিখন সমাজৰে একো একোটা নিজস্ব ৰুচি থাকে। এনে ৰুচি কোনো কোনো যুগত হ'ব পাৰে হিতকৰ, আনন্দদায়ক আৰু কোনো কোনো যুগত হ'ব পাৰে অহিতকৰ, নিৰানন্দদায়ক। সাহিত্যিকসকলে এই দুই প্ৰকাৰ সামাজিক ৰুচিৰদ্বাৰা প্ৰভাৱান্বিত হৈ সাহিত্য সৃষ্টিত আত্মনিয়োজন কৰে। অহিতকৰ সামাজিক ৰুচিৰদ্বাৰা প্ৰভাৱান্বিত হৈ কোনো এজন সাহিত্যিকে সৃষ্টি কৰা সাহিত্যৰ আদৰ ক্ষণস্থায়ী। আনহাতে হিতকৰ ৰুচিৰে প্ৰভাৱান্বিত হৈ নিজৰ মৌলিক সৃজনশীলতাৰে কোনো এজন সাহিত্যিকে তেওঁৰ ৰচনাক যদি অভিনৱ মাত্ৰা দান কৰিবলৈ সমর্থ হয়, তেন্তে তেওঁৰ ৰচনা হ'ব কালজয়ী। এনে ৰচনাই সমাজকো উন্নততৰ স্তৰলৈ আগবঢ়াই নিবলৈ সমর্থ হয়। ইয়াকে চিৰন্তন সাহিত্য বুলিব পাৰি। চিৰন্তন সাহিত্যই দেশ-কাল-জাতিৰ সীমা অতিক্ৰম কৰি দিগন্তপ্ৰসাৰী মহত্ত্ব আৰু গৰিমাৰ শীর্ষবিন্দু স্পর্শ কৰে। এনে সাহিত্যই বিশ্বৰ পাঠকক প্ৰভাৱান্বিত কৰি আন্তর্জাতিক যি খ্যাতি অর্জন কৰে, সি কেতিয়াও নজহে, নপমে। মহাকবি কালিদাস আছিল ভাৰতীয়, কিন্তু তেওঁৰ *অভিজ্ঞানম্ শকুন্তলা* পঢ়ি মহাকবি গ্যেটে হৈছিল গভীৰভাৱে অনুপ্ৰাণিত। সেইদৰে উপনিষদে দিছিল শ্বপেনহাৱাৰক সান্ত্বনা। বংগৰ খ্যাতনামা কবি মাইকেল মধুসূদন দত্তক অনুপ্ৰেৰণা যোগাইছিল হোমাৰ, ভার্জিল আৰু মিল্টনৰ কাব্যকৃতিয়ে।

সমাজ আৰু সাহিত্যৰ নিবিড় সম্পর্কৰ বিষয়ে অসমীয়া সাহিত্যৰ পটভূমিত বিচাৰ-বিশ্লেষণ দাঙি ধৰিব পাৰি। অসমীয়া সাহিত্যৰ ক্ৰমগতিৰ ইতিহাস অতিকৈ গৌৰৱপূর্ণ। খ্ৰীঃ চতুর্দশ শতিকা (প্ৰাক্‌শংকৰী যুগ) তে 'অপ্ৰমাদী' কবি মাধৱ কন্দলি প্ৰমুখ্যে পাঁচগৰাকী কবি-সাহিত্যিকে অসমীয়া সাহিত্যৰ সুদৃঢ় ভেট নির্মাণ কৰি যুগমীয়া খ্যাতি ৰাখি থৈ গৈছে। এই সময়ছোৱাৰ শ্ৰেষ্ঠ কবিগৰাকী যে মাধৱ কন্দলি, সেই কথা মহাপুৰুষ শংকৰদেৱে তেওঁক 'অপ্ৰমাদী' কবি আখ্যা দিয়াৰ পৰাই স্পষ্ট হৈ উঠে। কবিগৰাকীয়ে ৰচিত *ৰামায়ণখনেই* উত্তৰ ভাৰতৰ প্ৰান্তীয় ভাষাৰ প্ৰথম তথা প্ৰাচীনতম *ৰামায়ণ*। কবিগৰাকীয়ে লোকসমাজত থাকিয়েই অসমীয়া লোকৰ ব্যৱহাৰৰ উদ্দেশ্যে বাল্মীকি *ৰামায়ণৰ* পদ অসমীয়াত ভাঙিছিল। তেওঁ অনুভৱ কৰিছিল যে যিখন সমাজৰ বাবে কাব্য ৰচনা কৰা হয়, সেইখন সমাজৰ চিত্ৰ তাত পৰিস্ফুটিত কৰিব নোৱাৰিলে, সি কেতিয়াও উদ্দেশ্য পূৰণ কৰিব নোৱাৰে। সেয়ে অনূদিত হ'লেও তেওঁৰ ৰচনাত তদানীন্তন অসমীয়া সমাজ-জীৱনৰ বিভিন্ন সংযুতিৰ সম্যক চিত্ৰ প্ৰতিফলিত হোৱা দেখা যায়। এই দৃষ্টিৰে বিচাৰ কৰিলে কন্দলিৰ *ৰামায়ণখনক* চতুর্দশ শতিকাৰ অসমীয়া সমাজৰ এখনি জীৱন্ত দস্তাৱেজস্বৰূপে গণ্য কৰিব পাৰি। মাধৱ কন্দলিয়ে যে কেৱল তেওঁৰ ৰচনাৰ জৰিয়তে সমাজখনৰ চিত্ৰই উপস্থাপন কৰিছিল, তেনে নহয়। তেওঁ সমাজৰ ৰুচিৰ উৎকর্ষ সাধন কৰিব বিচাৰিছিল আৰু লগতে অসমীয়া সাহিত্যক এটা নিটোল আৰু পৰিপূর্ণ ৰূপ দিবলৈও প্ৰয়াস কৰিছিল। সেয়ে মাধৱ কন্দলি যুগস্ৰষ্টা কবি।

অসমীয়া সাহিত্যৰ শংকৰী যুগটো সোণালী যুগ (golden age)। এই যুগৰ শ্ৰেষ্ঠ কবি শংকৰদেৱে (১৪৪৯) তদানীন্তন অসমীয়া সমাজখনক সুশৃংখলিত আৰু ঐক্যবদ্ধ কৰিবৰ নিমিত্তে বৈষ্ণৱ ধর্মীয় আদর্শৰ আলোকত কাব্য, গীত, নাট আদি ৰচনাত ব্ৰতী হৈছিল আৰু আধ্যাত্মিকতাৰ পটভূমিত এখন নতুন সমাজ গঢ়াত তেওঁ সফলতা অর্জন কৰিছিল। অসমীয়া সাহিত্যৰ ইতিহাসত মহাপুৰুষগৰাকীও যুগস্ৰষ্টা কবি-সাহিত্যিকস্বৰূপে সমাদৃত আৰু বন্দিত।

পৰিৱর্তনশীলতা সমাজৰ স্বাভাৱিক ধর্ম। সমাজৰ পৰিৱর্তনৰ লগে লগে সাহিত্যৰো ৰীতি-প্ৰকৃতিৰ পৰিৱর্তন ঘটে। ৰীতি-প্ৰকৃতিৰ পৰিৱর্তন ঘটাই সাহিত্যক যুগোপযোগী ৰূপে সৃষ্টি কৰিবৰ নিমিত্তে সাহিত্যিকসকলে নতুন নতুন দৃষ্টিভংগী, নতুন নতুন আদর্শ গ্ৰহণ কৰিবলগীয়া হয়। ফলস্বৰূপে সাহিত্যৰ ন ন সংৰূপৰ সৃষ্টি হয়। ব্ৰিটিছে অসম অধিকাৰ কৰাৰ পিছৰেপৰা অসমীয়া সমাজত পাশ্চাত্য শিক্ষা-সভ্যতাৰ প্ৰচলন হ'বলৈ ধৰে আৰু পূর্বৰ ধর্মীয় ধ্যান-ধাৰণাৰ সলনি পশ্চিমীয়া বস্তুবাদী আদর্শই অসমীয়া জনজীৱনৰ ওপৰত সুগভীৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ লয়। ফলস্বৰূপে, অসমীয়া সাহিত্যতো সেই নতুন ভাবাদর্শৰ প্ৰৱেশ ঘটে আৰু সি দলৈকে শিপায়। মিছনেৰীসকলৰ উদ্যোগত প্ৰকাশিত *অৰুণোদই* কাকতে (১৮৪৬) অসমীয়া লোকৰ মানসিক দিগন্ত, আধুনিক ভাবধাৰাৰে প্ৰসাৰণ ঘটাই এক বৈপ্লৱিক পৰিৱর্তন সাধন কৰে। *অৰুণোদই*-এ কাটি দিয়া বাটেৰে পাশ্চাত্য সাহিত্যৰ বিবিধ সংৰূপে অসমীয়া সমাজত প্ৰৱেশ কৰি অসমীয়া সাহিত্যিকক সাহিত্য সৃষ্টিত ব্ৰতী হ'বলৈ প্ৰেৰণা যোগায়। ফলস্বৰূপে, অসমীয়া সাহিত্যত কবিতা, উপন্যাস, চুটি গল্প, নাটক, ৰম্য ৰচনা, প্ৰবন্ধ, সমালোচনা আদি বিবিধ সাহিত্য ৰূপৰ সৃষ্টি হ'বলৈ ধৰে আৰু সিবিলাকৰ জৰিয়তে পাশ্চাত্য সাহিত্যৰ ৰীতি-প্ৰকৃতিয়ে অসমীয়া সাহিত্যত দৃঢ়ভাৱে খোপনি পোতে।

ইং ১৮৮৯ চনত কেইগৰাকীমান উচ্চশিক্ষাপ্ৰেমী কলিকতীয়া প্ৰৱসুৱা ছাত্ৰৰ উদ্যোগত অসমীয়া অন্যতম যুগস্ৰষ্টা আলোচনী *জোনাকী* প্ৰকাশ পায়। এইখন আলোচনীৰ যোগেদি আত্মপ্ৰকাশ কৰা সাহিত্যিকসকলে পাশ্চাত্যৰ ৰোমাণ্টিক ভাবধাৰা অসমীয়া সাহিত্যলৈ অতি আন্তৰিকতাৰে আদৰি আনে। অসমীয়া সাহিত্যৰ 'ৰোমাণ্টিক' তথা 'জোনাকী' যুগটোক 'ৰেজৰৱৱা যুগ' হিচাপে চিহ্নিত কৰা হৈছে।

কিয়নো, এই যুগটোৰ সাহিত্যৰ প্ৰায় কেওটা ধাৰাতে লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদান অবিস্মৰণীয়। তদুপৰি তেওঁৰ আদৰ্শ আৰু চিন্তাধাৰাই সমকালীন আন আন সাহিত্যিকৰ ওপৰত বিস্তাৰ কৰিছিল অসামান্য প্ৰভাৱ। খ্যাতনামা কবি-সাহিত্যিকৰ সৃষ্টিকৰ্মৰ পশ্চাৎপটত কোনো এটা কেন্দ্ৰীয় চিন্তাধাৰা ক্ৰিয়াশীল হৈ থাকে। এই চিন্তাধাৰা এহাতে যেনেদৰে সাহিত্যিকগৰাকীৰ আপোন মনৰ আৱেগ-অনুভূতি, সংঘাত-সমস্যা আদিৰদ্বাৰা পৰিচালিত, আনহাতে তেনেদৰে সমসাময়িক পৰিৱেশ তথা সমাজ-জীৱনৰ বাস্তৱতাৰদ্বাৰাও প্ৰভাৱান্বিত। সেয়েহে কোনো এগৰাকী কবি-সাহিত্যিকৰ ৰচনাত তেওঁৰ ব্যক্তিগত জীৱনৰ মূল্যবোধৰ লগতে সমাজ-জীৱনৰ মূল্যবোধো প্ৰতিফলিত হয়। এনেদৰে প্ৰতিফলিত হোৱা দুই প্ৰকাৰ মূল্যবোধৰ বিষয়ে সম্যক অৱগতিৰ বাবে সাহিত্যিকৰ ব্যক্তিত্ব আৰু সমাজ-জীৱনৰ স্বৰূপ উদ্‌ঘাটন কৰাটো প্ৰয়োজনীয়।

লক্ষ্মীনাথ বেজবৰুৱা প্ৰমুখ্যে তেওঁৰ সতীৰ্থসকলে সাহিত্য চৰ্চাত আত্মনিয়োজন কৰা কালছোৱা অসমীয়া সমাজ-জীৱনৰ এক যুগসন্ধি। সাহিত্য চৰ্চাৰ ক্ষেত্ৰত বেজবৰুৱা আৰু তেওঁৰ সতীৰ্থসকলৰ অনুপ্ৰেৰণাৰ উৎস আছিল *অৰুণোদই* আলোচনীৰ জৰিয়তে প্ৰতিষ্ঠা আৰু বিস্তৃতি লাভ কৰা পাশ্চাত্য সাহিত্য-সংস্কৃতিৰ প্ৰভাৱ আৰু বঙলা সাহিত্যৰ আদৰ্শ আৰু লক্ষ্য আছিল অসমীয়া জাতিৰ সৰ্বতোপ্ৰকাৰৰ উন্নতি সাধন।

ইংৰাজ শাসন আৰু ইংৰাজী শিক্ষা-সভ্যতা-সংস্কৃতিৰ বিস্তাৰৰ ফলস্বৰূপে বেজবৰুৱাকালীন অসমত এক নাগৰিক সভ্যতাই গঢ় ল'বলৈ উপক্ৰম কৰিছিল। এনে এক ক্ৰান্তিকৰী সামাজিক পৰিস্থিতিত মানুহৰ মূল্যবোধ আৰু নিজৰ আচাৰ-নীতি সম্বন্ধে সচেতনতাৰ পৰিৱৰ্তন ঘটে। নগৰীয়া শিক্ষিত লোকৰ জীৱনদৰ্শন অদৃশ্যতকৈ দৃশ্যমান জগত আৰু ভগৱানতকৈ মানুহক কেন্দ্ৰ কৰি গঢ়ি উঠা স্বাভাৱিক। ইউৰোপীয় মানৱতাবাদী দৃষ্টিভংগীৰো ভেটি আছিল সেইটোৱেই।[৭]

ইংৰাজ শাসন আৰু ইংৰাজী শিক্ষা-সভ্যতাৰ যোগেদি ইউৰোপীয় মানৱতাবাদী আদৰ্শই ভাৰত তথা অসমত প্ৰৱেশ লাভ কৰিছিল যদিও জাতীয় চেতনাৰ তাড়নাত শাসকশ্ৰেণীৰ সভ্যতাৰ প্ৰতি বিৰোধভাব গঢ়ি উঠা হেতুকে, সেই আদৰ্শৰ প্ৰভাৱ ভাৰতীয় তথা অসমীয়া মানুহৰ ওপৰত পৰিল আংশিকভাৱেহে। আনহাতে, সেই একেটা কাৰণতে, জাতীয় সম্মানৰ তাগিদাত, সামাজিক পৰ্যায়ত পুৰণা ৰীতি-নাতি আৰু সংস্কাৰৰ পুনৰ উত্থানৰ প্ৰতিহে অসমীয়া লোকৰ আগ্ৰহ বাঢ়িল।[৮]

বেজবৰুৱা আৰু তেওঁৰ সতীৰ্থসকলৰ চিন্তাধাৰা এই দুইমুখী দৃষ্টিভংগীৰে পৰিচালিত হোৱা হেতু তেওঁলোকৰ ৰচনাৰাজিত এই দুয়োটা দিশৰ ভাবাৱেগ পৰিস্ফুটিত হৈছে। তেওঁলোকৰ কবিতা, উপন্যাস, নাটক, চুটিগল্প আদিৰ যোগেদি সামাজিক স্থৱিৰতাত ক্ষোভ প্ৰকাশ কৰি গতিশীল আদৰ্শ গ্ৰহণ কৰিবলৈ জনোৱা আহ্বানৰ পশ্চাৎপটত যিদৰে নতুন যুগৰ পাশ্চাত্যৰ ভাবাদৰ্শৰ প্ৰভাৱ ক্ৰিয়াশীল হৈ আছে, সেইদৰে ধৰ্মীয় বিষয় এৰি পাৰ্থিৱ জগতৰ সৌন্দৰ্য আৰু ৰহস্যত মনোনিৱেশ কৰাৰ যি আকাংক্ষা প্ৰকাশ পাইছে, তাৰ মাজেদিও অষ্টাদশ শতিকাৰ ইউৰোপীয় মানৱতাবাদী আদৰ্শই প্ৰতিফলিত হৈছে।

বেজবৰুৱাকালীন অসমীয়া সাহিত্যত এফালে যিদৰে পাশ্চাত্য নৱজাগৰণপ্ৰসূত মানৱমুখী আদৰ্শৰ প্ৰতিধ্বনি শুনা যায়, আনফালে সেইদৰে ভাৰতীয় তথা অসমীয়া পৰম্পৰাগত ৰীতি-নীতি, আধ্যাত্মিক চিন্তা-চেতনা, ভগৱানৰ ওচৰত আত্মোৎসৰ্গৰ অনুভূতি আদিও প্ৰকাশ পোৱা দেখা যায়।

এনেদৰে পাশ্চাত্য আৰু ভাৰতীয় তথা অসমীয়া ভাবাদৰ্শৰ সমন্বয় সাধনৰদ্বাৰা বেজবৰুৱা আৰু তেওঁৰ সতীৰ্থসকলে যি এক প্ৰমূল্যবোধৰ পৰিচয় তেওঁলোকৰ ৰচনাৰাজিত দাঙি ধৰিছে, সি মানৱকেন্দ্ৰিক নৈতিকতাৰ আদৰ্শেৰে প্ৰোজ্জ্বল আৰু আধ্যাত্মিক ভাবনা আৰু পৰম্পৰাগত ৰীতি-নীতিৰ গৰিমাৰে মহীয়ান। নক'লেও হ'ব যে তেওঁলোকৰ এই বিশিষ্ট প্ৰমূল্যবোধৰ পশ্চাৎভূমিত যুগচেতনা আৰু বহির্মুখী নানান সংঘাত-সমস্যাৰ অস্তিত্বৰ ক্ৰিয়াশীল সুদূৰপ্ৰসাৰী। ঊনবিংশ শতিকাৰ শেষ ভাগত অসমীয়া সমাজে লাভ কৰা সামাজিক আৰু সাংস্কৃতিক ৰূপান্তৰৰ প্ৰসংগত বেজবৰুৱা আৰু তেওঁৰ সতীৰ্থসকলৰ প্ৰমূল্যবোধৰ তাৎপৰ্য গুৰুত্বপূৰ্ণ আৰু সি নিশ্চিতভাৱে নৱপ্ৰবুদ্ধ অসমীয়া জাতিৰ সমাজচিন্তাৰ পৰিচায়ক।

সমাজৰ পৰিৱৰ্তনৰ বাবেই যুগে যুগে সাহিত্যিক-কলাকাৰসকলৰ নতুন নতুন চিন্তা, আদৰ্শ আৰু সাহিত্যৰ প্ৰসংগ-প্ৰকৰণৰ প্ৰয়োজন হয়। ১৯৩৯ চনত দ্বিতীয় মহাসমৰ আৰম্ভ হয় আৰু পোনতে সি পশ্চিমীয়া দেশসমূহত অশান্তি-অস্থিৰতাৰ সৃষ্টি কৰে। পৰৱৰ্তী সময়ত এই মহাসমৰে বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে ভাৰত তথা অসমতো উদ্বেগ-অশান্তি বিয়পায়। ভাৰত তথা অসমত এই সময়তে আকৌ আৰম্ভ হয় বিয়াল্লিছৰ গণবিপ্লৱ। ফলত সমগ্ৰ দেশখনতে অশান্তি-অস্থিৰতা দুগুণে বৃদ্ধি পায়। দেশৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি দিশবোৰলৈ নানান সমস্যা-সংঘাত নামি আহিল। অৰ্থনৈতিক সংকট আৰু বয়-বস্তুৰ মূল্যবৃদ্ধিয়ে জনজীৱন জুৰুলা কৰিলে। এনেবিলাক দুৰ্যোগৰ মাজেদিয়েই ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে দ্বিখণ্ডিত হৈ ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছত আমাৰ দেশত শিক্ষাৰ প্ৰসাৰ ঘটিল। ভাৰতীয় মানুহৰ দৃষ্টিয়ে সমগ্ৰ বিশ্বৰ সমস্যাবোৰ ঢুকি পোৱা হ'ল। বৈজ্ঞানিক চিন্তাধাৰাৰ প্ৰতি ভাৰতীয়সকলৰ মনত আগ্ৰহ উপজিল। এনে সময়তে অসমীয়া সাহিত্য-জগতত *পছোৱা* আৰু *ৰামধেনু* আলোচনীৰ প্ৰকাশে সৃষ্টি কৰিলে এটি নতুন তৰংগ। *ৰামধেনুত* প্ৰকাশিত গল্প-কবিতাই পূৰ্বৰ বেজবৰুৱাকালীন সাহিত্যৰ ৰোমাণ্টিক দৃষ্টিভংগীৰ পৰিৱৰ্তে বাস্তৱমুখী আদৰ্শ গ্ৰহণ কৰিলে। মহাসমৰে সাধন কৰা প্ৰাচীন তথা পৰম্পৰাগত প্ৰমূল্যবোধৰ পৰিৱৰ্তন আৰু স্বাধীনতাৰ অব্যৱহিত পৰৱৰ্তী কালছোৱাত, সমাজ-জীৱনত দেখা দিয়া অৰ্থনৈতিক বৈষম্য, শোষণ, পীড়ন, অনাচাৰ, ভ্ৰষ্টাচাৰ আদিয়ে কবি-সাহিত্যিকসকলক ভাববিলাসিতা পৰিহাৰ কৰি বাস্তৱমুখী হোৱাত ইন্ধন যোগালে। ফ্ৰয়েডীয় মনস্তত্ত্ব আৰু মাৰ্ক্সীয় দৰ্শনেৰে কবি-সাহিত্যিকসকল প্ৰভাৱান্বিত হ'ল। এই সময়ছোৱাত ৰচিত, বিশেষকৈ গল্প-কবিতাত যৌন জীৱনৰ স্বৰূপ ফুটাই তুলিবৰ

নিমিত্তে একাংশ কবি-সাহিত্যিক যিদৰে উদ্বুদ্ধ হ'ল, সেইদৰে আন একাংশই সাম্যৰ ভিত্তিত সমাজ গঢ়াৰ আদর্শও দাঙি ধৰিবলৈ প্রযত্নৱান হ'ল। এনেদৰে *ৰামধেনুযুগীয়া* ৰচনাত বিষয়বস্তু বা ভাববস্তুৱে অভিনৱত্ব লাভ কৰাৰ লগতে তাৰ আংগিকৰো বিচিত্রতা পৰিস্ফুটিত হ'ল।

সময়ৰ পৰিৱর্তিত পটভূমিত সমাজ-জীৱনৰ মূল্যবোধ আৰু দৃষ্টিভংগীৰ কেনেদৰে পৰিৱর্তন ঘটে আৰু সচেতন কবি-সাহিত্যিকে সিবিলাক কেনেদৰে সাহিত্যত ফুটাই তোলে, সেইকথা ওপৰৰ আলোচনাৰপৰা সহজেই বুজিব পৰা যায়। এইখিনিতে উল্লেখ কৰা প্রয়োজন যে সৃষ্টিৰ বুকুত যথার্থভাৱে মূল্যবোধ আৰু দৃষ্টিভংগীৰ অভিনৱত্ব ফুটাই তুলিবলৈ সাহিত্যিকক লাগিব সমাজ-বাস্তৱৰ প্রচুৰ অভিজ্ঞতা, জীৱন সম্পর্কে স্পষ্ট আৰু সুস্থ ধাৰণা আৰু সৃজনশীল প্রতিভা। সমাজ-জীৱনৰে সৈতে সাহিত্যিকৰ প্রত্যক্ষ আৰু পৰোক্ষ সংযোগে তেওঁক দান কৰে বৈচিত্র্যপূর্ণ সমাজ বিষয়ক অভিজ্ঞতা আৰু এনে অভিজ্ঞতাক অনুভূতিৰ স্তৰলৈ উত্তোলন কৰি সৃজনশীলতাৰ কর্ষণেৰে সৃষ্টিকর্মত ব্রতী হ'লে, তেওঁৰপৰা মহৎ তথা সার্থক সাহিত্য-নির্মিত আশা কৰিব পাৰি। সাম্প্রতিক সময়ত, সর্বস্তৰৰ সচেতন পাঠকে পাবলৈ বাঞ্ছা কৰে যুগোপযোগী ৰসোত্তীর্ণ সাহিত্য।

এইটো সকলোৱে জনা কথা যে সাহিত্য এনে এবিধ সম্পদ, যাক অকল সাহিত্যিকেই সংৰক্ষণ কৰিব নোৱাৰে। ইয়াৰ বাবে প্রয়োজন এখন সহৃদয় সমাজৰ। যিখন সমাজৰ সৰহসংখ্যক লোকেই সাহিত্যৰ পঠন-পাঠনৰ যোগেদি হৃদয়-মন-মগজুৰ উৎকর্ষ সাধন কৰিব বিচাৰে, সেইখন সমাজতহে সাহিত্য সংৰক্ষিত হয়, পৰিৱর্ধিত হয়।

এখন দেশ বা এটা জাতি বা এখন সমাজৰ ৰাজনৈতিক ব্যৱস্থা আৰু অর্থনৈতিক অৱস্থাৰ ওপৰত সেইখন দেশৰ বা জাতিৰ বা সমাজৰ সাহিত্যৰ সমৃদ্ধি আৰু বিকাশ নির্ভৰশীল। ৰাজনৈতিক সুস্থিৰতা আৰু অর্থ নৈতিক স্বচ্ছলতাই কোনো এখন দেশ বা জাতি বা সমাজৰ সাহিত্যৰ সংৰক্ষণ আৰু সমৃদ্ধিত কেনেধৰণে অৰিহণা যোগায়, সেই কথা যিকোনো দেশ-জাতি বা সমাজৰ সাহিত্যৰ ইতিহাস অধ্যয়ন কৰিলেই জানিব পৰা যায়। অসমীয়া সাহিত্যৰ সমৃদ্ধি-বিকাশ-বিস্তাৰৰ বাবে আমাৰ ৰাজ্য বা সমাজখনৰ ৰাজনৈতিক ব্যৱস্থা বা অর্থনৈতিক অৱস্থা যি পৰিমাণে শক্তিশালী হ'ব লাগিছিল, সেই পৰিমাণে হোৱা নাই। এজন পাঠকে, আগ্রহ থাকিলেও মানবিশিষ্ট গ্রন্থ এখন ক্রয় কৰিব নোৱৰা, এজন লেখকে মূল্যৱান গ্রন্থ এখন প্রণয়ন কৰি প্রকাশৰ সুবিধা নাপাই হা-হুমুনিয়াহ কাঢ়ি নিৰৱ হৈ পৰা, উচ্চ মানবিশিষ্ট গ্রন্থ এখন বছৰেকত মাত্র ডেৰ-দুশ কপি বিক্রী হোৱা, পুৰণা বিশিষ্ট গ্রন্থ এখন হাতেৰে ঢুকি পোৱা অৱস্থাত নথকা আদি কথাই কিহৰ ইংগিত দিয়ে, তাক সকলোৱে অনুভৱ কৰিব পাৰে। এনেবিলাক কথা-কাণ্ড সাহিত্যৰ বিকাশ-বিস্তাৰৰ ক্ষেত্রত অন্তৰায়স্বৰূপ। এনে অন্তৰায় আঁতৰ কৰিবৰ নিমিত্তে সমাজৰ সর্বস্তৰৰ লোকেই যত্নৱান হোৱাটো বিধেয়। কিয়নো, সাহিত্যই হ'ল জাতি বা সমাজ একোখনৰ ধাৰক আৰু বাহক। এইক্ষেত্রত অৱশ্যে সাহিত্যিকসকলৰ দায়িত্ব সবাতোকৈ গধুৰ আৰু অধিক। তেওঁলোকে চিন্তাৰ স্বাধীনতা বিসর্জন নিদি, কল্যাণময় চেতনাৰে প্রবুদ্ধ হৈ সৃষ্টিকর্মত আত্মনিয়োজন কৰি তাৰ জৰিয়তে সাহিত্যিক জাগৰণ ঘটাবলৈ যত্ন কৰিব লাগিব। তেতিয়া আমাৰ ৰাজ্য তথা সমাজখন 'অমৃত আলোকময়' হোৱাৰ লগতে অসমীয়া সাহিত্যৰ বিকাশ বিস্তাৰৰ পথো হ'ব পৰিষ্কাৰ। ■

**পাদটীকা ঃ**

১। সুমন্ত চলিহা; *আধুনিক অসমীয়া শব্দকোষ*, পৃঃ ৫৩৭

২। ত্রৈলোক্যনাথ গোস্বামী; *সাহিত্য আলোচনা*, পৃঃ ৩১

৩। প্রদ্যুৎ সেনগুপ্ত; *বাংলাৰ সামাজিক জীবন ও নাট্য সাহিত্য*, পৃঃ ১০

৪। যোগেশ্বৰ শর্মা; *কালিদাসৰ প্রতিভা*, পৃঃ ২৩৩

৫। মনোৰঞ্জন শাস্ত্রী; *সাহিত্য দর্শন*, পৃঃ ২৭

৬। নবীনচন্দ্র শর্মা সম্পা. 'অধিসমীক্ষা', *পদ্মপুৰাণ*, পৃঃ ৪৪০

৭। দিলীপ বৰুৱা; 'বেজবৰুৱাৰ সাহিত্য দর্শন'; চন্দ্রপ্রসাদ শইকীয়া সম্পা. *লক্ষীনাথ বেজবৰুৱা*, পৃঃ ২১

৮। উক্ত প্রবন্ধ, পৃঃ ২২

# সমাজ, সামাজিক সংকট আৰু আমাৰ দায়বদ্ধতা

**হিতেশ্বৰ দাস**
*প্ৰাক্তন ছাত্ৰ, শুংবুংমাংসং মহাবিদ্যালয়*

ব্যক্তিৰ সমষ্টিয়ে সমাজ। সাদৃশ্য আৰু ঐক্যতাৰ অনুভৱ হ'ল সংগঠিত সমাজ গঠনৰ প্ৰাথমিক চর্ত। সমাজৰ প্ৰাথমিক গোট পৰিয়ালৰপৰা ৰাষ্ট্ৰলৈকে সৰু-বৰ প্ৰান্তীয়, ৰাষ্ট্ৰীয়, আন্ত-ৰাষ্ট্ৰীয় পর্যায়ৰ সকলোবোৰ সামাজিক অনুষ্ঠানেই এনে এক অনুভৱৰ মাজেৰেই গতিশীল হৈ থাকে, ভাষা, ধর্ম, কর্ম ভেদে সমাজে স্বকীয় পৰিচয় বহন কৰে।

অলপ মন কৰিলেই বুজিব পাৰি পশু-পক্ষী, পোক-পতংগৰো একো একোখন সমাজ আছে। ইহঁতে জাক পাতি ঘূৰে, শত্ৰুৰ আক্ৰমণৰ মুখামুখি হয়, বিপদৰ গোন্ধ পালেই ইটোৱে সিটোক সচেতন কৰে। কিন্তু ইহঁত স্বাভাৱিক প্ৰবৃত্তি ইন্দ্ৰিয়জ ক্ষুধাৰ বশৱর্তী। ক্ষুধা নিবৃত্তিত শক্তিয়েই প্ৰাধান্য বিস্তাৰ কৰে। অর্থাৎ " যোৰ জাৰ মূলক তাৰ" " Might is Right" । পশু প্ৰবৃত্তিৰ প্ৰধান্য থকা মানুহৰ সমাজতো একে কথাই খাটে। প্ৰাক্ ঐতিহাসিক কালত মানৱ সমাজৰ চৰিত্ৰও এনে ধৰণৰেই আছিল। কিন্তু বিৱর্তনৰ মাজেৰে আগবঢ়া মানুহে নিজৰ প্ৰবৃত্তিক নিয়ন্ত্ৰিত কৰি সামাজিক নিয়ম-কানুনৰ সৃষ্টি কৰিলে। মানুহৰ আচাৰ-আচৰণত পৰিৱর্তন আহিল। মানুহ সুখ-স্বচ্ছন্দ্যপূর্ণ জীৱন আৰু প্ৰাকৃতিক ৰহস্য ভেদৰ মানসিক তাড়নাই মানুহৰ বিকাশৰ পথ মুকলি কৰিলে, ঢাপে-ঢাপে মানুহ আগবাঢ়িল, এটা সময়ত মানুহে মানুহৰ আদিম যুগটোক নিষ্ঠুৰৰূপে চিহ্নিত কৰিলে। সংগঠিত হোৱাৰ প্ৰৱণতা মানুহৰ আদিম প্ৰৱণতা। আদিম অ-সংগঠিত মানৱ সমাজ বংশগত সাদৃশ্যৰ ওপৰত ভিত্তি কৰিয়েই সংগঠিত হ্বলৈ শিকিছিল। কাৰণ প্ৰকৃতিৰ প্ৰতিকূল অৱস্থাৰ মাজত মানুহ আছিল অসহায়। মানুহৰ মনত জাগি উঠিছিল আত্মৰক্ষাৰ প্ৰৱণতা। সেয়েহে অনুকূল পৰিৱেশৰ সন্ধান আৰু খাদ্য সংগ্ৰহৰ উদ্দেশ্যে সমগ্ৰ মানৱ সমাজ ক্ষুদ্ৰ ক্ষুদ্ৰ দলত বিভক্ত হৈ ঘূৰি ফুৰিছিল। অৱশ্যে এনেদৰে ঘূৰি ফুৰা দলবোৰৰ মাজত পূর্ব পৰিচয় নাছিল। দলবোৰৰ খাদ্য সংগ্ৰহ, হিংস্ৰ জন্তু আৰু অইন অপৰিচিত খাদ্য সংগ্ৰহকাৰী দলবোৰৰ লগত সংঘর্ষ কৰাই আছিল মুখ্য কাম। এই সংঘর্ষৰ মাজেৰেই দলবোৰৰ মাজত সম্পর্ক স্থাপন হৈছিল। দলসমূহৰ মাজত অভিজ্ঞতা, খাদ্যৰ আদান-প্ৰদান আৰু বৈবাহিক সম্পর্কৰ মাজেৰে বহলভিত্তিক সমাজৰ ভেটি ৰচনা হৈছিল। আনহাতে মানুহে খাদ্য সংগ্ৰহৰ বিপৰীতে খাদ্য উৎপাদনৰ জ্ঞান লাভ কৰাৰ পিছত মানুহৰ সমাজত শ্ৰম বিভাজনৰ সূচনাও হৈছিল। শ্ৰম বিভাজনে শ্ৰেণী বিভাজন, শ্ৰেণী বিভাজনে শ্ৰেণী সুৰক্ষা চিন্তাৰ জন্ম দিলে। ইয়াৰ পূর্বে ভাব বিনিময়ৰ মাধ্যমৰূপে সৃষ্টি হোৱা ভাষা, প্ৰকৃতিৰ নিয়ন্তা ৰূপে অতিন্ত্ৰীয় শক্তিৰ কল্পনা আৰু এই কল্পনাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা আচাৰ-অনুষ্ঠান-বিশ্বাস যিয়ে 'ধর্ম' বুলি পৰিচিত হ'ল, সেই ধর্ম আৰু অর্থনৈতিক শ্ৰেণীবিন্যাসৰ আধাৰত জটিল সামূহিক সম্পর্কৰ প্ৰয়োজনত সামাজিক অনুষ্ঠান গঢ় লৈ উঠিল। আজিৰ সমাজ ব্যৱস্থাত ভিন ভিন লক্ষ্য উদ্দেশ্যত গঢ় লৈ উঠা আর্থ-সামাজিক অনুষ্ঠানসমূহৰো আধাৰ এয়াই।

মানৱ সমাজ, সভ্যতাৰ একো একোটি স্তৰ পূর্ববর্তী স্তৰৰ ওপৰত আধাৰিত স্থাপত্য কর্ম, কলা, সংস্কৃতি হ'ল একো একোটি স্তৰ, নির্দিষ্ট সময় (যুগ) বা সভ্যতাৰ নিদর্শন। মাত্ৰ মানুহৰ জীৱনৰ ৰুচি-অভিৰুচি, আচাৰ-আচৰণ, চিন্তা, জ্ঞান-বিজ্ঞান এই স্থাপত্য কর্ম আৰু কলাই সামৰি লয়। আদিম মানৱে বাস কৰা গুহাবোৰ, ৰজাদিনীয়া ৰাজকাৰেং, ৰাজপ্ৰসাদবোৰ 'ধর্ম'ৰ খুঁটি স্বৰূপ মঠ মন্দিৰ সংঘবোৰ সময়, সমাজ জীৱন তথা সভ্যতাৰ নিদর্শন, আচাৰ-আচৰণ, চিন্তা-জ্ঞান-বিজ্ঞানৰ প্ৰকাশ। মানৱ জীৱনৰ মহত্ত্বৰ সাধনা আৰু সামাজিক সম্পর্কৰ জটিলতাই সৃষ্টি কৰা অসন্তুষ্টিয়ে কোনো এক সময়ৰ সমাজ, ৰুচি-অভিৰুচি আৰু চিন্তাৰ সলনি ঘটায়। এইদৰে প্ৰাচীন যুগৰ চিন্তাত জোৱাৰ উঠি যুগৰ সলনি হ'ল। মানুহে মাধ্যযুগক আদৰি ললে। মধ্যযুগৰ সমাজ ব্যৱস্থা, চিন্তা-দর্শনতো পৰিৱর্তন আহিল। মানুহে আধুনিকতাক সাবটি ল'লে। আনহাতে আধুনিকতাৰ অসন্তুষ্টিৰ বুকুত উত্তৰ আধুনিক চিন্তাই পোখা মেলিলে।

অষ্টাদশ শতিকাৰ প্ৰমূল্য আৰু চিন্তাধাৰাই আধুনিকতাৰ ভেটি নির্মাণ কৰিছিল। এনে চিন্তাৰ বাটকটীয়া হিচাপে ডেকার্ট, ভল্টেয়াৰ, ডিডাৰ, লিবনিজ, ইমানুৱেল কাণ্ট, ফ্ৰান্সিছ বেকন, জন লক আদিৰ নাম উল্লেখ কৰা হয়। অষ্টাদশ শতিকাৰ ইউৰোপৰ প্ৰধান দর্শন আছিল যুক্তি আৰু প্ৰগতিক যুক্তি, বিজ্ঞান আৰু প্ৰগতিয়ে মানুহৰ মনৰ কু-সংস্কাৰ, অন্ধবিশ্বাস, সামাজিক দুদর্শা দূৰ কৰিব বুলি বিশ্বাস কৰা হৈছিল। এনে যুক্তিজ্ঞানৰ আধাৰতে প্ৰগতিৰ সপোন ৰচনা হৈছিল। ব্যক্তিস্বাতন্ত্ৰ্যই গুৰুত্ব পাইছিল। এই চিন্তাই প্ৰযুক্তি, ঔদ্যোগিক বিপ্লৱ, অর্থনৈতিক বিকাশ, পুঁজিবাদ, সাম্ৰাজ্যবাদ আদিৰ বাবে পথ প্ৰশস্ত কৰিছিল।

বিজ্ঞান প্ৰযুক্তিৰ সহায়ত অষ্টাদশ শতাব্দীৰ শেষ আৰু ঊনবিংশ শতাব্দীৰ আগভাগত ইংলেণ্ডত শিল্প বিপ্লৱৰ সূচনা হয়। মার্কিন যুক্তৰাষ্ট্ৰও এইক্ষেত্ৰত পিছ পৰি নাথাকিল। বৃহৎ বৃহৎ উদ্যোগ স্থাপন হোৱাৰ লগে লগে উদ্যোগত আগবঢ়া ৰাষ্ট্ৰসমূহে বজাৰ দখলৰ প্ৰতিযোগিতাত নামি পৰিল। বজাৰৰ স্বার্থত সম্ৰাজ্য বিস্তাৰৰ প্ৰয়োজনীয়তাইও দেখা দিলে। সেয়েহে পুৰণা ভাগি-ছিগি যাব ধৰা সাম্ৰাজ্যৰ ঠাইত নব্য-সম্ৰাজ্যৰ পাতনি মেলা হ'ল। এই ব্যৱস্থাৰ

জৰিয়তে ধনী দেশবোৰে উন্নয়নশীল আৰু অনুন্নত দেশসমূহৰ ৰাজনীতি, অর্থনীতি, সাহিত্য, সংস্কৃতি আদি সকলো বিষয় নিজ দেশৰপৰাই নিয়ন্ত্রণ কৰি আধিপত্য বজাই ৰাখে আৰু এনে আধিপত্য বজাই ৰখাৰ স্বার্থতে অত্যাধুনিক মৰণাস্ত্রৰ নির্মাণ প্রসাৰিত হ'ল, ব্যক্তিগত পুঁজিৰ বিনিয়োগ বাঢ়িল। বিশ্বায়নৰ কৱলত থলুৱা শিল্পকলা মৃত্যুমুখী হ'ল, বহুজাতিক কোম্পানীসমূহে বজাৰৰ স্বার্থত আধুনিক প্রযুক্তিৰ সহায়ত সামাজিক ৰীতি-নীতি, আইন-কানুন ভাঙি আদিম বর্বৰ অৱস্থালৈ ঘূৰি যোৱাৰ বাবে মানুহক প্রলুব্ধ কৰিলে। যুগযুগ ধৰি মানুহে চলাই অহা মানৱীয় প্রমূল্যৰ উত্তৰণৰ সাধনাৰ ফল ভোগসর্বস্ব সমাজত বিক্রী নোহোৱা পণ্যৰূপে পৰিগণিত হ'ব ধৰিছে। ক্ষুদ্র ক্ষুদ্র জাতি-জনগোষ্ঠী, ৰীতি-নীতি পৰম্পৰাক তুচ্ছ-তাচ্ছিল্য কৰি বজাৰ কেন্দ্রিক সংস্কৃতি বিয়পি পৰিল। আধুনিকতাৰ ভেটিত মানৱ মহত্ত্বৰ এনে এক বিপর্যয়ৰ মাজত উত্তৰ আধুনিক মতবাদে আধুনিকতাৰ বিফলতাসমূহলৈ লক্ষ্য কৰি আধুনিক যুক্তিজ্ঞান আৰু প্রগতিৰ ধাৰণাকে নাকচ কৰে। ইয়াৰ বিপৰীতে ক্ষুদ্র ক্ষুদ্র জনগোষ্ঠীসমূহৰ ক্ষুদ্র ক্ষুদ্র বিশ্বাস আদিয়ে এনে চিন্তাত গুৰুত্ব লাভ কৰে যিবোৰে সার্বজনীনতা দাবী নকৰে। ক'ব পাৰি বৃহৎ বৃত্তৰ মাজত ক্ষুদ্র ক্ষুদ্র বৃত্তৰ পৰিচয় বিলীন কৰি দিয়াৰ পৰিৱর্তে ক্ষুদ্র ক্ষুদ্র বৃত্তসমূহৰো স্বকীয় পৰিচয় বর্তাই ৰখাটোৱে হ'ল উত্তৰ আধুনিক চিন্তাৰ দাবী, সম্প্রতি অস্তিত্ব আৰু অধিকাৰৰ প্রশ্নত উত্তৰ-পূর্বাঞ্চলৰ সৰু সৰু গোষ্ঠীবোৰ একত্রিত হৈ ডাঙৰ গোষ্ঠীত পৰিণত হোৱাৰ প্রৱণতাৰ বিপৰীতে বৃহৎ গোষ্ঠী বিভাজিত হৈ ক্ষুদ্র ক্ষুদ্র গোষ্ঠীত ভাগ হোৱাৰ খবৰ এনে চিন্তাৰ বাস্তৱ ভিত্তি নির্ণয় কৰে। (দৈনিক অসম, ২ জুন ২০১৩)

বিশ্ব বাণিজ্য আৰু সাংস্কৃতিক বিশ্বায়নৰ প্রভাৱ আমাৰ জীৱন, জীৱিকা, সংস্কৃতিৰ ওপৰতো পৰিছে। বিজ্ঞান প্রযুক্তিৰ হাত ধৰি বজাৰত উভৈনদী হৈ পৰা ভোগ্য বস্তু অথবা ব্যৱহৃত সামগ্রী বিক্রীৰ স্বার্থত উপভোক্তা সৃষ্টি কৰাই এই সংস্কৃতিৰ লক্ষ্য। ৰাষ্ট্র শক্তিৰ সহযোগত ব্যক্তিগত সম্পদ বৃদ্ধিৰ স্বার্থ

পূৰণ কৰা এই সাংস্কৃতিক বিশ্বায়নৰ সমুখত উত্তৰণৰ পথে আগবঢ়া থলুৱা লোক-সংস্কৃতি জীৱন দর্শন বিপন্ন। লোক সংস্কৃতিৰ প্রতীক স্বৰূপ কুটীৰ শিল্পসমূহো মৃতপ্রায়। ভূমিৰ অধিকাৰকে ধৰি প্রাকৃতিক সম্পদ সংগ্রহৰ অধিকাৰ আৰু সমাজ নিয়ন্ত্রণৰ ক্ষমতাত একচেটীয়াভাৱে বৃহৎ পুঁজিপতিৰ হাতলৈ হস্তান্তৰ হ'ব ধৰিছে। দেশ অথবা জাতিয়ে প্রগতি আৰু উন্নয়ন বিচাৰি ক্রমে ক্রমেবৃহৎ উদ্যোগপতি অথবা বাণিজ্য কোম্পানীৰ নিয়ন্ত্রণলৈ যাব ধৰিছে। এনে এক অৱস্থাত সামাজিক সংগঠনসমূহৰ কাম কি? দর্শন কি?

সামাজিক গোট ধর্মানুষ্ঠান, ক্লাব, সংঘ আদি সৃষ্টিৰ মুহূর্তত লক্ষ্য-উদ্দেশ্য নির্ধাৰণ কৰি লোৱা হয়। লক্ষ্য উদ্দেশ্যই কর্মৰ পৰিধি স্থিৰ কৰে। গোটেই কর্মৰ পৰিধি বাঢ়ি যোৱাৰ অর্থ হ'ল ব্যক্তি গোটৰ ওচৰত অধিক নির্ভৰশীল হোৱা। এনে এক সময় আছিল যিটো সময়ত ৰাজহুৱা পথ, নলা-নর্দমা নির্মাণ, পুখুৰী খন্দা, কুঁৱা খন্দা, শিক্ষানুষ্ঠান পতা, বিবাদ মীমাংসা কৰা আদি কামবোৰ স্থানীয় অনুষ্ঠানসমূহেই কৰিছিল। লোকশিল্প কলাবোৰ গুৰি ধৰিছিল। সেয়েহে ব্যক্তি এনে অনুষ্ঠানসমূহৰ ওচৰত নির্ভৰশীল হ'ব লগা হৈছিল। নির্ভৰশীলতাৰ বাবে ব্যক্তিৰ আচাৰ-আচৰণ সামূহিক বান্ধোনৰ নিয়ন্ত্রণাধীন আছিল। কিন্তু ৰাষ্ট্রই (বৃহৎ সামাজিক গোট) এনেবোৰ কাম কৰিবলৈ লোৱাৰ লগে লগে স্থানীয় অনুষ্ঠানসমূহৰ কর্মৰ বিস্তৃতি ক্রমে ক্রমে কমিল। লগে লগে যেন সামাজিক দায়বদ্ধতা আৰু সামাজিক নিয়ন্ত্রণো সংকুচিত হ'ল। ব্যক্তি আৰু স্থানীয় সামাজিক গোটসমূহ হৈ পৰিল ৰাষ্ট্রনির্ভৰ।

স্থানীয় সামাজিক সংগঠনসমূহৰ দায়বদ্ধতা স্ব-নির্ধাৰিত, আনহাতে ৰাষ্ট্রৰ দায়বদ্ধতা আৰোপিত। সামূহিক কল্যাণৰ দর্শনৰ ভেটিত সামাজিক দায়বদ্ধতা নির্ধাৰিত হয়। এনে দর্শনৰ আধাৰত স্ব-নির্ধাৰিত দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰিব পৰা বা কর্মৰ ধাৰাৱাহিকতা বজাই ৰখাৰ ওপৰতে সংগঠনসমূহৰ অস্তিত্ব বর্তি থাকে। এনে সংগঠনসমূহক জনগণে জনগণৰ স্বার্থত বর্তাই ৰাখে। এনে ভাৱে সংগঠনসমূহক বর্তাই ৰাখিবলৈ সংগঠনৰ সংগঠকসকল জনগণৰ প্রতি অধিক দায়িত্বশীল হ'ব লাগে। সংগঠকসকলৰ ত্যাগৰ মনোভাব, ৰুচিসম্মত আচাৰ-আচৰণ, উদ্দেশ্য আৰু লক্ষ্যত উপনীত হোৱাৰ সহজ প্রচেষ্টাই জনগণৰ মাজত আস্থাৰ ভাব সৃষ্টি কৰে। আস্থাই সুস্থিৰ বাতাৱৰণ, সুস্থিৰ বাতাৱৰণে সুস্থিৰ চিন্তা, সুস্থিৰ চিন্তাই সুচিন্তিত কর্মৰ বাট মোকোলায়। কোনো অনুষ্ঠানে যেতিয়া নির্ধাৰিত কার্যসূচী ৰূপায়ণৰ বাবে জনগণৰ আস্থাৰ ভেটি এৰি দুষ্কৃতিৰ পথেৰে আগবাঢ়ে তেতিয়া আস্থাৰ বাতাৱৰণত যতি পৰে। এনে সামাজিক গোটে সামাজিক অস্থিৰতাৰ সৃষ্টি কৰে। এই অস্থিৰতাৰ মাজত লুকাই থাকে মানুহৰ আদিম বর্বৰ অৱস্থালৈ ঘূৰি যোৱাৰ প্রৱণতা।

প্রলোভন, ঠগ-প্রৱঞ্চনা, ব্যক্তি-জীৱনৰ নিষ্ঠুৰ আচৰণ আদিয়ে দুষ্কৃতিক প্রকাশ কৰে। এনে দুষ্কৃতি বিনাশৰ বাবেই যুগে যুগে যুগপুৰুষসকলে চেষ্টা চলাই আহিছে। যুগপুৰুষৰ চেষ্টাত 'ধর্ম'ও সংস্কাৰ হৈছে। মানুহ হৈছে সংস্কৃতিৱান। মানুহে মানুহৰ মনত সাজিছে সংস্কৃতিৰ বৰ ঘৰ। সংস্কৃতিৰ বৰ ঘৰক মানুহে জীপাল কৰি ৰাখে। সেয়েহে মানুহৰ মনৰ আদৰ নেওচি প্রলোভনৰ ধনৰে বৰ ঘৰৰ বস্তি নজ্বলে। ঠগ-প্রৱঞ্চনা, নিষ্ঠুৰ আচৰণ বহু দূৰত, কিন্তু মানুহৰ মনত থূপ খোৱা উদাসীনতাৰ সুযোগত সংস্কৃতিৰ বৰ ঘৰত দুষ্কৃতিয়ে ঠাই ল'লে বুজিব লাগিব সংস্কৃতিৰ ভেটিও উছন হোৱাৰ বাট মুকলি হ'ল। ইয়াৰে পটন্তৰ ভাৰতীয় ইতিহাসত বৌদ্ধ সংঘসমূহে ৰাখি থৈছে। ভয় হয় বাহু-বিচাৰ নোহোৱাকৈ বজাৰ সৃষ্টিৰ বাবে সৃষ্টি কৰা সাংস্কৃতিক বতাহৰ দিশে বাট বুলিলে হয়তোবা আমিও এনে এক অনাকাংক্ষিত অৱস্থাতে উপস্থিত হ'ম। কাৰণ ব্যক্তিগত পুঁজি নিয়ন্ত্রিত আধুনিক গণ সংযোগ ব্যৱস্থাই ইয়াৰ বাবে পথ সুগম কৰিছে।

আগতেই উল্লেখ কৰিছো যে সার্বভৌম সামাজিক শক্তি ৰাষ্ট্রৰ কামৰ পৰিসৰ বৃদ্ধি হৈছে। ৰাষ্ট্রৰ কাম-কাজ পুলিচি চৰিত্রতে আবদ্ধ হৈ থকা নাই। ই কল্যাণকামী চৰিত্রও গ্রহণ কৰিছে। আজিৰ ৰাষ্ট্র আন্ত অথবা বহিঃ, ব্যক্তিগত অথবা ৰাষ্ট্রীয় পুঁজিৰদ্বাৰা নিয়ন্ত্রিত। দেশৰ আইন-কানুন ৰচনা কৰোতে এই পুঁজিৰ স্বার্থ সুৰক্ষাৰ বিষয়টোৱে সর্বাধিক গুৰুত্ব পায়। ইয়াৰ ফলত ৰাষ্ট্রৰ চৰিত্রও পুঁজিকেন্দ্রিক হ'ব ধৰিছে। ভাৰতবর্ষই সমাজবাদী চৰিত্র এৰি পুঁজিবাদী ৰূপ লৈছে। আনকি

সমাজবাদী ৰাষ্ট্ৰবোৰেও সমাজবাদী চৰিত্ৰ বৰ্তাই ৰাখিবলৈ কঠোৰ সংগ্ৰাম কৰিব লগা হৈছে। ব্যক্তিগত পুঁজি বৃদ্ধিৰ স্বাৰ্থত সাহিত্য, শিল্প, সংস্কৃতিৰ পথাৰতো পুঁজিৰ বিনিয়োগ ঘটিছে। ব্যক্তিগত পুঁজি নিয়ন্ত্ৰিত শিল্পকৰ্মত পুঁজিপতিৰ স্বাৰ্থৰ প্ৰকাশ ঘটিছে। উচ্চ সামাজিক মূল্যবোধৰ মূল্য যেন নোহোৱা হৈছে। জনগণৰ জীৱন জীৱিকাক ভিত্তি কৰি গঢ় লৈ উঠা লোক-সংস্কৃতিৰ স্থান পুঁজি কেন্দ্ৰিক সামাজিক দায়িত্ববোধহীন পণ্য সংস্কৃতিয়ে দখল কৰিছে। এনে এক অৱস্থাত সাহিত্য-শিল্প-সংস্কৃতিৰ পথাৰত কাম কৰা স্থানীয় সংগঠনসমূহৰ দায়িত্ব বৃদ্ধি হৈছে। কিয়নো এনে সংগঠনসমূহৰ মাজেৰেই জনগণৰ জীৱন আৰু জীৱনৰ আশা আকাংক্ষাৰ প্ৰতিফলন ঘটে।

ধৰ্ম, সাহিত্য, সংস্কৃতি, শিক্ষা, সাংবাদিকতাৰ পথাৰত খোজ দিয়া লোকসকলক সাধাৰণ জনতাই শ্ৰদ্ধাৰ চকুৰে চায়। এইসকল লোকে সমাজৰ দিক্ নিৰ্ণয় কৰে। সেয়েহে এইসকল লোক গণ-সংগঠকো। সেই হিচাপে কাম কৰোতে স্বাভাৱিকভাৱেই এইসকল লোকৰ সামাজিক দায়বদ্ধতা বাঢ়ি যায়, কেতিয়াবা কেতিয়াবা এনে একোজন লোক একো একোটা অনুষ্ঠান হৈ পৰে। সেয়েহে জনগণে সেইসকল লোকৰ আচাৰ-আচৰণ, চাল-চলন অনুকৰণ কৰে। কিন্তু কেতিয়াবা কেতিয়াবা জনতাই ভাল-বেয়াৰ বিচাৰ-বিবেচনাত ভুল কৰে। ইয়াৰ সুযোগ লয় ধন, যশস্যা আৰু প্ৰতিষ্ঠাৰ পিছত ঘুৰা এচাম সুযোগ-সন্ধানীয়ে। এইসকল লোকে সমাজ ৰচনাৰ কামত আত্মনিয়োগ নকৰে, এনে লোকৰ ব্যক্তিগত জীৱনৰ আচাৰ-আচৰণ আৰু সামাজিক জীৱনৰ মাজৰ পাৰ্থক্যও বহু বেছি। ত্যাগৰ নমুনা কম। এনে লোকৰ হাতত সামাজিক দায়িত্ব ন্যস্ত হ'লে সমাজে দিক্ হেৰুৱায়।

সাধাৰণতে আমি সমাজৰ দায়িত্ব ন্যস্ত কৰাৰ সময়ত ব্যক্তিৰ দক্ষতাৰ দিশটোক সৰ্বাধিক গুৰুত্ব দিওঁ, এনে অৱস্থাত সামাজিক দায়বদ্ধতাৰ দিশটো তল পৰে। কিন্তু মন কৰিবলগীয়া কথা হ'ল কোনো এজন লোকৰ দক্ষতা সামাজিক দায়বদ্ধতাৰ পৰিচায়ক নহ'বও পাৰে। এজন লোক দক্ষ শিল্পী হ'ব পাৰে, দক্ষ ৰাজনৈতিক নেতা হ'ব পাৰে, দক্ষ চিকিৎসক হ'ব পাৰে, ভাল তত্ত্বজ্ঞ হ'ব পাৰে কিন্তু তেওঁৰ কাম-কাজত সামাজিক দায়বদ্ধতাৰ ভাৱনা নাথাকিবও পাৰে। সামাজিক দায়বদ্ধতাৰ দিশটো ব্যক্তিৰ আচাৰ-আচৰণ, কথা-বাৰ্তা আৰু ব্যক্তিজনে সামাজিক সমস্যাৰ সময়ত গ্ৰহণ কৰা স্থিতিয়ে প্ৰকাশ কৰে। সামাজিকভাৱে দায়বদ্ধহীন সুযোগ-সন্ধানীয়ে খাটি খোৱা মানুহৰ আৱেগৰ গইনা লৈ নেতৃত্বকেন্দ্ৰিক বিভাজনৰ মাজেৰে সুযোগ গ্ৰহণ কৰে। সেয়েহে সামাজিক দায়িত্ব ন্যস্ত কৰোতে বা জন-প্ৰতিনিধি নিৰ্বাচন কৰোতে আমি উদাসীন হৈ চলিলে নহ'ব।

অতি ব্যক্তিকেন্দ্ৰিক প্ৰৱণতা আৰু সামূহিক উদাসীনতাৰ ফল আমি বাৰুকৈয়ে ভুগিছো। আমাৰ উপৰি-পুৰুষে সজা আমাৰ বাট-পথবোৰ ঠেকি ঘৰ-দুৱাৰ সজা দেখিছো। ঠাই বিশেষে আলি-পদূলিবোৰত ডাষ্টবিন হোৱাও দেখিছো, উঠি অহা প্ৰজন্মৰ সমুখত আপোনজনে ধৰ্ম, জাতীয় সংস্কৃতিৰ নামত জুৱা খেল পতাও দেখিছো আৰু দেখিছো সুৰাৰ দোকানবোৰ। আমি আমাৰ অনেক জন বিপথে যোৱা দেখিছো আৰু অনেকক অকালতে হেৰুৱাইছো, তথাপিও যেন আমাৰ সামূহিকভাৱে কৰিবলগীয়া একো নাই।

এনে এক ভাবেৰে মৌন হৈ ৰৈ আছো। এই মৌনতা যেন সামূহিক অনুমোদনৰ চিন। সামূহিক সহযোগিতাৰ অভাৱত কতকৰ ভাৱনাৰ ডেউকা ভাগিল। শিল্প-সংস্কৃতি যোৱাৰ উপক্ৰম হ'ল, হয়তোবা ভেটি মাটিও যাব আৰু এনে এটা দিন আহিব যিটো দিনত বিনিময় নহ'লে সুখ-দুখৰ খবৰ ল'বলৈকো কোনো নাথাকিব। হয়তো মানুহ গঢ়াৰ কমাৰশাল, ভাৱনাৰ উচ্চ পীঠসমূহো পণ্য উৎপাদনৰ কাৰখানা বুলিহে বিবেচিত হ'ব। কথাবোৰ ভাবি চাবৰ প্ৰয়োজন কিজানিঙ্গ কাৰণ ব্যক্তি বা অনুষ্ঠানৰ মূল্য নিৰূপণ সময়ৰ জোখত নহয় কামৰ জোখতহে হয়।

মানৱ সমাজৰ প্ৰগতিয়ে মানৱ সমাজৰ সমুখত আজি যি সংকট সৃষ্টি কৰিছে সেই সংকটৰ পৰিপ্ৰেক্ষিতত আমাৰ কাম কি হ'ব সেয়াও নিৰ্ণয় কৰিব লাগে। কাম হ'ব লাগে সামূহিক মংগলৰ উৎকৰ্ষ সাধনৰ নিমিত্তে, বিজ্ঞান আৰু প্ৰযুক্তিৰ সুফল আৰু সামূহিক প্ৰকৃতিজাত সম্পদ ব্যক্তিগতকৰণৰ বিপক্ষে। কাম হ'ব লাগে সংস্কাৰৰ— সংস্কাৰ ভোগবাদী মানসিকতাৰ। কাৰণ আমি মানুহৰ নঙঠা যুগলৈ উভতি যাব নোখোজো, সেয়েহে গ্ৰামীণ জনতাই গ্ৰাম্য ভূমি আৰু থলুৱা শিল্প সংস্কৃতিৰ সুৰক্ষা নিশ্চিত কৰিব লাগিব। ইয়াৰ বাবে আগভাগ ল'ব লাগিব সমাজৰ নমস্য ব্যক্তি আৰু সামূহিক অনুষ্ঠানসমূহে। এই ক্ষেত্ৰত আড়ম্বৰহীনতা, আধিপত্যৰ ভাব বৰ্জন আৰু স্ব-নিৰ্ভৰশীল আদৰ্শ কাৰ্যসিদ্ধিৰ বাবে মহৎ উপায় হ'ব পাৰে।■

# কেইআষাৰমান যোগাত্মক কথা

**দেৱকান্ত সন্দিকৈ**

শোধনাগাৰবিলাকত খাৱৰা তেল শোধন কৰা হয়। খাৱৰা তেলবোৰ মাটিৰ তলৰপৰা যথেষ্ট লেতেৰা হৈ ওলায়। তাত বহুত অলাগতিয়াল বস্তু মিহলি হৈ থাকে। শোধনাগাৰত সেই অলাগতিয়াল লেতেৰা বস্তুবোৰ আঁতৰাই বিভিন্ন প্ৰকাৰৰ ইন্ধন প্ৰস্তুত কৰা হয়। পেট্ৰল, ডিজেল, কেৰাচিন, পেৰাফিন ইত্যাদি। ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰা এই বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়খনো এটা শোধনাগাৰ, মানৱ শোধনাগাৰ। আচলতে প্ৰাথমিক বিদ্যালয়ৰপৰা আৰম্ভ কৰি মানৱ সমাজ এখনত থকা সকলো ধৰণৰ বিদ্যালয়, মহাবিদ্যালয় বা বিশ্ববিদ্যালয়বোৰ একো একোটা মানৱ শোধনাগাৰৰ বাহিৰে আন একো নহয়। এই মানৱ শোধনাগাৰবিলাকতে মানুহৰ প্ৰবৃত্তিবোৰক শোধন কৰি একোজন সভ্য সামাজিক মানুহৰূপে গঢ় দি উলিওৱা হয়। তেল শোধনাগাৰবিলাকত পেট্ৰল, ডিজেল, কেৰাচিন আদি বিভিন্ন ৰূপৰ ইন্ধন ওলোৱাৰ নিচিনাকৈ আমাৰ বিদ্যালয়ৰূপী মানৱ শোধনাগাৰবিলাকৰপৰাও বিভিন্ন ৰূপৰ মানুহ ওলায়। কোনোবাজন ডাক্তৰ, কোনোবাজন ইঞ্জিনিয়াৰ, কোনোবাজন উকীল, কোনোবাজন অধ্যাপক, কোনোবাজন বিজ্ঞানী, কোনোবাজন উদ্যোগপতি— অৰ্থাৎ তেল শোধনাগাৰে মাটিৰ তলৰপৰা ওলোৱা খাৱৰা তেল শোধন কৰি বিভিন্ন ৰূপ দিয়াৰ নিচিনাকৈ আমাৰ বিদ্যালয় বা শিক্ষানুষ্ঠানবিলাকেও মাক-দেউতাকে জন্ম দিয়া মানৱ সন্তানবোৰক শোধন কৰি সমাজৰ বাবে প্ৰয়োজনীয় বিভিন্ন দক্ষতাৰ মানুহ তৈয়াৰ কৰে। গতিকে আমি আশা কৰিম বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ মানৱ শোধনাগাৰটোৰপৰা ছাত্ৰ-ছাত্ৰীসকল পৰিশোধিত হৈ ওলাই গৈ সমাজৰ বিভিন্ন স্থান গ্ৰহণ কৰি অসমীয়া সমাজখন আগু�ৱাই নিব।

আমাৰ মাজৰে বহুতে নৱ-প্ৰজন্ম সম্পৰ্কে বৰ উচ্চ ধাৰণা পোষণ নকৰে। তেওঁলোকৰ মতে নৱ-প্ৰজন্ম মানেই উচ্ছৃংখল, সমাজৰ নীতি-নিয়ম নমনা, অধঃপাতে যোৱা এচাম ডেকা-গাভৰুঙ্গ আমি কিন্তু কেতিয়াও তেনেকৈ নাভাবো। চাউলত যেনেকৈ দুই-এটা ধান মিহলি হৈ থাকে, নৱ-প্ৰজন্মৰ মাজতো তেনেকৈ দুই-এজন উচ্ছৃংখল বিপথে যোৱা যুৱক-যুৱতী থাকিব পাৰে। কিন্তু সৰহভাগ যুৱক-যুৱতীয়েই নিষ্ঠাৰে অধ্যয়ন বা বিভিন্ন সৃষ্টিমূলক কামত মগ্ন হৈ আছে। তেওঁলোকে নিজৰ নিজৰ বিষয়ে ভালদৰে অধ্যয়ন কৰি পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছে আৰু জীৱনত প্ৰতিষ্ঠা লাভ কৰিছে। কোনোবাই সংগীত চৰ্চা কৰিছে, কোনোবাই খেল-ধেমালিত পাৰদৰ্শিতা দেখুৱাইছে, কোনোবাই সাহিত্য চৰ্চা কৰিছে, ব্যৱসায়-বাণিজ্য কৰিবলৈও আজি বহুত অসমীয়া যুৱক-যুৱতী আগবাঢ়ি আহিছে। অসমৰ বাহিৰত, ভাৰতৰ বাহিৰত অৰ্থাৎ বিদেশতো অসমীয়া যুৱক-যুৱতীয়ে নিজৰ প্ৰতিভা আৰু কৰ্মদক্ষতাৰ পৰিচয় দাঙি ধৰিব পাৰিছে। ইমানবোৰ ভাল কথা, ভাল কামৰ মাজতে কোনোবা এজনে কেতিয়াবা এটা বেয়া কাম কৰা মানেই সমগ্ৰ নৱ-প্ৰজন্ম অধঃপাতে গ'ল— এই কথা কেতিয়াও সঁচা হ'ব নোৱাৰে।

বহুতে এনেকুৱা এটা মত-পোষণ কৰা দেখা যায় যে অতীতৰ সকলো ভাল আছিল। বৰ্তমান সকলো বেয়া হ'ল। ইয়াতকৈ ডাঙৰ মিছা কথা দ্বিতীয় এটা নাই। সমগ্ৰ অতীত যুদ্ধ-বিগ্ৰহ, মৰামৰি, কটাকটি, হিংসা-দ্বেষেৰে ভৰা। আনকি, ৰামায়ণ, মহাভাৰতৰ কাহিনীও যুদ্ধ-বিগ্ৰহৰ কাহিনী, মানুহৰ লোভ-মোহৰ কাহিনী, অন্যায়-অনীতিৰ কাহিনী। তুলনামূলকভাৱে বৰ্তমানটো অতীততকৈ বহুত ভাল। অতীতকৈ বহুত বেছি সুখ-সুবিধা সম্পদৰ মাজত বৰ্তমানৰ মানুহ জীয়াই থাকিব পাৰিছে। গতিকে আমি সততে অতীতৰ কথাকে কৈ নাথাকি বৰ্তমানক লৈ গৌৰৱ কৰিব লাগে। আজি, এতিয়া এই মুহূৰ্তক লৈ গৌৰৱ কৰিব লাগে। বৰ্তমানটোক আমি সকলোৱে মিলি জ্ঞান-বিজ্ঞানেৰে, যুক্তিৰে, ন্যায়েৰে, সৌন্দৰ্যেৰে, প্ৰেমেৰে সজাব লাগে।

অৱশ্যে, বৰ্তমানত যে একেবাৰে বেয়া নাই, সেই কথাও সঁচা নহয়। বৰ্তমানতো বেয়া আছে। সেই বেয়াক আঁতৰাই বৰ্তমানটো সুন্দৰ, সুস্থ আৰু শৃংখলাবদ্ধ কৰি তোলাৰ দায়িত্ব ছাত্ৰ-ছাত্ৰীসকলৰ। শিক্ষা মানে কেৱল কিছুমান বিষয়ত জ্ঞান আহৰণ কৰি সেই জ্ঞানেৰে জীৱিকা অৰ্জন কৰিব পৰাটোৱেই নহয়। শিক্ষা মানে আমাৰ মনৰ কলুষতাখিনি ধুই-পখালি পৰিষ্কাৰ কৰা। শিক্ষা মানে আমাৰ মানৱীয় গুণবোৰৰ উৎকৰ্ষ সাধন কৰা। মনৰ সংকীৰ্ণতা দূৰ কৰা, সকলো প্ৰকাৰৰ অন্ধবিশ্বাস-কুসংস্কাৰ দূৰ কৰা। আমাৰ দৃষ্টিভংগী বহল, উদাৰ, সংস্কাৰমুক্ত, যুক্তিপূৰ্ণ, বৈজ্ঞানিক আৰু আধুনিক কৰি তোলা। ধৰ্ম আৰু ঈশ্বৰৰ ধাৰণাৰপৰা মুক্ত হৈ বিশুদ্ধ মানৱীয় গুণৰ সাধনাৰে মানুহ হোৱা।

আপোনালোকে সকলো সময়তে জীৱন আৰু জগত সম্পৰ্কে বিভিন্ন প্ৰশ্ন কৰিবলৈ সাজু হৈ থাকিব লাগিব। প্ৰশ্ন কৰিব নোৱাৰা কোনো বিষয় নাই। মানৱজ্ঞানে সকলো প্ৰশ্নৰ উত্তৰ দিব নোৱাৰিলেও, বা সকলো প্ৰশ্নৰ উত্তৰ নাথাকিলেও প্ৰশ্নবোৰ সদায় থাকিবই। মানৱ মন প্ৰশ্নময় হ'লেহে উত্তৰ সন্ধানৰ অভিযান এটা আৰম্ভ হয় আৰু

উত্তৰ সন্ধানৰ অভিযানতেই মানুহে জ্ঞান অৰ্জন কৰে, শিকে আৰু অভিজ্ঞতা লভে। আচলতে সমগ্ৰ ছাত্ৰ জীৱনটোৱেই প্ৰশ্ন আৰু উত্তৰ চৰ্চাৰ সময়।

আমি নতুন পুৰুষে নতুন সমাজ গঢ়াৰ কথা কওঁ। কিন্তু আমি যদি ঐতিহ্যৰ নামত, পৰম্পৰাৰ নামত পুৰণি একোকে এৰিব নিবিচাৰো, নতুন কেনেকৈ গঢ়িম? নতুন সমাজ গঢ়িবলৈ সমাজৰ নিয়মবোৰ নতুন হ'ব লাগিব, সমাজ শাসনৰ পদ্ধতিবোৰ নতুন হ'ব লাগিব, আমাৰ মানসিকতা, দৃষ্টিভংগী, অভ্যাস, চিন্তা-চৰ্চা তথা কৰ্মপদ্ধতি নতুন হ'ব লাগিব।

আমাৰ পূৰ্বপুৰুষসকল নিৰক্ষৰ আছিল, গতিকে নিৰক্ষৰতা আমাৰ ঐতিহ্য, ইয়াক ৰক্ষা কৰি আমিও নিৰক্ষৰ হৈ থাকিব লাগে—আমি এনেকৈ ক'ব বা ভাবিব পাৰোনে? আমাৰ সাতপুৰুষ গ'ল বাঁহ-খেৰৰ জুপুৰি ঘৰত বাস কৰি, গতিকে সাতামপুৰুষীয়া পৰম্পৰা ৰক্ষা কৰি আমিও জুপুৰি ঘৰতে থাকিব লাগে—পকাঘৰ সাজিব নালাগে—আমি এনেকৈ ক'ব পাৰোনে? গতিকে আপোনালোকে নিজৰ মনত বিচাৰ কৰি এই কথা উপলব্ধি কৰিব পাৰিলেই হ'ব যে পৰম্পৰা সদায় ৰক্ষা কৰিব লগা বস্তু নহয়। ঐতিহ্য সদায় নেৰিব লগা বস্তু নহয়। পুৰণিক নেৰিলে আপোনালোক নতুন হ'ব কেনেকৈ? গতিকে প্ৰয়োজন অনুসাৰে পৰম্পৰা এৰক, ঐতিহ্য এৰক—নতুন নিয়মেৰে নতুন বিচাৰেৰে, নতুন চিন্তা নতুন কৰ্মপদ্ধতিৰে নতুন সমাজ গঢ়ক। ধৰ্ম এৰক, মানৱতা গ্ৰহণ কৰক। ঈশ্বৰ এৰক, যুক্তি আৰু বিজ্ঞান গ্ৰহণ কৰক।

আমি ভোক বা ক্ষুধাক পৰিৱৰ্তন কৰিব নোৱাৰো। কিন্তু ভোক গুচোৱাৰ উপায়টোত পৰিৱৰ্তন সাধিব পাৰো। অৰ্থাৎ আমি আমাৰ খাদ্য অভ্যাস সলনি কৰিব পাৰো। লজ্জা নিৱাৰণৰ কাৰণে বস্ত্ৰ পৰিধান কৰাৰ প্ৰয়োজনীয়তাটোক পৰিৱৰ্তন কৰিব নোৱাৰো। কিন্তু পৰিধান কৰা কাপোৰখনৰ ডিজাইন, ৰং পৰিৱৰ্তন কৰিব পাৰো। আমি সমাজ পাতি বাস কৰিব লাগিবই, সমাজৰ আৱশ্যকতা অপৰিৱৰ্তনীয়। কিন্তু সমাজ গঠনৰ পদ্ধতি আৰু সমাজৰ নীতি-নিয়মবোৰ পৰিৱৰ্তন কৰি সময়ৰ লগত খাপ খোৱা আৰু যুক্তি সংগত কৰিব পাৰো।

আপোনালোকে সকলো কথাৰ সঁচা-মিছা নিজে বিচাৰ কৰি চাব। কোনোবাই ক'লে বুলিয়েই বা শাস্ত্ৰত লিখা আছে বুলিয়েই সকলো কথা সঁচা নহ'বও পাৰে। আনকি আমি এতিয়া কৈ থকা কথাবোৰো সঁচা নে মিছা আপোনালোকৰ নিজা বিচাৰ-বুদ্ধি আৰু উপলব্ধিৰ সহায়ত পৰীক্ষা কৰি চাব। সকলো কথা যুক্তিৰ ছেকনিত চেকিহে গ্ৰহণ কৰিব।

আপোনালোকক ক'বলৈ মোৰ আৰু বিশেষ কথা নাই। এইখিনি কথাকে মোক ক'বলৈ সুবিধা দিয়াৰ বাবে মই আপোনালোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো।

শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয় এখন জাকতজিলিকা মহাবিদ্যালয় হওক। ইয়াৰ ছাত্ৰ-ছাত্ৰীসকল একো একোজন সুনাগৰিক হৈ ওলাই গৈ সমগ্ৰ বিশ্বত বিয়পি পৰক আৰু অসমৰ নাম উজলাওক— ইয়াকে কামনা কৰিলো। শেষত সকলোলৈকে আকৌ এবাৰ নতুন বছৰৰ শুভেচ্ছা জ্ঞাপন কৰিলো।—ধন্যবাদ।■

[মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাত সন্দিকৈয়ে প্ৰদান কৰা বক্তৃতাৰ সম্পাদিত ৰূপ।— সম্পাদক]

# আধুনিক অসমীয়া সংগীত-উত্তৰণৰ কিছু দিশ

ড° অণিমা চৌধুৰী

তাহানিৰপৰাই অসমীয়া সংগীতৰ একোটা সুকীয়া লক্ষ্য, আদর্শ বা নীতি পৰিলক্ষিত হয়। অসমীয়া গীতি সাহিত্যৰ প্রাচীনতম নিদর্শন হিচাপে অষ্টম-একাদশ শতিকামানত ৰচিত চর্যাপদসমূহক ধৰা যায়। অসমীয়া জাতিৰ কর্ণধাৰ, শিল্প-সংস্কৃতিৰ পিতৃপুৰুষ শ্রীমন্ত শংকৰদেৱে সেই সময়ৰ অন্ধসংস্কাৰেৰে পৰিপূর্ণ সমাজখনক ধর্মৰ জ্ঞান দি সমাজ শুদ্ধ কৰাৰ কাৰণে ৰচনা কৰিছিল বৰগীতসমূহ। শ্রীশ্রী শংকৰদেৱ আৰু শ্রীশ্রী মাধৱদেৱ ৰচিত বৰগীত, নাটৰ গীত, ভটিমাকে ধৰি পাচালী গীতসমূহৰ মাজেদি গীতৰ পৰম্পৰা এটি সক্রিয় হৈ থকা দেখা যায়। শংকৰ-মাধৱৰ যুগ্ম প্রচেষ্টাত অসমীয়া সংগীতে এক মহিমামণ্ডিত ৰূপ পায়। শংকৰ-মাধৱে বোৱাই অনা সংগীতৰ ধাৰাৰ আদর্শৰে অনুপ্রাণিত হৈ সমসাময়িক বা পৰৱর্তী বহু বৈষ্ণৱ কবিয়ে গীত ৰচনা কৰিলে। এইবোৰ থলুৱা ঐতিহ্যপূর্ণ গীতৰ লগত মাজে-সময়ে বাহিৰৰ উপাদানৰো প্রৱেশ ঘটা বুলি প্রমাণিত হৈছে। এনেধৰণৰ গ্রহণ, পৰিৱর্তন আৰু পৰিৱর্দ্ধনৰ মাজেৰে অসমীয়া গীতে নিজৰ বৈশিষ্ট্য ৰক্ষা কৰি বর্তমানৰ অৱস্থা পাইছেহি।

ঊনবিংশ শতিকাত অসমৰ ৰাজনৈতিক বিপর্যয়ৰ কালছোৱাত অসমৰ গীত-মাত, সাহিত্য-সংস্কৃতিৰ জগতখনলৈ যেন এন্ধাৰ নামি আহিছিল। মানৰ আক্রমণৰ পিছত বদন বৰফুকন বা মণিৰাম দেৱানক লৈ দুই-এটা গীত ৰচনা কৰা হৈছিল যদিও সাধাৰণ গীতৰ ক্ষেত্রত বিশেষ উল্লেখযোগ্য সৃষ্টি পৰিলক্ষিত নহয়। ঊনবিংশ শতিকাৰ শেষৰ ফালে বাংলা গীতৰ অনুকৰণত কিছুমান অসমীয়া গীত ৰচনা হৈছিল। ইতিমধ্যে আৰম্ভণি কালছোৱাত বংগদেশীয় সংগীতৰ প্রচুৰ প্রভাৰ অসমীয়া আধুনিক সংগীতৰ ওপৰত পৰিছিল। বহু অসমীয়া লোকে বঙালী গীতহে ভাল পাইছিল আৰু বঙালী গীতৰ বৈঠক আদিয়ে অসমীয়া মানুহৰ মাজত বিশেষ জনপ্রিয়তা লাভ কৰিছিল। বঙালী গীতৰ বিকৃত অনুকৰণৰদ্বাৰা অসমীয়া গীতৰ জগতখন ম্লান হৈ পৰিছিল। আনকি বহুতৰ মনত অসমীয়া ভাষাতো গীত ৰচনাৰ বাবে অনুপযোগী বুলি ভ্রান্ত ধাৰণা হৈছিল। ঁবেণুধৰ ৰাজখোৱাই এই প্রসংগত কৈছিল ১৮৮৮ চনৰ আগলৈকে অসমীয়া গানৰ অস্তিত্ব নাছিল বুলিয়ে ধৰিব লাগে। বাংলা গীতৰ জনপ্রিয়তাই অসমীয়া গীত-মাতক প্রায় এলাগী কৰি তোলাৰ কথা বেজবৰুৱাদেৱেও তেখেতৰ আত্মজীৱনীত উল্লেখ কৰি গৈছে।

অসমীয়া আধুনিক গীতৰ বিষয়ে আলোচনা কৰিবলৈ গ'লে আমি পোনতে নাম ল'ব লাগিব ঊনবিংশ শতিকাৰ অষ্টম দশকৰ (১৮৮৮) বিশিষ্ট লিখক সত্যনাথ বৰাদেৱৰ অসমীয়াত লিখা গীতৰ সংকলন 'গীতাৱলী'খনৰ কথা।

প্রকৃততে অসমীয়া আধুনিক গীতৰ বুনিয়াদ গঢ়িছিল লক্ষ্মীৰাম বৰুৱাদেৱে (১৯০৯-১৯১৪ চন) লক্ষ্মীনাথ বৰুৱাদেৱে এক সাংগীতিক আন্দোলনৰ অসমীয়া সংগীতক এখোজ আগুৱাই নিছিল। উত্তৰ-ভাৰতৰ মার্গ সংগীতৰ ধাৰাৰ হিন্দুস্তানী সংগীতত প্রশিক্ষণ লাভ কৰা লক্ষ্মীৰাম বৰুৱাৰ গীতৰ সুৰ আৰু তালত হিন্দুস্তানী সংগীতৰ প্রভাৱ যথেষ্ট পৰিছিল। 'আসাম বন্তি'ত (১৯০৯ চন) সম্পাদক পদ্মনাথ গোহাঞিবৰুৱাদেৱে লক্ষ্মীৰাম বৰুৱাৰ বিষয়ে লিখিছিল— 'নাই নাই বুলিও আন সকলো বিষয়তে অসমীয়াত্বৰ চিনাকি পাবলৈ আছিল, নাছিল কেৱল অসমীয়া সংগীতৰ নাম ল'বলৈ...। এনে বিষম সমস্যাত ঈশ্বৰৰ ইচ্ছা যে এজন অসমীয়া সংগীত শাস্ত্রজ্ঞ ওলাল। তেওঁৰ যত্নত অসমীয়া সংগীতে নতুন জীৱন লাভ কৰিলে।' আধুনিক অসমীয়া সংগীতৰ বাটকটীয়া লক্ষ্মীৰাম বৰুৱাদেৱে সুৰকাৰ হিচাপে অধিক কৃতিত্বৰ অধিকাৰী।

লক্ষ্মীৰাম বৰুৱাৰ পিছতে তিনিটা দশকৰ ভিতৰতে কীর্তিনাথ শর্মা বৰদলৈ, অম্বিকাগিৰি ৰায়চৌধুৰী, পদ্মধৰ চলিহা, উমেশ চন্দ্র চৌধুৰী, কমলানন্দ ভট্টাচার্য আদি সংগীতকাৰসকলে অসমীয়া গীতৰ ওপৰৰপৰা বংগীয় সংগীতৰ প্রভাৱ আঁতৰাই অসমীয়া আধুনিক গীতক নতুন ৰূপত সজাই প্রতিষ্ঠা কৰিবলৈ যত্ন কৰে। এইদৰেই অসমীয়া আধুনিক গীতে উত্তৰণৰ দিশত খোজ পেলায়।

প্রাক্ স্বাধীনতাৰ কালৰ গীতবোৰত বৰগীত, দেহ বিচাৰৰ গীত, বনগীতৰ প্রভাৱ যথেষ্ট দেখা যায়। সেইটো ধাৰাতে স্বদেশপ্রেমৰ গীত, অসমৰ প্রকৃতি আৰু মানৱ প্রেমৰ গীত ৰচিত হৈছিল। ১৯০৫ চন মানৰেপৰা অসমীয়া ভাষাতো সংগ্রামমুখী সংগীতে সক্রিয় ৰূপ লৈছিল। সেই সময়ৰ এগৰাকী অন্যতম গীতিকাৰ, সুৰকাৰ অম্বিকাগিৰি ৰায়চৌধুৰীৰ গীতৰ ভাষাৰ ওজস্বিতা আৰু সূক্ষ্ম সাংগীতিক চেতনা দুয়োটাৰে সংগম ঘটিছিল। ৰায়চৌধুৰীদেৱে কিছুমান গীতত থলুৱা সুৰৰ প্রয়োগৰ পৰীক্ষা-নিৰীক্ষা কৰিছিল। প্রকৃততে ব্রিটিছসকলৰ দিনত দেশপ্রেমমূলক গীত আৰু আধুনিক গীত একে হৈ গ'ল।

সেই সময়ত অসমীয়া ভাব-ভাষাৰ গীতমাত লিখিলেও সুৰ-সঞ্চাৰ, ব্যাকৰণৰ ফালৰপৰা কোনো নতুনত্ব পোৱা নগৈছিল। অম্বিকাগিৰি ৰায়চৌধুৰীৰ গীতবোৰ সামাজিক প্রমূল্যৰে (Social value) সমৃদ্ধ হ'লেও সাংগীতিক প্রমূল্য (Musical value)



সোণালী জয়ন্তী মহোৎসৱ, শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়, (১৯৬৩-২০১৩)

উচ্চখাপৰ নাছিল। প্ৰায়বোৰ গীতৰ তাল-মান সুৰ-সঞ্চাৰ মূলতঃ দেশীয় লোক বা মাৰ্গীয় সংগীতৰ প্ৰত্যক্ষ অনুকৰণ আছিল। সেইদৰে নবীন চন্দ্ৰ বৰদলৈ, চন্দ্ৰ কুমাৰ আগৰৱালা, ৰাধানাথ ফুকন, উমেশচন্দ্ৰ চৌধুৰী আদি ব্যক্তিসকলৰ গীত মাতসমূহত সৃষ্টিশীল (Creative) সুৰ-সঞ্চাৰ, তাল-মান আদিত সাংগীতিক উপাদানৰ বিশেষ সংযোজন নঘটিলেও ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ পটভূমিত ৰচিত দেশপ্ৰেমমূলক এই গীত-মাতৰ সমাদৰ আজিলৈকে কমা নাই।

বিহুগীত আৰু বনঘোষাৰ ঠাইত বনগীত নামৰ এক নতুন আধুনিক গীতৰ সৃষ্টি কৰিলে বনকোঁৱৰ আনন্দৰাম দাসে। অসমীয়া গীতৰ গতিৰ উত্তৰণত আনন্দৰাম দাসে এক নতুন ধাৰাৰ সংযোজনত অগ্ৰণী ভূমিকা ল'লে আৰু ৫০/৬০ দশকত বনগীতে বিশেষ পৈণত ৰূপ লৈ আধুনিক অসমীয়া গীত অতি মধুৰ আৰু বিশেষ চৰিত্ৰৰ গীতৰ ধাৰাৰূপে প্ৰতিষ্ঠিত হয়। পঞ্চাছ দশকত সংগীতকাৰ আৰু সুগায়ক ৰুদ্ৰ বৰুৱাদেৱে তেখেতৰ নিজস্ব ভংগীৰে বনগীতক পুনৰ জীৱন দি অসমীয়া গীতক অধিক জনপ্ৰিয় কৰি তোলে। বিহুগীতৰ লেখীয়া সকলোৱে ধৰিব পৰা তাল ব্যৱহাৰ কৰা বাবে বনগীতে প্ৰচুৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল।

অসমৰ সংগীত জগতত বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰৱেশ ঘটে ঘাইকৈ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ কনিষ্ঠ সহযোগী হিচাপে। হিন্দুস্তানী শাস্ত্ৰীয় সংগীতৰ উপৰিও বৰগীতৰ সংগীত পদ্ধতি অধ্যয়নেৰে পুষ্ট বিষ্ণুপ্ৰসাদ ৰাভাই অসমৰ থলুৱা সুৰৰ সমল আত্মস্থ কৰি তেখেতৰ গীত সৃষ্টিত প্ৰয়োগ কৰিছিল। জীৱনৰ বিভিন্ন মুহূৰ্তত বিভিন্ন পৰিৱেশ, পটভূমিত ৰাভাদেৱে সংগীতৰ বিভিন্ন পৰীক্ষা-নিৰীক্ষা চলায়। তেখেতৰ ৰোমাণ্টিক গীতসমূহৰ সাংগীতিক মূল্য ইমান বেছি যে বৰ্তমানেও অসমীয়া আধুনিক গীতে ইয়াৰ লগত ফেৰ মাৰিব পৰা হৈছে বুলি ক'ব নোৱাৰি।

জ্যোতিপ্ৰসাদ আগৰৱালাই অসমীয়া আধুনিক সংগীতৰ নৱতম ধাৰাৰ সূচনা কৰে। অনন্য প্ৰকাশভংগী, স্বকীয় বৈশিষ্ট্যপূৰ্ণ স্বৰ বিন্যাসৰদ্বাৰা জ্যোতিপ্ৰসাদ আগৰৱালা সাৰ্থক অসমীয়া আধুনিক গীতৰস্ৰষ্টা। তেখেতেই অসমীয়া আধুনিক সংগীতক দৃঢ়ভাৱে মৰ্যাদাৰ আসনত প্ৰতিষ্ঠা কৰিলে। অসমত প্ৰচলিত থলুৱা লোক-সংগীতৰ সুৰ-চানেকিকে মুখ্য আধাৰ হিচাপে লৈ তেওঁ ভাৰতীয় আৰু পাশ্চাত্যৰ সাংগীতিক উপাদানৰ মধুৰ মিশ্ৰণ ঘটাই অতি কলাত্মকভাৱে অসমীয়া আধুনিক গীতৰ নব্যধাৰা সূচনা কৰে। অসমীয়া লোক-সংগীত, অসমৰ থলুৱা সংগীত, হিন্দুস্তানী সংগীত আৰু পাশ্চাত্য সংগীতৰ সুগম সংমিশ্ৰণ আধুনিক অসমীয়া সংগীতৰ আদৰ্শ হ'ব লাগে বুলি তেখেতে মত পোষণ কৰিছিল। জ্যোতিপ্ৰসাদ আগৰৱালাৰ আগলৈকে অসমীয়া সংগীতত কোনো বিজ্ঞানসন্মত চিন্তা-চৰ্চা দেখা নগৈছিল। জ্যোতি-বিষ্ণুৱে প্ৰাচ্য-পাশ্চাত্যৰ সুৰ-ছন্দৰ সুসংগতিৰ লগতে সমসাময়িক সামন্তবাদ তথা সাম্ৰাজ্যবাদ বিৰোধী আৰু গণ বৈজ্ঞানিক সংস্কৃতিৰ ধাৰা সুসমৃদ্ধ কৰি অসমীয়া আধুনিক সংগীতৰ উত্তৰণৰ এক নতুন বাট মুকলি কৰি দিলে।

অসমীয়া গীতৰ প্ৰসাৰ আৰু জনপ্ৰিয়তা বঢ়াই অসমীয়া থলুৱা গীত-মাতক পুনৰ জীৱিত কৰাৰ ক্ষেত্ৰত কমলানন্দ ভট্টাচাৰ্য, পাৰ্বতিপ্ৰসাদ বৰুৱা, শিৱপ্ৰসাদ ভট্টাচাৰ্য, দৰ্পনাথ শৰ্মা আদিৰ যথেষ্ট অৱদান আছে। পাৰ্বতিপ্ৰসাদ বৰুৱাই তেখেতৰ গীতসমূহত অসমৰ থলুৱা লোকগীত, বনগীত, আইনাম, ধাইনাম, টোকাৰী গীত, বিয়ানামৰ সুৰ সংযোজন কৰি অসমীয়া সংগীতলৈ এক নতুন সুৰীয়া গীতৰ ধাৰা আনিলে। অসমৰ থলুৱা সুৰৰ লগত ৰাগ সংগীত আৰু ৰবীন্দ্ৰ সংগীতৰ সুৰৰ মিশ্ৰিত প্ৰয়োগেৰে এক স্বকীয় ধাৰাৰ সৃষ্টি কৰিলে। প্ৰকৃততে বিংশ শতিকাৰ মাজভাগৰ অলপ আগৰপৰা অসমত ন ন গীতৰ সৃষ্টি হ'বলৈ ধৰিলে আৰু এইদৰে ই অসমীয়া আধুনিক সংগীতে উত্তৰণৰ দিশে গতি ল'লে।

১৯৪৮ চনত শ্বিলং-গুৱাহাটীৰ সংযোগ কৰি অনাতাঁৰ কেন্দ্ৰ স্থাপনৰ লগে লগে অসমীয়া সংগীত জগতলৈ এক উল্লেখযোগ্য পৰিৱৰ্তন আহিল। লগে লগেই জন্ম হ'ল অসমীয়া আধুনিক গীতৰ এক বৃহৎসংখ্যক ৰচক, সুৰকাৰ আৰু কণ্ঠশিল্পীৰ। সংখ্যাগত পৰিমাণ বৃদ্ধিৰ লগে লগে গুণগত মানৰো উন্নতি সাধন হৈ আহিল। প্ৰবীণসকলৰ লগতে যথেষ্টসংখ্যক নৱীন গীতিকাৰেও নানান ভাবৰ গীত ৰচিবলৈ ধৰিলে। সেইসকলৰ ভিতৰত নলিনীবালা দেৱী, ৰুদ্ৰ বৰুৱা, কেশৱ মহন্ত, লক্ষহীৰা দাস, নৱকান্ত বৰুৱা, পদ্ম বৰকটকী, তফজ্জুল আলি, অতুল চন্দ্ৰ হাজৰিকা, নগেন বৰা, পুৰুষোত্তম দাস, মুক্তিনাথ বৰদলৈ, আলিমুন নিছা পিয়াৰ, হেমন্ত গোস্বামী, লীলা গগৈ, সতীশ দাস, মলিন বৰা আদি। ভূপেন হাজৰিকা, লক্ষহীৰা দাস, কমল নাৰায়ণ চৌধুৰী, তফজ্জুল আলি, হেমেন হাজৰিকা, ৰুদ্ৰ বৰুৱা, মুকুল বৰুৱা আদিয়ে গীত ৰচনা কৰি নিজে সুৰ দি গীত পৰিৱেশন কৰিবলৈ লয়। অনাতাঁৰ কেন্দ্ৰ স্থাপনৰ লগে লগে পুৰুষোত্তম দাস আৰু বীৰেন ফুকনে বিভিন্ন সুৰৰ সু-সমন্বয়ত নতুন সুৰীয়া কৌশল সৃষ্টি কৰি অসমীয়া সুগম সংগীতক গতি প্ৰদান কৰিলে।

সাম্প্ৰতিক কালৰ অসমীয়া সাংস্কৃতিক জগতত বহুমুখী প্ৰতিভাৰে জাতীয় সত্তাক জাতিষ্কাৰ কৰা মহান শিল্পীগৰাকী হ'ল ডঃ ভূপেন হাজৰিকা। ভাৰতীয় আৰু পশ্চিমীয়া সংগীত ধাৰাৰ জ্ঞান আৰু অভিজ্ঞতাই ভূপেন হাজৰিকাৰ অসাধাৰণ সৃষ্টি প্ৰতিভাক সক্ৰিয় কৰিছিল। আধুনিক যুগত নতুন নতুন বিষয়বস্তু, অপৰূপ শব্দ যোজনা, অপৰূপ ছন্দেৰে আধুনিক অসমীয়া গীতক এক বিশেষ সৌন্দৰ্যৰ শিখৰলৈ তুলি আনিলে ডঃ হাজৰিকাই। ভূপেন হাজৰিকাৰ সৃষ্ট গীতে অসমীয়া শ্ৰোতাক নতুন সোৱাদ দিলে। অসমৰ থলুৱা গীত-মাতৰ উপৰিও ভাৰতৰ বিভিন্ন প্ৰান্তৰ গীত-মাত আৰু প্ৰকাশভংগীৰ সমন্বয় ঘটাই কিছুমান অগতানুগতিক আৰু সুমধুৰ সুৰৰ সৃষ্টি কৰি হাজৰিকাই অসমীয়া আধুনিক সংগীতৰ দিগন্ত বহুখিনি প্ৰসাৰিত কৰিলে। হাজৰিকাই অসম বা ভাৰততে নহয় আন্তৰ্জাতিক ক্ষেত্ৰতো অসমীয়া গীত-মাত জনপ্ৰিয় আৰু সন্মানিত কৰি তুলিছে। সুৰ-সঞ্চাৰৰ মাধুৰ্য বৈচিত্ৰ্যৰ লগতে বিষয়বস্তুৰ চিত্ৰতাৰে অসমীয়া আধুনিক গীতক সমৃদ্ধ কৰাৰ লগতে অসমীয়া আধুনিক সংগীতৰ উত্তৰণৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাইছে।

ব্ৰজেন বৰুৱা আৰু ৰুদ্ৰ বৰুৱাই অসমীয়া আধুনিক সংগীতৰ প্ৰচলিত ধাৰাতে কিছু নতুনত্ব আনিবলৈ প্ৰয়াস কৰিছিল। ব্ৰজেন বৰুৱাৰ সুৰত এক অগতানুগতিক ৰীতি (Style) আৰু নতুন গাঁথনি (Form)

দেখাৰ বিপৰীতে ৰুদ্ৰ ৰৰুৱাক জাতীয় মৰ্যাদাবোধৰ প্ৰতি সচেতন দেখা যায়।

ডিব্ৰুগড়তো আকাশবাণীৰ কেন্দ্ৰ স্থাপনে গীতৰ চৰ্চা বৃদ্ধি পোৱাত বহুখিনি সহায় কৰিলে। আকাশবাণীৰ বাধ্য-বাধকতাৰ বাবেও হয়তো এইখিনি সময়ৰপৰা অসমীয়া গীতি সাহিত্যৰ নিভাঁজ ৰূপ প্ৰকাশ পায়। এই কথা স্বীকাৰ কৰিবই লাগিব যে অনাতাঁৰ কেন্দ্ৰই অসমত চামে চামে গীতিকাৰ, সুৰকাৰ আৰু কণ্ঠশিল্পীৰ সৃষ্টিত প্ৰধান প্ৰেৰণা স্বৰূপে কাম কৰি অসমীয়া গীতক জনপ্ৰিয় কৰি তুলি অসমীয়া সংগীতৰ উত্তৰণৰ দিশত এক অনন্য ভূমিকা ল'লে। এটা কথা উল্লেখনীয় যে আকাশবাণীক কেন্দ্ৰ কৰি এচাম সংগীতকাৰৰ সৃষ্টি হ'ল। তেখেতসকলৰ সংগীত ৰচনাৰ ধাৰা বা উৎস একেই আছিল যদিও তাৰ মাজতে ভিন ভিন স্বকীয় প্ৰতিভাই প্ৰত্যেকজনৰে সৃষ্টিক এক সুকীয়া ৰূপ দিছিল। পূৰ্বসুৰীসকলে বোৱাই অনা অসমীয়া আধুনিক গীতৰ সুঁতিৰ ধাৰা জ্যোতি-বিষ্ণুৰ দৰে গীত স্ৰষ্টাই শক্তিশালী কৰি তুলিছিল— সেই ধাৰাই ৭০ দশকত যেন ওফন্দি উঠি দুকুল ওপচাই ববলৈ আৰম্ভ কৰিলে। ৬০/৭০ দশকত নতুন সংগীতকাৰসকলে সুৰৰ ক্ষেত্ৰত নতুন পৰীক্ষা-নিৰীক্ষা চলাইছিল যদিও জ্যোতি-বিষ্ণুৰে বোৱাই যোৱা সোঁতক নিজৰ সময়োপযোগীকৈ বোৱাই ৰাখিবলৈ প্ৰয়াস কৰিছিল। নতুন সৃষ্টিধৰ্মী সুৰৰ উপৰিও ৰাগভিত্তিক, পৰম্পৰাগত আৰু মৌখিক সুৰৰ সংমিশ্ৰণ আৰু সমন্বয় ঘটাইছিল। এইসকলে অসমীয়া থলুৱা সুৰৰ উপৰিও ৰবীন্দ্ৰ সংগীত সমসাময়িক হিন্দী গীত, উৰ্দু-গজল আদিৰপৰা প্ৰেৰণা লাভ কৰিছিল। এই সময়ছোৱাতে আন আন গীতিকাৰসকলৰ লগতে ড° লক্ষহীৰা দাস, ড° নিৰ্মলপ্ৰভা বৰদলৈ, এলি আহমেদ, আলিমুন নিছা পিয়াৰ আদি গীতিকাৰসকলে নাৰী প্ৰাধান্যৰ গীতৰ ধাৰা এটিও আনে। বিশেষকৈ নিৰ্মলপ্ৰভা বৰদলৈৰ গীতে যেন দীপালী বৰঠাকুৰৰ কণ্ঠত সোণত সুৱগা চৰায়।

অসমীয়া আধুনিক সংগীত জগতখনক জনমুখী আৰু গণতান্ত্ৰিক চিন্তা চেতনাৰে সমৃদ্ধ কৰাত এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰে ভাৰতীয় গণনাট্য সংঘই (IPTA)। চল্লিছ দশকতে হেমাঙ্গ বিশ্বাসৰ নেতৃত্বত ভাৰতীয় গণনাট্য সংঘই অসমৰ সংগীতৰ ওপৰতো প্ৰভাৱ পেলায়। ড° ভূপেন হাজৰিকা, দিলীপ শৰ্মা, কেশৱ মহন্ত আদি সক্ৰিয়ভাৱে জড়িত আছিল। আৰু বহু কালজয়ী গীত এই গণনাট্য আন্দোলনৰ পটভূমিতে সৃষ্টি হৈছিল।

অসমীয়া বোলছবিৰ গীতসমূহেও অসমীয়া আধুনিক গীতৰ মূল্যাংকনৰ দিশৰ এটি অপূৰ্ণ দিশ পূৰ্ণ কৰাত সহায়ক হৈছে। প্ৰচলিত সংগীত ধাৰাতেই বোলছবিৰ গীতসমূহ সৃষ্টি হৈছে যদিও কোনো কোনো ক্ষেত্ৰত পশ্চিমীয়া সংগীতৰো প্ৰভাৱ বা ষ্টাইল দেখা গৈছে।

ত্ৰিছ/চল্লিছ দশকৰপৰা আশী দশকলৈ গ্ৰামোফোন ৰেকৰ্ডৰ প্ৰচলন আছিল। গ্ৰামোফোন ৰেকৰ্ডে আধুনিক গীত-মাতৰ প্ৰসাৰ বৃদ্ধি কৰাৰ লগতে এচাম নতুন শিল্পীৰো জন্ম দিলে। আশী দশকলৈ পুৰণা চামৰ লগতে পৰৱৰ্তী কাললৈ অনেক ন শিল্পীয়ে অসমীয়া গীতক জনপ্ৰিয় কৰি তোলে। এইখিনি সময়তো লোক সংগীত বা শাস্ত্ৰীয় সংগীতৰ ওপৰত ভিত্তি কৰিয়ে বহুবোৰ গীতৰ সৃষ্টি হৈছিল।

সত্তৰৰপৰা নৱৈ দশকৰ ভিতৰত অসমীয়া আধুনিক গীতৰ সমসাময়িকভাৱে সমাজ সচেতক কিছু গীতৰ সৃষ্টি হয়। জনপ্ৰিয় গীতৰ সুৰৰ অনুকৰণ কৰি গোৱা এইবোৰ গীত পেৰ'দী গীত হিচাপে পৰিচিত। সেইদৰে অসমীয়া আধুনিক গীতত শিশুগীতৰ ধাৰা এটিও বৈ আছে বুলি ক'ব পাৰি।

সত্তৰ দশকৰ পিছৰপৰাই অসমৰ বিভিন্ন জনগোষ্ঠীৰ লগতে অসমীয়াসকলেও নিজৰ থলুৱা গীত-মাতৰ সংৰক্ষণ আৰু প্ৰচাৰৰ কাম হাতত লোৱা দেখা যায়। ফলত অসমীয়া বিহুগীত, কামৰূপী আৰু গোৱালপৰীয়া লোকগীতৰ বহুল প্ৰচলন হয়। বৰ্তমান অসমীয়া সংগীতত বিহুসুৰীয়া আধুনিক গীতকে বিহু বুলি চলাই থকাৰ ধাৰা এটাও চলি আছে। গীতিকাৰসকলে বিহুসুৰীয়া গীত লিখি এই ধাৰাটো অব্যাহত ৰখাত ৰৰঙণি যোগাইছে।

নৱৈ দশকত অসমত আৰম্ভ হোৱা দূৰদৰ্শনৰ প্ৰচাৰে দেশ-বিদেশৰ গীত-মাত উপভোগ কৰাটো সহজলভ্য কৰি তোলাত পশ্চিমীয়া সংস্কৃতিৰ অবাধ প্ৰৱেশ হ'ল। গোলকীকৰণ (Globalisation), ব্যক্তিগতকৰণ (Privatisation), উদাৰীকৰণ (Liberalisation) আদিৰ ফলত আমাৰ দেশৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক জগতখনলৈ দ্ৰুত পৰিৱৰ্তন আহিল। এনে আচম্বিত, অবাঞ্ছিত পৰিৱৰ্তনে দেশৰ সাহিত্য-সংস্কৃতি, শিল্পকলাৰ দেশীয় পৰম্পৰাগত ভেটিটোক জোকাৰি গ'ল। অসমো এনে পৰিৱেশৰপৰা ব্যতিক্ৰম নহ'ল।

অসমীয়া আধুনিক সংগীতৰ অতি-সাম্প্ৰতিক যুগটো চিডি অথবা ভিচিডিৰ যুগ বুলি ক'ব পাৰি। ইয়াৰ আগতে কেচেটৰ প্ৰাধান্য বেছি আছিল। আগৰ গ্ৰামোফোন বোলছবি অথবা আকাশবাণীৰ দৰে মাধ্যমসমূহৰ সকলো সীমাবদ্ধতা, অনুশাসন আদি চেৰাই গৈ কেচেট/চিডিৰ নতুন ব্যৱস্থাই গীত-মাতৰ প্ৰচাৰ আৰু প্ৰসাৰৰ এক বহল মুকলি বজাৰৰ সূচনা কৰিলে। আধুনিক প্ৰযুক্তিবিদ্যাৰ লগতে বিশ্ববাণিজ্যৰ সংস্থাসমূহে আগবঢ়োৱা সুযোগ-সুবিধা গ্ৰহণ কৰাৰ সুযোগ আহি পৰিল কেচেট/চিডি ব্যৱস্থাত আৰু ইয়াৰ প্ৰতি নতুন প্ৰজন্ম বেছি আকৰ্ষিত হ'ল। নতুন প্ৰজন্মৰ মাজৰ বহুসংখ্যক কণ্ঠশিল্পী, সুৰকাৰ, গীতিকাৰে সংগীতক পেছা হিচাপে বা জীৱিকা হিচাপে লোৱাৰ পৰিৱেশ আহি পৰিল। কেচেট/চিডিৰ প্ৰচলনৰ লগে লগে সংগীতপ্ৰেমীসকলে নিজে গীতিকাৰ, সুৰকাৰ আৰু কণ্ঠশিল্পী হ'বলৈ সুবিধা পালে। গীতৰ সংখ্যা বৃদ্ধি হোৱাৰ লগে লগে নতুন নতুন সংগীতকাৰসকলে গীতৰ ওপৰত সুৰ সঞ্চাৰ, তাল, মান, পৰিৱেশনৰ ৰীতি-নীতি লৈ নানা পৰীক্ষা-নিৰীক্ষা কৰিবলৈ ল'লে।

নৱৈ দশকটো নতুন প্ৰজন্মৰ যুগ বুলিয়েই ক'ব পাৰি। এই সময়ছোৱাত অসমীয়া আধুনিক গীতত পাশ্চাত্যৰ প্ৰভাৱ যথেষ্ট পৰা দেখা যায়। বাদ্যযন্ত্ৰৰ পয়োভৰৰ বাবে পশ্চিমীয়া সংগীত বেছি আকৰ্ষক। তাতে কম্পিউটাৰ, ইণ্টাৰনেটৰ যুগত সংগীত শিল্পীসকলে পশ্চিমীয়া সংগীতৰ Notation আয়ত্ত কৰাৰো সুবিধা হৈছে— ফলত নতুন প্ৰজন্মই অসমীয়া সংগীতত পৰিৱৰ্তন অনাত ব্ৰতী হৈছে। প্ৰযুক্তিবিদ্যাৰ চমকপ্ৰদ অগ্ৰগতিয়ে সংগীত সৃষ্টি আৰু পৰিৱেশন প্ৰক্ৰিয়ালৈ সুদূৰ পৰিৱৰ্তন আনিছে। অসমৰ সংগীত ক্ষেত্ৰখনো ইয়াৰপৰা বাদ পৰি

যোৱা নাই। সাধাৰণতে অসমীয়া আধুনিক গীতত পাশ্চাত্যৰ আৰ্হিৰ অসুস্থ অনুকৰণৰ লক্ষণ স্পষ্টভাৱে পৰা দেখা গৈছে।

জনপ্ৰিয়তাৰ ফালৰপৰা অসমীয়া আধুনিক গীতৰ ক্ষেত্ৰ প্ৰসাৰিত হ'লেও ৰুচিৰ দিশৰপৰা সাধাৰণ মান যেন নিম্নগামী হৈছে। আজিৰ আধুনিক গীতত বিষয়বস্তুৰ বৈচিত্ৰ্য, জীৱনমুখী আৱেদন, পৰিৱৰ্তনৰ আহ্বান, চিন্তাৰ গভীৰতা কম দেখা পোৱা যায়। এই সময়ৰ গীতৰ কথাংশত আধুনিক যুগৰ সমাজৰ প্ৰতিচ্ছবি ধৰা পৰে যদিও গীতৰ কথাত গীতি সাহিত্যৰ ছবি বিচাৰি পোৱা নাযায়। অসমীয়া আধুনিক গীতত পাশ্চাত্যৰ প্ৰভাৱ আগতেও পৰিছিল যদিও একেবাৰে অন্ধ অনুকৰণ কৰা হোৱা নাছিল। কিন্তু বৰ্তমান সময়ত পশ্চিমীয়া সুৰক নিজৰ সুৰৰ লগত জীন নিয়াবৰ চেষ্টা নকৰি প্ৰত্যক্ষভাৱে পশ্চিমীয়া সুৰকে আধাৰ হিচাপে লোৱা দেখা গৈছে। তথাপি তাৰ মাজতে কিছুমান সুস্থ আৰু শক্তিশালী ব্যতিক্ৰম দেখা গৈছে। অসমীয়া বোলছবিতো নতুন প্ৰজন্মৰ সংগীত পৰিচালকসকলে পাশ্চাত্য আৰু থলুৱা সুৰৰ আধাৰত সংগীত সৃষ্টি কৰিছে।

চাহ বাগিচাৰ কথা আৰু সুৰৰ ভিত্তিত গীত সৃষ্টি কৰাৰ প্ৰৱণতা অতি-সাম্প্ৰতিক কালত যথেষ্ট দেখা গৈছে। অৱশ্যে ৫০/৬০ দশকতে ড° ভূপেন হাজৰিকাই চাহ বাগিচাৰ সুৰ কথাৰ ভিত্তিত বহু জনপ্ৰিয় গীতৰ সৃষ্টি কৰিছিল।

সাম্প্ৰতিক অসমীয়া আধুনিক সংগীতৰ আন এটা দিশ লক্ষ্যণীয়। পুৰণি জনপ্ৰিয় অসমীয়া গীত কিছুমান Remake অথবা Remix কৰা হৈছে আৰু সেইবোৰ নতুন নতুন শিল্পীৰ কণ্ঠত জনপ্ৰিয়ও হৈছে। পুৰণি গীতৰ কথাংশ আৰু সুৰবোৰ শ্ৰুতিমধুৰ আছিল বাবেই হয়তো নতুন প্ৰজন্মই এইবোৰ গীতৰ নতুন সোৱাদ পাইছে।

দেখা যায় অসমীয়া আধুনিক সংগীত আকাশবাণীৰ জৰিয়তে সৃষ্টি হোৱা সুগম সংগীতৰ ধাৰাতেই চলি আছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে কাৰিকৰী দিশৰ উন্নতিৰ লগে লগে নতুন জোৱাৰ আহিবই আৰু তাৰ লগতেই এই চলিত ধাৰাৰ সামান্য সলনি হ'লেও, সংযোজন হ'লেও জ্যোতি-বিষ্ণুৰে বোৱাই অনা ধাৰাতেই অসমীয়া সংগীতৰ সোঁত প্ৰবাহিত হৈ থাকিব।

অসমীয়া সংগীতৰ মৌখিক স্তৰৰপৰা সাম্প্ৰতিক কাললৈকে এই সুদীৰ্ঘ বিৱৰ্তনৰ পথ অতিক্ৰম কৰি অহা অসমীয়া সংগীতৰ মধুৰ আৰু গৌৰৱোজ্জ্বল পৰম্পৰাৰ উত্তৰণ নিৰ্ভৰ কৰিব নৱপ্ৰজন্মৰ সংগীতকাৰ তথা সংগীত শিল্পীসকলৰ ওপৰত।■

# সমাজ বিজ্ঞানৰ দৃষ্টিত শ্ৰীমন্ত শংকৰদেৱ

ড° পৰশমণি দাস

শ্ৰীমন্ত শংকৰদেৱৰ বিৰল বহুমুখী প্ৰতিভাক কেন্দ্ৰ কৰি সম্প্ৰতি দেশ-বিদেশৰ একাংশ পণ্ডিত-গৱেষক তেৰাৰ প্ৰতি আগ্ৰহী হৈ উঠা দেখা গৈছে। পণ্ডিত-গৱেষকসকল এই কথাত নিশ্চিত হৈছে যে শ্ৰীমন্ত শংকৰদেৱ এগৰাকী সাধাৰণ ধৰ্মগুৰু নহয়, বৰং সমাজ-সাহিত্য-সংস্কৃতিৰ বিভিন্ন দিশত তেৰাক বিচিত্ৰ ৰূপত আৰিষ্কাৰ কৰিব পাৰি। তেনে কাৰণতে শ্ৰীমন্ত শংকৰদেৱ বিষয়ক চিন্তা-চৰ্চ্চা এতিয়া কেৱল 'ধৰ্ম-কেন্দ্ৰিক' নহৈ 'বিচিত্ৰ বিষয়-কেন্দ্ৰিক' হৈ পৰিছে। এয়া শংকৰদেৱ চৰ্চ্চাৰ অন্যতম ইতিবাচক দিশ।

এই কথা সঁচা যে শংকৰদেৱৰ বিষয়ে সীমিত অধ্যয়ন কৰা এচাম লোকৰ বিচাৰ অনুসৰি শ্ৰীমন্ত শংকৰদেৱ ঈশ্বৰ-কেন্দ্ৰিক ধৰ্মৰ লগত সম্পৰ্ক থকা এগৰাকী ধৰ্ম প্ৰচাৰক বা ধৰ্মগুৰুহে। কিন্তু শংকৰদেৱৰ চিন্তা, দৰ্শন, সৃষ্টি, কৰ্ম, আদৰ্শ আদিৰ অন্তঃস্থলত প্ৰৱেশ কৰিলে বুজাত অসুবিধা নহয় যে তেৰাই প্ৰায় ১৯-২০ বছৰ বয়সৰ পৰা জীৱনৰ অন্তিম মুহূৰ্তলৈকে ধৰ্ম-চৰ্চ্চাৰ লগতে সমাজ সংস্কাৰৰ দিশটোৰ ওপৰতো সমানে গুৰুত্ব আৰোপ কৰিছিল। বৰং বহুক্ষেত্ৰত শংকৰদেৱৰ ধৰ্মগুৰুৰ পৰিচয়টোতকৈ সমাজ সংস্কাৰকৰ পৰিচয়টোহে অধিক উজ্জ্বল হৈ উঠে। কোৱা বাহুল্য যে এজন সমাজ সংস্কাৰক সমাজ বিজ্ঞান সম্পৰ্কীয় জ্ঞানেৰে পুষ্ট হ'বই লাগিব। শ্ৰীমন্ত শংকৰদেৱো ইয়াৰ ব্যতিক্ৰম নাছিল। শ্ৰীমন্ত শংকৰদেৱ যে সমাজ বিজ্ঞান সম্পৰ্কীয় গভীৰ জ্ঞানৰ অধিকাৰী আছিল সেই কথা তেৰাক নিৰপেক্ষভাৱে বিশ্লেষণ কৰিলেই ওলাই পৰে। এই লেখাটিত আমি সমাজ বিজ্ঞানৰ দৃষ্টিৰে শ্ৰীমন্ত শংকৰদেৱক বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰিম। কিন্তু ইয়াৰ পূৰ্বে সমাজ বিজ্ঞান বিষয়টো সম্পৰ্কত দুআষাৰ কোৱাৰ প্ৰয়োজন আছে।

যি বিজ্ঞানে সমাজৰ বিষয়ে প্ৰণালীবদ্ধ অধ্যয়ন চলায় তেনে বিজ্ঞানকে সাধাৰণ অৰ্থত 'সমাজ বিজ্ঞান' (Social Science বা Sociology) বুলি কোৱা হয়। অৱশ্যে সমাজ বিজ্ঞান বিষয়টোৰ পৰিসৰ ইমান বিস্তৃত যে ইয়াৰ পৰিসৰক ভিত্তি কৰি বিশ্বৰ আগশাৰীৰ বহুতো সমাজ বিজ্ঞানীয়ে সমাজ বিজ্ঞানৰ বিভিন্ন সংজ্ঞা দিয়া দেখা যায়। এই সংজ্ঞাসমূহৰ মাজৰ পৰা মোৰ ভাল লগা আৰু আলোচিত বিষয়টোৰ লগত খাপ খোৱা দুটামান সংজ্ঞা উল্লেখ কৰিব খুজিছোঁ। W. F. Ogburn-অৰ মতে 'Sociology is a body of learing about society. It is a description of ways to make society better. It is social ethics, a social philosophy. Generally, however, it is defined as a science of society.'

G. Duncan Mitchell-অৰ মতে 'Sociology is a science for scientific social development.' John W. Bennet-অৰ মতে 'Sociology is the science of structure and functions of social life.'

সমাজ বিজ্ঞানে অধ্যয়নৰ বাবে যিহেতু গোটেই সমাজখনকে সাঙুৰি লয় সেয়েহে সমাজৰ লগত সম্পৰ্কিত সকলো বিষয়েই সমাজ বিজ্ঞানৰ অন্তৰ্ভুক্ত হয়। তেনে কাৰণতে ৰাজনীতি বিজ্ঞান, অৰ্থনীতি বিজ্ঞান, শিক্ষা বিজ্ঞান, ভূগোল, ইতিহাস, পাৰিপাৰ্শ্বিক বিজ্ঞান আদিৰ বিষয়েও সমাজ বিজ্ঞানে অধ্যয়ন চলায়। অন্য অৰ্থত — মানুহৰ জীৱন প্ৰক্ৰিয়া, কাৰ্যকলাপ, দলীয় আচৰণ, ৰুচিবোধ, আচাৰ-ব্যৱহাৰ, ধৰ্ম, জাতি আৰু সম্প্ৰদায় সম্পৰ্কীয় চেতনাৰ স্বৰূপ, সভ্যতা, সংস্কৃতি আদি সকলো বিষয়েই সমাজ বিজ্ঞানৰ আলোচ্য বিষয়বস্তু।

যিসকল লোক সমাজ বিজ্ঞান বিষয়ত পাৰদৰ্শী আৰু যিসকল লোকে সমাজৰ প্ৰগতিৰ ক্ষেত্ৰত বিজ্ঞানসন্মত তত্ত্বৰ উদ্ভাৱন কৰিব পাৰে তেওঁলোকক সমাজ বিজ্ঞানী (Social Scientist বা Sociologist) বুলি কোৱা হয়। এজন সমাজ বিজ্ঞানীৰ উদ্দেশ্য আৰু লক্ষ্য সম্পৰ্কত এইদৰে কোৱা হৈছে ঃ 'The sociologists attempt to discover the evolution of society, its systems and structures, the development of social institutions and their functions, the customs and rules regulating social relationships, the groups and communities formed by man throughout history, the nature and interdependence of these groups like family, caste, government, economic groups, religious groups etc. and the phenomenon of social change.'

শ্ৰীমন্ত শংকৰদেৱে তেৱাৰ সময়ৰ সমাজখনক পুংখানুপুংখভাৱে বিশ্লেষণ কৰি চাইছিল আৰু সমাজখনৰ সাৰ্বিক প্ৰগতিৰ বাবে বিভিন্ন উপায় আৰু কৌশল অৱলম্বন কৰিছিল। ওপৰত ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে সমাজ বিজ্ঞানে সমাজৰ বিভিন্ন বিষয় সামৰি লয়। শ্ৰীমন্ত শংকৰদেৱৰ চিন্তা আৰু চেতনাতো সমাজকেন্দ্ৰিক ভিন্ন বিষয়ে ঠাই পাইছিল। এনে কাৰণতে সমাজৰ বিভিন্ন ক্ষেত্ৰত থকা আসোৱাহবোৰ তেৱাৰ চকুত পৰিছিল আৰু সেইবোৰ সংস্কাৰ কৰিবলৈ তেৱাই প্ৰচেষ্টা চলাইছিল। শংকৰদেৱৰ চিন্তা-দৰ্শন-সৃষ্টি-কৰ্ম-আদৰ্শৰ যিবোৰ দিশত তেৱাৰ সমাজ সংস্কাৰকৰ ৰূপটো উজ্জ্বল হৈ উঠিছে এই দিশবোৰৰ পৰা নিৰ্বাচিত কেইটিমান দিশৰ বিষয়ে তলত খুব চমুকৈ আমি আলোচনা কৰিব খুজিছোঁ।

(১) **ধৰ্মৰ সংস্কাৰ ঃ** বিভিন্ন উৎসৰ পৰা জনা যায় যে প্ৰাক্‌শংকৰী যুগত অসমৰ প্ৰায়বোৰ ধৰ্ম প্ৰকৃত আধ্যাত্মিকতাৰ পৰিমণ্ডলৰ পৰা ওলাই আচাৰকেন্দ্ৰিক হৈ পৰিছিল। এই আচাৰ-নীতিসমূহৰ দ্বাৰা সবাটোকৈ বেছি ক্ষতিগ্ৰস্ত হৈছিল সমাজৰ দুৰ্বল, দুখীয়া আৰু তথাকথিত নিম্ন শ্ৰেণীৰ লোকসকল। এই লোকসকলৰ বাবে ধৰ্মীয় আচাৰ-নীতিসমূহ সহিব নোৱৰা বোজাত পৰিণত হৈছিল। এক কথাত — তেওঁলোক ধৰ্মীয় শোষণৰ বলি হৈছিল। এনে সময়তে শ্ৰীমন্ত শংকৰদেৱে সেই সময়ত উপলব্ধ প্ৰায় আটাইবোৰ শাস্ত্ৰ অধ্যয়ন কৰি আৰু অসমৰ সমাজ জীৱনক গভীৰভাৱে বিশ্লেষণ কৰি প্ৰৱৰ্তন কৰিলে অতি সহজ-সৰল 'একশৰণ হৰিনাম ধৰ্ম'। এই ধৰ্ম মতে বিভিন্ন দেৱ-দেৱীক পূজা কৰাৰ সলনি কেৱল মূল সৃষ্টিকৰ্তা এক ঈশ্বৰক অৰ্থাৎ পৰম ব্ৰহ্মক ভজনা কৰিলেই মানুহে মুক্তি পাব পাৰে বা পৰমানন্দ লাভ কৰিব পাৰে। ইয়াৰ বাবে কোনো আড়ম্বৰপূৰ্ণ আয়োজনৰো প্ৰয়োজন নাই। 'মুখে বোলা ৰাম, হৃদয়ে ধৰা ৰূপ' — এয়াই হ'ল একশৰণ হৰিনাম ধৰ্মৰ মূল কথা। এই ধৰ্মমতে যিকোনো মানুহে, যিকোনো সময়ত, যিকোনো অৱস্থাত ভগৱানক হৃদয়ত স্থাপন কৰি ভগৱানৰ নাম মুখেৰে ল'ব পাৰে। ভগৱানক তেনেকৈয়ে পাব পাৰি বা ভগৱান তেনেকৈয়ে সন্তুষ্ট হয়। স্বাভাৱিকতে শংকৰদেৱৰ এনে সহজ-সৰল ধৰ্মই অসমৰ ধৰ্মীয় জগতত বিপ্লৱৰ সূচনা কৰিছিল। সমাজৰ তথাকথিত উচ্চশ্ৰেণীটোৰ দ্বাৰা শোষিত হৈ থকা সহজ-সৰল-হোজা জনসাধাৰণ স্বতঃস্ফূৰ্তভাৱে এই ধৰ্ম গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিছিল। এইসকল লোকে আৰ্থিক সকাহ লাভ কৰিছিল। এওঁলোকে ঘূৰাই পাইছিল হৃত সন্মান। শংকৰদেৱৰ নতুন ধৰ্মই এইদৰেই সাধাৰণ জনতাক নতুনৰ দিক্ দৰ্শন কৰোৱাত সফল হৈছিল।

(২) **সাম্যবাদী-মানৱতীবাদী-প্ৰগতিশীল আদৰ্শ ঃ** প্ৰাক্‌শংকৰী যুগৰ তান্ত্ৰিকতাকেন্দ্ৰিক ধৰ্মই অসমৰ সাধাৰণ জনতাক শোষণ কৰি অহা বুলি ইতিমধ্যে উল্লেখ কৰা হৈছে। এই শোষণ কেৱল আৰ্থিক শোষণ নাছিল, বৰং প্ৰতিটো সামাজিক ক্ষেত্ৰতে তেওঁলোক শোষিত হৈছিল। সমাজৰ নিম্নশ্ৰেণীৰ লোকসকলক ধৰ্মীয় কোনো কাম-কাজত আগভাগ ল'বলৈ দিয়া হোৱা নাছিল; আনকি তেওঁলোকক ধৰ্মীয় শাস্ত্ৰ পঢ়িবলৈও অনুমতি দিয়া নহৈছিল। উচ্চশ্ৰেণীৰ লোকসকলৰ লগত একে শাৰীতে বহা, একেলগে খোৱা-বোৱা কৰাতো বাধা আছিল। মুঠতে তেওঁলোকৰ সামাজিক মৰ্যাদাক উচ্চজাতৰ লোকসকলে ভুলুণ্ঠিত কৰিছিল। এনে সময়তে শ্ৰীমন্ত শংকৰদেৱে প্ৰচাৰ কৰিলে তেৱাৰ 'একশৰণ হৰিনাম ধৰ্ম'। এই ধৰ্মৰ যোগেদি শোষিত লোকসকলক সমাজত সম-আসন দিবলৈ তেৱাই অহোপুৰুষাৰ্থ কৰিলে। বিভিন্ন জাতি-উপজাতিৰ মানুহক তেৱাই নামঘৰৰ একেখন মজিয়াত একে শাৰীতে বহুৱালে। ধৰ্ম-চৰ্চ্চাত সকলো মানুহৰ সম-অধিকাৰৰ বিষয়ে তেৱাই লিখিলে — 'নাহি ভকতিত জাতি-অজাতি বিচাৰ/হৰিৰ ভক্তিত সমস্তৰে অধিকাৰ।', 'পৰম নিৰ্মল ধৰ্ম হৰি নাম কীৰ্তনত/সমস্ত প্ৰাণীৰ অধিকাৰ।' ইত্যাদি। শ্ৰীমন্ত শংকৰদেৱৰ এনে বিশ্বজনীন আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ যিসকল লোকে তেৱাৰ ধৰ্ম গ্ৰহণ কৰিলে, তেওঁলোক কিছু অভিনব অভিজ্ঞতাৰ মুখামুখি হ'ল। এইসকল লোকে সামাজিক কাৰ্যত স্ব-অধিকাৰ লাভ কৰিলে, তেওঁলোকৰ আত্মসন্মান বৃদ্ধি হ'ল, তেওঁলোকৰ আত্মশক্তি আৰু সামৰ্থ্যৰ ওপৰত বিশ্বাস বাঢ়ি গ'ল, তেওঁলোকে স্ব-প্ৰতিভা প্ৰদৰ্শনৰ সুযোগ পালে। ইয়াৰ উপৰিও নামঘৰৰ মজিয়াত ভিন্ন জাতি-উপজাতিৰ লোক একগোট হৈ ধৰ্মীয় কাম-কাজ কৰিবলৈ সুযোগ পোৱাৰ ফলত আন এক বৃহৎ লাভ হ'ল। সেয়া হৈছে — বিভিন্ন জাতি-উপজাতিৰ মানুহৰ মাজত ভাৱৰ আদান-প্ৰদান ঘটিল, তেওঁলোকৰ মাজত ঐক্য-সম্প্ৰীতি গঢ় লৈ উঠিল। শংকৰদেৱৰ ধৰ্মই এইদৰে সেই সময়ৰ

অসমীয়া সমাজখন একত্রিত হোৱাত সহায় কৰিলে। সমালোচক নলিনীধৰ ভট্টাচার্যই ঠিকেই লিখিছে — 'শংকৰদেৱৰ ধর্ম বৈৰাগ্য বা পৰলোক প্রত্যাশী হ'লেও তাৰ এটা সামাজিক ভেঁটি আছিল। সেই ভেঁটিটোত থিয় দিলে আমি দেখিম যে অসমৰ বৈষ্ণৱ ধর্মৰ এটা মানৱীয় মাত্রা আছিল। জাতিটোৰ ঐক্যৰ সূত্রডালৰ উৎস হ'ল এই মানবীয় মাত্রা।'

শ্রীমন্ত শংকৰদেৱে নাৰীৰ মর্যাদা ৰক্ষাৰ ক্ষেত্রতো বিশেষ গুৰুত্ব দিছিল। নাৰীৰ ধর্ম চর্চাৰ অধিকাৰৰ বিষয়ে শংকৰদেৱে লিখিছে — 'স্ত্রী বাল্য বৃদ্ধ সমস্তৰে অধিকাৰ/চণ্ডালকো কৰে নামে তেখনে উদ্ধাৰ।', 'নাৰীয়ে পুৰুষে হৈবা একমতি/তেৱেসে সিজিব হৰি ভকতি।', ইত্যাদি।

শ্রীমন্ত শংকৰদেৱে কেৱল মানুহৰ ক্ষেত্রতে যে সাম্যবাদৰ আদর্শৰ প্রয়োগ কৰিছিল সেইটো নহয়, ৰৱং বিশ্বব্রহ্মাণ্ডৰ সকলো জীৱৰ প্রতি তেৱাই সাম্যভাৱ প্রদর্শন কৰি থৈ গৈছে। তেৱাই লিখিছে — 'তোমাৱেসে অংশ আমি যত জীৱ যাক।'

সমাজ পৰিৱর্তনৰ প্রেক্ষাপটত বিচাৰ কৰি চালে শ্রীমন্ত শংকৰদেৱক এগৰাকী প্রগতিশীল ব্যক্তি বুলি ক'ব পাৰি। বিশিষ্ট সমালোচক তোষেশ্বৰ চেতিয়াই প্রগতিশীলতাৰ সম্পর্কত লিখিছে — 'প্রগতিশীলতাৰ এটা সাধাৰণ লক্ষণ হ'ল সংস্কাৰৰ পৰা মুক্তি। প্রচলিত ধ্যান-ধাৰণাৰে চলি থকা বিশ্বাসক প্রগতিশীলসকলে মানি নলয়। ৰৱঞ্চ তেওঁলোকে ভিন ভিন সংস্কাৰ অথবা সংস্কাৰৰ একাংশৰ বিৰুদ্ধে বিদ্রোহ কৰে। প্রগতিকামী সংস্কাৰে কেৱল ভঙাই নহয়, তাৰ ঠাইত গঢ়িবলৈও বিচাৰে।' প্রগতিশীলতাৰ এই সংজ্ঞাৰ ভিত্তিত শ্রীমন্ত শংকৰদেৱক তেৱাৰ সময়ৰ অসমৰ আটাইতকৈ বেছি প্রগতিশীল ব্যক্তি বুলি অভিহিত কৰিব পাৰি।

(৩) **গণতান্ত্রিক আদর্শ ঃ** গণতন্ত্রৰ মূল উদ্দেশ্য হ'ল সমতা স্থাপন। গণতন্ত্রৰ বিভিন্ন সংজ্ঞাৰ ভিতৰৰে এটা সংজ্ঞা হৈছে — 'Democracy is the absence of hereditary or arbitrary class distinctions or privileges'. গণতন্ত্রই ৰাজতন্ত্রৰ বিপৰীত মেৰুত অৱস্থান কৰে। গণতন্ত্রত পৈত্রিকভাৱে কোনেও কোনো পদৱী লাভ নকৰে। থুলমূলকৈ এয়াই হৈছে গণতন্ত্রৰ স্বৰূপ। লক্ষ্যণীয় যে শ্রীমন্ত শংকৰদেৱে নামঘৰ পৰিচালনাৰ বাবে উদ্ভাৱন কৰা নীতিসমূহত আৰু তেৱাৰ জীৱনৰ কোনো কোনো ঘটনাত গণতান্ত্রিক আদর্শৰ মুক্ত প্রকাশ ঘটিছে। উদাহৰণস্বৰূপে নামঘৰৰ বিভিন্ন পদৱীত কার্যনির্বাহ কৰা মানুহবোৰক তেওঁলোকৰ যোগ্যতা অনুসৰিহে নির্বাচন কৰা হয়। পদৱীধাৰী ব্যক্তিজন কার্য পৰিচালনাত ব্যর্থ হ'লে তেওঁক পদবীৰ পৰা অপসাৰণ কৰাৰ নিয়মো নামঘৰসমূহত আছে। নামঘৰৰ এনে প্রথাবোৰ নিসন্দেহে গণতান্ত্রিক প্রথা।

শ্রীমন্ত শংকৰদেৱে তেৱাৰ দেহাৱসানৰ আগে আগে জীৱনৰ অন্যতম গুৰুত্বপূর্ণ সিদ্ধান্ত এটা ল'ব লগা হৈছিল। সেয়া হৈছে — তেৱাৰ উত্তৰাধিকাৰী হিচাপে মাধৱদেৱৰ নির্বাচন। একাংশ লোকে ভাবিছিল যে শংকৰদেৱে তেৱাৰ পুত্রক এই দায়িত্ব অর্পণ কৰি যাব। কিন্তু শংকৰদেৱে আটাইতকৈ উপযোগী শিষ্য মাধৱদেৱকহে ধর্মৰ উত্তৰাধিকাৰী পাতি থৈ গ'ল। এই ঘটনাটো শ্রীমন্ত শংকৰদেৱৰ গণতান্ত্রিক চিন্তাৰ উৎকৃষ্ট উদাহৰণ।

(৪) **নামঘৰৰ সমাজমুখী ভূমিকা ঃ** শ্রীমন্ত শংকৰদেৱে নামঘৰৰ সৃষ্টি কৰিছিল 'সংস্কৃতিৰ ৰৱঘৰ' হিচাপে। নামঘৰৰ চোতালত বা বাৰান্দাত গীত, নৃত্য, ভাওনা আৰু বাজনাৰ আখৰা কৰা হৈছিল। গুৰু বা পণ্ডিতসকলে কেতিয়াবা নিয়মীয়াকৈ বা কেতিয়াবা বিশেষ একোটা দিনত নামঘৰত কীর্তন ঘোষা, নামঘোষা, ভাগৱত আদি গ্রন্থৰ আলোচনা কৰে যাৰ উদ্দেশ্য শ্রোতা বা ভক্তসকলৰ মন ঈশ্বৰমুখী কৰা আৰু তেওঁলোকক নৈতিক শিক্ষা দিয়া। নামঘৰত পুৰণি পুথি-পাঁজিসমূহ পৰিকল্পিতভাৱে সংৰক্ষণৰ ব্যৱস্থাও কৰা হৈছিল — যি পদ্ধতিৰ লগত আধুনিক যুগৰ পুথিভঁৰালৰ সামঞ্জস্য আছে। পূর্বতে নামঘৰসমূহ চাৰুকলা আৰু কাৰুকলা চর্চাৰ পৃষ্ঠভূমি আছিল। নামঘৰৰ চাৰিসীমাৰ ভিতৰতে খোল আদি বিভিন্ন বাদ্য, প্রসাদ বিতৰণত ব্যৱহৃত হোৱা খৰাহী-পাচি আদি সঁজুলি, ভাওনাত ব্যৱহাৰ হোৱা বিভিন্ন মুখা, নামঘৰৰ বেৰত বা ভিতৰৰ বিভিন্ন ঠাইত খোদিত কৰিবলৈ প্রয়োজন হোৱা কাঠৰ ভাস্কর্য, লেখাৰ বাবে প্রয়োজন হোৱা সাঁচিপাত আদি প্রস্তুত কৰা হৈছিল আৰু ইয়াৰ প্রশিক্ষণ দিয়াও হৈছিল। এই শিল্পসমূহে নিসন্দেহে অসমীয়া সংস্কৃতিৰ উত্তৰণত বলিষ্ঠ ভূমিকা লোৱাৰ উপৰি গাঁৱলীয়া অর্থনীতি সবল কৰাত অৰিহণা যোগাইছে। এটা সময়ত নামঘৰসমূহ ৰাইজৰ আদালত হিচাপেও ব্যৱহৃত হৈছিল। সমাজৰ সৰুসুৰা বিচাৰ নামঘৰৰ মজিয়াতে সম্পন্ন হৈছিল। নামঘৰৰ দৰে প্রায় ৫০০ বছৰ পুৰণি বহু-বৈশিষ্ট্যসম্পন্ন জীৱন্ত সমাজমুখী অনুষ্ঠান বোধহয় বিশ্বতে বিৰল।

(৫) **স্বাস্থ্য সম্পর্কীয় আদর্শ ঃ** স্বাস্থ্যৰ সাধনাক জীৱনৰ সাধনাৰ নামান্তৰ বুলি কোৱা হয়। পৃথিৱীৰ সুসভ্য জাতিসমূহে যে স্বাস্থ্য সাধনাৰ ওপৰত বিশেষ গুৰুত্ব দান কৰিছিল তাৰ ঐতিহাসিক প্রমাণ পোৱা গৈছে। শংকৰদেৱৰ সুদীর্ঘ ১১৯ বছৰীয়া নিৰোগী জীৱনকালে পোনপটীয়াকৈ প্রমাণ কৰে যে তেৱাই এক কঠোৰ স্বাস্থ্য-নীতি মানি চলিছিল। শ্রীমন্ত শংকৰদেৱৰ হঠযোগ আৰু ৰাজযোগ উভয়ৰে অনুশীলন, নিৰামিষ ভোজন, প্রৱল আশাবাদী মন আদিয়ে তেৱাৰ স্বাস্থ্যত ইতিবাচক প্রভাৱ পেলাইছিল। তদুপৰি উচ্চ খাদ্যমূল্য (Food value) থকা দ্রব্যৰে প্রসাদ প্রস্তুতকৰণ, নামঘৰ-সত্রত ঔষধি গুণযুক্ত বৃক্ষৰোপণ আদিয়ে শংকৰদেৱৰ জনস্বাস্থ্য সম্পর্কীয় সচেতনতাৰো প্রমাণ দিয়ে।

(৬) **পাৰিপার্শ্বিক সচেতনতা ঃ** শ্রীমন্ত শংকৰদেৱৰ বিভিন্ন কর্ম আৰু ৰচনাৰাজিত পৰিৱেশ বিজ্ঞানৰ দৃষ্টিভংগী প্রকাশ পাইছিল। শংকৰদেৱে অনুভৱ কৰিছিল যে মানুহ আৰু প্রকৃতিৰ উপাদানবোৰৰ (অর্থাৎ জীৱ-জন্তু, চৰাই-চিৰিকটি, নদ-সাগৰ, বননি, পাহাৰ আদিৰ) মাজত এক জৈৱিক যোগাযোগ (Biotic communication) আৰু আন্তৰিক সম্পর্ক (interrelationship) আছে। কীর্তনঘোষাৰ ধ্যান বর্ণন, পাষণ্ড মর্দন, প্রহ্লাদ চৰিত্র, গজেন্দ্র উপাখ্যান আদি অধ্যায়ৰ কেবাটাও ঘোষাত এনে দৃষ্টিভংগী লক্ষ্য কৰিব পাৰি।

(৭) **গণ-মাধ্যমৰ অভূতপূর্ব ব্যৱহাৰ ঃ** বিশ্ববিখ্যাত শিল্পী পল ৰবচন, প্রখ্যাত সমাজ বিজ্ঞানী হেৰল্ড লাছৱেল আদিয়ে যুক্তি সহকাৰে দেখুৱাইছে যে গণ-মাধ্যমৰ আহিলাবোৰে (যেনে ঃ গীত-পদ, নৃত্য,

নাটক, গল্প, উপন্যাস ইত্যাদিয়ে) সমাজ সংস্কাৰত বিশেষ ৰৱঙণি যোগাব পাৰে। আশ্চর্যৰ কথা এয়ে যে এতিয়াৰ পৰা ৫০০ বছৰ পূৰ্বেই শ্রীমন্ত শংকৰদেৱে অসমৰ সমাজখন সংস্কাৰ কৰিবলৈ এই মাধ্যমসমূহক বিপুলভাৱে ব্যৱহাৰ কৰিছিল।

সমাজ বিজ্ঞানৰ দৃষ্টিভংগীৰে শংকৰদেৱৰ ওপৰত ইয়াতে যি আলোচনা আগবঢ়োৱা হৈছে এই আলোচনাক বিষয়-বস্তুটোৰ এটা প্রাৰম্ভিক টোকা বুলিহে ক'ব পাৰি। সমাজ বিজ্ঞান বিষয়টোৰ পৰিসৰ আৰু শংকৰদেৱৰ চিন্তা-কর্ম-সৃষ্টি-আদর্শৰ পৰিসৰ ইমান বিস্তৃত যে এই সম্পর্কীয় সকলো বিষয়-বস্তুক এটি ছুটি প্রবন্ধত সামৰি লোৱাটো মুঠেও সম্ভৱ নহয়। প্রবন্ধৰ আৰম্ভণিতে সমাজ বিজ্ঞানীৰ বৈশিষ্ট্য সম্পর্কে উল্লেখ কৰা হৈছে। এই বৈশিষ্ট্যৰ ভিত্তিত আৰু প্রবন্ধটোৰ মাজেৰে প্রকাশ হোৱা শংকৰদেৱৰ চিন্তা-কর্ম-দর্শনৰ আধাৰত ক'ব পাৰি যে শ্রীমন্ত শংকৰদেৱ এগৰাকী সমাজ বিজ্ঞানী আছিল। উল্লেখ্য যে শংকৰদেৱে তেৰাৰ সমাজ বিজ্ঞান সম্পর্কীয় জ্ঞান আৰু চিন্তাক তাত্বিক দিশতে সীমাৱদ্ধ নাৰাখি তেৰাৰ সমকালীন সমাজত ইয়াৰ প্রয়োগো কৰিছিল। শংকৰদেৱ যিহেতু এগৰাকী তীক্ষ্ণবুদ্ধিসম্পন্ন, অতি কৌশলী, পৰিশ্রমী আৰু ৰূপান্তৰকামী ব্যক্তি আছিল সেয়েহে তেৰা নিজৰ উদ্দেশ্যত সফল হৈছিল; শ্রীমন্ত শংকৰদেৱে অসমীয়া সমাজৰ সংস্কাৰৰ ক্ষেত্রত বৃহৎ সাফল্য লাভ কৰিছিল।

এইখিনিতে মন কৰিবলগীয়া যে আজিৰ সত্র-নামঘৰসমূহৰ বিভিন্ন দিশ বিশ্লেষণ কৰি শংকৰদেৱ সম্পর্কত চূড়ান্ত সিদ্ধান্ত দিব পৰা নাযায়। ইয়াৰ কাৰণ হ'ল — এতিয়াৰ সত্র-নামঘৰসমূহৰ সৰহসংখ্যকতে শংকৰদেৱৰ কেতবোৰ গুৰুত্বপূর্ণ আদর্শৰ বিচ্যুতি ঘটিছে। এই কথা অপ্রিয় হ'লেও সঁচা। বহুতো সত্রৰ গুৰুসকলে শিষ্যসকলক সমজ্ঞান নকৰে, শিষ্যসকলক হাতেৰে নুচুৰে, আনকি নমস্কাৰ জনালে প্রতি-নমস্কাৰো নজনায়, — শিষ্যসকলৰ হাতেৰে ৰন্ধা আহাৰ খোৱা দূৰৰে কথা। বহুতো সত্রত নাৰীৰ প্রৱেশ নিষিদ্ধ হৈয়ে আছে। গ্রাম্যাঞ্চলৰ বহুতো নামঘৰত ২-৩টা থূল দেখা যায়, য'ত এটা থূল আনটো থূলৰ লগত একেলগে বহি নাম-প্রসঙ্গ নকৰে বা একেলগে নাখায়। নক'লেও হয় যে এই সকলোবোৰ কু-আদর্শ শংকৰদেৱৰ চিন্তা-চর্চ্চাৰ পৰিপন্থী। প্রকৃততে শ্রীমন্ত শংকৰদেৱ এনেজাতীয় সকলো ধৰণৰ সংকীর্ণতাৰ উর্ধত আছিল। শংকৰদেৱৰ পৰৱর্তী সময়ত তেৰাৰ অনুগামীসকলৰ একাংশই ধর্মৰ নামত কেৱল আচাৰ-নীতিক গুৰুত্ব দিয়াৰ ফলত আৰু সামাজিকভাৱে নিজকে উচ্চ স্থানত বহুৱাবলৈ যত্ন কৰাৰ ফলতে শংকৰদেৱৰ আদর্শ এওঁলোকৰ হাতত অন্তর্হিত হ'ল।

আৰু এটা কথা। শংকৰদেৱৰ চিন্তা-কর্ম-আদর্শৰ বিশ্লেষণ কৰিবলৈ যাওঁতে সেয়া আজিৰ সামাজিক প্রেক্ষাপটৰ সলনি তেৰাৰ সময়ৰ সামাজিক প্রেক্ষাপটতহে কৰিব লাগিব। শংকৰদেৱৰ 'ধর্ম সংস্কাৰৰ জৰিয়তে সমাজ সংস্কাৰ কৰা' সূত্রটো আজিৰ যুগত কিমান প্রযোজ্য হ'ব সেয়া বিচার্য বিষয়, কিয়নো শংকৰদেৱৰ যুগৰ সমস্যাৰ লগত আজিৰ যুগৰ সমস্যাৰ আকাশ-পাতাল পার্থক্য আছে। নক'লেও হয় যে শংকৰদেৱৰ দিনত অন্য কেতবোৰ কাৰকৰ লগতে প্রধানকৈ ধর্মক কেন্দ্র কৰিয়েই সমাজত ব্যভিচাৰ, বিশৃংখলতা, কুনীতি আৰু কুসংস্কাৰৰ প্রচলন হৈছিল। গতিকে ধর্ম সংস্কাৰৰ জৰিয়তে সমাজখনক ভালেখিনি পর্যায়লৈকে সংস্কাৰ কৰিব পৰা যাব বুলি শংকৰদেৱ নিশ্চিত হৈছিল। তদুপৰি ধর্মৰ লগত জড়িত নৈতিকতাৰ উচ্চ প্রমূল্যসমূহেও শংকৰদেৱক বিশেষভাৱে আকর্ষিত কৰিছিল — যিবোৰ প্রমূল্যই মানুহক সংস্কাৰ হোৱাত বিশেষ অহিৰণা যোগাব পাৰে। কিন্তু আজিৰ পৃথিৱীৰ সমস্যাসমূহ কেৱল ধর্মকেন্দ্রিক নহয়। সেয়েহে আজিৰ সমস্যাসমূহৰ সমাধানৰ বাবে আধুনিক যুগৰ সমাজ বিজ্ঞানীসকলে যি তত্ত্বৰ আৱিষ্কাৰ কৰিছে আৰু ভৱিষ্যতলৈও কৰি থাকিব সেই তত্ববোৰহে আমি প্রয়োগ কৰিব লাগিব। তথাপি এটা কথা স্পষ্ট যে এতিয়াও ধর্মৰ নামত বিশ্বৰ ঠাইবিশেষে যি শোষণ, উৎপীড়ন আৰু কুসংস্কাৰ বর্তি আছে সেয়া উৎখাত কৰাৰ ক্ষেত্রত শংকৰদেৱৰ চিন্তা-দর্শন নিশ্চিতভাৱে অমোঘ অস্ত্র হ'ব। আনহাতে ধর্মৰ আৱর্তৰ বাহিৰলৈ গৈ ক'ব পাৰি যে শংকৰদেৱৰ সাম্যবাদী-মানৱতীবাদী-প্রগতিশীল-গণতান্ত্রিক আদর্শ, স্বাস্থ্য সম্পর্কীয় আদর্শ, নৈতিকতাৰ শিক্ষা, পাৰিপার্শ্বিক সচেতনতা, ধর্মীয় সহনশীলতা, সমাজ সংস্কাৰ কৰিবলৈ গণমাধ্যমৰ ব্যৱহাৰ আদি সমাজ বৈজ্ঞানিক ধাৰণাই পৃথিৱীৰ যিকোনো সমাজৰে সংস্কাৰত বা উত্তৰণত সকলো সময়তে বলিষ্ঠ ভূমিকা ল'ব পাৰে।■

# বর্তমান সমাজত আইনৰ ভূমিকা

গোপাল ডেকা

আইন হৈছে সার্বভৌম কর্তৃপক্ষই শাসন পৰিচালনাৰ হকে প্রয়োগ আৰু বলৱৎ কৰা নীতি (A law is a rule of conduct imposed and enfored by the sovereign) চ্লেমণ্ডৰ মতে 'আইন হৈছে প্রশাসনৰ ক্ষেত্রত ন্যায় প্রতিষ্ঠাৰ হকে ৰাষ্ট্রৰদ্বাৰা স্বীকৃত আৰু প্রযোজ্য কিছুমান নীতি-নিয়মৰ সমষ্টি।' 'আইনৰ চকুত সকলো সমান'। কোনো দেশ, কোনো এখন ৰাজ্যত আইন অথবা বিধি বিধানসমূহ মানুহে মানুহৰ বাবে প্রণয়ন কৰে যদিও বিভিন্ন ক্ষেত্রত আইনৰ অপ-প্রয়োগৰ ফলত নিৰীহ মানুহ অবাঞ্ছিত সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত স্বাধীন হোৱাৰপৰা আমাৰ দেশত ভাৰতীয় দণ্ডবিধি আইন ১৮৬০ (Indian penel code 1860) চনত প্রণয়ন কৰা হয়।

**ভাৰতীয় দণ্ড বিধি আইন ১৮৬০ :** এই আইনৰদ্বাৰা এজন লোকে যদি অপৰাধ কৰে সেইজন লোকৰ বিৰুদ্ধে উক্ত আইনৰ যোগেদি দফা অনুযায়ী (Under Section) দণ্ড দিয়া হয়। ইয়াৰে দুটা উদাহৰণ হিচাপে আমাৰ দেশ তথা সমাজত সঘনাই ঘটি থকা বলাৎকাৰ আৰু যৌন নির্যাতনৰ ঘটনাই বাতৰিৰ শিৰোনামা দখল কৰিছে। এজন লোকে এগৰাকী মহিলাক বিয়া কৰাম বুলি প্রলোভন দেখুৱাই শাৰীৰিক সম্পর্ক স্থাপন কৰিলেও বলাৎকাৰ বুলি ধৰা হয়। আনহাতে এগৰাকী মহিলা বা কিশোৰীক যৌন নির্যাতন চলালে ভাৰতীয় দণ্ডবিধি আইনৰ ৩৭৬ ধাৰাৰ অধীনত (Under Section 376 IPC) দোষী সাব্যস্ত কৰা হয়, যিটো দোষৰ ফলত জৰিমনা সহকাৰে ১০ বছৰৰ জেল হ'ব পাৰে।

আকৌ এগৰাকী বিবাহিতা মহিলাৰ লগত কোনো পুৰুষে শাৰীৰিক সম্পর্ক স্থাপন কৰিলে ভাৰতীয় দণ্ডবিধি আইনৰ ৪৯৭ ধাৰাৰ অধীনত পুৰুষজন দণ্ডিত হ'ব, আনহাতে বিবাহিতা মহিলাগৰাকীয়ে যদি পুৰুষ এজনক ফুচুলাই নিয়ে বা আত্মসমর্পণ কৰে তেতিয়া হ'লেও পুৰুষজন উক্ত ধাৰা অধীনত দোষী হ'ব।

স্বামীয়ে পত্নীক যৌতুক সম্পর্কে দাবী কৰি মানসিকভাৰে হাৰাশাস্তি কৰিলে বা শাৰীৰিক অত্যাচাৰ কৰিলে নতুবা বোৱাৰী এগৰাকীক শাহু-শহুৰ, স্বামীৰ পৰিয়ালে বিভিন্ন অত্যাচাৰ চলালে ভাৰতীয় দণ্ডবিধি আইনৰ ৪৯৮ (এ) ধাৰাৰ অধীনত তেনেকুৱা ব্যক্তিক দণ্ড দিয়া হয়, যি শাস্তি হিচাপে জৰিমনা সহকাৰে ৩ বছৰৰ জেল হ'ব পাৰে।

অৱশ্যে কিছুমান মহিলা আৰু বোৱাৰীয়ে মহিলা আইনৰ ভাবুকি দি নিজৰ স্বামী আৰু শহুৰ-শাহুক দমাই ৰাখে আৰু নিজৰ কার্যসিদ্ধি পূৰণ কৰে। আইনৰ মেৰপাক, সমাজৰ লোকনিন্দাক ভয় কৰি তেনেকুৱা পৰিয়ালে বোৱাৰীৰ সকলো অত্যাচাৰ নিৰৱে সহ্য কৰি যায়। এনেকুৱা উদণ্ড বোৱাৰীয়ে নিজৰ পতিৰ ঘৰখনৰপৰা ফালৰি কাটি আহি সুকীয়াকৈ বাস কৰিবলৈ চেষ্টা কৰাও দেখা যায়। স্বামীৰ দৃঢ় স্থিতিত যদি চেষ্টা বিফল হয় বোৱাৰীগৰাকীয়ে ঘৰখনত তালফাল লগাই থাকে আৰু ঘৰখনত বিভাজন আনিবলৈ চেষ্টা চলায়। নিজৰ স্বার্থত আঘাত পৰিলে প্রয়োজন সাপেক্ষে স্বামীগৃহ ত্যাগ কৰি স্বামীৰ ওপৰত, পৰিয়ালৰ ওপৰত নিজক মাৰপিট কৰা বুলি, যৌতুক দাবী কৰা বুলি মিছা অভিযোগ দি U/s 498 (A) ধাৰাৰ অপব্যৱহাৰ কৰি গোচৰ ৰুজু কৰে, যাৰ ফলত স্বামী আৰু তেওঁৰ পৰিয়ালে বিভিন্ন হাৰাশাস্তি ভোগাৰ উপৰিও মানসিক অশান্তিত ভোগা দেখা যায় আৰু আদালতলৈ তাঁত বাটি কাৰিব লগা হয়। এনেকুৱা সংসাৰত পিতৃ-মাতৃৰ ভুলৰ বাবে অবুজ শিশুৰ ভৰিষ্যত অন্ধকাৰ হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

স্বামীক মানসিকভাৱে হাৰাশাস্তি দিয়া তথা জ্বালা-যন্ত্রণা দিয়া পত্নীসকলৰ ওপৰতো নাকী লগাইছে উচ্চতম ন্যায়ালয়ে। পত্নীয়ে স্বামীৰ ওপৰত চলোৱা মানসিক হাৰাশাস্তিকো বিবাহ বিচ্ছেদৰ বৈধ কাৰক বুলি ৰায় দিছে দেশৰ সর্বোচ্চ ন্যায়ালয়খনে। ভাৰতীয় দণ্ডবিধি আইনৰ অধীনত সন্নিৱিষ্ট হৈ থকা বিভিন্ন ধাৰাত এজন অপৰাধীক দোষমর্মে সেই ধাৰাত শাস্তি দিয়া হয়।

**ভাৰতীয় হিন্দু বিবাহ আইন ১৯৫৬ :** এই আইনৰ অধীনত যুৱক-যুৱতীৰ বিয়াৰ স্বীকৃতি দিয়া হয়, যেতিয়া ল'ৰাজনৰ বয়স ২১ বছৰ আৰু ছোৱালীৰ বয়স ১৮ বছৰ হয়। আইনৰ যোগেদি বিবাহ সম্পন্ন কৰিব লগা হ'লে এমাহৰ আগতে জাননী প্রেৰণ কৰিব লাগিব আৰু জাননীমর্মে কাৰোবাৰ আপত্তি থাকিলে আপত্তি দিব পাৰিব, আপত্তি নেথাকিলে যুৱক-যুৱতীৰ অভিভাৱক তথা সাক্ষীৰ উপস্থিতিত বিবাহ বিষয়াই বিবাহ কার্য সম্পাদন কৰি দিয়ে।

এই হিন্দু বিবাহ আইনৰ ১৩ নং অনুচ্ছেদত স্বামী-স্ত্রীৰ বিবাহ বিচ্ছেদ সম্পন্ন কৰা হয়, যেতিয়া পতিয়ে পত্নীৰ ওপৰত বিবাহ বিচ্ছেদ দিব পাৰে, ঠিক সেইদৰে এগৰাকী পত্নীয়ে নিজৰ স্বামীক শাৰীৰিক, মানসিক অত্যাচাৰ কৰিলে স্বামীয়ে পত্নীক বিবাহ বিচ্ছেদ দিব পাৰে। স্বামীৰদ্বাৰা নির্যাতিতা হৈ স্বামীগৃহ ত্যাগ কৰি ভাৰতীয় কার্যবিধি আইনৰ ১২৫ ধাৰাত (Under Section 125 GPC) স্বামীৰ ওপৰত ভৰণ-পোষণ দাবী কৰিব পাৰে, আনহাতে বিবাহ বিচ্ছেদ নোহোৱাকৈ কোনো

পুৰুষ বা মহিলাই আনৰ লগত পুনৰ বিবাহ হ'ব নোৱাৰিব, যিটো ভাৰতীয় দণ্ডবিধি আইনৰ ৪৯৫ ধাৰাত দোষী কৰা হয়।

**ভাৰতীয় কার্যবিধি আইন ১৯৭৩ :** ভাৰতীয় কার্যবিধি আইনে জনসাধাৰণক সুৰক্ষা প্রদান কৰি আহিছে, থূলমূলকৈ উদাহৰণ দিব পাৰি যে মাটি-বাৰীৰ হাই-কাজিয়া নিষ্পত্তি কৰিব ভাৰতীয় কার্যবিধি আইনৰ ১৪৪, ১৪৫, ১৪৬ ধাৰাৰ (Under Section 144, 145, 146 Cr. P.C.) অধীনত, আনহাতে এজন নাগৰিক নিৰাপত্তাহীনতাত ভুগিলে ১০৭ ধাৰাৰ অধীনত আইনে নিৰাপত্তা তথা সুৰক্ষা প্রদান কৰে।

এতেকে আমাৰ সমাজত তথা দেশত ঘটি থকা অপৰাধসমূহৰ অপৰাধীক শাস্তি দিয়াৰ বাবে আইনসমূহ প্রয়োগ হৈ আছে। আইনৰ বিৰুদ্ধে যোৱাটোৱেই অপৰাধ। অপৰাধী সদায় অপৰাধীয়েই, সি নিম্নবর্গ, উচ্চবর্গ বা ৰাজনীতিকেই হওক তেওঁক অপৰাধী বুলিয়েই গণ্য কৰা হয়। অৱশ্যে কোনো ৰাজনীতিকৰ হাতৰ আঁচোৱতে হওক বা উচ্চ বিষয়াৰ নির্দেশতে হওক বা অর্থৰ লোভতে হওক পুলিচে ঘটনাৰ শুদ্ধ আৰু নিকা তদন্ত নচলাই গোচৰৰ চার্জশ্বিত আদালতলৈ পঠাই দিয়াৰ ফলত আইনৰ সুৰুঙাৰে অপৰাধী সাৰি যায়, ফলত সেই অপৰাধীয়ে সমাজত দপদপাই ঘূৰি ফুৰে, যাৰ ফলত আইন, আদালতৰ প্রতি জনসাধাৰণৰ ভাল ভাব নথকা হয়। তথাপিও অপৰাধী সাৰি গ'লেও নিৰপৰাধীয়ে শাস্তি ভোগ কৰিব নেলাগে তাৰবাবে সমাজ সচেতন হ'ব লাগে। প্রয়োজন হ'লে 'এশজন অপৰাধী সাৰি যাওক তথাপি এজনো নিৰপৰাধী ব্যক্তিৰ শাস্তি নহওক' (May hundred criminal escaped but no innocent should be punished)

প্রকাৰান্তৰে এইটো সত্য যে সমাজ তথা আইনৰ বিচাৰৰপৰা অপৰাধী সাৰি গ'লেও কিন্তু ভগৱানৰ বিচাৰৰপৰা সাৰি যাব নোৱাৰে।■

# সামাজিক বিশৃংখলতা, মনোবিশ্লেষণ আৰু স্বাস্থ্য শিক্ষা

ডা° গৌৰাংগ দাস

আহমেদৰ মৃত্যুৰ খবৰ লৈ ঘূৰি আহি চলিহাৰ ড্রয়িং ৰুমত তেওঁৰ কাণ সমনীয়া ল'ৰা দুটিৰ লগত একেলগে বহি থাকোতে চলিহাই যেতিয়া সিহঁতৰ সন্মুখতে মোক কৈছিল— 'দেখিলেনে দাস, মানুহে কয় মদ খালেহে বেমাৰ হয়, আহমেদেতো কেতিয়াও মদ এটুপিও মুখত দিয়া নাছিল। আনকি কোনো ৰাগিয়াল বস্তুতে হাত দিয়া নাছিল, কিন্তু তেওঁৰ মৃত্যু হ'ল লিভাৰ কেন্সাৰত আক্রান্ত হৈ। সেয়েহে এইবোৰত মই একেবাৰে গুৰুত্ব নিদিওঁ, সদায় গধূলি নিয়মীয়াভাৱে দুই-এপেগ চলাই থাকো।' কথাষাৰ কৈয়ে তেওঁ মোৰ ফালে চাই উচ্চস্বৰে হাঁহিবলৈ আৰম্ভ কৰিছিল আৰু তেওঁৰ লগত সংগ দিছিল তেওঁৰ কাণ সমনীয়া ল'ৰা দুটাই। কিয় জানো সেই মুহূর্তত মই মানসিকভাৱে উদ্বিগ্ন হৈ পৰাৰ লগতে হতাশ হৈছিলো। ভাবিবলৈ বাধ্য হৈছিলো, এজন চিকিৎসক হিচাপে সামাজিক দায়িত্ব পালন কৰাত মই ক'ৰবাত ব্যর্থ হৈছো নেকি? ব্যর্থ হৈছো নেকি সুস্থ মানিসক স্বাস্থ্যৰ ব্যক্তি গঢ় দিয়াত, যাৰ ফলশ্রুতিত সামাজিক বিশৃংখলতা এনে হাৰত বৃদ্ধি পাইছে যে প্রতিজন ব্যক্তিয়ে প্রতিটো মুহূর্তত ভয় বা শংকা লগত লৈ ঘূৰি ফুৰিব লগা হৈছে। কণমানিটোক স্কুললৈ পঠিয়াই ঘৰলৈ ঘূৰি নহালৈকে, বজাৰ-সমাৰ কৰিব যোৱা গৃহস্থ আহি নোপোৱালৈকে পেটলৈ ভাত নোযোৱা অৱস্থা এটিৰ সৃষ্টি হৈছে। সম্ভৱতঃ আজি এনেকুৱা সময় সমাগত হৈছে যে আমি সকলোৱে মনৰ সুস্থিৰতা হেৰুৱাই এক মানসিক ৰোগীত পৰিণত হৈছো, যাৰ ফলত বৃদ্ধি পাইছে সামাজিক বিশৃংখলতা। জীৱনৰ পথত খোজ কাঢ়ি যাওঁতে আমি বিভিন্ন সময়ত সফলতা-বিফলতা, আশা-নিৰাশা, অথবা হতাশাৰ সন্মুখীন হ'বলগীয়া হ'বই আৰু এই সকলোবোৰ মানি চলিবৰ বাবে প্রয়োজন অসীম ধৈর্যৰ আৰু ধৈর্যশীল হ'বৰ বাবেই প্রয়োজন সুস্থিৰ মানসিক স্বাস্থ্যৰ অধিকাৰী হোৱাটো। অন্যথাই আমি নিজকে কেতিয়াও স্বাস্থ্যৱান বুলি ক'ব নোৱাৰিম আৰু অস্বাস্থ্যৱান ব্যক্তিয়ে অস্বাস্থ্যকৰ পৰিৱেশত কেতিয়াও এখনি শৃংখলাবদ্ধ সমাজ গঢ় দিব নোৱাৰে।

সমাজত সংঘটিত বিভিন্ন হিংসাজনিত ঘটনাবোৰ যদি আমি আদিৰ পৰা অন্তলৈ পুংখানুপুংখৰূপে বিশ্লেষণ কৰো তেতিয়া পৰিয়ালকেন্দ্রিকেই হওক বা সামাজিকেই হওক বিভিন্ন ঘটনাৰ লগত, ব্যক্তিৰ মানসিক স্বাস্থ্যৰ দিশতো সাঙোৰ খাই থকাটো পৰিলক্ষিত হয়, বিশেষকৈ শিশুসকলৰ প্রতি অভিভাৱকৰ দুর্ব্যৱহাৰ, স্বামী-স্ত্রীৰ পৰস্পৰৰ প্রতি বা আন ব্যক্তিৰ প্রতি নীতিবহির্ভূত আচৰণ, জ্যেষ্ঠজনৰ প্রতি কনিষ্ঠজনে কৰা শাৰীৰিক আৰু মানসিক অত্যাচাৰৰ ঘটনাবোৰ উল্লেখনীয়। আজি সমগ্র বিশ্বতে মানসিক অস্থিৰতাই এক ভয়াৱহ ৰূপ ধাৰণ কৰিছে, যাৰ ফলত দুই মিলিয়ন আমেৰিকাৰ জ্যেষ্ঠ নাগৰিক আৰু এক মিলিয়ন শিশু এইসকল ব্যক্তিৰ দ্বাৰা ভুক্তভোগী হ'বলগীয়া হৈছে। বিশ্বৰ দহখন দেশত ২৪,০০০ নাৰীৰ ওপৰত চলোৱা সমীক্ষাত এই কথা প্রতিপন্ন হৈছে যে শাৰীৰিক নির্যাতন আৰু যৌন নির্যাতনৰ সন্মুখীন হ'বলগীয়া নাৰীৰ সংখ্যা দেশ অনুসাৰে প্রায় ১৫ৰপৰা ৭১ শতাংশ। এয়া নিশ্চয় সভ্য সমাজৰ বাবে উদ্বেগজনক ঘটনা। সুস্থিৰ মানসিক স্বাস্থ্যৰ অধিকাৰী নোহোৱা বাবেই আজি বৃদ্ধি পাইছে হতাশা, মানসিক উদ্বিগ্নতা, ৰাগিয়াল অথবা নিচাযুক্ত দ্রব্যসেৱন, হত্যা আৰু আত্মহত্যাৰ দৰে প্রৱণতা। সেয়েহে আজি আমি নিশ্চয়কৈ এই কথা স্বীকাৰ কৰিব লাগিব যে প্রয়োজনীয় সুস্থিৰ মানসিক স্বাস্থ্যৰ অধিকাৰী হ'বৰ বাবে আমাৰ নিশ্চয় মানসিক স্বাস্থ্যৰ পৰামর্শ অথবা স্বাস্থ্য শিক্ষাৰ প্রয়োজন আছে।

প্রায়ভাগ ক্ষেত্রতে যদি আমি এলকহলকেই ঘাতক হিচাপে প্রতিপন্ন কৰিব যাওঁ, তেনেহ'লে কোনো ক্ষেত্রতে ভুল কৰা নহ'ব। এইক্ষেত্রত আনুষ্ঠানিক বা অনানুষ্ঠানিক, পাৰিৱাৰিক অথবা সামাজিকভাৱে লোৱা স্বাস্থ্য শিক্ষাৰ প্রভাৱৰ কথা আমি সূক্ষ্মভাৱে চিন্তা-চর্চা কৰিব লাগিব। অত্যধিক এলকহল গ্রহণৰ ফলত মানুহৰ শৰীৰৰ ওপৰত পৰা প্রভাৱখিনিক যদি আমি মদ খালে লিভাৰ বেয়া হয় বুলি কোৱা সাধাৰণ বাক্যশাৰীৰে সমাপ্ত কৰিব বিচাৰি, স্বাস্থ্য শিক্ষাৰ প্রসাৰ সাধন হোৱা বুলি ভাবো, তেতিয়া আমি নিশ্চয় অনুভৱ কৰিব লাগিব যে এয়া চৰম অন্যায়। সামাজিক নিয়মানুৱর্তিতা বাহাল ৰাখি প্রতিজন ব্যক্তিৰ মানসিক উৎকর্ষ সাধনৰ দ্বাৰা, শক্তিশালী মনোস্বাস্থ্যৰ অধিকাৰী কৰি সুস্থ-সবল সমাজ প্রতিষ্ঠা কৰাৰ ক্ষেত্রত সবল ভূমিকা আগবঢ়োৱা শিক্ষাই হৈছে প্রকৃত স্বাস্থ্য শিক্ষা আৰু ইয়াৰ প্রভাৱ উল্লেখনীয়। কিন্তু অতি পৰিতাপৰ বিষয় যে স্বাস্থ্যৰ বিধান অথবা প্রতিকাৰৰ নিদান দিবলৈ যাওঁতে আমি বিভিন্ন সময়ত ব্যক্তি বিশেষৰ মানসিক স্বাস্থ্যৰ বিষয়টো এৰাই চলাটো পৰিলক্ষিত হয় আৰু ইয়াৰ লগে লগে শিক্ষা দিবলগীয়া বিষয়টোৰ গুৰুত্বপূর্ণ দিশবোৰৰ সম্যক জ্ঞান দিয়াতো ব্যর্থ হয়। এইক্ষেত্রত আমি মদ অর্থাৎ এলকহলৰ প্রতি মানুহৰ ক্রমাগতভাৱে বৃদ্ধি পোৱা আসক্তি আৰু এলকহল গ্রহণৰ পৰিণতিত সংঘটিত হোৱা বিভিন্ন ঘটনাক প্রামাণিক ঘটনা হিচাপে লৈ বিশ্লেষণাত্মক দৃষ্টিভংগীৰে পর্যালোচনা কৰি যদি আমি সমাজৰ বিভিন্ন স্তৰৰ ব্যক্তিক শিক্ষা প্রদান কৰিবলৈ আগবাঢ়ো, তেনেহ'লে ব্যক্তি বিশেষৰ বুদ্ধিদীপ্ততাৰ স্তৰ অনুযায়ী এলকহলৰ ৰাসায়নিক গাঁথনিৰেপৰা শৰীৰৰ ওপৰত ইয়াৰ বিভিন্ন প্রতিক্রিয়া আৰু সাধাৰণতে কি কাৰণতনো ইয়াৰ প্রতি বিভিন্নজনৰ আসক্তি বৃদ্ধি পায়, তাৰ গভীৰ জ্ঞান দিয়াটো অতি প্রয়োজনীয়। অন্যথাই আলোচনাৰ শেষত 'মদ খালেও বেমাৰ হয়, নোখোৱাৰো নোহোৱাকৈ থকা নাই' এনেকুৱা মন্তব্যইহে ঘাইকৈ প্রাধান্য পায়।

এলকহলৰ কথা যদি আমি বিশ্লেষণ কৰো তেতিয়াহ'লে পোনপ্রথমেই উল্লেখ কৰিব লাগিব যে এলকহলৰ ওপৰত নির্ভৰশীল ব্যক্তি অথবা যথেষ্ট পৰিমাণে এলকহল গ্রহণ কৰা মানুহৰ ক্ষেত্রত উভয়লিংগ ব্যক্তিৰে, যিকোনো সংস্কৃতিৰে আৰু যিকোনো আর্থ সামাজিক স্তৰৰ মানুহৰে নিজৰ আয়ুস দশক দশক পর্যন্ত চমু চাপি আহে আৰু ইয়াৰ উপৰিও সাধাৰণৰপৰা জটিল ৰোগত আক্রান্ত ব্যক্তিসকলৰ ৰোগৰ জটিলতা বৃদ্ধিৰ ক্ষেত্রতো ই অনুঘটক হিচাপে সবল ভূমিকা গ্রহণ কৰে। এলকহলৰ অণুৰ ক্ষেত্রত শিক্ষিত ব্যক্তিসকলে জানিবলগীয়া অতি গুৰুত্বপূর্ণ কথাটো হৈছে যে ই অতি সহজেই কোষৰ বেৰ পাৰ হৈ যাব পাৰে আৰু প্রাৰম্ভিক পর্যায়ত যেতিয়ালৈকে তেজত ইয়াৰ উপস্থিতি কম হৈ থাকে তেতিয়ালৈকে ই কেন্দ্রীয় স্নায়ুতন্ত্রক সক্রিয় কৰি ৰাখে যদিও বর্দ্ধিত পৰিমাণৰ লগে লগে ই মূলত ক্রমান্বয়ে কেন্দ্রীয় স্নায়ুতন্ত্রক অকামিলা কৰাৰ লগে লগে মগজুৰ নিউৰণবোৰকো অসক্রিয় কৰি তোলে আৰু কার্যতঃ ব্যক্তি বিশেষ এক মস্তিষ্কবিহীন পশুলৈ ৰূপান্তৰিত হয়। বিভিন্ন ঘটনাৰ, উদাহৰণস্বৰূপে নিষ্ঠুৰ হত্যাকাণ্ডৰ ঘাতকৰ ক্ষেত্রতেই হওক বা নাবালিকা ধর্ষণপৰা গণধর্ষণলৈকেই হওক সকলো ক্ষেত্রতে ইয়াৰ প্রভাৱ পৰিলক্ষিত হয়। এই বার্তাটি আমাৰ সমাজৰ সকলো স্তৰৰ ব্যক্তিলৈ প্রেৰণ কৰাটোৱে হ'ব লাগে আমি প্রদান কৰিবলগীয়া স্বাস্থ্য শিক্ষাৰ মূল লক্ষ্য। ইয়াৰ উপৰিও ক্রমাগত আৰু স্থায়ীভাৱে যেতিয়া তেজত ইয়াৰ পৰিমাণ বৃদ্ধি পাবলৈ ধৰে তেতিয়া আমাৰ শৰীৰৰ মূল অংগবোৰৰ অপৰিৱর্তনীয় ক্ষতিসাধন কৰিবলৈ আৰম্ভ কৰে। অকল ওপৰৰ কথাখিনিৰপৰাই আমি অনুধাৱন কৰিবলৈ সক্ষম যে যিকোনো পাৰিৱাৰিক আৰু সামাজিক পৰিঘটনা বেদনাদায়ক হ'লে যিসকল ব্যক্তিয়ে সেই ঘটনাক পাহৰি থাকিবলৈ মদ গ্রহণ কৰে, প্রকৃতার্থত সেইসকল ব্যক্তিয়ে সাময়িকভাৱে তেওঁৰ চিন্তাশীল অথবা চিন্তা কৰিব পৰা মগজু আৰু মনক দমন কৰি ৰাখে কিন্তু; পৰৱর্তী সময়ত ইয়ে মানুহজনক স্থায়ীভাৱে সুস্থিৰ চিন্তা কৰিব পৰাৰপৰা বিৰত কৰে। এইখিনিতে আন এটি গুৰুত্বপূর্ণ কথা হৈছে এলকহল বা সু�ৰা সম্পর্কে দিবলগীয়া মানসিক আৰু শাৰীৰিক স্বাস্থ্য শিক্ষা নিশ্চয়কৈ যুৱক-যুৱতী আৰু বয়সসন্ধিকালৰ ল'ৰা -ছোৱালীৰ মাজত প্রদান কৰাটো অতি প্রয়োজনীয়, কিয়নো এইখিনি সময়তে তেওঁলোকৰ মন অতি কোমল হৈ থাকে, যাৰ বাবে তেওঁলোকে জীৱনৰ বিভিন্ন সমস্যাৰ পৰিত্রাণৰ উপায় হিচাপে অথবা জীৱনটোক উপভোগ্য কৰি তুলিবৰ বাবে আনে কৰি অহা আৰু আপাতদৃষ্টিত অতি মনোৰম যেন লগা বিভিন্ন পথেৰে গতি কৰে। কিন্তু তেতিয়াই যদি তেওঁলোকৰ মাজত সংবেদনশীল আৰু বিজ্ঞানসন্মতভাৱে পুংখানুপুংখৰূপে পৃথিৱীৰ বিভিন্ন পৰিসংখ্যাৰে সকলো কথা বুজাই দিয়া হয়, তেতিয়াহ'লে নিশ্চয়কৈ আমি কিছুক্ষেত্রত সচা স্বাস্থ্য শিক্ষা প্রদানত সফল হ'ম আৰু এই স্বাস্থ্য শিক্ষা ড্রয়িং ৰুমৰপৰা শ্রেণীকোঠা হৈ সমাজৰ সকলো স্থানতে হোৱাটো অতি প্রয়োজনীয়। সেয়েহে নিজকে শিক্ষিত বুলি ভবাৰ লগতে সমাজেও শিক্ষিত হিচাপে স্বীকৃতি দিয়া অথবা আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত ব্যক্তিসকলে সদায় এটি সত্য অনুভৱ কৰাটো উচিত যে সমাজৰ বিভিন্ন শ্রেণীৰ ব্যক্তিসকলে তেওঁলোকক অনুকৰণীয় ব্যক্তি হিচাপে জ্ঞান কৰে। সেইবাবে বিভিন্ন স্থানত হোৱা বার্তালাপত তেওঁলোকে যদি অশুদ্ধ অথবা অর্দ্ধৰ জ্ঞানেৰে মন্তব্য প্রদান কৰে তেতিয়া হ'লে অনাকাংক্ষিতভাৱে তেওঁলোকে নজনাকৈয়ে সমাজত ভয়ানক প্রতিক্রিয়া হ'ব পাৰে আৰু বিশেষকৈ মানসিক স্বাস্থ্যৰ ক্ষেত্রত ই অভাৱনীয়ভাৱে ক্ষতি সাধন কৰি চৰিত্র গঠনত ঋণাত্মক ভূমিকা পালন কৰে। উদাহৰণস্বৰূপে শিক্ষিত যেন লগা কিছু ব্যক্তিয়ে ৰক্তহীনতা আৰু ইয়াৰ প্রতিকাৰ সম্পর্কে ন্যূনতম জ্ঞান নথকাকৈয়ে চৰকাৰী স্কুলত বিনামূলীয়াভাৱে প্রদান কৰা আইৰণ-ফলিক এচিডৰ বৰি খাবলৈ মানা কৰে আৰু ইয়াৰ গুণাগুণ আনৰ আগত ব্যাখ্যা কৰে। ই সমাজৰ বাবে অত্যন্ত ক্ষতিকাৰক।

সমাজৰ বিভিন্ন পর্যায়ত সংঘটিত হিংসা-হত্যা, শাৰীৰিক-মানসিক নির্যাতনকে আদি কৰি বিভিন্ন অসামাজিক কার্যকলাপৰ প্রতি যদি আমি লক্ষ্য কৰো, তেতিয়া প্রায়ভাগ ঘটনাৰ বিশ্লেষণৰপৰা আমি নিশ্চয়কৈ এটি সিদ্ধান্তত উপনীত হ'ব পাৰিম যে মানসিক স্বাস্থ্যৰ বিষয়টো সম্পূর্ণৰূপে আওকাণ কৰি নিজকে সুস্বাস্থ্যৰ অধিকাৰী আৰু সুস্থ ব্যক্তিত্বৰ বুলি ভবা এচাম বিসংগতিপূর্ণ ব্যক্তিত্বৰ অধিকাৰী লোকৰ বাবেই এনেকুৱা দুর্ঘটনা সংঘটিত হয়। কলেজৰ অধ্যাপক এজনে যেতিয়া নিজৰ সন্তানে পৰীক্ষাৰ বহীত ৯০ শতাংশ নম্বৰ নোপোৱা বাবে শাৰীৰিকভাৱে অতিমাত্রা প্রহাৰ কৰি পৰৱর্তী সময়ত সন্তানক চিকিৎসাৰ বাবে চিকিৎসকৰ ওচৰলৈ লৈ আহে, তেতিয়া বাৰু অভিভাৱক ৰূপী এই অধ্যাপকজনক আমি সুস্বাস্থ্যৰ অধিকাৰী বুলি ক'ব পাৰিমনে? এই ক্ষেত্রত তেওঁৰ সম্পূর্ণ মনোবিশ্লেষণ আৰু চিকিৎসাৰ প্রয়োজন

আছে বুলি অনুভৱ কৰো। অতি পৰিতাপৰ বিষয় এই যে এই বিশেষ ব্যক্তিজনক, নিজকে বেমাৰী বুলি ভাবিবৰ বাবে আমাৰ সমাজত স্বাস্থ্য শিক্ষাৰ দ্বাৰা জ্ঞান প্রদান কৰাৰ ব্যৱস্থা কৰা হোৱা নাই। যাৰ ফলশ্রুতিত সৰহসংখ্যক শিশুৰ মনত গঢ় লৈ উঠে অপৰাধ প্রৱণতা, আনকি, পিতৃভক্তিৰ সম্পূর্ণ ওলোটা ছবি এখনি প্রতিফলিত হৈ ওভতাই নিজৰ পিতৃকো শাৰীৰিকভাৱে প্রহাৰ কৰিবলৈ উদ্যত হয়। এনেকুৱা ঘটনা প্রতিৰোধ কৰিবৰ বাবে এই শ্রেণীৰ পিতৃ-মাতৃকে ধৰি অভিভাৱকসকলক গোট কৰি শিশুৰ মনস্তাত্ত্বিক দিশ আৰু তেওঁলোকৰ মনৰ ওপৰত পৰিব পৰা বিকৃত প্রভাৱৰ বিষয়ে শিক্ষা দিয়াটো অতি দৰকাৰী আৰু প্রয়োজন সাপেক্ষে বিভিন্ন প্রশ্ন প্রক্রিয়াৰ মাধ্যমেৰে তাৰ মাজৰপৰা high risk অভিভাৱকসকলক বাছনি কৰি বিভিন্ন কর্মশালাৰ আয়োজন কৰি মনোবিজ্ঞানীৰ হতুৱাই শিক্ষা আৰু পৰৱর্তী সময়ত চিকিৎসা প্রদান কৰাটো অতি প্রয়োজনীয়। কিন্তু বিষয়টো হ'ব অতি সংবেদনশীল। সেয়েহে ততাতৈয়াকৈ হঠাতে ধূমকেতুৰ দৰে আৱির্ভাৱ হোৱা বেচৰকাৰী সমাজসেৱী অনুষ্ঠানক যদি এনেকুৱা দায়িত্ব প্রদান কৰা হয়, তেনেহ'লে হিতে বিপৰীত হ'ব। ইয়াৰ বাবে প্রয়োজন হ'ব বিশেষজ্ঞৰ তথা উচ্চ অভিজ্ঞতাসম্পন্ন ব্যক্তিৰ।

প্রতিযোগিতামূলক—এই শব্দটিৰ বহুল প্রচাৰ আমি বাৰুকৈয়ে উপলব্ধি কৰিছো। কিন্তু যেতিয়াৰেপৰা আমি ইয়াক সূক্ষ্মভাৱে পর্যৱেক্ষণ কৰিবলৈ আৰম্ভ কৰিছো, তেতিয়া দেখিছোঁ যে ইয়াৰ অপ-প্রয়োগে সমাজত আন এটি মানসিক ব্যাধিৰ সৃষ্টি কৰিছে। নিজৰ উঠি অহা ল'ৰা-ছোৱালীহালৰ সন্মুখতে যেতিয়া বৰৱানীয়ে দাসৰ গাড়ীখনত নতুন মডেলৰ গাড়ী এখন ল'ব পাৰিলে ষ্টেটাছ মেইন্‌টেইন্ কৰিবলৈ ভাল হ'ব বুলি বৰৱাক ক'ব, তেতিয়া তেওঁলোকৰ কোমল কলি কেইটাৰ ওপৰত সেই কথাবিলাকৰ প্রভাৱ পৰাই স্বাভাৱিক আৰু তেতিয়াৰে পৰা তেওঁলোকৰ মনত ভোগবাদী প্রৱণতাৰ প্রতিযোগিতা আৰম্ভ হয় আৰু সেই একে কথাকে তেওঁলোকৰ সমনীয়াৰ আগত ব্যক্ত কৰিব আৰু তাৰ পিছত কোনোদিনা এখন গাড়ীৰ কথা ভাবিব নোৱৰা পৰিয়ালৰ সন্তানৰ মাজতো এই কথা সপোন হিচাপে আৱির্ভাৱ হয় আৰু তাৰ পিছত আৰম্ভ হয় তাক দিঠকত পৰিণত কৰাৰ পৰিকল্পনা। শুদ্ধ পৰিকল্পনা হ'লে সেয়া আনন্দৰ কথা। কিন্তু অশুদ্ধ ভাবে কৰা পৰিকল্পনাৰ ফলশ্রুতিতে তেওঁলোকৰ মনৰ মাজত বাহ লয় অপৰাধ প্রৱণতাৰ আৰু সেয়েহে কিশোৰৰদ্বাৰা অপহৰণ, হত্যা, বলপূর্বক ধনদাবী আদিৰ দৰে ঘটনাই বাতৰিৰ শিৰোনাম দখল কৰাটো পৰিলক্ষিত হৈছে। এবাৰ যেতিয়া এই অপৰাধ প্রৱণতাৰে তেওঁলোক উচ্চাকাংক্ষী হৈ ভোগ-বিলাসত মত্ত হয়, তেতিয়াহ'লে তেওঁলোকৰ মনৰ মাজৰপৰা সহজে সেই কথা আঁতৰাই পেলোৱাটো সম্ভৱ নহয় আৰু সেইবাবেই বৃদ্ধি পাইছে যৌতুকজনিত শাৰীৰিক- মানসিক অত্যাচাৰ আৰু হত্যা। এই আলোচনাৰ লগত মানসিক স্বাস্থ্য আৰু ইয়াৰ শিক্ষাৰ আন এটি দিশৰ কথা উল্লেখ কৰিব লাগিব। বিভিন্ন পৰিস্থিতিত পৰিকল্পিত কাৰচাজিৰে যদি উল্লিখিত কিশোৰ-কিশোৰীকে ধৰি বিভিন্ন পর্যায়ৰ ব্যক্তিসকল যদি সফল নহয়, তেতিয়াহ'লে তেওঁলোক আন এক মানসিক ৰোগৰদ্বাৰা আক্রান্ত হয় আৰু সেয়া হ'ল হতাশা যাৰ পৰৱর্তী পর্যায় হৈছে manic depressive psychosis। এই হতাশাগ্রস্ত কিশোৰ-কিশোৰীসকলৰ মাজতে নিচাযুক্ত দ্রব্য সেৱন আৰু আত্মহত্যাৰ প্রৱণতা বৃদ্ধি পায়। সেয়েহে অভিভাৱকসকল পোনতে সুস্থ মনৰ অধিকাৰী হোৱাটো অতি প্রয়োজন আৰু তেতিয়াহে শিশু আৰু কিশোৰ-কিশোৰীৰ সন্মুখত বার্তালাপ কৰোতে অথবা তেওঁলোকক উপদেশ দিওঁতে কোনটো প্রয়োজনীয় আৰু কোনটো অপ্রয়োজনীয় কথা সিদ্ধান্ত লোৱাত সিদ্ধহস্ত হ'ব। এতিয়া দৰকাৰী কথাটো হৈছে প্রতিটো বিষয়ৰ জ্ঞান অর্জনৰ বাবে মানুহক যিদৰে শিক্ষাৰ প্রয়োজন, ঠিক তেনেদৰে মানসিক দিশবোৰ চালিজাৰি চাবৰ বাবে মানুহক মনোবিশ্লেষকৰ পৰামর্শ আৰু সঠিক স্বাস্থ্য শিক্ষাৰ অতি প্রয়োজন।

যোৱা দুটিমান দশকৰেপৰা আমি আন এটি কথা বহু পৰিমাণে লক্ষ্য কৰিছো আৰু সেয়া হৈছে ল'ৰা-ছোৱালীৰ যান-বাহনৰ প্রতি আসক্তি। বিভিন্ন দুর্ঘটনাজনিত মৃত্যু অথবা পংগু হোৱাৰ বাতৰি শুনাৰ পিছতো মৃত্যু ভয়কো নেওচি নিজকে দুৰন্ত সাহসী বুলি ভাবিয়েই হওক অথবা আনৰ দৃষ্টি আকর্ষণ কৰিবৰ বাবেই হওক, নিজেই আত্মঘাতীৰ ৰূপত অৱতীর্ণ হৈ সঠিক পথত চলা লোকৰ বাবে ত্রাসৰ কাৰণ হৈ যান-বাহন (risk drive) কৰা। ইয়াৰ উপৰিও ড্রাইভিঙৰ লগে লগে ৰাগিয়াল বস্তু সেৱন কৰা। এই সকলোবোৰো আমি মানসিক স্বাস্থ্যৰ অৱনতি বুলি ধৰিব পাৰো নেকি আৰু ইয়াৰ প্রতিকাৰ আৰু প্রতিৰোধৰ বাবে কিছু ব্যৱস্থা হাতত ল'ব পাৰো নেকি?

ইয়াৰ প্রথমটিৰ সংলগ্ন কথা হৈছে যে কিছুসংখ্যক অভিভাৱকে কুমলীয়া মনৰ ল'ৰা-ছোৱালীক অপ্রয়োজনতে দুচকীয়া বাহন কিনি অথবা যোগাৰ কৰি দিয়াটো পৰিলক্ষিত হৈছে। এতিয়া প্রশ্ন হৈছে অভিভাৱকসকলে টকা সূতত লৈয়ে হওক বা মাটি বন্ধকত থৈয়ে হওক, কিয় নিজৰ ল'ৰা-ছোৱালীৰ বাবে সাধাৰণতে মটৰচাইকেল কিনি দিয়ে? ইয়াৰ প্রধান কাৰণ হৈছে কিছু অভিভাৱকে গুৰু-গোসাঁইনমনা নিজৰ সন্তানৰ দ্বাৰা হাৰাশাস্তিৰ সন্মুখীন হৈ এনেকুৱা কৰিবলৈ বাধ্য হৈছে আৰু আন এচামে নিজৰ ল'ৰা-ছোৱালীৰ এনেকুৱা কার্যৰদ্বাৰা কৃতকার্যতা লাভ কৰা বুলি আনন্দ লাভ কৰে। গুৰু-গোসাঁই নমনা প্রথম শ্রেণীৰ ল'ৰা-ছোৱালীয়ে কিয় বাৰু জ্যেষ্ঠজনৰ প্রতি সন্মান, সমনীয়াক সদব্যৱহাৰ আৰু কনিষ্ঠজনক মৰম কৰাৰপৰা বিৰত থাকে আচলতে বয়ঃসন্ধিকালত তেওঁলোক কিছুমান মানসিক বীজাণুৰদ্বাৰা আক্রান্ত হয় আৰু এই বীজাণুৰ মূল উৎস হৈছে নিজৰ অভিভাৱক, ঘৰখন, লগৰীয়া অথবা সমাজখন। সেয়েহে সঠিক সময়ত সেই ৰোগ নিৰূপণ কৰি প্রতিকাৰ কৰা অথবা আগতীয়াকৈ প্রতিৰোধ কৰাটো অতি প্রয়োজনীয়। এই সকলোবোৰৰ বাবে প্রয়োজন মনোবিশ্লেষণ আৰু সঠিক স্বাস্থ্য শিক্ষাৰ। দ্বিতীয়তে যিশ্রেণীৰ অভিভাৱকে নিজৰ সন্তানৰ এনেকুৱা কার্যত আনন্দ লাভ কৰে, তেৰোঁ আমাৰ বিবেচনাত দুর্বল মনৰ অধিকাৰী। দুর্বল মনৰ অধিকাৰী হোৱাটো দুর্বল শাৰীৰিক স্বাস্থ্যৰ অধিকাৰী হোৱাতকৈ অধিক ভয় লগা আৰু সমাজৰ বাবে ক্ষতিকাৰক।

বর্তমান সমাজক সুনিয়ন্ত্রিতভাৱে সঠিক পথত আগবঢ়াই নিবৰ বাবে মনোবিশ্লেষণ আৰু স্বাস্থ্য শিক্ষাক আমি কেতিয়াও উলাই কৰিব নোৱাৰো। সেয়েহে হীনমন্যতা আৰু উচ্চাত্মিকা পৰিহাৰ কৰি সকলোৱে বিভিন্ন পর্যায়ত প্রয়োজন অনুসাৰে মানোবিশ্লেষকৰ সহায় ল'ব লাগে আৰু সঠিক স্বাস্থ্য শিক্ষাৰে প্রয়োজনীয় মানসিক আৰু শাৰীৰিক স্বাস্থ্যৰ শিক্ষাৰ জ্ঞান আহৰণ কৰিব লাগে। তেতিয়া হয়তো আমি সামাজিক বিশৃংখলা আঁতৰোৱাত কিছু পৰিমাণে হ'লেও সফল হ'ম।■

# ভাৰতবৰ্ষত ভাষা-তত্ত্বৰ চৰ্চা আৰু ভাৰতীয় আৰ্য ভাষাৰ বিকাশ

**দিলীপ কুমাৰ শৰ্মা**
*সহযোগী অধ্যাপক, শুংবুঃমাঃসঃ মহাবিদ্যালয়*

স্বাভাৱিক দৃষ্টিত ইংৰাজসকল ভাৰতবাসীৰ বাবে এক দুঃস্বপ্ন। শোষণ আৰু দমন নীতিৰে ইংৰাজসকলে ভাৰতবাসীৰ ওপৰত যি অত্যাচাৰ চলাইছিল সি সঁচাকৈয়ে অমানৱীয়। তথাপি ইয়াৰ মাজতে ইংৰাজসকলে অজানিতে হ'লেও দুটামান ভাল কাম কৰিছিল। ভাৰতবৰ্ষত ভাষাতত্ত্ব চৰ্চাৰ ক্ষেত্ৰত ইংৰাজসকলৰ ভূমিকা আমি নস্যাৎ কৰিব নোৱাৰো। মুষ্টিমেয় ইংৰাজৰ যত্নতেই ভাৰতবৰ্ষৰ প্ৰায় দুহেজাৰ ছশ বছৰ পুৰণি পৰম্পৰাগত ব্যাকৰণ চৰ্চাৰ ঠাইত তুলনামূলক ঐতিহাসিক পদ্ধতিৰ প্ৰৱৰ্তন হয়।

ভাৰতবৰ্ষত ভাষাতত্ত্ব চৰ্চাৰ ক্ষেত্ৰত ছাৰ উইলিয়াম জোন্ছৰ (Sir William Jones) ভূমিকা অতি গুৰুত্বপূৰ্ণ। ১৭৮৩ চনত এই ইংৰাজ ব্যক্তিগৰাকী ভাৰতবৰ্ষলৈ আহিছিল ছুপ্ৰিম কোৰ্টৰ বিচাৰপতি হৈ। এই ব্যক্তিগৰাকীয়ে ভাৰতবৰ্ষত কিছুবছৰ থাকি ভাৰতীয় সংস্কৃত ভাষাৰ প্ৰতি আকৃষ্ট হৈ পৰে আৰু স্থানীয় পণ্ডিতৰ সহযোগত ভাষাটো আয়ত্ত কৰি লয়। দৰাচলতে জোনছৰ নতুন নতুন ভাষা শিকাৰ প্ৰতি এক দুৰ্বাৰ আকৰ্ষণ আছিল। তেখেতে হিব্ৰু, আৰবী, পাৰ্ছিয়ান, তুৰ্কী আৰু ইউৰোপৰ প্ৰধান ভাষাবোৰ জানিছিল। এইগৰাকী ভাষাবিদৰ একাণপতীয়া উদ্যোগত কলিকতাত 'ৰয়েল এছিয়াটিক ছোচাইটি' নামৰ ভাষাৰ গৱেষণা প্ৰতিষ্ঠান এটি গঢ়ি তুলিছিল। এই প্ৰতিষ্ঠানৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত জোনছে এক মূল্যৱান ভাষণ প্ৰদান কৰিছিল। ভাষণটোৰ সাৰমৰ্ম হ'ল সংস্কৃত, গ্ৰীক আৰু লেটিন ভাষাৰ উৎস একেটাই। এই মন্তব্যই সমগ্ৰ ইউৰোপৰ ভাষাবিদসকলৰ মাজত তোলপাৰ লগাইছিল আৰু লাহে লাহে তুলনামূলক ভাষাতত্ত্বৰ জন্ম হৈছিল।

উইলিয়াম জোনছে কালিদাসৰ 'অভিজ্ঞান শকুন্তলম্'ৰ ইংৰাজী ভাঙনি কৰিছিল। ইংৰাজী ভাঙনিৰপৰা জার্মানসকলে তেওঁলোকৰ ভাষালৈ এইখন অনুবাদ কৰি লৈছিল। জার্মানসকলে এইখন নাটক পঢ়ি সংস্কৃত ভাষাৰ প্ৰতি আকৃষ্ট হৈছিল। ক্ৰমান্বয়ে সমগ্ৰ ইউৰোপত সংস্কৃত ভাষাৰ ব্যাপক চৰ্চা হয় আৰু সংস্কৃতৰ লগত গ্ৰীক আৰু লেটিনৰ সাদৃশ্যক পণ্ডিতসকলে বিচাৰ কৰি তুলনামূলক ভাষাতত্ত্বৰ জন্ম দিয়ে। মন কৰিবলগীয়া যে তুলনামূলক ভাষাতত্ত্বৰ বীজ ভাৰতবৰ্ষৰ মাটিতেই অংকুৰিত হৈছিল।

ইউৰোপীয় পণ্ডিতসকলৰ ভাৰতীয় ভাষাকেন্দ্ৰিক চিন্তা-চৰ্চাই ভাৰতীয় পণ্ডিতসকলকো আধুনিক ভাষাতত্ত্ব চৰ্চাত মনোনিৱেশ কৰিবলৈ অনুপ্ৰেৰণা দান কৰিছিল। সুনীতি কুমাৰ চট্টোপাধ্যায়, বাণীকান্ত কাকতি, উদয় নাৰায়ণ তেৱাৰী আদি প্ৰসিদ্ধ ফৰাচী ভাষা বিজ্ঞানী জুলচ ব্লখৰ (Jules Bloch) দ্বাৰা অনুপ্ৰাণিত হৈছিল।

ভাৰতবৰ্ষত ভাষাতত্ত্ব চৰ্চাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত আটাইতকৈ বেছি বৰঙণি যোগোৱা ব্যক্তিগৰাকী হ'ল ছাৰ জৰ্জ আব্ৰাহাম গ্ৰীয়াৰ্ছন। 'Linguistic Servey of India' এখেতৰ জীৱনৰ কীৰ্তিস্তম্ভ। গ্ৰীয়াৰ্ছন অতি মেধাসম্পন্ন ব্যক্তি আছিল। মাত্ৰ ২২ বছৰ বয়সত ICS পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ চাকৰি সূত্ৰে ভাৰতবৰ্ষলৈ আহি সুদীৰ্ঘকাল বিহাৰত থাকে। গ্ৰীয়াৰ্ছনে বিহাৰী আৰু কাশ্মীৰী ভাষাৰ ওপৰত কেইবাখনো গৱেষণা গ্ৰন্থ লিখি থৈ যায়। 'Linguistic Servey of India' নামৰ সুবৃহৎ গ্ৰন্থখন সম্পাদনা কৰাৰ আগতে তেখেতে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন ভাষা-উপভাষাৰ এক জৰীপকাৰ্য চলায়। প্ৰায় ত্ৰিছ বছৰ কাল অশেষ কষ্ট, যত্ন আৰু অধ্যৱসায়ৰ ফলত ১৯২৭ চনত পূৰ্ণাংগৰূপত গ্ৰন্থখন প্ৰকাশ পায়। গ্ৰন্থখন ভাৰতীয় ভাষাৰ স্থাপত্য শিল্প স্বৰূপ।

### ভাৰতীয় আৰ্য ভাষাৰ বিকাশ

পৃথিৱীৰ সৰ্ব্ববৃহৎ ভাষাগোষ্ঠীটো হৈছে ইণ্ডো-ইউৰোপীয় বা ভাৰত-ইউৰোপীয় ভাষাগোষ্ঠী। ইয়াৰ এটা শাখাৰ নাম ইণ্ডো-ইৰানীয়। এই শাখাৰ আদিম অধিৱাসীসকল ইৰান-ইৰাকত বসবাস কৰিছিল। খ্ৰী.পূ. পঞ্চদশ শতিকাত এওঁলোকৰ কিছু অধিৱাসী ভাৰতবৰ্ষত প্ৰৱেশ কৰে। এওঁলোক ভাৰতবৰ্ষত আৰ্য নামেৰে পৰিচিত হয়। আৰ্যসকলে ভাৰতবৰ্ষত প্ৰৱেশ কৰি দ্ৰাবিড়, অষ্ট্ৰিক আদি পৰিয়ালৰ অধিৱাসীসকলক দাক্ষিণাত্যলৈ খেদি পঠিয়ায়।

সম্ভৱতঃ আৰ্যসকলে একেবাৰে একেটা দলত ভাৰতবৰ্ষত প্ৰৱেশ নকৰি কেইবাটাও সৰু সৰু দলত ভাগ হৈ কেইবাবাৰো ভাৰতবৰ্ষত প্ৰৱেশ কৰিছিল। সি যিকি নহওক এওঁলোকৰ মাজত কিছুমান দেৱতা আৰু প্ৰকৃতি বিষয়ক স্তুতিগীত প্ৰচলিত আছিল। পৰৱৰ্তী কালত সেই স্তুতিগীতসমূহেই 'ঋক' নামৰ বেদত সংৰক্ষিত হয়। ইয়াৰ পৰৱৰ্তী তিনিখন বেদ লগতে ব্ৰাহ্মণ উপনিষদ আৰু আ�ৰণ্যকসমূহক লৈ যি ভাষা সিয়েই বৈদিক ভাষা।

শিষ্ট আৰ্যসকলৰ মাজত সাহিত্যিক বৈদিক ভাষাৰ প্ৰচলন আছিল যদিও সাধাৰণ মানুহে লৌকিক কথ্যৰূপটো গ্ৰহণ কৰিছিল যাক আমি কথিত বৈদিক ভাষা বুলি ক'ব পাৰো। ভাষাৰ লিখিত বা মান্য ৰূপৰ পৰিৱৰ্তনৰ তীব্ৰতা কথিত ভাষাতকৈ বহু কম। কাৰণ মান্য ৰূপৰ এক বান্ধোন থাকে। ইয়াৰ বিপৰীতে মানুহৰ এক সহজাত প্ৰবৃত্তি এই যে মানুহে যিকোনো শব্দ সহজভাৱে উচ্চাৰণ কৰিবলৈ বিচাৰে। এনে প্ৰৱণতাৰ ফলত কথিত ভাষাৰ দ্ৰুত পৰিৱৰ্তন হয়। খ্ৰী. পূ. ষষ্ঠ

শতিকামানত কথিত বৈদিকৰ এনে চকুত লগা পৰিৱৰ্তনে শিষ্ট আৰ্যসকলক সচকিত কৰি তুলিলে। ব্ৰাহ্মণ পণ্ডিত, পুৰোহিত অথবা ক্ষত্ৰিয় ৰাজন্যবৰ্গই এনে পৰিৱৰ্তন ৰোধ কৰাৰ বাবে উঠিপৰি লাগিল। এনে প্ৰচেষ্টাৰ ফলস্বৰূপে খ্ৰী. পূ. পঞ্চম শতিকামানত মহামুনি পাণিনিয়ে কথিত বৈদিক ভাষাক সংস্কাৰ সাধন কৰি তাৰ নিয়মসূত্ৰ তৈয়াৰ কৰি 'অষ্টাধ্যায়ী' নামৰ এখন ব্যাক�ৰণ প্ৰণয়ন কৰে। গতিকে যি কথিত বৈদিকক সংস্কাৰ কৰা হ'ল বা পৰিমাৰ্জন কৰা হ'ল সিয়েই সংস্কৃত। বৈদিক ভাষাৰ কথ্যৰূপৰ যি অনাবিল প্ৰৱাহ তাক অষ্টাধ্যায়ীয়ে ৰোধ কৰি পেলালে। ইয়াৰ ফলস্বৰূপে এটা জীৱন্ত ভাষা ক্ৰমান্বয়ে মৃতভাষালৈ ৰূপান্তৰিত হ'ল। সংস্কৃত মৃতভাষা হ'লেও কিন্তু ভাৰতীয় সভ্যতা, সংস্কৃতিৰ পূৰ্ণ বিকশিত ৰূপটো এই ভাষাৰ মাজেৰেই প্ৰকাশ পাইছে।

গৌতম বুদ্ধ কেৱলমাত্ৰ এজন ধৰ্ম প্ৰচাৰকেই নাছিল। ভাৰতীয় ভাষাৰ বিকাশত পৰোক্ষভাৱে হ'লেও গৌতম বুদ্ধৰ প্ৰভূত বৰঙণি আছিল। জনসাধাৰণৰ মুখৰ ভাষাক পোহৰলৈ আনি তাক এক মানবিশিষ্ট ৰূপলৈ উত্তৰণ ঘটোৱাত বুদ্ধদেৱৰ অৱদান নুই কৰিব নোৱাৰি। পাণিনিয়ে ভাষা প্ৰৱাহৰ যিখন দুৱাৰ বন্ধ কৰি দিছিল গৌতম বুদ্ধই সেইখন দুৱাৰকেই দ্বিধাহীনভাৱে খুলি দিছিল। অকল সেয়াই নহয়, যাগ-যজ্ঞৰ ভৰত পদপিষ্ট সাধাৰণ জনগণক ধৰ্মীয় পথেৰে মুক্তিৰ সোপান দেখুৱাই কঠোৰ ইন্দ্ৰিয় দমনেৰে মানুহৰ জীৱনক এক পৰিশীলিত ৰূপো দিলে।

গৌতম বুদ্ধৰ মহাপৰিনিৰ্বাণৰ পিছত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত প্ৰতি এশ বছৰৰ মূৰে মূৰে অৰ্থাৎ তিনিশ বছৰৰ ভিতৰত তিনিখন ডাঙৰ মহামেল হৈছিল। ভাৰতবৰ্ষৰ উপৰি পৃথিৱীৰ বিভিন্ন প্ৰান্তৰপৰা বিভিন্ন ভাষা-ভাষী লোক সমৱেত হৈছিল। এই বৌদ্ধ ভিক্ষুসকলে বুদ্ধৰ 'বচন'সমূহৰ সংকলন কৰি 'ত্ৰিপিটক' নামৰ সুবৃহৎ গ্ৰন্থখনৰ সৃষ্টি কৰিছিল। গ্ৰন্থখনৰ ভাষাটোৰ নাম আছিল পালি। আচলতে পালি সেই সময়ৰ ভাৰতবৰ্ষৰ সৰ্বসাধাৰণৰ কথিত ভাষাৰ এক শিষ্টসন্মত ৰূপ। বুদ্ধদেৱৰ নিচিনা মহাবীৰ জৈনেও ভাৰতীয় ভাষা স্বাভাৱিক বিকাশত অৰিহণা যোগাইছিল।

বহল অৰ্থত সমগ্ৰ মধ্যভাৰতীয় আৰ্য ভাষাক 'প্ৰাকৃত' ভাষা বুলি কোৱা হয়। কাৰণ— 'প্ৰাকৃতজনানাম্ ভাষা প্ৰাকৃতম্।' এই প্ৰাকৃতজন অন্য কোনো নহয় সমাজৰ সৰ্বসাধাৰণ ব্যক্তি। গতিকে সাধাৰণ মানুহৰ কথিত ভাষাই প্ৰাকৃত ভাষা। অৱশ্যে ভাষাগত বিচাৰত মধ্যভাৰতীয় আৰ্য ভাষাৰ দ্বিতীয় স্তৰ অৰ্থাৎ খ্ৰীষ্টাব্দ প্ৰথম শতাব্দীৰপৰা ষষ্ঠ শতাব্দীলৈ প্ৰচলিত ভাৰতীয় আৰ্য ভাষাকহে 'প্ৰাকৃত' বুলি কোৱা হয়। খ্ৰীষ্টাব্দ প্ৰথম শতাব্দীৰপৰা সংস্কৃত নাট্যকাৰসকলে তেওঁলোকৰ নাটকত প্ৰাকৃত ভাষাক ব্যৱহাৰ কৰিবলৈ ধৰে আৰু এনেদৰেই এটা সময়ত প্ৰাকৃত ভাষাই সাহিত্যিক মৰ্যাদা লাভ কৰে।

সংস্কৃত নাটকত প্ৰাকৃত ব্যৱহাৰ কৰিলেও তাৰ মাজত শ্ৰেণী বৈষম্য পৰিলক্ষিত হোৱা দেখা যায়। সাহিত্যত ব্যৱহৃত প্ৰাকৃতবোৰৰ ভিতৰত মহাৰাষ্ট্ৰী প্ৰাকৃতক সৰ্বোৎকৃষ্ট বুলি ধৰা হয়। শৌৰসেনী কিছু পৰিমাণে সংস্কৃতৰ ওচৰ চপা। নাট্যকাৰসকলে সংস্কৃত নাটকৰ গীতৰ ভাষা হিচাপে মহাৰাষ্ট্ৰী, উচ্চ বংশীয় পাৰিষদ বা ৰাণী আদি চৰিত্ৰৰ মুখৰ সংলাপ হিচাপে শৌৰসেনী প্ৰাকৃত আৰু সমাজৰ একেবাৰে পিছপৰা শ্ৰেণী যেনে— মাছমৰীয়া, সৰ্পজীৰী, চোৰ আদি চৰিত্ৰৰ সংলাপত মাগধী প্ৰাকৃত প্ৰয়োগ কৰা দেখা যায়।

ভাষা প্ৰয়োগৰ ক্ষেত্ৰত সেই সময়তো কিছুমান বিৰল ব্যক্তি আছিল। তেনে এজন ব্যক্তি হ'ল কবি ৰাজশেখৰ। খ্ৰীষ্টীয় দশম শতিকামানত এইজন কবি তথা ৰাজগুৰুৱে অকল প্ৰাকৃত ভাষাত নাটক ৰচনা কৰি প্ৰচলিত সমাজ ব্যৱস্থাৰ প্ৰতি একধৰণৰ বিক্ষোভ প্ৰদৰ্শন কৰিছিল। পা�ৰিৱাৰিক ক্ষেত্ৰতো তেওঁ কিছু ব্যতিক্ৰমধৰ্মী আছিল। নিজে ব্ৰাহ্মণ বংশৰ হৈয়ো তেওঁ ক্ষত্ৰিয়কন্যাক বিবাহ কৰাইছিল। যিটো সেইখন সমাজত সোঁতৰ বিপৰীতে যোৱা এক ধৰণৰ কাৰ্য আছিল। সংস্কৃত পৰিহাৰ কৰি কেৱলমাত্ৰ প্ৰাকৃতভাষাৰ জৰিয়তেই যে নাটক ৰচনা কৰিব পাৰি তেওঁ তাক 'কৰ্পূৰমঞ্জৰী' নামৰ সট্টকখন লিখি প্ৰমাণ কৰি দেখুৱালে।

মধ্য ভাৰতীয় আৰ্য ভাষাৰ শেষৰ স্তৰটো হ'ল অপভ্ৰংশ-অৱহট্‌ঠ স্তৰ। কিছুমান পণ্ডিতে অপভ্ৰংশক সাহিত্যিক প্ৰাকৃতৰ পৰৱৰ্তী স্তৰ আৰু অৱহট্‌ঠক আধুনিক ভাৰতীয় আৰ্য ভাষাৰ উদ্ভৱৰ পূৰ্ব্ব স্তৰ হিচাপে দেখুৱাব বিচাৰে। কিন্তু সাহিত্যৰ অপভ্ৰংশ প্ৰয়োগৰ ইতিহাস বিশ্লেষণ কৰি চালে এই কথা মানিব নোৱাৰি। কিয়নো খ্ৰীষ্টাব্দ দ্বিতীয় শতাব্দীৰ পতঞ্জলীৰ 'মহাভাষ্য'ত অপভ্ৰংশ শব্দৰ প্ৰথম উল্লেখ পোৱা যায় আৰু খ্ৰীষ্টাব্দ চতুৰ্থ শতাব্দীৰ কালিদাসৰ 'বিক্ৰমোৰ্বশীয়ম' নাটকৰ গীতসমূহত অপভ্ৰংশৰ প্ৰয়োগ দেখা যায়। সম্ভৱতঃ সাহিত্যিক প্ৰাকৃতৰ সমসাময়িকভাৱে কিছুমান কথ্যৰূপৰ মৌখিক গীতপদ প্ৰচলিত আছিল আৰু সেইবোৰ জনপ্ৰিয় হোৱা বাবে সংস্কৃত নাট্যকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছিল।

দৰাচলতে খ্ৰীষ্টাব্দ ষষ্ঠ শতিকাৰপৰাহে অপভ্ৰংশই স্বতন্ত্ৰ ভাষা হিচাপে স্বীকৃতি লাভ কৰে। ষষ্ঠ শতিকাৰ আলংকাৰিক ভামহে 'কাব্যালংকাৰ' নামৰ গ্ৰন্থ স্পষ্টভাৱে সংস্কৃত, প্ৰাকৃত আৰু অপভ্ৰংশ এই তিনিটা ভাষাৰ উল্লেখ কৰিছে। এওঁৰ পৰৱৰ্তী আলংকাৰিকসকলেও অপভ্ৰংশৰ স্বতন্ত্ৰ অস্তিত্বৰ কথা স্বীকাৰ কৰিছে।

প্ৰকৃতাৰ্থত বৈদিক, সংস্কৃত, পালি, প্ৰাকৃত, অপভ্ৰংশ আদি ক্ৰমান্বয়ে সৰলতৰ ৰূপ। তেনেদৰে মধ্য ভাৰতীয় আৰ্য ভাষাৰ একেবাৰে সৰলতৰ ৰূপটোৱেই হ'ল অৱহট্‌ঠ। অৱহট্‌ঠৰ একেবাৰে শেষ স্তৰৰ ৰচনা হ'ল বিদ্যাপতিৰ 'কীৰ্তিলতা' আৰু 'কীৰ্তিপতাকা'। কাব্যদুখনৰ বিষয়বস্তু বীৰত্বব্যঞ্জক কাহিনী আৰু প্ৰেম-প্ৰীতি।

খ্ৰীষ্টীয় দশম শতিকা মধ্যভাৰতীয় আৰ্য ভাষাৰ শেষ সময়। অৰ্থাৎ ইয়াৰ পিছৰপৰাহে নব্য-ভাৰতীয় আৰ্য ভাষাসমূহৰ জন্ম হয় বুলি বিভিন্ন পণ্ডিতে অভিমত প্ৰকাশ কৰিছে। এই হিচাপত অসমীয়া ভাষাটো ভাৰতীয় আৰ্য ভাষাৰ বিকশিত ৰূপ হিচাপে দশম শতিকাত জন্ম হোৱা বুলি ক'ব লাগিব। কিন্তু সপ্তম শতিকাৰ অসমৰ শক্তিশালী ৰজা কুমাৰ ভাস্কৰ বৰ্মাৰ দিনত অসমলৈ অহা চীনা পৰিব্ৰাজক হিউৱেন চাঙে সেই সময়ৰ অসমৰ ভাষা মধ্যভাৰতৰ ভাষাতকৈ অলপ পৃথক বুলি কোৱাৰ পিছত অসমীয়া ভাষাই দশম শতিকাত জন্ম গ্ৰহণ কৰা বুলি কোৱাৰ স্থল নাথাকে। অসমৰ বিশিষ্ট পণ্ডিতসকলে সপ্তম শতিকাত গঢ় লোৱা এই সুকীয়া ৰূপটোক নাম দিছে 'কামৰূপী প্ৰাকৃত'।■

# ভাৰতত বাইশ বছৰীয়া নব্য উদাৰ অৰ্থনীতিৰ পৰিহাস

**অনন্ত কলিতা**

আমেৰিকাৰ কলম্বিয়া বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপিকা নিৰাজ কৌশলে ২০১২ চনৰ ৪ এপ্ৰিলত 'দ্য ইকনমিক টাইমছ্'ত প্ৰকাশিত তেখেতৰ নিবন্ধটোত লিখিছিল — 'The world bank needs to seriously study how China accomplished what other countries could not even with billions in loans and aid from the Bank and policy interventions designed by its highly acclaimed economists and development practitioners.

For one thing, whatever be the short comings of communism, it did bring gender equality in China. This in turn, released a vast resource for economic growth. China has one of the highest employment rates among woman in the world– higher than the employment rate of women in most western countries... It was communism that liberated women from the subservience of men.'

ভাৰতবৰ্ষ স্বাধীন হৈছিল ১৯৪৭ চনত আৰু তেতিয়াৰপৰা গণতান্ত্ৰিকভাৱে নিৰ্বাচিত চৰকাৰে ভাৰত শাসন কৰি আছে। ১৯৪৯ চনৰপৰা চীন দেশত কমিউনিষ্ট পাৰ্টীৰ শাসন চলিছে। ভাৰতৰ অৰ্থনৈতিক নীতি পুঁজিবাদী অৰ্থনীতি। ১৯৯০ চনলৈ ভাৰতৰ অৰ্থনীতিত ৰাজহুৱা খণ্ডৰ প্ৰাধান্য আছিল আৰু দেশৰ অৰ্থনীতিত চৰকাৰী নিয়ন্ত্ৰণ বা ভূমিকা আছিল। ১৯৯১ চনত নৰসিংহ ৰাওৰ চৰকাৰৰ মন্ত্ৰীসভাৰ বিত্তমন্ত্ৰী ড° মনমোহন সিঙে ঘোষণা কৰিছিল যে ভাৰতৰ অৰ্থনীতি ৰাজহুৱা খণ্ডৰ প্ৰাধান্য তথা চৰকাৰৰ সক্ৰিয় ভূমিকা থকা বাবে অৰ্থনীতিৰ বিকাশ উচ্চহাৰত হোৱা নাই আৰু দেশৰ জনসাধাৰণৰ দৰিদ্ৰতা মোচন কৰিব পৰা নাই। গতিকে এই অৰ্থনীতি সংস্কাৰ কৰি দেশৰ অৰ্থনীতিৰ দেশী-বিদেশী পুঁজিক প্ৰাধান্য দিব লাগিব আৰু অৰ্থনীতিত চৰকাৰী ভূমিকা ন্যূনতম পৰ্যায়লৈ আনিব লাগিব। অৰ্থাৎ অৰ্থনীতি বজাৰ শক্তিৰ অদৃশ্য হাতে নিয়ন্ত্ৰণ কৰিব। এই অৰ্থনীতি বিশ্বায়িত মুক্ত বজাৰ অৰ্থনীতি বা নব্যউদাৰ অৰ্থনীতি হিচাপে প্ৰখ্যাত হৈছিল পৃথিৱীত।

বিশ্বায়নৰ দয়াত আমেৰিকান কোম্পানীৰ মনোহাৰী সামগ্ৰীৰপৰা আলু ভাজালৈ তৃতীয় বিশ্বৰ দেশসমূহত বিক্ৰী কৰাৰ বাবে গ্যাট শেষত বিশ্ব বাণিজ্য সংস্থাৰ সৃষ্টি হৈছে। আমেৰিকা-ইউৰোপৰ বহুজাতিক কোম্পানীসমূহৰ স্নো, পাউদাৰৰপৰা আলুভাজা, পিচিৰপৰা মোবাইল ছেট-সকলো সামগ্ৰীয়ে পোৱা যায় আমাৰ দেশৰ ওৱালমাৰ্ট বা আন আন ছুপাৰ মলত। আমেৰিকা-ইউৰোপৰ টকা বিনিয়োগ হৈছে হেনো ভাৰতত। ভাৰতৰ চৰকাৰী উদ্যোগকে ধৰি সকলো উদ্যোগ প্ৰতিষ্ঠান কিনি ল'ব আমেৰিকা-ইউৰোপৰ বৃহৎ কোম্পানীবোৰে। চৰকাৰী সকলো সম্পত্তি বেচৰকাৰী হৈ যাব। আমাৰ ছোৱালী-মহিলাসকলে পেৰিছৰ প্ৰসাধনী সামগ্ৰী গুৱাহাটীৰ দোকানবোৰতে পাব। বিশ্বায়নৰ বতাহ লাগিছে সকলোৰে গাত। সমাজতন্ত্ৰ নামৰ সমাজ ব্যৱস্থা ৰুছিয়া আৰু পূৰ্ব ইউৰোপৰ দেশবোৰত পতন হ'ল। এই সমাজ ব্যৱস্থা হেনো অবাস্তৱ। ফ্ৰান্সিছ ফুকিয়ামা নামৰ বিশ্ববিখ্যাত বুদ্ধিজীৱী এজনে বিৰাট গ্ৰন্থ এখন লিখিলে 'ইতিহাসৰ সম্পত্তি'। ধনতান্ত্ৰিক ব্যৱস্থা হেনো ইতিহাসত সৰ্বোত্তম সৃষ্টি। দ্বন্দ্বমূলক বস্তুবাদৰ গতি ইয়াতে স্তব্ধ। সকলো লোকৰ বাবে এটা ভোট। উদাৰ গণতন্ত্ৰ সকলো স্বাধীন, সকলো মুক্ত। যোগ্য ভোগ্য বসুন্ধৰা। সকলোৱে নিজৰ ইচ্ছামতে উন্নতি কৰিব পাৰে। বিলগেটছ হ'ব, আম্বানী হ'ব পাৰে ইচ্ছা কৰিলে। সমাজতত্ত্ব ভাঙি পৰিছিল। সকলোৱে জয়ধ্বনি গাইছিল পুঁজিবাদৰ।

১৯৯১ চনৰপৰা জনগণৰ মুক্তি অনা এই নিৰ্ভেজাল পুঁজিবাদ ভাৰতবৰ্ষতো প্ৰৱৰ্তন হৈছিল। যোৱা ২২ বছৰে এই পুঁজিবাদে অনেক লোকৰ ভাগ্য গঢ়ি তুলিলে। অনেকে লাখ কোটি টকাৰ মালিক হৈ পৰিল। বিশ্বৰ এশজন বৃহৎ পুঁজিপতিৰ তালিকাত অনেকজন ভাৰতীয়ৰ নাম প্ৰতিফলিত হ'ল। ধন্য ভাৰতৰ মুক্ত পুঁজিবাদী অৰ্থনীতি। ভাৰতে উন্নতি কৰিছে। ভাৰত ধনী লোকেৰে ভৰ্তি হৈ গৈছে। ৰাস্তা-ঘাটে মটৰেই মটৰ— অট্টালিকাৰ পাছত অট্টালিকা।

কিন্তু লণ্ডনৰপৰা প্ৰকাশিত ইকনমিষ্ট কাকতখনে ভাৰতৰ ৰূঢ় সত্য এটি প্ৰকাশ কৰিছে — 'প্ৰায় ২ কোটি ৭০ লক্ষ ভাৰতীয়ৰ জন্ম হ'ব এই বছৰ। পৰিস্থিতিৰ উন্নতি নহ'লে, এওঁলোকৰ মাজৰ ২০ লক্ষৰে মৃত্যু হ'ব ভোট হোৱাৰ আগতে। আৰু যিসকল জীয়াই থাকিব অপুষ্টিৰ কাৰণে তেওঁলোকৰ দহ শতাংশই হ'ব শাৰীৰিকভাৱে অক্ষম। অধিকাংশই হয়তো স্কুলত ভৰ্তি হ'ব। কিন্তু পাঁচ বছৰ স্কুল শিক্ষাৰ পাছতো ৬০ শতাংশতকৈও কম ছাত্ৰইহে এটা চুটি গল্প পঢ়িব পাৰিব, ৬০ শতাংশৰ অধিক ছাত্ৰই সৰল অংক এটাও কৰিব নোৱাৰিব।'

জনসাধাৰণৰ দুখ-যন্ত্ৰণা শেষ কৰিব পৰা মুক্ত বজাৰ অৰ্থনীতি ভাৰতকে ধৰি বিশ্বৰ সৰ্বত্ৰ মহা সংকটত। ভাৰতৰ অৰ্থনীতিৰ বিকাশ দিনে দিনে নিম্নগামী হ'ব ধৰিছে। টকাৰ অৱমূল্যায়নে ভাৰতৰ

অর্থনীতিলৈ সর্বনাশ কঢ়িয়াই আনিছে। মুক্ত বজাৰ অর্থনীতি প্রৱর্তন কৰি ৰপ্তানি ৰপ্তানি শ্লোগান দিছিল আমাৰ দেশৰ মুক্ত বজাৰ অর্থনীতিৰ পৃষ্ঠপোষকসকলে। বর্তমান বাণিজ্য ঘাটিয়ে দেশৰ অর্থনীতিলৈ বিপদ মাতি আনিছে। ভাৰতলৈ আমদানিহে অধিক। শিল্পোৎপাদনৰ বিকাশৰ হাৰ দ্রুত হাৰত নিম্নগামী হৈছে। নিবনুৰাৰ সংখ্যা দিনে দিনে বৃদ্ধি হৈছে। তথ্যপ্রযুক্তি খণ্ডতো নিয়োগ বন্ধ। ইঞ্জিনিয়াৰ, মেনেজমেণ্টৰ স্নাতকসকলৰ বাবেও চাকৰি নাই। ইঞ্জিনিয়াৰিং, মেনেজমেণ্ট পঢ়াৰ ধুম উঠিছিল ।বর্তমান ভাৰতৰ সর্বত্র অনেক ইঞ্জিনিয়াৰিং, মেনেজমেণ্ট কলেজ বন্ধ হৈ গ'ল ছাত্রৰ অভাৰত। উদাৰ অর্থনীতিৰে খুলি দিছে নির্বিচাৰে দুর্নীতিৰ উৎসমুখ। চুৰি, অনৈতিকতা, বে-আইনী, দুর্নীতি-ভ্রষ্টাচাৰ আদিৰ অনুশীলন মানেই উদাৰ অর্থনৈতিক নীতি। উদাৰনীতিৰ অর্থই হ'ল দুর্নীতিৰ আশ্রয়। অসাধু, ব্যৱসায়ী, কর্পোৰেট পৰিচালকসকল, ৰাজনীতিক আৰু আমোলাসকলৰ অসাধু জোঁট।

যোৱা ২২ বছৰে উক্ত বিশ্বায়িত নৱ্যউদাৰ অর্থনীতি বা মুক্তবজাৰ অর্থনীতিয়ে দেশৰ অর্থনীতিত চৰকাৰী ভূমিকা তথা চৰকাৰী দায়িত্বৰ অৱসান ঘটালে। ভাৰতৰ বর্তমান অর্থনীতিৰ পৰিচালনাৰ দায়িত্ব বজাৰ শক্তিৰ অদৃশ্য হাতৰ ওপৰত। আনকি ১৯৯১ চনত যেতিয়া ভাৰত চৰকাৰে ৰপ্তানিক উৎসাহিত কৰিবলৈ ১৮/১৯ শতাংশ টকাৰ মূল্য হ্রাস কৰিছিল তথাপি অর্থনৈতিক পৰিস্থিতি নিয়ন্ত্রণৰ বাবে চৰকাৰৰ মুখ্য ভূমিকা আছিল। তেতিয়া জধে-মধে বা পৰিকল্পনাহীনভাৰে বিদেশী মুদ্রা ভাৰতৰপৰা ওলাই যোৱা নাছিল। আনকি ১৯৯৭ চনৰ ইষ্ট এছিয়ান সংকটৰ সময়ত ভাৰতৰ অর্থনীতি বিশ্ব অর্থনীতিৰ লগত সম্পূর্ণভাৰে সংহত হোৱা নাছিল আজিৰ নিচিনাকৈ। তেতিয়া সেয়ে ৰিজার্ভ বেংকৰ বাবে সম্ভৱ হৈছিল টকাৰ অৱমূল্যায়ন নিয়ন্ত্রণত ৰখাৰ। আজি বাণিজ্য ঘাটি তথা কাৰেণ্ট একাউণ্ট ঘাটি সমস্যাই প্রতিফলিত কৰিছে সোপা-ঢিলা পুঁজি নিয়ন্ত্রণ। ভাৰত চৰকাৰে অর্থনৈতিক খণ্ডত নিজৰ স্থিতি শক্তিশালী কৰাৰ বিপৰীতে পশ্চিমীয়া বজাৰ শক্তিৰ ওপৰত নির্ভৰশীল হ'ল আৰু পশ্চিমীয়া দেশত লাভৰ আশা নেদেখি লাভকল্পী ফটকাবাজি পুঁজি উদীয়মান অর্থনীতিসমূহত বিনিয়োগ কৰিছিল। এই পুঁজিৰে ভাৰতৰ শ্বেয়াৰ বজাত, বণ্ড বজাৰ বুৰবুৰণিৰ সৃষ্টি হোৱাত ভাৰত চৰকাৰ উৎফুল্লিত হৈ ঘোষণা কৰিছিল ভাৰতৰ জনগণৰ নৱ্যউদাৰ অর্থনীতিয়ে মুক্তি আনিব। ভাৰতৰ তথা উদীয়মান বিভিন্ন অর্থনীতিত মুদ্রাৰ অৱমূল্যায়ন সম্বন্ধে ন'বেল বঁটা বিজয়ী আমেৰিকান অর্থনীতিবিদ পল ক্রুগমানে যোৱা ২৪ আগষ্টত এটি প্রবন্ধত লিখিছে — 'A couple of years back, Western investors- discouraged by low returns both in the U.S. and in the non-crosis nations of Europe - began pouring large sums into emerging markets. Now they have reversed course. As a result, Indian's rupee and Brazil's real are plunging,along with Indonesia's rupiah, the South-African roud, Two laish lira and more.'

মুক্ত অর্থনীতিত জধে-মধে দেশৰ বৃহৎ পুঁজিপতিসকল বৈদেশিক ঋণ ল'বলৈ মুকলি কৰি দিলে, ফলত ১৯৯১ চনত অর্থাৎ অর্থনৈতিক সংস্কাৰৰ আগতে ভাৰতৰ বৈদেশিক ঋণ আছিল মুঠ ঘৰুৱা উৎপাদনৰ ১০.২ শতাংশ আৰু ২০১৩ চনত হ'লগৈ জি ডি পিৰ ৩১ শতাংশ, অংকৰ হিচাপত ৩৯০ বিলিয়ন ডলাৰ। অকল দহোটা বৃহৎ কর্পোৰেটে আজিৰ তাৰিখত ৬,৩০,০০০ কোটি টকাৰ বৈদেশিক ঋণ। ৩৯০.৫ বিলিয়ন বৈদেশিক ঋণৰ ভিতৰত চৰকাৰৰ ঋণ ৮১.৬৫ বিলিয়ন ডলাৰ মাত্র বাকী পুঁজিপতিসকলৰ ঋণ। বৈদেশিক ঋণ আৰু ভাৰতৰ বৈদেশিক মুদ্রা জমাৰ অনুপাত ৭০ শতাংশ (২৭৭ বিলিয়ন ডলাৰ বিদেশী মুদ্রা জমা)। কাৰেণ্ট একাউণ্ট ঘাটিৰ লগতে বৈদেশিক ঋণৰ অনুপাতে টকাৰ মূল্য হ্রাসত মুখ্য অৰিহণা যোগায়।

ভাৰত চৰকাৰে যোৱা ২২ বছৰে ভাৰতৰ অর্থনীতিৰ স্বাৱলম্বী বুনিয়াদ গঢ়ি নুতুলিলে। ভাৰতৰ অর্থনীতিৰ মৌলিক বুনিয়াদ দুর্বল হৈ বিদেশী অর্থনীতিৰ ওপৰত নির্ভৰশীল হৈ থাকিল। ৰপ্তানি তথা আমদানি নির্ভৰশীল হৈ থাকিল ভাৰতৰ অর্থনীতি। দেশৰ কৃষিখণ্ড উন্নয়ন তথা আধুনিকীকৰণৰদ্বাৰা ৭০ শতাংশ মানুহৰ জীৱন-জীৱিকাৰ পথ সৃষ্টি কৰি এওঁলোকৰ আয় সৃষ্টিৰে বৃহৎ ঘৰুৱা বজাৰ এখনৰ সৃষ্টি কৰিব পাৰিলেহেঁতেন। সেই অৱস্থা হ'লে এই এশ কোটি মানুহৰ চাহিদা পূৰাবলৈ উৎপাদন কৰিবলৈ লাখ কোটি উদ্যোগ প্রতিষ্ঠানৰ সৃষ্টি হ'লহেঁতেন। আজি দেশৰ প্রায় ৮০ শতাংশ লোকৰ ক্রয় ক্ষমতা নাই। ৰপ্তানি নির্ভৰশীল অর্থনীতিয়ে বিশ্ব বাণিজ্যৰ এক শতাংশহে অধিকাৰ কৰিবলৈ সক্ষম হ'ল। ইয়াৰ বিপৰীতে চীনে দখল কৰিলে ১০.৫ শতাংশ। ভাৰতৰ ৰপ্তানিৰ আয়ে আমদানিৰ খৰচ পূৰণ কৰিব নোৱাৰে আৰু দিনে দিনে বাণিজ্য ঘাটি বৃদ্ধি হৈ আছে। ২০১২-১৩ বিত্তীয় বর্ষত বাণিজ্য ঘাটি ১৯০ বিলিয়ন ডলাৰ। ২০১৩-১৪ বিত্তীয় বর্ষৰ প্রথম তিনিমাহত ৫০.২ বিলিয়ন ডলাৰ বাণিজ্য ঘাটি। খাৰুৱা তেল, কয়লা, সাৰ, খোৱা তেল, মেনুফেকচাৰিং সামগ্রী আদি সকলো সামগ্রী আমদানি কৰে। ভাৰতৰ ধনীক শ্রেণীৰ লোকৰ বাবে বছৰে প্রায় ১৫০ টন সোণ আমদানি কৰে। উক্ত পৰিস্থিতিত বাণিজ্য ঘাটি নিয়ন্ত্রণ সম্ভৱ হ'লহেঁতেন যদি উক্ত সামগ্রীসমূহৰ উৎপাদন দেশতে কৰিব পাৰিলেহেঁতেন। ১৯৯১ চনৰ পাছত ভাৰত চৰকাৰে ৰাজহুৱা বিনিয়োগৰ কার্যসূচী বাতিল কৰি সম্পূর্ণৰূপে নির্ভৰশীল হৈ পৰিল ব্যক্তিগত খণ্ডৰ বিনিয়োগৰ ওপৰত। ব্যক্তিগত খণ্ডৰ দেশৰ প্রতি কোনো দায়বদ্ধতা নাই তেওঁলোকৰ দায়বদ্ধতা লাভৰ প্রতি। লাভ য'ত বেছি তাত বিনিয়োগ কৰে। ১৯৯১ চনত দেশৰ প্রয়োজনীয় খাৰুৱা তেলৰ ৫০ শতাংশ দেশতে উৎপাদন কৰিছিল, বর্তমান ৮০ শতাংশতকৈ অধিক পৰিমাণৰ খাৰুৱা তেল আমদানি কৰে। দেশৰ ভিতৰত খাৰুৱা তেল উৎপাদন কৰিব পাৰিলে আজি বাণিজ্য ঘাটিৰ সমস্যা নাহিলহেঁতেন তথা টকাৰ অৱমূল্যায়ন নহ'লহেঁতেন। ১৯৯১ চনৰ পাছত ভাৰত চৰকাৰে দেশৰ ভিতৰতে ৰাজহুৱা খণ্ডত খাৰুৱা তেল উৎপাদনৰ কার্যসূচী বাদ দি ব্যক্তিগত খণ্ডৰ ওপৰত নির্ভৰশীল হ'ল খাৰুৱা তেলৰ বাবে। ব্যক্তিগত কোম্পানীয়ে দেশৰ খাৰুৱা তেল উদ্‌ঘাটন কৰি অধিক খৰচ কৰাতকৈ খাৰুৱা তেল আমদানি কৰি শোধনাগাৰ চলালে লাভ বেছি হয় বাবে দেশত

বিনিয়োগ নকৰিলে খাৰুৱা তেল উৎপাদনত। দেশত সাৰ উৎপাদনতো বিনিয়োগ নকৰি আমদানিৰ ওপৰতে নির্ভৰশীল হ'ল। দেশৰ মেনুফেকচাৰিং উদ্যোগবোৰো ঘৰুৱা বজাৰৰ ওপৰত নির্ভৰশীল নহৈ ৰপ্তানিৰ ওপৰত নির্ভৰশীল কৰি ৰাখিলে। ৰপ্তানিতো অগ্রগতি কৰিব নোৱাৰিলে ভাৰতে। মুঠ ঘৰুৱা উৎপাদনত মাত্র ১৪ শতাংশহে অৰিহণা মেনুফেকচাৰিং উদ্যোগৰ, ইয়াৰ বিপৰীতে চীনৰ ৪৩ শতাংশ।

উক্ত পটভূমিত বিশ্বত আজি সর্বত্র নৱ্যউদাৰ অর্থনীতি বা পুঁজিবাদী অর্থনীতি গভীৰ সংকটত। ভাৰতকো এই অর্থনীতিয়ে জনগণৰ কোনো সমস্যা সমাধানেই কৰিব পৰা নাই, বর্তমান দুর্লংঘ্য সংকটত— অর্থনীতি বিধ্বস্ত। প্রধান মন্ত্রী ড° সিং আৰু এই অর্থনীতিৰ তত্ত্ববিদ, পৃষ্ঠপোষকসকলে উৰাদিহ পোৱা নাই এই অর্থনীতি বিধ্বস্ত হৈ যোৱা প্রৱণতাৰপৰা অর্থনীতিক ৰক্ষা কৰিবলৈ। যোৱা ২২ বছৰে ঘোষণা কৰি অহা বাণী যে নৱ্যউদাৰ অর্থনীতিয়ে ভাৰতৰ জনগণৰ মুক্তি আনিব সেই কথা ভুল বুলি প্রমাণিত হৈছে। দেশৰ জনগণলৈ আজি এই অর্থনীতিয়ে চৰম দুখ-দুর্দশা কঢ়িয়াই আনিছে। পুঁজিবাদী অর্থনীতিয়ে ইয়াৰ কোনো ৰূপতে জনগণৰ মুক্তি আনিব নোৱাৰে আৰু পৃথিৱীৰ ক'তো আনিব পৰা নাই। ■

# অন্ধবিশ্বাস, কুসংস্কাৰৰ আৱর্তত মহিলা সমাজ

**ড° চন্দ্রমোহন শর্মা**

আজি বিজ্ঞানে সকলো দিশতে চমকপ্রদ সাফল্য লাভ কৰিছে। জীৱ-প্রযুক্তি বিজ্ঞান, মহাকাশ বিজ্ঞান, পাৰমাণৱিক বিজ্ঞান আৰু সংবাদ প্রযুক্তিয়ে বিশ্বক এক নতুন দিগন্তলৈ লৈ গৈছে। মানুহে এতিয়া ইচ্ছা কৰিলেই সদৃশ জীৱৰ স্রষ্টা হ'ব পাৰে। এতিয়া পৃথিৱী এৰি আন গ্রহত বাস কৰিবলৈও টোপোলা-টাপলি বান্ধি ৰাইজ সাজু। ইয়াৰ পাছতো আমি যদি আমাৰ সমাজখনলৈ এবাৰ উভতি চাওঁ — দেখিম আমি যেন চুক-ভেকুলী হৈয়ে ৰ'লো। সূর্য, গ্রহ, নক্ষত্র এইবোৰৰ সঠিক অৱস্থান আৰু ভূমিকা বিজ্ঞানে আমাৰ আগত স্পষ্টভাৱে দাঙি ধৰাৰ পাছতো যুগ যুগ ধৰি অহা অলৌকিকতাৰ মায়াজাল আমি ফালি পেলাব পৰা নাই। এতিয়াও গ্রহ পূজা, ৰত্ন কৱচ, আঙঠি, মাদুলি ধাৰণ কৰি আমি গ্রহদোষ খণ্ডন কৰিব খোজো। বিজ্ঞান হ'ল সত্য। বিজ্ঞান হ'ল বিশেষ জ্ঞান। প্রকৃতিৰ ৰহস্য ফালি লাভ কৰা এই বিশেষ জ্ঞানেই হ'ল বিজ্ঞান। আনহাতে আমাৰ মাজত পৰম্পৰাগতভাবে চলি থকা অজ্ঞানতা আৰু যুক্তিহীনতাৰে ভৰা কিছুমান বিশ্বাস যাব বৈজ্ঞানিক ব্যাখ্যা নাই — সেয়া হ'ল অন্ধবিশ্বাস। এই অন্ধবিশ্বাসবোৰে যেতিয়া সামাজিক মান্যতা লাভ কৰে সেয়া হ'ল কুসংস্কাৰ। আতা-পিতা চৌধ্য পুৰুষৰ পৰা মানি অহা কথা নামানিমনে — এনে গোড়ামিয়ে হ'ল — কুসংস্কাৰ। এনে অন্ধবিশ্বাস, কুসংস্কাৰবোৰৰ বেছিভাগৰে বৈজ্ঞানিক ভিত্তি নাই আৰু আমাৰ আঁকোৱগোজ মনোভাৱে পৰিয়ালৰ, সমাজৰ আৰু দেশৰ মংগল সাধন নকৰে। আমি এই প্রবন্ধত সমাজৰ অন্ধসংস্কাৰ আৰু কুসংস্কাৰে নাৰী সমাজৰ কিমান অহিত সাধিছে মুখ্যতঃ সেই বিষয়েহে আলোচনা কৰিম। মহিলা সম্পর্কে পুৰুষৰ কিছুমান উদ্ভট ধাৰণা বিনা বিচাৰে চলি আছিল। যেনে এৰিষ্টটলৰ (খ্রী.পূ. ৩৮৪-৩২২) দৰে দার্শনিকে বিশ্বাস কৰিছিল যে পুৰুষতকৈ মহিলাৰ দাঁত কম। তেওঁৰ দুগৰাকী পত্নী আছিল। অথচ তেওঁৰ এই বিশ্বাসৰ সত্যতা প্রমাণ কৰাৰ সময় পোৱা নাছিল। তেওঁ আৰু বিশ্বাস কৰিছিল যে যদি উত্তৰ পিনে বায়ুৰ সোঁত বলি থকা সময়ত তিৰোতাই গর্ভধাৰণ কৰে তেনেহ'লে তেওঁৰ সন্তান স্বাস্থ্যবান হয়। এই দুয়োটা কথাই বিশ্বাসৰ ওপৰতহে চলিছিল। ইয়াৰ কোনো বৈজ্ঞানিক ভিত্তি নাই। কাৰণ, বিজ্ঞানে সত্যাসত্য নিৰূপণ নকৰাকৈ কোনো কথা গ্রহণ নকৰে। এৰিষ্টটলৰ কথা বুলিলেই তাক বিজ্ঞানে মানি নলয়। ঠিক তেনেকৈ আমাৰ সমাজত মহিলা সম্পর্কে কিছুমান কুসংস্কাৰ আৰু অন্ধসংস্কাৰ চলি আছে। সেইবোৰ সমাজৰ বাবে হিতকৰ নহয় বাবেই বিজ্ঞানে প্রত্যাখ্যান কৰি আহিছে। আমাৰ সমাজ ব্যৱস্থা এনেকুৱা যে কিছুমান কুসংস্কাৰ আৰু অন্ধবিশ্বাসে যুগ যুগ ধৰি ধর্মৰ নামত, পৰম্পৰা আৰু ঐতিহ্যৰ নামত মানুহৰ মাজত এনেদৰে খোপনি পুতি আছে যে সেইবোৰৰ মূলোচ্ছেদ কৰিবলৈ বৈজ্ঞানিক বিশ্লেষণেৰে ৰাইজক এনেবোৰ অন্ধবিশ্বাস আৰু কুসংস্কাৰ কুফল সম্পর্কে পতিয়ন নিয়াব লাগিব। অত্যুৎসাহী হৈ একেদিনাই এইবোৰ নির্মূল কৰিবলৈ গ'লে ৰাইজে এনে প্রচেষ্টা গ্রহণ নকৰিব পাৰে। আমাৰ অসমীয়া সমাজত থকা এনে অন্ধবিশ্বাসবোৰ বুটলি প্রয়াত বেণুধৰ ৰাজখোৱাই 'অসমীয়া জনপ্রিয় অন্ধবিশ্বাস' (Assamese Popular Superstitions) নামৰ পুস্তিকা এখন প্রকাশ কৰিছিল (১৯২০ চন)। তেওঁ 'অসমৰ ভূত-প্রেত' (Assamese Demonology) নামৰ আন এখন পুস্তিকাও ইংৰাজী ভাষাত প্রকাশ কৰিছিল। এই দুয়োখন পুস্তিকা লগ লগাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি গৱেষণা (Folklore) বিভাগে ড° প্রফুল্লদত্ত গোস্বামীৰ সম্পাদনাত প্রকাশ কৰি উলিয়াইছে (Assamese Popular Superstition and Assamese Demonology 1973)। মহিলাক এই অন্ধবিশ্বাসৰ বলি কিদৰে কৰা হৈছিল আৰু এতিয়াও চলি আছে সেই সম্পর্কেহে কিছু আলোচনা কৰিম। ৰাজখোৱাৰ মতে 'বেচেৰা



সোণালী জয়ন্তী মহোৎসৱ, শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়, (১৯৬৩-২০১৩)

অন্ধবিশ্বাস'ৰ বিৰুদ্ধে কিয় অবিৰত যুঁজ চলাব লাগে তাক তেওঁ নুবুজে। তেওঁ ইয়াক জনসাধাৰণৰ জ্ঞান বুলি অভিহিত কৰিছে। ড° গোস্বামীৰ মতে এইবোৰৰ সত্যাসত্য নিৰূপণৰ বাবে গৱেষণাৰ থল আছে।

১। পত্নী (Wife) ঃ পত্নীয়ে পতিক নাম কাঢ়ি মতা নিষেধ। আজিকালি শিক্ষা-দীক্ষা লাভ কৰা পুৰুষ-মহিলাই এই নিষেধ নামানে। শাস্ত্ৰৰ মতে পতি হ'ল — 'মহা-গুৰু' অৰ্থাৎ পূজ্যসকলৰ ভিতৰত মুখ্য। শাস্ত্ৰীয় বিধান অনুসৰি বিয়াৰ প্ৰথম দিনৰ পৰাই স্বামী হয় স্ত্ৰীৰ কৰ্তা, হৰ্তা, বিধাতা। বৈদিক শাস্ত্ৰমতে বিয়াৰ সময়ত দৰাই কন্যাক কয় — "ওঁ মম ব্ৰতে তে হৃদয়ং দধাতু, মম চিত্তাননুচিত্তং তেহস্তু" অৰ্থাৎ মোৰ সেৱাত তোমাৰ হৃদয় দান কৰা, তোমাৰ চিত্তই মোৰ চিত্তক অনুসৰণ কৰক।" গাঁও অঞ্চলত আজিও এই কুসংস্কাৰ আঁতৰি যোৱা নাই। পথাৰলৈ গিৰিয়েকৰ কাৰণে জলপান নিয়া মহিলাই "সেইটো শিয়াল, সেইটো শিয়াল" বুলি গিৰিয়েকৰ দৃষ্টি আকৰ্ষণ কৰা ঘটনাও ঘটিছে। গিৰিয়েকে যদি 'ক'ত শিয়াল' বুলি সোধে, তেতিয়া পত্নীয়ে লাজ লাজকৈ কয় যে, 'জলপান আনিছো'।

স্বামী জীৱিত অৱস্থাত পত্নী তীৰ্থভ্ৰমণলৈ যাব নাপায়। হিন্দু শাস্ত্ৰমতে পতিয়েই হ'ল 'পৰম গুৰু'। অৰ্থাৎ পতিৰ বৰ্তমানতেই পত্নী তীৰ্থভ্ৰমণলৈ গ'লে গুৰু অস্তিত্বহীন হৈ পৰে। আজিৰ এই ব্যস্ত পৃথিৱীত এইবোৰ কথা তেনেই নিৰৰ্থক।

২। বিধৱা আৰু বিপত্নীক ঃ বিধৱাক বিশেষকৈ সন্তানহীনা বিধৱাক সামাজিক কুসংস্কাৰে এনেদৰে আৱৰি ৰাখে যে তেওঁলোক জীয়াই থাকিও মৃতৰ সমান। প্ৰতিটো বিধানেই অবৈজ্ঞানিক আৰু মানৱাধিকাৰ বিৰোধী। যেনে ঃ বিধৱাই ভালকৈ পোছাক-পৰিচ্ছদ পৰিধান কৰা উচিত নহয়। আনকি স্মৃতি-শাস্ত্ৰত (অংগিৰস আৰু অপস্তম্বাত) নীলক অপৱিত্ৰ বুলি কোৱা আছে, কাপোৰত নীল দিব নাপায়। বিধৱাই কপালত সেন্দূৰৰ ফোট লোৱা নিষেধ। সেইবাবে স্বামীৰ মৃত্যুত পত্নীৰ শিৰৰ সেন্দূৰ মচ খোৱা বুলি কয়। বিধৱাই আনকি মূৰৰ চুলি ফণিয়াতো নিষেধাজ্ঞা মানিব লাগে। বিধৱাক ফণি, ব্ৰাছ আৰু চুলিত সনা তেল ব্যৱহাৰ কৰাতো বাধা আৰোপ কৰিছিল।' উচ্চ বৰ্ণৰ বিধৱাই নিৰামিষ আহাৰ গ্ৰহণ কৰাটো বাধ্যতামূলক আছিল। আনকি মচুৰ দাইল ৰঙা (মাংসৰ দৰে দেখি) বাবে খোৱাত বাধা আছিল। এইবোৰ কুসংস্কাৰ আজি একৈশ শতিকাতো বৰ্তি আছে। আধুনিক শিক্ষাত শিক্ষিত পৰিয়ালবোৰত লাহে লাহে এনে কুসংস্কাৰে মেলানি মাগিব ধৰিছে। গ্ৰাম্য অঞ্চলত এতিয়াও পূৰামাত্ৰাই এনে কুসংস্কাৰে বিধৱাসকলক কোঙা কৰি ৰাখিছে। এনে প্ৰথাই শৰীৰৰ যথেষ্ট অনিষ্ট সাধন কৰাৰ উপৰি মানসিকভাৱেও বিধৱাগৰাকীক প্ৰচণ্ড চাপত ৰাখে।

ছাৰ জেমছ ফ্ৰেজাৰে (১৯২২) দেখুৱাইছে যে কিছুমান জনজাতীয় লোকৰ মাজত কেতবোৰ অমানৱীয় প্ৰথা এতিয়াও চলি আছে। ব্ৰিটিছ কলম্বিয়াৰ শ্বুস্বাপ নামৰ জনগোষ্ঠী এটাৰ মাজত বিধৱা আৰু বিপত্নীকলোকক সমাজৰ পৰা এঘৰীয়া কৰা হয়। আনকি তেওঁলোকক নিৰ্জন গৃহত বাস কৰিব দিয়া হয়। তেওঁলোকে ৰন্ধা-বঢ়া কৰা আৰু খোৱা-বোৱা কৰা বাচন-বৰ্তন আনক চুব দিয়া নহয়। ঘাঁহ-বন আৰু কাঁইটীয়া শয্যাত তেওঁলোকে শুব লাগে। তেওঁলোকক যাতে মৃতকৰ ভূতে চুব নোৱাৰে তাৰ বাবে এনে ব্যৱস্থা লোৱা হয়। ব্ৰিটিছ নিউ গিনিৰ মেক্কো জিলাৰ বিপত্নীক লোকে সকলো সামাজিক অধিকাৰ হেৰুৱায় আৰু সমাজচ্যুত হয়। দেখিলেই মানুহৰ আতংক আৰু ভীতিৰ সৃষ্টি হয়, আটায়ে তেনে লোকক বৰ্জন কৰে। তেওঁৰ উপস্থিতিয়ে দুৰ্ভাগ্য আনিব বুলি ভয় কৰে। তেওঁক বনে-জংগলে এখন কুঠাৰ লৈ ঘূৰি ফুৰিবলৈ বাধ্য কৰোৱা হয়। কুঠাৰখন বন্য জীৱ-জন্তুৰ পৰা ৰক্ষা পাবৰ বাবে নহয়, তেওঁৰ মৃত স্ত্ৰীৰ ভূতৰ পৰা ৰক্ষা পাবৰ বাবে নিয়ে। এতিয়াও এনে অন্ধবিশ্বাসৰ জালত ঠাই ভেদে কি পুৰুষ, কি মহিলা আটায়ে বান্ধ খাই আছে।

আমাৰ সমাজত অকাল বৈধব্যৰ বলি হৈছিল - বিশেষকৈ উচ্চ বৰ্ণৰ হিন্দুসকলৰ মহিলা। বামুণ, গোঁসাইৰ ঘৰৰ ছোৱালী পুষ্পিতা হোৱাৰ আগতে বিয়া দিছিল। বিয়াৰ অৰ্থ কি বুজি নাপাওঁতেই ছোৱালীজনীক বিয়া দি 'ধৰ্ম' ৰক্ষা কৰিছিল। পুষ্পিতা হোৱাৰ পাছত আৰু এবাৰ বিয়া দিছিল (পাছ বিয়া)। দ্বিতীয় বিয়া হোৱাৰ আগতেই বহু ছোৱালী বিধৱা হৈছিল। তেওঁৰ আকৌ বিয়া হ'ব — ই আছিল শাস্ত্ৰবিৰোধী আৰু অকল্পনীয়। অথচ পুৰুষে বাৰে বাৰে বিয়া কৰোৱাত বাধা নাছিল। জীৱনৰ সকলো কামনা-বাসনা, লাহ-বিলাস বাদ দি তেওঁ কঠোৰ বৈধব্য ব্ৰত পালন কৰিব লাগিছিল। আজিকালি শিক্ষিত যুবক-যুৱতীয়ে শাস্ত্ৰৰ বিধান নামানি বিধৱা বিবাহ মানি লৈছে। তথাপিও বুকুত হাত থৈ ডাঠিকৈ আমি ক'ব নোৱাৰো যে এই প্ৰথা নিৰ্মূল হৈছে। আগতে অসমত 'সতীদাহ' কুপ্ৰথা নাছিল যদিও ভাৰতৰ বিভিন্ন অঞ্চলত স্বামীৰ চিতাতে বিধৱাজনীক উঠাই সহমৰণৰ দৰে অমানৱীয় প্ৰথা অন্ধভাৱে পালন কৰা হৈছিল। ইউৰোপৰ নৱজাগৰণৰ প্ৰভাৱে ভাৰতৰ বংগদেশক প্ৰথমে স্পৰ্শ কৰিছিল। এই নৱজাগৰণৰ নতুন নায়ক ৰাজা ৰামমোহন ৰায় আৰু ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰে মহিলাৰ ওপৰত চলা অমানৱীয় প্ৰথাৰ বিৰুদ্ধে থিয় দিলে (ওঠৰ/উনৈশ শতিকাত)। অন্ধসংস্কাৰ, কুসংস্কাৰৰ আৱৰ্তত থকা মহিলাৰ সপক্ষে মাত মাতি কেইগৰাকীমান বিদ্বৎ পুৰুষ সমসাময়িক সমাজৰ ৰোষত পৰিছিল। ৰাজা ৰামমোহন ৰায়ে (১৭৭৫-১৮০৩) ইংৰাজ চৰকাৰক 'সতীদাহ' প্ৰথা নিৰাৰণ আইন প্ৰণয়নৰ বাবে বাধ্য কৰাইছিল। অৱশ্যে তেওঁৰ জীৱন কালত নহ'লেও ১৮২৯ চনত 'সতীদাহ' প্ৰথা নিৰাৰণ কৰা হৈছিল। লগতে বাল্য বিবাহ ৰোধ, ইংৰাজী শিক্ষাৰ লগে লগে স্ত্ৰীশিক্ষাৰ প্ৰচলনৰ প্ৰচেষ্টা আদিৰ বাবে ভাৰতৰ অগ্ৰগতিৰ ইতিহাসত তেওঁৰ নাম চিৰস্মৰণীয় হৈ আছে। সেইদৰে তেওঁৰ অনুগামী ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰে (১৮২০-৯১) বিধৱা বিবাহ প্ৰচলন কৰিছিল আৰু বহু বিবাহৰ বিৰোধিতা কৰি সেই সময়ৰ সামাজিক পৰিকাঠামো ভাঙি নতুন সমাজ গঢ়াৰ বাবে মানুহক উদ্বুদ্ধ কৰিছিল। তেওঁৰ নিজৰ পুত্ৰকে বিধৱা বিবাহ কৰাই দি সমাজ-সংস্কাৰৰ অক্ষয় কীৰ্তি ৰাখি গৈছে। আমাৰ অসমৰো পণ্ডিত হেমচন্দ্ৰ বৰুৱাই (১৮৩৫-৯৬) এক ৰক্ষণশীল ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহণ কৰিও কোনো বাধা নামানি ইংৰাজী শিক্ষা গ্ৰহণ কৰিছিল আৰু নাৰী মুক্তিৰ হকে ৰাইজক আহ্বান জনাইছিল। তেৱোঁ বহু বিবাহৰ বিৰোধী আৰু স্ত্ৰীশিক্ষাৰ সম্পৰ্কে যুক্তি দি কৈছিল — "...হে আমাৰ দেশীসকল! তোমালোকেও তোমালোকৰ তিৰোতাৰ

অহিতে যি কুসংস্কাৰ আছে, তাক এৰি পেলাই সিহঁতক জ্ঞান-বিদ্যা শিকাই উত্তম সংগী জ্ঞান কৰা, কাৰণ, সিহঁত তোমালোকৰ শৰীৰৰ এফাল আৰু উত্তম বধূ...''। এইগৰাকী পণ্ডিতে অন্ধসংস্কাৰ, কুসংস্কাৰৰ বিৰুদ্ধে যুঁজ দি গ'ল, স্ত্রীশিক্ষাৰ সপক্ষে যুঁজ দি গ'ল — অথচ অসমত জন্মা বাবেই তেওঁ প্রাপ্য সন্মান আৰু প্রচাৰৰ পৰা বাদ পৰি আছে।

আজিও ভাৰতীয় সমাজত অন্ধবিশ্বাস আৰু কুসংস্কাৰে ইমান গভীৰভাৱে খোপনি পুতি আছে যে ইয়াৰ মূলোচ্ছেদ কৰা কাম উজু ন'হব। ১৮২৯ চনতে সতীদাহ প্রথা নিৰাৰণ কৰা সত্বেও ই প্রকাশ্যে চলি আছিল। ১৯৮৭ চনত 'সতী আয়োগ (নিৰাৰণ)' বহুৱাই পুনৰ আইন প্রণয়ন কৰা হৈছে। ৰাজস্থানৰ দেওৰালী গাঁৱৰ ৰূপ কানৱাঁৰ নামৰ এগৰাকী কম বয়সীয়া শিক্ষিতা ছোৱালী সতী যোৱাৰ (!) পাছত সমগ্র দেশে এই কাণ্ডক ধিক্কাৰ দিয়াত চৰকাৰে এই নতুন আইনৰ প্রয়োজনীয়তা বোধ কৰিলে। মানুহৰ জয়ধ্বনি, ঢাক-ঢোলৰ কাণ ফটা শব্দত ছোৱালীজনীৰ চিঞৰ-বাখৰ নুশুনা কৰি তুলিছিল। তাৰ পাছত ৰূপ কানৱাঁৰৰ এই আত্মদানক (হত্যাক ?) মহিমামণ্ডিত কৰিবলৈ তাত এটা মন্দিৰ সজা হৈছে। এই মন্দিৰত সতী পূজা বন্ধ কৰিবলৈ নিখিল ভাৰত গণতান্ত্রিক মহিলা সমিতি আৰু জনৱাদী সমিতিয়ে জনোৱা আৱেদন মর্মে উচ্চতম ন্যায়ালয়ে এই 'চুৰ্ণী উৎসৱ' পালনত নিষেধাজ্ঞা ঘোষণা কৰিছিল। কিন্তু 'সতী' মহিমামণ্ডিত কৰা বৰ্বৰ আৰু নাৰকীয় প্রথা ৰোধ হোৱা নাই।

বিজ্ঞানৰ অভাৱনীয় অগ্রগতিৰ সময়তো আমাৰ সমাজৰ একাংশক কুসংস্কাৰ অন্ধসংস্কাৰে অন্ধ কৰি ৰাখিছে। আজিও মানুহে বাঁৰী তিৰোতা দেখিলে 'যাত্রা নাস্তি' বুলি মহিলাগৰাকীক অপদস্থ কৰে। মাংগলিক অনুষ্ঠান, যেনে — দৰা, কইনাৰ নোৱনি বা বিয়াৰ পাছত আগ দিয়া আদি অনুষ্ঠানত বিধৱাক ভাগ ল'ব দিয়া নহয়। এনেবোৰ হৃদয়হীন প্রথা ধর্মীয় কুসংস্কাৰৰে ফল।

৩। বিয়া-বাৰু ঃ বিয়া-বাৰু মাঘ, পুহ আৰু ভাদ মাহত হ'ব নালাগে বুলি বিধান দিয়া আছিল। মাঘত হিন্দুসকলে যাগ-যজ্ঞ আদি নানা ধর্মানুষ্ঠান অনুষ্ঠিত কৰে। গতিকে সেই মাহত বিয়া পাতিলে দেৱ-দেৱীৰ অভিশাপ লাগি বৈবাহিক জীৱন অসুখী কৰিব পাৰে। হিন্দু শাস্ত্রমতে পুহ মাহত বিয়া পতাটো নিষেধ। ভাদ মাহত বিয়া পাতিব নালাগে। ভগৱান কৃষ্ণ হেনো ভাদ মাহত জন্মিছিল। গতিকে এই মাহত অনুষ্ঠিত যিকোনো ধর্ম নিৰপেক্ষ উৎসৱক ধর্মবিৰোধী জ্ঞান কৰা হৈছিল। জ্যোতিষৰ মতে শনি আৰু মংগল অশুভ গ্রহ। গতিকে শনি আৰু মংগলবাৰে বিয়া পতা উচিত নহয়।

উক্ত বাধা নিষেধবোৰ অন্ধসংস্কাৰত বাদে একো নহয়। আজিকালিও আমি এনে চিন্তাধাৰাৰ পৰা মুক্ত হ'ব পৰা নাই। যিমানেই শিক্ষিত নহওক কিয় ভাদ আৰু পুহ মাহত বিয়া নাপাতে। কিন্তু মাঘ মাহটো পৱিত্র জ্ঞান কৰি বিয়া পাতে। পুহ মাহ যোৱাৰ লগে লগে বিয়াৰ নিমন্ত্রণৰ জোঁৱাৰ উঠে। গতিকে এই ক্ষেত্রতহে কিছু শিথিলতা পৰিলক্ষিত হয়।

আন এটা অযুক্তিকৰ কুসংস্কাৰ হ'ল — এঘৰৰ প্রথম ল'ৰাৰ লগত ছোৱালীঘৰৰ প্রথম ছোৱালীৰ বিয়া হ'ব নোৱাৰে। এই কুসংস্কাৰ গাঁও অঞ্চলত কিয়, চহৰাঞ্চলৰ বহু গণ্য-মান্য লোকেও মানি চলে। ইয়াৰ অর্থহীন যুক্তি হ'ল যে ঘৰৰ প্রথম সন্তানটো নিশকতীয়া হয়। গতিকে দুই নিশকতীয়াৰ মাজত বিয়া হ'লে সতি-সন্ততিও নিশকতীয়া হ'ব। আজিকালি এক সন্তানৰ যুগত এনে বাধা নিৰর্থক হৈ পৰিছে।

বিয়া সংক্রান্তত আৰু কিছু কুসংস্কাৰ হ'ল — বংশ-গোষ্ঠী, জাত-পাত আৰু ৰাশি-যোৰাৰ বিচাৰ। এতিয়া শিক্ষিত সমাজৰ মাজত এইবোৰ কুসংস্কাৰ বাঢ়িছেহে। এইবোৰৰ ক্ষেত্রত নাৰী হয় আটাইতকৈ বেছি লাঞ্ছিতা। শিক্ষিত যুৱক-যুৱতীয়ে এনেবোৰ বান্ধোন ভাঙি ওলাই আহিছে। এক অভিজাত পৰিয়ালৰ ল'ৰা-ছোৱালী সাধাৰণ পৰিয়ালৰ ছোৱালী/ল'ৰাক নিজৰ জীৱন-সংগী কৰি লোৱাৰ সৎসাহস বহুতে দেখুৱাইছে। আনহাতে বহুতে এনে দুঃসাহসৰ (!) বাবে জীৱনো বলিদান দিবলগীয়া হৈছে, অৱশ্যে অসমত এনে ঘটনা কম সংঘটিত হৈছে। জাত-পাতৰ বিচাৰো কমা নাই। স্বয়ং শ্রীকৃষ্ণই হেনো কৈছিল — ''চাতুর্ৱর্ণ্যং ময়া সৃষ্টং গুণকর্মবিভাগশঃ'' অর্থাৎ আমাৰ সমাজক ভাগ ভাগ কৰা চাৰিটা বর্ণক (জাতি) (ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য, শূদ্র) গুণ আৰু কর্মৰ বিভাগ অনুসৰি স্বয়ং ভগৱান কৃষ্ণই সৃষ্টি কৰিছে। গতিকে ভক্তপ্রাণ ৰাইজে অসবর্ণ বিবাহ মানি নলয়। বেদব্যাসী মহাভাৰতত কিন্তু অসবর্ণ বিবাহৰ সপক্ষে ধর্মশাস্ত্রৰ প্রবক্তা মনুয়ো বিধান দিয়াৰ প্রমাণ আছে। ব্রাহ্মণ পুৰুষে নিজ বর্ণৰ বাহিৰেও নিম্ন তিনি বর্গৰ ছোৱালী বিয়া কৰাৰ অধিকাৰী আছিল (অনুলোম) আৰু বহু পুৰুষৰ বহু বিবাহৰ অধিকাৰো আছিল। সেইদৰে ক্ষত্রিয় আৰু বৈশ্যও অনুলোম বিয়াৰ অধিকাৰী আছিল। .... মহাভাৰতৰ অনুশাসন পর্বত ভীষ্ময়ো মনুৰ অনুলোম বিবাহৰ বিধানত সমর্থন জনাইছিল। আনহাতে নাৰীৰ বাবে এক বিবাহ বিধিয়েই আছিল ধর্মসন্মত। উচ্চবর্গৰ নাৰীয়ে নিম্নবর্গৰ পুৰুষক বিয়া কৰোৱাটো (প্রতিলোম) নিষিদ্ধ আছিল। আইনত বাধা নাথাকিলেও বামুণ-গোসাঁইৰ ল'ৰা/ছোৱালীয়ে নিম্ন বর্গৰ ল'ৰা/ছোৱালীৰ লগত বিবাহ পাশত আৱদ্ধ হোৱাটো সমাজে সহজে মানি নলয়। অসমত এই বিষয়ত সামাজিক বান্ধোন বহু পৰিমাণে শিথিল হৈছে। এই বিষয়ত বিজ্ঞানসন্মত কথাটো হ'ল — বিভিন্ন বর্ণৰ মাজত মিশ্রণৰ দ্বাৰা জিনৰ মিশ্রণ সম্ভৱ আৰু উন্নত সতি-সন্ততিৰ জন্মৰ পথ উন্মুক্ত কৰা। কিন্তু আচৰিত কথা — সকলো আইন-কানুনৰ প্রতি বৃদ্ধাগুংষ্ঠ প্রদর্শন কৰি চলিছে 'খাপ পঞ্চায়ত' আৰু 'জাত পঞ্চায়ত'। এনে পঞ্চায়তৰ দৌৰাত্ম্যত বহু যুৱক আৰু যুৱতীয়ে প্রাণ দিব লগা হোৱা ঘটনা এইখন দেশতে ঘটি আছে। হিন্দু বিবাহ আইন মতে বাল্য বিবাহ, বহু বিবাহ আদি নিষেধ কৰা হৈছে। কিন্তু আইনৰ প্রয়োগ জানো সঠিকমতে হৈছে ? এখন বিয়ালৈ কিমান আলহী নিমন্ত্রণ কৰিব পাৰি তাৰো উর্ধ সীমা দিয়া আছে। কিন্তু মন্ত্রী-বিধায়কৰ ঘৰত বিয়া-বাৰু হ'লে লাখ লাখ মানুহ নিমন্ত্রণ কৰি ভোট বেংক গঢ়ি তোলে। আন মানুহৰ মাজতো এনে এক প্রতিযোগিতাৰ অশুভ পৰম্পৰা গঢ়ি উঠিছে। বিয়া সম্পর্কে আন এক অন্ধসংস্কাৰ হ'ল — ৰাশি-যোৰাৰ বিচাৰ। ল'ৰা-ছোৱালীৰ ৰাশি চাই গণকে শুভ-অশুভ মিলন স্থিৰ কৰি দিয়ে। 'ৰাজ-যোটক' যোৰা উৎকৃষ্ট যোৰা বুলি মানি লয়। বঙালী সাহিত্যিক বংকিম চন্দ্র চট্টোপাধ্যায়ৰ দুগৰাকী ছোৱালীক 'ৰাজ-যোটক' যোৰাৰ

দৰাত বিয়া দিছিল। কিন্তু দুয়োগৰাকী ছোৱালীয়েই অকালতে বিধৱা হৈ পিতৃ গৃহত দিন কটাইছিল। তেতিয়াৰ পৰা তেওঁ ৰাশি-যোৰাত বিশ্বাস নকৰা হয়। ঐশ্বর্য ৰায়-অভিষেক বচ্চনৰ বিয়াৰ সময়তো ৰাশি-যোৰা চাই ঐশ্বর্যৰ বিধৱা যোগ দেখি Big B অমিতাভ বচ্চনে ঐশ্বর্যৰ প্রথমে গছৰ লগত বিয়া পাতি সেই দোষ হেনো খণ্ডণ কৰে। গছডাল জীয়াই আছেনে বাৰু? এনে ভণ্ডামিয়ে ভাৰতৰ অগণিত নিৰক্ষৰ আৰু অন্ধভাৱে ধর্মত বিশ্বাসী লোকৰ জীৱনত কি প্রভাৱ পেলাব সি সহজে অনুমেয়।

আমি অসমত যৌতুক বা পণপ্রথা নাই বুলি গৌৰৱ কৰিছিলো। কিন্তু বর্তমান অসমতো আন হিন্দীভাষী বলয়ৰ ৰাজ্যৰ প্রভাৱ পৰিছে। বোৱাৰী হত্যা এতিয়া এই নিত্য-নৈমিত্তিক প্রথাত পৰিণত হৈছে। স্বামী, ছোৱালীৰ শহুৰ-শাহু, ননদ-দেওৰ সকলো লগ লাগি বোৱাৰীজনীৰ ওপৰত অকথ্য নির্যাতন চলায় আনকি হত্যাও কৰে। ২০০৮ৰ পৰা ২০১৩ (মে')লৈ অসমত স্বামীৰ দ্বাৰা নির্যাতিতা মহিলাৰ সংখ্যা ২৭,৮৬৮ আৰু যৌতুকজনিত ঘটনা ৭৬৫ টা (দৈনিক অগ্রদূত, ২৪ ছেপ্তেম্বৰ' ১৩)। এনে মর্মন্তুদ ঘটনাৰ পৰা নিষ্কৃতি বিচাৰি বহু অভিভাৱকেই ভ্রূণহত্যাৰ দৰে জঘন্য পথ বাছি লয়। গর্ভাৱস্থাতেই ভ্রূণৰ লিংগ চিকিৎসকে ব্যক্ত কৰিব নোৱাৰে — আইনমতে। কিন্তু বহু অবিবেচক চিকিৎসকৰ বাবে ই এক ৰমৰমীয়া ব্যৱসায়ত পৰিণত হৈছে। ছোৱালী ভ্রূণ হত্যা অথবা জন্মাৰ পাছতো ছোৱালী সন্তান হত্যা বা বিসর্জন দিয়া ঘটনাৰ উদাহৰণো দি শেষ কৰিব নোৱাৰি। আমাৰ সমাজত দলে-বলে ছোৱালী চাব যায়। মহিলাই দলে-বলে আহি দৰা পছন্দ কৰাৰ উদাহৰণ আছেনে? তাতৈ আকৌ কইনা চাব যাওতেই প্রত্যেকজন পুৰুষ-মহিলাক খুৱাই-বুৱাই কাপোৰ দি মান ধৰিব লাগে ছোৱালী ঘৰে।

নাৰী বিষয়ক বহু কথা সমাজে এতিয়াও বৈজ্ঞানিক দৃষ্টিৰে চাবলৈ বাকী আছে। পুষ্পিতা হোৱা ছোৱালীক প্রচণ্ড মানসিক চাপৰ মাজত ৰখা হয়। তদুপৰি আজিকালি তোলনি বিয়া পতাটো এক সামাজিক আচাৰত পৰিণত হৈছে। সন্তান হীনা নাৰীক সমাজত হেয় জ্ঞান কৰা হয়। কিন্তু ইয়াত পুৰুষ দায়ী নে নাৰী দায়ী তাক অনুসন্ধান নকৰাকৈ, চিকিৎসকৰ পৰামর্শ নোলোৱাকৈ একপক্ষীয় সিদ্ধান্ত লৈ পুৰুষে বাৰে বাৰে বিয়া কৰায়। ছোৱালী জন্মিলে (তাতে আকৌ বাৰে বাৰে জন্মিলে) মহিলাগৰাকীকহে দোষী কৰা হয়। বৈজ্ঞানিক অনুসন্ধান, বিশ্লেষণ নকৰাকৈ মহিলাগৰাকীক জগৰীয়া কৰাটো এক অক্ষমনীয় অপৰাধ। সিমানতে ক্ষান্ত নাথাকি পিণ্ড লাভৰ আশাত, বংশ ৰক্ষাৰ আশাত পুত্র সন্তান লাভৰ আশাত বহু বিবাহ পতা দৃষ্টান্তও বিৰল নহয়। দিল্লীত পৈশাচিক, বর্বৰতাৰে ডামিনী (নির্ভয়া)ক হত্যা কৰাৰ পাছত ধর্ষণৰ বিৰুদ্ধে মানুহৰ চেতনা জাগ্রত হোৱা যেন লাগিছে। উল্লিখিত বহু বিষয়ত কিন্তু সমাজ আৰু চৰকাৰ পুৰোহিতৰ ওচৰত নতজানু হৈ শাস্ত্রৰ বিধান মানি লয় — সেইবোৰে যিমানেই মানৱ অধিকাৰ লংঘন নকৰক কিয়, সেইবোৰ যিমানেই আইন বিৰোধী নহওক কিয়?

অন্ধবিশ্বাসৰ উদ্গতি আৰু বিকাশত ধর্মীয় আচাৰ-অনুষ্ঠানে এক গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আহিছে। ধর্মীয় পাণ্ডা, পুৰোহিতে ইয়াৰ বিৰুদ্ধে মাত মাতিলে জাঙুৰ খাই উঠে। খ্রীষ্ট জন্মৰ ৫০০ বছৰ আগতেও সকলো বস্তুনিষ্ঠ চিন্তাৰ নায়ক গ্রীক্ দার্শনিকসকল নির্যাতিত হ'বলগীয়া হৈছিল। সেইসকলৰ ভিতৰত এনাক্সাগ'ৰাছ,ছক্রেটিছ আৰু এৰিষ্টর্কাছ উল্লেখযোগ্য। খ্রী.পূ. চতুর্থ শতাব্দীতো চিন্তাৰ স্বাধীনতাৰ লগত ধর্ম আৰু অন্ধবিশ্বাসৰ সংঘাত থকাৰ প্রমাণ আছে। পৃথিৱী সূর্যৰ চাৰিওফালে ঘূৰে এই সত্যটো নিক'লাছ ক'পার্ণিকাছে 'দ্য ৰিভ'লিউচনিবাছ' নামৰ গ্রন্থত লিপিবদ্ধ কৰিছিল। গীর্জাৰ মতবাদৰ বিৰুদ্ধে ই আছিল এক বৈপ্লৱিক কর্ম। কিন্তু পৰৱর্তী সময়ত এই সত্য প্রচাৰ কৰাৰ অপৰাধত জিয়ানার্ডো ব্রুনোক গীর্জাৰ নির্দেশত পুৰি মৰা হৈছিল (১৬০০চনৰ ফেব্রুৱাৰী)। ইউৰোপত ৰেনেছাঁৰ আৰম্ভণিৰ পৰা যিসকল নব্য বিদ্রোহীৰ ওচৰত বিশ্ব ঋণী সেইসকল হ'ল — ক'পার্ণিকাছ, ব্রুনো, গেলিলিও, কেপলাৰ, নিউটন। ধর্ম যাজকৰ ৰোষত পৰিও তেওঁলোকে সত্য প্রতিষ্ঠা কৰি গ'ল। সত্য প্রতিষ্ঠাৰ সংগ্রাম যে অতি কঠিন সেয়া যুগে যুগে প্রমাণিত হৈ আহিছে। বিশেষকৈ ধর্মীয় উন্মাদসকলে ইয়াত বিধি পথালি দি আহিছে। বিজ্ঞানৰ প্রগতিৰ প্রতিবন্ধক ধর্মীয় গোড়ামি। ধর্মীয় গুৰু, বাবা, পীড় আদিৰ অযৌক্তিক অলৌকিকতা আদিৰ বিপক্ষে মাতি আৰু তন্ত্র মন্ত্র আদিৰ অসাৰতা প্রমাণ কৰিব গৈ পুনেত যুক্তিবাদী সমাজকর্মী নৰেন্দ্র ডাভোলকাৰে ছহিদৰ মৃত্যু বৰণ কৰিলে (২০ আগষ্ট ২০১৩)। অন্ধবিশ্বাস, কুসংস্কাৰ, তন্ত্র-মন্ত্রৰ বিৰুদ্ধে এখন আইন প্রণয়ণ কৰিবলৈ তেওঁ আৰু তেওঁৰ সংগঠনে মহাৰাষ্ট্র চৰকাৰক প্রায় বাধ্য কৰিছিল। এনেতে ধর্মীয় উন্মাদে তেওঁক হত্যা কৰা বুলি ভবা হৈছে। ভাৰতত বিজ্ঞান মানসিকতা গঢ়ি তোলাৰ বাবে চেষ্টা কৰিছিল প্রয়াত প্রধানমন্ত্রী জৱাহৰলাল নেহৰুৱে। বিজ্ঞান মানসিকতাৰ বাবে বিজ্ঞানৰ উচ্চ ডিগ্রীধাৰী হ'ব নালাগে। ৰৱং এছ ভগৱন্তমৰ দৰে পৰমাণু বিজ্ঞানী এগৰাকীৰ ছাইবাবাৰ অলৌকিকতাত বিশ্বাস কৰিছিল। আমাৰ সমাজত বহু বিজ্ঞানী আৰু বিজ্ঞানকর্মীয়ে বাবা, পীৰৰ মাহাত্ম্য প্রচাৰ কৰি জনসাধাৰণক বিভ্রান্ত কৰি আছে। বহু শ্রমিক, কৃষকক বৈপ্লৱিক কর্মকাণ্ডত জড়িত হৈ বিজ্ঞানমনস্ক হোৱা দেখিছো।

ভাৰতৰ শাসকগোষ্ঠী (কংগ্রেছকে ধৰি) আদি দুর্নীতিৰ বোকাত টেটুলৈকে পোত গৈছে। তেওঁলোকৰ ৰক্ষা কবচ হ'ল — কর্প'ৰেট গোষ্ঠী। এই গোষ্ঠীয়ে দেশৰ সংবাদ মাধ্যম, বৈদ্যুতিন মাধ্যমত বাবা, পীড়ৰ মাহাত্ম্য প্রচাৰ কৰি তেওঁলোকক মুক্তিৰ পথ দেখুৱাই আছে (!)। সাধাৰণ মানুহৰ দাৰিদ্র আৰু অশিক্ষাৰ সুযোগ গ্রহণ কৰি শাসক গোষ্ঠীয়ে ধর্মীয় উন্মাদনাহে প্রচাৰ কৰি আছে। চকুৰ আগতে ঘটি থকা নাৰীজনিত অপৰাধ ৰোধ কৰিবলৈ শাসকগোষ্ঠী অপাৰগ।■

# অসমীয়া ভাষাৰ জতুৱা ঠাঁচ

**ড° মনালিছা বৰা**
*সহকাৰী অধ্যাপিকা, শুংবুংমাংসং মহাবিদ্যালয়*

প্ৰত্যেক ভাষাৰে কথা কোৱাৰ এক নিজস্ব ভংগী আছে আৰু ভাষাক সমৃদ্ধ কৰি তোলাৰ ক্ষেত্ৰত সেই নিজস্ব অথচ বিশিষ্ট ভংগীয়ে বিশেষভাৱে সহায় কৰে। অসমীয়া ভাষাও এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। অৰ্থাৎ অসমীয়া ভাষাৰো ভাষা ব্যৱহাৰত এনে এক বিশিষ্ট ভংগী আছে যিবোৰ অসমীয়া ভাষীয়েহে সহজতে আৰু শুদ্ধভাৱে বুজিব বা প্ৰয়োগ কৰিব পাৰে। আন ভাষা-ভাষীয়ে সেই বিশিষ্ট ভংগী সহজতে আয়ত্ত তথা প্ৰয়োগ কৰিব নোৱাৰে। অসমীয়া ভাষাৰ এই নিজস্ব ভংগীয়ে ভাষাটোক স্বকীয় ৰূপত প্ৰতিষ্ঠা কৰাৰ লগতে ভাষাটোক অধিক প্ৰকাশক্ষম, অৰ্থবহ, বোধগম্য আৰু ব্যঞ্জনাধৰ্মী কৰি তোলে।

অসমীয়া ভাষাৰ ভাষা ব্যৱহাৰৰ এই নিজস্ব ভংগী বা ঘৰুৱা ঠাঁচটোকে জতুৱা ঠাঁচ (Idioms) বোলা হয়। ভাষাৰ এই জতুৱা ঠাঁচ প্ৰথমতে ঘৰুৱা কথা-বাৰ্তাত কথিত ৰূপত প্ৰয়োগ হয় আৰু সময়ৰ অগ্ৰগতিৰ লগে লগে এইবিলাক লিখিত ৰূপতো ব্যৱহাৰ হয়। ভাষাৰ জতুৱা ঠাঁচ সৃষ্টিৰ অন্তৰালত এটা পটভূমি আছে। কোনো এটা ভাষা কোৱা লোকসকলৰ নিজস্ব প্ৰকাশভংগী, সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ধৰণ-কৰণ, চকুৰ আগত দেখা বিভিন্ন বস্তুৰ লগত নিবিড় সংযোগ— ইত্যাদিৰ পটভূমিত এইবিলাক গঢ় লৈ উঠে।[১] জতুৱা ঠাঁচ প্ৰয়োগৰ ক্ষেত্ৰত অসমীয়া ভাষা অতি চহকী।

অসমীয়া ভাষাত জতুৱা ঠাঁচ প্ৰয়োগৰ এটা দীঘলীয়া ইতিহাস আছে। বৈদিক-সংস্কৃত সাহিত্যৰপৰা আধুনিক অসমীয়া সাহিত্যলৈকে বিভিন্ন সময়ত বিভিন্ন জতুৱা ৰূপৰ প্ৰয়োগ হোৱা দেখা যায়। সংস্কৃত সাহিত্যত বিশেষকৈ ৰামায়ণ আৰু মহাভাৰতৰ ভাষাত বিভিন্ন নীতিমূলক জতুৱা ৰূপৰ ব্যৱহাৰ দেখা যায়। যেনে— ৰসুদ্ধৈৰ কুটুম্বকম, মুনিনাঞ্চ মতিভ্ৰম, মধুৰেণ সমাপয়েৎ, শুভস্য শীঘ্ৰম, স্ত্ৰীবুদ্ধি প্ৰলয়ংকৰী ইত্যাদি সংস্কৃত জতুৱা ৰূপ আজিও বিজ্ঞলোকৰ মুখত শুনিবলৈ পোৱা যায়। সংস্কৃতৰ পৰৱৰ্তী পালি-প্ৰাকৃত স্তৰতো জতুৱা ৰূপৰ প্ৰয়োগ আছে। তাৰ পিছত চৰ্যাপদ, পুৰণি অসমীয়া সাহিত্য সকলোতে জতুৱা ৰূপৰ প্ৰয়োগ পোৱা যায়। পুৰণি অসমীয়া সাহিত্যত ব্যৱহৃত এনে জতুৱা ৰূপৰ নিদৰ্শন হ'ল— কাস পৰি জিম গৈল, একাদশত বৃহস্পতি, গো খোজত গৈলো তল, জোকৰ মুখত দিলে চুণ, বুঢ়াৰ হাতৰ চেঙ্গ, নাতিনীৰ বিহা বুঢ়ী কৰৈ ৰঙ্গ ইত্যাদি।

অসমীয়া ভাষাৰ জতুৱা ঠাঁচবোৰ দুই ধৰণৰ। এবিধ ভাষাৰ জতুৱা প্ৰয়োগ আৰু আনবিধ হ'ল জতুৱা খণ্ডবাক্য আৰু বাক্যাংশ। বিশেষ্য শব্দৰ লগত জতুৱা ঠাঁচৰ ক্ৰিয়া বিশেষ অৰ্থত সংযোগ হৈ কোনো কাৰ্য কৰা বা হোৱাক বিশেষভাৱে বুজালে তাকে অসমীয়া ভাষাৰ জতুৱা প্ৰয়োগ বোলা হয়। জতুৱা ৰূপৰ যথাযথ প্ৰয়োগৰ ফলতহে ভাষাৰ বিশুদ্ধতা ৰক্ষিত হয়। নিদৰ্শন স্বৰূপে—অসমীয়া ভাষাৰ ভাত ৰান্ধে, ঘৰ সাজে, তাঁত বয়, মাছ বাছে, আঁঠুৱা তৰে, ফুল তোলে, ৰ'দ লয়, জাল বায়, চোয়েটাৰ গোঁঠে ইত্যাদি জতুৱা ৰূপবোৰলৈ আঙুলিয়াব পাৰি। এই বিশেষ্য শব্দবোৰৰ লগত সংযোগ কৰা জতুৱা ঠাঁচৰ ক্ৰিয়াবোৰ সলনি কৰিলে অসমীয়া ভাষাৰ শুদ্ধ ৰূপটো পোৱা নাযাব।

অসমীয়া জতুৱা ঠাঁচৰ আন এটা ভাগ হ'ল জতুৱা খণ্ডবাক্য আৰু বাক্যাংশৰূপে প্ৰয়োগ। খণ্ডবাক্য আৰু বাক্যাংশ হ'ল অসমীয়া বচনভংগীৰ দুটা ক্ষুদ্ৰ অংশ। জতুৱা খণ্ডবাক্য আৰু বাক্যাংশ প্ৰয়োগ কৰি বক্তব্য বিষয় চুটি কৰা হয়। খণ্ডবাক্য আৰু বাক্যাংশৰ মাজত কম শব্দ বা আধা-ডুখৰীয়া বাক্য একোটাৰে বহল অৰ্থ প্ৰকাশ কৰিব পৰা ক্ষমতা লুকাই থাকে। এই দুয়োবিধ একেধৰণৰ ৰচনা যদিও দুয়োৰে মাজত কিছুপাৰ্থক্য আছে। অৰ্থাৎ, ক্ৰিয়াপদযুক্ত অৰ্থপ্ৰকাশক পদসমষ্টিক খণ্ড বাক্য (Phrase) বোলা হয়। আকৌ ক্ৰিয়াপদহীন অৰ্থদ্যোতক পদসমষ্টিক বাক্যাংশ (Clause) বুলিব পাৰি।[২]

অসমীয়া ভাষাত জতুৱা খণ্ডবাক্য আৰু বাক্যাংশৰ যথেষ্ট প্ৰয়োগ পোৱা যায়। বিশেষ্য, বিশেষণ, ক্ৰিয়া বা আন বিভিন্ন পদক একেলগে বিশেষ অৰ্থত ব্যৱহাৰ কৰি জতুৱা খণ্ডবাক্য আৰু বাক্যাংশ গঠন কৰা হয়। জতুৱা খণ্ডবাক্য আৰু বাক্যাংশই আভিধানিক অৰ্থ প্ৰকাশ নকৰি বা শব্দবোৰৰ নিজা অৰ্থ প্ৰকাশ নকৰি একোটা বিশেষ ভাব বা অৰ্থ প্ৰকাশ কৰে। নিদৰ্শন স্বৰূপে 'ভৰিৰ ধূলি' বুলি ক'লে ভৰিৰ তলৰ ধূলিক নুবুজাই অতি নগণ্য লোককহে বুজায়। সেইদৰে 'চুকৰ ভেকুলী' শব্দইবাহিৰৰ একো আওভাও নজনা মানুহক বুজায়। আকৌ 'হাতদীঘল' শব্দই ক্ষমতাশালী আৰু 'হাতলৰ' শব্দই চোৰ অৰ্থ প্ৰকাশ কৰে। গতিকে মাতৃভাষা-ভাষীয়েহে এই জতুৱা ৰূপবোৰ শুদ্ধকৈ বুজিব বা ভাষাত শুদ্ধৰূপত প্ৰয়োগ কৰিব পাৰে।

অসমীয়া ভাষাত জতুৱা ঠাঁচবোৰ বিভিন্ন ধৰণৰ। অৰ্থাৎ অসমীয়া ভাষাত জতুৱা প্ৰয়োগৰ উপৰিও জতুৱা খণ্ডবাক্য, বাক্যাংশ, ফকৰা-যোজনা, প্ৰবাদ-পটন্তৰ, উপমাবাচক জতুৱা ৰূপ আদি বিভিন্ন জতুৱা ঠাঁচৰ প্ৰয়োগ পোৱা যায়। অসমীয়া ভাষাত প্ৰচলিত এই বিভিন্ন ধৰণৰ জতুৱা ৰূপবোৰে অসমীয়া ভাষাটোক সুসমৃদ্ধ কৰাৰ লগতে ঐতিহ্য আৰু সাংস্কৃতিক জগতৰ চিত্ৰও প্ৰতিফলিত কৰিছে। তদুপৰি অসমীয়া সমাজৰ ৰীতি-নীতি, দৈনন্দিন জীৱন-চৰ্যা, গ্ৰাম্য জীৱনৰ চিত্ৰ আদিও

জতুৱা ঠাঁচৰ মাজত অন্তর্নিহিত হৈ আছে। অসমীয়া ভাষা বা অসমীয়া সমাজত প্রচলিত জতুৱা খণ্ডবাক্য আৰু বাক্যাংশবোৰৰ মাজেৰে অসমীয়া গ্রাম্য সমাজৰ বিবিধ চিত্র ফুটি উঠিছে। অসমীয়া সমাজৰ ৰীতি-নীতি, আদৰ-কায়দা, জাতিভেদৰ বিচাৰ, কৃষিজীৱী সমাজৰ নানা দিশৰ বর্ণনা জতুৱা ৰূপবোৰৰ মাজত নিহিত হৈ আছে। নিদর্শন স্বৰূপে—তুঁহৰ জুই উমাই পোৰ, আলুৰে পোখাই উভাল, ওলোটা হাল যোৰ, কটা ঘাত কলাখাৰ দে, কঁঠীয়া ওভলা দে, কপালৰ ফোট মচ, কোদাল শালোতে মাহৰ বতৰ যা, খোজা বঢ়া কৰ, চাঙিত উঠ, তপত ভাতৰ ধোঁৱাই খা, দৰা দেখুৱাই সুৱাগুৰি তোল, পিটিকাত তিনিগুণ লোণ খা, লাউ ডাঙৰ হ'লেও সদায় পাতৰ তল, বৰষুণ গ'লে জাপি ল, দিন বাৰ চা, এপাচি শাকত এটা জালুক ইত্যাদি জতুৱা ৰূপবোৰ গাঁৱলীয়া সমাজৰ চিত্র ফুটাই তুলিছে।

পু�ৰণিকালৰ অসমীয়া সমাজখন আছিল কৃষিজীৱী সমাজ। সেয়ে অসমীয়া ভাষাত বিভিন্ন শাক-পাচলি, ফল-মূল, গছ-গছনি আদিৰ লগত জড়িত বিভিন্ন জতুৱা ঠাঁচৰ প্রয়োগ দেখা যায়। নিদর্শন স্বৰূপে—কেৰেলাতকৈ গুটি দীঘল হ, চিকুটি লাও বুঢ়া কৰ, পিঠিত বাবৰি ফুল বাছ, পচলাত দাঁত ভাঙ, উৰহীৰ ওৰ, ফুটনিত বেঙেনা ভাজ, ডলাৰ বগৰী, পনিয়ল পিটিকা দি, পৰৰ মূৰত কঁঠাল ভাঙ, কেহেৰাজ বটা যেন হ, বৰ গছত আউজ, কলতলে বাঁহতলে, গাত সৌকা মেল ইত্যাদি।

পুৰণি কালৰেপৰা অসমীয়া সমাজত বিভিন্ন ধৰণৰ বিশ্বাস প্রচলিত হৈ আহিছে। অসমীয়া মানুহে বিভিন্ন ধৰণেৰে ভাল-বেয়া বা মংগল-অমংগলৰ বিচাৰ কৰে আৰু সেইবোৰ বিশ্বাসো কৰে। নিদর্শন স্বৰূপে—কুকুৰাৰ ঠেং কাটি মংগল চা, কুকুৰা কাটি শপত খা, দেও লাগ, সৰিয়হত ভূতে ধৰ, দেওধাই উঠ, দেখা কথাত পাট-মংগল চা আদি জতুৱা ৰূপবোৰে অসমীয়া সমাজত প্রচলিত লোকবিশ্বাসৰ চিত্র দাঙি ধৰিছে।

অসমীয়া সমাজত প্রচলিত বহুতো ফকৰা-যোজনা বা প্রবাদ-পটন্তৰে জতুৱা বাকভংগী প্রকাশ কৰে। ফকৰা-যোজনাবোৰৰ আঁৰত একোটা অন্তর্নিহিত অর্থ ব্যঞ্জিত হৈ থাকে। বহু কথাৰে যিটো ভাব বা কথা প্রকাশ কৰিব নোৱাৰি সেইটো এটা ফকৰা-যোজনাৰদ্বাৰা অতি সহজতে সুদূৰ প্রসাৰী অর্থেৰে প্রকাশ কৰিব পাৰি। ফকৰা-যোজনা বা প্রবাদ পটন্তৰবোৰে শব্দগত অর্থতকৈ একোটা বিশেষ অর্থহে প্রকাশ কৰে। কোনো কথা জোৰ দি বুজাবলৈ বা কোনো এটা আৰ্হি দাঙি ধৰিবলৈ মানুহে একোটা যোজনা দিয়ে। সেইদৰে পটন্তৰসমূহো নীতিশিক্ষা বা উপদেশমূলক। সাধাৰণতে ফকৰা-যোজনা, প্রবাদ-পটন্তৰসমূহ অসমীয়া জতুৱা ঠাঁচৰ অন্তর্ভুক্ত নহয়। কিন্তু কিছুমান ফকৰা-যোজনা বা প্রবাদ-পটন্তৰ প্রয়োগৰ ব্যাপকতাৰ বাবে জতুৱা ঠাঁচৰ পর্যায়লৈ নামি আহিছে। নিদর্শন স্বৰূপে— অচিন কাঠৰ থোৰা লগা, অধিক মাছত বগলী কণা, উদক ভেটাৰখীয়া পাত, উমৈহতীয়া শ বাহী শ হ, উভলা গছত বাগী কুঠাৰ মাৰ, আপদ কালত ঔৰে গল খজুৱা, উদৰ সাত পুৰুষে কেঁচা মণ্ডহ খা, উলুৰ লগত বগৰী পোৰা যা, এনেই বুঢ়ী নাচনী তাতে নাতিনীয়েকৰ বিয়া, এবাৰ সাপে খালে কেঁচুলৈকো ভয়, এশ গৰু মাৰিলে বাঘৰো মৃত্যু হ, জাপি, লাঠী, টনা ইয়াক নহ'লে দিনতে কণা, আদাৰ বেপাৰীয়ে জাহাজৰ খবৰ ল ইত্যাদিলৈ আঙুলিয়াব পাৰি।

অসমীয়া ভাষাত ব্যৱহৃত আন এক শ্রেণীৰ জতুৱা ৰূপ হ'ল উপমাবাচক জতুৱা ৰূপ। এনে ধৰণৰ জতুৱা ৰূপবোৰ সাধাৰণতে কোনো বস্তু তুলনা কৰিবলৈ যাওঁতে তুলনাটো অধিক অর্থবহভাৱে দাঙি ধৰিবলৈ, বা অধিক বোধগম্য কৰি তুলিবলৈ ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে— দু�ৰাপিঠীয়া, পচলা কুটা দি, তেল পিছলা দি পিছল, পথালি কোমোৰা বঢ়া দি, ফৰিং ছিটিকা দি, শামুকীয়া গতি, টাকুৰী ঘূৰা দি, শিশুপাল খেদা, মাগুৰ কচা দি, হাতী খাৱনে খা, শিয়াল বাগি দি ইত্যাদি।

অসমীয়া তথা ভাৰতীয় সাহিত্যত ৰামায়ণ আৰু মহাভাৰত মহাকাব্যৰ প্রভাৱ অপৰিসীম। সাহিত্যৰ উপৰিও অসমীয়া তথা সমগ্র ভাৰতীয় জীৱনধাৰাতে এই দুয়োখন মহাকাব্যই যথেষ্ট প্রভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। বিভিন্ন গীত, পদ, সাঁথৰ, সাধুকথা, প্রবাদ-পটন্তৰকে ধৰি অসমীয়া জতুৱা ৰূপতো ইয়াৰ প্রভাৱ দেখা যায়। অসমীয়া ভাষাত ৰামায়ণ আৰু মহাভাৰতক কেন্দ্র কৰি বহুতো জতুৱা ঠাঁচৰ সৃষ্টি হৈছে আৰু ভাব প্রকাশৰ লগতে ভাষাটোৰ কালিকা শক্তি বৃদ্ধি কৰি ভাষাটোক সুসমৃদ্ধ কৰি তুলিছে। নিদর্শন স্বৰূপে— ফি�ৰিঙতিৰ পৰা খাণ্ডৱ দাহ কৰ, ধর্ম যুধিষ্ঠিৰ, ভীষ্মৰ প্রতিজ্ঞা, ৰামৰ খাই ৰাৱণৰ গীত গা, লংকা পালে সকলো ৰাক্ষস হ, লক্ষ্মণৰ শক্তিশেল, শৰশয্যাত পৰ, কৌৰৱৰ লোণ খাই পাণ্ডৱৰ গুণ গা, দাতা কর্ণ, শকুনি বুদ্ধি, কর্ণৰো অগোচৰ, অগ্নিপৰীক্ষা ইত্যাদি জতুৱা ৰূপৰ কথা ক'ব পাৰি।

অসমীয়া ভাষাত বিভিন্ন দেৱ-দেৱীক লৈও ভালেমান জতুৱা ঠাঁচৰ সৃষ্টি হোৱা দেখা যায়। অসমীয়া জতুৱা ৰূপৰ মাজত মহাদেৱ, ইন্দ্র, ৰাম, যখ, যখিনী, উর্বশী, গৌৰী, লক্ষ্মী-সৰস্বতী, কালী, কুৰেৰ, নাৰদ, যম, শনি আদি বিভিন্ন দেৱ-দেৱীৰ নাম পোৱা যায়। নিদর্শন স্বৰূপে—হৰ-গৌৰীৰ মিলন, গৌৰীদান কৰ, যমৰ মুখলৈ যা, যমৰ যাতনা, যমে নিলেও নিয়া জোঁৱায়ে নিলেও নিয়া, হাতৰ লক্ষ্মী ভৰিৰে ঠেল, খুৰে কাটি শনি চপা, ইন্দ্রৰ সভাত ফেচাৰ কুৰুলি, টুটকীয়া নাৰদ, বহি খালে কুবেৰৰ ধনেও নাটে ইত্যাদি জতুৱা ৰূপবোৰে অসমীয়া মানুহৰ বিশ্বাস আৰু পৰম্পৰা দাঙি ধৰিবলৈ সক্ষম হৈছে।

অসমীয়া ভাষাত ব্যৱহৃত জতুৱা ৰূপবোৰলৈ লক্ষ্য কৰিলে দেখা যায় যে অসমীয়া জতুৱা ঠাঁচত নামনি অসমৰ শব্দ কিছুমানেও ঠাই পাইছে। এনে উপভাষাগত জতুৱা ৰূপ বা শব্দাৱলীয়ে অসমীয়া ঘৰুৱা বচনভংগীক চহকী কৰি তুলিছে। নিদর্শন স্বৰূপে— খুদ খাই ভোঁক নষ্ট কৰ, টটুৱা পৰি থাক, ঢোকা থাক, তিৰীৰ দণ্ডিত পন্তা খা, ডিমাত আঁহ উলিয়া, পেকৰ কচু, ফুটীয়া গাখীৰ, ফেটা পৰা, কালিৰ ছলিয়ে পৰহিৰ গীত গা, ঘৰ জীয়া থাক ইত্যাদি উপ-ভাষাগত জতুৱা ৰূপবোৰে মান্যভাষাক সমৃদ্ধ কৰি অসমীয়া ঘৰুৱা কথনভংগীৰ এক বিশিষ্ট ৰূপ দাঙি ধৰিছে।

অসমীয়া সমাজ জীৱন তথা সাংস্কৃতিক জীৱনত জীৱ-জন্তু, চৰাই-চিৰিকটি, মাছ-কাছ, পোক-পৰুৱা বা কীট-পতংগৰ এক বিশেষ ভূমিকা আছে। অসমীয়া জতুৱা ঠাঁচ সৃষ্টিতো এইবোৰে এক বিশেষ স্থান অধিকাৰ

কৰিছে। পুৰণি কালত অসমীয়া মানুহে বিভিন্ন জীৱ-জন্তু পোহপাল কৰি বা খেতিবাতিৰে জীৱিকা নিৰ্বাহ কৰিছিল। গতিকে ঘৰচীয়া আৰু বনৰীয়া এই দুয়োবিধ জীৱ-জন্তুৰ লগত মানুহৰ সম্পৰ্ক কিমান নিবিড় তাৰ নিদৰ্শন জতুৱা ৰূপবোৰেও দাঙি ধৰে। যেনে— কণা গৰু ঘূৰা দে, কুকুৰ চিকুণ গিৰীহঁতৰ যশ, ঘোঁৰাৰ ঘাঁহ কাট, মেকুৰী জোলোঙাৰপৰা ওলাল, হৰিণাৰ মাংসই বৈৰী হ, ভালুকৰ সাঙী হ, এক কেৰ্কেটুৱাই হাজাৰ টকাৰ বাৰী নষ্ট কৰ, মেনী ম'হ খীৰা, ঘন জালৰ বাঘিনী যেন, সিংহৰ পোৱালি ইত্যাদি।

জীৱ-জন্তুৰ উপৰিও বিভিন্ন চৰাই-চিৰিকটি, মাছ-কাছ, পোক-পৰুৱা ইত্যাদিক লৈ যথেষ্ট জতুৱা ৰূপ সৃষ্টি হোৱা দেখা যায়। এনে ধৰণৰ জতুৱা ৰূপবোৰে অসমীয়া লোক-সংস্কৃতিৰ বিভিন্ন দিশ প্ৰতিফলিত কৰিছে। নিদৰ্শন স্বৰূপে—শেনটো হৈ আহি ফেচাটো হৈ যা, ভেটিত হুদু পৰ, কাকো পৰ তালো সৰ, বগলী ভকত, ধান পকে মানে টুনীৰ মৰণ হ, শ খোৱা শগুন, উপকাৰীক অজগৰে খা, সাত ঘাটৰ চেঙেলী, পুঠি মাছৰ জীউ, ভেকুলীৰ পিঠিত নোম গজ, ওফন্দি গংগাটোপ হ, নাদৰ ভেকুলী, শালৰ মাজত শিঙি, কেঁচু খান্দোতে সাপ ওলা, সাপ মাৰি নেগুৰত বিষ এৰ, সাপ হৈ খা বৈদ হৈ জাৰ, উৰহৰ খণ্ডত ভগা ঢাৰি জাৰ, পৰুৱাই পৰ্বত খহা, জোকৰ মুখত চূণ পৰ, বিছাত বৰলে ডাক, জুইত চগা পৰ ইত্যাদি জতুৱা ৰূপবোৰলৈ আঙুলিয়াব পাৰি।

অসমীয়া জতুৱা ঠাঁচৰ ভঁৰাল চহকী কৰাৰ ক্ষেত্ৰত মানৱ শৰীৰ অংগ-প্ৰত্যংগসমূহৰ এক বিশেষ অৱদান আছে। মানুহৰ শৰীৰৰ বিভিন্ন অংগ-প্ৰত্যংগক লৈ অসমীয়া ভাষাত ভালেমান জতুৱা ৰূপ গঠিত হৈছে। অৰ্থাৎ মানুহৰ শৰীৰৰ মূৰ, মুখ, চকু, হাত, ভৰি, পেট, গা, মন, হাড় আদি বিভিন্ন অংগৰ লগত জতুৱা ঠাঁচৰ সম্পৰ্ক আছে। যেনে— মূৰত উঠ, মূৰ দাঙ, মূৰত টাঙোন মাৰ, মূৰ পাতি ল, মূৰে কপালে হাত দি, মুখত পানী আহ, মুখৰ ছাই গুচা, মুখৰ খজুৰতি মাৰ, মুখেৰে সাত হাল বা, চকুত ধূলি মাৰ, চকু চৰহা, চকু গজ, চকু ৰোৱা, চকু জুৰা, হাত লৰ, হাতত সাৰে ভৰিত সাৰে, হাত বাগৰ, হাত সাৰ, হাত কৰ, ভৰিৰ ধূলি, ভৰি চেলেক, দাঁতে ওঁঠে লাগ, দাঁতে উঠ, দাঁত চেলা, দাঁত ভঙা সাপৰ ফোপনিয়ে সাৰ হ, মনে পতা, মনে সজা, মন পুতি লাগ, মন বান্ধ, মন খা, গাত কাপোৰ ল, গা টঙা, গা জুৰা, গা দাঙ, গা সাতখন আঠখন কৰ, পেট পূজা কৰ, পেট পেলাই খা, পেট পোহ, পেট কুলি, হাড়ৰ বন গজ, হাড় ভঙা, হাড়ে হিমজুৰে, হাড়ক মাটি কৰ ইত্যাদি জতুৱা ৰূপে অসমীয়া বচনভংগীৰ অধিকাংশ ঠাই আগুৰি আছে।

অসমীয়া ভাষাত ধৰ্ম, বৰ, তেল, পানী, মৰ/মৰা/মৰি আদি শব্দৰ লগত জড়িত যথেষ্ট সংখ্যক জতুৱা ৰূপ পোৱা যায়। তদুপৰি তিৰোতা মানুহৰ লগত জড়িত ভালেসংখ্যক জতুৱা ঠাঁচ অসমীয়া বচনভংগীত পোৱা যায়। নিদৰ্শন স্বৰূপে— অশৌচ লাগ, কাঠবাজী, জীয়া বাঁৰী, ফোট মচ, গা ভাৰী, গা খালী হ, গা নৰীয়া, ফুলতে বাঁৰী হ, কাউৰী বাজী, গা ৰ, গা সাৰ, গা মূৰ ধো, কলপুলিৰে বিয়া হ, গাত লেঠা হ ইত্যাদি।

অসমীয়া জতুৱা ৰূপত বিদেশী শব্দ কিছুমানেও ঠাই পাইছে। বিদেশী ভাষাৰ শব্দৰাজিয়ে অসমীয়া ভাষাৰ শব্দ ভাণ্ডাৰক যথেষ্ট সমৃদ্ধিশালী কৰি তুলিছে। সেয়ে অসমীয়া ভাষাত বিদেশী শব্দক লৈ কিছুমান জতুৱা ৰূপ গঢ় লৈ উঠা দেখা যায়। যেনে—কবুল কৰ, কয়েদ কৰ, আগ চামিলে, কাবু কৰ, মগৰ মলুক পা, জবান দে, জবাব দে, খতম কৰ, সাখীয়ে চাবুদে, খানতালাচকৰ, কিস্তি খিলাপ হ ইত্যাদি।

পৰিশেষত ক'ব পাৰি যে জতুৱা ঠাঁচ প্ৰয়োগৰ ক্ষেত্ৰত অসমীয়া ভাষা অতি সমৃদ্ধিশালী। অসমীয়া জতুৱা ঠাঁচৰ ক্ষেত্ৰত এটা মন কৰিবলগীয়া কথা হ'ল এইবোৰৰ মাজত অন্তৰ্নিহিত হৈ থকা হৈ থকা ব্যঞ্জিত অৰ্থ। প্ৰত্যেকটো জতুৱা ঠাঁচৰ আভিধানিক অৰ্থৰ আঁৰত একোটা গভীৰ অৰ্থ নিহিত হৈ থকা দেখা যায়। সেয়ে মাতৃভাষা-ভাষী লোকসকলেহে সেই ব্যঞ্জিত অৰ্থ অনুধাৱন কৰি ভাষাত সেই জতুৱা ৰূপবোৰ শুদ্ধভাৱে প্ৰয়োগ কৰিব পাৰে। গতিকে অসমীয়া ভাষাৰ জতুৱা ঠাঁচৰ ক্ষেত্ৰত সূক্ষ্ম তথা বিজ্ঞানসন্মত অধ্যয়নৰ প্ৰয়োজন আছে। কাৰণ অসমীয়া জতুৱা বচনভংগীৰ প্ৰকৃত অৰ্থ উলিয়াই ভাষাত শুদ্ধৰূপে প্ৰয়োগ কৰিব পাৰিলেহে ই বিশেষ অৰিহণা আগবঢ়াব।■

পাদটীকা ঃ

(১) বৰুৱা, তুলতুল (সম্পা.)ঃ অসমীয়া ৰচনা সংকলন (ব্যাকৰণ, ২য় খণ্ড), পৃষ্ঠা ৯৫

(২) গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ ঃ পাতনি (অসমীয়া বচনভংগী), পৃষ্ঠা ৯

*প্ৰসংগ পুথি :*

ফুকন, পাটগিৰি, দীপ্তি : আধুনিক অসমীয়া ব্যাকৰণ, ২০১০ (দ্বিতীয় সংস্কৰণ) সৰস্বতী প্ৰকাশন, গোলাঘাট।

বৰুৱা, তুলতুল (সম্পা) : অসমীয়া ৰচনা সংকলন, ১৯৯৯ ষ্টুডেণ্টচ ষ্ট'ৰচ, গুৱাহাটী।

শৰ্মা, হৰেন্দ্ৰনাথ : অসমীয়া বচনভংগী, ১৯৬৫, বাণী প্ৰকাশ মন্দিৰ, পাঠশালা, গুৱাহাটী, কলিকতা।

# শ্রীমন্ত শংকৰদেৱ প্ৰৱৰ্তিত একশৰণ হৰিনাম ধৰ্ম

**উমেশচন্দ্ৰ দাস**

**'অনাচাৰ কৰি অপৰাধী মোৰ নুহি,**
**আনদেৱ পূজে যিটো সিটো মোৰ দ্ৰোহী'**
**'ভক্তি প্ৰদীপ'—শংকৰদেৱ**

জগতগুৰু, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰতিভা তেখেতৰ নিজ কৰ্মজীৱনৰ সকলো দিশতে ফটফটীয়া হৈ ওলাই পৰিছে। তেখেত এজন সনাতন ধৰ্মগুৰুৱে নহয়, তেখেত আছিল এজন বিদগ্ধ পণ্ডিত। এজন খ্যাতনামা সংগীতজ্ঞ, নৃত্যবিদ্, কলাকাৰ, নাট্যকাৰ, চিত্ৰকৰ; এজন সমাজ-সংস্কাৰক, কবি, সাধক, সাহিত্যিক; এজন সাম্য-মৈত্ৰী-সংহতিৰ যাদুকৰ, গণতান্ত্ৰিক চিন্তাধাৰাৰ পৃষ্ঠপোষক, অৰ্থনীতিবিদ্, ৰাজনীতিবিদ্ আৰু উত্তৰ-পূব ভাৰতপ্ৰান্তত গঢ়ি তোলা জাতিটোৰ চিৰৱৰেণ্য জাতিৰ জনক। পৃথিৱীৰ কোনো এজন ধৰ্মপ্ৰৱৰ্তক, ধৰ্মগুৰু এইজনা শংকৰদেৱৰ সমকক্ষ হ'ব নোৱাৰে।— ড° ভগৱান মৰল।

মহাপুৰুষ শংকৰদেৱে তেখেতৰ বহুমুখী প্ৰতিভাৰে ভাষা-সাহিত্য, মানৱীয় গুণসম্পন্ন সভ্যতা, সংস্কৃতি—এই সকলোখিনি দান কৰি কালজয়ী সংস্কৃতিসম্পন্ন এটি মহীয়ান জাতি গঢ়ি তুলিছে।

মহাপুৰুষ শংকৰদেৱে হৰিনাম ভকতিত মানুহমাত্ৰেই সম অধিকাৰ থকা বুলি ঘোষণা কৰি সাধাৰণ চণ্ডাল হ'লেও হৰিভক্ত হ'লে ব্যভিচাৰী, অনাচাৰী, উচ্চ বংশগত লোকতকৈ শ্ৰেষ্ঠ বুলি ঘোষণা কৰিছে। পঞ্চদশ-ষোড়শ শতিকাতে মহাপুৰুষ শংকৰদেৱে যি নৱবৈষ্ণৱ ধৰ্মৰ সোঁত বোৱালে তাৰ ফলত আমাৰ জাতীয় জীৱনৰ এক বৈপ্লৱিক পৰিৱৰ্তন ঘটিল। ভক্তিধৰ্মক কেন্দ্ৰ কৰি অসমৰ ধৰ্ম, সমাজ, সাহিত্য, কলা আদি বিভিন্ন ক্ষেত্ৰত মহাপুৰুষে যি বহুমুখী দান দিলে, তাৰ ফলত অসমত এক নতুন যুগৰ সূচনা হ'ল। এই যুগটোৱে হ'ল 'শংকৰী যুগ'।

মহাপুৰুষ শংকৰদেৱে *ভাগৱত পু�ৰাণ*ৰপৰা 'ভক্তিৰস' আৰু *সৎ সংগ গীতা*ৰপৰা 'একশৰণ' আৰু *পদ্মপুৰাণ*ৰপৰা নাম ধৰ্ম লৈ অসমত যি 'একশৰণ নাম ধৰ্ম' প্ৰচাৰ কৰিলে তাৰ জৰিয়তে নানা ধৰ্ম, আচাৰ-পদ্ধতি, ভাষা আদিৰে বহুধা বিভক্ত হৈ থকা অসমৰ জনসাধাৰণক এডাল সূতাৰে বান্ধি বৃহৎ অসমীয়া জাতি গঠনত সহায় কৰিলে।

অসমৰ ধৰ্মীয় জীৱন, সমাজনীতি, ভাষা-সাহিত্য, সংগীত-কলা আদি মূল উপাদানবোৰৰ ওপৰত শংকৰদেৱৰ প্ৰভাৱ ইমানেই বেছি যে অসমীয়া সংস্কৃতিৰ মাজৰ সুঁতিটোকেই শংকৰী সংস্কৃতি বুলি ক'ব পাৰি। (ড° মহেশ্বৰ নেওগ)

একশৰণ নাম ধৰ্মৰ প্ৰচাৰ কৰিবলৈ যাওঁতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে দেৱ ভাষাত লিখা বিভিন্ন শাস্ত্ৰ অধ্যয়ন কৰি তাৰ সাৰখিনি কাঢ়ি আনি সৰ্বসাধাৰণ লোকে বুজিব পৰাকৈ প্ৰাঞ্জল অসমীয়া ভাষাত গ্ৰন্থবোৰ লেখিছিল। সেই অমূল্য গ্ৰন্থবোৰ হ'ল—'ভাগৱত', 'দশম-কীৰ্তন', 'ভক্তি-প্ৰদীপ', 'গুণ মালা', 'ভক্তিৰত্নাকৰ' আদিৰ উপৰি অংকীয়া নাট, ভাওনা, ৰৱগীত ইত্যাদি। প্ৰাক্ শংকৰী যুগত শাক্ত, শৈৱ, তান্ত্ৰিক-ধৰ্মই গোটেই অসম ৰাজ্যকে গ্ৰাস কৰিছিল। অৱশ্যে অনাদি কালৰপৰাই বৈষ্ণৱ ধৰ্মৰ এটি ধাৰা প্ৰভাৱিত হৈ আছিল বুলি প্ৰমাণ পোৱা যায়।

*অসম বুৰঞ্জী*ৰ লেখক ছাৰ এড'ৱাৰ্ড গেইটেও সেই সময়ৰ অসমৰ ব্যৱস্থা আৰু মহাপুৰুষ শংকৰদেৱৰ আৱিৰ্ভাৱৰ বিষয়ে এইদৰে বৰ্ণাইছে—'আদিমবাসীবোৰৰ অনাৰ্য দস্তুৰৰ লগত অধঃপতিত হিন্দু ধৰ্মক ৰজিতা খুৱাই ধৰ্মৰ নামত যি ভয়ংকৰ আৰু জঘন্য ভেকো ভাওনা চলিছিল তাক অনিৰ্দিষ্ট কাললৈ চলি থাকিবলৈ দিয়া অসম্ভৱ বুলিয়ে শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰেৰে নৰনাৰায়ণৰ ৰাজত্ব গৌৰৱান্বিত হৈ পৰিছিল।' (*যুগনায়ক শংকৰদেৱঃ* ডিম্বেশ্বৰ নেওগ)

মহাপুৰুষ শংকৰদেৱে প্ৰৱৰ্তন কৰা ধৰ্মক 'একশৰণ হৰিনাম ধৰ্ম' বা মহাপুৰুষীয়া ধৰ্ম বুলিও কোৱা হয়। বেদ, গীতা, উপনিষদ ভাগৱতত উল্লিখিত মহাপৌৰষিক পুৰুষোত্তম, ব্ৰহ্ম নাৰায়ণ বিষ্ণু-কৃষ্ণক উপলক্ষ্য কৰি এই ধৰ্মটিৰ নাম মহাপুৰুষীয়া হৈছে। মহাপুৰুষ শংকৰদেৱে ক্ষয়িষ্ণু অসমীয়া সমাজখনক গঢ়ি তোলাৰ উদ্দেশ্যে অহোপুৰুষাৰ্থ কৰিছিল। নিজৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰে কৃষ্টি, সংস্কৃতি, ভাষা-সাহিত্য, নাট-ভাওনা আদি সকলো দিশতে অসম ৰাজ্যক চহকী কৰি একশৰণ ভাগৱত ধৰ্ম প্ৰচাৰ কৰিছিল। জাতি-ধৰ্ম নিৰ্বিশেষে সকলো সম্প্ৰদায়ৰ লোকৰ মাজত সাম্যভাব বিস্তাৰ কৰাত গুৰুত্ব আৰোপ কৰিছিল। নীতি-সদাচাৰ মানি চলা সকলো লোককেই অতি আপোন কৰিবলৈ ভক্তৰ শাৰীত বহিবলৈ অনুমতি দিছিল আৰু ইজনে-সিজনক বাপ, আতা-আতৈ বুলি সম্বোধন কৰিব পাৰিছিল। তেৰাৰ ধৰ্মৰ এই গুণটোৱেই সমাজৰ প্ৰায় সকলো সম্প্ৰদায়ৰ লোককেই মুগ্ধ কৰিব পাৰিছিল আৰু মহাপুৰুষ শংকৰদেৱৰ প্ৰৱৰ্তিত ধৰ্ম গ্ৰহণ কৰিছিল। ভক্তিপথ গ্ৰহণ কৰিবলৈ যাওঁতে জাতি-ধৰ্মৰ বিচাৰ পৰিহাৰ কৰা হৈছিল। ফলত—'কিৰাত, কচাৰী, খাচী, গাৰো, মিৰি/যৱন কঙ্ক গোৱাল/অসম মলুক ৰজত তুলুক/কুৰাত ম্লেচ্ছ চণ্ডাল। (*কীৰ্ত্তন*)

—আদি সকলোৱে একশৰণ নাম ধৰ্মত দীক্ষিত হৈ জাতীয় জীৱনৰ একতাৰ ভেটিত থিয় দিবলৈ সুবিধা পাইছিল। ব্যৱহাৰিক ক্ষেত্ৰত ব্যৱধান থাকিলেও ভক্তিৰ ক্ষেত্ৰত সকলো সম পৰ্যায়ৰ। সেয়েহে



সোণালী জয়ন্তী মহোৎসৱ, শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়, (১৯৬৩-২০১৩)

অসমৰ বিভিন্ন প্ৰান্তৰপৰা লোক আহি গুৰুজনত শৰণ লৈছিল। যেনে—গাৱোৰ গোবিন্দ, নগাৰ নৰোত্তম, মুছলমানৰ চান্দসাই, মিৰিৰ পৰমানন্দ, যৱনৰ জয়হৰি আদি। আনকি পৰিত্ৰ অন্তৰৰ ভক্ত চণ্ডালো অভক্ত ব্ৰাহ্মণতকৈও সাধাৰণ স্তৰত উচ্চ। এই কথা প্ৰচাৰ কৰি মহাপুৰুষে ধৰ্মক্ষেত্ৰত সমভাবৰ আদৰ্শ দেখুৱাই জনতাক উদ্বুদ্ধ কৰিবলৈ সক্ষম হৈছিল আৰু শ্ৰেণীহীন-বৰ্ণহীন সমাজ গঠনত বিশেষ অৱদান আগবঢ়াইছিল। তেখেতে সকলো প্ৰাণীৰ প্ৰতিয়ে সমভাব ৰক্ষা কৰি চলিছিল। সেয়েহে তেখেতে উদাৱ কণ্ঠে ঘোষণা কৰিছিল—'কুকুৰ শৃগাল গৰ্দভৰো আত্মা ৰাম।/জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।/ব্ৰাহ্মণ-চণ্ডালৰ নিবিচাৰি কুল।/দাতাত চোৱত যেন ছৃষ্টি এক তুল।।/নীচত সাধুত যাৰ ভৈল এক জ্ঞান।/তাকেসে পণ্ডিত বুলিয় সৰ্বজান।।' (*কীৰ্ত্তন*)

হৰিনাম অকল কলি যুগৰে নহয়, সৰ্বযুগৰে শ্ৰেষ্ঠ ধৰ্ম। ভগৱন্তৰ নামৰ অপাৰ মহিমা। নামে সাতকাৰ্য সিদ্ধি কৰিব পাৰে। নামত আশ্ৰয় কৰি ঈশ্বৰ-ভক্তি কৰিবলৈ যোৱাজনৰ স্তৰে স্তৰে কিদৰে ঈশ্বৰ-প্ৰাপ্তি হয় তাৰ সিদ্ধান্ত গুৰুজনাই দিছে—'নামো সাত কাৰ্য সাধিবে দেখা।/প্ৰতি প্ৰতি লোৱা নামৰ লেখা।/প্ৰথমে দহিব পাতক চয়।।/কৰিবে মহা পুণ্য উদ্ভুদয়।।/মিলাইবে বিষয়ত বিৰকতি/কৃষ্ণত বঢ়াইৰে দৃঢ় ভকতি।।/উপশাইয়ে আতি বৈষ্ণৱী জ্ঞান।/মায়াকে কৰিব দহি নিৰ্জ্জান।।/চৈতন্য মূৰ্তি পূৰ্ণানন্দ হৰি।/থৈৱন্ত তেন্তে এৱে এক কৰি।।' (*কীৰ্ত্তন*)

দৈৱক্ৰমে ধুৱাহাটত শংকৰ-মাধৱৰ মিলন হ'ল। শংকৰ-মাধৱৰ এই মিলন মণি-কাঞ্চন সংযোগ। শংকৰদেৱক লগ পোৱাৰ পিছৰপৰাই মাধৱদেৱৰ ধৰ্ম-কৰ্মৰ পথ সলনি হ'ল। এটি নতুন সত্য সন্ধানৰ পথ পালে। পৰস্পৰে পৰস্পৰক লৈ গৌৰৱান্বিত হ'ল। গুৰুজনাৰ সান্নিধ্যত থাকি মহাপুৰুষ মাধৱদেৱ একশৰণ হৰিনাম ধৰ্মৰ প্ৰতি এনেদৰে আকৃষ্ট হ'ল যে একশৰণ হৰিনাম ধৰ্ম প্ৰচাৰত দৃঢ়ভাৱে মনোনিৱেশ কৰি, বিভিন্ন শাস্ত্ৰ অধ্যয়ন কৰি, সেইবোৰ সৰ্বসাধাৰণ লোকে সহজে বুজিব পৰাকৈ স্থানীয় ভাষাত অনুবাদ কৰি, ভক্তিৰ সৌৰভ সকলোৱে পান কৰিব পৰাকৈ সহজলভ্য কৰি তুলিলে। তেখেতে ৰচনা কৰা গ্ৰন্থসমূহ হ'ল—*নামঘোষা, ভক্তিৰত্নাৱলী, ৰুমুৰা, ৰৱগীত* আদি।

ইয়াৰ ভিতৰত *নামঘোষা* এখন অতি অমূল্য গ্ৰন্থ।

*নামঘোষা* হ'ল বিনাগড়ে সংসাৰ-সমৰত অৱতীৰ্ণ হৈ জয় লাভ কৰা মহাৰথী মাধৱদেৱৰ জীৱন-দৰ্শনৰ অন্যতম গ্ৰন্থ। মহাপুৰুষ শংকৰদেৱৰ মূল দৰ্শনসমূহ তেখেতৰ এই গ্ৰন্থৰ মাজেৰে দাঙি ধৰিছে—'সত্য যুগে ধ্যান/ত্ৰেতা যুগে যজ্ঞ/দ্বাপৰ যুগত পূজা।/কলিত হৰিৰ/কীৰ্ত্তন বিনাই/আৱৰ নাহিকে পূজা।' (*নামঘোষা*)

সত্য যুগত জীৱসমূহৰ তৰণৰ উপায় আছিল ধ্যান। ত্ৰেতা যুগত যজ্ঞ, দ্বাপৰ যুগত পূজা আৰু কলি যুগত তৰণৰ একমাত্ৰ উপায় হ'ল হৰিনাম।

ধ্যান হৈছে অন্তঃকৰণৰে পৰমাত্মাৰ লগত মনৰ সংযোগ কৰা। ই অতি কষ্টসাধ্য। অনেক কষ্ট কৰি হাজাৰ হাজাৰ বছৰ ধ্যান কৰাৰ পিছতহে অভিষ্ট লাভ কৰিব পাৰে। যেনে— 'ব্ৰহ্মাক চিন্তিয়া আছে মনত।/বহি গৈল দিব্য কৰিষ শত।।/ঢাকিল তনু উঁই মাটি তুলি।/শৰীৰৰ মাংস খাইলে সমূলি।।/গঢ়িলে তাকে ঢাকি বেৰু ঝাৰ।/তথাপি কটাক্ষ নাহিকে তাৰ।।' (প্ৰহ্লাদ চৰিত্ৰ ঃ *কীৰ্ত্তন*)

ত্ৰেতা যুগত ঋষি-মুনিসকলে যজ্ঞ কৰি ভগৱানক পাবলৈ চেষ্টা কৰিছিল। কিন্তু এই পথটোও বৰ সুগম নাছিল। হাজাৰ হাজাৰ বছৰ যজ্ঞ কৰাত যজ্ঞৰ জুইৰ ধোঁৱাত ঋষি-মুনিসকলৰ শৰীৰ ধূম্ৰবৰ্ণ হৈছিল। তথাপিতো ঈশ্বৰদেৱক লাভ কৰাটো সম্ভৱ হৈ নুঠিছিল— 'মনুষ্যৰ আয়ু শত বৰিষ সংখ্যাত।/অৰ্দ্ধেক বিফলে যায় যানিবা নিদ্রাত।।/বিংশতি বৰিষ আৰ যায় ওমলন্তে।/নেয় দশ বৰিষ উনক উপৰ্জন্তে।।' (প্ৰহ্লাদ চৰিত্ৰ ঃ *কীৰ্ত্তন*)

দ্বাপৰ যুগত দেৱ-দেৱীক পূজা-পাতল কৰি ফল লাভ কৰিবলৈ চেষ্টা কৰা হৈছিল যদিও তাতো সিদ্ধি লাভ কৰাটো কঠিন আছিল। প্ৰায়ে নিষ্ফল হৈছিল। কিয়নো এই পূজা একেবাৰে নিখুঁত হ'ব লাগে। পূজাৰ বাবে প্ৰয়োজনীয় বহুবিধ দ্ৰব্য-সম্ভাৰৰ কোনো এবিধ হীন হ'লেই পূজা নিষ্ফল হয়। তাৰ উপৰি পূজাৰ মন্ত্ৰসমূহ সংস্কৃত ভাষাত উচ্চাৰণ কৰা হয়। সংস্কৃত পণ্ডিতসকলেহে এই ভাষা সহজ আৰু শুদ্ধ ৰূপত উচ্চাৰণ কৰিব পাৰে। উচ্চাৰণ ভুল হ'লে হিতে বিপৰীত হ'ব পাৰে। *ভাগৱতত* উল্লেখ আছে—'স্ৱৰ্ৱৰ্ণ মন্ত্ৰ কাল/হীন হোৱে যদি/অৰ্থ লৱে প্ৰমাদত।/ব্ৰাহ্মণৰ তেৱে/বাক্য বজ্ৰক হুই/যজমান হৱে হত/এতে কতে ইটো/কাম্য কৰ্ম মণ্ড/আপোনাকো নষ্ট কৰে।।/কৃষ্ণক ভজন/সকলে শোভন/সমস্ত দোষ সংহাৰে।'

(অনন্ত কন্দলী ঃ *ভাগৱত*ঃ ষষ্ঠ খণ্ড)

মহাপুৰুষ শংকৰদেৱে *কীৰ্ত্তন ঘোষাত* লিখিছে—'মনুষ্যৰ আয়ু শত বৰিষ সংখ্যাত।/অৰ্দ্ধেক বিফলে যায় জানিবা নিদ্রাত।।/বিংশ বৰিষ আৰ যায় ওমলন্তে।/নেয় দশ বৰিষ ধনক উপার্যন্তে।।'

অল্পায়ুসেৰে সত্য, ত্ৰেতা যুগৰ নিচিনা ধ্যান, যজ্ঞ কৰাটো সম্ভৱপৰ নহয়।

মহাপুৰুষ শংকৰদেৱে *ভাগৱত* শাস্ত্ৰত উল্লেখ কৰা উপদেশ এফাকিৰে সামৰিছো—'শুনা সামাজিক/কৃষ্ণৰ চৰিত্ৰ/আসনত থাকি সুখে।/এহিসে পৰম/পুৰুষার্থ জানি/শুনা মহন্তৰ মুখে।।/হৰি ভকতিৰ/পথত থাকিয়া/শুনৈ ভনৈ যিটো নৱে।/হৱে কলিমল/মিলৈ মহাবল।/সংসাৰ তাপত তৱে।।/তোমাতে ৰতি/কৰিবেক মতি/বচনে উচ্চাৰি নাম।' ■

# সংগীত শিক্ষাৰ আৱশ্যকতা

**খগেন চন্দ্ৰ মেধি**
*প্ৰাক্তন ছাত্ৰ, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

'গীতং বাদ্যং তথা নৃত্যং ত্ৰয়ং সংগীতমুচ্যতে'

সংগীত ঃ *সংগীত ৰত্নাকৰ* গ্ৰন্থৰ প্ৰণেতা শাৰংগদেৱে সংগীত শব্দৰ পৰিভাষাৰ বিষয়ে এনেদৰে উল্লেখ কৰিছে। অৰ্থাৎ গীত, বাদ্য আৰু নৃত্য এই তিনিওটি কলাৰ সমাৱেশেই হৈছে সংগীত। ইয়াৰ ভিতৰত গীতক প্ৰথম স্থান দিয়া হয়। গীতক অনুকৰণ কৰে বাদ্যই আৰু সেইবাবে গীতৰ পাছতে বাদ্য-সংগীতৰ স্থান। নৃত্যৰ স্থান সকলোতকৈ শেষত। কাৰণ, গীত আৰু বাদ্য অবিহনে এইবিধ কলা প্ৰদৰ্শিত হ'ব নোৱাৰে।

গীত ঃ সুৰ অৰ্থযুক্ত শব্দ আৰু তালৰ সহায়ত মনৰ ভাব প্ৰকাশ কৰাকেই গীত বোলে।

বাদ্য ঃ সুৰ আৰু তালৰ সহযোগত যন্ত্ৰৰ সহায়ত মনৰ ভাব প্ৰকাশ কৰাটোকেই বাদ্য বোলে।

নৃত্য ঃ তাল আৰু ছন্দৰ সহযোগত সুললিত অংগী-ভংগীৰদ্বাৰা মনৰ ভাব প্ৰকাশ কৰাকেই নৃত্য বোলে।

'ন চ বিদ্যা সংগীতাৎপৰা'

ইয়াৰ অৰ্থ হৈছে—

সকলো বিদ্যাতকৈ সংগীত শ্ৰেষ্ঠ বিদ্যা। সেয়েহে চৌষষ্ঠী কলাৰ ভিতৰত সংগীত হৈছে অন্যতম শ্ৰেষ্ঠ কলা বিদ্যা। গতিকে সকলো প্ৰকাৰৰ কলাৰ মাজতে সংগীতত শ্ৰেষ্ঠত্ব সৰ্বজন স্বীকৃত।

সাহিত্য সংগীত কলা বিহীনঃ।।
সাক্ষাৎ পশু-পুচ্ছ বিষান হীনঃ।।

অৰ্থাৎ, সাহিত্য-সংগীত আৰু কলাবিহীন মানুহ সাক্ষাৎ নেজ আৰু শিং নথকা পশুৰ দৰে। সংগীতহীন জীৱন নি�ৰৰ্থক। মানৱতাৰ ঊষালগ্নৰপৰা সংগীত হৈছে তাৰ লগৰী। মানুহে কথা কোৱাৰ শক্তি লাভ কৰাৰ বহু আগতেই গান গোৱাৰ শক্তি লাভ কৰিছিল। সেই কাৰণেই বোধহয় সংগীতে আমাৰ মনত ইমান সূক্ষ্মভাৱে আলোড়ন তোলে। মানুহৰ আত্মাৰ ভাষা হ'ল সংগীত। সৃষ্টিকৰ্তাৰ সৃষ্টিত সৰ্বশ্ৰেষ্ঠ হ'ল মানুহ। সেই মানুহৰেই সৰ্বশ্ৰেষ্ঠ কীৰ্তি হ'ল সংগীতৰ সৃষ্টি। মানুহৰ কাৰণে, দেৱতাৰ কাৰণে, মনৰ আনন্দৰ অন্তৰৰ সূক্ষ্ম অনুভূতি প্ৰকাশৰ কাৰণে সৃষ্টি হৈছে সংগীত। মানৱীয় মনোবৃত্তিৰ ওপৰত আটাইতকৈ বেছি প্ৰভাৱ বিস্তাৰ কৰা কলা হ'ল সংগীত। মানৱ জীৱনৰ আনন্দ, দুখ, বেদনাত সংগীতেই একমাত্ৰ সান্ত্বনা। সংগীতৰ মাজেৰেহে সম্পূৰ্ণ জীৱন গঠন কৰা সম্ভৱ হয়। সেয়েহে সংগীত হৈছে মানৱ জীৱনৰ অবিচ্ছেদ্য অংগ।

কল্পনাশক্তিক উদ্দীপিত কৰি সংগীতে মানুহৰ সৃষ্টিশীল প্ৰতিভাৰ পৰিচয় ঘটায়। সেই হেতুকে সংগীতৰ অবিহনে জীৱন অসম্পূৰ্ণ। সংগীতৰদ্বাৰাই মানুহতো দূৰৰ কথা, বনৰ পশু-পক্ষীকো আনকি সাপৰ নিচিনা হিংস্ৰ প্ৰাণীকো বশ কৰিব পাৰি। বিখ্যাত সংগীতজ্ঞ তানসেনে সংগীতৰদ্বাৰা বৰষুণ দিয়াই প্ৰকৃতিকো জয় কৰাৰ উদাহৰণ আছে। ইমানেই ইয়াৰ যাদুকৰী শক্তি। সংগীতৰদ্বাৰা ভগৱানকো আকৃষ্ট কৰিব পৰা যায়। মানুহৰ ৰূপান্তৰত সংগীতৰ অৱদান অনস্বীকাৰ্য আৰু সমাজৰ ওপৰত সংগীতৰ প্ৰভাৱ লক্ষণীয়।

চিন্তা শক্তি আৰু সূক্ষ্ম অনুভূতিসমূহৰ বিকাশ সাধনৰ ক্ষেত্ৰত সংগীতৰ গুৰুত্বপূৰ্ণ অৱদানৰ কথা বৰ্তমান যুগৰ চিন্তাবিদ্‌সকলেও একবাক্যে মানি লৈছে। সভ্যতাৰ পোহৰ নোপোৱা অনুন্নত অৰণ্যবাসীৰ মাজতেই হওক, বা আধুনিক সভ্যতাৰ পোহৰেৰে উদ্ভাসিত দেশসমূহতেই হওক, পৃথিৱীৰ সকলো ঠাইৰ জাতিৰ মাজতে গীত, বাদ্য আৰু নৃত্যক সামাজিক সকলো উৎসৱ অনুষ্ঠানৰ এটি পৰিচিত অংগ হিচাপে ব্যৱহৃত হৈ অহা দেখিবলৈ পাওঁহক। এটা জাতিৰ সাংস্কৃতিক আৰু ৰুচিবোধৰ চৰম নিদৰ্শন হিচাপেও সংগীত কলাকেই গ্ৰহণ কৰা হয়। গতিকে সংগীতক এটা জাতিৰ দাপোণ বুলি ক'লেও বঢ়াই কোৱা নহয়। ৰবীন্দ্ৰনাথে কৈছে ঃ 'সংগীত এটি প্ৰাণধৰ্মী বস্তু আৰু প্ৰাণৰ বিকাশ তাৰ মাজত বিদ্যমান।' মহাকবি ছেক্সীপয়েৰে কৈছে ঃ 'যি মানুহে সংগীত ভাল নাপায় তেনেকুৱা মানুহ বিশ্বাসঘাতক।' এডিচনৰ মতে ঃ 'সংগীত ভগৱানৰ শ্ৰেষ্ঠ দান, কল্যাণতম সম্পদ, সৱগৰপৰা নামি অহা অমৃতৰ ধাৰা।'

অতি প্ৰাচীন কালৰেপৰা ভাৰতবৰ্ষত তথা পৃথিৱীৰ অন্যান্য দেশত সংগীতক অতি উচ্চ স্থান দি অহা হৈছে। প্ৰাচীন গ্ৰীচৰ পাঠ্যসূচীত সংগীতৰ ব্যাপক প্ৰাধান্য আছিল। বিখ্যাত গণিতজ্ঞ পাইথাগোৰাচে সংগীত বিভাগৰ সংক্ৰান্তত অনেক চিন্তা-ভাবনা আৰু পৰীক্ষা-নিৰীক্ষাৰ মাজেদিয়েই গণিত বিভাগৰ উন্নতি সাধন কৰিছিল। খ্ৰীষ্টধৰ্মৰ নিয়মিত প্ৰাৰ্থনাত সংগীত হ'ল অপৰিহাৰ্য অংগ। প্ৰাচীন মিছৰৰ মন্দিৰবিলাক আছিল একো একোটা উচ্চতৰ শিক্ষাৰ পীঠস্থান সদৃশ। ইয়াৰ পাঠ্যক্ৰমত অন্যান্য বিষয়ৰ লগতে সংগীত শিক্ষাৰো নিৰ্দিষ্ট স্থান আছিল।

সেইদৰে প্ৰাচীন ভাৰতৰ (বৈদিক যুগ) শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰম-তালিকাত দেৱজান বিদ্যাৰ (গীত বাদ্য নৃত্য প্ৰভৃতি) স্থান নিৰ্দিষ্ট কৰা আছিল।

জে এল মার্চেলে এজন বিদ্যালয়ৰ শিক্ষকৰ অভিজ্ঞতাৰে উল্লেখ কৰি কৈছে ঃ 'সংগীত শিক্ষার্থীসকলে নিজৰ মাজৰ তথা শিক্ষার্থী আৰু শিক্ষকৰ সম্পর্কৰ সান্নিধ্যক নিবিড় কৰাৰ বাবে সামগ্রিকভাৱে যৌথ চেতনা উদ্বুদ্ধ কৰাত যাদুকৰী শক্তিৰ দৰে কাম কৰে।

এই প্রসংগত মার্চেলে অত্যন্ত জোৰ দি কৈছে যে শিল্প হিচাপে সংগীতৰ সামাজিক চৰিত্র খুবেই স্পষ্ট।

সেয়েহে শিক্ষাৰ প্রথম স্তৰৰপৰাই সংগীত শিক্ষাৰ সুযোগ দিয়া উচিত, যাতে কম বয়সৰপৰাই যিখিনি সম্ভৱ সংগীতক দক্ষতা শিক্ষার্থী জীৱনৰ ফাঁকে ফাঁকে অর্জন কৰিব পৰিলে এফালে বিদ্যালয় জীৱনৰ আৰু অন্যফালে ভৱিষ্যৎ জীৱনৰ অৱসৰ সুস্থ আৰু সার্থক কৰি তুলিব পাৰে।

শিক্ষাৰ ক্ষেত্রত সংগীতৰ মূল্যবোধ সম্পর্কে মহাত্মা গান্ধী গভীৰভাৱে বিশ্বাসী আছিল। তেওঁৰ বুনিয়াদী শিক্ষা ব্যৱহাৰ কার্যসূচীত সংগীতৰ বিশেষকৈ 'ডজন'ৰ সুনির্দিষ্ট স্থান আছিল। ৰঞ্জপুচ-পুঞ্জ চনৰ মোডায়িৰ শিক্ষা আয়োগেও বিদ্যালয়ৰ পাঠ্যক্রমত সংগীত আদি শিল্পকলা অন্তর্ভুক্ত কৰাৰ সপক্ষে মত পোষণ কৰিছিল।

বর্তমান শিক্ষা-ব্যৱস্থাত জীৱিকাৰ বিষয়টো অত্যন্ত জৰুৰী। সংগীতৰ কর্মসংস্থাপন, সংগীতৰ শিক্ষাদান, সংগীত পৰিবেশন, সংগীত ব্যৱস্থাপনা আৰু ৰচনা ইত্যাদি বিভিন্ন কামৰদ্বাৰা আজিকালি জীৱিকা অর্জনৰো যথেষ্ট সুবিধা আহি পৰিছে।

বর্তমান যুৱ সমাজত ড্রাগছ আৰু অসামাজিক কার্য আদিৰ প্রতি যি আসক্তি হৈছে, সেই আসক্তি ড্রাগছ আৰু অসামাজিক কার্যতকৈ অধিক নিচাযুক্ত সংগীত আদিৰ প্রতি মন ঢাল খুৱাব পাৰিলে তেওঁলোকে এদিন নিশ্চয় ড্রাগছ আৰু অসামাজিক কার্যৰ অসার্থকতা উপলব্ধি কৰিব পাৰিব।■

# সাহিত্য জাতীয় আদর্শৰ চিন স্বৰূপ

**কুমাৰী কামদা বৈশ্য**
*প্রাক্তন ছাত্রী, শুংবুংমাংসং মহাবিদ্যালয়*

সাহিত্যৰ সম্বন্ধ মানুহৰ জীৱন আৰু কার্যাৱলীৰ লগত। মানুহে জীৱনত কি কি দেখিলে, কি কি অভিজ্ঞতা পালে আৰু সেই অভিজ্ঞতা সম্বন্ধে মানুহৰ কি ধাৰণা ইত্যাদি লৈ সাহিত্যৰ সৃষ্টি। এজন সাহিত্যিকে তেওঁৰ চকুৰ আগত থকা সমাজখনৰ মানুহৰ জীৱনক নিজ চকুৰে ভালকৈ পর্যৱেক্ষণ কৰি নিজ প্রতিভাৰ বলেৰে সাধাৰণ মানুহতকৈ বেলেগ অর্থ দেখে আৰু তাক এনেদৰে প্রকাশ কৰে যে পাঠকে তেওঁৰ নিচিনাকৈয়ে বস্তুবোৰ চায় আৰু অনুভৱ কৰে। সেয়েহে মিল্টনে কৈছে— ভাল কিতাপ এখনত কোনো মনীষীৰ জীৱনৰ বহুমূলীয়া অভিজ্ঞতা থূপ খাই থাকে আৰু পিছৰ যুগলৈকে সি আদর্শৰ চিনস্বৰূপে সংৰক্ষিত হয়। গতিকে, প্রতিখন কিতাপৰ আঁৰত একোজন মানুহ থাকে। মানুহজনৰ আঁৰত এটা জাতি থাকে। জাতিটোৰ আঁৰত প্রাকৃতিক আৰু সামাজিক বাতাৱৰণ আছে। অজ্ঞাতসাৰে এই আটাইবোৰেই একোখন কিতাপত প্রতিফলিত হয়। কাৰণ, মানুহ সংগপ্রিয়, সমাজপ্রিয়, সামাজিক প্রাণী। মানুহে নিজৰ সুখ-দুখ, অভাৱ-অভিযোগ আদিৰ প্রকাশ কৰিব বিচাৰে। 'Man is a social animal. A man can not live without society. সেয়েহে প্লেটোৱে কৈছিল— যিজনে সমাজ ভাল নেপায় তেওঁ পশু বা ঈশ্বৰ। মানুহৰ অন্তৰৰ কথা ব্যক্ত কৰি আনৰ অনুমতি বিচৰাতেই সাহিত্য কলা আৰু সংগীতৰ সৃষ্টি হয়। ৰবীন্দ্র নাথে কৈছিল— সহিত+ষ্ণ অর্থাৎ সহিতত্ব স্থাপন কৰা বা মিলন ঘটোৱা। এই মিলন কেৱল ভাবৰ লগত ভাষাৰ, ব্যাকৰণৰ লগত ছন্দৰেই নহয়, হৃদয়ৰ লগত হৃদয়ৰ, দূৰৈৰ সৈতে ওচৰৰ আৰু অতীতৰ লগত বর্তমানৰ মিলন। এই আত্মপ্রকাশৰ ফলস্বৰূপে আমি সাহিত্যত পাওঁ গীতি কবিতা, চিন্তামূলক কবিতা, শোক কবিতা, সাহিত্যৰ সমালোচনামূলক কবিতা।

মানুহে অকল নিজৰ কথা লৈয়ে ব্যস্ত নাথাকি চকুৰ আগত দেখা আন আন মানুহৰ আশা, আকাংক্ষা, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি-সংস্কৃতি জানিবলৈ বিচাৰে। লিখকসকলক যেতিয়া এইবিলাকে আকর্ষণ কৰে তেতিয়া তেওঁলোকে নিজৰ কথা নকৈ আনৰ কথা ক'বলৈ বিচাৰি উপন্যাস, নাটক, কাহিনীগীত, জীৱনী সাহিত্য, মহাকাব্যৰ সৃষ্টি কৰে। মানুহে আকৌ কেতিয়াবা নিজে দেখা কথাবোৰ বর্ণনা কৰি ভাল পায়। তেতিয়াই ভ্রমণ কাহিনী, বর্ণনামূলক কবিতা, প্রবন্ধৰ জন্ম হয়। সেইদৰে সৌন্দর্যবোধৰ ঢৌ মানুহৰ হৃদয়ত থূপ খাই থাকি একোটা যেতিয়া সুন্দৰ আকাৰ লয় তেতিয়াই সাহিত্যই কলাৰূপে দেখা দিয়ে।

সমাজেই কবি আৰু সাহিত্যিকক জন্ম দিয়ে আৰু সাহিত্যই একোখন নতুন সমাজ গঢ়াত আগভাগ লয়। জগতৰ ক্রান্তিবোৰৰ মূলতে আছিল সাহিত্য। ফৰাচী, ৰাজনীতিজ্ঞ, দার্শনিক, বিপ্লৱী আৰু সাহিত্যিকৰুছোৰ 'ছোচিয়েল কণ্ট্রাক্ট' কিতাপখনৰ মানুহ জন্মতেই স্বাধীন কিন্তু প্রত্যেক ক্ষেত্রতেই সি শিকলিৰে আবদ্ধ, এই কথা শাৰীয়ে জগদ্বিখ্যাত ফৰাচী বিপ্লৱ আৰু আমেৰিকাৰ স্বাধীনতা সংগ্রামৰ ইন্ধন যোগালে আৰু গণতন্ত্রৰ ভেটিও দৃঢ় কৰিলে। মহাত্মা গান্ধীৰ অহিংস নীতিয়ে অকল ভাৰতৰ স্বাধীনতাই অনা নাই, তেওঁৰ ভাবধাৰাই বিশ্ব সমাজ গঢ়াৰ বাটটোও দেখুৱাই দিছে। সমাজ গঠনত তুলসী দাসৰ (উত্তৰ ভাৰতৰ) 'ৰামচৰিত মানস' আৰু অসমৰ শংকৰ-মাধৱৰ 'নামঘোষা', 'কীর্তন'ৰ স্থান কম নহয়। এই যুগৰ মহাশাস্ত্র কীর্তন, দশম, ঘোষা, ৰত্নাৱলী, কথা ভাগৱতক মাজত লৈ বিস্তৰ শাস্ত্রৰাজিয়ে অসম সাহিত্যাকাশত প্রদীপ্ত শংকৰ ভাস্কৰক প্রদক্ষিণ কৰি ভক্তি ফুলৰ আঁজলিৰে আজিলৈকে আৰতি কৰিব লাগিছে। ভৱিষ্যৎবাণী বুলি ক'লেও ভুল নহয় যে অসীম কালৰ অনন্ত সাহিত্য গগনত, এই শংকৰী যুগৰ সাহিত্যৰ নীল শতদল, শংকৰ-মাধৱৰ বিমল

কিৰণত মহিমামণ্ডিত হৈ সদায়ে প্ৰস্ফুটিত হৈ থাকিব। এই যুগেই ৰেনাইছান্স যুগ অৰ্থাৎ নৱজীৱন বা জাগৰণৰ যুগ। এই যুগত অসমীয়া ভাষা সাহিত্য জয় জয় ময় ময় অৱস্থা। মৌ-মাখিয়ে ফুলৰ মৌ সংগ্ৰহ কৰি মৌ-কোঁহ সজাৰ দৰে এই যুগৰ সাহিত্যিকসকলেও নানা ঠাইৰ নানা দেশৰপৰা, নানা সাহিত্যৰপৰা উপাদান সংগ্ৰহ কৰি অসমীয়া ভাষা আৰু সাহিত্যৰ মৌ-কোঁহ প্ৰস্তুত কৰিছিল। এই যুগৰ কথাগীতা, কথা ভাগৱতে অসমীয়া গদ্য সাহিত্যিক পৃথিৱীৰ সেই সময়ৰ  গদ্য সাহিত্যৰ ভিতৰত অনুপম আসন প্ৰদান কৰিছিল। জাতীয় সাহিত্য জাতীয় জীৱনৰ লগত অংগাংগী সম্বন্ধ আছে বাবেই এটা জাতিৰ সাহিত্যৰ মাজেদি সেই জাতিৰ সাহিত্য, কৃষ্টি, সংস্কৃতি সভ্যতাৰ পৰিচয় দাঙি ধৰি আদৰ্শৰ বাট কাটে।

অসমৰ প্ৰথম নাট্যকাৰ শ্ৰীমন্ত শংকৰদেৱে অংকীয়া নাটত ব্যৱহাৰ কৰা ব্ৰজাৱলী ভাষা আৰু নাটবোৰত ভাৰতৰ বৈষ্ণৱ আন্দোলনৰদ্বাৰা পুষ্ট অনুপ্ৰাণিত কাহিনী-সম্ভাৰে ভাৰতৰ আন ঠাইৰ সৈতে অসমৰ সাংস্কৃতিক সংহতি নিৰ্মাণ কৰিবলৈ শ্ৰীমন্ত শংকৰে লোৱা সাৰ্থক প্ৰয়াসৰ কথাকে আমাক আদৰ্শৰূপে সোঁৱৰাই দিয়ে। তেওঁৰ ৰুক্মিণীহৰণ নাট, পাৰিজাত হৰণ, ৰাম বিজয়, চিহ্ন যাত্ৰা আদি নাটসমূহত ভক্তিৰসৰ ইংগিত দিছে আৰু 'কীৰ্তন'ত দেখুৱাইছে এক ঈশ্বৰৰ সন্ধান, আধ্যাত্মিক ভাবৰ সঞ্চাৰৰ এক মহান আদৰ্শ, মাধৱ দেৱৰ 'নামঘোষা'ত যিদৰে দেখুৱাইছে ভক্তিৰ অঞ্জলি। ইয়াতে উল্লেখ কৰিব লাগিব যে নাট্য সংগীত জগতত নতুন সোঁত বোৱাওঁতা হ'ল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা, লক্ষ্মীনাথ বেজবৰুৱা আৰু বহুতকে পাহৰিব নোৱাৰোঁ।

ইয়াত উল্লেখ কৰা উচিত হ'ব যে—অসাধাৰণ বিপ্লৱী, শিল্পী, মহান ব্যক্তিত্ব আৰু আড়ম্বৰহীন সৰলতাপূৰ্ণ জীৱন-যাপন কৰা কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ পাণ্ডিত্যৰ কথা। তেওঁ একাধাৰে নাট্যকাৰ, সু�ৰকাৰ, গীতিকাৰ, অভিনেতা, নৃত্যবিশাৰদ আৰু সাহিত্যিক আছিল। তেওঁ ভালেমান নাটক, উপন্যাস, গল্প, প্ৰবন্ধ, গীত আদি লিখি সাহিত্য জগতলৈ অমূল্য অৱদান আগবঢ়াই থৈ গৈছে। তেওঁৰ লিখনিত খাঁটি অসমীয়া শব্দৰ অপূৰ্ব সংযোজনে তেওঁৰ সৃষ্টিৰ বিশিষ্টপূৰ্ণ বৈশিষ্ট্যৰ সাক্ষ্য বহন কৰে। উদাহৰণস্বৰূপে সোণপাহি উপন্যাস। তেওঁৰ প্ৰতিটো গীতত বাজিছিল সাম্যবাদৰ সুৰ। কৃষ্টি, সংস্কৃতি, অভিনয় আৰু সাহিত্যৰ মাজেদি জনসাধাৰণক একত্ৰিত কৰি বৰ অসম গঢ়াৰ সপোন দেখিছিল। তেওঁ গাইছিল ঃ 'মোৰ কবিতাৰ ছন্দ লাগি/স্পন্দন তোৰ জাগে নে?/কথা মালিতাৰ গন্ধ লাগি/সোণৰ সপোন ভাগে নে?'

ইয়াৰ পিছত আমি উনুকিয়াব লাগিব ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ কথা। তেখেতো অসম বা অসমীয়া সাহিত্য জগতত পিছ পৰি থকা নাছিল। চৈধ্য বছৰ বয়সত 'শোণিত কুঁৱৰী' নাটক ৰচনাৰ মাজেৰে লেখক জীৱনৰ পাতনি মেলা জ্যোতিপ্ৰসাদে জীৱনৰ শেষ বয়সলৈ নাটক, গীত, কবিতা, জীৱনী, শিশু কবিতা, চিত্ৰনাট্য, গল্প, উপন্যাস, প্ৰবন্ধ আদি ৰচনাৰ মাজেৰে অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতিলৈ বিপুল অৰিহণা যোগায়। বিলাতৰপৰা উচ্চ শিক্ষা লাভ কৰি অহাৰ উপৰিও তেওঁ সংগীত, নাটক, বোলছবি আদিৰ ওপৰত অধ্যয়ন কৰি প্ৰাচ্য আৰু পাশ্চাত্যৰ শিল্প সংস্কৃতিৰ ওপৰত অনেক সমল গোটাই জ্যোতিপ্ৰসাদে অসমলৈ প্ৰত্যাৱৰ্তন কৰে আৰু ১৯৩৫ চনত প্ৰথম অসমীয়া বোলছবি 'জয়মতী'য়ে মুক্তি লাভ কৰে। তেওঁৰ গীত, নাটক আদিত গান্ধী দৰ্শনৰ প্ৰভাৱ স্পষ্ট। 'শিল্পীৰ পৃথিৱী' ৰচনাত জ্যোতিপ্ৰসাদে যিখন নতুন সমাজ বা শিল্পীৰ পৃথিৱী নিৰ্মাণৰ কথা উল্লেখ কৰিছে, সেইখন হ'ল এটা শ্ৰেষ্ঠ মানৱ কৃষ্টিৰ অধিকাৰী অহিংস বা নিৰীহ মানুহৰ পৃথিৱী। জ্যোতিপ্ৰসাদে প্ৰখ্যাত এংলো আমেৰিকান ভাস্কৰ এপষ্টেইনৰ শিল্প দৰ্শনৰ সংস্পৰ্শ লাভ কৰিছিল। জ্যোতিপ্ৰসাদ জনতাৰ প্ৰাণৰো প্ৰাণৰ শিল্পী জনতাৰ মনৰো মনৰ অপূৰ্ব কাৰিকৰ।

শিল্পী জ্যোতিপ্ৰসাদে ভাবীকালৰ সংস্কৃতি প্ৰকৃত মানুহৰ বা প্ৰকৃত শিল্পীৰ সংস্কৃতি হ'ব বুলি একাধিক মূল্যৱান ৰচনাত দৃঢ়তাৰে ব্যক্ত কৰিছে যে অসমীয়া জাতিয়ে লুইতৰ ঘাটেদি, গাঁৱলীয়া বাটেদি, পৃথিৱী চাবলৈ যাব লাগিব। 'অসমীয়া সংস্কৃতি' ৰচনাত জ্যোতিপ্ৰসাদে স্পষ্টভাৱে কৈছে যে মহাভাৰতীয় সংস্কৃতিৰ পূৰ্ব ভাৰতীয় সংস্কৰণেই হ'ল অসমীয়া সংস্কৃতি। জ্যোতিপ্ৰসাদ ৰূপকোঁৱৰ, শিল্পী। তেওঁৰ সাহিত্য শিল্প সম্পৰ্কীয় তাত্ত্বিক চিন্তা ৰচনাৱলীৰ মাজত সিঁচৰতি হৈ আছে। তেওঁৰ তাত্ত্বিক চিন্তাৰ ৰচনা 'শিল্পীৰ পৃথিৱী'। তেওঁ সকলো গীত-মাত, নাটক আৰু কৰ্মৰাজিৰ মূল কথা শিল্পীৰ পৃথিৱী। মূল কথা সংস্কৃতি, সমন্বয়, ইতিহাস আৰু অন্যান্য বহুতো। সেয়েহে ১৯৪৭ চনৰ পিছৰেপৰা তেওঁ বহুতো গীত, কবিতা ৰচনা কৰিছিল শ্ৰমজীৱী কৃষক, বনুৱাৰ সমস্যা আৰু এই বিপুল জনসমষ্টিৰে জীৱনলৈ আশা আকাংক্ষা, আস্থা, বিশ্বাসৰ জাগৰণৰ সৃষ্টি কৰিছিল ঃ ' সুন্দৰ হওক এই পৃথিৱী/মহান হওক এই পৃথিৱী/পৰমানন্দময়।'

জাতীয় সাহিত্য জাতীয় জীৱনৰ দাপোণ স্বৰূপ। গতিকে সাহিত্যৰ ওপৰত প্ৰতিষ্ঠিত নহ'লে কোনো এটা জাতিৰ সভ্যতা, সংস্কৃতিৰ বিষয়ে জানিব পৰা সম্ভৱ নহয়। সেয়ে সকলো জাতীয় বা অজাতীয় আন্দোলনক সাহিত্যই বতাহে বন পোৱা জুইক সহায় কৰাৰ দৰে সহায় কৰে। সাহিত্যৰ ওপৰত প্ৰতিষ্ঠিত নহ'লে কোনো আন্দোলনেই যুগমীয়া হৈ তিষ্ঠিব নোৱাৰে আৰু তাৰ উদাহৰণস্বৰূপে গীতেই আন্দোলনৰ সহায়কাৰী সাহিত্যৰ প্ৰধান অংশ। সেই বাবেই শংকৰ-মাধৱৰ গীত-মাতবোৰে বৈষ্ণৱ আন্দোলনক বিপুলভাৱে সহায় কৰিছিল। পাখি লগা কাঁড়ৰ দৰে উৰি ফুৰি য'তে পৰিছিল ত'তে নৱ আধ্যাত্মিক ভাবৰ গুটি সিঁচিছিল। গতিকে কোনো এটা জাতিৰ সাহিত্য পঢ়িলে সেই জাতিটোৰ কৃষ্টি, সংস্কৃতি, সভ্যতা ভাষাৰ জ্ঞান আদৰ্শ আয়ত্ত কৰাৰ উপৰিও সেই জাতিটোৰ উন্নতি-অৱনতিৰ বিষয়ে জানিব পাৰি। আনফালে মানুহক জানিবলৈ হ'লে সেই যুগৰ ইতিহাস বা সাহিত্য জানিব লাগিব। ইতিহাসে মানুহৰ বাহিৰৰ কাৰ্যাৱলী সংৰক্ষণ কৰে বাবে প্ৰত্যেক ডাঙৰ কামে মানুহৰ মনত আদৰ্শৰূপে ধৰা দিয়ে। সেই আদৰ্শ বুজিব লাগিলে আমি মানুহৰ সাহিত্য পঢ়িব লাগিব। কাৰণ সাহিত্যত মানুহৰ আদৰ্শ সংৰক্ষিত হয়। সাহিত্যৰ জৰিয়তে আমি আমাৰ পূৰ্বপুৰুষসকলে কি ভাবিছিল, কি অনুভৱ কৰিছিল, জীৱন আৰু মৰণ সম্বন্ধে তেওঁলোকৰ কি ধাৰণা আছিল, কি ভাল পাইছিল আৰু ঈশ্বৰ নাইবা মানুহক ভয়, ভক্তি বা শ্ৰদ্ধা কৰিছিল সকলো জানিব পাৰো। অতীতৰ সাহিত্যৰ সংৰক্ষিত সম্পদৰ জৰিয়তে অতীতৰ অভিজ্ঞতা সংৰক্ষিত নহ'লে সেই জাতিয়ে মানৱ জীৱনৰ স্তৰৰপৰা নামি গৈ পশু জীৱনৰ স্তৰ পায়গৈ। এইবোৰ কাৰণতে সাহিত্যিক সমাজৰ দাপোণ বুলি কোৱাৰ স্থল আছে।

সদৌ শেষত আমি ক'ব লাগিব যে সাহিত্য অবিহনে এটা জাতি বৰ্তি থাকিব নোৱাৰে। এটা জাতিৰ ওপৰত সাহিত্যৰ প্ৰভাৱ বাৰুকৈয়ে পৰে। সাহিত্য জাতীয় জীৱনৰ আদৰ্শৰ চিনস্বৰূপে।■

# চিদানন্দ ৰাম সদানন্দ হৰি এ নিত্যানন্দ কৃষ্ণ মোক লৈয়ো দাস কৰি

**ৰাজীৰ লোচন সন্ত**

*ডেকা সত্ৰাধিকাৰ, ঈশ্বৰ শ্ৰীশ্ৰীহাটী সত্ৰ*

'আনন্দ' বৰ ভাল লগা শব্দ। ইয়াৰ অনুভূতি আৰু ভাল লগা। ব্ৰহ্মৰ লগত জড়িত হোৱা চিদানন্দ, সদানন্দ, নিত্যানন্দ, সহজানন্দ, স্বৰূপানন্দ, হৃদয়ানন্দ, পৰমানন্দ অনুভূতি তাতোকৈ ভাল লগা। বিভুৱে সৃষ্টি কৰা চাৰি মুঠি জীৱৰ প্ৰত্যেকেই নিজ নিজ ধৰণে এই আনন্দ উপভোগ কৰে। কিন্তু আমি জীৱ শ্ৰেষ্ঠ বুলি দাবী কৰা মনুষ্যসকলে এই আনন্দ শব্দৰ স্বৰূপাৰ্থ উপলব্ধি কৰিব পাৰিছেনে? যিসকলে পাৰিছে তেওঁলোকৰ ক্ষেত্ৰত আলোচনা কৰিব লগা একো নাই, কিন্তু অধমৰ লগতে যিসকলে পৰা নাই বুলি অনুভৱ কৰে আহ্বান জনাইছো আলোচনা কৰো আহক। বিষ্ণু পুৰাণত আছে — 'স্থাৱৰং বিংশতের্ল্লক্ষং জলজং নব লক্ষ কম।/কুর্মাশ্চ নৱলক্ষঞ্চ দশলক্ষঞ্চ পক্ষিণঃ।।/ত্রিংশল্লক্ষং পশুনাঞ্চ চতুর্ল্লক্ষঞ্চ বানাৰাং।/ততো মনুষ্যতাং প্রাপ্য ততঃ কর্মার্ণি সাধেয়েৎ।।'

গতিকে দেখা যায় যে বিষ্ণু পুৰাণৰ অংক অনুসৰি ৮২,০০০০ তিৰ্য্যগ যোনি পাৰ হৈ হে মনুষ্য জীৱন লাভ কৰিব পাৰি। হিন্দু ধৰ্ম তথা হিন্দু দৰ্শনে এই অংক মানি লৈছে। কাজেই আমি হিন্দু ধৰ্মালম্বীসকলেও মানি লৈছোহক।

ইছলাম ধৰ্মৰ এজন চুফি সাধকৰ 'মেচনাভি' নামৰ প্ৰসিদ্ধ গ্ৰন্থতো আছে যে জীৱই সংস্কাৰৰ ফলতে মনুষ্য জীৱন লাভ কৰে।

বৌদ্ধ দৰ্শনেও জীৱবোৰৰ সংস্কাৰৰ ক্ৰমোন্নতিৰ ফল মনুষ্য জীৱন বুলি মানি লৈছে। এনেদৰে পৃথিৱীৰ সকলো ধৰ্ম বা দৰ্শনসমূহে সংস্কাৰ আৰু মনুষ্য জীৱন পৰস্পৰ সম্পৰ্কীয় বুলি মানি লৈছে।

'সংস্কাৰে উচ্চতে দ্বীপ্ত"

সংস্কাৰৰ ফল মানৱ জীৱন। মানৱ জীৱনত পুনঃ সংস্কাৰৰ কাৰণে দ্বিতীয় জন্ম লগা হয়। পৃথিৱীৰ সকলো ধৰ্মতে এই ব্যৱস্থাক ধৰ্মীয় সংস্কাৰ ব্যৱস্থা, দীক্ষাদান অথবা 'শৰণ' বুলি কোৱা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ ধৰ্ম মতত এই ব্যৱস্থাক 'একশৰণ' বোলা হৈছে। 'একশৰণ' মানে একতে আশ্ৰয় আৰু একতে সমৰ্পণ। হিন্দু ধৰ্মৰ সকলো ধৰ্ম গুৰুৱে এই 'এক'ৰ সত্ত্বাক স্বীকাৰ কৰে যদিও শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ দৰে নিভাজ আদৰ্শৰে সমাজত স্থাপন কৰিব পৰা নাই বুলিলে অত্যুক্তি কৰা নহ'ব। ইয়াৰ উপৰি ইছলাম, খ্ৰীষ্টান আদি ধৰ্মবোৰেও এই দৰ্শন মানি লৈছো। কাৰণ এই 'একশৰণ' ব্যৱস্থাইহে মানুহক আত্মা আৰু পৰমাত্মাৰ যোগ অংকটো শিকাব পাৰে।

এটি কনমানি শিশুৱে সংখ্যাবোৰ শিকাৰ পিছতে প্ৰথমে যোগ অংক শিকে তাৰ পিছত বিয়োগ, হৰণ, পূৰণ, ক্ৰমে ক্ৰমে পাটিগণিত, বীজ গণিত, ত্ৰিকোনমিতি, কলন, ভেক্টৰ আদি শিকে। এদিনাখন দুডাল সমান্তৰাল ৰেখাই কত লগ লাগিব তাৰ উত্তৰ দিব পৰা সফল গণিতত হয়। কিন্তু আত্মা আৰু পৰমাত্মাৰ যোগ অংক উত্তৰ উলিওৱালোক তাকৰ সংখ্যকহে আছিল বা আছে। যিয়েই এই ক্ষেত্ৰত সফল হৈছে বা সফল হ'ব তেনে লোকহে চিদানন্দ, সদানন্দ, নিত্যানন্দ, সহজানন্দ, স্বৰূপানন্দ, হৃদয়ানন্দ, পৰমানন্দ অনুভূতি লাভ কৰিছে বা কৰিব পাৰিব। 'একশৰণ' তত্ব ভগৱন্তই প্ৰথমতে সূৰ্যক কৈছিল, সূৰ্যই মনুক আৰু মনুৱে ইক্ষাকুক কৈছিল। কিন্তু কালৰ গতিত এই পৰম জ্ঞান লুপ্ত হৈছিল। পুণৰবাৰ ভগৱন্তই মহাভাৰতৰ যুদ্ধত এই পৰমজ্ঞান অৰ্জুনক প্ৰদান কৰিছিল। সেয়ে হ'ল মহান গীতা শাস্ত্ৰ। মহাপুৰুষ শঙ্কৰদেৱ গুৰুজনাই গীতা শাস্ত্ৰৰ পৰাই 'একশৰণ' তত্ব গ্ৰহণ কৰিছিল। গীতা শাস্ত্ৰ কথা মনলৈ আহিলে এখন ছবি ভাঁহি উঠে। এখন ৰথত সাৰথিৰ ৰূপত ভগৱন্তই চাৰিটা ঘোঁৰাৰ লেকাম নিজ হাতৰ মুঠিত ৰাখি অৰ্জুনক উপদেশ দি থকা দৃশ্য। এই দৃশ্যৰ পৰা আমি ইয়াকে বুজিব লাগিব যে কাম, ক্ৰোধ, লোভ, মোহ ৰূপী ঘোঁৰা কেইটাৰ লেকাম আত্মাৰূপী ঈশ্বৰে নিজৰ হাতৰ মুঠিত ৰাখি মনৰূপী অৰ্জুনক আত্মাজ্ঞানৰ উপদেশ দি আছে। অৰ্থাৎ মনুষ্য শৰীৰটো হ'ল ৰথখন, ৰথৰ ওপৰত আত্মাৰূপী ঈশ্বৰ কৃষ্ণ আৰু মনৰূপী অৰ্জুন বিৰাজমান হৈ আছে। মহাভাৰতৰ যুদ্ধ ১৮ দিন চলিছিল। ভগৱন্তই ১৮ টা পদ্ধতিৰে অৰ্জুনক আত্ম-জ্ঞান অৰ্থাৎ আত্মা আৰু পৰমাত্মাৰ যোগ অংকটো শিকাইছিল যদিও অৰ্জুনৰূপী চঞ্চল মনে বাৰে বাৰে বিচলিত হোৱা অভয় প্ৰদান কৰি ভগৱন্তই শেষ উপদেশ দিছিল —'সৰ্বা ধৰ্মাম পৰিত্যজ্য মামেকংশৰণং ব্ৰজ।/অহং ত্বা সৰ্ব পাপেত্যো মোক্ষয়িষ্যামি মা শুচঃ।।' অৰ্জুনৰূপী মন শান্ত হ'ল। যোগ অংকৰ উত্তৰ জানিব পাৰি আত্মজ্ঞানী হ'ল। লগতে সংস্কাৰৰ মূলমন্ত্ৰ আৱিষ্কাৰ হ'ল।

মন স্বভাৱগত ভাৱে অধোগামী। কিন্তু সাধন মাৰ্গৰ দৰে সাধনাৰ জৰিয়তে একোটা মনকে বাধক, বোধক আৰু সাধক ৰূপত সজাই ল'ব পাৰে। সেয়েহে ভক্তিবাদত বিশ্বাসী গুৰুসকলে মনক লৈ ভিন্ন ৰচনাৰে ভক্তি শাস্ত্ৰ সমৃদ্ধ কৰাৰ লগতে মন সংযমৰ দ্বাৰা আত্মজ্ঞানী হোৱাৰ উপদেশ আগবঢ়াই গৈছে। শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনায়ো কায়-মন-বাক্যে 'একশৰণ' গ্ৰহণ কৰা ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল। আহাৰ সংযমৰ দ্বাৰা শৰীৰে সুস্বাস্থ্যৰ পিনে গতি কৰে, বাক সংযমৰ দ্বাৰা শব্দ যে ব্ৰহ্ম সেইটো উপলব্ধি হয়। মন সংযমৰ দ্বাৰা আত্মিক শান্তি লাভ কৰাৰ লগতে পৰমানন্দৰ উপলব্ধি হয়। সেয়ে আহক আহক আমি দুজনা গুৰু বাক্যৰে প্ৰাৰ্থনা কৰো —'দুৰাচাৰ মন মোৰ ৰাম হৰি বোল।/ৰাম হৰি বোল মন ৰাম হৰি বোল।।' (শঙ্কৰদেৱ) ■

# শিশুৰ শৈক্ষিক বিকাশত অভিভাৱকৰ ভূমিকা

**ৰবিতা বৈশ্য**

*স্নাতক পঞ্চম যাণ্মাসিক, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

মানুহ আশাবাদী। সকলো মানুহে আশা লৈয়ে জন্মে। সন্তানটি মাতৃগর্ভত থাকোতেই মাক-দেউতাকে তাক পঢ়াই- শুনাই এজন সুদক্ষ নাগৰিক তথা এজন উজ্জ্বল জাকত- জিলিকা মানুহ হিচাপে গঢ়ি তোলাৰ সপোন ৰচে আৰু সেই সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ প্রতিগৰাকী দায়িত্বৱান পিতৃ-মাতৃয়ে যৎপৰোনাস্তি চেষ্টা কৰে। তেওঁলোকৰ আশা— মাথোঁ নিজৰ সন্তানটিৰ ভৱিষ্যত জীৱন গঢ়ি তোলা, তথা জীৱনটি ৰঙীন কৰি তোলা...।

এই উদ্দেশ্য আগত ৰাখিয়েই প্রতিগৰাকী পিতৃ-মাতৃয়ে নিজৰ সন্তানটিক এখন ভাল শিক্ষানুষ্ঠানত নামভর্তি কৰি দিয়ে যাতে সন্তানটিয়ে Perfect Education পাব পাৰে। তেওঁলোকে প্রাথমিক স্তৰৰপৰাই শিশুৰ পঢ়াৰ যতন লয় আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষা (H. S. L. C.)ত উত্তীর্ণ হোৱাৰ পাছত বহুতো পিতৃ-মাতৃয়ে উচ্চ শিক্ষাৰ বাবে স্থানীয় শিক্ষানুষ্ঠান থকা সত্ত্বেও ভাল শিক্ষা প্রদানৰ উদ্দেশ্যে বাহিৰলৈ পঠিয়ায়। কাৰণ কথাতে কয়, 'দূৰৰ পর্বত দেখিবলৈ শুৱনি, ওচৰলৈ গ'লেহে তাৰ খলা-বমাখিনি দেখিবলৈ পোৱা যায়।' বহুতৰে ক্ষেত্রত এইটোৱে হোৱা দেখা যায়। কিয়নো হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীর্ণ হোৱা সময়লৈকে ল'ৰা-ছোৱালীৰ আটাইবোৰ দিশ, যেনে— শাৰীৰিক আৰু মানসিকভাৱে অপৈণত অৱস্থাতে থাকে। সেইখিনি সময়ত তেওঁলোকৰ নিজা বিচাৰ-বুদ্ধি কম হয়। ভাল, বেয়া, উচিত, অনুচিত নির্ধাৰণ কৰাৰ মানসিকতাও নিম্নমানৰ হোৱা দেখা যায়, তেতিয়া তেওঁলোকে বাহিৰৰ নতুন পৰিৱেশৰ লগত নিজকে খাপ খুৱাই ল'বলৈ অসমর্থ হৈ পৰে আৰু শেষত দিশহাৰা হৈ বিপথে পৰিচালিত হ'বলগীয়া হয়। এনেধৰণৰ কিছুমান উদাহৰণ আমাৰ মাজত নথকা নহয়—

আমাৰ অঞ্চলৰ স্থায়ী বাসিন্দা এগৰাকী ছাত্রী (নাম উল্লেখ কৰা নহ'ল) উচ্চ শিক্ষা গ্রহণ কৰাৰ উদ্দেশ্যে বাহিৰলৈ যায় যদিও নিজৰ কর্মহীন তথা ধৈর্যহীনতাৰ বাবে বিফল মনোৰথ হৈ পুনৰ গাঁৱলৈ উভতিবলগীয়া হয়। কেৱল সেয়াই নহয়, তেওঁৰ চাৰিত্রিক অধঃপতনো হয়। এনেধৰণৰ উদাহৰণ আৰু বহুতো পোৱা যায়।

আজিকালি বহুতো নিচাজাতীয় দ্রব্যৰ প্রতি কিশোৰ-কিশোৰীও আসক্ত হোৱা দেখা যায়, যাৰ ফলত তেওঁলোক নিজ লক্ষ্যত উপনীত হোৱাৰ আগতেই পথভ্রষ্ট হৈ ঘৰলৈ উভতিবলগীয়া হয়। আনকি, অকালতে মৃত্যুক সাবটি লোৱাৰ কিছুমান দুঃখজনক তথা লজ্জাজনক উদাহৰণো আমাৰ মাজত আছে। ইয়াৰ মূল কাৰণ— অপৈণত অৱস্থাতে বাহিৰলৈ যোৱা ছাত্র-ছাত্রীৰ (শিশুৰ) উপযুক্ত Guidenceৰ অভাৱ। অভিভাৱকৰপৰা পাবলগীয়া এনে Guidenceৰ অভাৱৰ ফলতে অকালতে ছাত্র-ছাত্রী পথভ্রষ্ট হৈ যোৱা পৰিলক্ষিত হয়।

কিন্তু ইয়াৰ মাজতে উল্লেখ কৰাটো সমীচীন যে, কিছুমান ছাত্র-ছাত্রী নিজ ধৈর্য, চেষ্টা আৰু অধ্যৱসায়ৰ বলত বাহিৰলৈ গৈয়ো নিজ লক্ষ্যত উপনীত হোৱা দেখা যায়। আমাৰ প্রতিৱেশী কিছুমান ল'ৰা-ছোৱালী বাহিৰলৈ গৈ বিভিন্ন পৰিৱেশৰ লগত নিজকে খাপ খুৱাই সফলতা অর্জন কৰিবলৈ সক্ষম হৈছে। তেওঁলোকৰ মাজত কেৱাজনো ডাক্তৰ, অভিযন্তা, আন আন উচ্চ বিষয়া হ'ব পাৰিছে। এনে ধৰণৰ কিছুমান উদাহৰণ গ্রহণযোগ্য উদাহৰণ ৰূপে আমাৰ গাঁৱৰ স্থায়ী বাসিন্দা গাঁৱৰপৰা বাহিৰলৈ গৈ অধ্যয়ন কৰি A. P. S. C.ত Selection হৈ গাঁৱলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। লগতে তেওঁ নিজৰ Carier টোও গঢ়ি তুলিব পাৰিছে। আমাৰ গাঁৱৰে অন্য এজন বাসিন্দা স্কুল পর্যায়ত সিমানখিনি মেধা নাছিল যদিও নিজৰ চেষ্টাৰ ফলত উচ্চৰপৰা উচ্চ শিখৰলৈ উঠিবলৈ সক্ষম হ'ব পাৰিছে। নিজ গাঁৱৰপৰা বাহিৰলৈ যোৱা পিছতে তেওঁৰ জীৱনলৈ এক আমূল পৰিৱর্তন আহিল। আৰু এতিয়া তেওঁ হায়দৰাবাদত MD ৰ এজন সুদক্ষ অধ্যাপক হিচাপে কার্য অব্যাহত ৰখাৰ উপৰিও বহুতো ঔষধ (Medicine)ৰ কিতাপ তেওঁ লিখি উলিয়াইছে।

এয়া সঁচাকৈ আমাৰ গাঁৱৰ সন্মান। এই কথা সকলোৰে স্বীকাৰযোগ্য যে, সফলতা তেওঁলোকেহে আর্জিব পাৰে, যিসকলে নিজৰ জীৱনটো সঠিকভাৱে পৰিচালনা কৰিব পাৰে। যিসকলে জীৱনৰ বাটৰ নানা ঘাত-প্রতিঘাত, বাধা-বিপত্তিক অনায়াসে জয় কৰিব পাৰে। এইখিনি গুণ যিসকলৰ থাকে, তেওঁলোকেহে অনায়াসে নিজৰ লক্ষ্যত উপনীত হ'ব পাৰে। কিন্তু উল্লেখনীয় যে, এইখিনি গুণৰ অধিকাৰী হোৱাৰ ক্ষেত্রত কিছু পর্যায়লৈ পিতৃ-মাতৃৰ সু-নেতৃত্বৰ প্রয়োজনীয়তা গুৰুত্বপূর্ণ। পিতৃ-মাতৃৰ সু-নেতৃত্বৰ প্রয়োজনীয়তা তেতিয়ালৈ, যেতিয়ালৈ শিশুৰ স্ব-বিচাৰ-বিবেচনাৰ ক্ষমতা আহি নপৰে।

ওপৰৰ পর্যালোচনাৰপৰা এইখিনি কথাই আমাৰ দৃষ্টিগোচৰ হোৱা দেখা যায় যে বর্তমানৰ জটিল পৰিস্থিতিত প্রতিগৰাকী পিতৃ-মাতৃয়েই নিজ সন্তানটি পৈণত বা স্ববিচাৰ- বিবেচনাৰ যোগ্য নোহোৱালৈকে নিজ তত্ত্বাৱধানত ৰাখি পথ- প্রদর্শক হিচাপে থাকি তেওঁলোকক বিভিন্ন শিক্ষা প্রদানেৰে শিক্ষিত কৰি তোলাৰ সুব্যৱস্থা কৰিব লাগে। ল'ৰা-ছোৱালীয়ে নিজৰ সচেতনতা তথা কর্তব্যবোধৰ জ্ঞান অর্জন কৰাৰ পাছতহে তেওঁলোকক নিজা স্বাধীনতা প্রদান কৰিব লাগে। তেতিয়াহে ল'ৰা-ছোৱালী তথা সাম্প্রতিক যুৱ-প্রজন্ম বিপথে পৰিচালিত হোৱাৰ আশংকা খুব কম হ'ব পাৰে বুলি ভাবিব পৰা যায়।■

# আকাশী গঙ্গা নিবিচৰা কবিজন

**ড° চিত্তৰঞ্জন দাস**
*সহযোগী অধ্যাপক, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

হয় তেওঁ আকাশীগঙ্গা বিচৰা নাছিল। মাটিৰ মায়াত বন্দী মানুহজনে মৰমৰ মাত এষাৰ বিচাৰিছিল, সেই বিচৰা আৰু পোৱা নোপোৱাৰ আনন্দ অভিমান বিষাদৰ যি গীতিময় প্ৰকাশ সেয়া যথাৰ্থতেই একো একোটি নিটোল কবিতা। ভূপেন হাজৰিকাৰ একান্ত ব্যক্তিগত আবেগ অনুৰাগ জড়িত যিবোৰ গীত তাৰ মাজত যেন এগৰাকী নিৰ্জনতাৰ কবি সোমাই আছে। নিজক নিবিচৰা দুখী মানুহ এজন। 'কাচঘৰ' বোলছবিৰ সেই বিখ্যাত গীতটো —

জীৱন ঘড়ীৰ প্ৰতিটো পল/ যেন গলি গলি গ'ল
নিঃসঙ্গতাত পৰুৱা এটি/মাথো তাতে পৰি ৰ'ল

কিন্তু বেছিভাগ সময়তে সেইগৰাকী ভূপেন হাজৰিকা সুলভ, চঞ্চল আৰু উচ্ছল ভূপেন হাজৰিকা। যেন দুখ নাই, সুখৰ পাছে পাছে ঘূৰাৰ নিয়মবদ্ধ হেপাহ নাই, পাছলৈ চোৱা নাই, থমকি ৰোৱাৰ সময় নাই। গীত গাই দিগন্ত কঁপাই যোৱা এজাক সুকুমাৰ ধুমুহা। মহান দাৰ্শনিকৰ প্ৰজ্ঞাৰে, বজ্ৰৰ কণ্ঠেৰে তেওঁ গাই আছে মানৱতাৰ গীত, সমাজৰ অৱহেলিত লাঞ্ছিতজনৰ গীত, আন্ধাৰ নমাই অনা আন্ধাৰৰ দানৱক সতৰ্ক বাণী শুনোৱাৰ গীত, খেয়ালী মনৰ বিলাসী যৌৱনৰ গীত, অটো�ৰিক্সা চালকৰ গীত, চাহ বাগিছাৰ লচ্‌মী চামেলিৰ গীত, খেয়ালী গাভৰুৰ গীত, প্ৰেমে প্ৰাণ কাঢ়ি নিয়াৰ গীত, ভগৱানৰ আদালতত অভিযোগকাৰী গীত - পাপ যদি পাপ হয় কামনা কিয় দিলে?

সামাজিক দায়বদ্ধতা যেন ভূপেন হাজৰিকাৰ শৰীৰ স্পন্দন, জীৱনৰ আদি আৰু অন্তৰ নিৰ্বিবোধ আলোড়ন। বহুমুখী প্ৰতিভাধৰ এই অমৰ পুৰুষে জীৱন আৰু জগতখন জুমি জুমি চাইছে। চোৱাই নহয় তাৰ পাঠোদ্ধাৰ কৰি নিজকে নিয়োজিত কৰিছে সমগ্ৰ মানৱৰ কল্যাণৰ হকে। ভূপেন হাজৰিকাৰ সমগ্ৰ সৃষ্টিয়ে ধৰি ৰাখে সুক্ষ্ম গভীৰ জীৱনবোধ। তীব্ৰ তীক্ষ্ণ সামাজিক চেতনা, কোমল আলফুল বিশ্লেষণ আৰু ব্যাখ্যা আৰু অন্তহীন মানৱতাবোধ। স্বদেশ আৰু স্বজাতি ভূপেন হাজৰিকাৰ সমস্ত কাৰ্য্যাৱলীৰ প্ৰথম আৰু পৰম লক্ষ্য। কিমান সহজ অথচ কিমান গভীৰ স্পষ্টীকৰণ —

মোৰ আইক ভাল পাও বুলিলে
আনৰ আইক জানো ঘিন কৰাটো বুজাব?

ভূপেন হাজৰিকাৰ গীতৰ বহুমুখী বৈশিষ্ট্য বিভিন্ন ধৰণে ফহিয়াই চাব পাৰি। সময়ে সময়ে ভাব হয় তেখেতৰ এটা এটা গীত যেন এটা এটা চিন্তাশীল প্ৰবন্ধহে। (১) আমি অসমীয়া নহও দুখীয়া (২) অয় অয় আকাশ শুব। কেতিয়াবা ভাব হয় আধুনিক কবিতাৰ সুকুমাৰ চিত্ৰকল্প (১) নতুন নিমাতী নিয়ৰৰে নিশা (২) বিমূৰ্ত্ত নিশাটি। কেতিয়াবা ইতিহাসৰ ৰাঙলী এটা পৃষ্ঠা — জুয়ে পোৱা তিৰাশী আকৌ কেতিয়াবা এটি এটি সকৰুণ দৃশ্য — কত জোৱানৰ মৃত্যু হ'ল। মানুহৰ বাবেই ভূপেন হাজৰিকাৰ সুৰ সাধনা। ঈশ্বৰ প্ৰদত্ত সেই মায়াময় কণ্ঠ আৰু উত্তৰণৰ নিৰৱচ্ছিন্ন হেঁপাহ আৰু প্ৰচেষ্টা - অমৰ অসমীয়া গৰাকীৰ সেয়ে আছিল জীৱন পৰিক্ৰমা। লোকসংগীত আছিল ভূপেন হাজৰিকাৰ প্ৰাণ স্পন্দন। নিজে পোনপটীয়া লোকগীত বৰগীত গোৱাই নহয়, প্ৰয়োজন সাপেক্ষে সুবিধা অনুযায়ী তেখেতে বিয়ানাম, বিহুগীত, কামৰূপী আৰু গোৱালপৰীয়া লোকগীতৰ সুৰ কলাত্মকভাৱে অন্যত্ৰ ব্যৱহাৰ কৰিছে। ঝুমুইৰ, ভাটিয়ালী সুৰত তেখেতে নিজস্ব কৌশল আৰু উদ্ভাৱনাৰে বিভিন্ন ঠাইত প্ৰয়োগ কৰিছে। সময়ে সময়ে ভাৰতৰ অন্য প্ৰান্তৰৰ লোকসংগীতৰ পৰশস্পৰ্শ দি অসমীয়া গীত সমৃদ্ধ কৰিছে। উদাহৰণ স্বৰূপে 'মেঘে গিৰ গিৰ কৰে আহা মেঘে গিৰ গিৰ কৰে' গীতটোৰ প্ৰথম শাৰীত পাঞ্জাৱৰ ভাংৰা আৰু তৃতীয় শাৰীত 'এজাক যেন বৰষুণ আহো আহো কৰে' ভোজপুৰী লোকগীতৰ সুৰ অনুভৱ হয়।

সংগ্ৰামী মনোভাবৰ লগতে যেন প্ৰেমৰ আলফুল ৰূপ আৰু ৰূপায়ন ভূপেন হাজৰিকাৰ গীতৰ অন্য এক আকৰ্ষণ। যুজাৰু মনোভাবৰ সতে প্ৰেমৰ সুক্ষ্ম অনুভূতিয়ে কিছুমান গীতক এক নতুন মাত্ৰা দিছে। 'আকাশী গংগা বিচৰা নাই' 'ধাৰাষাৰ বৃষ্টিৰ প্লাৱন', 'ধুমুহা আহিলেও' আদি গীতত সংগ্ৰামৰ মনোভাব স্পষ্ট। কিন্তু ইয়াত প্ৰেমৰ কোমল অনুভূতিও আছে। ভূপেন হাজৰিকাৰ অন্য এক অমৰ কীৰ্ত্তি প্ৰতিধ্বনি বোলছবিৰ 'অয় আয় আকাশ শুৱ' গীতটি। ব্যৰ্থতাত ভাঙি পৰা পৰাৰ, বিধ্বস্ত হোৱাৰ কৰুণ বোদন গীতটোত সাঙোৰ খাই আছে। কিন্তু গীতটোত প্ৰতিবাদৰ সুৰও স্পষ্ট হৈছে। প্ৰেমৰ কাৰুণ্য আৰু প্ৰতিবাদৰ তীক্ষ্ণতা একমাত্ৰ ভূপেন হাজৰিকাৰ গীততহে সম্ভৱপৰ।

বাগৰি যোৱা সময়ক ভূপেন হাজৰিকাই ধৰি ৰাখিছিল যেন। এটাৰ পিছত এটা কেবাটাও প্ৰজন্মই তেওঁৰ গানৰ আইনাত নিজৰ প্ৰতিবিম্বিত ৰূপ প্ৰত্যক্ষ কৰিছিল। কবি আছে এতিয়াও। যৌৱনৰ সহজাত আশা আকাংক্ষা, সুস্থ আৰু গতিশীল জীৱনবোধ আৰু মানুহৰ শৌৰ্য বীৰ্য সম্পন্ন চিৰন্তন স্থিতি— ভূপেন হাজৰিকাৰ গীত আৰু জীৱনশৈলীৰ সামগ্ৰিক অবিহণা।

ভূপেন হাজৰিকাৰ মৃত্যুত অসংখ্য গুণমুগ্ধই অসংখ্য পুথি পত্ৰিকা প্ৰদান কৰিছে। তেনেকুৱা এখন কবিতা সংকলনৰ নাম 'তেওঁৰ কোনো ঘৰ নাছিল'। সৰু কবিতা সংকলন। আমি তেওঁৰ ঘৰখন কেতিয়া বিচাৰিম?

ভূপেন হাজৰিকাক ভালপোৱা অসংখ্য গুণী জ্ঞানী লেখকৰ লেখা পঢ়াৰ পিছত এই অপটু লেখকৰ এই লেখা। নাম উল্লেখ নকৰাকৈ আটাইলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছো। তেওঁলোকৰ লগত আমাৰ মিল একেটাই— আমিও ভূপেন হাজৰিকাক ভালপাওঁ। ■

# মামণি ৰয়চম গোস্বামীৰ নাৰীকেন্দ্রিক উপন্যাসৰ সাৰকথা

অনুভৰ তুলসী

**এক**

মামণি ৰয়চম গোস্বামীৰ উপন্যাসসমূহ কেৱল নাৰীপ্রধানেই নহয়, নাৰীকেন্দ্রিকো। অধুনাৱধি পোহৰলৈ নহা নাৰী জীৱনৰ কেতবোৰ দিশ তেওঁৰ উপন্যাসসমূহে আলোকিত কৰি তুলিছে। তেওঁৰ উপন্যাসৰ কেন্দ্রীয় নাৰী চৰিত্রসমূহ ব্যতিক্রমধর্মী। উপন্যাসকথিতসময়ৰ লগত তেল-পানীৰ মিল নথকা এই চৰিত্রসমূহে সেই সমাজ ব্যৱস্থাক ভাঙিছে নতুন দিনৰ নাৰী মূর্তি নির্মাণৰ খাতিৰত আৰু তাৰ মাজেৰেই নাৰীৰ মুক্তি সম্ভৱ বুলি লিখিকাই যেন ক'ব খুজিছে। এইসমূহ নাৰীৰ সম্মিলিত ৰূপক জ্বালাময়ীৰ শক্তি বুলি তেওঁ চিহ্নিত কৰিয়েই ক্ষান্ত থকা নাই, সেই সম্মিলিত শক্তিক মহাকাব্যিক ৰূপদানেৰে মহিমান্বিত কৰিও তুলিছে আৰু ইয়েই হ'ল সাহিত্যিক মামণি ৰয়চম গোস্বামীৰ বিৰল কীর্তিমান।

পুৰুষতান্ত্রিক সমাজৰ প্রান্তীয় অৱস্থানত থকা নাৰীগৰাকীয়ে প্রয়োজন হ'লেই দুচকুৰে অগ্নি বৰষে, মুখেৰেও নির্গত হয় অগ্নি-স্ফুলিংগ। নাৰীকণ্ঠ ক'ৰবাত খুব বলিষ্ঠ যেন নালাগিব পাৰে, কিন্তু, ক'তোৱেই ইমান নিশকতীয়া নহয়, যে, সামন্তবাদী, পুৰুষতান্ত্রিক, ঘুণে ধৰা সমাজখনৰ বিৰুদ্ধে প্রতিবাদৰ প্রয়োজনৰ চূড়ান্ত মুহূর্তত নিমাতে থাকিব। সমাজত নাৰীৰ সংকট আৰু তাৰপৰা পৰিত্রাণৰ পথৰ অন্বেষণেই হ'ল মামণি ৰয়চম গোস্বামীৰ কেইখনমান প্রধান উপন্যাসৰ মূল বিষয়বস্তু।

বাল্য বিবাহ, অকাল-বৈধব্য আৰু পৰিয়ালৰপৰা বিস্থাপন -- আদি বিষয়ক পটভূমিৰ ছবি হিচাপে লৈ তেওঁৰ উপন্যাসৰ কাহিনী আৰম্ভ হয় -- নাৰীত্বৰ বিকাশ আৰু উত্তৰণৰ মাজেৰে কাহিনী শীর্ষবিন্দুলৈ গতি কৰে। সেই শীর্ষবিন্দুত সেই বিকাশৰ বাট সুনির্দিষ্ট হৈ উঠে - মুক্তিপিয়াসী মনে ডেউকা পিন্ধি, সুদীর্ঘ উৰণৰ বাবে প্রয়োজন হোৱা ইন্ধন বুকুত বান্ধি লৈ আৰম্ভ কৰা আকাশমুখী গতিৰ সূচনাৰ মুহূর্ত সেইটো।

ৰক্ষণশীলতা আৰু স্থিতাৱস্থা-- সমাজৰ এই বিশেষ ভংগীমাকে নিজৰ নিয়তি বুলি ভাবি হা-হুমুনিয়াৰ মাজত দিন কটোৱা আৰু সপোনৰ ডিঙি মুচৰি মাৰি যন্ত্রনাত ছট্‌ফট্ কৰি সজা-বন্দী হৈ থকা নাৰীৰ কথাও মামণি ৰয়চম গোস্বামীয়ে আন্তৰিক সহানুভূতি আৰু গভীৰ অনুকম্পাৰে চিত্রিত কৰিছে। এই দুই ৰূপৰ নাৰীৰ আকুতি আৰু কাতৰতাই উপন্যাসৰ মাজেৰে উদ্ভাসিত হৈ উঠা সমাজখন জীৱন্ত ৰূপৰ সমাজ কৰি তুলিছে। সেইখন সমাজৰ আন আন অঙ্গ আৰু উপাঙ্গৰ মাজতো বিদ্রোহ এক স্বাভাবিক বাস্তবিকতা বুলি উপন্যাসিকাই প্রত্যয়দীপ্তভাবে তাৰ চিত্রায়ণতো গুৰুত্ব দিছে। "দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা", "মামৰে ধৰা তৰোৱাল" আৰু আন আন উপন্যাসতো আছে এই বিদ্রোহৰ চিত্রায়ণ, আছে চেতনাৰ ব্যাপ্তি আৰু সজাগতাৰ সম্প্রসাৰণৰ উপস্থাপন, আৰু আছে, বিকাশৰ বাটত প্রান্তীয় অৱস্থানৰ
মানুহৰ জীৱন সংগ্রামৰ জীয়া ছবি।

মামণি ৰয়চম গোস্বামীৰ প্রতিনিধি উপন্যাস "দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা"ৰ প্রধান নাৰী চৰিত্র দুটা হ'ল দুর্গা আৰু গিৰিবালা। দুয়ো বাল্যবিবাহৰ পৰিণতিত ফুলতে হোৱা বাঁৰী, বিধৱা। অন্ধবিশ্বাস আচ্ছন্ন সমাজৰ অপসংস্কাৰৰ বিৰুদ্ধে মুখ খুলিবলৈ দুর্গাই সাহস কৰিব পৰা নাই। তাৰ বিপৰীতে, গিৰিবালাই ৰক্ষণশীল ঘুণে ধৰা সমাজখনৰ প্রচলিত সংস্কাৰৰ বিৰুদ্ধে সংকোচহীনভাবে মাত মাতিছে। সেইখন সমাজৰ নীতি-নিয়মৰ শৃঙ্খলৰ বাহিৰলৈ গৈ নিজৰ মুক্তি পথৰ সন্ধান কৰিছে। প্রয়োজনৰ চূড়ান্ত মুহূর্তত গিৰিবালাই এনেকৈ ক'বলৈ সাহস কৰিছে ঃ

*ঃ মই দুর্গা বা সৰু গহেনীৰ দৰে বাচি থকবা নৰো অৰে জীৱন, সন্নাসী চাহাব, মই মৰি ভূত হৈ যাম।*

সমাজে বিধৱাৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞাৰ দুর্গ ভাঙি ওলাই যোৱাৰ সাহসো গিৰিবালাৰ আছে। মার্ক চাহাবৰ বাহুপাশত আবদ্ধ গিৰিবালাই নিজকে বচাবৰ বাবে তেনে এক প্রতিৰোধৰ ব্যৱস্থা আকস্মিকভাবেই গ্রহণ কৰিছে -- ৰক্ষণশীল সমাজখনে দিব পৰা শাস্তিৰ কথা জানিও -- এই বাবে যে, সেই শাস্তি সমাজে গিৰিবালাক অতিশীঘ্রে দিয়ক, মৰি মৰি বাচি থাকিব লগা ঘিনলগা জীৱনতকৈ শাস্তিৰ মাজেৰে আহিব পৰা মুক্তিহে তাইৰ কাম্য। এই পৰিস্থিতিত গিৰিবালাৰ বলিষ্ঠ উচ্চাৰণে নাৰী হিচাপে গিৰিবালাৰ মানসিক বিকাশৰো ইঙ্গিত দিয়ে। এইখিনিতে সেয়েহে, গিৰিবালাৰ উচ্চাৰণৰ আন এক উদ্ধৃতি তুলি দিয়া হ'ল ঃ

*ঃ মাৰ, মাৰ। এই ম্লেচ্চৰ বাহুপাশত থাকোতেই তই মোক মাৰ।*

**দুই**

"নীলকণ্ঠী ব্রজ" নামৰ উপন্যাসখনত বর্ণিত বাধেশ্যামীসকলৰ চৰম দুর্দশাৰ কাৰণো হ'ল ঘুণে ধৰা সমাজখনৰ সংস্কাৰ, যিখন সমাজৰ কু প্রথাৰ কাৰণে ফুলতে বাঁৰী হোৱাৰ পিচত ফুলকুমলীয়া ছোৱালী এজনীয়ে (সৌদামিনী) যাপন কৰিব লগা হয় চূড়ান্ত অৱহেলা, অনাদৰৰ এক জীৱন, যি জীৱন মৃত্যুতকৈও অধিক অন্ধকাৰময়। পৰম্পৰাগত হিন্দু সমাজত নাৰীৰ কোনো অধিকাৰ নাই। তেনে সমাজত বিধৱাৰ



সোণালী জয়ন্তী মহোৎসৱ, শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়, (১৯৬৩-২০১৩)

একমাত্র অধিকাৰ হ'ল তিলতিলকৈ মৃত্যুপথৰ যাত্রী হোৱাৰ অধিকাৰ। বৃন্দাবনত জীৱন কটাবলৈ অহা বিধৱাসকলৰ আছিল এখন ঘৰ, আত্মীয়-স্বজন, কিজানি সা-সম্পতিও। সেই সকলোৰেপৰা বিধৱা এগৰাকীক ছিন্ন কৰা হয়, সবাৰো পিচত বিধৱাগৰাকীক পঠিয়াই দিয়া হয় বৃন্দাবনৰ বিধৱা আশ্রমলৈ। কুসংস্কাৰ, কুপ্রথাৰে বলী সমাজখনৰ বিৰুদ্ধে বিধৱা এগৰাকীয়ে কোনো ধৰণৰ প্রতিৰোধ গঢ়ি তুলিব নোৱাৰে। তেওঁ তেনেই অসহায়। বিতাড়িত, বিস্থাপিত এক জীৱন বিধৱাগৰাকীৰ নিয়তি হৈ পৰে।

বৃন্দাবনৰ ৰাধেশ্যামীসকল এনে বহু উদাহৰণৰ মাজৰ এটাহে মাথোন। বিস্থাপিত এইসকল বিধৱাই কৃষ্ণভক্তিৰে জীৱনাকাঙ্খাৰ শূন্যস্থান পূৰোৱাৰ নিৰন্তৰ প্রয়াস কৰি যায়।

বৃন্দাবনৰ ভক্তিপ্রাণ সমাজখনৰ এই বিধৱাসকলৰ প্রতি সহানুভূতি কিমান ? ভিক্ষাবৃত্তিৰে তেওঁলোকে জীৱনৰ যাবতীয় খৰচৰ বাবে পইচা সঞ্চয় কৰিব লগা হয়। কোনোবা ৰুগ্ন বিধৱাৰ চিকিৎসা, মৃত কোনো বিধৱাৰ অন্তিম সংস্কাৰ তেওঁলোকৰ সাঁচতীয়া ধনেৰে কৰিব লগা হয়। সমাজৰ কেন্দ্রৰপৰা প্রত্যন্ত অঞ্চললৈ পর্যবসিত এইসকল নাৰী বিস্থাপিতও। সেইসকলৰ জীৱনভিত্তিক মর্মন্তুদ ছবি এখন লিখিকাই গভীৰ সহানুভূতি আৰু অনুকম্পাৰে অংকন কৰিছে। মহৎ উপন্যাসৰ বীজ এই উপন্যাসত নিহিত আছে, যদিও সেই বীজে এই উপন্যাসত বৃক্ষ ৰূপ নাপালেগৈ বুলি কবৰ মন যায়।

**তিনি**

"ছিন্নমস্তাৰ মানুহটো" নামৰ উপন্যাসৰ নাৰী চৰিত্র বিধিবালা আৰু ডৰথীয়ে পুৰুষতান্ত্রিক সমাজখনৰ অন্যায় ব্যৱস্থাৰ বিৰুদ্ধে মাত মাতিছে। এই বিদ্রোহী কণ্ঠস্বৰ নিঃসঙ্কোচ আৰু দুৰন্ত সাহসী। নিজ পিতৃ, নিজ স্বামীৰ প্রতি থকা তথাকথিত দুর্বলতা এই দুই নাৰীয়ে অতিক্রম কৰি যাব পাৰিছে। সমাজৰ অবিচাৰৰ বলি নাৰী আৰু কামাখ্যাত বলি দিয়াৰ উদ্দেশ্যে অনা পশুৰ মাজত কিবা পার্থক্য আছে জানো —এই জাতীয় প্রশ্ন সজোৰে আৰু সফলভাবে উত্থাপন কৰিছে। সমাজত নাৰীৰ অৱস্থান সর্বদাই সংগ্রামশীল, সংগ্রামৰ ব্যতিৰেকে পুৰুষতান্ত্রিক সমাজখনত নাৰীৰ আন কোনো জীৱন নাই -- এই কথা দুয়োগৰাকী নাৰীয়েই মর্মে মর্মে উপলব্ধি কৰিছে আৰু সেই অনুসৰি তেওঁলোকে সংগ্রামৰ কর্মসূচী গ্রহণো কৰিছে। অৱশ্যেই স্বীকাৰ কৰিব লাগিব, যে, এইয়া কোনো ধৰণৰ সঙঘবদ্ধ সংগ্রাম নহয় আৰু প্রতিস্থিত সমাজ ব্যৱস্থাৰ নোম এডালো লৰাব নোৱাৰে। তথাপি, বিদ্রোহী স্ফুলিংগ ৰোপনত এই দুই নাৰী সফল হৈছে উপন্যাসিকাৰ উদ্দেশ্য তাৰ যোগেদি সাধিত হৈছে বুলিব পাৰি।

"দেৱীপীঠৰ তেজ" নামৰ উপন্যাসখন মামণি ৰয়চম গোস্বামীৰ শেষ বয়সৰ ৰচনা। এই উপন্যাসৰ কেনভাচ বিশাল নহয়। সীমিত সংখ্যক ঘটনা আৰু তাৰ সঁহাৰিৰ সমষ্টিয়েই এই উপন্যাস। পৰিণত বয়সৰ ৰচনা হোৱা হেতু ইয়াৰ আৰম্ভণি, ঘটনা আৰু পৰিবেশৰ বর্ণনা, আৰু চৰিত্রৰ উপস্থাপন তেনেই নিৰাভৰণ। যিটো বাক্যৰে উপন্যাসৰ মুকলি হৈছে, তাৰ উল্লেখ এই কাৰণেই যুক্তিযুক্ত ঃ

*ঃ কামাখ্যাধামৰ তলত অঘোৰ দেৱ ভাগৱতীয়ে সপৰিয়ালে বাস কৰিছিল।* তাৰ পিচতো ক'ব পাৰি যে, এই উপন্যাসতো লিখিকাই চিত্রল, কাব্যিক ব্যঞ্জনাবিশিষ্ট ভাষা ব্যৱহাৰত গুৰুত্ব আৰোপ কৰিছে। গদ্যভাষাক সাংকেতিক, ইঙ্গিতময় ৰূপদানৰ মাজেৰে তথাকথিত বিৰৰণধর্মিতাৰ আঁতৰত ৰাখি লিখিকাই নিজ গদ্য শৈলীক গঢ় দিয়াৰ প্রয়াস কৰিছে। এই উক্তিৰ সমর্থনস্বৰূপে, লগতে, উপন্যাসৰ কাহিনী নির্মাণত মুখ্য ভূমিকা পালন কৰা কেইটামান বাক্য উল্লেখ কৰিলে পাঠকৰ বাবে কথাটো পৰিষ্কাৰ হৈ পৰিব ঃ

১. *বৰযুণৰ পাছত ৰ'দ দিয়াত এই শিলবোৰ এতিয়া আধা বখলিওৱা শিঙৰি ফলৰ দৰে দেখা গৈছে।*
২. *গোটেইজাক বুঢ়া-বুঢ়ীয়ে কুঁজা হৈ খোজ কাঢ়িছে। যেন এইবোৰ হাড়গিলাৰ জাক, থৰক-বৰককৈ ওপৰলৈ উঠিছে।*
৩. *কইনাৰ শিৰৰ সেন্দূৰ দূৰৰপৰাই জকমকাই আছে। যেন ৰঙা সূৰুযক গলাইহে কোনোবাই এডাল ৰেখা কৰি লৈছে - তাইৰ কপালত।*
৪. *মেখেলা উজোৱা পথৰ ক'লা ক'লা শিলবোৰ, এতিয়া আৰু বেছি ক'লা দেখা গৈছে। ... এৰা সেইবোৰ বলি দিয়া ম'হবোৰৰ মূৰ নোহোৱা দেহ।*
৫. *এই বাক্য সদায়েই শিল হৈ আছে। আৰু তাইৰ গাত পৰি সহস্র টকুৰালৈ ৰূপান্তৰিত হয়।*
৬. *এই পুৰুষমখা ই চোবাই চোবাই হেনো দেহটো কুহিয়াৰৰ সিটাৰ দৰে কৰে... পিচত হেনো দাঁতত লগা কুহিয়াৰৰ আঁহৰ দৰে অৱস্থা হয়গৈ নাৰীৰ।*
৭. *মানুহৰ তেজৰ এনে মাদকতা আছে। মানুহক খাই আটাইতকৈ বেছি ভাল পায়।*
৮. *আৰু বুকুৰ তেজ দেৱীক দিব খোজা ছোৱালীটিৰ বুকু ? ... ইস ইস, ব্রহ্মপুত্রত গা ধুই দগমগকৈ যেন উঠি আহিছে দুটা সূর্য...। পানীৰ আঁচলত নিজৰ উচ্ছু জ্বল স্থিতিৰ স্বাক্ষৰ ৰাখি উঠি আহিছে এই সূর্যদ্বয়।*
৯. *পদ্মাপ্রিয়াই শম্ভুদেৱৰ লগত সুবর্ণৰ কান্তিৰে ফুলা কুন্দফুলৰৰ পুলি আনিবলৈ অন্ধকাৰ গুহাৰ ভিতৰত সোমাল।*
১০. *ব্রহ্মপুত্র নতুন কইনাই ফুলশয্যাত পিন্ধি শোতমোচ কৰা চাদৰ এখনৰ দৰে পৰি আছে।*

উপন্যাসৰ ঘটনাৰ সামগ্রিক ৰূপৰ সাৰাংশ এই দহোটা বাক্যই বহন কৰিছে। নাৰীৰ দেহ-সুষমা, এই দেহ-সুষমাক আৰু ওখ খাপৰ সুষমালৈ ৰূপান্তৰিত কৰাৰ আকাঙ্খা, সেই আকাঙ্খা সমাজৰ কঠিন শিলত পৰি ডোখৰ ডোখৰ হৈ কেনেকৈ ভাগিছে, তাতেই থমকি নৰৈ নাৰীৰ বিদ্রোহী সত্তাৰ উত্তৰণৰ পথ কেনেকৈ নাৰীগৰাকীয়ে নিজেই স্থিৰ কৰি লৈছে —এই কথা এইকিটা বাক্যৰপৰা বুজিব পাৰি।

কামাখ্যাধামৰ অঘোৰ দেৱ ভাগৱতীৰ জীয়ৰী পদ্মাপ্রিয়াই কি সাহসেৰে পৰিস্থিতিৰ মুখামুখি হৈছে আৰু নাৰীৰ সংগ্রামী সত্তাক তাৰ মাজেৰে কেনে মর্যাদা প্রদান কৰিছে, সেই কথা বুজিবলৈ উপন্যাসৰ শেষ পর্যায়ৰ এটা মাথোন কথোপকথন, যাক তীক্ষ্ণ-বাক-তীৰ-যুদ্ধ বুলিব পাৰি -- এইখিনিতে উল্লেখযোগ্য বুলি ভবা হৈছে। এই বাকযুদ্ধ পদ্মাপ্রিয়া আৰু তাইক অমর্যাদা কৰা তাইৰ স্বামী ভুবনেশ্বৰৰ মাজত

সংঘটিত হৈছে। ভুবনেশ্বৰৰ পৰাজয় সাংকেতিক আৰু তাৰ বিপৰীতে পদ্মাপ্রিয়াৰ বিজয়ো একেই চৰিত্রৰ। এইখিনিতে সেই গুৰুত্বপূর্ণ উক্তিৰ উল্লেখ কৰা হ'ল ঃ

*ঃ এই সন্তান আপোনাৰ নহয়*
*ঃ কি*
*ঃ এই সন্তান আপোনাৰ নহয়*
*ঃ মোৰ নহয়*
*কাৰ কথা কৈছা কাৰ কথা কৈছা*
*ঃ এই সন্তান বলিকটা শম্ভুদেৱৰ*
*ঃ বলিকটা শম্ভুদেৱৰ*

**চাৰি**

মামণি ৰয়চম গোস্বামীৰ এইসমূহ নাৰী সম্মিলিত ৰূপত সমদল কৰি আগুৰাই গৈ মহাকাব্য "ৰামায়ণ"ৰ চ ৰিত্র সীতাৰ লগত কেনেদৰে মিলি গৈছে সহৃদয় পাঠক সমাজে সেই দৃশ্য সহজেই অনুধাবন কৰিব পাৰে । ৰামায়ণৰ কেন্দ্রীয় নাৰী চৰিত্র সীতাৰ জীৱনতো অনুৰূপ ঘটনাই ঘটিছিল। ৰামৰ বনগমন-- কেন্দ্রৰপৰা পৰিধিৰ প্রত্যন্ত অঞ্চললৈ ৰামৰ লগতে সীতাৰো বিস্থাপন। ৰাৱনৰ যোগেদি সীতাৰ হৰণ -- এই ঘটনাই সেই বিস্থাপনক আৰু দৃঢ় স্থিতি দান কৰিছে। সীতা উদ্ধাৰৰ পিছত সীতাৰ অগ্নিপৰীক্ষা আৰু অন্তঃসত্তা সীতাক দিয়া দণ্ড, পৰিশেষত মাতৃ বসুমতীৰ বুকুত সীতা হেৰাই যোৱা -- এই সকলো হ'ল, এগৰাকী নাৰীৰ পুৰুষতান্ত্রিক, সামন্তবাদী সমাজখনত কি অৱস্থান, পদে পদে নাৰীৰ কি অমর্যাদা, কেন্দ্রৰপৰা নাৰী কেনেকৈ বিস্থাপিত হৈছে তাৰেই আদর্শ উদাহৰণ।

ৰামায়ণৰ সেই গ্রেণ্ড নেৰেইটিভ(ক'ৰবাত আকৌ মহাভাৰতৰো ) মামণি ৰয়চম গোস্বামীয়ে তেওঁৰ আটাইকেইখন উপন্যাসতে খণ্ডিত ৰূপত ব্যৱহাৰ কৰি অখণ্ড ৰূপৰ মহাকাব্যৰহে যেন সৃষ্টি কৰিছে আৰু তাতেই ঔপন্যাসিক হিচাপে মামণি ৰয়চম গোস্বামীৰ সফলতা। ৰামায়ণ চর্চাৰ মাজেৰে লিখিকাৰ জীৱন চর্যা, নাৰীৰ জীৱন সংগ্রামৰ এটা ৰূপহে মাথোন আৰু এই চর্চা আৰু চর্যাক কলা সাধনাৰ ৰূপলৈ উত্তীর্ণ কৰিব পৰাটোও মামণি ৰয়চম গোস্বামীৰ অন্যতম সফলতা।■

# কবিতাৰ শক্তি, হীৰেন ভট্টাচার্যৰ কবিতা আৰু কিছু প্রাসংগিক কথা

**সমীন্দ্র হুজুৰি**

অসমীয়া কবিতাক গণ-সংগ্রামৰ ৰণথলীত পোনতে ব্যৱহাৰ কৰা কবিজন জ্যোতিপ্রসাদ। অসহযোগৰ পৰা১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনলৈ জ্যোতিপ্রসাদৰ গীত-কবিতাক স্বাধীনতা সংগ্রামীসকলে পথ ঘাটে সমাৱেশে সমাৱেশে ব্যৱহাৰ কৰিছিল। ১৯২৬ চনৰ পাণ্ডুত বহা ভাৰতীয় জাতীয় কংগ্রেছৰ সন্মিলনত বিলাতৰপৰা পঠিওৱা জ্যোতিপ্রসাদৰ 'কোন কোন আহিছ আইক পূজিবলৈ/আইৰ পূজাৰ বেলি হ'ল গীতে স্বাধীনতা যুঁজৰ সেনানীক দেশপ্রেমৰে উদ্বুদ্ধ কৰিছিল। ১৯৪২ৰ আন্দোলনৰ শান্তিসেনাৰ তেজ উতলা কৰা— 'তই কৰিব লাগিব অগ্নিস্নান, সাজু হ' সাজু হ' নৱজোৱান' গীতে অসমভূমিত সৃষ্টি কৰিছিল অকুতোভয় আলোড়নৰ।

১৯৪২ৰ বিপ্লৱত বিশ্ব বিজয়ী নৱ-জোৱান গীত গাই গাই ওৰেই নিশা পদব্রজে সত-সহস্র নৰ-নাৰীয়ে দৰং জিলাৰ (অবিভক্ত) চতিয়া জামুগুৰি বিশ্বনাথৰ পৰা গহপুৰ অভিযান চলাইছিল। বৰঙাবাৰীৰ তৰুণী কনকলতাই গহপুৰলৈ গৈ থানাত ইউনিয়ন জেক নমাই তিনিৰঙীয়া জাতীয় পতাকা তুলিবলৈ ৰাতিটোৰ ভিতৰতে মন বান্ধিছিল। নিজকে 'অগ্নিকবি' বুলি অভিহিত কৰা জ্যোতিপ্রসাদে সেই কথা তেওঁৰ কবিতাত সপ্রমাণ কৰি থৈ গৈছে ঃ 'বিয়াল্লিছৰ পুৱা তেজবৰণীয়া জুই/ক্ষুব্ধ জন-দেৱতা জাগিল/ জাগিলে ধর্ষিত দলিত আত্মা/যিবা আছিল শুই/বিজুলি প্লাৱনে বিয়পি পৰিলে সেনানীৰ আহ্বান/পূৱৰে পশ্চিমে ৰজনজনালে অগ্নিকবিৰ গান / তই কৰিব লাগিব অগ্নিস্নান/সাজু হ' সাজু হ' নৱ-জোৱান।"

কবিতাটিৰ দ্বিতীয় অংশত কনকলতাৰ মনত জ্বলা বিদ্রোহৰ অগনিয়ে তেওঁৰ কর্তব্য সম্পর্কে সচেতন কৰি নিজকে চৰম ত্যাগৰ বাবে কৰিছে অংগীকাৰবদ্ধ ঃ পুৱতিতে অহা অগ্নি গায়ক/সন্ধিয়া গুচি গ'ল/ তাৰ গান সু�ৰ/ৰাতিৰ ৰাতিটো/কনকলতাৰ সপোনত বাজি ৰল/

* * * *

মনতে পাঙিলে/দেশৰ কাৰণে জীৱন উছর্গিম/ সময় আহিলে/বুকুৰ তেজকো আঁজলিৰে বাকি দিম।

তাৰ পিছৰখিনি ইতিহাস। কনকলতাই সমবেত সংগ্রামী শোভাযাত্রাৰ আগত থিয় হৈ গহপুৰ থানাত পুলিচৰ কর্মীৰ সাবধানবাণীক আওকাণ কৰি জাতীয় পতাকা তেওঁ ধলি পৰাত হাতৰ পতাকা তুলি লৈ ছহীদ হৈছিল মুকুন্দ কাকতি। অসমৰ প্রথম জন কবিৰ কবিতাৰে কবিতাৰ শক্তিৰ সোণসেৰীয়া চানেকি ৰাখি জ্যোতিপ্রসাদে কবিতাৰ ইতিহাসকে গৰিমামণ্ডিত কৰিলে।

অসমীয়া কবিতা গহপুৰ গৰিমাৰ চাৰিদশক পিছত পুনৰ বাৰ অগ্নি পৰীক্ষাৰ মুখামুখি হ'ল। অসমৰ 'বহিৰাগতৰ সোঁত' বন্ধ কৰাৰ

দাবীৰে আৰম্ভ হোৱা 'বিদেশী বিতাৰণ' আন্দোলনৰ (১৯৭৯-৮৫) মজিয়াত কবিতাই ভুমুকি মাৰিলে পেৰডিৰ ৰূপত। কবি দেৱকান্তৰ কবিতাৰ পোৰডিৰে আন্দোলনৰ নেতৃত্ব দুই একে নিজৰ নিজৰ ভাগ্য নির্ণয় কৰিবলৈ প্রয়াস চলালে। কোনো কোনোৱে জ্যোতিপ্রসাদৰ যুগজয়ী গীত— 'লুইতৰ পাৰৰে আমি ডেকা ল'ৰা', ডিঙি পাতি পাতিক ডিঙি কাটি কাটি কৰি' বিকৃত কৰি গাই হাত চাপৰি আৰু উন্মাদনাৰ মাত্রা বঢ়ালে। পৰৱর্তীকালত বিশ্ববিদ্যালয়ৰ হোষ্টেলৰ পৰা পোনে পোনে গৈ মন্ত্রীও হ'ল। 'মন্ত্রীত্বই যাৰ শেষ আশা' বুলি কবি দেৱকান্তক ব্যঙ্গ কৰা সেই নেতাই পর্বান্তৰত গণসংগ্রামৰ ৰণথলি এৰি শত্রু শাসকদললৈ জাপ মাৰি পুনৰ মন্ত্রীত্ব লাভ কৰিলে। দেৱকান্তৰ কবিতাই সঁচা হ'ল।

আশীৰ সেই অন্ধকাৰময় সময়ত উত্তৰ কামৰূপৰ কেতবোৰ অঞ্চলত হত্যা অগ্নিসংযোগৰ সময়তে 'সামৰিক বাহিনীৰ নিপীড়ন আৰু ধর্ষণ'ৰ প্রতিবাদত গণসংগ্রাম পৰিষদে জজ খেলপথাৰত প্রতিবাদে সমাৱেশ আয়োজন কৰিছিল। য'ত আন্দোলনৰ সমর্থক কবি সংগীত শিল্পীয়ে পৰিবেশন কৰিছিল কবিতা-গীত। যশস্বী কবি নির্মল প্রভা বৰদলৈৰে সমাৱেশত 'সতী' নামৰ কবিতা পাঠ কৰিছিল। তাৰ কেইদিন পিছতে সেই সতী দিৱসৰ কাউণ্টাৰ হিচাপেই হয়তো বাওঁপন্থী কবি কেশৱ মহন্তই লিখিছিল— 'বেশ্যাৰ একাল' কবিতা (নাগৰিক, ৩১ জানুৱাৰী, ১৯৮০)।

পৰিতাপৰ কথা জাতীয় চেতনা জাগৰুক কৰি স্বাধীনতা আন্দোলনৰ অগ্নিস্ফুলিৰে উদ্দীপিত কৰা মহান কবিৰ কবিতাৰ অন্তর্জলি যাত্রা কৰা হ'ল উগ্র জাতীয়তাবাদৰ মঞ্চত। যাৰ পৰিণতিত নেলী, গহপুৰ, চাউলখোৱাৰ দৰে মানৱ বিদ্বেষী অঘটন ঘটিল।

তীব্র অনুভূতি প্ররণ আৰু মননশীল কবি নীলমণি ফুকনে অসম আন্দোলনে চিৰদিনলৈ কুখ্যাতি ৰখা নেলীৰ নৰমেধৰ পিছত লিখিছিল— এটা হৃদয়বিদ্ধ কৰা কবিতা— 'অ মোৰ সপোনৰ সূর্যৰ মানুহ'। দুয়োটা কবিতা এই নিবন্ধ লেখক সম্পাদিত নতুন সাহিত্য পৰিষদে প্রকাশ কৰা 'সংহতিৰ বেদীত (১৯৮৭) শীর্ষক গ্রন্থত সংকলিত।

অসম-আন্দোলনৰ জনতা কাৰফিউৰ সময়ত চান্দমাৰীৰ ৰাজপথত আন্দোলনকাৰী যুৱক দুলাল শর্মাই প্রবল আৱেগেৰে বুকুৰ তেজৰে 'তেল দিম তেজ নিদিও' বুলি লিখি আন্দোলনৰ মেজাজক আৰু তেজী কৰি তুলিছিল। ঘটনাৰ প্রতিক্রিয়াতে হয়তো কবি নৱকান্ত বৰুৱাই শ্লেষ মিহলি কৰি তেজ দিওতাক মানুহ জীৱলৈ ব্লাড বেংকত তেজ দান কৰাৰ পৰামর্শ দিছিল।

'তেলৰ সলনি তেজ তেল সলোৱাৰ তেজ/আলিবাটত আখৰকৈ ৰাখি কি হ'ব/তেজ যদি দিবই খোজা,ব্লাড বেংকত দিয়া/মানুহ জীয়ক।' (নৱকান্ত বৰুৱাৰ কবিতাৱলী, ১৯৪৪, পৃষ্ঠা ২৩০)

আশীৰ সেই অন্ধকাৰময় সময় হীৰেন ভট্টাচার্যৰ কবিতাত এক শিল্পৰ দৰেই খোদিত হৈ আছে ১৯৮১ চনত লিখা 'গানৰ দীঘল সুৰ' শীর্ষক কবিতাটিৰ ২য় স্তৱকত ঃ 'গছবোৰে সামৰি থলে সিহঁতৰ গাৰ ছাঁ/বিৰ দি গুচি গ'ল দিন/মোৰ চোতাল গৰকি থাকিল এন্ধাৰ দুখৰ দৰে/অস্পষ্ট অনুস্তেজ ম্লান উদ্যমহীন'। (সুগন্ধি পখিলা, পৃষ্ঠা ১৫৪)

অসম আন্দোলনৰ ঘটনাৰ ক্রিয়া-প্রতিক্রিয়াই হীৰেন ভট্টাচার্যক দিয়া পীড়া স্পষ্টহে আছে উদ্ধৃতাংশত। ৰাজনীতিক কবিতাৰ পৰা নিলগাই থব নিবিচৰা কথা (জনপ্রিয় সংগীত শিল্পী জুবিন গার্গে লোৱা এটা সাক্ষাতত প্রসংগক্রমে 'এপলিটিকেল বুলি একো থাকিব নোৱাৰে' বুলি কৈছিল) কবিগৰাকী বিশ্বৰ দেশে গণ-সংগ্রামৰ ৰণথলীত ভূমিকা লোৱা কবি শিল্পীসকলৰ স্মৃতিত লেখা কবিতাকেইটাত খোদিত হৈ আছে। তেওঁৰ মানত 'দেশ' মন, মেজাজ হৃদয় আলোড়িত এক অনন্য অনুভূতিৰ গভীৰ উপলব্ধি। যিয়ে তেওঁৰ কবিতাক 'দেশ বুলিলে নালাগে আদেশ' শীর্ষক অনির্বচনীয় আবেদন। দেশৰ বাবে মানুহৰ বাবে আত্মোৎসর্গ কৰিব পৰাসকলৰ বাবে সেই অপৰাজেয় মৃত্যু সেয়েহে কবিৰ চকুত নির্লোভ, ভাস্কর্য ৰূপে ধৰা দিছে ঃ 'মৃত্যুও এটা শিল্প/জীৱনৰ কঠিন দিশত কটা নির্লোভ ভাস্কর্য।' (সুগন্ধি পখিলা, ১৯৮৮, পৃঃ ৮১)

আকৌ অসম আন্দোলনৰ প্রসংগ আহিল। হীৰেন ভট্টাচার্যৰ কবিতা অসম আন্দোলনৰ 'ছহীদ' স্মাৰকত খোদিত হ'ল। যি কবিতা তেওঁ সত্তৰৰ দশকতে লিখিছিল। তাৰ অব্যৱহিত তেওঁৰ কবিতা 'স্বাধীন অসম'ৰ সপোন দেখোতা সংযুক্ত মুক্তি বাহিনী (আলফাই) লিখিলে দেৱালত। এইবাৰ আবেদন নিবেদন নহয়, ভাৰত ৰাষ্ট্রৰ বিৰুদ্ধে যুদ্ধৰ জৰিয়তে স্বাধীনতাৰ অধিকাৰৰ কথা। অতএব ঃ 'দেশ বুলি ক'লে আদেশ নালাগে/মোৰ তুমৰুলি তেজত তগবগাই ফুৰে/এহেজাৰ এটা ৰণুৱা ঘোঁৰা।' (উক্ত গ্রন্থ, পৃষ্ঠাঃ ১০১)

আশী আৰু নব্বৈ দশকত আৰু এজন কবিৰ কবিতা জনপ্রিয় হৈ উঠিছিল। অসম আন্দোলনত ভিন্নমত পোষণ কৰাৰ 'অপৰাধ'ত নিগৃহীত হোৱা কবি মোহন কৃষ্ণৰ (১৯৪৭-১৯৯১) কবিতাও হীৰেন ভট্টাচার্যৰ দৰে দেৱালত লিখা হৈছিল ঃ 'তোমালোক আমাৰ দেশ ঘূৰাই দিয়া/ই আমাৰ অনুৰোধ নহয় দাবী'।

দাবী উত্থাপিত হয় জংগীপনাৰে। উদ্দেশ্য দাবী মানি লবলৈ কর্তৃপক্ষক বাধ্য কৰোৱা। সমগ্র দেশতে কুৰি শতিকাৰ সত্তৰৰ শেষ আৰু আশীৰ দশকৰ আৰম্ভণিত গঢ়ি উঠা শ্রমজীৱী মানুহৰ বিক্ষোভ-আন্দোলনৰ বার্তা অনুধাবন কৰি বাওঁপন্থী ছাত্র আন্দোলনত যুক্ত হৈ তৰুণ মোহন কৃষ্ণই চৌদিশে গম্‌গমাই উঠা শুনিছিল। যি গমগমনিত প্রবল প্রতাপী শাসক দল ১৯৭৪ চনৰ জৰুৰীকালীন অৱস্থাৰ অব্যবহিত অনুষ্ঠিত ১৯৭৭ চনৰ সাধাৰণ নির্বাচনত গাদীচ্যুত হৈছিল। প্রগতিবাদী কবি, শিল্পী, সাহিত্যিকক ৰাজনীতিকসকলক জৰুৰী অৱস্থাত জেললৈ নিক্ষেপ কৰা হৈছিল। সেই সকলৰ মাজেৰে তোষেশ্বৰ চেতিয়া, ড° দেৱপ্রসাদ বৰুৱা, গোলাপ বৰবৰা আদি আজি আৰু নাই; বিজনলাল চৌধুৰী, আনিল ৰায়চৌধুৰী আদিয়ে আজিও শ্রমকাৰীক উদ্দীপিত কৰা সাহিত্য কর্মত যুক্ত হৈ আছে।

১৯৭৪ চনৰ সেই সময়তে 'সংকটৰ দিন' শীর্ষক কবিতাত হীৰেন ভট্টাচার্যই লিখিছিল ঃ 'আকালৰ চোতাল। শস্যৰ ভঁৰাল উদং। কিশোৰৰ হেৰাল/স্বপ্ন স্বাধীনতা। গর্ভৱতী নাৰী নিদ্রাত নিহত/মূলত কি বিহ? উছন গ'ল গাঁও। নষ্ট নগৰ/মৃত্যুৰ মলিন ছাঁত অশ্লীল বণিজ। গাপ মুদ্রাৰ পয়োভৰ/হে সময়, গর্জি উঠা নিয়োজিত কৰা সর্বোত্তম প্রতিভা'।

১৯৭১-৭৪ৰ কবিতাৰ স্তৱক আশীৰ পৰৱর্তীকালত দেৱালত

লিখা হ'ল ঠিকেই; কিন্তু যি মর্মবাণী বুকুৰ গভীৰত ঠাই দি কবিয়ে সময়ক তাৰ বিৰুদ্ধে গর্জি উঠিবলৈ আহ্বান জনালে— সি পৰিহাস স্বৰূপ হৈ পৰিল—যেতিয়া শ্রমজীৱী মানুহৰ জীৱন জীৱিকাৰ সংগ্রামৰ সৈতে মুক্তসকল— বিপ্লৱী কবিতা আওৰোৱাসকলৰ হাততে আক্রান্ত হ'ল, প্রাণহুতি দিব লগা হ'ল। আঁৰৰ পৰা ৰং চাই শাসক চক্রই নিজৰ ন্যস্ত স্বার্থ সিদ্ধি কৰিলে। ১৯৭৭ চনত কুৰিজনকৈ বাওঁপন্থী বিধায়ক অসম বিধান সভালৈ বৰবৰাৰ নির্বাচিত হৈছিল। বাওঁপন্থীসকলে দখল কৰিছিল গুৱাহাটী পৌৰ নিগম বাওঁপন্থীৰ সমর্থনৰে গোলাপ বৰবৰাৰ নেতৃত্বত গঠিত হৈছিল কংগ্রেছ বিৰোধী চৰকাৰ। তাৰ ডেৰ বছৰৰ পিছতে অসম আন্দোলন। বাওঁপন্থী বিধায়কক পদত্যাগৰ দাবীত ঘেৰাও আৰু তাৰ পৰৱর্তী ঘটনা।

যোৱা ডেৰ দশকতকৈও অধিককাল আমাৰ ৰাজ্যখনত সবাতোকৈ বঞ্চিত হৈছে— শ্রমজীৱী জনসাধাৰণ। বিভাজনৰ ৰাজনীতিৰ চক্রবেহুত সোমাই তেওঁলোকৰ ঐক্য আৰু সংগ্রামী মেজাজ হৈ পৰিছে পংগুপ্রায়। তাৰ ওপৰতে ভূতৰ ওপৰত দানহ পৰাদি বহু জাতিকৰ লুণ্ঠনৰ যাঁত চলিব লাগিছে শাসকশ্রেণীৰ সৈতে হলিগলি আৰু বিভাজিত ৰাজনীতিৰ অংশীদাৰ হোৱা উঠি অহা মধ্যবিত্ত শ্রেণীৰ অদূৰদর্শী ক্ষমতাৰ খকে।

উল্লেখ কৰা প্রয়োজন যে কবি হীৰেন ভট্টাচার্য দেশৰ লগতে অসমৰ কৃষক আধিয়াৰ আন্দোলনৰ ভু-ভা ৰাখিছিল। সেইবাবে হাতপোন খেতিয়কৰ ল'ৰা, কাঁড়িৰ কথা তেওঁ কবিতালৈ আনিছিল। সেই কবিতাৰ জনপ্রিয়তা সদায়ে অম্লান হৈ থাকিব ঃ 'আই, আজি মই সঁচাকৈয়ে/বৰ হিংস্র হৈ উঠিছো/মোৰ নিয়াৰিৰ/কাচিখনলৈ চালেই বুজিবা/কাৰ ডিঙিৰ জোখাৰে গঢ়িছো।... মই যে দাৱনিৰ হাতৰ ধান কটা/কাচিখনৰ কথা পাহৰিয়েই গ'লো/সেইখনো এদিন ময়েই গঢ়িছিলো।...মেটমৰা ধানৰ ডাঙৰি/ডাঙৰীয়াৰ চোতালত থলোঁ/এতিয়া মোক যাবলৈ দিয়া/আইজনীৰ মাকৰ গাত লেঠা/এই বেলি ল'ৰা এটা হ'লে ভাল হয় বৰ/জানাইতো খেতিয়কৰ ল'ৰাৰ/হাত বৰ পোন'।

কবিৰ কবিতাত একেদৰেই জীৱন্ত হৈ আছে সোণালী ভবিষ্যতৰ সোপন বুকুত বন্ধা প্রেমিক-প্রেমিকাৰ আকাংক্ষা। প্রেমত বাহিৰে নিবেদন কৰিবলৈ যাৰ একোৱেই নাই। আজিৰ যান্ত্রিকতাৰ যুগতো 'ভোগালি'ৰ সেই প্রেমৰ অনুপম উপলব্ধি প্রাচীন হৈয়ো অনবদ্য ঃ

'তুমিতো জানায়/এই কবিৰ আৰু একো নাই/এটাই মাথো কামিজ/তাৰো ছিগো ছিগো চিলাই/প্রেম নিশ্চয় এনেকুৱাই/আৱৰণ খুলি হৃদয় জুৰায়'।

হীৰেন ভট্টাচার্যই মানুহৰ মুক্তি সংগ্রামক দ্যুতি দান কৰা কবি নাজিম হিকমত, জ্যোতিপ্রসাদ আগৰৱালা, বিষ্ণুপ্রসাদ ৰাভা, মেক্সীম গর্কী, পাব্লো নেৰুদাৰ সোঁৱৰণত কবিতা লিখিছে। ৰাজনৈতিক কর্মীৰ বিয়োগত কবিতাৰে শ্রদ্ধাঞ্জলি জনাইছে।

ভিয়েটনামৰ প্রচলিত চিলিৰ গণহত্যাৰ প্রতিবাদত কবিতা লিখিছিল; মানুহৰ প্রতি থকা তেওঁৰ দায়বদ্ধতা আৰু ৰূপান্তৰশীল সংগ্রামী মনৰ বাবে। বাওঁপন্থীসকলৰ সভাই সমাবেশ দেখা গৈছিল এজন সর্বসাধাৰণ শ্রোতাৰ ৰূপত।

প্রসংগক্রমে উল্লেখ কৰিব পাৰি যে চক্রান্তৰে সামৰিক অভ্যুত্থান ঘটাই ৰাষ্ট্রপতি চালভাদৰ এলেন্ডিক (যিয়ে মৃত্যুৰ অন্তিম মূহুর্তলৈ শত্রুৰ বিৰুদ্ধে যুঁজ দিছিল।) ক্ষমতাচ্যুত কৰাৰ মাজতে (২৩ চেপ্তেম্বৰ, ১৯৭৩) মৃত্যু হৈছিল চিলিৰ কবি পাবলো নিৰুদাৰ। তেওঁৰ ৰক্তপিপাসু ৰাষ্ট্রপতি নিক্সনৰ প্রতি ঘৃণা উগাৰি দিয়া 'I Begin by Involving Walt Whitman' শীর্ষক কবিতাৰ I assume the duties of a poet/armed with a terrorist sonnet–কবিতাৰ শাৰীৰ দৰেই (যদিও কবিয়ে প্রসংগ উল্লেখ কৰা নাই) হীৰেন ভট্টাচার্যই লিখিছে ঃ 'সন্যাসে শোভা কৰে জানো কবিক/কলম যাৰ যাগৰ তৰোৱাল/কাব্যতো নহয় সহজ পন্য, অন্য ধাতুৰে গঢ়া/তাৰ বিপন্ন শৰীৰ/তেজত প্রতিবাদ, সত্তাত বিপ্লৱ/নেৰুদা, মই তোমাৰ কুৰিটা প্রেমৰ কবিতা পঢ়িছো/আৰু জানো প্রেমৰ কবিতাৰে ৰচা এটা হতাশাৰ গানত মূর্ত/ভাঙনৰ হাতুৰী কিমান গধুৰ'।

এক প্রসঙ্গতে উল্লেখ কৰিব পাৰি যে কিছুদিন পূর্বে নবেল বিজেতা জার্মান সাহিত্যিক গুণ্টাৰ গ্রাছৰ আমেৰিকাৰ যুদ্ধ উন্মাদনা সম্পর্কে প্রকাশিত (৪ এপ্রিল, ২০১৩) What must be said কবিতাটিয়ে আলোড়নৰ সৃষ্টি কৰিছিল; যিজন কবি হিটলাৰৰ নার্জী বাহিনীত সোতৰ বছৰ বয়সতে জোৰকৈ ভর্তি কৰোৱা হৈছিল। তেওঁ যিহেতু মানৱতাৰ স্বার্থত আমেৰিকাৰ বিৰুদ্ধে সম্প্রতি অৱস্থান গ্রহণ কৰিছে, সেয়েহে মার্কিন মহলৰ চকুৰ কুটা হৈ পৰিছে।

বিশ্বৰ কবিকুলৰ চকুৰ মণিৰ পাব্লো নেৰুদা তেওঁৰ মৃত্যুৰ সময়ত উপযুক্ত চিকিৎসাৰ পৰা বঞ্চিত হৈছিল কাৰণ, এলেণ্ডিৰ তেওঁ আছিল বিশ্বাসী বন্ধু। চিলিৰ গণমুক্তি আন্দোলনক সংগ্রামী তেজ দিয়া পাবলোৱে নিক্সনৰ বিৰুদ্ধে লিখিছিল ঃ 'পুলিয়ে পোখাই উভালিম/তেজপীয়া ৰাষ্ট্রপতি নিক্সনক/কাৰণ মই মোৰ দেশক ভালপাওঁ/যেতিয়ালৈকে সেই নাকটোৱে/ৱাশ্বিংটনত উশাহ লৈ থাকিব/তেতিয়ালৈকে পৃথিৱীত কোনেও/সুখেৰে থাকিব নোৱাৰিব/সুকলমে নোৱাৰিব কৰিব কোনো কাম'। (Chile the other September 11, 2003)

দুবছৰ আগতে লণ্ডনৰ যুদ্ধবিৰোধী শ্রমজীৱীৰ কবি এড্রিয়েন মিশ্বেলে তেওঁৰ দীর্ঘতম কবিতা To whom it May Concern-অত ইৰাক আক্রমনৰ সময়ত প্রতিবাদকল্পে নতুন স্তৰক সংযোগ কৰিছিল। ধিক্কাৰ দিছিল যুদ্ধবাজ আমেৰিকাক। সেইজন কবিয়ে ভিয়েটনামৰ ওপৰত চলোৱা অন্যায় আক্রমণৰ বিৰুদ্ধে লণ্ডনৰ প্রতিবাদী সমাৱেশত পাঠ কৰিছিল তেতিয়া লিখা সেই কবিতাৰে প্রথম অংশ। মানৱবিদ্বেষীহঁতে সম্পদৰ লালসাত যুদ্ধৰ নামত অন্যায় আক্রমণৰ লগে লগে সেই কবিতা দীর্ঘায়িত হৈছিল। নিজে যুদ্ধবিৰোধী সমাৱেশত সেই কবিতা পাঠ কৰিছিল। জনতাক দিছিল উদ্দীপ্ত চেতনা।

কবিতাৰ শক্তিৰ আৰু এক কাহিনী পৃথিৱীৰ সৱাতোকৈ দীর্ঘ কাৰাবন্দী জীৱন কটোৱা বর্ণবাদ বিৰোধী আন্দোলনৰ নেতা, দক্ষিণ আফ্রিকাৰ প্রাক্তন ৰাষ্ট্রপতি, জীৱন্ত কিংবদন্তি নেলচন মেণ্ডেলাৰ জীৱনেৰে গঠা। কাৰীবাসী জীৱনৰ শেহৰ ফালে এদল সাবাদিকে তেওঁৰ দীর্ঘ কাৰাবাসত নিঃসঙ্গতাৰ উপলব্ধ নহয় নে বুলি সুধিছিল।

তাৰ উত্তৰত এজন মানুহ হিচাপে সুখ-দুঃখৰ অনুভূতি আন মানুহৰ দৰে বুলি কৈয়ো নিঃসঙ্গতাৰ পৰা পৰিত্রাণৰ বাবে তেওঁ বেঞ্জামিন মোলায়েজৰ কবিতা পঢ়াৰ কথা জনাইছিল। তাৰ কিছুদিন পিছতেই ফাঁচী হৈছিল তৰুণ কবি মোলায়েজৰ। কাৰণ এটাই; যাৰ কবিতাই ২৭ বছৰীয়া কাৰাবাসীক নিসংগতাৰ পৰা মুক্তি দি সাহচর্য যোগাব পাৰে, তেনেই কবি দক্ষিণ আফ্রিকাৰ বর্ণবাদী চৰকাৰৰ শত্রু! মেণ্ডেলা আৰু তেওঁৰ সতীর্থসকলক বর্ণবৈষম্য বিৰুদ্ধেই অকল বিজয়মাল্য পিন্ধোৱা নাই; কবিতাকো দিলে এক নতুন প্রত্যয়।

একমাত্র ক্রান্তিকাৰী চেতনাৰে উদ্দীপ্ত সংগ্রামী কবিয়েহে ৰচিব পাৰে মানুহক প্রতিকূলতাৰ বিৰুদ্ধে যুঁজি পৃথিৰীখনক বাসযোগ্য, সমৃদ্ধিশালী আৰু প্রেমময় কৰি তুলিবলৈ। সেই প্রেমেই বিয়পায় মানৰ বিদ্বেষীহঁতৰ বিৰুদ্ধে ক্ষমাহীন ঘৃণা; প্রয়োজনক যুদ্ধ। ৰণক্ষেত্রত প্রাণ আহুতি দিয়া স্পেনৰ গৃহযুদ্ধৰ সৈনিক হোৱা লোৰকা, কডৰেল আদি কবিসকলৰ জীৱন আৰু কবিতাৰ একাকাৰ। তেনে আদর্শক তুলি ধৰাৰ বাবে আলোচনাৰ মাজলৈ অনা কবিসকল আমাৰ ইমান প্রিয়। তেওঁলোকৰ কবিতা জীৱনৰ সাহচর্য, প্রেৰণাৰ অক্ষয় বন্তি।■

# সমাজ-সংস্কৰণ আৰু ধর্মগুৰুসকল

**নীলোৎপল দাস**

*স্নাতক, পঞ্চম যাণ্মাসিক*

মানৱ সভ্যতা কিমান পুৰণি সেয়া শুদ্ধকৈ ক'ব নোৱাৰিলেও দহ হেজাৰমান বছৰ পূর্বে এই মানৱ সভ্যতাৰ আৰম্ভণি হৈছিল বুলি অনুমান কৰিব পৰা যায়। জুই জ্বলাব পৰা আৰু কোনোমতে গছৰ পাতেৰে শীতৰপৰা নিজকে ৰক্ষা কৰাৰ সূক্ষ্ম জ্ঞান আহৰণৰপৰা আজিৰ মহাকাশৰ বুকুত উৰিব পৰা হোৱালৈকে এই মানৱ সভ্যতাৰ বহুতো পৰিৱর্তন ঘটিল। আদিম অৱস্থাত মানৱ সমাজত গঢ়ি উঠা বহুতো সামাজিক নিয়মৰ সলনি ঘটিল আৰু সময়ে সময়ে মানৱ সমাজৰ সংস্কৰণ ঘটি থাকিল। এই সংস্কৰণৰ বলতেই মানুহে এক চিন্তাশীল মন লাভ কৰিছে। কিন্তু এই সমাজ-সংস্কৰণ ঘটিবলৈ বহুতো যুগৰ প্রয়োজন হয় আৰু এনে পৰিৱর্তনত সবাতোকৈ গুৰুত্বপূর্ণ অৱদান আগবঢ়াই আহিছে ধর্ম আৰু ধর্মগুৰুসকলে।

অতি প্রাচীন সভ্যতা বুলি ভাৰত আৰু চীন দেশ সর্বজনস্বীকৃত। প্রাচীন কালত ভাৰতবর্ষত আর্য ঋষি-মুনিসকলে যি বেদ, ভাগৱত গীতা, উপনিষদ আদি ৰচনা কৰিছিল, তাত ঈশ্বৰস্তুতিৰ উপৰি নিকা জীৱন-যাপনৰো বিধি-বিধান দিয়া হৈছিল। বহুতো লোকে সেই বিধি-বিধানমতে চলিছিল। ইয়ে সমাজৰ বহুতো কুসংস্কাৰ ৰোধ কৰি সমাজ সুন্দৰ কৰি তোলাত সহায় কৰিছিল। পৰৱর্তী কালত সমাজত যি বলি প্রথাৰ প্রাধান্য বৃদ্ধি পাইছিল আৰু ধর্মৰ নামত যি বীভৎসতাৰ সৃষ্টি হৈছিল, তাৰ বিৰুদ্ধেই প্রবল আন্দোলন হৈছিল জৈন আৰু বৌদ্ধ ধর্মৰ ৰূপত। মহাবীৰ আৰু ভগৱান বুদ্ধই বলিপ্রথা আৰু ধর্মীয় জটিলতাক ৰোধ কৰি সমাজ-সংস্কৰণৰ আৰম্ভণি সেই যুগতেই কৰিছিল। ধর্মই এইদৰেই সমাজ-সংস্কৰণত ভাগ ল'বলৈ আৰম্ভ কৰে। বৌদ্ধ ধর্মত দাস প্রথা, জাতি প্রথা, বাল্যবিবাহ, সতীদাহ নিষিদ্ধ কৰি ভগৱান বুদ্ধই ২৫০০ বছৰ পূর্বেই সমাজ-সংস্কৰণ কৰিবলৈ চেষ্টা কৰিছিল আমাৰ ভাৰতত।

গৌতম বুদ্ধৰ দৰে এজন মহামানৱ কনফুছিয়াচৰ জন্ম হৈছিল চীন দেশত ৫৫১ খ্রীঃপূঃত। কনফুছিয়াচ এজন চৰকাৰী কর্মচাৰী হোৱা সত্ত্বেও সৎ জীৱন-যাপন, অহিংসা নীতিৰ ওপৰত গুৰুত্ব দি চীনাসকলৰ আধ্যাত্মিক উন্নতিৰ ওপৰত গুৰুত্ব দিছিল। সুদূৰ ইজৰাইল দেশত প্রায় ৫০০ বছৰ পূর্বে মছেছে ইহুদীসকলক এই একেই শিক্ষা প্রদান কৰিছিল। এই মহান লোকসকলৰ শিক্ষাই মানুহক সৎ হ'বলৈ শিকাইছিল আৰু আদিম মানৱ-সমাজৰ বহুতো কুসংস্কাৰ ৰোধ কৰিছিল।

খ্রীষ্টান ধর্মৰ প্রতিষ্ঠাতা যীশুখ্রীষ্ট মূলতে এজন সমাজ-সংস্কাৰকেই আছিল। তেওঁ সেই সময়ত প্রচলিত ধর্মীয় কুসংস্কাৰবোৰ বন্ধ কৰিবলৈ চেষ্টা কৰিছিল। যাৰ বাবেই তেওঁক কিছুমান মিছা অপবাদত হত্যা কৰা হৈছিল। তেওঁ এজন মৰমিয়াল ভগৱানক বিশ্বাস কৰিছিল, মানুহক অহিংসাৰ পথ দেখুৱাইছিল, ধনী-দুখীয়া আৰু নাৰী-পুৰুষক সমান সামাজিক স্থান দিয়াৰ পোষকতা তেৱেঁই বোধহয় প্রথম কৰিছিল। তেওঁৰ মৃত্যুৰ পিছত সেই শিক্ষা তেওঁৰ বন্ধু তথা শিষ্য ছেইণ্ট পীটাৰে সমস্ত পৃথিৱীত বিয়পাইছিল আৰু ইয়েই সময়ত খ্রীষ্টান ধর্মৰূপে পৰিচিত হয়। ইউৰোপত এক জাতি-বর্ণহীন সমাজ গঢ়াত আৰু নাৰী-পুৰুষক সমান সামাজিক আসন দি এক আধুনিক ইউৰোপ গঢ়ি তোলাত খ্রীষ্টান ধর্মৰ যথেষ্ট অৰিহণা আছে।

ইছলাম ধর্মৰ জনক হজৰত মহম্মদেও আৰবত প্রচলিত বলিপ্রথা আৰু ধর্মীয় কু-সংস্কাৰৰ বিৰুদ্ধে এক প্রচণ্ড সংস্কাৰ আৰম্ভ কৰিছিল। সেই সময়ত আৰবসকলৰ মাজত থকা বিভিন্ন কুসংস্কাৰ বন্ধ কৰাৰ লগতে সমাজৰ উচ্চ-নীচ মনোভাব আঁতৰ কৰি এজন সৃষ্টিকর্তা 'আল্লা'ত বিশ্বাস ৰাখিবলৈ শিকায়। আৰবসকলক এক শক্তিশালী জাতি কৰি তোলাত হজৰত মহম্মদৰ অৱদান অতুলনীয়। তেওঁ শিকোৱা নীতিবোৰে আজিও ইছলামধর্মী লোকৰ জীৱনত নীতি নির্ধাৰণ কৰে।

ভাৰতবৰ্ষত সমাজ-সংস্কাৰৰ যুগ প্ৰাচীন যুগতেই ঋষি-মুনিসকলে আৰম্ভ কৰিছিল। ভগৱান শ্ৰীকৃষ্ণই ইন্দ্ৰৰ সলনি 'গোৱৰ্দ্ধন পৰ্বতক' পূজা কৰিবলৈ কোৱাটোও এক সংস্কাৰেই আছিল। কিছুমান অদৃশ্য দেৱতাৰ সলনি যিসকলৰ পৰা আমি সহায় পাওঁ তেনে লোকক সন্মান কৰাৰ মহান আদৰ্শ শ্ৰীকৃষ্ণৰ 'গোৱৰ্দ্ধন পূজা'ত নিহিত হৈ আছে। পৰৱৰ্তী কালত হিন্দু ধৰ্মত যি হাজাৰ হাজাৰ কুসংস্কাৰ সোমাইছিল, তাকেই ৰোধৰ উদ্দেশ্যে ভক্তিবাদৰ সৃষ্টি হৈছিল। শংকৰাচাৰ্য, ৰামানন্দ, কবীৰ, তুলসীদাস, তুকাৰাম, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ—এওঁলোক সকলোৱে বলি-বিধানৰ বিৰুদ্ধে, জাতিভেদ প্ৰথা আৰু অসংখ্য কুসংস্কাৰৰ বিৰুদ্ধে মাত মাতিছিল।

এই মহান লোকসকলে আধুনিক ভাৰতবৰ্ষৰ জাতি গঠন, ভাতৃত্ববোধৰ উদয়তো অৱদান আগবঢ়াই গৈছে। কবীৰে হিন্দু-মুছলমানৰ ঐক্য স্থাপনৰ উদ্দেশ্যে ৰচনা কৰা দোহা গীতবোৰে আজিও ভাতৃত্ববোধ জগাই তোলে। তুলসী দাসে সতীদাহ প্ৰথাৰ বিৰুদ্ধে মাত মাতি এজনী বিধৱাক ৰক্ষা কৰাৰ উদ্দেশ্যে তেওঁৰ মৃত স্বামীক জীয়াই তুলিছিল বুলিও কোৱা হয়। তুকাৰামে মহাৰাষ্ট্ৰত উচ্চ নীতি ভাবধাৰাৰ অন্ত ঘটাবলৈ চেষ্টা কৰি মাৰাঠীসকলৰ মাজত ভাতৃত্ববোধ জগাই তুলি পৰোপকাৰী ছত্ৰপতি শিৱাজীক শক্তিশালী মাৰাঠা জাতিৰ উত্থানত সহায় কৰিছিল। অসমত শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱে জাতি-ভেদ প্ৰথাক ৰোধ কৰি যি সুন্দৰ অসম গঢ়ি তুলিছিল, তাৰ বাবেই আজি আমাৰ অসমত ভাৰতৰ অন্যান্য প্ৰান্ততকৈ জাতি-ভেদ প্ৰথাৰ প্ৰকোপ কম বা নগণ্য। বৰ অসম গঢ়াত শংকৰ-মাধৱৰ অৱদান অতুলনীয়।

শিখ ধৰ্মৰ সৃষ্টিৰ মূলতো সমাজ-সংস্কাৰ জড়িত আছিল। কৈশোৰ অৱস্থাতে লগুণ ল'বলৈ অমান্তি হোৱা নানকৰ মনত জাতি-প্ৰথাৰ বিৰুদ্ধে চিন্তা জাগিছিল। তেওঁ নিম্নবৰ্ণৰ লোকে লগুণ ল'ব নোৱৰাৰ বাবে নিজেও লগুণ পিন্ধা নাছিল। সেই সময়ত হিন্দু ধৰ্মত প্ৰচলিত বলিপ্ৰথা, বাল্যবিবাহ, সতীদাহ প্ৰথা, বহুপত্নী বিবাহ, কন্যা সন্তান বধ আদি অসংখ্য কুসংস্কাৰৰ বিৰুদ্ধে গুৰু নানক আৰু তেওঁৰ পিছৰ গুৰুসকলে মাত মাতিছিল। এক ঈশ্বৰত বিশ্বাসী, জাতি-বৰ্ণহীন আৰু কুসংস্কাৰমুক্ত হৈ শিখসকলৰ মাজত যি অখণ্ড ভাতৃত্ববোধৰ সৃষ্টি হৈছিল, তাৰেই ফৰস্বৰূপে কম সংখ্যক হৈও মোগল, পাঠানৰ দৰে বিদেশী শক্তিক ধ্বংস কৰিবলৈ শিখসকল সফল হৈছিল। ধৰ্ম আৰু সংস্কাৰে কিদৰে এক শক্তিশালী জাতিৰ সৃষ্টি কৰিব পাৰে—শিখ জাতি তাৰেই এক উদাহৰণ। পঞ্জাব অঞ্চলৰ লোকবোৰ আগৰেপৰাই দৈহিকভাৱে শক্তিশালী আছিল। কিন্তু শিখ ধৰ্মই তেওঁলোকৰ মাজত একতাৰ সৃষ্টি কৰাৰ পিছতহে তেওঁলোকে প্ৰকৃততে শক্তিশালী হৈছিল। আমাৰ অসমত জাতি-ভেদ প্ৰথাৰ দৰে কুসংস্কাৰ নথকা বাবে অসমীয়াসকল একগোট হ'ব পাৰিছিল। যাৰ বাবেই ইংৰাজৰ বাহিৰে কোনেও অসম দখল কৰিব পৰা নাছিল। ইংৰাজেও অসমক দুৰ্বল অৱস্থাত থাকোতেহে দখল কৰিব পাৰিছিল। সমস্ত ভাৰতবৰ্ষত অসমৰ দৰে জাতি-প্ৰথাৰ প্ৰকোপ কম হোৱা হ'লে কোনো বিদেশী শক্তিয়ে ভাৰতবৰ্ষক পৰাধীন কৰিব নোৱাৰিলেহেঁতেন। গতিকে ভক্তি ধৰ্ম প্ৰচাৰক এই মহাপুৰুষসকলক আমি সন্মান কৰিব লাগে। কিয়নো বিভিন্ন কুসংস্কাৰ ৰোধ কৰি আধুনিক ভাৰত গঢ়াত তেওঁলোকেও সহায় কৰিছিল।

প্ৰাচীন আৰু মধ্যযুগৰ দৰে বৰ্তমানৰ আধুনিক যুগতো বহুতো সমাজ-সংস্কাৰ হৈ আছে। লৰ্ড উইলিয়াম বেণ্টিংক, ৰাজা ৰামমোহন ৰায়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ চেষ্টাত সতীদাহ প্ৰথা বন্ধ কৰা, বিধৱা বিবাহ প্ৰচলন, স্ত্ৰীশিক্ষাৰ প্ৰচলন তথা বৰ্তমান কালত স্বীকৃত নাৰী-পুৰুষ সমান নীতি, বাল্যবিবাহ ৰোধকৰণ, শিক্ষাৰ সম্প্ৰচাৰ আদিও সমাজ-সংস্কাৰেই বুলিব পাৰি। প্ৰাচীন কালত এই কৰ্ম ধৰ্মগুৰুসকলে কৰিছিল; এতিয়া এই কাৰ্য আমাৰ শিক্ষিত মানৱ সমাজৰ। বিভিন্ন কাৰণত সমাজত কিছুমান কুৰীতি প্ৰৱেশ কৰে, ঠিক ঘৰবোৰ বহুদিন চাফা নকৰিলে লেতেৰা হোৱাৰ দৰে। ঘৰবোৰ চাফ-চিকুণ কৰাৰ দৰে সমাজৰ কুৰীতিবোৰক সমাজৰপৰা বাহিৰ কৰাই হ'ল সংস্কাৰ। এই সংস্কাৰৰ মূল শক্তি হ'ল শিক্ষা। প্ৰাচীন কালত সমাজ-সংস্কাৰ কৰা প্ৰতিজন ব্যক্তি সুশিক্ষিত আছিল।

শিক্ষাই হ'ল মানৱ সমাজৰ উন্নয়নৰ মূল চাবিকাঠী। বিজ্ঞানৰ ব্যৱহাৰ, সুন্দৰ জীৱনৰ নীতি, কৰ্মসংস্থান বৃদ্ধি, দেশৰ উন্নতি, সমাজ-সংস্কাৰ সকলো সম্ভৱপৰ একমাত্ৰ শিক্ষাৰ সম্প্ৰচাৰৰ জৰিয়তেহে। আধুনিক যুগত বৰ্দ্ধিত হিংসা, অপৰাধজনিত কাৰণত মানৱ সভ্যতা বিপদাপন্ন হৈছে। শিক্ষাৰ জৰিয়তে মানুহৰ মনবোৰ নিকা কৰি এনে অপৰাধ হ্ৰাস কৰিব লাগিব। প্ৰকৃতিৰ সুৰক্ষাৰ প্ৰতি শিক্ষাইহে মানুহক জাগ্ৰত কৰিব পাৰে। আধুনিক যুগত মানুহৰ মনৰপৰা হিংসা-দ্বেষ ভাব আৰু অপৰাধ আঁতৰাই ভাতৃত্ববোধ জগাই তুলি মানুহৰ মন প্ৰকৃতিৰ সুৰক্ষাৰ প্ৰতি আকৰ্ষিত কৰাকহে সমাজ-সংস্কাৰ বুলি ক'ব পাৰি, আৰু এই ক্ষেত্ৰত সৎ শিক্ষাই একমাত্ৰ উপায়।■

# পুথিভঁৰাল

**ৰাকেশ কলিতা**
*পুথিভঁৰাল কর্মচাৰী, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

শিক্ষানুষ্ঠান এখনৰ পুথিভঁৰালেই হৈছে শিক্ষার্থীসকলৰ সাংস্কৃতিক আৰু বৌদ্ধিক চর্চাৰ প্রাণকেন্দ্র। শিক্ষাৰ মাধ্যম হিচাপে পুথিভঁৰালৰ ভূমিকা গুৰুত্বপূর্ণ। পুথিভঁৰালক নীৰৰ শিক্ষক হিচাপে ধৰি লোৱা হয়।

"A library is the granary of knowledge and wisdom clustered in a lot." বর্তমান সময়ত ছাত্র-ছাত্রীৰ মাজত পুথি অধ্যয়নৰ স্পৃহা জগাই তুলি, ছাত্র-ছাত্রীৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰি তেওঁলোকক সমাজ সচেতন, আত্ম সচেতন কৰি তুলিবৰ বাবে আৰু বিশ্ব- ভাতৃত্বৰ ভাৰ জগাই তুলিবৰ বাবে পুথিভঁৰালৰ প্রয়োজন। শিক্ষানুষ্ঠান এখনৰ শ্রেণীকোঠা এটা আৰু পৰীক্ষাগাৰ এটাৰ যিমান প্রয়োজন, এটা পুথিভঁৰালৰ প্রয়োজন তাতোকৈ কম নহয়। পুথিভঁৰাল হৈছে শিক্ষানুষ্ঠান এখনৰ হৃদপিণ্ড। এজন প্রতিভাবান আৰু পাকৈত শিক্ষকে, নির্দিষ্ট সময়ত পাঠদান কৰোঁতে ছাত্র-ছাত্রীৰ মনত অনেক কৌতূহলৰ জন্ম দিয়ে। এই সকলোবোৰৰ উত্তৰ ছাত্র-ছাত্রীয়ে শ্রেণীকোঠাৰ ভিতৰত নাইবা পাঠ্যপুথিত বিচাৰি নাপাবও পাৰে। এনেবোৰ উত্তৰ ছাত্র-ছাত্রীয়ে নিজাববীয়াকৈ পুথিভঁৰালৰ ভিতৰত থকা বিভিন্ন কিতাপ, আলোচনী আদিত বিচাৰি জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিব পাৰে। পুথিভঁৰালৰ প্রকৃত ব্যৱহাৰে শিক্ষার্থীৰ জ্ঞান, অভিজ্ঞতাৰ পৰিসৰ বৃদ্ধি কৰাৰ লগতে অধ্যয়ন-প্রীতি, পঠন অভ্যাস গঢ় লোৱাত সহায় কৰে।

বর্তমান শিক্ষাব্যৱস্থাৰ সৈতে ওতঃপ্রোতভাৱে সম্পর্কিত হৈ আছে পুথিভঁৰাল। পুথিভঁৰালৰ পৰা ছাত্র-ছাত্রী, গৱেষক-গৱেষিকা তথা যিকোনো মানুহেই উপকৃত হ'ব পাৰে। পুথিভঁৰালে দেশ, জাতি, ভূগোলৰ সীমা পাৰ কৰাই মানুহক এক অনাবিল তৃপ্তি দিব পাৰে। পুথিভঁৰালৰ পৰা ছাত্র-ছাত্রীয়ে বিভিন্ন প্রাসংগিক কিতাপ পাব পাৰে। তাত নিহিত হৈ থকা কথাবোৰে পৰীক্ষাৰ সহায়ক হোৱাৰ কথাতো বাদেই, জীৱনবোধৰ আকৰ ৰূপেও পৰিগণিত হ'ব পাৰে। পুথিভঁৰাল হৈছে জ্ঞান আহৰণৰ উৎস। গ্রন্থ অধ্যয়নৰ প্রসাৰ, ছাত্র-ছাত্রীৰ জ্ঞানৰ উৎকর্ষ সাধন আৰু অধ্যয়নৰ সহজলভ্য মাধ্যম হিচাপে পুথিভঁৰালৰ প্রয়োজনীয়তা অপৰিসীম।

শিক্ষার্থীৰ মনত পুথিভঁৰালৰ প্রতি অভিৰুচিৰ সৃষ্টি কৰা, পুথিভঁৰালৰ যোগেদি পঠন-অভ্যাস গঠন কৰা আৰু তাৰ দ্বাৰা জ্ঞান আহৰণৰ স্বাভাৱিক কৌতূহল ছাত্র-ছাত্রীৰ মনত জগাই তোলা আদি হৈছে শিক্ষাৰ দায়িত্ব। বর্তমান সময়ত জ্ঞান-অভিজ্ঞতাৰ বর্ধিত পৰিসৰ আৰু তাক আহৰণৰ বাবে গ্রহণ কৰা শিক্ষণ পদ্ধতিৰ প্রতি লক্ষ্য ৰাখি পুথিভঁৰালৰ ভূমিকা নিঃসন্দেহে গুৰুত্বপূর্ণ বুলি ক'ব পাৰি।

পুথিভঁৰাল স্থাপিত হয় একমাত্র অধ্যয়নৰ উদ্দেশ্যেই। জগতত অনেক মনীষী আছে, সাহিত্যিক আছে তেওঁলোকৰ ৰচিত সকলোবোৰ অথবা সকলোবোৰ নহ'লেও মনে বিচৰা পুথিসমূহ নিজে কিনি পঢ়াটো কাৰো পক্ষেই সম্ভৱ নহয়। পুথিভঁৰালত যথাসম্ভৱ পুথিসংগ্রহ আৰু সংৰক্ষিত কৰা হয়। পঢ়ুৱৈ সমাজে এই পুথিসমূহ এপইচাও খৰচ নকৰাকৈ পঢ়াৰ সুবিধা পায়। কিতাপ, আলোচনী, বাতৰি কাকত আদি শিক্ষার্থীৰ ৰুচিবোধৰ প্রতি লক্ষ্য ৰাখি পুথিভঁৰালত কিতাপৰ ব্যৱস্থা কৰিব লাগে। সমসাময়িক ঘটনাৱলী, কলা, সাহিত্য, সংগীত, নৃত্য, খেলা-ধূলা আদি বিষয়ৰ ওপৰত বহু ধৰণৰ আলোচনী ওলাইছে। এইবোৰেও পুথিভঁৰালত স্থান পাব লাগে। সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক জীৱনৰ বাবে প্রয়োজনীয় বহু তথ্য সম্বলিত সৰু সৰু পুথি (Pamphlet) বিভিন্ন চৰকাৰী বিভাগে প্রকাশ কৰে। অতি কম খৰচতে সংগ্রহ কৰিব পৰা এনে পুথিবোৰ শিক্ষানুষ্ঠানৰ পুথিভঁৰালত ৰাখিলে ছাত্র-ছাত্রী তথা শিক্ষক উভয়ৰে উপকাৰ হয়। ইয়াৰ উপৰি দৈনিক, সাপ্তাহিক, অর্ধসাপ্তাহিক আদি বিভিন্ন ভাষাৰ বাতৰি কাকত শিক্ষানুষ্ঠানৰ পুথিভঁৰালৰ জৰিয়তে পঢ়াৰ আগ্রহ বঢ়াৰ ফলস্বৰূপে ল'ৰা-ছোৱালীয়ে যাতে কিতাপক ভাল পাবলৈ শিকে তাৰ প্রতি যত্নৱান হ'ব লাগিব। আমোদৰ বাবে কিতাপ পঢ়িবলৈ উৎসাহিত কৰি এই লক্ষ্য পূৰণ কৰিব পৰা যায়।

পুথিভঁৰাল হৈছে জ্ঞানৰ বিকাশ সাধন প্রক্রিয়াৰ এক উপযুক্ত মাধ্যম। পুথিভঁৰাললৈ নিয়মিত আহ-যাহে ছাত্র-ছাত্রীৰ বৌদ্ধিক বিকাশৰ লগতে চৰিত্র গঠন আৰু মানসিক পৰিপক্কতাতো ই সহায়ক হয়। অতীতৰে পৰা পুথিভঁৰালত সঞ্চিত হৈ থকা বিভিন্ন গ্রন্থ-আলোচনীয়ে জ্ঞান ভাণ্ডাৰ চহকী কৰি আহিছে।

পুথিভঁৰালৰ আন এটা ডাঙৰ উপকাৰ হ'ল যে দুখীয়া মেধাবী ছাত্র-ছাত্রীয়ে ইয়াৰ পৰা পাঠ্যক্রম অন্তর্গত বিষয়ৰ পুথি নির্দিষ্ট সময়ৰ বাবে নি পঢ়াৰ সুবিধা পায়। আনহাতে, গৱেষণাগাৰত ছাত্র-ছাত্রীয়েও কেৱল উপযুক্ত পুথিভঁৰালক নির্ভৰ কৰিয়েই গৱেষণাত সুফল লাভ কৰিব পাৰে।

বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ প্রসাৰে গোটেই পৃথিৱীখনতেই খলকনি তুলিছে। বিভিন্ন পুথিভঁৰালত ভিন্ন তথ্য পাব পৰাকৈ সংযোজিত হৈ আছে Information and Library Network. গৱেষক-গৱেষিকা বা ছাত্র-ছাত্রীয়ে বুটাম টিপিলেই তাত নানা তথ্যৰ সম্ভেদ পাব পাৰে। সম্প্রতি পুথিভঁৰাল কেৱল কিতাপ সংৰক্ষণ কৰি ৰখা অনুষ্ঠান বিশেষ হৈ থকা নাই। পুথিভঁৰাল হৈ পৰিছে জ্ঞানৰ অম্লান উৎস।

একোখন ভাল পুথি পঢ়া মানে একোজন ভাল মানুহৰ লগত কথা পতা। গতিকে পুথিভঁৰালৰ এই সকলো সুবিধা সকলোৱে গ্রহণ কৰি নিজৰ জ্ঞানৰ ভাণ্ডাৰ পূৰ কৰিব লাগে।

প্রাচীন কালৰে পৰা জ্ঞানৰ নীৰৰ সাধনাৰ সৈতে সম্পৃক্ত হৈ আছে সংৰক্ষণৰ বাসনা। মানুহৰ প্রজ্ঞাৰ সাধনাই অতিক্রম কৰিছে বহু সময়, বহু শতিকা। অথচ এতিয়াও শেষ হৈ যোৱা নাই জ্ঞানৰ অনন্ত তৃষ্ণা। পুথিভঁৰাল সেই তৃষ্ণাৰে ধাৰক আৰু বাহক।■

# ভাৰতৰ স্বাধীনতা আন্দোলনত শুৱালকুছিৰ ভূমিকা

**শ্রীপ্রিয়নাথ শর্মা**

হেষ্টিংছৰ শাসন কালৰ প্রাৰম্ভৰে পৰা ডেলহাউচীৰ শাসন কালৰ শেষলৈকে অর্থাৎ ১৭৭২ চনৰ পৰা ১৮৫৬ চনলৈকে চৌৰাশী বছৰ ধৰি ব্রিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত শাসন কৰিছিল। ইয়াৰ পিছত ১৮৫৮ চনৰ পৰা ১৯০৫ চন পর্যন্ত সাতচল্লিশ বছৰ ব্যাপী ব্রিটিছ চৰকাৰৰ প্রত্যক্ষ শাসনে ভাৰতবর্ষৰ সুবিস্তৃর্ণ অঞ্চলত উপনিবেশ স্থাপনেৰে অভিলেখ গঢ়িছিল।

উক্ত সুদীর্ঘ কালত ইংৰাজৰ স্বার্থক অগ্রাধিকাৰ দিয়া কূটনীতি প্রয়োগেৰে প্রয়োজনৰ তাগিদাত যুদ্ধ-বিগ্রহত লিপ্ত হৈয়ো সাম্রাজ্য বিস্তাৰ কৰা আৰু ভাৰতবর্ষত উৎপন্ন হোৱা কৃষিজ, শিল্পজ, বনজ, জলজ, খনিজ প্রভৃতি সকলো সামগ্রীৰে অন্ততঃ আশী শতাংশ সম্পদ জলপথেৰে লণ্ডনলৈ চালান দিয়াৰ লক্ষ্যৰে গৱর্ণৰ জেনেৰেল সকলে ব্রিটিছ চৰকাৰৰ সন্মতি সাপেক্ষে ভাৰতবর্ষৰ শাসন ব্যৱস্থা হাতত লৈছিল।

শাসনৰ সুবিধার্থে প্রধানকৈ তিনি জন গৱর্ণৰ জেনেৰেলে বিভিন্ন সংস্কাৰমূলক আৰু জনহিতকৰ কার্য্যত আত্মনিয়োগ কৰিছিল। তেওঁলোক হ'ল লর্ড উইলিয়াম বেণ্টিক, লর্ড ডেলহাউচী আৰু লর্ড কার্জন।

উদাৰপন্থী, শিক্ষিত বেণ্টিকে সজ কর্মৰ যোগেদি ভাৰতবাসীৰ অন্তৰ জয় কৰিব পাৰিছিল। কিন্তু ডেলহাউচীয়ে পশ্চিমীয়া দৃষ্টিভংগীৰে অনেক গঠনমূলক আৰু কল্যাণমূলক কাম কৰিয়ো একমাত্র ভাৰতবাসীক অৱজ্ঞা কৰাৰ নিচিনা ঘৃণিত চৰিত্রৰ বাবে ভাৰতৰ লাখ লাখ জনতাৰ অপ্রিয় হৈছিল। তেওঁৰ এই অক্ষমণীয় কার্যৰ ফলশ্রুতিতে ১৮৫৭ চনত চিপাহী বিদ্রোহে গা কৰি উঠিছিল।

আনহাতে ব্রিটিছ সাম্রাজ্যৰ জয় ঢোল বজোৱা লর্ড কার্জনে উন্নয়নৰ প্রায় সর্বদিশতে আগবঢ়োৱা অনেক গঠনমূলক কর্মৰ বিনিময়তো ভাৰতবাসীৰ আকর্ষণ লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। বৰং তেওঁ ভাৰতবর্ষৰ প্রতিজন লোকৰ শত্রু ৰূপে চিহ্নিত হৈছিল। বিশেষকৈ তেওঁ কৰা 'বংগ ভংগ'ৰ নিচিনা অদূৰদর্শী ব্যৱস্থাই ইংৰাজ চৰকাৰৰ বিৰুদ্ধে পোন প্রথমতে বংগদেশত বিপ্লৱৰ সূচনা কৰিছিল। এই বিপ্লৱেই কালক্রমত ভাৰতবর্ষত জনজাগৰণৰ সৃষ্টি কৰি অৱশেষত স্বাধীনতা আন্দোলনত পৰিণত হৈছিল।

দেশৰ এনে পৰিস্থিতিত এচাম মধ্যবিত্ত ভাৰতীয় যুৱকে উচ্চ শিক্ষা লাভ কৰি দেশমাতৃৰ ডিঙিৰ পৰা দাসত্বৰ শিকলি আঁতৰাই পেলাবলৈ জীৱন পণ কৰি ককালত টঙালি বান্ধিছিল। লুপ্ত স্বাধীনতাৰ পুনৰ উদ্ধাৰৰ বাবে প্রতিজ্ঞাবদ্ধ উক্ত শিক্ষিত যুৱকসকলে ব্রিটিছ সাম্রাজ্যবাদৰ ছত্রছায়াতে গঢ়ি তুলিছিল এক দেশ এক জাতিৰ ধ্যান ধাৰণাৰে উদ্বুদ্ধ মহান ভাৰতীয়ৰ বাবে এখন ঐক্যমঞ্চ, য'ত নাছিল জাতি-উপজাতি, ভিন ভিন ভাষা আৰু বিভিন্ন ধর্মৰ কাৰণে সুনির্দিষ্ট আসনৰ ব্যৱস্থা।

এনে সময়তে ১৮৮৩ চনত কলিকতা বিশ্ববিদ্যালয়ৰ স্নাতক সকলে অক্টোভিয়ান হিউম নামৰ এজন প্রাক্তন চিভিলিয়ানৰ চিঠিৰ মর্মে এটা সংস্থা খুলিছিল আৰু ইয়াৰ যোগেদি ভাৰতবাসীৰ মানসিক, নৈতিক, সামাজিক আৰু ৰাজনৈতিক অৱস্থাৰ উত্তৰণত উঠি পৰি লাগিছিল।

হিউমৰ উদ্যোগতে ১৮৮৫ চনত ভাৰতীয় নেতৃস্থানীয় অনেক লোকৰ অন্তর্ভুক্তিৰে বোম্বাই মহানগৰীত ভাৰতৰ জাতীয় কংগ্রেছৰ প্রথম অধিবেশন অনুষ্ঠিত হৈছিল। খ্যাতনামা বঙালী বেৰিষ্টাৰ উমেশচন্দ্র বেনার্জীয়ে এই অধিৱেশনত সভাপতিৰ আসনত অধিষ্ঠিত হৈ সভাৰ কার্য সুচাৰুৰূপে সম্পন্ন কৰিছিল। ইয়াৰ পিছৰ পৰা ভাৰতৰ একমাত্র জাতীয় ৰাজনৈতিক দল হিচাপে কংগ্রেছে ভাৰতৰ স্বাধীনতা সংগ্রামত জপিয়াই পৰিছিল।

উনৈশ শতিকাৰ আৰম্ভণিৰে পৰা আহোম স্বর্গদেউ সকলৰ অৱস্থা ক্রমাৎ অধঃপতনৰ ফালে ধাবিত হৈছিল। ৰাজ্য শাসন কৰিবলৈ প্রয়োজনীয় শক্তি-সামর্থৰ তেওঁলোকৰ বাৰুকৈয়ে অভাৱ হৈছিল। তাতে আকৌ পাত্র-মন্ত্রী, ডা-ডাঙৰীয়া সকলৰ মাজতো দূৰদৃষ্টি সম্পন্ন লোক একেবাৰেই নাছিল।

তিনিজনকৈ স্বর্গদেউৰ মহামন্ত্রী হিচাপে কার্যনির্বাহ কৰা অদূৰদর্শী পূর্ণানন্দ বুঢ়াগোঁহাই ডাঙৰীয়াই তেওঁৰ বিয়ে বদন চন্দ্র বৰবৰুৱাৰ লগত আৰম্ভ কৰা অন্তর্কন্দলৰ ফলত আহোম ৰাজ্যৰ সর্বনাশ হোৱাৰে লক্ষণ ঘনীভূত হ'বলৈ ধৰিলে। বুঢ়াগোহাইক এসেকা দিবলৈ দেশদ্রোহী বদনেও মান ৰজাক আমন্ত্রণ জনালে।

মানে দুবাৰকৈ আহোম ৰাজ্য আক্রমণ কৰি ৰাজ্যখনক চকুৰ পচাৰতে মৰিশালীত পৰিণত কৰিলে। উপায়ন্তৰ হৈ পৰা স্বর্গদেৱৰ অনুৰোধ ৰক্ষা কৰি সুযোগ সন্ধানী প্রৱল প্রতাপী ইংৰাজ শাসকে মানক খেদি নি আহোমৰ ৰাজ্য পূব প্রান্তত থিয় কৰাইছিল।

১৮২৬ চনৰ ২৪ ফেব্রুৱাৰীত, ব্রহ্মদেশৰ ইয়াণ্ডাবু নামৰ ঠাইত মান ৰজাৰ লগত হোৱা সন্ধি অনুযায়ী অসমক ইংৰাজে নানা কূটকৌশলেৰে দখল কৰিবলৈ ধৰিলে। এই ইয়াণ্ডাবু সন্ধিক কিন্তু আহোম স্বর্গদেউ সকলৰ উত্তৰাধিকাৰীসকল তথা ডা-ডাঙৰীয়াসকলে মানি চলিবলৈ দ্বিধাবোধ কৰিছিল আৰু পূর্বৰ আহোম ৰাজ্যৰ পুনৰুদ্ধাৰৰ

বাবে যত্নপৰ হৈছিল। এই কার্যত মনে-প্রাণে ব্রতী হোৱা প্রধান ব্যক্তিজন আছিল— আই অসমীৰ সুযোগ্য সন্তান মণিৰাম দেৱান। কমলেশ্বৰ সিংহক আহোমৰ ৰাজসিংহাসনত অধিষ্ঠিত কৰাৰ উদ্দেশ্যৰে দেৱান ডাঙৰীয়াই কলিকতা মহানগৰীত উপস্থিত হৈ কমিচনাৰ চাহাবক দুবাৰো লগ ধৰিবলৈ চেষ্টা কৰি বিফল হৈছিল।

এনে সময়তে ১৮৫৭ চনত চিপাহী বিদ্রোহৰ দাবানলে ভাৰতবর্ষৰ দশোদিশ ছানি ধৰিছিল। সুচতুৰ ৰাজনীতিক দেৱানদেৱে কলিকতাৰ পৰাই কটকীৰ হতুৱাই অসমতো অনুৰূপ বিদ্রোহ গঢ়ি তুলিবলৈ উঠিপৰি লাগিছিল। কিন্তু হৰনাথ দাৰোগা প্রমুখ্যে মুষ্টিমেয় দেশদ্রোহীৰ ষড়যন্ত্রৰ বাবে এই বিপ্লৱে কলিতে মৰহি যাব লগা হৈছিল। ফলস্বৰূপে শিৱসাগৰৰ শাসনকর্তা হলৰইদ চাহাবে বিদ্রোহীসকলক কৰায়ত্ব কৰি বিনা বিচাৰে কিছুমানক দেশান্তৰৰ নিচিনা নানা ধৰণৰ গুৰুতৰ শাস্তি বিহিছিল। অকল ইমানতে ক্ষান্ত নহৈ এইজন নিষ্ঠুৰ শাসকে ১৮৫৮ চনৰ ২০ ফেব্রুৱাৰীত যোৰহাট নগৰত মণিৰাম দেৱান আৰু পিয়লি বৰুৱাক ফাঁচী দিয়াইছিল। এনেকুৱা অন্যায় অবিচাৰৰ বাবে ইংৰাজক সমুচিত উত্তৰ দিবলৈ অসমবাসীয়ে সময় আৰু সুযোগৰ সন্ধানত ব্যগ্র হৈ পৰিছিল।

সৌভাগ্যৰ কথা যে দেশভক্ত তৰুণৰাম ফুকন আৰু কর্মবীৰ নবীন চন্দ্র বৰদলৈৰ আশাশুধীয়া চেষ্টাৰ ফলতে ১৯২৬ চনত অসমৰ পাণ্ডুত ভাৰতৰ জাতীয় কংগ্রেছৰ অধিবেশন অনুষ্ঠিত হৈছিল। সভাপতিৰ আসন অলংকৃত কৰিছিল ভাৰতমাতাৰ সুসন্তান শ্রীনিবাস আয়েঙ্গাৰ মহোদয়ে।

উক্ত অধিবেশনক সাফল্যমণ্ডিত কৰিবলৈ উদ্যোগ লোৱা অসমী আইৰ সুযোগ্য সন্তান কেইগৰাকীমান হ'ল— গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, বিজয় চন্দ্র ভাগৱতী, অমিয় কুমাৰ দাস, সিদ্ধি নাথ শর্মা, লক্ষীধৰ বৰা, ৰবীন নবীশ, ডাঃ ভুবনেশ্বৰ বৰুৱা, দেবেশ্বৰ শর্মা, জ্যোতিপ্রসাদ আগৰৱালা, মহীকান্ত দাস আৰু লক্ষীধৰ শর্মা।

পূর্বসুৰী ফুকন আৰু কর্মবীৰৰ উৎসাহ উদ্দীপনাৰে অনুৰক্ত ওপৰোক্ত স্বনামধন্য ব্যক্তিসকলৰ আপ্রাণ চেষ্টাৰ পৰিণাম স্বৰূপে অসমৰ সর্বত্রতে জাতীয় কংগ্রেছৰ সদস্যৰ সংখ্যা আশাতীতভাবে বৃদ্ধি হ'বলৈ ধৰিলে। পৰম সন্তোষৰ কথা যে অচিৰেই অসমতো কংগ্রেছৰ অবাধ গতিয়ে হিলদল ভাঙি ভাৰত মাতাৰ স্বাধীনতা সংগ্রামৰ বাবে জীৱন পণ কৰা অগণন বীৰ-বীৰাঙ্গনাৰ সৃষ্টি কৰিবলৈ সক্ষম হ'ল।

অধিবেশনৰ প্রতি আকর্ষিত হৈছিল শুৱালকুছিৰ কেইজন মান যুৱক। তেওঁলোকে নাৱত উঠি ব্রহ্মপুত্রৰ বুকুৰেদি উজাই গৈ পাণ্ডুত উপস্থিত হ'ল আৰু কংগ্রেছী নেতৃবৃন্দৰ উদাত্ত ভাষণ শুনি স্তব্ধ হৈ পৰিল। মুহূর্তৰ ভিতৰতে ভাষণৰ তাৎপর্য বুজি তেওঁলোকেও কংগ্রেছী হৈ দেশ মাতৃৰ ডিঙিৰ পৰা দাসত্বৰ শিকলি গুচাবলৈ আমৰণ সংগ্রাম কৰিবলৈ দৃঢ় প্রতিজ্ঞ হ'ল। এই অদম্য বাসনা বুকুত বান্ধি তেওঁলোক আহি নিজ নিজ ঘৰত উপস্থিত হৈ গাঁওখনৰ ইমূৰ-সিমূৰ ঘুৰা-ঘুৰি কৰি সমবয়সীয়া বন্ধু-বান্ধৱকো কংগ্রেছ ভাবাপন্ন কৰিবলৈ উঠিপৰি লাগিল। অৱশ্যে, তেওঁলোকৰ এই চেষ্টা অথলে নগ'ল।

১৯৩৫ চনত কান্তিৰাম মেধি ডাঙৰীয়াৰ নেতৃত্বত প্রথমবাৰৰ বাবে জাতীয় কংগ্রেছৰ এটি শাখা শুৱালকুছিত গঠিত হৈছিল। এই শাখাটিৰ সদস্য হিচাপে হৰিশ্চন্দ্র কাকতী, নৰোত্তম দাস, ৰত্নেশ্বৰ ভৰালী, সিদ্ধেশ্বৰ ওজা, মনপুৰ কলিতা, নগেন্দ্র নাথ শর্মা, নৰপতি দেৱশর্মা, সর্বা মেধি, বংশী কলিতা, প্রিয় কলিতা, মহেন্দ্রী মড়ল, বদন কলিতা, নিত্যানন্দ দেউৰী, নাৰায়ণ কাকতী, পদ্মৰাম কাকতী, দেবেন্দ্র নাথ কাকতী, ধৰণী শর্মা, চন্দ্রকান্ত দাস, কামিনী মেধি, মাধৱ ডেকা, শ্রীজয়কান্ত দাস, গঙ্গা মহন্ত, অচ্যুৎ মহন্ত প্রমুখ্য ব্যক্তিয়ে স্থান লাভ কৰিছিল।

কংগ্রেছৰ জনজাগৰণৰ কার্যসূচী হিচাপে প্রতিদিনে নিচেই ৰাতিপুৱাতে নিম্নশ্রেণীৰ স্কুলীয়া ছাত্র-ছাত্রীয়ে অংশগ্রহণ কৰা প্রভাত ফেৰিৰ নেতৃত্ব দিছিল ডাঃ হৰিশ্চন্দ্র কাকতীদেৱে অথবা নৰোত্তম দাস ডাঙৰীয়াই। খোল, তাল বজাই সৃষ্টি কৰা উৎসৱমুখৰ পৰিবেশত স্বদেশ প্রেমৰ গীতে কণ-কণ ল'ৰা-ছোৱালীবোৰৰ মৌ বৰষা মাতেৰে ধ্বনিত হৈ গাঁওখনৰ প্রধান প্রধান আলিবাটেৰে আগবঢ়াই লৈ যোৱা আকর্ষণীয় সমদলে সচাকৈয়ে এক কল্পনাতীত মনোৰম দৃশ্যৰ সৃষ্টি কৰিছিল। কোৱা বাহুল্য যে 'বন্দে মাতৰম', 'ভাৰত মাতা কি জয়', 'ইনক্লাব জিন্দাবাদ' আদি সঘনে উচ্চ স্বৰে ঘোষিত শ্লোগানসমূহে যেন ভাৰতবর্ষৰ স্বাধীনতা সংগ্রামত জয়ৰহে আগজাননী আছিল। শুৱালকুছিৰ মহেন্দ্র দাসৰ ঘৰত থাকি খাদী উদ্যোগৰ ব্যৱস্থা লোৱা মুখ্য ব্যক্তিজন আছিল 'নিবাৰণ' নামৰ এজন বহিৰাগত কংগ্রেছী লোক। এই স্বাৱলম্বী উদ্যোগত জড়িত হোৱা অন্য কেইজনমান ব্যক্তি হ'ল— মাধৱ ডেকা, নৰোত্তম দাস আৰু পৰশু�ৰাম বেপাৰী।

গান্ধীজীৰ সবল নেতৃত্বত পৰিচালিত হোৱা অসহযোগ আৰু আইন অমান্য আন্দোলনৰ বিভিন্ন কার্যসূচীত উক্ত লোকসকলে অশেষ কৃতকার্যতাৰে অংশগ্রহণ কৰিছিল। এওঁলোকৰ তৎপৰতাতে শুৱালকুছিৰ চাৰিখুটাৰ ওচৰত বিলাতী ৰেচম বস্ত্রৰ দমত অগ্নিসংযোগ কৰাৰ লগতে ভাং কুটা খুটনা, চিলিম আদি নষ্ট কৰি পোলোৱা হৈছিল। বিদ্যালয় বর্জন কার্যসূচীত ৰমেশ কাকতীৰ অংশগ্রহণে সকলোকে অবাক কৰিছিল। তেখেতে বিদ্যালয়গৃহৰ মুখ্য প্রৱেশ পথত দীঘল হৈ শুই পৰিছিল। উদ্দেশ্য আছিল শিক্ষক-শিক্ষয়িত্রী, ছাত্র-ছাত্রী সকলোকে বিদ্যালয় ত্যাগ কৰিবলৈ বাধ্য কৰা।

ভাৰতবর্ষৰ স্বাধীনতা সংগ্রামৰ বিভিন্ন কার্যসূচীৰ উদ্দেশ্য ৰাইজক অৱগত কৰাৰ মানসেৰে বৃহত্তৰ শুৱালকুছিৰ ভিন ভিন স্থানত সদস্য সকলে সময়ে সময়ে ৰাজহুৱা সভাৰ আয়োজন কৰিছিল। সভাত বিষ্ণুৰাম মেধি আৰু উমেশচন্দ্র চৌধাৰীৰ নিচিনা বিশিষ্ট কংগ্রেছী লোকে উপস্থিত হৈ সমবেত ৰাইজক সম্বোধন কৰি সাৰুৱা ভাষণেৰে সকলোৰে মন জয় কৰিবলৈ সমর্থ হৈছিল।

গান্ধীজীয়ে জাতীয় বিদ্যালয় স্থাপনৰ বাবে দেশবাসীক জনোৱা আহ্বানৰ প্রতি সঁহাৰি জনাই শুৱালকুছিৰ তেনেই নগণ্য সংখ্যক কংগ্রেছী লোকৰ অশেষ পৰিশ্রমৰ ফলত ৰাজহুৱা দান-বৰঙণিৰে ১৯৩১ চনত এখন এম ই স্কুল গঢ়ি উঠি আধুনিক শিক্ষা বিস্তাৰৰ কেন্দ্র হৈ পৰিল। এইখন এম ই স্কুলেই ১৯৩৯ চনত পূর্ণ পর্যায়ৰ হাইস্কুলত পৰিণত হৈছিল।

সেই সময়ত শুৱালকুছি হাইস্কুলখনেই পূব বংশৰ আৰু পশ্চিম বংশৰ মৌজাৰ একমাত্ৰ উচ্চ শিক্ষাৰ বাটকটীয়া শিক্ষানুষ্ঠান আছিল। প্ৰায় উৎপত্তি কালৰে পৰা সুদীৰ্ঘ ষাঠি বছৰ ধৰি প্ৰতিবছৰে এহেজাৰৰো অধিক শিক্ষাৰ্থীক শিক্ষালাভৰ সুযোগ দানেৰে স্কুলখনে অসমৰ এখন লেখত ল'বলগীয়া জাতীয় বিদ্যালয় হিচাপে স্বীকৃতি লাভ কৰিছিল।

স্থানীয় ৰাইজ, অভিভাৱক, কৃতী শিক্ষক, নমনীয় শিক্ষাৰ্থী— সকলোৰে সন্মিলিত প্ৰচেষ্টাৰ ফলতে বিদ্যালয়খনৰ সুনাম দশোদিশে বিয়পিছিল। উল্লেখযোগ্য যে কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা এণ্ট্ৰেন্স পৰীক্ষাতো একেৰাহে বহুবছৰ ধৰি স্কুলখনে সুখ্যাতি অৰ্জনেৰে অসমবাসীক আশাতীত আনন্দ দিছিল।

দুৰ্ভাগ্যৰ বিষয় যে ১৯৪২ চনৰ 'ভাৰত ত্যাগ' আন্দোলনৰ সময়ত কোনো দুষ্কৃতিকাৰীয়ে ষড়যন্ত্ৰ কৰি এদিনাখন গভীৰ নিশাত হাইস্কুলখনত অগ্নি সংযোগ কৰাৰ ফলত ইয়াৰ বিস্তৰ ক্ষতি হৈছিল। এই অপকৰ্মৰ বাবে শুৱালকুছিৰ প্ৰতি পৰিয়ালে পাইকাৰী জৰিমনাও ভৰিব লগা হৈছিল। এনেকুৱা দুৰ্যোগৰ সময়তো গাঁওবাসীয়ে ততালিকে লোৱা কাৰ্যকৰী উদ্যোগৰ বাবে অত্যাৱশ্যকীয় ঘৰ নিৰ্মাণে স্কুলখনৰ দৈনন্দিন পাঠদানৰ ধাৰাবাহিকতা ৰক্ষা কৰিব পাৰিছিল।

উক্ত দুৰ্ঘটনাৰ পিছত হাইস্কুলখনৰ উন্নতি দোপতদোপে বৃদ্ধি হ'বলৈ ধৰিলে। খেলাধূলা, সুকুমাৰ কলা প্ৰভৃতিৰ প্ৰতিযোগিতাত ছাত্ৰসমাজ উঠিপৰি লাগিল। স্কুল পৰিচালনা সমিতি, শিক্ষক সমাজ আৰু গাঁওখনৰ গণ্যমান্য লোকসকলে আগবঢ়োৱা অনবদ্য সহায় সহযোগ, উৎসাহ-উদ্দীপনাই ছাত্ৰসকলক অসীম প্ৰেৰণা আৰু অপৰিসীম বলৰ যোগান ধৰিছিল— উৎকৃষ্টমানৰ লোকসম্পদ হিচাপে গঢ়ি তোলাৰ স্বাৰ্থত।

দূৰদৰ্শী শিক্ষক সমাজৰ তত্ত্বাৱধানত গঢ়ি উঠিছিল দুখনকৈ আপুৰুগীয়া সভা— এখন ছাত্ৰ একতা সভা আৰু আনখন জ্ঞানদায়িনী সভা। সু-শৃংখলিত নীতি নিয়মেৰে পৰিচালিত সভা দুখনৰ সফল অনুষ্ঠানে ছাত্ৰসকলক গণতান্ত্ৰিক মূল্যবোধৰ গভীৰ ধ্যান ধাৰণা প্ৰদান কৰিছিল আৰু অনাগত দিনত উন্নত মানৰ সু-সংহত সামাজিক জীৱন-যাপনৰ প্ৰতি আকৰ্ষণ যাচিছিল।

অৱশেষত জ্ঞানদায়িনী সভাখনত গৃহীত সৰ্বসন্মত সিদ্ধান্তৰ মৰ্মে ছাত্ৰ একতা সভাই স্কুলখনৰ বাৰ্ষিক মুখপত্ৰ 'নৱ-জাগৰণ' পৰম উৎসাহেৰে প্ৰকাশ কৰি বৌদ্ধিক দিশত আৰু এখোজ আগবাঢ়িল। উক্ত আলোচনীত প্ৰকাশিত, শিক্ষক আৰু ছাত্ৰৰ দ্বাৰা ৰচিত প্ৰৱন্ধ, গল্প, কবিতা, গীত, ৰস-ৰচনা, একাঙ্কিকা নাট আদিয়ে পঢ়ুৱৈ সমাজক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। সংক্ষেপতে ক'বলৈ গ'লে, 'নৱ-জাগৰণ' নামৰ, হাইস্কুলখনৰ এইবাৰ্ষিক মুখপত্ৰখনেই হ'ল— প্ৰথমবাৰৰ বাবে বৃহত্তৰ শুৱালকুছিৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ একমাত্ৰ, অন্যতম আৰু নিৰ্ভৰযোগ্য মাধ্যম।

১৯৪২ চনৰ ৮ আগষ্টত গান্ধীজীৰ নেতৃত্বত জগৎ বিখ্যাত 'ভাৰত ত্যাগ' গণ আন্দোলন দেশজুৰি আৰম্ভ হ'ল। পাছদিনা বেলি নৌ উঠোতেই ইংৰাজ চৰকাৰে কংগ্ৰেছৰ সকলো লোককে জে'লত ভৰাবলৈ ধৰিলে। ভাৰত মাতাৰ মুক্তিৰ সংগ্ৰামত ভাৰতবাসীয়ে পলকতে ৰুদ্ৰমূৰ্তি ধাৰণ কৰিলে। লগে লগে ভাৰতবৰ্ষৰ সকলো ঠাইতে বিদ্রোহৰ অগ্নি দাও দাওকৈ জ্বলি উঠিল।

টেলিগ্ৰাফ, টেলিফোন বিকল কৰা, ৰে'ল লাইন উঠাই দিয়া, দলং ভঙা, ঠায়ে ঠায়ে অগ্নি সংযোগ কৰা, জাতীয় পতাকা উত্তোলন কৰা, শোভাযাত্ৰা বাহিৰ কৰা, হাট-বজাৰকে ধৰি কল-কাৰখানা বন্ধ কৰা প্ৰভৃতি কাৰ্য্য সম্পাদনেৰে কল্পনাতীত গণ বিপ্লৱৰ সৃষ্টি কৰি জগৎবাসীক স্তম্ভিত কৰিছিল ভাৰতবৰ্ষৰ বিদ্রোহী জনগণে।

উক্ত গণবিপ্লৱ দমন কৰিবলৈ ইংৰাজ চৰকাৰে গুলীচালনা, লাঠিচালনা, ফাঁচী দিয়া, সশ্ৰম কাৰাদণ্ড বিহা আদি সকলো ধৰণৰ শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিছিল। অসমতো বিয়াল্লিছৰ গণ বিপ্লৱত আগভাগ লৈ কনকলতা, ভোগেশ্বৰী ফুকননী, মুকুণ্ড কাকতী, নুমলী নাথ, ঠগী সুত, নিৰ্বন কোঁচ আদিয়ে পুলিচৰ নিৰ্মম গুলীত প্ৰাণ হেৰুৱাইছিল। স্বাৰ্থান্বেষী চৰকাৰৰ অন্যায় বিচাৰত কুশল কোঁৱৰক ফাঁচী দিয়া হৈছিল।

জাতীয় কংগ্ৰেছৰ সম্পূৰ্ণ সহযোগ আৰু সমৰ্থন লাভ কৰি গান্ধীজীয়ে পৰিচালনা কৰা 'অসহযোগ', 'সত্যাগ্ৰহ' আৰু 'ভাৰত ত্যাগ' আন্দোলনত শুৱালকুছিৰ কংগ্ৰেছী কৰ্মীৰ অংশ গ্ৰহণে সৰ্বসাধাৰণ লোকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছিল। অচ্যুৎ চন্দ্ৰ মহন্ত আৰু ভোমা গাঁও নিবাসী অনন্ত ৰাম মালাকাৰে শুৱালকুছিত সত্যাগ্ৰহ কৰিছিল। শুৱালকুছিৰ সিদ্ধেশ্বৰ ওজাক টিহুত সত্যাগ্ৰহ কৰি থাকোতে পুলিচে গ্ৰেপ্তাৰ কৰিছিল। গণ বিপ্লৱত অংশগ্ৰহণ কৰি অবিভক্ত কামৰূপ জিলাৰ বিভিন্ন ঠাইত গ্ৰেপ্তাৰ হৈ কাৰাগাৰত আৱদ্ধ হোৱা শুৱালকুছিৰ কংগ্ৰেছকৰ্মী সকলৰ ভিতৰত আছিল— নগেন্দ্ৰ নাথ শৰ্মা, নৰপতি দেৱ শৰ্মা, হৰিশ্চন্দ্ৰ কাকতী, কান্তিৰাম মেধি, কামিনী মেধি, ৰমেশ চন্দ্ৰ কাকতী, ধৰণীধৰ শৰ্মা, ৰজনী কলিতা, ধনেশ্বৰ দাস, শ্ৰীজয়কান্ত দাস আৰু শ্ৰীদেবেশ্বৰ দাস।

সেই সময়ত পূব বংশৰ মৌজাৰ অদ্বিতীয় ব্যায়ামবীৰ অসামান্য বল-বীৰ্যৰ অধিকাৰী বগা পালোৱান ওৰফে পদ্মৰাম কাকতী শুৱালকুছিৰ অবিসম্বাদী লৌহ মানৰ আছিল। অসীম শাৰীৰিক শক্তি লাভ কৰিও তেখেতে কদাপিতো কাৰো অন্যায় কৰা নাছিল। প্ৰায় সকলো সময়তে দয়া-মমতাৰে তেওঁৰ অন্তৰ পৰিপূৰ্ণ হৈছিল। সেয়েহে বিপদত পৰা মানুহক সৰ্বশক্তিৰে সহায় কৰিবলৈ তেওঁ সততে আগভাগ লৈছিল। প্ৰথমতে তেওঁ নেতাজী সুভাষ চন্দ্ৰ বসুৰ আজাদ হিন্দ ফৌজৰ প্ৰতিহে অনুৰক্ত আছিল। সংগী আছিল শুৱালকুছি শান্তিটোল নিবাসী মানিক দাস। পাছে তেওঁ কংগ্ৰেছৰ একান্ত ভক্ত হৈ উঠিছিল।

বিয়াল্লিছৰ গণ বিপ্লৱত তেখেতৰ অংশগ্ৰহণ সদৌ শুৱালকুছিবাসীৰ পক্ষে উৎসাহৰ কাৰণ হৈছিল। কিয়নো গাঁওবাসীৰ দৃঢ় বিশ্বাস হ'ল— বগা পালোৱানৰ বাবে অসম্ভৱ একোৱেই হ'ব নোৱাৰে আৰু সেয়ে তেওঁ বিপ্লৱটিৰ উদ্দেশ্য সাধনত সুনাম অৰ্জন কৰিব।

কাকতীদেৱে তেওঁৰ অনুগামী স্থানীয় ব্যায়ামবীৰ প্ৰমোদাকান্ত শৰ্মা, নিত্যানন্দ দেউৰী, সোন্ধন দাস প্ৰমুখ্যে যুৱকৰ সৈতে সংঘবদ্ধ হৈ ব্ৰহ্মপুত্ৰৰ বুকুৱেদি সৈন্যৰ বাবে পঠিওৱা খাদ্য আৰু পোছাক কঢ়িয়াই নিয়া নাওবোৰ একেৰাহে বহুদিন পানীত বুৰাই দিছিল।

শুৱালকুছিবাসীৰ মৰমৰ সম্বোধনেৰে পৰিচিত এইগৰাকী বগা

পালোৱানে এদিনাখন অকস্মাতে ভিখাৰীৰ বেশেৰে গৈ গুৱাহাটীৰ কাছাৰী ঘৰৰ সন্মুখত উপস্থিত হ'ল। নিমিষৰ ভিতৰতে তেওঁ উৰি থকা ইংৰাজৰ পতাকাখন ভূ-পতিত কৰিছিল।

নিষ্ঠুৰ ইংৰাজৰ অত্যাচাৰ উৎপীড়নত অতিষ্ঠ হোৱা কাকতীদেৰৰ ৰঙচুৱা চকুত যেন অগ্নি শিখাৰহে সৃষ্টি হ'ল। মুহূর্তৰ ভিতৰতে এক ভয়াৱহ পৰিস্থিয়ে গা কৰি উঠিল। কোনোপধ্যেই পুলিচ বাহিনীয়ে তেওঁক কৰায়ত্ব কৰিব নোৱাৰিলে। গুলী চলোৱাৰ নির্দেশ দিয়াৰ উপক্রমঙ্গ এনেতে সৌভাগ্যক্রমে প্রমোদাকান্ত শর্মাৰ কাতৰ অনুৰোধত তেওঁ শান্ত হ'ল আৰু ততালিকে আত্মসমর্পন কৰিলে।

অকাল মৃত্যুৰ গৰাহৰ পৰা ৰক্ষা পৰিল সঁচা, কিন্তু চৰকাৰে তেওঁক সশ্রম কাৰাদণ্ডেৰে কঠোৰতম শাস্তি বিহিছিল। সেয়ে হ'লেও নিভাঁজ দেশপ্রেমৰ তাড়নাত কাকতীদেৰে এনে ধৰণৰ দুঃসাহসী কার্য সম্পাদনেৰে নিজৰ জীৱন বিপন্ন কৰি তোলা দৃষ্টান্ত সমগ্র দেশতে বিৰল আছিল। ইয়াৰ বাবে শুৱালকুছিবাসীৰ সহিতে অসমবাসী গৌৰৱান্বিত।

১৯৪৩ চনৰ ৯ আগষ্টত গুৱাহাটী জিলা কংগ্রেছৰ সম্পাদক ৰাধিকাৰাম দাসৰ পৰিচালনাত 'পুনা অভিযান' উপলক্ষে 'কৰেঙ্গে য়া মৰেঙ্গে' খোদিত কাগজ বিলি কৰা অৱস্থাতে পুলিচে কৰায়ত্ব কৰিছিল শুৱালকুছিৰ দুজন কম বয়সীয়া ছাত্র ভাৰত বৈশ্য আৰু বদন কলিতাক। সিদিনাখন দুয়োজনকে সদৰ থানাত ৰাখি পাছদিনা গুৱাহাটী জে'লৈলৈ চালান দিয়া হৈছিল। দুয়োজন ছাত্রই প্রায় এমাহ জে'লত থাকি খালাচ হৈছিল।

আকৌ দুয়োজন বন্ধুৰে ৰাধিকাৰাম দাসৰ নির্দেশ মর্মে 'স্বতন্ত্রতা দিৱস' পালনার্থে ১৯৪৪ চনৰ ২৬ জানুৱাৰীত ৰাতিপুৱা প্রায় ৮ বজাত উপস্থিত হৈ গুৱাহাটীৰ কাছাৰী ঘৰৰ পূব প্রান্তত ত্রিৰঙ্গা জাতীয় পতাকা উত্তোলন কৰি ৰাজ আলিয়েদি পূবফালৈলৈ যাব ধৰোতে পুলিচে গ্রেপ্তাৰ কৰি সদৰ থানাত ভর্তি কৰিছিল। সিদিনাখন নিশা তেওঁলোকক নানা ধৰণে শাৰীৰিক শাস্তি বিহি পাছদিনাহে আবেলি সময়ত গুৱাহাটী জে'লৈলৈ চালান দিছিল।

জে'লত প্রায় তিনিমাহ থকাৰ শেষত কাছাৰীত তেওঁলোকৰ বিচাৰ কৰি কোমল বয়সৰ ছাত্রদ্বয়ক দণ্ডাধীশে অশেষ মৰম কৰিলে আৰু মাত্র এদিনৰ বাবেহে জে'লত থকাৰ হুকুম দিলে। পৰম ভাগ্যৰ কথা যে এইজনা মহানুভৱ বিচাৰকৰ অনুগ্রহতে তেওঁলোক দুয়োজনে জে'লৈলৈ নোযোৱাকৈয়ে আদালতৰ পৰা আবেলি মুক্ত হৈছিল।

গান্ধীজীৰ নেতৃত্বত মহা প্রতাপেৰে অগ্রগতি লাভ কৰা স্বতন্ত্রতা আন্দোলন কেৱল নিস্বার্থ ভাবেৰে কর্তব্য পালন কৰাৰ স্বার্থতে পঢ়া-শুনা বাদ দিয়াৰ উপৰি দুয়োজন অন্তৰংগ বন্ধুৰে আনকি ঘৰবাৰী, আত্মীয়-স্বজনকো বাদ দিব লগা হৈছিল। সময়ে সময়ে কংগ্রেছৰ গুৰুত্বপূর্ণ কার্যসূচীৰ সফল ৰূপায়ণ কৰিবলৈ অবর্ণনীয় দুখ-কষ্টৰ মুখামুখি হৈয়ো, লঘোণে-ভোকে জীয়াতু ভুগিও পর্বতে-পাহাৰে আত্মগোপন কৰিও দুয়ো বন্ধু ক্লান্ত হোৱা নাছিল। অসম্ভৱক সম্ভৱ কৰাটোৰে আছিল তেওঁলোকৰ পবিত্র ধর্ম। এনেতে কলিতাদেৱৰ অকাল মৃত্যুৱে বৈশ্য ডাঙৰীয়াক মর্মাহত কৰিছিল। এনে অৱস্থাতো তেওঁ কর্তব্য পথৰ পৰা বিচলিত হোৱা নাছিল। গণ-বিপ্লৱত বিভিন্ন কার্যসূচীত দক্ষতাৰে আগভাগ লৈয়ো পুলিচৰ চকুত ধূলি মাৰি কৰায়ত্ব নোহোৱাকৈ থকা শুৱালকুছিৰ আগশাৰীৰ কেইজনমান কংগ্রেছী হ'ল— নৰোত্তম দাস, মাধৱ চন্দ্র ডেকা, ৰত্নেশ্বৰ ভৰালী, বশিষ্ঠ মেধি, ভাৰত চন্দ্র মেধি, প্রিয় কলিতা আৰু বংশীধৰ কলিতা।

এইখিনিতে উল্লেখ কৰা ভাল যে ভাৰতবর্ষৰ জাতীয় কংগ্রেছৰ দ্বাৰা পৰিচালিত স্বাধীনতা সংগ্রামত অংশ গ্রহণেৰে সুদীর্ঘকাল কাৰাবৰণ কৰা মুক্তি যুঁজাৰুসকলে স্বাধীনোত্তৰ কালত তাম্রপত্র আৰু পেন্সন লাভ কৰিছিল। এই সন্দর্ভত কামৰূপ জিলা মুক্তি-যুঁজাৰু জীৱনী-কোষৰ ২০০৮ চনৰ জানুৱাৰী মাহত মুদ্রিত প্রথম প্রকাশত শুৱালকুছিৰ তাম্রপত্র আৰু পেন্সন পোৱা মুক্তিযুঁজাৰু সকলৰ নাম সঠিকভাৱে অন্তর্ভুক্ত কৰা হৈছে। সেয়ে প্রবন্ধটিত তেওঁলোকৰ নামোল্লেখ নিষ্প্রয়োজন।

১৯৪৪ চনৰ ৬ মে' তাৰিখে স্বাস্থ্যৰ অৱনতি ঘটাত গান্ধীজীক মুক্তি দিয়া হৈছিল। তেওঁ অখণ্ড স্বাধীন ভাৰতৰ স্বার্থত মঃ জিন্নাৰ লগত আলোচনা কৰি কোনো সুফল নাপালে। ১৯৪৫ চনত গভর্ণৰ জেনেৰেল লর্ড ওৱাভেলে ভাৰতৰ স্বাধীনতা আন্দোলনৰ বাবে এটি গ্রহণযোগ্য সমাধানসূত্র উলিয়াবলৈ চিমলাত এখন ৰাজনৈতিক সভা অনুষ্ঠিত কৰিছিল। কিন্তু গান্ধীজী আৰু জিন্নাৰ মত পার্থক্যই উক্ত সভাৰ মহান উদ্দেশ্যত কুঠাৰাঘাতহে কৰিলে।

এনে সময়তে দ্বিতীয় মহাসমৰ শেষ হোৱাৰ পিছ মুহূর্ততে ইংলণ্ডৰ শ্রমিক দলৰ চৰকাৰ গঠন হ'ল। এই চৰকাৰ ভাৰতবর্ষক স্বাধীনতা অর্পণ কৰাৰ পক্ষপাতী আছিল। সেয়েহে প্রধানমন্ত্রী এটলীৰ তৎপৰতাত ভাৰতত অচিৰে নির্বাচন পাতি সংবিধান প্রস্তুত পৰিষদ গঠন কৰিবলৈ ব্রিটিছ চৰকাৰে অনুমতি দিছিল। ইয়াৰ ফলতে ১৯৪৫ চনত নির্বাচন অনুষ্ঠিত হৈছিল।

শুৱালকুছিৰ সু-সন্তান ডাঃ জ্যোতিষ চন্দ্র দাস আছিল এজন গান্ধীবাদী লোক। তেওঁ কংগ্রেছৰ এজন মুধাফুটা ব্যক্তি হিচাপে গান্ধীজীক সহজতে আকর্ষণ কৰিব পাৰিছিল। ১৯৪৫ চনৰ নবেম্বৰ মাহত অসমলৈ আহোতে গুৱাহাটীত ডাঃ দাসে তেখেতক শুৱালকুছিৰ শিপিনীৰ তাঁতশালত তৈয়াৰ কৰা মুগা পাটৰ বস্ত্র উপহাৰ দিছিল। গান্ধীজীয়ে উক্ত বস্ত্রৰ কাৰুকার্য্য দেখি তন্ময় হৈছিল আৰু অদূৰ ভৰিষ্যতে শুৱালকুছিত উপস্থিত হৈ শিপিনীৰ অনুপম সৃষ্টিকর্মৰ সবিশেষ বুজ ল'বলৈ আগ্রহ কৰিছিল। এইমর্মে পাছত ডাঃ দাসৰ লগত যোগাযোগ কৰি তেখেতে ১৯৪৬ চনৰ ৯ জানুৱাৰী তাৰিখে শুৱালকুছিত পদার্পণ কৰিছিল।

ভাৰতবর্ষৰ অবিসম্বাদী জননায়ক জনক উষ্ম সম্ভাষণ জনাবলৈ গঠন কৰা আদৰণী সমিতিৰ তত্বাৱধানত শুৱালকুছিৰ বালি চাপৰিত বুকু ফিন্দাই উর্ধমুখী হৈ এতিয়াও জিলিকি থকা গান্ধী স্তম্ভটোৰ স্থানতে গঢ়ি উঠিছিল এখনি মঞ্চ। এই মঞ্চৰ চৌপাশে থকা আহল-বহল ঠাইত ইতিমধ্যে লোকে লোকাৰণ্য হৈছিল। আনফালে মঞ্চখনৰ উত্তৰফালে নাতিদূৰতে মুগা পাটকে ধৰি বিভিন্ন কুটিৰ শিল্পৰ অনুপম সৃষ্টিকর্ম প্রদর্শনে সকলোকে আকর্ষণ কৰিছিল।

গান্ধীজীয়ে প্রথমতে বিভিন্ন কুটিৰ শিল্পৰ নির্মাণ কার্য প্রত্যক্ষ কৰিছিল। এনেতে পাটৰ বসনত শিপিনীয়ে মূর্তিমন্ত কৰা তেখেতৰ হুবহু প্রতিমূর্তি দেখি আচৰিত হৈছিল। ছাঁতে শুকোৱা আৰু মুঠিতে লুকোৱা পাটৰ বসনত চালে চকুৰোৱা বিভিন্ন গঢ়ে ৰূপ-লাৱণ্যৰে সমৃদ্ধ হৈ সঁচাকৈয়ে তেওঁক মুগ্ধ কৰিছিল। ফলস্বৰূপে শুৱালকুছিৰ শিপিনী গান্ধীজীৰ ভূয়সী প্রশংসাৰ পাত্র হৈছিল।

সমৱেত সহস্র গুণমুগ্ধ লোকৰ হর্ষধ্বনিৰ মাজত গান্ধীজীয়ে মঞ্চত উপস্থিত হৈ আদৰণী সমিতিৰ উষ্ম সম্ভাষণ গ্রহণ কৰিলে। লগে লগে তেখেতে এক তত্বগধুৰ চমু ভাষণেৰে ৰাইজক ভাৰতমাতাৰ স্বাধীনতা প্রাপ্তিৰ শুভ লগন ক্ষিপ্র গতিৰে আহি থকা বুলি ন-দি ক'লে।

জনগণৰ সেৱা আছিল মহাভাগৰ পৱিত্র ধর্ম। সেয়ে তেওঁ শুৱালকুছিবাসীৰো উপকাৰ কৰাৰ মানসেৰে প্রশ্ন কৰিলে— ৰাইজৰ প্রধান আৱশ্যকতা কি? মঞ্চত উপৱিষ্ট কোনো নেতৃস্থানীয় লোকে ততাতৈয়াকৈ ক'লে— এটি স্বাস্থ্য কেন্দ্রৰ। বৰেণ্য নেতা গৰাকীয়ে ঈষৎ হাস্যবদনেৰে শুৱালকুছিবাসীয়ে তেখেতলৈ আগবঢ়োৱা ৩,০০০ টকাৰ ধনৰ টোপোলাটি ডাঃ জ্যোতিষ চন্দ্র দাসদেৱক সমর্পণ কৰি স্বাস্থ্য কেন্দ্রটি স্থাপনৰ বাবে শুভ কামনা আগবঢ়ালে। লগে লগে দুয়োখন হাত ওপৰলৈ তুলি ধৰি 'জয় হিন্দ' ধ্বনিৰে ভাষণ শেষ কৰি পৰৱর্তী গন্তব্য স্থানলৈ গান্ধীজীয়ে গমন কৰিছিল।

শুৱালকুছিবাসীয়ে উক্ত ধনকে প্রধান আর্থিক বল হিচাপে গ্রহণ কৰি ৰাইজৰ পৰাও প্রভুত পৱিমাণৰ ধন সংগ্রহ কৰিছিল। স্বাস্থ্যকেন্দ্রটি নির্মাণৰ বাবে প্রয়োজনীয় ধনৰ যোগাৰ হৈছিল। কিন্তু গৃহ নির্মাণৰ বাবে মাটিৰ যে অভাৱ। সৌভাগ্যৰ কথা যে ঈশ্বৰ শ্রীশ্রীসিদ্ধেশ্বৰ দেৱালয়ৰ ৰায়ত, শুৱালকুছি মাটিপর্বত প্রাথমিক বিদ্যালয়ৰ হেড্‌পণ্ডিত দেবীৰাম ডেকাই তেওঁৰ দখলত থকা সমস্ত খেতিৰ মাটি কেন্দ্রটিক দিবলৈ স্বেচ্ছাই আগবাঢ়ি আহিল। কিন্তু দলৈৰ সন্মতি নহ'লে এই কার্য্যৰ সম্পাদন একেবাৰে অসম্ভৱ আছিল।

দেৱালয়খনৰ তদানীন্তন দলৈ আছিল হংসনাথ শর্মা। পণ্ডিতে দলৈ মহাশয়ৰ কায চাপি উক্ত বিষয়ে তেখেতক জনালে। এনেকুৱা জনহিতকৰ কামৰ সু-সম্পাদনৰ বাবে তেওঁ আগ্রহ প্রকাশ কৰি পণ্ডিতক বিদায় দিছিল।

অতি শীঘ্রে দলৈয়ে বৰদেউৰী সকলৰ লগত আলোচনাত মিলিত হ'ল। সকলোৱে শুভ কর্মটিৰ আশু সম্পাদনৰ বাবে দলৈ মহেদয়ক সন্মতি জনালে। দলৈয়ে গুৱাহাটীলৈ গৈ কাছাৰী ঘৰত আইনসিদ্ধভাবে স্বাস্থ্যকেন্দ্রটিৰ নামত ভূমি হস্তান্তৰ কৰিলে। শুৱালকুছিৰ ৰাইজে স্বাস্থ্যকেন্দ্রটিৰ নাম ৰাখিছিল গান্ধীজীৰ ধর্মপত্নী কস্তুৰবা গান্ধীৰ নামত 'কস্তুৰবা হাস্পতাল'।

যথা সময়ত স্বাস্থ্য কেন্দ্রটি উক্ত ভূমিতে নির্মাণ কৰা হৈছিল। কামৰূপ জিলাৰ অন্তর্গত মাজিৰগাঁও নিবাসী ডাঃ নৱদেৰ গোস্বামী স্বাস্থ্যকেন্দ্রটিৰ প্রথম চিকিৎসক হিচাপে নিয়োজিত হৈছিল। তেওঁ এজন অতি অমায়িক লোক আছিল। তেখেতে বৃহত্তৰ শুৱালকুছিৰ অনেক দুখীয়া লোকক বিনামূলীয়াকৈ সুচিকিৎসা আগবঢ়াই সুনাম আর্জিব পাৰিছিল।

কৃতজ্ঞতা প্রকাশ মহান ভাৰতীয়ৰ প্রকৃত পৱিচয়। এই পৱিচয়ৰ শুৱালকুছিবাসী তথা বর্তমানৰ গ্রাম্যাঞ্চলত চিকিৎসাৰ ক্ষেত্রত প্রখ্যাত হৈ উঠা স্বাস্থ্যকেন্দ্রটিৰ কর্মকর্তা সকল ব্যতিক্রম হ'ব নালাগে। ভূমিদাতা মহান ব্যক্তিদ্বয়ৰ লগতে প্রথম চিকিৎসক পলাশবাৰী মাজিৰগাঁও নিবাসী ডাঃ নৱদেৰ গোস্বামীৰ স্মৃতি উক্ত কেন্দ্রটিত ৰক্ষা কৰাটো সকলোৰে এটা পবিত্র কর্তব্য।

১৯৪২ চনৰ ২ চেপ্তেম্বৰত পণ্ডিত জৱাহৰলাল নেহৰুৱে কেন্দ্রত মন্ত্রীসভা গঠন কৰি শপত গ্রহণ কৰিছিল। ইয়াৰ পিছত ৯ ডিচেম্বৰ তাৰিখে সংবিধান পৱিষদৰ সভাপতি পদত ড° ৰাজেন্দ্র প্রসাদক অধিষ্ঠিত কৰি সংবিধান প্রণয়নৰ কাম আৰম্ভ কৰা হৈছিল। সংবিধান প্রণেতা আছিল ড° বি আৰ আম্বেদকাৰ। গৱর্ণৰ জেনেৰেল ওৱাভেলে মঃ জিন্নাৰ মুছলিম লীগকো সংবিধান পৱিষদত যোগ দিবলৈ আহ্বান জনাইছিল। কিন্তু জিন্নাই সেই আহ্বান গ্রহণ নকৰিলে। বৰং তেওঁ উক্ত চনৰ ১০ আগষ্ট তাৰিখে 'প্রত্যক্ষ সংগ্রাম' দিৱস পালন কৰিবলৈ সিদ্ধান্ত লৈ দেশত সাম্প্রদায়িক সংঘর্ষৰহে সৃষ্টি কৰিছিল। এই সংঘর্ষ কলিকতা, নোৱাখালি, বিহাৰ প্রভৃতি ঠাইত ৰক্তৰ বন্যা বোৱাইছিল। গান্ধীজীয়ে শান্তি ৰক্ষাৰ স্বার্থত অশেষ চেষ্টা কৰি অৱশেষত বিফল হৈছিল। তেওঁৰ কল্পনাৰ অখণ্ড স্বাধীন ভাৰতৰ আশা ক্ষীণ হৈ পৰিছিল।

কূটনীতি বিশাৰদ ইংৰাজ চৰকাৰে উক্ত সংঘর্ষ দমন নকৰি বৰং বিভাজনৰ ৰাজনীতিৰে ভাৰতবর্ষক দ্বিখণ্ডহে কৰিলে। ইয়াৰ ফলত ১৯৪৭ চনৰ ১৪ আগষ্টৰ মাজনিশা 'স্বাধীন পাকিস্তান' আৰু ১৫ আগষ্টৰ মাজনিশা 'স্বাধীন ভাৰত'ৰ জন্ম হ'ল।

লর্ড মাউণ্টবেটেন স্বাধীন ভাৰতৰ প্রথম গৱর্ণৰ জেনেৰেল হৈছিল। পণ্ডিত নেহৰুৰ দ্বাৰা গঠিত এক মন্ত্রী সভাই শপত গ্রহণ কৰি দেশ শাসন কৰিবলৈ ধৰিলে। চর্দাৰ বল্লভ ভাই পেটেল, মৌলানা আব্দুল কালাম আজাদ আৰু ড° বি আৰ আম্বেদকাৰৰ দৰে বিচক্ষণ ৰাজনীতিকে মন্ত্রীসভাত অংশ গ্রহণ কৰিছিল।

জয়, ভাৰত মাতাৰ জয়।

জয়, আই অসমীৰ জয়।।■

**কৃতজ্ঞতা ঃ** নিম্নোক্ত সদাশয় ব্যক্তিসকলে প্রবন্ধটি যুগুত কৰোতে সমল যোগাই লিখকক পৰম উৎসাহিত কৰিছে। সেয়ে তেওঁলোকৰ ওচৰত লিখক চিৰকৃতজ্ঞ।

শ্রীমণি মড়ল, সৰুসত্র, শুৱালকুছি; সুৰেন শর্মা, মনসা মন্দিৰ, শুৱালকুছি; গৌৰী শর্মা, মনসা মন্দিৰ, শুৱালকুছি; শ্রীশিৱৰাম দাস, ফুলবাৰী, শুৱালকুছি।

**সহায়ক গ্রন্থ ঃ** বুৰঞ্জী প্রবাহ, লিখক— শ্রীমৃদু পৱন গোস্বামী।

# শুৱালকুছি ঃ ঐতিহাসিক আৰু ভাষিক পটভূমিত শিপাৰ সন্ধান

**যোগেন্দ্র ভৰালী**
*প্রাক্তন ছাত্র, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

শুৱনি আমাৰ গাঁওখন অতি
শুৱনি গছেৰে ভৰা,
ডাল ভৰি ভৰি ফল ফুল লাগে
কত পাও তল সৰা।

শুৱনি নদীৰ পানী ভৰা ঘাট
মুদৈ বেপাৰ কৰে,

তাহানি 'আমাৰ গাঁও' কবিতাটি আছিল আমাৰ সুখ পাঠ্য। কবিয়ে যেন আমাৰ গাঁৱখনৰ নৈসর্গিক ৰূপ বর্ণনা কৰি কবিতাটি লিখিছে। কবিতাটিৰ কাব্যনুভূতিবোৰ ৰিজাই চোৱাৰ বাবে সেই সময়তে গাঁওখনৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰিছিলো। সঁচাকৈয়ে গাঁৱৰ ঘৰবোৰৰ চালত চালভৰা কোমোৱা, বাৰীত ফলফুল ভৰা গছ-গছনি, গোহালী ভৰা গৰু আৰু কোনো কোনো অঞ্চলত আছিল ধানৰ ভঁৰাল। ঘন বসতিৰ বাবে গাঁওখনত ব্যক্তিগত পুখুৰী কম আছিল, পাঁচটা ৰাজহুৱা পুখুৰী আছিল আৰু খৰালিত পুখুৰীত পানী আছিল মানুহৰ পিয়াহৰ প্রাণ। পুখুৰী কেইটা আছিল পদুম পুখুৰী, ন-পাৰাৰ পুখুৰী, ঘঞ্জুৰ মেধিৰ পুখুৰী, আদাৰৈৰ পুখুৰী আৰু সনাতন প্রাথমিক বিদ্যালয়ৰ সমীপত থকা পুখুৰীটো। এই পুখুৰীটো থকা সেই অঞ্চলটোক পুখুৰীপাৰা বোলা হয়। গাঁওখনৰ উত্তৰ পশ্চিমত আছিল বৰবিল, মাজৰ পিট, উত্তৰত সৰুখাৰা আৰু বৰখাৰা, উত্তৰ পূবত আছিল ভেৰভেৰী বিল আৰু পশ্চিমত আছে আৰিমত্ত পুখুৰী। জনশ্রুতি সতে আৰিমত্তই এই পুখুৰীটো খন্দাইছিল। পুখুৰীটো গভীৰলৈ খন্দাৰ পিছতো পানী নোলোৱাত ৰজাই জল দেৱতাক তেওঁৰ পাটমাদৈক উচর্গা কৰিছিল। সেই অনুসৰি নিশা পুখুৰীটোত সোণৰ নাওত ৰাণীৰ প্রেতাত্মাই বিচৰণ কৰে বুলি লোকে কয়। আৰিমত্তই খন্দা বৃহৎ পুখুৰীটো অনুমান সিদ্ধ। পুৰাতত্ব বিভাগ এই বিষয়ে নিমাত। আনহাতে 'শুৱালকুছি' কবিৰ ভাষাত, 'বণিজৰ ঠাই লঙ্কাৰ বণিজ ইয়াতে পায়।' সেইখন শুৱালকুছিৰ ৪০০ মোন ওজন বহন কৰা নাওবোৰৰ ভগ্নাশেষ বিচাৰি পাবলৈ টান। গাঁওখনৰ দাঁতিয়েদি বৈ যোৱা কেচেইদোঙাত শাৰী শাৰী হোলোংনাওবোৰ আছিল গাঁওবাসীৰ মাছ ধৰা আৰু দোকালটকা বানত ব্রহ্মপুত্রত খড়ি ধৰাৰ বাবে। ব্রহ্মপুত্রৰ চাপৰিৰ ঝাও গছৰ বননি, গাঁওখনৰ ভিতৰত পদুলি মুখত শাৰী শাৰী নাৰিকল গছবোৰ সিদ্ধেশ্বৰ শৃঙ্গৰ পৰা প্রত্যক্ষ কৰোতে গাঁওখনৰ ৰূপ লাবণ্যই মন পুলকিত কৰিছিল। গাঁওখনৰ প্রাণ প্রাচুর্যৰ প্রাকৃতিক শোভাৰ স্মৃতিত এতিয়াও মন টগবগাই উঠে। কিন্তু স্মৃতিত দোলায়িত কৰা গাঁওখনৰ সেই নান্দনিক ৰূপ লাৱণ্য সভ্যতাৰ বিকাশে গিলি পেলাইছে। তাহানিৰ খেৰ আৰু টিনৰ জুপুৰি ঘৰ কংক্রিত ঘৰলৈ ৰূপান্তৰিত হৈছে, পদুলি মুখৰ নাৰীকল গছবোৰ প্রায় নিঃশেষ হোৱাৰ পথত, চালত লাউ, কোমোৱাৰ পৰিৱর্তে অনিল আম্বানিহঁতৰ হৰডিং, তামোল পাণৰ বাৰীত ভোদা ফোনৰ টাৱাৰ, আলি পদুলিবোৰ পকী হ'ল, পথৰ দাঁতিৰ নর্দমা আৰু পূর্বৰ জলাশয়বোৰ বা ম হ'ল, বন্ধ পানীৰ পুতি গন্ধময় কাদর্যৰূপে গাঁওখনৰ প্রাকতিক পৰিবেশ বিনষ্ট কৰিছে। গাঁওখনৰ পৰিসীমা বাঢ়িছে, বাঢ়িছে জনসংখ্যা, বৃদ্ধি হৈছে চুবুৰীৰ সংখ্যা। মোমাই তামুলি বৰুৱাৰ পৰিকলল্পিত গাঁওখনৰ জন গাঁঠনি স্থিতাৱস্থাত আছে যদিও পূর্বৰ বৃত্তিবোৰ এতিয়া সাধুকথা হ'ল। 'ওৱাৰ'ৰ (মানুহে বিশ্ব যুদ্ধক ওৱাৰ বুলি কয়) দিনৰ পৰা তাঁত শিল্পক শিল্প বিপ্লৱৰ টোৰে জোকাৰি দিলে। 'পুৰোহিত, কৃষক কুমাৰ, কমাৰ, বণিয়া, স্বর্ণকাৰ, মাছমৰীয়া, মালী, তেলি আদি সকলোৰে প্রধান বৃত্তি হ'ল তাঁত শিল্প। যোৱা পাঁচটা দশক শুৱালকুছিৰ ৰেচম শিল্পৰ জয় জয় ময় ময় অৱস্থা। গোলকীয় কাৰণ উদাৰ অর্থনীতিৰ ধাম খুমীয়াত ৰেচম শিল্পৰ ভাতা আৰম্ভ হৈছে। বজাৰ অর্থনীতিৰ প্রতিযোগিতাত তিষ্ঠিব নোৱাৰা ক্ষোভৰ বর্হিপ্রকাশ ২০১৩ চনৰ মার্চ মাহৰ শেষত তিনিটা দিনত। বহিঃৰাজ্যৰ পাট কাপোৰ ক্ষোভৰ কাৰণ।

শুৱালকুছিৰ সাম্প্রতিক কালৰ ইতিহাস চর্চা কৰা আমাৰ উদ্দেশ্য নহয়। আধুনিক গাঁৱখনৰ শিপাৰ সন্ধানৰ তাগিদাত শুৱালকুছিৰ অতীতটো চোৱাৰ হেঁপাহ কৰিছোঁ। পুনৰ দোহৰাৰ প্রয়োজন নাই 'শুৱালকুছি' ভূগোলৰ পাঠ্যপুথি, ভাৰত মুলকত সর্বাধিক প্রচাৰিত মনোৰমা ইয়েৰ বুকত, আন্তর্জাতিক বিমান বন্দৰ আৰু পর্যটকৰ মানচিত্রত থকা এটা পৰিচিত নাম। এই শুৱালকুছিৰ নাম আৰু শুৱালকুছিৰ অৱস্থান সম্পর্কে ইতিহাসবিদ, গৱেষকসকল আজিও ঐক্য মতত উপনীতত হ'ব পৰা নাই। নিশ্চিত সিদ্ধান্তত উপনীত হোৱাৰ অৱকাশ আছে যদিও নির্দ্দিষ্ট সমল সংগ্রহৰ নিৰবচ্ছিন্ন প্রচেষ্টা আৰু ঐকান্তিকতাৰ অভাৱত শুৱালকুছিক ইতিহাসৰ পাতৰ পৰা উদ্ধাৰ কৰিব পৰা হোৱা নাই। অৱশ্যে অর্থ এইটোও নহয় যে অসমৰ বিশিষ্ট ইতিহাস বিদৰ লগতে শুৱালকুছিৰ কেইগৰাকীমান গৱেষকে শুৱালকুছিৰ শিপা সম্পর্কে গৱেষণা কৰা নাছিল। শুৱালকুছি সম্পর্কে গৱেষণা কৰা সকলৰ ভিতৰত ড° ভগৱান মৰল, ৰমেশ কলিতা, ড° প্রবীণ বৈশ্যৰ নাম প্রণিধানযোগ্য। এখেতসকলৰ শ্রমদানৰ ফলত ইতিমধ্যে শুৱালকুছি

সম্পর্কত কেতবোৰৰ তথ্য পোহৰলৈ আহিছে।

***শুৱালকুছিৰ অৱস্থান*** ঃ ব্রহ্মপুত্রৰ তীৰত অৱস্থিত শুৱালকুছি ঐশ্বর্য শালী গাঁও। পৃথিৱীৰ নদী কেন্দ্রীক সভ্যতাৰ পটন্তৰ শুৱালকুছি স্বাভাৱিকতে অতি পুৰণি ঠাই আৰু বাণিজ্যিক কেন্দ্র। ব্যৱসায় বাণিজ্যৰ কেন্দ্র হোৱা বাবে একালত দেশী-বিদেশী শক্তিসমূহে কৰতলীয়া কৰাৰ প্রয়াস কৰিছিল। তদুপৰি প্রাকৃতিক পৰিবেশেৰে সুৰক্ষিত শুৱালকুছিত মুছলমান সকলে সামৰিক ঘাটী স্থাপন কৰিছিল। স্বর্গদেউ প্রতাপ সিংহই সত্রাজিতৰ ঘাটী উচ্ছেদ কৰা ঐতিহাসিক ঘটনাৰ সাক্ষী শুৱালকুছিৰ অৱস্থান সম্পর্কে গৱেষকসকলৰ মতদ্বৈধতা আছে যদিও খৃঃ পূঃ তৃতীয় শতিকাত ৰচিত কৌটিল্যৰ অর্থশাস্ত্রক ভিত্তি কৰি শুৱালকুছি অঞ্চলৰ অৱস্থান নির্ণয় কৰিব পাৰি। অর্থ শাস্ত্রৰ ভাষ্যকাৰ ভট্টস্বামীৰ মতে অর্থশাস্ত্রত উল্লেখ কৰা অশোক গ্রাম, জোগং, সৌৱর্ণকুড্য, স্বর্ণভূমি, পাৱলৌহিত্য (South Bank) ডাঙ্গৰকুছি (Latin-Dangara) জাপ (Jap) আনৰবাৰতী, আদি কামৰূপ ৰাজ্যৰ অন্তর্ভূক্ত। স্বর্ণভূমি মান্যমাৰৰ বুলিও কোৱা হয়। সৌৱর্ণকুড্য, পাৱলৌহিত্য, স্বর্ণভূমি এই তিনিওখন ঠাইৰ নামৰ বৈশিষ্ট্য অনুধাৱন কৰি অসমৰ বিশিষ্ট ভাষা বিদ ড° ভগবান মৱল, গৱেষক ৰমেশ চন্দ্র কলিতা আৰু বিশিষ্ট অর্থনীতিবিদ ড° প্রবীণ বৈশ্যই সৌৱর্ণকড্যকে প্রাচীন শুৱালকুছিল বুলি দাবী কৰিছে। কামৰূপৰ সৌৱর্ণকুড্য দুকূল (মুগা) আৰু পত্রোর্ণা (পাট বস্ত্র)ৰ বাবে আৰু একালত ভাৰত মুলকত শ্রেষ্ঠ বস্ত্র হিচাপে অবিহিত হৈছিল। শুৱালকুছিৰ পুৰুষানুক্রমিক বৃত্তি মুগা-পাট বস্ত্রৰ উৎপাদন কেৱল ৰজা ঘৰৰ বাবে সীমিত আছিল। কিংবদন্তীৰ অসুৰ ৰজা ভগদত্তৰ পৰা কুমাৰ ভাস্কৰ বর্মণ হিউয়েনচাঙ, আহোম স্বর্গদেউ, মোগল সম্রাট আৰু বৃটিছ শাসকসকলৰে মুগা পাট বস্ত্র যোগান ধৰা হৈছিল। ষাঠী দশকলৈ মুগা পাট বস্ত্র উৎপাদনত শুৱালকুছি এককভাৱে জড়িত আছিল। এনে প্রেক্ষাপটত সৌৱর্ণকুড্য প্রাচীন শুৱালকুছি বুলি কোৱাৰ অৱকাশ আছে।

আনহাতে সৌৱর্ণকুড্য বর্তমান নলবাৰী জিলাৰ অন্তর্গত 'সোণকুৰিহা' বুলি কৈছে বুৰঞ্জীবিদ কনকলাল বৰুৱা আৰু ড° প্রতাপ চন্দ্র চৌধুৰীয়ে। ভাষাতাত্বিক সকলৰ মতকে সৌৱর্ণকুড্য> সোণকুৰিহা> সংসিদ্ধ। ভাষাতাত্ত্বিকসকলৰ এই বিশ্লেষণ সমর্থন কৰিছে বিশিষ্ট প্রগতিবাদী বুদ্ধিজীৱি শশী শর্মাই। তেওঁৰ মতে সুৱর্ণকুজ্ব (সৌৱর্ণকুড্য) সোণকুৰিহাৰ পৰা শুৱালকুছি ব্যাপি এটা বিৰাট অঞ্চলত পাট সুতা আৰু পাট কাপোৰ উৎপাদন হৈছিল। কুমাৰ ভাস্কৰ বর্মাৰ ৰাজত্ব কালৰ পৰা এই অঞ্চলত পাট সুতা আৰু কাপোৰৰ উৎপাদন কৰা হৈছল। নানা ৰাজনৈতিক আৰু প্রাকৃতিক দুর্যোগ ঘটিছে। কিন্তু শুৱালকুছিয়ে ঐতিহ্য অটুট ৰাখি আছে। (দ্রষ্টব্য- অসমীয়া খবৰ ৮ এপ্রিল ২০১২)। আনহাতে ফিঙুৱা কোঁৱৰ প্রাচীন কামৰূপৰ ৰজা আছিল। সোণকুৰিহা তেওঁৰ ৰাজ্যৰ অন্তর্ভূক্ত আছিল। প্রবাদ আছে সোণকুৰিহাৰ মাটিৰ তলত সোণ পোৱা গৈছিল। অর্থশাস্ত্রত বর্ণিত স্বর্ণভূমিক সোণকুৰিহা বোলাৰ অৱকাশ আছে। আনহাতে বর্তমানৰ প্রাকৃতিক অৱস্থাৰ পৰা স্বর্ণভূমি (সোণকুৰিহা)ৰ ১৫/২০ কিলোমিটাৰ দূৰৈৰ শুৱালকুছিত একে তৰিৰ দুখন ঠাই। গতিকে সৌৱর্ণকুড্য, স্বর্ণভূমিক বৃহত্তৰ সোণকুৰিহা বা বৃহত্তৰ শুৱালকুছি বুলি ঠাৱৰ কৰিব পাৰি। ইয়াৰ বিপৰীতে অর্থশাস্ত্রত উল্লেখ কৰা 'পাৰ লৌহিত্য (দক্ষিণ পাৰ) সৌৱর্ণকুড্যৰ সমীপৱর্তী বুলি ধৰিলে শুৱালকুছি আৰু সোণকুৰিহা পূর্বৰ বিশ্লেষণৰ মিল পোৱা যায়। 'পাৰ লৌহিত্য' (দক্ষিণ পাৰ)ক শুৱালকুছি বুলি বিবেচনা কৰাৰ যুক্তি যুক্ততা আছে। ষোড়শ শতিকালৈ শুৱালকুছি ব্রহ্মপুত্রৰ দক্ষিণে কোলৰ ঠাই আছিল। কোচ ৰজা নৰ নাৰায়ণ আৰু চিলাৰায়ে আহোম স্বর্গদেউ চুখমফা বা খোৱা ৰজা ১৫৬৩ খৃঃত পৰাজিত কৰি ওভতি আহোতে ৰাক্ষসিনীৰ পৰা শুৱালকুছিৰ দাঁতিয়েদি হাতীমূৰাৰ পোনকৈ খান্দি দিয়াত ব্রহ্মপুত্র শুৱালকুছিৰ উত্তৰেদি ববলৈ আৰম্ভ কৰে। যাঠি, তৰোৱাল, চেপচিঙ্গ আদি অস্ত্রৰে খান্দা সোঁতাক খগ সোঁতা বা খর্গসোঁতা বোলা হৈছিল। তাঁত পাচে দক্ষিণ কোলৰ ৰজাসকলক মাটিৰ সীমা কৰি সাত দুৱাৰৰ কোৰ কাটলৰো নিয়ম কৰি দুই ভাই একত্র হৈ পাণ্ডুৰ পৰা লৌহিত্য পাৰ হৈ হাজোৰ সোঁতাৰ খাৰু ভাজ দেখি ষাঠি তৰোৱাল, চেপচিঙ্গ আনো অস্ত্রেদি হাতীমূৰাৰ পোনে খান্দি দিলে, তাৰ পৰা ডাঙ্গৰ সোতা হ'ল, সেই নিমিত্তে হাজো সোঁতা ন্যুন হৈল। এহি কাৰণে খর্গসোঁতা বোলে। (দ্রষ্টব্য - অসম বুৰঞ্জীঃ সম্পাদনা সূর্যকুমাৰ ভুঞা পৃষ্ঠা ৩৪)। আনহাতে আহোম স্বর্গদেউ প্রতাপ সিংহ ওৰফে বুঢ়া ৰজাৰ সময়লৈকে হাজোৰ সুঁতিয়েদি মুছলমানে অসম আক্রমণ কৰি আছিল। শত্রু সেনাই হাজোৰ পৰা উজাই আহি যাতে আহোমৰ বিৰুদ্ধে যুদ্ধ কৰি আহিব নোৱাৰে তাৰ বাবে স্বর্গদেৱে হাজো সোঁতাৰ পানী শুকাই যোৱাৰ বাবে ব্রহ্মপুত্রক পূজা কৰে। স্বর্গদেৱে বিচৰা মতে হাজো সোঁতাৰ পানী শুকাই গ'ল। মুছলমানৰ যুদ্ধ নাও বোকা পানীত আবদ্ধ হৈ পৰিল। Chaopho Shusheng offered sacrifices to the Goddess. He also worshipped the river god of the river Tilao (Brahmaputra) by sacreficing many goats ducks and buffaloes. He prayed the river god to be propitiated to dry up the Hajo Branch of the river. The river god being propitiated at the King's prayers dried up the Hajo branch. The large ships of musalmans remained in their respective places being struck aground. (Ahom Buranji Page No. 118) স্বর্গদেউ প্রতাপ সিংহই ১৬০৫/১৬০৩ খৃঃত সিংহাসনত বহো। সেই সময়লৈকে হাজো সোঁতা যাতায়তৰ প্রধান জল পথ আছিল। স্বাভাৱিকতে আক্রমণকাৰীসকল হাজো সুঁতিৰে উজাই আহোম ৰাজ্য আক্রমণ কৰিছিল আৰু হাজো সেই সময়ত মুছলমানসকলৰ প্রধান সামৰিক আৰু প্রশাসনিক কোঠ আছিল। এনে প্রেক্ষাপটত ব্রহ্মপুত্রৰ জলধাৰৰ প্রবল সোঁত হাজো সুঁতিৰে প্রবাহিত হৈছিল আৰু শুৱালকুছিব্রহ্মপুত্রৰ দক্ষিণ কোলৰ ঠাই হিচাপে পৰিগণিত হৈছিল। এনে বিচাৰ ধাৰাত পাৰ লৌহিত্যকে প্রাচীন শুৱালকুছি বুলি ক'ব পাৰি। আনহাতে পাৰ লৌহিত্য (দক্ষিণ পাৰ) গুৱাহাটীৰ প্রাচীন নাম বুলিও কোৱা হয়। অর্থ শাস্ত্রৰ অসমীয়া ভাষান্তৰত 'পাৰ লৌহিত্য' ম্যানমাৰৰ বিখ্যাত ঠাই বুলি কোৱা হৈছে।

সৌৱর্ণকুড্য প্রাচীন সোণকুৰিহা বুলি মতামত প্রকাশ কৰা ইতিহাসবিদৰ বিচাৰ বিশ্লেষণ গ্রহণীয় হ'ব পাৰে। কাৰণ নদীৰ গতি পথ পৰিৱর্তন প্রাকৃতিক পৰিঘটনা। ষোড়শ শতিকা পর্যন্ত শুৱালকুছি

ব্রহ্মপুত্রৰ দক্ষিণে অৱস্থিত আছিল। কিন্তু বৰ্তমান শুৱালকুছি ব্রহ্মপুত্রৰ উত্তৰ পাৰত অৱস্থিত হোৱাটো ব্রহ্মপুত্রৰ গতিপথ পৰিৱৰ্তনৰ ফলাফল। খৃঃ পূঃ তৃতীয় শতিকাত ব্রহ্মপুত্রৰ আজিৰ দৰে প্রবাহিত হোৱাটো অবধাৰিত। তেনে ক্ষেত্রত কিংবদন্তীৰ ফিঙুৰা কোঁৱৰৰ কামৰূপৰ ভিতৰত সোণকুৰিহা আৰু শুৱালকুছি অন্তর্ভূক্ত আছিল। এনে বিচাৰ বিশ্লেষণেৰে বিশিষ্ট ইতিহাসবিদ আৰু গৱেষক সকলৰ সোণকুৰিহাই প্রাচীন সৌৱৰ্ণকুড্য বোলা মতামতৰ সত্যতা নুই কৰিব নোৱাৰি। সেইদৰে সোণকুৰিহাৰ পৰা তাঁতীসকল আহি শুৱালকুছিত বসবাস কৰাটোও অনুমান সিদ্ধ। আনহাতে স্মৰণাতীত কালৰে পৰা মুগা পাট বস্ত্র উৎপাদন কৰা শুৱালকুছিক প্রাচীন সৌৱৰ্ণকুড্য বুলি দাবী কৰাৰ অন্তৰালত সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ কৰা শুৱালকুছি যুগে যুগে ইতিহাসৰ পাতত লিপিবদ্ধ কৰা হৈ আছে। অর্থশাস্ত্রত সৌৱৰ্ণকুড্যৰ পত্র্যেৰ্ণা (পাট সূতা আৰু পাট কাপোৰ) ভাৰতৰ অন্য ঠাইতকৈ শ্রেষ্ঠ। 'পত্র্যেৰ্ণা' পাট মগৰ, পন্ডু আৰু সৌৱৰ্ণকুড্যত হয়।। ১০৭।। নাগবৃক্ষ, লিকুচ, বকুল আৰু বট ইহঁতৰ উৎপত্তিস্থল ।। ১০৮।। নাগবৃক্ষৰ হোৱা পত্রোৰ্ণা হালধীয়া।। ১০৯।। লিংকুচ বৃক্ষত হোৱা পত্রোৰ্ণা গোমধানৰ ৰঙৰ।। ১১০।। বকুল গছত হোৱা বিধ বগা ।। ১১১।। অৱশিষ্ট বিধ মাখন ৰঙৰ ।। ১১২।। এইবোৰৰ মাজত সৌৱৰ্ণকুড্যত হোৱা বিধ উৎকৃষ্ট।। ১১৩।।" (অর্থশাস্ত্র পৃষ্ঠা নং ৫৬)।

ভৌগলিক অৱস্থা নিৰূপণ কৰা হয় অঞ্চলটোৰ প্রাকৃতিক পৰিবেশ আৰু পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি। শুৱালকুছিৰ ভৌগলিক অৱস্থান নির্দ্ধাৰণ কৰোতে গিৰি তীর্থসমূহ মনলৈ আহে। গাঁওখনৰ উত্তৰ, উত্তৰ পশ্চিম, উত্তৰ পূব দিশৰ শৈলমালাই গাঁওখনৰ সীমান্তৰক্ষী ভূমিকা পালন কৰিছে। এই পর্বতৰ শাৰী বোৰে গাঁওখনক অভেদ্যদূর্গত পৰিগণিত কৰিছে। সেইদৰে অঞ্চলটোৰ তীর্থ ক্ষেত্রসমূহ তীর্থযাত্রীৰ সমন্বয়ৰ মিলন ক্ষেত্র। উত্তৰ পশ্চিম, উত্তৰ পূবৰ শৈলমালা গাঁওখন সুৰক্ষিত কৰাৰ দৰে গাঁওখনৰ দক্ষিণে থকা আনটো সূতি গাঁওখনৰ দুয়োটা দিশৰ দুটা মাইলৰ খুটি। এই দুই সূঁতিৰ মাজৰ অঞ্চলটোক মজালি তালুক আখ্যা পাইছিল। বংশৰ, ভগানগৰ, মাটিপর্বত, পলাহবাৰী, গোটা নগৰ আদি ঠাই বিভিন্ন তামৰ ফলিত পোৱা বংশৰ পৰগনা ব্রহ্মপুত্রৰ দক্ষিণ পাৰৰ ঠাই (দ্রষ্টব্যঃ - সুৱালকুছি ড° ভগবান মৰল পৃষ্ঠা ৯)। শুৱালকুছিৰ দক্ষিণেৰে প্রবাহিত হাজো সূঁতিৰ পাৰৰ হাজো চেঁচা আজ্ঞাঠুৰী দীর্ঘদিনৰ সমৰ ক্ষেত্র। ১১৯৮ খৃঃত মহম্মদ বখতিয়াৰ পৰা আৰম্ভ কৰি সত্রাজিৎ, মীৰ্জা নাথন, মীৰজুমলা আৰু ৰামসিংহই আহোম স্বর্গদেউসকলৰ সৈতে যুদ্ধত লিপ্ত হৈছিল। যুদ্ধৰ বিভীষিকাৰ পৰা শুৱালকুছি আছিল নিৰাপদ স্থানত। বিশেষকৈ শুৱালকুছি অঞ্চলৰ উত্তৰ পশ্চিম, উত্তৰ পূবৰ পর্বতৰ শাৰীবোৰে সীমান্তৰ প্রহৰী হিচাপে শত্রুৰ আক্রমণ প্রতিহত কৰিছিল। দুর্গম বাটপথ, পিতনি আৰু উত্তৰেৰে প্রবাহিত হাজোৰ সূঁতিয়ে আওহতীয়াকৈ ৰখা শুৱালকুছি অঞ্চলত আক্রমণকাৰীয়ে প্রবেশৰ সুৰুঙা নেপাইছিল। আনহাতে শুৱালকুছিৰ দক্ষিণ দিশেৰে প্রবাহিত আনটো সূঁতিৰ বাবে শুৱালকুছি জনজাতীয় ৰজাৰ আক্রমণৰ পৰা ৰক্ষা পৰিছিল। অৱশ্যে সেই সময়ৰ ৰাণী, বেলতলা, ডিমৰীয়া ৰজাৰ ৰাজ্যৰ শুৱালকুছি অন্তর্ভূক্ত সম্পর্কে তথ্য পোৱা হোৱা নাই। মুঠতে শুৱালকুছি বহিঃআক্রমণৰ ৰক্ষা পোৱা নিৰাপদ স্থল আৰু এনে অনুকূল অৱস্থাৰ বাবেই আহোমৰ সৈতে হোৱা হেঙেৰাবাৰী যুদ্ধত পৰাজিত হৈ মুছলমান সেনাপতি মীৰ্জা নাথনে শুৱালকুছিত দুর্গ নির্মাণ কৰিছিল। শুৱালকুছিৰ দূর্গত তেওঁৰ পুত্র কন্যা এৰি কেইগৰাকীমান জনজাতীয় ৰজাক লৈ তেওঁ ঢাকাৰ নবাবৰ ওচৰলৈ গৈছিল। পাণ্ডু থানাৰ থানাদাৰ সত্রাজিতেও আহোমৰ সৈতে পাণ্ডুৰ ৰণত হাৰি শুৱালকুছিত সামৰিক কোঠ নির্মাণ কৰিছিল।

প্রাকৃতিক পৰিবেশেৰে সুৰক্ষিত কৰা শুৱালকুছিৰ উত্তৰ, পশ্চিম আৰু উত্তৰ পূব দিশৰ শৈলমালা অঞ্চলটোৰ উত্থান পতনৰ ঐতিহাসিক সাক্ষী ১৬৩৪ শকত স্বর্গদেউ ৰুদ্রসিংহই পুৰণি পুথি বিচাৰি গুৱাহাটীৰ পর্বতসমূহৰ ক্ষেত্রভিত্তিক সমীক্ষা কৰিছিল। গুৱাহাটী অঞ্চলৰ গিৰিতীর্থ সমূহ ১৬৩৪ শকত শ্রীশ্রীৰুদ্রসিংহ স্বর্গদেৰে পুথি বিচাৰি গুৱাহাটীৰ ক্ষেত্র পর্বত লিখা কৰা (দ্রষ্টব্য - কামৰূপৰ বুৰঞ্জী, সম্পাদক সূর্যকুমাৰ ভূঞা পৃষ্ঠা নং ১০৫)। সেই সময়ত শুৱালকুছি অঞ্চলৰ পর্বতসমূহ আছিল — শিলগুৰিৰ হাতীমূৰা পর্বতৰ ধাৰেশ্বৰ, পিঙ্গলেশ্বৰ। ইয়াত দুই গোসাঁঞি আছে। তাৰ উত্তৰে কামধেনু পর্বত, কামধেনুৰ উত্তৰে গণেশ পর্বত আৰু গণেশ পর্বতৰ উত্তৰে ভৰদ্বাজ পর্বত। ভৰদ্বাজ পর্বতৰ উত্তৰে গন্ধামার্দন। গন্ধমার্দন পবর্তৰ অগ্নিকোণৰ (দক্ষিণ পূবত) ভৃঙ্গেশ্বৰ গোসাঁঞি আছে। ভৃঙ্গেশ্বৰ দেৱালয় শুৱালকুছি। উত্তৰ পশ্চিম কোণত। আনহাতে শুৱালকুছিৰ উত্তৰ পূবত থকা গন্ধমার্দনৰ পূর্ব শৃঙ্গৰ পাদদেশত মুত্রশিলা, তাৰ দক্ষিণে অন্তৰালৰ কুণ্ড, তাৰ পূর্বে অগ্নিকোণত তিনি শৃঙ্গ সমন্বিতে এক পর্বত আছে তাৰ নাম লাঙ্কশ। লোকে ৰাৱণবৈ বোলে। বাৱণবৈৰ পূর্বে বাহাৰ পর্বত তাৰ দক্ষিণে মশ্য আৰু মশ্যৰ দক্ষিণে অনন্ত পর্বত।' শুৱালকুছিৰ উত্তৰ পূবত অনন্ত পর্বতৰ সাতোটা শৃঙ্গ আছে। তাতে নিৰীতেশ্বৰ মহাদেউ আছে। অনন্ত পর্বতৰ পশ্চিমে সিদ্ধেশ্বৰ গোসাঁঞি আছে। সেই পর্বতৰ নাম বাঘেশ্বৰী, তাৰ তিনিটা শৃঙ্গ আছে, এক সিদ্ধেশ্বৰ শৃঙ্গ, এক শৃঙ্গ বত্নেশ্বৰ, এক শৃঙ্গৰ নাম জ্ঞান শৃঙ্গ। বাঘেশ্বৰীৰ পশ্চিমে আছে গোৱর্দ্ধন পর্বত, তাৰ উত্তৰে আছে একখানি পর্বত তাৰ নাম দুর্গা। লোহিত্যৰ দক্ষিণে হাতীমূৰা আৰু হাতীমূৰাৰ দক্ষিণে গজসার্দ্বয় নাম। উল্লিখিত পর্বতমালা আৰু মন্দিৰবোৰ গুৱাহাটীৰ সমীপৱর্ত্তী শুৱালকুছি অঞ্চলৰ পর্বতৰ নাম। নৈ আৰু শৈলমালাৰ সুপৰিবেষ্টনিৰ মাজত শুৱালকুছি অঞ্চল সুনিশ্চিতভাৱে নিৰাপদ আশ্রয়ৰ স্থল আৰু এক ধর্মালম্বীলোকৰ বাসস্থান। শুৱালকুছি যে নিৰাপদ আশ্রয়ৰ স্থল আৰু ব্রহ্মপুত্রৰ এটা পাৰত অৱস্থিত এই বিষয়ে প্রামণ্য তথ্য পোৱা যায়। ডঃ এম আই বৰা, এম. এ. বি. এল (লণ্ডন), পি এইচ ডি (লণ্ডন) দেৱে লিখা বাহাৰিস্তান-আই-ঘাইবি (Baharistan-1- Ghaybi, Volume II Page No. 626 ) দ্বিতীয় খণ্ডত। ডঃ বৰাই ইয়াত শুৱালকুছিক ব্রহ্মপুত্রৰ আনটো পাৰৰ ঠাই বুলি উল্লেখ কৰিছে। When the rayne season was at its heighl he (The Mirza Nathan) ordered an army to proceed to further and to erect a fort at (Sualkuchi (?) the letters are blurred) so that the entire army might remain on theside of the river Brahmaputra. A mansion

was ordered to be built on the other side of the river Brahmaputra, opposite the aforesaid fort of Sualkuchi for his own residence with his children. When it was completed he marched from the place and halted at the aforesaid fort. (Page No 674).

শুৱালকুছি ব্রহ্মপুত্রৰ দক্ষিণে অৱস্থিত সম্পৰ্কত বৰ্তমানৰ শুৱালকুছিৰ মাজ মজিয়াত থকা সিদ্ধেশ্বৰ মন্দিৰৰ দক্ষিণে শিলেৰে নিৰ্মিত খটখটি খনকো প্ৰামাণিক তথ্য হিচাপে গণ্য কৰিব পাৰি। মন্দিৰ পৰিচালনা আৰু দৰ্শনাৰ্থীৰি মন্দিৰ দৰ্শনৰ বাবে সিদ্ধেশ্বৰ শৃঙ্গলৈ উঠা নমাৰ একমাত্ৰ খটখটিখন নিৰ্মাণ কৰি হৈছিল। বৰ্তমান ব্রহ্মপুত্রৰ পাৰ চুই থকা খটখটিখন জনবসতি থকা অঞ্চলৰ পিনে নিশ্চয় নিৰ্মাণ কৰা হৈছিল আৰু ইয়াৰ আধাৰত বৰ্তমানৰ ব্রহ্মপুত্রৰ বুকু অতীতত জন বসতি অঞ্চল আছিল বুলি অনুমান কৰিব পাৰি।

শুৱালকুছি প্ৰাচীন গাঁও। সিদ্ধেশ্বৰ মন্দিৰ গাঁওখনৰ প্ৰাচীনত্বৰ মাইলৰ খুটি। সিদ্ধেশ্বৰ শিৱ মন্দিৰ, অসুৰ বংশীয় ৰজাৰ উপাসনাৰ পীঠস্থান। কালিকা পুৰাণৰ মতে নৰকৰ সময়ত শিৱ কামৰূপৰ মুখ্য উপাস্য দেৱতা। নৰক পূৰ্বে বিষ্ণু সেৱক আছিল। গুৱাহাটীৰ ৰৰাহ পৰ্বত নৰকৰ বাসস্থান। নৰকে ৰৰাহ পৰ্বতৰ সমীপৰ সিদ্ধেশ্বৰ মন্দিৰত উপাসনা কৰিছিল। নৰকে সিদ্ধেশ্বৰ মন্দিৰত উপাসনা কৰাৰ সম্ভেদ দিয়ে সিদ্ধেশ্বৰ মন্দিৰৰ ভিতৰত স্থাপিত বিষ্ণু মূৰ্ত্তিটোৱে। নৰকে মাতৃ বসুমতীৰ পৰামৰ্শ মতে বিষ্ণু পূজা কৰিছিল যদিও পিছলৈ বন্ধু বানাসুৰৰ প্ৰভাবত তেওঁ শিৱৰ উপাসনা কৰিবলৈ লয়। আনহাতে সিদ্ধেশ্বৰ শৃঙ্গৰ পুৰণি নাম আছিল বিন্ধ্যাচল। 'সিদ্ধেশ্বৰ মন্দিৰ যি পৰ্বতত অৱস্থিত সিয়ে যোগিনী তন্ত্ৰৰ (২, ৯, ১২৯) বিন্ধ্যাচল, (সিদ্ধ্যাচল?)' তাৰ দেৱতা সিদ্ধেশ্বৰ মন্দিৰ (যোগিনী তন্ত্ৰ ২, ৮, ২৯) (দ্ৰষ্টব্যঃ পবিত্ৰ অসম ড° মহেশ্বৰ নেওগ পৃষ্ঠা ৪৩৮)। যোগিনী তন্ত্ৰত উল্লিখিত বিন্ধ্যালচ> সিদ্ধ্যাচল> সিদ্ধেশ্বৰ ভাষা তাত্ত্বিক ভাবে মিল থকা দেখা যায়। ইয়াৰ দ্বাৰা ৰুদ্ৰসিংহৰ দিনত কৰা গিৰি তীৰ্থ জৰীপৰ পূৰ্বে সিদ্ধেশ্বৰ শৃঙ্গ বিন্ধ্যাচল বুলি খ্যাত আছিল। আনহাতে সিদ্ধেশ্বৰ মন্দিৰ স্থাপন সম্পৰ্কতো বিস্তৃত অধ্যয়নৰ পথ মুকলি আছে। কিংবদন্তীৰ আঁত ধৰি নৰকৰ উপাসনাৰ পুণ্যপীঠ সিদ্ধেশ্বৰ মন্দিৰ বিষ্ণু অৱতাৰৰ সম সাময়িক। পৰৱৰ্তী খৃঃত ১০০০-১০৩০ ৰ ভিতৰত কামৰূপৰ ৰজা ৰত্নপালৰ ৰাজত্ব কালত কামৰূপত বহুতো শিৱ মন্দিৰ নিৰ্মাণ কৰা বুলি প্ৰাচ্যৰ শাসনাৱলীত উল্লেখ আছে (দ্ৰষ্টব্য ঃ শুৱালকুছিৰ বুৰঞ্জী, ৰমেশ চন্দ্ৰ কলিতা, পৃষ্ঠা নং ১২)। গেজেটিয়াৰৰ মতে মন্দিৰটি শিৱ সিংহৰ দিনত (১৭২৯ খৃঃত) স্থাপিত। (দ্ৰষ্টব্য ঃ পবিত্ৰ অসম ড° মহেশ্বৰ নেওগ পৃষ্ঠা, ৪৩৮)। কিন্তু শিৱসিংহই মন্দিৰৰ পূজা সেৱা নিয়মিত কৰাৰ বাবে ভূমিদান দিয়া তামৰ ফলিত (১৬৬৫ শক/১৭৪৩খৃঃত) ধৰ্মপালৰ নাম উল্লেখ কৰা আছে। ধৰ্মপাল দ্বাদশ শতিকাত কামৰূপৰ ৰজা আছিল (দ্ৰষ্টব্য ঃ যুগ নায়ক শঙ্কৰদেৱ ডিম্বেশ্বৰ নেওগ)। শিৱ সিংহৰ পাঁচশ বছৰ পূৰ্বে ধৰ্মপাল কামৰূপৰ ৰজা আছিল। ধৰ্মপালৰ দিনত মন্দিৰৰ পূজা সেৱাৰ বাবে ৰাজ অনুগ্ৰহ প্ৰদান কৰা হৈছিল। ধৰ্মপালৰ দিনত সিদ্ধেশ্বৰ মন্দিৰৰ ৰাজ অনুগ্ৰহ প্ৰাপ্তিৰ ঐতিহাসিক সত্যতাই সিদ্ধেশ্বৰ মন্দিৰ স্থাপনৰ গেজেটিয়াৰৰ ভাষ্যক নসাৎ কৰিছে। এই ঐতিহাসিক ভাষ্যৰ ভিত্তিত ধৰ্মপালৰ পূৰ্বসূৰী ৰত্নপালৰ দিনত কামৰূপৰ অন্যান্য মন্দিৰ স্থাপনৰ দৰে শুৱালকুছিতো সিদ্ধেশ্বৰ মন্দিৰ স্থাপন কৰা হৈছিল। কামৰূপৰ ৰজা ৰত্নপাল সম্পৰ্কে History of Civilisation of Assam ত ড° পি চি চৌধুৰীয়ে Sualkuchi grant lines 23-26 শিতানত উল্লেখ কৰা বিৱৰণী প্ৰণিধানযোগ্য। The last important act of Brahmapala was his abdication in favour of his son (Ratnapala) this is proved by the Bargaon grant which states thus: Then having placed him (Ratnapala) on the throne of the dynasty of Naraka he (Brahnapala) went to heaven for noble of the dynasty men who know the good and evil of the world, how to do what is suitable to the occasion. The accession of Ratnapala witnessed period of prosperity of Kamrup. (Page No-229) বিশিষ্ট ভাষাবিদ আৰু ইতিহাসবিদ কনকলাল বৰুৱাই তেওঁৰ Early History of Kamrup (Page No - 88) ত বৰগাও আৰু শুৱালকুছি অনুদান সম্পৰ্কে উল্লেখ কৰি ৰত্নপালৰ শৌৰ্যবীৰ্যৰ হুবহু বৰ্ণনাৰ লগতে দুয়োখন তাম্ৰ ফলিৰ সময়সীমা দাঙি ধৰিছে।

We have two copper plates of Ratnapala, known as the Baragaon and the Sualkuchi Grants (এড্‌ৱার্ড গেইটৰ অসম বুৰঞ্জীত শুৱালকুছি বুলি লিখা আছে।) It is satisfactory that both these grants state regular years in which they were recorded. The first grant was recorded on the Vishnupadi Sanskrit in the twentififth years of the king's reign. The second one was recorded in the following year. It is stated in these records that Ratnapala was a warlike and powerful prince and that by reason of the unrestiainable stream of blood runining from the split foreheads of the elephants of his enemies.■

# ঐতিহাসিক দৃষ্টিত শুৱালকুছি

হেমেন কলিতা

শুৱালকুছি গাঁওখনক লৈ অথবা গাঁওখনৰ নামটোক লৈ আজিও বিতর্কৰ ওৰ পৰা নাই। গাঁওখনৰ তিনিগৰাকী সুযোগ্য ব্যক্তি ক্রমে সদ্যপ্রয়াত ভাষাবিদ্ ড° ভগৱান মৰল, বিশিষ্ট বুৰঞ্জীবিদ্ প্রয়াত ৰমেশ চন্দ্র কলিতা আৰু বিশিষ্ট অর্থনীতিবিদ্ ড° প্রবীণ চন্দ্র বৈশ্যই বিভিন্ন বুৰঞ্জী আৰু ঐতিহাসিক সমলৰ ওপৰত ভিত্তি কৰি গাঁওখনৰ নামটো শুৱালকুছি নে সুৱালকুছি তাক নির্ণয় কৰিব পৰা নাই বা এক যুক্তিসংগত স্থিতিত উপনীত হ'ব পৰা নাই। যাৰ ফলত গাঁওখনৰ নামটোক লৈ আজিও বিতর্কৰ শেষ হোৱা নাই।

গাঁওখনৰ নামটোৰ ক্ষেত্রত বানান আৰু কিম্বদন্তি যিয়েই নাথাকক, শুৱালকুছি গাঁও দূৰ অতীতৰপৰা আজিলৈকে নিজৰ মহিমাতে নিজে গৌৰৱোজ্জ্বল হৈ যে জিলিকি আছে, তাত সন্দেহ নাই। সেয়েহে পুৰাতত্ত্ব জিজ্ঞাসুসকলৰ বাবে শুৱালকুছি এখন ভূ-স্বর্গ।

বিদেশী পর্যটকৰ দৃষ্টিত শুৱালকুছি এখন সৰু চহৰ। আনহাতে, ভাৰতবর্ষৰ ভিতৰতেই অতি জন ঘনবসতিপূর্ণ গাঁও শুৱালকুছি। সৰু সৰু পাহাৰেৰে আগুৰি থকা এই গাঁওখনৰ কাষেদি বৈ গৈছে মহাবাহু ব্রহ্মপুত্র।

শুৱালকুছি বহুক্ষেত্রতেই এখন বিশেষ বৈশিষ্ট্যপূর্ণ গাঁও। ইয়াৰ বসতি অতি ঘন। জনসংখ্যাৰ দিশেৰে ভাৰতৰ কোনো এখন গাঁৱৰ লগত তুলনা নহয়, অকল হিন্দু অসমীয়া লোকেৰে বসতি ইয়াৰ মানুহ কর্মযোগী, ব্যৱসায়ী। এই গাঁৱত উৎপাদন হোৱা মুগা আৰু পাট বস্ত্রই গোটেই অসমৰ লোকক যোগান ধৰাৰ উপৰি আন ৰাজ্যৰ চাহিদা পূৰণতো অংশ ল'ব পাৰে।

শুৱালকুছি ঐতিহ্যমণ্ডিত জনবহুল স্থানেই নহয়, এখন পৱিত্র তীর্থক্ষেত্রও। ইয়াৰ শিপিনীসকলৰ বয়ন শিল্পৰ কাৰুকার্যই এদিন মহামানৱ মহাত্মা গান্ধীকো আকৃষ্ট কৰিছিল। ১৯৪৬ চনৰ ৯ জানুৱাৰীত গান্ধীজী শুৱালকুছিত পদার্পণ কৰোতে শুৱালকুছিৰ শিপিনীয়ে যেতিয়া মুগাবস্ত্রত গান্ধীজীৰ ছবি বৈ উলিয়াইছিল, তেতিয়া গান্ধীয়ে আচৰিত হৈছিল আৰু কৈছিল — 'Assamese weavers can turn dreams come true'

আৱহমান কালৰেপৰা শুৱালকুছিত মুগা তাঁত বস্ত্র উৎপাদনৰ কাম চলি আছিল। শুৱালকুছিত মুগা তাঁত বস্ত্র কেতিয়াৰপৰা উৎপাদন হৈছিল সেয়া সঠিকভাৱে কোৱা টান হ'লেও সম্ভৱতঃ মহাভাৰতৰ যুগৰপৰাই শুৱালকুছিত তাঁত শিল্পৰ কার্য চলি আছিল। আনহাতে কৌটিল্যৰ *অর্থশাস্ত্র* মতে সেই সময়ত আহোম স্বর্গদেউসকলে দিল্লীৰ বাদশ্বাহসকললৈ স্বর্গবস্ত্র অর্থাৎ মুগাৰ বস্ত্র উপঢৌকন হিচাপে পঠিয়াইছিল। তেতিয়াৰ কামৰূপাধিপতি কুমাৰ ভাস্কৰ বর্মাই সেই সময়ৰ উত্তৰ ভাৰতৰ শ্রেষ্ঠ ৰজা হর্ষবর্দ্ধনলৈ স্বর্ণবস্ত্র (মুগা) আৰু ক্ষৌমবস্ত্র (এড়ি) উপহাৰ হিচাপে দিয়াৰ কথা *হর্ষচৰিতত* উল্লেখ থকা বুলি বুৰঞ্জীবিদ্সকলে ক'ব খোজে।

ওপৰৰ আলোচনাৰপৰা আমি শুৱালকুছিৰ এখন সম্যক ছবিহে দেখিবলৈ পাওঁ। কাৰণ ইয়াত ব্রিটিছশাসিত শুৱালকুছি আৰু তাৰ পৰৱর্তী সময়ৰ শুৱালকুছিৰ বিষয়েহে আলোচনা কৰা হৈছে। বর্তমানৰ শুৱালকুছিখন আদিতে কেনে আছিল, কোনজন ৰজাৰ ৰাজধানী শুৱালকুছিত আছিল, কোন লোকসকল শুৱালকুছিৰ আদিবাসী আছিল এই সকলোবোৰ জানিবলৈ আমি ইতিহাসৰ আশ্রয় ল'ব লাগিব।

প্রাচীন প্রাগ্জ্যোতিষ কামৰূপ সম্পর্কে জনাৰ বাবে অতি নির্ভৰযোগ্য দলিল হৈছে *কালিকা পুৰাণ* নামৰ উপপুৰাণখন আৰু সেই সময়ৰ কামৰূপৰ ৰজাসকলৰ বিভিন্ন ফলি আৰু শিলালিপি।

*বিষ্ণু পুৰাণত* উল্লেখ থকা মতে ভগৱান শ্রীকৃষ্ণই বৰাহ অৱতাৰৰ সময়ত অদিতিৰ (পৃথিৱী) গর্ভত নৰকক জন্ম দিছিল। অদিতিয়ে মানুহৰ লাওখোলাত শিশুটিক সংস্থাপিত কৰি কৃষিভূমিত এৰি থৈ গৈছিল। কুণ্ডিল নৃপতি ভীষ্মকে হাল বাওঁতে মানুহৰ লাওখোলাৰ ভিতৰত উক্ত মানৰ শিশুটিক পায় আৰু সযত্নে তুলি লয়। মানুহৰ লাওখোলাৰ ভিতৰত পোৱা বাবে শিশুটোৰ নাম ৰখা হয় নৰক। বিষ্ণুৰ ঔৰসত জন্মলাভ কৰা বাবে নৰক বিষ্ণু বংশীয় অর্থাৎ বৈষ্ণৱ ভক্ত। নৰক যুৱক হোৱাৰ লগে লগে অতি পৰাক্রমী আৰু শক্তিশালী যোদ্ধা হৈ উঠে। পিছলৈ কামৰূপৰ মহীৰংগদানৱৰ বংশধৰ অন্তিম ৰজা ঘটকাসুৰক বধ কৰি প্রাগজ্যোতিষ কামৰূপ অধিকাৰ কৰি ৰাজশাসন চলায়। *ব্রহ্মপুৰাণত* প্রাগজ্যোতিষক এখন পুৰ বা নগৰ হিচাপে বর্ণনা কৰা হোৱা নাই, এখন ৰাজ্য হিচাপে বর্ণনা কৰা হৈছে। *কালিকা পুৰাণ, যোগিনী* তন্ত্রৰ উপৰি অন্যান্য উপপুৰাণ ক্রমে *স্কন্দপুৰাণ, বায়ু পুৰাণ, মার্কণ্ডেয় পুৰাণ, গৰুড় পুৰাণ* আদিত কামৰূপ প্রাগজ্যোতিষ তথা এই অঞ্চলৰ মানুহৰ বিষয়ে প্রত্যক্ষ বা পৰোক্ষভাৱে উল্লেখ পোৱা যায়।

*বায়ু পুৰাণত* প্রাগজ্যোতিষ ৰাজ্যখন আর্যৱর্তৰ পূব ফালে স্থিত অন্য দেশৰ সৈতে উল্লেখ কৰা হৈছে। *মার্কণ্ডেয় পুৰাণত* কামৰূপৰ উদয়াচল, লৌহিত্য, কামৰূপ আদি দেশবোৰ পূব দেশ বুলি উল্লেখ কৰা হৈছে। *স্কন্দপুৰাণত* কামৰূপক শাক্ত ধর্মৰ প্রাধান্য থকা দেশ

বুলি ব্যক্ত কৰা হৈছে। *গৰুড় পুৰাণে* কামৰূপ আৰু কামাখ্যাক বিখ্যাত তীৰ্থস্থান হিচাপে বৰ্ণনা কৰিছে। আটাইতকৈ বিস্তৃতভাৱে কামৰূপ, নৰক আৰু কামৰূপী কামাখ্যা তথা শক্তিপীঠ হিচাপে বৰ্ণনা কৰা আছে *কালিকা পুৰাণত*।

*মহাভাৰতৰ* প্ৰায় সকলোবোৰ খণ্ডত ব্ৰহ্মপুত্ৰ নদীক লৌহিত্য বুলি উল্লেখ কৰা হৈছে। মহাকাব্যখনৰ ভীমৰ দিগ্বিজয়ত বৰ্ণনা কৰা আছে যে ভীমে বহু ৰাজ্য জয় কৰি আহি লৌহিত্যৰ পাৰত থকা এখন ৰাজ্যত উপস্থিত হৈছিল, কিন্তু তাত প্ৰাগজ্যোতিষৰ কথা উল্লেখ কৰা হোৱা নাছিল।

এবং বহু বিধান্ দেশান বিজিত্য পৱনাত্মজঃ।
বসু তেজ্য উপাদায় লৌহিত্যমগমদ্বলী।।
স সর্ব্বন্ ম্লেচ্ছনৃপতীন্ সাগৰানুপবাসিনঃ
কৰ মহাৰয়ামাস ৰত্নানি বিবিধানি চ।।

(সভাপর্ব, ২৬-২৭)

*মহাভাৰতৰ* সভাপর্বতেই শ্রীকৃষ্ণই নৰকৰ বিৰুদ্ধে অভিযান বৰ্ণনা কৰোতে প্ৰাগজ্যোতিষ আৰু লৌহিত্যৰ বিষয়ে বৰ্ণনা কৰিছে এনেদৰে:

মধ্যে লোহিত গংগায়াং ভগৱান দেৱকীসুতঃ।।৩১।।
ঔদকায়াং বিৰূপাক্ষং জমান মধুসূদনঃ।
ততঃ প্ৰাগজ্যোতিষং নাম দীপ্য মানমিব শ্রিয়া
পুৰমাসাদয়ামাস তত্র যুদ্ধমবর্ত।।৩২।।

(সভাপর্ব LV)

আনহাতে মহাকবি কালিদাসে তেওঁৰ মহাকাব্য *ৰঘুবংশৰ* ৰঘুৰ দিগ্বিজয়ত কামৰূপৰ ৰাজধানী প্ৰাগজ্যোতিষপুৰ লৌহিত্যৰ তীৰত থকা বুলি উল্লেখ কৰিছে।

নৰকৰ উৎপত্তি, তেওঁৰ প্ৰাগজ্যোতিষ ৰাজ্যপ্ৰাপ্তি আৰু শ্রীকৃষ্ণৰদ্বাৰা নৰক নিধন এই আটাইকেইটা বিষয় *কালিকা পুৰাণত* পাঁচটা অধ্যায়ত সন্নিৱিষ্ট আছে।

সম্ভৱতঃ দশম শতিকাত ৰচনা কৰা বুলি অনুমান কৰা *কালিকা পুৰাণৰ* উপৰি বিভিন্ন পুৰাণ, উপপুৰাণত উল্লেখ কৰা মতে নৰক বংশৰ বসতিস্থান যেনেদৰে কামৰূপ বা প্ৰাগজ্যোতিষপুৰ বুলি বৰ্ণনা কৰা আছে ঠিক একেদৰে শোণিতপুৰত ম্লেচ্ছাধিপতি বলিৰ পুত্র বাণ বংশৰ বসতিস্থান থকা বুলি অনুমান কৰিছে। বাণৰ ৰাজধানী আছিল ভালুকপুঙত।

সেই সময়ত সমসাময়িক দুয়োজন ৰজা বাণ আৰু নৰকৰ মাজত গভীৰ মিত্রতা আছিল। কথিত আছে যে বাণৰ প্ৰভাৱতেই বৈষ্ণৱ ভক্ত নৰকৰ মনত অসুৰ প্ৰবৃত্তিৰ জন্ম হৈছিল। এই সম্পর্কত *কালিকা পুৰাণত* ব্যাখ্যা কৰা আছে এনে ধৰণে:

গমনাগমলান্নিত্য মন্যোনুগ্রহৈস্তথা।
তয়োবভূং মহাপ্রীতিঃ পৱনানলয়োর্যথা।।
স চ বাণঃ সমাৰাধ্য মহাদেৱং জগৎপ্রভূম্।
অসুৱেণার্থ ভাৱেন বাচৱচ্চাকুতোভয়ঃ।।
তৎসর্গাৎ স নৰকো দৃষ্টা তস্যাদ্ভুতাং কৃতিম্।
তেনৈৱ সহভাৱেন বিহর্ত্তুমপ্রক্রমে।।

আদিতে ব্ৰহ্মপুত্র নদী অর্থাৎ লৌহিত্য প্ৰাগজ্যোতিষপুৰ আৰু সিয়ালকুঞ্চিৰ (শুৰালকুছি) উত্তৰেৰে বৈ গৈছিল। অর্থাৎ প্ৰাগজ্যোতিষ আৰু শুৰালকুছি ব্ৰহ্মপুত্রৰ দক্ষিণ পাৰত অৱস্থিত আছিল। অসম বুৰঞ্জীত গুণাভিৰাম বৰুৱাই উল্লেখ কৰা মতে ব্ৰহ্মপুত্র নদীৰ উত্তৰ পাৰক উত্তৰ কোল আৰু দক্ষিণ পাৰক দক্ষিণ কোল বুলিছিল। উত্তৰ গুৱাহাটীৰপৰা মিৰি আৰু মিছিমিসকলে বাস কৰা অঞ্চলটোক উত্তৰ কোল বিস্তৃত আছিল। নাককাটি ৰাণী ৰাজ্যৰপৰা শদিয়ালৈ থকা ভূ-খণ্ড আছিল দক্ষিণ কোল। ১৫৬২ খ্রীষ্টাব্দলৈকে শুৰালকুছিব্ৰহ্মপুত্রৰ দক্ষিণ পাৰত অৱস্থিত আছিল।

**শুৰালকুছিৰপৰাই শাসন হৈছিল কামৰূপ**

আমি আগতে আলোচনা কৰিছো প্ৰাগজ্যোতিষপুৰ আৰু শুৰালকুছি ব্ৰহ্মপুত্র নদীৰ দক্ষিণ পাৰত অৱস্থিত দুখন অতি ওচৰা-উচৰি অঞ্চল। পূর্বতে ব্ৰহ্মপুত্র নদী নীলাচল পাহাৰৰ নামনিত থকা পাণ্ডুনাথ ঘাটৰপৰা শৰাইঘাট হৈ আজাঠুৰী পাহাৰৰ নামনিত শ্রীঘাটত স্পর্শ কৰি পোনছাটে হাজোমুৰা হৈ হাজোৰ গৰুড়াচল পাহাৰ আৰু মণিকূট পাহাৰৰ পদযুগল চুই গৈছিল। অর্থাৎ প্ৰাগৈতিহাসিক সময়ত লৌহিত্য অর্থাৎ ব্ৰহ্মপুত্র নদী গুৱাহাটীৰ পাণ্ডুনাথ ঘাটৰপৰা খাড়ুভাজলৈ শুৰালকুছিৰ ৰাক্ষসিনী পাহাৰৰ পূব দিশেৰে বৈ গৈছিল। ভৌগোলিক এনে স্থিতিৰ বাবেই শুৰালকুছি আদিতে ব্ৰহ্মপুত্র নদীৰ দক্ষিণ পাৰত অৱস্থিত আছিল। ফলত শুৰালকুছি আৰু গুৱাহাটীৰ মাজত যাতায়াতৰ উজুপথ আছিল। সেই সময়ত ৰাক্ষসিনী পাহাৰৰ নামনিৰপৰা আজিৰ কেওটপাৰা নামে পৰিচিত চুবুৰিটোলৈ কলিতা সম্প্রদায়ৰ বিভিন্ন বৃত্তিৰ লোকৰ বসতিস্থান থকা বুলি ইতিহাসে কয়।

শালস্তম্ভ বংশৰ শেষৰজন ৰজা ত্যাগ সিংহৰ মৃত্যুৰ পিছত কামৰূপত এক অন্ধকাৰময় যুগৰ সূচনা হয়। নৰক ভগদত্তৰ প্ৰাগজ্যোতিষ কামৰূপ ক্রমে ধ্বংসস্তূপত পৰিণত হয়। পাল বংশৰ ৰজা ৰত্নপালৰ ৰৰগাঁও শাসন ফলি মতে ত্যাগ সিংহ অপুত্রক হোৱাত প্ৰজাসকলে বুদ্ধিমত্তা ব্ৰহ্মপাল নামৰ এজনক আৰু পৰাক্রমী যুৱক ৰজা পাতে।

নির্বংশং নৃপমেক বিংশতিতমং শ্রীত্যাগসিংহাতিধং।
তেষাংবীক্ষ দিৱঙ্গতং পুনৰহো ভৌমো দি নো যুজতে।
স্বামীতি প্রতিচিন্ত্য তৎপ্রকৃতয়ো ভূভাৰৰাক্ষমং
সাগন্ধ্যাৎ পৰিচক্রিৰে নৰপতিং শ্রীব্রহ্মাপালং হিযম।।[১০]

ৰত্নপাল বর্মদেৱৰ ৰৰগাঁও ফলিৰ উক্ত পংক্তিটোৰপৰা এইটো স্পষ্ট হৈ পৰিছে যে শালস্তম্ভ বংশৰ একবিংশ তথা অন্তিম ৰজা ত্যাগ সিংহ অপুত্রক আছিল বাবেই তেওঁৰ মৃত্যুৰ পিছত প্রজাসকলে ভৌমি বংশৰ যুৱক ব্ৰহ্মপালক ৰজা হিচাপে নির্বাচন কৰিছিল। ইপিনে ত্যাগ সিংহৰ ৰাজধানী হাৰূপেশ্বৰ ভাগি যোৱাত আৰু প্ৰাগজ্যোতিষপুৰ ধ্বংসস্তূপত পৰিণত হোৱাত ব্ৰহ্মপালে প্ৰাগজ্যোতিষৰ ওচৰৰ ওখ সুৰক্ষিত স্থানত ৰাজধানী স্থাপন কৰি ৰাজধানী নগৰখনৰ নাম ৰাখিছিল দুর্জয়া। ৰত্নপালৰ ৰৰগাঁও শাসন, ইন্দ্রপালৰ গুৱাহাটী আৰু শুৰালকুছি শাসনত দুর্জয়া নগৰখন ব্ৰহ্মপুত্রৰ দক্ষিণ পাৰত অৱস্থিত বুলি উল্লেখ আছে। পণ্ডিত স্বর্গীয় পদ্মনাথ বিদ্যাবিনোদনেও দুর্জয়া নগৰখন ব্ৰহ্মপুত্র নদীৰ দক্ষিণ পাৰত অৱস্থিত বুলি কৈছে। দুর্জয়াৰ অর্থ হ'ল দুর্ভেদ্য।

নগৰখন লৌহিত্যৰ পাৰত যদিও অতি ঘন জংঘলবেষ্টিত, অতি সুৰক্ষিত নগৰ। পাহাৰেৰে আগুৰা আৰু দুর্ভেদ্য গড় বান্ধি শত্রুপক্ষক আঁতৰত ৰাখিব পাৰিছিল। অর্থাৎ এক নিৰাপদ আৰু সুৰক্ষিত নগৰী দুর্জয়া। গতিকে ৰত্নপাল বর্মাৰ ৰৰগাঁও শাসন, ইন্দ্রপালৰ গুৱাহাটী আৰু শুৱালকুছি শাসন, পণ্ডিত স্বর্গীয় পদ্মনাথ বিদ্যাবিনোদনৰ উক্তিৰপৰা এইটো নিশ্চিত হ'ব পাৰি যে শুৱালকুছিৰ অন্ততঃ পাহাৰখনেইব্রহ্মপালৰ দুর্জয়া নগৰ। কাৰণ, বিৰৰণ মতে প্রাগজ্যোতিষৰ একেবাৰে ওচৰত আছিল সেই সময়ৰ সিয়ালকুঞ্চি। সিয়ালকুঞ্চি ব্রহ্মপুত্রৰ দক্ষিণ পাৰত অৱস্থিত হোৱাৰ উপৰি পাহাৰেৰে আবৃত আছিল যিটো অতি সুৰক্ষিত।

**দুর্জয়া নগৰখন ঃ** ৰত্নপাল আৰু ধর্মপালৰ বর্ণনা, বিভিন্ন উপপুৰাণ আৰু ফলিত উল্লেখ থকা দুর্জয়া নগৰখন সেই সময়ৰ সিয়ালকুঞ্চিতেই আছিল। বর্ণনা মতে লৌহিত্যৰ তীৰত অতি ঘন জংঘলেৰে পৰিপূর্ণ, শত্রুয়ে সহজতে আক্রমণ কৰিব নোৱৰা সুদৃঢ় গড়সদৃশ পাহাৰখনেই আছিল দুর্জয়া নগৰ। নগৰখনৰ পূব দিশত মহাবাহু ব্রহ্মপুত্র, উত্তৰ-পশ্চিম দিশত সুদৃঢ় পাহাৰ আৰু বৃহৎ জলাশয়। এনে এক পৰিৱেশৰ মাজতে পুনৰ নগৰখন সুৰক্ষিত কৰাৰ বাবে ব্রহ্মপালে পশ্চিম দিশত এটা বৃহৎ গড় নির্মাণ কৰি নগৰখন শত্রুৰ আক্রমণৰপৰা ৰক্ষা কৰিছিল। পৰৱর্তী সময়ত শুৱালকুছিৰ পশ্চিম দিশত ৰাজগড় হিচাপে খ্যাত গড়টোৰেই হ'ল ব্রহ্মপালৰ দুর্জয়া নগৰৰ গড়টো। গড়টো নির্মাণ কৰাত দুটাকৈ বৃহৎ জলাশয়ৰ সৃষ্টি হৈছিল। ইয়াৰে এটা আৰিমত্ত পুখুৰী আৰু আনটো বৰবিল হিচাপে খ্যাত। গড়টো দক্ষিণে বহুদূৰ পর্যন্ত বিস্তৃত আছিল যদিও এটা সময়ত ব্রহ্মপুত্র নদীৰ কৰলত পৰে। অৱশিষ্ট অংশ আজিও ৰাজগড় হিচাপে থিয় হৈ আছে। স্বর্গদেউ ৰুদ্রসিংহৰ ক্ষেত্র বিচাৰ মর্মে শুৱালকুছিৰ অনন্ত পাহাৰৰ পাঁচটা শৃংগ ক্রমে পূবত ৰাক্ষসিনী পাহাৰ য'ত নীৰিতেশ্বৰ মহাদেৱৰ থান থকা বুলি প্রবাদ আছে। উত্তৰ দিশত বৰাহগিৰি যাক বর্তমান গন্ধমৌ পাহাৰ বুলি জনা যায়। পশ্চিমত লাংকোণা যি ৰাৱণৰৈ নামে পৰিচিত। অনন্ত পাহাৰৰ উত্তৰ-পশ্চিম কোণত গন্ধমার্দন পাহাৰ য'ত মহাপ্রভু শিৱৰ বাসস্থান যাক আমি ভৃঙ্গেশ্বৰ বা ভাঙৰা দেৱালয় বুলি জানো। পশ্চিমত সিন্ধ্যাচল য'ত সিদ্ধেশ্বৰ মহাপ্রভু শিৱৰ দেৱালয় আছে। বুৰঞ্জীত উল্লেখ থকা মতে সিদ্ধেশ্বৰ দেৱালয় পূর্বতে এটা বিষ্ণু মন্দিৰ আছিল আৰু ইয়াতে বিষ্ণু আৰু সূর্য দেৱতাৰ পূজা-অর্চনা চলিছিল। মন্দিৰত প্রাপ্ত বিষ্ণু মূর্তি আৰু সূর্য মূর্তিয়ে ইয়াক প্রমাণ কৰে। বিষ্ণু ভক্ত নৰকৰ দিনত হয়তো বিষ্ণুৰ পূজা-অর্চনা চলিছিল। কিন্তু কোন ৰজাৰ দিনত কেতিয়াৰপৰা সিন্ধ্যাচল পাহাৰৰ এই মন্দিৰটো শাক্ত ধর্মৰ প্রভাৱত পৰিল সেই সম্পর্কে বুৰঞ্জী নিমাত। স্বর্গদেউ শিৱ সিংহৰ দিনত মন্দিৰটো পুনৰ নির্মাণ কৰা হয়। গতিকে দেখা যায় যে দুর্জয়া নগৰখন শুৱালকুছিৰ পূব দিশত অৱস্থিত অনন্ত পাহাৰ অঞ্চলত আছিল। শুৱালকুছিৰ এই দুর্জয়া নগৰৰপৰাই ব্রহ্মপালকে ধৰি ৰত্নপাল আৰু ইন্দ্রপাল ৰজাই কামৰূপ শাসন কৰাৰ প্রমাণ পোৱা যায় যদিও পৰৱর্তী সময়ত পাল বংশৰ আন ৰজাসকল ক্রমে গোপাল, হর্ষপাল, ধর্মপাল আৰু জয়পালে ক'ৰপৰা কামৰূপ শাসন কৰিছিল সেই সম্পর্কে বুৰঞ্জীত উল্লেখ নাই। ব্রহ্মপালে ৯২০-৯৩০ খ্রীষ্টাব্দত, ৰত্নপালে ৯৩০-৯৮০ খ্রীষ্টাব্দলৈ আৰু ইন্দ্রপালে ৯৮০ৰপৰা ১০১০ খ্রীষ্টাব্দলৈকে দুর্জয়া নগৰৰপৰা কামৰূপ শাসন কৰিছিল। অর্থাৎ সুদীর্ঘ ৯০টা বছৰ শুৱালকুছিৰ দুর্জয়া নগৰৰপৰা কামৰূপ শাসন কৰিছিল পালবংশৰ এই নৃপতিসকলে।

**আৰিমত্তৰ প্রকৃত অৱস্থান ঃ** জনপ্রবাদমতে শুৱালকুছিত আৰিমত্ত ৰজাৰ ৰাজধানী আছিল আৰু ৰজা আৰিমত্তই শুৱালকুছিৰপৰাই কামৰূপ শাসন কৰিছিল। কিন্তু বুৰঞ্জীয়ে কয় আৰিমত্তৰ ৰাজধানী শুৱালকুছিত নাছিল। ইতিহাসবিদ্সকলে ধাৰণা কৰা মতে আৰিমত্ত নামনি অসমৰ এজন পৰাক্রমী ৰজা আছিল। ছাৰ এডোৱার্ড গেইট চাহাবে তেওঁৰ গ্রন্থ *এ হিষ্ট্রী অব্ আসাম*ত স্পষ্টভাৱে উল্লেখ কৰিছে যে আৰিমত্তৰ ৰাজধানী কামৰূপৰ বেতনাৰ ওচৰৰ বৈদ্যগড়ত আছিল। এই ঠাইত আজিও এটা চাৰিচুকীয়া গড়ৰ অৱশিষ্ট বিদ্যমান। স্থানীয় লোকে ইয়াক আৰিমত্তৰ গড় বুলি আজিও কয়।

**বংগৰ নৱাব, সত্রাজিতৰ বাসস্থান ঃ** শুৱালকুছি সম্পর্কে লিখা-মেলা কৰা বহু লেখকৰ মতে বংগৰ নৱাব আৰু তেওঁৰ সেনাপতি সত্রাজিতে হেনো শুৱালকুছিত কোঠ মাৰি আছিল। লেখকসকলৰ একাংশই এখোপ আগুৱাই গৈ কৈছে যে নৱাব আৰু সত্রাজিতৰ বাসস্থান আছিল মাটিপর্বতত। কিন্তু আজিলৈকে এই দুয়োজনৰ স্থিতি সম্পর্কত শুৱালকুছিত কোনো প্রামাণ্য তথ্য পোৱা নগ'ল। ইয়াৰ বিপৰীতে বুৰঞ্জীয়ে অন্য এক ইংগিত বহন কৰিছে।

চুখাম্ফা অর্থাৎ খোৱা ৰজাৰ মৃত্যুৰ পিছত ১৬১১ খ্রীষ্টাব্দত তেওঁৰ পুত্র চুচেংফা আহোমৰ ৰজা হয়। বুঢ়া কালত ৰজা হোৱা বাবে এওঁক বুঢ়াৰজা বুলিছিল। বুদ্ধিত অতি প্রখৰ বাবেই বুদ্ধি স্বর্গনাৰায়ণ হিচাপেও জনাজাত। কিন্তু বুৰঞ্জীত চুচেংফা স্বর্গদেউ প্রতাপ সিংহ বুলিহে বিখ্যাত। প্রতাপ সিংহৰ ৰাজত্বৰ সময়ত বংগৰ নৱাব ছৈয়দ বাবাকৰ অধীনত ৰঙামাটি আৰু হাজো আছিল আৰু নৱাবৰ সেনাপতি সত্রাজিতে হাজোত কোঠ মাৰি আছিল। ১৫৪৯ শক অর্থাৎ ১৬২৭ খ্রীষ্টাব্দত আহোম আৰু নৱাবৰ মাজত হাজোত ভীষণ যুদ্ধ হয়। যুদ্ধত নৱাব আৰু সত্রাজিতৰ মৃত্যু হয়। বঙ্গালৰ কিছু সৈন্য পলাই সাৰে আৰু কিছু সংখ্যকক আহোম সেনাই বধ কৰে। বঙ্গালক খেদি আহোমে হাজো দখল কৰে। গতিকে দেখা যায় যে বুৰঞ্জীত শুৱালকুছিৰ সলনি হাজোতহে নৱাবৰ কোঠ থকাটো উল্লেখ আছে—শুৱালকুছিত নহয়।

**শুৱালকুছিৰ আদিবাসী ঃ** শুৱালকুছিত আদিতে কোন সম্প্রদায়ৰ লোকে বসবাস কৰিছিল। ইয়াক লৈ আজিও বিতর্কৰ শেষ হোৱা নাই। বিশেষকৈ শুৱালকুছিত বাসত্তৰীয়া ব্রাহ্মণৰ সংস্থাপনক লৈ এই বিতর্কৰ সূচনা হৈছে। অৱশ্যে এই বিতর্ক এচাম লেখক আৰু একাংশ বাসত্তৰীয়া ব্রাহ্মণ বুলি চিনাকি দিয়া লোকৰপৰাহে উদ্ভৱ হোৱাৰ বিপৰীতে বিভিন্ন বুৰঞ্জী, শাসন, ফলি আদিয়ে অন্য এটা দিশহে উন্মোচন কৰিছে।

প্রাগবৈদিক সময়ৰেপৰা কলিতাসকলে কাশ্মীৰৰপৰা কৰতোৱা পর্যন্ত শাসন আৰু বসবাস কৰি আছিল। অতীজত কলিতাসকল শিৱৰ উপাসক আছিল। যোল্ল শতিকাত শ্রীকৃষ্ণক উপাস্য দেৱতা হিচাপে

গ্রহণ কৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত বৈষ্ণৱ ধর্ম প্রচাৰ কৰাত কলিতাসকলৰ মাজতো এই ধর্মই প্রভাৱ বিস্তাৰ কৰে। কলিতাসকল কৃষি কার্য, বয়নশিল্প, সোণ-ৰূপৰ শিল্প, কাঁহ শিল্প, পিতলৰ শিল্প, কুমাৰ শিল্প, কমাৰ শিল্প, কাঠ শিল্প, বাঁহ-বেতৰ শিল্প, পুষ্প শিল্প আদি বিভিন্ন শিল্পৰ সৈতে জড়িত থকাৰ উপৰি এইবোৰেৰে জীৱিকা নির্বাহ কৰিছিল। বুৰঞ্জী অথবা বিভিন্ন ইতিহাসবিদে উল্লেখ কৰা মতে কলিতাসকলক ভগদত্তৰ বংশধৰ বুলি ধৰা হয়। তেতিয়া হ'লে সিয়ালকুঞ্চিৰ আদিবাসী বা ভূমিপুত্র হৈছে কলিতাসকল। অর্থাৎ প্রাগৈতিহাসিক কালৰেপৰা সিয়ালকুঞ্চিত কলিতাসকলৰ বসতি আছিল। প্রাচীন কামৰূপত প্রথমে কিৰাতসকলে শাসন কৰিছিল। কিৰাতসকলৰ ৰাজধানী আছিল হাৰূপেশ্বৰত (বর্তমান শোণিতপুৰ)। এই বংশৰ শেষৰজন ৰজা ঘটকক বধ কৰি নৰকে কামৰূপ অধিকাৰ কৰে। নৰকৰ শাসনকালতেই প্রাগজ্যোতিষত ৰাজধানী নির্মাণ কৰা হয়। নৰকৰ পিছত ভগদত্ত, ব্রজদত্ত, কৃতপ্রজ্ঞ, পুষ্পদত্ত প্রাগজ্যোতিষত অধিষ্ঠিত হয়। ইয়াৰ পিছত প্রাগজ্যোতিষ কামৰূপত কোন ৰজাই শাসন কৰিছিল এই সম্পর্কত বুৰঞ্জী নিমাত। খ্রীষ্টপূর্ব প্রথম শতিকাত ভৌম বংশৰ পুষ্যবর্মাই কামৰূপ শাসন কৰে। এই বংশৰ অন্তিমজন ৰজা ভাস্কৰ বর্মাই ৫৯৪ খ্রীষ্টাব্দৰপৰা ৬৫০ খ্রীষ্টাব্দলৈকে কামৰূপ শাসন কৰিছিল। সেই একে সময়তে থানেশ্বৰৰ ৰজা শিলাদিত্য অর্থাৎ হর্ষবর্দ্ধনে উত্তৰ ভাৰতত (৬০৪-৬৬০ খ্রীঃ) ৰাজত্ব কৰিছিল। একাংশ ইতিহাসবিদে ভাস্কৰ বর্মাই হর্ষবর্দ্ধনলৈ মিত্রতাৰ চিন স্বৰূপে বিভিন্ন সামগ্রীৰ লগতে শুৱালকুছিত উৎপাদিত মুগা-পাট বস্ত্র উপঢৌকন হিচাপে দিয়া বুলি কোটিল্যৰ *অর্থশাস্ত্রৰ* উদ্ধৃতি দিব বিচাৰিছে যদিও এনে কোনো তথ্য *অর্থশাস্ত্রখনত* বিচাৰি পোৱা নগ'ল। *অর্থশাস্ত্রত* উল্লেখ কৰা মতে সেই সময়ত কামৰূপত কৌশেয়, (কোশ বা পাটপলুৰ কোশৰপৰা উৎপন্ন হোৱা ৰেচমী বস্ত্র) মোক্ষম (ক্ষুম বা শণ সূতাৰ কাপোৰ (linen cloth), পত্রোর্ণা (এবিধ ৰেচমী কাপোৰ), কম্বল (ঊণ সূতাৰ বস্ত্র) আৰু দুকুল অর্থাৎ বৰ মিহি পাট কাপোৰ। তাঁতীসকলে দশপল সূতা এঘাৰ পল পর্যন্ত বঢ়াব লগা হৈছিল অর্থাৎ দশপল সূতাৰপৰা মাৰ আদি ব্যৱহাৰ কৰি এঘাৰ পল ওজনৰ বস্ত্র উৎপাদন কৰিব লাগিছিল। কৌটিল্যৰ *অর্থশাস্ত্রৰ* চতুর্থ অধিকৰণৰ (কণ্টাক শোধন) প্রথম অধ্যায়ৰ ৭৬তম প্রকৰণত উল্লেখ কৰা আছে। *অর্থশাস্ত্রমতে* আজিও শুৱালকুছিত মুগাৰ কাপোৰত মাৰ দিয়া পৰম্পৰা অব্যাহত আছে। অতি মিহি পাট সূতাৰদ্বাৰা ৰেচমী বস্ত্র উৎপাদন একমাত্র শুৱালকুছিতে হৈছিল। গতিকে দেখা যায় যে শুৱালকুছিত প্রাগৈতিহাসিক কালৰেপৰা পাট আৰু মুগা বস্ত্রৰ উৎপাদনৰ কাম চলি আছিল। বুৰঞ্জীমতে কলিতা সম্প্রদায়ৰ লোকসকলেহে বয়ন শিল্পত পার্গত আছিল। ইয়াৰপৰা সহজে অনুমেয় যে শুৱালকুছিৰ আদিবাসী হৈছে কলিতাসকল। শুৱালকুছিৰ যিসকল বাসত্তৰীয়া ব্রাহ্মণ তেওঁলোকক ধর্মপাল বর্মাদেৱে কনৌজৰপৰা আনি শুৱালকুছিত ভূমি দান কৰি সংস্থাপন কৰা বুলি অনেকে ক'ব খোজে। কিন্তু স্বয়ং ধর্মপালে তেওঁৰ ৰচনাৰাজিত শুৱালকুছিত ব্রাহ্মণ সংস্থাপিত কৰাৰ বিষয়ে ক'তো উল্লেখ কৰা নাই।

কামৰূপত ব্রাহ্মণৰ আগমন বর্মন ৰাজত্বকালত হৈছিল। ভাস্কৰ বর্মনৰ নিধানপুৰ তাম্র শাসনত উল্লেখ থকা মতে ভাস্কৰ বর্মনে গৌড় অঞ্চলত দুশ পাঁচটা ব্রাহ্মণ পৰিয়ালক ভূমি দান কৰিছিল। নিধানপুৰ শাসনৰ ১২৮-১৩২ শাৰীত এই ভূমিৰ সীমা নির্ধাৰণ কৰা আছে।

পালবংশৰ ৰত্নপাল বর্মাৰ এতিয়ালৈকে দুখন তাম্র ফলি উদ্ধাৰ হৈছে। ইয়াৰে তেওঁৰ শাসনৰ ২৫ বছৰত বৰগাঁও তাম্র শাসন লিখিছিল। এই তাম্র শাসনত ৰত্নপালে দুর্জয়া নগৰৰ বর্ণনা সুন্দৰভাৱে লিখিছে। ৰত্নপালে তেওঁৰ শাসনৰ ২৬ বছৰত শুৱালকুছিত তাম্র শাসন ৰচনা কৰিছিল। এইখন শুৱালকুছিত পোৱা গৈছিল। ১৮৯৬ খ্রীঃৰ মে' মাহত এডোৱার্ড গেইট চাহাবে ইয়াক বেংগল এছিয়াটিক ছ'চাইটিলৈ প্রেৰণ কৰাৰ পিছত ডঃ হর্ণলিয়ে ১৮৯৮ চনৰ পহিলা এপ্রিলৰ সংখ্যা ১২০ পৃষ্ঠাত ৰত্নপালৰ প্রথম শাসনৰ লগতে ফলকৰ চিত্রসহ উক্ত ছ'চাইটিৰ পত্রিকাত আলোচনা কৰে। স্বর্গীয় পদ্মনাথ বিদ্যাবিনোদন পণ্ডিতে এই শাসন কামৰূপ শাসনাৱলীত অন্তর্ভুক্ত কৰে। শুৱালকুছি শাসনত ৰত্নপাল বর্মাদেৱে কামদেৱ ভট্ট নামৰ এজন ব্রাহ্মণক মাটি দান কৰাৰ কথা উল্লেখ কৰিছে। জনপ্রবাদমতে কামদেৱ ভট্টৰ বংশধৰ আজিও শুৱালকুছিত বিৰাজমান।

ৰত্নপালৰ পিছত ইন্দ্রপাল কামৰূপৰ ৰজা হয়। ইন্দ্রপালে তেওঁৰ ৰাজত্বৰ অষ্টম বছৰত গুৱাহাটী শাসন আৰু একবিংশ বছৰত শুৱালকুছি শাসন প্রদান কৰে। গুৱাহাটী শাসনৰ ১৯ নং শ্লোক মর্মে ইন্দ্রপালে দুর্জয়া নগৰৰপৰাই কামৰূপ শাসন কৰিছিল। শুৱালকুছি শাসন যোগে ইন্দ্রপালে শ্রাৱন্তিৰ পণ্ডৰী অঞ্চলত দেৱদেৱ নামৰ এজন ব্রাহ্মণক ভূমি দান কৰিছিল।

ধর্মপাল বর্মাদেৱৰ এতিয়ালৈকে তিনিখন তাম্র শাসন পোৱা গৈছে। সেইকেইখন হ'ল 'খনামুখ তাম্র শাসন', 'শুভংকৰপাটক তাম্র শাসন' আৰু 'পুষ্পভদ্রা তাম্র শাসন'। খনামুখ তাম্র শাসন ধর্মপালে তেওঁৰ প্রথম বছৰতে 'খোনামুখ ফলি' হিচাপে প্রদান কৰে। এই ফলিমতে পুৰুজী জিলাৰ দীঘলন্দিৰ মেৰুপাটক নামৰ অঞ্চল ভূমি দান কৰে। শুভংকৰপাটক লিপিখন ধর্মপালে তেওঁৰ শাসনৰ তৃতীয় বছৰত প্রদান কৰিছিল দিজ্জিন্না অঞ্চলৰ শুভংকৰ নামৰ গাঁৱত এজন ব্রাহ্মণক। দিজ্জিন্না বর্তমান পশ্চিম বংগৰ দিনাজপুৰ জিলাত।

পুষ্পভদ্রা ফলিখন ৰজাৰ পৰিণত বয়সত ৰচনা কৰা। পুষ্পভদ্রা ফলিযোগে ধর্মপালে গুহেশ্বৰৰ (গোৰেশ্বৰ) 'দিগ্‌ডোল বৃদ্ধগ্রাম' নামৰ গাঁৱত ব্রাহ্মণসকলক ভূমি দান কৰাৰ কথা উল্লেখ আছে (পংক্তি ২৯-৩০)। গতিকে দেখা যায় যে পাল বংশৰ কোনো এজন ৰজাই কনৌজৰপৰা ব্রাহ্মণ আনি শুৱালকুছিত স্থাপন কৰা নাই। একমাত্র ৰত্নপাল বর্মাদেৱৰ শুৱালকুছি ফলিতহে কামদেৱ ভট্ট নামৰ ব্রাহ্মণ এজনক শুৱালকুছিত ভূমি প্রদান কৰাৰ উল্লেখ আছে। আনহাতে ধর্মপাল বর্মাদেৱৰ শুভংকৰপাটক লিপিখন ভাৰত চৰকাৰৰ সহকাৰী অধীক্ষক স্বর্গীয় কালীনাথ দীক্ষিত মহোদয় হেমচন্দ্র গোস্বামীৰ পূর্বে শৰৎচন্দ্র গোস্বামীৰপৰা সংগ্রহ কৰিছিল। লিপিখনৰ মতে শুভংকৰপাটক নামৰ অঞ্চলত হিংমাগ নামৰ এজন ধার্মিক ব্রাহ্মণক ভূমি দান দিয়াৰ বিষয়ে উল্লেখ আছে।

অসম বুৰঞ্জীৰ লেখক গুণাভিৰাম বৰুৱাই লিখিছে এনেদৰে ঃ 'কোচবেহাৰ ৰজাই শ্রীহট্ট আৰু কোচবেহাৰৰ পৰা কামৰূপলৈ কিছুমান ব্রাহ্মণ অনাই ইয়াত পাতে। কামৰূপৰ পূর্বৰ ৰজাসকলেও অনেক ব্রাহ্মণ আনি এই দেশত বসতি কৰায় তাৰে সুৰালকুচিৰ 'বাসত্তৰীয়া ব্রাহ্মণ' নামে প্রসিদ্ধ ব্রাহ্মণসকল গণনীয়।' গতিকে দেখা গ'ল যে শুৰালকুছিৰ মনসা পূজা কৰা ব্রাহ্মণসকলক 'বাসত্তৰীয়া ব্রাহ্মণ' বিশেষণটো কোনে কেতিয়া দিলে সেয়া আজিও সঠিককৈ কোৱা টান। এইক্ষেত্রত গৱেষণাৰ প্রয়োজন আছে।

**ব্রহ্মপুত্রৰ গতিপথ সলনি ঃ** আমি আগতেই উল্লেখ কৰিছো যে প্রাগৈতিহাসিক কালত শুৰালকুছি সিয়ালকুঞ্চি নামে জনাজাত আছিল। সিয়ালকুঞ্চি ব্রহ্মপুত্র নদীৰ দক্ষিণ পাৰত আছিল। তাহানিৰ সিয়ালকুঞ্চিয়েই বর্তমানৰ শুৰালকুছি। সেই সময়ত সিয়ালকুঞ্চিৰ সীমা আছিল আজিৰ কেওট পাৰালৈকে। ১৫৬২ খ্রীষ্টাব্দত কোচ ৰজা নৰনাৰায়ণ আৰু বীৰ চিলাৰায়ে গড়গাঁও অধিকাৰ কৰি উভতি আহোতে দেখে যে ব্রহ্মপুত্রৰ বৃহৎ খাড়ু ভাঁজটো পোনাই দিলে যাতায়াতৰ বাবে এক উজু পথৰ সৃষ্টি হ'ব। মহাৰাজ নৰনাৰায়ণৰ নির্দেশ মর্মে ভাতৃ চিলাৰায়ে সৈন্যসকলৰদ্বাৰা ৰাক্ষসিনী পাহাৰৰ দক্ষিণ দিশৰপৰা বামুন্দীৰ হাতীমূৰা পাহাৰলৈকে খান্দি দিছিল। সৈন্যসকলৰ হাতত থকা যাঠি-জোং, খর্গ, তৰোৱাল আদিৰে খন্দা বাবে আজিও এই খন্দা অংশক খর্গসোঁতা বুলি গাঁওখনৰ সেই সময়ৰ বয়োজ্যেষ্ঠসকলে কয়। মাথোঁ যুদ্ধৰ নাও যাব পৰাকৈ খন্দা এই সোঁতাটোৰেই পৰৱর্তী সময়ত ব্রহ্মপুত্র নদীৰ মূল সুঁতি হৈ পৰিল। ফলত ব্রহ্মপুত্রই গতিপথ সলনি কৰি সিয়ালকুঞ্চিৰ দক্ষিণ দিশেৰে গতি কৰিব ধৰিলে। হাজো এৰি ব্রহ্মপুত্র পোনে পোনে গতি কৰাত আগৰ এক বিশাল অঞ্চল তৰাং হোৱাৰ লগতে এক বৃহৎ জলাশয়ত পৰিণত হ'ল যাক মানুহে কাঁকৰা সাগৰ বুলি কয়। সিয়ালকুঞ্চি দক্ষিণ পাৰৰ পৰিৱর্তে উত্তৰ পাৰ হ'ল। জনপ্রবাদ মতে খিয়ালকুঞ্চিৰ মধ্য অংশৰপৰা নামনিলৈকে অটব্য হাবি-জংঘলেৰে পৰিপূর্ণ আছিল। সিয়ালকুঞ্চিৰ উত্তৰ দিশত বৃহৎ জলাশয়। আজিৰ যিখন বংশৰ সেই সময়ত এটা বৃহৎ জলাশয়ৰে পৰিপূর্ণ আছিল। বংখাৰৰপৰা বংশৰ হৈছে। বং মানে ডাঙৰ খাৰ মানে জলাশয়। কালক্রমত এই জলাশয়টো তৰাং হোৱাত বসবাসৰ উপযোগী হৈ উঠে আৰু কামৰূপৰ বিভিন্ন স্থানৰ লোকে ইয়াতে পাম পাতি থাকিবলৈ ধৰে। ইপিনে তাহানিৰ সিয়ালকুঞ্চি ব্রহ্মপুত্রৰ প্রবল গৰাখহনীয়াত পৰাত গাঁওবাসী ক্রমে নামনি অংশলৈ আহি জংঘল কাটি নতুনকৈ বসবাস কৰে আৰু নতুন স্থানৰ নাম ৰাখে শুৰালকুছি। ১৬০৩ খ্রীষ্টাব্দত স্বর্গদেউ প্রতাপ সিংহ আহোমৰ ৰজা হয়। সেইটো বছৰতে ৰজাই বৰফুকনৰ পদ সৃষ্টি কৰি মোমায়েক মোমাই তামুলীক নামনি অসমৰ (গুৱাহাটীৰপৰা নামনি অসমলৈকে) বৰফুকন পাতে। বৰফুকন পদ গ্রহণ কৰিয়েই মোমাই তামুলীয়ে শুৰালকুছিক এখন আদর্শ গাঁও হিচাপে গঢ়ি তোলে। তেখেতে বৃত্তিগতভাৱে জীৱিকা নির্বাহ কৰা লোকসকলক ঠায়ে ঠায়ে সংস্থাপিত কৰি, বাট-পথ পোনকৈ নির্মাণ কৰি এখন সুন্দৰ আদর্শ গাঁও হিচাপে শুৰালকুছিক গঢ়ি তুলিছিল। মোমাই তামুলীৰ হাতৰ পৰশত গঢ়ি উঠা আদর্শগাঁও শুৰালকুছিত আজিও ইয়াৰ স্পষ্ট আভাস পোৱা যায়। সম্ভৱতঃ শুৰালকুছিয়েই অসমৰ প্রথমখন আদর্শ গাঁও।■

(শুৰালকুছিৰ ইতিহাস অতি বিশাল আৰু বিস্তৃত স্থানৰ অভাৱত ইয়াত সংক্ষিপ্তকৈ উল্লেখ কৰা হৈছে।)

**সহায়ক গ্রন্থ ঃ**

*অসম বুৰঞ্জী* ঃ গুণাভিৰাম বৰুৱা
*প্রাগজ্যোতিষৰ ইতিহাস* ঃ ড° ডিম্বেশ্বৰ শর্মা
*অসমৰ সাংস্কৃতিক ইতিহাস* ঃ অসম প্রকাশন পৰিষদ
*এ হিষ্ট্রী অব্ আচাম* ঃ ছাৰ এডোৱার্ড গেইট
*পাদছাহনাম*, দ্বিতীয় খণ্ড ঃ পৃষ্ঠা ৬৬
*Indian Society*-First Edition, S.C. Dube

# শুৰালকুছিৰ উপভাষাৰ আঞ্চলিক ৰূপ

**বাসুদেৱ ভৰালী**

*প্ৰাক্তন অধ্যাপক, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

শুৰালকুছিৰ তোল বা চুবাই চুবাই বিভিন্ন বৃত্তিধাৰীৰ বাসস্থান। ভাষাগত বৈশিষ্ট্যৰ ক্ষেত্ৰত শুৰালকুছিক প্ৰধানকৈ তিনিটা অঞ্চলত ভাগ কৰিব পাৰি— পূব অঞ্চল, মধ্য অঞ্চল আৰু পশ্চিম অঞ্চল। পূব অঞ্চল বোলোতে কেৱল কৈৱৰ্ত পাৰাৰখনৰ কথা কোৱা হৈছে। কৈৱৰ্ত পাৰাৰ লোকসকলৰ ভাষাৰ মান্যভাষাৰ লগত সামঞ্জস্য আছে। এওঁলোকৰ পূৰ্বপুৰুষসকল শিৱসাগৰ, নগাঁও কেন্দুতল আৰু লাউপাৰাৰ লোক। মধ্য অঞ্চলত বামুণ পাৰা, কেওটপাৰা, কুমাৰপাৰা, সোণাৰীপৰাৰপৰা ভাটি পাৰালৈ সমাৰা হৈছে। পশ্চিম অঞ্চলত পুখুৰীপাৰাৰপৰা ভাঙ্গানগৰ আদি সামৰা হৈছে। পশ্চিম অঞ্চল বিশেষৰ কম-বেছি পৰিমাণে থকা ভাষাৰ বিচিত্ৰতাৰ লগত মান্য ভাষাৰ ধ্বনিমূলক, ৰূপাত্মক আৰু শব্দমূলক সাদৃশ্য-বৈসাদৃশ্যৰ এটি সমীক্ষা আগবঢ়োৱা হ'ল।

**ক। ধ্বনিমূলক :**

(১) উজনি উপভাষা বা মান্যভাষা শ্বাসাঘাত শব্দৰ শেষৰ ফালে, কামৰূপী উপভাষাত শব্দৰ আদিতে পৰিলেও শুৰালকুছিৰ কথ্য ভাষাত (মধ্য অঞ্চলত) শব্দৰ দ্বিতীয় শব্দাংশতহে পৰে। যেনে :

| | | শুৰালকুছি | |
|---|---|---|---|
| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
| এঙাৰ | এ'ঙাৰ | আঙৰা, আঙাৰ | আঙাৰ |
| কোমোৰা | কোমোৰা | কুমুৰা | কুম্ৰা, কুমুৰা |
| কটাৰি | কতাৰি | কতেৰি | কত্ৰি, কতৰি |

(২) মান্যভাষাত ওচৰা-উচৰিকৈ দুটা-আ ধ্বনি থাকিলে আগৰ-আ ধ্বনি সাধাৰণতে-আ-বা-এ লৈ পৰিৱৰ্তন হয়। শুৰালকুছিৰ কথ্য ভাষাত ধ্বনি-আ ওচৰা-উচৰিকৈ থাকিব পাৰে। যেনে : -

| মান্য | পূব | মধ্য | পশ্চিম |
|---|---|---|---|
| ৰজা | ৰজা | ৰজা | ৰজা |
| চকা | চাকা | চাক্কা | চাক্কা |
| ছাতি | চাতি | চাতা, চতা | চাতা, চতা |

(৩) শুৰালকুছিৰ ভাষাত অল্পপ্ৰাণ ধ্বনিৰ ঠাইত মহাপ্ৰাণ হয়। যেনে :-

| | | শুৰালকুছি | |
|---|---|---|---|
| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
| চোকা | চোকা | চোখা | চ'খা |
| জাকৈ | জাকৈ | জাখেই | জাথেই |
| পেলা | পেলা | ফেল'উ | ফেল'উ , আদি |

(৪) মান্য ভাষাৰ দ্বি অক্ষৰযুক্ত শব্দৰ প্ৰথম অক্ষৰত থকা ও ধ্বনি কেতিয়াবা- অ' হয়, নহ'লে মান্য ভাষাৰ দৰে থাকে, যেনে ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| বোবা | বোবা | ব'বা, বোবা | বোবা, ব'বা |
| খোপা | খোপা | খ'পা, খোপা | খোপা, খ'পা |

(৫) একাক্ষৰী শব্দৰ বাহিৰে আন শব্দৰ শেষত থকা মান্যভাষাৰ দ্বিস্বৰ ধ্বনি-ঐ আৰু -ঔ শুৰালকুছিৰ কথ্য ভাষাত -এ'ই আৰু -ও, হয়। যেনে ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| মাদৈ | মাদৈ | মাদেই | মাদেই |
| মিঠৈ | মিঠৈ | মিথে'ই | মিথে'ই |
| ভাটৌ | ভাতৌ | ভাতো | ভাতো |

(৬) শুৰালকুছিৰ কথ্য ভাষাত দ্বিস্বৰ ধ্বনি আৰু ত্ৰিস্বৰ ধ্বনিৰ প্ৰয়োগ লক্ষ্য কৰিবলগীয়া। যেনে:

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| ভাৱৰীয়া | ভাৱৰিয়া | ভাউৰা, ভাউইৰা | ভাউৰা |
| কেৱলীয়া | কেৱলিয়া | কে'উলা, কেউইলা | কেউলা, কে'উৰা |
| হালোৱা | হালোৱা | হাউলা | হাউলা, হাউৰা |

(৭) শুৰালকুছিৰ কথ্য ভাষাত সমীভবনৰ বিশেষত্ব আছে— য'তেই সম্ভৱ সমীভবন হয়।

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| বৰনাম | বৰনাম | বন্নাম | বন্নাম |
| কৰদৈ | কৰদৈ | কদ্দেই | কদ্দেই |
| লৰদিয়ে | লৰদিয়ে | লদ্দেই, লচ্চি | লদ্দেই |

(৮) মান্য ভাষাৰ নিম্নস্বৰধ্বনি শুৰালকুছিৰ কথ্য ভাষাত নিম্ন আৰু উচ্চ দুই ধৰণৰ উচ্চাৰণ পোৱা যায়। যেনে:

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| সিন্দুৰ | সিন্দুৰ | সেনুৰ, সিনুৰ | সিনুৰ |
| এন্দুৰ | এন্দুৰ | এনুৰ, ইনুৰ | ইনুৰ |
| কাপোৰ | কাপোৰ | কাপোৰ | কাপোৰ, কাপুৰ |

(৯) মান্য ভাষাৰ 'ৰ' আৰু 'ন' ধ্বনিৰ ঠাইত শুৰালকুছিৰ কথ্য ভাষাৰ কোনো কোনো শব্দত 'ল' ধ্বনি শুনা যায়, কেতিয়াবা 'ল' ধ্বনি 'ন' হয় আৰু কেতিয়াবা দ্বিত্ব হয়। যেনে :

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| মৰিলোঁ | মৰিলোঁ | মল্লু | মল্লু |
| ধৰিলোঁ | ধৰিলোঁ | ধল্লু | ধল্লু |

(১০) স্বৰ সংগতিৰ প্ৰয়োগ শুৱালকুছিৰ কথ্য ভাষাত দেখা যায়। পৰৱৰ্তী শব্দাংশত উচ্চস্বৰ ই, ঈ, বা উ, ঊ থাকিলে আগৰ শব্দাংশত থকা অ ধ্বনি এ' ৰূপে উচ্চাৰিত হয়। যেনে ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| পাগলী | পাগ'লি | পাগে'লি | পাগে'লি |
| চাকৰি | চাক'ৰি | চাকে'ৰি | চাকে'ৰি |
| ছাগলী | চাগ'লি | চাগে'নি, চাগাল | চাগে'লি |

(১১) আন আন আঞ্চলিক উপভাষাতকৈ শুৱালকুছিৰ কথ্য ভাষাতেই ন-শ্ৰুতি (N-Glide) ৰ ব্যৱহাৰ স্পষ্ট দেখা যায়। যেনে ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| এইডাল | ইদাল | ইন্‌দাল | ইন্‌দাল |
| সেইডালং | সিদাল | সিন্‌দাল | সিন্‌দাল |

(১২) আদি শব্দাংশৰ ই মান্যত গুণ হয়, কিন্তু শুৱালকুছিৰ ভাষাত নহয় আৰু অন্ত + আ > আঁতা হয়। যেনে ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| সেওঁতা | সেওঁতা | সিঁয়াত | |
| (সীমান্ত+আ) | | (সিৰ + আঁতা) | |
| | | সে'তা | সে'তা |
| নেওঁতা | নেওঁতা | নিয়াঁতা | নে'তা |
| (নিমন্ত্ৰণ + আ) | | (নিৰ + আঁতা) | |
| | | নে'তা | |

(১৩) মান্যভাষাত দুটা অক্ষৰযুক্ত শব্দৰ দ্বিতীয় অক্ষৰত থকা-অ-ধ্বনি শুৱালকুছিৰ কথ্য ভাষা-আ-হয় আৰু কেতিয়াবা শেষৰ আখৰৰ ব্যঞ্জন লোপ হয়। যেনে ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| গৰম | গৰম | গৰাম, গৰম | গৰম, গৰাম |
| তপাত | দীঘল | দীঘল | দিঘাল, দিঘল |
| দিঘল, দিঘাল | পূৰণ | পূৰণ | পুৰান, পুৰন |

(১৪) শুৱালকুছিৰ কথ্য ভাষাত এক-শব্দ যুক্ত হ'লে সাধাৰণতে ক লোপ নহয়। যেনে ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| এ-বুকু | এ-বুক | এক-বুক, আক-বুক | এক-বুক, আক-বুক |
| এ-বাৰ | এ-বাৰ | এক-বাৰ, আক-বাৰ | এক-বাৰ, আক-বাৰ |
| এ-হাত | এ-হাত | এক-হাত, আক-হাত | এক-হাত, আক-হাত |

(১৫) মান্যভাষা শব্দৰ শেষত থকা ঐ শুৱালকুছিৰ কথ্য ভাষাত -এ' হয়। যেনে ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| তেনেকৈ | তেনেকৈ | তে'ন্‌কে', তে'নে'ইকে' | তে'নে'ইকে, তেনকে' |
| এনেকৈ | এ'নে'কৈ | এনাকে', এ'ন্‌কে', এঙ্‌কে, | এ'নে'ইকে', এনকে' এ'নে'ইকে |

(১৬) কেতিয়াবা মান্যভাষাৰ ঐ শুৱালকুছিৰ কথ্য ভাষাত ই হোৱা দেখা যায়। যেনে ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| অ'ত-ত'ত | অ'ত-ত'ত | অ'ইত-ত'ইত | অ'ইত-ত'ইত |
| অলৈ-তলৈ | অলৈ-তলৈ | অ'ইক-ত'ইক | অ'ইক-ত'ইক |
| যেনেকৈ-তেনেকৈ | যে'নে'কৈ-তে'নে'কৈ | যে'নে'ই-তে'নেই | যে'নে'ই-তে'নেই |

(১৭) শুৱালকুছিৰ কথ্য ভাষাত অন্ত্য শব্দযুক্ত শ, ষ, স স (x) ৰূপে উচ্চাৰিত হ'লে স ধ্বনিৰ সলনি খ বা হ হে পোৱা যায়। যেনে ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| আকাশ | আকাশ | আকাখ | আকাখ |
| আশা | আসা | আখা | আখা |
| দশ | দস, দহ | দহ, দচ | দহ, দচ |

(১৮) নামবাচক শব্দৰ শ, ষ, স শুৱালকুছিৰ কথ্যভাষাত চ ৰূপে উচ্চাৰিত হয়। যেনে ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| মহেশ | ম'হেস | ম'হেচ | ম'হেচ |
| শশী | চ'চি | চ'চি | চ'চি |
| সুবোধ | সুবুধ | চুবুধ/দ | চুবুধ/ দ |

**(খ) ৰূপাত্মক ঃ**

(১) মান্যভাষাত ব্যৱহাৰ হোৱা প্ৰত্যয়-বোৰ, বিলাক, হঁতৰ, ঠাইত শুৱালকুছিৰ কথ্য ভাষাত গিলা, চে, হেনা, হেমেৰা, হেতোৰ, সোপা মাখা/ মখা আদি ব্যৱহাৰ হয়। যেনে ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| গৰুবোৰ | গৰুবিলাক | গৰু গিলা | গৰু গিলা |
| ল'ৰাবোৰ | ল'ৰাবোৰ | চলিহাত, চলিহঁত | আপাগিলা |
| মানুহবোৰ | মানুহবিলাক | মানুগিলা/ মখা | মান্‌হুগিলা |

(২) মান্যভাষাত প্ৰয়োগ (ক) কালবাচক আৰু (খ) স্থানবাচক ক্ৰিয়া বিশেষণবোৰৰ তুলনাত শুৱাকুছিৰ কথ্য ভাষাত সুকীয়া। যেনে ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| (ক) | | | |
| এতিয়া | এতিয়া | ইতান, ইতেই, ইখন | ইথন, ইতা |
| তেতিয়া | তেতিয়া | তিতান, তিথান, তিথন | তিথন, তিতা |
| কেতিয়া | কেতিয়া | কিতান, কিথান, কিথন | কিথন, কিতা |
| (খ) | | | |
| তালৈ | তালৈ | তাত, তহঁ'ই, তহেঁ'ই, তাকে | তাকে |
| কলৈ | কলৈ | ক'ত, কহঁই | ক'ক, কহঁই |
| এইপিনে | ইফালে | এপোনে, অহঁই | ইপিনে, ইপে'নে |

(৩) মান্য ভাষাৰ তুলনাত শুৱালকুছিৰ কথ্য ভাষাত প্ৰয়োগ হোৱা স্বাৰ্থিক প্ৰত্যয়সমূহ সুকীয়া। যেনে ঃ সি গুহাতি পালা-যাই। (তেওঁ গুৱাহাটী পালেগৈ।) সি সালত বহিল-যাই (তেওঁ তাঁতশালত বহিলগৈ।) মই ঘৰক গেছিলোঁ-তো। (মই ঘৰলৈ গৈছিলোঁ।)

সি আহিবৌ বুলি সুনলো-তো। (তেওঁ আহিব বুলি শুনিলোঁ।) ইচ্কুলক যাগে'ল-যা। (স্কুললৈ যোৱাগৈ।)

(৪) (ক) মান্য ভাষাত ব্যৱহাৰ হোৱা নির্দেশক প্রত্যেয়-টো,-জন,-জনা,-গৰাকীৰ, ঠাইত শুৱালকুছিৰ কথ্য ভাষাত-টো,-ডাল আৰু-ফেৰাৰ ঠাইত-খোৰ আৰু-খেনি ব্যৱহাৰ হয়। যেনে ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| ল'ৰাটো | ল'ৰাতো | চ'লিতো, আপাতো | আপাতো, চ'ল্তো |
| মানুহজন | মানুহজন | মান্হুতো | মান্হুতো |
| ৰজাজনা | ৰজাজন | ৰাজাতো | ৰাজাতো |

(খ) অনির্দেশক প্রত্যক। যেনে ঃ-

| | | | |
|---|---|---|---|
| চেনী ফেৰা | চেনি এফেৰি | চেনিখেনি | চেনিখেনি |
| লোণ ফেৰা | লোন এফেৰি | নুন/নিমখ খেনি | নুন/ নিমখ খেনি |
| ভাত অলপ | ভাত অলপ | ভাত অলপমান | ভাত একতেপা |

(৫) সাম্ভাব্য অতীত বুজাবলৈ শুৱালকুছিৰ কথ্য ভাষাত 'হেঁতেন'ৰ সলনি 'হয়' আৰু 'বোধহয়'ৰ সলনি 'হমপায়' ব্যৱহাৰ হয়। যেনে ঃ কেতিয়াবাই >কিথম্বাই, হবপাই > হম্পাই ইত্যাদি।

(৬) মান্য ভাষাৰ তুলনাত শুৱালকুছিৰ কথ্য ভাষাত নাম ধাতুৰ প্রয়োগ বেছি। যেনে ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| ভটিয়াই যা | ভতিয়াই বা | ভাইথেইযা, ভাথেইযা | ভাথৌ |
| বাকলি গুচা | বাকলি গুচুৱা | চেলৌ | চেলৌ |
| চোবাই খা | চোৱাই খাৱ | চোবেই খা, চোবৌ | চোবৌ |

(৭) শব্দ বিভক্তিৰ ক্ষেত্রত মান্য ভাষাৰ ৪র্থীৰ 'লৈ'ৰ ঠাইত সাধাৰণতে শুৱালকুছিৰ কথ্য ভাষাত 'ক', 'ত' আৰু 'লেগি', ৫মীৰ 'পৰা'ৰ ঠাইত 'পাই', 'পে' আৰু ৩য়াৰ 'ৰে'ৰ ঠাইত 'দি' ব্যৱহাৰ হোৱা দেখা যায়। যেনে ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| কলৈ যোৱা | কলৈ যোৱা | ক'ক /যা/য /যাহ | ক'ত যা |
| বাজাৰলৈ | বাজাৰলৈ | বজাৰোক লেগি, বজাৰক গেলি, বজাৰক গেলি, বজাৰক | বজাৰত |

(৮) ক্রিয়া বিভক্তিৰ ক্ষেত্রত মান্যভাষা আৰু শুৱালকুছিৰ কথ্য ভাষাৰ মাজত পার্থক্য পৰিলক্ষিত হয়। যেনে ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| তই খা | তই খা | তুই খ, তই খাহ | তই খাহ |
| তই ক | তই ক | তুই ক, তই কৌ | তই কৌ |
| লি খালে | সি খালে | সি খালাক, সি খালা | সি খালা |

(৯) মান্য ভাষাত অতীত কৃদন্ত পদ কৰোঁতে ব্যৱহৃত Öহ শুৱালকুছিৰ কথ্য ভাষাত Öযা হয় । যেনে ঃ মোৰ কামতো কৰা যাব । (মোৰ কামটো কৰা হ'ব।) হিচাবতো চাৱা যাবৌ দে। (হিচাবটো চোৱা হ'ব বাৰু।)

(১০) মান্য ভাষাৰ একাক্ষৰী শব্দৰ বিশেষ্য শব্দ গঢ়িবলৈ পাচত শুৱালকুছিৰ ভাষাত- আ যোগ হয়। যেনে ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| কাঁহ | কাঁহ | কাঁহা | কাঁহা |
| সোণ | সোন | সোনা | সোনা |
| ৰূপ | ৰূপ | ৰূপা | ৰূপা |

গ) শব্দমূলক ঃ

মান্য ভাষাৰ লগত শুৱালকুছিৰ কথ্য ভাষাৰ শব্দমূলক পার্থক্য পৰিলক্ষিত হয়। মান্যভাষাত নোহোৱা শুৱালকুছিৰ ভাষাত এনে কিছুমান শব্দ আছে যাৰদ্বাৰা সামহিকভাৱে সুকীয়াকৈ বুজাব পাৰি। মান্য ভাষাৰ ল'ৰা-ছোৱালী, বাইদেউ আৰু ভণী, ককাইদেউ আৰু ভাইটিৰ সলনি শুৱালকুছিৰ ভাষাত ক্রমে চলি, বনক, ভায়ক শব্দৰ প্রয়োগ আছে। আত্মীয়ক বুজাবলৈ কুৰ্মা শব্দও আছে। ইয়াৰ উপৰি বিভিন্ন শব্দৰ প্রয়োগৰ উদাহৰণ দাঙি ধৰা হ'ল।

(১) সম্বন্ধবাচক শব্দ ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| দেউতা | দেউতা, পিতা | পিতে, বাবা, পিতা | পিতা |
| ককাদেউতা | আতা | বুঢ়াপিতা, আতা | আতা |
| বৰদেউতা | দাঙৰ পিতা দাঙাৰ পিতা | দাহাৰ পিতে, দাঙাৰ পিতা | |

(২) বিয়া-বাৰু সম্বন্ধীয় ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| দৰা | দৰা | বৰ | বৰ |
| কন্যা | কইনা | ক'ইনা | ক'ইনা |
| জোৰণ | জোৰন | তেলৰভাৰ | তেলৰভাৰ |

(৩) তাঁতশাল সম্বন্ধীয় ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| তাঁতশাল | তাঁতসাল | সাল, তানাসাল, সাল, তানাসাল, হাতসাল | হাতসাল |
| দোৰপতি | দুৰপাত | দহতেনি, দহতনি | দহতনি |
| টোলোঠা | গাৰি | গাৰি, নৰজ | গাৰি, নৰজ |

(৪) ফুল, লতা বুজোৱা শব্দ ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| শেৱালি | সেৱালি | সেৱেলি, সে'উলি | সে'উলি |
| ভেট | ভেত | ভেতেই, মউকা, মকুৱা | মকুৱা |
| নিলাজীলতা | আদৰ মালতি | আদাৰ মাল্তি, আদেৰি বোন, আদৰ মালতি | আদৰ মাল্তি |

(৫) ফল বুজোৱা শব্দ ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| অমিতা | অমিতা, মধুফল | মইদ্ফল, মব্ফল, ম'থ্ফল ম'থ্ফল | |
| জলফাই | জলফাই | জলপে', জলপেই | জলপেই |
| মাটিকঠাল | আনাৰস | আনাৰহ | আনাৰহ |

(৬) শাক বুজোৱা শব্দ ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| পুৱৈ | পুঁই | পুঁই | পুঁই |
| ধণীয়া | ধনিয়া, মেমধু | ধইনা, ধনিয়া | ধনিয়া, ধইনা |
| বিহলগণি | বিহলেঙি | বিহলেঙি | বিহলেঙি |

(৭) জীৱ-জন্তু সম্বন্ধীয় শব্দ ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| গাহৰি | গাহৰি | বাৰা, বৰা | বৰা |
| পৰুৱা | পিপপা | পিপ্ৰা, পিপিৰা | পিপিৰা |
| পইতাচুৰুণী | পইতাচোৰা | তেলভকুৰা | তেলভকুৰা |

(৮) মাছ বুজোৱা শব্দ ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| ইলীহ | ইলিহ | এ'ল্চা, ইল্হা ইল্হি | এল্হি, ইল্লিহ, ইলি |
| গেদগেদি | সোথলি | সোথেলি, ভেহেৰি | সোথৰি, সথেলি, ঘোমেই খাইতি |
| মিচা | মিচা, নিচিলা | নিচ্লা, নিচিলা | নিচিলা, নিচিলা, নিচ্লা |

(৯) ৰন্ধা-বঢ়া আৰু বাচন-বর্তন সম্বন্ধীয় ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| মিঠাতেল | মিঠাতেল, খাইতেল | মিঠাতেল, খাইতেল | মিঠাতেল, খাইতেল |
| মৈদা | বথি | বোথি, বথি | বথি |
| চৰিয়া | চৰিয়া | চৈৰা, চ'ৰা | চ'ৰা |

(১০) বিবিধ শব্দ ঃ

| মান্য | পূব অঞ্চল | মধ্য অঞ্চল | পশ্চিম অঞ্চল |
|---|---|---|---|
| গৰাল | খোৱাৰ, থানা | থানা | থানা |
| অলপমান | অকণমান | একধানমান, একচিম্তামান, | |
| একধানমান, | নাউমান | একচিত্ কামান, নাউমান | |

(ঘ) শুৱালকুছিৰ কথ্য ভাষাত ধ্বন্যাত্মক শব্দ আৰু যুৰীয়া শব্দ ঃ

(১) ধ্বন্যাত্মক শব্দ ঃ

কচ্কচ (কোকালখান খচ্খচকে খাবা লাগ্ছি), কোত-কোত (নিগনিতোই কোত-কোতকে মাত্বা লাগচি), চিৰিক্-চিৰিক (গৰুতোই চিৰিক্-চিৰিক্কে মুতৱা লাগ্চি) ইত্যাদি।

(২) যুৰীয়া শব্দ ঃ

ঘৰে-ঘৰে (ঘৰে ঘৰে চাতি জলাবা লাগেই), মুখে-মুখে (মুখে-মুখে কথা কবা নাপাই), কানি-কাতি (মাক মৰা দেখি সি বেচেৰাই কানি-কাতি হাৰুন-দাৰুণ হ'ল) ইত্যাদি।

(ঙ) শুৱালকুছিৰ কথ্য ভাষাত ব্যৱহাৰ হোৱা যোজনা আৰু খণ্ডবাক্য ঃ

(ক) যোজনা ঃ

(১) সদে নেৰেই সদ্ বিত্তি, কুকুৰে নেৰেই থাই,
যাৰ যি চভাৱ, মল্লি লগত যাই।

(২) যাৰ ফালে বিৰচ্পতি পোন, তাৰ ঘৰত নবাই কোন।

ওপৰত উল্লেখ কৰাৰ দৰে তেনে বহুতো যোজনা শুৱালকুছিৰ কথ্য ভাষাত ব্যৱহাৰ হয়।

(খ) খণ্ডবাক্য ঃ

অসমীয়া ভাষাত খণ্ডবাক্যৰ কোষটো শকত। শুৱালকুছিৰ কথ্যভাষাতো খণ্ডবাক্যৰ বহুল ব্যৱহাৰ আছে। তলত কেইটামান উদাহৰণ দাঙি ধৰা হ'ল। যেনে ঃ

ভৰি হাত ধোৱা (মই তাৰ উপৰত ভৰি হাত ধুই দিলো), হাত উদং (তাৰ বেমাৰত মোৰ হাত উদং হ'ল), হাত লৰ (বৰ হাত লৰ আপা ভাল নাপাওদে) ইত্যাদি।■

# শুৱালকুছিৰ স্থানীয় শিল্প মুগাকটা আৰু ইয়াৰ লগত ব্যৱহৃত থলুৱা ভাষা

হেমচন্দ্ৰ ভৰালী

১৯৪১ চনত অসমৰ ৰাজধানী শ্বিলঙৰ অসম সচিবালয়ৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ অবৈতনিক প্ৰাদেশিক সঞ্চালক ড° সূর্য কুমাৰ ভূঞাদেৱে, ড° বাণীকান্ত কাকতিদেৱৰ "Assamese : Its Formation and development" পুথিখন ছপা হওঁতে তেখেতৰ প্ৰথম তাঙৰণৰ প্ৰকাশক টোকত এষাৰ ভৱিষ্যৎবাণী ক�ৰিছিল। "... ড° কাকতিয়ে এখন নতুন পথাৰ মোকোলাইছে আৰু আমি কেৱল আশা কৰো, অসমৰ জনজাতীয় অঞ্চলত কথিত উপভাষা আৰু শাখা-উপভাষাবোৰৰ অনুৰূপ অধ্যয়ন হ'ব, আৰু এই কামৰ বাবে এদল সুসজ্জিত পণ্ডিতৰ ধাৰাৱাহিক প্ৰচেষ্টাৰ আৰু কেইবাদশকো জুৰি বিজ্ঞান সন্মতভিত্তিত ভাষাতাত্ত্বিক অধ্যয়নৰ প্ৰয়োজন হ'ব। বৰ্তমান প্ৰকাশিত গ্ৰন্থখনে আগন্তুক বছৰবোৰত এনে গৱেষণাৰ বাবে আদৰ্শ, পথ-প্ৰদৰ্শক আৰু অনুপ্ৰেৰক হিচাপে কাম কৰিব বুলি ভৱিষ্যৎবাণী কৰিব পাৰি।'

ড° সূর্য কুমাৰ ভূঞাদেৱৰ জাতি মংগলক কথাষাৰ এটা জাতিৰ উত্তৰপুৰুষসকলৰ বাবে চিৰদিনৰ কাৰণে নতুন চিৰ সুমংগলক তেনেকুৱা জন হিতৈষিক ভৱিষ্যৎবাণীৰ প্ৰতি সন্মান জনাই আমিও শুৱালকুছিৰ উত্তৰপুৰুষসকলৰ বাবে জনাবলৈ ওলাইছো স্থানীয় বোল ভাষাৰ পাহৰণিৰ গৰ্ভত লয় পোৱাৰ পৰৱৰ্তী হতশেষ গোট্য চেৰেক নমুনা মাত্ৰ।

শুৱালকুছিৰ নিজা বৃত্তিত যেনেকৈ এখন আছুতীয়া দখল ভূমি আছে, ইয়াৰ ভাষাৰো এটি নিজস্ব ৰূপতত্ত্ব বিৰাজমান। তেনেকৈ সংগীতৰ ভিতৰত বৰগীততো এটি নিজা ধাৰা প্ৰবাহমান। এই কথা বৰগীত গৱেষণা (প্ৰাৰম্ভিক) সমিতিৰ প্ৰতিবেদনত (অসম সংগীত নাটক একাডেমি, শ্বিলং ১৯৫৮) উল্লেখ আছে। উল্লেখ আছে যে অংকীয়া ভাওনাৰ খোলৰ বোলতো এক সুকীয়া লয় আছে।

অসম বুৰঞ্জীৰ পাত লুটিয়ালে দেখা পোৱা যায় যে এটা সময়ত দিল্লীৰ বাদচাহৰ শিৰৰ পাগুৰি হেনো শুৱালকুছিত তৈয়াৰ হৈছিল। চীনৰ লগত অসমৰ শুৱালকুছিৰ ব্যৱসায় স্বাধীনতাৰ বহু বছৰ পূৰ্বৰপৰাই আছিল (চি, এম বাগশিৰ বুৰঞ্জীলেখতদ্ৰঃ) দেশ বিভাজনৰ পিছতো পঃ বঙ্গত শুৱালকুছিয়ে গোলা ভাৰা লৈ পূৰ্ববংগৰ ঢাকাৰ লগত মুগা সূতাৰ ব্যৱসায় চলাই আছিল। অসমৰ আৰু মেঘালয়ৰ (গাৰো পাহাৰ) লোকে মুগা সূতাৰ কৃষি পুনঃ প্ৰচেষ্টাৰে চলালে উভয় ৰাজ্য উপকৃত হ'ব নিশ্চয়। শুৱালকুছিৰ নৱ-প্ৰজন্মই ইয়াৰ গুৰি কথাৰ বিচাৰ ল'ব লাগিব।

আমি এই প্ৰবন্ধৰ যোগেদি শুৱালকুছিৰ ব্যৱসায়-বাণিজ্যৰ বৰ্দ্ধিত বা সংকুচিত অৱস্থাৰ বিষয় জনাবলৈ ওলোৱা নাই, আমাৰ প্ৰবন্ধৰ উদ্দেশ্য শুৱালকুছিৰ এই শিল্পকলাৰ লগত ব্যৱহৃত থলুৱা ভাষাৰ শব্দ ভাণ্ডাৰহে।

**মুগা কটা শিল্প :-** মুগা শুৱালকুছিৰ স্থানীয় কৃষিজাত সামগ্ৰী নহয়। অসমৰ উজনি অঞ্চলৰ ধেমাজি, ঢকুৱাখানা, লক্ষীমপুৰ, শিৱসাগৰ, গোলাঘাট আদি আৰু দক্ষিণ কামৰূপ আৰু মেঘালয়ৰ গাৰো পাহাৰ অঞ্চল এই খেতিৰ উপযুক্ত কৃষিভূমি। মুগা প্ৰধানতঃ কেইবাবিধ প্ৰজাতিৰ আছে, যেনে— চোম পতীয়া, সোৱালু পতীয়া, পাট মুগা, এৰী মুগা, কোটকৰি মুগা, চপাপতীয়া মুগা ইত্যাদি। ওপৰত উল্লেখ কৰা ঠাইবোৰৰপৰা শুৱালকুছিৰ লোকসকল গৈ মুগা লেটা সংগ্ৰহ কৰি আনি শিল্পোযোগী কৰি লয়। সেই সময়ৰ ব্ৰহ্মপুত্ৰৰ জলপথেই আছিল মূল যাতায়াতৰ পথ। গতিকে উজনি অসমৰ পৰা শুৱালকুছিলৈ শুৱালকুছিয়া হোলোং নাৱেৰে মুগা বোজাই দি ব্ৰহ্মপুত্ৰৰে ভটিয়াই আহি শুৱালকুছি পাইছিল। সেই সময়ত শুৱালকুছিৰ বৰনাও নাইবা হোলোং নাওৰ বৰ আদৰ আছিল। এনেকৈ উজনি-নামনিৰপৰা শুৱালকুছিলৈ মুগা লেটাবোৰ সংগ্ৰহ কৰি সূতা কৰি কাপোৰ বোৱালৈকে শিল্পটিৰ লগত স্থানীয় লোকসকলে যি কথিত ভাষা প্ৰয়োগ কৰিছিল সেই থলুৱা ভাষাবোৰৰ অধুনাও পাহৰণিৰ গৰ্ভত লীন নগৈ বৰ্তি থকা দুই-চাৰিটা ভাষা বুটলি আনি নতুন প্ৰজন্মৰ লগত পৰিচয় কৰাৰ সামান্য অহোপুৰুষাৰ্থ কৰা হৈছে। যাতে পৰৱৰ্তী কালত আৱশ্যক বোধে উত্তৰপুৰুষে গৱেষণাৰো সমল পাব পাৰে। এই আশাৰে—

**মুগা মাৰা :-** সাধাৰণতে মাছ মাৰে, ধানৰ মৰণা মাৰে, কিন্তু শুৱালকুছিত মুগা মাৰা শব্দই কি বুজাইছে জানি থওঁ। গছৰপৰা পকা মুগাবোৰ নমাই আনি ডাঙৰ ছালনী পাতি তলত জুই দি মুগালেটাৰ ভিতৰত থকা পলুটো জুইৰ তাপ দি মাৰি পেলোৱা হয়। এই পদ্ধতিয়েই মুগা মাৰা পদ্ধতি।

**মুগা শুখাৱা :-** (লিচুকুৱা) লিখিত শব্দটোক শুৱালকুছিৰ কথিত ভাষাত শুখাৱা বুলি কোৱা হয়। মুগা মাৰা হোৱাৰ পিছত মুগাবোৰ মুকলি ঠাইৰ বনৰ ওপৰত এটা এটাকৈ মেলি দি ৰাতি নিয়ৰ খুৱাই দিনত সূর্যৰ তাপ দি কেবা দিনো এনেকৈ ৰাখি, ৰাতি-দিনে নিশাচৰ চৰাই, শিয়াল আদিয়ে যাতে খাব নোৱাৰে তাৰ বাবে পৰ দি ৰখা হয়।



সোণালী জয়ন্তী মহোৎসৱ, শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়, (১৯৬৩-২০১৩)

এই নিয়মক "মুগা ৰখা" বুলি কোৱা হয়। আৰু ৰ'দে-নিয়ৰে ৰখা নিয়মক 'মুগা' 'শুখাৱা' বুলি কয়।

**মুগা গণা :-** শুকুৱা মুগাবোৰ পাঁচটা লগ লগাই এক গণ্ডাকৈ এহাজাৰ মুগাক হাজাৰ হাজাৰ হিচাপত গণি লৈ বস্তাত ভৰোৱা হয়। এই মুগাবোৰ গণিবৰ বাবে গণনাকাৰী নিয়োগ কৰিলে তেওঁলোকক হাজাৰে প্রতি টকা দিয়াৰ নিয়ম। এইখিনিতেই কথা এটি উল্লেখ কৰা ভাল হ'ব যে শিল্প নগৰী শুৱালকুছিত অন্য ঠাইৰ দৰে চাৰিটাই হালি বা গণ্ডা হ'লেও মুগাৰ ক্ষেত্রত পাচটাই এক গণ্ডা হয়, ঠিক তেনেদৰে বাটি কঢ়া ববীনৰ হিচাপত আঠটাই এক গণ্ডা ধৰা হয়। এই হিচাপ কেৱল স্থানীয় হিচাপহে, মুগা আৰু ববীনৰ ক্ষেত্রত।

**মুগা উহাৱা :-** (লিখা ভাষাত উহোৱা) গৃহস্থৰ সুবিধা অনুযায়ী অর্থাৎ পৰিয়ালৰ জন বললৈ লক্ষ্য কৰি মুগা দহ বুড়ী তিনিশ সাত গণ্ডা আৰু পাঁচশকি কাটিবৰ বাবে মুগাখিনি গণি লৈ এটা লোহাৰ কেৰাহিত পানী তপতাই তাত জোখ মতে চৌডা দি মুগাখিনি সিজাই কাটিবৰ বাবে উপযোগী কৰা কার্যবোৰক মুগা উহাৱা বুলি কোৱা হয়। মুগাৰ সূতাখিনি বেছি সোণালী দেখুৱাবলৈ তাত এবিধ বনৰীয়া গছৰ ফল ব্যৱহাৰ কৰা হয়। ইয়াৰ নাম লোচন।

**লোচন দিয়া :-** সাধাৰণতে এই লোচনৰ গছ বনত আছিল। শুৱালকুছিৰ মুগা সূতাত এই গছৰ গুটি ব্যৱহাৰ কৰাৰ বাবে প্রত্যেক মানুহৰ ঘৰৰ বাৰীত এডাল দুডাল হ'লেও লোচনৰ গছ ৰখা হৈছিল। ৰাসায়নিক ৰং ব্যৱহাৰ কৰাত লোচনৰ ৰং অচল হ'ল। বর্তমান এচাম পুৰুষে এই গছ শুৱালকুছিত দেখা নাপায়। এই লোচন গছ দুই প্রজাতিৰ, এবিধৰ ফলটো ঘূৰণীয়া তাক শুৱালকুছিৰ ভাষাত 'টুপুৰা লোচন' আৰু এবিধৰ ফলটো মহিলাই মণিৰ লগত পিন্ধা মধ্যমণিটোৰ দৰে ( লকেটৰ দৰে) তাক দুগদুগী লোচন বোলে।

**মুগাকাটা :-** উহাৱা মুগাখিনি পানীৰপৰা কাঢ়ি আনি ছালনাত থয়। মুগা উহাৱা অৱশিষ্ট পানীখিনিক খাৰ পানী বোলে। তাৰ পিছত এটা সৰু মাটিৰ চৰুত পানী তপতাই মুগাখিনি চাৰি-পাঁচ বা ততোধিক লগ কৰি মুগাৰ আঁতটো উলিয়াই আঁহটো এটা মুগাৰপৰা এডাল সূতা উলিওৱা নিয়মবোৰ আঁত বা আঁহ উলাৱা বুলি কোৱা হয়। এই পাঁচ-ছয় বা ততোধিক মুগাৰ আঁহবোৰ শালত থকা কৰা চুঙাত মেৰোৱা হয়। এই পদ্ধতিক মুগা কাটা বুলি কোৱা হয়।

**কৰা চুঙা :-** জাতি বাঁহৰ গাঁঠি নোহোৱা পাবৰ প্রায় দুই ইঞ্চি বা আঢ়ৈ ইঞ্চি লম্বা বাঁহৰ কটা পাব অংশক কৰা চুঙা বোলা হয়। ইয়াতেই মুগা লেটাৰ পোৱা হোৱা আঁহবোৰ সূতা হিচাপে মেৰ খাই কৰা চুঙাত ভর্তি হয়।

**হীৰ চৰু :-** যিটো চৰু মুগা কাটাৰ কাৰণে ব্যৱহাৰ হয়, ইয়াৰ বিশেষ নামটো হীৰ চৰু। এই মাটিৰ চৰুটো শুৱালকুছিৰ মানুহে বামুন্দী অঞ্চলৰ হীৰা মানুহে তৈয়াৰ কৰা চৰুটোহে আনিছিল। হয়তো সেই বাবেই এই চৰুটোৰ নাম হীৰ চৰু, হীৰ চৰু। এই বিষয় ভাষাতাত্ত্বিক দিশত গৱেষণাৰ বহল পথাৰ পৰি আছে।

**হীৰ বাৰী :-** হীৰ চৰুত যি মুগাকেইটা তপত পানীত সাঁতুৰি আছে তাৰ আঁহবোৰ সূতা হিচাপে যি বাঁহৰ এছাৰি সদৃশ সৰু বাহডাল চৰুটোৰ দুয়ো মূৰে দুটা সৰু বাহৰ খুঁটিত সংলগ্ন হৈ বান্ধা থাকে সেইদালৰ নাম হীৰ বাৰী।

**ধোহাৰ গুটি :-** মুগা সিজোৱৰ পিছত হাতেৰে কাটনীজন/জনীয়ে মুগাৰ মূল আঁতটো উলিওৱাতে মুগাবোৰৰ বাহিৰে যি বস্তুখিন কাটনীৰ হাতত ৰ'ল সেইখিনি হীৰ বাৰীৰ কাটনীৰ সোফালে বাহিৰলৈ ওলাই থকা হীৰ বাৰীৰ অংশত জমা কৰা হয়। এইখিনি সূতাৰপৰা বর্জনীয় হ'লেও তাক সংৰক্ষণ কৰা হয়। সেই জমা হোৱা দ্রব্যখিনিক ধোহাৰ গুটি বোলা হয়। ই অৱশ্যে কোনো গছৰ গুটি নহয়। আজিকালি অসমৰ জাগীৰোডত এই ধোহাৰ গুটিৰপৰা স্পান মিল চলিছে তাৰপৰা সুন্দৰ ওৰা চাদৰ, কোট চোলাৰ কাপোৰ তৈয়াৰ হয়।

**মুগাৰ লাট :-** সিজোৱা মুগাৰ ভিতৰত থকা মৰা পলুটোক মুগাৰ লাট বোলে। শুৱালকুছিৰ মানুহে ইয়াক নাখায়, কিন্তু বহু ঠাইৰ মানুহে ইয়াক সুস্বাদু আহাৰ হিচাপে জুটি লগাই খায়।

**মুগাকাটা শাল :-** লোৰ চকা নাইবা কাঠৰ চকা লগাই ধুৰা ডালৰ এটা মূৰ দীঘলকৈ ৰাখি তাত কৰা চুঙাটো লৰিব নোৱৰাকৈ শালি লৈ কাটনীজনীয়ে হাতেৰে হীৰ চৰুৰ মুগাখিনি আঁহ বা আঁতবোৰ এডাল কৰি হাতত পাক দি কৰা চুঙাত সূতাখিনি মেৰুওৱা যন্ত্রবিধৰ নাম মুগা কটা শাল।

**টানা দিয়া :-** ব্যৱসায়ীক সূত্রে মুগাৰ সূতাখিনিৰ ওজন বঢ়াবলৈ হীৰত বহা কাটেনীজনীয়ে চেৰা মুগা অর্থাৎ শেষ হৈ যাবলৈ ওলোৱা মুগাটোৰ বর্জনীয়া সূতাখিনি মিহিকৈ কাটা সূতাত পাক দি ভৰোৱা ব্যৱস্থাটোক টানা দিয়া বোলে।

**দীঘ বাণিৰ সূতা :-** এনেকুৱা ব্যৱস্থাৰে মুগাৰ সূতা কৰা চুঙাত মেৰ খোৱাৰপৰা নখত ভাঙি খাট খাটকৈ মুগাৰ দীঘ সূতা তৈয়াৰ কৰা হয়।

**বাণি সূতা :-** আগৰ দিনত মুগাৰ বাণি সূতা কৰা চুঙাৰপৰা প্রত্যক্ষভাৱে মহুৰাত লৈ বাটি বৈছিল। আজিকালি বাণি সূতাও ব্যৱসায়ীক ভিত্তিক তৈয়াৰ কৰা হয়।

মুগাৰ দীঘ সূতা পুৰণি পূর্ববংগলৈ প্রচুৰ পৰিমাণে ৰপ্তনি হৈছিল শুৱালকুছিৰপৰা । দেশ স্বাধীনৰ পিছত পশ্চিমবংগৰপৰা শুৱালকুছিৰ মুগাৰ দীঘ সূতা কিছুদিন ৰপ্তানি হৈছিল। বর্তমান শুৱালকুছিৰ এই সূতা বাহিৰলৈ ৰপ্তানি হোৱা দূৰৰ কথা নিজ ব্যৱসায় কৰিবলৈও মুগা সপোনৰ নিধিত পৰিণত হ'ল।

শুৱালকুছিৰ মুগা কাটা শিল্পৰ লগত ব্যৱহাৰ হোৱা ভাষাবোৰ যিদৰে বিলুপ্ত হ'ল ঠিক তেনেদৰে শুৱালকুছি বাণিজ্য বসতি লক্ষ্মী, তাৰ অর্দ্ধেক কৃষি আপ্তবাক্যৰ সেই সোণোৱালী মুগা, ব্যৱসায়ৰ ওপৰত পশ্চিমবংগৰ টছ সূতাই মাধমাৰ শোধালে।

উপসংহাৰত ক'ব পৰা যায় যে শুৱালকুছিৰ নতুন প্রজন্মই শুৱালকুছিৰ হেৰোৱা ঐতিহ্যৰাজি বিচাৰিবৰ সময় হ'ল। ভাষা শিল্পকলাৰ ওপৰত আঞ্চলিক নতুন পুৰুষৰ দায়বদ্ধতা অস্বীকার্য। বৰগীতৰ শুৱালকুছি শৈলী বা ধাৰা, অংকীয়া ভাওনাৰ খোলৰ বোল

স্থানীয় ভাষাৰ কথিত ৰূপ তাত্ত্বিক বিচাৰ, গৱেষণাৰ বিচাৰ বুদ্ধিৰে চিন্তা-চর্চা অগ্রজসকলে বিচাৰে।

তাহানিৰ গাৰো পাহাৰ অধুনা মেঘালয়ৰ মহেন্দ্র গঞ্জৰ শাসক মহেন্দ্র হেনো শুৱালকুছিৰ স্থানীয় লোক আছিল। ইতিহাসৰ এই গৌৰৱোজ্জ্বল পাতখিলা নিশ্চয় শুৱালকুছিৰ উত্তৰপুৰুষে উদ্ধাৰ কৰিব লাগিব। একবিংশ শতিকাৰ বিজ্ঞানৰ প্রচুৰ উন্নতিৰ সময়ত শুৱালকুছিৰ শিল্প উদ্যোগটো নকৈ সজাবৰ ভাৰ কেৱল শুৱালকুছিৰহে ই ধুৰুপ।

**থোৰতে শুৱালকুছিৰ মুগা কটা শিল্পটোৰ লগত সম্বন্ধ থকা লোককথা :-**

১/ দুই দিনৰ মৰা খাই এক দিনৰ মৰা চেলেৱা :- পঁইতা ভাত খাই মুগাকাটা, ২/ বন খতি :- দোমাহী/একাদশী /গুৰুৱ তিথি ইত্যাদিত মুগাকাটা বন্ধ, ৩/ কাঁঠিৰপৰা বেলা নামিল :- দুপৰ হ'ল, ৪/ পাণ ঠেৰা :- পাণৰ ঠাৰিৰ দৰে সূতা মোটা হোৱা, ৫/ খচি :- কটা সূতা মিহি নোহোৱা, ৬/ নাক দেৰা দাকা :- হীৰ লোৱাতে হীৰৰ চৰুৰ তলত জুই বেছি হ'লে কাটেনাৰ ভৰিৰ ওপৰত আঁঠুৰ তলৰ ঠাইত জুই দাকা ৰঙা-ক'লা চিন বহা, ৭/ এঙাৰ গাঁঠী :- .....ঐ..... ৰঙা-ক'লা চিন বহা, ৮/ খোলাত উঠা :- উহোৱা মুগা শেষৰখিনি হীৰ চৰুত উঠিল অর্থাৎ মুগা কাটা শেষ, ৯/ হীৰ পানী :- হীৰ লোৱা চৰুত থকা শেহতীয়া পানী ভাগ, ১০/ চেৰা খাৰ :- মুগা উহোৱা চৰুত আৰু হীৰ চৰুৰ শেষৰ পান্নাখিনি, ১১/ কৰা চুঙা, ১২/ মুগা কাটা শাল, ১৩/ চেৰা মুগা, ১৪/ হীৰ চৰু, ১৫/ হীৰ বাৰি, ১৬/ ধোহাৰ গুটি, ১৭/ টানা দিয়া, ১৮/ লাট, ১৯/ বহনি, ২০/ নটা, ২১/ যোতাৰ, ২২/ দীঘ সূতা, ২৩/ বাণি সূতা, ২৪/ মুগা মাৰা, ২৫/ লোচন, ২৬/ মুগা ৰখা, ২৭/ মুগা গণা :- ইত্যাদি

সমল ব্যক্তি :- শ্রীনৃপেন ভৰালী, শ্রীকামাখ্যা মেধি, শ্রীমতী প্রতিমা বৈশ্য।■

---

# শুৱালকুছিৰ সাংস্কৃতিক ঐতিহ্য

**নাৰায়ণ চন্দ্র দাস**

শুৱালকুছি অসমৰ এখনি উন্নত আৰু প্রসিদ্ধ গাঁও। বিভিন্ন ধৰণৰ সাংস্কৃতিক সমলেৰে চহকী শুৱালকুছিক বিশ্ব-প্রসিদ্ধ ৰেচম শিল্পই সুকীয়া মর্যাদা প্রদান কৰিছে। ৰেচম শিল্পৰ লগত জড়িত বিভিন্ন কর্মই শুৱালকুছিৰ কর্ম-সংস্কৃতিৰ চৰিত্র বহন কৰি আহিছে। অৱশ্যে শুৱালকুছিৰ ৰেচম শিল্পলৈ সাম্প্রতিক সময়ত অহা কেতবোৰ অবাঞ্ছিত পৰিৱর্তনৰ বাবে এতিয়াৰ শুৱালকুছিৰ কর্ম-সংস্কৃতি কেৱল ৰেচম-শিল্পকেন্দ্রিক হৈ থকা নাই।

ইতিহাসৰ তথ্যৰ পৰা জনা যায় যে পুৰণি শুৱালকুছি গাঁওখন প্রাগজ্যোতিষ নগৰৰ প্রধান অংগভূমি আছিল। কথিত আছে যে শুৱালকুছিৰ বাসত্তবীয়া ব্রাহ্মণৰ পূর্বপুৰুষে শুৱালকুছিৰ পৰা কামাখ্যালৈ পূজা দিবলৈ গৈছিল। সেই মতে শুৱালকুছি পূর্বতে ব্রহ্মপুত্রৰ দক্ষিণ পাৰত অৱস্থিত আছিল। প্রবাদ অনুসৰি কোঁচ ৰজা নৰনাৰায়ণে চিলাৰায়ৰ সৈতে আহোম ৰজা চুখাম্‌ফাক পৰাজিত কৰি প্রত্যাৱর্তন কৰোঁতে ৰাক্ষসী পাহাৰৰ পৰা হাতীমূৰালৈ শুৱালকুছিৰ দক্ষিণ কাষেৰে পোনকৈ ব্রহ্মপুত্র নদৰ সোঁতা এটা খন্দাই দিছিল। এসময়ত এই সোঁতাই প্রধান সোঁত হৈ পৰে আৰু শুৱালকুছি ব্রহ্মপুত্রৰ উত্তৰৰ গাঁও হিচাপে পৃথক হয়। বহুতৰ মতে গৌতম বুদ্ধই জীৱনৰ অন্তিম আহাৰ আৰু শেষ বস্ত্র এই শুৱালকুছি অঞ্চলতে লৈছিল।

কাষেৰে বৈ যোৱা ব্রহ্মপুত্র নদী, পূবফালৰ পাহাৰ, উত্তৰ দিশৰ ধাননী পথাৰ আৰু শুৱালকুছি গাঁওৰ ভিতৰতে থকা সিদ্ধেশ্বৰী পাহাৰ আৰু বাঘেশ্বৰী পাহাৰে শুৱালকুছিৰ প্রাকৃতিক পৰিৱেশত প্রভাৱ পেলাইছে। এই পৰিৱেশ অতি মনোমোহা। অৱশ্যে শুৱালকুছি গাঁওখন অত্যন্ত ঘনবসতিপূর্ণ, যাক শুৱালকুছিৰ অন্যতম বৈশিষ্ট্য বুলিও ক'ব পাৰি। মন কৰিবলগীয়া যে শুৱালকুছিৰ জন-সাংস্কৃতিক গাঁথনি মূলতঃ আর্যসম্ভূত বর্ণহিন্দু সমাজৰ অন্তর্ভুক্ত।

শুৱালকুছিৰ সাংস্কৃতিক ঐতিহ্যক বর্ণময় বুলি ক'ব পাৰি। এই ঐতিহ্য কোনো কোনো ক্ষেত্রত ধর্মীয় আৰু কোনো কোনো ক্ষেত্রত ধর্ম নিৰপেক্ষ। উল্লেখ্য যে শুৱালকুছিৰ ধর্মীয় সাংস্কৃতিক ঐতিহ্য আর্যসম্ভূত। এই অঞ্চলত শাক্ত, শৈৱ আৰু বৈষ্ণৱ এই তিনিওটা ধর্মীয় পৰম্পৰাৰ উপাসনা চলে। ইয়াৰ লগতে শুৱালকুছিত গণেশ উপাসনাও চলা দেখা যায়। এই আলোচনাত কেতবোৰ ধর্মীয় অনুষ্ঠানৰ ঐতিহ্য সম্পর্কে উল্লেখ কৰাটো উচিত হ'ব।

**সিদ্ধেশ্বৰ দেৱালয় ঃ** শুৱালকুছিৰ প্রথম ধর্মানুষ্ঠান বুলিলে বোধহয় সিদ্ধেশ্বৰ দেৱালয়লৈকে আঙুলিয়াব লাগিব। ড° প্রতাপ চন্দ্র চৌধুৰীৰ History of Civilization নামৰ গ্রন্থখনৰ মতে এই দেৱালয়খন অতি প্রাচীন কালৰ এটি সূর্য মন্দিৰ আছিল। ৰজা শিৱসিংহই ১৭২৯ চনত ইয়াৰ পুনৰ নির্মাণহে কৰিছিল। দেৱালয়ত আদিতে সূর্যপূজাৰ প্রচলন হৈছিল যদিও কালক্রমত বৈষ্ণৱ, বুদ্ধ, শৈৱ আদি পন্থাৰ দ্বাৰা এই দেৱালয়খন প্রভাৱিত হয়। খুব সম্ভৱ কুৰি শতিকাৰ প্রায় আৰম্ভণিৰ পৰাহে ইয়াত শাক্ত পন্থা অন্তর্ভুক্ত হয়। উল্লেখ্য যে দেৱালয়খনৰ

শিৱলিংগৰ ওচৰতে চতুর্ভুজ বিষ্ণুমূর্তিও আছে। একেদৰে গহ্বৰত শিৱ লিংগ আৰু দুর্গাৰ প্রতিমা স্থাপন কৰা হৈছে। এই বৈশিষ্ট্যৰ পৰা দেৱালয়খনক এক ধর্মীয় সমন্বয় ক্ষেত্র বুলি অভিহিত কৰিব পাৰি।

**সত্র আৰু নামঘৰ ঃ** শুৱালকুছিৰ সাংস্কৃতিক ঐতিহ্যৰ অন্যতম দিশ হ'ল মহাপুৰুষ শ্রীমন্ত শংকৰদেৱৰ দ্বাৰা প্রৱর্তিত ভক্তি ধর্মৰ পৰম্পৰা। শুৱালকুছিত বহুতো নামঘৰ আৰু সত্র আছে যিবোৰে শুৱালকুছিৰ ধর্মীয় ঐতিহ্য বহন কৰি আহিছে। শুৱালকুছিৰ কিছুমান সত্র আৰু নামঘৰ হ'ল — ঈশ্বৰ শ্রীশ্রীহাটীসত্র, ঈশ্বৰ শ্রীশ্রীসৰুসত্র, ঈশ্বৰ শ্রীশ্রীপোৱাভেটি সত্র, ঈশ্বৰ শ্রীশ্রী বৰসত্র, ঈশ্বৰ শ্রীশ্রীডেকাবাপু সত্র, ঈশ্বৰ শ্রীশ্রীভাটি সত্র, ঈশ্বৰ শ্রীশ্রীনভাটি সত্র, ঈশ্বৰ শ্রীশ্রীবালি সত্র, ঈশ্বৰ শ্রীশ্রীন সত্র, ঈশ্বৰ শ্রীশ্রী গোপাল সত্র, ঈশ্বৰ শ্রীশ্রীমাটি খোলা সত্র, ঈশ্বৰ শ্রীশ্রীভাঙানগৰ সত্র, ঈশ্বৰ শ্রীশ্রীবৰদীঘি সত্র, শ্রীশ্রীশংকৰদেৱ নামঘৰ, শ্রীশ্রীশংকৰদেৱ মন্দিৰ, শ্রীশ্রীশংকৰদেৱ ধাম, শ্রীশ্রীৰামকৃষ্ণ সত্র, শ্রীশ্রীহনুমান নামঘৰ, ঈশ্বৰ শ্রীশ্রীবাসুদেৱ সত্র, ঈশ্বৰ শ্রীশ্রীজগন্নাথ সত্র, শ্রীশ্রীঔগুৰি সত্র, শ্রীশ্রীশংকৰ-মাধৱ সত্র, শ্রীশ্রীহৰি মন্দিৰ, শ্রীশ্রীকৃষ্ণ মন্দিৰ, শ্রীশ্রীগোপাল সত্র, শ্রীশ্রীগোপালকৃষ্ণ সত্র ইত্যাদি। এই সত্র নামঘৰসমূহৰ নাম-কীর্তনৰ ধ্বনিয়ে শুৱালকুছিৰ আকাশ-বতাহ মুখৰিত কৰি ৰাখে। ইয়াৰে দামোদৰীয়া সত্র কেইখনত দুর্গাপূজা আৰু লক্ষ্মীপূজাও অনুস্থিত কৰা হয়। শুৱালকুছিৰ পুৰণি সত্রসমূহ স্থাপত্য আৰু চাৰুশিল্পৰ কলাৰে গুণযুক্ত। বেছিভাগ সত্রতে কাঠেৰে কটা বিভিন্ন মূর্তি দেখা যায়। এইক্ষেত্রত শুৱালকুছিৰ আটাইতকৈ বৈশিষ্ট্যপূর্ণ সত্রখন হৈছে ঈশ্বৰ শ্রীশ্রীহাটীসত্র। এই সত্রখন স্থাপন কৰিছিল নলনাৰ কানুৰাম বুঢ়া ঠাকুৰে। এই সত্রখনৰ প্রধান আকর্ষণ হ'ল — ইয়াৰ দেৱাল আৰু দুৱাৰত কটা চিত্রসমূহ। ইয়াৰে কেতবোৰ গুৰুত্বপূর্ণ চিত্র হ'ল — ভগৱানৰ মৎস আৰু কুর্ম অৱতাৰৰ মূর্তি, হিৰণ্যকশিপু বধৰ দৃশ্য, বামন অৱতাৰ, গোপিনীসকলৰ সৈতে কৃষ্ণ, পৰশুৰাম, ৰাম আৰু বৰাহ, কল্কি, অনন্ত নাগ, যম ৰাজ্য ইত্যাদি।

**শুৱালকুছিৰ উৎসৱ-পার্বণ ঃ** শুৱালকুছিত গোটেই বছৰ জুৰি বিভিন্ন উৎসৱ-পার্বণ পালিত হৈ আহিছে। এনে কেতবোৰ উৎসৱ হ'ল — ব'হাগ বিহু, অম্বুবাচী, নাওখেল, শ্রীকৃষ্ণৰ জন্মাষ্টমী, শ্রীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি, শ্রীশ্রীমাধৱদেৱৰ তিৰোভাৱ তিথি, মথুৰা দাস বুঢ়া আতাৰ তিৰোভাৱ তিথি, শ্রীমন্ত শংকৰদেৱৰ জন্মোৎসৱ, শ্রীশ্রীদুর্গাপূজা, শ্রীশ্রীলক্ষ্মীপূজা, কাতি বিহু, মহোহো, শ্রীকৃষ্ণৰ ৰাস মহোৎসৱ, মাঘ বিহু, দৌল মহোৎসৱ, অশোকাষ্টমী, শিৱৰাত্রি ইত্যাদি। এই উৎসৱবোৰৰ ভিতৰত শ্রীমন্ত শংকৰদেৱৰ জন্মোৎসৱে সমগ্র অসমতে এক সুকীয়া ঐতিহ্য বহন কৰি আহিছে। উল্লেখ্য যে সমগ্র অসমৰ ভিতৰতে শুৱালকুছিতে পোন প্রথমবাৰৰ বাবে শ্রীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰা হয় আৰু এই উৎসৱৰ পাতনি মেলিছিল সাধু বুদৰাম মহন্তই। শুৱালকুছিত অনুষ্ঠিত হোৱা অশোকাষ্টমী মেলা গাঁওখনৰ এক অতি উল্লেখযোগ্য উৎসৱ। এই উৎসৱ সার্বজনীন। শুৱালকুছিত অশোকাষ্টমী মেলা কেতিয়াৰ পৰা আৰম্ভ হৈছিল সেই কথা পাহৰণিৰ গর্ভত। এই মেলাৰ বৈশিষ্ট্য এয়ে যে ইয়াতে মেলাৰ দিনাখন হাজোৰ মাধৱ, কেদাৰ, গণেশ, কামেশ্বৰ; বংশৰ ভাঙাৰাৰ ভৃংগেশ্বৰ; শিলিগুৰিৰ ধাৰেশ্বৰ; শুৱালকুছিৰ সিদ্ধেশ্বৰ আদি বিগ্রহক একেলগে লগ পোৱা যায়।

**বস্ত্রশিল্প ঃ** এই কথা সকলোৰে জ্ঞাত যে শুৱালকুছিক 'বস্ত্র নগৰী' আৰু 'ভাৰতৰ মানচেষ্টাৰ' বুলি কোৱা হয়। শুৱালকুছি বস্ত্র শিল্পই আক্ষৰিক অর্থতে শুৱালকুছিৰ সাংস্কৃতিক ঐতিহ্য বহন কৰি আহিছে। মহাত্মা গান্ধী, আব্দুল কালাম আদিৰ দৰে প্রখ্যাত ব্যক্তিয়ে শুৱালকুছিৰ বস্ত্র শিল্পৰ প্রশংসা কৰি গৈছে। শুৱালকুছিৰ বস্ত্রৰ বাচকবনীয়া আর্হিয়ে শুৱালকুছিৰ সাংস্কৃতিক পৰিচয় সূচনা কৰে। শুৱালকুছিৰ বস্ত্রৰ উল্লেখযোগ্য আর্হি কিছুমান হ'ল — মগৰ, মিৰি, লতা, সিংখাপ, বিহু, বড়ো, খাচীয়া, সাতভনী, মিৰি, কাজিৰঙা, ময়ুৰ, ধনশিৰী, কলসী আদি।

**অন্যান্য দিশ ঃ** সাহিত্য, নাটক, সংগীত, চিত্র শিল্প আদিতো শুৱালকুছিয়ে বিশেষ ঐতিহ্য বহন কৰি আহিছে। সাহিত্যৰ বিভিন্ন দিশত স্থানীয় কবি-সাহিত্যিকসকলে ৰাজ্যিক ক্ষেত্রত সফলতা কঢ়িয়াবলৈ সক্ষম হৈছে। অতীজৰে পৰা এতিয়ালৈকে বহুতো নাট্য শিল্পীয়ে অংকীয়া ভাওনাৰ পৰা আদি কৰি সামাজিক নাটকলৈকে গুৰুত্বপূর্ণ অৱদান আগবঢ়াইছে। একেদৰে সংগীত আৰু চিত্র শিল্পৰ ক্ষেত্রখনতো শুৱালকুছিৰ সুনাম আছে। কণ্ঠশিল্পী আৰু বাদ্যযন্ত্রী হিচাপে পূর্বৰে পৰা এতিয়ালৈকে বহুতো শিল্পীয়ে সুনাম অর্জন কৰা দেখা যায়।

শিক্ষাৰ জগততো শুৱালকুছি আগবঢ়া। প্রাক্প্রাথমিক শিক্ষাৰ পৰা কলেজীয়া উচ্চ শিক্ষালৈকে সকলো সুবিধা শুৱালকুছিত আছে। ইয়াৰ মাজতে দুই-এখন কাৰিকৰী শিক্ষাৰ অনুষ্ঠানো শুৱালকুছিত দেখিবলৈ পোৱা যায়।

এইছুটি প্রবন্ধটোত শুৱালকুছিৰ সাংস্কৃতিক ঐতিহ্যৰ এটি আভাসহে দাঙি ধৰা হৈছে। আশাকৰো ভৱিষ্যতে এই দিশত বিজ্ঞজনে অধিক চিন্তা-চর্চা কৰিব।■

# ধর্মীয় পৰম্পৰাত শুৱালকুছিৰ স্থান

**দেৱীৰাম দাস**

*প্ৰাক্তন ছাত্ৰ, শুংবুংমাংসং মহাবিদ্যালয়*

ধর্ম আৰু কর্ম সংস্কৃতিৰে প্রসিদ্ধ শুৱালকুছি গাঁৱৰ ইতিহাস অতি উজ্জ্বল। অতি মনোৰম, গাঁওখনৰ প্রাকৃতিক দৃশ্য। গাঁওখনৰ দক্ষিণ দিশেৰে মহাবাহুব্রহ্মপুত্র পূব ফালৰপৰা পশ্চিম দিশলৈ বৈ গৈছে। সাহিত্য-সংস্কৃতি, চিত্র-ভাস্কর্য আৰু গাঁৱৰ স্থাপত্যসমূহ গভীৰ সাধনাৰে সমৃদ্ধ আৰু অতি মহান। ধর্মীয় পৰম্পৰাত শুৱালকুছিৰ স্থান সম্পর্কত লিখিবলৈ লোৱাৰ সময়তে ধর্ম আৰু কর্ম সংস্কৃতিৰ মহাপীঠ স্বৰূপ শুৱালকুছিৰ ধর্মানুষ্ঠানৰ ঐতিহ্যৰ বিচিত্রতাৰ কথা মনলৈ আহে। মানুহে অসমৰ মানচেষ্টাৰ শুৱালকুছি বুলি গৌৰৱ কৰাৰ মূলতে শুৱালকুছিৰ শিপিনীৰ বিচক্ষণতাক মান্যতা দিয়াকে বুজায় বুলি ক'লে অত্যুক্তি কৰা নুবুজাব। হিন্দু ধর্মৰ বিভিন্ন ঠালৰ মিলন তীর্থ স্বৰূপ শুৱালকুছিত অৱস্থিত দ'ল-দেৱালয়, বিগ্রহ, মঠ-মন্দিৰ, সত্র-নামঘৰসমূহৰ প্রতি থকা সদিচ্ছা, অনৱদ্য অৱদানসমূহে গাঁওবাসীৰ ধর্মৰ প্রতি থকা শ্রদ্ধা-ভক্তি তথা আকর্ষণৰ কথাকে কয়। শুৱালকুছি গাঁৱৰ গোটেই মানুহখিনি হিন্দু ধর্মাৱলম্বী। সেয়ে হিন্দু ধর্মৰ বিভিন্ন সুঁতিৰ পৰম্পৰা শুৱালকুছিত বিদ্যমান বুলি ক'ব পাৰি। এসময়ত বৌদ্ধধর্মৰ পৰম্পৰা শুৱালকুছিত আছিল বুলি অনুমান কৰিব পাৰি। আজিৰপৰা প্রায় পাঁচদশক আগলৈ অশোকাষ্টমী মেলাৰ দিনাখন পথৰ কাষত চাং পাতি তীর্থযাত্রীক গুৰ, তেঁতেলী, পানী দি আপ্যায়িত কৰা প্রথা বৌদ্ধ ধর্মৰ পৰম্পৰাৰ প্রভাৱ বুলি ক'ব খোজে। তাৰোপৰি কুৰি শতিকাৰ পঞ্চম-ষষ্ঠ দশকলৈ বৌদ্ধ ধর্মাৱলম্বী ভুটীয়া বন্ধু-বান্ধৱীসকলে বুদ্ধৰ শেষ নির্বাণ বুলি সিদ্ধেশ্বৰ মন্দিৰ দর্শন কৰিবলৈ আহিছিল। সিদ্ধেশ্বৰ দেৱালয়ত মহামুনি বুলি মূৰ দোঁৱাইছিল। বুদ্ধৰ আন নাম সিদ্ধেশ্বৰ। বর্তমান সিদ্ধেশ্বৰ দেৱালয়ত বুদ্ধ মতাদর্শৰ চিন-চাব পাবলৈ নাই। সেয়ে হয়তো সিদ্ধেশ্বৰ দেৱালয়লৈ আহিবলৈ এৰি দিলে।

পণ্ডিতসকলৰ মতে বর্তমানৰ শুৱালকুছিখন একালত কামাখ্যাৰ নামনিত পশ্চিম দিশত সংযুক্ত আছিল। পালবংশৰ ৰজাসকলৰ দিনত শুৱালকুছিত আহি বসবাস কৰা ব্রাহ্মণসকলে শুৱালকুছি তথা ওচৰ-পাঁজৰৰ মঠ-মন্দিৰসমূহত পূজা-পাতল কৰিছিল। কালক্রমত ব্রহ্মপুত্রৰ গতিৰ সালসলনিৰ বাবে বর্তমান শুৱালকুছি ব্রহ্মপুত্রৰ উত্তৰ পাৰ হ'ল যদিও কামাখ্যাৰ লগতে শুৱালকুছিৰ ওচৰৰ ভৃঙ্গেশ্বৰ, ধাৰেশ্বৰ, কেদাৰ আদি মঠ-মন্দিৰৰ ধর্মীয় পৰম্পৰাৰ লগত সিদ্ধেশ্বৰ দেৱালয়ৰ সাদৃশ্য থকাৰ কথা জানিব পৰা যায়। সিদ্ধেশ্বৰ মন্দিৰৰ দৰে ওচৰৰ মঠ-মন্দিৰত চলি থকা শিৱ পূজাৰ প্রচলন অতি পুৰণি। সিদ্ধেশ্বৰ মন্দিৰত ভক্তবৃন্দই নিৱেদন কৰা নিৰামিষ ভোগহে উৎসর্গিত হয়। শুৱালকুছিৰ শাক্ত, শৈৱ আৰু বৈষ্ণৱ ধর্মাদিৰ ধাৰাটো অতি প্রাচীন। সেয়ে শুৱালকুছিৰ কিছুমান উল্লেখনীয় স্থানত বিভিন্ন সময়ত শিৱ, গণেশ, লক্ষ্মী, সৰস্বতী, কালী, দুর্গা, মনসা আদিৰ উৎসৱ পালনৰ পয়োভৰ অতি চকুত লগা। সিদ্ধেশ্বৰ মন্দিৰত থকা দুর্গা দেৱীৰ মূর্তিয়ে শাক্ত ধর্মৰ প্রচলন থকাৰ কথা নিশ্চিত কৰে। সেইদৰে সিদ্ধেশ্বৰ মন্দিৰৰ গাত থকা বিষ্ণু আৰু সূর্য মূর্তিয়ে অইন দেৱতাৰ অস্তিত্বৰ প্রতি শ্রদ্ধা থকাৰ কথাকে কয়। সাধাৰণতে শুৱালকুছিত শাক্ত, শৈৱ, গণপত্য আদি পন্থালম্বী ধর্মৰ ধাৰাটো ব্রাহ্মণসকলৰ নেতৃত্বত পৰিচালিত হৈ অহাৰ দৰে মহাপুৰুষীয়া, দামোদৰীয়া, হৰিদেৱী পন্থাৰ ধাৰাটো সাধু, সন্ত-মহন্ত, গোসাঁই আদিৰ নেতৃত্বত পৰিচালিত হৈ অহা।

অলৌকিক শক্তিৰ প্রতি বিশ্বাসেই ধর্মৰ কাৰণ। পৰকালৰ সুখ, সমাজৰ উৎকর্ষ সাধন, পুণ্য সাধন, সৎভাৱে জীৱন যাপন, আত্মাৰ সুখ, পৰমাত্মাৰ লগত আত্মাৰ মিলন আদিৰ বাবেই ৰীতি-নীতিৰ মাজত থাকি ঈশ্বৰ উপাসনা কৰাই ধর্ম। সত্য, শৌচ, তপস্যা আৰু দয়া ধর্মৰ চাৰিখন ভৰি বুলি জনা যায়। ধর্ম 'ধৃ' ধাতুৰপৰা সিদ্ধ হৈছে। 'ধৃ' মানে ধাৰণকাৰী আৰু পৰম্পৰাৰ আভিধানিক অর্থ হ'ল অবিচ্ছিন্ন ধাৰা।

পৰম্পৰাগতভাৱে প্রচলিত হৈ অহা কিছুমান নীতি-নিয়ম, লৌকিকতা, কিংবদন্তি আদি ধর্মৰ লগত সাঙোৰ খাই থকাৰ ফলত ধর্মীয় পৰম্পৰাৰ আধ্যাত্মিক দিশৰ মহত্ত্ব সবলভাৱে বৃদ্ধি হোৱাত সহায় হৈছে। ধর্মীয় পৰম্পৰাত শুৱালকুছিৰ স্বকীয়তা উৎসৱ-পার্বণসমূহত নথকা বুলি ক'ব নোৱাৰি। শুৱালকুছিৰ গণেশ মন্দিৰত অনুষ্ঠিত হোৱা মনসা পূজাত সুকবি নাৰায়ণ দেৱৰ পদ্মপুৰাণৰ ওপৰত নির্ভৰ কৰে। শুৱালকুছিত বাসত্তৰীয়া ব্রাহ্মণ সমাজে মনসা পূজা উদ্‌যাপনত মুখ্য ভূমিকা গ্রহণ কৰে। মনসা পূজাৰ ঐতিহ্য অতি প্রাচীন। বেউলা-লক্ষীন্দাৰৰ দৰে কাহিনী মনসাৰ লগত জড়িত হৈ আছে। শুৱালকুছিৰ পূব দিশত ঘাটিয়া পাহাৰৰ কাষত অৱস্থিত শ্রীশ্রী গণেশ বিগ্রহ মন্দিৰ ধর্মপাল ৰজাৰ দিনত স্থাপিত বুলি জনা যায় আৰু তেতিয়াৰপৰাই পূজা-পাতলৰ ব্যৱস্থা চলি অহা বুলি কয়। শিৱ, মনসা পূজাৰ দৰে গণেশ বা গণেহ দেৱতাৰ পূজাৰ প্রচলনো অতি পুৰণি।

মহাপুৰুষ শ্রীমন্তশংকৰদেৱ প্রৱর্তিত আৰু প্রচাৰিত এক শৰণ হৰিনাম ধর্মৰ মাজেৰে মহাপুৰুষীয়া ধর্মীয় সমাজ জীৱনৰ ছবি প্রস্ফুটিত হোৱা দেখা যায়। গুৰুজনাৰ শিষ্য-প্রশিষ্য, সন্ত-মহন্ত তথা ভকত বৈষ্ণৱসকলে সত্র নামঘৰ প্রতিষ্ঠা কৰি এক শৰণ হৰিনাম ধর্মৰ পৰম্পৰাৰে সমাজ তথা সত্র নামঘৰৰ ঐতিহ্য সমৃদ্ধিশালী কৰে। দামোদৰীয়া আৰু হৰিদেৱী ধর্মৰ পৰম্পৰাও পিছ পৰা বিধৰ বুলি ক'ব নোৱাৰি। সম্প্রতি ধর্মীয় পৰম্পৰাৰ কিছুমান নীতি-নিয়ম আচাৰ-ব্যৱহাৰ সমাজ তথা সত্র নামঘৰ, দৌল-দেৱালয়ত বিলুপ্ত হৈ আহিব ধৰিছে। একশৰণ হৰিনাম ধর্মীয় পৰম্পৰাত ভকত বস্তু, সন্ত-মহন্ত বুলি উল্লেখ কৰিলে মানুহৰ নিভৃতম অন্তৰত এক গভীৰ আধ্যাত্মিক ভাবৰ উন্মোচন হয়। শুৱালকুছিত শ্রীমন্ত



সোণালী জয়ন্তী মহোৎসৱ, শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়, (১৯৬৩-২০১৩)

শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ আদি মহাপুৰুষসকলৰ পদৰেণু নপৰিলেও তাৰাসৱৰ আদর্শেৰে জীৱন ধন্য হোৱা শিষ্য-প্রশিষ্য, সন্ত-মহন্ত তথা ভক্ত-প্রাণ ভকত বান্ধৱসৱে প্রতিষ্ঠা কৰি যোৱা সত্র নামঘৰসমূহত অনুষ্ঠিত নাম-প্রসংগ, ডবা-কাঁহ, শঙ্খ-ধ্বনিত গাঁওখন মুখৰিত হৈ থাকে। শুৱালকুছিৰ সমাজ জীৱনত সত্র-সংস্কৃতিয়ে নৱ-বৈষ্ণৱ ধর্ম প্রচাৰত যথেষ্ট অৱদান আছে। সত্র-নামঘৰ আদিৰ পৰম্পৰাগতভাৱে থকা সত্রাধিকাৰ, বুঢ়াভকত, ভড়ালী, পাঠক, দেউৰী গায়ন-বায়ন, মেধি-ভকত, পাচনি, মুক্তিয়াৰ, ভাগৱতী, সূত্রধাৰ আদি ব্যক্তিসকল সমাজত সন্মানীয় হিচাপে গণ্য কৰা হয়। মহাপুৰুষসকলৰ কৃপাত শুৱালকুছিৰ এচাম তাঁতী, কুমাৰ তথা ভক্তপ্রাণ বাপ-বান্ধৱৰ নিভৃতম অন্তৰত নৱবৈষ্ণৱ ধর্মৰ ভকতি প্রদীপে প্রথম কৃপা কৰিছিল। সেই সময়তে কেশৱ চৰম ভাটৌ কুচীয়া আতাই মাধৱ গুৰুৰ বাক্যত উজনিত ধর্ম প্রচাৰৰ বাবে নদীয়েদি আহোতে অসুস্থ হৈ শুৱালকুছিত কেইদিনমান জিৰণি লৈছিল। সেই সুবাদতে তেখেতে ভক্তপ্রাণ বাপ-বান্ধৱৰ লগত প্রথম ভক্তি-ধর্মৰ সমন্বয় গঢ়িছিল বুলি পণ্ডিতসকলে কয়।

এক শৰণ হৰিনাম ধর্মৰ প্রৱর্তক তথা প্রচাৰক মহাপুৰুষ শ্রীমন্ত শংকৰদেৱৰ দেহাৱসান হোৱাৰ পিছৰপৰা মহাপুৰুষীয়া ধর্মত আৰম্ভ হোৱা ব্রহ্ম সংহতি, পুৰুষ সংহতি, কাল সংহতি আৰু নিকা সংহতিৰ প্রভাৱ শুৱালকুছিতো পৰিছিল। নিকা সংহতিৰ প্রধান বৈশিষ্ট্য হ'ল নামধর্ম। মহাপুৰুষ দামোদৰদেৱ আৰু হৰিদেৱৰ প্রচাৰিত ধর্মৰ আৰ্হিত প্রতিষ্ঠিত সত্র-নামঘৰসমূহৰ থাপনাত শ্রীকৃষ্ণৰ বিগ্রহ থাকিলেও শ্রীশ্রী লক্ষ্মী দেৱীৰো পূজা-অর্চনা চলে। শুৱালকুছিৰ শ্রীবাসুদেৱ মন্দিৰ, শ্রীগোপাল সত্র, দামোদৰীয়া সত্রৰ ভিতৰত অন্যতম সত্র। শ্রীশ্রী বংশীগোপাল সত্র, শ্রীশ্যামৰাই সত্রত নাম-প্রসংগৰ উপৰিও হোমযজ্ঞৰ প্রচলন আছে।

শ্রীশ্রী ঈশ্বৰ হাটীসত্র শুৱালকুছিৰ অতি পুৰণি সত্র। মহাপুৰুষ মাধৱদেৱৰ প্রিয় সুহৃদ শ্রীশ্রী নাৰায়ণ দাস ঠাকুৰ আতাৰ বংশৰ কানু বুঢ়া ঠাকুৰে হাপাইখাইতী নামৰ এগৰাকী বুঢ়ী আইৰ অনুৰোধত তেওঁৰ একহাত মাটিত কেউলাহাটী বান্ধি ধর্ম বন্তি জ্বলাই নাম-ধর্ম প্রচাৰ কৰিছিল বুলি প্রবাদ আছে। আজিও সত্রখন সগৌৰৱে শুৱালকুছিৰ বুকুত ভকতিৰ অমিয়া বিলাই উজলি আছে। আজিও সত্রৰ সত্রাধিকাৰ প্রভু সাধু বুদৰাম মহন্তৰ নাম শুনিলেই গাঁৱৰ ভক্তপ্রাণ বাপ-বান্ধৱ, আই-মাতৃসৱৰ শিৰ অৱনত হয়। তাৰাই বৰপেটা সত্রত প্রচলিত ভজন ধর্ম ঈশ্বৰ শ্রীশ্রী হাটী সত্রত প্রচলন কৰে বুলি শুনিব পোৱা যায়। গুটিমউ, খৰৰ দাস, জনার্দন আৰু কেশৱ দাস এই চাৰিজন ভকতৰ অনুৰোধত দক্ষিণ পাৰৰ বৰহেৰামদ সত্রৰ পঢ়িয়া মাধৱ আতৈৰ প্রথম পুত্র মুৰাৰী আতাক আনি সুৱাগডুবিত বাহা কীর্তন পাতি বন্তি জ্বলাই নামধর্ম প্রচাৰ কৰে। ঠিক সেইদৰে ঈশ্বৰ শ্রীশ্রী সৰুসত্রখন মুৰাৰী আতাৰ পুত্র জয় হৰিৰ অৱদানৰ কথা উক্ত প্রাণ বাপ-বান্ধৱীসকলে শ্রদ্ধাৰে সোঁৱৰণ কৰি গৌৰৱ কৰে। পুনঃ সেই চাৰি বুঢ়াৰ অনুৰোধত মহাপুৰুষ মাধৱদেৱৰ একান্ত শিষ্য লক্ষ্মীকান্ত আতৈৰ চতুর্থ পুত্র অনন্ত আতৈয়ে দধিৰপৰা আহি কাচিমা আমৰ তলত বর্তমান ঈশ্বৰ শ্রীশ্রী ডেকা বাপুসত্র আৰু দ্বিতীয় পুত্র সনাতন আতৈয়ে ঈশ্বৰ শ্রীশ্রী ভাটিসত্র প্রতিষ্ঠা কৰি ধর্ম বন্তি জ্বলাই নামধর্ম প্রচাৰ কৰে। সত্র নামঘৰৰ কাৰুকলাসমূহ ধর্ম প্রচাৰৰ উদ্দেশ্যে খোদিত কৰা হৈছিল।

মহাপুৰুষ দামোদৰদেৱ আৰু হৰিদেৱৰ পন্থৰ সত্র আৰু সচংসমূহো অতি পুৰণি। কেওটপাৰাত থকা সচংখন পৰৱর্তী সময়ত সোণাৰীপাৰাৰ লেংটা সচংখনৰ লগত মিল হয়। শ্রীশ্রী শ্যামৰায় সত্র পুৰণি সত্র আৰু সত্রখনত নাম-কীর্তনৰ উপৰি যজ্ঞাদিও পাতে। শ্রীশ্রী ভাঙাৰা গোহাঁই থান হৰিদেৱী পন্থৰ বুলি জনা যায়।

অসমৰ বিভিন্ন প্রান্তৰ দৰে শুৱালকুছিৰ সমাজ ব্যৱস্থাতো সততে মৃতকৰ শ্রাদ্ধ তথা পৰিয়ালবর্গই পালন কৰিবলগীয়া নীতি-নিয়ম তথা পৰম্পৰাসমূহ নিজ ধর্মৰ অনুষ্ঠানসমূহৰ নীতি-আদর্শত পালন কৰা হয়। তেনেদৰে বিবাহ আদি ক্ষেত্রত নিজ ধর্মীয় নীতি-নিয়ম আৰু লৌকিকতাৰ মাজেৰে পালন কৰা হয়। মহাপুৰুষীয়াসকলে মাংগলিক কাম-কাজ নামধর্মৰ মাজেৰে কৰাৰ দৰে শাক্ত, শৈৱসকলে শ্রাদ্ধাদিৰ মাজেৰে সমাধান কৰে। শুৱালকুছিত প্রচলিত হৈ অহা আইনাম, বিয়ানাম, লোকগীত, দেহবিচাৰৰ গীত আদিত ধর্মীয় পৰম্পৰাৰ কথা সন্নিৱিষ্ট হৈ থকা দেখা যায়। ঠিক তেনেকৈ শুৱালকুছিত প্রচলিত হৈ থকা ধর্মীয় উৎসৱ অম্বুবাচী কামাখ্যা মন্দিৰৰ লগত সংস্পৃক্ত হৈ আছে। ছোৱালীয়ে ভাল দৰা পোৱাৰ কামনা কৰি কৰা চৰেই বৰত ধর্মীয় অনুষ্ঠানৰ পৰম্পৰা বর্তমান বিলুপ্তিৰ পথত। এই চৰেই বৰত পূজা প্রথম ব্রাহ্মণ শ্রেণীৰ মাজত আছিল আৰু ই বংগদেশৰপৰা অহা উৎসৱ বুলি জানিব পৰা যায়।

বিহু কৃষি উৎসৱ আৰু অসমীয়াৰ বাপতিসাহোন। বিহুৰ কিছুমান পৰম্পৰাৰ লগত হিন্দু ধর্মৰ নীতি-নিয়ম পৰম্পৰা সাঙোৰ খাই আছে। বিহু উপলক্ষে বিভিন্ন সমাজত পালিত হোৱা নাম-প্রসংগ, গীত-মাত, কীর্তন-ভাগৱত পাঠ, যাগযজ্ঞ আদি আধ্যাত্মিক পৰম্পৰাৰ দিশসমূহে বিহুৰ সৌষ্ঠৱ বৃদ্ধিৰ লগতে বিহুত প্রসিদ্ধ কৰিছে। হিন্দু ধর্মৰ কিংবদন্তিৰ অংশ স্বৰূপে সাঙোৰ খাই থকা উৎসৱ অশোকাষ্টমী শুৱালকুছিত এদিনীয়া হিচাপে পালন কৰা হয়। ৰোহিণী নক্ষত্র যুগ বাসন্তী শুক্লাষ্টমীত ব্রহ্মপুত্রৰ উত্তৰপাৰত মানুহে স্নান কৰিলে ব্রহ্মাপদ লাভ কৰে বুলি বিশ্বাস কৰে। সেইদিনাখন পৰশু�ৰামৰ বাক্যানুসাৰে ব্রহ্মপুত্র পৰিত্র হয়। সেয়ে পৰিত্র ব্রহ্মপুত্রত সেইদিনাখন উত্তৰ পাৰৰ দৌল-দেৱালয়সমূহৰ বিগ্রহে স্নান কৰে। এনেদৰে প্রাচীন কালৰ পৌৰাণিক আখ্যানসমূহৰ ধর্মীয় পৰম্পৰাই শুৱালকুছিৰ স্থান উন্নত কৰিছে। শুৱালকুছিত সু-প্রাচীনকালৰপৰা ব্রাহ্মণ্য ধর্মৰ শাক্ত, শৈৱ, ধাৰাটো নিৰৱে প্রৱাহিত হৈ আছিল। পিছত বৈষ্ণৱ আৰু এক শৰণ হৰিনাম ধর্মৰ গজালি মেলে। এনেদৰেই হিন্দু ধর্মৰ পৰম্পৰাসমূহে শুৱালকুছিৰ আধ্যাত্মিক দিশৰ পৰিৱেশ ৰচনা কৰিছিল।■

**সহায়ক গ্রন্থ :**

১। অসম সাহিত্য সভাৰ ৪৬তম শুৱালকুছি অধিৱেশনৰ 'শুৱালকুছি জ্যোতি' স্মৃতিগ্রন্থত প্রকাশ পোৱা অধ্যাপক শ্রীসুশীল শর্মা 'শুৱালকুছিত মাৰৈ পূজা', কামৰূপ জিলা সাহিত্য সভাৰ অষ্টবিংশতিতম শুৱালকুছি অধিৱেশনৰ 'সুৱর্ণজ্যোতি' স্মৃতিগ্রন্থত প্রকাশ পোৱা 'শুৱালকুছিৰ ধর্মীয় পৰম্পৰা'।

২। কামৰূপ জিলা সাহিত্য সভাৰ অষ্টবিংশতিতম শুৱালকুছি অধিৱেশনৰ 'সুৱর্ণজ্যোতি' স্মৃতিগ্রন্থত প্রকাশ পোৱা অধ্যাপক শ্রীবাসুদেৱ ভড়ালীৰ 'শুৱালকুছিৰ ধর্মীয় অনুষ্ঠান : এটি সমীক্ষাত্মক ইতিবৃত্ত'।

৩। কামৰূপ জিলা সাহিত্য সভাৰ অষ্টবিংশতিতম শুৱালকুছি অধিৱেশনৰ 'সুৱর্ণজ্যোতি' স্মৃতিগ্রন্থত প্রকাশিত প্রসন্নৰাম দাসৰ 'শুৱালকুছিৰ লোক সংস্কৃতি ঐতিহ্য'।

# শুৱালকুছি আৰু দাঁতি-কাষৰীয়া অঞ্চলৰ ঐতিহ্যমণ্ডিত দৌল আৰু দেৱালয়সমূহ

**চতীন্দ্র নাথ শর্মা**

ইতিহাসে গৰকা অসমৰ মানচেষ্টাৰৰূপে খ্যাত বস্ত্র নগৰী শুৱালকুছি গ্রাম ধন্যে-পুণ্যে, শিল্প-সংস্কৃতি আৰু ধর্ম-কর্মৰ মিলন ভূমি। মহাবাহু ব্রহ্মপুত্রৰ উত্তৰ পাৰত অৱস্থিত প্রকৃতিৰ সৌন্দর্যৰে পৰিপূর্ণ শুৱালকুছি এখনি ঐতিহ্যপূর্ণ মনোৰম ঠাই। দেশী-বিদেশী পর্যটকৰ আকর্ষণৰ স্থলী এই মনোৰম গাঁওখনি ভাৰতবর্ষৰ ভিতৰতেই প্রসিদ্ধ গাঁও। আজি এই গাঁওখন সোণালী সূতাৰ বস্ত্রৰ বাবেই পৃথিৱী খ্যাত হ'লেও এই গাঁৱৰ প্রাচীন ইতিহাসো অতি উজ্বল । সময়ৰ পৰিৱর্তনৰ ফলশ্রুতিত এই প্রাচীন ইতিহাসৰ কিছু তথ্য ম্লান পৰিলেও শুৱালকুছি আৰু ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলত বিৰাজমান হৈ থকা গাঁওখনৰ পশ্চিম মধ্যভাগত অৱস্থিত ঁশ্রীশ্রী সিদ্ধেশ্বৰ দেৱালয়, গাঁওখনৰ উত্তৰ ভাগত (বংশৰত) ভৃঙ্গেশ্বৰ দেৱালয় আৰু পশ্চিমত (বামুন্দী) শিলগুৰিত অৱস্থিত ঁশ্রীশ্রী ধাৰেশ্বৰ দেৱালয়—এই তিনিওখন ইতিহাসে গৰকা প্রাচীন দেৱালয়ে গাঁওখনৰ তিনিওটা দিশত ত্রিমূর্তিৰ দৰে থাকি অতীতৰ যুগমীয়া ধর্মীয় ধ্বজা বহন কৰি আহিছে। এই পৱিত্র দেৱালয়সমূহৰ ইতিহাস তথ্যৰে পৰিপুষ্ট এটি প্রবন্ধ ৰচনা কৰাটো অতি দুৰূহ কাম। তথাপিও উত্তৰপুৰুষে যাতে শুদ্ধ আৰু সমলযুক্ত তথ্যৰে এই পীঠসমূহৰ বিষয়ে অৱগত হ'ব পাৰে তাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰাৰ প্রয়াস কৰা হৈছে। বুৰঞ্জী প্রসিদ্ধ দেৱালয়ত খোদিত থকা বিভিন্ন মূর্তিসমূহ আৰু সিঁচৰতি হৈ থকা এটি শিলগুটিয়েও অতীতৰ বহু বুৰঞ্জীৰ কথা ক'ব পাৰে। এই দেৱালয়সমূহৰ উপাস্য দেৱতা মূলতঃ শিৱ যদিও ইয়াত গণেশ, দুর্গা আৰু ভগৱান শ্রীকৃষ্ণকো পূজা কৰা হয়। দেৱালয়কেইখনৰ ভোগ-প্রসাদ আৰু পূজা-সেৱা অলপ বেলেগ বেলেগ প্রকাৰে কৰা দেখা যায়। প্রত্যেকখন দেৱালয়ৰে নিজস্ব স্বকীয় বৈশিষ্ট্য হানি নকৰাকৈ পৃথক পৃথকভাৱে সকলো দিশ সামৰি প্রবন্ধটি আগবঢ়োৱাৰ চেষ্টা কৰা হ'ল— ভুল-ত্রুটিৰ বাবে ক্ষমা-ভিক্ষা বিচাৰি।

**মহাপ্রভু সিদ্ধেশ্বৰ দেৱালয় :** উত্তৰে গিৰিমালাৰে বেষ্টিত, গুৱাহাটীৰপৰা ২৪ কিলোমিটাৰ পশ্চিমত, ব্রহ্মপুত্রৰ উত্তৰ পাদদেশত আৰু বামুন্দী-শিলগুৰিৰ ঈশ্বৰ ঁধাৰেশ্বৰ দেৱালয়ৰপৰা ১০ কিলোমিটাৰ পূবত সোণালী সূতাৰ দেশ, অসমৰ মানচেষ্টাৰ শুৱালকুছি গাঁও। এই শুৱালকুছিৰ পশ্চিম প্রান্তত অৱস্থিত মহাপীঠখনেই হ'ল মহাপ্রভু শ্রীশ্রীসিদ্ধেশ্বৰ দেৱালয়। কালৰ কুটিল গতিত যদিও অৱক্ষয় হৈ গৈছে বহুতো তথ্য, তথাপিও অতীতৰ সোঁৱৰণে মনৰ দাপোণত পুনঃ পুনঃ সোঁৱৰাই দিয়ে বহুতো ইতিহাসৰ সত্য। এই মহিমামণ্ডিত দেৱালয়খনৰ অতীতৰ জন্মৰ পাঠোদ্ধাৰ কৰাটো বৰ সহজ কথা নহয়। তথাপিও পুৰণি শিলাখণ্ড, তামৰ ফলি, প্রচলিত কিংবদন্তি, পুৰণি পুথি আদিৰ নিদর্শনে বহুত তথ্য জনাৰ সমল যোগায়। যোগিনী তন্ত্রৰ (২, ৯, ১২৯) শ্লোকত থকা উত্তৰ সৰু বংশৰ মৌজাৰ শুৱালকুছি গাঁওৰ ঁসিদ্ধেশ্বৰ দেৱালয়খন থকা পাহাৰখনৰ নাম সিদ্ধাচল বা সিদ্ধাচল বুলি উল্লেখ আছে। আকৌ যোগিনী তন্ত্রৰে (২, ৮, ২৯) নং শ্লোকত সেই মন্দিৰৰ উপাস্য দেৱতা সিদ্ধেশ্বৰ বুলি উল্লেখ আছে। গেজেটিয়াৰৰ মতে ১৭২৯ চনত এই মন্দিৰ পুনৰ নির্মাণ কৰা হয় বুলি কোৱা হয়।

ঈশ্বৰ শ্রীশ্রী সিদ্ধেশ্বৰ দেৱালয়ে ইয়াৰ আশে-পাশে থকা সকলো ঠাইৰে অগণন ভক্ত সমাজৰ সকলো দিশতে প্রভাৱ বিস্তাৰ কৰি আহিছে। প্রাচীন কামৰূপ ৰাজ্যত বৌদ্ধ ধর্মৰ বিকাশৰ বুৰঞ্জী কোনোবাই বিচাৰ কৰিলে হাজোৰ পিছতে এই অঞ্চলৰ কথা উল্লেখ কৰিব লাগিব যে— উত্তৰৰ ভূটানৰপৰা বৌদ্ধসকলে উত্তৰ নাইবা দক্ষিণ ফালে ব্রহ্মপুত্র থাকিলেও সমৰ ক্ষেত্রৰ পশ্চাদভূমি হিচাপে গ্রহণ কৰি আহিছিল। কামৰূপ নৃপতি পালবংশৰ ৰজাসকলে শুৱালকুছিৰ এই অঞ্চলতেই ইতিহাস প্রসিদ্ধ 'দুর্জয়া' নগৰ স্থাপন কৰি 'আত্ম নস্ত কামায় সর্বং প্রিয়ং ভৱতি' কামাখ্যা সংস্কৃতিৰ প্রভাৱত ব্রহ্মাই এই ঠাইতে ধাৰেশ্বৰ, ভৃঙ্গেশ্বৰ আদি বিভিন্ন নামত (ৰূপত) মহাশক্তিৰ আধাৰত নিজ সত্তা প্রকাশ কৰিছে বুলি ভবাৰ স্থল আছে। বর্তমান শুৱালকুছিৰ 'ভাঙা নগৰ' পালবংশৰে স্মৃতি বুলি ধাৰণা কৰা হয়। ১১শ শতিকাত এই পালবংশৰে নৃপতি ৰত্নপালে এই দেৱালয়খন স্থাপন কৰা বুলি বুৰঞ্জীয়ে কয় যদিও ইয়াৰ কোনো তথ্য পোৱা নাযায়। ঁসিদ্ধেশ্বৰ দেৱালয়ৰ দক্ষিণত থকা 'শুৱাগ ডুবি' নামটো বুদ্ধৰ শিষ্য 'সুবার্দ' নামৰ বৌদ্ধ ভীক্ষুৰ নামেৰে নামকৰণ কৰা বুলি ভবাৰ স্থল আছে। কিয়নো প্রতি বছৰে মাঘ-ফাগুন মাহত ভূটানৰ তীর্থযাত্রী ভুটীয়াসকলে হাজো, সিদ্ধেশ্বৰ, ধাৰেশ্বৰ, ভৃঙ্গেশ্বৰ মহামুনি দর্শন কৰিবৰ বাবে আহি থাকে। এই সম্বন্ধটোৰপৰা জানিব পাৰিছো—এই অঞ্চলৰ দেৱালয়কেইখনৰ লগত বৌদ্ধসকলৰ এটা ধর্মীয় সম্পর্কৰ ভাব তাহানিতেই গঢ়ি উঠিছিল। প্রকাশ থাকে যে—ভাৰতবর্ষত খ্রীঃপূর্ব ৩০০ শ শতিকাত অশোক, কনিষ্ক আদি ৰজাসকলৰ পৃষ্ঠপোষকতাত বৌদ্ধধর্মই প্রসাৰ লাভ কৰি, পর্বত, পাহাৰ, শিলাখণ্ড, ৰাস্তাৰ দাঁতি আদিত বুদ্ধৰ বাণী, মূর্তি আদি শিলত খোদিত কৰি বৌদ্ধধর্ম প্রচাৰ কৰিছিল। কিন্তু সকলোৰে দিন সমানে নোযোৱাৰ দৰে সময়ৰ লগে লগে বৌদ্ধধর্মৰ মাজতো মহাযান আৰু হীনযান নামৰ দুটা পন্থা গঢ় লৈ উঠাৰ সময়তে দাক্ষিণাত্যত হিন্দু ধর্মৰ গুৰু শংকৰাচার্যৰ আৰির্ভাৱে বৌদ্ধধর্মৰ ওপৰত আঘাত হানি ইয়াৰ গুৰুত্বও ম্লান কৰিবলৈ সক্ষম হয়। ফলত ভাৰতত পুনৰাই হিন্দু ধর্মই গা



সোণালী জয়ন্তী মহোৎসৱ, শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়, (১৯৬৩-২০১৩)

কৰি উঠে। সেই সময়তে বৌদ্ধ বিহাৰসমূহ ব্যভিচাৰমুখী হৈ পৰিছিল। বৌদ্ধধর্মৰ প্রভাৱত পুৰণি হিন্দু মঠ-মন্দিৰসমূহৰ ধর্মীয় সত্তা ম্লান পৰে পৰৱর্তী কালত হিন্দু তীর্থক্ষেত্ৰৰোৰ পুনৰ হিন্দু ধর্মৰে সজীৱ তথা জাতিষ্কাৰ হৈ উঠাৰ লগতে সিদ্ধেশ্বৰ দেৱালয়ো পুনৰ শৈৱ হিন্দু মন্দিৰ হিচাপে পৰিগণিত হোৱা বুলি তত্ত্ববিদ ৰাজমোহন নাথে পোষকতা কৰে।

দেৱালয়ৰ হেৰোৱা বুৰঞ্জী উদ্ধাৰ কৰিবলৈ যাওঁতে বর্তমান আমাৰ বড়দেউৰীসকলৰ হাতত থকা তাম্রফলি আৰু পুৰুষ নামাৰ কথা উল্লেখ কৰিব পাৰি। তামৰ ফলিখনৰপৰা গাঁওখনৰ পৰিসীমা, বড়দেউৰী, ব্রাহ্মণ, পাঠক, পাইক, মালী, তাঁতী, আঠপৰীয়া, কুমাৰ আদিৰ বহু কথাই জানিব পাৰি। ফলিৰ বিৱৰণীত উত্তৰে বংগেসৰৰ সীমা, দক্ষিণে লোহিত, পূবে মাটি পর্বত টৌৱাৰ সত্ৰ, পশ্চিমে দীঘিৰ পাৰ। ছয়জন পূজাৰী ব্রাহ্মণ (ৰামজীৱন, কর্ণপুৰ, কবিন্দ্ৰ, কাশিনাথ, বিদ্যা বিনোদ, সতানন্দ পাঠক : লখিপতি, গোপাল, ভৱ নাথ)। প্রকাশ থাকে যে— বড়দেউৰীসকলৰ হাতত থকা পুৰুষ নামাৰ তথ্য অনুসৰি সূর্যবৰ বিপ্র আৰু বুৰঞ্জীৰ আঁত ধৰি ড° সূর্য কুমাৰ ভূঞাৰ উল্লিখিত কাণ্য-কুব্জৰপৰা অহা সূর্যবৰ বিপ্র একেজন মানুহ বুলি ক'ব পাৰি। তামৰ ফলিত উল্লেখ থকা ৰামজীৱন, কর্ণপুৰ, কবিন্দ্ৰ, কাশিনাথ, বিদ্যা বিনোদ আদি ব্রাহ্মণসকল সূর্যবৰ বিপ্রৰ তৃতীয় পুৰুষ (বর্তমান ১৭ পুৰুষ চলি আছে)। সেয়েহে সূর্যবৰ বিপ্র ১২ শতিকাত অহা বুলি ক'ব পাৰি। ইয়াৰ উপৰিও চান্দ বায়ন, ৰাম-হৰি, ৰামভদ্র, গাঁওসুৱা, কলাই, দহাঁঞি, ঘামৰু, গোবিন্দ আৰিয়া, গোৰা আদি লোকৰ নাম উল্লেখ আছে। এইসকল লোকে পালপাতি দেৱালয়ৰ কামত লগা বিভিন্ন বস্তু-বাহানি আৰু কাম-কাজ পৰিচালনা কৰাত সহায় কৰিছিল। এই তামৰ ফলিৰ উপৰিও বালি সত্ৰ, সানেইকুছিত থকা দেৱালয়ৰ পুৰণি বড়দেউৰীসকলৰ আহ্বান ক্রমে তালৈ যাওঁতে সানেইকুছিৰ "শিৰ নাথ শর্মা দলৈৰ ঘৰত (তেতিয়া জীৱিত) এখন দেৱালয়ৰ তাম্র ফলি দেখা পোৱাৰ সৌভাগ্য হৈছিল।

এই বিগ্রহ বিভিন্ন তথ্য মতে ১১ শতিকাতে পাল বংশৰ ৰজা ৰত্নপালে শিৱ মন্দিৰ হিচাপে প্রতিষ্ঠা কৰা বুলি জনা যায়। যদিও কালৰ কুটিল গতিত বিভিন্ন দুর্যোগৰ সন্মুখীন হৈ সকলো অটল গর্ভত জাহ গৈছিল। তাৰ পিছত আহোম ৰজা গদাধৰ সিংহ আৰু বৰজনা ৰজা (ৰাজেশ্বৰ সিংহ?) সিদ্ধেশ্বৰ দেৱালয়ৰ নামত দান পত্র দিয়ে যদিও সকলোবোৰ দুর্যোগত লয় পায়। পণ্ডিত "হেমচন্দ্র গোস্বামীয়ে শিলৰ ফলি প্রবন্ধত দিয়া পাঠখিনিৰ মতে বৰভূঁইকঁপত সিদ্ধেশ্বৰ মন্দিৰ খহি পৰাৰ ফলত শিলৰ ফলিখনো নষ্ট হৈ যায়। যাৰ ফলত তাৰ পাঠ সম্পূর্ণৰূপে উদ্ধাৰ কৰিব পৰা নহ'ল। মাজে মাজে কিছু শব্দহে উদ্ধাৰ কৰিব পৰা হয়। ইয়াৰ পিছত স্বর্গদেউ শিৱ সিংহই ১৬০৯ শকত দেৱালয়ৰ নামত দেৱোত্তৰ আৰু ব্রহ্মোত্তৰ ভূমি দান কৰে। ইয়াৰে এখন লাখেৰাজ ভূমিৰ পাট্টা "ফটিক চন্দ্র বৰুৱাই ("মানিক চন্দ্র বৰুৱাৰ সৰু ভাই)"শ্রীশ্রীসিদ্ধেশ্বৰ দেৱালয়ৰপৰা কাটি নি বালিসত্ৰ (ৰঙিয়াৰ ওচৰত) পৰিচালনাৰ নামত দিয়ে। সানেইকুছিত থকা তামৰ ফলিখনৰ উপৰিও এখন দেৱালয় পৰিচালনা সমিতিৰ হাতত, আনখন পুৰাতত্ত্ব বিভাগৰ হাতত (মুঠ তিনিখন) সংৰক্ষিত হৈ আছে। যিকি নহওক ৰজা শিৱ সিংহৰ দিনত অতীতত জহি-পমি যোৱা দেৱালয়খনৰ মঠ, মন্দিৰ নির্মাণ কৰি সেৱা পূজাৰ ব্যৱস্থা কৰি দিছিল। ইয়াৰ বাহিৰেও ওচৰৰ সত্রৰ মেধি, ভকত, পাইক আদিক নিষ্কৰ ভূমি দান কৰি, পূজাৰী, দেউৰী, দুলীয়া আদিৰ শ্রম আৰু ৰায়তৰপৰা খাজানা সংগ্রহ কৰি উৎসৱ-পার্বণ আদিৰ লগতে নিত্য ভোগ, নৈৱেদ্য, বাদ্যদি বজাই, দৌল, অশোকাষ্টমী, শিৱৰাত্রি আদিত দণ্ড, ছত্র ধৰি মহাপ্রভুক গাঁৱত ফুৰোৱাৰ আদেশ জাৰি কৰিছিল। বড়দেউৰীসকলক দেৱালয়ৰ পূজাৰ সকলো ভাৰ ন্যস্ত কৰি মাটি পর্বতত বুঢ়া গণেশ স্থাপন কৰি স্থায়ীভাৱে বসবাস কৰাৰ দিহা কৰি দিছিল। কালক্রমত ঠাই আদিৰ অভাৱত সানেইকুছি আৰু ৰঙিয়াৰ বালিসত্ৰ শুৱালকুছীয়া পাৰাত থকা ব্রহ্মোত্তৰ মাটিত স্থায়ীভাৱে কিছুমান বড়দেউৰীয়ে বসবাস কৰিবলৈ লয়।

কালজয়ী মহাপ্রভু সিদ্ধেশ্বৰ দেৱালয়ৰ পূজা-সেৱা আৰু ভোগ-প্রসাদ আদিলৈ লক্ষ্য কৰিলে বৈষ্ণৱ যুগৰ প্রভাৱ পৰিছে বুলি স্পষ্টকৈয়ে ক'ব পাৰি। কোনো ক্ষেত্রতে এই দেৱালয়ৰ নিয়ম-নীতিৰ লগত অন্য কোনো ধর্মীয় অনুষ্ঠানৰ তুলনা নহয়। দৈনিক ভোগ-প্রসাদত আদা, ঘি আদিৰ বাহিৰে অন্য মা-মচলা ব্যৱহাৰ নহয়। দেৱালয়ৰ মন্দিৰত শিৱ-বিষ্ণুৰ মিলনৰ বাবেই দুই শক্তিৰ সমন্বয় হোৱা বুলি ভাবিব পাৰি। সেয়েহে মহাপ্রভু সিদ্ধেশ্বৰ সকলো ধর্মীয় লোকৰ বাবে চিৰ নমস্য। প্রবাদ আছে যে স্বর্গদেই শিৱ সিংহই মঠ নির্মাণ কৰোতে খয় মাটিৰ লগত হাঁহ কণী আৰু শিঙি মাছৰ তেজ মিহলি কৰি মন্দিৰৰ ইটাৰ গাঁথনি সাজিছিল। এদিন ৰজাই সপোনত ইয়াৰ বাবেই মন্দিৰটো চুৰা যোৱা বুলি দেখা পালে। তেতিয়াৰ পৰা মন্দিৰত শিৱ পূজা বন্ধ ৰাখি আছুতীয়াকৈ শিৱ পূজা কৰা হয়। আৰু এটা কথা ক'ব পাৰি যে তেতিয়াৰ দিনতো ধর্মীয় অনুষ্ঠানবোৰ ৰাজ ধর্মৰ কৱলৰপৰা আঁতৰি যাব পৰা নাছিল। বৰৰাণী ফুলেশ্বৰীৰ প্রভাৱত শাক্ত ধর্মত ৰাজ ধর্ম শাক্ত ধর্মত পৰিণত হৈছিল। তাৰ ফলস্বৰূপে বৈষ্ণৱ প্রজাসকলক জোৰ জুলুম আৰু শক্তি প্রয়োগেৰে শাক্ত ধর্মত দীক্ষিত কৰি প্রচাৰৰ বাবে দেৱালয়সমূহত জোৰকৈ দুর্গা প্রতিমা স্থাপন কৰিছিল। তেতিয়াৰপৰা ডু�ৰিৰ পৰিহবেশ্বৰ আৰু শুৱালকুছিৰ সিদ্ধেশ্বৰ দেৱালয় আদিত দুর্গা প্রতিমা স্থাপন কৰা দেখা যায়। দেৱালয়ত প্রতি বছৰে দুর্গা পূজা, শিৱৰাত্রি, দৌল উৎসৱ, বুদ্ধ পূর্ণিমা, অশোকাষ্টমী আদি উলহ-মালহেৰে পালন কৰি আহিছে। ইয়াৰ লগতে দেৱালয়ত ৫ দিনীয়াকৈ দুর্গোৎসৱ পালন কৰা হয়। এই উৎসৱ পালনৰ কেইদিনত নিৰামিষ আৰু নৱমী পূজাৰ দিনা মাহ দাইল, কোমোৰা আৰু তেল-জলকীয়াৰ ফোৰণ ব্যৱহাৰ কৰি প্রতি বছৰে এই দিনটোত শক্তিৰ অধিষ্ঠাত্রী দেৱী দুর্গাক আমিষ হিচাপে স্বীকৃতি প্রদান কৰা হয়। দৌল উৎসৱতো যথাবিহিতভাৱে গোপাল গোসাঁইক পূজা কৰি দৌলত উঠাই পিছদিনা বিয়লি মহাপ্রভুক গায়নে-বায়নে ঘুনুচাৰ বাৰীত পূজা কৰি ভক্তসকলৰ পদূলিয়ে পদূলিয়ে আশিস নির্মালি প্রদান কৰি দেৱালয়লৈ আদৰি আনি বেদীত স্থাপন কৰি, ভোগ-প্রসাদ গ্রহণ কৰি পূজাৰ সামৰণি মাৰে। আগতে দেৱালয়ত শিৱৰাত্রি পূজা এদিনীয়াকৈ পালন কৰা হৈছিল যদিও ভক্তগণৰ অশেষ চেষ্টা আৰু পৰিশ্রমৰ ফলত আজি কেবাবছৰ আগৰেপৰা সু-সংগঠিতভাৱে শিৱৰাত্রি মহোৎসৱ পালনৰ নিমিত্তে বহল ভিত্তিত এখন পৰিচালনা সমিতি গঠন কৰি ৩ দিনীয়া বর্ণাঢ্য কার্যসূচীৰে শিৱৰাত্রি

মহোৎসৱ পালন কৰি অহা হৈছে। তেতিয়াৱেপৰা এই দিনকেইটাত দেৱালয়খনলৈ হেজাৰ হেজাৰ ভক্তৰ সমাগম হয়। দিনৰ ভাগত পূজা-অর্চনা, প্রভু শিৱৰ দর্শন, প্রসাদ বিতৰণ আৰু ৰাতিৰ ভাগত ভোগৰ বিতৰণ ব্যৱস্থা চলে। অশোকাষ্টমীৰ স্নান যাত্রাৰ দিনা ভক্তসকলে মহাপ্রভুক ঢোলে-ডগৱে আগবঢ়াই নি স্নান কৰিবলৈ নিয়া শোভাযাত্রা অতি মনোৰম। এই শুক্লা অষ্টমী তিথিতেই ৰাজ্যৰ বিভিন্ন ঠাইৰপৰা হেজাৰ হেজাৰ ভক্ত আহি শুৱালকুছিৰ ব্রহ্মপুত্রৰ বালিচৰত মৃতকসকলৰ অস্থি স্থাপন কৰি, মৃতকসকলৰ স্বর্গ প্রাপ্তিৰ কামনা কৰে আৰু বিয়লি ভক্তসকলক আশীর্বাদ বিলাই, মহাপ্রভুক গধূলি দেৱালয়ৰ পীঠত স্থাপন কৰে।

অতীতত দলৈসকলেই দেৱালয় পৰিচালনা কৰিছিল আৰু দলৈসকলক প্রতি তিনি বছৰৰ মূৰে মূৰে বড়দেউৰীসকলেই নির্বাচন কৰিছিল। দলৈজনেই আছিল দেৱালয়ৰ মুখ্য পৰিচালক। মনৰ সোঁৱৰণীত পুৰণি দলৈসকলৰ ভিতৰত ঁকমলেশ্বৰ শর্মা, ঁযজ্ঞ নাথ শর্মা, ঁহংস নাথ শর্মা, ঁশম্ভুনাথ শর্মা আৰু ঁযোগেন শর্মাৰ নাম উল্লেখ কৰিব পাৰি। তাৰে ভিতৰত ঁহংস নাথ শর্মাৰ (দলৈ) নাম উল্লেখযোগ্য। অসম চৰকাৰৰ ১৯৫৯ চনৰ (Religious Act) ধর্মীয় আইন অনুসৰি চৰকাৰে ২খন লাখেৰাজ পাট্টাৰ (৮৭০/১৬ লেচা + ৪৭৪৩/৫ লেচা) =১৩৪৬৶১৯ লেচা জমীৰ ৯/১৮ লেচা জমী দেৱালয়ৰ চৌহদত ৰাখি দেৱালয়ৰ নামত আৱণ্টন দি বাকী ১৩৩৭৶১ লেচা জমী চৰকাৰী কৰে আৰু ৬৬২/- টকা বছৰি দেৱালয়ৰ পৰিচালনাৰ নামত অনুদান দিয়ে (বর্তমান বছৰি অনুদান ৮২৮/- টকা), এই ব্যৱস্থাই দেৱালয়খনক ধ্বংসৰ অটল গহ্বৰলৈ ঠেলি দিয়ে, ফলত বহু বছৰ দেৱালয়খন অনাদ্রিত হৈ পৰি থকাৰ পিছত দেৱালয়ৰ অন্যতম বড়দেউৰী শ্রীজয়দেৱ শর্মাৰ নেতৃত্বত ১৯৬৮ চনত প্রথমখন চৰকাৰী দেৱালয় পৰিচালনা সমিতি গঠন কৰে। তেখেতে বহু কষ্টৰ মাজেৰে প্রায় ১০ বছৰ সম্পাদক হিচাপে থকাৰ পিছত বড়দেউৰী শ্রীচতীন্দ্র নাথ শর্মাই (প্রবন্ধৰ লিখক) ১৯৭৮ চনৰ ছেপ্টেম্বৰ মাহৰপৰা ১৯৯৮ চনলৈ সম্পাদকৰ দায়িত্ব গ্রহণ কৰে। এই সময়তে শুৱালকুছিত অসম সাহিত্য সভাৰ ৪৬ তম অধিৱেশনৰ প্রস্তুতি আৰম্ভ হয়। সাহিত্য সভাৰ অধিৱেশনৰ আলমতেই দেৱালয়ৰ উৱলি যোৱা মঠ-মন্দিৰ চৌহদ, বাটচ'ৰা সভাঘৰ আদি কিছু মেৰামতি তথা পুনঃ নির্মাণ কৰি ন-ৰূপত সজাই সাহিত্যপ্রেমী অভ্যাগতসকলক আদৰিৰ বাবে যত্ন কৰা হয়। সেই সময়ত পুৰাতত্ত্ব বিভাগৰ জৰিয়তে মন্দিৰ আৰু মন্দিৰৰ লগত জড়িত বাটচ'ৰা, বিগ্রহৰ ৰান্ধনী ঘৰ, মূল বাটচ'ৰা আৰু স্থানীয় স্কুল, কলেজ আৰু সংঘসমূহৰ শ্রম দানেৰে প্রথমতে দেৱালয়ৰ পৰিৱেশৰ কিছু উন্নতি সাধন কৰাৰ ব্যৱস্থা কৰা হয়।

**মহাপ্রভু ধাৰেশ্বৰ :** শুৱালকুছিৰপৰা ১০ কিলোমিটাৰ পশ্চিম দিশত শিক্ষা-সংস্কৃতিৰ ধ্বজাবাহক বামুন্দী এখন ঐতিহ্যমণ্ডিত আদর্শ গাঁও। পৌৰাণিক আখ্যান-উপাখ্যান, ইতিহাসৰ কিংবদন্তিৰে পৰিপূর্ণ হাতীমূৰা পাহাৰ, বামুন্দী-শিলগুৰি, ইতিহাস, তথা ধর্মৰ কেন্দ্রস্থলী। এই হাতীমূৰা পাহাৰখনৰ পশ্চিম ফালে নামনিতেই মহাপ্রভু ধাৰেশ্বৰ দেৱালয় অৱস্থিত। পশ্চিম বংশৰ মৌজাৰ অন্তর্গত এই সুপ্রসিদ্ধ অঞ্চলটো শাল, সোণাৰু, আমলখি, আম-কঁঠাল আদি বিবিধ গছ-গছনিৰে পৰিপূর্ণ অতীতত অটব্য অৰণ্য আছিল আৰু এই অৰণ্যই আছিল— বাঘ, হৰিণা, বনগাহৰি, শহাপহু আদিৰ বিচৰণ ভূমি। দূৰৰপৰা 'হাতী বইত' পৰাৰ দৰে দেখা এই পাহাৰখন মহাভাৰতৰ কুৰুক্ষেত্র সমৰত কামৰূপৰ ৰজা ভগদত্তৰ 'সুপ্রতীক' নামৰ হাতীৰ মূৰটো ভীমৰ গদাৰ কোবত ছিটিক আহি এই পাহাৰখন হোৱা বুলি প্রবাদ আছে। মোগল সেনাপতি ৰামসিংহই অসম আক্রমণ কৰিবলৈ আহোতে আহোম সেনাই বাধা দিবলৈ উত্তৰ দিশত হাতীমূৰা আৰু গলেশ্বৰী পাহাৰৰ মাজেৰে এটা গিৰিপথ ব্যৱহাৰ কৰিছিল বুলি আজিও সকলোৰে মুখে মুখে। এই ঠাইতেই হেনো মানভাঙনীৰ অনেক লোকে আশ্রয় গ্রহণ কৰিছিল আৰু শত্রুৰ আক্রমণত পলায়ন কৰিছিল। স্থানীয় লোকে সেই সময়ত ব্যৱহাৰ কৰা কড়ি, সোণ-ৰূপৰ অলংকাৰ পোৱা বুলি উল্লেখ কৰি গৌৰৱবোধ কৰে। শিলৰ অনুপম ভাস্কর্য থকা (পদ চিহ্ন) এই ঠাইতেই গোধাই বৰশী বাইছিল। এয়া ইতিহাস, ৰূপক, তথা আখ্যান-উপাখ্যানেৰে প্রসিদ্ধ হাতীমূৰা পাহাৰ।

ইতিহাস সমৃদ্ধ হাতীমূৰা পাহাৰক সেয়েহে এই অঞ্চলৰ ভাষা-সাহিত্য, ধর্ম, সভ্যতাৰ কাণ্ডাৰী বুলি অভিহিত কৰিব পাৰি। গিৰি-গুহাৰ আৱেষ্টনীৰ মাজত এই ঠাইত কেনেকৈ মহাপ্রভু ধাৰেশ্বৰ (শিৱ) জাগ্রত হৈছিল, সেইটো আজিও ৰহস্যৰ অটল গর্ভত। অতীতত হেনো এই অঞ্চলতেই কছাৰীসকলে বসবাস কৰিছিল। প্রকাশ থাকে যে এঘৰ কছাৰী লোকৰ এজনী গাই গৰু কিছু সময়ৰ বাবে নোহোৱা হৈ পুনৰ গোহালিত শুই থাকে। এই কথা কছাৰীজনে লক্ষ্য কৰি এদিন গাইজনীক অনুসৰণ কৰি দেখে যে গাইজনীয়ে হাতীমূৰা পাহাৰৰ ঘন জাৰণিত সোমাই তাইৰ ওহাৰৰপৰা একে ঠাইতে গাখীৰ নির্গত কৰি পুনৰ যথাস্থানত গোহালিত প্রৱেশ কৰিলে। পিছদিনা গৃহস্থই এই আচৰিত দৃশ্যটো দেখি ঠাইখিনি শ্রদ্ধা সহকাৰে চাফ-চিকুণ কৰিলত এটা ভগৱান শিৱৰ শিৱলিংগ দেখা পালে। সেইদিনাৱেপৰা ভক্তপ্রাণ ৰাইজে সভক্তিৰে সেই ঠাইত ভগৱান শিৱৰ অর্চনা কৰিবলৈ ধৰিলে।

যোগিনী তন্ত্রত মহাপ্রভু ধাৰেশ্বৰৰ সম্বন্ধে এইদৰে উল্লেখ থকা দেখা যায়।

'সিদ্ধেশ্বৰস্য পশ্চাতে হস্তিমুণ্ডো পববতে
পর্ব্বতং হস্তিৰূপাঞ্চ উচ্চেধঃ কৃষ্ণ পিংগলং।।
.....
শ্রীভূতি সংস্থিতো দেবঃ সিদ্ধেয় সর্ব্ব কামদা ঃ।'

মহাপ্রভু ধাৰেশ্বৰ (শিৱৰ) অতীতৰ এইখিনিৰ বাহিৰে অন্য কথা জানিবৰ উপায় নাই যদিও, ভক্তসকলে দৃঢ়তাৰে প্রতিপন্ন কৰিব বিচাৰে যে—আদিম জনগোষ্ঠীৰ ধর্ম বিশ্বাসত প্রতিষ্ঠা কৰা ঁশ্রীশ্রী ধাৰেশ্বৰ দেৱালয় বৈদিক স্বীকৃতি পোৱাৰ বহু শতিকাৰ আগৱেপৰা যথাস্থানত এই মন্দিৰত পূজা-অর্চনা চলি আছিল বুলি ধাৰণা কৰাৰ স্থল আছে। আহোম ৰজাৰ ৰাজত্ব কালত স্বর্গদেউ শিৱ সিংহই দেৱালয়ৰ মন্দিৰ পুনৰ নির্মাণ কৰি বিগ্রহ পৰিচালনাৰ নামত তাম্রফলি যোগে ব্রহ্মোত্তৰ জমী ১৫৩৩/, কঠা আৰু দেৱোত্তৰ জমী প্রায় ৩৮৬৬৶ বিঘাৰো অধিক ভূমি দান কৰি দৈনন্দিন পূজা, উৎসৱ আদি সুচাৰুৰূপে পৰিচালনা



সোণালী জয়ন্তী মহোৎসৱ, শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়, (১৯৬৩-২০১৩)

কৰিবৰ বাবে পূজাৰী, দেউৰী, পাইক, খৰিভাৰী, দুলীয়া আদি বিধে বিধে নিয়োগ কৰি দেৱালয়ৰ যথেষ্ট উন্নতি সাধন কৰিছিল।

মহাপ্রভু ধাৰেশ্বৰ মন্দিৰত দৈনিক যথাবিধি বৈদিক নীতি-নিয়ম অনুসাৰে পূজা-অর্চনা কৰা হয়। এই দেৱালয়ৰ ভোগ-প্রসাদ সম্পূর্ণ নিৰামিষ। তদুপৰি ভক্তসকল তথা ৰাইজে নিজৰ মনোবাঞ্ছা পূৰণৰ বাবে পূজা তথা ভোগ-প্রসাদ প্রভুৰ চৰণত নিবেদন কৰি নিজকে ধন্য মানে। মনত থকা দিনৰেপৰা দেৱালয়ৰ বড়দেউৰীসকল নলবাৰীৰ দিঘেলী, মুড়িকোনা আৰু বামুন্দীৰ আছিল বুলি জনা যায়। মুড়িকোনাৰ ঁবৈকুণ্ঠ নাথ শর্মা আৰুঁজীৱেশ্বৰ শর্মাৰ নাম উল্লেখযোগ্য। তাৰ পিছত বামুন্দীৰ অন্যতম বড়দেউৰী শ্রীমহেন্দ্র নাথ শর্মাদেৱে দেৱালয়ৰ পৰিচালনাৰ দায়িত্ব গ্রহণ কৰি বহু বছৰ চলোৱাৰ পিছত শ্রীপৰেশ চন্দ্র শর্মা পূজাৰী হিচাপে দায়িত্ব বহন কৰি আছে। দেৱালয়ৰ বছৰেকীয়া উৎসৱৰ ভিতৰত দৌল, শিৱৰাত্রি, অশোকাষ্টমী, দুর্গা পূজা, গণেশ পূজা আদিয়েই প্রধান। এই উৎসৱসমূহ পৰিচালনা সমিতিয়ে ভক্তপ্রাণ ৰাইজৰ সহায়-সহযোগত উলহ-মালহেৰে পালন কৰে। গণেশ পূজা, দুর্গাপূজা, শিৱৰাত্রি পূজা আদিত ভোগ-প্রসাদ আদিৰ ব্যৱস্থা কৰি পূজাৰ বেদীত সেৱা জনাই মহাপ্রভু ধাৰেশ্বৰৰ আশিস মাগি ভোগ-প্রসাদ গ্রহণ কৰে। জীয়ৰী-বোৱাৰীসকলে শিৱৰাত্রিৰ দিনা উপৰাসে থাকি প্রভু ধাৰেশ্বৰ শিৱৰ মূৰত বেলপাত আৰু গাখীৰ ঢালি সকলোৰে মংগল কামনা কৰে। শ্রীকৃষ্ণৰ ফাকুৱা উৎসৱত মহাপ্রভুক গুৰু আসনত সজাই-পৰাই পূজাৰীসকলে গাঁৱৰ ঘৰে ঘৰে আশিস নির্মালি প্রদান কৰি সন্ধিয়া প্রভুক বিগ্রহত স্থাপন কৰি সভক্তিৰে ফুল-নির্মালি, প্রসাদ গ্রহণ কৰি মেলানি মাগে। অশোকাষ্টমীৰ দিনা প্রভুক গুৰু আসনত সজাই-মেলি ঢোল, বৰকাঁহ, শঙ্খ, ঘণ্টা লৈ ভক্তসকলে সদলবলে সমদল কৰি ঘৰে ঘৰে আশিস নির্মালি প্রদান কৰি শুৱালকুছিৰ ব্রহ্মপুত্রৰ বালিচৰত মাধৱ, কেদাৰ, সিদ্ধেশ্বৰ, ভৃঙ্গেশ্বৰ আদি মহাপ্রভুসকলৰ লগত একেলগে অৱস্থান কৰি ভক্তসকলক আশিস প্রদান কৰে আৰু মহাপ্রভুক সুশীতল গংগা জলত স্নান কৰাই গৃহমুখী হয়। মন কৰিবলগীয়া কথা এই যে প্রত্যেক মাঘ-ফাগুন মাহত অতীতত নেপাল-ভূটান আদিৰ বৌদ্ধ তীর্থযাত্রীসকলে মহামুনিক চাবলৈ এই দেৱালয়সমূহলৈ আহিছিল। এই তীর্থযাত্রাই বৌদ্ধধর্মী লোকসকলৰ লগত আমাৰ এই দেৱালয়সমূহৰ সু-সম্পর্কৰ কথাকে সূচনা কৰে।

হাতীমুৰা পাহাৰৰ প্রায় ওপৰত থকা আকাশী গংগা আৰু গলেশ্বৰী দেৱালয়ৰ কথা উল্লেখ নকৰিলে প্রভু ধাৰেশ্বৰৰ প্রবন্ধটো আধৰুৱা হৈ ৰ'ব বুলি ধাৰণা হয়। বর্তমান সেই মন্দিৰ নাই যদিও মন্দিৰৰ পুৰণি ভগ্নাৱশেষ পুৰণি ইটাৰোৰ (আহোমৰ দিনৰ) এতিয়াও তাৰেই স্মৃতি বহন কৰি আছে। তদুপৰি ধাৰেশ্বৰ দেৱালয়ৰ পূবৰ কিছু ওখত থকা আকাশী গংগাৰ চিৰ প্রৱাহিত শীতল জলধাৰাৰ লগত দেৱালয়ৰ কিবা সম্বন্ধ আছেনে নাই আজিও জানিব পৰা হোৱা নাই। মন্দিৰৰপৰা আকাশী গংগালৈ স্বাভাৱিকভাৱে পৰি থকা শিলৰ চিৰিৰে (প্রায় ৬ ফুট বহলৰ সুৰংগ) উঠি গৈ ভক্তসকলে সুশীতল জলৰাশিত মূৰ থৈ নিজকে সৌভাগ্যৱান বুলি ধন্য মানে। প্রবাদ আছে যে— যিসকল শিপিনীয়ে তাঁত বৰ নেজানে তেওঁলোকে আকাশী গংগাৰ স্থানত তাঁতৰ বাতি কাঢ়ি ব'লে নিজে শিপিনীৰ দক্ষতা অর্জন কৰে। যাত্রীসকলৰ আকাশী গংগালৈ উঠা-নমা কৰোতেই স্নান কার্য সমাধা হয়। এই ধাৰণাই বাবা ধাৰেশ্বৰ তথা গলেশ্বৰী দেৱালয়ৰ গৌৰৱোজ্জ্বল ইতিহাস।

১৯৫৯ চনৰ অসম চৰকাৰে দেৱালয়সমূহৰ বাবে কৰা 'Religious Act' অনুসৰি মহাপ্রভু ধাৰেশ্বৰ দেৱালয়ৰ ভূ-সম্পত্তিৰ দেৱালয়ৰ চাৰিওফালে প্রায় ১১ বিঘা মাটি দেৱালয়ৰ নামত আৱণ্টন দি বাকী সকলো ভূ-সম্পত্তি চৰকাৰে অধিগ্রহণ কৰে আৰু দেৱালয় পৰিচালনাৰ নামত প্রায় ১২৭৮৪ টকা (বছৰেকীয়া) অনুদান আগবঢ়ায়।

**মহাপ্রভু ভৃঙ্গেশ্বৰ :** আবাল বৃদ্ধ বনিতাৰ শিলাবৃত মহাপ্রভু ভৃঙ্গেশ্বৰ শিৱ (জনগণৰ ভাঙাৰা) বংশৰ তথা এই অঞ্চলৰ সমন্বয়ৰ প্রতীক। যোগিনী তন্ত্র, কালিকা পুৰাণ আদিত উল্লেখ থকা এই মহাপীঠখন অৱস্থিত পাহাৰখনক গন্ধমার্দন বুলি উল্লেখ আছে। এই প্রাচীন মন্দিৰটো গুৱাহাটীৰপৰা ৩০ কিলোমিটাৰ আৰু শুৱালকুছিৰপৰা প্রায় ৪ কিলোমিটাৰ উত্তৰ-পশ্চিমত, হাজো আৰু বামুন্দীৰ ঁধাৰেশ্বৰ দেৱালয়ৰপৰা প্রায় ১০ কিলোমিটাৰ দক্ষিণ-পূবত অৱস্থিত। ভক্তসকলৰ অটল বিশ্বাসে এই মহাপীঠখনক কামাখ্যা তথা ভাৰতৰ অন্যান্য দেৱালয়ৰ লগত তুলনা কৰি ভক্তিত গদ্ গদ্ হৈ পৰে। প্রকাশ থাকে যে ত্রিমূর্তি শিৱই প্রিয়তমা পত্নীৰ মৃতদেহ লৈ খং অপমানত জর্জৰিত হৈ বিশ্বৰ চাৰিওফালে ঘুৰি ফুৰোতে সতীৰ অংগ গন্ধমার্দন পর্বতত পৰি এই বিগ্রহ স্থাপন হয়। সেয়েহে ঈশ্বৰ ভৃঙ্গেশ্বৰ মহাশক্তি আৰু আদ্যশক্তি মহামায়াৰ শক্তি লগ হৈ এক মহাশক্তি লাভ কৰে কালিকা পুৰাণৰ কথা উল্লেখ কৰি সাহিত্যিক আনন্দ চন্দ্র আগৰৱালাই গন্ধমার্দন পর্বতৰ কথা উল্লেখ কৰি সেই পাহাৰৰ পশ্চিম প্রান্তত দেৱী, কুলগামিনী হৈ ব্রহ্মাশিলা ধাৰণ কৰি বাবা ভৃঙ্গেশ্বৰৰ পদ যুগল সৃষ্টি কৰিছে বুলি উল্লেখ কৰিছে। সেই কুণ্ডৰ অন্তৰালৰ পানীত স্নান আৰু সেৱন কৰি, মহাপ্রভু ভৃঙ্গেশ্বৰৰ পদ যুগল দর্শন কৰিলে হেনো মহাশক্তি লাভ হয় আৰু জীৱনৰ সকলো আশা-আকাংক্ষা পূৰণ হয় বুলি ভক্তসকলে বিশ্বাস কৰে।

বর্তমান মহাপ্রভু ভৃঙ্গেশ্বৰ শিলাখণ্ডৰ গুহাত পাহাৰৰ নামনিত পূজাৰীসকলে বিগ্রহৰ পূজা-অর্চনা কৰা দেখা যায় যদিও, অতীতত হেনো মহাপ্রভু শিৱ গন্ধমার্দন পাহাৰৰ ওপৰত প্রতিষ্ঠিত আছিল। পূজাৰীয়ে বেয়া বতৰৰ বাবে পূজা-অর্চনা কৰিব নোৱাৰাত, বিগ্রহৰ পূজা বাহী পৰিল। তেতিয়া মহাপ্রভুৱে সপোনতে পূজাৰীক দেখা দি বর্তমান পূজা কৰি থকা উক্ত স্থানলৈ, স্থানান্তৰ হোৱা বুলি স্বগোক্তি কৰিলে। পিছদিনা পূজাৰীয়ে প্রাতঃসতে উঠি ৰাম-হৰি স্মৰণ কৰি মহাপ্রভুৰ সাক্ষাৎ লভি সেই দিনাৰপৰা এই মহাপীঠতেই মহাপ্রভু ভৃঙ্গেশ্বৰ শিৰক পূজা-অর্চনা কৰিবলৈ ল'লে। মহাপ্রভু ভৃঙ্গেশ্বৰৰ অতীতৰ কোনো ইতিহাসৰ তথ্য জনা নেযায় যদিও আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাতে মহাপ্রভুৰ পূজা সেৱাৰ শুভ আৰম্ভণি হয় বুলি ক'ব পাৰি। স্বর্গদেউ শিৱসিংহৰ পত্নী ফুলেশ্বৰী দেৱীয়ে ১৫৫০ শকত দিহিঙীয়া ফুকনৰ জৰিয়তে দুখন তাম্র ফলি মহাপ্রভু ভৃঙ্গেশ্বৰৰ নামত প্রদান কৰিছিল। এই ফলিকেইখনৰ জৰিয়তে মহাপ্রভু— মাধৱ, কেদাৰ, সিদ্ধেশ্বৰ আৰু ধাৰেশ্বৰ আদি দেৱালয়সমূহৰো পৃষ্ঠপোষকতা কৰাৰো ইংগিত পোৱা

যায়। এইগৰাকী মহানুভৰ স্বৰ্গদেৱে (শিৱ সিংহ) দিয়া তাম্ৰ ফলিৰ যোগে বড়দেউৰী, দলৈ, আঠপৰীয়া, খৰিভাৰী, গায়ন-বায়ন, দুলীয়া, আদিৰ জৰিয়তে দেৱালয়ৰ দৈনন্দিন পূজা-সেৱা আৰু বছৰেকীয়া উৎসৱ-পাৰ্বণৰ লাগতিয়াল সকলো সামগ্ৰী—চাউল, দালি, তেল, নিমখ, খৰি-খেৰ, তামোল-পাণ, ঘি ইত্যাদি যোগান ধৰিছিল। তদুপৰি অশোকাষ্টমী, দৌল যাত্ৰা ফাকুৱা উৎসৱত ভক্তপ্ৰাণ ৰাইজসহ, দুলীয়া ছত্ৰধাৰী, ঢুলীয়া আৰু অন্যান্য দেৱালয়ৰ বিষয়ববীয়াৰ সৈতে ঘৰে ঘৰে পদূলিত আশিস-নিৰ্মালি প্ৰদান কৰি ধন্য কৰিছিল। মহাপ্ৰভু ভৃঙ্গেশ্বৰ দেৱালয়ৰ ফাকুৱা উৎসৱ বিশেষকৈ অভয়পুৰীয়া ৰাইজে প্ৰত্যেক বছৰে উলহ-মালহ তথা মহাপয়োভৰেৰে পালন কৰি আহিছে। উৎসৱৰ পিছদিনা গোটেই গাঁওখন প্ৰদক্ষিণ কৰি গধূলি মহাপ্ৰভুক শ্ৰদ্ধাসহকাৰে বিগ্ৰহত স্থাপন কৰি, ভোগ-প্ৰসাদ লৈ ঘৰমুৱা হয়। সেইদৰে শুৱালকুছিৰ ব্ৰহ্মপুত্ৰৰ বালিচৰত অশোকাষ্টমীত স্নান কৰি সদলবলে মাধৱ, কেদাৰ, ধাৰেশ্বৰ, সিদ্ধেশ্বৰ দেৱালয়ৰ সৈতে মহাপ্ৰভু ভৃঙ্গেশ্বৰ একেলগে উপস্থিত হৈ ভক্তসকলক দৰ্শন দিয়ে আৰু ব্ৰহ্মপুত্ৰৰ শান্তিৰ গংগা জলত স্নান কৰি ঘৰমুৱা হয়। শিৱৰাত্ৰি পূজা উৎসৱত জীয়ৰী, বোৱাৰী তথা ভক্তপ্ৰাণ লোকসকলো উপৱাসে থাকি প্ৰভু শিৱৰ মূৱত বেলপাত আৰু গাখীৰ প্ৰদান কৰি সকলোৰে আশিস মংগল কামনা কৰে। আনহাতে ডেকা-বৃদ্ধ ভক্তসকলে ভাং, ঘুটীয়া প্ৰভুৰ প্ৰসাদ হিচাপে গণ্য কৰি নিশা ভোগ-প্ৰসাদ খাই তৃপ্তি লভে।

মহাপ্ৰভু ভৃঙ্গেশ্বৰ শিৱৰ চাৰিওফালে পঞ্চানন মূৰ্তি, শিৱৰ জঁটাত গংগাৰ মূৰ্তি, কুবেৰৰ মূৰ্তি, শিৱৰ বৃষভ মূৰ্তিৰ উপৰিও শিৱৰ মূল বেদীৰ আকৃতিটো কাছৰ পিঠিৰ দৰে দেখা যায়। বেদীৰ বাহিৰৰপৰা দেখা পোৱা শিলাখণ্ডৰ মাজেৰে শীতল পানী নিগৰি আহি প্ৰভু শিৱৰ স্নান কৰা দৃশ্যটো এটা বিস্ময়কৰ দৃশ্য। ইয়াৰ বাহিৰেও কিছুমান ভক্তই উদ্ধাৰ কৰা প্ৰতিমূৰ্তি আৰু অন্যান্য বিগ্ৰহৰ মূৰ্তি মূল পীঠলৈ যোৱা খট্‌খটিত সজাই পৰ্যটক তথা ভক্তৰ দৃষ্টি আকৰ্ষণীয় কৰিছে। মূল বেদীৰ (বিগ্ৰহৰ) প্ৰভু শিৱৰ পীঠখন জেঠ-আহাৰ মাহৰপৰা প্ৰায় ৪-৫ মাহ পানীৰ তলত থাকে। অম্বুবাচীৰ প্ৰবৃত্তিৰপৰা ৪ দিন বন্ধ ৰাখি পঞ্চম দিনাখনহে যাত্ৰীৰ বাবে দ্বাৰ মুকলি কৰে। মহাপ্ৰভু ভৃঙ্গেশ্বৰৰ ভোগ-প্ৰসাদ ঁসিদ্ধেশ্বৰ আৰু ঁধাৰেশ্বৰৰ তুলনাত বেলেগ বেলেগ। মহাপ্ৰভুৰ ভোগ-প্ৰসাদ আমিষ আৰু নিৰামিষ দুয়োটাই চলে।

তাম্ৰফলি যোগে স্বৰ্গদেউ শিৱ সিংহই ঈশ্বৰ শ্ৰীশ্ৰী ভৃঙ্গেশ্বৰ দেৱালয়ৰ নামত লাখেৰাজ ৫০০ বিঘা আৰু নিস্পি খেৰাজ ১৭২৭ বিঘা, মুঠ ২২২৭ বিঘা ভূমি দান কৰিছিল। এই ভূমিসমূহ পূব বংশৰ আৰু পশ্চিম বংশৰ মৌজাৰ ৰায়তসকলে ভোগ দখল কৰা ভূমিৰপৰা দলৈসকলে ৰাজহ আদায় কৰি দেৱালয় পৰিচালনা কৰিছিল। ইয়াৰ উপৰিও নলবাৰীৰ মদাৰটোলা আৰু বাহজানীতো দেৱালয়ৰ মাটি ভোগ দখলত থকা বুলি জনা যায়। অসম চৰকাৰে Religious Act ধৰ্মীয় আইন প্ৰৱৰ্তন কৰি ১৯৫৯ চনত দেৱালয়ৰ চৌহদত, দেৱালয় সংৰক্ষণৰ নামত প্ৰায় ১১ বিঘা জৰি মন্দিৰৰ চৌপাশে মন্দিৰৰ নামত আৱণ্টন দি বাকী থকা ভূমি প্ৰায় ২২১৬ বিঘা জমী চৰকাৰে অধিগ্ৰহণ কৰে আৰু যৎসামান্য ধন (বছৰত) অনুদান দেৱালয় পৰিচালনাৰ খৰচৰ বাবে দিয়ে। অতীতৰ কিছু বছৰ পূৰ্বে গুৱাকুছীৰ বড়দেউৰীসকলে (ঁকণ শৰ্মা, ঁকমলা কান্ত শৰ্মা, ঁতৰুণ শৰ্মা, ঁযামিনী শৰ্মা, ঁগিৰীশ শৰ্মা) মহাপ্ৰভু ভৃঙ্গেশ্বৰৰ পূজা-সেৱা পৰিচালনা কৰিছিল। চৰকাৰে দেৱালয়ৰ ভূ-সম্পত্তি অধিগ্ৰহণ কৰাৰ পিছত দলৈৰ ভাৰ বংশৰ অন্যতম বড়দেউৰী ঁকাশীনাথ শৰ্মা পিছত শ্ৰীনৰেন্দ্ৰ নাথ শৰ্মা (দলৈ) নেতৃত্বত দেৱালয় সুচাৰুৰূপে চলি আছে।

এই ঐতিহ্যমণ্ডিত মহাপ্ৰভু ভৃঙ্গেশ্বৰৰ উন্নয়নৰ গতিশীলতা আৰু প্ৰাকৃতিক সৌন্দৰ্যৰ প্ৰতি শ্ৰদ্ধা আৰু সেৱা দিনক দিনে বৃদ্ধি পোৱাত এই দেৱালয়খন এখন মহান তথা পৰ্যটন স্থলীলৈ পৰ্যৱসিত হৈছে। আশাকৰো এই মহামিলনৰ কেন্দ্ৰ দেৱালয়খনে ভক্তসকলৰ সকলো আশা-আকাংক্ষা পূৰণ কৰি ঐতিহ্যৰ সাক্ষী হৈ বিশ্বৰ দৰবাৰত চিৰযুগমীয়া হৈ জিলিকি থাকিব।■

# শুৱালকুছিৰ আৰ্থ সামাজিক দৃশ্যপট

**কুঞ্জমোহন ডেকা**

শৈৱ-শাক্ত-গাণপত্য-বৈষ্ণৱসকলৰ সমন্বয়ৰ তীৰ্থভূমি শুৱালকুছি। বিশাল ব্ৰহ্মপুত্ৰ নদৰ উত্তৰ পাৰত অৱস্থিত শুৱালকুছিত অনাদি কালৰে পৰা ব্ৰাহ্মণ, কৈৱৰ্ত, কেওট, কোচ, ৰাজবংশী, সোণাৰী, মালি, তাঁতী, কুমাৰ, কমাৰ, ধোবী, সাউদ, কলিতা, বাঢ়ৈ আদি ভিন্ন ভিন্ন গোষ্ঠীৰ লোকসকলে সদ্ভাৱ-সম্প্ৰীতিৰে বসবাস কৰি আছে। লক্ষণীয় কথা হ'ল — গাঁওখনৰ সমস্ত বাসিন্দা হিন্দু; সামাজিক দৃশ্যপটত এইটো নিঃসন্দেহে একক। শুনা যায়, প্ৰাচীন শুৱালকুছি সংযোজিত হৈ আছিল ঐতিহাসিক নীলাচল পাহাৰৰ সৈতে। গাঁওখনৰ পূবপ্ৰান্তত ৰজা আৰিমত্তই সংস্থাপন কৰা ব্ৰাহ্মণ সম্প্ৰদায়ৰ পূৰ্বপুৰুষে প্ৰাচীন কালত পদব্ৰজে কামাখ্যা মন্দিৰলৈ গৈ নৈমিত্তক পূজা-অৰ্চনা কৰিছিল আৰু দৈনন্দিন কৰ্মান্তত যোৱা বাটেৰেই তেওঁলোক পুনৰ ওভটি আহিছিল স্ব-গৃহলৈ। এই সম্প্ৰদায়ৰ বংশধৰসকলৰ এচামে অদ্যপি প্ৰাচীন বৃত্তিৰ লগত সংপৃক্ত হৈ থকাৰ উপৰি আন এচামে জীৱন-ধাৰণৰ তাগিদাত অন্যান্য বৃত্তিত জড়িত হৈ আছে। কৈৱৰ্তপাৰা অঞ্চলৰ বাসিন্দাসকলৰ জীৱন-গাঁথা প্ৰধানকৈ কাযেদি প্ৰৱাহিত ব্ৰহ্মপুত্ৰৰ সৈতে আদিতে জড়িত আছিল। ব্ৰহ্মপুত্ৰৰ বুকুত বিভিন্ন অৱলম্বনত মাছ মৰা কৌশলত তেওঁলোক আছিল পাৰদৰ্শী। মাছ ধৰা শিল্পৰ বাবে অপৰিহাৰ্য জাল গুঠা, নাও বনোৱা, বৰশী বোৱা আদি কৰ্মত বাধ্যতামূলকভাৱে ব্যস্ত থাকি জীৱন ধাৰণৰ দিশ আহৰণ কৰিছিল। সময়ৰ চাকনৈয়াত ব্ৰহ্মপুত্ৰৰ জলধাৰাত মাছ-পুঠীৰ অভাৱ স্ৰোত পৰিৱৰ্তনে তেওঁলোকৰ জীৱনশৈলীলৈ ৰূপান্তৰ আনে আৰু সাম্প্ৰতিক সময়ত মাছ ধৰা বৃত্তিত লিপ্ত থাকি জীৱন ধাৰণৰ সুচল পথ উন্মুক্ত কৰাৰ পথত ব্যতিব্যস্ত হোৱাৰ পৰিপ্ৰেক্ষিতত অন্যান্য বৃত্তি যথাঃ চাকৰি, তাঁতশাল, বিপণি আদিত মনোনিৱেশ কৰা পৰিলক্ষিত হৈছে।

ছয় দশক পূৰ্বে শুৱালকুছিৰ মাটিপৰ্বত এলেকাত বসতি স্থাপন কৰা বাসিন্দাসকলৰ সৰহসংখ্যক সৰিয়হ তেলৰ ঘাণিৰ ব্যৱসায়ত সংলগ্ন আছিল। কাযেৰে প্ৰবাহিত লুইতৰ জলধাৰাত নাও ব্যৱহাৰ কৰি তেওঁলোকে ঘাইকৈ মাজুলীৰ পৰা প্ৰয়োজনীয় কেঁচামাল আমদানি কৰি এই ব্যৱসায় সুচাৰুৰূপে চালু কৰি ৰাখি জীৱন ধাৰণৰ পথ মোকলাইছিল। সময়ৰ বিৱৰ্তনত কেঁচামালৰ নাটনি, কষ্টকৰ আমদানি, উৎপাদন ব্যয় বৃদ্ধি, দামৰ তাৰতম্যতা ইত্যাদি কাৰকৰ ফলশ্ৰুতিত তেওঁলোক হৈ পৰিল বিব্ৰত আৰু ক্ৰমে ক্ৰমে তেওঁলোক এই বৃত্তিৰ পৰা আঁতৰি অন্যান্য কৰ্মসূচীত হৈ পৰিল প্ৰবৃত্ত।

শুৱালকুছিত কুমাৰ পাৰা দুখন। এখন 'আদাবৈ কুমাৰ পাৰা' আৰু আনখন 'বামুণপাৰা আদাবৈ'। দুয়োখন কুমাৰপাৰাত থকা লোকসকলে পূৰ্বতে নানা তৰহৰ মাটিৰ সা-সামগ্ৰী সাজি জীৱিকাৰ সন্ধান কৰিছিল। বিভিন্ন উপলক্ষত গাঁওবাসী আৰু পাৰ্শ্ববৰ্তী অঞ্চলক প্ৰয়োজন হোৱা মাটিৰ সাজ-বাচন তেওঁলোকে যোগান ধৰিছিল আৰু এনেদৰে অৰ্থোপাৰ্জন কৰি সুচলভাৱে জীৱন নিৰ্বাহ কৰিছিল। মৃৎশিল্পৰ লগত সাঙো�ৰ খাই থকা লোকসকলে শিলপাত, গাইন, দানশিল, পিটনিমাৰি, হাতশিল, বিন্ধামাৰি আদি সঁজুলি প্ৰয়োগ কৰি সজোৱা চৰু, চিলিম, দৰা-কইনা, ঘোঁৰা-হাতী, ঘৰিয়াল, জাপা, ধূপদানি, চাকি, বেৰিয়া ঘট, পাণবটা, কলহ, বিভিন্ন কুণ্ডতকটা দেৱ-দেৱীৰ মূৰ্তি আদি শুৱালকুছি আৰু উপকণ্ঠ অঞ্চলত সময় বিশেষে অনুষ্ঠিত হৈ অহা মেলা, সবাহ বিশেষকৈ শুৱালকুছিৰ অশোকাষ্টমী মেলা, ৰামদিয়াৰ ভঠেলী, বামুন্দিৰ সভা আদিত বিক্ৰী কৰি আশাব্যঞ্জক অৰ্থোপার্জন কৰিছিল। চৰম সত্যটো হ'ল — তদানীন্তন সময়ত মৃৎশিল্পৰ চাহিদা আছিল ব্যাপক; পৰিণতিত এখন সুস্থ বজাৰ থকাত সংশ্লিষ্টসকল আৰ্থিকভাৱে লাভান্বিত হৈছিল। কিন্তু ক্ৰমাগতভাৱে বজাৰত হৰেক ৰকমৰ এলুমিনিয়াম, ষ্টিল, টিন আদি বাচন-বৰ্তনৰ প্ৰচলন হ'বলৈ ধৰাত আৰু আৱশ্যকীয় হীৰামাটিৰ দুষ্প্ৰাপ্যতাৰ পৰিণতিত মৃৎশিল্পৰ অপমৃত্যু অনিবাৰ্য হৈ পৰিল আৰু এনে সন্ধিক্ষণত স্থানীয় মৃৎশিল্পীসকলে মৃৎশিল্পৰ জৰিয়তে যুগোপযোগী সা-সামগ্ৰী প্ৰস্তুত কৰি জীৱিকা নিৰ্বাহৰ পথ সুচাৰুৰূপে চলোৱাত অসমৰ্থ হৈ নিমজ্জিত হৈ পৰিল অন্যান্য বৃত্তিত।

শুৱালকুছি স্বৰ্ণ শিল্পই এসময়ত সমীপৱৰ্তী বংশৰ, বাথান, বামুন্দি, চেঁচামুখ, কুলহাটী, ৰামদিয়া, সোঁৱানচাহ, ক্ষেত্ৰী, হাৰদিয়া, শ্ৰীহাটী, বামুন্দি প্ৰভৃতি ঠাইৰ লোকসকলক খুবকৈ আকৰ্ষণ কৰিছিল। এনে বাতাবৰণে স্বৰ্ণ শিল্পৰ সৈতে জড়িত লোকসকলক বাৰুকৈয়ে আৰ্থিক সকাহ দিছিল। মুখ্যতঃ সোণাৰীপাৰা অঞ্চলত এই শিল্পই নৱ উদ্যম আৰু আশাৰ সঞ্চাৰ কৰিছিল। স্বৰ্ণশিল্পীসকলৰ হাতৰ নিপুণতা আৰু কাৰুকাৰ্য আছিল অনুপম, চমকৃত। কিন্তু নিৰ্মম সময়ৰ আঁচোৰত বজাৰত নিত্য নতুন আ-অলঙ্কাৰৰ প্ৰাচুৰ্যতাৰ ফলত তেওঁলোকৰ ব্যৱসায়ৰ মুদা মৰিল আৰু স্থানীয় স্বৰ্ণকাৰসকলে সাতামপুৰুষীয়া স্বৰ্ণশিল্পৰ পিনে পিছ দি জীৱনধাৰণৰ বাবে অন্যান্য বৃত্তিত মনোযোগ দিবলৈ ধৰিলে।

শুৱালকুছিৰ ঐতিহ্যমণ্ডিত হস্তচালিত তাঁতশিল্পই প্ৰধানকৈ গাঁওখনৰ পশ্চিমাঞ্চলত পূৰ্বতে ব্যৱসায়িক ভিত্তিত প্ৰসাৰতা লাভ কৰিছিল। উল্লেখ্য যে শুৱালকুছিৰ পূব অঞ্চলৰ বুজন সংখ্যক শিপিনীয়ে



সোণালী জয়ন্তী মহোৎসব, শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়, (১৯৬৩-২০১৩)

পশ্চিমাঞ্চলৰ তাঁত শিল্পৰ আনুসঙ্গিক বিভিন্ন কর্মত মজুৰি ভিত্তিত নিয়োজিত হৈ তাঁতশিল্পৰ আনুসঙ্গিক বিভিন্ন কর্মত মজুৰি ভিত্তিত নিয়োজিত হৈ তাঁতশিল্পৰ উন্নয়নত ইন্ধন যোগাইছিল। প্রসঙ্গতঃ উল্লেখ্য যে পশ্চিমাঞ্চলটো সেই সময়ত পূব অঞ্চলৰ তাঁত শ্রমিকসকলৰ বাবে 'তাতীপাৰা' হিচাপে বিদিত আছিল। তদানীন্তন 'তাতীপাৰা'ই তেওঁলোকৰ বুজন সংখ্যক তাঁতশিল্পীক দিছিল আর্থিক বুনিয়াদ গঢ়াৰ সুযোগ। কিন্তু আর্থিক সৱলীকৰণৰ সংজ্ঞা, উৎপাদনশীলতা আৰু প্রতিযোগিতাৰ প্রতি অৱজ্ঞাসূচক মনোবৃত্তি ইত্যাদিয়ে তেওঁলোকক ক্রমান্বয়ে তথাকথিত 'তাতীপাৰা'ৰ হস্তচালিত তাঁতশিল্পৰ পৰা আঁতৰাই নিছিল আৰু এনে পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ বহিৰাগত তাঁত শ্রমিকৰ আমদানি হৈ পৰিল অপৰিহার্য। এইটো নিশ্চয় অত্যুক্তি নহ'ব যে বহিৰাগত শ্রমিকৰ আগমনত গাঁৱৰ স্বকীয় পৰিচয়, সংস্কৃতি, সত্ত্বা কিছু পৰিমাণে হ'লেও হৈ পৰিল আক্রান্ত। আমাৰ ঐতিহ্য হৈ পৰিল নগ্ন, বিষাদৰ কীটে কূটি কূটি নিঃশেষ কৰিবলৈ উপক্রম কৰিলে আমাৰ জীৱনৰ সাহস। সেইবোৰ অনেক কথা; প্রতিগৰাকী গাঁওবাসীৰ দেহৰ ৰন্ধ্রে ৰন্ধ্রে সিঁচৰতি হৈ আছে সেই মর্মবেদনা।

সেইবোৰ বাস্তৱ সত্যৰ পিনে বহুলভাৱে দৃষ্টি নিক্ষেপ নকৰিও এইটো দৃঢ়তাৰে ব্যক্ত কৰিব পৰা যায় যে এক অনাবিল বাণিজ্যমুখী চিন্তা-চেতনাই অতীজৰ পৰাই গাঁওখনৰ লোকসকলৰ মন গহ্বৰত ক্রিয়া কৰি থকাটো অৱশ্যেই উল্লেখনীয়। গাঁওবাসীৰ এই উদ্দেশ্যধর্মী দৃষ্টিভংগীত বাৰুকৈয়ে সাৰ-পানী যোগাইছিল গাঁওখনৰ দক্ষিণ দিশেৰে প্রবাহিত মহাবাহু ব্রহ্মপুত্রৰ বিস্তৃত জলধাৰাই। দৰাচলতে গাঁওবাসীক সুবিশাল ব্রহ্মপুত্রই প্রদান কৰিছে অন্য এক মহাজীৱন। বুঢ়া লুইতৰ বুকুত মাছ ধৰি, বাৰিষা খৰি বুটলি, লুইতৰ পাৰত উমলি-জামলি, সাঁতুৰি-নাদুৰি, নির্মল বায়ু সেৱন কৰি, অমিলন প্রাকৃতিক পৰিৱেশত গাঁওবাসী হৈছে সুস্থ আৰু নিপোটল জীৱন অধিকাৰী। জীৱনৰ অন্তিম কালতো জীৱ-দেহৰ কৃত-কর্ম সমাপন হয় লুইতৰ চাপৰিতে। গাঁৱল গুৰু সংখ্যক পৰিয়ালৰ আর্থিক স্বাৱলম্বনৰ সুঁতি নির্মাণ কৰিছিল প্রাচুর্যময় লুইতে। প্রকৃতিৰ নিয়মমাফিক বর্ষাকালীন অপৰিসীম সুযোগ গ্রহণ কৰি লুইতৰ বুকুৰ ফেনে-ফোটোকাৰে বোৱতী জলধাৰাৰে উটি অহা লোটা খৰি, মৰাখৰি, নল-খাগৰি আদি চলমান নাওৰ সহায়ত সংগ্রহ কৰি কেইবাবছৰো অনায়াসে ব্যৱহাৰ কৰি আর্থিক দিশত সঁচাকৈয়ে হৈছিল লাভান্বিত। লুইতৰ বুকুত নাও মেলি দি বাৰিষা কিছু শাম কটাৰ সুযোগত জাল তৰি গাঁৱৰ বহুলোকে মাছ মাৰিবলৈ গৈ আবেলি পৰত সূর্যাস্তৰ আগে আগে ইলিছ মাছ জোঁট বান্ধি ঘৰলৈ আনি পৰম তৃপ্তিৰে ভগাই খোৱাৰ সেই সোণালী দিনবোৰ আছিল অতিশয় প্রেৰণাময়ী আৰু পাৰস্পৰিক সমন্বয়ৰ যাউতিযুগীয়া উদ্‌গণি। আজিৰ বজাৰত আমদানিকৃত (চালানী) ইলিছ মাছ (স্থানীয় বিধৰ সংকট লক্ষণীয়) কিলোগ্রামত ৫০০-৯০০ টকাকৈ বিক্রী হৈ থকাৰ সময়ত তাহানি দিনৰ স্থানীয় ইলিছ মাছৰ সুলভ প্রাপ্তিৰ দৃশ্যাৱলীয়ে হিয়াত খুন্দা মাৰে আজি বেজাৰৰ ক'লা ডাৱৰে। স্মর্তব্য যে অতীতত গাঁৱৰ যথেষ্ট সংখ্যক লোকে লুইতৰ বুকুৰেদি নৌকা চলাই, লুইতৰ সোঁতৰ বিপৰীতে ব'ঠা মাৰি উজনি অসমৰ বিভিন্ন ঠাইৰ পৰা আৱশ্যকীয় পৰিমাণৰ ধান-মাহ-সৰিয়হ আদি ক্রয় কৰি আনি নদী কাষৰীয়া ঠাইসমূহত সুযোগমতে বিক্রী কৰি অর্থ উপার্জন কৰিছিল। অন্যহাতে, গাঁওবাসীৰ বাবে প্রয়োজন হোৱা নিত্য-ব্যৱহার্য বিবিধ সামগ্রী নাওৰ মাধ্যমেৰে কঢ়িয়াই আনি গাঁৱৰ বজাৰত বিক্রী কৰি এচাম গাঁওবাসী আর্থিকভাৱে লাভান্বিত হৈছিল। স্পষ্টতঃ নৌকা বাণিজ্য আছিল দূৰ অতীতত গাঁওবাসীৰ বাবে অর্থ উপার্জনৰ অন্যতম অৱলম্বন।

এইখিনিতে উল্লেখ কৰাটো নিশ্চয়কৈ সমীচীন হ'ব যে লুইতৰ পৰিপূর্ণ জলধাৰাৰে নাওৰ সহায়ত গাঁৱৰ বণিক শ্রেণীটোৱে লক্ষীমপুৰ, শিৱসাগৰ, জোনাই, আমগুৰি, ঢকুৱাখানা, মাজুলী আদি বিভিন্ন ঠাইলৈ গৈ সেইবোৰ ঠাই ঘূৰি চলাথ কৰিছিল মুগা লেটা ক্রয় কৰাৰ বাবে। সেই ঠাইসমূহত বণিকসকলে প্রায় ৫-৬ মাহ অৱস্থান কৰিছিল আৰু উক্ত সময়ছোৱাতে মুগা লেটাৰ স্থানীয় বজাৰখনৰ ৰেহ-ৰূপ বুলি লৈ সুযোগ অনুসৰি হেজাৰ হেজাৰ মুগা লেটা মুগা উৎপাদন ক্ষেত্রসমূহৰ পৰা সুলভ দামত ক্রয় কৰি শুৱালকুছিলৈ আনে আৰু গাঁৱৰ ৰাইজৰ মাজত প্রয়োজন অনুসৰি এটা নির্ধাৰিত দামত বিক্রী কৰি এই কষ্টসহিষ্ণু বণিক শ্রেণীটোৱে অর্থোপার্জনৰ বাট বহলাইছিল। আচলতে ক'বলৈ গ'লে গাঁওখনৰ আর্থিক দিশটো ঢাপে ঢাপে উন্নত কৰাৰ অবিৰত সংগ্রামত এইসকল বণিকৰ ভূমিকা আছিল প্রশংসনীয় আৰু গাঁৱৰ আর্থিক দিশটোৰ ভেঁটি নির্মাণত প্রাৰম্ভিক পদক্ষেপ হিচাপে তেওঁলোকে অসীম কষ্টৰে আগবঢ়োৱা মহান প্রচেষ্টা আছিল স্বৰ্ণপার্থতে উৎসাহজনক। নৱ প্রজন্মই উক্ত বণিক শ্রেণীৰ জীৱনৰ সংঘাত, সততা, উদ্যম আৰু সাহসিকতা 'সাধু কথা' বুলি ভাবিব পাৰে। কিন্তু গাঁৱৰ স্বার্থৰ হকে তেওঁলোকৰ যি প্রেৰণা, সেয়া বাস্তৱিকতে আছিল কল্যাণকৰ।

এই সন্দর্ভত উল্লেখ কৰিব খুজিছোঁ, উক্ত বণিকচামৰ নির্মলতা আৰু মধুৰ আচৰণত মোহিত হৈ সেই সময়ত মিৰি-মিচিং আদি জনগোষ্ঠীৰ লগত গাঁৱৰ সামাজিক মিলাপ্রীতিৰ বাতাবৰণ গঢ়ি উঠিছিল আৰু ভাৱৰ আদান-প্রদানৰ বিনিময়ত গাঁৱৰ সমাজ ব্যৱস্থাৰ বলিষ্ঠ চিত্র এখন মিৰী-মিচিং সমাজত উজ্বলিত হৈছিল। মোৰ বাল্যকালৰ স্মৃতি এটা প্রসঙ্গক্রমে ৰোমন্থন কৰিবলৈ প্রয়াস কৰিছোঁ। মোৰ শ্রদ্ধেয় মহা প্রয়াত কৃষ্ণৰাম দাস (পূর্বতে মাজটোলত বসতি স্থাপন কৰিছিল; এতিয়া তেওঁৰ পৰিয়ালটো ন-পাৰা বাছষ্টেণ্ডৰ সমীপৰ আদাবৈৰ স্থায়ী নিবাসী) মুগা লেটা ক্রয় কৰিবলৈ প্রতিবছৰে সময়মতে লক্ষীপুৰলৈ গৈছিল। তাৰ মুগা লেটা উৎপাদন পামসমূহত তেওঁ মুগা লেটাৰ বজাৰ দাম, উৎপাদনৰ বিশিষ্টতা, পৰিমাণ আদি বিষয়ক সম্যক জ্ঞান আহৰণ কৰি, মুগালেটা যুক্তিসংগত দামত ক্রয়ৰ পিছত সেইবোৰ উপযুক্ত স্থান বিশেষত মজুত কৰিছিল আৰু তেনেদৰে উজনিত ছমাহ বা কোনো বছৰত তাতকৈও অধিকা মাহ অতিবাহিত কৰিবলগা হৈছিল। সেই সময়ছোৱাতে মহাৰ মিৰি-মিচিং আদি জনগোষ্ঠীৰ অনেক ব্যক্তিৰ সৈতে মাত-কথা, খোৱা-বোৱা, থকা-মিলাৰ সু-সম্পর্ক গঢ়ি উঠিছিল। এনেদৰে শুৱালকুছিৰ সামাজিক চিত্রৰ এটা সুন্দৰ ৰূপ তদানীন্তন সময়ৰ উজনিৰ সমাজখনে আয়ত্বাধীন কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ ফলস্বৰূপে গাঁওখন মধুৰ ৰূপৰেখাই তেওঁলোকক কৰিছিল দুর্বাৰ আকর্ষণ। মহাই আৱশ্যকীয় পৰিমাণৰ উৎকৃষ্ট মুগা লেটা ক্রয় কৰি গাঁৱলৈ প্রত্যাৱর্তন কৰাৰ সময়ত মিৰি পৰিয়ালৰ বহুলোক গাঁও দর্শন

কৰিবলৈ আহিছিল আৰু কেইবাদিনো মহাৰ আতিথ্যত তেওঁলোকে গাঁৱৰ ইফাল-সিফাল ফুৰি-চাকি বিমল অভিজ্ঞতা সঞ্চয় কৰাৰ উপৰি সামাজিক সমন্বয়ৰ সেঁতু নির্মাণত বাৰুকৈয়ে ইন্ধন যোগাইছিল। এনেধৰণৰ নানা স্মৃতিৰ সঁফুৰা মোৰ মানসপটত আজিও হৈ আছে জীপাল।

শুৱালকুছিত কৃষিভূমি বিচৰাটো পর্বততে কাছ কণী বিচৰা সদৃশ। কৃষিভূমি পর্যাপ্ত পৰিমাণৰ নহয় বাবে ইয়াত কৃষকৰ সংখ্যা আঙুৰিৰ মূৰত লেখিব পৰা বিধৰ। পূর্বতে চাকৰিৰ প্রতিও আছিল যুৱক-যুৱতীৰ অনীহা। চাকৰিৰ আলমত পেট প্ৰৱর্তোৱা লক্ষ্যৰ বিপৰীতে স্ব-নিয়োজনৰ প্রতি আছিল তেওঁলোকৰ দুৰন্ত হেঁপাহ। কিন্তু সময় সলনি হ'ল; স্ব-নিয়োজনৰ ক্ষেত্র সম্প্রতি সংকুচিত হোৱাৰ পৰিণামত তেওঁলোকৰ দৃষ্টিভংগীৰো ক্রমান্বয়ে হ'বলৈ ধৰিলে পৰিৱর্তন। গাঁওখনত সম্প্রতি অর্ধশিক্ষিত, শিক্ষিত আৰু উচ্চ শিক্ষিতৰ সংখ্যা তুলনামূলকভাৱে যথেষ্ট বৃদ্ধি হ'ল। কিন্তু যথোপযুক্ত নিয়োগৰ ক্ষেত্র উন্মোচিত নোহোৱাৰ পৰিপ্রেক্ষিতত এই শিক্ষিত চামৰ একাংশক সামান্য দৰমহাৰ বিনিময়ত বন্দিত্বৰ শিকলি পিন্ধিবলৈ উদ্দেশ্য প্রণোদিতভাৱে কৰা হৈছে বাধ্য। অসন্তুষ্টিৰ মাত্রা ক্রমশঃ হৈ আছে বৃদ্ধি। আর্থিক ভাৰসাম্যহীনতাৰ থকা-খুন্দাত সমাজব্যৱস্থা গতি কৰিব ধৰিছে অমানিশালৈ। গাঁওখনৰ প্রকৃত ভূমিহীনসকলৰ মাজত চৰকাৰী ভূমিৰ সঠিক আবণ্টনৰ সুযোগ নথকাৰ অব্যৱহিতত কিছুমান বাহিৰৰ শক্তিয়ে টিলা, পাহাৰৰ ভূমি বেদখল কৰি গাঁওবাসীৰ প্রতি ভাবুকিৰ সৃষ্টি কৰাটো সামাজিক সমস্যা ৰূপে চিহ্নিত হৈছে। অন্যহাতে, পূর্বতে গাঁৱৰ যিসকল লোকে নৌকা বাণিজ্যৰ দ্বাৰা অর্থোপার্জনৰ পথ ৰচিছিল, তেওঁলোকে সেইসময়ত প্রচুৰ ভূমিৰ গৰাকী হোৱাৰ সুযোগ লাভ কৰিছিল যদিও গাঁৱৰ মোহ ত্যাগ কৰিব নোৱৰাৰ স্বাভাৰিক কাৰণবশতঃ গাঁৱৰ ভৌগোলিক অৱস্থানৰ পৰিসৰ বহু পৰিমাণে সীমিত অৱস্থাতে ৰৈ গ'ল। ইফালে পৰিৱেশ-পৰিস্থিতিৰ ক্রমাগত জটিলতাৰ হেঁচাত নৌকা-বাণিজ্যৰ দৰে ভীষণ কষ্টকৰ জীৱন অতিবাহিত কৰাৰ ক্ষেত্রতো তেওঁলোক নহয় আগ্রহী। এনে দোদুল্যমান পৰিস্থিতিত জীৱন অন্বেষণৰ অন্য পথ উদ্ভাৱনৰ বাবে হৈ পৰিল তেওঁলোক ব্যগ্র।

সাধু বুদৰাম মহন্তৰ সময়ৰে পৰা দাৰিদ্রতাৰ লগত সহৱস্থান কৰা গাঁওবাসীয়ে এইবাৰ একত্রিত হ'ল দাৰিদ্রতাৰ শিপা উঘালিবলৈ। সকলো স্তৰৰ অর্থনীতিৰ সূত্র, উপপাদ্য, সাধাৰণ জ্ঞান কিম্বা যুক্তিবাদৰ সম্যক জ্ঞানৰ অর্থ নুবুজিও অভিজ্ঞতাৰ শিকনিত আৰু উৎসাহৰ তিৰ্বিৰণিত মুষ্টিৰদ্ধ হাতৰ উন্মাদনাত অগ্রসৰ হ'ল নতুন জীৱিকাৰ সন্ধানত; যিয়ে দিব পাৰে স্ব-ভূমিতে ব্যৱসায় কৰাৰ নির্ভৰ যোগ্যতা আৰু ঘূৰাই আনিব পাৰে জীৱনৰ নতুন ছন্দ। যি জীৱিকাই উন্মোচন কৰিব পাৰে জীৱন উপলব্ধিৰ সুৰ আৰু যাৰ পৰশতে প্রস্ফুটিত হ'ব পাৰে মৰমৰ গাঁও শুৱালকুছিৰ শৌর্য-বীর্য, গুণ-গৰিমা আৰু স্বকীয় মহান ঐতিহ্য।

গাঁওখনৰ আর্থিক বিকাশৰ অবিশ্রান্ত পথ পৰিক্রমাৰে অগ্রসৰ হৈ এইবেলি গাঁৱৰ আর্থিক ভেঁটি নির্মাণৰ বাবে ব্যস্ত হৈ পৰিল হস্তচালিত তাঁতশালৰ দ্বাৰা উৎপাদিত বস্ত্র সামগ্রীৰ অবিৰত শৰদৰ মাজত। গাঁওবাসীৰ অর্থনীতি নির্ভৰশীল হৈ পৰিল হস্তচালিত তাঁতশালৰ ওপৰত। উল্লেখ্য যে গাঁওখনৰ তাঁতশালত উৎপাদিত চন্দ্রমা সদৃশ পাট বস্ত্র আৰু সোণালী মুগা বস্ত্রৰ খ্যাতি কৌটিকলীয়া। কৌটিল্যৰ অর্থশাস্ত্রৰ কামৰূপৰ স্বর্ণাভ বস্ত্রৰ উল্লেখ পোৱা যায়। কামৰূপাধিপতি কুমাৰ ভাস্কৰ বর্মাই হর্ষবর্দ্ধনলৈ কামৰূপৰ বিখ্যাত স্বর্ণাভ বস্ত্র উপঢৌকন হিচাপে প্রদান কৰিছিল বুলি সমলবিদসকলে কয়। স্বর্গদেউ প্রতাপ সিংহৰ ৰাজত্বকালত মোমাই তামুলী বৰবৰুৱাই অবিবেচক সিদ্ধান্তৰে শুৱালকুছিৰ পৰা কেইবাগৰাকীও দক্ষ তাঁতীক স্থানান্তৰ কৰাৰ অপৰাধত স্বর্গদেউ মোমাই তামুলীক দৃষ্টান্তমূলক শাস্তি বিহি তাঁত শিল্পটোৰ মর্যাদা অম্লান ৰখাৰ বিৰল দৃষ্টান্ত ইতিহাসে আজিও আছে আঙুলিয়াই। ১৯৪৬ চনৰ ৯ জানুৱাৰীত গাঁওখনত পদার্পণ কৰি গাঁৱৰ উৎপাদিত বস্ত্র সামগ্রীৰ ভূয়সী প্রশংসা কৰাৰ উপৰি ২০০৬ চনৰ ১৭ অক্টোবৰত প্রাক্তন ৰাষ্ট্রপতি ড° এ.পি.জে আব্দুল কালামে গাঁওখনত এভূমুকি মাৰি উৎপাদিত সামগ্রী লিৰিকি-বিদাৰি চাই অভিভূত হৈছিল আৰু গাঁওখনৰ স্ব-নিয়োজন আৰু স্বাৱলম্বিতাৰ আৰ্হি দেশৰ অন্যান্য প্রান্তৰ বাবেও প্রেৰণাৰ উৎস হ'লেহে ৰাজ্যখনৰ অর্থনৈতিক বিকাশ ত্বৰান্বিত হ'ব বুলি তাৎপর্যপূর্ণ ইঙ্গিত দিছিল।

দেশৰ ঘৰুৱা শিল্পৰ মানচিত্রত শুৱালকুছি অন্তর্ভুক্তি দৰাচলতে গৌৰৱৰ বিষয়। পূর্বৰ লোকপিয়লৰ তথ্যৰ ভিত্তিত এইটো উল্লেখ কৰিব পৰা যায় যে গাঁওখনৰ জনসংখ্যা আনুমানিক ৫৫,০০০ গৰাকী। উক্ত সংখ্যাৰ ভিতৰত স্থানীয় বাসিন্দাৰ সংখ্যা ৩৫ হেজাৰ। আনহাতে, গোৱেশ্বৰ, দুধনে, তামোলপুৰ, মুছলপুৰ, নলবাৰী, বকো, বোর্কা, হয়ৱৰগাঁও আদি বিভিন্ন প্রান্তৰ পৰা আগমন ঘটা শ্রেণী ভিত্তিক শিপিনী-যুগালীৰ সংখ্যা ১০,০০০। আকৌ, বিভিন্ন ঠাইৰ পৰা অহা প্রায় ১০,০০০ লোকে গৃহনির্মাণ, কাঠ শিল্প, স্বর্ণ-ৰৌপ্য শিল্প, ৰিক্সাৰালা, ঠেলাৰালা, টাটা মেজিক পৰিবহন সেৰাৰ দ্রাইভাৰ-কণ্ডাক্টৰ-হেন্দিম্যান আদি নানা ধৰণৰ জীৰিকা বৃত্তিত নিজ স্বভাৱে বিচাৰি লৈছে জীৰিকাৰ সন্ধান। এই সংখ্যাৰ লগত চাকৰি তাগিদাত শুৱালকুছিত থিতাপি লোৱা বিভিন্ন স্তৰৰ কর্মচাৰীসকলো সংযুক্ত হৈ আছে।

পৰিতাপৰ কথা, বিশ্ববন্দিত শুৱালকুছিৰ ঐতিহ্যমণ্ডিত হস্তচালিত তাঁতশিল্প আজি বিধ্বস্ত। বাৰম্বাৰ চৰকাৰ বাহাদুৰৰ ওচৰত শিল্পটোৰ ৰক্ষণাবেক্ষণৰ ক্ষেত্রত সুবিস্তৃত পৰামর্শৱলী উপস্থাপন কৰি অহা সত্বেও অতি নির্লজ মানসিকতাৰে কোনো ধৰণৰ সুদূৰপ্রসাৰী চিন্তা-চর্চা অথবা বাস্তৱসম্মত আঁচনি গ্রহণ নকৰাৰ পৰিণতিত বহুল সমাদৃত শিল্পটোৰ আজি শ্মশান যাত্রা আৰম্ভ হৈছে। অতীতৰ তাঁতশালৰ খট্‌খট্ শব্দ আজি স্তব্ধ। তাঁতশালৰ সংখ্যা তুলনামূলকভাৱে সম্প্রতি দ্রুতগতিত হ'ব ধৰিছে হ্রাস। পাঁচবছৰ পূর্বে এটা পৰিসংখ্যা মতে গাঁওখনত তাঁতশালৰ সংখ্যা আছিল ২২০০০। বর্তমান ইয়াৰ সংখ্যা প্রায় ১০০০০। থলুৱা বাসিন্দাসকল জীৱন-জীৰিকাৰ প্রশ্নত সম্প্রতি অন্তহীন অনিশ্চয়তাত আৰু উদ্বিগ্নতাত। কেঁচামালৰ সংকট, আকাশলঙঘী দাম, শ্রমিকৰ নাটনি ইত্যাদি বিভিন্ন কাৰকৰ খুন্দাখুন্দিত তাঁতশালৰ ঘটিছে ছন্দপতন, মাকো সৰি পৰিছে মাটিত। উল্লেখ্য যে, বিগত বছৰত প্রতি কেজি তছৰ সূতাৰ বজাৰ দাম আছিল ১৫০০ টকা; বর্তমান এই দাম নির্ধাৰিত হৈছে ৪৫০০ টকাত। পাটসূতা পূর্বতে পোৱা গৈছিল প্রতি কেজিত ১৭০০ টকাকৈ। এতিয়া এই দাম ৪০০০ টকা। দেখা যায়,

অসমত সমবায় ভিত্তিত পাটসূতা উৎপাদন কৰাত বিভাগীয় কর্তৃপক্ষ সচেতন নোহোৱাৰ পৰিপ্রেক্ষিতত শুৱালকুছিৰ তাঁতশালত ব্যৱহৃত পাটসূতা মধ্যভোগীৰ জৰিয়তে কর্ণাটক, বাঙ্গালুৰু, চীন আদিৰ পৰা ক্রয় কৰি আনি তাঁতশাল নিয়মীয়াকৈ চলাই ৰখাৰ ক্ষেত্রত সৃষ্টি হৈছে ভীষণ সমস্যা। বিটিচি গঠন, এম.জি. এনৰেগা আঁচনি প্রৱর্তনৰ হেতু প্রয়োজনীয় শিপিনী-যুগালি আদি সহজলভ্য নোহোৱাৰ বাবে তাঁতশাল সুচাৰুৰূপে চলাই জীৱিকা অর্জনৰ পথত অন্তৰায় সৃষ্টি হোৱাত তাঁতশিল্পৰ বুকুলৈ নামি আহিল কৰুণ বাস্তৱ; যাব বাবে গাঁওবাসী মুখামুখি হ'ব লগা হৈছে ভয়ানক অর্থ সংকটৰ। তাৰ মাজতে আকৌ ভূতৰ ওপৰত দানহ পৰাদি গাঁৱৰ এচাম ব্যৱসায়ীয়ে শুৱালকুছি বস্ত্র শিল্পৰ স্বকীয় চানেকিৰে বেনাৰস আৰু উপকণ্ঠ ইছলামপুৰ, মোবাৰকপুৰৰ বস্ত্র কাৰখানাত উৎপাদন কৰা নিম্নমানৰ আৰু কম দামৰ বেনাৰসী বস্ত্র শুৱালকুছিৰ উৎপাদিত বস্ত্র হিচাপে গ্রাহকক প্রৱঞ্চনা কৰি যথেষ্ট মুনাফা লুটি থকাৰ 'ছিণ্ডিকেট' ফাদিল হোৱাৰ পৰৱর্তী সময়ত গাঁওবাসী স্বাভাৱিকতে বিদ্রোহী হৈ উঠা দেখা গ'ল যদিও, উদ্ভৱ হোৱা পৰিস্থিতিৰ সুযোগ গ্রহণ কৰিব নোৱাৰাটো গাঁওবাসীৰ বাবে অতিশয় দুর্ভাগ্যজনক। বলিষ্ঠ পদক্ষেপ, সুচিন্তাত মতাদর্শ, সচেতন অংশক আঁতৰত ৰাখি তথাকথিত স্থানীয় গ্রাম্য নেতা হোৱাৰ প্রৱণতা আদি উপসর্গৰ বাবে এটা যুক্তিসংগত প্রশ্নৰ খাটিৰত স্বতঃস্ফূর্তভাৱে গাঁওখনত হোৱা প্রৱল জাগৰণ উত্তৰবিহীন ভাৱেই হৈ পৰিল স্তিমিত। এনে প্রেক্ষাপটত গাঁওখনৰ সামগ্রিক অর্থনীতিৰ ভেঁটিটোৱেই হৈ পৰিল থৰক-বৰক। আজি তেওঁলোক বাধ্য হ'ব লগাত পৰিল জীৱিকাৰ বাবে অন্য নতুন পথৰ সন্ধান কৰিবলৈ। শিক্ষিত অংশ কেৱল এটা চাকৰি যিকোনো উপায়ে বিচাৰি সংস্থাপিত হোৱাৰ বাবে উদগ্রীৱ; তেনে প্রশ্নতে আজি তেওঁলোক ৰাজনৈতিক পৰিমণ্ডললৈ অনিচ্ছাসত্বেও ধাৱমান; য'ত নিজস্ব অধিকাৰৰে পৰিচালিত হোৱাৰ স্পৃহা ভুলুণ্ঠিত। তেনে এটা আৱহাৱত গাঁওখনৰ সামাজিক সত্ত্বা আজি বন্দী; আর্থিক অৱস্থিতি পৰমুখাপেক্ষী। 'স্বাৱলম্বন' শব্দৰ অপমৃত্যু হ'ল আজি শুৱালকুছিত অতি হৃদয় বিদাৰকভাৱে।

শুৱালকুছিৰ গৌৰৱ-ৰবি আজি অস্তমিত। অতীতৰ বুৰঞ্জী ৰোমন্থন কৰিবলৈ শব্দবোৰ হেৰাই যাব খোজে। তথাপিও কিছু কথা নক'লে আমাৰ চিৰ নমস্যসকলক যেন আওকাণ কৰা হ'ব। তাকেই ভাবি আৰু কিছু কথা শিৰোনামৰ আওতাতে অৱলোকন কৰিবলৈ প্রয়াস কৰিম।

সমবায়ৰ মাধ্যমত আর্থিক দিশত স্বচ্ছলতা অনাৰ ক্ষেত্রত শুৱালকুছিবাসীৰ সুকীয়া দর্শন অতীতৰ পৰাই লক্ষণীয়। এই পৰিক্রমাই গাঁওবাসীৰ জীৱন-প্রণালীক বৈশিষ্ট্য প্রদান কৰাটোও প্রসঙ্গত স্বীকার্য। গাঁওখনত সম্প্রতি চৰকাৰী পঞ্জীকৃত ২১ খন সমবায়-সমিতি আছে। সংগৃহীত তথ্যমতে এই সংখ্যক সমবায়-সমিতিত গাঁওখনৰ ৩১৫০ গৰাকী ব্যক্তি জড়িত হৈ থাকি সমবায়ৰ লভ্যাংশৰে আর্থিক সুচলতা ভোগ কৰি আছে। সমবায় গঠনৰ জৰিয়তে শুৱালকুছিৰ আর্থিক দিশৰ পৰিৱর্তনৰ প্রচেষ্টা ১৯৩৫ চনৰ পৰাই অব্যাহত গতিত চলি আছে। গাঁৱৰ ধনিক শ্রেণীৰ হাঁতো�ৱাৰ পৰা মুক্ত হোৱাৰ মানসেৰে স্পষ্টবাদী প্রয়াত কান্তিৰাম মেধি আৰু দক্ষ প্রশাসক ডাঃ হৰিশচন্দ্র কাকতিৰ পৃষ্ঠপোষকতাত গাঁওত স্থাপিত হৈছিল 'নিখিল ভাৰত শিপিনী সংঘ'ৰ এটা কার্যালয়। স্থানীয় নিবনুৱা শিপিনীসকলৰ কর্ম সংস্থাপনৰ পথ উন্মুক্ত কৰা এই শাখাটোত কর্মৰত শিপিনীসকলে ১৯৩৮ চনৰ পৰা ১৯৪০ চনৰ কালছোৱাত গান্ধীজীৰ সত্যাগ্রহ আন্দোলনত অংশগ্রহণ কৰিবলগা হোৱাত শাখাৰ অৱস্থা ক্রমাগতভাৱে নিশকতীয়া হয় আৰু ইয়াৰ পৰিণতিত সংশ্লিষ্ট বোৱনী-শিপিনীসকল পুনৰ কর্মহীন হৈ পৰে তত্রাচ এইসকল কর্মহীন ব্যক্তি হাত সাৱতি বহি থকা বিধৰ নাছিল। তেওঁলোকে হিয়াত দুৰন্ত অভিলাস লৈ পৰৱর্তী সময়ত গাঁৱৰ পশ্চিম সীমাৰ অতন্দ্র প্রহৰী-সদৃশ বাঘেশ্বৰী পাহাৰত প্রয়াত সত্রাধিকাৰ মাধৱ চন্দ্র প্রভুৰ পৰা ক্রয় কৰা ভূমিত 'শুৱালকুছি গ্রামোদ্যোগী আশ্রম' স্থাপন কৰিছিল আৰু এই আশ্রমৰ জৰিয়তে বিভিন্ন জাতৰ ফল উৎপাদন, মৌ-প্রতিপালন, বস্ত্র উৎপাদন, তেল ঘানিৰ সহায়ত তেল প্রস্তুতকৰণ আদি বিভিন্ন কার্যত জড়িত হৈ থাকি আর্থিক আয়ৰ নিদর্শন দেখুৱাইছিল। পৰৱর্তী সময়ত 'আমাস কোঃ অপঃ চিল্ক হাউচ'-এ গাঁওখনৰ আর্থিক দিশৰ ৰূপান্তৰ অনাত বলিষ্ঠ ভূমিকা পালন কৰা আমি প্রত্যক্ষ কৰি আছোঁ। প্রয়াত কালিৰাম কাৰিকৰ আৰু প্রয়াত কমলা কান্ত দাসৰ যুগ্ম প্রচেষ্টাৰ ফচল হ'ল এই ব্যৱসায়িক প্রতিষ্ঠানখন। ১৯৩৮ চনত স্থাপিত পৰিসীমিত স্তৰৰ এই সমবায়খনে সফলতাৰে গাঁওখন সমবায় আন্দোলনৰ বিস্তৃতিত অন্যতম বাহক হিচাপে থাকি অর্থনৈতিক উত্তৰণৰ বীজ সিঁচিছিল। ইফালে সমবায়ৰ দ্বাৰা সমাজৰ দুর্বল আৰু অনগ্রসৰ শ্রেণীটোৰ জীৱনৰ মানদণ্ড উন্নত কৰাৰ অভিপ্রায়েৰে ১৯৪৮ চনৰ ১৭ জুলাইত সমবায় প্রেমী শ্রীযুত জয়কান্ত দাস আৰু প্রয়াত ধৰণীধৰ দাসৰ নিৰলস প্রচেষ্টাত স্থাপন হয় 'অসম সমবায় ৰেছম প্রতিষ্ঠান লিমিটেড'। এই সমবায় প্রতিষ্ঠানখনে সম্প্রতি ৮খন শাখাৰ দ্বাৰা মুগা-পাট-কপাহী বস্ত্রৰ ব্যৱসায় কৰি আছে। ৰাষ্ট্রীয় পুৰস্কাৰ স্বর্ণপদকেৰে পুৰস্কৃত এই সমবায় প্রতিষ্ঠানখনৰ সভাপতিৰ আসনত উপৰিষ্ট হৈ ধর্মকান্ত বায়ন, ধর্মৰাম মহাজন, হৰমোহন কাকতি, প্রফুল্ল চন্দ্র মহন্ত, ফটিক চন্দ্র দাস, ধৰণীধৰ দাস, নবীন চন্দ্র বৈশ্য, সোণাৰাম দাস, ঠানুৰাম মেধি, প্রফুল্ল মেধি, শ্রীজয়কান্ত দাস, শ্রীভাৰত চন্দ্র বৈশ্য, শ্রীঅমূল্য কলিতা, শ্রীদেৱীৰাম দাস, শ্রীউদ্ধৱ চন্দ্র বৈশ্যই গাঁওখনৰ আর্থ-সামাজিক ক্ষেত্রখনৰ সামগ্রিক উন্নয়নত জোগোৱা বৰঙণি অৱশ্যেই স্বীকার্য। প্রণিধানযোগ্য যে উক্ত প্রতিষ্ঠানৰ সম্পাদক শ্রীমহেন্দ্র চন্দ্র কলিতাই কার্যনির্বাহ কৰা সময়ছোৱাত সমবায় প্রতিষ্ঠানখনে আর্থিক প্রগতি ত্বৰান্বিত কৰাত যথেষ্ট অগ্রসৰ হৈছিল। উল্লেখ্য যে বর্তমান সম্পাদক হিচাপে দায়িত্ব পালন কৰা শ্রীৰমেন কলিতাইও প্রতিষ্ঠানখনৰ আর্থিক ভাৰসাম্যতা ৰক্ষা কৰাত চেষ্টা অব্যাহত ৰাখিছে।

তাঁতশিল্পৰ সৈতে সংপৃক্ত শিপিনীসকলৰ আর্থিক দিশৰ প্রতি সততে দৃষ্টিপাত কৰি তেওঁলোকৰ জীৱন-যাপনৰ ধাৰা কিছু হ'লেও উন্নত কৰাৰ দূৰদর্শিতাৰে ১৯৫৩ চনত শিক্ষাবিদ প্রয়াত প্রমোদ চন্দ্র মৰল আৰু দক্ষ প্রশাসক তথা চিকিৎসক ডাঃ নাৰায়ণ চন্দ্র কাকতিয়ে গঠন কৰিছিল 'শুৱালকুছি ৰেছম সমবায় লিমিটেড'। এই সমবায়ৰ যোগেদি অংশীদাৰ সদস্যসকলৰ মাজত আর্থিক ভেঁটি নির্মাণ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিল (প্রয়াতসকল) ডাঃ গণেশ চন্দ্র দাস,

নগেন্দ্র নাথ শর্মা, হেমকান্ত মেধি, শৰৎ চন্দ্র মেধি, বাসুদেৱ শর্মা, দুলাল চন্দ্র বৈশ্য সাউদ, দেৱেন্দ্র নাথ ভৰালী (মৌজাদাৰ) আদিয়ে। ডাঃ মহেশ চন্দ্র বৈশ্য, শ্রীৰমেন্দ্র নাথ ডেকা (সাংসদ), শ্রীজীতেন দাস, শ্রীমনোমোহন দাস আদিয়েও সমবায়খনৰ আর্থিক দিশৰ উন্নয়নত গ্রহণ কৰা ভূমিকা ইতিবাচক। সমবায়খনৰ বর্তমানৰ সম্পাদক শ্রীচন্দ্র মোহন কলিতাই শিপিনীসকলৰ মাজত আন্তৰিক বুজাবুজি আৰু সহনশীলতাৰ মনোভাৱ অটুট ৰাখিবলৈ প্রচেষ্টা অটুট ৰখাৰ উপৰি সমবায়ৰ পৰিসৰ বৃদ্ধিত মনোযোগ দিয়াটো শুভ লক্ষৰ ৰূপেই নির্ণিত হৈছে। তদুপৰি সমবায়ৰ সম্পদ বৃদ্ধিত গুৰুত্ব প্রদান কৰাটোও প্রশংসনীয়।

এনেদৰে দেখা যায় সমবায় আইনৰ আওতাত গাঁওখনত ইতিমধ্যে গঠন হৈছে অন্যান্য আৰু কেইবাখনো সমবায়। ইয়াৰ ভিতৰত 'প্রাগজ্যোতিষ ইণ্ডাষ্ট্রিয়েল উইভিং কোঃ অপঃ ছ'চাইটী' অন্যতম। শেহতীয়াকৈ গাঁওখনত 'শুৱালকুছি ট্রেডিং কোঃ অপঃ ছ'চাইটী' নামকৰণত অন্য এখন সমবায় ভিত্তিক অনুষ্ঠান নতুনকৈ গঠন হোৱাৰ বিষয়ে উনুকিয়াব পাৰি। সমবায়ৰ বিধিগত পঞ্জীকৃত এই অনুষ্ঠানটোৰে সম্প্রতি তদর্থ ভিত্তিত শ্রীকুঞ্জমোহন ডেকাক সভাপতি আৰু শ্রীভূৱনেশ্বৰ দাসক সম্পাদকৰূপে দায়িত্ব দি প্রাৰম্ভিক কাম-কাজ পৰিচালনা কৰাৰ কর্তৃত্ব প্রদান কৰিছে। নৱ গঠিত এই অনুষ্ঠানটোৰে অংশীদাৰ সদস্যসকলৰ আর্থিক দিশ স্বচ্ছল কৰাৰ ক্ষেত্রত কিদৰে কর্ম-আঁচনি প্রস্তুত কৰে, সেয়া দেখিলেহে সময়ত লেখিব পৰা হ'ব।

লক্ষণীয় কথা হ'ল, শুৱালকুছিৰ প্রতিষ্ঠিত আটাইকেইখন সমবায়ে উৎপাদিত বস্ত্র সামগ্রী বিক্রয়ৰ বাবে অসমৰ বিভিন্ন বাছকৰনীয়া নগৰত স্থাপন কৰা বিক্রীকেন্দ্রসমূহত মেনেজাৰ, বিক্রীদাৰ আদি পদৰ সৃষ্টি কৰি, সেইবোৰ পদত গাঁৱৰে শিক্ষিত যুৱকসকলক প্রয়োজন ভিত্তিত সংস্থাপনৰ ব্যৱস্থা কৰি তেওঁলোকক আর্থিক নির্ভৰশীলতা প্রদান কৰাৰ উপৰি সংশ্লিষ্ট পৰিয়ালসমূহকো আর্থিক সকাহ দিয়াটো নিঃসন্দেহে প্রশংসনীয়। গাঁওখনত অন্যান্য বহু সমবায় সমিতিয়ে সমবায় আইনৰ আশ্রয়ত পঞ্জীকৃত হৈ কাম-কাজ পৰিচালনা কৰি আছে যদিও একাধিক সমিতিয়ে উৎপাদনমুখী কর্ম-আঁচনিৰে শিপিনীসকলক সামৰি প্রকৃতার্থত কার্যক্ষম ভূমিকা পালন কৰিবলৈ এতিয়াও সক্ষম হ'ব পৰা নাই। অৱশ্যে সমবায়-সমিতিসমূহ নিয়াৰিকৈ পৰিচালিত হোৱাত চৰকাৰে সুনির্দিষ্ট ব্যৱস্থাৱলী গ্রহণ কৰিব লাগিব। সমবায় সমিতি এখন গঠন কৰি, সেইখন পঞ্জীয়ন কৰাটো সংশ্লিষ্ট অংশীদাৰসকলৰ মৌলিক অধিকাৰ হিচাপে স্বীকৃতি প্রদান কৰি, পঞ্জীয়নৰ বাট চমু কৰিবলৈ অর্থাৎ পঞ্জীয়ন কৰাৰ ক্ষেত্রত বিভাগীয় অনাৱশ্যক হাবাশাস্তি বন্ধ হ'ব লাগিব। সমবায় সমিতিসমূহ পৰিচালনা কৰাত স্বতন্ত্রতা প্রদান নিশ্চিত কৰিব লাগিব। স্পষ্টতঃ বিভাগীয় নিয়ন্ত্রণত থকা বহু সমবায় সমিতিয়ে সঠিক ৰূপত কার্য পৰিচালনা কৰাত প্রায়েই বিপাঙত পৰা পৰিলক্ষিত হয়। কাজেই, বিভাগীয় নীতি-নিয়মৰ শিথিলতা অতি দৰকাৰ আৰু চৰকাৰী নিয়ন্ত্রণ হ্রাস অতীৱ জৰুৰী। সমবায় আন্দোলনৰ উদ্দেশ্যক বাস্তবায়ন কৰাৰ পদক্ষেপৰ প্রতি সন্মান জনাই প্রতিষ্ঠত সমবায়-সমিতিসমূহত নতুন অংশীদাৰ সদস্য অন্তর্ভুক্তিৰ সিদ্ধান্ত ল'ব লাগিব। এনে প্রচেষ্টাৰ ফলত অংশীদাৰ সদস্যসকল সমভাৱে লভ্যাংশ ভোগ কৰিবলৈ সক্ষম হ'ব আৰু অর্থনৈতিক ভাৱসাম্যতা অটুট থাকিব।

প্রণিধানযোগ্য যে, শুৱালকুছিৰ তাঁতশালত উৎপাদিত বস্ত্র সামগ্রীৰ প্রকৃত দামৰ তাৰতম্যতা কিম্বা উত্থান-পতনৰ অৱলুপ্তি কৰিবলৈ আৰু বস্ত্র সামগ্রীৰ মন্দা বজাৰ উৎখাৎ কৰিবলৈ হ'লে গাঁওখনত আজি পর্যন্ত বিগত দুকুৰিৰো অধিক বছৰ বহুলভাৱে উচ্চাৰিত হৈ থকা 'বস্ত্র বেংক' স্থাপনৰ ধাৰণাটো কার্যকৰী কৰাত স্থানীয় সমবায়-সমিতিসমূহে অনতিবিলম্বে অগ্রণী ভূমিকা লোৱা উচিত। স্মর্তব্য যে, 'বস্ত্র বেংক' সম্পর্কীয় এটা লেখা ১৯৭৫ চনৰ ৩০ জুনৰ 'দৈনিক অসম'ত প্রকাশিত হৈছিল। উক্ত লেখাত বস্ত্র বেংকৰ লাভালাভৰ ওপৰত বিস্তৃত আলোচনা কৰা হৈছিল। পৰৱর্তী সময়তো এই সম্পর্কত সংশ্লিষ্ট কর্তৃপক্ষৰ দৃষ্টিগোচৰ কৰি থকা হৈছে যদিও বিভাগীয় সুদৃষ্টিৰ অভাৱত উক্ত সমস্যাৰ আজিও সমাধান নহ'ল। কথা হ'ল — বস্ত্র সামগ্রীৰ দামৰ তাৰতম্যতা অর্থাৎ দামৰ ভাৱসাম্যতা ৰক্ষাৰ প্রয়োজনত 'বস্ত্র বেংক'ৰ স্থাপন অনিবার্য। কাজেই, এই চৰম সত্যটো সংশ্লিষ্ট সকলো পক্ষই হৃদয়ঙ্গম কৰি কার্যকৰী দিশ উন্মোচিত কৰাত মনোনিৱেশ কৰিলে গাঁৱৰ অর্থনৈতিক ব্যৱস্থা পুনৰ ঠন ধৰি উঠিব বুলি আমি দৃঢ়তাৰে ক'ব খোজো। কিন্তু গভীৰ বেদনাদায়ক উপলব্ধিটো হ'ল আমাৰ তীব্র অহমিকাৰ চাকনৈয়াত এটা ঐতিহ্য ধ্বংসস্তূপত পৰিণত হোৱাৰ উপক্রম হ'ল।

ধনী আৰু দুখীয়াৰ শ্রেণী বৈষম্যৰ ক্ষেত্র হ'ল আমাৰ সমাজ। এফালে খাঁটিখোৱা মেহনতী জনতাৰ জীয়াই থকাৰ দুর্বাৰ সংগ্রাম আৰু তাৰ বিপৰীতে ধনী শ্রেণীটোৰ সুখ নিদ্রা। শ্রেণী সংঘর্ষৰ এই যি চিৰন্তন সত্য, আশ্চর্যজনকভাৱে শুৱালকুছিত নহয় প্রকট। মহাজন-শিপিনীৰ সম্পর্ক ইয়াত অর্থবহভাৱে সৌহার্দ্যপূর্ণ আৰু উদ্দেশ্যধর্মী। শিপিনীক ১৫/২০ হেজাৰ টকা আগধন দি শ্রমত নিয়োজিত কৰাৰ নজিৰ শুৱালকুছিতে পোৱা যায়। অৱশ্যে এনে প্রক্রিয়াই মাজে মাজে অশুভ সময়ৰ সৃষ্টি নকৰাও নহয়। সঁচা কথা, মহাজনৰ শালত শ্রম বিক্রী কৰা গাঁৱৰ শ্রমিকশ্রেণীৰ জীৱনৰ মানদণ্ড তুলনামূলক দৃষ্টিভংগীত বহু উন্নত; কিয়নো শ্রম বিক্রী কৰাৰ বিনিময়ত তেওঁলোক প্রাপ্যৰ পৰা কদাপি নহয় বঞ্চিত। কঠোৰ শ্রম আৰু নিপুণতাৰে একাধিক শ্রমিক তাঁতশালৰ গৰাকী হৈ নিজস্বভাৱে সুন্দৰ জীৱন যাপন কৰাৰ উদাহৰণ বহু আছে। কিন্তু সেই ৰামো নাই, সেই অযোধ্যাও নাই। অর্থনীতি যিহেতু শাশ্বত বস্তু নহয়; সেয়ে গাঁৱৰ সামগ্রিক অর্থনীতিলৈ অনিবার্যভাৱে আহিল পৰিৱর্তন — য'ত আজি নির্ণিত হৈছে বিপর্যয়ৰ তাণ্ডৱ নৃত্য। প্রতিযোগিতামূলক বজাৰত তিষ্ঠি থকা বাস্তৱতাত আলৈ-আথানি হৈ মন্দা বজাৰৰ দৌৰাত্ম্যত শুৱালকুছিৰ উৎপাদিত বস্ত্র সামগ্রীৰ ব্যৱসায়েৰে আর্থিক দিশত লোকচানৰ সন্মুখীন হোৱাত শুৱালকুছিৰ অর্থনীতিও হ'ল থানবান।

পৰম্পৰাগত তাঁত শিল্পৰ গইনাত স্থানীয় গ্রাম্য জীৱনৰ পৰিৱর্তন মন কৰিবলগীয়া। আর্থিক অৱলম্বনৰ প্রচ্ছায়াত গাঁৱলীয়া জীৱন ধাৰণৰ প্রণালীও লক্ষণীয়। আমি গাঁওবাসী হিচাপেহে গৌৰৱবোধ কৰো; অথচ বাহিৰৰ লোকে শুৱালকুছিৰ সামাজিক পৰিৱেশ তথা জীৱনৰ আভিজাত্য প্রত্যক্ষ কৰি ইয়াক তথাকথিত নগৰৰ মর্যাদা দিব খুজি যুক্তি দিলেও আমি তেনে যুক্তি একে আষাৰতে কৰো নস্যাৎ। কাৰণ আমি চিৰদিন আমাৰ গাঁও শুৱালকুছিক 'গাঁও' হিচাপেই অলংকৃত কৰি ৰখাৰ পক্ষপাতী। সঁচা কথা, নতুন নতুন মডেলৰ গাড়ী, চৌখিন

বাইকৰ পয়োভৰেৰে শুৱালকুছি এখন চঞ্চল, উন্নত গাঁও। পূৰ্বৰ খেৰী ঘৰবোৰ আজি বিচাৰি পাবলৈ নাই, সেইবোৰৰ ঠাই লৈছে পকীঘৰ কিম্বা আটকধুনীয়া অট্টালিকাই। তাহানি গাঁৱৰ অবিসম্বাদী গ্রাম্য নেতা ডাঃ গণেশ চন্দ্র দাস, বিশিষ্ট সমাজকর্মী প্রয়াত হেমকান্ত দাস, ডাঃ নাৰায়ণ চন্দ্র কাকতি আদি নমস্য ব্যক্তিসকলে দূৰদর্শিতাৰে নির্মাণ কৰা গাঁৱৰ বাট-পথবোৰ এতিয়া যথেষ্ট উন্নতি আৰু চলাচলৰ বাবে সুবিধাজনক। গাঁৱৰ সাম্প্রতিক উর্দ্ধমুখী সামাজিক কাঠামোৰ প্রচ্ছায়াত তাঁত শিল্পৰ লগতে ঐতিহ্য, পৰম্পৰা আৰু সংস্কৃতিৰ বাহক বিভিন্ন মঠ-মন্দিৰ আৰু সত্র-সচঙসমূহে অহৰহ কৰি আছে গাঁওখনৰ সৌষ্ঠৱ বর্ধন। গাঁৱৰ এই ঐতিহ্যক আৰু অধিক মহিমাময়, অনুপম কৰি তুলিছে শুৱালকুছিৰ উত্তৰ প্ররেশ-দ্বাৰত উত্তৰ পূব পৰিষদৰ অর্থ সাহায্যত আকর্ষণীয়কৈ গাঁওখনৰ মূল সত্বাক প্রতিনিধিত্ব কৰাকৈ নির্মাণ কৰা সুউচ্চ তোৰণখনে — নাম যাৰ ৰখা হৈছে 'শুৱালকুছি গে'ট আৰু বস্ত্র উদ্যান'ৰ মোহনীয় পার্কখনে। প্রায় চল্লিশ ফুট ওখ, যাঠি ফুট দীঘল, ষোল্ল ফুট বহল আৰু আলোকসজ্জিত মন-পৰশা 'শুৱালকুছি গে'ট'-এ ঢালি দিছে ৰূপহী শুৱালকুছিৰ উচ্ছল যৌৱনত ৰূপ-সুষমা। শুৱালকুছিৰ প্রাণ-প্রাচুর্যত সম্মোহনী ৰূপ সিঁচি দিছে বস্ত্র উদ্যানৰ অপূর্ব শিল্প কর্মই। আবেলি পৰত উদ্যানত সমবেত হোৱা অসংখ্য যুৱক-যুৱতীৰ উচ্ছল সময়ে এইটোকে প্রতীয়মান কৰে।

শুৱালকুছিৰ আর্থ-সামাজিক উন্নয়নৰ গতিধাৰা প্রধানকৈ ত্বৰান্বিত হয় ১৯৮৫ চনৰ পৰা। উক্ত সময়ৰ পূর্বতে চৰকাৰী আঁচনিসমূহৰ কল্যাণকামী দিশ সম্পর্কে জনসাধাৰণ সম্পূর্ণৰূপে নাছিল জ্ঞাত আৰু পৰিণতিত আর্থিক উন্নয়নৰ সুবিধাবোৰৰ পৰা সমাজখন হৈছিল নিশ্চিতভাৱে বঞ্চিত। ১৯৮৫ চনত ৰাইজৰ অকুণ্ঠ সমর্থনত দিছপুৰত শাসনাধিষ্ঠিত হৈছিল অসম গণ পৰিষদ দলৰ চৰকাৰ। ৰাইজৰ চৰকাৰ গঠন হোৱাৰ পিছত চৰকাৰী আঁচনিসমূহৰ বিষয়ে ৰাইজ অৱগত হয় আৰু সেই মতে আর্থ-সামাজিক উন্নয়নৰ দিশত কেতবোৰ সুদূৰপ্রসাৰী জনকল্যানকামী আঁচনি ৰূপায়ণ কৰা হৈছিল যাৰ ফলত গাঁওখনৰ জনসাধাৰণ বাৰুকৈয়ে হৈছিল উপকৃত। ১৯৯০ চনত জালুকবাৰী সমষ্টিৰ তদানীন্তন বিধায়ক তথা গৃহমন্ত্রী প্রয়াত ভৃগুকুমাৰ ফুকনৰ সুদৃষ্টিৰ ফলত স্থাপন হোৱা ত্রিশখন বিচনাযুক্ত চিকিৎসালয়খনে বর্তমানৰ বিধায়ক তথা স্বাস্থ্য, শিক্ষামন্ত্রী ড° হিমন্ত বিশ্ব শর্মাৰ তৎপৰতাত কার্যকৰী ৰূপ পোৱাত গাঁওবাসীৰ মহৎ উপকাৰ সাধন হৈছে। বিশেষকৈ দুখীয়া-নিচলা লোকসকলে এই চিকিৎসালয়খনৰ পৰা প্রভূত সুযোগ লাভ কৰি আছে। অন্যহাতে, অসম গণ পৰিষদৰ চৰকাৰৰ দিনতে শুভাৰম্ভ হোৱা শুৱালকুছি উন্নয়ন খণ্ড কার্যালয়ৰ দ্বাৰা কেতবোৰ সুদূৰপ্রসাৰী আঁচনি বর্তমানৰ বিধায়কগৰাকীয়ে ৰূপায়ণ কৰাত গুৰুত্ব দিয়াটো গাঁওবাসীৰ বাবে মঙ্গলজনক। শিক্ষাৰ ক্ষেত্রতো এক প্রতিযোগিতামূলক বাতাবৰণ গাঁওখনত আমি ২০০৪ চনৰ পৰা প্রত্যক্ষ কৰিছিলো যদিও সম্প্রতি সেইটো ম্লান হোৱা পৰিলক্ষিত হৈছে। দৰাচলতে এইটো সংশ্লিষ্ট পক্ষসমূহে গুৰুত্বসহকাৰে অনুধাৱন কৰি প্রতিকাৰৰ ব্যৱস্থা লোৱাটো যুক্তিসংগত।

গাঁওবাসীৰ সামাজিক চেতনা উর্ধমুখী। সমাজ সচেতন গাঁওবাসীৰ ঐকান্তিক প্রচেষ্টা আৰু সমূহীয়া আগ্রহৰ বাবেই গাঁওখনৰ বিৰল ঐতিহ্য আজিও বর্তি আছে এনেদৰে — 'শুৱালকুছি ভাৰতৰ বৃহত্তম ৰেছম গাঁও'। আনহাতে, শুৱালকুছিৰ ধর্মীয়, সাহিত্য তথা সাংস্কৃতিক দিশৰ ইতিহাস বর্ণাঢ্য সময়ৰ আলোকেৰে সমুজ্বল। শ্রীমৎস্বামী কৃষ্ণপুৰী পৰিব্রাজক প্রভুৰ (১৮২১-১৮৮২) দৰে ধার্মিক তথা মহাপুৰুষৰ সাধু বুদৰাম মহন্তৰ (১৭২৪-১৮৪৪) দৰে বাক্সিদ্ধ মহাপুৰুষৰ, হৰমোহন দাসৰ (১৮৯০-১৯৫৭) লব্ধপ্রতিষ্ঠ সাহিত্যিক তথা পাঠ্যপুথি প্রণেতাৰ, ডঃ মাধৱ দাসৰ (১৯০৮-১৯৬৯) দৰে কৃতী শিক্ষাবিদৰ, গোপাল চন্দ্র শাস্ত্রীৰ (১৯১৫-১৯৬৫) দৰে শাস্ত্রজ্ঞ পণ্ডিতৰ, লৌহপুৰুষ প্রমদা কান্ত শর্মাৰ (১৯১৫-১৯৬৫) নিচিনা কীর্তিমান শৰীৰ-চর্চাবিদৰ এই শুৱালকুছিতে জন্ম হৈছিল। এইসকল গুণী-জ্ঞানী মহৎলোকে তেওঁলোকৰ অমূল্য কর্মৰাজিৰে গাঁওখনৰ ধর্ম, সমাজ, সাহিত্য, শিক্ষা আৰু ক্রীড়াক্ষেত্রলৈ নিঃস্বার্থিকভাৱে যোগোৱা মহান অৱদানৰ কথা গাঁওবাসীয়ে আজিও কৃতজ্ঞতাৰে স্মৰণ কৰে। অন্যহাতে, গাঁওখনৰে অনেক কৃতি সন্তানে অসম তথা ভাৰতৰ নানা ঠাইত বিশেষ পাৰদর্শিতা দেখুৱাই স্ব-প্রতিভাৰে উজ্বলি উঠাৰ লগতে বর্ধিত কৰি আছে শুৱালকুছিৰ অসমী গৌৰৱ।

গাঁওখনৰ আর্থ-সামাজিক দিশৰ পৰিৱর্তনৰ সম্যক বিশ্লেষণ দাঙি ধৰাৰ পটভূমিতে আত্ম সহায়ক গোটসমূহৰ বিষয়েও কিছু ব্যাখ্যাৰ প্রয়োজন। স্মতর্ব্য যে ১৯৯৯ চনত কেন্দ্রীয় চৰকাৰে 'স্বর্ণ জয়ন্তী গ্রাম স্ব-ৰোজগাৰ' যোজনা চমুকৈ এছ. জি. এছ. ৰাই. কার্যক্রম হাতত লৈছিল। এই আঁচনিৰ লক্ষ্য হ'ল — নিবনুৱা তথা অনগ্রসৰ লোকসকলৰ মাজত ১০-১২ জন লোক সংঘৱদ্ধ হৈ এটা আত্ম সহায়ক গোট গঠন কৰি নিজস্বভাৱে আর্থিক প্রগতি সাধন কৰাৰ উপৰি সমাজৰ আন্তঃগাঁথনিৰ উন্নয়ন ত্বৰান্বিত কৰা। কিন্তু এইটো লক্ষণীয় যে এই পর্যন্ত গাঁওখনত অসংখ্য আত্ম সহায়ক গোট গঠন হৈ যদিও গাঁওখনৰ আর্থিক দিশৰ চিত্র পৰিবর্তন কৰিবলৈ এই গোটসমূহে সমূলি মনোযোগ দিয়া নাই। চৰকাৰী আঁচনিৰ ধন গোটৰ সদস্যসকলৰ মাজত ভগাই লোৱাৰ প্রৱণতা গা-কৰি উঠাৰ ফলশ্রুতিত আচল উদ্দেশ্য বিঘ্নিত হৈছে। আত্ম সহায়ক গোটসমূহে আঁচনিভিত্তিক মৌ-পালন, হাঁহ-কুকুৰা পালন, গাহৰি-পাম, মুগা-পাম, শাক-পাচলিৰ খেতি, গো-পালন, ক্ষুদ্র ব্যৱসায় আদিত নিয়োজিত হৈ উপার্জিত ধনেৰে লাভান্বিত হোৱাৰ লগতে সমাজৰো আর্থিক দিশৰ উন্নয়ন সাধন কৰিবলৈ সক্ষম হ'লহেঁতেন। আমাৰ এতিয়াও প্রত্যয় আছে শুৱালকুছিত এই পর্যন্ত গঠন হোৱা প্রায় তিনিশৰো অধিক আত্ম সহায়ক গোটে সুদূৰপ্রসাৰী কর্ম-আঁচনিৰে অগ্রসৰ হৈ গাঁৱৰ অর্থনৈতিক দিশত ইতিবাচক ভূমিকা নিশ্চয়কৈ পালন কৰিব। আনহাতে 'কল্পতৰু' ঋণৰ আৱণ্টন, ইন্দিৰা আবাস যোজনা, বৃদ্ধ পেঞ্চন, বিধবা পেঞ্চন আদি জনহিতকৰ আঁচনিসমূহ সঠিক ৰূপত ৰূপায়ণ হ'বলৈ হ'লে উপযুক্ত হিতাধিকাৰীসকলক বাচনি কৰাৰ ক্ষেত্রত নিশ্চিতভাৱে মনোযোগ দিব লাগিব। এনে পদক্ষেপসমূহৰ সমুচিত ৰূপায়ণতহে গাঁৱৰ আর্থিক ভেঁটি ন-কৈ নির্মাণ কৰাৰ সম্ভাৱনীয়তা নির্ভৰ কৰিছে। অন্যথা, সকলো আঁচনি পৰিশেষত হৈ পৰিব অসাৰ।

শুৱালকুছিৰ আর্থ-সামাজিক চিত্রপট পৰিবর্তিত পৰিস্থিতিৰ তাগিদাত পুনৰ নতুন ৰূপত পূর্বৰ দৰেই গঢ় দিবলৈ হ'লে গাঁওবাসীৰ একত্রিত প্রচেষ্টা অত্যন্ত জৰুৰী হিচাপে গণ্য হোৱা খুবেই আৱশ্যক।■



সোণালী জয়ন্তী মহোৎসৱ, শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়, (১৯৬৩-২০১৩)

# শুৱালকুছিৰ মহাপুৰুষীয়া প্রধান সত্র কেইখনৰ সময় নিৰূপণ

**গঙ্গাধৰ কলিতা**

*প্রাক্তন ছাত্র, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

'সত্র' শব্দটি সদ্ শব্দৰ পৰা হোৱা। ত্র মানে ত্রাণ কৰা, ৰক্ষা কৰা। সত্র — যি ঠাইত মায়াৰ পৰা ৰক্ষা পাবলৈ বা আধিভৌতিক, আধিদৈৱিক আৰু আধ্যাত্মিক আদি সাংসাৰিক তিনি তাপৰ পৰা ৰক্ষা পাবলৈকে ধার্মিক লোকসকলে ধর্ম আলোচনা কৰে। ধার্মিক বা সন্তলোকক যি অনুষ্ঠানে ত্রাণ কৰে সেয়ে সত্র। উক্ত শব্দটি নামঘৰ বা কীর্তনঘৰৰ সমার্থক। তথাপি নামঘৰ আৰু কীর্তনঘৰৰ লগত সত্র শব্দৰ অর্থ কিছু ভিন্ন। নামঘৰ — য'ত ভগৱানৰ নাম, যশ, গুণ আৰু লীলাৱলী কীর্তন কৰি গোৱা হয়। গতিকে দুয়োটা শব্দ হাতে কামে সমার্থক। দুয়োটা শব্দতে শ্রৱণৰো মুখ্য ভূমিকা থাকে। ব্যক্তিগতভাৱে বা সামূহিকভাৱে নাম লোৱা বা গোৱা বা কীর্তন কৰিলে ইয়াৰে আনটো ফাল 'শ্রৱণ' আপুনা আপুনি আহি পৰে। ভক্তিশাস্ত্রত মুঠ ৮১ বিধ ভক্তিৰ উল্লেখ আছে। তাৰে ন-বিধ ভক্তি প্রধান। তাৰে আকৌ শ্রৱণ আৰু কীর্তন — এই দুবিধ ভক্তি 'আতি শ্রেষ্ঠতৰ' বুলি বৈষ্ণৱ দর্শনে ঘোষণা কৰি আহিছে। শ্রৱণ আৰু কীর্তন এটি মুদ্রাৰে ইপিঠি আৰু সিপিঠি। য'ত কীর্তন তাতেই শ্রৱণ আৰু য'ত শ্রৱণ তাকেই কীর্তন। এই শ্রৱণ আৰু কীর্তন কৰি ভকতসকলক মায়াময় সংসাৰৰ বিষয় বাসনাৰ পৰা মুক্ত কৰি ভগৱানৰ পাদপদ্মত স্থান দিয়াৰ বাবেই সত্র, নামঘৰ আৰু কীর্তনঘৰৰ সম প্রাসঙ্গিকতা।

শুৱালকুছিৰ সত্রসমূহৰ সময় নিৰূপণ কৰিবলৈ যোৱাৰ আগতে ব্রহ্মপুত্রৰ বালিত মাধৱদেৱ মহাপুৰুষ আৰু কেশৱচৰণ ভাটৌকুচীয়া আতাৰ সাক্ষাতৰ কথা পোনতে উল্লেখ কৰিব লাগিব। শ্রীমাধৱদেৱে সুন্দৰীদিয়াত ধর্মপ্রচাৰ কৰি থকা সময়ত থলুৱা ব্রাহ্মণ-পণ্ডিতসকলৰ অযৌক্তিক লগনীয়া কথাত পতিয়ন গৈ কোচ হাজো ৰাজ্যৰ ৰজা ৰঘুদেৱে তেওঁক হাজোলৈ বিতাড়ন কৰিলে। মাধৱদেৱ তেতিয়া ব্যথিত হৈ হাজোৰ বালিত তিনি মাহ মান ৰৈছেহে মাথোন। এনেতে হাজো দেৱালয়ৰ পাণ্ডাসকলৰ প্রৰোচনাত ৰঘুদেৱ ৰজাই আকৌ তেওঁক স্থানান্তৰিত হ'বলৈকে আদেশ কৰিলত তেওঁ পূর্ব কথা স্মৰণ কৰি শ্রীশ্রীশঙ্কৰদেৱৰ আদর্শকে শিৰোধার্য কৰি লক্ষ্মীনাৰায়ণ ৰজাৰ পশ্চিম কোচ ৰাজ্যৰ পৱিত্র স্থান মধুপুৰলৈকে ভটিয়াই যাবলৈ মন কৰিলে। এই উদ্দেশ্যে তেওঁ কেশৱচৰণ ভাটৌকুচীয়া আতাক মাতি আনি উজনিত ধর্ম প্রচাৰ কৰি থকা বংশীগোপাল আতাৰ ওচৰলৈ গৈ (মহাপুৰুষ মাধৱদেৱ) ভটিয়াই যোৱাৰ উদ্দেশ্যে নাও পঠিয়াই দিবলৈ ক'বলৈ যাবলৈ ক'লে। মাধৱদেৱৰ আজ্ঞামতে ভাটৌকুচীয়া আতাই বংশীগোপাল (অনত্রে বংশী যদুমনি)ৰ ওচৰলৈ ব্রহ্মপুত্রৰে উজাই অহাৰ সময়ত গ্রহণী ৰোগত পৰি শুৱালকুছি বালিত নাও বান্ধি কৰি আছিল। গা-ধুবলৈ অহা এজনী কুমাৰ সম্প্রদায়ৰ মহিলাই (কোনোৰ মতে তাঁতী মহিলা) তেওঁৰ তেনে অৱস্থা দেখি ঘৰলৈ নি আশ্রয় আৰু চিকিৎসা প্রদান কৰিলে। মহিলাগৰাকীৰ আদৰ যত্নত আতৈ লাহে লাহে সুস্থ হৈ মাধৱদেৱ মহাপুৰুষৰ যশ-কীর্তি আৰু গুণাৱলী আদি বর্ণাই তেওঁৰ শ্রীমুখৰ বাণীৰোৰ লোকসকলক বর্ণাই কৈ থাকে। এদিনাখন মহিলাগৰাকী ঘাটলৈ আহি বালিতে এজন শৌর্য-বীর্য থকা সুদর্শন শ্রীমন্তক দেখিলত। তেওঁ ততাতৈয়াকৈ ঘৰলৈ গৈ আতাক এই লোকজনেই যে তেওঁ বর্ণাই থকা শ্রীমন্ত পুৰুষজন সেইটো নিশ্চিতকৈ কোৱাত আতা লৰি আহি দেখে যে হয়, সেইজনেই শ্রীমাধৱদেৱ মহাপুৰুষ।

"তাতে (শুৱালকুছিতে) কুমাৰ গৃহে কতো তাঁতিৰ কয়; খৰ-গৰলি (অর্থ গ্রহণীৰোগ) ধৰি পৰি আছেগৈ" (কথা গুৰুচৰিত ৫৫৬ পৃঃ) আকৌ অন্য ঠাইত "গুৰুজন (অর্থ, মাধৱদেৱ) বংশী যদুমণি ঠাই পচাত (আদেশ কৰিলত) গৈ শুৱালকুছিতে গৰনিএ (গ্রহণী) ধৰি পৰি আছিল। আতা গুৰুজনৰ গুণ, শীল, মহিমা, আকৃতি (দৈহিক সৌষ্ঠৱ) কৈ থাকে। গুৰুজন উজাই গৈ বালাতে ৰৈ স্নান কৰাত, কুমাৰ পত্নীয়ে দেখি গৈ বোলে, তোম্রা যেনে পুৰুষজনৰ লক্ষণ কৈছিলা তেনে পুৰুষ এজন দেখি আহিছোঁ নাওঘাটে। তেহে এৰা শুনি গ'ল লাহে লাহে উঠি। দেখে চায় হয় গুৰুজন। সেইতে পাৱত পৈলেগৈ। কৈলে, নপৰাৰ (নৰীয়াৰ) কথা। পাচে গুৰুজন চাউল সিজালে, ভোজন কৈলে।" (কথা গুৰুচৰিত ৫৯৭ পৃঃ)

উপৰোক্ত কথাখিনিৰ পৰা কেইটিমান কথা স্পষ্টৰূপত বুজিব পাৰি। (১) ভাটৌকুচীয়া আতা শুৱালকুছিত পদার্পণ কৰাৰ সময়ত কোনো সত্রীয়া প্রভাৱ প্রত্যক্ষভাৱে পৰিলক্ষিত নহয়। হোৱা হ'লে তেওঁ ইয়াত সেই সত্রৰ ভকতসকলৰ ওচৰত আশ্রয় গ্রহণ কৰিলেহেঁতেন। (২) মাধৱদেৱ মহাপুৰুষে ব্রহ্মপুত্র বালিত ৰন্ধা-বঢ়া কৰি ভোজন কার্য সমাপণ নকৰি সত্র বা ভকত বেষ্টনীত কৰিলেহেঁতেন। (৩) সত্রীয়া সংস্কৃতিত অস্পৃশ্যতা বর্জনৰ দেধাৰ উদাহৰণ থাকিলেও ভকতসকলৰ মাজত ৰন্ধন-বাঢ়ন আৰু খাদ্য গ্রহণৰ ধৃতি-নীতিৰ নির্দেশনাৰো উল্লেখ আছে। "অন্ন যোনি কিছু/নকৰে বিচাৰ/জাতি কুল ভৈল ভ্রষ্ট। বৈষ্ণৱৰ বেশ/ধৰিয়া ফুৰয়/বেদ-পন্থ কৰি নষ্ট।।" (নামঘোষা ২৯৫)। অনুমান হয় ভাটৌকুচীয়া আতা

যিজনী কুমাৰণীৰ ঘৰত আশ্রয় লৈছিল তেওঁ নিশ্চয় সত্রীয়া আচাৰ বিচাৰ বা পাল্য ৰীতি-নীতিৰ প্রতি অতি সচেতন আছিল বা অভিজ্ঞ আছিল। আতা তাত থকা সময়ত তেওঁ মাধৱদেৱৰ গুণ-যশৰ কথা কোৱাৰ সময়ত ধর্ম দর্শন শিক্ষা আদর্শ আচৰণ আদিৰ বিষয়েও লোকক কৈছিল আৰু তেওঁৰ কথা শুনাৰ বাবে কুমাৰণীৰ চোতালত বহু লোকৰ সমাগম হৈছিল। (৪) শ্রীশঙ্কৰদেৱ, শ্রীমাধৱদেৱ, শ্রীদামোদৰদেৱ আৰু হৰিদেৱ আদি গুৰুসকলৰ প্রত্যক্ষ পদৰেণুৰে শুৱালকুছি ৰঞ্জিত নহ'লেও ভকতীয়া ধৰণ-কৰণত শুৱালকুছিৰ লোকসকলে সমানে সামঞ্জস্য ৰক্ষা কৰি আছিল। উক্ত কথাটো প্রাক্-শঙ্কৰী যুগৰ অসমত বৈষ্ণৱ ধর্মৰ ক্ষীণ প্রবাহৰ প্রভাৱ বা অসমীয়া লোকসকলে সামূহিকভাৱে কৰা ভাগৱত চর্চাৰ প্রভাৱো হ'ব পাৰে। তাৰোপৰি, গুৰুসকলে প্রতিষ্ঠা কৰা সত্রসমূহৰ আধ্যাত্মিক ভাৱধাৰা মানুহৰ মুখে মুখে দূৰদূৰণিৰ ভিতৰুৱা গাঁওসমূহতো পৰা কথাটো চৰিত পুথিসমূহত উল্লিখিত কাহিনীৰ আধাৰতো ধাৰণা কৰিব পাৰি। ওপৰত উল্লেখ কৰি অহা কথাখিনিৰ পৰা ঠাৱৰ কৰিব পাৰি যে শ্রীমাধৱদেৱৰ শুৱালকুছি বালিচৰত পৰা পদৰেণুৰ আধ্যাত্মিক প্রভাৱে শুৱালকুছিৰ উত্তৰ পুৰুষসকলৰ চৈতন্যক আধ্যাত্মিক পৰিমার্জনাৰে বিধৌত কৰিছিল যাৰ প্রতিক্রিয়াত ইয়াৰ লোকসকলক নিজা উদ্যোগতে সত্র-নামঘৰ প্রতিষ্ঠা কৰি শ্রৱণ-কীর্তনৰ পৰিত্র পৰিস্থিতিৰ মাজত থাকিবলৈ আধ্যাত্মিক অনুপ্রেৰণা যোগাইছিল।

মাধৱদেৱ মহাপুৰুষ আৰু কেশৱচৰণ আতাৰ এই সাক্ষাতৰ পিছত আতাক উজনিত যাবলৈ পুনৰ আদেশ দি তেওঁ ৰামদিয়াৰ বালিলৈ আহি তাত তিনি মাহ ৰৈ আছিল। তেতিয়া তেওঁৰ ওচৰত চাৰিওফালৰ পৰা হোৱা জনসমাগম দেখি ৰজা ৰঘুদেৱ শঙ্কিত হৈ পৰিল। হাজোৰ পাণ্ডা, শাক্তধর্মীয় ব্রাহ্মণ আৰু ৰজাৰ মিলিত মন্ত্রণা মতে মহাপুৰুষক হাজো (ৰামদিয়া বালি) এৰি শীঘ্রে মহাপুৰুষে ভালপোৱা অথচ ৰজাৰ নিজ ৰাজ্যৰ ভিতৰতে দূৰত থকা কোনো পৰিত্র স্থানলৈ যোৱাৰ বাবে আদেশ প্রেৰণ কৰা হ'ল। মহাপুৰুষে উপায়হীন হৈ ততাতৈয়াকৈ নাৰায়ণ দাস ঠাকুৰ আতা আৰু ৰামচৰণক নিজৰ নিজৰ ঘৰলৈ পঠিয়াই দি নিজৰ নাওৰেই হাজোৰ পৰা ভঁটিয়াই গ'ল।

'কথা গুৰুচৰিত'ৰ ভূমিকাৰ 'মাধৱদেৱৰ লীলাক্রম'ত মহাপুৰুষে জীৱনৰ শেষৰ ফালে ৰামদিয়াৰ বালিত তিনি মাহ, বিজয়পুৰত ২০ দিন, বেহাৰত ৰাম ৰাম আতৈৰ বাৰিত তিনিমাহ, ভেলা মধুপুৰত দুই বছৰ থাকি ১৫১৮ শক (১৫৯৬ খ্রীঃ) নৰনাটৰ সামৰণি মৰাৰ কথা উল্লেখ কৰা হৈছে। এই সময়খিনিৰ মুঠ দুই বছৰ ছয় মাহ বিশ দিন হয়। গতিকে ১৫৯৬ ইং চনৰ পৰা দুইবছৰ ছয় মাহ বিশ দিন, মোটামুটিকৈ দুই বছৰ পিছুৱাই গৈ ১৫৯৪ ইং চনৰ আগখিনিতে মহাপুৰুষৰ পদধূলি শুৱালকুছি বালিত পৰিছিল বুলি নিশ্চিতকৈ ক'ব পাৰি।

লক্ষ্মীকান্ত আতৈ আৰু পৰীয়া মাধৱ আতৈ দুয়োজনেই মাধৱদেৱ মহাপুৰুষৰ প্রিয় শিষ্য। এই দুজনা আতৈৰ বংশলতাই শুৱালকুছিত মহাপুৰুষীয়া ধর্মৰ প্রসাৰণত উল্লেখযোগ্য ভূমিকা গ্রহণ কৰিছে।

শ্রীমন্ত শঙ্কৰদেৱ গুৰুজনাই বৈকুণ্ঠাৰোহণ কৰে ১৫৬৮ খ্রীঃত। তেওঁৰ বৈকুণ্ঠগতিৰ আগে আগে পুত্র ৰমানন্দ ঠাকুৰে শ্রীশঙ্কৰদেৱক কোৱা আৰু শঙ্কৰদেৱ গুৰুজনাই ইয়াৰ উত্তৰত দিয়া সমিধানৰ আঁত ধৰি তেওঁৰ অন্ত্যেষ্টিক্রিয়া তথা শ্রাদ্ধ হৰিনাম কীর্তনৰ পিছতে ভকতসকলে মাধৱদেৱ মহাপুৰুষৰ ওপৰত গুৰুভাৰ ন্যস্ত কৰে। মাধৱদেৱ মহাপুৰুষে বৈকুণ্ঠগতিৰ সময়লৈকে মুঠ আঠাইশ বছৰলৈকে গুৰু-ভাৰ সম্পাদন কৰে। (মাধৱদেৱ বৈকুণ্ঠী হয় ১৫৯৬ খ্রীঃত)। শঙ্কৰদেৱ বৈকুণ্ঠী হয় বা মাধৱদেৱৰ ওপৰত গুৰুভাৰ ন্যস্ত হয় ১৫৬৮ খ্রীঃত। এতেকে ১৫৯৬ —১৫৬৮ = ২৮ বছৰৰ ভিতৰতেই লক্ষ্মীকান্ত আতৈ আৰু পৰীয়া আতৈক শৰণ দান দিয়া কার্য সম্পাদন হোৱাৰ উপৰি তেওঁলোক দুয়োজনাৰ নিজৰ নিজৰ এলেকাত ধর্মপ্রচাৰৰ দায়িত্বও অর্পণ কৰিছিল। মাধৱদেৱে শ্রীমুখে লক্ষ্মীকান্ত আতৈক ধোপৰগুৱিত আৰু পৰিয়া মাধৱ আতৈক হেৰামদত ধর্ম প্রচাৰৰ দায়িত্ব অর্পণ কৰিছিল। শুৱালকুছিত এওঁলোক দুয়োজনাৰে বংশলতাই ধর্ম বিস্তাৰ কৰে। উক্ত ধর্ম বিস্তাৰৰ সময় নিৰূপণ কৰাৰ আগতে 'কথাগুৰু চৰিত'ত উল্লেখ থকা 'মাধৱদেৱৰ লীলাক্রম'ৰ বিষয়ে উল্লেখ কৰাটো ভাল হ'ব।

মাধৱদেৱৰ লীলাক্রম/কার্যক্রম

তালিকা - ক

মাধৱদেৱৰ জন্ম — ১৪৮৯ খ্রীঃ

শঙ্কৰদেৱৰ জন্ম — ১৪৪৯ খ্রীঃ

দুয়োজনৰ বয়সৰ পার্থক্য ৪০ আৰু মাধৱদেৱ শঙ্কৰদেৱতকৈ ৪০ বছৰে সৰু। মাধৱদেৱৰ কার্যক্রমৰ সময় তালিকা নিম্নোক্ত ধৰণৰ —

| ক্র.নং. | কার্য | সময় | খ্রীঃৰ পৰা খ্রীঃলৈ |
|---|---|---|---|

১ নং শঙ্কৰদেৱতকৈ মাধৱদেৱ সৰু/৪০ বছৰ জন্ম/১৪৮৯ খ্রীঃ পৰা

২ নং মাধৱদেৱ বাল্যকালত ভাগুৰ ডুবিত থকা/১১ বছৰ

৩ নং শঙ্কৰদেৱৰ লগত মাধৱদেৱ ধুৱাহাটাত ঃ মাধৱদেৱৰ/২০ বছৰ/১৫৬০ খ্রীঃলৈ/৩১ বছৰ বয়সলৈ ঃ বাল্যকাল শিক্ষা ১১ লেতেকি পুখুৰিত, ঘাগৰত, বণ্ডুকাত, ধুৱাহাট বেলগুৰিত ঃ শঙ্কৰ-মাধৱৰ মিলন ঃ মণিকাঞ্চন সংযোগ/২০ বছৰ (৩১ বছৰ)

৪ নং মাধৱদেৱ গণককুছিত, শঙ্কৰদেৱ পাটবাউসীত/১৩ বছৰ/১৫৬০ ৰ পৰা ১৫৭৩ খ্রীঃলৈ একেলগে ৫ বছৰ, মাধৱদেৱ অকলে গণককুছিত/১৩ বছৰ

৫ নং মাধৱদেৱ পাটবাউসীত (ইয়াৰ ভিতৰত সুন্দৰাত/১ বছৰ/১৫৭৪ খ্রীঃ/৩ মাহ)

৬ নং সুন্দৰীত (ইয়াৰ ভিতৰত গোমোৰাত ৩ মাহ,/১২ বছৰ/১৫৭৪ ৰ পৰা ১৫৮৬ লৈ হেৰামদত ৩ মাহ ঃ পৰিয়া মাধৱক গুৰুভাৰ অর্পণ)

৭ নং বৰপেটা বাথৰ ভাগুৰত ৬ মাহ, ঘৰামাৰাত ৩ মাহ ঃ/৮ বছৰ/১৫৮৬ ৰ পৰা ১৫৯৪ লৈ ধোপৰগুৱিত ৩ মাহ (লক্ষ্মীকান্তক গুৰুভাৰ অর্পণ) মালদৈয়াত ৩ মাহ, বৰভূঞিত ২ মাহ, মাগুৰিত ৩ পক্ষ, চৰাবাৰিত ৭ দিন, ৰামায়ণ ঠাকুৰৰ পাটগোহালিত, ৩ মাহ ৰামদিয়াৰ বালিত ৩ মাহ (ৰঘুৰজাৰ নির্দেশত থকা ঃ এই সময়খিনিতে কেশৱচৰণ ভাটৌকুছিয়া আতাৰ লগত সাক্ষাত। শুৱালকুছি বালিত) বিজয়পুৰত ২০ দিন, বেহাৰত ৰাম ৰাম আতৈৰ বাৰিত ৩ মাহ।

৮ নং ভেলামধুপুৰত/২ বছৰ/১৫৯৪ ৰ পৰা ১৫৯৬ লৈ ঃ মাধৱদেৱৰ বৈকুণ্ঠ গতি

৯ নং মাধৱদেৱ মহাপুৰুষৰ মুঠ — ১০৭ বছৰ আয়ুস

এই কথাটো স্পষ্ট যে মাধৱদেৱ মহাপুৰুষ সুন্দৰীত থকা কালতে (১৫৭৪ ৰ পৰা ১৫৮৬ খ্ৰীষ্টাব্দত) হেৰামদলৈ আহি পৰিয়া মাধৱ আতৈক শৰণ দিছিল আৰু লগে লগে গুৰুভাৱ ন্যস্ত কৰি সেই অঞ্চলত ধৰ্ম প্ৰচাৰ কৰাৰ দায়িত্ব দিছিল। 'মুৰাৰী আতাৰ চৰিত' পুথিমতে তাৰ পিছত আতাৰ তিনিপুত্ৰ ক্ৰমে গোপাল, মুৰাৰী আৰু ভোলা আতৈ প্ৰতিজনকে শৰণ দিয়াবৰ বাবেও সুন্দৰীলৈ আনি ক্ৰমে ক্ৰমে প্ৰত্যক্ষভাৱে মাধৱদেৱ মহাপুৰুষৰ ওচৰত শৰণ কৰোৱা হৈছিল।

দ্বিতীয় পৰ্যায়ত পৰিয়া আতৈয়ে হেৰামদৰ সত্ৰত নিত্য নৈমিত্তিক সেৱাৰ কাৰ্য চলাই চৌধ্য প্ৰসঙ্গ, গুৰু কীৰ্তন (শঙ্কৰদেৱৰ) দৌল উৎসৱ, জন্মাষ্টমী আৰু এইবোৰৰ উপলক্ষত ভাগৱত পাঠ, যাত্ৰাভিনয় আদি কৰি সৌষ্ঠৱ বৃদ্ধি কৰিলে। সত্ৰৰ সুনাম চাৰিওফালে বিস্তাৰিত হৈ পৰিলত শুৱালকুছিতো ইয়াৰ প্ৰভাৱ প্ৰতিভাত হ'ল। শুৱালকুছিৰ ভকত প্ৰাণ বৈষ্ণৱসকলে ইয়ালৈ আহি নাম-প্ৰসঙ্গৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈকে পৰিৱেশ-পৰিস্থিতিৰ অসুবিধা আঁতৰ কৰিবলৈ শুৱালকুছিলৈ পুত্ৰৰ সহায় আৰু স্থায়ী উপস্থিতি বিচাৰি আবেদন জনালত পৰিয়া আতৈৰ পুত্ৰ মুৰাৰীক শুৱালকুছিলৈ সত্ৰ স্থাপনৰ বাবে পঠোৱা হ'ল। সুৱাৰদুভিত সত্ৰ নিৰ্মাণ হ'লত উক্ত বাতৰিটো পৰিয়া আতৈৰ ওচৰলৈ পঠিওৱাত তেওঁ নিজে আহি আসন প্ৰতিষ্ঠা কৰি শলা-বস্তি জ্বলাই ধূপ-ধূণা নৈবেদ্য আগবঢ়াই নাম-প্ৰসঙ্গ কৰি মুৰাৰী আতৈক সত্ৰাধিকাৰ পাতিলে।

শুৱালকুছিত সত্ৰ প্ৰতিষ্ঠা কৰা, মুৰাৰীক সত্ৰাধিকাৰ পতা আৰু শুৱালকুছিবাসীৰ আবেদন আদি প্ৰত্যেকটি কথাই পৰিয়া আতৈ সুন্দৰীলৈ আহি মহাপুৰুষ গুৰুজনাৰ লগত আলোচনা কৰিহে সকলোবোৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। তেনেকৈ বাকী দুজন আতৈ গোপাল আৰু ভোলাৰ ক্ষেত্ৰতো সত্ৰ পাতি দিয়া, গুৰুভাৱ ন্যস্ত কৰা আদি সমস্ত কথা মাধৱদেৱ মহাপুৰুষৰ লগত আলোচনা কৰিহে কৰা হৈছিল।

মাধৱদেৱ সুন্দৰীত মাথোন বাৰ বছৰহে আছিল। ইমান কম সময়ৰ ভিতৰতে পিতৃ আৰু পুত্ৰ তিনিজনৰ শৰণ গ্ৰহণ, গুৰুভাৱ গ্ৰহণ, সত্ৰ প্ৰতিষ্ঠা আদি কথাবোৰ ভাবিবলগীয়া। সেইফালৰ পৰা পৰিয়া আতৈয়ে বহুতো তীৰ্থ বেৰাই আহি বয়স্ক বয়সতহে মাধৱদেৱ সুন্দৰীত থকাৰ প্ৰথম বছৰত (১৫৭৪ চন) আৰু আতৈ তিনিজনে শেষ বছৰত (১৫৮৬) ওপৰোক্ত ধৰ্মীয় কামবোৰ সম্পাদন কৰি পৰিয়া আতৈৰ লগত একেলগে হেৰামদত বাস কৰিছিল। পৰিয়া আতৈয়ে প্ৰথম বছৰতে শৰণৰ লগতে গুৰুভাৱ গ্ৰহণ কৰিছিল আৰু মুৰাৰী আতৈয়ে যৌৱনৰ দুৱাৰদলিত উপস্থিত হৈয়েই শৰণ গ্ৰহণ কৰি দেউতাক মুৰাৰীৰ লগত ধৰ্মকাৰ্য কৰি একেলগে বাস কৰিছিল আৰু দেউতাকৰ স্বৰ্গাৰোহণৰ দুবছৰমান আগতেহে অৰ্থাৎ ১৬৩০ খ্ৰীঃত শুৱালকুছিলৈ আহি দেউতাকৰ সৈতে সুৱাৰডুবিত সত্ৰ পাতি বস্তি প্ৰজ্বলন কৰিছিল।

সিদ্ধেশ্বৰ দেৱালয়ৰ দক্ষিণ-পশ্চিম কোণৰ বাঘেশ্বৰী পৰ্বতৰ উত্তৰ দিশৰ তলতে 'সুৱাৰডুবি'ৰ অৱস্থিতি বুলি ভাৱিবৰ থল আছে। পুৰণি কালত এই খণ্ডতে সোৱাদ্য নামৰ এজন শ্ৰৱণে বাস কৰি বৌদ্ধ ধৰ্ম প্ৰচাৰ কৰিছিল আৰু সিদ্ধেশ্বৰ দেৱালয়খন এখনি বৌদ্ধ তীৰ্থক্ষেত্ৰ আছিল বুলি বুৰঞ্জীত সাক্ষ্য পোৱা যায়। 'ডুবি' শব্দৰ অৰ্থ হ'ল জলাতন ঠাই বা কুঢ়। এতিয়াও দুয়োখন পৰ্বতৰে মাজৰ পাদঅংশত এটি ঠেক আৰু দীঘল কুঢ় আছে। সি যি কি নহওক সুৱাৰডুবি খণ্ডত ঘন জংগলে আগুৰি থকাত তাত বাঘ, ঘোং, সাপ আদিৰ আবাসভূমি আৰু বিচৰণথলী হৈ থকাত তালৈ ভকত-বৈষ্ণৱসকলে গৈ নাম-প্ৰসঙ্গ কৰাটো কঠিন হৈ পৰে। মানুহৰ সমাগমো অতি পাতলীয়া ধৰণৰ হোৱাৰ ওপৰিও আটাইখিনিয়ে ভয়ত বিতত হৈ থাকে। ইয়াৰ পৰা পৰিত্ৰাণ বিচাৰি তেওঁলোকে শুৱালকুছিৰ মাজৰ ঠাই এটুকুৰা বিচাৰি সত্ৰ প্ৰতিষ্ঠা কৰিলে। উল্লেখ্য যে মুৰাৰী আতৈ সুৱাৰডুবিত দহ বছৰ মানহে আছিল। নতুন সত্ৰখনিত দুই পুত্ৰ পদ্ম আৰু জয়হৰিৰ লগতে পৰিয়াল পৰিজন লৈ ভকত-বান্ধৱসকলৰ সৈতে নাম-প্ৰসঙ্গ কৰি থাকিল। মুৰাৰী আতৈয়ে নতুন সত্ৰখনিত ২৫ বছৰ মান কাল অধিকাৰীত্ব চলাইছিল বুলি অনুমান কৰিব পাৰি।

মুৰাৰীৰ মৃত্যুৰ পিছত দুই ভাইৰ মাজত কিবা কথাত মনোমালিন্য হোৱাত সত্ৰৰ ভকতসকলে আলোচনা মৰ্মে বিভেদৰ জেৰ মাৰি দুয়োৰে সা-সম্পত্তি ভাগ বটোৱৰা কৰি বৰজনা পদ্ম আতৈক এতিয়াৰ পো�ৰাভেটি সত্ৰ থকা ঠাইখণ্ডত সত্ৰ নিৰ্মাণ কৰি ৰাখিলে আৰু সৰুজনা জয়হৰিক আগৰ ঠাইতে থাকিবলৈ দিলে। বৰজনাৰ পৰা সত্ৰৰ নাম বৰসত্ৰ হ'ল আৰু সৰুজনাৰ পৰা সৰুসত্ৰ নাম হ'ল। এই বৰসত্ৰকে পিছৰ কোনো এটি সময়ত ঘৰপোৰা জুয়ে পুৰিলত তাৰ নাম হ'ল পোৰাভেটি সত্ৰ হ'ল। গতিকে, সত্ৰখন মুৰাৰী আতৈৰ মূল সত্ৰ আছিল আৰু এই সত্ৰৰ কাল (সুৱাৰডুবিত স্থাপন ১৬৩০+১০ বছৰ স্থিতি) = ১৬৪০ ইং চনত স্থাপিত হৈছিল।

বিজয়পুৰ পৰগণাৰ কৰৈবাৰী গাঁওৰ ঘোৰাঘাটত ১৫৬৬ ইং চনত (বা ১৪৮৮ শকত) লক্ষ্মীকান্ত আতৈয়ে জন্ম গ্ৰহণ কৰে। তেওঁৰ পিতৃৰ নাম পুস্কৰ গিৰি, মাতৃৰ নাম সিন্ধিগন্ধ্যা। প্ৰসূতা দোষত এমাহতে মাতৃৰ মৃত্যুত আইতা ভাগ্যৱতী আয়ে তেওঁক প্ৰতিপালন কৰে। আতৈ শিক্ষা গ্ৰহণৰ সময়ত অতি কম দিনতে "ওঠৰ কলাপ" ধৰ্মশাস্ত্ৰ আয়ত্ব কৰি পাণ্ডিত্যৰ পৰিচয় দিয়ে। ১৫৮৭ খ্ৰীঃত আতৈ ২১ বছৰীয়া ডেকা। মাধৱদেৱে তেতিয়াই তেওঁক হাজো অঞ্চলত ধৰ্ম প্ৰচাৰৰ বাবে আদেশ দিয়াত তেওঁ লুইতৰ ৰাম সোঁতৰ পাৰত ধোপগুৰি থান পাতি থাকি গুৰুলৈ বাতৰি দি পঠিয়ায়। পিছৰ বছৰ অৰ্থাৎ ১৫৮৮ খ্ৰীঃত মাধৱদেৱ মহাপুৰুষ ধোপগুৰিলৈ গৈ ৰুক্মিণী হৰণ যাত্ৰা কৰে আৰু এটি পদশিলা সৃষ্টি কৰে আৰু লক্ষ্মীকান্ত আতৈক গুৰুভাৱ অৰ্পণ কৰে। লক্ষ্মীকান্ত আতৈয়ে মহাপুৰুষৰ দিহামতে ১৫৮৯ ইং চনত প্ৰথমজনী ভাৰ্যাৰ প্ৰথম পুত্ৰ পুৰুষোত্তম আৰু তৃতীয় পুত্ৰ অনন্ত, দ্বিতীয় ভাৰ্যাৰ পৰা দ্বিতীয় পুত্ৰ সনাতন আৰু চতুৰ্থ তথা কনিষ্ঠ পুত্ৰ নৰোত্তমৰ জন্ম হয়। লক্ষ্মীকান্ত আতৈয়ে ১১৩ বছৰলৈকে গুৰুধৰ্ম পালন কৰি ১৬৭৯ খ্ৰীঃত বৈকুণ্ঠ লাভ কৰে। (লক্ষ্মীকান্ত আতৈৰ চৰিত্ৰ ১৫৯ পৃঃ)।

"লক্ষ্মীকান্ত আতৈৰ চৰিত্ৰ" পুথিৰ ১৫১ পৃষ্ঠাত বৰ্ণিত কথামতে ১৬৫২ খ্ৰীঃত কোচ হাজোৰ ৰঘুদেৱৰ পুত্ৰ বীৰ নাৰায়নে ধোপগুৰি সত্ৰ পৰিদৰ্শন কৰি আতৈক এটা পঞ্চমুখী ঘণ্টা উপহাৰ দিছিল। এই কামটিৰ ঠিক আগতে লক্ষ্মীকান্ত আতৈয়ে তেওঁৰ তৃতীয় পুত্ৰ অনন্ত আতৈক শুৱালকুছিত, প্ৰথম পুত্ৰ পুৰুষোত্তমক অভয়পুৰত, দ্বিতীয় পুত্ৰ সনাতন আতৈক দধিত সেই অঞ্চলবোৰৰ স্থানীয় লোকৰ

অনুৰোধত সেইবোৰ অঞ্চলত সত্ৰ প্ৰতিষ্ঠা কৰি ধৰ্ম প্ৰচাৰ কৰাৰ দায়িত্ব দিয়ে। চতুৰ্থ পুত্ৰ নৰোত্তমক নিজৰ লগতে ধোপগুৱিতে ৰাখে। এই কামখিনি দুই বছৰৰ ভিতৰতে সম্পন্ন কৰা হৈছিল। সেইফালৰ পৰা অনন্ত আতৈয়ে বৰ্তমান ডেকা বাপু সত্ৰ থকা ঠাইখিনিতে ১৬৫০ ইং চনত সত্ৰ প্ৰতিষ্ঠা কৰিছিল।

শুৰালকুছিত মহাপুৰুষীয়া ধৰ্ম বিস্তাৰণৰ আন এটি মহৎ অনুষ্ঠান ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ এখন সম্পূৰ্ণ স্বতন্ত্ৰৰীয়া মূখ্য সত্ৰানুষ্ঠান। এই সত্ৰখন নলন্দা গাঁৱৰ কানু বুঢ়া ঠাকুৰে প্ৰতিষ্ঠা কৰিছিল। তেওঁৰ মৃত্যুৰ পাছত ক্ৰমে ১) মন্মথ আতৈ, ২)গকুল আতৈ, ৩) নকুল আতৈ, ৪) কলা কানু ঠাকুৰ আতৈ, ৫) ৰামনিধি মহন্ত, ৬) হৰিজয় মহন্ত আদিৰ ওপৰত সত্ৰ পৰিচালনাৰ দায়িত্ব পৰিছিল।

অসম সাহিত্য সভাৰ ষট্চত্বাৰিংশ "শুৰালকুছি অধিবেশনৰ (১৯৭৯, ৯-১১ ফ্ৰেঃ) স্মৃতিগ্ৰন্থ, - শুৰালকুছি জ্যোতি"ত সন্নিৱিষ্ট 'শুৰালকুছিৰ সত্ৰানুষ্ঠান'ৰ সমল সন্ধানৰ সময়ত অভিজ্ঞ আৰু বয়োজ্যেষ্ঠ কেবাজনো ব্যক্তিয়ে ওপৰোক্ত আতৈসকল সত্ৰখনৰ "সত্ৰাধিকাৰ নাছিল, কানু বুঢ়া ঠাকুৰৰ সমসাময়িক ভকতহে আছিল" বুলি মন্তব্য দিছিল (হৰিজয় মহন্তক বাদ দি)। হৰিজয় মহন্তহে সত্ৰখনৰ প্ৰথম সত্ৰাধিকাৰ আছিল। ওপৰোক্ত আতৈসকলে একেলগে নাম প্ৰসঙ্গ কৰি এজনৰ শূন্য স্থান আনজনে পূৰ্ণ কৰি নাম-প্ৰসঙ্গৰ লগতে সত্ৰখন পৰিচালনা কৰিছিল। কিন্তু, ১৯৩৮ চনত প্ৰকাশ হোৱা প্ৰয়াত লিখক হৰমোহন দাসৰ "সাধু বুদৰাম মহন্ত" নামৰ পুথিখনত কানু বুঢ়া ঠাকুৰ আতৈৰ পৰা হৰিজয় মহন্তলৈকে আটাইজনে সত্ৰৰ "অধিকাৰ" বুলি উল্লেখ কৰা হৈছে। তাৰোপৰি গাঁওৰ কিছু সংখ্যক লোকেও এই মতটোকে সমৰ্থন কৰে। হৰিজয় মহন্তৰ পিছত "সাধু বুদৰাম মহন্ত" সত্ৰাধিকাৰ হয়। ১৮০২ ইং চনত সাধু বুদৰাম মহন্তৰ জন্ম হয়। তেওঁৰ পিতৃ ভথৌ ৰাম মহন্ত; মাতৃ আয়মালা।

পুৰাতন সত্ৰ বা সত্ৰাধিকাৰসকলৰ কাল নিৰূপণৰ ক্ষেত্ৰত 'কথা গুৰু চৰিত' পুথিত এটি গড় নিয়ম উল্লেখ কৰা আছে। সেইমতে পূৰ্বৰ সত্ৰ বা সত্ৰাধিকাৰসকলৰ পৰা বৰ্তমানলৈ ক্ৰম সংখ্যা নিৰ্ণয় কৰি উক্ত সংখ্যাক এজনাৰ কাৰ্যকাল গড়ে পোন্ধৰ বছৰকৈ ধৰি ইয়াৰে পূৰণ কৰি বৰ্তমানৰ কাল নিৰূপণ কৰিব পাৰি। এনেকৈয়ে "১৯৫০ চনৰ ১৪ জানুৱাৰীৰ নতুন 'অসমীয়া'ত 'চৰিত তোলা প্ৰথা আৰু কথা গুৰু চৰিতৰ বক্তা' বোলা আলোচনাত ডঃ মহেশ্বৰ নেওগদেৱে সময় নিৰ্ধাৰণ কৰিছে" বুলি প্ৰতীয়মান কৰিছে। ওপৰোক্ত সূত্ৰ প্ৰয়োগ কৰি সাধু বুদৰাম মহন্তৰ সময়লৈকে ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ প্ৰতিষ্ঠাৰ কাল নিৰ্ণয় কৰিব পাৰি — বুদৰাম সত্ৰাধিকাৰৰ পূৰ্বৰ সকলো আতৈক একোজনা সত্ৰাধিকাৰ হিচাপে গণ্য কৰিলে প্ৰতিষ্ঠাপক কানু বুঢ়া ঠাকুৰৰ পৰা সত্ৰাধিকাৰ হৰিজয় মহন্তলৈকে ৭ পুৰুষ পূৰণ ১৫ বছৰ কাৰ্যকাল গড়ে = ১০৫ বছৰ মুঠ হয়। বুদৰাম সাধু পুৰুষৰ জন্ম ১৮০২ খ্ৰীঃত এতেকে ১৮০২-১০৫=১৬৯৭ খ্ৰীঃত ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ প্ৰতিষ্ঠা হৈছিল।

শুৰালকুছিৰ ধৰ্মীয় ইতিহাসত ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ প্ৰতিষ্ঠা এটি যুগান্তকাৰী ঘটনা। এই সত্ৰখনক উদাসীন সত্ৰ বা কেৱলীয়া সত্ৰ বুলি কোৱা হয়। প্ৰতিষ্ঠাপক কানু বুঢ়া ঠাকুৰৰ কোনো ইতিহাস পোৱা নগ'ল। আনহাতে মন্মথ আতৈ, গকুল আতৈ, নকুল আতৈ, কলা কানু ঠাকুৰ আদি আতৈসকলৰ বংশ লতা থকা বুলি গাঁওখনৰ কোনো কোনো লোকৰ পৰা শুনা গৈছে যদিও তাৰ একো আতি-গুৰি বিচাৰি পোৱা নগ'ল। উদাসীন সত্ৰৰ পূৰ্বোক্ত সত্ৰাধিকাৰসকলৰ বংশলতা থকা কথাটো সন্দেহৰ আবৰ্তত। এইটো প্ৰকৃততে বিচাৰ্যৰ বিষয়। মহাপুৰুষ মাধৱদেৱৰ বাৰজনা ভক্তৰ বা আচাৰ্যৰ অনুকৰণত সাধু বুদৰাম মাধৱ মহন্ত বাপেও প্ৰধান ভক্ত মনোনীত কৰাৰে পৰা 'বাৰঘৰীয়া' বুলি কেইটামান ভক্ত পৰিয়াল আছিল। তেওঁলোকৰ উত্তৰাধিকাৰীয়ে এতিয়াও সত্ৰত মান পায়। সত্ৰৰ ইতিহাস অধ্যয়নত এই তথ্যসমূহ অতি প্ৰয়োজনীয়। ইতিহাসৰ প্ৰতি শ্ৰদ্ধা থকা লোকলৈ ইয়াৰ বাবে দৃষ্টি আকৰ্ষণ কৰা হ'ল। ৰামনিধি মহন্ত, হৰিজয় মহন্ত, বুদৰাম মহন্ত, লক্ষ্মীকান্ত মহন্ত, মাধৱ চন্দ্ৰ মহন্ত, মুক্তিয়াৰ সোণেশ্বৰ আতৈ আৰু ভগ্নেশ্বৰ মহন্ত আদি সত্ৰাধিকাৰ বাপসকল আটাইকেইজনেই উদাসীন। লগতে আমি জনাৰে পৰা ইয়াৰ আবাসী বাপ-বান্ধৱসকল আটাইবোৰ উদাসীন। আচলতে সত্ৰীয়া পাৰম্পৰিক সংস্কৃতিমতে উদাসীন বাহাত সংসাৰী লোকৰ প্ৰৱেশ নিষেধ কৰা আছে।

উদাসীন সত্ৰ হিচাপে ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰই শুৰালকুছিবাসী লোকৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে। জাতি, বৰ্ণ, ধৰ্ম, সম্প্ৰদায় নিৰ্বিশেষে সকলো লোকৰে সত্ৰখনৰ প্ৰতি গভীৰ ভালপোৱা, শ্ৰদ্ধা-ভক্তি আছে। সত্ৰখনৰ গণভিত্তিক লেখত ল'বলগীয়া। গুৰুসকলে প্ৰতিষ্ঠা কৰা মুখ্য মুখ্য (বিশেষকৈ বৰপেটা) সত্ৰৰ অনুকৰণত ইয়াত ধৰ্মীয় বিভিন্ন অনুষ্ঠানসমূহ উদ্‌যাপিত হয়। নাম-প্ৰসঙ্গ, খোল-তাল আদিৰ চৰ্চা আৰু অনুশীলন, নাট-ভাওনা, ধৰ্মীয় গীত-মাত, বৰগীত আদিৰ চৰ্চা, পৰিচালন আৰু প্ৰদৰ্শন, ভাগৱত আৰু গীতা পাঠ নিয়মিতভাৱে হৈয়েই থাকে। শ্ৰীকৃষ্ণৰ দৌলযাত্ৰা এটা লেখত ল'বলগীয়া জাকজমকতা পূৰ্বক বাৎসৰিক উৎসৱ।

শ্ৰীশ্ৰীহাটীসত্ৰখন বৰ্তমানৰ পৰ্যায়লৈ গঢ় দিয়াত বুদৰাম মহন্ত সত্ৰাধিকাৰদেৱৰ নাম কৃতজ্ঞতাৰে সুৱৰিব লাগিব। সত্ৰখনৰ বাৰ্ষিক উন্নয়নৰ বাবে নিৰ্মাণ কৰা ৫০ বিঘা মাটিৰ আদৰ্শ পামখনৰ নাম আছিল 'বাহবাৰী'। সত্ৰাধিকাৰ মাধৱ চন্দ্ৰ মহন্ত বাপে এই বাৰীখন ১৯৬৩ ইং চনত হ'ব লগা শুৰালকুছি কলেজখনলৈ দান দিয়াত ইয়াতেই শুৰালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ কলেজখন প্ৰতিষ্ঠা হৈছে। কলেজখন যেন শ্ৰীশ্ৰীহাটীসত্ৰৰ অক্ষয় জ্যোতি। এই বস্তিৰ জ্যোতিয়ে অকল শ্ৰীশ্ৰীহাটীসত্ৰকেই নহয় সমগ্ৰ শুৰালকুছিকে যুগযুগান্তৰলৈকে ব্যক্তি গঢ়াৰ প্ৰচেষ্টাত উদ্ভাসিত কৰি ৰাখিব। ■

প্ৰসঙ্গ টোকা ঃ

১) কথা গুৰুচৰিত — উপেন লেখাৰু।
২) শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ — লঃ নাঃ বেজবৰুৱা।
৩) পঢ়িয়া মাধৱ আতাৰ চৰিত — ডঃ মহেশ্বৰ নেওগ (সম্পাদনা)।
৪) সাধু বুদৰাম মহন্ত — ঁ হৰমোহন দাস।
৫) শুৰালকুছি জ্যোতি — অসম সাহিত্য সভা, শুৰালকুছি।
৬) মুৰাৰি আতৈৰ চৰিত — মুৰাৰি আতৈ তিথি উদ্‌যাপন সমিতি।
৭) লক্ষ্মীকান্ত আতৈৰ চৰিত — সম্পাদনা - প্ৰফুল্ল চন্দ্ৰ মহন্ত।
৮) অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত — সত্যেন্দ্ৰ নাথ শৰ্মা।

# ক্রীড়া আৰু শুৱালকুছি

দিলীপ মেধি

খেলা-ধূলা মানুহৰ সহজাত অভিপ্ৰায়। ইয়ে মানুহক প্ৰদান কৰে স্বাধীনতা, স্বভাৱজাত-প্ৰবৃত্তিৰ মুক্ত প্ৰকাশৰ সুযোগ আৰু অনাবিল আনন্দ। খেলাৰ মাধ্যমত শক্তি সংৰক্ষণ আৰু শৰীৰৰ অংগ-প্ৰত্যংগৰ সমৰূপ বৃদ্ধি সম্ভৱ হয়। সুস্থ-সবল মানুহ অসীম সাহসৰ অধিকাৰী হয় আৰু জীৱন সংগ্ৰাম হৈ পৰে এখন সহজ 'ওৰাটাৰলু'।

বিশ্ববিজয়ী বীৰ নেপোলিয়নক পৰাস্ত কৰাৰ বাবে ব্ৰিটেইনবাসীয়ে শক্তি আৰু সাহস লাভ কৰিছিল খেল পথাৰত। প্লেটোৱে শাৰীৰিক শিক্ষা আৰু মানসিক শিক্ষাৰ সমতাত গুৰুত্ব আৰোপ কৰিছিল। আনহাতে এৰিষ্টটলে সাহিত্য আৰু সংগীতৰ পিছতে খেলা-ধূলাৰ শিক্ষাত জোৰ দিছিল। সেই কাৰণে গ্ৰীকসকলে শিক্ষাৰ পূৰ্ণ বিকাশৰ বাবে নন্দনতত্ত্ব, খেলা-ধূলা আৰু গণিত (Aesthetics, Athletics and Mathematics) বিষয়ৰ শিক্ষা দান দিছিল। ভাৰতবৰ্ষতো সংসাৰত্যাগী ঋষি, মুনি আৰু সংসাৰ প্ৰয়াসী ৰজা-মহাৰজাসকলৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ বাবে প্ৰয়োজন হৈছিল খেলা-ধূলা আৰু যোগাসনৰ। সু-স্বাস্থ্যৰ বাবে বেদ-উপনিষদৰ সময়তো যুদ্ধ-কৌশল, ধনু চালনা, চিকাৰ কৰা আদি শাৰীৰিক শিক্ষাৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত হৈছিল। অতি প্ৰাচীন কালৰপৰাই সুখ, স্বাচ্ছন্দ্য আৰু আনন্দমুখৰ জীৱন-যাপনৰ বাবে সুস্থ শৰীৰ আৰু মনৰ অধিকাৰী আদৰ্শৰান (Ideal man) ব্যক্তিৰ পোষকতা কৰা হৈছিল। সেয়েহে আজি সমগ্ৰ বিশ্বতে খেলা-ধূলাৰ ব্যাপক সমাদৰ পৰিলক্ষিত হৈছে। বিশেষকৈ প্ৰথম আৰু দ্বিতীয় বিশ্বৰ লগতে সমাজবাদী-ৰাষ্ট্ৰসমূহতো খেলা-ধূলাৰ প্ৰৱণতা সৰ্পিল গতিত বৃদ্ধি পাইছে আৰু ই আন্তৰ্জাতিক সহযোগিতাৰ অন্যতম কাৰক হিচাপে চিহ্নিত হৈছে।

বৰ্তমান বিশ্বৰ মানচিত্ৰত মানৱ জাতিৰ সৰ্বাংগীণ উন্নতিৰ পথত ক্ৰীড়া এবিধ অপৰিহাৰ্য অংগ হৈ পৰিছে। আজি বিশ্বৰ প্ৰগতিশীল দেশসমূহে উন্নতিৰ জখলাত আগুৱাই যোৱাৰ প্ৰতি লক্ষ্য কৰিলে এটা কথা স্পষ্টভাৱে পৰিলক্ষিত হয় যে উক্ত দেশসমূহে নিজ নিজ দেশৰ জনসাধাৰণৰ সৰ্বাংগীণ উন্নতিৰ এই খেলা-ধূলাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ কাৰণ হ'ল— খেলা-ধূলাই একো একোজন নাগৰিকক নিজৰ শাৰীৰিক উৎকৰ্ষ সাধন কৰাত যথেষ্ট সহায় কৰাৰ লগতে খেলা-ধূলাৰ জৰিয়তে প্ৰত্যেক দেশৰ জনসাধাৰণৰ মাজত এটা সুস্থ বাতাৱৰণ গঢ়ি তোলাত যথেষ্ট ইন্ধন যোগায়।

বিশ্বৰ প্ৰগতিশীল দেশসমূহত এজন সুদক্ষ খেলুৰৈক নিজৰ দেশৰ গৌৰৱ তথা জাতীয় সম্পদৰূপে গণ্য কৰে। ক্ৰীড়া জগতত ইতিমধ্যে নিজৰ দক্ষতা প্ৰতিপন্ন কৰিবলৈ সক্ষম হোৱা দেশসমূহে অতি কম বয়সৰ পৰাই একো একোজন খেলুৰৈৰ শাৰীৰিক গঠনৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰি বিজ্ঞানসন্মতভাৱে দক্ষতাৰ পৰীক্ষা লোৱাৰ অন্তত শৰীৰ গঠন আৰু মাংসপেশীৰ দক্ষতা অনুযায়ী যি খেলত পাৰদৰ্শিতাৰ গোন্ধ থাকে, সেই খেলতে খেলুৰৈগৰাকীক নিৰ্বাচিত কৰি উপযুক্ত সা-সুবিধা আৰু প্ৰশিক্ষণেৰে এজন সুযোগ্য খেলুৰৈৰ সৃষ্টি কৰি দেশৰ গৌৰৱ বাহাল ৰাখে।

এগৰাকী দক্ষ খেলুৰে গঢ়ি তোলাৰ কথা মনলৈ অহাৰ লগে লগে প্ৰয়োজন হয় এখন উন্নত মানদণ্ডৰ খেলপথাৰ, খেলৰ উপযুক্ত সা-সঁজুলি, উপযুক্ত বাতাৱৰণ আৰু প্ৰণালীবদ্ধ প্ৰশিক্ষণ। ভাৰতবৰ্ষৰ অৰ্থনৈতিক দিশ দুৰ্বল হোৱা বাবেই উপযুক্ত খেলুৰৈৰ সৃষ্টিত নানান আহুকালে দেখা দিছে। অৰ্থ সংকটৰ বাবেই ভাৰতবৰ্ষত আজিও অতি উন্নতমানৰ উপযুক্ত বিজ্ঞানসন্মত খেলপথাৰৰ অভাৱ, উপযুক্ত সা-সঁজুলি আৰু প্ৰণালীবদ্ধ প্ৰশিক্ষণৰ অভাৱ, লগতে যোগ্য খেলুৰে নিৰ্বাচন কৰাত উপযুক্ত প্ৰশিক্ষকৰো অভাৱ। এনেবোৰ কাৰণৰ বাবেই প্ৰচুৰ সম্ভাৱনা থকা খেলুৰেও আজি নিজৰ দেশতে এলাগী হৈ পৰি ৰৈছে। ভাৰতবৰ্ষৰ প্ৰতিজন নাগৰিকৰ বাবেই এয়া এক দুৰ্ভাগ্যজনক কথা। ভাৰতবৰ্ষত এজন দক্ষ খেলুৰৈয়ে খেলৰ লগত শিক্ষাৰো চিন্তা কৰিবলগীয়া হয় জীৱন নিৰ্বাহৰ বাবে। কিন্তু জাৰ্মান, ব্ৰাজিল, ইংলেণ্ড আদি আগশাৰীৰ দেশসমূহে উচ্চমানৰ খেলুৰৈক জীৱন নিৰ্বাহৰ সকলো সুবিধা কৰি দিয়ে, য'ত শিক্ষাৰ কোনো বাধ্য-বাধকতা নাই। আনকি এনে খেলুৰৈসকলে খেলৰ পৰা অৱসৰ ল'লে সেই দেশৰ চৰকাৰে পেঞ্চন আদি দি পৰিয়াল পোহ-পালৰ ব্যৱস্থা কৰি দিয়ে। ভাৰতবৰ্ষত খেলৰ লগতে সাধাৰণ শিক্ষাৰ আৱশ্যক হোৱাত খেলুৰৈসকল নানান অসুবিধাৰ সন্মুখীন হৈছে আৰু খেলুৰৈৰ সৃষ্টিত বাধা আহি পৰিছে। এনেবোৰ বিয়োগাত্মক দিশৰ বাবেই ভাৰতবৰ্ষ তুলনামূলকভাৱে খেলৰ দিশত কিছু পিছ পৰি আছে।

ঠিক তেনেদৰে ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ তুলনাত অসমৰ ক্ৰীড়াৰ পথাৰখনো উন্নতমানৰ নহয়। অসমৰ দুৰ্বল অৰ্থনৈতিক অৱস্থাৰ বাবে অসমৰ জনসাধাৰণে যিটো সময়ত এসাঁজ অন্ন আৰু এযোৰ বস্ত্ৰৰ কথা চিন্তা কৰি সময় অতিবাহিত কৰিবলগীয়া হৈছে, সেই সময়ত অসমত ক্ৰীড়া উন্নতিৰ কথা ভাবিবলৈ সময়েবা ক'তঙ্গ অসমত ক্ৰীড়াৰ বাঘজৰী ধৰা অনুষ্ঠানবোৰৰ দুৰ্বল দৃষ্টিভংগীৰ বাবেই অসমত ক্ৰীড়াৰ পয়ালগা অৱস্থা। বৈষম্যমূলক নিৰ্বাচন পদ্ধতি আৰু পালমৰা বিধৰ প্ৰশিক্ষণৰ বাবেই অসমৰ বহুত সম্ভৱনাপূৰ্ণ খেলুৰে আজিও নিজৰ দক্ষতা প্ৰদৰ্শনত শোচনীয়ভাৱে ব্যৰ্থ হৈছে। অৱশ্যে অসমে ৰাষ্ট্ৰীয় ক্ৰীড়া অনুষ্ঠিত কৰি

অসমৰ ক্রীড়া দিশটোত অধিক সজীৱতা অনা পৰিলক্ষিত হৈছে। বৰ্তমান অসমত কেবাখনো উন্নতমানৰ ষ্টেডিয়াম নিৰ্মাণ হোৱাত খেলুৱৈসকলে যথেষ্ট সা-সুবিধা লাভ কৰিবলৈ সক্ষম হৈছে। আমাৰ বাবে এইটো এটা শুভ লক্ষণ বুলি ক'ব পৰা যায়। পৰৱৰ্তী দিনত দক্ষতাপূৰ্ণ খেলুৰৈ সৃষ্টি হোৱাৰ সম্ভাৱনা যথেষ্ট আছে। আনহাতে কামৰূপ জিলা প্ৰশাসনে শুৱালকুছিত এটা চুইমিং পুল স্থাপন কৰি উঠি অহা চামক সাঁতোৰ খেলৰ লগত চিনাকি কৰি দিছে। আনকি উপযুক্ত প্ৰশিক্ষণেৰে এইসকলৰ কেৰাজনে সাঁতোৰ খেলুৰৈ সৃষ্টি কৰি জিলা ভিত্তিত অনুষ্ঠিত সাঁতোৰ প্ৰতিযোগিতাত পুৰস্কাৰ বুটলিবলৈ সক্ষম হৈছে। প্ৰতি বছৰে মাৰ্চৰপৰা অক্টোবৰলৈ এই চুইমিং পুলটিত প্ৰশিক্ষণ আৰম্ভ হয়। প্ৰশিক্ষাৰ্থীৰ সংখ্যা আশাব্যঞ্জক। অসমৰ খেলপথাৰখন অধিক উন্নত কৰিবলৈ হ'লে পৃথিৱীৰ ক্রীড়া উন্নতিশীল দেশসমূহৰ আৰ্হি গ্ৰহণ কৰিব লাগিব।

অসমৰ মানচেষ্টাৰ, স্বৰ্ণ বস্ত্রনগৰী শুৱালকুছি ক্রীড়াৰ দিশো একেবাৰে মজবুত নহয়। আৱহমান কালৰপৰাই শুৱালকুছিত খেলা-ধূলাৰ চৰ্চা আছিল যদিও প্ৰকৃততে প্ৰাক্ স্বাধীনতা কালৰপৰাহে শুৱালকুছিৰ চেমনীয়াসকলে নামঘৰ, চোতালঘৰ, ব্ৰহ্মপুত্ৰৰ চাপৰি, ৰাজহুৱা পথ, চনমাটি আদি বিভিন্ন ঠাইত খেলা-ধূলা কৰি তেওঁলোকে লাভ কৰিছিল অফুৰন্ত শক্তি, কৰ্মপ্ৰেৰণা, কৰ্মকুশলতা, শৃংখলাবদ্ধতা, দায়িত্ববোধ আৰু কৰ্তব্যবোধ। সেই সময়ৰ খেলবোৰ হ'ল— হিউ বা হাউ খেল, বহা উঠা, খুঁটি খেল, লুকা-ভাকু, ৰচ-কছ, টাঙোন খেল, হাঠা খেল, কুকুৰ-মেকুৰী খেল, নাৰিকল ভঙা খেল, চোৰ-পুলিচ, কড়িখেল, ঢোপ খেল, দৌৰ খেল, ওখ জাঁপ, বাঘ বৰল খেল, পাখা খেল, তাচ খেল, গুটি লুকুৱা খেল আদি স্মৰণযোগ্য। ফুটবল খেল আৰম্ভ হয় ১৯৩২ চন মানৰপৰা। সেই সময়ত ফুটবল খেল শিক্ষানুষ্ঠানসমূহতে সীমাবদ্ধ আছিল। ১৯৩৩ চনত শুৱালকুছিত সৰ্বপ্ৰথমে গঠন হয় ইম্পেৰিয়েল ক্লাব। সমাজকৰ্মী হেম দাসৰ নেতৃত্বত এই ক্লাবে পলাশবাৰী আৰ. বি. হাইস্কুল খেলপথাৰত ফুটবল খেলি একেৰাহে তিনিবছৰ চেম্পিয়ন হৈ যোগেশ তামুলী মেম'ৰিয়েল চিল্ড লাভ কৰি শুৱালকুছিৰ খেলপথাৰ দৰ্শনীয় আৰু প্ৰতিষ্ঠিত কৰি তুলিবলৈ সক্ষম হয়। ইয়াৰ পিছত ১৯৩৭ চনত জবৰজং ক্লাব আৰু ১৯৪৮ চনত হোকাইডোং ক্লাবৰ জন্ম হয়। ঠিক তেনেদৰে ১৯৫১ চনত হেম দাস আৰু প্ৰমোদ চন্দ্ৰ মড়লৰ নেতৃত্বত গঠন হয় শুৱালকুছি ফুটবল এছোচিয়েছন, ১৯৫৬ চনত বেষ্ট ইলেভেন ক্লাব আৰু ১৯৫৮ চনত ৰমা বৈশ্যৰ নেতৃত্বত শুৱালকুছি টাউন ক্লাব গঠন হয়। সেই সময়ৰপৰাই শুৱালকুছিত ফুটবল খেল অতি জনপ্ৰিয় হৈ পৰে আৰু দৰ্শকৰ উৎসাহত শুৱালকুছিৰ দলসমূহ অধিক শক্তিশালী হৈ উঠি শুৱালকুছিৰ খেলপথাৰ মজবুত কৰি তোলে। ১৯৫৬ চনত হৰমোহন দেৱান (ডম্বৰু), কণ মড়ল আৰু বংশৰৰ উমা গোস্বামীয়ে বৰদলৈ ট্ৰফীৰ ছেমি ফাইনেল পৰ্যন্ত খেলি শুৱালকুছিৰ গৌৰৱ ৰাখি থৈ গৈছে। ১৯৬৪ চনত টাউন ক্লাবৰ প্ৰতিষ্ঠাপক সুদক্ষ খেলুৰে ৰমা বৈশ্যই নগাঁৱত অনুষ্ঠিত স্বাধীনতা দিৱস ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেলত পঞ্জাবৰ "জলন্ধৰ" টিমৰ বিৰুদ্ধে খেলি শুৱালকুছিৰ সন্মান অটুট ৰাখে। পঞ্চাছৰ দশকত ইয়ং ক্লাব আৰু নতুন বাগান ক্লাবৰ জন্ম হৈ শুৱালকুছিৰ খেলপথাৰ অধিক শক্তিশালী কৰি তোলে। ষাঠিৰ দশকৰ পিছত শুৱালকুছিত ভালেমান সম্ভাৱনাপূৰ্ণ খেলুৰৈৰ সৃষ্টি হোৱাত শুৱালকুছিত ফুটবল খেলৰ আসন সুদূৰপ্ৰসাৰী আৰু অধিক মজবুত হৈ পৰে। সেই সময়তে শুৱালকুছিত ভালেমান ক্লাবৰ জন্ম হয়। ১৯৬২ চনত গোল্ডেন এথলেটিক ক্লাব, ১৯৬৫ চনত লাচিত স্পৰ্টিং ক্লাৰ, ১৯৭০ চনত শুৱালকুছি ক্রীড়া সস্থা, ১৯৭৫ চনত ভাটিপাৰা একাদশ ক্লাব, সমসাময়িক ভাৱে পূৰ্বাঞ্চল ক্লাব, বাঘেশ্বৰ স্পোৰ্টছ ক্লাব, ইউনাইটেড ক্লাব, অসমজ্যোতি ক্লাব, নৱ যুৱক সংঘ, বিকাশ সংঘ, বহ্নিমান ক্লাব, গুডমৰ্ণিং ক্লাব, বাপুজী ক্লাব, ইয়ং ইলেভেন ষ্টাৰ ক্লাব, ওৱেষ্ট ইলেভেন ক্লাব, যুৱ এথলেটিক ক্লাব, বিশ্বজ্যোতি ক্লাব স্মৰণযোগ্য। ফুটবলত আশীৰ দশকত প্ৰশান্ত ভৰালী ভাৰতীয় ক্রীড়া প্ৰাধিকৰণৰদ্বাৰা আৰু নৱৈৰ দশকত নিৰোদ (যুগল) চৌধুৰীয়ে গুৱাহাটী ক্রীড়া সস্থাৰ দ্বাৰা যোগ্য খেলুৰে হিচাপে নিৰ্বাচিত হৈ চাব জুনিয়ৰ দলৰ হৈ ফুটবল খেলাৰ লগতে গুৱাহাটীৰ কেৰাটিও যোগ্যতাসম্পন্ন দলৰ হৈ খেলি নিজৰ পাৰদৰ্শিতা প্ৰতিপন্ন কৰাৰ উপৰি শুৱালকুছিৰ ক্রীড়া সন্মানো অটুট ৰাখিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে এই দুগাৰাকী খেলুৰে ভাটিপাৰা একাদশ ক্লাবৰ সৃষ্টি। ৰুমী বায়নে ৰাজ্যিক আৰু জিলা ভিত্তিত অনুষ্ঠিত বিভিন্ন ক্রীড়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি স্থান দখলেৰে পুৰস্কাৰ বুটলি শুৱালকুছিৰ সুনাম অৰ্জন কৰে।

ইতিমধ্যে শুৱালকুছিৰ জনপ্ৰিয় ফুটবল খেলৰ বিভিন্ন প্ৰতিযোগিতা সময়ে সময়ে অনুষ্ঠিত হৈ আহিছে। আনহাতে শুৱালকুছিত আগশাৰীৰ ক্লাববোৰেও অসমৰ বিভিন্ন ঠাইত হোৱা বিভিন্ন ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণেৰে নিজৰ দক্ষতা প্ৰদৰ্শন কৰাৰ লগতে শুৱালকুছিকো এই দিশত উজলাই ৰাখিছে। সীমিত সুবিধা, উপযুক্ত খেলপথাৰৰ অভাৱ, অৰ্থনৈতিক দুৰ্বলতা, ক্রীড়া নেতৃত্ববহনকাৰী সংগঠনৰ অভাৱ সত্ত্বেও শুৱালকুছিৰ খেলুৰৈসকলে একমাত্ৰ নিজস্ব পাৰদৰ্শিতাৰে শুৱালকুছিৰ ক্রীড়াৰ দিশ সক্রিয় কৰি ৰখাটো শুৱালকুছিবাসী ৰাইজৰ বাবে পৰম সৌভাগ্য। ইয়াৰ বাবে প্ৰতিজন খেলুৰে ধন্যবাদৰ পাত্ৰ।

ফুটবলৰ উপৰি শুৱালকুছিত ভলীবল, এথলেটিকছ্, নাওখেল, মাৰাথন দৌৰ, সাঁতোৰ খেল, কেৰম, ডাবা খেল, পাঞ্জাখেল, টাইকোৱানডো আৰু কুংফু মাৰচিয়েল আৰ্ট আদিৰ বিভিন্ন প্ৰতিযোগিতা সময়ে সময়ে অনুষ্ঠিত হৈ আহিছে।

উল্লেখযোগ্য যে টাইকোৱানডো আৰু কিক্ বক্সিঙৰ কেৰাগৰাকী খেলুৰৈয়ে ৰাষ্ট্রীয় পৰ্যায়ত চমৎকাৰ খেল প্ৰদৰ্শন কৰি শুৱালকুছিলৈ সন্মান কঢ়িয়াই আনিছে। নিউ কুংফু মাৰচিয়েল আৰ্ট একাডেমীয়েও শুৱালকুছিৰ ক্রীড়া ক্ষেত্ৰ অধিক সজীৱ কৰিছে। এই ক্রীড়া অনুষ্ঠানটোৰ সদস্য/ সদস্যাসকলে ৰাষ্ট্রীয় আৰু ৰাজ্যিয় পৰ্যায়ত পাৰদৰ্শিতা দেখুৱাই শুৱালকুছিৰ গৌৰৱ অক্ষুণ্ণ ৰাখিছে।

১৯৬৫ চনত জন্ম পোৱা নাওখেল প্ৰতিযোগিতায়ো শুৱালকুছিৰ ক্রীড়াৰ দিশ অধিক সক্রিয় কৰি ৰাখিছে। ১৯৮৯ চনত নাওখেল প্ৰতিযোগিতাৰ ৰূপালী জয়ন্তী বৰ্ষৰপৰা মহিলাৰ নাওখেল প্ৰতিযোগিতা অনুষ্ঠিত কৰি মহিলাসকলকো ক্রীড়া দিশলৈ ধাৱমান কৰা পৰিলক্ষিত হৈছে।

শুৱালকুছি ক্রীড়া সস্থা, লাচিত স্পৰ্টিং ক্লাব আৰু সদৌ শুৱালকুছি উদীয়মান যুৱক সমাজেও সদৌ অসম ভিত্তিত পূৰ্ণাংগ পৰ্যায়ত মাৰাথন



সোণালী জয়ন্তী মহোৎসৱ, শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়, (১৯৬৩-২০১৩)

দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি দৌৰবীৰ সকলৰ নিজৰ দক্ষতা প্ৰতিপন্ন কৰাৰ সুবিধা দিয়াৰ লগতে ক্ৰীড়াক্ষেত্ৰ উজ্জ্বল কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। সদৌ অসম ভিত্তিত এথলেটিকছ্ প্ৰতিযোগিতা অনুষ্ঠিত কৰি শুৱালকুছি ক্ৰীড়া সম্থাই ক্ৰীড়াৰ ক্ষেত্ৰত যোগাত্মাক পথ অৱলম্বন কৰিছে। শুৱালকুছিৰ কেবাটিও ক্লাবে ভাটিপাৰা একাদশ ক্লাবৰ খেলপথাৰ আৰু লক্ষ্মীনাথ খেলপথাৰত কামৰূপ জিলা ভিত্তিত ক্ৰিকেট খেল অনুষ্ঠিত কৰি ক্ৰিকেট খেলৰ ধাৰাবাহিকতা বজাই ৰাখিবলৈ সক্ষম হৈছে। শেহতীয়াকৈ শুৱালকুছিৰ মহিলাসকলো ক্ৰীড়াৰ দিশলৈ ধাৱিত হোৱাটো পৰিলক্ষিত হৈছে। শুৱালকুছি আঞ্চলিক মহিলা সমিতিয়ে মহিলাসকলৰ মাজত ক্ৰীড়াৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰি ক্ৰীড়াৰ দিশত মহিলাক আকৰ্ষণ কৰাৰ লগতে সত্তৰ বছৰীয়া মহিলাকো খেলপথাৰলৈ উলিয়াবলৈ সক্ষম হয়। ঠিক তেনেদৰে শুৱালকুছি কালিৰাম কাৰিকৰ ছোৱালী হাইস্কুল আৰু লোকনাট্য সংঘই ছোৱালীৰ মাজত ক্ৰছক্ৰান্তি দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি মহিলাসকলৰ খেলৰ দিশো টনকিয়াল কৰিবলৈ সক্ষম হৈছে। অসমৰ ক্ৰীড়া বিভাগে শুৱালকুছিত কেবাবাৰো ৰাজ্যিক ভিত্তিত আৰু কামৰূপ জিলা ভিত্তিত গ্ৰাম্য ক্ৰীড়া, পাইক অনুষ্ঠিত কৰি ক্ৰীড়াৰ মানচিত্ৰত শুৱালকুছিৰ নাম উজলাই তুলিছে। ক্ৰীড়া বিভাগৰ এই সুযোগ গ্ৰহণ কৰি শুৱালকুছি অঞ্চলৰ খেলুৰৈসকলে নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। ইয়াৰ বাবে অসমৰ ক্ৰীড়া বিভাগ ধন্যবাদৰ পাত্ৰ। শৰীৰ চৰ্চাৰ ক্ষেত্ৰতো শুৱালকুছিৰ এক বিশেষ অৱদান আছিল। ১৯২১ চনত শুৱালকুছি শৰীৰ চৰ্চাৰ ক্ষেত্ৰত অসমৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ আছিল বুলি ক'ব পাৰি। শুৱালকুছিত শৰীৰ চৰ্চাৰ প্ৰথম পাতনি মেলে ডা° নাৰায়ণ চন্দ্ৰ কাকতি। সেই সময়ত শ্ৰীকাকতি আছিল পঞ্চম শ্ৰেণীৰ ছাত্ৰ। চি, আৰ, ডি, নাইডু নামৰ শিক্ষক এজনৰ অনুপ্ৰেৰণাতে পঞ্চম শ্ৰেণীৰ ছাত্ৰ নাৰায়ণ চন্দ্ৰ কাকতিয়ে আৰম্ভ কৰিছিল শৰীৰ চৰ্চাৰ অনুশীলন। প্ৰৱেশিকা পৰ্যন্ত অসমত শৰীৰ চৰ্চা কৰে শ্ৰীকাকতিয়ে। বিদ্যালয়ত পঢ়ি থকা সময়তেই কাকতিয়ে বিভিন্ন বিদ্যালয় আৰু আন আন অনুষ্ঠানৰ আমন্ত্ৰণ ক্ৰমে তেখেতে প্ৰদৰ্শন কৰিছিল ব্যায়াম কৌশল আৰু শৰীৰ চৰ্চা। তেখেতে প্ৰদৰ্শন কৰা কৌশলবোৰ আছিল লাঠীখেল, চুৰিখেল, মাংসপেশীৰ নৃত্য, শিকলি ছিগা, লোহা দাঁতৰে ভাঁজ কৰা ইত্যাদি। এইবোৰ প্ৰদৰ্শন কৰি তেওঁ যথেষ্ট প্ৰশংসা লাভ কৰিছিল আৰু শুৱালকুছিৰ সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল। ডাঃ কাকতিত পিছতে শৰীৰ চৰ্চাত ভাগ লৈছিল ডা° নিত্যানন্দ দেউৰীয়ে। সমসাময়িকভাৱে ভাগ লৈছিল ব্যায়াম বীৰ প্ৰেমদাকান্ত শৰ্মাই। প্ৰেমদাকান্ত শৰ্মা অসমৰ ভিতৰত অপ্ৰতিদ্বন্দ্বী 'সন্তৰণ বীৰ' বুলি স্বীকৃতি লাভ কৰি নিজৰ জন্মভূমি শুৱালকুছিলৈ গৌৰৰ কঢ়িয়াই আনিছিল। ১৯৩৩ চনত প্ৰেমদাকান্ত শৰ্মাই গুৱাহাটী সোণাৰাম স্কুলৰ ছাত্ৰ অৱস্থাতে ৰজাদুৰাৰৰপৰা ফাঁচী বজাৰ ঘাটলৈ হোৱা সাঁতোৰ প্ৰতিযোগিতাত আন্তৰ্জাতিক খ্যাতিসম্পন্ন বীণা ঘোষক পৰাস্ত কৰি এক অভিলেখ গঢ়িবলৈ সক্ষম হৈছিল। শৰ্মাই মাত্ৰ ১৫ মিনিটৰ ভিতৰত লক্ষ্যস্থানত উপস্থিত হৈছিল। কিন্তু বীণা ঘোষক লাগিছিল ৪৫ মিনিট সময়। শৰ্মাৰ সাঁতোৰ কৌশলত মুগ্ধ হৈ উদ্যোক্তাসকলে অসমৰ 'সৰ্বশ্ৰেষ্ঠ 'সন্তৰণ বীৰ' বুলি অভিহিত কৰি মানপত্ৰ প্ৰদান কৰাৰ লগতে স্বৰ্ণপদক প্ৰদান কৰিছিল। ১৯৩৫-৩৬ চনত যোৰহাটত অনুষ্ঠিত 'বেষ্টমেন' প্ৰতিযোগিতাত সৰ্বশ্ৰেষ্ঠ খিতাপ অৰ্জন কৰিছিল। আনহাতে শৰীৰ চৰ্চাত আন এগৰাকী ব্যক্তি আছিল পদ্মৰাম কাকতি। বগা পালোৱান হিচাপে পৰিচিত পদ্মৰাম কাকতিৰ ব্যায়ামৰ কৌশল আছিল অতি আকৰ্ষণীয়। তেওঁ অকল ব্যায়াম প্ৰদৰ্শনতে তিনি ডজনকৈয়ো অধিক পদক বুটলিবলৈ সক্ষম হৈছিল। সৰ্বশ্ৰেষ্ঠ ব্যায়ামবীৰ হিচাপে পৰিচিত পদ্মৰাম কাকতিৰ বিশেষত্ব আছিল চাৰি চুটাৰ পাঁচডাল লোহা একেলগে ভাঁজ কৰা কৌশল। মল্লযুদ্ধৰ কৌশলতো তেওঁ অনন্য আছিল। সেই সময়ত ভালেসংখ্যক যুৱকে শৰীৰ চৰ্চাৰ শিক্ষা গ্ৰহণ কৰিছিল পদ্মৰাম কাকতিৰপৰা। তেখেতসকলে কাকতিক গুৰু হিচাপে মানি লৈছিল। সেই সময়ৰ শৰীৰ চৰ্চাকাৰীৰ ভিতৰত প্ৰভাত চন্দ্ৰ বৈশ্য সাউদ, খগেন্দ্ৰ নাথ মেধি, অচ্যুত চন্দ্ৰ দাস, অক্ষয় কুমাৰ দাস, আনন্দ দাস, ডা° গোলোক চন্দ্ৰ দেউৰী অন্যতম। (তথ্যৰ অভাৱত বিতংভাৱে উল্লেখ কৰিব পৰা নগ'ল।) এইসকলক উত্তৰপুৰুষে শৰীৰ চৰ্চা-ব্যায়াম, মল্লযুদ্ধ আৰু সাঁতোৰ খেলত বিশেষ পাৰদৰ্শিতা দেখুৱাই শুৱালকুছিলৈ যি সন্মান কঢ়িয়াই আনিছিল সেয়া শুৱালকুছিবাসীৰ বাবে সচাকৈয়ে গৌৰৱ। এই প্ৰতিগৰাকী মহান ব্যক্তি শুৱালকুছিৰ নৱ-প্ৰজন্মৰ বাবে নিশ্চয় এক আদৰ্শৰ প্ৰতীক।

প্ৰণালীবদ্ধ প্ৰশিক্ষণ অবিহনে কোনো খেলুৰৈয়ে নিজৰ দক্ষতা সঠিকভাৱে প্ৰতিপন্ন কৰিব নোৱাৰে। সেয়েহে প্ৰতিজন খেলুৰৈৰ বাবে প্ৰশিক্ষণ অতি আৱশ্যক আৰু বাধ্যতামূলক হ'ব লাগে। দুৰ্ভাগ্য যে শুৱালকুছিৰ খেলুৰৈসকলে বাধ্যতামূলক নীতিক কেতিয়াও সমৰ্থন নকৰে। নিজৰ খেয়ালখুচি মতে প্ৰশিক্ষণত অংশ গ্ৰহণ কৰিব বিচাৰে। আকৌ নিজকে উফাইদাং মৰা কিছুমান খেলুৰে অলপ জনা-বুজাৰ পিছতে বহুত জনা দেখুৱাই প্ৰশিক্ষণৰ কঠোৰ নীতি নিয়ম মানিবলৈ অপাৰগ হৈ পৰে। যিকোনো প্ৰতিযোগিতাৰ দুদিনমান আগতে শুৱালকুছিৰ খেলুৰৈয়ে খেলপথাৰত অনুশীলনত নামি প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব বিচাৰে যদিও খেলুৰৈসকলে উপযুক্ত ফল লাভ কৰাৰপৰা বঞ্চিত হ'ব লাগে। এইটোৱে শুৱালকুছিৰ খেলুৰৈৰ বাবে বিয়োগাত্মক দিশ। আন কিছুমান খেলুৰৈয়ে অৰ্থনৈতিক দিশৰ প্ৰতি বেছি গুৰুত্ব দিয়াত খেলাৰ প্ৰতি ধাউতি কমি যোৱাত খেলৰ মানদণ্ড হ্ৰাস হৈ পৰিছে। ৰাগিয়াল বস্তুৰ প্ৰতি যুৱ সমাজ বেছি আকৰ্ষিত হৈ পৰাৰ বাবে আজিৰ কিছু যুৱকৰ স্খলন পৰিস্ফুট হৈ পৰিছে, যাৰ ফলত যুৱ শক্তিৰ উত্থান হ্ৰাস পাইছে। প্ৰণালীবদ্ধ প্ৰশিক্ষণ, নিয়মীয়া অনুশীলন আৰু গাঁওবাসী ৰাইজৰ উৎসাহ-উদ্দীপনা পালে শুৱালকুছিৰপৰা দক্ষ খেলুৰে সৃষ্টি হোৱাটো অনিবাৰ্য।

শুৱালকুছিৰ নতুন প্ৰজন্মক খেলৰ প্ৰতি আকৰ্ষিত কৰি তুলিবলৈ সকলো প্ৰকাৰৰ সুবিধা থকা এখন পূৰ্ণাংগ খেলপথাৰৰ অতি আৱশ্যক। লগতে খেলৰ বিভিন্ন প্ৰতিযোগিতা সময়ে সময়ে অনুষ্ঠিত কৰাটো অতি প্ৰয়োজন। ৰাজনৈতিক চিন্তা পৰিহাৰ কৰি শুৱালকুছিৰ সকলোবোৰ ক্ৰীড়ানুষ্ঠানে ঐক্যবদ্ধ প্ৰচেষ্টাৰে এই দিশৰ প্ৰতি চিন্তা-চৰ্চা কৰিলে শুৱালকুছিৰ ক্ৰীড়াৰ দিশ অধিক উজ্জ্বল হৈ পৰাটো নিশ্চিত।■

**সহায়ক গ্ৰন্থ :**

(ক) শুৱালকুছি জ্যোতি। (খ) শুৱালকুছি ক্ৰীড়া সম্থাৰ স্মৰণিকা।

# শুৱালকুছিত সাহিত্য চর্চা

ৰঞ্জিত কুমাৰ মহন্ত

বস্ত্র নগৰী হিচাপে খ্যাতি অর্জন কৰিবলৈ সক্ষম হোৱা শুৱালকুছি কেৱল পাট-মুগাৰ বস্ত্র উৎপাদনৰ বাবেই যে বিখ্যাত হ'ব পাৰিছে তেনে নহয়। ইয়াত এক ব্যৱসায়িক পৰিৱেশ থাকিলেও ইয়াৰ বৌদ্ধিক তথা বিদ্যায়তনিক পৰিৱেশ অইন দহখন ঠাইৰ তুলনাত কোনো গুণে কম নহয়। নানা প্রতিকূল অৱস্থাৰ মাজেৰে শুৱালকুছিৰ সাহিত্যৰ ক্ষেত্রখন গঢ় লৈ উঠিছে। তাঁতশালৰ ব্যৱসায়ৰ মাজে মাজে সৃষ্টি হৈ আহিছে অমৰ সাহিত্য। আমি এই নিবন্ধত শুৱালকুছিৰ সাহিত্যৰ ক্ষেত্রখনৰ এখন ছবি দাঙি ধৰিবলৈ যত্ন কৰিম। অঞ্চলটোৰ লেখক-লেখিকাসকলৰ সৃষ্টিক উপস্থাপন কৰিবলৈ নম্র প্রয়াস কৰা হৈছে।

পোনতে আমি শ্রীমৎস্বামী কৃষ্ণপুৰী পৰিব্রাজকৰ সাহিত্যিক অৱদানৰ বিষয়ে আলচ কৰিম। এসময়ৰ কটন মহাবিদ্যালয়ৰ মেধাৱী ছাত্র আদিত্য মোহন দাস পিছলৈ শ্রীমৎস্বামী কৃষ্ণপুৰীলৈ সলনি হয়। অসমীয়া সাহিত্যলৈ তেওঁৰ বিশিষ্ট অৱদান 'শ্রীশ্রী শংকৰদেৱ স্তোত্র ৰত্নাৱলী', 'বিশুদ্ধ শ্রীশ্রী ভগৱান গীতা', 'কৌৰৱ গীত', 'বসুন্ধৰী গীত', 'শ্রীশ্রী শংকৰদেৱৰ অষ্টোত্তৰ শতনাম', 'টংকৰী জাতিৰ ইতিবৃত্ত'; প্রমুখ্যে প্রায় ত্রিশখন গ্রন্থ তেওঁ ৰচনা কৰে।

অসমৰ বিদ্যান লোকসকলৰ মাজত অন্যতম জ্যোতিষ্ক হিচাপে জিলিকি উঠা হৰমোহন দাস প্রাক্ স্বাধীনতা কালৰ এগৰাকী প্রখ্যাত লোক। দাসে প্রাক্ স্বাধীনতা কালতে বিদ্যালয়ৰ পাঠ্যপুথিকে ধৰি প্রায় ত্রিশখন গ্রন্থ ৰচনা কৰি অসমীয়া ভাষা সাহিত্যৰ ভঁৰাল চহকী কৰি গৈছে। তেখেতৰদ্বাৰা ৰচনা কৰা গ্রন্থসমূহৰ অন্যতম কেইখনমান গ্রন্থ হ'ল — 'শ্রীমন্ত শংকৰদেৱৰ একশৰণ হৰিনাম ধর্ম', 'শ্রীমন্ত শংকৰ', 'শ্রীকৃষ্ণ', 'মহাপুৰুষ', 'সাধু বুদৰাম মহন্ত'। ইংৰাজী গ্রন্থ 'Contribution of Srimanta Sankardev', 'Janmastami and Bhakti cuture' আৰু 'Sankardeva a study'। গর্গনাথ ভাগৱতী অসমৰ এগৰাকী আগশাৰীৰ পণ্ডিত। তেখেতৰ 'মুগুন' আৰু 'সনাতন', 'ধর্মানুষ্ঠানৰ উপাসনা তত্ত্ব' নামৰ গ্রন্থ দুখন একো একোখন লেখত লবলগীয়া গ্রন্থ। ৰাজনৈতিক দৃষ্টিভংগীৰে লিখা-মেলা কৰা গৌতম মৰলৰ 'ফেডাৰেল আদর্শত ভাৰতৰ পুনৰ গঠন', 'যথার্থতে অসমে বিচাৰে কি ?' আৰু 'ভাৰতীয় জাতি গঠনত ফেডাৰেল শাসন পদ্ধতি' নামৰ গ্রন্থকেইখন লেখত ল'বলগীয়া গ্রন্থ। ৰামেশ্বৰ কলিতাৰ 'স্কাউট গাইড শিক্ষা' এখন মূল্যৱান গ্রন্থ। বিশিষ্ট শিক্ষাবিদ তথা পৰোপকাৰী লোক হিচাপে পৰিচিত লাভ কৰা একশৰণ হৰিনাম ধর্মৰ একান্ত সেৱক হৰিণচন্দ্র কলিতাৰ 'তীর্থ ক্ষেত্র শুৱালকুছি', 'চাই লও এবাৰ মুখনি তোমাৰ' উল্লেখযোগ্য গ্রন্থ। প্রফুল্ল মহন্তৰ 'নতুন সমাজৰ শিক্ষা', 'মনোবিজ্ঞানৰ চমু আভাস'; কাব্যগ্রন্থ 'পদ্মৰাগ' উল্লেখযোগ্য। তেখেতে মহাপুৰুষ মাধৱদেৱৰ বাৰজনা আতাৰ এজনা লক্ষীকান্ত আতাৰ জীৱন চৰিত্রখন সম্পাদনা কৰি উলিয়াইছিল। দিল্লীৰ জামিয়া মিলিয়া ইছলামিয়া বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি শুৱালকুছিলৈ সুখ্যাতি কঢ়িয়াই অনা এইগৰাকী শিক্ষাবিদে ভাষা সাহিত্যলৈ আগঢ়োৱা বৰঙণিৰ বিষয়ে শুৱালকুছিবাসীয়ে চিৰকাল মনত ৰাখিব। ডাঃ সত্যৰাম কাকতিৰ 'বীৰ পূজা', 'শ্বহীদ তর্পণ', 'আৱেগৰ ধ্বনি'; 'শান্তি অভিযান' অন্যতম গ্রন্থ। দীনবন্ধু দাসৰ 'মৰা জীৱনৰ জীয়া স্বপ্ন', 'ভাৰতীয় খাদ্য পৰিস্থিতিত নিয়ন্ত্রিত পৰিয়ালৰ আৱশ্যকতা' নামৰ গ্রন্থই শুৱালকুছিৰ সাহিত্যানুৰাগীসকলক উৎসাহ যোগাইছিল। নাৰায়ণ দাসৰ 'মহাৰাণী', 'শ্রীহর্ষ' আৰু 'বিংশ শতিকাত শ্রীমন্ত শংকৰদেৱৰ আৱশ্যকতা' শীর্ষক গ্রন্থ দুখন তেখেতৰ মৌলিক সৃষ্টি। বিশিষ্ট সমাজকর্মী তথা প্রবন্ধকাৰ দেৰীৰাম দাসৰ ভিয়েটনাম ভ্রমণৰ আধাৰত ৰচিত 'চাইগন' এখন সুখপাঠ্য ভ্রমণ কাহিনী। তেখেতে অসংখ্য প্রবন্ধ আদি লিখিছে। নৱীন কবি হিচাপে পৰিচিত লাভ কৰা অন্যতম কবি মলিন কলিতাৰ 'ভোক' কাব্যগ্রন্থই কাব্যমোদী ৰাইজক যথেষ্ট উপকৃত কৰিছে। তেঁওৰ অসংখ্য কবিতাই অসমৰ বিভিন্ন বাতৰি কাকত-আলোচনীত প্রকাশ হৈছে। গল্পকাৰ হিচাপে ভুমুকি মাৰি কবিতাৰ পথাৰখনত বিচৰণ কৰা কবি প্রাণজিৎ মহন্তই প্রথমতে অনাদী পাঠকৰ সৈতে যুটীয়াভাৱে 'এছাটি সুগন্ধি বতাহ' নামৰ কাব্য-সংকলন এখন প্রকাশ কৰিছিল। তেওঁ নিজে 'সপোনৰ খোলা খিৰিকীয়েদি' নামৰ কাব্য-সংকলন প্রকাশ কৰি প্রতিষ্ঠা লাভৰ পিনে আগবাঢ়িছে। মহন্তৰ কবিতা সন্দর্ভত কাব্য-সমালোচক মনোজ শর্মাৰ মতে শব্দৰ মাজেৰে কবিতাত যি সম্ভাৱনা সৃষ্টি কৰা সম্ভৱ, তেনে ফলপ্রসূ প্রভাৱ (effect) সৃষ্টি কৰাত কবি সফল হোৱা নাই। তেওঁৰ কবিতাৰ পাঠ বিভিন্ন পৰস্পৰবিৰোধী ডিছকোর্ছৰ মাজেৰে গঢ়ি নুঠাত তথা কাব্যচিন্তা আন্তঃপাঠিক, আন্তঃসংযুক্তিৰ অভিজ্ঞতাৰ মাজেৰে আগবাঢ়ি নোযোৱাৰ ফলত কিছুমান একমাত্রিক অভিজ্ঞতা হৈ পৰিছে তেওঁৰ কাব্য নির্মাণৰ কৌশল...। (নিয়মীয়া বার্তা, ২৮ জানুৱাৰী, ২০১৩)। কনক ৰাজমেধি ওৰফে অনাদী পাঠক এগৰাকী প্রতিষ্ঠিত কবি হোৱাৰ আদবাটতেই ইহসংসাৰ ত্যাগ কৰিব লগা হ'ল। তেওঁ ৰচনা কৰা অসংখ্য আধুনিক কবিতাই নৱীন-প্রবীণ আটাইকে মন্ত্রমুগ্ধ কৰি ৰাখিছিল। কবি নীলমণি ফুকনদ্বাৰা উচ্চ প্রশংসিত কনক ৰাজমেধিয়ে 'এছাটি সুগন্ধি বতাহ' যুটীয়া কাব্য-



সোণালী জয়ন্তী মহোৎসৱ, শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়, (১৯৬৩-২০১৩)

সংকলন প্রকাশ কৰাৰ পিছত তেওঁ বৈকুণ্ঠগামী হোৱাৰ পিছত পৰিয়ালে তেওঁৰ নিৰ্বাচিত কবিতাৰ 'নিবেদন' নামৰ সংকলন আকাৰে প্রকাশ কৰি উলিয়ায়। ড° প্রবীণ বৈশ্য মূলতঃ অর্থনীতিৰ অধ্যাপক। 'সমাজবাদ' তেওঁৰ মৌলিক গ্রন্থ, অসমৰ কুটীৰ শিল্প শীর্ষক গৱেষণা গ্রন্থৰ বাবে তেওঁ ডক্টৰেট ডিগ্রী লাভ কৰিবলৈ সক্ষম হৈছে। ড° বৈশ্যৰ অসমীয়া আৰু ইংৰাজী ভাষাত অনেক প্রবন্ধ আদি ৰাষ্ট্রীয়, আন্তঃৰাষ্ট্রীয় কাকত-আলোচনীত প্রকাশ পাইছে। যোগেন্দ্র কলিতাই শ্বহীদ 'মকুন্দ কাকতি' গ্রন্থ প্রণয়ন কৰাৰ উপৰিও একাধিক গ্রন্থ ৰচনা কৰিছে। ড° ভগৱান মৰল এগৰাকী মূলতঃ ভাষাবিদ। ভাষাৰ অর্থনীতিৰ গৱেষক হৈও তেওঁ এখনৰ পিছত এখনকৈ মৌলিক গ্রন্থ ৰচনা কৰি গৈছিল। 'অসম চিন্তা', 'অসমীয়া ব্যাকৰণ জ্যোতি', 'আধুনিক ভাষা বিজ্ঞান', 'কক্ষচ্যুত', 'জয় আই অসম', 'প্রেমাঞ্জলি', 'পাৰিজাত', 'ভাষার্থ বিজ্ঞান', 'মুখ্য নায়ক', 'মহাপুৰুষ শ্রীশ্রী হৰিদেৱ এক সত্য অন্বেষণ', 'ৰত্নগর্ভা কামৰূপ', 'সুৰালকুচি', 'সাহিত্যজ্যোতি', 'সুৰনিজৰা', 'অসমীয়া ভাষাৰ স্বতন্ত্রণা', 'আন্ধাৰ ও বালিৰ স্বপ্ন', 'সঁফুৰা', 'আধুনিকা', 'অবুজ সাঁথৰ' উল্লেখযোগ্য গ্রন্থ। ইংৰাজী গ্রন্থ — 'Assamese : Its Origin and Subtratum Glimpses of Assam'. 'Through the Ages' উল্লেখযোগ্য। সোণেশ্বৰ আতৈৰ 'নিমিনবসিদ্ধসংবাদ'ৰ গদ্যৰূপ এখন ভাল গ্রন্থ।

গল্প-উপন্যাস, শিশু সাহিত্য আদি ৰচনা কৰা কৃষ্ণৰাম দাস মূলতঃ এগৰাকী বিশিষ্ট আধুনিক কবি। আধুনিকতাৰ বৈশিষ্ট্যৰে সমৃদ্ধ 'সোণালী নখৰ জুই' নামৰ কবিতা পুথিখন আজিও কবি সমাজৰ মাজত বিশেষভাৱে সমাদৃত হৈ আহিছে। প্রবীণ সহিত্যানুৰাগীসকলৰ মাজত তেওঁ কবি কৃষ্ণ হিচাপে পৰিচিত। হৰগোবিন্দ বৈশ্য এগৰাকী নিৰৱ সাধক। নিজৰ কৃচ্ছসাধনাৰে এখনৰ পিছত এখন কাব্যগ্রন্থ ৰচনা কৰি বৈশ্যই কবি সমাজৰ মাজত এখন সুকীয়া আসন দখল কৰিবলৈ সক্ষম হৈছে। তেওঁ এগৰাকী গদ্য শিল্পী হিচাপেও পৰিচয় দিবলৈ সক্ষম হৈছে। 'জীয়া প্রেম' আৰু 'মূর্চ্ছনা' দুখন তেওঁৰ সামাজিক উপন্যাস। 'অসমীয়া কৃষ্টি আৰু মহাপুৰুষ শ্রীমন্ত শংকৰদেৱ', 'অসমীয়া কৃষ্টি', 'আমাৰ অসম আৰু মহাপুৰুষ শ্রীমন্ত শংকৰদেৱ' তিনিখন ভাল গ্রন্থ তেওঁ ৰচনা কৰি অসমীয়া ভাষা সাহিত্যৰ ভঁৰাললৈ বিশেষ বৰঙণি আগবঢ়াইছে। 'পক্ষীনি' তেওঁৰ উৎকৃষ্ট মানদণ্ডৰ এখন কাব্যগ্রন্থ। কবি গীতিকাৰ নাৰায়ণ চন্দ্র দাস এগৰাকী আজন্ম শিল্পী। তেওঁৰ ৰক্ত প্রবাহত শিল্প প্রমূল্যৰ স্রোত প্রৱাহমান। তেওঁৰ কবিতা আৰু গীতসমূহত অনুৰণিত হয় কোটিকলীয়া শুৰালকুছিৰ তাঁতশিল্পৰ লগত জড়িত শিপিনীসকলৰ হৃদয়ৰ মর্মবেদনা। শীতৰ ঠেৰেঙা লগা জাৰৰ দিনত পুৱতি নিশাতে উঠি মুগা কটা শিল্পীসকলৰ ছবিখন সুন্দৰকৈ গীতৰ মাজেৰে দাঙি ধৰাত সিদ্ধহস্ত এইগৰাকী শিল্পীয়ে কণ্ঠেৰে অনেক গীত পৰিৱেশন কৰাৰ উপৰিও অনেক গীত-কবিতা ৰচনা কৰি গৈছে। ১৯৭৯ চনত তেওঁ ৰচনা কৰি উলিয়ালে 'পোহৰৰ ৰং মেলালৈ' শীর্ষক গীতি-কবিতাৰ পুথিখনি ৰচনা কৰাৰ উপৰিও তেওঁ 'শ্রীময়ী' নামৰ আন এখন গীতি-কবিতা পুথি আৰু 'তাঁতৰ পাটত মৰম চিকেমিকাই' পুথিখনো অন্যতম পুথি হিচাপে বিবেচিত হৈছে। ৰামধেনু যুগৰ কবি সুশিল শর্মা এগৰাকী প্রথিতযশা কবি হিচাপে পৰিচিত যদিও 'অসমীয়াৰ সংঘাত আৰু সংশয়' আৰু 'অসমীয়া' শীর্ষক গ্রন্থ দুখন লেখত ল'বলগীয়া গ্রন্থ হিচাপে চিহ্নিত হৈছে। তেওঁৰ কাব্য সংকলন 'জোনাক ৰাতিৰ আৰতি'য়ে কাব্যমোদী ৰাইজক উৎসাহিত কৰিছে। ইয়াৰ উপৰিও তেওঁ অনেক প্রবন্ধপাতি লিখি অসমীয়া ভাষা সাহিত্যৰ ভঁৰাল চহকী কৰিছে।

শুৰালকুছিৰ এগৰাকী সাহিত্যসেৱী তথা সমাজকর্মী ৰমেশ চন্দ্র কলিতাই একেধাৰে নাটক, কবিতা, উপন্যাস, নিবন্ধ আদি লিখি ভাষা-সাহিত্যৰ ভঁৰাল টনকিয়াল কৰি থৈ গৈছে। বিশেষকৈ বুৰঞ্জীমূলক উপন্যাস লিখাত সিদ্ধহস্ত কলিতাৰ 'অভিসপ্ত সিংহাসন', 'অমৰজীৱন', 'শুৰালকুছিৰ বুৰঞ্জী' আদি উল্লেখযোগ্য গ্রন্থ। ড° ভূৱন মোহন দাস এগৰাকী খ্যাতনামা নৃতত্ত্ববিদ যদিও তেওঁৰদ্বাৰা ৰচিত 'নৃতত্ত্বৰ চমু আভাস', 'বিৱর্তনৰ পথত মানৱ', 'মানুহ', 'দেউতাৰ কথা' আদি উল্লেখযোগ্য গ্রন্থ। ইয়াৰ উপৰিও তেওঁ ইংৰাজী আৰু অসমীয়া ভাষাত অসংখ্য প্রবন্ধ লিখি ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। নৱ প্রজন্মৰ এগৰাকী সক্রিয় লেখক হিচাপে পৰিচিতি লাভ কৰা বিপুল চন্দ্র কলিতাই বাতৰিকাকত আদিত অসংখ্য প্রবন্ধ লিখি সুনাম অর্জন কৰাৰ উপৰিও 'লক্ষ্যধৰ চৌধুৰী : জীৱন প্রশ্ন আৰু সমিধান' শীর্ষক গ্রন্থৰ উপৰিও নির্বাচিত প্রবন্ধ সংকলন 'ৰামধেনু' গ্রন্থই পাঠক-ৰাইজক আকৃষ্ট কৰাৰ উপৰিও ভাষা-সাহিত্যৰ ভঁৰাল টনকিয়াল কৰিছে। তেওঁ ৰচনা কৰা আন আন গ্রন্থকেইখন হ'ল— 'হিয়াৰ মানুহ লক্ষ্যধৰ চৌধুৰী', 'লোহিত কিনাৰে কী খুচবু' (হিন্দী), 'বালিচন্দা'। সদা মৰল এগৰাকী প্রতিষ্ঠিত লেখক। তেখেতে যিদৰে পাঠ্যপুথি প্রস্তুত কৰি খ্যাতি আর্জিছে ঠিক সেইদৰে বহুমুখী প্রতিভাৰ লেখক হিচাপেও পৰিচিতি লাভ কৰিছে। 'প্রথম প্রেম', 'ৰুছ দেশৰ সাধু' আৰু 'সোণাপুৰ' তেখেতৰ উৎকৃষ্ট গ্রন্থ। ধনেশ্বৰ দাসৰ 'নামঘৰ', 'শংকৰে বোলে বাণী', 'উপেক্ষিত অগ্নিকন্যা' একো একোখন উল্লেখযোগ্য গ্রন্থ। তেওঁ আন কেইবাখনো গ্রন্থ ৰচনা কৰিছে। ডাঃ প্রিয় নাথ শর্মাই 'বহুৰূপী' নামৰ কাব্য সংকলন ৰচনা কৰি আশীৰ দশকত সমাজৰ স্বৰূপ উদঙাই দিছিল। সাহিত্য চর্চাত ব্রতী হৈ থকা গজেন্দ্র ভৰালীয়ে অলপতে তেওঁৰ দুখন কাব্যগ্রন্থ ক্রমে 'সপোনৰ হাঁহি' আৰু 'সঁচা মানুহ বিচাৰি'য়ে কবিতাৰ বেদিত পুষ্প উপহাৰ দিছে। কনকলতা দাস শুৰালকুছিৰ নাৰী শক্তিৰ অন্যতম প্রেৰণাৰ উৎস। বৰগীতৰ এগৰাকী নিষ্ঠাৱান শিল্পী হোৱাৰ উপৰিও তেওঁ গীতিকবিতা ৰচনা কৰাত সিদ্ধহস্ত। ১৯৬৮ চনৰপৰা একেৰাহে ১৫ বছৰ কাল গুৱাহাটী অনাতাঁৰ কেন্দ্রযোগে বৰগীত পৰিৱেশন কৰি শ্রোতাৰ মনত গভীৰ সাঁচ বহুৱাবলৈ সক্ষম হোৱা দাসে 'গীতে মাতে শিকোঁ আহা', 'পদ পঙ্কজামৃত' নামৰ জন্মাষ্টমী আৰু পাচতিৰ গীতৰ সংকলন প্রকাশ কৰাৰ উপৰিও 'গীতে মাতে ওমলিম' আৰু ফকৰা যোজনাৰে সাধু কথা শীর্ষক পুথিৰদ্বাৰা প্রখ্যাত হৈ পৰিছে। তেওঁৰ অসংখ্য গীতিকবিতাৰ উপৰিও তত্ত্বগধুৰ প্রবন্ধ আদি লিখি পাঠকৰ দৃষ্টি আকর্ষণ কৰিবলৈ সক্ষম হৈছে। ভৱানী কলিতাৰ 'মনৰ খবৰ' এখন কাব্যগ্রন্থ। ড° পৰশমণি দাস এগৰাকী উদীয়মান চিন্তাশীল লেখক। এগৰাকী ৰসায়ন বিজ্ঞান বিষয়ৰ গৱেষক হৈও সাহিত্যচর্চাত

তেওঁ বেছ সফল হৈছে বুলিব পাৰি। অসমৰ প্ৰায়বোৰ আগশাৰীৰ আলোচনী, বাতৰিকাকতত তেওঁৰ লেখা প্ৰকাশ পাইছে। এতিয়ালৈকে ড° দাসে লেখা ডেৰ শতাধিক নিবন্ধ, কবিতা, গীত, শিশুগীত, কবিতা আদি প্ৰকাশ হৈছে। ড° দাসে সম্পাদনা কৰা স্মৃতিগ্ৰন্থৰ সংখ্যা চাৰিখন। যুটীয়াভাৱে সম্পাদনা কৰা গ্ৰন্থ হ'ল 'শংকৰী কলাৰ ওজা শিল্পী গন্ধৰাম বায়ন' শীৰ্ষক এখন মনোজ্ঞ গ্ৰন্থ। তেওঁ ব্যস্ততাৰ মাজতো 'প্ৰতিচ্ছবি' নামৰ আগশাৰীৰ আলোচনী এখন সম্পাদনা কৰি গৈছে। শেহতীয়াকৈ 'বিশ্ব দৰবাৰত শ্ৰীমন্ত শংকৰদেৱ : ডঃ উইলিয়াম এল স্মিথ আৰু প্ৰভাত চি দাস' শীৰ্ষক গ্ৰন্থখন ৰচনা কৰি বিশ্ব দৰবাৰত গুৰুজনাক উপস্থাপন কৰিবলৈ কৰা প্ৰচেষ্টাৰ এক নিৰ্মোহ মূল্যায়ন কৰিলে। মহিলা লেখিকা কুমাৰী কামদা বৈশ্যই 'মেঘৰ বিজুলী' নামৰ এখন কাব্যগ্ৰন্থ, 'সোণমইনাৰ সাধু', 'গীতৰ সুৰভী' আদি গ্ৰন্থ লিখি পাঠক-সমাজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰিও বৈশ্যই অসংখ্য কবিতা, প্ৰবন্ধ বাতৰিকাকত, আলোচনী আদিত লিখিছে। মদন মেধি এগৰাকী কাব্যমোদী লোক । শব্দৰ যাদুকৰী শক্তিৰে তেওঁ এখনৰ পিছত এখন কাব্যগ্ৰন্থ ৰচনা কৰাৰ উপৰিও অসমীয়া ভাষা-সাহিত্যৰ সুকীয়া বৈশিষ্ট্যৰে সমৃদ্ধ একাক্ষৰী খোৰাক দিবলৈ সক্ষম হৈছে। তেখেতৰদ্বাৰা ৰচিত গ্ৰন্থসমূহ হ'ল — 'মনকাকলি', 'অগ্নিস্নান', 'জয়গুৰু শংকৰ', 'দেৱদূত আৰু মনুষ্য সংবাদ', 'য'তে সম্প্ৰীতি ত'তে শান্তি', 'হেমহাৰ', 'সুগন্ধি সুবৰ্ণ কমল', 'ভক্তি সৰোবৰত নৱৰত্ন' আদি উল্লেখযোগ্য গ্ৰন্থ। শব্দৰ সৈতে খেলা কৰা এইগৰাকী কথাশিল্পী কবি হিচাপেও খ্যাতিমান। বিশিষ্ট কবি বিভা মৰলৰ 'মাথোঁ তোমাৰ বাবে' শীৰ্ষক কাব্যগ্ৰন্থই কাব্যমোদী ৰাইজক বিশেষভাৱে প্ৰভাৱান্বিত কৰিছে। তেওঁ অসমৰ আগশাৰীৰ একাধিক কাকত-আলোচনীত উৎকৃষ্ট মানদণ্ডৰ কবিতা প্ৰকাশ কৰি আহিছে। অসমৰ বিজ্ঞান সাহিত্যৰ প্ৰসাৰত ড° ৰমেশ চন্দ্ৰ দাসৰ অৱদান স্বীকাৰ কৰিবলগীয়া। তেখেতৰ 'সহজ বিজ্ঞান', 'বিজ্ঞানৰ গল্প' আদি উল্লেখযোগ্য গ্ৰন্থ। 'ঘোকোটা' নামৰ সংবাদ পত্ৰৰ প্ৰকাশ ঘটাই সাহিত্যৰ বাতাৱৰণ সৃষ্টি কৰিব খোজা সুৰেন্দ্ৰ নাথ দাসৰ 'মৎস্য পালন আৰু সংৰক্ষণ'; ধনেশ্বৰ দাসৰ 'নামঘৰ' দুয়োজন লেখকৰ দুখন ভিন্নসুৰী গ্ৰন্থ। ড° লক্ষ্যহীৰা দাস ৰাজৰালা দাস, ভুৱনেশ্বৰী বৈশ্য প্ৰমুখ্যে মহিলা লেখিকাসকলে সাহিত্যৰ ভঁৰাল চহকী কৰি গৈছে। ড° লক্ষ্যহীৰা দাসৰ 'ভাস্বৰ লগ্ন', 'তাপসী', 'অস্কাৰ ৰাইল্ডৰ সাধু' আৰাহনৰ মুহূৰ্ত। ৰাজৰালা দাসৰ 'মহাভাৰতৰ কথা', 'ৰামায়ণৰ কথা', পৌৰাণিক আদৰ্শ নাৰী' আৰু ভুৱনেশ্বৰী বৈশ্যৰ 'বৈষ্ণৱ যুগৰ অসমীয়া সাহিত্য'। অকালতে মৃত্যুবৰণ কৰা ভাৰতী মেধিৰ 'ফল্গু' এখনি সৰু কবিতা পুথি। শৈলেন্দ্ৰ কুমাৰ মৰল এগৰাকী যুক্তি নিষ্ঠতাৰে গদ্য সাধনা কৰা লেখক। তেখেতে অগণন প্ৰবন্ধ আদি অনেক কাকত-আলোচনীত প্ৰকাশ কৰি আহিছে। প্ৰকাশক ওলালে একাধিক গ্ৰন্থ প্ৰকাশ কৰিব পাৰিব বুলি ধাৰণা কৰিব পাৰি। তেওঁৰ 'আমি বিপ্লৱ কৰিম' এখন প্ৰকাশিত নাটক। গংগাধৰ মহন্তৰ 'কীৰ্তন প্ৰসংগ পদ্ধতি' আৰু 'হৰি কীৰ্তন প্ৰসংগ পদ্ধতি' আৰু পালনাম যুগল প্ৰসংগ' আৰু 'নামঘোষা ৰহস্য' গ্ৰন্থই ভক্তপ্ৰাণ পাঠকক আকৃষ্ট কৰি আহিছে। আনন্দৰাম কলিতাৰ 'একতাৰ জীৱন ক্ষমতাৰ মৰণ এখন সামাজিক উপন্যাস, 'বিচিত্ৰ পৃথিৱী বিচিত্ৰ ৰূপ', 'অন্তৰ্দাহ' কবিতা পুথি আৰু 'চেনিৰামৰ চেনিটাৰী' এখন ব্যংগ একাংকিকা নাটক প্ৰকাশ পাইছে। কুঞ্জ মোহন ডেকাৰ কাব্যগ্ৰন্থ 'ৰক্তস্নান' একমাত্ৰ পুথি। ডেকাৰ অনেক তত্ত্বগধুৰ প্ৰবন্ধ কাকত আলোচনীত প্ৰকাশ পাইছে। নাৰায়ণ দাস এগৰাকী প্ৰতিষ্ঠিত লেখক। 'মহাৰাণী' নামৰ উপন্যাসখনৰ উপৰিও 'শ্ৰীহৰ্ষ' আৰু 'বিংশ শতিকাত শ্ৰীমন্ত শংকৰদেৱৰ আৱশ্যকতা' শীৰ্ষক গ্ৰন্থ দুখন পাঠকে আদৰি লৈছে। ড° অপৰ্ণা গোস্বামীয়ে 'শুৱালকুছিৰ সত্ৰসমূহৰ চমু আভাস' শীৰ্ষক গ্ৰন্থ প্ৰণয়ন কৰি আমাৰ গৌৰৱ বঢ়াইছে। নলিনী দেৱান মৰলৰ 'ফুলৰ শৰাই' এখন কাব্যগ্ৰন্থ । সাংসাৰিক ব্যস্ততাৰ মাজতো কবিতাৰ অঞ্জলিৰে ভাষাৰ বেদীত শ্ৰদ্ধা নিৱেদিছে। দেবেন্দ্ৰ নাথ শৰ্মাৰ 'শেৱালি', হলধৰ বৈশ্যৰ 'আউসী', নলিনী মেধিৰ 'মানস প্ৰতিমা' একো একোখন সুন্দৰ কাব্যগ্ৰন্থ। কমল কৃষ্ণ দাসৰ 'চাবুক' এখন কাব্যগ্ৰন্থ। 'চাবুক' সম্পৰ্কে ড° হীৰেন গোহাঁই ডাঙৰীয়াই লিখিছে 'শোষিত আৰু মেহনতী মানুহৰ মুক্তিৰ বাবে কোনো সংকোচ আৰু এলাহ নোহোৱাকৈ তেওঁ যি অহৰহ সংগ্ৰাম কৰিছিল তেওঁৰ কবিতা আছিল সেই সংগ্ৰামৰ এটা অভিব্যক্তি। এই নিভাঁজ আন্তৰিকতাই তেওঁৰ কবিতাৰ শ্ৰেষ্ঠ মূলধন। দীপু দাস আৰু পুলিন দাসৰ যুটীয়া সম্পাদনাত 'সপোনৰ সাঁকো' এখন কাব্য গ্ৰন্থ প্ৰকাশ হয়।

ড° ৰজনীকান্ত দাস এগৰাকী প্ৰগতিশীল সাম্যবাদী লেখক বিজ্ঞানৰ জটিল সূত্ৰৰ মাজত বিচৰণ কৰিও তেওঁ সাহিত্যৰ বহল পথাৰখনত মেটমৰা সাহিত্যৰ কঠিয়া সিঁচি উৰ্বৰ কৰি তুলিছে। মানুহৰ জয়গান গোৱা ড° দাসৰ লেখাত মূৰ্তমান হৈ উঠিছে মানুহক ভালপোৱা ছবি। তেওঁৰ 'যুগনায়ক আইনষ্টাইন' এখন উৎকৃষ্ট গ্ৰন্থ। আইনষ্টাইনৰ সূত্ৰ আৰু মানুহ হিচাপে আইনষ্টাইনৰ বিশ্লেষণে পাঠক-সমাজক বৌদ্ধিক খোৰাক যোগাবলৈ সক্ষম হৈছে। তেওঁৰ আন এখন প্ৰবন্ধ সংকলন হ'ল 'জিজ্ঞাসাৰ যাত্ৰা'; ছদ্মনামেৰে গল্প লিখি গ্ৰন্থৰ ৰূপ দিয়া গ্ৰন্থখন হ'ল 'জুমুঠি'। দীপক মহন্ত সত্ৰীয়া সংস্কৃতিৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত লোক। তেওঁ 'আদি দশম'ৰ গদ্যৰূপ দি লিখি উলিয়াইছে 'প্ৰেম অমৃতৰ নদী' আৰু 'ভক্তি ৰত্নাৱলী'ক গদ্যৰূপত লিখি উলিয়াইছে 'ৰসময়ী মাগোহো ভকতি' শীৰ্ষক গ্ৰন্থাকাৰে। বিশিষ্ট নিবন্ধকাৰ তথা জ্যেষ্ঠ সাংবাদিক লক্ষ্যধৰ কলিতাৰ পত্নী অঞ্জু বৰকটকীয়ে প্ৰগতিশীল নাৰী মুক্তি আন্দোলনৰ সৈতে অহৰহ ব্যস্ত হৈও তেওঁ লিখি উলিয়াইছে দুখন মননশীল গ্ৰন্থ। এখন হৈছে—'অৰ্দ্ধ আকাশ' আৰু আনখন হৈছে 'উৎস-মানুহ'। ইয়াৰ উপৰিও অগণন প্ৰবন্ধ, অনেক কাকত-আলোচনীত প্ৰকাশ পাই আহিছে। নৰহৰি ভৰালী বায়নদেৱে 'খোল বাদন' নামৰ এখন গ্ৰন্থ লিখি শংকৰী কলা-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰত বিশেষভাৱে অৰিহণা যোগাইছে। সাংবাদিক বিশ্বজিৎ দাসৰ 'সপোন যাৰ চিৰ লগৰী' এখন উপন্যাস। তেওঁ আৰু এখন উপন্যাস ছপা কৰি আছে। ঈশ্বৰ ডেকাবাপু সত্ৰৰ ১২ মাঘৰ সভাৰ লগত সংগতি ৰাখি প্ৰকাশ কৰি অহা স্মৃতিগ্ৰন্থ একাধিকবাৰ এই নিবন্ধৰ লেখক আৰু হৰিপ্ৰসন্ন মহন্তৰ সম্পাদনাত প্ৰকাশ পাই আহিছে।

বিশিষ্ট সমাজকর্মী তথা শিক্ষাবিদ শৰৎ চন্দ্র মেধিৰ প্রতি বিশেষ শ্রদ্ধা জ্ঞাপন কৰি প্রকাশ কৰা ৰঞ্জিত কুমাৰ মহন্তৰ সম্পাদনাৰে 'শৰৎ সৌৰভ' গ্রন্থ, শিল্পী পেন্সনাৰ তথা বিশিষ্ট গীতিকাৰ নাৰায়ণ চন্দ্র দাসৰ প্রতি শ্রদ্ধা নিৱেদনেৰে বিপুল কলিতাৰ 'নাৰায়ণ চন্দ্র দাস' দিগন্ত বৈশ্যৰ সম্পাদনাৰে বিশিষ্ট মুক্তিযোদ্ধা কৃতী শিক্ষক ভাৰত বৈশ্যৰ প্রতি শ্রদ্ধা নিৱেদন কৰি 'ভাৰত বৈশ্য অভিনন্দন গ্রন্থ', কমলাকান্ত বৰাৰ সম্পাদনাৰে ভাগৱত ৰসজ্ঞ, মাধৱ চন্দ্র ভাগৱতী অভিনন্দন গ্রন্থ। ৰামধেনু যুগৰ কবি কৃতী শিক্ষক 'সুশীল শর্মা অভিনন্দন' গ্রন্থ লিপিকা তালুকদাৰৰ সম্পাদনাৰে, ড° পৰশমণি দাস আৰু মলিন কলিতাৰ সম্পাদনাৰে 'শংকৰী কলা ওজাশিল্পী গন্ধৰাম বায়ন' শীর্ষক গ্রন্থই ভাষা-সাহিত্যৰ ভঁৰাললৈ চহকী অৱদান আগবঢ়াইছে। আমাৰ অজ্ঞাতে হয়তো অনেক গ্রন্থ, স্মৃতিগ্রন্থ আদি উল্লেখ কৰাৰপৰা বাদ পৰি গ'ল, তাৰ বাবে পাঠক- সমাজৰ ওচৰত এই লেখকে কৰযোৰে ক্ষমা বিচাৰিছো।

শুৱালকুছিৰ সাহিত্যৰ পথাৰখন উর্বৰ কৰি তোলাৰ ক্ষেত্রত শুৱালকুছিৰ একাধিক অনুষ্ঠান-প্রতিষ্ঠানৰ অৱদান স্বীকাৰ কৰিবই লাগিব। ইয়াৰে ভিতৰত অসম সাহিত্য সভাৰ অন্যতম শাখা জ্যোতি সাহিত্য সভা শুৱালকুছিয়ে ১৯৫৫ চনৰ ১২ আগষ্টৰপৰা অবিৰতভাৱে সাহিত্যৰ সেৱা কৰি গৈছে। জ্যোতি সাহিত্য সভাৰ সৌজন্যত ১৯৭২ চনত কামৰূপ সাহিত্য পৰিষদৰ অধিৱেশন, ১৯৭৯ চনত অসম সাহিত্য সভাৰ ৪৬তম অধিৱেশন। ১৯৮৯ চনত সাহিত্য সভাৰ চতুর্দশ লেখক শিবিৰৰ আহ্বান কৰি 'জ্যোতি' নামৰ মুখপত্র প্রকাশ কৰি সাহিত্যসেৱীসকলক উৎসাহ যোগাই আহিছে। আনহাতে সাহিত্যৰ এটি অতি সক্রিয় অনুষ্ঠান শুৱালকুছি সেউজী চ'ৰা। ১৯৮৯ চনৰপৰা বর্তমানলৈ নিৰবচ্ছিন্নভাৱে সাহিত্যৰ সাধনা অব্যাহত ৰখা এই অনুষ্ঠানটিয়ে একমাত্র অনুষ্ঠান যিয়ে প্রতিটো বর্ষত নিয়মীয়াকৈ (২৫ ডিচেম্বৰ) 'সেউজ কণ্ঠ' নামৰ মুখপত্র প্রকাশ কৰি আহিছে। আৰু অনেক আলোচনাচক্র, কবি সম্মিলন আদি অনুষ্ঠিত কৰি অহাৰ উপৰিও বিভিন্ন প্রতিযোগিতাৰো আয়োজন কৰি আহিছে। প্রতিটো বর্ষৰ ২৫ ডিচেম্বৰত অনুষ্ঠিত কৰা বার্ষিক অধিৱেশনসমূহত বৰেণ্য সাহিত্যিকসকলক আমন্ত্রণ কৰি আনি অধিৱেশন সফল কৰি তোলাত চ'ৰা সফল হৈছে। বৌদ্ধিকমহলে সেয়েহে কয়— শুৱালকুছিৰ সাহিত্যৰ ক্ষেত্রত সেউজী চ'ৰাৰ যুগ চলিছে। ১৯৯০ চনৰ ২৫ ফেব্রুৱাৰি তাৰিখে শুৱালকুছিত পূর্বাঞ্চল সাহিত্য সভাৰ জন্ম হয়। পূর্বাঞ্চল সাহিত্য সভাৰ মুখপত্র 'পূর্বজ্যোতি'য়ে (১৯৯১ চন ১ মে') শ্রেষ্ঠ মুখপত্র বঁটা লাভ কৰিবলৈ সক্ষম হয়।

সমাজ-সংস্কৃতিৰ অনুষ্ঠান উদীয়মান যুৱ সমাজৰ 'অন্তৰীক্ষ', অশোকাষ্টমী মেলা পৰিচালনা সমিতিৰ 'তীর্থস্থান', শুৱালকুছি নাট্য মঞ্চৰ 'সনাতন', ছৱাল কৃষ্ণ কৃষ্টি বিকাশ কেন্দ্রৰ 'ফাগুৱা', নাওখেল প্রতিযোগিতা সমিতিৰ 'বহৰ', শ্রীমন্ত শংকৰদেৱ মন্দিৰৰ মহাপুৰুষীয়া ধর্মালোচনী সভাৰ 'শ্রীমন্ত শংকৰ প্রকাশ', সার্বজনীন ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ 'কৃষ্ণামৃত'। শুৱালকুছি গণেশ দাস হাইস্কুলৰ 'মল্লিকা', শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ 'নৱজাগৰণ', শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়ৰ 'অৰুণাভ', এঞ্জেলচ ইংলিছ স্কুলৰ 'ডি এঞ্জেল', কালিৰাম কাৰিকৰ ছোৱালী হাইস্কুলৰ মুখপত্র বোধিদ্রুম। সাহিত্যসেৱা নির্মালি বৈশ্যইপ্রকাশ কৰিছিল 'কাঁচিয়ালি' বিকাশ কলিতাৰ 'পলস' দুই-এটা সংখ্যা প্রকাশ পাই বন্ধ হৈ পৰিছে যদিও কিছুমান সাহিত্যসেৱীৰ এই দুই-এটা সংখ্যাতেই আছিল প্রথম খোজ। প্রগতি শিশু বিদ্যাপীঠৰ ৰূপালী জয়ন্তী বর্ষৰ মুখপত্র 'পূর্বৰাগ (২০০৭) এখন উন্নতমানৰ মুখপত্র। প্রতিষ্ঠান লিমিটেডৰ স্বর্ণ জয়ন্তী মহোৎসৱৰ স্মৱণিকা 'সিংখাপ' (১৯৯৮), দি অসম কোঃ অঃ চিল্ক হাউছ লিঃৰ স্বর্ণ জয়ন্তীৰ স্মৱণিকা (১৯৯২), শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ স্বর্ণ জয়ন্তীৰ স্মৱণিকা (১৯৮৯); জ্যোতিপ্রসাদ জন্ম শতবর্ষ উদ্‌যাপনৰ লগত সংগতি ৰাখি শুৱালকুছি নাট্যমঞ্চইপ্রকাশ কৰি উলিওৱা স্মৱণিকা (২০০২-০৩); বিকাশ সংঘৰ সোণালী জয়ন্তীত প্রকাশ কৰা 'বিকাশ জ্যোতি' (২০১২-১৩) (সম্পাদনা দিলীপ মেধি)।

শুৱালকুছি আদর্শ প্রাথমিক বিদ্যালয়ৰ হীৰক জয়ন্তীৰ লগত সংগতি ৰাখি প্রকাশ কৰা 'আদর্শজ্যোতি' (২০০১); শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° চিত্তৰঞ্জন দাসৰদ্বাৰা সম্পাদিত 'অসমীয়া' আৰু কবিতা আলোচনী 'শাব্দিক'; শুৱালকুছি প্রেছ গীল্ডৰ স্মৱণিকা (২০০৭); মহাবিষ্ণু যজ্ঞ পৰিচালনা সমিতিৰ 'পদ্মপাণি (২০১৩); মধ্য শুৱালকুছি গ্রাহক সমবায় ভাণ্ডাৰ লিমিটেডৰ ৰূপালী জয়ন্তী, মহোৎসৱৰ স্মৱণিকা 'সমবায় জ্যোতি'; দামোদৰ সংঘ পূজামণ্ডপ (মাজতোল) ৰ 'ত্রিনয়নী'; সার্বজনীন লক্ষ্মীপূজাৰ স্মৃতিগ্রন্থ 'সুলক্ষণা' (২০১২) ত ন-পাৰা পূজা মণ্ডপৰ 'দেৱী' স্মৃতিগ্রন্থ (২০০৭)। শুৱালকুছি ক্রীড়া সন্থাৰ স্মৱণিকা, পূব শুৱালকুছিত অনুষ্ঠিত হোৱা ৰাসপূজা মহোৎসৱৰ স্মৃতিগ্রন্থ 'কৃতাঞ্জলি'। শুৱালকুছিত ৰমেন দাসৰ প্রযোজনাৰে জন্মলাভ কৰা একমাত্র ভ্রাম্যমাণ থিয়েটাৰ মনালিছা থিয়েটাৰৰ মুখপত্র 'মনালিছা' আদিত যিসকল লেখকে বিভিন্ন দিশত লিখি গৈছে সেইসমূহেও সাহিত্যৰ ভঁৰাল চহকী কৰিছে। আনহাতে শুৱালকুছিৰ সমাজ জীৱনৰ লগত ওতপ্রোতভাৱে জড়িত কিছু ব্যক্তিৰ মৃত্যুৰ পিছত শ্রদ্ধা নিৱেদনৰ অর্থে একোখন কৈ পুথি প্রকাশ কৰা দেখা গৈছে। মাধৱ চন্দ্র ভাগৱতী বাপৰ সকামৰ দিনা 'ভক্তি অঞ্জলি', দিপাংকৰ মেধিৰ সম্পাদনাত কুঞ্জ বিহাৰী দাসৰ স্মৃতিত 'শ্রদ্ধাঞ্জলি'। প্রয়াত বাসুদেৱ ডেকাৰ স্মৃতিত মৃণাল দাসৰ সম্পাদনাত 'শ্রদ্ধার্ঘ', সন্তোৰাম দাসৰ সোঁৱৰণত অমূল্য চন্দ্র কলিতাৰ সম্পাদনাত 'শ্রদ্ধাঞ্জলি', ৰমেশ কাকতিৰ সোঁৱৰণতঅমূল্য চন্দ্র কলিতাৰ সম্পাদনাত 'শ্রদ্ধাঞ্জলি', সোণাৰাম দাস (পণ্ডিত)ৰ সোঁৱৰণত হৰেণ দাসৰ সম্পাদনাত 'শ্রদ্ধাঞ্জলি', যুৱনেতা দীপক বৈশ্যৰ সোঁৱৰণত 'শ্রদ্ধাঞ্জলি'ত তেওঁলোকৰ জীৱন সম্পর্কে অনেক কথাই লিখা গৈছে। ইয়াতো প্রকাশ হৈছে সাহিত্যিক চেতনা বোধ। শুৱালকুছিত এনে শ্রদ্ধাঞ্জলি অনেক লোকৰ মৃত্যুত প্রকাশ হৈছে যদিও প্রবন্ধ দীঘলীয়া হ'ব বুলি সকলো উল্লেখ কৰাৰ পৰা বিৰত থাকিলো। ঈশ্বৰ শ্রীশ্রী ডেকাবাপু সত্রৰ ১২ মাঘৰ সভাৰ লগত সংগতি ৰাখি প্রকাশ কৰি অহা স্মৱণিকা ৰঞ্জিত কুমাৰ মহন্ত, হৰিপ্রসন্ন মহন্তকে ধৰি একাধিক ব্যক্তিয়ে সম্পাদনা কৰি আহিছে । বিশিষ্ট ব্যৱসায়ী সুভাষ বৈশ্যৰ

মৃত্যুত সাংবাদিক যোগেন্দ্র ভৰালীৰ সম্পাদনাত 'স্মৃতিগ্রন্থ' ৰমেশ কাকতি, শৰৎ চন্দ্র মেধিৰ সকামত স্মৃতিগ্রন্থ। আততায়ীৰ গুলীত শুৱালকুছিৰ মজিয়াত মৃত্যুবৰণ কৰা বসন্ত কলিতাৰ স্মৃতিত হর্ষবৰ্দ্ধন কাশ্যপ আৰু অজয় বৈশ্যৰ সম্পাদনাত স্মৃতিগ্রন্থ প্রকাশ হয়। মাধৱ নাথৰ সম্পাদনাত অসমজ্যোতি ক্লাবৰ ৰূপালী জয়ন্তীৰ স্মৃতিগ্রন্থ 'অসমজ্যোতি' (২০০৬) প্রকাশ পায়। উল্লেখ্য যে স্মৃতিগ্রন্থ 'সুলক্ষণা'ৰ সম্পাদনা বিপুল বৈশ্যৰ, 'দেৱী'ৰ হেমেন পাঠক, 'ত্রিনয়নী'ৰ দুলু কলিতা আৰু ত্রৈলোক্য বৈশ্যৰ। বিষ্ণু মহাযজ্ঞৰ 'বিষ্ণুশ্রী' এখন স্মৃতিগ্রন্থ। পার্যমানে শুৱালকুছিৰ লেখকসকলৰদ্বাৰা ৰচনা কৰা গ্রন্থসমূহ উল্লেখ কৰা হৈছে। অনেক স্মৃতিগ্রন্থ প্রকাশ কৰা হৈছে যদিও সকলো নাম প্রকাশ কৰিব পৰা নাই বা সংগ্রহ কৰিব পৰা নাই। লেখকসকলৰ বহুতে গ্রন্থ ৰচনা কৰিব পৰা নাই যদিও অনেক যুৱক-যুৱতীয়ে অহৰহ গল্প, প্রবন্ধ, কবিতা, নাটক আদি কাকত-আলোচনীত লিখি গৈছে। অসমৰ আগশাৰীৰ দৈনিক কাকত আটাইকেইখনৰে স্থানীয় সাংবাদিক আছে। সাংবাদিকসকলে বাতৰিকাকতত সংবাদ পৰিৱেশন কৰি সংবাদ সাহিত্যৰ চর্চা তথা প্রকাশ কৰি গৈছে। ইয়াৰে ভিতৰত হেমেন কলিতাই ইংৰাজী ভাষাত নাওখেল সম্পর্কীয় এখন গ্রন্থ লিখি উলিয়াইছে লগতে 'গান্ধী চিন্তা' আৰু 'অকণিৰ পুৰাণ' শীর্ষক দুখন গ্রন্থ অচিৰেই বজাৰত ওলাব বুলি আমাক জনাইছে। সাংবাদিক বিশ্বজিৎ দাসে 'সপোন যাৰ চিৰ লগৰী' শীর্ষক উপন্যাসৰ প্রকাশ কৰাৰ পিছত অচিৰেই আন এখন উপন্যাস বজাৰলৈ উলিয়াই দিব। এই প্রবন্ধ লেখকেও এখন গল্প সংকলন পাঠকৰ হাতত তুলি দিয়াৰ আশা পুহি ৰাখিছে। শেষত আমাৰ অজ্ঞাতে ৰৈ যোৱা লেখকসকলৰ ওচৰত পুনৰবাৰ ক্ষমা-প্রার্থনা বিচাৰি প্রবন্ধৰ মোখনি মাৰিছো।■

# শুৱালকুছিৰ শৈক্ষিক ৰূপৰেখা

গৌৰাংগ বৰা

**শুৱালকুছি** —বিশাল ব্রহ্মপুত্রৰ উত্তৰ তীৰত গাতে গা লাগি ভৌগলিকভাৱে অৱস্থান কৰা উত্তৰ-পূৰৰ মানচেষ্টাৰ বুলি খ্যাত আমাৰ গাঁও। ছাঁতে শুকুৱা, মুঠিতে লুকুৱা ক্ষৌম বস্ত্রৰ লগতে মুগা বস্ত্রৰ শিল্প নগৰী শুৱালকুছি ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰা এখনি শান্তিপূর্ণ, কর্মব্যস্ত তথা ভগবদ্ভক্তি ভৰা ঠাই। স্মৰণাতীত কালৰে পৰাই এই ঠাইখনৰ সকলো বাসিন্দাই মূলতঃ বস্ত্র শিল্পৰ লগত একাত্মভাবে জড়িত হৈ তেওঁলোকৰ জীৱন-জীৱিকা অব্যাহত ৰখাৰ লগতে সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক চেতনা বোধেৰেও তেওঁলোক উদ্বুদ্ধ হৈ আহিছে। আমাৰ প্রবন্ধৰ বিষয় বস্তু যিহেতু শুৱালকুছিৰ শৈক্ষিক ৰূপৰেখাৰ ওপৰত নির্দিষ্ট কৰি লোৱা হৈছে, সেয়েহে আমি আমাৰ আলোচনা শুৱালকুছিৰ শৈক্ষিক ইতিহাস, ইয়াৰ শিক্ষানুষ্ঠানসমূহ, বর্তমানৰ শৈক্ষিক পৰিৱেশ ইত্যাদিৰ মাজতে সীমাবদ্ধ কৰিবলৈ প্রয়াস কৰিম।

শিক্ষা সম্পর্কত বিভিন্ন পণ্ডিতৰ বিভিন্ন মতবাদ থাকিলেও সার্বজনীনভাবে আমি শিক্ষা বুলিলে জীৱন ব্যাপি চলা এক প্রক্রিয়াকে বুজো। এই শিক্ষাৰ দুটা ভাগ আছে— আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষা। কিন্তু আলোচনাৰ খাতিৰত আমি ইয়াৰে প্রথম বিধকেই বুজিম। প্রকৃত শিক্ষাই মানুহক নৈতিকভাৱে চৰিত্রবান কৰাৰ লগতে সুনাগৰিক হিচাপে গঢ়ি তোলে। এইক্ষেত্রত আনুষ্ঠানিক শিক্ষাৰ লগতে অনানুষ্ঠানিক শিক্ষাৰো এক উল্লেখনীয় অৱদান আছে। কিন্তু প্রবন্ধৰ বিষয়বস্তুৰ আওতাত আমি শুৱালকুছিৰ আনুষ্ঠানিক শিক্ষাৰ ওপৰতহে আলোকপাত কৰিম।

এইটো অনস্বীকার্য যে শিক্ষাই জাতিৰ মেৰুদণ্ড। গতিকে এটা জাতিৰ মেৰুদণ্ড শক্তিশালী কৰিবলৈ হ'লে সেই জাতিৰ শিক্ষা ব্যৱস্থাৰ যথেষ্ট উত্তৰণ ঘটাব লাগিব। দেশ এখনৰ প্রতিজন নাগৰিকেই প্রকৃতার্থত শিক্ষিত হ'লে সেই দেশৰ আর্থিক, সামাজিক, ৰাজনৈতিক তথা সাংস্কৃতিক পৰিকাঠামো মজবুত হ'ব আৰু তেতিয়াহে সেই দেশ, সেই জাতিৰ সামগ্রিক প্রগতি সম্ভৱপৰ। বৃহৎ অসমীয়া জাতি সত্বাৰ এটি ক্ষুদ্র অংশ হিচাপে শুৱালকুছিৰ জন সমগ্রৰ শৈক্ষিক উত্তৰণে অসমীয়া জাতিৰ লগতে অসম তথা ভাৰতবর্ষৰ শৈক্ষিক দিশৰ বিকাশত অন্ততঃ কিছু হ'লেও অৰিহণা যোগাব পাৰিব বুলি আমাৰ বিশ্বাস।

শুৱালকুছিৰ শৈক্ষিক ইতিহাস অৱলোকন কৰিলে আমি দেখা পাঁও যে আমি আজি শুৱালকুছিৰ যি সমূহ শিক্ষানুষ্ঠান প্রত্যক্ষ কৰিছো, সেইসমূহ শিক্ষানুষ্ঠানৰ প্রতিষ্ঠাৰ বহু আগতেই শুৱালকুছিত শিক্ষাদান প্রক্রিয়াৰ প্রচলন আছিল। এই শিক্ষাদান প্রক্রিয়াৰ অনুশীলন হৈছিল শুৱালকুছিৰ বিভিন্ন সত্রানুষ্ঠানত। আমি আজি যি সমূহীয়া শিক্ষা (Community Education) ৰ ধাৰণা পাঁও সেই শিক্ষা তেতিয়াৰ দিনতেই এই অঞ্চলৰ সত্রানুষ্ঠানসমূহত কার্য্যকৰী হৈছিল। অ-ফলা আৰু ক-ফলাৰ আখৰ চিনাকীৰে আৰম্ভ কৰা শিক্ষাই তেতিয়াৰ লোকসকলক ধর্মীয় শাস্ত্র আৰু পুথিসমূহ পঢ়াৰ বাবে সক্ষম কৰি তুলিছিল।

ইতিহাসে আমাক সোঁৱৰাই দিয়ে যে তাহানিখনৰ শুৱালকুছিত বস্ত্র উদ্যোগীৰ লগতে বিভিন্ন বেহা-বেপাৰ কৰা মুদৈ সকলো আছিল।



সোণালী জয়ন্তী মহোৎসৱ, শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়, (১৯৬৩-২০১৩)

সত্রানুষ্ঠানৰ পিছতে শিক্ষাদান প্রক্রিয়াৰ অনুশীলন চলিছিল মুদৈসকলৰ ব্যক্তিগত চ'ৰাঘৰত। তাতেই তেওঁলোকে চুবুৰীৰ ল'ৰা-ছোৱালীবিলাকক কোনো পাৰিশ্রমিক নোলোৱাকৈ শিক্ষা প্রদান কৰিছিল। অৱশ্যে এই শিক্ষাগ্রহণৰ শেষ উদ্দেশ্য আছিল ধর্মীয় শাস্ত্র কেইখন পঢ়িব পৰা হোৱাটো আৰু আৱশ্যকবোধে বেহা-বেপাৰ চলোৱাটো। এনেদৰে প্রাৰম্ভতে সত্রানুষ্ঠান, তাৰ পিছত মুদৈৰ চ'ৰাঘৰত আৰম্ভ হোৱা শুৱালকুছিৰ শিক্ষা ব্যৱস্থাই পৰৱর্তী সময়ত আনুষ্ঠানিক স্বীকৃতি পোৱা শিক্ষানুষ্ঠানৰ চাৰিবেৰৰ মাজত পদার্পণ কৰিলে। যিসকল স্বপ্নদ্রষ্টা শিক্ষানুৰাগী ব্যক্তিয়ে তেওঁলোকৰ চ'ৰাঘৰত শিক্ষাৰ পোহাৰ মেলিছিল তেওঁলোকৰ ভিতৰত প্রয়াত বিষয়ৰাম পণ্ডিত আৰু প্রয়াত ভগীৰাম পণ্ডিতৰ নাম প্রণিধানযোগ্য। বিষয়ৰাম পণ্ডিতৰ সুযোগ্য জীয়ৰী প্রয়াত জাম্ব দেৱানে পৰৱর্তী সময়ত শুৱালকুছিত নাৰী শিক্ষাৰ প্রসাৰৰ বাবে প্রচেষ্টা হাতত লয় আৰু তেওঁৰ নিজ ঘৰতেই চুবুৰীৰ ছোৱালীবিলাকক শিক্ষা প্রদান কৰে। ইয়েই শুৱালকুছিত নাৰী শিক্ষাৰ আৰম্ভণি আৰু ইয়াৰ পৰৱর্তী বাস্তৱ ৰূপ হ'ল শুৱালকুছি বালিকা মজলীয়া বিদ্যালয়।

শুৱালকুছিৰ প্রথমখন আনুষ্ঠানিক বিদ্যালয় হ'ল ১৮৮৫ চনৰ ১৭ জানুৱাৰী তাৰিখে প্রতিষ্ঠা লাভ কৰা সেই সময়ৰ শুৱালকুছি উচ্চ প্রাইমাৰী বিদ্যালয় আৰু আজিৰ বালক মজলীয়া বিদ্যালয়। উল্লেখ্য যে এই বিদ্যালয়ত আৰম্ভণিতে বঙালী মাধ্যমো প্রচলিত আছিল। সেয়ে ইয়াক বঙালী ছাত্রবৃত্তি বুলিও জনা গৈছিল। ১৯৭৫ চনত প্রাদেশীকৃত হোৱা এই বিদ্যালয়ৰ প্রথম গৰাকী প্রধান শিক্ষক আছিল প্রয়াত হাহিৰাম দাস। বর্তমানে শ্রীকল্পনা ভৰালীয়ে ভাৰপ্রাপ্ত প্রধান শিক্ষয়িত্রীৰূপে কার্য্য নির্বাহ কৰি আছে। ইয়াৰ পৰৱর্তী সময়ত ১৯০৪ চনত শুৱালকুছি মাটি পর্বত স্থিত শুৱালকুছি বালিকা মজলীয়া বিদ্যালয় প্রতিষ্ঠিত হয়। ১৯৭৫ চনতেই প্রাদেশিকীকৰণ হোৱা এই বিদ্যালয়ত বর্তমানে প্রধান শিক্ষক হিচাপে কার্য্যনির্বাহ কৰি আছে শ্রীযতীন্দ্র নাথ ডেকাই।

১৯৬৪ চনত প্রতিষ্ঠা লাভ কৰা শুৱালকুছি বয়ন শিল্পী নৈশ বিদ্যালয়খন শুৱালকুছিৰ একমাত্র নৈশ মধ্য ইংৰাজী (M. E.) বিদ্যালয়। অতীজৰে পৰা যিহেতু শুৱালকুছি এখন বয়ন শিল্প প্রধান ঠাই আছিল, ইয়াৰ দুখীয়া, অর্থনৈতিকভাৱে অনগ্রসৰ বয়ন শিল্পীসকলৰ শিক্ষাৰ কথা চিন্তা কৰি তদানীন্তন সদৌ শুৱালকুছি বয়ন শিল্পী সংঘৰ সভ্যসকলে এখন সাধাৰণ সভাৰ জৰিয়তে উক্ত বিদ্যালয়খন প্রতিষ্ঠা কৰাৰ সিদ্ধান্ত গ্রহণ কৰে। ১৯৭৭ চনত প্রাদেশীকৃত হোৱা বিদ্যালয়খন বর্তমানে ইয়াৰ স্থায়ী চৌহদত নির্মাণ কৰা হৈছে আৰু ইয়াতেই বর্তমানে পাঠদান কার্য্য চলি আছে। শ্রীচিদানন্দ ডেৰান বর্তমান বিদ্যালয়খনৰ প্রধান শিক্ষক।

প্রসঙ্গক্রমে উল্লেখযোগ্য যে, ১৯৮৪ চনত শুৱালকুছিত আৰু এখন মজলীয়া বিদ্যালয় স্থাপন কৰা হয় 'শুৱালকুছি বিদ্যাপীঠ মজলীয়া বিদ্যালয়' নামেৰে। কিন্তু অদ্যপি বিদ্যালয়খনে প্রাদেশিকীকৰণৰ সুবিধা লাভ কৰা নাই। শ্রীচতীন কলিতাই বর্তমানেও বিদ্যালয়খনৰ প্রধান হিচাবে কার্য্যনির্বাহ কৰি আছে।

শুৱালকুছিৰ প্রাক্-প্রাথমিক স্তৰৰ শিক্ষালৈ মন কৰিলে দেখা যায় যে বর্তমান কেন্দ্রীয় চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ অধীনত পৰিচালিত কেইবাটিও অঙ্গনবাড়ী কেন্দ্রই শুৱালকুছিৰ বিভিন্ন স্থানত সেৱা আগবঢ়াই আছে। পাঠ্যক্রমিক শিক্ষা ব্যৱস্থাৰে শিশুসকলক প্রাৰম্ভিক শিক্ষা প্রদানৰ বাবে শুৱালকুছিত গঢ়ি উঠা ব্যক্তিগত শিক্ষানুষ্ঠান কেইখনত ব্যৱস্থা ৰখা হৈছে। কিন্তু স্বকীয়ভাবে মণ্টেছৰী পদ্ধতিৰে প্রাক্-প্রাথমিক শিক্ষাৰে শিশুসকলক পৰৱর্তী সময়ত বিদ্যালয়ত উপযুক্ত শিক্ষার্থী হিচাবে গঢ় দিয়াত বিশেষ ভূমিকা গ্রহণ কৰা অন্যতম শিক্ষানুষ্ঠানখন হ'ল প্রগতি শিশু বিদ্যাপীঠ। ১৯৮২ চনত প্রতিষ্ঠিত এই শিশু বিদ্যালয়খনে ইতিপূর্বে ২০০৭ চনত ইয়াৰ ৰূপালী জয়ন্তী বর্ষ পালন কৰে। বিদ্যালয়খনৰ প্রতিষ্ঠা কালৰে পৰা বর্তমানলৈকে সঞ্চালিকা হিচাপে শ্রীকনকলতা দাসে কার্য্যনির্বাহ কৰি আছে। ইয়াৰ কেইবছৰমান পিছতেই প্রয়াত ৰঞ্জন কুমাৰ শইকীয়াৰ ব্যক্তিগত উদ্যোগত শুৱালকুছি বর্ডিং ৰোডত 'শুৱালকুছি শঙ্কৰদেৱ একাডেমি' নামেৰে ব্যক্তিগত শিক্ষানুষ্ঠান প্রতিস্থিত হয়।

শুৱালকুছিৰ নিম্ন প্রাথমিক (Lower Primary) স্কুলসমূহৰ আলোকপাত কৰিলে দেখা যায় যে ১৮৭২ চনত অসমৰ বিদ্যালয়বোৰৰ পৰা বঙালী ভাষা উঠি যোৱাত সেই সময়ৰ শুৱালকুছিৰ ৰাইজে নিকা অসমীয়া ভাষাত শিক্ষা প্রদান কৰা এখন বিদ্যালয়ৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিছিল আৰু ফলশ্রুতিত মাটিপর্বতত ৬১ নং শুৱালকুছি মাটিপর্বত নিম্ন প্রাইমাৰী বিদ্যালয়খন স্থাপিত হয়। ইয়াৰ পিছত যথাক্রমে ১৯২০ চনত আদর্শ প্রাথমিক বিদ্যালয়, ১৯৪৫ চনত সনাতন প্রাথমিক বিদ্যালয়, ১৯৪৬ চনত কৈৱর্তপাৰা প্রাথমিক বিদ্যালয়, ১৯৫৭ চনত গোপাল শাস্ত্রী প্রাথমিক বিদ্যালয়, ১৯৫৮ চনত জনতা প্রাথমিক বিদ্যালয়, ১৯৬২ চনত গম্ভীৰ মেধি প্রাথমিক বিদ্যালয়, ১৯৬৭ চনত আদাবৈ স্থিত হৰমোহন বিদ্যাপীঠ, আৰু শেহতীয়াকৈ প্রাদেশীকৃত হোৱা বৰ নিজৰাস্থিত বিহাৰীলাল প্রাথমিক বিদ্যালয়খন স্থাপিত হৈছিল ১৯৮৭ চনত। এই বিদ্যালয় কেইখনৰ বর্তমান কর্মৰত প্রধান শিক্ষক/শিক্ষয়িত্রী কেইগৰাকী হ'ল —

১। ৬১ নং মাটিপর্বতপ্রাথমিক বিদ্যালয় — শ্রীধীৰেন্দ্র নাথ ৰাজবংশী
২। আদর্শ প্রাথমিক বিদ্যালয় — শ্রীসবিতা দেৱী
৩। সনাতন প্রাথমিক বিদ্যালয় — শ্রীশেৱালী দাস
৪। কৈৱর্তপাৰা প্রাথমিক বিদ্যালয় — শ্রীৰমেশ কলিতা
৫। গোপালশাস্ত্রী প্রাথমিক বিদ্যালয় — শ্রীমিনু দাস
৬। জনতা প্রাথমিক বিদ্যালয় — শ্রীধীৰেন চন্দ্র দাস
৭। গম্ভীৰ মেধি প্রাথমিক বিদ্যালয় — শ্রীবীৰেন চন্দ্র দাস
৮। হৰমোহন বিদ্যাপীঠ — শ্রীহেমপ্রভা চৌধুৰী
৯। বিহাৰীলাল প্রাথমিক বিদ্যালয় — শ্রীদিলীপ শর্মা

স্মর্তব্য যে শুৱালকুছিত ১৯১৯ চনলৈ এখনো ইংৰাজী শিক্ষাৰ অনুষ্ঠান গঢ়ি উঠা নাছিল। এই সময়ছোৱাত গাঁওখনৰ এচাম বিদ্যানুৰাগী লোকে সম্মিলিত প্রচেষ্টাৰে এখন মাইনৰ স্কুল স্থাপনৰ যো-জা কৰি ১৯২০ চনত শুৱালকুছি মাইনৰ স্কুল স্থাপন কৰে। ১৯২০ চনৰ পৰা ১৯৩৮ চনলৈ এই বিদ্যালয়খনেই শুৱালকুছিৰ একমাত্র উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে বর্তি আছিল। কিন্তু হাইস্কুলীয়া শিক্ষাগ্রহণৰ বাবে গাঁওখনৰ শিক্ষার্থীসকলে গুৱাহাটী, পলাশবাৰী, নলবাৰী আদি ঠাইলৈ যাবলগীয়া

হৈছিল যিটো সর্বসাধাৰণ লোকসকলৰ বাবে সুচল নাছিল। সেয়েহে গাঁওখনৰ শিক্ষানুৰাগী লোকসকলৰ মনত এখন হাইস্কুল প্ৰতিষ্ঠা কৰাৰ চিন্তাৰ উন্মেষ হয় আৰু ইয়াৰ ফলশ্ৰুতিতেই ১৯৩৯ চনৰ মাৰ্চ মাহত শুৱালকুছি ল'ৰা হাইস্কুল প্ৰতিষ্ঠিত হয়। ১৯৪০ চনত এই স্কুলখন এম. ই. স্কুলখনৰ লগত চৰকাৰী অনুমোদন সাপেক্ষে চামিলকৰণ কৰা হয় আৰু তদানীন্তন এম. ই. স্কুলখনৰ প্ৰধান শিক্ষক লক্ষ্মীনাথ শৰ্মাক অস্থায়ীভাবে প্ৰধান শিক্ষকৰ দায়িত্ব দিয়া হৈছিল যদিও ১৯৪১ চনত বেজেৰাৰ শৰৎ চন্দ্ৰ ডেকাক যথাবিহিতভাবে হাইস্কুলখনৰ প্ৰধান শিক্ষক নিযুক্ত কৰা হয়। পৰৱৰ্তী সময়ত বিদ্যালয়খন উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হয় আৰু বৰ্তমানলৈ এইখনেই শুৱালকুছিৰ একমাত্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় হিচাপে চিহ্নিত হৈ আছে। শ্ৰীডিম্বেশ্বৰ চৌধুৰীদেৱে বৰ্তমানলৈ এই বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাবে কাৰ্য্যনিৰ্বাহ কৰি আছে।

অসমৰ আন আন ঠাইৰ লগতে যি সময়ত শুৱালকুছিতো স্ত্ৰী-শিক্ষা অতি পিছপৰা আছিল, সেই সময়তে শুৱালকুছিৰ স্ত্ৰী-শিক্ষাৰ একমাত্ৰ কেন্দ্ৰস্থল শুৱালকুছি বালিকা মজলীয়া বিদ্যালয়ত এটি ইংৰাজী শাখা খোলাৰ পৰিকল্পনা কৰা হৈছিল আৰু ইয়াৰ বাস্তৱৰূপ হিচাপে মধ্য ইংৰাজী শ্ৰেণীটো ১৯৫১ চনলৈকে মজলীয়া বিদ্যালয়খনতে চলি আছিল। ইয়াৰ পিছৰ বছৰতে অৰ্থাৎ ১৯৫২ চনত কালিৰাম কাৰিকৰ ছোৱালী হাইস্কুল হিচাপে স্ত্ৰী শিক্ষাৰ উচ্চ শিক্ষানুষ্ঠানখন গঢ়ি উঠে। এই হাইস্কুলৰ প্ৰথম প্ৰধান শিক্ষক গৰাকী আছিল আনন্দিৰাম দাস আৰু বৰ্তমানৰ প্ৰধান শিক্ষয়িত্ৰী গৰাকী হ'ল শ্ৰীবিভাৰাণী কাকতি।

শুৱালকুছিৰ উচ্চ মাধ্যমিক বিদ্যালয় হিচাপে আন এখন বিদ্যালয় হ'ল গনেশ দাস হাইস্কুল। সেই সময়ৰ শুৱালকুছি খ্যাত 'সনাতন অপেৰা পার্টি'ৰ থিয়েটাৰ হলতেই শিক্ষাবিদ ঁগৰ্গৰাম দাসদেৱৰ যত্নত প্ৰথমাৱস্থাত সনাতন বালিকা বিদ্যালয় আৰু ইয়াৰ পিচত মধ্য ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠিত হয়। ইয়াৰ পৰৱৰ্তী সময়ত গাঁওখনৰ পশ্চিম অঞ্চলটোৰ ল'ৰা-ছোৱালীসকলৰ বাবে উচ্চ শিক্ষাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি ১৯৫৪ চনত প্ৰতিষ্ঠিত হয় বৰ্তমানৰ ৰূপ পৰিগ্ৰহ কৰা শুৱালকুছি গনেশ দাস হাইস্কুলখন। এই বিদ্যালয়ৰ প্ৰথম প্ৰধান শিক্ষক আছিল প্ৰয়াত অধ্যাপক ৰমেশ চন্দ্ৰ কাকতি আৰু শ্ৰীমৃগেন কুমাৰ দাসদেৱে বিদ্যালয়খনৰ বৰ্তমানৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছে।

শেহতীয়াকৈ অসম চৰকাৰৰ প্ৰাদেশিকীৰণৰ নিৰ্দেশ লাভ কৰা শুৱালকুছিৰ নৱতম উচ্চ মাধ্যমিক বিদ্যালয়খন হ'ল শুৱালকুছি বিদ্যাপীঠ হাইস্কুল। ১৯৮৪ চনত স্থাপিত হোৱা এই বিদ্যালয়খনত বৰ্তমানে প্ৰধান শিক্ষকৰূপে কাৰ্য্যনিৰ্বাহ কৰি আছে শ্ৰীহৰগোবিন্দ কলিতাই।

শুৱালকুছিৰ একমাত্ৰ সংস্কৃত শিক্ষাৰ কেন্দ্ৰ হিচাপে আমাৰ সকলোৱে এটি পৰিচিত নাম 'শুৱালকুছি ৰতিকান্ত চতুস্পাঠী টোল'। ১৯১৭ চনত স্থাপিত হোৱা এইখন সংস্কৃত টোল ১৯৭২ চনত অসম চৰকাৰৰ সংস্কৃত শিক্ষা পুনৰ গঠন আচঁনি (Reorganisation of Sanskrit Education) অনুসৰি চৰকাৰৰ হাতলৈ যায়। অসম সংস্কৃত বোৰ্ডৰ অধীনত এই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰৱেশিকা পৰীক্ষা দি আহিছে। বৰ্তমানে শ্ৰীইন্দ্ৰজিৎ শৰ্মাই বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত প্ৰধান অধ্যাপক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছে।

শুৱালকুছিত হিন্দী শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ১৯৭৮ চনত স্থাপিত হয় শুৱালকুছি হিন্দী বিদ্যাপীঠ মহাবিদ্যালয়।এইখন শিক্ষানুষ্ঠানত অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ অধীনত পৰিচয়, প্ৰথমা, প্ৰৱেশিকা, প্ৰবোধ,বিশাৰদ আৰু প্ৰবীণ পাঠ্যক্ৰম শিকোৱা হয়। শ্ৰীমধুৰাম কলিতাদেৱে মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাকালৰে পৰা বৰ্তমানলৈ অধ্যক্ষৰ আসন অলংকৃত কৰি আছে।

গতিশীল সময়ৰ সোঁততে শুৱালকুছিৰ শৈক্ষিক দৃশ্যপটত এক পৰিবৰ্তন পৰিলক্ষিত হৈছে। যি সময়ত অসমত ব্যক্তিগত শিক্ষানুষ্ঠানবোৰে প্ৰাদেশীকৃত বিদ্যালয়বোৰলৈ এক প্ৰত্যাহ্বানমূলক ভাবুকি কঢ়িয়াই আনিছে, সেই সময়ত আমাৰ গাঁওখনো এই ব্যৱস্থাৰ পৰা আতঁৰি থাকিব পৰা নাই। ১৯৯০ চনত শুৱালকুছিত ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান হিচাপে প্ৰতিষ্ঠিত হয় 'এঞ্জেলচ্ ইংলিচ স্কুল'। শুৱালকুছিত প্ৰচলিত পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ বিপৰীতে ইংৰাজী মাধ্যমেৰে গাঁওখনৰ উঠি অহা নৱ প্ৰজন্মৰ শৈক্ষিক উত্তৰণৰ বাবেই গাঁৱৰ এচাম বিদোৎসাহীলোকে এইখন বিদ্যালয় স্থাপন কৰিছিল। বৰ্তমানে এই বিদ্যালয়ত প্ৰধান শিক্ষক হিচাবে কাম কৰি আছে শ্ৰী কে. জন কৰুণাকৰে।

ইয়াৰ পৰৱৰ্তী সময়ত ১৯৯৮ চনত শুৱালকুছিত স্থাপিত হয় আন এখন বেচৰকাৰী শিক্ষানুষ্ঠান— শুৱালকুছি শংকৰদেৱ শিশু/বিদ্যা নিকেতন। বিদ্যা ভাৰতীৰ অন্তৰ্গত এই বিদ্যালয়খনে শুৱালকুছিৰ এক বুজন সংখ্যক ছাত্ৰ-ছাত্ৰীক অসমীয়া মাধ্যমত শিক্ষা প্ৰদান কৰি আহিছে। শ্ৰীতীৰ্থনাথ শৰ্মা বৰ্তমান বিদ্যালয়খনৰ প্ৰধানাচাৰ্য্যৰ দায়িত্বত আছে।

উক্ত বিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ কেইটামান বছৰ পিছত বিগত ২০০৩ চনত শুৱালকুছিত স্থাপিত হয় অসম জাতীয় বিদ্যালয়ৰ আৰ্হিত 'শুৱালকুছি জাতীয় বিদ্যালয়'। বৰ্তমানে বিদ্যালয়খনত প্ৰাক্-প্ৰাথমিক শ্ৰেণীৰ পৰা নৱম মান শ্ৰেণীলৈ পাঠদান চলি আছে। শ্ৰীনৃপেন দাস বিদ্যালয়খনৰ বৰ্তমানৰ প্ৰধান শিক্ষক।

শুৱালকুছিৰ আন এখন ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান হ'ল — 'শুৱালকুছি পাব্লিক স্কুল'। ২০০৪ চনত স্থাপিত এই বিদ্যালয়খনত কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ, চমুকৈ CBSE ৰ পাঠ্যক্ৰমৰ শিক্ষা দিয়া হয়।বৰ্তমানে বিদ্যালয়খনত নাৰ্চাৰী শ্ৰেণীৰ পৰা নৱমমান শ্ৰেণীলৈ পাঠদান চলাই থকা হৈছে। বিদ্যালয়খনৰ বৰ্তমানৰ প্ৰধান শিক্ষক গৰাকী হ'ল শ্ৰীমৃদুল হাজৰিকা।

শুৱালকুছিৰ ব্যক্তিগত খণ্ডৰ এখন অন্যতম বিদ্যালয় হ'ল— 'অংকুৰ শিশু সদন'। ২০০৬ চনত শ্ৰীবিকাশ কলিতাৰ ব্যক্তিগত প্ৰচেষ্টাত এই বিদ্যালয়খন গঢ়ি উঠে। শ্ৰীকলিতাই বিদ্যালয়খনৰ আৰম্ভণিৰে পৰা এতিয়ালৈকে প্ৰধান শিক্ষকৰ পদবীত কাৰ্য্যনিৰ্বাহ কৰি আছে।

একেদৰে বিগত ২০০৯ চনত শ্ৰীপ্ৰাণজিৎ দাসৰ ব্যক্তিগত পৃষ্ঠপোষকতাত স্থাপিত হয় আন এখন ব্যক্তিগত ইংৰাজী মাধ্যমৰ বিদ্যালয়—'জ্ঞানদ্বীপ একাডেমী'। শুৱালকুছিৰ কাঞ্চন নগৰ স্থিত এই

বিদ্যালয়খনত প্রধান শিক্ষক হিচাপে বর্তমানে কার্য্যনির্বাহ কৰি আছে শ্রীঅনিল চন্দ্র কলিতাই।

শুৱালকুছিৰ শৈক্ষিক পৰিমণ্ডলত ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান হিচাপে নৱতম সংযোজন হ'ল—'হলি কিড্‌চ স্কুল (Holy Kids School)। এই বিদ্যালয়খন ২০০৭ চনত স্থাপিত হয়। বর্তমানে প্লে' গ্রুপৰ পৰা চতুর্থ শ্রেণীলৈ উন্নীত হোৱা এই বিদ্যালয়খনত বর্তমানে প্রধান শিক্ষয়িত্রী হিচাবে শ্রীগীতিকা দাসে কার্য্যনির্বাহ কৰি আছে। কেন্দ্রীয় মাধ্যমিক শিক্ষা পৰিষদ (CBSE) ৰ পাঠ্যক্রমত শিক্ষা প্রদান কৰা এইখন শুৱালকুছিৰ দ্বিতীয়খন বিদ্যালয়।

উপৰিউক্ত চৰকাৰী আৰু বেচৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানসমূহৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে বিগত বছৰবিলাকত ব্যক্তিগত খণ্ডৰ বিশেষকৈ এঞ্জেলচ্ ইংলিচ স্কুলৰ ফলাফল যথেষ্ট প্রশংসনীয় আছিল। এইখন বিদ্যালয়ৰ পৰা ২০০৪ চনৰ পৰা ২০০৭ চনলৈ একেৰাহে চাৰিবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্রথম বিশটা স্থানৰ ভিতৰত স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁলোক হ'ল যথাক্রমে শ্রীপুনম দাস (দ্বাদশ স্থান-২০০৪), শ্রীপার্থপ্রতীম কলিতা (চতুর্থ স্থান-২০০৫), শ্রীঅনুভা আৰ. পাঠক (ঊনৈবিংশতম স্থান-২০০৬) আৰু শ্রীৰূপম এছ. কলিতা (ত্রয়োদশ স্থান-২০০৭) অৱশ্যে আজি কিছু বছৰৰ পৰা প্রাদেশীকৃত বিদ্যালয় কেইখনেও ব্যক্তিগত বিদ্যালয় কেইখনৰ লগত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলৰ ক্ষেত্রত প্রায় সমান্তৰাল গতি পোৱা দেখা গৈছে। স্মৰ্তব্য যে বিগত ১৯৯২ চনত গনেশ দাস হাইস্কুলৰ পৰা শ্রীজোনালী চৌধুৰীয়ে উক্ত পৰীক্ষাত অসমৰ ভিতৰত সপ্তদশ স্থান লাভ কৰিছিল।

শুৱালকুছিৰ বিদ্যালয় কেইখনৰ যোৱা ২০১৩ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল শতাংশ হাৰত তলত দেখুওৱা হ'ল—

| ক্রমিক নং | বিদ্যালয়ৰ নাম | উত্তীর্ণৰ শতাংশ হাৰ |
|---|---|---|
| ১ | শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয় | ৯৯% |
| ২ | শুৱালকুছি কালিৰাম কাৰিকৰ ছোৱালী হাইস্কুল | ১০০% |
| ৩ | গনেশ দাস হাইস্কুল, শুৱালকুছি | ১০০% |
| ৪ | শুৱালকুছি বিদ্যাপীঠ হাইস্কুল | ১০০% |
| ৫ | এঞ্জেলচ্ ইংলিচ স্কুল, শুৱালকুছি | ১০০% |
| ৬ | শুৱালকুছি শংকৰদেৱ শিশু/বিদ্যা নিকেতন | ১০০% |

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ দেওনা সুখ্যাতিৰে পাৰ হোৱাৰ পিছত আমাৰ ছাত্র-ছাত্রীসকলে উচ্চ শিক্ষাৰ বাবে মহাবিদ্যালয়লৈ ঢাপলি মেলে। শুৱালকুছিত ১৯৬৩ চনৰ আগলৈকে কলেজীয়া শিক্ষাৰ ব্যৱস্থা নাছিল। সেই সময়ত মেট্রিকুলেচন পৰীক্ষা পাচ কৰাৰ পিছত গাঁৱৰ ছাত্র-ছাত্রীসকলে গুৱাহাটী বা আন ঠাইলৈ উচ্চ শিক্ষাৰ বাবে যাবলগীয়া হৈছিল। ছাত্র-ছাত্রীসকলৰ এই অভাৱ পূৰ কৰিবলৈ শুৱালকুছি আৰু ইয়াৰ পার্শ্ববর্তী অঞ্চলৰ ৰাইজৰ সহযোগত শুৱালকুছিৰ কেইগৰাকীমান প্রাতঃস্মৰণীয় ব্যক্তিৰ আশাশুধীয়া প্রচেষ্টাত শুৱালকুছিৰ ঈশ্বৰ শ্রীশ্রীহাটী সত্রৰ তদানীন্তন সত্রাধিকাৰ প্রয়াত মাধৱ চন্দ্র সত্রাধিকাৰ বাপে প্রদান কৰা সত্রৰ ৪২ বিঘা মাটিত ১৯৬৩ চনত প্রতিষ্ঠিত হয় বৃহত্তৰ শুৱালকুছিৰ একমাত্র শিক্ষানুষ্ঠান — 'শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়।' মহাবিদ্যালয়খনিৰ প্রতিষ্ঠাপক অধ্যক্ষ আছিল ড° তাৰাচৰণ ৰাষ্টোগী। বর্তমানে ড° দ্বীপেশ চন্দ্র ভাগৱতীদেৱে মহাবিদ্যালয়খনৰ অধ্যক্ষ হিচাবে কার্যনির্বাহ কৰি আছে। কলা আৰু বিজ্ঞান শাখাৰ মুঠ ১১৭৬ গৰাকী ছাত্র-ছাত্রী আৰু দুয়োটা শাখাৰে মুঠ ৪২ গৰাকী অধ্যাপক-অধ্যাপিকা আৰু ১৫ গৰাকী কর্মচাৰীৰে সমৃদ্ধ মহাবিদ্যালয়খনিত এটা পূর্ণ পর্যায়ৰ গ্রন্থাগাৰো আছে। ইয়াত এগৰাকী গ্রন্থাগাৰিক, এগৰাকী সহকাৰী গ্রন্থাগাৰিক, এগৰাকী গ্রন্থাগাৰ কর্মচাৰী আৰু এগৰাকী অস্থায়ী সহায়ক আছে। সাম্প্রতিক সময়ত মহাবিদ্যালয়খনিত এক সুন্দৰ আৰু সুস্থ শৈক্ষিক বাতাবৰণে বিৰাজ কৰি আছে। তলত মহাবিদ্যালয়খনৰ যোৱা ২০১৩ চনত অনুষ্ঠিত হোৱা অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ (AHSEC) আৰু গুৱাহাটী বিশ্ব বিদ্যালয়ৰ দ্বাৰা পৰিচালিত উচ্চতৰ মাধ্যমিক আৰু স্নাতক পৰীক্ষাৰ ফলাফল উল্লেখ কৰা হ'ল —

| ক্র.নং | পৰীক্ষাৰ নাম | উত্তীর্ণৰ শতকৰা হাৰ |
|---|---|---|
| ১ | উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা (কলা) | ৪৮.৭০% |
| ২ | উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা (বিজ্ঞান) | ৭৪.১৩% |
| ৩ | স্নাতক (কলা) | ৬৬.১২% |
| ৪ | স্নাতক (বিজ্ঞান) | ১০০% |

প্রতিষ্ঠাৰ গৌৰবোজ্জ্বল ৫০ বছৰৰ পথ পৰিক্রমা অতিক্রম কৰা শুৱালকুছিৰাইজৰ হিয়াৰ আমঠু এইমহাবিদ্যালয়খনৰ বছৰ জোৰা কার্যসূচীৰে বর্তমানে সোণালী জয়ন্তী মহোৎসৱ উদ্‌যাপিত হৈ আছে। এই আপাহতে আমিও মহোৎসৱটিলৈ আমাৰ আন্তৰিক শুভ কামনা যাচিছোঁ।

+2 স্তৰৰ শিক্ষানুষ্ঠান হিচাপে শুৱালকুছিত একে বছৰতে ২০১০ চনত দুখন ব্যক্তিগত খণ্ডৰ কনিষ্ঠ মহাবিদ্যালয় (Junior College) স্থাপিত হৈছিল। সেই দুখন হ'ল ৰবিদাস জুনিয়ৰ কলেজ আৰু শুৱালকুছি জুনিয়ৰ কলেজ। অৱশ্যে ইয়াৰে প্রথমখন শিক্ষানুষ্ঠানৰ শ্রেণীসমূহ বর্তমান সাময়িকভাবে বন্ধ অৱস্থাত আছে। আনহাতে শুৱালকুছি জুনিয়ৰ কলেজখনে এতিয়াও শিক্ষাদান কার্য্য অব্যাহত ৰাখিছে। ড° হৱমোহন দাসৰ অধ্যক্ষতাত পৰিচালিত হোৱা এইখন ব্যক্তিগত কনিষ্ঠ মহাবিদ্যালয়ে ২০১৩ বর্ষত অসম উচ্চতৰ মাধ্যমিক কলা শাখাৰ চূড়ান্ত পৰীক্ষাত এশ শতাংশ উত্তীর্ণৰ হাৰেৰে শুৱালকুছিৰ শৈক্ষিক জগতখনত এক অভিলেখ স্থাপন কৰিবলৈ সক্ষম হৈছে।

কাৰিকৰী শিক্ষাৰ অনুষ্ঠান হিচাপে ২০০৪ চনত শুৱালকুছিত স্থাপন কৰা হয় 'শুৱালকুছি ইন্‌ষ্টিটিউট অৱ ফেশ্বন টেকন্‌লজি' (SIFT)। এইখন শিক্ষানুষ্ঠাত মুলতঃ থলুৱা শিপিনী উদ্যোগীসকলক আধুনিক বস্ত্র শৈলীৰ ওপৰত প্রশিক্ষণ দিয়া হয়। শ্রীপার্থ সাৰথি বৰবৰাদেৱে বর্তমানে এই শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ হিচাপে কার্যনির্বাহ কৰি আছে।

সময়ৰ পৰিবর্তিত প্রেক্ষাপটত শুৱালকুছিৰ শৈক্ষিক বার্তাবৰণৰ পৰিবর্তন হোৱাটো স্বাভাৱিক। বর্তমানৰ বিশ্বায়নৰ যুগত চাৰিওফালে দেখা পোৱা গৈছে প্রতিযোগিতাৰ দৌৰ। আগৰ সেই পৰম্পৰাগত শিক্ষা ব্যৱস্থাত ছাত্র-ছাত্রী আৰু পিতৃ-মাতৃ, অভিভাৱক-অভিভাৱিকাৰ যি ভূমিকা আছিল, সেয়া এতিয়া সলনি হ'বলৈ বাধ্য হৈছে। সেয়েহে

বর্তমানৰ শুৱালকুছিৰ অভিভাৱক-অভিভাৱিকাসকলৰ দৃষ্টিভঙ্গী সলনি হোৱা পৰিলক্ষিত হৈছে। প্রতি গৰাকী পিতৃ-মাতৃয়েই এতিয়া নিজৰ সন্তানৰ ভৱিষ্যত জীৱনৰ সু-প্রতিষ্ঠাৰ বাবে তেওঁলোকৰ বর্তমানৰ শিক্ষা গ্রহণৰ ব্যৱস্থাক লৈ চিন্তিত আৰু ব্যগ্র হোৱা দেখা গৈছে। সামগ্রীকভাবে শুৱালকুছিৰ শৈক্ষিক জগতখনত একধৰণৰ বিপ্লৱ অহা বুলি ক'লেও বোধ হয় ভুল কোৱা নহ'ব। গাঁওখনৰ এচাম সচেতন আৰু আর্থিকভাবে স্বচ্ছল ব্যক্তিয়ে এনেকি তেওঁলোকৰ ল'ৰা-ছোৱালীসকলক শুৱালকুছিৰ বাহিৰৰ বিশেষকৈ গুৱাহাটীৰ কোনো কোনো উচ্চ মানদণ্ডৰ বিদ্যালয়ত পঢ়ুৱাইছে। ইয়াৰ বাহিৰেও উচ্চ শিক্ষা লাভৰ বাবে গাঁওখনৰ এচাম শিক্ষার্থী বর্তমানে নতুন দিল্লী, বাংগালোৰ, পুণে ইত্যাদি ঠাইত বিভিন্ন শিক্ষানুষ্ঠানত শিক্ষাগ্রহণ কৰি আছে। আমি আশাবাদী, গাঁওখনৰ শিক্ষানুষ্ঠানবোৰত আৰু লগতে শুৱালকুছিৰ বাহিৰৰ শিক্ষানুষ্ঠানত অধ্যয়নৰত ছাত্র-ছাত্রীসকলে প্রকৃত শিক্ষা গ্রহণ কৰি ভৱিষ্যত জীৱনত সুনাম কঢ়িয়াই আনিব, লগতে সু-নাগৰিক হৈ দেশৰ গৌৰৱ বৃদ্ধি কৰিব।

এইখিনিতে প্রসঙ্গক্রমে উল্লেখযোগ্য যে শুৱালকুছিতেই হাইস্কুলীয়া শিক্ষাগ্রহণ কৰি পৰৱর্তী সময়ত বহু উচ্চ শিক্ষাৰে শিক্ষিত হৈ দেশ-বিদেশত কেইবাগৰাকীও শুৱালকুছিয়া ডেকাই ইতিপূর্বে বিভিন্ন বৃত্তিত পাৰদর্শিতা লাভ কৰি জীৱনত প্রতিষ্ঠা লাভ কৰিছে। এখেতসকলক লৈ আমি সদায় গৌৰৱান্বিত। আমাৰ আশা, উঠি অহা নৱ প্রজন্মৰ ছাত্র-ছাত্রীসকলে এই ব্যক্তিসকলক অনুসৰণ কৰি ভৱিষ্যত শিক্ষা জীৱনত আগবাঢ়ি যাব।

বর্তমানে শুৱালকুছিত পৰিবেশ্য কলা, সুকুমাৰ কলা আৰু সঙ্গীত আদিৰ শিক্ষাদানো পূর্ণগতিত নিয়মীয়াভাবে চলাই থকা হৈছে। গাঁওখনত কেবাখনো আর্ট স্কুল আৰু নৃত্য প্রশিক্ষণ কেন্দ্র স্থাপিত হৈছে আৰু উঠি অহা ছাত্র-ছাত্রীসকলক তেওঁলোকৰ বিদ্যালয়কেন্দ্রিক শিক্ষাৰ লগতে আনুসংগিকভাবে চিত্রকলা, নৃত্য আৰু সঙ্গীত শিকাই থকা হৈছে।

পৰিশেষত, তাঁত শিল্পৰ ঐতিহ্যৰে মহিমা মণ্ডিত আমাৰ গাঁওখনত বিৰাজিত বর্তমানৰ শৈক্ষিক পৰিবেশৰ আৰু অধিক উন্নতি কৰি ভৱিষ্যতে আমাৰ উত্তৰ পুৰুষসকলৰ বাবে সঁচা অর্থত শুৱালকুছিক এখন শিক্ষিত গাঁৱলৈ উত্তৰণ ঘটোৱাৰ বাবে প্রতিজন শুৱালকুছিবাসীয়ে এক আন্তৰিক সংকল্প লোৱাৰ সময় সমাগত। লগতে আমি আমাৰ নতুন প্রজন্মক নৈতিক শিক্ষা প্রদানেৰে সঁচা অর্থত মানুহ হিচাবে গঢ়ি তোলাৰ সংকল্প লওঁ আহক।■

**প্রসংগ ঃ**

১। ভৃগুৰাম দাস — 'শুৱালকুছিৰ শিক্ষানুষ্ঠান ঃ এটি সমীক্ষা' (প্রবন্ধ) 'শুৱালকুছি জ্যোতি' — স্মৃতিগ্রন্থ, অসম সাহিত্য সভা, ৪৬ তম শুৱালকুছি অধিবেশন।

২। ব্যক্তিগতভাৱে সমল সংগ্রহ।

# শুৱালকুছিৰ তাঁত শিল্পৰ আধুনিকীকৰণ ঃ এটি পর্যালোচনা

**নিহাৰ ৰঞ্জন কলিতা**

*সহকাৰী অধ্যাপক, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

তাঁত শিল্প শুৱালকুছিৰ হৃদপিণ্ড স্বৰূপ । ভাৰতৰ ভিতৰতে সর্ববৃহৎ গাঁও হিচাপে পৰিগণিত শুৱালকুছিৰ প্রায় পচানব্বৈ শতাংশ লোকৰে জীৱন নির্বাহৰ উৎস তাঁত শিল্পই সময়ৰ বিভিন্ন স্তৰ অতিক্রম কৰি একৈশ শতিকাৰ বর্ত্তমানৰ ৰূপ পাইছে । এই উদ্যোগে গাঁওখনৰ অর্থ ব্যৱস্থাক এক বিশেষ ৰূপ দিছে। সময়ৰ ধামখুমীয়াত ভাৰত তথা অসমৰ প্রায় ভাগ ক্ষুদ্র আৰু কুটীৰ উদ্যোগে যেতিয়া মৃত প্রায় অৱস্থা পাইছে, তাৰ বিপৰীতে বৃহত্তৰ শুৱালকুছিৰ তাঁত শিল্পৰ উত্থান এক উল্লেখযোগ্য ব্যতিক্রমী । অসমীয়া সংস্কৃতিৰ এক অনন্য অংগ পাট-মুগা কাপোৰৰ একমাত্র বৃহৎ উৎপাদন স্থলী শুৱালকুছি । গাঁওখনৰ পচানব্বৈ শতাংশ লোকেই জড়িত থকা এই উদ্যোগৰ উত্থান পতনে সামগ্রীক ভাৱে অঞ্চলটোক প্রভাৱ পেলোৱা স্বাভাৱিক । পাট-মুগা শিল্পক কেন্দ্র কৰি গঢ়ি উঠা আন আন আনুসংগিক খণ্ডয়ো গাঁওখনৰ অর্থনৈতিক বিকাশ ত্বৰান্বিত কৰাত গুৰু ভাৰ বহন কৰিছে । ষাঠি-সত্তৰ দশকৰ এখন-দুখন তাঁতশালক নির্ভৰ কৰি চলা পৰিয়ালবোৰে পাছলৈ শালৰ সংখ্যা বৃদ্ধি কৰিবলৈ লোৱাত অতিৰিক্ত শ্রমিকৰ প্রয়োজন হৈ পৰে। ফলস্বৰূপে অসমৰ অন্যান্য অঞ্চলৰ শিপিনীৰ প্রব্রজন আৰম্ভ হয় । আশীৰ দশকত চেগাচোৰোগাকৈ আৰম্ভ হোৱা এই ধাৰাই নব্বৈৰ দশকত পূর্ণাঙ্গ ৰূপ পায় । বাহিৰা শিপিনীৰ প্রব্রজন, তাঁত শালৰ সংখ্যা বৃদ্ধি, পুৰণি আর্হি- ৰঙৰ পৰিৱর্ত্তে নতুন আর্হি-ৰঙৰ প্রয়োগ, ডেকা চামৰ উদ্যোগৰ প্রতি আকর্ষণ আদি বিভিন্ন কাৰকে ৰেছম উদ্যোগটোৰ আমুল পৰিৱর্ত্তন সাধে । যোগানৰ দিশত পাট-মুগা আৰু তছৰ কাপোৰৰ উৎপাদন বৃদ্ধি পায়। ইয়াৰ সমান্তৰাল ভাৱে "চাহিদা"ৰ পৰিমাণো বাঢ়ে। বিশেষকৈ অর্থনৈতিক উদাৰীকৰণে সমগ্র ভাৰততে "ভোগ সর্বস্ব বিত্ত শ্রেণী"ৰ সৃষ্টি কৰাত, তাৰ প্রভাৱ আওপকীয়াকৈ আমাৰ কুটীৰ শিল্পটোত পৰে। উচ্চ বিত্ত শ্রেণীৰ লগতে মধ্যবিত্ত শ্রেণীয়েও আগতকৈ পাট-মুগাৰ কাপোৰ বেছিকৈ ক্রয় কৰিব লোৱাত কাপোৰৰ চাহিদাও বৃদ্ধি পায়। এই আটাইবোৰ কথাই যদিও উদ্যোগটোৰ এক যোগাত্মক দিশ দাঙি ধৰে, তথাপি থলুৱা শিল্পেটোৰ ভৱিষ্যতৰ স্বার্থত সকলো দিশৰ এক পুঙ্খানুপুঙ্খ বিশ্লেষণৰ প্রয়োজন

। পৰিৱৰ্ত্তিত আৰ্থিক পৰিস্থিতিত উদ্যোগটো সুদৃঢ় হ'বলৈ কেনেকুৱা পদক্ষেপৰ দৰকাৰ, এই বিশ্লেষণে সেয়া উদঙাই দিব ।

যোৱা কেইবছৰমান শুৱালকুছিৰ থলুৱা উদ্যোগটোক কেন্দ্ৰ কৰি সততে আলোচনা হোৱা বিষয় এটা হ'ল "শিল্পটোৰ আধুনিকীকৰণ।" ১৯৯১ চনত আৰম্ভ হোৱা ভাৰতৰ উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়ন প্ৰক্ৰিয়াই ভাৰতীয় উদ্যোগ খণ্ডৰ গাঁথনিৰ বিস্তৃত পৰিৱৰ্ত্তন সাধে। স্বাধীনতাৰ পাছত লোৱা "সমাজ তান্ত্ৰিক সমাজ গঠন"ৰ উদ্দেশ্যৰ বিপৰীতে নব্বৈ দশকৰ আগভাগতে উদ্যোগৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ডক আগস্থান দিয়াৰ নীতি প্ৰৱৰ্ত্তিত হয় । বিশ্ববেংক, আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধি, বিশ্ব বাণিজ্য সংস্থা আদিৰ প্ৰৰোচনাত ভাৰতবৰ্ষই দেশৰ উৎপাদন খণ্ডক, মুক্ত বাণিজ্যৰ নামত বিদেশী পুঁজি পতিৰ হাতত তুলি দিবলৈ বাধ্য হয় । দেশলৈ বৈদেশিক মুদ্ৰা অনাৰ স্বাৰ্থত, বাণিজ্যিক লেনদেনৰ অভাৱসাম্যতা আতৰোৱাৰ তাগিদাত ভাৰতৰ কেন্দ্ৰীয় চৰকাৰে পূৰ্বতে আমাৰ উদ্যোগবোৰৰ সপক্ষে থকা নীতি সমূহৰ পৰিৱৰ্ত্তন ঘটায় । ইয়াৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ অপাৰ সম্পদ আৰু কৌটি কৌটি জনসংখ্যাৰ পৰিপূৰ্ণ বজাৰখনলৈ লোভনীয় দৃষ্টিৰে খাপ-পিতি বৈ থকা বিদেশী উৎপাদক গোষ্ঠী প্ৰৱেশ কৰাৰ পথ প্ৰশস্ত হয়। ইউৰোপ, আমেৰিকাৰ এই উৎপাদন গোষ্ঠীৰ উৎপাদনৰ বিশেষ বৈশিষ্টবোৰ হ'ল - উৎপাদনত অসীম মূলধনৰ ব্যৱহাৰ, অত্যাধুনিক যন্ত্ৰপাতি ব্যৱহাৰেৰে উৎপাদনৰ খৰচ হ্ৰাস, গৱেষণাৰ দ্বাৰা নিত্য নতুন বস্তু উৎপাদন আৰু আগ্ৰাসী বিজ্ঞাপন। মুনাফাৰ বাবে প্ৰবল আক্ৰোশী এই বনিয়া সকলৰ সম্পদৰ তুলনাত আমাৰ ক্ৰমান্বয়ে ঠন ধৰি উঠা উদ্যোগবোৰৰ সম্পদ অতি নগন্য । চৰকাৰী ছত্ৰছায়া আৰু এক বিশেষ সামাজিক পৰিকাঠামোত জীপ লৈ উঠা আমাৰ উদ্যোগবোৰে, সেয়েহে বিশ্বায়নৰ পৰিৱৰ্ত্তিত টৌত দিশহাৰা হৈ পৰে। পুৰণি সংৰক্ষণ মূলক নীতিৰ আলমত গঢ় লোৱা আমাৰ বৃহৎ আৰু ক্ষুদ্ৰ উদ্যোগসমূহে পৰিৱৰ্ত্তিত পৰিস্থিতিত দিক-বিদিক হেৰুৱা স্বাভাৱিক । নগন্য মূলধনৰ উপস্থিতি কিন্তু ইয়াৰ বিপৰীতে শ্ৰমৰ সুলভ যোগানে ভাৰতীয় উৎপাদনৰ চিত্ৰ ইউৰোপ, আমেৰিকাতকৈ পৃথক কৰাটো বাস্তৱ সন্মত কথা । সেই দেশবোৰৰ উৎপাদনৰ মূল হ'ল মূলধন । সেই সকলৰ তুলনাত আমাৰ থলুৱা উদ্যোগবোৰ "গোলিয়াথ"ৰ পৰ্যায়ৰ । বিদেশী পুঁজিপতি সকলৰ তত্বাৱধানত গঢ় লৈ উঠা উদাৰীকৰণৰ বতাহত যেতিয়া এই থলুৱা উদ্যোগবোৰ নিঃশেষ হবলৈ ধৰে স্বাৰ্থান্ধ এচামে আকৌ ইয়াৰ বাবে থলুৱা উদ্যোগবোৰকে দোষী সাব্যস্ত কৰে । আমাৰ ক্ষুদ্ৰ আৰু থলুৱা উদ্যোগবোৰৰ প্ৰকৃত সমস্যাবোৰ বিশ্লেষণ নকৰি লাভখোৰ বেপাৰী দালালবোৰে "ওলোটাই গিৰিক বান্ধা" চলেৰে আমাৰ পৰম্পৰাগত উদ্যোগবোৰ নিজেই নিজৰ ধ্বংসৰ কাৰণ বুলি চিহ্নিত কৰে । বিশ্বায়নৰ প্ৰবক্তা সকলে আমাৰ উদ্যোগিক অনগ্ৰসৰতাৰ অন্য এক কাৰণ "উৎপাদন পদ্ধতিত আধুনিক যন্ত্ৰপাতি, কলা কৌশলৰ কম ব্যৱহাৰ" বুলি জোৰ-দাৰ প্ৰচাৰ চলায় । পশ্চিমীয়া ধ্যান ধাৰণাৰে "আধুনিকতাৰ" মাপ লোৱা চিন্তাবিদ সকলে ভাৰতীয় উদ্যোগৰ মৌলিক গাঁথনিক সম্পূৰ্ণ অৱজ্ঞা কৰি, কেৱল আধুনিকতাকে একমাত্ৰ মকৰধ্বজ বুলি চলোৱা অপপ্ৰচাৰত ভোল যায় । আমাৰ উদ্যোগী সকলক এনে এটা ধাৰণা দিব চেষ্টা কৰা হয় যে ভাৰতৰ উদ্যোগ সমূহৰ পৰাম্পৰাগত কৌশল আঁতৰাই যদি মাত্ৰাধিক মূলধনেৰে যন্ত্ৰ-পাতি কামত লগোৱা হয়, তেনেহ'লে আমাৰো উৎপাদন ব্যৱস্থা বিদেশী শক্তিৰ লগত ফেৰ মাৰিব পৰা হ'ব । খৰচ কমিব আৰু উৎপাদন বাঢ়িব । অলপ দকৈ ভাবিলেই এই চিন্তাধাৰাৰ অন্তৰালত যে বিদেশী বহু জাতিক কোম্পানীৰ গভীৰ স্বাৰ্থ সোমাই আছে সেয়া ওলাই পৰে । কিয়নো ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনলৈ (GDP)লৈ এক বুজন পৰিমাণৰ অৱদান আগবঢ়োৱা উদ্যোগখণ্ডক নতুন যন্ত্ৰপাতি কলা-কৌশলেৰে আধুনিক কৰা মানেই এইবোৰ উৎপাদন কৰা বাহিৰা কোম্পানী সমূহৰ লাভ । পুঁজিপতি সকলৰ গভীৰ ষড়যন্ত্ৰ অনুধাৱন কৰিব নোৱাৰা (কৰিব পাৰিলেও নোৱাৰা অভিনয় কৰা) সকলে সেয়েহে সদায় আধুনিকীকৰণৰ কথা বেছিকৈ কয় । এনে ধৰণে আৰম্ভ কৰা তথা কথিত শিল্প বিপ্লৱে ভৰিষ্যতে কি যে ভয়াবহ অৱস্থাৰ সৃষ্টি কৰিব পাৰে তাৰ বিষয়ে সচেতন মহলে ভৱাৰ সময় হৈছে। আমাৰ আলোচনা যিহেতু তাঁত শিল্পৰ আধুনিকীকৰণ সম্পৰ্কীয় সেয়েহে আমি এই আলোচনা কেৱল শুৱালকুছিৰ তাঁত শিল্পতে সীমাবদ্ধ ৰাখিম ।

আগতেই উনুকুৱা হৈছে যে সমগ্ৰ ভাৰত তথা অসমত যি সময়ত বৃহৎ উদ্যোগৰ সন্মুখত ঘৰুৱা উদ্যোগবোৰ ধ্বংসৰ গৰাহত পৰিছে, তাৰ বিপৰীতে শুৱালকুছিৰ পুৰণীকলীয়া বস্ত্ৰ উদ্যোগৰ ক্ষীপ্ৰ বিকাশ হৈছে । শালৰ সংখ্যা বাঢ়িছে । নিয়োগ বাঢ়িছে, উৎপাদন বেছি হৈছে । যি সময়ত অন্যান্য স্থানীয় /কুটীৰ উদ্যোগত জড়িত হৈ থকা লোক সকল নিবণুৱা হৈ চহৰলৈ দিন হাজিৰা কৰ্ব্বিলৈ ধাৱমান হৈছে সেই সময়তে শুৱালকুছিলৈ হাজাৰ হাজাৰ বাহিৰা লোকৰ প্ৰব্ৰজনে কি সুচায় ? আটাইতকৈ সুখৰ বিষয় আমাৰ ৰেচম উদ্যোগটোৰ এই "বিকাশ" সম্ভৱপৰ হৈছে কোনো ধৰণৰ আনুষ্ঠানিক সংস্থা বা চৰকাৰৰ প্ৰত্যক্ষ সহায় সহযোগ অবিহনে । বৃহত্তৰ শুৱালকুছিৰ বস্ত্ৰ ব্যৱসায়ত বেংক মুলধনৰ যোগান কিমান ? অঞ্চলটোত থকা ৰাষ্ট্ৰীয় আৰু আঞ্চলিক বেংকবোৰৰ হিচাপ ললেই সেয়া জল-জল পট-পটকৈ ওলাই পৰিব । নিসন্দেহে মুঠ মুলধনত বেংকৰ অংশ অতি সামান্য। গৰ্বৰে কব পাৰি - সমগ্ৰ ভাৰতত কৃষিয়েই হওক বা আন আন উদ্যোগেই হওক জীয়াই থকাৰ নামত যেতিয়া চৰকাৰৰ ওপৰত ভৰসা কৰিবলগীয়া হয় তাৰ বিপৰীতে আমাৰ উদ্যোগ সম্পূৰ্ণ আত্মনিৰ্ভৰশীল । আজি উদ্যোগটোৱে যি পৰ্যায় পাইছে, সেয়া শুৱালকুছি ৰাইজৰ একক প্ৰচেষ্টাৰ ফল। তেওঁলোকে নিজাববীয়াকৈ, অনানুষ্ঠানিক উৎসৰে মুলধন সংগ্ৰহ কৰিছে। বজাৰ দৰত কেঁচা মাল ক্ৰয় কৰিছে। উৎপাদিত সামগ্ৰী নিজ প্ৰচেষ্টাৰে বজাৰত বিক্ৰী কৰিছে। আমাৰ বোধেৰে এনেকুৱা 'আত্মনিৰ্ভৰশীল' থলুৱা উদ্যোগ সমগ্ৰ ভাৰততে বৰ্ত্তমান বিৰল । সৰু বৰ উদ্যোগী সকলে যি কৰিছে সেয়া সম্পূৰ্ণ নিৰ্ভৰশীল ব্যক্তিগত প্ৰচেষ্টাৰ ওপৰত। কোনো ধৰণৰ ব্যৱসায় সম্পৰ্কীয় আনুষ্ঠানিক জ্ঞান লাভ নকৰিলেও আমাৰ উদ্যোগী সকল ব্যৱসায়িক পৰিস্থিতি চম্ভালাত কোনে গুণে হীন নহয় । সেয়া বস্ত্ৰ উদ্যোগৰ উত্থানেই প্ৰমাণ নকৰেনে ? যদি আমাৰ শিল্পটোৰ 'তথা কথিত আধুনিকীকৰণ" নোহোৱাকৈ উদ্যোগটোৰ সম্প্ৰসাৰণ ঘটাব পাৰে, তেনেহ'লে সেই আধুনিকীকৰণৰ প্ৰয়োজনেই বা কি ? সকলো বাধাৰ মাজেৰেও উদ্যোগটো যেতিয়া মৰহি যোৱা নাই, তেনেহ'লে সময়ৰ বাকী প্ৰত্যাহ্বানো আমি নিশ্চয় হেলাৰঙে প্ৰতিৰোধ কৰিব পাৰিম ।

শুৱালকুছিৰ তাঁত শিল্পৰ আধুনিকীকৰণ সম্পৰ্কে কৰা চিন্তা চৰ্চ্চা নতুন নহয় । শেহতীয়া ভাৱে এই চিন্তা চৰ্চ্চা চৰকাৰী ও বেচৰকাৰী


দুয়োটা পক্ষতে হোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ ২০১৩ চনৰ মার্চ মাহত শুৱালকুছি আৰ্হিৰ নকল, সস্তীয়া বস্ত্ৰ বিক্ৰীৰ বিৰুদ্ধে শুৱালকুছিত হোৱা আন্দোলনৰ পিছত স্থানীয় তাঁত শিল্পলৈ গতিশীলতা অনাৰ উদ্দেশ্যে লোৱা কিছুমান পদক্ষেপে আধুনিকীকৰণ সম্পৰ্কে কিছু নতুন চিন্তা ধাৰাৰ উন্মেষ ঘটাইছে। সময়ৰ লগত খাপ খুৱাই উৎপাদন বিক্ৰয় আদিৰ ব্যৱস্থা, পদ্ধতি তথা কৌশল সলনি কৰাটো সকলো উদ্যোগৰে মূল চৰ্ত। কিন্তু এই ক্ষেত্ৰত বৃহৎ আৰু কুটীৰ উদ্যোগৰ মাজত যথেষ্ট তফাৎ আছে। কিয়নো বৃহৎ উদ্যোগৰ উৎপাদন ব্যৱস্থা তথা উদ্যোগটোৰ লগত জড়িত আনুসংগিক কথাবোৰ থলুৱা উদ্যোগৰ লগত নিমিলে। বৃহৎ খণ্ডৰ ওপৰত যুগুতোৱা আঁচনি এখন থলুৱা খণ্ডটো হুবহু প্ৰয়োগ আৰু ৰূপায়ণ কৰিব গ'লে হিতে বিপৰীত হোৱাৰ সম্ভাৱনা থাকিব পাৰে। বৃহৎ উদ্যোগৰ বাবে 'আধুনিকীকৰণ'ৰ যি মাত্ৰা বা কৌশল সেয়া কোনো এক ঠাইৰ বিশেষীকৃত উদ্যোগত সফল নহ'বও পাৰে। শুৱালকুছিৰ তাঁত শিল্পৰ বাবে সেয়েহে এনেকুৱা কিছুমান পদক্ষেপৰ প্ৰয়োজন হৈছে য'ত উদ্যোগটোৰ স্থানীয় বৈশিষ্ট অক্ষুন্ন থাকে অথচ উদ্যোগটো প্ৰতিযোগিতামূলক পৰিস্থিতিত বৰ্তি থাকিবলৈও সক্ষম হয়।

আধুনিকীকৰণ মানেই আমাৰ মনত সততে অহা ধাৰণাটো হ'ল - যন্ত্ৰপাতি, আধুনিক কলা কৌশলৰ বহুল প্ৰয়োগেৰে উৎপাদন বৃদ্ধি। কিন্তু আমাৰ তাঁত শিল্পত সেয়া কৰিবলগীয়া হ'লে হিতে বিপৰীত হোৱাৰ সম্ভৱণাই বেছি। শ্ৰম নিবিড় থলুৱা উদ্যোগটোত যন্ত্ৰ পাতিৰ ব্যৱহাৰ এটা সীমাৰ বাহিৰলৈ গ'লে হাজাৰ হাজাৰ শ্ৰমিক নিবনুৱা হৈ পৰিব। যন্ত্ৰ পাতিৰ ব্যৱহাৰে অনা আন এটা পৰিৱৰ্ত্তন হ'ব উৎপাদন বৃদ্ধি। এজনী শিপিনীয়ে এসপ্তাহত বোৱা কাপোৰ এদিনতে বিদ্যুৎ চালিত শাল (Power Loom)ত ব'ৰ পৰাটো ভাল কথা। তেতিয়া সমস্যাটো হ'ব অতিৰিক্ত উৎপাদনক লৈ। অতিমাত্ৰা উৎপাদনে শিল্পটোলৈ বিপদহে চপাব। পাট-মুগাৰ কাপোৰৰ বজাৰ সীমাবদ্ধ। অসমীয়া মহিলাই মেখেলা-চাদৰ, শাড়ী নিপিন্ধিলে অইনে পিন্ধোতা নাই। কাঞ্জীপুৰম, বেনাৰসৰ বস্ত্ৰই অসমৰ বজাৰ চানিলেও অসমীয়া পাট কাপোৰে বিশ্বৰ বজাৰ দখল কৰিব পৰা নাই। উদ্যোগটোৰ চূড়ান্ত উৎপাদনত মূল্য সংযোজনৰ (Value addition) প্ৰক্ৰিয়া এতিয়াও চালুকীয়া অৱস্থাতে আছে। পাট-মুগা, তচৰ কাপোৰেৰে পৰ্দা, বিচনা চাদৰ, টাই, চুড়িদাৰ, আদি উৎপাদনৰ থল আছে যদিও গাঁওখনৰ সাধাৰণ উদ্যোগীবোৰ সেই বিষয়ত এতিয়াও অনভিজ্ঞ। অৰ্থনৈতিক গোলকীয় কৰণে ৰপ্তানি বাণিজ্যৰ বাবেও আমাৰ দ্বাৰ মুকলি কৰিছে। দুৰ্ভাগ্য বশতঃ আমাৰ শিল্পটোত তেনেকুৱা আশাব্যঞ্জক চিন্তা চৰ্চ্চা বহুল ভিত্তিত হোৱা নাই।

সেয়েহে এই নকৰাত্মক দিশবোৰৰ মাজত উদ্যোগটোৰ উত্তৰোত্তৰ বাস্তৱত ৰূপায়িত কৰিবলৈ এক গভীৰ বিশ্লেষণৰ প্ৰয়োজন। ইয়াৰ বাবে প্ৰথমতে আমাৰ উদ্যোগটোত দেখা দিয়া সমস্যাবোৰ জুকিয়াই চাব লাগিব। শিল্পটোৰ সমস্যাবোৰৰ ভিতৰত অন্যতম হ'ল - কেঁচামালৰ মূল্য বৃদ্ধি, শ্ৰমিকৰ নাটনি, সীমিত বজাৰ, পুৰণিকলীয়া আৰ্হি ইত্যাদি। কথা হ'ল - এই সমস্যাবোৰৰ সমাধান কেনেকৈ হ'ব? আৰু সমস্যাবোৰৰ সমাধানৰ দায়িত্ব কোনে ল'ব ? এটা কথা সত্য, চৰকাৰে আমাৰ সমস্যাবোৰৰ সম্পূৰ্ণ সমাধান কেতিয়াও কৰিব নোৱাৰে। অৱশ্যে চৰকাৰী যন্ত্ৰই হাত উজান দিলে আমাৰ সমস্যাবোৰ সহজে লাঘৱ হ'ব।

শুৱালকুছিৰ বস্ত্ৰ উদ্যোগত বিভিন্ন শ্ৰেণীৰ উপস্থিতি পৰিলক্ষিত হয়। ইয়াত শিপিনী যোগালীৰ লগতে সুতা লোৱা কার্ড গাথি পেট প্ৰবৰ্ত্তোৱা শ্ৰমিক আছে। কেৱল কাপোৰ বেচা কিনা কৰি জীৱন নিৰ্বাহ কৰা লোকৰ সংখ্যাও শিল্পটোত বৰ্ত্তমান কম নহয়। গুৱাহাটীকে ধৰি ৰাজ্যখনৰ বিভিন্ন নগৰতো চিল্কৰ দোকান বৃদ্ধি পোৱাত, উৎপাদনৰ লগত প্ৰত্যক্ষ ভাৱে জড়িত নহৈ পৰোক্ষ ভাৱে (মধ্যভোগী ব্যৱসায়ী) কাপোৰ ব্যৱসায় কৰা এক শ্ৰেণী গঢ় লৈ উঠিছে। তাঁত শিল্পত দেখা দিয়া বিভিন্ন সমস্যাবোৰ বিভিন্ন শ্ৰেণীৰ লোকৰ ওপৰত বেলেগ বেলেগ ভাৱে, পৃথক মাত্ৰাত পৰে বাবে সকলোৱে একেলগে সমস্যাবোৰ অনুধাৱন কৰিব নোৱাৰে। সদ্যহতে আমাৰ সমস্যাটো তাতেই। চাৰি পাঁচখন শাল চলোৱা মালিকৰ যি সমস্যা, দহ-বিশখন শালৰ মালিকৰ সমস্যা কিছু বেলেগ। এখন-দুখন শাল থকাৰ সমস্যা আকৌ এওলোকৰ লগত নিমিলে। বস্ত্ৰ উদ্যোগৰ সমস্যাৰ আশু সমধানৰ বাবে ওপৰত উল্লেখ কৰা আটাইবোৰ শ্ৰেণীৰ সবলীকৰণ (Empower) কৰাৰ পদক্ষেপ লবলগীয়া হৈছে।

পাট-মুগাৰ কুটীৰ উদ্যোগটো সামগ্ৰীক ভাৱে উদ্বুদ্ধ কৰিবলৈ শিল্পটোত জড়িত সকলো শ্ৰেণীক কিদৰে জড়িত কৰা যায়, সেই উদ্দেশ্যে আমি এক "শ্ৰেণী পিৰামিড" গঠন কৰিছোঁ। এই পিৰামিডত প্ৰত্যেকটো শ্ৰেণীৰে অৱস্থান নিৰ্দিষ্ট কৰি তেওঁলোকৰ পৰা উদ্যোগটো কেনেদৰে লাভবান হ'ব পাৰে আৰু তাৰ বাবে সমাজ তথা চৰকাৰৰ সেই "নিৰ্দিষ্ট শ্ৰেণীটোৰ প্ৰতি দায়িত্ব কি, সেয়া বিশ্লেষণ কৰা হৈছে।




ৰেছম উদ্যোগৰ শ্ৰেণী পিৰামিডৰ ভেটি তথা নিম্নতম স্তৰত অৱস্থান কৰা সকল হ'ল গাঁওখনত থকা ত্ৰিশ হাজাৰৰো অধিক বোৱনী, যোগালী সকল। উল্লেখযোগ্য যে পাট-মুগাৰ কুটীৰ উদ্যোগে ফে"ৰী পৰ্যায় পোৱাৰ লগে লগে অতিৰিক্ত শ্ৰমিকৰ চাহিদা বৃদ্ধি পায়। পূৰ্বৰ নিজৰ তাঁতত নিজে অথবা পৰিয়ালৰ বাকী সদস্যই কাপোৰ বোৱা ৰীতিৰ পৰিৱৰ্ত্তন ঘটে। এজন লোকেই বহু কেইখন শাল পৰিচালনা কৰা আৰু নিজৰ ল'ৰা-ছোৱালীক শিল্পটোৰ আওঁতাৰ বাহিৰত ৰখাৰ বাবে প্ৰত্যেক ঘৰতে মজুৰি প্ৰাপ্ত শিপিনী, যোগালীৰ প্ৰয়োজন হৈ পৰে। তাঁত শালৰ আন আন আনুসংগিক কামবোৰতো স্থানীয় লোকৰ অনীহাই দেখা দিছে। এতিয়া বৰীন বটা. ড্ৰামত বাটি কাড়া, খেৰ' কৰা আদি কামতো হাজিৰা ভিত্তিত মানুহ নিয়োগ কৰা হয়। শিল্পটোৰ উৎপাদন

মাত্রা বৃদ্ধি হোৱাৰ লগে লগে সুতা লোৱা, কার্ড-কাটা-গাথা আদি কামত নিয়োজিত লোকৰ সংখ্যা বাঢ়িছে । দৈনন্দিন জীৱন ধাৰণৰ মাত্রাধিক মূল্য বৃদ্ধিয়ে এই চাম লোকক জীয়াতু ভোগাইছে। কিয়নো এওঁলোকৰ কামৰ মজুৰি অতি নিম্ন আৰু আজি বহু বছৰে সেয়া একে হাৰতে থকা বুলিলেও বঢ়াই কোৱা নহ'ব । এই শ্রেণীৰ লোকৰ উন্নতি অবিহনে উদ্যোগটোৰ আধুনিকীকৰণ "বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰি"ৰ নিচিনা হ'ব । এই মজুৰি শ্রেণী সহায়ৰ বাবে "সামজিক সু-ৰক্ষাৰ ব্যৱস্থা" প্রদান কৰাৰ বাহিৰে অইন গত্যন্তৰ নাই । ঠিক একে কথা উদ্যোগটোৰ শিপিনীবোৰৰ ক্ষেত্রতো প্রযোজ্য। আমাৰ শিল্পটো যিহেতু অসংগঠিত সেয়েহে শিপিনী সকলে এক স্থায়ী নিশ্চিত মজুৰি নোপোৱাটো স্বাভাৱিক । চেগা চোৰোগাকৈ শিপিনীৰ পঞ্জীকৰণ জাতীয় কথা ওলাই যদিও কোনো কুটীৰ উদ্যোগতে তেনেকুৱা আঁচনি সফল হোৱাৰ নজিৰ নাই ।থাকিবলৈ ঘৰ, শিক্ষাৰ সু-ব্যৱস্থা, স্বাস্থ্যৰ সুবিধা, বীমাকৰণ আদিৰ সামাজিক সুৰক্ষা দিব নোৱাৰিলে এই শ্রেণীৰ উন্নতি সু-দূৰ পৰাহত। ইয়াৰোপৰি শিপিনী বোৱনীৰ মজুৰি কি হাৰত হ'ব লাগে সেয়া অধ্যয়ন কৰি চৰকাৰে অনতি পলমে উদ্যোগটোৰ কাম-কাজত এক বিজ্ঞান সম্মত মজুৰি ব্যৱস্থা প্রৱর্ত্তন কৰিব লাগে। শুৱালকুছিৰ ৰাইজে মনত ৰখা ভাল, শ্রমিক শ্রেণীৰ আর্থিক অৱস্থা যিমানে উন্নত হ'ব বস্ত্র শিল্পৰ গাঁঠনিও সিমানে মজবুত হ'ব ।

শ্রেণী পিৰামিডৰ দ্বিতীয় স্তৰত অৱস্থান কৰা সকলৰ ভিতৰত আছে সীমিত শালৰ গৰাকী সকল। সেই শ্রেণীত দুই তিনিখন তাঁত শাল থকাৰ পৰা ন'-দহখন শালৰ মালিকক অন্তর্ভূক্ত কৰা হৈছে । আজি কেইবছৰ মানৰ পৰা উদ্যোগটোৰ কেঁচা মালৰ অভূতপূর্ব মূল্য বৃদ্ধিৰ লগতে শালৰ সকলো আনুসংগিক কামতে অইন লোকক নিয়োজিত কৰিবলগীয়া হোৱাত উৎপাদন খৰচ বাঢ়িছে । ইয়াৰ অনুপাতে পাইকাৰী বজাৰত কাপোৰৰ দাম কিন্তু বৃদ্ধি পোৱা নাই – সেয়েহে এই শ্রেণীৰ উদ্যোগীৰ বাবে ব্যৱসায় বর্ত্তাই ৰখাৰ সমস্যা হৈছে। ইয়াৰোপৰি সীমিত শালৰ ব্যৱসায়ীয়ে পূর্বে নির্দ্ধাৰিত চুক্তি অনুসাৰে কাপোৰ ব্যৱসায়ী/দোকানীক উৎপাদিত সামগ্রী যোগান ধৰিবলগীয়া হোৱা বাবে, উৎপাদনৰ নতুনত্ব অনা সম্পর্কে চিন্তা কৰাৰ আহৰি বা সুযোগ কম । ভূতৰ ওপৰত দানহ পৰাদি সীমিত মালিক সকলৰ আন এটা সমস্যা হ'ল শ্রমিকৰ অভাৱ। দক্ষ শ্রমিকৰ নাটনিয়ে এই চাম লোকক যথেষ্ট কষ্ট ভোগাইছে । সেয়েহে সক্রিয় শালৰ তুলনাত নিস্ক্রিয় শালৰ সংখ্যা দিনে দিনে বৃদ্ধি পাই আহিছে ।ব্যৱসায়ৰ আধুনিকীকৰণৰ নামত সময়ে সময়ে কৈ অহা কথাবোৰ এই শ্রেণীৰ বাবে গ্রহণযোগ্য নহয় । কিয়নো নিজৰ সীমিত শালত ন ন ডিজাইন আৰ্হি প্রয়োগ কৰি তেওলোকে আৰু "ৰিস্ক" বঢ়াবলৈ ইচ্ছুক নহয় । কুটীৰ উদ্যোগত এই শ্রেণীলোকৰ উত্থানে শিল্পটোৰ সম্প্রসাৰণত বিশেষ ভূমিকা পালন কৰিছে । এই শ্রেণীৰ ব্যৱসায়ৰ সমস্যা আঁতৰ নোহোৱালৈকে, উদ্যোগটোৰ ভৱিষ্যত উজ্বল নহয় । এওলোকৰ উপকাৰ সাধন কৰিবলৈ হ'লে কেঁচামালৰ যোগান সুলভ কৰাৰ লগতে নতুন চামৰ মাজত কর্ম সংস্কৃতি জগাই তোলাটোও সময়ৰ এক আহ্বান । মুগা পলুৰ অনাটনে মুগা বস্ত্রৰ উৎপাদন প্রায় স্তব্ধ কৰি আনিছে । আমাৰ বস্ত্র উদ্যোগত প্রয়োজন হোৱা আটাইবোৰ কেঁচামাল তথা প্রয়োজনীয় সজুলি আহে বাহিৰা ৰাজ্যৰ পৰা। মাকো, ৰাহ, ৰবীন, কার্ড, গুণা, ডুবিমেচিন, পাট, বনক সকলো ক্ষেত্রত পৰনির্ভৰশীল হোৱা বাবে উদ্যোগৰ লাভৰ বাবে এক বুজন অংশ বাহিৰা ৰাজ্যলৈ গুচি যায়। সময় হৈছে তেনেকুৱা উদ্যোগ শুৱালকুছিত স্থাপন কৰাৰ । গাঁওখনৰ উঠি অহা ডেকা চামক তেনেকুৱা উপখণ্ডৰ বাবে আকর্ষিত কৰিব পাৰিলে, মূল উদ্যোগৰ বোজা কিছু লাঘৱ হ'ব আৰু কেঁচা মালৰ দাম হ্রাস পাব । চৰকাৰে প্রস্তাৱিত 'হেণ্ডলুম পার্ক'ত তেনে ব্যৱস্থা ৰখাৰ কথা ভাবিব পাৰে । যোৱা দশকৰ পৰা হোৱা আমদানী-ৰপ্তানি নীতিৰ আমূল পৰিৱর্ত্তনে কেঁচা পাট বিদেশৰ পৰা প্রত্যক্ষ ভাৱে আমদানি কৰিবলৈ সুযোগ দিছে । কর্ণাটকৰ বেপাৰীৰ জড়িয়তে পাট সুতা শুৱালকুছিলৈ অনাৰ পৰিৱর্ত্তে অসম চৰকাৰে প্রত্যক্ষ ভাৱে বিদেশৰ পৰা সুতা আমদানি কৰিব পাৰে। গাঁওখনৰ সমবায়, পুঁজিপতি সকলে এই ক্ষেত্রত আগবাঢ়িব পাৰে । তেনেহ'লে উদ্যোগটোৰ সকলো শ্রেণীয়েই লাভবান হ'ব। শিল্পত দেখা দিয়া শ্রমিকৰ সমস্যা সহজে আতৰাৰ সম্ভৱনা নাই । ইয়াৰ বাবে এক দীর্ঘম্যাদী পৰিকল্পনাৰ দৰকাৰ । স্থানীয় লোকক কামৰ প্রতি আকর্ষিত কৰাৰ বাহিৰে অইন গত্যন্তৰ নাই । বস্ত্র শিল্পৰ কাম-কাজ পৰিয়ালৰ মাজতে ভগাই নকৰিলে মুনাফা বৃদ্ধি নোহোৱাটো ধুৰূপ । লাভ বৃদ্ধিৰ স্বার্থতে স্থানীয় লোক কামত জড়িত হোৱা দৰকাৰ । ইয়াৰ বাবে সময়ে সময়ে প্রশিক্ষণ শিবিৰ, সজাগতা সভা, এই বিষয়ক কর্মশালা গাঁওখনত থকা বিভিন্ন অনুষ্ঠান-প্রতিষ্ঠানে পাতিলেহে পৰিস্থিতিৰ কিছু উন্নতি হ'ব।

বস্ত্র উদ্যোগৰ তৃতীয় স্তৰটো তুলনামূলক ভাৱে নতুন। আশীৰ দশকলৈ এজন লোকৰ তত্বাৱধানত ২০-৪০ খন শাল থকাটো বিৰল আছিল। কিন্তু বৃহত্তৰ শুৱালকুছিত আমি কৰা এক সমীক্ষা মতে বর্ত্তমান গাঁওখনৰ যোল্ল শতাংশ ফে"ৰীত তাঁত শালৰ সংখ্যা দহখনতকৈ বেছি। যোৱা কেইবছৰমানত তেনেকুৱা ব্যৱসায়ী যথেষ্ট হাৰত বৃদ্ধি পাইছে । থলুৱা উদ্যোগটোত সীমিত শাল থকা মালিকৰ হাতত নিস্ক্রিয় শালৰ সংখ্যা বৃদ্ধি পোৱাৰ বিপৰীতে মৃহৎ মাত্রাৰ ব্যৱসায়ীৰ উত্থানে শিল্পটোক এক সুকীয়া বৈশিষ্ট প্রদান কৰিছে। এই শ্রেণী ব্যৱসায়ীক বৃহৎ গোষ্ঠীৰ অন্তর্ভূক্ত কৰা হৈছে । আচৰিত ভাৱে এই স্তৰত উৎপাদক শ্রেণীৰ উৎপাদনৰ সমস্যা কম । কেঁচামালৰ মূল্যবৃদ্ধিয়ে এই ব্যৱসায়ীক ক্রিয়া নকৰে । এনেকুৱা বৃহৎ ফে"ৰীত শ্রমিকৰ নাটনিও নহয়। বৃহৎ গোষ্ঠীৰ শ্রমিকক আগধন দিব পৰা ক্ষমতা বেছি । বর্ত্তমানৰ শিপিনী সকলে সীমিত শালৰ মালিকৰ অধীনত কাম কৰাৰ বিপৰীতে একেলগে থকা বহুত শালৰ ফে"ৰীত কাম কৰিবলৈ পচন্দ কৰে । এনেকুৱা ফে"ৰীত বেছি ফুল থকা কাম, গুণাৰ কাম বিস্তৰ ভাৱে কৰা হয় বাবে তুলনামূলক ভাৱে মজুৰিও বেছি পোৱা যায় । তাতোকৈ সুবিধা হ'ল বৃহৎ ফে"ৰীত কোনো কাৰণত শ্রমিক আতৰি গ'লে বোৱনীৰ চিনাকীৰে নতুন বোৱনী অহাৰ ৰাস্তা থাকে । সেয়েহে এই শ্রেণীৰ উৎপাদন সমস্যা কম । আমাৰ স্থানীয় উদ্যোগটো কিবা যদি পৰিৱর্ত্তন আনিব লাগে তাৰ গুৰু ভাৰ এই শ্রেণীটোৱে লবই লাগিব । কিয়নো বৃহৎ শ্রেণীৰ ফে"ৰীত পৰম্পৰাগত উৎপাদন একাষে বর্তাই ৰাখি বাকী কেইখন মানত পৰীক্ষামূলক ভাৱে অন্যান্য ডিজাইন, অন্যান্য মূল সংযোজিত সামগ্রী উৎপাদন কৰিব পৰা যায় । এনেকুৱা কৰিলে এটা ফালে ব্যৱসায়টোত নিশ্চয়তা থাকিব আৰু আনফালে অনিশ্চয়তা থাকিলেও উদ্যোগীৰ লোকচানৰ আশংকা কম হ'ব । আমাৰ সমাজৰ



সোণালী জয়ন্তী মহোৎসব, শুৱালকুছি বুদৰাম মাধব সত্রাধিকাৰ মহাবিদ্যালয়, (১৯৬৩-২০১৩)

এই চামে ব্যৱসায়ীক যদি এনেকুৱা পদ্ধতিৰে উদ্বুদ্ধ কৰিব পৰা যায় তেনেহ'লে শিল্পটোৰ আধুনিকীকৰণ অতি সোনকালে হোৱাটো অৱশ্যাম্ভাৱী। কিন্তু দুর্ভাগ্যবশতঃ উদ্যোগৰ ৰিক্স বহণ কৰিব পৰা এই শ্রেণীটোৰ ধ্যান ধাৰণা এতিয়াও ঠেক গণ্ডীৰ ভিতৰতে সীমাবদ্ধ । এই উদ্যোগী সকলৰ মাজত এনেকুৱা চিন্তা ধাৰাৰ বীজ সিচাৰ দায়িত্ব চৰকাৰ তথা বেংকৰ । নতুন ধৰণে কাপোৰ উৎপাদন কৰিবলৈ যদি বেংক সমূহে ঋণ প্রদান কৰে, চৰকাৰে সময়ে সময়ে যদি এনেকুৱা উৎসাহী উদ্যোগিক প্রশিক্ষণ দি যাৱতীয় বিশেষজ্ঞৰ সহায় আগবঢ়াই, তেনেহ'লে পৰিস্থিতি নিশ্চয় কিছু উন্নত হ'ব।

ওপৰত উল্লেখ কৰা পিৰামিডৰ শীর্ষত আছে গাঁওখনত থকা বৃহৎ কাপোৰ ব্যৱসায়ী (কাপোৰ বেচা-কিনা কৰা) আৰু সমবায় সমূহ। যোৱা দশকতটোত কাপোৰ ক্রয়-বিক্রয়ৰ যোগেদি নিজৰ পুঁজি বৃদ্ধি কৰা এক নব্য শ্রেণীৰ আবির্ভাৱ হৈছে। অৱশ্যে আগতেও এনে লোক আছিল যদিও (এওঁলোকক ফেৰী কৰা বোলা হৈছিল) এওঁলোকৰ ব্যৱসায়ৰ মাত্রা আছিল সীমিত পৰিসৰৰ কিন্তু বর্ত্তমানৰ ফেৰী কৰা সকলৰ ৰূপ বেলেগ। এওঁলোকৰ গুৱাহাটী, উজনি অসম, আদি বিভিন্ন ঠাইত দোকান থকা উপৰিও বাহিৰা ব্যৱসায়ীৰ লগতো সম্পর্ক আছে। এই শ্রেণীয়ে সীমিত শাল থকা লোকৰ উৎপাদন এক নির্দিষ্ট দামত চুক্তি অনুসাৰে গোটেই বছৰ ধৰি ক্রয় কৰে। জুন-জুলাইৰ পৰা আৰম্ভ হোৱা বাৰিষা কালত (off season) এওলোকে সস্তা দামতে উৎপাদকৰ পৰা কাপোৰ কিনি থয়। বাৰিষা কালত সাধাৰণ উৎপাদকে যেতিয়া নিজৰ পৰিৱর্ত্তনশীল ব্যয় খিনিও বজাৰ দামত নাপায় তেতিয়া এওঁলোকে এই মহাজন সকলক অতি কম দামতে উৎপাদন বিক্রী কৰিবলৈ বাধ্য হয় (Distress sale)। পাট- জোৰা শাড়ী আদিৰ পাইকাৰী দৰ বৃদ্ধি নহলেও বজাৰত খুচুৰা মূল্য যথেষ্ট বৃদ্ধি পাইছে । এই বৃদ্ধিৰ সুফল লাভ কৰিছে কাপোৰৰ ব্যৱসায় কৰা সকলে। বস্ত্র উদ্যোগৰ লগত জড়িত বাকী শ্রেণী বোৰতকৈ তুলনামূলক ভাৱে এই শ্রেণীৰ সমস্যা কম। শ্রমিকৰ নাটনি, কেঁচা মালৰ সমস্যা আদি উৎপাদনৰ লগত জড়িত কথাবোৰে এই সকলক হাৰাশাস্তি কৰাৰ প্রশ্নই নুঠে । বজাৰৰ সম্প্রসাৰণ, ৰপ্তানীৰ ব্যৱস্থা, মূল্য সংযোজনৰ দায়িত্ব এই শ্রেণীয়ে যদি হাতত লয়, নিসন্দেহে শুৱালকুছিৰ শিল্পটোৰ বাবে হ'ব ই এক আশাব্যঞ্জক পদক্ষেপ। বজাৰ সম্প্রসাৰণৰ বাবে আজি দেশে বিদেশে বাণিজ্য মেলা অনুষ্ঠিত হয় । নিজৰ উৎপাদিত সামগ্রীৰ চাহিদা বৃদ্ধিৰ বাবে এনেকুৱা মেলা বোৰত অংশ গ্রহণ পৰিৱর্ত্তিত আর্থিক পৰিস্থিতিত অতি জৰুৰী হৈ পৰিছে । শুৱালকুছিৰ ৰেছম সমবায়, চিল্ক হাউচ, কল্পতৰু আদি অনুষ্ঠানে স্থানীয় মহাজন / ব্যৱসায়ৰ সহযোগত এনেকুৱা বাণিজ্য মেলা বোৰত অংশ গ্রহণ কৰিলে শুৱালকুছিৰ কাপোৰেও বিশ্বৰ বজাৰ দখল কৰাত সপোন সার্থক হ'ব । এই পদক্ষেপে ৰপ্তানী বৃদ্ধিতো সহায়ক হ'ব । এই অনুষ্ঠানবোৰে সেইদৰে পুঁজিপতি সকলৰ সহযোগত অপৰম্পৰাগত সামগ্রী প্রস্তুত কৰণতো আগভাগ লব পাৰে। আমাৰ কাপোৰ ৰপ্তানী কৰিব নোৱাৰাৰ এটা সমস্যা হ'ল - কাপোৰৰ গুণাগুণ সম্পর্কে থকা অনিশ্চয়তা। গোলকীয়কৰণৰ যুগত নির্দিষ্ট সংস্থাৰ দ্বাৰা গুণাগুণৰ স্বীকৃতি নাথাকিলে অইন দেশে সামগ্রী গ্রহণ নকৰে । ভাৰত চৰকাৰে ৰেছম উদ্যোগৰ ৰপ্তানীৰ দিশলৈ লক্ষ্য ৰাখি চিল্কৰ কাপোৰত চিল্ক মার্ক (Silkmark) দিয়াৰ নিয়ম প্রৱর্ত্তন কৰিছে। আমাৰ উদ্যোগত উৎপাদিত বস্ত্রই যাতে বিশ্বৰ বজাৰত ফেৰ মাৰিব পাৰে তাৰ বাবে চিল্ক মার্ক পাব পৰাকৈ আমাৰ বস্ত্র উৎপাদন কৰাৰ প্রয়োজন হৈ পৰিছে। বহিঃৰাজ্যত উৎপাদিত শুৱালকুছিৰ আর্হিৰ কাপোৰে স্থানীয় বজাৰত যি বিভীষিকাৰ সৃষ্টি কৰিছে তাৰো প্রতিৰোধৰ বাবে 'ভৌগলিক নির্দেশক' (Geographical Indicators) লাভ কৰাটো প্রয়োজন হৈ পৰিছে । প্রতিযোগিতাৰ বজাৰত ফেৰ মাৰিবলৈ এনে পদক্ষেপৰ অতি প্রয়োজন। কর্ণাটকৰ চিল্ক, বেনাৰসৰ শাড়ী উৎপাদনকাৰী সকলে ইতিমধ্যে এই ক্ষেত্রত বহুদূৰ আগবাঢ়িছে । ৰাজ্যখনৰ হস্ততাঁত আৰু ৰেছম বিভাগ, কেন্দ্রীয় চিল্ক বোর্ড আদিয়ে এই সম্বন্ধে আগভাগ লোৱা সময় উপস্থিত । নতুন আর্থিক ব্যৱস্থাক বাহিৰৰ ব্যৱসায়ীয়ে যাতে আমাৰ ডিজাইন, আর্হি আদি নকল কৰিব নোৱাৰে তাৰ বাবে 'পেটেণ্ট' ব্যৱস্থা প্রৱর্ত্তনৰ সময় আহি পৰিছে । এই পেটেণ্টনো কি ইয়াকনো আমাৰ ব্যৱসায়ত কি দৰকাৰ, সেয়া ৰাইজক জনোৱাৰ দায়িত্ব গাঁওখনৰ শিক্ষিত আৰু সচেতন মহলৰ । বৃহত্তৰ শুৱালকুছিৰ বিভিন্ন সংস্থায়ো এই ক্ষেত্রত হাত উজান দিব পাৰে। সুখৰ কথা যোৱা মার্চ মাহত হোৱা শুৱালকুছিৰ আন্দোলনৰ পিছত ভৌগলিক চিহ্ন, ট্রেড মার্ক আদিৰ বিষয়ে জোৰদাৰ চিন্তা চর্চ্চা হৈছে আৰু এই ক্ষেত্রত কিছু কিছু সফলতা লাভ কৰাও হৈছে । বর্ত্তমান সময়ত 'বিক্রয় ব্যৱস্থা'ৰ (Marketing) আমূল পৰিৱর্ত্তন হৈছে । কোনো এটা প্রতিষ্ঠানৰ নামটোৱেই ট্রেড মার্ক হিচাপে ব্যৱহাৰ হয় আৰু ইয়াক বিজ্ঞাপনতো ব্যৱহাৰ হয় । যেনে টাটা টি, বিলায়েঞ্চ মোবাইল ইত্যাদি । আমাৰ শুৱালকুছিৰ কাপোৰৰো বিশ্বজোৰা খ্যাতি আছে । গতিকে শুৱালকুছিৰ উৎপাদিত কাপোৰৰো নাম এটা দিব নোৱাৰিনে? (যেনে পশ্চিম বঙ্গৰ তন্তুজ শাড়ী)। নির্দিষ্ট নাম এটা থাকিলে ই মার্কেটিঙৰ সহায়ক হ'ব আৰু শুৱালকুছিৰ বাহিৰত উৎপাদিত সামগ্রীৰ পার্থক্য বজাৰত দেখ দেখকৈ ওলাই পৰিব । পুনৰ দোহাৰো - এই ক্ষেত্রত উল্লেখিত পিৰামিডৰ শীর্ষত অৱস্থিত শ্রেণীটোৱে চিন্তা চর্চ্চা কৰিব লাগিব। এখন দুখন শালৰ মালিকে এইবোৰ নভবাটো স্বাভাৱিক। এই সম্পর্কে আৰু বহুত কবলগীয়া আছে যদিও প্রবন্ধৰ কলেৱৰলৈ লক্ষ্য ৰাখি আলোচনা চমু কৰিলোঁ ।

প্রবন্ধত বিশ্লেষণ কৰাৰ লেখীয়াকৈ তাঁত শিল্পৰ সকলো শ্রেণীয়ে যদি নিজৰ নিজৰ কৰণীয়খিনি সুচাৰু ৰূপে পালন কৰে তেনেহ'লে উদ্যোগটোৰ জ্যোতি সদায় অক্ষুণ্ণ থাকিব । আনহাতে প্রত্যেকটো শ্রেণীৰ উৎকর্ষ সাধনত চৰকাৰ তথা ৰাইজৰো কৰিবলগীয়া বহুখিনি আছে । উদ্যোগটোৰ সকলো পক্ষই সমন্বয়ৰে চিন্তা চর্চ্চা তথা কর্ম্ম সাধন কৰিলে দেখা দিয়া সমস্যাবোৰো দূৰ হ'ব আৰু এই ধৰণৰ সমন্বয়ৰে উদ্যোগটো আগবঢ়াই নিলে ইয়াৰ আধুনিকীকৰণ হ'ব স্থায়ী, অনন্য । এনেকৈ অহা প্রগতি 'তথাকথিত আধুনিকীকৰণ'ৰ তুলনাত যে বেছি হ'ব সেয়া ধ্রুৱ সত্য।■

# শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়

## স্বর্ণজয়ন্তীৰ শুভবর্ষত স্মৃতিৰ পৰিক্রমা

**হৰেকৃষ্ণ শর্মা**

*প্রাক্তন অধ্যক্ষ, শুংবুঃমাঃসঃ মহাবিদ্যালয়*

**শুৱালকুছি মহাবিদ্যালয়ৰ জন্ম বৃত্তান্ত ঃ**

১ আগষ্ট ১৯৬৩ চন। বস্ত্রনগৰী শুৱালকুছিত প্রতিষ্ঠা হ'ল উচ্চ শিক্ষাৰ জ্ঞানৰ মন্দিৰ— 'শুৱালকুছি বুদৰাম সত্রাধিকাৰ মহাবিদ্যালয়।' সাধু বুদৰাম মহন্ত আৰু মহান দাতা মাধৱ মহন্তদেৱৰ নামেৰে অলংকৃত কৰা হ'ল কলেজখনৰ নাম।

সাধু বুদৰাম মহন্ত আৰু সত্রাধিকাৰ মাধৱ মহন্ত আছিল শুৱালকুছিৰ দুগৰাকী মহান সন্তান। প্রথমগৰাকী আছিল বাক্‌সিদ্ধ পুৰুষ। তেওঁ যি কৈছিল সেয়ে ফলিয়াইছিল। মাধৱ মহন্তদেৱ আছিল মহান দাতা। তেখেতে তেখেতৰ সত্রৰ অধীনত থকা ৪২ বিঘা মাটি কলেজৰ নামত দান কৰি শুৱালকুছিৰ জ্ঞানান্বেষী এচাম লোকৰ সপোন বাস্তৱত পৰিণত কৰিছিল আৰু নিজেও অমৰ হৈছিল।

আৰম্ভণিতেই এই দুগৰাকী মহান ব্যক্তিলৈ মোৰ সশ্রদ্ধ প্রণিপাত আগবঢ়াইছো।

শুৱালকুছি কলেজৰ প্রতিষ্ঠাতা যুটীয়া সম্পাদক আছিল ক্রমে প্রয়াত হেমকান্ত দাস ডাঙৰীয়া আৰু প্রয়াত অধ্যাপক কর্মেশ্বৰ বৈশ্য। হেমদাস আছিল কলেজখনৰ চালিকা শক্তি। কর্মেশ্বৰ বৈশ্যই আৰম্ভণিৰ official কামবোৰ কৰিছিল।

কলেজৰ প্রতিষ্ঠাতা সভাপতি, উপসভাপতি আৰু ধনভঁৰালী আছিল—ডা° গণেশ দাস, ডা° নাৰায়ণ কাকতি আৰু মহিৰাম মহাজন। শুৱালকুছিৰ সকলো অঞ্চল সামৰি এখন বিশাল পৰিচালনা সমিতি গঠন কৰা হৈছিল। সেইসকল মহান ব্যক্তিৰ প্রতি মই আন্তৰিক শ্রদ্ধা নিৱেদন কৰিছো।

মই প্রথম যিদিনাখন সাক্ষাৎকাৰৰ বাবে শুৱালকুছিলৈ আহিছিলো, সিদিনা মোক কলেজখনৰ জন্মলগ্নৰেপৰা ওতপ্রোতভাৱে জড়িত প্রয়াত দেবেন্দ্রনাথ ভৰালী মৌজাদাৰৰ ঘৰত থাকিবলৈ দিয়া হৈছিল। তেখেতৰ ঘৰত লাভ কৰা আতিথ্য জীৱনৰ শেষ দিনলৈ মোৰ মনত সজীৱ হৈ থাকিব।

নিযুক্তিৰ পিছত কলেজ পৰিচালনা সমিতিৰ সৌজন্যত মই আৰু টিখুনাথ প্রফেছাৰ লজত থাকিবলৈ লৈছিলো। তেতিয়ালৈ আমি দুজন অবিবাহিত আছিলো।

কলেজৰ প্রথম পাঠদান কার্য আৰম্ভ কৰা হৈছিল— ল'ৰাৰ হাইস্কুলত নিশাৰ ভাগত। আৰম্ভণিতে আমি তিনিজন শিক্ষকে কামত যোগদান কৰিছিলো। বুৰঞ্জী বিভাগত মই, ৰাজনীতি বিভাগত টিখুনাথ আৰু অর্থনীতি বিভাগত পি মেধি। কলেজৰ পাঠদানত সহায় কৰিবলৈ আহিছিল ইংৰাজীত উপেন কাকতি, অসমীয়াত হৰকান্ত কলিতা আৰু শিক্ষা বিভাগত শ্রীযুত সিদ্ধিৰাম দাস।

নৱনিযুক্ত অধ্যক্ষ আৰু উপাধ্যক্ষ ক্রমে তাৰাচৰণ ৰাষ্টোগী আৰু হিৰণ চন্দ্র বৈশ্যদেৱে কেইদিনমান দেৰিকৈ আমাৰ মাজলৈ আহিছিল। পাঠদান কৰিবলৈ আহি বি. এ. মহলাত যিসকল ছাত্রক সন্মুখত দেখা পাইছিলো, সেইসকলৰ ৮০-৯০ শতাংশই আমাতকৈ বয়সত ডাঙৰ আছিল। তেখেতসকলে শুৱালকুছিৰ আশে-পাশে থকা বিভিন্ন স্কুলত (Under graduate Teacher) হিচাপে কাম কৰি আছিল।

এইসকল শিক্ষক আমাৰ ছাত্র হোৱা বাবে পাঠদানৰ বাবে আমি যথেষ্ট পঢ়া-শুনা কৰিব লগা হৈছিল। আমাৰ সৌভাগ্য আৰু গৌৰৱৰ বিষয় হ'ল এইসকল শিক্ষকৰ বেছিভাগেই আমাৰ কলেজৰপৰা বি. এ. পাছ কৰি graduate শিক্ষকৰ মর্যাদা লাভ কৰিছিল। কেইজনমানে আনকি প্রধান শিক্ষকৰ পদো অলংকৃত কৰিছিল।

**কলেজৰ প্রতিষ্ঠা দিৱস**

কলেজখনৰ প্রতিষ্ঠা দিৱস খুব ধুমধামকৈ পালন কৰা হৈছিল। উদ্বোধনী সভাখনত মুখ্য অতিথি হিচাপে যোগদান কৰিছিল তেতিয়াৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাননীয় উপাচার্য Dr. H. J. Talor ছাৰে। সন্মানীয় অতিথি হিচাপে যোগ দিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক মাননীয় শ্রীযুত অমৰেশ দত্ত ছাৰে। উপাচার্য ছাৰৰ পত্নীও সেই সভাত সন্মানীয় অতিথি হিচাপে উপস্থিত আছিল।

সভাখন সন্ধিয়াৰ ভাগত ল'ৰাৰ হাইস্কুলত অনুষ্ঠিত হৈছিল। সিদিনা শুৱালকুছিবাসী প্রতিঘৰ মানুহৰ ঘৰৰ পদূলিত কলপুলি পুতি চাকি-বন্তি জ্বলাই কলেজখনৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিছিল। গাঁওখনত ফুলৰ বানপানী আৰু পোহৰৰ দীপাৱলী হৈছিল। ফুল ফুল আৰু ফুল। তাৰ মাজতেই বিশিষ্ট অতিথিসকলক ঢোল, তাল, খোল লৈ বিৰাট শোভাযাত্রা কৰি সভাস্থলীলৈ আদৰি অনা হৈছিল। তেওঁলোকক চন্দনৰ মাংগলিক তিলক পিন্ধোৱা হৈছিল। ওচৰ-পাঁজৰৰ গাঁওবোৰৰ পৰাও জনতাৰ লানি নিছিগা সোঁত বৈছিল। হেম বাবুকে আদি কৰি কলেজৰ উদ্যোক্তাসকলৰ বহুতৰে চকুত আনন্দৰ অশ্রু বৈ অহা মই প্রত্যক্ষ কৰিছিলো। উপাচার্য ছাৰ আৰু দত্ত ছাৰে কলেজৰ উজ্জ্বল ভৱিষ্যতৰ কামনা কৰি সাৰুৱা ভাষণ আগবঢ়াইছিল।

কেইবছৰমানৰ পিছত কলেজৰ নিজা ঘৰ হোৱাৰ পিছত কলেজৰ শ্রেণীসমূহ বর্তমানৰ প্রাংগনলৈ স্থানান্তৰ কৰা হয়।

১৯৭২ চনৰ ১ ডিচেম্বৰ তাৰিখৰপৰা আমাৰ কলেজখনে ঘাটি

মঞ্জুৰী লাভ কৰে। ঘাটি মঞ্জুৰী লাভ কৰাৰ আগতেই ৰাষ্টোগী ছাৰ আমাৰ কলেজ এৰি অন্য কলেজলৈ যায়গৈ। তেখেতৰ কার্যকালতেই কলেজে Adhoc grant লাভ কৰিছিল। কলেজখনৰ উন্নীতকৰণত তেখেতৰ অৱদান মনত ৰাখিবলগীয়া।

ৰাষ্টোগী ছাৰৰ ঠাইত উপাধ্যক্ষ শ্রীযুত হিৰণ চন্দ্র বৈশ্যদেৱে অধ্যক্ষৰ পদ গ্রহণ কৰে। State selection Board ৰ পৰা Selection লাভ কৰি শ্রীযুত বৈশ্যই নিয়মীয়া অধ্যক্ষৰ কার্যভাৰ গ্রহণ কৰে।

শ্রীযুত বৈশ্য আছিল আমাৰ বাকী শিক্ষকসকলৰ friend, philosopher and guide। তেখেত অতি সহৃদয় ব্যক্তি আছিল, যথেষ্ট পঢ়া-শুনা কৰিছিল আৰু শিক্ষক হিচাপে তেওঁ আছিল তুলনাবিহীন। তেখেত আমাৰ অগ্রজ ভাতৃৰ দৰে আছিল।

হিৰণ্য বৈশ্য আৰু ৰাষ্টোগী ছাৰৰ অনুপ্রেৰণা আৰু আশীর্বাদ লৈ মই অধ্যক্ষৰ state selection ৰ বাবে আৱেদন কৰিছিলো। কিন্তু এবাৰ এবাৰকৈ তিনিবাৰ আৱেদন কৰিহে মই selection পাবলৈ সক্ষম হৈছিলো।

প্রথমবাৰৰ সাক্ষাতকাৰত মোক একোৱে নুসুধিলে, মাথোন ক'লে- You are too young to become a Principal, come next time.

দ্বিতীয়বাৰ মোৰ সাক্ষাৎকাৰ ভাল হৈছিল। কিন্তু তথাপি selection নাপালো। প্রাথমিক সাক্ষাৎকাৰৰ প্রশ্নখিনিৰ শুদ্ধ উত্তৰ দিয়াৰ পিছত এটা প্রশ্ন মোক বাৰে বাৰে কৰা হৈছিল। মোৰ আজিও মনত আছে Falk land দ্বীপটো ইংলেণ্ডে আর্জেণ্টিনাৰ পৰা কিয় জোৰ কৰি দখল কৰি ল'লে, মই কৈছিলোঁ, ছাৰ ইংলেণ্ডৰ বাবে এইটো Prestige issue আছিল বোধ হয়। মোক আকৌ সুধিলে— ইংলেণ্ডে ইমানবোৰ উপনিৱেশ এৰি দিলে, তাৰ তুলনাত ফকলেণ্ড দ্বীপটো অতি ক্ষুদ্র, গতিকে ইংলেণ্ডে ভুল কৰা বুলি আপুনি নাভাবেনে? মই কিজানি বিৰক্ত হ'লো আৰু ক'লো—'ছাৰ মই মার্গাৰেট থেচাৰক সুধিব লাগিব।' তাৰ পিছত মোক আৰু একোৱে নুসুধিলে। মই selection নাপালো। পিছত মই গম পাইছিলো যে সেই প্রশ্নটো মোৰ Personality আছিল।

তৃতীয়বাৰ সাক্ষাৎকাৰত কোনোপধ্যেই বিৰক্ত নহ'বলৈ মনে মনে প্রতিজ্ঞা কৰিছিলো। সকলো প্রশ্নৰ সঠিক উত্তৰ মই দিছিলো আৰু ছিলেকচন পাই গ'লো।

**উপাধ্যক্ষ পদলৈ নিযুক্তি**

১৯৮৬ চনত কলেজ পৰিচালনা সমিতিয়ে মোক উপাধ্যক্ষ পদত নিযুক্তি দিয়ে। এই সময়লৈ কলেজৰ শ্রেণী কোঠাবোৰ পকী কৰা হোৱা নাছিল। ফলত পৰীক্ষাৰ সময়ত ডেস্কৰ তলত গেটাচ দিব লগা অৱস্থা এটাৰ সৃষ্টি হৈছিল প্রায় প্রতি বছৰেই। অধ্যক্ষ শ্রীযুত হিৰণ চন্দ্র বৈশ্যদেৱৰ অনুমতি লৈ আৰু তেতিয়াৰ কলেজ পৰিচালনা সমিতিৰ সম্পাদক হেম দাস ডাঙৰীয়াৰ লগত আলোচনা কৰি কলেজৰ আটাইবোৰ শ্রেণীকোঠা পকীকৰণৰ কাম আৰম্ভ কৰি সম্পূর্ণ কৰা হয়।

**অধ্যক্ষ পদত নিযুক্তি**

১৯৮৮ চনৰ জুন মাহত অধ্যক্ষ হিৰণ চন্দ্র বৈশ্যদেৱে অৱসৰ গ্রহণ কৰে আৰু মোক ভাৰপ্রাপ্ত অধ্যক্ষ হিচাপে কার্যভাৰ চলাই যাবলৈ দিয়া হয়।

১৯৮৮ চনৰ জুলাই মাহৰ ২৯ তাৰিখে অনুষ্ঠিত কলেজ পৰিচালনা সমিতিৰ ১নং প্রস্তাৱ অনুসাৰে মোক সর্বসম্মতভাৱে অধ্যক্ষ পদত নিযুক্তি দি শিক্ষাধিকাৰ মহোদয়ৰ পৰা অনুমোদন বিচৰা হয়। অনুমোদন লাভ কৰাৰ পিছত অধ্যক্ষ হিচাপে মোৰ মনত পুহি ৰখা কেইটামান সপোন বাস্তৱত ৰূপ দিয়াৰ চেষ্টা কৰো।

মোৰ সপোনবোৰ আছিল—

১. কলেজত বিজ্ঞান শাখা মুকলি কৰা।

২. শ্রেণীকোঠাৰ অভাৱ হ্রাস কৰা।

৩. কলেজৰ প্রৱেশ পথটো পি ডব্লিউ ডিৰ দ্বাৰা পকীকৰণ কৰা।

৪. কলেজৰ প্রৱেশ পথত এটা ধুনীয়া তো�ৰণ নির্মাণ কৰা। লগতে লোহাৰ গেট দিয়া।

৫. পুথিভঁৰালৰ বাবে গৃহনির্মাণ কৰা লগতে টয়লেটৰ ব্যৱস্থা কৰা।

৬. অধ্যক্ষ আৰু উপাধ্যক্ষৰ বাবে বেলেগ বেলেগ কোঠাৰ ব্যৱস্থা কৰা।

৭. কলেজৰ কার্যালয়টো অধ্যক্ষৰ কোঠাৰ লগত সংলগ্ন কৰা। লগতে টয়লেটৰ ব্যৱস্থা কৰা।

৮. টয়লেটসহ বয়ছ, গার্লছ আৰু প্রফেছৰৰ কমন ৰুম আহল-বহলকৈ নির্মাণ কৰা।

৯. কলেজৰ বাবে এটা অডিটৰিয়াম নির্মাণ কৰা।

১০. সকলো বিষয়ত মেজৰ খোলা ইত্যাদি।

এইবোৰ কাম বাস্তৱত ৰূপায়ণ কৰাৰ বাবে বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগলৈ ৫৬ লাখ টকাৰ অনুদান বিচাৰি মই আবেদন কৰো। কিন্তু আমাৰ কলেজত এটা মাত্র স্বীকৃত শাখা (only Arts) থকা বাবে ইমানখিনি অনুদান পাবৰ জোখাৰে আমাৰ যোগ্যতা নাছিল।

**কলেজৰ বিজ্ঞান শাখা প্রৱর্তন**

শুৱালকুছি আৰু ইয়াৰ ওচৰে-পাঁজৰে থকা গাঁওবিলাকৰ ৰাইজৰ আগ্রহ আৰু উৎসাহৰ প্রতি সন্মান জনাই ১৯৮৯ চনৰ শিক্ষাবর্ষৰপৰাই বিজ্ঞান শাখাত ছাত্র ভর্তি কৰাৰ মানসেৰে এখন বিৰাট ৰাজহুৱা সভা আহ্বান কৰা হয়। গাঁৱৰ বাহিৰত থকা শুৱালকুছিৰ সদাশয় ব্যক্তিসকলকো সভালৈ আমন্ত্রণ কৰি অনা হয়। ৰাইজৰ উৎসাহ-উদ্দীপনা দেখি মই অভিভূত হৈ পৰো। মনলৈ সাহস আহি যায়। ভাবি ভাল লাগে যে এতিয়াৰপৰা আমাৰ কলেজখন কেৱল আর্টছ কলেজ হৈ নাথাকে— দুটা শাখাৰ কলেজ হ'ব আৰু ভৰিষ্যতৰ অধ্যক্ষসকলে কলেজৰ বাবে অনুদান পোৱাত সুবিধা লাভ কৰিব।

এইখন ৰাজহুৱা সভাত বিজ্ঞান শাখাৰ বাবে এখন পৰিচালনা সমিতি গঠন কৰা হয়। শ্রীযুত হেমকান্ত দাসক সভাপতি আৰু শ্রীমান মহেন্দ্র কলিতাক সাধাৰণ সম্পাদক নিযুক্ত কৰা হয়।

প্রথম বছৰতে শুৱালকুছিৰ এগৰাকী মহান দাতা শ্রীযুত জগন্নাথ শর্মাই ৰাইজৰ অনুৰোধমর্মে শুৱালকুছি কলেজত বিজ্ঞান শাখা স্থাপনত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। তেখেতে প্রথমেই বিজ্ঞান শাখাৰ সম্পাদক শ্রীমান মহেন্দ্র কলিতাৰ হাতত এক লাখ টকা নগদ তুলি দিয়ে। দান-বৰঙণিৰ পৰাও ভালেখিনি পইচা সংগ্রহ কৰা হয়। জগন্নাথ

শর্মাৰ টকাখিনি অবিহনে বিজ্ঞান শাখা মুকলি কৰা সম্ভৱেইনহ'লহেঁতেন।

১৯৮৯ চনৰ শিক্ষা বর্ষতেই P.U.Sc. ত ছাত্র ভর্তিৰ কাম আৰম্ভ হয়। প্রতিটো বিভাগত এজনকৈ বিজ্ঞান শিক্ষক নিযুক্তি কৰা হয়। প্রথম বছৰ ভালে ভালে আগবাঢ়ে।

দ্বিতীয় বছৰৰ পৰা আৰম্ভ হয় আর্থিক সমস্যা। ৰাইজৰ আৰম্ভণিৰ উৎসাহ লাহে লাগে কমি আহিবলৈ ধৰে। বিজ্ঞান শাখাৰ জমা পুঁজি লাহে লাহে কমি আহিবলৈ ধৰিলে। শিক্ষকসকলক দৰমহা দিয়াই টান হৈ পৰিল। উপায়বিহীন হৈ কর্মেশ্বৰ বৈশ্যক লগত লৈ তেতিয়াৰ শিক্ষামন্ত্রী মাননীয় গোলোক ৰাজবংশীদেৱক লগ ধৰিলো। কিন্তু লাভ নহ'ল। নিৰাশ হৈ উভতি আহিলো।

নিৰুপায় হৈ বিজ্ঞান শাখাৰ পৰিচালনা সমিতিয়ে থিয়েটাৰ মাতি কিছু পুঁজি সংগ্রহৰ চেষ্টা চলালে।

কলেজৰ মেটেকাৰে ভৰি থকা পুখুৰীটো চাফা কৰি মাছ পোহাৰ ব্যৱস্থা কৰিও অলপ টকাৰ যোগাৰ কৰা হ'ল। হেমবাবু, মহেন্দ্র আৰু বিজ্ঞান শাখা পৰিচালনা সমিতিৰ কেইজনমান সদস্য গৈ শ্রীযুত জগন্নাথ শর্মাক লগ ধৰিলো। তেখেতক হেনো কোনোবাই কিবা ক'লে। গতিকে কোনো ধৰণৰ আর্থিক সাহায্য নিদিয়ে বুলি জনাই দিলে। মই অথাই সাগৰত পৰা দি পৰিলো। এৰিবও নোৱাৰো, ধৰিবও নোৱাৰো।

ভগৱানৰ কৃপাত বিজ্ঞান শাখাটো জীয়াই থাকিল। কষ্ট পালে শিক্ষকসকলে। কিন্তু তেওঁলোকৰো কষ্টৰ দিন উকলিল। আজি স্বর্ণ জয়ন্তীৰ শুভবর্ষত ২০১৩ চনৰ ১ জানুৱাৰীৰপৰা কার্যকৰী হোৱাকৈ বিজ্ঞান শাখাটো চৰকাৰীকৰণ কৰা হ'ল। বিজ্ঞান শাখাৰ জন্মলগ্নৰেপৰা জড়িত প্রতিজন ব্যক্তিৰ বাবে ২০১৩ বছৰটো অতি আনন্দৰ বছৰ, আনন্দৰ বছৰ বিজ্ঞান শাখাৰ অধ্যাপকসকলৰ বাবে, যিসকলে কলেজখন জীয়াই ৰখাত অৰিহণা যোগাই আহিছে, এৰি থৈ যোৱা নাই।

এই সুযোগতে মই আজিৰ অসমৰ মাননীয় শিক্ষামন্ত্রী শ্রীহিমন্ত বিশ্ব শর্মালৈ মোৰ হিয়াভৰা আশীর্বাদ আৰু ধন্যবাদ আগবঢ়ালো।

**Auditorium নির্মাণৰ প্রচেষ্টা, বিফলতা**

**ছোৱালী হোষ্টলৰ নামত শ্রেণী কোঠা নির্মাণ, সফলতা**

মই অধ্যক্ষৰ কার্যভাৰ পোৱাৰ পিছতেই কলেজ পৰিচালনা সমিতিৰ সদস্য কেইজনমানে হেমকান্ত দাসৰ সৈতে গৈ শুৱালকুছিৰ স্থানীয় বিধায়ক আৰু অগপৰ প্রভাৱশালী মন্ত্রী ভৃগুকুমাৰ ফুকনক পাণবজাৰত তেখেতৰ বাসভৱনত লগ ধৰো। আমাৰ কলেজত auditorium এটা নির্মাণ কৰি দিবলৈ ফুকনক অনুৰোধ কৰো। তেখেতে আমাক plan Estimate বনাবলৈ কয়। তেতিয়া শুৱালকুছিৰ বাসিন্দা শ্রীযুত প্রফুল্ল বৈশ্য নামৰ Architect Engineer এজনে বিনা পইচাত আমাক Plan Estimate বনাই দিয়ে। Plan Estimate লৈ মন্ত্রী ফুকনক হেমবাবুহঁতে দিছপুৰত লগ ধৰেগৈ। লগত ইঞ্জিনিয়াৰ বৈশ্যও থাকে। Plan Estimateত ১৬ লাখ টকা দেখি মন্ত্রী ফুকনে ইমান টকা দিয়া সম্ভৱ নহয় বুলি কোৱাত আমি নিৰাশ হোৱাৰ লগতে কিছু ক্ষুণ্ণও হওঁ। আমাক Plan Estimate বনাবলৈ দিবই নালাগিছিল।

ফুকনে হয়তো বুজিছিল শুৱালকুছিৰ মানুহখিনি মনে মনে ক্ষুণ্ণ হৈছিল বুলি আৰু আমাক মন্ত্রী ভৰত নৰহ ডাঙৰীয়াক লগ ধৰাৰ পৰামর্শ দিছিল। শ্রীযুত নৰহ তেতিয়া সমাজ কল্যাণ বিভাগৰ মন্ত্রী আছিল। আমি গৈ তেখেতক লগ ধৰিলো। কিছুদিন তাঁত বাতি কৰাৰ পাছত ছোৱালী হোষ্টেলৰ নামত আমি চাৰি লাখ টকা লাভ কৰিলো। সেই টকাৰে ৬০ ফুটৰ এটা হল আৰু ৪০ ফুটৰ দুটা কোঠা সাজি শ্রেণীকোঠৰ অভাৱ কিছু পৰিমাণে দূৰ কৰিবলৈ সক্ষম হওঁ।

হেম বাবু আৰু কর্মেশ্বৰ বৈশ্যৰ সহায়-সহযোগত পৰিচালনা সমিতিৰ অনুমোদন ক্রমে এইবোৰ টকাৰপৰা কিছু টকা ৰাহি কৰি কলেজৰ প্রৱেশ পথত বর্তমানে সগৌৰৱে জিলিকি থকা তোৰণটো সাজি উলিয়াওঁ।

তোৰণটোৰ পৰিকল্পনা কৰিছিল শুৱালকুছিৰে এজন শিল্পী শ্রীনাৰায়ণ দাসে। তোৰণটোৰ বাস্তৱ ৰূপ দিছিল নীতিপল ঠাকুৰীয়া নামৰ আন এজন শিল্পীয়ে। আজি কলেজৰ স্বর্ণ জয়ন্তীৰ শুভক্ষণত দুয়োজনলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

তোৰণ নির্মাণ চলি থকা সময়তে মই গুৱাহাটীলৈ গৈ Chief Engineer ক লগ ধৰি জনতা চৰকাৰৰ গড়কাপ্তানি মন্ত্রী মাননীয় দুলাল বৰুৱাই বান্ধি দিয়া কলেজ সংযোগী পথটো পকী কৰি দিবলৈ আৱেদন জনাওঁ। প্রথমতে তেখেতে ৰাস্তাটো P.W.D. মেপত নথকা বুলি কৈ পকীকৰণ কৰিবলৈ অমান্তি হৈছিল। অৱশেষত কিন্তু তেখেত মোৰ কথাত পতিয়ন গৈছিল আৰু ৰাস্তাটো পকী কৰি দিছিল।

ইয়াৰ পাছত বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে মুকলি কৰি দিয়া ২ (দুই) লাখ টকাৰে পুথিভঁৰালৰ গৃহ নির্মাণ আৰম্ভ কৰা হয়। কিছু কাম আগবাঢ়ে, কিন্তু UGCৰেপৰা বাকী পইচা আহি নোপোৱাত মই বিবুদ্ধিত পৰো।

পুথিভঁৰাল গৃহ সম্পূর্ণ কৰাৰ আশাৰে তেতিয়াৰ আমাৰ মাননীয় মুখ্যমন্ত্রী হিতেশ্বৰ শইকীয়া ছাৰক আমন্ত্রণ কৰি অনা হয়। সভাখনত সভাপতিত্ব কৰিছিল সুধাকণ্ঠ মাননীয় শ্রীযুত ভূপেন হাজৰিকা ছাৰে। এইখন সভাৰ আৰম্ভণিতেই আজিৰ অসমৰ মাননীয় স্বাস্থ্য আৰু শিক্ষা মন্ত্রী শ্রীহিমন্ত বিশ্ব শর্মাৰ লগত মোৰ প্রথম পৰিচয় হয়।

সভা চলি থকা সময়তেই মুখ্যমন্ত্রী মহোদয়ে মোক তেখেতৰ ওচৰত বহুৱাই লৈ আমাৰ কলেজৰ অভাৱৰ কথা সোধে। মই তেখেতৰপৰা ১০ লাখ টকা বিচাৰো, যদিও তেখেতে আমাক ৪ (চাৰি) লাখ টকা দিব বুলি মুকলি সভাত ঘোষণা কৰে। বহুদিনলৈ ঘোষণা ঘোষণা হৈয়ে থাকে। মুখ্যমন্ত্রী মহোদয়ক লগ ধৰাৰ চেষ্টা কৰি আমি বিফল হওঁ।

উপায় নাপাই অধ্যাপক কর্মেশ্বৰ বৈশ্যৰ সৈতে গৈ তেতিয়াৰ Chief Secretary শ্রীযুত হৰেন্দ্রনাথ দাস ডাঙৰীয়াক লগ ধৰো। তেখেতৰ সহায়ত মুখ্যমন্ত্রী মহোদয়ৰ Personal Secretaryৰ লগত আমাৰ যোগাযোগ সম্ভৱ হয়।

ইয়াৰ পাছত আমাৰ কলেজতে অনুষ্ঠিত এখন দলীয় সভাত মুখ্যমন্ত্রী মহোদয়ে মোৰ হাতত চাৰি লাখ টকাৰ চাৰিখন Cheque প্রদান কৰে। Cheque পোৱাৰ পাছতো কিন্তু আহুকালে আমাৰ লগ এৰা নাছিল। মুখ্যমন্ত্রীৰ Relief Fundত প্রায়ে পইচা নাথাকে। অহুকাণে পহুকাণে শুনিছিলো যে Cheque বহুতেই পায়, কিন্তু পইচা নাপায়।

মই চেষ্টা এৰা নাছিলো আৰু এটা সময়ত আমি পইচাখনি পাই গ'লো।

মোৰ কার্যকালতেই পুথিভঁৰাল গৃহ সম্পূর্ণ হয়। এইবোৰ কামৰপৰা পইচা ৰাহি কৰি তোৰণ সংলগ্ন লোহাৰ গেট আদিও সাজি উলিওৱা হয়।

এবাৰ ভাৰতৰ বিভিন্ন ৰাজ্যৰ বিধান সভাবোৰৰ মাননীয় অধ্যক্ষসকল অসমলৈ আহি বস্ত্রনগৰী শুৱালকুছিত পদার্পণ কৰিছিল। অধ্যক্ষসকলৰ আদৰণী-সভাখন আমাৰ কলেজতেই অনুষ্ঠিত হৈছিল। সভাখনত পৌৰোহিত্য কৰিছিল অসম বিধান সভাৰ অধ্যক্ষ, মোৰ এসময়ৰ গৰ্ডনৰ প্ৰিয় ছাত্ৰ শ্ৰীমান পুলকেশ বৰুৱাই। কলেজৰ অধ্যক্ষ হিচাপে আদৰণী ভাষণ দিয়াৰ সৌভাগ্য মোৰ হৈছিল।

অধ্যক্ষসকলক শুৱালকুছিবাসী ৰাইজে নিজস্ব পৰম্পৰাৰে ঢোল, খোল, তাল বজাই, মালা পিন্ধাই, বিৰাট শোভাযাত্ৰা কৰি সভাস্থলীলৈ আদৰি আনিছিল। আনন্দত আপ্লুত হৈছিল সেইসকল লোক— হয়তো এনেকুৱা আদৰণি তেওঁলোকে শুৱালকুছিতহে প্ৰথম পাইছিল।

**সামৰণি**

মোৰ কর্মভূমি শুৱালকুছিত সুদীর্ঘ ৩২ বছৰ কাল অতিবাহিত কৰি অৱসৰৰ সময়ত বিজ্ঞান শাখাত ১ লাখৰ বেছি, কলেজ ফাণ্ডত ৬ (ছয়) লাখতকৈ বেছি Fixed deposit, ১ লাখতকৈ বেছি টকা এৰি আহিবলৈ সক্ষম হওঁ।

শুৱালকুছি গাঁৱৰ ৰাইজৰ যি অকুণ্ঠ মৰম, ভালপোৱা আৰু আশীর্বাদ লাভ কৰিলো, সেইবোৰ মধুৰ স্মৃতি হৈ জীৱনৰ শেষ দিনলৈ সজীৱ হৈ থাকিব।

শেষত— মোৰ সহকর্মী শিক্ষকবৃন্দ, কার্যালয়ৰ কর্মচাৰী বৃন্দ আৰু চতুর্থ শ্ৰেণীৰ কর্মচাৰীসকল, আমি সকলোৱে একেটা পৰিয়ালৰ সদস্য হিচাপে থাকি ইজনে সিজনৰ সুখ-দুখৰ সমভাগী হৈছিলো। মোৰ সহকর্মী বেছি ভাগৰে নাম মোৰ মনত আছে। বহুকেইজনে আমাক এৰি গুছি গৈছে। শ্ৰীমান চক্ৰৱর্তী, সৰোজ, বন্ধু কর্মেশ্বৰ, ৰঞ্জিত চৌধুৰী, মজুমদাৰ, দেৱযানী, নিৰঞ্জন, হৰবিলাস, পৰেশ, চাইলা, অগ্ৰজ প্ৰতিম হিৰণ বৈশ্য আদিৰ স্মৃতিয়ে মাজে মাজে মনটো ভাৰাক্ৰান্ত কৰি তোলে।

অৱসৰৰ ১৮ বছৰ পাছতো মোৰ সহকর্মীসকলৰ লগত মই পার্যমানে যোগাযোগ ৰক্ষা কৰি থাকো। মোক ফোন কৰক নকৰক, মই য'তেই নাথাকো কিয় ফোন নম্বৰ পালেই কথা পাতিবৰ চেষ্টা কৰো। মাতটো শুনিলেই ভাল লাগি যায়।

বহুতো ছাত্ৰ-ছাত্ৰীৰ নামো মোৰ মনত আছে— যোগাযোগহে নাই। আজি স্বর্ণ জয়ন্তীৰ শুভ বর্ষত মই সকলোৰে প্ৰতি শুভেচ্ছা জনাইছো— সকলোৰে মংগল কামনা কৰি মোৰ লেখাৰ সামৰণি মাৰিছো।■

জয়তু শুৱালকুছি মহাবিদ্যালয়।

---

# শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ কলেজৰ ভিতৰ চ'ৰা

**ড° প্ৰবীণ বৈশ্য**

*প্ৰাক্তন অধ্যক্ষ, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

জন্ম যদিও মোৰ ৰঙিয়া আৰু নলবাৰী ৰেল ষ্টেচন দুটাৰ মাজত অৱস্থিত ঘগ্ৰাপাৰ ষ্টেচনৰ পৰা দুই কিলোমিটাৰ পশ্চিমে কামেশ্বৰ দেৱালয়ৰ মাটি 'দলুৱা' গাঁৱত (১৯২০ চন, এই গাঁৱত দলুৱা প্ৰাথমিক বিদ্যালয় স্থাপন কৰা হৈছিল, এতিয়া এই স্কুলৰ উপৰি এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ো স্থাপন কৰা হৈছে), কলেজত চাকৰি কৰা সূত্ৰে ৰেচম বস্ত্রনগৰী শুৱালকুছিত ৪০ বছৰ কাল অতিবাহিত কৰি মোৰ ল'ৰা তিনিজন আৰু একমাত্ৰ ছোৱালীজনীৰ সুবিধাৰ কাৰণে গুৱাহাটীৰ কাহিলীপাৰা নিবাসী হৈ বসতি কৰি আছোঁ যদিও ইয়াৰ দশম আৰক্ষী বেটেলিয়ন গেটৰ বিপৰীতফালে থকা কল্যানী সাগৰ পথৰ ২০ নম্বৰ ঘৰটোত শুৱালকুছিৰ প্ৰফেচাৰ বৈশ্য থাকে বুলি ওচৰ চুবুৰীয়াই জানে।

এই কলেজত যোগদান কৰাৰো এটি কাহিনী আছে। ১৯৬২ চনত অর্থনীতি বিভাগত এম. এ. পাছ কৰি মই তিতাবৰ কলেজত (বর্তমান নন্দনাথ শইকীয়া কলেজ) যোগদান কৰিছিলোঁ। সেই সময়ৰ অর্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰদ্ধেয় ড° পি. চি. থমাচ চাৰে মোক এখন বৰ ভাল certificate দিছিল — "He will be particularly effective as a teacher in a college" বুলি। এই তিতাবৰ কলেজত মই বোধহয় ছাত্ৰ-ছাত্ৰীক বেয়াকৈ শিকোৱা নাছিলো, হয়তো সেই কাৰণে মোৰ পৰিবাৰ হেমলতা বৈশ্যক গোমতী দেৱী ছোৱালী হাইস্কুলত গ্ৰেজুয়েট স্কেলত নিযুক্তি দিছিল — কলেজৰ অধ্যক্ষ চক্ৰেশ্বৰ শইকীয়া চাৰে। তেওঁ স্কুলখনৰ চেক্ৰেটাৰী আছিল।

তিতাবৰত সেই সময়ত এখন Post Graduate Basic Training College আৰু Graduate Basic Training নামৰ আন এখন কলেজ আছিল। এই দুখন কলেজ, তিতাবৰ কলেজ আৰু ল'ৰা আৰু ছোৱালীৰ হাইস্কুল দুখনৰ শিক্ষক ছাত্ৰসকলক লৈ ১০ ডিচেম্বৰ তাৰিখে মানৰ অধিকাৰ দিৱস উপলক্ষে দুআষাৰ ক'বলৈ মোক নিমন্ত্ৰণ জনালে। উল্লেখযোগ্য যে ২য় মহাসমৰৰ পাছত UNOৰ নির্দেশ মর্মে ১৯৪৮ চনৰ পৰা এই দিনটো যুদ্ধৰ বিৰুদ্ধে আৰু মানৰ অধিকাৰৰ বিষয়ে পালন কৰা হৈছিল। (বর্তমানে এই

দিনটো পালন কৰা নহয় বোধহয় যুদ্ধৰ বিভীষিকা নাইকিয়া হোৱা কাৰণে।) মই সভালৈ গৈ এই বিষয়টোৰ ওপৰত ইংৰাজীতে দুআষাৰ ক'লো। ৰাজহুৱা সভাত ইংৰাজী ভাষাত বক্তৃতা দিয়া এয়ে মোৰ প্ৰথম। সভাপতি আছিল অধ্যক্ষ দৌলেশ্বৰ কোঁৱৰদেৱ। যিহওক মিটিং শেষ কৰি ওলাই আহোতে এই P. G. Basic কলেজৰ ছাত্ৰ তথা পূৰ্ণবয়স্ক লোক এজনে ৰাস্তাত মোক লগ ধৰি সুধিলে — "আপুনি বৈশ্য লেখে, শুৱালকুছিৰ নেকি?" মই শুৱালকুছিৰ জোঁৱাইহে বুলি কোৱাত কাক বিয়া কৰাইছে বুলি সোধাত মোৰ পৰিবাৰৰ নামটো কোৱাত তেওঁ তেওঁৰ ছাত্ৰী আছিল বুলি ক'লে। লগতে তেওঁ ক'লে "আমাৰ গাঁৱত (শুৱালকুছিত) এই বছৰ এখন কলেজ খুলিছে, আমাক ভাল শিক্ষক লাগে। মই অলপতে ঘৰলৈ যাম, আপোনাৰ কথা মই কলেজৰ চেক্ৰেটাৰীক কম। আপুনি ইয়াতে থাকিব নালাগে। আমাৰ কলেজলৈ আহক, হেমাৰো তাতে ছোৱালী হাইস্কুলত চাকৰি হ'ব।" সঁচাকৈয়ে জানুৱাৰী মাহত কলেজৰ এটা Advertisement ওলাল — অৰ্থনীতিৰ এজন অধ্যাপক লাগে বুলি। মোৰ পিতা সেই সময়ত অসুস্থ আছিল, ময়ো ঘৰৰ ওচৰলৈ অহাৰ ইচ্ছা কৰিছিলোঁ। গতিকে ময়ো application এখন লৈ গুৱাহাটীলৈ আহি মোৰ পৰিবাৰৰ জ্যেষ্ঠ ককায়েক স্বৰ্গধৰ বৈশ্যক (তেওঁ School Inspector Office ৰ Head Assistant আছিল) লগত লৈ শুৱালকুছিত ওলাই কলেজৰ সম্পাদক হেমকান্ত দাসক লগ ধৰিলোঁ (মই শুৱালকুছিৰ কাকো চিনি নাপাও)। তেওঁ কলেজৰ অধ্যক্ষ তাৰাচৰণ ৰাষ্টোগীক লগ ধৰিব ক'লে। অধ্যক্ষক লগ ধৰিলো সন্ধিয়া সময়ত। তেওঁ সকলো কথা ইংৰাজীত কয়, ময়ো কথাবোৰৰ ইংৰাজীত উত্তৰ দিছিলো। তেওঁ মোক পিছদিনা ৰাতিপুৱা লগ ধৰিবলৈ কোৱাত মই গৈ তেওঁ type কৰি থোৱা appointment letter এখন ল'লো আৰু চেক্ৰেটাৰীৰ চহীটো লৈ উভতি আহি তিতাবৰ কলেজৰ অধ্যক্ষ শইকীয়াক সকলো কথা কৈ পৰিবাৰক লৈ শুৱালকুছিলৈ আহি ফেব্ৰুৱাৰী মাহৰ ছয় তাৰিখে এই কলেজত যোগদান কৰিলো। কলেজত যোগদান কৰি দেখিলো যে তাত অৰ্থনীতিৰ প্ৰবক্তা এজন — প্ৰকাশ চন্দ্ৰ মেধিয়ে কাম কৰি আছে, অন্য এজন শিক্ষকৰ প্ৰয়োজন পিছৰ বছৰতহে হ'লহেঁতেন।

যিহওক, কলেজৰ অধ্যক্ষ ৰাষ্টোগী হেনো তিনিটা বিষয়ৰ এম. এ. আছিল। অৰ্থনীতিত 3rd class, বুৰঞ্জী আৰু ইংৰাজীত হেনো 2nd class পাইছিল। মঙ্গলদৈ কলেজত তেওঁ ইংৰাজীৰ প্ৰবক্তা আছিল। সেই সময়ৰ অসমৰ কলেজবোৰত ইংৰাজী সাহিত্যৰ শিক্ষক পোৱা বৰ কঠিন আছিল, বাহিৰৰ কাকতত বিজ্ঞাপন দি বিহাৰ, উত্তৰ প্ৰদেশ আদিৰ পৰা শিক্ষক আনিছিল; সেয়ে ইংৰাজীৰ শিক্ষকসকলক কলেজবোৰত অধ্যক্ষ হিচাপে নিয়োগ কৰিছিল। তেওঁৰ লগত মোৰ খুব ভাল সম্পৰ্ক গঢ়ি উঠিছিল। ১৯৬৪ চনৰ ফেব্ৰুৱাৰী মাহত price controlৰ ওপৰত মোৰ এটা প্ৰবন্ধ (এইটোৱেই মোৰ প্ৰথম প্ৰবন্ধ) The Assam Tribune কাকততে ছপা হৈছিল।ছপা হোৱাত অধ্যক্ষই মোক খুব প্ৰশংসা কৰিছিল। সেই সময়ত কলেজবোৰলৈ বিভিন্ন বিষয়ৰ ওপৰত লেখা কিতাপ পঠাইছিল — text book হিচাপে student ক prescribe কৰিবলৈ। এদিন ইংৰাজীত লেখা অৰ্থনীতিৰ কিতাপ এখন হাতত লৈ তেওঁ মোক ক'লে এওঁলোকে text book লেখে, তুমিও এখন নেলেখা কিয়? তেওঁৰ উৎসাহত 'Economics for Beginners' নাম দি ময়ো এখন কিতাপ লিখিলোঁ আৰু দিল্লীৰ Om Sons & Co.য়ে ১৯৬৮ চনত ছপা কৰি বজাৰত উলিয়াই দিয়ে।

ৰাষ্টোগী চাৰে বহুত খাটি-খুটি খুব সোনকালে কলেজখনৰ affiliation ল'লে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা। বিশ্ববিদ্যালয়লৈ অহা-যোৱা কৰোঁতে তেওঁ পুৰণি বন্ধু এজনক হেনো এদিন লগ পালে, তেওঁ হেনো ইংৰাজীৰ অধ্যাপক আছিল আৰু ৰাষ্টোগীক তেওঁৰ guidanceত Ph.D.ৰ কাৰণে গৱেষণা কৰিবলৈ ক'লে। সেয়ে তেওঁ thesis লিখি D. Lit উপাধি লাভ কৰে (পিছলৈ D. Litৰ ঠাইত Ph. D. উপাধি কৰিলে)। ৰাষ্টোগী চাৰে Ph. D. Degreeৰ কাৰণে আমাকো উৎসাহ দিলে আৰু তেওঁৰ উৎসাহত O. D. Trivedi (Edu.), U. N. Srivastab, G. S. Varmaইংৰাজীত Ph. D. কৰিলে আৰু ময়ো অসমৰ খ্যাতনামা অৰ্থনীতিবিদ ড° প্ৰভাস চন্দ্ৰ গোস্বামীৰ তত্ত্বাৱধানত 'Small and Cottage Industries : A Study in Assam' নামৰ Thesis এখন প্ৰস্তুত কৰি ১৯৮৫ চনত এই ডিগ্ৰী লাভ কৰিলোঁ আৰু Delhiৰ প্ৰকাশক Manas Publicationsয়ে ১৯৮৯ চনত ইয়াক প্ৰকাশ কৰি উলিয়ায়।

উল্লেখযোগ্য যে সেই সময়ত মঙ্গলদৈ কলেজত শুৱালকুছিৰ হিৰণ চন্দ্ৰ বৈশ্যও অসমীয়া সাহিত্যৰ অধ্যাপক আছিল আৰু শুৱালকুছিৰ কলেজখন হোৱাৰ সম্ভাৱনা দেখি কিছুদিন পাছত তেওঁ উপাধ্যক্ষ হিচাপে নিযুক্তি লৈ ইয়ালৈ আহে। যিহওক ১৯৬৩ চনৰ এক আগষ্ট তাৰিখৰ পৰা আৰম্ভ হোৱা আমাৰ এই কলেজখনে ১৯৭২ চনৰ এপ্ৰিল মাহৰ পৰাহে ঘাটি মঞ্জুৰী (Deficiet System of Grant-in-Aid) ব্যৱস্থাত অন্তৰ্ভুক্ত হৈছিল।

ৰাষ্টোগীক বোধহয় মাহিলি পাঁচশ টকা দৰমহা দিয়া হৈছিল। আমি অন্য শিক্ষকসকলে মাহিলি ২০০ টকাত ১৯৭০ চনলৈ আৰু ১৯৭১ চনৰ এপ্ৰিল মাহৰ পৰা ৩০০ টকাত চাকৰি কৰিছিলো, অথচ ঘাটি মঞ্জুৰী প্ৰাপ্ত কলেজ শিক্ষকসকলে ৫০০ টকাৰো অধিক (dearness allowance আছিল basic payৰ ওপৰত) দৰমহা পাইছিল। যিহওক এফালে কম দৰমহা আৰু আনফালে অন্য কাৰণত ৰাষ্টোগীয়ে এই কলেজ এৰি মিজোৰামৰ এখন কলেজলৈ, পিছত এই কলেজ এৰি টংলা কলেজলৈ আহে আৰু শেষত হাইলাকান্দিৰ ঘাটি মঞ্জুৰী প্ৰাপ্ত কলেজ এখনৰ পৰা অৱসৰ গ্ৰহণ কৰি The Teacher is the most parishable বোলা কথাষাৰ নিজৰ জীৱনতে উপভোগ কৰিছিল। সেই সময়ত কলেজৰ কৰ্মচাৰীসকলক কাৰণে অৱসৰকালীন ভাট্টা বা pension নাছিল, ২০০৫ চনৰ পৰাহে চৰকাৰে এই ব্যৱস্থা গ্ৰহণ কৰে।

ৰাষ্টোগীয়ে কলেজ এৰি যোৱাৰ পাছত হিৰণ চন্দ্ৰ বৈশ্যই কুৰি বছৰ কাল কলেজখনৰ অধ্যক্ষ হৈ অৱসৰ গ্ৰহণ কৰে। তেওঁ এজন অধ্যয়নধৰ্মী লোক আছিল যদিও হাতত কলম তুলি নল'লে।

সেই সময়ত কলেজখনলৈ অহা-যোৱা কৰা ৰাস্তাটো বৰ ঠেক আছিল। ভাটিপাৰাৰ কেইঘৰমান মানুহৰ মাজে�ৰে যোৱা মাত্ৰ এটা সৰু ৰাস্তা আছিল। সেই সময়ৰ অসমৰ এজন মন্ত্ৰী দুলাল বৰুৱাৰ অধীনত গড়কাপ্তানী বিভাগটো আছিল। তেওঁ এদিন শুৱালকুছি চাবলৈ যোৱাত মই দৰ্খাস্ত এখন লেখি অধ্যক্ষৰ চহী লৈ লক্ষ্মীনাথ নগৰ বা মাহতলীয়া বড়িৰ মাজেৰে শুৱালকুছি-বামুন্দি ৰাস্তাটোলৈ কলেজৰ পৰা অহা-যোৱা কৰা ৰাস্তাটো নিৰ্মাণ কৰি দিবলৈ অনুৰোধ কৰিছিলো (মন্ত্ৰী মহোদয়ৰ লগত মোৰ ভাল সম্পৰ্ক এটা আছিল — ইউনিভাৰছিটিৰ ছাত্ৰ হৈ থাকোঁতে)। তেওঁ সন্মত হৈ ইঞ্জিনিয়াৰক কৈ ঠিকাদাৰৰ হতুৱাই ৰাস্তা বনাই দিছিল।

হিৰণ বৈশ্যৰ পাছত seniority basisত শ্রীহৰেকৃষ্ণ শর্মা অধ্যক্ষ হৈ কলেজৰ মাটিৰ সীমাত এখন নামফলক বহুৱাই কলেজৰ gateটো নির্মাণ কৰে। তেওঁৰ দিনত বিশেষভাৱে উল্লেখযোগ্য কাম হৈছিল কলেজৰ জমা ধনেৰে তেওঁ কলেজৰ পুথিভঁৰাল গৃহটো সুকীয়াকৈ নির্মাণ কৰে।

মই ১৯৯০ চনতে কলেজৰ অধ্যক্ষ পদৰ বাবে নির্বাচিত হৈছিলো। কিন্তু মোৰ পৰিবাৰক ঘৰত অকলে এৰি থৈ (ল'ৰা তিনিটা আৰু ছোৱালীজনী বাহিৰত পঢ়ি আছিল) মই অন্য কলৈকো যোৱাৰ ইচ্ছা নকৰিলো। শ্রীশর্মাৰ পাছত শ্রীপ্রকাশ চন্দ্র মেধি ভাৰপ্রাপ্ত অধ্যক্ষ হৈ এবছৰৰ মূৰত অৱসৰ পায়। তেওঁৰ পাছত পাল পৰে মোৰ। কিন্তু পদটোৰ কাৰণে এইবাৰ advertise কৰিলে পৰিচালনাৰ সভাপতিয়ে। গতিকে ময়ো দর্খাস্তকাৰী হ'লোঁ। মোৰ নিযুক্তি হ'ল। ময়ো মাত্র এবছৰ কালহে সময় পালো, গতিকে কলেজখনৰ কাৰণে বিশেষ একো কৰিব নোৱাৰিলো। কিন্তু কলেজখনে তেতিয়ালৈকে permanant affiliation পোৱা নাছিল G. U.ৰ পৰা। এই affiliation নাথাকিলে University Grants Commission ৰ National Accreditation Council (NAC) য়ে কলেজৰ ভিতৰখন চাই grant আদিৰ কাৰণে report নিদিয়ে। গতিকে মই কলেজখনৰ permanant affiliation ৰ কামত লাগি বিশ্ববিদ্যালয়ৰ কলেজ Inspector আৰু অন্য দুজন বিশেষজ্ঞ Dr. Bhagaban Ch. Lahkar আৰু University ৰ Mathematics বিভাগৰ অধ্যাপক Dr. Das (নামটো পাহৰিছোঁ) নামৰ এজনক পৰিদর্শক হিচাপে নিযুক্তি দিয়াত তিনিওজনে কলেজখন পৰিদর্শন কৰি report দিয়াত কলেজখনৰ permanant affiliation হয় ১৯৯৭ চনৰ ফেব্রুৱাৰী মাহত আৰু মই অৱসৰ পাওঁ মার্চ মাহৰ শেষত।

ওপৰৰ কথাখিনি কলেজ পৰিচালনাৰ বিষয়েহে কোৱা হ'ল। এই কলেজ প্রতিষ্ঠাৰো এটা চমু ইতিহাস আছে। ডাঃ নাৰায়ণ চন্দ্র কাকতিৰ ১নং নাক্তাদলৰ বজাৰ চ'কৰ ওচৰত এখন ফার্মাচী আছিল (তাৰ পিছফালে তেওঁৰ বাসস্থান)। তাতে মাজে সময়ে চাৰিখুঁটাৰ সুৰেণ ডেকা নামৰ ব্যৱসায়ী এজন (গুৱাহাটীৰ পাণবজাৰত তেওঁৰ এখন কাপোৰৰ দোকান আছিল। তেওঁৰ ল'ৰা শ্রীৰমেন ডেকা বিজেপিৰ টিকটত যোৱা নির্বাচনত মাননীয় এম. পি. নির্বাচিত হয়)। তেওঁলোকৰ অন্য এজন সঙ্গী আছিল পূব শুৱালকুছিৰ এজন ঠিকাদাৰ কৃষ্ণ মেধি। ডাক্তৰৰ ফার্মাচীত বহি তেওঁলোকে হেনো শুৱালকুছিত এখন কলেজ স্থাপন কৰাৰ কথা আলোচনা কৰে। ইকাণ-সিকাণকৈ কথাটো গৈ আসাম-কো-অপাৰেটিভ চিল্ক হাউচৰ স্থানীয় সম্পাদক হেমকান্ত দাসৰ কাণত পৰি তেৱোঁ এই বিষয়ত উৎসাহিত হৈ উঠিছিল। শেষত চিল্ক হাউচৰ সন্মুখতে ফার্মাচী থকা ডাঃ গণেশ চন্দ্র দাসকো কোনোৱে এই বিষয়ে কোৱাত তেৱোঁ উৎসাহিত হ'ল।

কিন্তু সেই সময়ত কলেজ স্থাপন কৰিবলৈ গাঁও অঞ্চলত কমেও ২৫ বিঘা মাটিৰ প্রয়োজন আছিল। গতিকে ইমান ঘন বসতিৰ শুৱালকুছিত ক'ত ইমান মাটি পাব! সৌভাগ্যৰ বিষয় যে ভাটিপাৰাত থকা ঈশ্বৰ শ্রীশ্রীহাটীসত্রৰ প্রায় ৪২ বিঘা মাটিৰ এখন বাৰী পৰি আছিল। কলেজ স্থাপন কৰিব খোজা কেইজনমান লোকৰ এই বাৰীখনৰ ওপৰত চকু পৰিল। তেওঁলোকৰ কেইজনমান এদিন গৈ সত্রাধিকাৰ শ্রদ্ধেয় মাধব মহন্ত মহোদয়ক লগ ধৰি মাটি কেইবিঘা কলেজলৈ দান দিয়াৰ কাৰণে; এই ক্ষেত্রত দৰকাৰ হ'লে কলেজখনৰ নামটোও তেওঁৰ নামেৰে নামকৰণ কৰিবলৈ উদ্যোক্তসকল একমত হ'ল। সত্রাধিকাৰ মহোদয়ে হেনো এই চর্তত সঁহাৰি দিয়াত কলেজখনৰ নামকৰণ কৰা হ'ল শুৱালকুছি বুদৰাম মাধব সত্রাধিকাৰ কলেজ (সত্রাধিকাৰ বুদৰাম হেনো এজন বাক সিদ্ধ পুৰুষ আছিল, সেয়ে সত্রাধিকাৰ দুজনৰ ভিতৰত তেৰাৰ নামটো প্রথমতে ৰখা হ'ল, ইংৰাজীত কলেজৰ নাম খেল হ'ল এনেদৰে — Sualkuchi Budram Madhab Satradhikar College চমুকৈ SBMS College আৰু ইয়াৰ নৈশ ক্লাছ আৰম্ভ হয় ল'ৰা হাইস্কুলত ১৯৬৩ চনৰ ১ আগষ্ট তাৰিখৰ পৰা আৰু ইয়াৰ উদ্বোধন কৰিছিল বিশ্ববিদ্যালয়ৰ V. C. Dr. Tailor চাহাবে।

সেই সময়ত সমগ্র অসমত বহুসংখ্যক I.A. (Intermediate of Arts)ফেইল কৰা লোক হেনো আছিল; এওঁলোকৰ অনেকে হেনো স্কুলত চাকৰি কৰিছিল। সেয়ে গুৱাহাটী বিশ্ববিদ্যালয়ে এই শিক্ষকসকলক B. A. (Betchalor of Arts) পাছ কৰাৰ এটা সুবিধা কৰি দিয়াৰ কাৰণে এটা তিনিবছৰীয়া B. A. Course আৰম্ভ কৰিছিল। শুৱালকুছি বুদৰাম মাধব সত্রাধিকাৰ কলেজতো এই Course আৰম্ভ হোৱাত শুৱালকুছিৰ পশ্চিমে থকা বামুন্দি-শিলিগুৰিৰ পৰা ৰামদিয়া-হাজো অঞ্চলৰ ভালেমান শিক্ষক এই কলেজৰ ছাত্র হিচাপে ইয়াত অধ্যয়ন কৰিছিল (হাজো কলেজখন কেইবছৰমান পাছতহে স্থাপন কৰা হৈছিল)। এই ছাত্রসকলৰ ভালেসংখ্যক মোতকৈ বয়সত ডাঙৰ আছিল আৰু মই তেওঁলোকক আপুনি বা আপোনালোক বুলি সম্বোধন কৰিছিলোঁ।

এই কলেজ স্থাপনত অসম কো-অপাৰেটিভ চিল্ক হাউচৰ বিশেষ অৱদান আছিল। উল্লেখ কৰাত প্রয়োজন নাই যে অসমৰ ৰেছম উদ্যোগৰ প্রধান কেন্দ্র স্থান হ'ল শুৱালকুছি। এই সম্পর্কে আমি লেখা 'The Silk Industry of Assam, Spectrum Publications, 2005' গ্রন্থখন দ্রষ্টব্য। আমি এটা জৰীপ কৰি শুৱালকুছিত ২০০২ চনত ১৬,৭১৭ খন আৰু শুৱালকুছি অঞ্চলটোত ২৩,৮৭২ খন ৰেছম শাল পাইছিলো। এই শালবোৰত তৈয়াৰ কৰা কাপোৰ ক্রয় আৰু বিক্রী কৰাৰ ক্ষেত্রত চিল্ক হাউচৰ উপৰি অন্য কেইবাখনো সমবায় সমিতি আছে যদিও চিল্ক হাউচৰ ভূমিকাৰ লগত অন্যবোৰৰ তুলনা কৰিব নোৱাৰি। সেই কাৰণেই কাপোৰ বিক্রী কৰিবলৈ অহা লোকসকলৰ পৰা ৰছিদ দি ৫/১০ টকাৰ পৰা শ টকালৈকে দান আদায় কৰি কলেজখন স্থাপনত সহায় কৰিছিল।

যিহওক, চিল্ক হাউচৰ স্থানীয় সম্পাদক হেমকান্ত দাস, ডাক্তৰ গণেশ চন্দ্র দাস আৰু ডাক্তৰ নাৰায়ণ চন্দ্র কাকতিৰ লগত আলোচনা কৰি জুলাই মাহৰ কোনো এটা তাৰিখে শ্রীশ্রীশঙ্কৰ মন্দিৰত এখন ৰাজহুৱা সভা পাতি কলেজ প্রতিষ্ঠাৰ কাৰণে এখন সমিতি গঠন কৰিলে সেই অঞ্চলটোৰ গণ্যমান্য ব্যক্তি কেইজনমানক লৈ। এই ব্যক্তিসকল আছিল — (১) ডাক্তৰ গণেশ চন্দ্র দাস, সভাপতি (২) ডাক্তৰ নাৰায়ণ চন্দ্র কাকতি, উপসভাপতি (৩) হেমকান্ত দাস, সাধাৰণ সম্পাদক বা চেক্রটাৰী আৰু কমিটিৰ অন্য সদস্যসকল আছিল ফটিক চন্দ্র দাস, মহীৰাম মহাজন, কৃষ্ণকান্ত মেধি, সুৰেণ চন্দ্র ডেকা, বাসুদেৱ শর্মা, ডাক্তৰ দেবেন কাকতি, হেমচন্দ্র মেধি, বংশৰ গাঁওৰ শিক্ষক উপেন কাকতি, শ্রীহাটীৰ হৰেণ শর্মা, মহেশ চন্দ্র মৰল (বাকী অন্য কাৰো নাম মোৰ মনত পৰা নাই, যদি কাৰোবাৰ নাম ৰৈ গৈছে মোক ক্ষমা কৰিব)। কলেজৰ Affiliation হোৱাত আৰু ঘাটি মঞ্জুৰী পোৱাৰ পাছত চৰকাৰী নিয়মমতে Governing Body গঠন কৰা হৈছিল। প্রথম Governing Body ৰ সদস্যসকলৰ নাম মোৰ মনত পৰা নাই, ক্ষমা কৰিব।■



সোণালী জয়ন্তী মহোৎসৱ, শুৱালকুছি বুদৰাম মাধব সত্রাধিকাৰ মহাবিদ্যালয়, (১৯৬৩-২০১৩)

# সোঁৱৰণীৰ অতীত ৰেঙণি

**যতীন দাস**

*প্ৰাক্তন ছাত্ৰ, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

'সোঁৱৰণী কুঁৱলীয়ে চিঞৰি চিঞৰি কয়
অতীতৰ সীমাৰেখা নাই
সমুখতো দেখো আজি পুৰণি বাগৰি পৰে
নতুনে মাথোঁ ৰিঙিয়ায়'

—ড° ভূপেন হাজৰিকা

বাস্তৱ আৰু শাশ্বত কথা—সোঁৱৰণীৰ সীমাৰেখা নাই। ইং ১৯৬৩ খ্ৰীষ্টাব্দ। এই বছৰটি ধৰ্ম আৰু কৰ্ম-সংস্কৃতিৰ মিলনভূমি ঐতিহ্যমণ্ডিত শুৱালকুছিৰ বাবে এক চিৰস্মৰণীয় বৰ্ষ হিচাপে চিহ্নিত হৈ থাকিব। ১৯৬৩ চনৰ আৱন্তণিৰেপৰা কেইগৰাকীমান দূৰদৰ্শী, সমাজ-সচেতন আৰু বিদ্যানুৰাগী ব্যক্তিৰ অক্লান্ত পৰিশ্ৰমৰ ফলশ্ৰুতিত ইং ১৯৬৩ চনৰ ১ আগষ্ট তাৰিখে এক সোণালী অধ্যায়ৰ সূচনা হ'ল। শুৱালকুছি আৰু চাৰি মৌজাৰ এক বৃহৎ অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান 'শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়' স্থাপন হ'ল।

এই মহান আৰু পৱিত্ৰ কৰ্মৰ প্ৰথম স্বপ্নদ্ৰষ্টাসকলৰ অন্যতম সেৱকসকল হ'ল—কৃষ্ণৰাম মেধি, ডা° নাৰায়ণ চন্দ্ৰ কাকতি, হেমকান্ত দাস, শৰৎ মেধি, ভৃগুৰাম কলিতা, সিদ্ধিৰাম দাস (শিক্ষক) ইত্যাদি। এইকেইগৰাকী ব্যক্তিৰ মাজত প্ৰাথমিক আলোচনা চলিল কাৰোবাৰ চ'ৰাঘৰৰ চাহমেলত নতুবা কোনোজনৰ ফাৰ্মাচীত। এই আলোচনা শিক্ষিত বুদ্ধিজীৱীৰ মাজত প্ৰচাৰ হোৱাৰ লগে লগে ই বাস্তৱৰ ফালে আগুৱাই গ'ল। প্ৰথমে ২১ জনীয়া (সংকুচিতভাৱে) তদৰ্থ কমিটি গঠন হোৱাৰ পিছত হাজো উন্নয়ন খণ্ডৰ চাৰি মৌজাৰ ৰাইজক নিমন্ত্ৰণ কৰা হ'ল। শুৱালকুছি হাইস্কুলত তিনি শতাধিক মানুহৰ সমাগম হ'ল। সভাখনত পৌৰোহিত্য কৰে সেই সময়ৰ উচ্চ শিক্ষিত ব্যক্তি, যোৰহাট কৃষি কলেজৰ অধ্যক্ষ মাননীয় ড° মাধৱ দাসদেৱে। সভাত আলোচনা-বিলোচনাৰ অন্তত সকলোৱে হৰ্ষোল্লাসেৰে 'শুৱালকুছি কলেজৰ স্থাপন সমিতি' নামেৰে এখন কমিটি পাতিবলৈ স্থিৰ সিদ্ধান্ত গ্ৰহণ কৰে। শুৱালকুছিৰ বিশিষ্ট সমাজকৰ্মী ডা° গণেশচন্দ্ৰ দাস ডাঙৰীয়াৰ লগতে শিক্ষিত ডেকা কৰ্মেশ্বৰ বৈশ্যক সম্পাদকৰ গুৰু দায়িত্ব অৰ্পণ কৰি ৫১ জন সদস্য নিৰ্বাচন কৰা হয়। এই কমিটিখনত শুৱালকুছিৰ প্ৰায় সকলোখিনি সমাজ-সচেতন ব্যক্তিৰ উপৰি চাৰিমৌজাৰো প্ৰতিনিধি অন্তৰ্ভুক্ত হৈছিল।

কমিটিৰ সদস্যসকলে যুদ্ধগতিৰে কামত আগবাঢ়িব ধৰিলে। বজাৰত থকা শ্ৰদ্ধেয় মহীৰাম মহাজনৰ দোকানৰ একাংশ কাৰ্যালয় হিচাপে ব্যৱহাৰ কৰিবলৈ দিয়া হয়। লগে লগে দান-বৰঙণি, মাটি আদিৰ বাবে ভাগে ভাগে বৈঠক বহিল। শুৱালকুছিৰ আৰ্থিক স্বচ্ছলতা থকা ব্যক্তিসকলে সাধ্যানুসাৰে দান আগবঢ়ালে, লগতে পাৰ্শ্ববৰ্তী অঞ্চলৰ দুই-চাৰিজনেও সহায় আগবঢ়ালে। দাতাসকলৰ উৎসাহ-উদ্দীপনা দেখি সমিতিৰ সদস্যসকলৰ অন্তৰ জীপাল হ'ল। প্ৰধান সমস্যাটো হ'ল মাটি-জমিৰ। কাৰণ এটা ভাগতে ৩০/৩৫ বিঘা মাটি ক'ত পোৱা যাব। একাধিক ঠাইত মাটি চোৱা হ'ল যদিও কোনো ফালে নিমিলে। শেষত পুৱাৰ সূৰুযৰ ৰেঙণি দেখা গ'ল। ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ বিশাল জমি (পুখুৰীপাৰাস্থিত) মূল্যৱান গছ-গছনিৰে ভৰপূৰ আৰু তাৰ চাৰিওফালে ধাননি পথাৰ। অপূৰ্ব প্ৰাকৃতিক মনোমোহা দৃশ্যাৱলী। তাকো শুৱালকুছিৰ মাজমজিয়াত, যাক কোৱা হয় Heart of the city । সেই সময়ৰ শ্ৰীশ্ৰীহাটী সত্ৰৰ দূৰদৰ্শী বিদ্যোৎসাহী সত্ৰাধিকাৰ প্ৰভু মাধৱ মহন্ত আৰু সত্ৰৰ হিতাকাংক্ষী ভকত বৈষ্ণৱৰ লগতে কেবালানিও অন্তৰংগ আলাপ-আলোচনাৰ অন্তত শেষৰ দিনা ৰাতি এঘাৰ বজাত সত্ৰাধিকাৰেদেৱে হৃদয়ৰ দুৱাৰ মুকলি কৰি দিলে। বাকসিদ্ধ পুৰুষ বুদৰাম মহন্ত আৰু মাধৱ মহন্তৰ নামেৰে মহাবিদ্যালয়খনিৰ নাম 'শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়' নামে খ্যাত হ'ল। মাজৰ গৰাকী সত্ৰাধিকাৰ মানৱদৰদী, স্থিতপ্ৰজ্ঞ লক্ষ্মীকান্ত মহন্তৰ স্মৃতি কলেজ স্থাপন সমিতিৰ ওপৰত ন্যস্ত কৰিলে। সমিতিৰ বিষয়ৱৱীয়াসকলৰ মুখত পানী আহিল। সকলোৱে ভগৱানৰ ওচৰত শতবাৰ প্ৰণাম জনালে।

**তোৰে মোৰে আলোকৰে যাত্ৰা**

গৌৰৱোজ্জ্বল ১৯৬৩ চনৰ ১ আগষ্ট তাৰিখে সমগ্ৰ শুৱালকুছি উদুলি-মুদুলি। আবাল-বৃদ্ধ-বনিতা সকলোৰে উৎসাহৰ অন্ত নাই। চেমনীয়াসকলে উলাহতে ক'বলৈ ধৰিলে—'আমাৰ গাঁৱত আজিৰপৰা কলেজ হ'ব। বাঃ বাঃ!' 'এৰা, আজি কলেজৰ শুভ উদ্বোধন হ'ব। আমাৰ দেশে স্বাধীনতা পোৱাৰ ৭/৮ বছৰৰ ভিতৰতে শুৱালকুছিত কলেজ স্থাপন হ'ব লাগিছিল'—এয়া দুই-চাৰিজন শিক্ষিত লোকৰ ভাষ্য। সেইদিনা নিৰ্দিষ্ট সময়ত কলেজৰ শুভ উদ্বোধন কৰিলে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য মাননীয় এইচ জে টেইলৰ মহোদয়ে। তেখেতক উষ্ম আন্তৰিক সম্ভাষণ জনাই আদৰি অনা হৈছিল। হাস্পতাল চ'কৰপৰা শুৱালকুছি হাইস্কুললৈ প্ৰতি চ'কতে ফুলৰ আদৰণী তোৰণ সাজি। এই কামত জ্যেষ্ঠ লোকসকলৰ লগত আমি কেইজনমানে যৎকিঞ্চিৎ সহযোগ কৰি মন-প্ৰাণত অপাৰ আনন্দ অনুভৱ কৰিছিলো।

সেইদিনাৰপৰা শুৱালকুছি হাইস্কুলত গধূলি ৫ বজাৰপৰা ৰাতি ৯

বজালৈ প্রাক বিশ্ববিদ্যালয় (Pre University) শ্রেণী আৰু বি এ ১ম বার্ষিক শ্রেণী আৰম্ভ হ'ল। ৰাতি আমি ল'ৰাখিনিয়ে ৪/৫ জন লগ হৈ ঘৰ পাইছিলো আৰু ছোৱালীখিনিক নিজ নিজ ঘৰত থৈ অহাৰ দায়িত্ব লৈছিল স্থানীয় নষ্টাদলৰ ৰাংঢালী ৰচকী মধুৰী আইতাই।

শুভাৰম্ভণী বছৰৰ প্রাক বিশ্ববিদ্যালয় শ্রেণীত নামভর্তি কৰা শিক্ষার্থীসকলৰ ভিতৰত আছিল সর্বশ্রী ভগীৰথ দাস, যতীনচন্দ্র দাস, হেমকান্ত কাকতি, চন্দ্র কাকতি, উপেন কলিতা, শৈলেন শর্মা, খগেন শর্মা, কনকলতা দাস, মনোৰমা মেধি, বিৰজা কলিতা, ভদ্রেশ্বৰ মজুমদাৰ, নগেন বর্মন, বসন্ত বৈশ্য, হৰিশ কলিতা, কৃষ্ণৰাম শর্মা, ললিতা কলিতা, অশ্বিনী মেধি, চবিন মেধি (শিক্ষক), নগেন ঠাকুৰীয়া, উদ্ধৰ বৈশ্য, গংগা বৈশ্য, শ্রীকান্ত বৈশ্য, বলি কলিতা, সাৱিত্রী পাঠক, মদন কলিতা, মকিব আলী, সুশীলা ডেকা, ভাৰতী বৈশ্য, গীতাৱলী দাস, দেৱীৰাম দাস, ৰমণী বৈশ্য, কনক কলিতা, ৰমেশ কলিতা, মাধৱ কলিতা, হেমপ্রভা বৈশ্য, ঘনশ্যাম বৈশ্য, বসন্ত দাস, কন্দর্প দাস, বিপিন ডেকা, ঘনকান্ত মহন্ত, তুলসী মালাকৰ, ৰজনী মালাকৰ, ৰমেশ দাস, যোগেন কলিতা, মঃ কুদ্রত আলী, মঃ দিলজান আলী, মঃ ইছা হক আলী, মৃগেন কলিতা, অনন্ত কলিতা, সোণেশ্বৰ ঠাকুৰীয়া, কনক বর্মন, সভাৰাম কলিতা, ভূপেন ভঁৰালী, মঃ কাচেম আলী, শ্যামচৰণ চৌধুৰী, বাণীকান্ত ঠাকুৰীয়া, লোহিত ঠাকুৰীয়া, বলীন দাস, মতিৰাম ভঁৰালী, ভাৰত কলিতা, খর্গেশ্বৰ বৈশ্য, গোবিন্দ দাস, লক্ষ্মীনাথ দাস, বসু দেৱান, মালতী মেধি, ৰমা বৈশ্য, পৱিত্র বৈশ্য, মোহন ডেকা, আদ্য কলিতা, লংকেশ্বৰ দাস, জ্যোৎস্না বৈশ্য, জয়ন্তী বৈশ্য, নাৰায়ণ বৈশ্য, সুশীল মালাকৰ আদি।

ঠিক তেনেদৰে বি এ প্রথম বার্ষিকত (TDC 1st Yr.) নামভর্তি কৰি মহাবিদ্যালয়খনক আগুৰাই নিয়া শিক্ষার্থীসকল হৈছে সর্বশ্রী হেমেন বৈশ্য, মতিৰাম দাস (শিক্ষক), দেৱেন গোস্বামী (শিক্ষক), গণেশ শর্মা (শিক্ষক), নাৰায়ণ তালুকদাৰ (শিক্ষক), সুৰেন বৈশ্য (শিক্ষক), ধীৰেন কলিতা (শিক্ষক), কান্তিৰাম দাস (শিক্ষক), বিনন্দীৰাম দাস (শিক্ষক), গাজীৰাম কলিতা, ভাৰতী মেধি, ভূপেন উজীৰ, নিৰঞ্জন বৈশ্য (মহাবিদ্যালয়ৰ কার্যালয়ৰ সহায়ক), নাৰায়ণ মেধি (শিক্ষক), প্রমোদ চৌধুৰী (শিক্ষক), ইদ্রিছ আলী (শিক্ষক), মনোহৰ চৌধুৰী, ৰাসভদ্র বৈশ্য (শিক্ষক), ৰমেশচন্দ্র কলিতা (শিক্ষক), চতুর্ভুজ মহন্ত (শিক্ষক), যতীন কলিতা, বিপিন কাৰিকৰ, হৰিচৰণ ভৰালী (শিক্ষক), বিপিন দাস, কৃষ্ণ শর্মা (শিক্ষক), নগেন ঠাকুৰীয়া, গোপাল বৈশ্য, সাৰংগপানী কাকতি, যতীন দাস, সাৱিত্রী দাস, চিকন্দৰ আলী আদি।

শুৰালকুছি হাইস্কুলত শ্রেণী আৰম্ভ হোৱাৰ পিছৰেপৰা কমিটিৰ সদস্যসকলৰ দায়িত্ব বাঢ়ি গ'ল। ক্ষিপ্রগতিত নতুন উৎসাহেৰে কাম আৰম্ভ হ'ল। প্রথমে হাবি- জংঘল চাফা কৰি ২ খনমান ট্রাকেৰে মাটি পেলাই কিছু অংশ সমান কৰি বর্তমানৰ পশ্চিমফালে থকা ৫ টা কোঠালিৰ গাঁথনি শেষ কৰি মাটি পূৰ কৰা হ'ল। এই কোঠালিকেইটাৰ মাটি পূৰোৱা কার্যত শুৰালকুছিৰ স্থানীয় একাংশ ছাত্রই অর্থাৎ আমি দুজন দুজনকৈ লগ হৈ মাটি পূৰোৱাত লাগি গৈছিলো। সেই তেতিয়াৰ যুৰ তেজৰ শক্তি আৰু উৎসাহে দেহলৈ লেখমানো ভাগৰ আৰু ক্লান্তি অনুভৱ হ'ব দিয়া নাছিল। কমিটিৰ মাননীয় সদস্যসকলে কামৰ অন্তত মগু-বুট আৰু কলেৰে আপ্যায়িত কৰিছিল। এনেদৰে আমাৰ দেহৰ ঘাম সেই কোঠালিকেইটাৰ মাটিত মিশ্রিত হৈ আছে। অৱস্থাৰ কিছু পৰিৱর্তন হ'ল আৰু আমাৰ Social Service পাতলীয়া হ'ল। কলেজৰ বর্তমানৰ দক্ষিণ ফালৰ তোৰণ (Gate) টোৰ দুয়োফালে দুটা অস্থায়ী ঘৰ নির্মাণ কৰি সোঁফালৰ এটা কোঠালি অধ্যক্ষ আৰু কাষৰ ডাঙৰ ঘৰটোত শিক্ষকৰ কমন ৰুম। ঠিক সেইদৰে বাঁওফালৰ ঘৰটো কার্যালয় আৰু সৰু কোঠালি এটা ছাত্রীসকলৰ জিৰণি-কোঠা হিচাপে ২/৩ বছৰলৈ ব্যৱহাৰ কৰা হৈছিল। কিন্তু আনফালে, ছাত্রসকলৰ জিৰণিৰ স্থান আছিল আম, শিলিখা আৰু শালনিবাৰী। তাতেই আমি বিমল আনন্দ লভি দেহ-মন তৃপ্ত কৰিছিলো। ভাবিলে আজিও যেন নষ্টাল্জিক্ হৈ পৰো।

দান-বৰঙণি সংগ্রহ অভিযান আৰম্ভ কৰা হ'ল। প্রথমে শুৰালকুছিৰ সমর্থৱান মানুহৰপৰা দান সংগ্রহ অভিযান আৰম্ভ হ'ল আৰু বোৱনী-শিপিনীৰপৰাও দহ টকা বৰঙণি হিচাপে সংগ্রহৰ ব্যৱস্থা কৰি লগতে অসমৰ এক পুৰণি প্রথা 'সুষ্টি ভিক্ষা'ৰো জনপ্রিয় অভিযানৰ সূচনাৰে প্রতি সপ্তাহত সেই পাত্রবোৰ পৰিয়ালৰপৰা সংগৃহীত চাউল এঠাইত জমা কৰা হয়। এই কামতো আমি একাংশ উদ্যোগী ছাত্রই জ্যেষ্ঠসকলৰ লগত 'পার্চেল' বা মোনা লৈ চাউল সংগ্রহ কৰা সেই বিশেষ মুহূর্তবোৰ আজিও চিৰস্মৰণীয় হৈ মনৰ মাজত দোলা দি আছে।

নতুন কলেজ। উৎসাহৰ অন্ত নাই। সত্রাধিকাৰৰ জলীত অসম আর্হিৰ ঘৰ নির্মাণৰ কামৰ শুভাৰম্ভ হ'ল। প্রথম গৃহটিৰ আধাৰশিলা স্থাপন কৰে কটন কলেজৰ অধ্যক্ষ ড° হৰিশ চন্দ্র গোস্বামী মহোদয়ে। স্মৰণযোগ্য যে শুৰালকুছিৰ এটি পুৰণি অনুষ্ঠান সৰুখেল গঞা ৰাইজৰ দানেৰে ছাত্রীসকলৰ জিৰণি-কোঠা আৰু হৃষিকেশ দেৱানৰ দানেৰে ১ নং হলটোৰ কাম আৰম্ভ কৰা হয়। নতুন গৃহ আৰম্ভ হোৱাৰ পিছতেই কলেজৰ আভ্যন্তৰীণ কামৰো আহ্বান আহিল, লগতে ছাত্র একতা সভা গঠনৰ প্রক্রিয়াও আৰম্ভ হ'ল। আৰম্ভণিৰ বছৰটোত ছাত্র একতা সভাৰ নির্বাচন নকৰি বাছনি হ'ল। সেইমতে শ্রীহেমেন্দ্র নাথ বৈশ্য শু বু মা স কলেজৰ প্রথমজন সাধাৰণ সম্পাদক (G.S.) আৰু এই লেখককো সহসাধাৰণ সম্পাদক হিচাপে লৈ সাংস্কৃতিক বিভাগ, খেল বিভাগ আৰু সমাজ সেৱা বিভাগেৰে সাধাৰণভাৱে ছাত্র একতা সভা গঠন হ'ল। দুবছৰৰ বাৰে ইয়াৰ তত্ত্বাৱধায়কৰ দায়িত্ব দিয়া হ'ল সুৰুচিবোধসম্পন্ন কৃতী শিক্ষক, ৰাজনীতি বিভাগৰ প্রবক্তা ত্রিশুৰাম নাথ ছাৰক। প্রথম বছৰত অতি সাধাৰণভাৱে দুই-এটা আনুষ্ঠানিক কাম আৰম্ভ কৰা হয়। অতি সাধাৰণভাৱে কৰা কামখিনিত নাই কোনো কৃত্রিমতা, আছে কেৱল উৎসাহ-উদ্দীপনা। লাহে লাহে ২য় বছৰত ছাত্র-ছাত্রীৰ সংখ্যা বাঢ়িল, সেয়েহে ছাত্র একতা সভাৰ নির্বাচন-প্রক্রিয়া আৰম্ভ হ'ল। পূর্বৰ বছৰৰ তুলনাত ছাত্র-ছাত্রীৰ মাজত উৎসাহ-উদ্দীপনা বাঢ়িবলৈ ধৰিলে। সময়মতে নির্বাচন অনুষ্ঠিত কৰা হ'ল আৰু ফলাফলৰ অন্তত এই অভাজনৰ ওপৰত সাধাৰণ সম্পাদক (G.S.) ৰ গধুৰ দায়িত্বৰ বোজা পৰিল। লগতে সাংস্কৃতিক, খেল, আলোচনী, সমাজসেৱা, পুথিভঁৰাল বিভাগকে ধৰি ৫ টা বিভাগৰ নির্বাচন নিয়াৰিকৈ সমাপন হয়। ২য়

বছৰত নৱাগত আদৰণী সভা অনুষ্ঠিত কৰি নতুন ছাত্ৰ-ছাত্ৰীসকলক চিনাকি কৰি দিয়াৰ অন্তত একাপ চাহৰ জুতিৰে এই অনুষ্ঠানখনিৰ সামৰণি মৰা হয়। ইয়াৰ পিছত প্ৰথমবাৰৰ বাবে 'কলেজ সপ্তাহ' মাত্ৰ তিনিদিনীয়াকৈ পতা হয় ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক আৰু মানসিক বিকাশ সাধনৰ উদ্দেশ্যেৰে। এই কলেজ সপ্তাহ উৎসৱৰ দুটা বিভাগৰ সাফল্য চমক লগা আছিল। প্ৰথমতে সংগীত বিভাগৰ ক্ষেত্ৰত এই কলেজ সপ্তাহত উজলি উঠিছিল শ্ৰীকনকলতা দাস, ভাৰতী মেধি, খগেন শৰ্মা, গীতাৱলী দাস, হেমপ্ৰভা বৈশ্য, বিৰজা কলিতা, সুশীলা ডেকা আৰু নাট-অভিনয়ত আছিল নাট্যকাৰ হেমেন বৈশ্য, শৈলেন শৰ্মা, অনন্ত কাকতি, ঘনশ্যাম বৈশ্য, যতীন দাস আদি অন্যতম। উল্লেখযোগ্য যে শ্ৰীকনকলতা দাস বৰগীতৰ নাটৰ অনাতাঁৰ শিল্পী আৰু একেৰাহে দুবাৰ কলেজৰ বছৰেকীয়া উৎসৱত শ্ৰেষ্ঠ বঁটা বিজয়ী (Bestman) হিচাপে নাম অৰ্জন কৰিছিল। দ্বিতীয়তে, খেল বিভাগৰ পাৱদৰ্শী খেলুৰৈৰ ভিতৰত অন্যতম আছিল— শ্ৰীহেমকান্ত কাকতি, ৰমণী কলিতা, মাধৱ কলিতা, উপেন কলিতা (পুতুল), খেল বিভাগৰ সম্পাদক দেৱীৰাম দাস, সোণেশ্বৰ ঠাকুৰীয়া, আদ্য কলিতা, কনক কলিতা, চন্দ্ৰ কাকতি, হেমপ্ৰভা বৈশ্য আদি। স্মৰণযোগ্য যে কলেজৰ খেলবিভাগৰ দুই তাৰকা শ্ৰীহেমকান্ত কাকতি, ৰমণী কলিতা আৰু মাধৱ কলিতাই সকলো খেলতে আগবাঢ়ি গৈ নিজৰ নিজৰ কৃতিত্ব অৰ্জন কৰিছিল আৰু ছাত্ৰ-ছাত্ৰী তথা দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিছিল। ঠিক এইদৰে আমাৰ কলেজৰ সৰ্বদিশতে প্ৰথম তিনিবছৰে সমানে গুৰুত্ব দি কলেজৰ পৰিয়ালৰ উন্নয়ন সাধন কৰাটোৰেই যেন সকলোৰে লক্ষ্য আৰু উদ্দেশ্য আছিল। এতিয়াও আমাৰ মনত সঘনে ভূমুকি মাৰে কলেজৰ স্বাধীনতা দিৱস, গণতন্ত্ৰ দিৱস, মহাপুৰুষ গুৰু দুজনাৰ তিৰোভাৱ তিথি, সৰস্বতী পূজা আদি অনুষ্ঠানবোৰে। Unionৰ পইচা কমকৈ খৰচ কৰি আমি দান-বৰঙণি তুলি উক্ত কামবোৰ আনন্দেৰে সমাপন কৰিছিলো।

**প্ৰথম দুবছৰৰ অধ্যক্ষ আৰু শিক্ষকসকলৰ ভূমিকা**

কলেজৰ প্ৰথম অধ্যক্ষ হিচাপে ঐতিহ্যমণ্ডিত কটন কলেজৰ ইংৰাজী বিভাগৰ জ্যেষ্ঠ অধ্যাপক কমলেশ্বৰ শৰ্মা মহোদয়ক নিযুক্তি দিয়াৰ যো-জা কৰা হৈছিল যদিও এক বুজিব নোৱৰা কাৰণত তেখেতৰ সলনি মঙলদৈ কলেজৰ ইংৰাজী বিভাগৰ অধ্যাপক তাৰাচৰণ ৰাস্তোগী মহোদয়ক নিযুক্তি দিয়া হ'ল। তেখেতে অধ্যক্ষ হিচাপে যোগদান কৰিয়ে বহু কষ্ট স্বীকাৰ কৰি কলেজৰ দুটা শ্ৰেণীত পাঠদান কৰিছিল আৰু সকলো যাৱতীয় কাম তথা যোগাযোগ আৰু প্ৰশাসনৰ দিশ চম্ভালিছিল। অৱশ্যে এইসময়ছোৱাত তেখেতক সৰ্বদিশতে সহায়ৰ হাত আগবঢ়াইছিল স্বৰ্গীয় কৰ্মেশ্বৰ বৈশ্য আৰু শ্ৰীযুত প্ৰকাশ মেধিদেৰে। ১৯৬৪ চনৰ আৰম্ভণিতে তেওঁলোক দুয়োগৰাকীকে প্ৰবক্তা হিচাপে নিযুক্তি দিয়ে। ১৯৬৩ চনৰ শেষ ভাগত মঙলদৈ কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক, শুৱালকুছি নিৱাসী হিৰণ বৈশ্য ছাৰক আমাৰ কলেজত অসমীয়া বিভাগৰ অধ্যাপক আৰু উপাধ্যক্ষ হিচাপে নিযুক্তি দিয়ে আৰু বৈশ্য ছাৰেও কলেজৰ সৰ্বদিশতে আত্মনিয়োগ কৰি অনুষ্ঠানটিক আগুৱাই লৈ যায়। এই চমু সময়ছোৱাৰ ভিতৰতে ৰাজনীতি বিজ্ঞানৰ প্ৰবক্তা হিচাপে ত্ৰিশুৰাম নাথ, বুৰঞ্জী বিভাগত হৰেকৃষ্ণ শৰ্মা, শিক্ষা বিভাগত দেৱযানী বৈশ্য, ইংৰাজী বিভাগত উপেন্দ্ৰ নাৰায়ণ শ্ৰীবাস্তৱ, অৰ্থনীতি বিভাগত প্ৰবীণ বৈশ্য ছাৰ আৰু অসমীয়া বিভাগত শ্ৰীমান চক্ৰৱৰ্তী ছাৰে প্ৰবক্তা হিচাপে যোগদান কৰি পাঠদানৰ উপৰি বিভিন্ন দিশত কলেজ কমিটিক সহায়-সহযোগিতা আগবঢ়াইছিল। তদুপৰি যি কেইগৰাকী স্থানীয় হাইস্কুলকেইখনৰ কৃতী শিক্ষক মহোদয়সকলে সেই দুদিনীয়া সময়ৰ পাঠদান কৰি গ'ল—উপেন কাকতি, সিদ্ধিৰাম দাস, দূৰকান্ত কলিতা (অসমীয়া), ৰমেশচন্দ্ৰ কাকতি (শিক্ষা), এই শুভ মুহূৰ্তত মহান ব্যক্তিকেইজনলৈ সহস্ৰ কৃতজ্ঞতা জনাইছো।

কলেজখনৰ আৰ্থিক দিশ টনকিয়াল কৰাৰ উদ্দেশ্যেৰে গুৱাহাটী-শুৱালকুছি আৰু পলাশবাৰী- শুৱালকুছি ঘাটৰ ফেৰী দুখনত সামান্যভাৱে অতিৰিক্ত ভাৰা, শুৱালকুছি বজাৰৰপৰাও দুই-এক পইচা অতিৰিক্ত খাজনা লোৱা হৈছিল। তদুপৰি ১৯৬৪ চনৰ জানুৱাৰী মাহত এখন প্ৰথম শ্ৰেণীৰ (নামটো মনলৈ নাহে) ভ্ৰাম্যমাণ থিয়েটাৰ চাৰিনিশাৰ বাবে প্ৰদৰ্শন কৰি কে'বাহাজাৰো টকা ৰাহি কৰিছিল। ঠিক এইদৰে বহুতো উপায় অৱলম্বন কৰি অনুষ্ঠানটিক আৰ্থিকভাৱে সকাহ দিয়া হয়। তদ্ৰূপ ধৰণে নানা কৌশল অৱলম্বন কৰি কলেজৰ উন্নয়ন আৰু আন্তঃগাঁথনিৰ কাম ব্যাহত হ'বলৈ নিদি গতানুগতিকভাৱে চলি থাকিল। প্ৰায় দহ বছৰ কাল অধ্যক্ষ প্ৰমুখ্যে শিক্ষক-প্ৰবক্তা আৰু কৰ্মচাৰীসকলে যি ত্যাগ স্বীকাৰ কৰি কলেজৰ বিদ্যায়তনিক দিশটো পূবৰ ৰঙীন সূৰুযৰ ফালে ধাৱমান কৰালে, তাৰবাবে কলেজ কৰ্তৃপক্ষক আমি তেতিয়াৰ ছাত্ৰ-ছাত্ৰী-সমাজে কৃতজ্ঞতাৰ শৰাই যাচিছো। এই সময়ৰ প্ৰায় মাজভাগতে কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ইংৰাজী বিষয়ৰ ওপৰত বিশেষ বুৎপত্তি থকা শ্ৰদ্ধেয় ৰাস্তোগী ছাৰে ১৯৬৬ বৰ্ষত এটি পৱিত্ৰ আকাংক্ষা ডক্টৰেট (Ph.D) ডিগ্ৰী লাভ কৰিলে। ১৯৬৯ চনত তেখেত শুৱালকুছিৰপৰা অন্য ঠাইলৈ যায়। ৰাস্তোগী ছাৰৰ প্ৰস্থানত উপাধ্যক্ষ মাননীয় হিৰণ বৈশ্য ছাৰে অধ্যক্ষৰ আসনত বহি কামবোৰ চম্ভালি ল'লে আৰু নিয়মীয়াভাৱে কাৰ্য সম্পাদন কৰিলে। আন্তঃসাহায্যেৰে কলেজৰ শিক্ষক-কৰ্মচাৰীক যৎসামান্য হ'লেও দৰমহা দিব লাগে।

**এক সফল পৰিক্ৰমা**

ইং ১৯৭৩ চন। এই বছৰটোৱে আনি দিলে কলেজৰ শিক্ষক-প্ৰবক্তা, কৰ্মচাৰীসকললৈ আনন্দৰ জোৱাৰ। বহুদিনৰ সপোন দিঠকত পৰিণত হ'ল। সুদীৰ্ঘ ১০ বছৰৰ পৰিশ্ৰম আৰু ত্যাগৰ স্বীকৃতি দিলে চৰকাৰে। লগতে কলেজ পৰিচালনা সমিতি তথা ৰাইজে স্বস্তিৰ নিশ্বাস এৰিলে। কলেজৰ সংশ্লিষ্ট সকলোৱে অধিক উৎসাহ-উদ্দীপনাৰে কামত অগ্ৰসৰ হ'ব ধৰিলে। এনেদৰে এক জটিল সন্ধিক্ষণ পাৰ কৰিলে কলেজখনে।

শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ক শিক্ষাৰ দিশত আগবঢ়াই নিয়াত অধ্যক্ষ, প্ৰবক্তা আৰু অধ্যাপকসকলৰ ভূমিকা আটাইতকৈ স্মৰণযোগ্য। য'ত শিক্ষকৰ ঐকান্তিক প্ৰচেষ্টাই হ'ল শিক্ষানুষ্ঠানসমূহৰ ফচল। ইয়াকে সাৰোগত কৰি দুয়োপক্ষই আগবাঢ়িলে সাফল্য অনিবাৰ্য। অধ্যক্ষ হিৰণ বৈশ্য ছাৰে সুদীৰ্ঘ কুৰিবছৰ কাল

কলেজখনৰ মুৰব্বী হৈ থাকি গতানুগতিকভাৱে কাম কৰি ১৯৮৮ চনত অৱসৰ গ্ৰহণ কৰিলে। বৈশ্য ছাৰৰ পিছত শ্ৰীহৰেকৃষ্ণ শৰ্মা ছাৰে ৮ বছৰ অধ্যক্ষৰ আসনত থাকি প্ৰশাসনীয় আৰু আন্তঃগাঁথনিৰ কামত ভালেখিনি সেৱা আগবঢ়াই ১৯৯৫ চনত অৱসৰ লয়। ইয়াৰ পিছত শ্ৰীপ্ৰকাশ চন্দ্ৰ মেধিদেৰে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে এবছৰ, ড° প্ৰবীণ বৈশ্য ছাৰে এবছৰ কাল, ৰঞ্জিৎ চৌধুৰীদেৱেও মাত্ৰ এটা বছৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে থাকি ১৯৯৮ চনৰ প্ৰথমাৰ্ধত অৱসৰ গ্ৰহণ কৰে। চৌধুৰীদেৱৰ পিছত ইং ১৯৯৮ চনৰ শেষাৰ্ধত শুৰালকুছিৰ সন্তান, পদাৰ্থ বিজ্ঞানৰ মেধাৱী অধ্যাপক দেৱগাঁৱৰ দেৱৰাজ ৰয় কলেজৰ কৃতী অধ্যাপক ড° ৰজনীকান্ত দাসে শুৰালকুছি বি এম এছ কলেজৰ অধ্যক্ষৰ আসন অলংকৃত কৰে। অধ্যক্ষ হিচাপে যোগদান কৰি কলেজ পৰিচালনা সমিতিৰ শিক্ষক গোট আৰু কৰ্মচাৰীবৃন্দৰ লগত সৌহাৰ্দপূৰ্ণ আলোচনাৰে অনুষ্ঠানটিৰ সৰ্বপ্ৰকাৰ উন্নতিৰ লগতে অনুশাসন-পদ্ধতিৰো আমূল পৰিৱৰ্তন অনিবলৈ চেষ্টা অব্যাহত ৰাখে। তেখেতৰ চমু পাঁচ বছৰীয়া কাৰ্যকালৰ উল্লেখনীয় কামৰ ভিতৰত আছিল কলেজৰ প্ৰশাসনীয় ভৱন নিৰ্মাণ, মাল্টিপ্লেক্স বিল্ডিঙৰ নিৰ্মাণ আৰম্ভ। তদুপৰি কলেজখনৰ স্মৰণীয় কামটো হ'ল পহিলা আগষ্টৰ দিনটো প্ৰতিষ্ঠা দিৱস হিচাপে উদ্‌যাপন কৰি এই কাৰ্যৰ বাটকটীয়া হিচাপে সদাসৰ্বদা কলেজৰ ইতিহাসত ৰৈ ৰৈ যাব। প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ দুটা মহৎ উদ্দেশ্য হ'ল — (১) কলেজখনক অসমৰ আগশাৰীৰ কলেজলৈ প্ৰক্ষেপ কৰা, (২) বিজ্ঞান শাখাটোৰ উন্নতিকৰণ কৰি পূৰ্ণ ৰূপ দি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰা। উল্লেখযোগ্য যে ১৯৭৮ চনৰপৰা বিজ্ঞান শাখাটো আৰম্ভ কৰি একাধিকবাৰ কমিটি হৈয়ো আশানুৰূপ ফল লাভ কৰিব নোৱাৰিলে। সৌভাগ্যৰ কথা যে কলেজ কমিটিৰ অলেখ চেষ্টাৰ মূৰত ২০১৩ চনত বিজ্ঞান শাখাটোৱে চৰকাৰৰ প্ৰাদেশীকৰণৰ তালিকাভুক্ত হয়। অধ্যক্ষ ড° দাসে আধৰুৱাকৈয়ে শুৰালকুছিৰপৰা গুৱাহাটীৰ এছ বি ডেওৰা কলেজলৈ যাব লগা হ'ল। তেখেতৰ পিছত এই কলেজত ড° বিলাস দাসে অধ্যক্ষ হিচাপে নিযুক্তি লাভ কৰি ২০১০ চনত অৱসৰ গ্ৰহণ কৰে। তেখেতৰ কালছোৱাত আন্তঃগাঁথনিৰ কাম কিছু হয়। ড° বিলাস চন্দ্ৰ দাসৰ পিছত উপাধ্যক্ষ তুৱা কটকী ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ পিছত ২০১২ চনৰ জানুৱাৰী মাহত আন এগৰাকী কৃতী অধ্যাপক ড° দীপেশ চন্দ্ৰ ভাগৱতীদেৱ অধ্যক্ষৰ পদত অধিষ্ঠিত হৈ আন্তঃগাঁথনিৰ কামৰ উপৰি কলেজখনৰ বাতাৱৰণ সলনি কৰি প্ৰশাসন-ব্যৱস্থাৰো বহুখিনি উন্নতি সাধা পৰিলক্ষিত হয় এই এবছৰ নমাহৰ কালত। তেখেতৰ সদিচ্ছা আৰু কৰ্মপ্ৰেৰণাই কলেজখনক অসমৰ ভিতৰতে এখন আদৰ্শ, জাকত জিলিকা উচ্চ শিক্ষাৰ অনুষ্ঠানলৈ ৰূপান্তৰিত কৰক—এয়া আমাৰ অন্তৰৰ গভীৰ আশা আৰু প্ৰত্যাশা। ড° ভাগৱতীৰ দিনতেই মহাবিদ্যালয়খনৰ ৫০ বছৰীয়া সোণালী জয়ন্তী মহোৎসৱ আমি প্ৰথম বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলে উদ্‌যাপন কৰিবলৈ সক্ষম হোৱা বাবে পৰম গৌৰৱ অনুভৱ কৰিছো। প্ৰসংগক্ৰমে উল্লেখ কৰিব খুজিলো যে কলেজ প্ৰতিষ্ঠাৰ ২৫ বছৰ পূৰ্তিৰ অন্তত ১৯৮৮ চনত উদ্‌যাপিত হ'ব লাগিছিল ৰূপালী জয়ন্তী সমাৰোহ। কিন্তু বিভিন্ন কাৰণত সেয়া হৈ নুঠিল। তাৰ কাৰণে আমাৰ মন অতৃপ্ত হৈ আছিল। আমাৰ পৰম প্ৰত্যাশা যে সোণালী জয়ন্তী মহোৎসৱ পালনৰ জৰিয়তে আমাৰ মনৰ অতৃপ্তিয়ে তৃপ্তিলৈ পৰিণত হোৱাৰ সুযোগ লাভ কৰিব পাৰিব। সংস্কৃতি আৰু স্মৃতি যুগমীয়া হৈ ৰওক সকলোৰে মন-প্ৰাণত। সৰ্বশেষত মহাপুৰুষ মাধৱদেৱৰ এইটো ঘোষাৰে সকলোজনলৈ সেৱা জনাইছো—

'অনেক অনৰ্থ আহে সংসাৰত
তাতে তিনিবিধ সাৰ।
কাম, ক্ৰোধ, লোভ আপোন নাশন
জানি কৰা পৰিহাৰ।'

— নামঘোষা

বিঃদ্ৰঃ এই লেখাটি যুগুত কৰোতে দুই-এটা ভুল হোৱাটো স্বাভাৱিক আৰু বহুকেইজন সেই সময়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ সহায় লোৱা হৈছে। সকলোলৈ কৃতজ্ঞতা যাচিলো।■

# স্মৃতিৰ কৰণীত শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়

**বোধেন্দ্র নাথ শর্মা**
*প্রাক্তন অধ্যাপক, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

এটি শুভ প্রভাতী পুৱা। সিদ্ধান্ত আছিল মহাবাহুৰ বুকুৰেদি ভটিয়াই গৈ অসমৰ মানচেষ্টাৰৰ বুকুত ফুলি উঠা অসম সাহিত্য সভাখনি প্রত্যক্ষ কৰাৰ। সিদ্ধান্ত মতেই কাম। ফাঁচি বজাৰৰ ফেৰী ঘাটৰপৰা ব্রহ্মপুত্রৰ বুকুৰেদি যোৱা জাহাজখনেৰে গৈ এটি ঘাটত নামি পাৰাপাৰ একো নেদেখা, কেৱল কঁহুৱা ফুলৰ দলিচাৰে ভৰা, দলিচাখনিৰ আঙঠিত থকা ঝাও বননিৰে আবৃত কৰি ৰখা অসম সাহিত্য সভাৰ অধিৱেশনথলী প্রত্যক্ষ কৰিলো। ঘূৰি-পকি চাৰিওফালে চাই সিদ্ধেশ্বৰী পাহাৰত অৱস্থিত দেৱালয়ৰপৰা প্রত্যক্ষ কৰা এক মনোৰম দৃশ্যপটে নয়ন সার্থক কৰিলে। কেৱল নাৰিকল গছৰ তলত সৰু সৰু সুৰীয়া বহুতো শাৰী শাৰী পথৰ দাঁতিত জুপুৰি ঘৰবোৰে অনুপম শোভা বঢ়াইছিল। ইয়াকে প্রত্যক্ষ কৰি এইবাৰ জলপথ ত্যাগ কৰি স্থলপথেৰে আমাৰ প্রত্যাৱর্তনস্থলীলৈ বুলি ৰাওনা হ'লো। প্রায় তিনি-চাৰি কিলোমিটাৰ পথ পদযাত্রাৰে অতিক্রম কৰি বাহু আস্থান (বর্তমানৰ শুৱালকুছিৰ হাস্পতাল চ'ক) পালোহি। বাহুৰ আসনত থকা কাঠখনত খামুচি ঘোঁৰাৰ পিঠিত উঠাৰ দৰে কঁকালটি ভাঙি নপৰাকৈ কোনোমতে জালুকৰাবী পাই বিশ্ববিদ্যালয়ৰ হোষ্টেল পালোহি। এই যাত্রাত সহযাত্রী কেইবাজনো আছিল। এই যাত্রা আছিল ১৯৭৯ চনৰ।

১৯৮১ চনৰ অক্টোবৰ মাহৰ কোনোবা এটা দিন। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ এজন জ্যেষ্ঠ ছাত্রই আহি খবৰ দিলে যে শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়ৰ শিক্ষা বিভাগত সম্মান পাঠ্যক্রম খুলিছে। প্রবক্তাৰ প্রয়োজন। প্রিভিয়াছ পাছ কৰা হ'লেও নিযুক্তি হ'ব। কথাটো এখন কাণেৰে সোমাই আনখনেৰে ওলাই গ'ল। পাঁচ-ছয় দিনৰ পিছত তেখেতে আহি পুনৰ ক'লেহি যে তেখেতে বুৰঞ্জী বিভাগত প্রবক্তা পদত যোগদান কৰি আহিছে, শিক্ষা বিভাগত যোগদান কৰিবৰ বাবে মই যাব লাগে। নাই, মোৰ কাণসাৰ নাই। আকৌ চাৰি-পাঁচ দিনৰ মূৰত আহি ক'লেহি যে শ্রেণীত একেৰাহে নিয়মীয়াকৈ নাথাকিলেও হ'ব, মুঠতে যোগদান কৰিবগৈ লাগে।

বস্ত্রনগৰী শুৱালকুছিয়ে মন আকর্ষণ কৰিছিল দুবছৰ পূর্বে সাহিত্য সভাৰ অধিৱেশন চোৱাৰ সময়তে। কিন্তু বাহুৰ আসনত ঘোঁৰাৰ দৌৰ সহ্য কৰিম কেনেকৈ? তথাপি যাবলৈ মন মেলিলো। পিছদিনাই ১ নৱেম্বৰ ১৯৮১ তাৰিখে কলেজ ওলালোগৈ। দুর্ভাগ্য নে সৌভাগ্য নাজানো, কলেজত অধ্যক্ষ নাছিল আৰু সেই কলেজৰে এজন প্রবক্তা, বর্তমান প্রয়াত ভৱেশ মজুমদাৰদেৱে মোক লৈ গৈ অধ্যক্ষৰ ঘৰ দেখুৱাই দি তেখেতৰ নিজৰ গৃহলৈ লৈ আহিছিল আৰু এবাটি দৈ-চিৰা খুৱাই এনেদৰে আপ্যায়ন কৰিছিল যে সেই স্মৃতি মোৰ মানসপটৰপৰা আজিও মচ খোৱা নাই। তাৎপর্যপূর্ণ কথাটো হ'ল যে তেখেতৰ পত্নীয়েই শিক্ষা বিভাগৰ মুৰব্বী আছিল আৰু মোক বর্তমান ইহ সংসাৰত নথকা স্বর্গীয়া দেৱযানী বৈশ্য বাইদেৱে পিছদিনাই কামত যোগদান কৰাৰ বাবে দহোকুৰি আহ্বান জনাইছিল। সেইমর্মে ১৯৮১ চনৰ ২ নৱেম্বৰত মই এজন প্রবক্তাৰ বাবে উপযুক্ত ডিগ্রী প্রিভিয়াছ পাছ প্রবক্তা ৰূপত শুঃবুঃমাঃসঃ মহাবিদ্যালয়ৰ শিক্ষক হ'লো।

শুৱালকুছি গাঁৱৰ মাজেৰে মহাবিদ্যালয়ৰ পথ বুলি মূল পথৰপৰা ধৰিব নোৱৰা এটি লুংলুঙীয়া বাটেৰে গৈ শ্রেণীকোঠাত পাঠদান কৰিছিলো। মোৰ পাঠদানৰ প্রতি একেবাৰে ভয় নাছিল বাবেই নে অন্য কাৰণতে নাজানো, পাঠদান কৰি খুউব ভাল লাগিছিল। ছাত্র-ছাত্রীৰ অমায়িকতাই মোহিত কৰিছিল।

**কলেজৰ সহকর্মী ঃ** কলেজৰ সহকর্মীসকলক মোৰ একেবাৰে নিজৰ পৰিয়ালৰ সদস্যৰ দৰে লাগিছিল। জ্যেষ্ঠ শিক্ষকসকলক ছাৰ বুলি সম্বোধন কৰিছিলো। তাৰে দুজনমানে 'ছাৰ' সম্বোধন কৰাত বাধা প্রদান কৰিছিল যদিও আমি বয়োজ্যেষ্ঠসকলক ছাৰ নোবোলাকৈ থকা নাছিলো। বহুতে মোক আপুনি বুলি কোৱাত মই আপত্তি দর্শাইছিলো—সেইমর্মে 'তুমি' সম্বোধন কৰাত খুব আনন্দিত হৈছিলো। কোনো কোনোৱে আকৌ প্রথম চিনাকিতেই কৈ পেলাইছিল—'মোৰ নিজৰ ল'ৰাৰ বয়সৰ যেতিয়া, মই তুমি বুলিয়ে মাতিম, বেয়া পাবা নেকি?' উল্লেখ নকৰিলে দোষে চুব যে জ্যেষ্ঠ শিক্ষকসকলৰ ভিতৰত সবাতোকৈ আপোন আছিল স্বর্গীয় কর্মেশ্বৰ বৈশ্য, প্রাক্তন অধ্যক্ষ শ্রীযুত হৰেকৃষ্ণ শর্মা, ড° প্রবীণ বৈশ্য। বন্ধুত্বৰ বান্ধোনেৰে বান্ধ খোৱা আপোনকেইজন আছিল সর্বশ্রী চন্দ্র শর্মা, তুৱা কটকী, ড° বিলাস দাস, ডিম্বেশ্বৰ শইকীয়া, প্রণৱ ডেকা, অর্চনা শর্মা। ভাতৃসুলভ সহকর্মীসকলৰ ভিতৰত সর্বশ্রী চিত্তৰঞ্জন শর্মা, চিত্তৰঞ্জন দাস, অশ্বিনী চৌধুৰী।

কর্মচাৰীসকলৰ ভিতৰত গ্রন্থাগাৰিক স্বর্গীয় হৰবিলাস বৈশ্য, শ্রীনিৱেন শর্মা, তুলসী বৈশ্যৰ লগত আপোনত্বই গা কৰি উঠিছিল। উল্লেখনীয় যে কলেজৰ কোনো লোকৰ বাবে আমি 'চকুৰ কুটা দাঁতৰ শূল' নাছিলো। সবাতোকৈ মহত্ত্বপূর্ণ কথাটো আছিল সেই সময়ত অধ্যক্ষ স্বর্গীয় হীৰণ চন্দ্র বৈশ্য পিতৃস্বৰূপ সৎ আৰু মহান ব্যক্তি আছিল।

**উল্লেখনীয় পৰিঘটনা ঃ** অমঞ্জুৰিকৃত পদত যোগদান কৰাৰ কিছুদিন পিছতেই এম এ ফাইনেল পৰীক্ষাত ইউ জি চিৰ মান ৰক্ষা কৰি উত্তীর্ণ হোৱা সময়ৰপৰা পূর্ণ পর্যায়ৰ প্রবক্তাৰূপে পৰিচিত হৈ পৰিলো। তেতিয়া চৰকাৰী পদ মঞ্জুৰিৰ ব্যৱস্থা এনে আছিল যে বছৰত প্রায় দুবাৰকৈ (জানুৱাৰী-জুলাই) কলেজসমূহক পদ মঞ্জুৰি দিছিল মুকলিকৈ। কোনো বিভাগ বা ব্যক্তিগত নামত পদ মঞ্জুৰি নহৈছিল। ১৯৮২ চনৰ ছেপ্টেম্বৰ মাহৰপৰা দিয়া পদ মঞ্জুৰি কলেজে লাভ কৰা এটি প্রবক্তাৰ পদ শিক্ষা বিভাগত আবণ্টন হ'ব লাগিছিল যদিও 'ৰজাই ভাল দেখে যাক মাটি ভেটিও নালাগে তাক' আপ্ত বাক্যশাৰীৰ বাবে শিক্ষা বিভাগত পদটি আবণ্টন নহ'ল। ফলত আমি মঞ্জুৰিকৃত পদৰপৰা বঞ্চিত হ'লো।

উপৰিউক্ত বিষয়টি প্রয়াত শ্রীমান চক্রৱর্তীয়েও ভাল পোৱা নাছিল বাবেই তেখেতৰ মহানুভৱতাৰ আৰু চেষ্টাৰ বাবেই ১৯৮৩ চনৰ ১ জানুৱাৰীৰপৰা কলেজখনিয়ে দুটি পদ মঞ্জুৰি লাভ কৰে। সেই পদ দুটি এটি শিক্ষা বিভাগত আৰু আনটি বুৰঞ্জী বিভাগত আবণ্টন দিয়াত আমি সেই তাৰিখৰপৰা চৰকাৰী মঞ্জুৰিকৃত পদবীধাৰী প্রবক্তালৈ উন্নীত হওঁ। এই সুযোগতে স্বর্গীয় শ্রীমান চক্রৱর্তীদেৱৰ আত্মাৰ সদ্গতি আৰু চিৰশান্তি কামনা কৰিলো। লগতে উচ্চ শিক্ষা সঞ্চালকৰ পৰিকল্পনা শাখাৰ উপ-সঞ্চালক শ্রীযুত চন্দ্র শর্মালৈ কৃতজ্ঞতা প্রকাশ কৰিলো।

**জ্যেষ্ঠতা:** জ্যেষ্ঠতা নির্ণয়ৰ বাবে যে অবৈতনিক সেৱাৰ মূল্যায়ন নহয় এই বিষয়টিৰ অভিজ্ঞতা লাভ হৈছিল স্থানীয় ব্যক্তি হিচাপে অধ্যক্ষ পদত অধিষ্ঠিত কৰাব বিচৰা অর্থনীতি বিভাগৰ জ্যেষ্ঠ এজন প্রবক্তাক কলেজ পৰিচালনা সমিতিয়ে দেখুৱা সহৃদয়তাৰ নীতিগত বা আইনগত ব্যৱস্থা নথকা কথাটিয়ে মনত সাঁচ বহুৱাইছিল। যিহেতু 'নীতিযুঁজ'ত নমা মেধিছাৰৰ বন্ধু শ্রীযুত হৱেকৃষ্ণ শর্মা ছাৱে মুকলি মনেৱেই বন্ধুৰ ওচৰত এইবুলি কৈছিল ঃ 'নীতিৰ যুঁজত কোনোজন হাৰিলেও ব্যক্তিগতভাৱে কথাটো নল'ব আৰু ময়ো নলওঁ।' শেষত শ্রীযুত হৱেকৃষ্ণ শর্মা ছাৰৰ পক্ষতেই ৰায়টি হ'ল। মন কৰিব লগা কথাটো আছিল অনুসন্ধানকাৰী বিষয়াজন শ্রীযুত মেধি ছাৰৰ একালৰ বন্ধু হোৱা সত্ত্বেও নীতিত চলা বিষয়াগৰাকীয়ে নিজৰ বন্ধুকো সহায় কৰিব নোৱাৰিলে। আজিৰ অনুসন্ধানকাৰী বিষয়াই কি কৰিলেহেঁতেন নাজানো।

পুৱাই ৯.৩০ বজাত কলেজত পাঠদান কৰিবলৈ আহি দেখা পাওঁ কলেজৰ পুখুৰীত গা ধোৱা কিছুসংখ্যক বোৱনী আদি মহিলাই কলেজৰ কাষৰ বেৰত কাপোৰ মেলি থৈ যায়। মোৰ বাবে এই দৃশ্যটি আছিল অতিকৈ দৃষ্টিকটু। জ্যেষ্ঠ শিক্ষকসকলক কথাটো কৈছিলো যদিও স্থানীয় লোক হোৱাৰ বাবেই হয়তো তেখেতসকলৰ বাবে অসুবিধা আছিল।

এদিন পুৱা পাঠদানলৈ আহি কাপোৰ দেখা পাই চকিদাৰজনক চিঞৰি চিঞৰি কৈছিলো এটি জুইশলা আনি কাপোৰখিনি জ্বলাই দিব লাগে বুলি (আচলতে নাটকহে কৰিছিলো)। কথাটো কৈ মই ক্লাছ নকৰাকৈ লুকাই দিলো আৰু মানুহবোৰ আহি কাপোৰখিনি লৈ গ'ল। তাৰ পিছদিনাৰপৰা কলেজ চৌহদত তিয়নী কাপোৰ দেখা নাছিলো।

**লাগে বুলিলে নকৰে নালাগে বুলিলেহে কৰে ঃ** কলেজ পৰিচালনা সমিতিৰ সভাপতিজন শুৱালকুছিৰ এজন প্রভাৱশালী ব্যক্তিত্বসম্পন্ন ব্যক্তি আছিল। তেখেত শ্রদ্ধাৰ প্রয়াত হেমকান্ত দাস। তেখেত স্বকীয় চিন্তাধাৰা আৰু সিদ্ধান্ত গ্রহণকাৰী ব্যক্তি আছিল। আনৰ শ্রুতলিপি মুঠেও নামানিছিল। কাজেই কলেজলৈ গাঁৱৰ মাজেদি সোমাই অহা পথটিৰ কলেজ চৌহদত গেটখন দিবলৈ অনুৰোধ কৰা সত্ত্বেও দিয়া নাছিল। বুদ্ধিমত্তাৰ অধিকাৰী সেই সময়ৰ অধ্যক্ষই আমাক এটি বুদ্ধি শিকালে। কলেজ পৰিচালনা সমিতিৰ সভাপতি আহিলে মই শিক্ষকৰ জিৰণি কোঠালৈ লৈ যাম। অনান্য কথাৰ মাজতে কলেজৰ গেটখন কৰিলে স্থানীয় মানুহৰ অসুবিধা হ'ব। গতিকে গেটখন দিব নালাগে। কথাটোত আমাক পূর্ণ সমর্থন দিবলৈ কোৱা মতে আমি সমর্থন দি ক'লো স্থানীয় মানুহৰ অহা-যোৱা কৰা, পুখুৰীত গা-ধোৱা আদি কামত অসুবিধা হয়। গতিকে গেটখন নিদিয়াই ভাল। কিন্তু বিধিৰ বিপাক— এসপ্তাহমানৰ পিছতেই কলেজ গেটৰ খুঁটাৰ কাম আৰম্ভ হ'ল আৰু এমাহৰ ভিতৰতে গেটখন সম্পূর্ণ হৈ তলামাৰি থোৱাৰ বন্দৰস্ত হ'ল। অধ্যক্ষ হৱেকৃষ্ণ শর্মা ছাৱে সন্ধিৰ বাঁহ বুদ্ধিৱে কাটি কলেজৰ শৈক্ষিক পৰিৱেশ ৰক্ষা কৰাৰ বাবে বৰঙণি আগবঢ়ালে। এই সুযোগতে স্বর্গীয় হেমকান্ত দাসদেৱৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিলো।

**খুটখাট ইটো-সিটো ঃ** বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগৰপৰা অনুদান বিচাৰি আৱেদন কৰাৰ প্রক্রিয়া সকলো ভিতৰুৱা কলেজবোৰে নাজানিছিল, প্রচাৰো নাছিল। সজাগ-সচেতন অধ্যক্ষসকলে বেছিকৈ অনুদান আনিব পাৰিছিল। শুৱালকুছি কলেজৰ তদানীন্তন অধ্যক্ষৰ অৱস্থাও তথৈবচ। সেয়েহে দুজন বুদ্ধিৱান প্রবক্তা লগ হৈ কেৱল এম ফিলৰ বাবে ফেল'শ্বিপ বিচাৰি আৱেদন-পত্র ভর্তি কৰি অধ্যক্ষৰ স্বাক্ষৰ লৈ বিশ্ববিদ্যালয় অনুদান আয়োগলৈ প্রেৰণ কৰিলে। আমি নতুন নিযুক্তিপ্রাপ্ত প্রবক্তা হিচাপে বেছি ভিতৰুৱা খবৰবোৰ নাপাইছিলো। গুৱাহাটী বিশ্ববিদ্যালয়লৈ গৈ খবৰ কৰি এখন আৱেদন-পত্র আনি নিয়মানুসাৰে কলেজখনিয়ে যি যি শিতানত অনুদান পায় আৱেদন-পত্রত উল্লেখ কৰি অধ্যক্ষৰ স্বাক্ষৰ ল'বলৈ যোৱাত তেখেতে স্বাক্ষৰ নকৰা হ'ল। কাৰণটো আছিল লেবৰেটি গ্রাণ্টৰ শিতানত অনুদান বিচৰা হৈছিল। তেখেতৰ মতে কলা শাখাৰ কলেজে লেবৰেটৰি গ্রাণ্ট বিচাৰিলে ভুল হ'ব। আমাৰ বক্তব্য আছিল—যিহেতু শিক্ষা বিভাগৰ মনোবিজ্ঞানৰ গৱেষণাগাৰ শুৱালকুছি মহাবিদ্যালয়ত আছে, গতিকে আমাৰ মহাবিদ্যালয়েও গৱেষণাগাৰৰ অনুদান বিচাৰিব পাৰে। তর্ক-বিতর্কৰ অন্তত সৰলচিতীয়া অধ্যক্ষই স্বাক্ষৰ প্রদান কৰিছিল।

কিছুদিনৰ পিছত খবৰ আহিল যে গ্রন্থাগাৰ, গৱেষণাগাৰকে ধৰি চাৰিজন প্রবক্তাৰ নামতো এম ফিলৰ ফেল'শ্বিপসহ মঞ্জুৰি লাভ কৰিলে। গোপনে কেৱল নিজৰ নামত এম ফিলৰ ফেল'শ্বিপ বিচাৰি পঠোৱা আৱেদন নামঞ্জুৰ হ'ল। আমি সেই দুজন প্রবক্তাৰ জ্ঞানচক্ষু মেলি দিয়াত ৰোষমুক্ত হ'লো।

**সন্মান পাঠ্যক্রমৰ নামভর্তিকৰণ ঃ** সন্মান পাঠ্যক্রমৰ নামভর্তিৰ ক্ষণত গাঁৱৰ ভিতৰুৱা কলেজবোৰত তেনে কোনো বিশেষ প্রতিযোগিতা নচলে। আৱেদন কৰিলেই আসন পায়। আমাৰ এজন সহকর্মীৰ এগৰাকী কন্যাক আমি শিক্ষা বিভাগৰ সন্মান পাঠ্যক্রমত নামভর্তি কৰালো, যাৰ উচ্চতৰ মাধ্যমিক শ্রেণীত শিক্ষা বিষয়টো

নাছিলেই। কোনো কোনো প্রবক্তাৰ আপত্তি আছিল যদিও আমি প্ৰাৰ্থী ছাত্ৰীগৰাকীৰ সন্মান বিষয়টিৰ প্ৰতি থকা আগ্ৰহৰ মাত্ৰাকেই মাপকাঠি কৰি নামভৰ্তি বাহাল ৰাখিলো। বৰ্তমান সেইগৰাকী ছাত্ৰী এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী।

**সান্ধ্য ভ্ৰমণ ঃ** আমি কেইজনমান ডেকা প্ৰবক্তাই সদায়েই ভাৰাঘৰৰপৰা আবেলি ওলাই যাওঁ আৰু সন্ধ্যা 'কৃষ্ণা হোটেল'ত পৰঠা আদি খাওঁ। সান্ধ্য ভ্ৰমণৰ প্ৰায়েই আমাৰ লগৰীয়া আছিল জ্যেষ্ঠ প্ৰবক্তাদ্বয় ক্ৰমে প্ৰয়াত কৰ্মেশ্বৰ বৈশ্য আৰু ড° প্ৰবীণ বৈশ্য। উল্লেখযোগ্য যে কোনোদিনেই দুয়োজন ছাৰৰ ঘৰৰপৰা শুদা মুখে আমাক নপঠাইছিল। এই ক্ষেত্ৰত ৰুচি লগাই চাহৰ লগত নতুন নতুন কিবা এবিধ বনাই খুওৱাৰ প্ৰবল হেঁপাহ কৰিছিল ভণ্টীয়ে (ভনিতা বৈশ্য)। তেওঁ প্ৰয়াত কৰ্মেশ্বৰ বৈশ্যৰ কনিষ্ঠা কন্যা।

**খেলা-ধূলা ঃ** আবেলি পৰত আমাক পথত দেখিলেই খেলপথাৰলৈ নিবলৈ কুণ্ঠাবোধ নকৰিছিল শিশুসুলভ স্বভাৱৰ ছাত্ৰ হেমন্ত কলিতাই। বেডমিণ্টনৰ ৰেকেট কিনিবলৈ বাধ্য কৰাইছিল তেৱেঁই। সন্ধ্যা পৰত বেডমিণ্টন খেলি শিক্ষকৰ থাকি বলগীয়া 'Friend, Philosopher & Guide'ৰ গুণকেইটিৰ খেলৰ মাজেৰে প্ৰথমটি গুণ ৰখা হৈছিল।

**কৃতকাৰ্যতাৰ চকুলো ঃ** কলেজখনিৰ প্ৰতিবছৰে অনুষ্ঠিত ছাত্ৰ একতা সভাৰ মহাবিদ্যালয় সপ্তাহৰ বাৰ্ষিক সভাখনিৰ বাবে অস্থায়ী মঞ্চ সজোৱা হয়। তাৰ আঁৰ-কাপোৰ (Screen) আদি প্ৰতিবছৰেই ভাৰালৈ অনা হয়। আমি প্ৰতিবছৰৰ ছাত্ৰ সংসদৰ পুঁজিৰ কিছু ৰাহি ধনেৰে এবাৰ মূল আঁৰ-কাপোৰখিনি কিনি লৈ ভাৰাৰ বাবদ ধন ব্যয় নকৰাৰো সিদ্ধান্ত ল'লো আৰু কামটো কৰি পেলালো। মূল সভাৰ দিনা খেলপথাৰত খেল চলি আছে। ছাত্ৰসকলৰপৰা মঞ্চ সজাব জনা কেইজমান ছাত্ৰই মঞ্চ সজালে। আমি প্ৰত্যক্ষ কৰি সন্তোষ পালো আৰু খেলপথাৰলৈ 'অন্ধই টেকেলি ভঙা খেল' চাবলৈ গ'লো। মনত পৰিল মঞ্চৰ মূল আঁৰ-কাপোৰখনি মেলি ৰখা হ'ল। গোটেই আঁৰ-কাপোৰখন বন্ধ কৰি থ'ৰৰ বাবে ছাত্ৰকৰ্মীকেইজনক ক'বলৈ আহি হতবাক হ'লো। গোটেই আঁৰ-কাপোৰবোৰতেই নীলা ৰঙৰ চিয়াহীৰে য'ত-ত'ত বুলোৱা আছে। তেতিয়া তাত কোনো নাছিল। হাত বুলাই দিয়াৰ লগে লগে চিয়াহীৰ দাগ লগা কাপোৰবোৰ থলথলকৈ সৰি পৰিল। তেতিয়াহে বুজিলো এচিড বুলি। ছাত্ৰকৰ্মীকেইজনক চিঞৰি উঠি হুকহুকাই কান্দি মাথোঁ তেওঁলোকক ক'লো—'তোমালোকে এই কাণ্ডটো কিয় ঘটালা? তাতকৈ মোৰ দুগালত দুটা চৰ নামাৰিলা কিয়?' মোৰ লগতে কেইবাজনো ছাত্ৰৰ চকু চলচলীয়া হ'ল। কোনোবাই ক'লে ভাৰা নোপোৱা বাবেই হেনো ক্লাবৰদ্বাৰা এনে কাৰ্য সংঘটিত কৰোৱা হৈছে। আমাৰ বাবে নুবুজা সাঁথৰ হৈ ৰ'ল।

**কলেজখনৰ নামৰ সাৰ্থকতা ঃ** শুৰালকুছিৰ বুদৰাম আৰু মাধৰ দুজন সত্ৰাধিকাৰৰ নামত কলেজখনি নামকৰণ কৰাৰ সাৰ্থকতা উপলব্ধি কৰিছিলো সেইদিনা, যিদিনা সত্ৰখনিৰ হ'বলগীয়া সত্ৰাধিকাৰ অৰ্থাৎ সৰু সত্ৰাধিকাৰে (নামটো পাহৰিলো) ধুতি-কামিজ পিন্ধি কলেজখনত পাঠগ্ৰহণ কৰিবলৈ আহিছিল। মোৰ অন্তৰেৰে সৰু সত্ৰাধিকাৰজনক ছাত্ৰ হ'লেও শ্ৰদ্ধা জনাইছিলো তেওঁৰ আগ্ৰহ আৰু আদৰ্শৰ বাবে।

**সমাজ-জীৱন ঃ** শুৰালকুছি কলেজখনিৰ আশে-পাশে স্থানীয় ৰাইজৰ দৃষ্টিভংগী খুবেই মুকলিমূৰীয়া উদাৰ পাইছিলো। কোনো ব্যক্তিগত ঘৰলৈ নিমন্ত্ৰণ জনোৱাৰ বাহিৰে আমি যোৱা নাছিলো। সামূহিকভাৱে স্থানীয় ব্যক্তিসকল মৰমিয়াল, সহানুভূতিশীল, উদাৰ আৰু সংস্কৃতিৱান বুলিয়েই আমি ধাৰণা কৰিছিলো। ছাত্ৰ, অভিভাৱক সকলোৰে আমি সন্মান লাভ কৰিছিলো।

কলেজৰ নাতিদূৰত থকা শ্ৰীহৰেন দাস নামৰ ব্যক্তিজনে শ্ৰীতুৰা কটকী আৰু মোক খুব আন্তৰিকতাৰে তেখেতৰ ঘৰলৈ নিমন্ত্ৰণ দিছিল। আমিও যথাসাধ্য তেখেতক মনোকষ্ট নিদিবলৈ চেষ্টা কৰিছিলো। তেখেতৰ মাতৃয়ে আমি কেতিয়াবা 'পেট বেয়া, নাখাওঁ' বুলি ক'লে এযাৰ কথা কৈছিল— 'ঠাণ্ডা পানী বেছিকৈ খাব। ৰাতি শুই উঠিলেও পানী খাইলৈহে শুব।' পিছে কথাযাৰ মিছা নহয়। ঠাণ্ডা পানী বেছিকৈ খালে (শৰীৰৰ মাত্ৰানুসাৰে) পেটৰ বহুতো বেমাৰৰপৰা হাত সাৰিব পাৰি।

**মৃত্যুৰে একোকে নুবুজে ঃ** শুৰালকুছিৰে শ্ৰীযোগেন চৌধুৰী নামৰ এজন ব্যক্তিৰ ঘৰত ভাৰাত আছিলো। দুজনী সুন্দৰ জীয়ৰী আৰু এটি কণমানি পুত্ৰৰ স'তে পত্নীক লৈ এটি সুন্দৰ সুখৰ সংসাৰ। ডাঙৰ ছোৱালীজনী পঢ়াত বেছ পাকৈত। মাকৰ নিয়মানুৱৰ্তিতা, সময়ানুৱৰ্তিতাই তেওঁলোকৰ জীৱনটো সৰ্বাংগসুন্দৰ কৰি তুলিছিল। আমি ভাৰাঘৰত কিবা কষ্ট পাওঁ বুলি সদায় চকু ৰাখিছিল। আঁঠুৰ তললৈকে পৰা চিক্‌চিকীয়া চুলিটাৰিৰে সুন্দৰ খোপাটি বান্ধি স্কুলৰ মাষ্টৰণী বাইদেউ হ'বলৈ পৰিধান কৰি ওলাই গ'লে সোণত সুৰগা চৰে। নিষ্ঠুৰ নিয়তিয়ে অকালতে কেন্সাৰৰূপী যমদূতক পঠাই পৰিয়ালটিৰ সৰ্বসুখৰ অধিকাৰিণী ঊষা বাইদেউক কাঢ়ি লৈ গৈছিল। সৌন্দৰ্য চৰ্চাৰ অধিকাৰী মানুহক নিয়তিয়ে কেনেকৈ দৰ্পচূৰ্ণ কৰে তাক মৰ্মে মৰ্মে উপলব্ধি কৰিছিলো। প্ৰয়াত ঊষা বাইদেউৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিলো।

**মানসিক আঘাত বা সংঘাতে কি কৰিব নোৱাৰে ঃ** এজন থূলন্তৰ ব্যক্তি। মাত-কথা, খোজ কাটল, হাঁহি আৰু আন্তঃক্ৰীড়া বহিঃক্ৰীড়াত ৰং-ধেমালিৰে অংশ লোৱা এই ব্যক্তিজন আছিল শুঃবুঃমাঃসঃ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰবক্তা। দিনৰ পোহৰ নাশিবলৈ ৰাতিটোৱে পিছ নেৰাৰ দৰে তেখেতৰ জীৱনলৈ নামি আহিল অমানিশা। বৰপুত্ৰৰ ওপৰত অপবাদ, মিছা অপৰাধ জাপি দিয়াৰ বাবেই মানসিক সন্তুলনত আঘাত লাগি কলেজলৈ যি নহা হ'ল, তেওঁক আৰু আমি বহুতো চেষ্টা কৰিও মানসিক শক্তিৰ যোগান ধৰিব নোৱাৰিলো। আমি হাৰ মানিলো তেখেতৰ ওচৰত। তেখেতে হাৰ মানিলে জীৱনটোৰ ওচৰত আৰু আজি বুজিবলৈ অশেষ চেষ্টা কৰিও বুজিব নোৱাৰো যে ভগৱানৰ সৃষ্ট মানুহৰ মগজু নামৰ যন্ত্ৰটো ইমানেই কৃত্ৰিম। এনেজন ব্যক্তি স্বৰ্গীয় ভৱেশ মজুমদাৰদেৱক শ্ৰদ্ধাৰে সুঁৰিলো।

**খাদ্যাভ্যাস/কৰ্মই ধৰ্ম ঃ** শৰীৰৰ বেমাৰৰ মূল কাৰণ অনিয়মীয়া খাদ্যাভ্যাস আৰু গুৰুপাক খাদ্য। অন্যান্য উপসৰ্গৰ বাবে ৰোগে আক্ৰান্ত কৰিলেও নিয়মীয়া খাদ্যগ্ৰহণে শৰীৰ সুস্থ-সবল হৈ থকাত যথেষ্ট

অৱিহণা যোগায়। এই সন্দর্ভত আমি শ্রীযুত প্রকাশ মেধি ছাৱৰ কথা উল্লেখ নকৰি নোৱাৰিলো। মেধি ছাৰ ব্রংকাইটিছ, ডায়েবেটিছ, ৰক্তচাপ আদি নানা ৰোগাক্রান্ত ব্যক্তি যদিও মানুহজনক দেখিলে বা লগ পালে কোনেও ক'ব নোৱাৰে এজন ৰোগাক্রান্ত ব্যক্তি বুলি। বছৰত এবাৰ মাদ্রাজৰ 'এপল' হাস্পতাললৈ যায় আৰু সম্পূর্ণ শৰীৰ পৰীক্ষা কৰি ঘূৰি আহে। খাদ্য-তালিকাৰ সূচী অনুযায়ী উল্লেখ কৰা মতে খাদ্য গ্রহণ কৰিব পৰা ব্যক্তিজন আছিল মেধি ছাৰ। তেখেতৰ পত্নীৰ বাবেই এইটো সম্ভৱ হৈছিল। শুনিলে হয়তো আচৰিত হ'ব যে তৰ্জুৰে জুখি-মাখি যিখিনি দ্রব্য লাগে সেই অনুপাতে বাইদেৰে তেখেতৰ খাদ্য যোগান ধৰিব পাৰিছিল। কোনো সাঁজত এক কেজি বেঙেনা পুৰি খোৱাৰ বাহিৰে আন একোৱেই নোখোৱাকৈ থকা ব্যক্তি মেধি ছাৰ। আমাৰ ঘৰলৈ একাপ চাহ খাবলৈ নিমন্ত্রণ জনোৱাত নিজেই এটা দিন স্থিৰ কৰি দি নিমন্ত্রণ গ্রহণ কৰিব বুলি কৈ এটা সিজোৱা কণী, এখন বিস্কুট আৰু একাপ চেনি নিদিয়া চাহৰ যোগাৰ কৰিবলৈ কৈ সেই মতেই তেখেতৰ খোৱাৰ সময়ৰ আগে আগে আহি উপস্থিত হ'ল। তেখেতৰ মতেই চাহকাপ দিয়া হ'ল। কিন্তু আচৰিত কথাটো হ'ল খাদ্যৰ তালিকা অনুসৰি সেইদিনা হেনো কণীৰ কুহুমটোহে খাব লাগে। গতিকে বগা অংশ এৰুৱাই থৈ ভিতৰৰ কুহুম অংশৰ লগত বিস্কুট আৰু চাহকাপহে গ্রহণ কৰিলে।

তেখেত শুৱালকুছিৰ ধনী-মানী ব্যক্তি আছিল। প্রায় ১৫০ খনমান তাঁতশালেৰে যোৱহাট, ষাঁচিবজাৰ আদিত শংকৰদেৱ চিহ্ন হাউছৰ মালিক। তিনিটাকৈ ডাঙৰ পুখুৰীৰে মাছ পোহা, পুখুৰীৰ পাৰত কলগছ, হাঁহ আদি পালন কৰাৰ লগতে বাৰীৰ নাৰিকল গছ পর্যন্ত বীমা কৰি আয়কৰ দিয়াৰ সকলো নিয়মীয়া বন্দবস্তিৰে জীৱন-যাপন কৰা এই ব্যক্তিজনৰ কর্ম-ব্যস্ততাই শৰীৰৰ বেমাৰৰ বিষয়ে চিন্তা কৰিবলৈ হয়তো তেখেতৰ সময় নাছিলেই। তেখেতৰ বাবে কর্মই ধর্ম আছিল।

**বিপদৰ বন্ধুহে আচল বন্ধু ঃ** এই বাক্যশাৰী মর্মে মর্মে উপলব্ধি কৰিছিলো সেইদিনা, যিদিনা মোৰ টাইফয়েড হোৱাৰ বাবে ডাক্তৰে মোক কমেও ৩-৪ দিন বিছনাৰপৰাই নামিবলৈ মানা কৰিছিল। কিন্তু মোৰ বাবে সেইটো পালন কৰা অসম্ভৱ আছিল; কাৰণ মোৰ ঘৰৰ কোনো মানুহ নাছিল মই থকা ভাৰাঘৰটিত। আমি কেইজনমান ডেকা প্রবক্তাই বেলেগ কোঠাৰ 'মেচ' কৰি এটা ঘৰতেই আছিলোহঁক। মোৰ ঘৰৰ মানুহক মাতি খবৰ পঠাবলৈ কোৱাত মোৰ সহকর্মী বন্ধুকেইজনে ক'লে—'আমিবোৰ কেলেই আছোঁ? ৰাতি খানা খাবলৈকে নহয়। ঘৰৰপৰা মানুহ মাতিব নালাগে।' কথামতে কাম। মই তিনি-চাৰি দিন বিছনাতে থাকিলো। মোৰ শৰীৰৰ অধোমুখী পেলনীয়া বস্তুবোৰ বন্ধুকেইজনে ইমান হর্ষচিত্তে হাঁহি-ধেমালিৰ মাজেৰে পৰিবর্জনীয় ৰখা স্থানত ৰাখিলেগৈ—হয়তো তেওঁলোক মোৰ কোনোবা জনমত পিতৃ-মাতৃ, ভাই-ভগ্নীৰ কোনোবা আছিল। সেইসকলৰ ভিতৰত শ্রীনিৰেণ শর্মা, চিত্তৰঞ্জন শর্মা, তুৰা কটকী, প্রয়াত হৰবিলাস বৈশ্য আদিয়েই প্রধান।

ছাত্র-ছাত্রীসকলে হাতত ফল-মূলৰ বেগ, জীয়া মাগুৰ, কাৰৈ মাছৰ টোপোলালাবোৰ লৈ মোক দেখা কৰিবলৈ আহি দেখুৱা শ্রদ্ধা আৰু মৰম কোনোকালেই পাহৰিব নোৱাৰিম। তেওঁলোকলৈ আজিও আন্তৰিক মৰম আৰু আশীর্বাদ বিদ্যমান। সহকর্মীসকলৰ খবৰ ল'বলৈ বুলি অহা উপস্থিতিয়েও আমাক আপ্লুত কৰি তুলিছিল।

মুঠতে শুঃবুঃমাঃসঃ মহাবিদ্যালয়খনিৰ কর্মজীৱনত আমাৰ হৃদয়স্পর্শী বহুতো ঘটনা-পৰিঘটনা আছে, যিয়ে নেকি আজিও শুৱালকুছিৰ জনসাধাৰণৰ প্রতি আমাৰ শ্রদ্ধা অক্ষুণ্ণ হৈ আছে হয়তো ভৱিষ্যতলৈকো থাকিব।* ■

* এই স্মৃতিলেখাখিনি মোৰ প্রয়াত সহকর্মী, বন্ধুবৰ তুৰা কটকীদেৱৰ নামত উৎসর্গা কৰিলো। —লেখক।

# চাকৰি জীৱনৰ স্মৃতি ৰোমন্থন

**প্রদীপ চন্দ্র কলিতা**
*প্রাক্তন কর্মচাৰী, শুংবুংমাংসং মহাবিদ্যালয়*

সেয়া আছিল ইং ১৯৬৩ চন। উল্লেখিত চনৰ জুন মাহৰ এদিন সন্ধিয়া সময়ত মই শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্রাক্তন শিক্ষক প্রয়াত নগেন শর্মা ছাৰৰ ঘৰলৈ গৈছিলো। সেই সময়ত শুৱালকুছিৰে প্রয়াত ডাᵒ নাৰায়ণ কাকতীও আছিল। তেতিয়া মোক দুয়োগৰাকী ব্যক্তিয়ে সুধিছিল, 'তুমি মহাবিদ্যালয়ত কাম কৰিবা নেকি?' মই কৈছিলো, মহাবিদ্যালয়ত কাম কৰিম বুলি। সেই সময়ত প্রয়াত ডাᵒ নাৰায়ণ কাকতীয়ে মোক কৈছিল এখন দর্খাস্ত লিখিবা আৰু দর্খাস্তখন দিবা শুৱালকুছি বজাৰ চ'ক নিবাসী প্রয়াত মহিৰাম মহাজনৰ ঘৰত। তাত এটি কোঠাত মহাবিদ্যালয়ৰ কার্যালয় পতা হৈছিল। সেইমতে, মই দর্খাস্তখন লৈ গৈ কার্যালয়ত জমা দিলো। তাৰ পিছত তেওঁলোকে আলোচনা কৰি সেইদিনাই মোক ক'লে, 'তুমি অহা কাইলৈৰপৰা এই কার্যালয়লৈ সন্ধিয়া সদায় আহিবা।' মই সন্মতিসূচক উত্তৰ দিলো। তাৰ পিছদিনাখনৰ পৰাই মোৰ কর্ম-জীৱনৰ পাতনি মেলিলো। তেতিয়া মোৰ মাহিলি বেতন আছিল মাত্র ২০ টকা। সেই সময়ত মহাবিদ্যালয়ৰ কার্যালয় প্রয়াত মহিৰাম মহাজনৰ ঘৰত আছিল যদিও মহাবিদ্যালয়ৰ শ্রেণীসমূহৰ পাঠদান হৈছিল শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সন্ধিয়া সময়ত। সেই সময়ৰ শিক্ষার্থীসকল আছিল চাকৰিজীৱী। তেওঁলোকৰ বেছিভাগেই আছিল শিক্ষক-শিক্ষয়িত্রী। সেই সময়ত মহাবিদ্যালয়খনত শুৱালকুছিৰ লগতে শ্রীহাটী, লাহ, বামুন্দী, বংশৰ, দামপুৰ, টোক্রাদিয়া, ৰামদিয়া, সোৱানচাহ, হাজো, কলিতাকুছি, শনিয়াদী, আজ্ঞাঠুৰি, শিঙিমাৰী আদিৰপৰা আহি ছাত্র-ছাত্রীসকলে অধ্যয়ন কৰিছিল। সেই সময়ত মহাবিদ্যালয়খনৰ প্রতিষ্ঠাপক অধ্যক্ষ আছিল প্রয়াত ডᵒ তাৰাচৰণ ৰাষ্টোগী, কার্যালয় সহায়ক আছিল গাজিৰাম কলিতা, তাৰ পাঁচমাহ মানৰ পিছত কার্যালয় সহায়ক হয় প্রয়াত নিৰঞ্জন বৈশ্য। মই আছিলো চতুর্থ শ্রেণীৰ কর্মচাৰী আৰু মোৰ সহকর্মী আছিল প্রয়াত বিষ্ণুৰাম দাস। সেই সময়ত কার্যালয় সহায়ক গাজিৰাম কলিতা আৰু মোৰ সহকর্মী বিষ্ণুৰাম দাসক কেইমাহমানৰ বাবেহে অস্থায়ীভাৱে নিযুক্তি দিছিল। ইয়াতে এটা কথা দোহাৰিব লাগিব যে সেই সময়ত বিজুলী বাতিৰ পর্যাপ্ত সুবিধা নাছিল বাবে মহাবিদ্যালয়খনত সন্ধিয়া শ্রেণীসমূহৰ পাঠদান শেষ হোৱাৰ পিছত ছাত্রীসকলক ঘৰে ঘৰে থৈ আহিছিল হাতত লেম্প লৈ শুৱালকুছিৰে মহিলা প্রয়াত মধুৰী বালা কলিতাই। সেই সময়ত যেতিয়া মহাবিদ্যালয়খনত চূড়ান্ত পৰীক্ষাসমূহ আৰম্ভ হৈছিল তেতিয়া চূড়ান্ত পৰীক্ষাৰ প্রশ্নকাকতসমূহ হাজো আৰক্ষী চকীৰপৰা আনিব লগা হৈছিল।

মই কর্মচাৰী হিচাপে চাকৰি থকা দিনত শিক্ষক-সমাজখনৰ লগত মোৰ সম্পর্ক আছিল অতি মধুৰ। প্রতিগৰাকী সন্মানীয় শিক্ষক-শিক্ষয়িত্রীৰ মনত মই সদায় মৰমৰ আছিলো। মই চাকৰি কৰি থকা সময়ত বহুকেইজন শিক্ষকে এই মহাবিদ্যালয়ত সুখ্যাতিৰে শিক্ষাদান কৰি বিদায় লৈ গৈছে। মই চাকৰি জীৱনত ৭ গৰাকী সন্মানীয় অধ্যক্ষক লগ পোৱাৰ উপৰিও চাৰিগৰাকীকৈ সাময়িকভাৱে ভাৰপ্রাপ্ত অধ্যক্ষক লগ পাইছিলো।

মহাবিদ্যালয়খনক জন্ম দিয়া সেই সময়ৰ পৰিচালনা সমিতিৰ বিষয়ববীয়াসকল হ'ল ক্রমে— ডাᵒ গণেশ চন্দ্র দাস (সভাপতি), ডাᵒ নাৰায়ণ কাকতি (উপ-সভাপতি) সম্পাদকদ্বয়— হেমকান্ত দাস আৰু কর্মেশ্বৰ বৈশ্য। সদস্যবৃন্দ হ'ল— ফটিক চন্দ্র দাস, মোহিনী শর্মা, নগেন শর্মা, জগন্নাথ শর্মা, বাসুদেৱ শর্মা, সিদ্ধিৰাম দাস, মহিৰাম মহাজন, দেবেন কাকতি, ৰামচৰণ দত্ত, সুৰেণ ডেকা, দেবেন্দ্র নাথ ভৰালী, বাপজান আলী আদি। মহাবিদ্যালয়খন প্রতিষ্ঠাৰ বাবে ভূমি বিচাৰি হেমকান্ত দাস, মহিৰাম মহাজন, দেবেন্দ্র নাথ ভৰালী আদি যথেষ্ট তৎপৰ হয়। ঈশ্বৰ শ্রীশ্রী হাটীসত্রৰ লগত যোগসূত্র স্থাপন কৰে ভূমিৰ বাবে। উল্লেখযোগ্য যে সত্রৰ প্রতিষ্ঠাপক কানু বুঢ়া ঠাকুৰে নলন্দা গাঁৱৰপৰা আহি শুৱালকুছিত সত্র স্থাপন কৰি এক খ্যাতিপূর্ণ অধ্যায়ৰ সূচনা কৰিছিল। সত্রৰ দশমজনা সত্রাধিকাৰ মাধৱ চন্দ্র মহন্তৰ লগত ভূমি সম্পর্কে উপৰিউক্ত ব্যক্তিসকলে গভীৰভাৱে আলোচনা কৰে আৰু তাৰ ফলপ্রসূ হিচাপে ৪২ বিঘা ভূমি দান দি যি ত্যাগৰ আদর্শ দেখুৱালে সি যুগমীয়া আদর্শ। সত্রাধিকাৰজনাৰ পৰামর্শমতে সত্রাধিকাৰ সাধু বুদৰাম মহন্তৰো নাম সংযোগ কৰি 'শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়' নামকৰণ কৰা হ'ল।

শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰপৰা মহাবিদ্যালয়ৰ শ্রেণীসমূহৰ পাঠদানৰ লগতে মহিৰাম মহাজনৰ ঘৰৰপৰা কার্যালয়ৰ কাম-কাজ স্থানান্তৰিত কৰা হ'ল নতুন ভূমিলৈ। তাৰ পিছত মহাবিদ্যালয়ৰ কাম-কাজ চলি থাকিল।

১৯৭৩ চনত শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়ে ঘাটি মঞ্জুৰী লাভ কৰে। ইতিমধ্যে প্রতিষ্ঠাপক অধ্যক্ষ ডᵒ তাৰাচৰণ ৰাষ্টোগীয়ে বিদায় গ্রহণ কৰাত হিৰণ চন্দ্র বৈশ্যই অধ্যক্ষৰ দায়িত্ব লয়। উপাধ্যক্ষ হ'ল হৰেকৃষ্ণ শর্মা।

মহাবিদ্যালয়ৰ কর্মচাৰী হিচাপে কাম কৰি থকা সময়ত মহাবিদ্যালয়ৰ পৰিয়ালটিক এৰি চিৰ দিনৰ বাবে গুচি যোৱা আমাৰ মাজৰপৰা অসমীয়া

বিভাগৰ মুৰব্বী অধ্যাপক তথা সাহিত্য-সংস্কৃতি, সমাজৰ আগৰণুৱা প্রয়াত চক্রৱর্তী, অসমীয়া বিভাগৰে অধ্যাপিকা প্রয়াত সৰোজ বুজৰবৰুৱা, শিক্ষা বিভাগৰ মূৰব্বী অধ্যাপিকা প্রয়াত দেৱযানী বৈশ্য সাউদ, কার্যালয় সহায়ক প্রয়াত নিৰঞ্জন বৈশ্য, মহাবিদ্যালয়খনৰ গ্রন্থাগাৰিক প্রয়াত হৰবিলাস বৈশ্য, মোৰ সহকর্মী তথা ৪র্থ শ্রেণীৰ কর্মচাৰী প্রয়াত পৰেশ দাস, প্রয়াত চন্দ্র বাহাদুৰ (চাইলা)ক আজিৰ এই সোণালী জয়ন্তীৰ পৰিত্রক্ষণত শ্রদ্ধাৰে সোঁৱৰিছো।

মহাবিদ্যালয়খনক জন্ম দিয়া যিসকল ব্যক্তি আজি আমাৰ মাজত নাই, মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ আনন্দ তথা সুখানুভূতি লাভ কৰিবলৈ, সেই মহান ব্যক্তিসকললৈও এই শুভক্ষণত শ্রদ্ধাৰে সোঁৱৰণ কৰিছো। যাৰ ভূমিদানে মহাবিদ্যালয়খনক দুভৰিৰ ওপৰত থিয় হোৱাৰ শকতি প্রদান কৰিছিল তেখেতসকললৈও ভক্তিৰ অঞ্জলি যাচিছো।

শেষত, মহাবিদ্যালয়খনৰ সোণালী জয়ন্তী উৎসৱলৈ শুভেচ্ছা জনাইছো লগতে উৎসৱ উদ্‌যাপন সমিতিৰ সকলো সদস্যলৈ মোৰ আন্তৰিক শ্রদ্ধা নিৱেদন কৰিছো। সোণালী জয়ন্তী উৎসৱৰ সাফল্যৰ মূল ধ্বজা বহন কৰিব লাগিব মহাবিদ্যালয়খনৰ বর্তমানৰ শিক্ষক-শিক্ষয়িত্রী, কর্মচাৰীবৃন্দ আৰু ছাত্র-ছাত্রীসকলে।

মহাবিদ্যালয়খনে ঘাত-প্রতিঘাতৰ মাজেৰে আহি আজি পঞ্চাছ বছৰ পূর্ণ কৰাত মহাবিদ্যালয়খনৰ জন্মলগ্নৰে পৰা জড়িত হোৱা কর্মচাৰী হিচাপে আনসকলৰ লগতে ময়ো অংশীদাৰ।

মহাবিদ্যালয়খনৰ সোণালী জয়ন্তীৰ এই শুভ মুহূর্তত ভগৱানৰ ওচৰত মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।■

# শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়ৰ বিজ্ঞান শাখা : এটি ৰেঙণি

**ড° পুলিন চন্দ্র শর্মা**

*সহকাৰী অধ্যাপক, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

শুৱালকুছিৰ ৰাইজ, মহাবিদ্যালয়ৰ সেই সময়ৰ পৰিচালনা সমিতি আৰু একনিষ্ঠ শিক্ষাৰ প্রয়োজনীয়তাৰ প্রতি সজাগ ব্যক্তিসকলৰ বিজ্ঞান প্রচেষ্টাৰ ফলস্বৰূপে ১৯৮৯ চনত সেই সময়ৰ কর্মৰত অধ্যক্ষ শ্রীযুত হৰেকৃষ্ণ শর্মাৰ নেতৃত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সেই সভাতেই সর্ব-সম্মতিক্রমে মহাবিদ্যালয়ত অতিৰিক্ত উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাটো মুকলি কৰাৰ সিদ্ধান্ত গ্রহণ কৰা হয়। সেই সিদ্ধান্তমর্মে ৰাইজৰ দান-বৰঙণিৰে সেই বছৰৰপৰাই বিজ্ঞান শাখাটো মুকলি কৰা হয়। ১৯৮৯ চনৰ ১৪ ছেপ্টেম্বৰ তাৰিখৰপৰা উচ্চতৰ মাধ্যমিক ১ম বর্ষৰ পাঠদান আৰম্ভ হয়। মুঠতে ৮ জন ছাত্র-ছাত্রী (৭জন ল'ৰা আৰু এজনী ছোৱালী)য়ে ১ম বর্ষত নামভর্তি কৰি ক্লাছ কৰিবলৈ আৰম্ভ কৰিছিল। সেই সময়ৰ বিভাগীয় নিয়ম অনুসৰি প্রতিটো বিভাগত এজনকৈ প্রবক্তা নিযুক্তি দিয়া হৈছিল। ৰসায়ন বিজ্ঞান বিভাগত শ্রীমুকুত ডেকা, পদার্থ বিজ্ঞান বিভাগত শ্রীমনোজ সিনহা প্রাণী বিজ্ঞান বিভাগত শ্রীনীৰোদ কলিতা, উদ্ভিদ বিজ্ঞান বিভাগত শ্রীৰবিন শর্মা আৰু গণিত বিভাগত শ্রীভবানন্দ ডেকাই পাঠদান আৰম্ভ কৰিছিল। ইংৰাজী আৰু অসমীয়া বিভাগৰ শ্রেণীসমূহৰ দায়িত্ব লৈছিল কলা শাখাৰ কর্মৰত প্রবক্তাসকলে। সেই সময়ৰ মহাবিদ্যালয়ৰ পুৰণি গ্রন্থাগাৰৰ ওচৰৰ শ্রেণীকোঠাটোক উমৈহতীয়া একমাত্র পৰীক্ষাগাৰ হিচাপে সজোৱা হৈছিল। কিন্তু আজিৰ পৰীক্ষাগাৰৰ তুলনাত সেইটো আছিল এটা সাংকেতিক পৰীক্ষাগাৰ। ১৯৯১ চনত প্রথমবাৰৰ বাবে উচ্চতৰ মাধ্যমিক ২য় বর্ষৰ চূড়ান্ত পৰীক্ষাত বিজ্ঞান শাখাৰ ছাত্র-ছাত্রী অৱতীর্ণ হৈছিল। ব্যৱহাৰিক পৰীক্ষাত (practical-ত) অৱতীর্ণ হ'বলৈ হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ ছাত্র-ছাত্রীসকল যাব লগা হৈছিল। কাৰণ, সেই সময়ত উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰপৰা মহাবিদ্যালয়ে ব্যৱহাৰিক পৰীক্ষা অনুষ্ঠিত কৰাৰ অনুমতি পোৱা নাছিল। ১৯৯১ চনৰ পৰীক্ষাৰ ফলাফলো আছিল যথেষ্ট উৎসাহজনক। ১৯৯২ চনত পদার্থ বিজ্ঞান বিভাগৰ মনোজ সিনহাই ৰঙিয়া মহাবিদ্যালয়ত প্রবক্তা হিচাপে যোগদান কৰাৰ পিছত সেই চনৰ ১৬ আগষ্টত শ্রীদ্বীজেন শর্মাই পদার্থ বিজ্ঞান বিভাগৰ খালী হোৱা পদটোত নিযুক্ত হয়। সেই চনৰে বছৰৰ শেষৰ দিনটোত মই ৰসায়ন বিজ্ঞান বিভাগত প্রবক্তা হিচাপে যোগদান কৰিছিলো। কাৰণ ইয়াৰ কিছুদিন আগতে শ্রীমুকুত ডেকাই অ' এন জি চিৰ চাকৰিত সুবিধা গ্রহণ কৰি মহাবিদ্যালয়ৰপৰা বিদায় লৈছিল। সেই সময়ত অধ্যাপনা কৰি থকা মোৰ শিক্ষক সদৃশ জ্যেষ্ঠসকলৰ মৰম-চেনেহৰ বাবে এইখন কলেজত শিক্ষকতা কৰাৰ বাবে মনত এটা স্বাভাৰিক উৎসাহ উপজিছিল। সেই সময়ৰ কর্মৰত জ্যেষ্ঠ প্রবক্তাসকলৰ নাম মই এই সুযোগতে স্মৰণ কৰিব খুজিছো আৰু প্রয়াত ছাৰ-বাইদেউসকললৈ মোৰ হিয়াভৰা শ্রদ্ধাঞ্জলি জ্ঞাপন কৰিলো। তেখেতসকলৰ ভিতৰত অন্যতম আছিল অধ্যক্ষ শ্রীযুত হৰেকৃষ্ণ শর্মা ছাৰ, উপাধ্যক্ষ শ্রীযুত প্রকাশ মেধি ছাৰ, প্রয়াত কর্মেশ্বৰ বৈশ্য ছাৰ, প্রয়াত ৰঞ্জিত চৌধুৰী ছাৰ, শ্রীনগেন নাথ ছাৰ, প্রয়াত দেৱযানী বাইদেউ, শ্রীভৰত চন্দ্র দেৱ শর্মা ছাৰ, বাসন্তী দেৱী বাইদেউ, ড° বিলাস চন্দ্র দাস ছাৰ, প্রয়াত সৰোজ বুজৰবৰুৱা বাইদেউ, ড° প্রবীণ বৈশ্য ছাৰ, আৰু প্রয়াত তুৰা কটকী ছাৰ আদি ব্যক্তিসকল।

১৯৯০-৯১ চনত উদ্ভিদ বিজ্ঞান বিভাগৰ প্রবক্তা ৰবিন শর্মাই মহাবিদ্যালয় এৰাৰ পিছত, প্রয়াত কর্মেশ্বৰ বৈশ্য ছাৰৰ ছোৱালী শ্রীযুতা সবিতা বৈশ্যই নিযুক্তি লাভ কৰে। তেখেতে মহাবিদ্যালয় এৰি যোৱাত ড° নন্দিনী কাকতিয়ে ১৯৯৩ চনৰ নৱেম্বৰ মাহত কলেজত যোগদান কৰিছিল। অধ্যক্ষ হৰেকৃষ্ণ শর্মা ছাৰে এই সময়খিনিত উচ্চতৰ মাধ্যমিক ১ম বর্ষৰ চৰকাৰী অনুমোদন আৰু স্নাতক ১ম বর্ষৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুমোদনৰ বাবে যোগাযোগ কৰিছিল। বিশ্ববিদ্যালয়ৰ অনুমোদনৰ কামখিনিত পদার্থ বিজ্ঞানৰ দ্বীজেন শর্মাই আগভাগ লৈছিল। ১৯৯৪ চনত বিশ্ববিদ্যালয়ৰ তৰফৰপৰা ইনস্পেকচন হৈছিল। এই চনৰে জুলাই মাহত কলেজে ডিগ্রী ক্লাছ খোলাৰ বিশ্ববিদ্যালয়ৰ অনুমোদন লাভ কৰিছিল। এই সময়ত উচ্চতৰ মাধ্যমিক শ্রেণীৰ ১ম আৰু ২য় বর্ষ মিলি ছাত্র-ছাত্রীৰ সংখ্যা আছিৰ প্রায় ৫০ৰপৰা ৬০জনৰ ভিতৰত। এই বছৰতে শ্রীযুত হৰেকৃষ্ণ শর্মাছাৰে অৱসৰ গ্রহণ কৰাৰ পিছত শ্রীযুত প্রকাশ মেধি ছাৰে অধ্যক্ষৰ দায়িত্বভাৰ লয়। মেধি ছাৰে দায়িত্বভাৰ লোৱাৰ কেইমাহমান পিছত উচ্চতৰ মাধ্যমিক ২য় বর্ষৰ চৰকাৰী অনুমোদন পোৱাৰ বাবে যাৱতীয় কাম-কাজখিনিৰ দায়িত্ব মোক দিছিল। মাধ্যমিক শিক্ষাৰ সহকাৰী সঞ্চালক, বর্তমান AHSECৰ চেয়াৰমেন মহচিন আলি ছাৰ ইন্সপেক্টৰ হিচাপে আহিছিল। কিন্তু লেবৰেটৰিৰ সা-সুবিধা আৰু অন্যান্য অসুবিধাৰ বাবে সেই বছৰ আমি চৰকাৰী অনুমোদন লাভ কৰা নাছিলো। ১৯৯৫ চনত নীৰোদ কলিতাই চৰকাৰী ডচন উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ গুচি যোৱাৰ পিছত প্রাণী বিজ্ঞান বিভাগত সেই চনৰে ২৩ নৱেম্বৰত শ্রীঅঞ্জলি বৈশ্যই নিযুক্তি পায়। ১৯৯৬ চনৰ আগষ্টত দ্বীজেন শর্মাই চৰকাৰী আয়ুর্বেদিক মহাবিদ্যালয়ত ডেমনষ্ট্রেটৰ হিচাপে যোগদান কৰাৰ সুবিধা পোৱা হেতুকে পদার্থ বিজ্ঞান বিভাগত শ্রীগৌতম কাকতিক নিযুক্তি দিয়ে অধ্যক্ষ ড° প্রবীণ বৈশ্য ছাৰে। প্রকাশ মেধি ছাৰে এবছৰ পূর্ণ কৰাৰ পিছত বৈশ্য ছাৰে অধ্যক্ষৰ আসনত বহিছিল। ১৯৯৬-৯৭ চনত ড° প্রবীণ বৈশ্য ছাৰৰ নেতৃত্বত এখন ৰাজহুৱা সভা পাতি ডিগ্রী ক্লাছ আৰম্ভ কৰাৰ সিদ্ধান্ত গ্রহণ কৰা হয়। এই সভাত সভাপতিত্ব কৰিছিল, বিজ্ঞান সমিতি তথা পৰিচালনা সমিতিৰ সভাপতি প্রয়াত হেম দাসদেৱে। মোৰ মনত আছে ৰাতি ৭ বজালৈ সভা চলিছিল, বিদ্যুতৰ

বিজুতিৰ বাবে ১নং হলত কেণ্ডেল জ্বলাই সভা চলাব লগা হৈছিল। সভাত মোৰ উপৰিও নন্দিনী কাকতি, অঞ্জলি বৈশ্য আৰু কৈলাশ শর্মা উপস্থিত আছিল। এইটোৱে আছিল শুৰালকুছি বুদৰাম মাধৰ সত্রাধিকাৰ মহাবিদ্যালয় পূর্ণাংগ শিক্ষানুষ্ঠানত পৰিণত কৰাৰ বাবে কৰা প্রচেষ্টাৰ এক অন্যতম স্তৰ। হৰেকৃষ্ণ শর্মা ছাৰৰ দিনতে এক বছৰ কাম কৰি শ্রীভবানন্দ ডেকাই (গণিত বিভাগৰ প্রবক্তা) বঙাইগাঁৱত বেলেগ চাকৰি এটাত যোগদান কৰিবলৈ যোৱাত, শ্রীঅজিত কলিতাক গণিত বিভাগত নিযুক্ত কৰা হৈছিল। ড° বৈশ্য ছাৰ অধ্যক্ষ হৈ থকা সময়ত অজিত কলিতাই চাকৰি এৰি দিয়াত শ্রীকৈলাশ শর্মাক গণিত বিভাগত নিযুক্তি দিয়া হয়। আজিও মোৰ মনত পৰে কৈলাশ শর্মা আৰু মই ডিগ্রীৰ ক্লাছৰ ছাত্র-ছাত্রী মাতি আনিবলৈ শুৰালকুছিৰ বহুকেইঘৰ মানুহৰ ঘৰলৈ গৈছিলো। পদার্থবিজ্ঞান বিভাগৰ গৌতম কাকতিয়ে এবছৰ কাম কৰাৰ পিছত গুৱাহাটীৰ প্রাগজ্যোতিষ মহাবিদ্যালয়ত সুবিধা এটা পোৱা বাবে কাম এৰাত শুৰালকুছিৰ শ্রীসুকুমাৰ দেৱানক পদার্থ বিজ্ঞান বিভাগত নিযুক্তি দিয়া হয়। ১৯৯৮ চনত প্রয়াত ৰঞ্জিত চৌধুৰীদেৰ অধ্যক্ষৰ দায়িত্বত থকা সময়ত বিজ্ঞান পৰীক্ষাগাৰৰ স্থান বর্তমানৰ বিজ্ঞান ব্লকলৈ স্থানান্তৰিত কৰা হয়। লগতে প্রতিটো বিষয়ৰ বাবে মুঠতে ৪ টা ৰুম লেবৰেটৰি গৃহ হিচাপে সজোৱা হয়। ডিগ্রী আৰু উচ্চতৰ মাধ্যমিক শ্রেণীৰ পাঠদান একেলগে কৰা এজন শিক্ষকৰ বাবে অসম্ভৱ হোৱা হেতুকে প্রথমে বিথিকা ভাগৱতীক ৰসায়ন বিজ্ঞান বিভাগত ২য় গৰাকী প্রবক্তা হিচাপে নিযুক্তি দিয়ে। ইয়াৰ পিছত বন্দনা ডেকাক প্রাণী বিজ্ঞান বিভাগত দ্বিতীয়জনী প্রবক্তা হিচাপে নিযুক্তি দিয়ে। চৌধুৰী ছাৰৰ পিছত সেই বছৰতেই ড° ৰজনী কান্ত দাসদেৱে স্থায়ী অধ্যক্ষ হিচাপে কলেজত যোগদান কৰে। সেই সময়ছোৱাত কমল চৌধুৰীক উদ্ভিদ বিজ্ঞান বিভাগত ২য় জন প্রবক্তা হিচাপে নিযুক্ত কৰে। ড° ৰজনী দাস ছাৰ অহাৰ পিছত এটা নতুন জাগৰণৰ সৃষ্টি হৈছিল। আমাৰ মনত এনে ভাবৰ উদয় হৈছিল যে অনতিপলমে বিজ্ঞান শাখা পূর্ণাংগ অৱস্থা পাব। তেখেতৰ দিনত পোন প্রথমবাৰৰ বাবে অসম বিজ্ঞান সমিতিৰ শাখা মহাবিদ্যালয়ত খোলা হৈছিল। দুবাৰকৈ বিজ্ঞান সমিতিৰ সভা অনুষ্ঠিত হৈছিল। বিজ্ঞান শাখাৰ পুঁজি টনকিয়াল কৰাৰ উদ্দেশ্যে ভ্রাম্যমাণ থিয়েটাৰ মতা হৈছিল। ছাৰৰ তত্ত্বাৱধানত পোন প্রথমবাৰৰ বাবে প্রতিষ্ঠা দিৱস উদ্‌যাপন কৰা হৈছিল। অধ্যক্ষ তথা কলেজৰ সমূহ প্রবক্তা-কর্মচাৰীসকলে উৎসাহেৰে ধন সংগ্রহ কৰি প্রতিষ্ঠা দিৱসটোক সফলতাৰ পথলৈ তুলি আনিছিল। ইয়াৰ বাবে বিজ্ঞান শাখাৰ পুঁজিও টনকিয়াল হৈছিল। ড° দাস ছাৰৰ কার্যকালত ১৯৯৯ চনত গণিত বিভাগত শ্রীকুসুম্বৰ বৈশ্যক ২য়জন প্রবক্তাৰ পদত নিযুক্তি দিয়ে। ছাৰৰ চেষ্টাত প্রথমবাৰৰ বাবে লেবৰেটৰিত এল পি জি গেছৰ সুব্যৱস্থা কৰা হৈছিল। এই উদ্দেশ্যে মই প্রয়াত সুভাষ বৈশ্যৰ ঘৰলৈ ছাৰৰ লগত কেইবাদিনো গৈছিলো। পোন প্রথমবাৰৰ বাবে উচ্চতৰ মাধ্যমিক ব্যৱহাৰিক পৰীক্ষা কলেজত ১৯৯৯ চনত অনুষ্ঠিত হৈছিল। এই কামৰ বাবে মাধ্যমিক শিক্ষা সংসদৰ যাৱতীয় অনুমতিৰ ব্যৱস্থা কৰা হৈছিল। পৰিদর্শনত আহিছিল আকৌ চেয়াৰমেন মহচিন আলি ছাৰ। এই বছৰতে প্রথমবাৰৰ বাবে উচ্চতৰ মাধ্যমিক ২য় বর্ষৰ পৰীক্ষাত তৃষ্ণা দাসে প্রথম বিভাগত উত্তীর্ণ হৈছিল। ছাৰৰ নির্দেশত বহুদিন ধৰি পৰি থকা উচ্চতৰ মাধ্যমিক ২য় বর্ষৰ চৰকাৰী অনুমোদনৰ কাম মই কৰি উলিয়াই আনিছিলো। এই সময়ছোৱাত সুকুমাৰ দেৱান নগৰবেৰা মহাবিদ্যালয়লৈ প্রবক্তা হিচাপে কাম কৰিবলৈ যোৱাত খালী হোৱা পদার্থ বিজ্ঞান পদটোত মনোজ শর্মাক নিযুক্তি দিয়া হয়। মনোজ শর্মাই দৰং মহাবিদ্যালয়ত চাকৰিৰ সুবিধা পাই ঢাপলি মেলাত দ্বীপৰঞ্জন দাসক এই পদত নিযুক্তি দিয়া হয়। অধ্যক্ষ দাস ছাৰেও মাজে-সময়ে পদার্থ বিজ্ঞানৰ ক্লাছ লৈছিল। দ্বীপৰঞ্জন দাসে কেইমাহমান কাম কৰাৰ পিছত ২০০০ চনত তেওঁ কোক্‌ৰাঝাৰ বিজ্ঞান মহাবিদ্যালয়লৈ গুচি যায়। সেই সময়ত অভয়াপুৰীৰ শ্রীসুকুমাৰ দাসক পদার্থ বিজ্ঞান বিভাগত নিযুক্তি দিয়া হয়। অধ্যক্ষ ছাৰে পার্ট-১ স্নাতক শ্রেণীৰ চৰকাৰী কংকাৰেন্‌ছৰ বাবে উচ্চশিক্ষা সঞ্চালকৰ কার্যালয়ত যোগাযোগ কৰিবলৈ আৰু গোটেই কামখিনি কৰি উলিয়াবলৈ মোক দায়িত্ব দিছিল। এই কামখিনি কৰাত মোক যথেষ্ট সহায় কৰিছিল ড° কমল চৌধুৰী আৰু কুসুম্বৰ বৈশ্যই। এবছৰ মানৰ ভিতৰতে ২০০১ চনত সহকাৰী সঞ্চালক (উচ্চশিক্ষা) তামুলি ছাৰৰ সহযোগত কামখিনি কৰি উলিওৱা হয়। ২০০২ চনত বিথিকা ভাগৱতী টোকলাই টি ৰিছার্চ চেণ্টাৰত ৰিছার্চৰ কামৰ সুবিধা এটা পোৱাত কলেজ এৰিছিল। সেই সময়ত পংকজ শর্মাই কেইমাহমান ৰসায়ন বিজ্ঞান বিভাগত কাম কৰিছিল। ইয়াৰ পিছত শুৰালকুছি নিৰাসী ড° পৰশমণি দাসে ৰসায়ন বিজ্ঞান বিভাগত স্থায়ী নিযুক্তি পায়। বিভাগটো আমি দুয়ো চলাই আছিলো। তেখেতৰ মাতৃ শ্রীযুতা কনকলতা দাস আমাৰ মহাবিদ্যালয় তথা বিজ্ঞান শাখাৰ লগত ওতপ্রোতভাৱে জড়িত। এই সময়ছোৱাৰপৰাই শ্রীঅৰূপ শর্মাক একমাত্র লেবৰেটৰি সহায়ক হিচাপে কাম কৰিবলৈ দিয়া হয়। বহুত কষ্ট স্বীকাৰ কৰি আটাইকেইটা লেবৰেটৰি তেওঁ পৰিচালনা কৰিছিল। পদার্থ বিজ্ঞান বিভাগত ২য়জনী প্রবক্তা হিচাপে আমাৰ মহাবিদ্যালয়ৰ প্রাক্তন ছাত্রী চন্দ্রমা কলিতাক নিযুক্তি দিয়া হৈছিল। অধ্যক্ষ দাস ছাৰৰ একান্ত চেষ্টাৰ ফলত Sericulture Vocational Course খোলাৰ বাবে চেষ্টা কৰা হৈছিল। বিশ্ববিদ্যালয় অনুদান আয়োগে এই ক্ষেত্রত ২০ লাখ টকাৰ অনুদান মঞ্জুৰ কৰিছিল। কিন্তু ছাত্র-ছাত্রীৰ সহযোগিতাৰ অভাৱৰ বাবে ই সফল নহ'ল। ২০০৩ চনত ডিগ্রী পার্ট-১ৰ বিশ্ববিদ্যালয়ৰ অনুমোদনৰ বাবে যোগাযোগ কৰা হৈছিল। সেই সময়ৰ প্রাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্রীদয়ানন্দ পাঠকক পৰিদর্শক হিচাপে বিশ্ববিদ্যালয় কর্তৃপক্ষই পঠাইছিল। ভাগ্যক্রমে সেই বছৰৰ শেষৰ ফালে বিশ্ববিদ্যালয়ে অনুমোদন মঞ্জুৰ কৰিছিল। ২০০৩ চনত সুকুমাৰ দাসে ব্যৱসায়ত নামি মহাবিদ্যালয় এৰাত আমাৰ মহাবিদ্যালয়ৰ প্রাক্তন ছাত্রী ড° উৎপলা বৈশ্যই পদার্থ বিজ্ঞান বিভাগত প্রবক্তা হিচাপে যোগদান কৰে। ২০০৪ চনত ৰজনীকান্ত দাসদেৱে আমাৰ কলেজৰপৰ এছ বি দেউৰা কলেজলৈ অধ্যক্ষ হিচাপে আঁতৰি যোৱাত শ্রীযুত ভৰত চন্দ্র দেৱশর্মাই ভাৰপ্রাপ্ত অধ্যক্ষৰ ভাৰ গ্রহণ কৰে। তেখেতৰ কার্যকালত প্রাণীবিজ্ঞান বিভাগৰ প্রবক্তা শ্রীঅঞ্জলি বৈশ্য গৱেষণাৰ বাবে কলেজ এৰি যোৱাত প্রথমে পৰী দেৱীক প্রাণী বিজ্ঞান বিভাগত নিযুক্তি দিয়ে। পিছলৈ পৰী দেৱীয়ে মহাবিদ্যালয় এৰাত শিখাৰাণী কলিতাক প্রাণী বিজ্ঞান বিভাগত স্থায়ী প্রবক্তা হিচাপে নিযুক্তি দিয়া হয়। সেই সময়ত শ্রীযুত ভৰত চন্দ্র দেৱশর্মা ছাৰৰ জৰিয়তে চৰকাৰলৈ বিজ্ঞান শাখাৰ বিত্তীয় অনুদানৰ বাবে প্রস্তাৱ পঠোৱা হয়। শর্মা ছাৰে কেইমাহমান দায়িত্বত থকাৰ পিছতেই ড° বিলাস দাস ছাৰে মহাবিদ্যালয়ৰ স্থায়ী অধ্যক্ষৰূপে কাম আৰম্ভ কৰে। তেখেতৰ দিনত ২০০৫ চনত মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটোৱে দ্বিতীয় খণ্ডৰ চৰকাৰী কংকাৰেনছ লাভ কৰে। এইক্ষেত্রত আমি প্রবক্তাসকলে আটায়ে যুদ্ধকালীন তৎপৰতাৰে চৰকাৰৰ ঘৰত কামত লাগিছিলো। আমাৰ অধ্যক্ষৰ উপৰিও পৰিচালনা সমিতিৰ সভাপতি শ্রীকমল বৈশ্য

ডাঙৰীয়াই আমাৰ লগত কামত সহযোগ কৰিছিল। ২০০৫ চনত পৰশমণি দাসে গুৱাহাটী মহাবিদ্যালয় ৰসায়ন বিজ্ঞান বিভাগত নিযুক্তি পাইছিল। এক-ডেৰ বছৰমান কাম কৰাৰ পিছত মুম্বাই আই আই টিত ৰিছার্চ কৰিবলৈ সুবিধা পোৱাত বর্তমানে কাম কৰি থকা কংকন বৰুৱাই তেওঁৰ ঠাইত নিযুক্তি লাভ কৰে। ইয়াৰ কিছুমাহ আগতে গণিত বিভাগত চন্দ্রকান্ত উজীৰে ৩য়জন প্রবক্তাৰূপে নিযুক্তি লাভ কৰে। পদার্থ বিজ্ঞান বিভাগত জয়ন্ত ডেকাই ৩য়জন প্রবক্তাৰূপে কাম আৰম্ভ কৰে। ২০০৭ চনৰপৰাই মহাবিদ্যালয়ৰ বিজ্ঞান শাখাই চৰকাৰী বিত্তীয় অনুদান (F.A.) লাভ কৰে। চৰকাৰী বিভাগীয় অনুমোদন থকা হেতুকে আমাৰ কলেজৰ প্রাক্তন ছাত্রী ড° অণিমা বৈশ্যক ইংৰাজী বিভাগৰ প্রবক্তা হিচাপে বিজ্ঞান শাখাত নিযুক্তি দিয়ে। ড° বিলাস দাস ছাৰৰ দিনত 'নাক'ৰ কমিটিৰ ইন্সপেকছন হৈ যায়। বিজ্ঞান শাখাটোক সেই সময়ত অতিৰিক্ত শাখা হিচাপে দেখুওৱা হৈছিল। ২০০৮-০৯ চনত বিজ্ঞান শাখাৰ বি এছ চি পার্ট-২ৰ এফিলিয়েছনৰ বাবে কাম-কাজ কৰা হৈছিল। এইক্ষেত্রত বিশ্ববিদ্যালয়ৰ তৰফৰপৰা পৰিদর্শনো কৰা হৈছিল। কিন্তু কামখিনি সম্পূর্ণ হোৱা নাছিল। এই আধৰুৱা কামখিনি প্রয়াত তুৱা কটকী ছাৰৰ ভাৰপ্রাপ্ত অধ্যক্ষৰ কর্মৰত অৱস্থাত সম্পন্ন হয়। ইয়াৰ বাবে পুনৰ পৰিদর্শন কৰা হৈছিল বিশ্ববিদ্যালয়ৰ তৰফৰপৰা। কটকী ছাৰে ইয়াৰ আগে আগে লেবৰেটৰিসমূহৰ উন্নয়নৰ ভালেখিনি কাম কৰিছিল। কলা শাখাৰ ৰাজনীতি বিভাগৰ সেই সময়ৰ মুৰব্বী অধ্যাপিকা শ্রীযুতা মামণি দেৱী বাইদেউৰ দ্বাৰা যথেষ্ট দান-বৰঙণি বিজ্ঞান শাখাৰ নামত আদায় হৈছিল। বিজ্ঞান শাখাৰ বাবে এটা নতুন Teacher Supervising Roomৰ ব্যৱস্থা কৰা হৈছিল। কটকী ছাৰৰ সময়ৰপৰাই ৰসায়ন বিজ্ঞান বিভাগত শ্রীভৱেশ ডেকা, প্রাণী বিজ্ঞান বিভাগত শ্রীকাকলি তালুকদাৰ আৰু উদ্ভিদ বিজ্ঞান বিভাগত শ্রীচুনামণি দাসক বিভাগসমূহৰ তৃতীয় প্রবক্তাৰূপে নিযুক্তি প্রদান কৰা হয়। প্রতিটো পৰীক্ষাগাৰৰ বাবে একোটাকৈ লেবৰেটৰি বিয়েৰাৰ নিযুক্তি দিয়া হয়। তেওঁলোক হ'ল ৰুবুল, কিশোৰ, মনোৰঞ্জন আৰু শংকৰ। ১৯১০-১১ চনত বিজ্ঞান শাখাৰ প্রাদেশীকৰণৰ বাবে আৱেদন পঠোৱা হয়। চৰকাৰী প্রাদেশীকৰণ আইন প্রস্তুত আৰু গৃহীত হোৱাত শাখাটো প্রাদেশীকৃত হোৱাৰ বাৰুকৈ আশা দেখা দিয়ে। আজিও চৰকাৰী নীতি-নিয়ম অনুসৰি প্রাদেশীকৰণৰ কাম-কাজ আগবাঢ়ি আছে। বর্তমান আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দ্বীপেশ ভাগৰতী ছাৰ কলেজলৈ অহাৰ পিছৰেপৰা কলেজত আকৌ এটা নতুন জাগৰণৰ সৃষ্টি হৈছে। ছাৰ অহাৰ পিছতে বিজ্ঞানৰ আটাইকেইটা বিষয়ত মেজৰৰ অনুমতিৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ বাবে বিশ্ববিদ্যালয়ে শাখাটো পৰিদর্শন কৰি ভাল মতামত দাঙি ধৰিছে। বিজ্ঞান শাখাটোত প্রতিটো বিষয়ত ছাত্র-ছাত্রীৰ সংখ্যা বাৰুকৈ বৃদ্ধি পাইছে। উচ্চতৰ মাধ্যমিক তথা স্নাতক পৰীক্ষাৰ ফলাফলে সকলোকে সন্তুষ্ট কৰিছে আৰু ৰাইজৰ মন জয় কৰিছে। আমি ভগৱানৰ ওচৰত প্রার্থনা কৰিছো যে এই সোণালী জয়ন্তী বর্ষৰ ভিতৰতে অনতিপলমে আমাৰ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটোৰ চলি থকা প্রাদেশীকৰণৰ কামখিনি সম্পন্ন হওক। সর্বশেষত মহাবিদ্যালয়ৰ সোণালী জয়ন্তী মহোৎসৱৰ শুভ মুহূর্তত মোৰ কর্মস্থল আৰু অনুপ্রেৰণাৰ ফলস্বৰূপ শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ সমৃদ্ধিৰ কামনাৰে সামৰিলো।■

জয়তু শুৱালকুছি বুদৰাম সত্রাধিকাৰ মহাবিদ্যালয়।

# স্মৃতিৰ মুকুতা মালা

**দিপালী কলিতা**

*সহযোগী অধ্যাপিকা, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

১৯৬৩ চনৰ ১ আগষ্ট তাৰিখে জন্মলাভ কৰা শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়ে আজি পঞ্চাশ বছৰ অতিক্রমি সগৌৰৱে কীর্ত্তিমান হৈ শুৱালকুছি অঞ্চলত একমাত্র উচ্চ শিক্ষাৰ মধ্যমণি হৈ জিলিকি আছে। স্মৃতিৰ পাপৰি বিচাৰি যেতিয়াই অতীতৰ বুকুলৈ ঢাপলি মেলো কলেজীয়া জীৱনৰ কেঁচা ইতিহাস মোৰ মানসপটত জলজল পটপটকৈ উজলি উঠে। ১৯৮২ চনৰ আগষ্ট মাহৰ কোনোবা এটা দিনৰ শুভক্ষণত এই মহাবিদ্যালয়ৰ একাদশ শ্রেণীত নামভর্ত্তি কৰিছিলোঁ। প্রথম দিনৰ প্রথম শ্রেণীত অসমীয়া বিষয়ৰ শিক্ষাদান কৰিছিল শ্রদ্ধাৰ ঁশ্রীমান চক্রৱর্ত্তী ছাৰে। ছাৰৰ সাৱলীল ভাষাৰে সুন্দৰ শব্দ সংলগ্নৰে অসমীয়া বিষয়ৰ শিক্ষাদান কৰা কথা মনত পৰিলে আজিও ৰোমাঞ্চিত হৈ পৰোঁ। তাৰ পিছত এটা এটাকৈ ৰাজনীতি বিজ্ঞান, শিক্ষা আৰু ইংৰাজী বিষয়ৰ ক্লাচবোৰ। এইখিনিতে উল্লেখ নকৰি নোৱাৰি যে ৰাজনীতি বিজ্ঞানৰ ঁভৱেশ মজুমদাৰ চাৰৰ নাটকীয় ভঙ্গিমাৰে লোৱা ক্লাচবোৰৰ কথা আজিও মোৰ অন্তৰত সজীৱ হৈ আছে। অকালতে মৃত্যু বৰণ কৰা শ্রদ্ধাৰ ছাৰ দুজনলৈ এই সুযোগতে মোৰ হিয়াভৰা অশ্রু -অঞ্জলি যাচিছোঁ।

শুৱালকুছি কলেজৰ লগত সম্পর্ক অকল ছাত্রী হিচাবেই নহয়, কর্মজীৱন আৰম্ভ হয় ১৯৯২ চনৰ পৰা এতিয়ালৈকে। সেয়েহে ইয়াৰ স্মৰণীয় বহু কথাই মনৰ মাজত সঞ্চিত হৈ আছে কিন্তু সাৱলীল ভাৱে প্রকাশ কৰিবলৈ অপৰাগ।

শুৱালকুছি বুঃমাঃসঃ মহাবিদ্যালয় শুৱালকুছিবাসী ৰাইজৰ লগতে ইয়াৰ দাতিঁকাষৰীয়া হাজো, বামুন্দী, লাহ, শ্রীহাটী, বাথান,হাৰদিয়া, ৰামদিয়া, শিঙিমাৰী, ৰৌমাৰী, বংশৰ আদি অঞ্চলৰ একমাত্র উচ্চ শিক্ষানুষ্ঠান আছিল। এইখন কলেজৰ পৰাই উত্তৰণ ঘটিছিল বহু গন্য-

মান্য মানৰ সম্পদ। বৰ্ত্তমান হাজো, বামুন্দী ৰামদিয়া আদি অঞ্চলত মহাবিদ্যালয় স্থাপন হোৱাৰ বাবে ইয়াৰ পৰিসৰ কমি গৈছে। স্মৃতি বিজড়িত কেইটামান স্মৰণীয় ঘটনাই আজিও মোৰ মানস পটত সজীৱ হৈ আছে।

প্রায় সাতবছৰমান বয়সতেই এইখন মহাবিদ্যালয়ৰ প্রাঙ্গনত হাতী পুতি থোৱা দৃশ্য চাবলৈ দৌৰি দৌৰি আহিছিলো। সেই সময়ত আমাৰ মনত কৌতুহলৰ সীমা নাছিল। মৃত হাতীটো প্রকাণ্ড নে সৰু আদি চিন্তাই মনত তোলপাৰ লগাইছিল। উদ্‌বাউল হৈ সমনীয়াৰ লগত যেতিয়া হাতীবাৰী পাইছিলো তেতিয়া অসংখ্য মানুহে জুম বান্ধি হাতীটো আগুৰি আছিল। অৱশ্যে আমিও বহু চেষ্টাৰ পিছত ঠেলি হেঁচি এটা সময়ত প্রকাণ্ড হাতীটো পৰি থকা দেখা পাই মনটো দুখ আৰু বেদনাৰে ভৰি পৰিছিল। ওচৰৰ পৰা হাতীটো দেখাৰ পিছতহে গম পালো যে হাতী এটা কিমান প্রকাণ্ড হ'ব পাৰে। তাৰ পিছত দেখা গ'ল এটা ডাঙৰ গাত খান্দি হাতীটোক সেই গাঁতটোত পুতি থলে। তাত থকা সকলো মানুহে হাতীটোক হাতযোৰ কৰি সেৱা জনালে। আমিও হাত দুখন সমান কৰি সেৱা জনাই বিষাদগ্রস্ত মন লৈ উভতি আহিছিলো। আমাৰ কলেজখনৰ চৌহদটোক সেই সময়ত হাতীবাৰী নামে�ৰেই জনাজাত আছিল।

কৈশোৰত মহাবিদ্যালয়ৰ লগত সম্বন্ধ ঘটিছিল অসম আন্দোলনৰ পটভূমিত। সেয়া ১৯৭৯-৮০ চনৰ কথা। শুৱালকুছি কালিৰাম কাৰিকৰ ছোৱালীৰ হাইস্কুলৰ নৱম শ্রেণীত খেলবিভাগৰ সম্পাদিকা হৈ থাকোতে এদিন এখন বহীত জাননীযোগে জনালে শুৱালকুছি আঞ্চলিক ছাত্র সম্ভাৰ মিটিং অনুষ্ঠিত হ'ব শুৱালকুছি বুঃমাঃসঃ মহাবিদ্যালয়ত। আমি আটাইকেইজনী চেক্রেটাৰীয়ে বহীখনত চহী কৰিছিলোঁ। কৈশোৰৰ সেই সময়খিনিত তেনেদৰেই হঠাৎ আঞ্চলিক ছাত্র-সম্ভাত যোগদান কৰি আন্দোলনত নামি পৰিছিলো এই মহাবিদ্যালয়ৰ জৰিয়তেই। এই যাত্রাত মই মহাবিদ্যালয় প্রাঙ্গনত গণ সমাবেশত ভাষণ শুনিছিলো বিভিন্ন নেতাৰ। তাৰ ভিতৰত কিন্তু অসম আন্দোলন সম্পর্কে আপ্লুত হৈ প্রায় এঘন্টা জুৰি ভাষণ শুনিছিলো ভৰত নৰহৰ। কোনো ভয়, শঙ্কা, লাজ, ভাগৰ নলগাকৈ বিৰতিহীন ভাৱে যি ভাষণ আগবঢ়াইছিল সেই মূহুর্ত্তত মানুহবোৰ একেবাৰে নিমাত-নিস্তব্ধ হৈ পৰিছিল। সেই সময়ত যদিহে গছৰ পাত সৰিলহেতেন তেনেহ'লে তাৰ শব্দও হয়তো শুনা গ'লহেতেন। অসম আন্দোলনৰ সময়ছোৱাত বৃহত্তৰ শুৱালকুছি অঞ্চলৰ মহাবিদ্যালয়খন আছিল আন্দোলনৰ প্রাণকেন্দ্র। ইয়াতেই সেই বছৰটোত প্রায় ১০-১২ খন মিটিংত অংশগ্রহণ কৰিছিলো আন্দোলনৰ কার্য্যসূচী নির্ধাৰণ সম্পর্কীয়।

তিনিবছৰীয়া ডিগ্রী পাঠ্যক্রমৰ সময়ছোৱাত প্রধান বিষয় আছিল শিক্ষা। শিক্ষা বিষয়ত প্রধান বিষয়ৰ তিনিজন ছাত্র-ছাত্রী আছিল। দূর্ভাগ্যবশতঃ চাৰিদিনৰ পাঠ গ্রহণৰ পিছতেই তাৰে এজন অনুপস্থিত থাকিল। গতিকে দুজন ছাত্র-ছাত্রীয়ে একেলগে পাঠ গ্রহণ কৰিছিলো। কেতিয়াবা তিনিটা পিৰিয়দ অফ থাকে তথাপিও পাঠ গ্রহণ কৰিহে ঘৰলৈ উভতিছিলো। বৰ্ত্তমানৰ শিক্ষা বিভাগৰ লেবৰেটৰীতেই তেতিয়াও আমাৰ শিক্ষণবিভাগৰ প্রধান শ্রেণীসমূহ হৈছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে সেইসময়ত আৰু এতিয়াৰ প্রধান বিষয়ৰ ছাত্র-ছাত্রীৰ ক্ষেত্রত যথেষ্ট ব্যৱধান আছিল। আমি দুজন সহপাঠীয়ে যিটো শ্রেণীকোঠাত শিক্ষা গ্রহণ কৰিছিলো আজি সেই একেটা কোঠাত ৩৫-৩৮ জন ছাত্র-ছাত্রীয়ে পাঠ গ্রহণ কৰে। আগতে প্রধান বিষয় হিচাবে শিক্ষণ বিষয়টোত ছাত্র-ছাত্রীৰ আগ্রহৰ অভাৱ আছিল, কিন্তু বৰ্ত্তমান আগ্রহী ছাত্র-ছাত্রীৰ বাবে প্রধান বিষয়ৰ ছাত্র-ছাত্রীৰ মাজত বাছনি কৰিবলগীয়া হয়। মনতপৰে বহুদিন প্রধান বিষয়ৰ শিক্ষা গ্রহণ অকলশৰেই কৰিছিলোঁ।

আমি পঢ়ি থকা সময়ত লাইব্রেৰীটো শিক্ষা বিভাগৰ লেবৰটৰীৰ কাষৰ ৰূমটোতেই আছিল। লাইব্রেৰীটো যথেষ্ট সৰু আছিল। কিন্তু কিতাপ বিচাৰি গ'লে তৎক্ষণাৎ লাইব্রেৰীয়ানে কিতাপখন উলিয়াই দিছিল। সেই সময়ত কিতাপখনৰ নামটো বহী এখনত চাইছিলো আৰু কিতাপখনৰ নামৰ বিপৰীতে থকা নম্বৰ এটা চাই লাইব্রেৰীয়ানে তৎক্ষণাৎ বিচাৰি যোৱা কিতাপখন উলিয়াই দিব পাৰিছিল।

তিনিবছৰীয়া ডিগ্রী পাঠ্যক্রমৰ সময়ছোৱাত এবাৰ উত্তৰ গুৱাহাটীত অনুষ্ঠিত হোৱা N.S.S. কেম্প এটাত যোগদানৰ সুবিধা পাইছিলো তত্বাৱধায়ক শ্রদ্ধাৰ শ্রীযুত ভাৰত দেৱ শর্মা ছাৰৰ তত্বাৱধানত। গোটেই দিনটো কার্য্যসূচীত অংশ গ্রহণ কৰি উভতি আহোতে আমি গুৱাহাটীমুখী এখনো বাছ নাপালো। শেষত ছাৰৰ সিদ্ধান্তমর্মে আমি ৩ জনী বান্ধৱীসহ খোজ কাঢ়িয়েই আমিনগাঁৱলৈ আহিম বুলি সিদ্ধান্ত ললো। প্রায় এক কিলোমিটাৰ খোজকাঢ়ি অহাৰ পিছত জুই নুমোৱা গাড়ী এখন দেখা পাই ছাৰে ৰখাই দিলে আৰু আমাৰ তিনিজনী বান্ধবীকে উঠাই আমিন গাঁৱলৈ লৈ আহিল। আমিও ভয় আৰু শঙ্কাত লাজ নকৰাকৈ গাড়ীখনত উঠিছিলো। অৱশ্যে সেইদিনা ৰবিবাৰ আছিল। পিছদিনা কলেজত আহি বান্ধবীবোৰৰ মাজত কথাটো বিবৰি কোৱাত সকলোৱে বৰ আনন্দ পালে। এইখিনিতে উল্লেখ নকৰি নোৱাৰি যে ছাত্রী হিচাবে জুই নোমোৱা গাড়ীৰ অভিজ্ঞতাতকৈও অধ্যাপিকা হিচাবে যোগদান কৰাৰ পিছত গাড়ী নোহোৱা কাৰণে আমি এবাৰ ডাক বিভাগৰ চিঠি পত্র কঢ়িওঁৱা গাড়ীত উঠি গুৱাহাটী পাইছিলো।

কলেজখনৰ লগত অতি ঘনিষ্ঠ আৰু সান্নিধ্য থকা ব্যক্তিগৰাকী হৈছে আমাৰ অতি মৰমৰ চাইলা কা। ছাত্র হিচাবে তথা অধ্যাপিকা হিচাবেও চাইলা কাৰ নাম উল্লেখ কৰিবই লাগিব। শান্ত আৰু সৌম্যৰ প্রতীক চাইলা কা আছিল কলেজখনৰ এটি পৰিচিত নাম। বেল বজোৱাৰ ক্ষেত্রত চাইলা কা যেন স্থিতপ্রজ্ঞ। বেল বজোৱাৰ ৫-১০ মিনিটআগতেই চাইলা কা ওচৰত আহি বৈ থাকে। কোনোবাই সেই মুহুর্ত্তত কাম দিলেও চাইলা কাই তাৰপৰা আতৰি নগৈছিল। চাইলা কা আছিল কলেজখনৰ নিৰৱ কর্মী। প্রতিদিনে কলেজৰ দর্জাৰ তলা খোলা আৰু শেষত বন্ধ কৰিহে ঘৰলৈ যোৱাৰ অভ্যাস আছিল। কেতিয়াও কোনোদিনে কোনো কথাতে খং বা প্রতিবাদ কৰা দেখা নাছিলো। নীৰৱ আৰু নিষ্ঠাবান কর্মী চাইলা কালৈ মোৰ এই সুযোগত অশ্রু-অঞ্জলী যাঁচিছো।

এইখিনিতে কলেজখনৰ লগত সান্নিধ্য হৈ থকা এনে কিছুমান মহান ব্যক্তিৰ নাম স্মৰণ কৰিব লাগিব যাৰ সান্নিধ্য মৰম আৰু আশীষত মোৰ ছাত্র আৰু কর্ম জীৱন সুচাৰুৰূপে পৰিচালিত হৈছিল। সেইসকল

শ্রদ্ধাৰ প্রাক্তন অধ্যক্ষ আৰু অধ্যাপক - অধ্যাপিকা সকল আছিল শ্রদ্ধাৰ ঁহীৰালাল বৈশ্য ছাৰ, শ্রীযুত হৰেকৃষ্ণ শর্মা ছাৰ, ড. প্রবীণ বৈশ্য ছাৰ, শ্রীযুত প্রকাশ মেধি ছাৰ ঁদৰযানী বৈশ্য সাউদ বাইদেউ, ঁৰঞ্জিত চৌধুৰী ছাৰ, ঁকর্মেশ্বৰ বৈশ্য ছাৰ, ঁসৰোজ বাইদেউ, ড. গঙ্গাস্বৰূপ বার্মা ছাৰ, শ্রীযুত ভাৰত দেৰ শর্মা ছাৰ, শ্রীযুত বাসন্তী দেৰী বাইদেউ, শ্রীযুত বাসুদেৰ ভৰালী ছাৰ, শ্রীযুত নগেন নাথ ছাৰ, ড° বিলাস দাস ছাৰ, ঁতুৰা কটকী ছাৰ, ঁহৰবিলাস বৈশ্য, ঁপৰেশ দাস, শ্রীযুত প্রদীপ কলিতা ইত্যাদি।

কলেজত অধ্যাপিকা হিচাবে যোগদান কৰাৰ কেইমাহমান পিছতে এদিন অধ্যক্ষ হৰেকৃষ্ণ শর্মা ছাৰে মাতি কলে যে, ছাত্রীখিনিৰ তত্বাৱধায়িকা হিচাপে যুৱ-মহোৎসৱৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়লৈ যাব লাগে সেই সময়ত যিসকল ছাত্র-ছাত্রী গৈছিল, আটাইবোৰেই সেই তিনিদিন বিশ্ববিদ্যালয়ত ৰাতিও কটাবলগীয়া হৈছিল। আমাৰ লগত ছাত্র সকলৰ তত্বাৱধায়ক হিচাবে ড° যোগেশ ডেকাও আছিল। আমিও ছাত্রীখিনিৰ লগত দুটা ৰাতি গুৱাহাটী বিশ্ববিদ্যালয়ৰ দুমহলীয়া ১ নং ছাত্রী নিবাসত কটাবলগীয়া হৈছিল। দুয়োটা ৰাতি ভয় আৰু শঙ্কাৰ মাজেৰে কটাবলগীয়া হৈছিল। কাৰণ সেই সময়ত ছাত্রীজীৱন শেষ কৰি কর্ম জীৱন আৰম্ভ কৰিছিলোহে। আমাৰ ছাত্র-ছাত্রীৰ দলটোত আজিৰ অনাতাৰ শিল্পী তথা অ' ফুলেশ্বৰী লোকগীত কেছেটৰ কণ্ঠশিল্পী প্রণীতা বৈশ্য মেধিও আছিল। অৱশ্যে সেই বছৰটিৰ যুৱ মহোৎসৱত আমাৰ কলেজে বৰগীতত প্রথম, লোকগীতত দ্বিতীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। আঢ়ৈ বছৰে ছাত্রী হিচাবে থকা ছাত্রী নিবাসটোত পুনৰ দুটা ৰাতি কটোৱাৰ সৌভাগ্য ঘটিছিল, এইখন মহাবিদ্যালয়ত কর্মৰত হোৱাৰ বাবেই। অৱশ্যে দুটা ৰাতি অহেতুক চিন্তা অথবা দায়িত্বৰ খাতিৰতেই হওঁক ভালদৰে টোপনি অহা নাছিল।

কলেজত চাকৰি কৰাৰ এবছৰ পিছৰ আন এটা ৰোমাঞ্চিত ঘটনা হৈছে যে প্রাথমিক আৰু মাধ্যমিক পর্য্যায়ত একেটা শ্রেণীতে সহপাঠী হিচাবে পোৱা কেইবাজনীও ছাত্রীক এইখন কলেজত শিক্ষাদান কৰিবলৈ পাইছিলো। এদিন একাদশ শ্রেণীতপাঠদান কৰি থকা সময়তে এগৰাকী হাইস্কুলীয়া সহপাঠীয়ে সুধিছিল তেওঁক চিনি পাইছোনে নাই। সেইদিনাৰ শ্রেণীকোঠাত কোনো উত্তৰ নিদিয়াকৈ হাঁহিমাৰি কথাটো এৰাই চলিছিলো। অৱশ্যে পিছদিনা নিজেই তাইক মতাই আনি সেই প্রশ্নটো যে শ্রেণীকোঠাত সোধা অনুচিত আছিল সেয়া সোঁৰৰাই দিছিলো; ভৱিষ্যতে যিকোনো অসুবিধা পালে বান্ধবী হিচাবে কোনো দ্বিধাবোধ নোহোৱাকৈ সুধিব কৈছিলো। মোৰ সেই সহপাঠীসকলৰ শিক্ষানুৰাগ দেখি যথেষ্ট আপ্লুত হৈছিলো।

কর্মজীৱনত গুৱাহাটীৰ পৰা কলেজলৈ বুলি একেলগে প্রায়বোৰ শিক্ষক অহা-যোৱা কৰাৰ মাদকতাই বেলেগ আছিল। বর্ত্তমানৰ নিচিনাকৈ আজিৰ পৰা ১৫-১৬ বছৰ আগতে গাড়ীৰ যাতায়তৰ সুচলাৱস্থা নাছিল। আমি গুৱাহাটীৰ বিভিন্ন ঠাইৰ পৰা প্রায় আটাইবিলাক শিক্ষকেই একেলগে অহাযোৱা কৰিছিলো, কাছাৰীৰ পৰা ৮.৩০ বজাত যাত্রা আৰম্ভ কৰা টেম্পপোর্টখনত। আমাৰ লগত বেংক কর্মচাৰী, হাইস্কুলৰ শিক্ষক আৰু হায়াৰ চেকেণ্ডাৰীৰ বাইদেউ সকলো একেলগে আহিছিল। বিভিন্ন ধৰণৰ কাগজৰ খবৰ আমি বাছতেই প্রথম শুনিবলৈ পাইছিলো। কেতিয়াবা ৰাতিপুৱা ৯-১০ ক্লাচটোৰ বাবে যেনেতেনেকৈ সময়মতে বাছখন শুৱালকুছি পোৱাই দিছিল ৰবীন ড্রাইভাৰে। এনে ধৰণৰ বহু-স্মৃতি বিজড়িত ঘটনা মনৰ মণিকোঠাত আৱদ্ধ হৈ আছে।

শেষত বর্ত্তমানৰ যুগটো হৈছে প্রতিযোগিতাৰ যুগ। এই প্রতিযোগিতাৰ দৌৰত যিয়ে আগত খোজ মিলাব পাৰিব তেৱেই জীৱনৰ বাটত আগু�ৱাই যাব পাৰিব। আজিৰ ছাত্রই ভৱিষ্যতৰ বাবে নিজক উপযুক্ত কৰিবলৈ সকলো ধৰণৰ প্রচেষ্টা চলাই যাব লাগিব। বর্ত্তমানৰ কলেজীয়া শিক্ষা আগৰ নিচিনাকৈ শ্রেণীকোঠাতে আৱদ্ধ হৈ থকা নাই। বর্ত্তমান প্রতিযোগিতাত তিষ্ঠি থাকিবলৈ হ'লে প্রত্যেকজন ছাত্র-ছাত্রীয়েই সকলো দিশতে আগবাঢ়ি যাব পাৰিব লাগিব। এনে ছাত্রই খেলা-ধূলা, নাচ-গান,কম্পিউটাৰ শিক্ষণ, দূ�ৰায়ত শিক্ষা,এন.চি.চি, যোগশিক্ষা সকলো বিষয়ৰ জ্ঞান লাভ কৰি পার্গতালি দেখুৱাব পাৰিলেহে বিশ্বৰ অন্যান্য উন্নত দেশৰ ছাত্রৰ লগত ফেৰ মাৰিব পাৰিব। আমাৰ মহাবিদ্যালয়ৰ ছাত্র-ছাত্রীয়েও এই সকলো বিষয়তে পার্গতালি দেখুৱাই উন্নত দেশৰ ছাত্র-ছাত্রীৰ লগত ফেৰ মাৰিব পৰা হওঁক এই কামনাৰে শেষত John Keatsৰ "Heard Melodies are sweet but those unheard are sweeter" "শুনা গীত মধুৰ, নুশুনা গীত তাতকৈ বেছি মধুৰ- এইফাঁকি অমৰবাণীক সাৰোগত কৰি আমাৰ মহাবিদ্যালয়ৰ কৃতিত্বৰাজি মধুৰ; কিন্তু অনাগত ভৱিষ্যত তাতকৈ আৰু বেছি মধুৰ হওঁক সেই ভৰসাৰে সামৰণি মাৰিছো।■

# শুৰালকুছিত কলেজ, নাৰী শিক্ষা আৰু মধুৰী আই

**কনকলতা দাস**
*প্ৰাক্তন ছাত্ৰী, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

শুৰালকুছি এনে এখন ঠাই য'ত লংকাৰ বণিজো হাততে পায়। সৃজনীমূলক কার্য, সত্রীয়া প্রভাৱেৰে বিধৌত সাংস্কৃতিক চিন্তা-ধাৰাৰে সমাজ-সেৱাৰ নিদর্শন দাঙি ধৰিছিল শুৰালকুছিৰ সর্বসাধাৰণ লোকে অর্থাৎ পুৰুষ-মহিলা উভয়ে। বিশ্ববিখ্যাত তাঁত শিল্প উদ্যোগটোৰ উপৰি একাংশ লোকে বৰ নাৱেৰে উজনি অসমলৈ গৈ বিভিন্ন ধৰণৰ ব্যৱসায় কৰিছিল। গতিকে জানিব পাৰি যে শুৰালকুছিৰ এই চাম লোকৰ টকা-পইচাৰ অভাৱ একেবাৰেই নাছিল। আন একাংশ লোকৰ ঘৰত আছিল দুই- এখন বা ততোধিক তাঁতশাল। এই আটাই সকল লোক আছিল সৎ ব্যৱসায়ী, সংস্কৃতিৱান, সমাজ সচেতক আৰু ধর্মপ্রাণ। শুৰালকুছিত ১৮৮৫ চনত স্থাপন হোৱা অতি প্রাচীন লোকেল বোর্ডৰ দিনৰ, গুৱাহাটী মহকুমাৰ এখন নামজ্বলা স্কুল হ'ল শুৰালকুছি বালক মজলীয়া বিদ্যালয়। শুৰালকুছিবাসীয়ে এই স্কুলত পঢ়িয়েই জ্ঞানপুষ্ট হৈছিল। ১৯৩৯ চনত শুৰালকুছি ল'ৰা হাইস্কুলৰ (বর্তমান শুৰালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়) জন্ম হ'ল। এই ল'ৰা হাইস্কুলতেই শুৰালকুছিৰ মধ্য আৰু পশ্চিম খণ্ডৰ আঠ-নজনীমান ছোৱালীয়ে হাইস্কুলীয়া শিক্ষা লাভৰ সুযোগ পালে। কিন্তু প্ৰৱেশিকা পৰীক্ষাৰ দুৱাৰডলি নৌ পাওঁতেই সেইসকলক বিয়া দিয়া হ'ল, কাৰণ সেই সময়ত ছোৱালীক স্কুল-কলেজত পঢ়োৱাতকৈ উপযুক্ত পাত্রত বিয়া দিয়াটো প্রধান কর্তব্য আৰু দায়িত্ব বুলি ভবা হৈছিল। সেই দলটি যোৱাৰ পিছত ল'ৰা হাইস্কুলত ছোৱালীয়ে পঢ়াৰ কথা শুনা বা জনা নাযায়।

ইয়াৰ পৰা বুজা যায় যে শক্তি সামর্থ্য থকা সত্ত্বেও ছোৱালীক উচ্চ শিক্ষা লাভৰ সুবিধা পৰিয়ালৰ পৰা দিয়া হোৱা নাছিল। ১৯৫২ আৰু ১৯৫৪ চনত ক্রমে শুৰালকুছিৰ পূবে-পশ্চিমে দুখন ছোৱালী হাইস্কুলৰ জন্ম হ'ল। তাৰে এখনৰ পৰা দুগৰাকী ছোৱালীয়ে প্রৱেশিকা পাছ কৰি গুৱাহাটীৰ কলেজত পঢ়ি কলেজীয়া শিক্ষা সাং কৰাৰ সুযোগ পালে। কিন্তু আমাৰ দৰে এচাম ছোৱালীয়ে আর্থিক সামর্থ্যহীনতাৰ বাবে কলেজীয়া শিক্ষাৰ প্রতি অত্যন্ত আগ্রহ আৰু হেঁপাহ থকা সত্ত্বেও শিক্ষা লাভৰপৰা বঞ্চিত হ'বলগীয়া হৈছিল। প্ৰৱেশিকা পৰীক্ষা পাছ কৰি উঠিয়েই শিক্ষয়িত্রীৰ চাকৰিত নিযুক্তি গ্রহণ কৰিবলগীয়া হৈছিল। দুখীয়া পৰিয়াল এটিৰ বাবে চাকৰি এটা অত্যাৱশ্যকীয় আছিল যদিও কলেজীয়া শিক্ষালাভৰ বাট চিৰদিনলৈ বন্ধ হ'ল বাবে দুখত ভাঙি পৰিবলগীয়া হৈছিল। উল্লেখনীয় যে সেই সময়ত প্ৰৱেশিকা পৰীক্ষা পাছ কৰা ছোৱালীৰ সংখ্যা তেনেই তাকৰীয়া আছিল। হতাশাৰ হুমুনিয়াহেৰে ছাত্রী জীৱনৰ যৱনিকা পেলাই শিক্ষাদান কার্যতব্রতী হ'বলগীয়া হ'ল।

বেলিমাৰ যোৱাৰ পাছতো সূর্যোদয় হোৱাৰ দৰে মহানুভৱ শিক্ষানুৰাগী কেইগৰাকীমান লোকৰ উদ্যোগত শুৰালকুছিত কলেজ স্থাপনৰ যো-জা চলিল। সেইসকল ব্যক্তিয়ে সেৱাৰ কার্য বুলি লৈয়েই বহুতো হেঁপাহ বুকুত বান্ধি অতি উদ্যমেৰে শুৰালকুছিবাসীৰ ঘৰে ঘৰে ছাত্র-ছাত্রী বিচাৰ-খোঁচাৰ কৰাত লাগিল। সেই সময়ৰ প্রতিটো পৰিয়ালৰ প্রতিজন ব্যক্তিয়েই তাঁত শিল্পৰ লগত জড়িত আছিল। প্রাথমিক স্কুলত পঢ়া শিশুটিয়েও সূতাৰ চেৰেকী ঘূৰাইছিল। ডেকা-গাভৰুসকলে তাঁত বৈ পৰিয়ালটিক উপার্জনত সহায় কৰি স্কুলীয়া শিক্ষা লাভ কৰিছিল। সেইবোৰ চিন্তা-চর্চা কৰিয়েই কলেজ স্থাপনৰ উদ্যোক্তাসকলে আবেলি পাঁচ বজাৰপৰা নিশা ন বজালৈ পাঠদান কার্য চলোৱাৰ সিদ্ধান্ত গ্রহণ কৰিলে। ফলত আমাৰ দৰে স্কুলত চাকৰি কৰা আৰু কলেজীয়া শিক্ষালাভৰ প্রতি অত্যন্ত আগ্রহ থকাসকলে মৰুভূমিত এটুপি পানী পোৱাৰ দৰে হ'ল ।নতুন আশাৰ ৰেঙণিয়ে আমাৰ দেহ-মন উজলাই তুলিলে। এই ঘোষণা ওচৰ-চুবুৰীয়া গাঁওবোৰলৈকো দিয়া হ'ল।

সেই সময়ৰ শিক্ষা পদ্ধতি মতে কলেজীয়া শিক্ষা আছিল চাৰি বছৰীয়া-এবছৰ প্রাক্-বিশ্ববিদ্যালয় বা পি ইউ (Pre-university) আৰু তিনি বছৰীয়া বি এ পাঠ্যক্রম (Three years degree course)।

১৯৬৩ চনৰ আগষ্ট মাহৰ ১ তাৰিখৰপৰা শুৰালকুছি কলেজৰ পাঠদান কার্য আৰম্ভ কৰা হ'ল। প্রথম বছৰতে প্রাক্ বিশ্ববিদ্যালয় আৰু স্নাতক শ্রেণী খোলাৰ ব্যৱস্থা কৰা হ'ল। ফলত গুৱাহাটীৰ কলেজত পি ইউ পাছ কৰি কেইবাগৰাকীও ল'ৰা-ছোৱালীয়ে শুৰালকুছিৰ কলেজত ডিগ্রী পঢ়াৰ সুযোগ পালে। আনহাতে, তাহানিৰ আই এ পৰীক্ষাত অনুত্তীর্ণ কিছুসংখ্যক ল'ৰায়ো ডিগ্রী প্রথম বর্ষত নাম ভর্তি হৈ ল'লে। প্রায় ২৫-২৬ গৰাকী ছাত্র-ছাত্রীয়ে ডিগ্রী শ্রেণীত আৰু প্রায় ১১০-১১৪ গৰাকীমান ছাত্র-ছাত্রী পি ইউ শ্রেণীত শিক্ষা লাভ কৰাৰ সুযোগ পালে। ডিগ্রী শ্রেণীত ছাত্র-ছাত্রীৰ সংখ্যা তাকৰীয়া আছিল যদিও প্রথম বছৰতেই ৰমৰমীয়া, গমগমীয়া হৈছিল কলেজৰ পৰিৱেশ। সন্ধিয়া পাঁচ বজাৰ আগতে গাঁওবাসীয়ে ছাত্র-ছাত্রীসকল কলেজলৈ যোৱাৰ পৰিৱেশ পদূলিমুখত থিয় হৈ প্রত্যক্ষ কৰিছিল। ছাত্র-ছাত্রীৰ মুখত যেনেদৰে আনন্দ আৰু সন্তুষ্টিৰ ভাব প্রতিভাত হৈছিল ঠিক তেনেদৰে গাঁওবাসীৰ মনতো গৌৰৱৰ উজ্জ্বলতা মুখাৰয়বত দেখিবলৈ পোৱা গৈছিল। সমগ্র শুৰালকুছিতেই উৎসাহ-উদ্দীপনা অনুভূত হৈছিল। আৰম্ভণিৰে পৰাই উদ্যোক্তা শিক্ষক আৰু ছাত্র-ছাত্রীসকলৰ মাজত

যুদ্ধকালীন তৎপৰতা দেখিবলৈ পোৱা গৈছিল। কলেজখন ভাল হ'বই লাগিব, পাঠদান উচ্চমানৰ হ'বই লাগিব, মনোযোগেৰে শিক্ষালাভ কৰি গাঁৱৰ, কলেজৰ আৰু নিজৰ পৰিয়ালৰ নাম উজলাবই লাগিব। এয়াই যেন আছিল আটাইৰে ব্ৰত। বয়োজ্যেষ্ঠ উদ্যোক্তাসকলৰ তৎপৰতা, ব্যস্ততাবোৰলৈ মনত পৰিলে এতিয়াও শ্ৰদ্ধাত শিৰ নত হয়। তীব্ৰ গতিত যেন প্ৰবাহিত হৈছিল তিনিটা সোঁতৰ তিনিধাৰা পানী সাফল্যৰ ফালে। ছাৰসকলে অতি যত্নেৰে, অতি মৰমেৰে আমাক শিকাইছিল আৰু আমি ছাত্ৰ-ছাত্ৰীসকলেও অতি বাধ্য-বাধকতাৰে আৰু শ্ৰদ্ধাৰে শিক্ষালাভ কৰিছিলো উদ্যোক্তাসকলৰ তৎপৰতা, যত্ন আৰু অধ্যক্ষকে আদি কৰি আটাইৰে সহচেষ্টাত ১৯৬৪ চনত হ'বলগীয়া পি ইউ চূড়ান্ত পৰীক্ষাৰ কেন্দ্ৰও শুৰালকুছিৰ কলেজলৈ আহিল। বহু পইচা খৰচ কৰি গুৱাহাটীলৈ গৈ ভাৰাঘৰ বা কোনো হোষ্টেলত থাকি পৰীক্ষা দিয়াৰপৰা বহুখিনি সকাহ পালে দুখীয়া ছাত্ৰ-ছাত্ৰীসকলে। সেইসকল মাননীয় উদ্যোক্তা শ্ৰদ্ধাৰ অধ্যক্ষকে আদি কৰি ছাৰসকল আমাৰ হিয়াৰ মণিকোঠত আছে আৰু সদায় থাকিব। তেখেতসকলৰ ত্যাগৰ নিদৰ্শন মনত পৰিলে এতিয়াও গৰ্বত মন হেন্দোলিত হয়।

কলেজৰ বছৰেকীয়া কলেজ সপ্তাহত আয়োজন কৰা খেলা-ধূলা, নৃত্য-গীত, নাট-ভাওনা আদি সাংস্কৃতিক অনুষ্ঠানত ছাৰসকলৰ প্ৰতিক্ষণে কৰা সহযোগিতাৰ কথা আজিও মনত পৰে আৰু গৌৰৰ অনুভৱ কৰো।

শুৰালকুছিত কলেজ স্থাপন আৰু মধুৰী আই, এটা মধুৰ অধ্যায়। শিক্ষা, সংস্কৃতি আৰু সেৱা এই আটাই কেউটা একীভূত হৈ আছিল এগৰাকী সাধাৰণ নামবিহীনা মহিলাৰ দেহ আৰু মনত। সেইগৰাকী আদহীয়াৰ ডেওনা পাৰ হোৱা মহিলা হ'ল আমাৰ কলেজৰ ছোৱালীজাকৰ অভিভাৱিকা মধুৰী আই। কলেজ প্ৰতিষ্ঠা হোৱাৰ লগে লগে এইগৰাকী আই ওলাই আহিল এগৰাকী দায়িত্বশীলা মাতৃ হৈ। ৰূপ কথাৰে মন ভৰোৱা আইতা, হাঁহি হুঁহুৱাই ৰস লগোৱা এগৰাকী সামাজিক দায়বদ্ধতাৰে পৰিপক্ক অভিভাৱিকা। অকল কলেজত পোৱা নিযুক্তিয়েই যে তেখেতক সমাজলৈ আনিলে এনে নহয়। ইয়াৰ আগতেও তেখেতৰ এটা সুন্দৰ সামাজিক আৰু আধ্যাত্মিক পৰিচয় আছিল।

সৰুৰেপৰা নামঘৰলৈ গৈ ভাওনা চোৱা, নাম-প্ৰসংগ উপভোগ কৰা, তাত ভাগ লোৱা পৰিবেশ এটা আমি পাইছিলো। সেয়েহে সৰুৰে পৰাই মধুৰী আইক আমি জানো। আমি গাভৰু হোৱাৰ আগৰেপৰাই তেখেতে শ্ৰীশ্ৰী শংকৰদেৱ মন্দিৰত অনুষ্ঠিত কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মজয়ন্তী উৎসৱত পাচতিৰ দিনা নাম-প্ৰসংগৰ লগত জড়িত ভাওনাত মুখ্য ভূমিকা পালন কৰিছিল। মহাপুৰুষ শংকৰদেৱৰ জন্মোৎসৱৰ পঞ্চমদিনা মহা পয়োভৰেৰে শ্ৰীশ্ৰী শংকৰদেৱ মন্দিৰত আইসকলৰ নাম-প্ৰসংগেৰে পাচতি উৎসৱ কৰা হয় অৰ্থাৎ শংকৰদেৱৰ গণনা বা নামকৰণৰ উৎসৱ পতা হয়। নাম-প্ৰসংগৰ মাজেৰে সাধাৰণভাৱে ভাও দি অভিনয় কৰা কাৰ্যও চলে। তাত মধুৰী আয়ে (সকলোৱে মৰমেৰে মতা নাম মধুৰী বুঢ়ী) পুতনাৰ ভাও দি নাচ-গান কৰে, আইসকলৰ মাজে মাজে ঘূৰি কৃষ্ণক বিচাৰি ফুৰে আৰু শেষত কৃষ্ণক স্তন পান কৰাই মৰি পৰি থাকে। ভাত দিয়াৰ আগতে আইগৰাকীক ৰংচঙীয়া শাৰী পিন্ধাই হাতে-কাণে, ডিঙিয়ে বিভিন্ন অলংকাৰ, ভৰিত জুনুকা আৰু মূৰত কিৰীটি পিন্ধাই মন্দিৰৰ বাহিৰতো আইসকলে এপাক ঘূৰাই আনে। নামৰ লগে লগে পুতনাৰ ভাও দি ৰাইজক হুঁহুৱাই দুপৰীয়াৰপৰা সন্ধিয়ালৈ শংকৰ মন্দিৰ প্ৰাংগন ৰজনজনাই তোলে। আমাৰ চাম অথবা আমাতকৈ বয়োজ্যেষ্ঠসকলে আজিও কয় মুধৰী বুঢ়ীৰ (আই) কথা, তেখেতৰ ভাও-ভংগিমাৰ কথা। কাম বন কৰি পেটে-ভাতে খাই থকা দুখীয়া পৰিয়ালৰ মানুহগৰাকীয় হাঁহিব পাৰে আৰু আনকো হুঁহুৱাব পাৰে। আজিও শংকৰদেৱৰ জন্মোৎসৱৰ পাচতিৰ দিনা আইগৰাকীৰ কথা আমাৰ লেখীয়াবোৰৰ মুখত ওলায়। আইগৰাকী ঢুকুৱাৰপৰা সেই ৰং-ৰহইচ এতিয়া আৰু শংকৰ মন্দিৰৰ পাচতি উৎসৱত নাই আৰু দ্বিতীয়গৰাকী ভাৰৰীয়ানী মধুৰী আই ওলোৱা নাই।

শুৰালকুছিত কলেজ স্থাপন হৈ পাঠদান আৰম্ভ হোৱাৰ দিনটোৰপৰাই অন্য এটা ৰূপত এইগৰাকী মধুৰী আইক আমি পাবলৈ ল'লো। শুৰালকুছিত কলেজ হ'ল, মধুৰী বুঢ়ীও মধুৰী আই হ'ল। শ্ৰীশ্ৰী শংকৰদেৱ মন্দিৰত ভাও দি ফুৰা সেই মধুৰী বুঢ়ী এগৰাকী দায়িত্বশীলা অভিভাৱিকা, পৰামৰ্শদাত্ৰী, জ্ঞান-গভীৰ দিহা-পৰামৰ্শ, নীতি-বচনেৰে প্ৰচণ্ড সাহসেৰে, দেহৰক্ষী হিচাপে সেৱা আগবঢ়াই শিক্ষাৰ পৰিৱেশত আমাৰ সকলোৰে অতি মৰমৰ, শ্ৰদ্ধাৰ মধুৰী আই হ'ল। নিয়মীয়া উচ্চতাৰে, লাহীকৈ দেহটোৰ এটি সোলোক-ঢোলোক ব্লাউজেৰে,কপাহী সূতাৰ এযোৰ মেখেলা-চাদৰেৰে সেইগৰাকী মধুৰী আই আমাৰ ছোৱালীজাকক নিশা ন-বজাত কলেজ ছুটী হোৱাৰ পিছত সুকলমে নিজ নিজ ঘৰত অভিভাৱকসকলক গতাই দিয়া কামটোৰ বাবে কলেজৰ তৰফৰ পৰা নিযুক্তি দিয়া হ'ল। সেই যে গুৰুদায়িত্ব মূৰত পৰিল আইৰ গাত যেন দায়িত্বৰ গোসাঁই লম্ভিলে। কলেজ কৰ্তৃপক্ষৰ পৰামৰ্শমতে কলেজ ছুটী হোৱাৰ প্ৰায় এঘণ্টামান আগতেই ছাত্ৰী জিৰণি কোঠাত আই হাজিৰ হয়। উল্লেখ কৰা হ'ল যে তেতিয়া কলেজৰ পাঠদান কৰা হৈছিল শুৰালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত। তেতিয়াৰপৰাই আমাৰো কলেজীয়া শিক্ষা লাভৰ সমসাময়িকভাৱে সামাজিক দিশৰ শিক্ষাও আৰম্ভ হৈ গৈছিল। আমাৰ ছোৱালীজাকক থ'বলৈ আহোতে আইগৰাকীক অন্য এটা ৰূপত দেখিবলৈ পোৱা যায়। বাঁও হাতত এটা লেম্প, সোঁহাতত এডাল টাঙোনেৰে ডিঙিটো অলপ আগলৈ হলাই লৈ এটা গতিত খোজ দিয়ে। আমাক সদায় আগত আহিবলৈ কয়, কিন্তু আমি আটায়ে তেওঁৰ স'তে একেলগে খোজ পেলাওঁ। আইৰ মুখেৰে আখৈ ফুটাদি ফুটে উপদেশ, নীতি-বচনৰ কথা। আমাক কাপোৰ কানি ভালকৈ পিন্ধিবলৈ আৰু কপালত একোটিকৈ ৰঙা ফোট ল'বলৈ কৈছিল। তেহে হেনো ধুনীয়া দেখি, উকা কপালখনেৰে ভাল নেদেখি হেনো। তাৰ উত্তৰত আমি কৈছিলো যে যদি আমাৰ বিয়া হোৱা বুলি কোনো ল'ৰাই আমাৰ ফালে নাচায়, তেতিয়া ? উত্তৰত আয়ে টপৰাই কৈ উঠিছিল, 'তেহেত কনা নেকি ?' বিয়া হৱা আপীয়ে সেঁওতাতহে সেন্দূৰ পিন্ধে।' আমি ৰস পাই হাঁহিছিলো। আমাক প্ৰায়ে সকীয়াই দিছিল যাতে কোনো ল'ৰাৰ স'তে আমি চেলবেলাই কথা-বতৰা কৈ নাথাকো। কৈছিল—'তহঁতক মাইৰে-



সোণালী জয়ন্তী মহোৎসৱ, শুৰালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়, (১৯৬৩-২০১৩)

বাপেৰে ভাল মানুহ হবাকলেগি খেদাছি, এই কথা সদায় মনত ৰাখ্‌বি।' এয়া আছিল অভিভাৱক হিচাপে শাসনৰ সুৰত কোৱা কথা। প্ৰতি গৰাকী ছোৱালীৰ পদূলিত থিয় হৈ পিতাকসকলক নামধৰি মাতে 'ঐ অমুকা, তোৰ আপী নেহহি।' ঘৰৰপৰা কোনো এজন ওলাই নহালৈকে আয়ে পদূলিৰপৰা এখোজো লৰচৰ নকৰে।

আমি দুজনী ছোৱালী ভাটি-পাৰাৰ ফালৰ। শেষত আমাক চমজাই থৈ বজাৰৰ ফালে থকা ১নং নাক্তাদলৰ নিজৰ ঘৰলৈ বুলি একোটা গতিৰেই খোজ লয়। আইগৰাকীৰ মুখমণ্ডলত দুখ-ভাগৰ বেজাৰ-বিৰক্তিৰ ভাব লেশমাত্ৰও দেখিবলৈ পোৱা নগৈছিল। তাৰ ঠাইত উৎসাহ, আনন্দ, সন্তুষ্টি আৰু দায়িত্ব পালনৰ গৰ্বৰ ভাবহে আমি অনুমান কৰিছিলো।

এদিনৰ কথা। শুৱালকুছি উচ্চতৰ মাধ্যমিক স্কুলৰ পূবফালৰ কেওটপাবালৈ যোৱা পথটো আজিৰপৰা পঞ্চাছ বছৰ আগতে জয়াল ধৰণৰ আছিল। দুয়োকাষে আঁহত গছকে ধৰি সৰু-ডাঙৰ গছেৰে ভৰা। সোঁফালে ব্ৰহ্মপুত্ৰ চাপৰিৰ জংঘল। পথটো লুংলুঙীয়া, বসতি সেৰেঙা, সেই পথটোৰে গৈ গৈ কালিৰাম কাৰিকৰ ছোৱালী হাইস্কুললৈ যোৱা পথ এৰি দুঘৰমান গৈয়েই এটা পৰিয়াল। তাৰেপৰা এগৰাকী ছাত্ৰী আহে ক্লাছ কৰিবলৈ। ছুটীৰ পিছত আয়ে তাইক আগে-ভাগে ঘৰত থৈ আহে। আইৰ হয়তো আহোতে অকলে আহিবলৈ ভাল নালাগে। সেয়ে এদিন হঠাতে কৈ উঠিল— 'এইক মই আজিৰ পাই থবা যাবা নৰো।' আমি পেংলাই কৰাৰ দৰে ক'লো— 'কিয়, কিহল নো'? আয়ে ক'লে 'আহোতে একলাই আহিবা ভাল নাল্‌গে।' উত্তৰত আমি ক'লো— 'কিয় হাতৰ লেম্পটো আৰু লাঠীডাল ক'লৈ গ'ল?' আয়ে ক'লে— 'একেলাই আহোতে যদি মোক কোন্‌বাই বলাৎকাৰ কৰেই।' আমি আটায়ে গিৰ্জনি মাৰি হাঁহিলো এই অসামাজিক শব্দটো শুনি। সেই সময়ত এই ধৰণৰ শব্দবোৰ সামাজিকভাৱে ব্যৱহাৰ হোৱা শব্দ নাছিল। আমি অলপ চকখাই কৈ উঠিলো— 'ধেৎ বুঢ়ী, তোক কোনে কি কৰিব পাৰে?' ইয়াৰ পিছত কিছু সময় আমি আটায়ে টলকা মাৰি আহি আছিলো। আমি কৈছিলোঁ— 'ঠিক আছে। এতিয়াৰপৰা আমি আটায়ে তোৰ লগত তাইক থ'বলৈ যাম। তোৰ টাঙোনডাল কিন্তু ভালকৈ ধৰি ল'বি।' তাৰ পিছত আমি ছোৱালীজাকে তাকেই কৰিছিলো। এইহেন ৰং-ৰহইচেৰে ভৰা কলেজীয়া জীৱনৰ মধুৰী আইৰ স'তে কটোৱা সেই দিনবোৰ আমাৰ মনৰ পেৰাত সাঁচতীয়া ধন হিচাপে সদায় ৰ'ব।

ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ বিভিন্ন ফলেৰে গিজগিজাই থকা বাৰীখনক কোৱা হৈছিল হাটীৰ বাৰী বা বাহাৰ বাৰী। এটা সময়ত শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ পাঠদান কলেজৰ নিজ ভূমি এই ফলৰ বাৰীখনত আৰম্ভ কৰা হ'ল।

বিস্মৃতিয়ে ঢাকিব নোৱৰা এটি দিন। ডিগ্ৰী ক্লাছলৈ আমি মাত্ৰ তিনিগৰাকী ছাত্ৰী ৰ'লো। তৃতীয় বাৰ্ষিকৰ চূড়ান্ত বৰ্ষ। হাটীসত্ৰৰ বাৰীত তৰ্জাৰ বেৰৰ দুটা কোঠালিৰ এটা চালি ঘৰ। তাৰে এটাত শিক্ষকৰ জিৰণি কোঠা আৰু আনটো ছাত্ৰীসকলৰ। সেই সময়ত আজিৰ দৰে শুৱালকুছিৰ বাট-পথ ইমান সুচল নাছিল। তাতে আকৌ সন্ধিয়া সময়। বাৰিষাকালত পেনপেনীয়া বৰষুণ। আলি-পদূলি বোকাৰে ভৰা। তেনে অৱস্থাত সাধাৰণতে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি সেৰেঙা হয়। এনে এটা দিনত শিক্ষক জিৰণি কোঠাত কেইবাগৰাকীও ছাৰ। তেখেতসকলৰ মাজৰপৰা এগৰাকী ছাৰে ক'লে— 'এইহেন পেনপেনীয়া বৰষুণত সন্ধিয়া সময়ত কলেজলৈ কেলেই আহিব লাগিছে, নাহিলেও হ'লহেঁতেন। ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও কম।' কথাৰ শেষত শ্ৰীমান চক্ৰৱৰ্তী ছাৰ (অসমীয়া বিভাগ) আৰু উপেন্দ্ৰ নাৰায়ণ শ্ৰীবাস্তৱ (ইংৰাজী বিভাগ) ছাৰে একেমুখে কৈ উঠিল— 'আমি আহিবলগীয়া হয় ছোৱালীকেইজনীৰ কাৰণে, ল'ৰাহঁত নাহিলেও ছোৱালীকেইজনী আহিবই।' কথাখিনি বেৰখনৰ ইটোফালৰপৰা আমি তিনিওজনীয়ে শুনি গৰ্ব অনুভৱ কৰিছিলো। তেতিয়াৰপৰা কলেজত উপস্থিত থকাটো আমাৰ বাবে আৰু বেছি জৰুৰী হৈ পৰিছিল। উল্লেখ নকৰি নোৱাৰিলোঁ যে শ্ৰীমান চক্ৰৱৰ্তী ছাৰ আহে বামুন্দিৰ নিজৰ ঘৰৰপৰা আৰু শ্ৰীবাস্তৱ ছাৰ আহে শুৱালকুছিৰ পূবফালৰ জানৰ পাৰৰ গাঁৱৰপৰা। এনেহেন কিছুমান আপুৰুগীয়া স্মৃতিয়ে মনবোৰ আজিও জীপাল কৰি ৰাখিছে।

ত্যাগ আৰু সেৱাৰ আদৰ্শ মহীয়ান। এই আদৰ্শত শীৰ্ষত ৰ'ল ঈশ্বৰ শ্ৰীশ্ৰীহাটী সত্ৰ। আজি শুৱালকুছিৰ মাজমজিয়াত জিলিকিল শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়, এটি গৌৰৱৰ স্তম্ভ। তাৰাসৱে নানাবিধ ফলেৰে ভৰপূৰ বৃহৎ বাৰীখন দান দি গণদেৱতাৰ পূজাত আগভাগ নোলোৱা হ'লে শুৱালকুছিৰ কলেজ শুৱালকুছিৰ সীমনাৰ পাহাৰে-কন্দৰে কোন ধুবুৰী পালেগৈহেঁতেন তাৰ ঠিকনা নাছিল। এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক আটায়ে চিৰদিন নত হৈ এই ঈশ্বৰ শ্ৰীশ্ৰীহাটী সত্ৰলৈ ভক্তি ভৰা সেৱা আগবঢ়াই থাকিব।

ইয়াৰ উপৰি এই মহৎ অনুষ্ঠানটি গঢ় লৈ উঠিছিল লক্ষ্মপতিৰপৰা তাঁতশালৰ মুঠিত ধৰি ভাত মোকোলোৱালৈকে, মুষ্টি ভিক্ষা দাতাৰ পৰা দৈহিক শ্ৰমদাতালৈ সকলোৰে আন্তৰিক হেঁপাহ আৰু একাগ্ৰতাৰদ্বাৰা। আটাইতকৈ উপকৃত হৈছিল আৰু হৈছে নাৰী সমাজ আৰু দুখীয়া পৰিয়ালবোৰ। এই মহানুভৱ লোকসকলক আমি সদায় শ্ৰদ্ধাৰে স্মৰণ কৰিব লাগিব। সেইসকল সদায় সেৱা আৰু ত্যাগৰ মহিমাৰে মহিমণ্ডিত হৈ ৰ'ব।■

# শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়

## *এটি নষ্টালজিয়া*

**ৰমেশ চন্দ্ৰ কলিতা**
*প্ৰাক্তন ছাত্ৰ, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

মই ১৯৬২ চনত ক্ষেত্ৰীহাৰদিয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰপৰা (Matriculation Examination) প্ৰৱেশিকা পৰীক্ষা দি দ্বিতীয় বিভাগত উত্তীৰ্ণ হওঁ। আৰ্থিক অনাটনৰ বাবে গুৱাহাটীৰ কোনো মহাবিদ্যালয়তে নামভৰ্তি কৰিব নোৱাৰিলো। উচ্চ শিক্ষাৰ আশা ইমানতে ত্যাগ কৰি ঘৰতে এনেয়ে বহি থাকিলো। কেইমাহমান যোৱাৰ পিছত 'হাজো আদর্শ প্ৰাথমিক বিদ্যালয়'ত এজন শিক্ষক ছুটীত থকাৰ বাবে তিনি মাহৰ বাবে শিক্ষক পদত নিযুক্তি লাভ কৰিলো। শুনিব পালো ১৯৬৩ চনত শুৱালকুছিত এখন কলেজ আৰম্ভ হ'ব। মনত অপাৰ আনন্দ। এইবাৰ নিশ্চয় কলেজত পঢ়িব পাৰিম।

১৯৬৩ চনত শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয় স্থাপিত হ'ল। কিন্তু নৈশ মহাবিদ্যালয়। মহাবিদ্যালয়ৰ নিজা ঘৰ-দুৱাৰ নির্মাণ নোহোৱালৈকে শুৱালকুছি বালক উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষাগ্ৰহণ কৰিব লাগিব।

১৯৬৩ চনৰ জুলাই মাহৰ কোনোবা এটা তাৰিখত মই শুৱালকুছিলৈ গৈ মানুহক সুধি মহাবিদ্যালয়ৰ অস্থায়ী কার্যালয়ত উপস্থিত হ'লো। মাননীয় শিক্ষাগুৰু শ্ৰীযুত প্ৰকাশ মেধি ছাৰ আৰু ভালেকেইজন মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য বহি আছিল। মই নমস্কাৰ দি সোমাই গ'লো। তেখেতসকলে বৰ মৰম সনা মাতেৰে মোৰ ঘৰ ক'ত, কি নাম, কোন হাইস্কুলত পঢ়িছিলো সুধিলে। মইও যথাযথ উত্তৰ দিলো। মোৰ ঘৰ টোক্ৰাদিয়াত বুলি কোৱাত এজনে সুধিলে, 'তোমাৰ কোনোবা লগ আছে?' মই ক'লো— 'নাই ছাৰ।' 'তুমি শুৱালকুছিত থকাৰ ব্যৱস্থা কৰা। নোৱাৰিলে মোক ক'বা, মই ব্যৱস্থা কৰি দিম।' মোৰ নথি-পত্ৰ চাই মই দ্বিতীয় বিভাগত মেট্ৰিক পাছ কৰিও এটা বছৰ এনেয়ে খেদোৱাৰ বাবে দুখ কৰিলে। এতিয়া ভালদৰে পঢ়া-শুনা কৰিবলৈ গোটেইকেইজনে মোক উপদেশ দিলে। বোধকৰো তেখেতসকলৰ বহুতেই এতিয়া ইহসংসাৰত নাই। তেখেতসকলৰ বিদেহী আত্মাৰ প্ৰতি সেৱা জনালো।

প্ৰথম বছৰতে মহাবিদ্যালয়খনত দুটা শ্ৰেণী খোলা হয়— প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণী (Pre-university Class) আৰু স্নাতক প্ৰথম বার্ষিক শ্ৰেণী। যিসকল লোকে আই এ, বা আই এছ চি পাছ কৰি নানা অনুষ্ঠানত কর্মৰত হৈ আছিল, তেখেতসকলে বি এ প্ৰথম বার্ষিক শ্ৰেণীত নাম ভর্তি কৰিছিল। গতিকে আমি শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়ৰ প্ৰথমটো দল(First Batch)। আমাক হাইস্কুলত পঢ়োৱা চাৰিজন শিক্ষাগুৰুয়েও বি এ প্ৰথম বার্ষিকত নামভর্তি কৰি সময়ত আমাৰ কলেজৰ পৰা বি এ পাছ কৰি ক্ৰমে বি টি আদি উচ্চ শিক্ষা গ্ৰহণ কৰি বিভিন্ন শিক্ষানুষ্ঠানৰ মুৰব্বী হৈ সুখ্যাতিৰে শিক্ষাদান কৰি অৱসৰ গ্ৰহণ কৰাৰ পিছত স্বর্গগামী হয়। তেখেতসকলৰ বিদেহ আত্মালৈ সেৱা জনালো।

অকল মোৰ চাৰি জন শিক্ষাগুৰুৱে নহয়, 'হাজো ৰাজহ চক্ৰ'ৰ প্ৰায় সকলো গাঁৱৰে বহুতো শিক্ষা আধৰুৱা কৰি চাকৰি বা ব্যৱসায় কৰি থকা লোকে আমাৰ মহাবিদ্যালয়ৰপৰা স্নাতক ডিগ্ৰী লাভ কৰি পৰৱর্তী জীৱনত প্ৰভূত উন্নতি লাভ কৰিছিল।

শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়ে বহুতো শিক্ষাবিদ, সাহিত্যিক, কথাশিল্পী, সাংবাদিক, বুদ্ধিজীৱী তথা ইতিহাসবিদ আদিৰ জন্ম দিছে।

এইসকলে অসমৰ সমাজ সংস্কৃতি, উচ্চ শিক্ষা, শিল্প কলা, সাহিত্য, দর্শন আৰু অর্থনীতিত প্ৰভূত অৱিহণা যোগাইছে।

১৯৬৩-৬৪ চনৰ সমাজ, যাতায়াতৰ ব্যৱস্থা আদিৰ এতিয়া বহু পার্থক্য পৰিলক্ষিত হয়। ৰাস্তা-ঘাটৰ বৰ দুৰাৱস্থা আছিল। যাতায়াতৰ কোনো ব্যৱস্থা নাছিল। বংশৰৱপৰা শুৱালকুছিলৈ যোৱা ৰাস্তাটোৰ 'সৰুখাৰা' আৰু 'বৰখাৰা'ৰ কথা নিশ্চয় বহুতৰে মনত আছে। সেই সময়ত বিভিন্ন গাঁৱৰপৰা যোৱা ছাত্ৰসকলৰ 'চাইকেল'ত বাহিৰে অইন কোনো বেলেগ বাহন নাছিল। কলেজ (বর্তমান শুৱালকুছি বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়)লৈ শুৱালকুছি গাঁৱৰ মাজেৰে বহুখিনি যাব লাগিছিল। আগৰ চাইকেলখন কেনেবাকৈ বাগৰিলে পিছৰবিলাকো এখন এখনকৈ বাগৰি পৰিছিল। সৰু ল'ৰা-ছোৱালীবোৰে সেই দৃশ্য দেখি বৰ আমোদ পাইছিল।

মোৰ চাইকেল নাছিল। আমাৰ গাঁৱৰে এজন আত্মীয়ই মোক নি শুৱালকুছি 'জানৰ পাৰ'ৰ প্ৰয়াত উমেশ চন্দ্ৰ কলিতাৰ ঘৰত থৈ আহিছিল।

শুৱালকুছি অকল সোণালী সূতাৰেই দেশ নহয়, সেই দেশৰ বাসিন্দাসকলৰ অন্তৰবিলাকো সেই সময়ত সোণালী আছিল। সন্মানীয় প্ৰয়াত কলিতা দম্পতীয়ে মোক পুত্ৰৱৎ মৰম-চেনেহ কৰিছিল। ময়ো তেখেতসকলক পিতৃ-মাতৃৰ দৰে আদৰ-সন্মান কৰিছিলো। মোৰ থকা-মেলা, খোৱা-লোৱা সকলো ব্যৱস্থা তেখেতসকলেই কৰিছিল। মই মাত্ৰ ৰাতিপুৱা বিনোদ, ৰাতুলহঁতক পঢ়ুৱাব লাগিছিল। লাহে লাহে গোটেই চুবুৰিটোৰ মানুহৰ লগত চিনাকি হ'ল। মোক সকলোৱে মৰম কৰিছিল। ডাঙৰবিলাকে নাম কাঢ়ি আৰু মোতকৈ সৰুবিলাকে 'ৰমেশ

কাকা' (ককাইদেউ) বুলি মাতিছিল। শুৱালকুছি কালিৱাম হাইস্কুলৰ শিক্ষক প্রয়াত নিৱঞ্জন কলিতা আৰু আৰু গণেশ দাস হাইস্কুলৰ শিক্ষক প্রয়াত যতীন কলিতাই মোক বৰ মৰম কৰি পঢ়া সম্পর্কে বহুত সজ পৰামর্শ দিছিল। তেখেতসকললৈ শ্রদ্ধা নিৱেদন কৰিছো। পূজনীয় প্রয়াত উমেশ কলিতা মহোদয়ে মোক প্রায় এবছৰ ভ�ৰণ-পোষণ দি তেখেতৰ ঘৰৰ এজন সদস্যৰ দৰে ৰাখিছিল। তাত কোনো স্বার্থ বিজড়িত নাছিল।

সেই সময়ত শুৱালকুছিৰ আশে-পাশে থকা গাঁওবিলাকৰ বহুতো বোৱনীয়ে শুৱালকুছিৰ বিভিন্ন ঘৰত শালৰ বোৱনী হৈ জীৱিকা নির্বাহ কৰিছিল। সেইসকল পুৰুষ বোৱনী আছিল। আজিকালিৰ দৰে কোনো ছোৱালী বা তিৰোতা বোৱনীয়ে বেলেগ গাঁৱৰপৰা গৈ শালত বহা নাছিল। পৰৱর্তী কালত এই সকল বোৱনীয়ে নিজ নিজ গাঁৱত পাট-মুগাৰ শাল পাতি স্বাৱলম্বী হৈছিল। বর্তমান হাজো, ৰামদিয়া, ক্ষেত্রীহাৰদিয়া, বৰহাৰদিয়া, শোৱন চাহ, শিলগুৰি, বামুন্দি, হালো গাঁও, কঁঞা টোল, লাহ, শ্রীহাটী, টোক্রাদিয়া, সানপাড়া, বংশৰ আদি গাঁৱৰ বহু লোকে পাট-মুগাৰ শালৰ কাৰবাৰ কৰি জীৱিকা নির্বাহ কৰিছে।

প্রাক্ বিশ্ববিদ্যালয় শ্রেণী পাছ কৰাৰ পিছত শনিয়াদী বড়ো প্রাথমিক বিদ্যালয়ত মোৰ চাকিৰ হয়। তেতিয়াৰপৰা মই নিজ ঘৰত থাকি চাইকেলেৰে কলেজলৈ অহা-যোৱা কৰো।

আমি কলেজত পঢ়ি থকা সময়ত বহুকেইটা হর্ষ-বিষাদৰ দিন পাইছো। তাৰে দুটা উল্লেখ কৰিলো ১৯৬৩-৬৪ চনত শুৱালকুছি বালক উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱ পালন কৰিছিল। যিহেতু বিদ্যালয়খন আমাৰ ৰাতিৰ কলেজ আছিল— আমি উৎসৱৰ সকলো কার্যসূচী চোৱাৰ সুযোগ পাইছিলো। তাৰ ভিতৰত চিৰস্মৰণীয় হৈ আছে— 'নিত্যানন্দ কামৰূপ আর্য অপেৰা, পাঠশালা' নামৰ যাত্রা-পার্টীখনৰ দুই নিশাৰ নাট্যাভিনয়। প্রথম নিশা 'বিচাৰক' আৰু দ্বিতীয় নিশা 'সম্রাট জাহান্দাৰ ছাহ'। এনে নাট্যাভিনয় মই আজিলৈকে দেখা মনত নপৰে। হাজাৰ হাজাৰ দর্শকে দুয়ো নিশা কোনো গণ্ডগোল নোহোৱাকৈ নাট দুখনৰ অভিনয় আনন্দেৰে উপভোগ কৰিছিল। সেয়া আছিল হর্ষৰ দিন।

বিষাদৰ দিন— এদিন সন্ধিয়া ৭ বজাত অধ্যক্ষ টি চি ৰাষ্টগী ছাৰৰ ইংৰাজী বিষয়ৰ ক্লাছ কৰি আছো। হঠাৎ গুৰুম গুৰুম শব্দই আকাশ-বতাহ ছানি ধৰিলে। চাৰিওফালে হুৰা-দুৰা লাগিল। অধ্যক্ষ ৰাষ্টগী ছাৰে আমাক তাৰাতাৰি শ্রেণী কোঠালিৰপৰা ওলাই আহিবলৈ নির্দেশ দিলে। সকলো ছাত্র-ছাত্রী বাহিৰলৈ ওলাই আহি দেখো যে পূব আৰু দক্ষিণ আকাশত একোটা 'পাটকু'ৰ মান ডাঙৰ ৰঙা-নীলা কামানৰ গুলী। ভয়ত আমাৰ ধাতু উৰি যোৱাৰ দৰে হ'ল। ছাৰে আমাক পেট ফাল্লা হৈ (উবুৰি হৈ) পৰি মুখত ৰুমাল ল'বলৈ ক'লে। আমিও চাৰিওফালে ঘৰেৰে আৱৰা স্কুলখনৰ চোতালত পৰি গ'লো। কিছু সময় নিৰৱ-নিস্তব্ধ। আমি স্কুল ঘৰৰপৰা ওলাই আহিলো। আকৌ গুলীবর্ষণ গুৰুম-গুৰুম শব্দ। এইবাৰ আমি নিজ চকুৰে প্রত্যক্ষ কৰিলো। পূবে শৰাইঘাট দলঙৰপৰা আৰু দক্ষিণে আজাৰা বিমানকোঠৰপৰা এই গোলাবর্ষণ হৈছিল। পাকিস্তান আৰু ভাৰতৰ যুদ্ধ হৈছিল। আজিকালিৰ 'বাংলাদেশ' সেই সময়ত পূব পাকিস্তান আছিল। ভাৰত-পাকিস্তানৰ যুদ্ধ হৈছিল। অর্থাৎ পাকিস্তানে ভাৰত আক্রমণ কৰিছিল। পাকিস্তানৰ যুঁজাৰু বিমান অহাৰ সংকেত পাই আমাৰ সৈন্যই এই গোলাবর্ষণ কৰিছিল। সেই দিনা অকল শুৱালকুছিয়ে নহয় সমগ্র অঞ্চলটোৱে সন্ত্রাসত ডুবি আছিল। নিৰাপদ ছাইৰেণ বজোৱাৰ পিছতহে মানুহৰ মনলৈ শান্তি ঘূৰি আহিছিল। সেইদিনা আমাৰ ঘৰলৈ ওভতাত বৰ পলম হৈছিল। পিতাহঁতে আমাক বিচাৰি বংশৰ পাইছিলগৈ। তেওঁলোকে আমাৰ গাঁৱৰপৰাই ৰঙা, নীলা গোলাবিলাক দেখি শৰাইঘাট দলং আৰু শুৱালকুছিত কিবা অঘটন হোৱা বুলি ভাবিছিল। এনেকৈয়ে আমাৰ নৈশ মহাবিদ্যালয়ৰ নিশাবিলাক হর্ষ-বিষাদৰ মাজেৰে পাৰ হৈছিল।

তৃতীয় বার্ষিক শ্রেণীত মহাবিদ্যালয়ৰ নিজা বিল্ডিঙত পঢ়িবলৈ পাইছিলো।

লিখা-মেলা কৰাৰ অভ্যাস একেবাৰে নোহোৱা হৈছে। মই পঢ়া ক্ষেত্রীহাৰদিয়া হাইস্কুলৰ আলোচনী জ্ঞান-প্রদীপত ১ম বছৰ ১ম সংখ্যাত আৰু দ্বিতীয় বছৰ ২য় সংখ্যাত ক্রমে গল্প আৰু কবিতা প্রকাশ হৈছিল। আমাৰ মহাবিদ্যালয়ৰ বছৰেকীয়া মুখপত্র 'অৰুণাভ'ৰ ১ম বছৰ প্রথম সংখ্যাত 'পৰিচয়' নামৰ গল্প এটিও প্রকাশ পাইছিল। মই কিন্তু সাহিত্যিক হ'ব নোৱাৰিলো। মহাবিদ্যালয়খনৰ বিজ্ঞান শাখাটো সম্পূর্ণ হ'লে শুৱালকুছি বুদৰাম মাধৱ-সত্রাধিকাৰ মহাবিদ্যালয়খন গাঁওবিলাকত থকা মহাবিদ্যালয়বিলাকৰ ভিতৰত এখন সর্বশ্রেষ্ঠ মহাবিদ্যালয় হ'ব।■

# কলেজীয়া জীৱনৰ স্মৃতি যুগমীয়া

**মলিন কলিতা**
*প্ৰাক্তন ছাত্ৰ, শুংবুংমাংসং মহাবিদ্যালয়*

মোৰ দুকুৰি আঠ বছৰীয়া জীৱন পৰিক্ৰমাত শুৰালকুছি মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ ভূমিকা অপৰিসীম। হাইস্কুলীয়া জীৱনতে সত্ৰ সংস্কৃতিৰ মাজেৰে শুৰালকুছিৰ সমাজ-ব্যৱস্থাৰ স'তে মোৰ সম্পৰ্ক ঘটিলেও, কলেজত খোজ দিয়াৰ পিছৰপৰাহে যে বাস্তৱিকতে প্ৰকৃত মানুহ হোৱাৰ সেউজীয়া সমল মই লাভ কৰিছিলো সেই কথা অস্বীকাৰ কৰিব নোৱাৰো।

আজি শুৰালকুছি বুদুৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ শুভ দিনত অলেখ স্মৃতিয়ে মোক হাতবাউল দি মাতিছে। কলেজীয়া জীৱনৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু হিৰণ চন্দ্ৰ বৈশ্য, হৰেকৃষ্ণ শৰ্মা, শ্ৰীমান চক্ৰৱৰ্তী, প্ৰকাশ মেধি, ৰঞ্জিত চৌধুৰী, নগেন নাথ, দেৱজানী বৈশ্য সাউদ, গংগাস্বৰূপ বাৰ্মা, প্ৰবীণ বৈশ্য, বাসুদেৱ ভৱালী, বিলাস চন্দ্ৰ দাস, ভাৰতদেৱ শৰ্মা, বোধেন্দ্ৰ নাথ শৰ্মা, জগদীশ পাটগিৰি ছাৰ আদিৰ লগতে কাৰ্যালয়ৰ মুখ্য সহায়ক বৰবাবু নিৰঞ্জন বৈশ্য আৰু চকিদাৰ চন্দ্ৰ বাহাদুৰ (চাইলাকা) আদিৰ সান্নিধ্যই মোক জীৱন-যুদ্ধত নমাৰ বাবে প্ৰেৰণা যোগাইছিল। ১৯৮৫ চনৰপৰা ১৯৯১ চনলৈ ছাত্ৰ হিচাপে মহাবিদ্যালয়তে পোৱা জীৱনৰ প্ৰয়োজনীয় অলেখ অভিজ্ঞতাই মোৰ জীৱন-চাকি উজলাই ৰখাত নিৰ্ণায়ক ভূমিকা লৈছিল। মই সমাজ-জীৱনৰ সৰু সৰু খালৰপৰা উঠি আহি বোৱঁতী সুঁতিৰ সৈতে মিলিব পাৰিছিলো। পোহৰৰ প্ৰগতিৰ স'তে মোৰ সম্পৰ্ক ঘটিছিল। সঁচা অৰ্থত মানুহৰ স'তে হাতে হাত ধৰি এখনি মুকলি আকাশ দেখিছিলো।

বিশেষকৈ কলেজৰ National Service Scheme (N.S.S.)ৰ জৰিয়তে কৰা কেম্পৰ কামবোৰে মোক আশাৰ বতৰা দিছিল। পোনতে 'Not me but you, Service to Humanity is the best work of life' কথাষাৰে মোৰ জীৱনত ৰেখাপাত কৰিছিল। প্ৰাথমিক পৰ্যায়ত কলেজৰপৰা শুৰালকুছি গভীৰ মেধি প্ৰাথমিক স্কুলত পতা সেৱা শিবিৰ হালোগাঁও এম ভি স্কুলত পতা সেৱা শিবিৰ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুদানেৰে বাইহাটা চাৰিআলিৰ পূব কামৰূপ কলেজত পতা ৰাজ্যিক পৰ্যায়ৰ সেৱা শিবিৰ আৰু কলিয়াবৰ কলেজত পতা ৰাজ্যিক পৰ্যায়ৰ সেবা শিবিৰ আদিত মহাবিদ্যালয়ৰপৰা অংশগ্ৰহণ কৰাৰ লগতে ১৯৯০ চনৰ ১৯ জানুৱাৰীৰপৰা ৩১ জানুৱাৰীলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি হৈ তত্ত্বাৱধায়ক শ্ৰীযুত ভৰত দেৱ শৰ্মা ছাৰৰ নেতৃত্বত বাংগালোৰ বিশ্ববিদ্যালয়ত National Integration Camp-অত মহাবিদ্যালয়ৰ ছাত্ৰ হিতেশ্বৰ দাস, দ্বীপেন কুমাৰ শৰ্মা, হেমেন দাস, নিত্যানন্দ ৰাজবংশী, মহানন্দ ঠাকুৰীয়া সহ আমি সাতজনীয়া দলটোৱে সহযোগ কৰি বিমল আনন্দৰ মাজেৰে দেশৰ মাটিত সেৱাৰ মানসিকতাৰে অনৈক্যৰ মাজত ঐক্য বজাই অসমীয়া সংস্কৃতিৰ ধ্বজাবাহক বৰগীত, খঞ্জুৰীনাম, বিহু আদি পৰিবেশন কৰাৰ উপৰি সেই কেইদিনতে কৰ্ণাটকৰ বন্ধুসকলৰপৰা কানাড়া লোকসংগীত শিকি মঞ্চত পৰিবেশন কৰাৰ মুহূৰ্তত প্ৰেক্ষাগৃহত জাউ�ৰিয়ে জাউৰিয়ে হাতচাপৰি বজাই দৰ্শকে সমৰ্থন দিয়া দিনবোৰ মনত পৰিলে আজিও ৰোমাঞ্চিত হৈ পৰো। মই আজিও অকপটে স্বীকাৰ কৰিম, কেম্পবোৰ যেন জীৱন গঢ়াৰ কমাৰশাল। সেই কেম্পবোৰত হোৱা অসংখ্য আলোচনা-চক্ৰ আৰু পুৱাৰেপৰা নিশালৈ হোৱা কাৰ্যসূচীবোৰে মোৰ জীৱন-যাত্ৰাত বৰ উপকাৰ কৰিছিল আৰু সেইবাবেই কিজানি কেম্পবোৰত লগ পোৱা বিভিন্ন মনৰ বিভিন্ন নজনৰ স'তে স্নেহৰ শিকলিৰে বান্ধ খোৱা বন্ধুত্বৰ এৰাব নোৱৰা অনুভূতি বিৰাজমান।

কলেজত শ্ৰেণীকোঠাৰ শিক্ষা গ্ৰহণৰ সময়তে ১৯৮৮ চনৰ ২৪ ফেব্ৰুৱাৰিত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সমাজ সেৱা বিভাগৰ সম্পাদক পদত, ১৯৮৯ চনৰ ৭ জুলাইত ছাত্ৰ একতা সভাৰ উপ-সভাপতি পদত আৰু ১৯৯০ চনৰ ২৩ আগষ্টত শুৰালকুছি আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি পদতো অধিষ্ঠিত হৈছিলো। সেই সুবাদতে নৱাগত আদৰণী সভা, শংকৰদেৱৰ তিৰোভাৱ তিথি, মাধৱদেৱৰ তিৰোভাৱ তিথি, কলেজ সপ্তাহ, সৰস্বতী পূজা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত অংশগ্ৰহণ আদি কলেজৰ প্ৰতিটো কাৰ্যসূচীত ওতপ্ৰোতভাৱে জড়িত হৈ কাম কৰাৰ সৌভাগ্য মোৰ হৈছিল।

কাৰ্যসূচীবোৰত লাগি-খাটি থকাৰ মাজতে ১৯৮৭ চনৰ ১৪ আগষ্টৰপৰা ১৮ আগষ্টলৈ অসমত হোৱা প্ৰবল বানপানীত শুৰালকুছিৰ কেওঁটপাৰা, কৈৱৰ্তপাৰা, লক্ষ্মীনাথ নগৰ আদি অঞ্চল সমূলি বানপানীত বুৰ গৈছিল। কলেজৰ সেই সময়ৰ সাধাৰণ সম্পাদক দীপক ডেকা, বন্ধু ৰঞ্জন বৈশ্য, নৃপেন কলিতা, জয়ন্ত দাস, দেৱ কাকতি, গৌতম দাস, মণ্টু মড়ল, ধীৰাজ কলিতা, নিৰেন ডেকা আদিৰ সৈতে এটা গ্ৰুপ হৈ কলেজৰপৰা গৈ বানপীড়িত লোকসকলক উদ্ধাৰ কাৰ্যত সহায় কৰি বিশেষকৈ স্থানীয় কালিৰাম কাৰিকৰ ছোৱালী হাইস্কুলত পতা আশ্ৰয় শিবিৰলৈ এই লোকসকলক নাৱেৰে আনি দিনে-ৰাতিয়ে থাকি যি কাম কৰিছিলো সেই কথা চাক্ষুস নহ'লে বুজি উঠা টান। পুনৰ ১৯৯১ চনৰ ১১ জুলাইৰপৰা ১৬ জুলাইলৈ অসমত হোৱা প্ৰবল

বানপানীত শুৱালকুছিৰ বানপীড়িত লোকসকলৰ সাহায্যার্থে হাজোৰ এছ ডি অ' অফিচৰপৰা সাহায্য আনিবলৈ নাৰেৰে গৈ হাজোৰ গণেশ মন্দিৰৰ কাষত নাও ৰাখি নিশাটো ট্ৰাকৰ ওপৰতে শুই থাকি পুৱা নাৰেৰে চাউল, দাইল, নিমখ আদি মহাবিদ্যালয়ত পতা আশ্রয় শিবিৰত যোগান ধৰা দিনবোৰ কেনেকৈ পাহৰিম ?

কেনেকৈ পাহৰিম, অকালতে আমাৰ মাজৰপৰা বিদায় লোৱা গুৰু-গম্ভীৰ খোজ-কাটলেৰে ক্লাছৰুমত সোমোৱা শ্রদ্ধাৰ শিক্ষাগুৰু শ্রীমান চক্রৱর্তী ছাৰ ঢুকোৱা দিনটোৰ কথা ? দিনটো আছিল মহাপুৰুষ শ্রীমন্ত শংকৰদেৱৰ জন্ম উৎসৱৰ আগদিনা, মানে গন্ধৰ দিনা। শুৱালকুছিত উৎসৱমুখৰ পৰিৱেশ। শেষদিনা শোভাযাত্রাৰে পুৱাৰ জাগৰণী গীত গাই ঘৰলৈ আহি খবৰটো পোৱাৰ পিছত বিষাদগ্রস্ত মনেৰে পদুলিমুখত পুতিবলৈ অনা কলপুলি এৰি ছাৰৰ চৰণত শেষ শ্রদ্ধা জনাবলৈ কলেজৰপৰা বামুন্দীলৈ যোৱা দিনটোৰ দৰে ৰৱবাবু নিৰঞ্জন বৈশ্যৰ অকাল মৃত্যুৰ খবৰটোত মর্মাহত হৈ শেষ শ্রদ্ধা জনাবলৈ যোৱা সময়বোৰ আমাৰ বাবে আছিল বিষাদেৰে ভৰা।

ঠিক তেনেদৰে শান্ত-নির্জু তুৱা কটকী ছাৰৰ বিয়ালৈ, চফল ডেকা চিত্তৰঞ্জন দাস ছাৰৰ বিয়ালৈ, খুহুটীয়া কথাৰে হাঁহিৰ খোৰাক দিয়া প্রণৱ ডেকা ছাৰৰ বিয়ালৈ, মৰমিয়াল অথচ শাসনৰ বাঘজৰী হাতত ৰখা বোধেন্দ্র নাথ শর্মা ছাৰ আদিৰ বিয়ালৈ কলেজৰ ছাত্র-বন্ধুসকলৰ স'তে যোৱা আনন্দৰ মুহূর্তবোৰৰ কথা মনতপৰিলে আজিও আনন্দত মতলীয়া হওঁ।

মোৰ আজিও মনত পৰে— কলেজৰ যি কোনো কার্যসূচীৰ আগদিনা গৰু-ছাগলী সোমাই অপৰিষ্কাৰ কৰি থোৱা কলেজখন সাৰি-পুচি চাফ-চিকুণ কৰি নিশাটো কলেজত থকাৰ বাবে এক নং হলৰ পূব দিশৰ অগ্নিকোণৰ সৰু কোঠাটোত আবেলিৰেপৰা আমি বন্ধুবোৰে ঘৰৰপৰা বিছনাপাতি লৈ গৈ থকাৰ ব্যৱস্থা কৰিছিলো। বিছনাত বহি বহি আমাৰ পৰামর্শদাতা বোধেন্দ্র নাথ শর্মা ছাৰৰ লগতে চিত্তৰঞ্জন শর্মা ছাৰ, চিত্তৰঞ্জন দাস ছাৰ, ডিম্বেশ্বৰ শইকীয়া ছাৰ, অশ্বিনী চৌধুৰী ছাৰ, মামণি দেৱী বাইদেউ, প্রণৱ ডেকা ছাৰ, বন্তি দত্ত ৰৰা বাইদেউ, নীলিমা গোস্বামী বাইদেউ আদিৰ সহযোগত ভি পি দীপক ডেকা, সাধাৰণ সম্পাদক শৈলেন দাস, সহকাৰী সম্পাদক দীলিপ কুমাৰ, সাংস্কৃতিক সম্পাদক বলেন দাস, খেল সম্পাদক কিশোৰ বৈশ্য, তর্ক বিভাগৰ সম্পাদক মাধৱ নাথ, আলোচনী সম্পাদক যতীন বৈশ্য, ছাত্র জিৰণি কোঠাৰ ভাৰপ্রাপ্ত সম্পাদক শৈলেন কলিতা, বন্ধু নৃপেন, জয়ন্ত, অপূর্ব, প্রহ্লাদ, গংগা, সোণ আদিৰ লগতে বান্ধৱী পাৰুল, ৰুণু, শেৱালি, চিত্রা, মিতালী, অর্চনা, অর্পণা আৰু ছাত্রী জিৰণি কোঠাৰ সম্পাদিকা হাস্নাহঁতৰ সৈতে পিছদিনাৰ কার্যসূচীসমূহ সফল ৰূপায়ণৰ বাবে পৰিকল্পনা কৰাৰ সময়ত গুৰু-শিষ্যৰ সম্পর্ক ৰক্ষা কৰি মধুৰ আড্ডাত যে কিমান কথা ওলাইছিল ভাবি শেষ কৰিব নোৱাৰি। ছাৰ-বাইদেউ আৰু বান্ধৱীসকল কলেজৰপৰা অহাৰ পিছত আমি বন্ধুবোৰে নিশাটো কলেজতে কিমান যে ৰং-ৰহইচ কৰিছিলো, ভাবিলে এতিয়াও মন-প্রাণ নাচি উঠে।

সেইজন ৰঞ্জন বৈশ্যৰ পৰিচালনাতে কলেজ সপ্তাহত 'এখন আকাশ' একাংকিকা নাট কৰি প্রথম পুৰস্কাৰ পোৱা, মাৰাথন দৌৰত গুৱাহাটীৰপৰা দৌৰি আহি দ্বিতীয় পুৰস্কাৰ পোৱা, বেডমিণ্টনত যুটীয়াভাৱে বন্ধু পৰমাৰ সৈতে চেম্পিয়ন হোৱা, অফ-টাইমত বজাৰ চ'কৰ ৰুণুমী হোটেলত লতিফ, দ্বীজেন, ভৱেশ, মহেন্দ্র, ইন্দ্র, সনাতন, নবোৱাট, ইছমাইলহঁতৰ স'তে বিচিত্র বর্ণিল আড্ডাবোৰত মছগুল হোৱা; কলেজৰ এন এছ এছ গ্রুপৰ সৈতে লগ লাগি কলেজৰ চৌপাশত গছপুলি ৰোৱাৰেপৰা আৰম্ভ কৰি ঐতিহাসিক সিদ্ধেশ্বৰ দেৱালয়লৈ গৈ হাবি-জংঘল কাটি পৰিষ্কাৰ কৰা, কলেজ সপ্তাহত নিশা বিজুলীৰ অভাৱত হেণ্ডলাইটত সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰা, ১৯৮৯ চনৰ কলেজ সপ্তাহৰ মাজৰ ৯ জানুৱাৰীৰ দিনা সন্ধিয়া সময়ত বিজুলী যোগানক লৈ তর্ক বিভাগৰ সম্পাদক আৰু সাধাৰণ সম্পাদকৰ মাজত নিশা বাৰ বজাত কলেজত হোৱা কাজিয়াখনৰ বেজাৰত দুই বন্ধুই কান্দি কান্দি কটোৱাৰ সময়ত খেল সম্পাদক কিশোৰ বৈশ্য আৰু মই দুয়োজনকে বুজাই-বঢ়াই পিছদিনা হ'ব লগা মুকলি সভাখন সুন্দৰকৈ চলোৱাৰ বাবে হাত মিলাই দিয়া; কলেজ সপ্তাহৰ সময়ত মঞ্চ সজা, চকী পৰা, পেণ্ডেলৰ কাম কৰি কৰি নিশা এঘাৰ-বাৰমান বজালৈ থাকোতে বোধেন্দ্র ছাৰে আমাক দিহা দি দি প্রয়োজনত নিজেও হাতে-কামে লাগি আমাৰ স'তে একাত্ম হৈ একেলগে থাকি গুৰু-শিষ্যৰ সমন্বয়ৰ বার্তা দিয়া; কলেজত অৱহেলিত হৈ থকা কলেজৰ শিক্ষা উন্নয়ন চক্রটোৰ জৰিয়তে প্রাচীৰ পত্রিকা প্রকাশ কৰি সাহিত্য সেৱাৰ প্রয়াস কৰা, ১৯৮৯চনৰ ২৬ নৱেম্বৰ তাৰিখে গুৱাহাটীৰ প্রাগজ্যোতিষ মহাবিদ্যালয়ৰ ছাত্র ৰঞ্জিত কুমাৰ মহন্তৰ লগ লাগি কলেজৰ ছাত্র-ছাত্রী ৰুমী কুমাৰী দেৱী, বিপুল দাস, হিতেশ্বৰ দাস, দীপেন্দ্র কুমাৰ শর্মা, বন্দিতা কাকতি, ৰীতা ৰাণী কলিতা আৰু সাহিত্যপ্রেমী মনোমতী কলিতাৰ সৈতে কলেজৰ এক নং হলত পতা সভাত শুৱালকুছিৰ অন্যতম সাহিত্যানুষ্ঠন সেউজী চ'ৰা গঠন কৰা, ১৯৮৯ চনৰ ২৫ ডিচেম্বৰৰ নিশা কলেজৰ অধ্যাপক-অধ্যাপিকাসহ ছাত্র-ছাত্রীৰ দল এটি বনভোজৰ বাবে অলিফলচ যাত্রা কৰি হোজাই-লংকা পাৰ হৈ বাট হেৰুৱাই অৱশেষত উত্তৰ কাছাৰ পার্বত্য জিলাত অৱস্থিত মনোমোহা প্রাকৃতিক দৃশ্যৰে ভৰপূৰ জয়ন্তীয়া পাহাৰৰ দাঁতিত 'কপিলী জলবিদ্যুৎ প্রকল্প'ৰ কাষতে শিলৰ মাজত দুপৰীয়া এসাঁজ খাই উভতি অহা আদি পুৰণি কথাবোৰ মনলৈ আহিলে আজিও অন্তৰত অফুৰন্ত আনন্দৰ অনুভৱ হয়।

ইয়াৰ উপৰি ১৯৮৯ চনৰ ১ জুন তাৰিখে মহাপুৰুষ মাধৱদেৱৰ জন্মোৎসৱৰ দিনা অতীতত কলেজখনত ঘটা এটি সংঘাতৰ বাবে সভা-সমিতিৰপৰা সম্পূর্ণ আঁতৰত থকা অধ্যক্ষ হিৰণ বৈশ্য ছাৰৰ অমান্তিৰ পিছতো ছাত্র-ছাত্রী আৰু অধ্যাপক-অধ্যাপিকাসকলৰ সৈতে কলেজৰপৰা শোভাযাত্রা কৰি বিদায় সম্ভাষণ জনাবলৈ গৃহলৈ গৈ বিদায় দিয়াৰ মুহূর্তত গভীৰ আৱেগত বিভোৰ হোৱা কথা; ১৯৮৮ চনৰ জুলাই মাহত কলেজৰ দুর্নীতি শীর্ষক এটা মিছা বাতৰিয়ে কলেজখনৰ কলংক আনিব বুলি সচেষ্ট হৈ ১৯ জুলাইত বহা কার্যকৰী সভাত বাতৰিৰ স্পষ্টীকৰণ লিখি সাংবাদিকজনৰ বিৰুদ্ধে মাত মতা কথা; ১৯৯০ চনৰ ৩১ আগষ্টত হোৱা কলেজৰ ছাত্র একতা সভাৰ নির্বাচনৰ নিশা দুষ্ট চক্রই বেলট বাকচ ভাঙি-ছিঙি কলেজখনৰ ক্ষতি

কৰা দুর্দিনৰ দুষ্কার্যৰ কথা; ১৯৮৯ চনৰ ২২ ছেপ্টেম্বৰৰ দিনা অসমৰ শিক্ষাধিকাৰ ডঃ ৰমেশ চন্দ্র দাসৰ দ্বাৰা বিজ্ঞান শাখা উদ্বোধন কৰা দিনটোৰ কথা; বিজ্ঞান শাখা পৰিচালনা সমিতিৰ কার্যকৰী সভাপতি হেমচন্দ্র দাস, সম্পাদক মহেন্দ্র চন্দ্র কলিতা, শিক্ষাবিদ্ শৰৎ চন্দ্র মেধি, শিক্ষাবিদ্ সিদ্ধিৰাম দাস, কণ্ঠশিল্পী কনকলতা দাস, অধ্যাপক বাসুদেৱ ভৰালী, ৰসায়ন বিজ্ঞানৰ প্রবক্তা পুলিন শর্মা আদিৰ সৈতে গাঁৱত দান-বৰঙণি তুলি ফুৰা কথা, বিজ্ঞান শাখাৰ উন্নয়নৰ স্বার্থত আৱাহন থিয়েটাৰ পৰিচালনাৰ কামত নিয়োজিত হওঁতে 'উপদেশতকৈ আর্হি ভাল' কথাষাৰ কার্যত পৰিণত কৰিবলৈ নৱাগত ছাত্রসকলৰ সমুখত হেমচন্দ্র দাসদেৱৰ পৰামর্শত তেওঁৰ সৈতে টিন, বাঁহ, কাঠ কঢ়িওৱা আদি স্মৃতিবোৰ মই আজিও পাহৰিব পৰা নাই। পৰৱর্তী সময়ত ডঃ ৰজনীকান্ত দাস ছাৱে প্রতিষ্ঠা দিৱসৰ ছলেৱে বিজ্ঞান শাখাৰ উন্নয়নৰ চিন্তাত পতা প্রতিষ্ঠা দিৱসৰ আয়োজনত হাতে-কামে লাগি অধ্যাপক যোগেশ ডেকা ছাৰ, শিক্ষক গংগাধৰ কলিতা ছাৰ, অধ্যাপক বন্ধু অতুলচন্দ্র দাস আদিৰ লগতে হর্ষ, ৰতনহঁতৰ স'তে কটোৱা বহু কথাই মোক আজিও দোলা দি যায়।

আনহাতে ১৯৯০ চনৰ ২৮ নৱেম্বৰ তাৰিখে অসমত ৰাষ্ট্রপতি শাসন প্রৱর্তন হোৱাৰ পিছৰেপৰা ৰাষ্ট্রপতি শাসনৰ বিৰোধিতা আৰু সেনাবাহিনীৰ অত্যাচাৰৰ প্রতিবাদতত সদৌ অসম ছাত্র সন্থাৰ আহ্বানত অনশন, ধর্মঘট, ক'লা দিৱস, গণ সমাৱেশ, মৌন সমদল আদি কার্যসূচীত কলেজৰ ছাত্র একতা সভাৰ তৰফৰপৰা অংশগ্রহণৰ সময়ত অনশনস্থলীৰপৰা বন্ধুবর্গৰ লগতে মোকো গ্রেপ্তাৰ কৰি হাজো থানালৈ নি নিশা এৰি দিয়া; সদৌ অসম ছাত্র সন্থাৰ আহ্বানত অসমৰ সমূহ কলেজৰ জি এছ আৰু ভি পিসকলক একগোট কৰি অসমৰপৰা ক'লা আইন উঠোৱা আৰু শিক্ষাৰ পৰিৱেশ নষ্ট হোৱাৰ প্রতিবাদত কটন কলেজৰপৰা বিধানসভা ভৱনলৈ শোভাযাত্রা কৰি গৈ পুলিচ-মিলিটেৰীৰ সমুখত পৰি লটি-ঘটি হৈ অৱশেষত গুৱাহাটী জিলা কাৰাগাৰত আৰক্ষীয়ে গ্রেপ্তাৰ কৰি ৰাখি নিশালৈ এৰি দিয়া অগ্নিময় দিনবোৰৰ সঞ্চিত অভিজ্ঞতাৰ স্মৃতি মই জানো পাহৰিব পাৰিম ?

কলেজীয়া জীৱনৰ এনে অনেক সৰু-বৰ কথাৰ লগতে শুৱালকুছিৰ ছাত্র-ছাত্রী, বন্ধু-বান্ধৱী আৰু বংশৰ, গন্ধমৌ, শিঙিমাৰী, শ্রীহাটী, লাহ, হালোগাঁও, বামুন্দী, শিলিগুৰি, ৰামদিয়া, দামপুৰ, পুঠিমাৰী আদি পাশ্বৱর্তী এলেকাৰ বন্ধু-বান্ধৱীসকলৰ স'তে মানৱীয় প্রমূল্যেৰে সমন্বয়ৰ সাঁকোত উঠি পাৰ কৰা যুগমীয়া স্মৃতিবোৰ মনত পৰিলে আজিও মই নষ্টালজিক্ হৈ পৰো।■

# স্মৃতি ৰোমন্থন

**সনাতন দাস**
*প্রাক্তন ছাত্র, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

অসম বুৰঞ্জীখ্যাত বস্ত্রশিল্পখ্যাত সোণালী সূতাৰ দেশ তথা বস্ত্রনগৰী, সাহিত্য-সংস্কৃতিৰ আখল, ইতিহাসে গৰকা সেই নির্দিষ্ট গাঁওখনেই হ'ল 'শুৱলা' শব্দৰপৰা শুৱনি হোৱা শুৱালকুছি। শুৱালকুছিত জন্মগ্রহণ কৰা অগ্রজ, ৰথী-মহাৰথীৰ প্রচেষ্টাত শুৱালকুছি বুদৰাম-মাধৱ সত্রাধিকাৰ মহাবিদ্যালয় স্থাপিত হয় ১৯৬৩ চনৰ এটা পৰিত্র দিনত। যি ঠাইত মহাবিদ্যালয়খন স্থাপন কৰা হৈছিল সেই মাটিখিনি ঈশ্বৰ শ্রীশ্রীহাটী সত্রৰ মাটি আছিল। সেই মাটি দান কৰিছিল সেই সময়ৰ সত্রাধিকাৰ মাধৱ বাপে। নিৰৱচ্ছিন্নভাৱে আজিও অসমৰ মানচিত্রত শুৱালকুছি বুদৰাম-মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়খন উজলি আছে।

মোৰ জন্মৰ বহু বছৰ আগতে এই মহাবিদ্যালয়খন স্থাপন হৈছিল। সেইবাবে ইয়াৰ ইতিবৃত্ত ভালদৰে মই লিখিব নোৱাৰিম। মই যেতিয়া এই মহাবিদ্যালয়খনত শিক্ষা আৰম্ভ কৰো সেই সময়ত অধ্যক্ষ হিচাপে হৰেকৃষ্ণ শর্মা ছাৰক পাইছিলো আৰু পাইছিলো প্রবীণ বৈশ্য ছাৰক। এই দুজন অধ্যক্ষ যথেষ্ট গুণী-জ্ঞানী আৰু গুৰুগম্ভীৰ লোক আছিল। প্রবক্তা হিচাপে মোৰ শ্রদ্ধাৰ ড° বিলাস দাস ছাৰ, প্রণৱ ডেকা ছাৰ, ডিম্বেশ্বৰ শইকীয়া ছাৰ, ৰণজিৎ চৌধুৰী ছাৰ, অশ্বিনী চৌধুৰী ছাৰ, যোগেশ ডেকা ছাৰ প্রমুখ্যে কেইবাজনো প্রবক্তা পাইছিলো। অৱশ্যে এই মুহূর্তলৈ মনত পৰা নাই কিছুমান প্রবক্তাৰ নাম। আমি যেতিয়া মহাবিদ্যালয়ত পঢ়িছিলো তেতিয়া ছাৰসকলৰ লগত আমাৰ গুৰু-শিষ্যৰ যি মৰম তথা শ্রদ্ধা সেইটো সদায় আছিল। মই যেতিয়া মহাবিদ্যালয়ত পঢ়িছিলো সেই সময়ত লৌহ ক্রীড়াৰ সামগ্রী নাছিল মহাবিদ্যালয়খনত। মই যিহেতু এজন লৌহ ক্রীড়াবিদ্ সেইবাবে মই মহাবিদ্যালয়ৰ সেই সময়ৰ অধ্যক্ষ মহোদয়ক এটা ব্যায়ামাগাৰ লাগে বুলি অৱগত কৰিছিলো। সেই সময়ত আমি মহাবিদ্যালয়ত লৌহ ক্রীড়া প্রশিক্ষণ কৰিব পৰা নাছিলো। মই নিজ ইচ্ছা আৰু চেষ্টাৰ ফলত নিজাববীয়াকৈ এটা ব্রহ্মপুত্র ব্যায়ামাগাৰৰ জন্ম দিছিলো শুৱালকুছিৰ কলেজ ৰোডত আৰু সেই সময়ত শুৱালকুছিৰ বহুতো ল'ৰা-ছোৱালীক নিজ হাতেৰে প্রশিক্ষণ দিছিলো। যিহেতু মই সেই সময়তে গুৱাহাটীত বাৰোৱাৰী (হেপী ভিলা)ত অৱস্থিত কামৰূপ ব্যায়াম সমিতিত প্রশিক্ষণ লৈছিলো। মই নিজে ল'ৰাবোৰক লৌহ ক্রীড়াৰ বিভিন্ন ধৰণৰ খেলৰ প্রশিক্ষণ দিছিলো, শৰীৰৰ গঠনৰ বাবে

যেনে (ক) বডি বিল্ডিং (Body building), (খ) শক্তি উত্তোলন (Power lifting), (গ) পাঞ্জা (Arm wrestling), (ঘ) ভাৰ-উত্তোলন (Weight lifting) আৰু (ঙ) শক্তি-উত্তোলন (Strength lifting)। সেই সময়ত ১৯৯০ চনত মই যেতিয়া স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ আছিলো তেতিয়া কলেজ সপ্তাহত মই দেহশ্ৰী প্ৰদৰ্শন কৰিছিলো। মোক মঞ্চৰ পিছফালৰপৰা পজ দেখুৱাইছিল, সেইজন আছিল মোতকৈ জ্যেষ্ঠ বডি বিল্ডাৰ গুৰুপ্ৰসাদ বৈশ্য। বৰ্তমান তেওঁ ইহকালৰপৰা পৰলোকলৈ গমন কৰিছে আমাক দুখসাগৰত পেলাই থৈ। তেওঁ য'তেই থাকক, সুখে-শান্তিৰে থাকক। তেওঁৰ আত্মাই যাতে চিৰশান্তি লাভ কৰে তাৰ বাবে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনালো। সেইবাৰ মই Mr. S.B.M.S. খিতাপ লাভ কৰো। সেই সময়ৰ আলোচনী *অৰুণা*ভত মোৰ দেহশ্ৰী কৰা ফটো উঠিছিল। আমাৰ কলেজীয়া শিক্ষা জীৱনত পোৱা অভিজ্ঞতা খুব মধুৰ আছিল। ছাৱসকলৰ লগত আমাৰ যথেষ্ট সহযোগিতাপূৰ্ণ সম্পৰ্ক আছিল। বিশেষকৈ ড° বিলাস ছাৱৰ লগত মোৰ সম্পৰ্ক অতি ঘনিষ্ঠ আছিল।

মই অতি দুখীয়া ঘৰৰ ল'ৰা আছিলো। ঘৰৰ বাহিৰেও বেলেগ মানুহৰ ঘৰত তাঁতশাল বৈছিলো। মোৰ পিতা স্বৰ্গীয় বংশীৰাম দাস এজন অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত তথা প্ৰমাণ পত্ৰ পোৱা সুদক্ষ শিপিনী আছিল। সেইবাবে ময়ো শিপিনী হিচাপে তাঁতশালত কাপোৰ তৈয়াৰ কৰিব জানিছিলো আৰু বস্ত্ৰনগৰীৰ ল'ৰা হিচাপে গৌৰৱান্বিত হৈছিলো। এদিনাখন ঘৰত তাঁত বৈ থকা সময়ত আমাৰ মহাবিদ্যালয়ৰ কেইজনমান ছাৰ মোৰ ঘৰলৈ গৈছিল। যোৱাৰ কাৰণ আছিল আমাৰ বিদ্যালয়ৰ বিজ্ঞান শাখাৰ উন্নতিৰ কাৰণে আৱাহন থিয়েটাৰক আমন্ত্ৰণ কৰিছিল আৰু তাৰ বাবে পেণ্ডেলৰ বাহিৰৰ কাম, টিকট দেখুওৱা আদি বিভিন্ন ধৰণৰ কামৰ বাবে মোক মাতিবলৈ গৈছিল। মোক তাঁত বৈ থকা অৱস্থাত দেখা পাই ছাৱসকল আপ্লুত হৈছিল। ছাৱসকলে যেতিয়া মোক থিয়েটাৰৰ কামত অলপ সহায় কৰিবলৈ কৈছিল, তেতিয়া ছাৱসকলক মই কৈছিলো— ছাৰ, মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ উন্নতিৰ বাবে মই যিকোনো কাম কৰিবলৈ প্ৰস্তুত আৰু গোটেই চাৰিদিন শংকৰক্ষেত্ৰত আৱাহন থিয়েটাৰত দিনে-নিশাই লাগি আমি কৃতকাৰ্যতা লাভ কৰিছিলো আৰু ত্ৰিছ হাজাৰমান টকা লাভ কৰিবলৈ সক্ষম হৈছিলো। এয়াই আছিল আমাৰ শিক্ষাগুৰুৰ প্ৰতি থকা শ্ৰদ্ধা-ভক্তি আৰু মহাবিদ্যালয়খনৰ প্ৰতি থকা আনুগত্য তথা দায়িত্ব।

মই নৱপ্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীক শিক্ষা অধ্যয়নৰ লগতে শৰীৰ গঠনৰ বাবেও আগ্ৰহী হ'বলৈ অনুৰোধ জনালো। কিয়নো এটা সুস্থ শৰীৰ অবিহনে শিক্ষা-সংস্কৃতিত সুস্থিৰতা আহিব নোৱাৰে। শৰীৰ সুস্থ হ'লেহে মন সুস্থ হয়, মন সুস্থ হ'লেহে শিক্ষা-সাংস্কৃতিক তথা অন্যান্য সকলো দিশতে আগবাঢ়ি যাব পাৰি বুলি মোৰ বিশ্বাস। মহাবিদ্যালয় সপ্তাহত লৌহ ক্ৰীড়া প্ৰতিযোগিতাৰ লগতে অন্যান্য খেলা-ধূলাৰ প্ৰতিযোগিতা পাতি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ-উদ্দীপনা যোগাই অসমৰ ভিতৰত যাতে এখন ভাল শিক্ষানুষ্ঠানৰ লগতে ভাল খেলুৰৈ থকা বুলি শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ে গৌৰৱ অনুভৱ কৰিব পাৰে। এই খেলৰ জৰিয়তে জিলা, ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ গৈ সুনাম কঢ়িয়াই আনি শুৱালকুছিবাসীৰ লগতে অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ ছাত্ৰ-ছাত্ৰীসকলক অনুৰোধ জনালো। আজিকালি ৰাষ্ট্ৰীয় খেলত, বিশেষকৈ শক্তি-উত্তোলন আৰু ভাৰ-উত্তোলনত সোণৰ পদক পালে কেন্দ্ৰীয় চৰকাৰৰ তৰফৰপৰা চাকৰি নিশ্চিত।

সেয়েহে মই শুৱালকুছিৰ বুদৰাম-মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয় কৰ্তৃপক্ষক এটা আটকধুনীয়া ব্যায়ামাগাৰ খুলি ছাত্ৰ-ছাত্ৰীসকলক খেলৰ মাধ্যমেৰে শিক্ষা দিবলৈ অনুৰোধ জনালো। অৱশ্যে এই ক্ষেত্ৰত লাগিব ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ আৰু এটা খেলুৰৈসুলভ মন। আজিৰ ছাত্ৰ-ছাত্ৰীয়ে যি কৰি দেখুৱাব পিছৰ প্ৰজন্ময়ো সেইটোকে অনুকৰণ কৰিব বুলি মই বিশ্বাস কৰো। মহাবিদ্যালয়খনে যাতে শিক্ষা, খেল তথা সাংস্কৃতিক সকলো বিষয়তে প্ৰথম স্থান আনি শুৱালকুছিক গৌৰৱান্বিত কৰিব পাৰে তাৰ বাবে সকলোৱে প্ৰতিজ্ঞাবদ্ধ হোৱাটো উচিত বুলি মই ভাবো। যিহেতু মই শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ এজন প্ৰাক্তন ছাত্ৰ আৰু সেইবাবেই শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়খনক লৈ গৌৰৱ কৰো।

সদৌ শেষত শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ, প্ৰবক্তা, কৰ্মচাৰীসকল, ছাত্ৰ-ছাত্ৰী তথা মোৰ অতি মৰমৰ শুৱালকুছিবাসী ৰাইজলৈ ওলগ জনালো আৰু মহাবিদ্যালয়খনৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো।■

# জীৱনৰ টার্নিং পইণ্ট ঃ এটি আকাশী বৰণীয়া কামিজ

**হেমেন ডেকা**

*প্ৰাক্তন ছাত্ৰ, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

'আকাশ এধানি আকাশ দিয়া'— স্বনামধন্য সাহিত্যিক ড° বীৰেন্দ্ৰনাথ দত্তদেৱে কণ্ঠ নিগৰোৱা এই সুৰীয়া গীতটি অসমৰ সংগীত জগতৰ এটি আপুৰুগীয়া সম্পদ। শৈশৱতে এদিন শৰতৰ জোনালী সন্ধিয়া আকাশবাণী গুৱাহাটী কেন্দ্ৰযোগে প্ৰচাৰিত এই গীতটি মই জীৱনত প্ৰথমবাৰ শুনিছিলো। কিন্তু কি আছিল সেই গানত? মই গীতটোৰ বাবেই আকাশৰ প্ৰেমত পৰিছিলো নে আকাশে শিকালে গীতটিৰ প্ৰেমত পৰিবলৈ— সেই কথা আজিও নাজানো। মাথোঁ সমান্তৰালভাৱে ভাল পাওঁ গান-আকাশ উভয়কে। সৌ তাহানিৰপৰাই বিচাৰি ফুৰিছো এধানি আকাশ। নিৰৱতাৰ পোছাক পিন্ধা নিঃসংগ দিনবোৱতো আকাশেই মোৰ চিৰলগৰীয়া। কাৰণ সুধাকণ্ঠৰ দৰে নিজৰ ছাঁটোক লগৰীয়া বুলিবলৈও মোৰ সাহস নাই। সঁচাকৈয়ে বৰ ভয় লাগিছিল, বিশ্বাস হেৰুৱাইছিলো নিজৰ ছাঁটোৰ ওপৰতো। সেয়ে মনৰ প্ৰশান্তত যেতিয়া ধুমুহা আহে, হতাশাত যেতিয়া বুকুখন ভাগে, দুচকুৰে বৈ আহে যেতিয়া বিষাদৰ নিজৰা— আকাশে মোক ৰিঙিয়াই মাতে। মই চাই থাকো আকাশৰ বিশালতা। হৃদয়ত গুণ-গুণকৈ বাজি থকা শুনো সেই অমীয়া সুৰ—'আকাশ এধানি আকাশ দিয়া।'

'কিছুমান ডাঙৰ মানুহ আছে যিসকলৰ ওচৰত আনবোৰ ক্ষুদ্ৰ। কিন্তু সেইবোৰহে প্ৰকৃততে ডাঙৰ, যাৰ সান্নিধ্যত আনেও ডাঙৰ অনুভৱ কৰে।'— চেষ্টাৰছনৰ এই মহান উক্তি মই গভীৰ উপলব্ধি কৰিছিলো সিদিনা, যিদিনাই প্ৰথম পিন্ধিছিলো এটি আকাশী বৰণীয়া কামিজ। সেই কামিজটোৱেই হৈ পৰিছিল মোৰ জীৱনৰ টার্নিং পইণ্ট। এনে লাগে যেন সেয়া এধানি আকাশেৰে তৈয়াৰী এটি অসাধাৰণ কামিজ, যিটো পিন্ধাৰ প্ৰথমটো দিনতে মোৰ দৰ্শন কৰাৰ সৌভাগ্য হৈছিল কেইবাজনো প্ৰকৃত ডাঙৰ মানুহক। বিশ্ব প্ৰেক্ষাপটত এইসকল ডাঙৰ মানুহৰ নাম উজ্জ্বলি নুঠিব পাৰে, কিন্তু, মোৰ হৃদয়ৰ মণিকোঠাত তেওঁলোকৰ নাম চিৰজ্যোতিষ্মান। তেওঁলোক মোৰ প্ৰাণপ্ৰিয়, দুর্লভ ৰত্ন। এইসকল ডাঙৰ মানুহৰ মৰম আৰু সান্নিধ্যই মোক নৱজীৱন দিছে। জীয়াই থকাৰ সাহস আৰু প্ৰেৰণা তেওঁলোকৰপৰাই পাইছো। তেওঁলোকেই মোৰ প্ৰাণৰ গুৰু যাৰ ব্যাখ্যা ব্ৰহ্ম বৈৱৰ্ত পুৰাণত এনেদৰে আছে— 'গুৰু ব্ৰহ্ম, গুৰু বিষ্ণু/গুৰু দেৱ মহেশ্বৰ/গুৰু চন্দ্ৰ, অগ্নি বায়ু/বৰুণ ভাস্কৰ/গুৰু পিতা গুৰু মাতা/গুৰুই পৰম ব্ৰহ্ম/গুৰু ভগৱান।'

আকাশী বৰণীয়া কামিজ পিন্ধা সেই বিশেষ দিনটোত লগ পোৱা শিক্ষাগুৰুসকল মোৰ বাবে সদায়েই বিশেষ ব্যক্তি। সঁচাই অতি মহান তেওঁলোক। মোৰ নিচিনা মূৰ্খ এজনৰ অজ্ঞানতাৰ অতল গহ্বৰত তেওঁলোকেই বিলাই দিছে জ্ঞানৰ জেউতি। এইসকল গুৰুৰ অকৃত্ৰিম মৰম-স্নেহ আৰু তেওঁলোকৰ সান্নিধ্যত কটোৱা তিনিটা সোণালী বৰ্ষৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰো। কিন্তু ক'ত কিদৰে লগ পাইছিলো শ্ৰদ্ধাৰ সেই শিক্ষকবৃন্দক? কেতিয়া পিন্ধিছিলো প্ৰথম আকাশী বৰণীয়া কামিজটো?

২০০৭ চনৰ পহিলা আগষ্ট। সেইদিনা আছিল শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস। মই তেতিয়া স্নাতক প্ৰথম বৰ্ষত নতুনকৈ নামভৰ্তি কৰিছিলো মাত্ৰ। সেইদিনা পুৱা আমি প্ৰায় ১৪-১৫ জনমান ছাত্ৰ-ছাত্ৰীয়ে বামুন্দীৰপৰা গুৱাহাটী অভিমুখী এখন বাছত উঠি যাত্ৰা কৰিছিলো সোণালী সূতাৰ দেশলৈ। বস্ত্ৰনগৰীত গাড়ীৰপৰা নামি এজাক কিনকিনীয়া বৰষুণৰ মাজেৰে কাঞ্চন নগৰৰ বুকুৰেদি ভটিয়াই পিছ দুৱাৰেৰে প্ৰৱেশ কৰিছিলো আমাৰ জ্ঞান মন্দিৰত। আহঃ! কি সুন্দৰ! কি পৱিত্ৰ কি যে মনোমোহা! কেনেকৈনো জন্ম হৈছিল এনে এটি মহান অনুষ্ঠানৰ সেইকথা জানিবলৈ উৎকণ্ঠিত হৈছিলো। যথা সময়ত প্ৰতিষ্ঠা দিৱস আৰম্ভ হোৱাত কেইগৰাকীমান সন্মানীয় অধ্যাপক-অধ্যাপিকাৰ লগতে স্থানীয় লোকৰ মধুৰ ভাষণৰপৰা জানিব পাৰিলো যে শুৱালকুছিৰ বহু লোকৰ অসীম ত্যাগৰ ফলতেই জন্ম হয় এই অনুষ্ঠানৰ আৰু শিক্ষানুষ্ঠানটোৰ বাবে ভূমিদান কৰি যোৱা দুগৰাকী চিৰনমস্য মহান ব্যক্তি ক্ৰমে বুদৰাম মহন্ত আৰু মাধৱ মহন্তৰ নামেৰে ইয়াৰ নামকৰণ হয় শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়। মই অন্তৰৰপৰা ঈশ্বৰক প্ৰাৰ্থনা জনালো হে ভগৱান! যিসকলৰ বহু তেজ আৰু ঘামৰ বিনিময়ত বৃহত্তৰ শুৱালকুছি মজিয়াত এই জ্ঞানৰ তীৰ্থৰ জন্ম, যাৰ বাবে নির্বিঘ্নে চলি আছে অনুষ্ঠানটি তেওঁলোকৰ আত্মাই যেন চিৰশান্তি লাভ কৰে। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা দিৱসত সেইবাৰ আয়োজন কৰা এখনি আলোচনাচক্ৰত ভাগ লৈছিল অসমৰ এগৰাকী আগশাৰীৰ বুদ্ধিজীৱী দেৱেন দত্তদেৱে। তেখেতে প্ৰদান কৰা মনোগ্ৰাহী ভাষণে মোক মুগ্ধ কৰাই নহয়, অন্যায় অবিচাৰৰৰ বিৰুদ্ধে মাত মাতিবলৈও বহু সাহস দিছিল। আনহাতে আলোচনাচক্ৰখনিত সঞ্চালকৰ ৰূপত দৰ্শন কৰাৰ পৰম সৌভাগ্য হৈছিল জনপ্ৰিয় 'পাতাল ভৈৰৱী' উপন্যাসৰ ঔপন্যাসিক তথা অসমৰ স্বনামধন্য সাহিত্যিক ড° লক্ষ্মীনন্দন বৰাদেৱক। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সুগম সংগীতৰ অনুষ্ঠান 'গীতিমালিকা'ৰ যোগেদি অসমীয়া শ্ৰোতাৰ হৃদয় জিনা সুকণ্ঠী গায়িকা তথা শুঃ বুঃ মাঃ সঃ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ অধ্যাপিকা বন্তি দত্তবৰা বাইদেউক সেইপ্ৰথম দেখিছিলো। বাইদেউৰ উপৰিও আসনত বহি থকা প্ৰত্যক্ষ কৰিছিলো মোৰ কলেজীয়া জীৱনৰ সন্মানীয় অধ্যক্ষ ড° বিলাস চন্দ্ৰ দাস আৰু উপাধ্যক্ষ টুৰা কটকী প্ৰমুখ্যে শ্ৰদ্ধাৰ শিক্ষকবৃন্দক। সেইদিনা প্ৰতিষ্ঠা দিৱসৰ কার্যসূচী

প্রায় শেষ হোৱাৰ সময়ত এগৰাকী ভদ্ৰ পুৰুষে মোৰ মূৰত মৰমৰ হাত থৈ সুধিছিল— তুমি বামুন্দীৰপৰা নতুনকৈ আহিছা নহয় ? মই হয় বুলি উত্তৰ দিলো। মৃদু হাঁহি এটি মাৰি তেখেত আঁতৰি যোৱাত মোৰ অতি মৰমৰ বন্ধু পাকুমণিয়ে ক'লে—সেয়া আমাৰ অসমীয়া বিভাগৰ অধ্যাপক ঋতুপর্ণ দাস ছাৰ। হয়, তেৱেঁই আমাৰ ঋতুপর্ণ ছাৰ যাৰ সাৱলীলল সুন্দৰ কণ্ঠ অবিহনে, যাৰ মৰম আৰু সান্নিধ্য অবিহনে মই মোৰ কলেজীয়া জীৱনৰ নক্সা আঁকিব নোৱাৰো।

অসমীয়া বিভাগৰ অধ্যাপক ঋতুপর্ণ দাস ছাৰৰ পাঠদানৰ জৰিয়তে মোৰ বস্ত্রনগৰীত কলেজীয়া শিক্ষা গ্রহণৰ শুভাৰম্ভ হয়। প্রথমটো পাঠদানত ছাৰে আমাক সেইদিনা কবি নীলমণি ফুকনৰ— 'মুঠি মুঠিকৈ কাটি তোৰ ঢেঁকীয়াৰ আঙুলি' কবিতাটো ইমান সুন্দৰকৈ শিকাইছিল যে সেই স্মৃতি আজিও সজীৱ হৈয়ে আছে। ছাৰ আৰু কবি দুয়োগৰাকীৰ সাৱলীলতা সম্পর্কে সেই তেতিয়াই সুস্পষ্টকৈ বুজিছিলো। ইয়াৰ পিছত ক্রমশঃ মই ঋতুপর্ণ দাস ছাৰৰ মনোমোহা কণ্ঠ আৰু কবি নীলমণি ফুকনৰ অনুপম কবিতাবোৰৰ প্রেমত পৰিছিলো। সেই সময়তেই আকৌ কবি চিত্তৰঞ্জন দাসৰ কবিতায়ো মোৰ হৃদয়ত খলকনি তুলিছিল। উল্লেখ্য যে মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° চিত্তৰঞ্জন দাস আৰু অধ্যাপক অতুল চন্দ্র দাস ছাৰে পাঠৰ সৈতে সংগতি ৰাখি আমাৰ অসমৰ ভক্তি আন্দোলনৰ বিষয়ে যিবোৰ কথা কৈছিল, তাৰপৰাই মই ভক্তি সাহিত্যৰ প্রতি অধিক অনুৰাগী হৈ পৰিছিলো। আকাশ আৰু সাগৰৰ সৈতে সখি পাতিবলৈ সপোনৰ বাঢ়নী নৈৰ সোঁতত সাঁতুৰি ফুৰা কবি চিত্তৰঞ্জন দাসৰ লগতে মহাবিদ্যালয়খনৰ আন সকলো শিক্ষক-শিক্ষয়িত্রীৰ মৰম-স্নেহ মোৰ বাবে হৈ ৰ'ব চিৰস্মৰণীয়। আনহাতে সেই কলেজীয়া জীৱনত লাভ কৰা বন্ধু-বান্ধৱীসকলৰ মাজতেই মই বিচাৰি পাইছিলো ষষ্ঠ ঋতুৰ সুবাস আৰু সপ্ত বৰণীয়া ৰামধেনুৰ সাতোটা ৰঙৰ সোৱাদ।

'এটি এটি ক্ষণ যেন মুকুতাৰে ধন'— বস্ত্রনগৰীৰ বিদ্যা মন্দিৰত মই ইতিমধ্যে পাৰ কৰিছিলো দুটি সোণালী বর্ষ। তৃতীয় তথা বিদায় বর্ষত মোৰ লগ পোৱাৰ সৌভাগ্য হ'ল আন এগৰাকী প্রকৃত ডাঙৰ মানুহক। তেওঁ হ'ল মহাবিদ্যালয়খনৰ এগৰাকী শিক্ষা বিভাগৰ অধ্যাপক ড° দিপুল কুমাৰ দাস, যাৰ মৰম আৰু সান্নিধ্যই আজিও দিয়ে অসীম প্রেৰণা, যাৰ এযাৰি মৌ মিঠা মাত শুনিলেই জীপাল হৈ পৰে মোৰ শুকাই যোৱা জীৱন মৰুভূমি। এবছৰৰ ভিতৰতে অতি উদাৰ মনৰ ড° দিপুল কুমাৰ দাস ছাৰে মোক বুজি পাইছিল আৰু সেয়েহে যিকোনো প্রকাৰে মোক সহায় কৰিবলৈ ছাৰ মানসিকভাৱে প্রস্তুত। আনহাতে স্নাতকোত্তৰ ডিগ্রী লাভৰ বাবে তেখেতে মোক কিছু অর্থনৈতিকভাৱেও সহায় কৰিছে। মই সাহিত্য অনুৰাগী বাবে ছাৰে মোক 'বিশ্বদৰবাৰত শ্রীমন্ত শংকৰদেৱ' গ্রন্থৰ স্রষ্টা ড° পৰশমণি দাসদেৱৰ মৰম পোৱাৰো সুযোগ প্রদান কৰে। ছাৰৰ এনে মহান উপকাৰৰ বাবে মই চিৰকৃতজ্ঞ। মই আন্তৰিক কৃতজ্ঞতা যাচিলো মোক শিক্ষাদান কৰা শুৱলাকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়ৰ সকলো পূজনীয় শিক্ষক-শিক্ষয়িত্রীলৈ, যাচিলো কৃতজ্ঞতা একবিংশ শতিকাতো সর্বত্র অনগ্রসৰ 'গুৱাবাৰী' নামৰ গাঁওখনিৰপৰা মোক আদৰেৰে আনি এনে এখন মহান শিক্ষানুষ্ঠানত অধ্যয়ন কৰিবলৈ সুযোগ প্রদান কৰা শ্রদ্ধাৰ মহাদেউ নৱেন চন্দ্র কলিতালৈ। চিৰস্মৰণীয় সেই সকলো বন্ধু-বান্ধৱী, যাৰ বন্ধুত্বই সিক্ত সেউজ কৰি ৰাখিছিল তিনিটা সোণালী বর্ষ। চিৰনমস্য মোৰ সেই বৃক্ষ, যি ঔ আৰু শিলিখা গছে হৃদয়ত দিছিল স্নেহস্পর্শ। চিৰ আদৰৰ মোৰ আকাশী বৰণীয়া কামিজটো, কলেজীয়া জীৱনৰ চিন। অতি হেঁপাহৰ শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়, জ্ঞানৰ তীর্থ হৈয়ে থাকিব চিৰদিন।■

# পঞ্চাশ বছৰীয়া তুমি ষোড়শী গাভৰু

**বিপুল চন্দ্র বৈশ্য**

*প্রাক্তন ছাত্র, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

নিজৰ ওপজা ঠাইখন যিদৰে সকলোৰে বাবে প্রিয়, সেইদৰে শিক্ষা লাভ কৰা প্রতিখন শিক্ষানুষ্ঠানেই প্রতিজনৰ বাবে অতি প্রিয়। ক্রমবিকাশৰ পৰিণতিত পৃথিৱীত মানুহে অলেখ জ্ঞানৰ ভাণ্ডাৰ লৈ জন্ম লাভ কৰে আৰু সেই জ্ঞানসমূহ আত্মোপলব্ধিৰ মাজেৰে বিকাশ কৰাত সহায় কৰে শিক্ষানুষ্ঠানসমূহে। ইংৰাজীত এযাৰ কথা আছে— No Knowledge without Colllege। মানুহে শিক্ষার্থী জীৱনত কেইবাটাও শ্রেণী মাধ্যমেৰে শিক্ষাগ্রহণ কৰি নিজৰ আত্মা, মগজুক জাগ্রত কৰি জ্ঞানৰ ক্রমবিকাশ ঘটায় আৰু কলেজীয়া মাধ্যমত ইয়াৰ পূর্ণতাপ্রাপ্তি হয় বুলি পণ্ডিতসকলে কয়।

শৈক্ষিক জীৱনত লাভ কৰা জ্ঞানসমূহ মানুহে মূলতঃ সৎ আৰু অসৎ দুই ধৰণে ব্যৱহাৰ কৰি সমাজ গঢ়িব পাৰে, নতুবা সমাজ ভাঙিবও পাৰে। স্বামী বিবেকানন্দই কৈছিল— 'আমাক এনে শিক্ষা লাগে যাৰদ্বাৰা আমাৰ সৎ চৰিত্র গঠন হয়, যাৰদ্বাৰা মানসিক বল বৃদ্ধি পায়, যাৰদ্বাৰা বুদ্ধিমত্তা প্রসাৰিত হয় আৰু যাৰ সহায়ত আমি নিজৰ ভৰিত থিয় দি আত্মনির্ভৰশীল হ'ব পাৰো।

১৯৮৯ চনত শুৱালকুছি ল'ৰা হাইস্কুলৰপৰা (বর্তমান শুৱালকুছি হায়াৰ ছেকেণ্ডাৰী স্কুল) প্রৱেশিকা পৰীক্ষাত উত্তীর্ণ হৈ 'শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়'ত নামভর্তি কৰি শিক্ষাগ্রহণ কৰাৰ সুযোগ লাভ কৰিছিলো। ১৯৬৩ চনতে স্থাপিত হোৱা, মহাবিদ্যালয়খনে আজি পঞ্চাছটা বসন্ত অতিক্রম কৰি সোণালী জয়ন্তী বর্ষত সোণালী সাজ পৰিধান কৰিবলৈ পোৱাটো মহাবিদ্যালয়ৰ পৰিচালনা সমিতি, প্রাক্তন তথা বর্তমানৰ শিক্ষক-শিক্ষয়িত্রী, ছাত্র-ছাত্রী, অভিভাৱক-অভিভাৱিকাৰ লগতে শুৱালকুছিবাসীৰ বাবে অতি গৌৰৱৰ কথা।

মানুহ মাত্রেই আৱেগৰ-অনুভূতি থাকেই। আজি এই সোণালী ক্ষণত কলেজত পঢ়ি থকা দিনৰ কিছুমান স্মৃতিয়ে মনত বাৰুকৈয়ে এক অবুজ খলকনি তুলিছে। ১৯৮৯ চন। তেতিয়া মই উচ্চতৰ মাধ্যমিক প্রথম

বর্ষৰ ছাত্র। কলেজৰ শ্রেণী আৰম্ভ হৈছেহে মাথোন। এগৰাকী প্রবক্তাৰ শ্রেণীকোঠাত প্রৱেশ। প্রথমতেই চিনাকি পর্ব। ছাৱে নিজৰ চিনাকি দি পর্বটিৰ পাতনি মেলিলে। এজন এজনকৈ ছাত্র-ছাত্রীসকলেও ছাৱৰ প্রশ্নৰ উত্তৰত নিজৰ নিজৰ নাম ঠিকনাৰ লগতে ৰুচি-অভিৰুচি সম্পর্কে কৈ গৈ আছে। তেনে সময়তে আমাৰ মাজৰ এজন ছাত্রৰ পাল পৰাত ছাৱে ছাত্রজনৰ নাম -ঠিকনা সোধে আৰু ভৱিষ্যতে কি হ'বলৈ ইচ্ছা বুলি প্রশ্ন কৰাত ছাত্রজনে নিজৰ নাম-ঠিকনা কোৱাৰ লগতে বর্তমানে তেওঁ লটাৰী টিকট বিক্রীৰ ব্যৱসায় কৰি আছে আৰু ভৱিষ্যতেও এজন ব্যৱসায়ী হিচাপে প্রতিষ্ঠিত হ'বৰ ইচ্ছা থকা বুলি কয়। ছাৱে কলেজলৈ কিয় আহিছা বুলি আকৌ প্রশ্ন কৰাত ছাত্রজনে ক'লে-ছাৱ, কলেজৰ শ্রেণীকোঠাত বহিবলৈ পোৱাটো মোৰ এটা সপোন আছিল। সেয়েহে মই এবাৰ নহয়, দুবাৰ নহয়, মুঠ ন-বাৰ মেট্রিক পৰীক্ষাত অনুত্তীর্ণ হৈও এইবাৰকে ধৰি দহবাৰ পৰীক্ষাত অৱতীর্ণ হৈ সেই সপোন বাস্তৱত ৰূপ দিবলৈ সমর্থ হৈছো। লগে লগে শ্রেণীকোঠাত ছাৰ আৰু ছাত্র-ছাত্রীসকলৰ মাজত হাঁহিৰ ৰজনজনি শুনা গ'ল।

কলেজীয়া জীৱনৰ কিছুমান সৰু সৰু ঘটনা মনলৈ আহিলে এক অনাবিল আনন্দ লভিব পৰা যায়। সাধাৰণতে কলেজৰ শিক্ষক-শিক্ষয়িত্রী, ছাত্র-ছাত্রীসকলৰ মাজত এক মধুৰ বন্ধুত্ব গঢ় লৈ উঠে। এনেয়ে মই বন্ধুত্ব গঢ়ি ভাল পাওঁ। কলেজত ছাত্রী বন্ধুতকৈ মোৰ ছাত্র বন্ধুৰ সংখ্যা বেছি আছিল। এদিনাখন শ্রেণী বিৰতিৰ সময়ত কলেজৰ বা�ৰাণ্ডাতে চাৰিজন বন্ধুৰ লগত কিবা-কিবি আলোচনা কৰি থাকোতে কাষেৰে পাৰ হৈ যোৱা সহপাঠী দুজনী ছোৱালীৰ এজনীক এজন বন্ধুৱে খবৰ ভালনে বুলি সোধাত, তোমাক কিয় লাগে বুলি ওলোটাই প্রশ্ন কৰি মুখখন পেকেটিয়াই গুচি যায়। তেতিয়া মই Behave Properly বুলি কওঁতে ছোৱালীজনীয়ে ভালদৰে নুশুনাত লগৰজনীক কি কৈছে বুলি সোধে আৰু লগৰজনীয়ে বুজাই দিয়াত তাই মোৰফালে ঘূৰি চাই নাক-মুখ পেকেটিয়াই এটি মিঠা হাঁহি মাৰি আঁতৰি যায়। সেই সময়ত মনৰ মাজত কোনো ধৰণৰ ভাবে ক্রিয়া কৰা নাছিল যদিও পৰৱর্তী সময়ত মাজে মাজে দৃশ্যটো মনত পৰিলে এক উত্তৰ নোহোৱা প্রশ্নৰ অৱতাৰণা নোহোৱা নহয়।

ঠিক তেনেদৰে এবাৰ মহাবিদ্যালয় সপ্তাহত সংগীত বিভাগৰ প্রতিযোগিতাত অংশগ্রহণ কৰি পুৰস্কাৰ লাভ কৰোতে সহপাঠী বন্ধুকেইজনমানে সাবট মাৰি ধৰি আনন্দ প্রকাশ কৰা স্মৃতিবোৰে এতিয়াও আমনি কৰি থাকে। এইখিনিতে মনত পৰিছে, মহাবিদ্যালয়ৰ সংগীত প্রতিযোগিতাত মই যে অংশগ্রহণ কৰিম, বন্ধুসকলৰ মাজত কোনেও গম পোৱা নাছিল। সিদিনা প্রথমতে "জয়ন্ত সঙ্গীত"ৰ প্রতিযোগিতা অনুষ্ঠিত হ'ব। দুপৰীয়াৰ আহাৰ গ্রহণ কৰি শুৱালকুছিৰ এজন জ্যেষ্ঠ শিল্পীৰ ঘৰলৈ গৈ জয়ন্ত হাজৰিকাই গোৱা 'এই লুইত কাবেৰী সিন্ধু গংগা' শীর্ষক গীতটো সংগ্রহ কৰি মহাবিদ্যালয়ৰ প্রতিযোগিতাত নাম ভর্তি কৰো। কেইবাজনো প্রতিযোগী ছাত্র-ছাত্রীয়ে জয়ন্ত সংগীত পৰিৱেশন কৰাৰ অন্তত ঘোষকে মোৰ নামটো ঘোষণা কৰে। মই মঞ্চলৈ উঠি গৈছোহে, মঞ্চৰ সন্মুখত বহি থকা সহপাঠী বন্ধুসকলে হাত চাপৰি দি চিঞৰ-বাখৰ আৰম্ভ কৰে আৰু মই মোৰ সোঁহাতখন ওপৰলৈ তুলি জোকাৰি জোকাৰি বন্ধুসকলক সম্ভাষণ জনাওঁ। বিচাৰকৰ আসন শুৱনি কৰা বিচাৰককেইগৰাকীয়ে মোলৈ চাই হাঁহি দিছিল আৰু মই তেওঁলোকলৈ হাঁহিৰে শ্রদ্ধা নিৱেদন কৰি গীত গাবলৈ আৰম্ভ কৰো। প্রথমতে স্থায়ী, তাৰ পিছত প্রথম অন্তৰা গাই আকৌ স্থায়ীখিনি গোৱাৰ পিছত তবলা বাদকজনক ইংগিতেৰে বজাই যাবলৈ ক'লো। কিন্তু তবলা বাদকজনে ইংগিতটো ভুলকৈ বুজাত গীতটোৰ সমাপ্তি ঘটায়। গীতটো সম্পূর্ণকৈ গোৱা নহ'ল। গীতটো আধৰুৱা হ'ল যদিও গোৱাখিনি খুব ভাল হৈছিল নেকি! জয়ন্ত সংগীতৰ ফলাফলত প্রথমেত মোৰ নামটো জিলিকি থাকিল।

মহাবিদ্যালয়ত পঢ়ি থকা দিনৰ কথা ৰোমন্থন কৰিবলৈ যাওঁতে প্রথম অৱস্থাত শ্রেণীত পাঠ গ্রহণ কৰাৰ মুহূর্ত কিছু মনলৈ আহিছে। What is political Science বুলি চিঞৰি যেতিয়া বিলাস চন্দ্র দাস ছাৱে পাঠদান আৰম্ভ কৰিছিল, ছাত্র-ছাত্রীসকলে মৌন হৈ একান্ত মনেৰে পাঠ গ্রহণ কৰাত ব্যস্ত হৈ পৰিছিল। সেইদৰে ড° প্রবীণ বৈশ্য ছাৱে 'বস্তুৰ চাহিদা বৃদ্ধি পালে বস্তুৰ দাম কমে', চিত্তৰঞ্জন দাস ছাৰৰ কবিতা বুজোৱা, যোগেশ ডেকা ছাৰ, অশ্বিনী চৌধুৰী ছাৰ, বন্তি দত্ত বৰা বাইদেউ, মামণি দেৰী বাইদেউকে ধৰি সকলো শিক্ষক-শিক্ষয়িত্রীৰ পাঠ গ্রহণ কৰাৰ আমেজেই বেলেগ আছিল।

মহাবিদ্যালয়খনৰ চৌদিশৰ মনোৰম প্রাকৃতিক পৰিৱেশৰ কথা উল্লেখ নকৰি নো�ৰাৰি। ইয়াৰ বিশাল প্রাকৃতিক সৌন্দর্যই মহাবিদ্যালয়খনক চিৰযৌৱনা কৰি ৰাখিছে। যিয়ে এবাৰ সংস্পর্শলৈ আহিছে, মহাবিদ্যালয়খনৰ ৰূপ যৌৱনত উন্মত্ত নহৈ নো�ৰাৰে। সেই উন্মত্ত প্রেমিকসকলৰ দৰে এই সোণালী পলত মনৰ অনুভূতি প্রকাশ কৰিছো এনেদৰে—

গমেই পোৱা নাছিলো
মই যে তোমাৰ প্রেমত পৰিছিলো
তোমাৰ অতুলনীয় ৰূপ-যৌৱনত
মতলীয়াহঁতৰ দৰে
ময়ো তোমাক ভাল পাওঁ
তোমাৰ ঘৰৰ পশ্চিমৰ ধাননি পথাৰখনে
কিম্বা পূব প্রান্তত দং দংকৈ থিয় হৈ থকা
শাল, চেগুন, আম, শিলিখা গছবোৰে
তোমালৈ ৰ' লাগি চাই থাকে
হয়তো সিহঁতেও তোমাক ভাল পায়
সকলোৱে ভাল পায় তোমাক
উত্তৰ দিশে থকা চল-চলীয়া পানীৰে ভৰা পুখুৰীটোত
তোমাৰ স'তে সাঁতুৰিবলৈ কিমানৰ যে হেঁপাহ
তোমাৰ হাতৰ লিহিৰি আঙুলিৰ পৰশত
সকলোৰে মগজুবোৰ সাৰ পাই উঠে
তোমাৰ উঠন বুকুৰ নীলাবোৰৰ মাজত
একাঁ-বেকাঁ জীৱনত বিচাৰি পাওঁ
ৰঙীন সুচল পথ
তুমি পাহৰিলেও তোমাক পাহৰিব নোৰাৰোঁ
পঞ্চাশটা বসন্ত গৰকা তুমি যোড়যী গাভৰু ।।■

# মহাবিদ্যালয়ত পঢ়ি থকা কালৰ সোণোৱালী সোঁৱৰণ

**দীপালী ভৰালী**

*প্ৰাক্তন ছাত্ৰী, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

" ছাত্ৰানং অধ্যয়নং তপঃ" এই আপ্তবাক্যযাৰী আমি সকলোৱে জানো। অতীজতে ঋষি মুনিসকলে গভীৰ অৰণ্যত সকলো বাধা অতিক্ৰম কৰি ঘোৰ তপস্যা কৰিছিল। এই ঘোৰ তপস্যাৰ অন্তত তেওঁলোকে মনৰ ইচ্ছানুসাৰে সিদ্ধি লাভ কৰিছিল। ঋষি-মুনিসকলৰ এই আদৰ্শৰপৰা এটা কথাই শিকিব পাৰি, সেয়া হ'ল কঠোৰ অনুশীলন আৰু ধৈৰ্যৰদ্বাৰা মানুহে আভীষ্ট সিদ্ধি লাভ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলৰো এটাই আদৰ্শ অৰ্থাৎ জ্ঞান সাগৰৰ গৰ্ভৰপৰা মূল্যৱান ৰত্ন লাভ কৰিবলৈ হ'লে নিজকে মানসিকভাৱে প্ৰস্তুত হ'ব লাগিব। আমাৰ নীতি-শাস্ত্ৰত এযাৰ কথা আছে, সেয়া হ'ল— " অৰ্জনৰ নিধি, সাহসৰ সিদ্ধি"। সেয়ে দৃঢ় সংকল্প লৈ সময়ৰ মূল্যাংকন কৰি জীৱন-যাত্ৰাত আগুৱাব লাগিব।

মানুহৰ জীৱনটো হৈছে আশা-আকাংক্ষা, পোৱা-নোপোৱাৰ বেদনা, অনেক সংঘাত আদিৰে ভৰা এটা পূৰ্ণ সমীকৰণ। তাৰ মাজতো জীৱনৰ গতিশীলতাৰ প্ৰতিটো পদক্ষেপতেই পাই অহা কিছুমান স্মৰণীয় মুহূৰ্তই জীৱনটো ৰসাল হোৱাত সহায় কৰে। আমাৰ জীৱনতো পঢ়ি থকা কালছোৱা আছিল অত্যন্ত গুৰুত্বপূৰ্ণ। শৈশৱৰ কিছুমান পাহৰিব নোৱৰা স্মৃতিয়ে আজিও মনৰ মণিকোঠা সজীৱ কৰি ৰাখিছে।

শু�ৰালকুছি গণেশ দাস হাইস্কুলৰপৰা স্কুলীয়া শিক্ষা সাং কৰি মেট্ৰিকৰ ডেওনা পাৰ হোৱাৰ পিছত মহাবিদ্যালয়ত উচ্চ শিক্ষা অধ্যয়ন কৰাৰ পূৰ্ণ সুযোগ লাভ কৰিলো। আমাৰ বিদ্যালয়খনৰ নাম শু�ৰালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়। মহাবিদ্যালয়ত অধ্যয়ন কৰাৰ ইচ্ছা বহু দিনৰপৰা মনত পুহি ৰাখিছিলো। শেষত যেনিবা ঈশ্বৰৰ কৃপাত দীৰ্ঘ দিনৰ সপোনে বাস্তৱত ৰূপ ল'লে। মহাবিদ্যালয়ত নাম ভৰ্তি সুন্দৰকৈ হৈ গ'ল। মহাবিদ্যালয়ত প্ৰথম দিনা ক্লাছ কৰিবলৈ যোৱাৰ দিনটো মোৰ বাবে বাৰুকৈয়ে স্মৰণীয়মুহূৰ্ত। কিয়নো সেইদিনা মই অকলে যাবলৈ সংকোচবোধ কৰিছিলো। মা-দেউতাৰ আশীৰ্বাদ লৈ কলেজলৈ যাবলৈ ওলাই মনটো কোনোবা ফালে উৰা মাৰিছিল, ভাবিছিলো ইমান ডাঙৰ কলেজখন আৰু বা কি? মোৰ মনৰ মাজৰ উজান-ভাটি অৱস্থাৰ উমান পাই মোৰ ডাঙৰ দাদাই (ৰবীন দাস) কলেজৰ দুৱাৰমুখলৈকে আগবঢ়াই থৈ আহিছিল। পিছত অৱশ্যে মনৰ শংকা আঁতৰ গৈছিল ভিন্ন ঠাইৰপৰা অহা বন্ধু-বান্ধৱীক লগ পাই। প্ৰথম দিনৰ ক্লাছ হিচাপে আমাৰ সন্মানীয় প্ৰবক্তাসকলে যথেষ্ট উদগনি আৰু সাহস দিয়াত পিছৰ পাৰ্যায়বোৰ একেবাৰে সহজ হৈ পৰিছিল।

মহাবিদ্যালয়ত অধ্যয়ন কৰি থকা কালছোৱা স্বাভাৱিকতে অতি ৰোমাঞ্চকৰ। কাৰণ এই সময়খিনিৰ ভিতৰতে শিক্ষাৰ্থীসকলে জীৱন গঢ়াৰ বাবে কেনেকৈ সময়ৰ সোঁতত নিজকে মিলাব লাগে অথবা ভৱিষ্যতৰ বাবে কেনেকৈ নিজক সাজু কৰিব পাৰি ইত্যাদি অনেক কথা শিকিব পাৰে। গভীৰ সংকল্প লৈ সঠিক পথত খোজ দিলে নিশ্চয় ভৱিষ্যৎ সকলোৰে বাবে সুখময় হৈ উঠিব। ইয়াৰ বিপৰীতে যদিহে আগ-পাছ চিন্তা নকৰি কু-সংগত নিজকে মিলাই দিয়ে তেতিয়াহ'লে সমগ্ৰ জীৱন কণ্টকাকীৰ্ণ হৈ উঠা পৰিলক্ষিত হয়।

আমি মহাবিদ্যালয়ত পঢ়ি থকা সময়ছোৱাত (১৯৭৭ ইং চন) শিক্ষাৰ্থীসকলৰ বাবে যিখিনি সা-সুবিধা থাকিব লাগিছিল, সেই আটাইবিলাক সুবিধা পাৰ্যপ্ত পৰিমাণে নাছিল। বৰ্তমান অৱশ্যে কলেজত উপলব্ধ সকলোখিনি সা-সুবিধাই বিদ্যমান। তৎসত্ত্বেও আমাৰ মনত কলেজখনৰ প্ৰতি কোনো ধৰণৰ আক্ষেপ নাছিল। সীমিত সা-সুবিধাৰ মাজতেই আমাৰ অধ্যয়ন আৰু কলেজখনৰ প্ৰতি দায়বদ্ধতা সম্পূৰ্ণভাৱে আছিল। বিশেষভাৱে আমাৰ সন্মানীয় শিক্ষাগুৰুসকলৰপৰা পোৱা সহায়-সাৰথিৰ বাবে আমি চিৰদিনেই কৃতজ্ঞ হৈ থাকিম।

আমি শৈশৱৰেপৰা সংগীতৰ জগতখনত ওতপ্ৰোতভাৱে জড়িত আছিলো। আমাৰ দেউতা শিল্পী পেন্সনাৰ শ্ৰীযুত নাৰায়ণ চন্দ্ৰ দাস। দেউতা নিজে এজন প্ৰতিষ্ঠিত সংগীত শিল্পী হোৱা হেতুকে ঘৰখনত এটা সংগীতৰ পৰিৱেশ শৈশৱৰেপৰা পাইছিলো। ঘৰখনেই আছিল আমাৰ স্কুলীয়া শিক্ষা আৰু সংগীত শিক্ষাৰ প্ৰাণকেন্দ্ৰ। দেউতা আছিল তত্ত্বাৱধায়ক। শুৰালকুছি গণেশ দাস হাইস্কুলৰ দেউতা আছিল বিষয় শিক্ষক। কলেজত নাম ভৰ্তি হোৱাৰ বছৰতেই কলেজ কৰ্তৃপক্ষই নতুন শিক্ষাৰ্থীকসকলৰ সৈতে চা-চিনাকি হোৱাৰ উদ্দেশ্যেৰে যেতিয়া "নৱাগত আদৰণী সভা" অনুষ্ঠিত কৰিছিল সেই দিনটো আমাৰ বাবে স্মৰণীয় আছিল, কিয়নো ভবা নাছিলো যে নৱাগত আদৰণী সভাত আমি গীত পৰিৱেশনৰ সুবিধা পাম বুলি। যেতিয়া মঞ্চত আমি গীত পৰিৱেশন কৰিছিলো সেই সময়ত আমাৰ মন-প্ৰাণ আনন্দত নাচি উঠিছিল। সকলোৰেপৰা সম্পূৰ্ণ সহযোগ পাইছিলো। এয়া আছিল আমাৰ বাবে এক স্বৰ্ণীল অধ্যায়।

নৱাগত আদৰণি সভা অনুষ্ঠিত হৈ যোৱাৰ পিছত সেই বছৰতেই কলেজৰ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছিল। বাৰ্ষিক অধিৱেশনৰ সৈতে সংগতি ৰাখি বিভিন্ন ক্ষেত্ৰত, যেনে— খেল-ধেমালি, তৰ্ক প্ৰতিযোগিতা, সংগীত প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা আদিকে ধৰি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। আমি কেৱল সংগীত



সোণালী জয়ন্তী মহোৎসৱ, শুৰালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়, (১৯৬৩-২০১৩)

প্রতিযোগিতাতহে অংশ গ্রহণ কৰিছিলো। কাৰণ সংগীতৰ বাহিৰে অইন দিশবিলাকৰ প্রতি আমাৰ আকর্ষণ নাছিল।

বার্ষিক অধিৱেশনৰ নির্দিষ্ট দিনটোত সংগীত প্রতিযোগিতা অনুষ্ঠিত হৈছিল। দূৰদূৰণিৰপৰা অহা বহু প্রতিযোগীয়ে ইয়াত ভাগ লৈছিল। দেউতা, দাদাহঁতে আমাক মানসিকভাৱে সাহস দিছিল। সেই সাহস আৰু আদর্শকে সাৰথি কৰি নির্দিষ্ট সময়ত আমি মঞ্চত গীত পৰিৱেশন কৰিছিলো। মনতে ভাব হৈছিল ৰিজাল্ট বা কি হয়। কিন্তু নভবাকৈয়ে ৰিজাল্ট আহিল, সেই বছৰৰ শ্রেষ্ঠ সংগীত শিল্পী হিচাপে (Best Singer ) আমি বিবেচিত হৈছো। সেইখিনি সময়ত সঁচাকৈয়ে আৱেগ-বিহ্বল হৈ উঠিছিলো। আমাৰ মনত পৰে সেই সময়ত আমাৰ শ্রদ্ধেয় হৰেকৃষ্ণ শর্মা চাৰ, ড° প্রবীণ বৈশ্য ছাৰ, বিলাস দাস ছাৰ প্রমুখ্যে সকলো ছাৰেই আমাক অভিনন্দন জনাইছিল। ভৰিষ্যতে আগবাঢ়ি যাবৰ বাবে আশীর্বাদ দিছিল। জীৱনৰ ডায়েৰীত সেই স্মৃতি আজিও আলফুলকৈ সাঁচি থোৱা হৈছে।

ঠিক একেদৰে পিছৰ দুইবছৰত অনুষ্ঠিত হোৱা বার্ষিক অধিৱেশনৰ সংগীত প্রতিযোগিতাত প্রথম বছৰৰ দৰেই শ্রেষ্ঠ সংগীত শিল্পী হিচাপে বিবেচিত হৈছিলো। বিভিন্ন ঠাইৰপৰা অংশ গ্রহণ কৰা বহু ডাঙৰ ডাঙৰ প্রতিযোগীৰ মাজৰপৰা শ্রেষ্ঠ সংগীত শিল্পীৰ বঁটা আজুৰি আনিবলৈ পাই নিজকে ধন্য মানিছিলো। আমাৰ ঘৰখনত আনন্দৰ বন্যা বৈছিল। স্মর্তব্য যে একেবাহে তৃতীয় বছৰৰ বাবে শ্রেষ্ঠ সংগীত শিল্পী হোৱাৰ পিছত বঁটা বিতৰণী অনুষ্ঠানৰ দিনাখন কলেজ কর্তৃপক্ষই নিমন্ত্রণ কৰি অহা গণ্য-মান্য ব্যক্তিসকলৰ ভিতৰত আমাৰ দেউতা আছিল অন্যতম। সেই দিনটো আমি কেতিয়াও পাহৰিব নোৱাৰিম।

এটা সময়ত আমি সুকলমে কলেজৰ অধ্যয়নৰ কালছোৱা সমাপ্ত কৰি ভৰিষ্যতৰ সন্ধানত ওলাই আহিছিলো চিৰদিনৰ বাবে কলেজৰ স্মৃতি মনত লৈ। কিন্তু সেই স্বর্ণীল মুহূর্তবোৰ আজিও সদ্য-প্রস্ফুটিত ফুলৰ দৰেই মোহনীয় হৈ আছে বর্তমানলৈও। দৈনন্দিন ব্যস্ততাপূর্ণ জীৱন গাথাৰ বেহু ভাঙি মন পখী উৰি যাব খোজে সোণোৱালী, ৰোমাঞ্চেৰে ভৰা, শুভ্র শেৱালিৰ সুবাস থকা সেই দিনবোৰলৈ।■

# সোণালী সোঁৱৰণ

**চন্দ্র সিং ডেকা**

*প্রাক্তন ছাত্র, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰি মহাবিদ্যালয়ত পঢ়াৰ আনন্দই সুকীয়া। ক্লাচলৈ যাওঁতে মাত্র এখন বহী লৈ গ'লেই হয়। হাইস্কুলৰ নিচিনাকৈ এজাপ কিতাপ বহী নিব নালাগে। হাইস্কুলত পঢ়ি থাকোতে ভাবিছিলো কলেজত কিদৰে এখন মাত্র বহীতেই সকলো লিখা-পঢ়া সম্ভৱ হয় ইত্যাদি ইত্যাদি। এনেবোৰ কথা ভাবি থাকোতেই এদিন হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰি মহাবিদ্যালয়ত Admission লবৰ সময় হ'ল।

১৯৭৬ চন। বৰখুড়াই এদিন শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়ত মোক লৈ গৈ নাম ভর্তি কৰাই দিলে। আর্থিক অনাতনৰ মাজেৰে পঢ়া-শুনা কৰিব লগাত যথেষ্ট কষ্ট অনুভৱ কৰিছিলো। মাজতে ক্লাচ নাথাকিলে ঘৰত আহি কাম কৰিছিলো। তথাপিও নজনা কথা জনাৰ যি অদম্য হেপাহ আছিল তাৰ বাবে প্রতিটো ক্লাচত অধিক সচেতন হৈছিলো। আমি অধ্যয়ন কৰা সময়ত ইংৰাজী, অসমীয়া (MIL), ৰাজনীতি বিজ্ঞান, অর্থনীতি, শিক্ষা ইত্যাদি প্রতিটো বিভাগৰেই শিক্ষাগুৰুসকলে ইমান কষ্ট আৰু ত্যাগেৰে শিক্ষাদান কৰিছিল সেইবোৰ ভাবিলে আজিও মন এক নষ্টালজিয়াত ডুব যায়। আমিও প্রতিটো ক্লাচেই Seriously attend কৰিছিলো।

কলেজৰ প্রাক স্নাতক শ্রেণীত ভর্তি হোৱা অনুযায়ী ৪২ আছিল মোৰ ৰোল নম্বৰ। ইংৰাজী বিভাগৰ অধ্যাপক মোহন চন্দ্র দাস ছাৰে যেতিয়া ক্লাচত বুজাই গৈছিল মোৰ খুব ভাল লাগিছিল আৰু হৃদয়ঙ্গম কৰিবলৈ যত্ন কৰিছিলো। মোহন দাস ছাৰেও ৰোল নম্বৰ ৪২ অক যেনে তেনে এটি প্রশ্ন কৰিবই। মইও ১৫০ জন ছাত্র-ছাত্রীৰ ওচৰত সাহ নহয় মৰসাহ কৰি ভুলে শুদ্ধই উত্তৰ এটা দি গৈছিলো। মুঠতে মই তেখেতৰ অতি প্রিয় ছাত্র আছিলো। আকৌ গঙ্গা স্বৰূপ বার্মা ছাৰে ইমান সুন্দৰকৈ সহজ ইংৰাজী পঢ়াইছিল, ঘৰত পুনৰ নপঢ়াকৈয়ে পৰীক্ষাত লিখিব পাৰিছিলো। উপেন্দ্র নাৰায়ণ শ্রীবাস্তৱ ছাৰে ইংৰাজী কবিতা পঢ়াইছিল। লগে লগে আমাক নোট দি গৈছিল। তেখেতৰ নোটৰ প্রতিটো শব্দৰ অর্থ বুজিবলৈ অভিধান চাব লগীয়া হৈছিলো। কাৰণ শব্দবোৰ বৰ টান আছিল। পিছলৈ লাহে লাহে ভাল লগা হৈ আহিছিল। বাস্তৱ ছাৰৰ নোট পঢ়িয়েই আমি পৰীক্ষাত ভাল নম্বৰ পাবলৈ সক্ষম হৈছিলো।

অসমীয়া বিভাগৰ অধ্যাপক শ্রীমান চক্রৱর্তী ছাৰৰ ক্লাচ মানে কপি থাকিবলগীয়া অৱস্থা। এদিন চক্রৱর্তী ছাৰে ক্লাচত বুজাই থাকোতে কোনোবা এজন ছাত্র-বন্ধুৰে মুৰটো ঘূৰাই আন এজনৰ লগত কিবা কথা পাতোতে — "ক্লাচত যদি মন নাই বাহিৰলৈ যোৱা, বাকীবিলাকক Disturb নকৰিবা" বুলি যি খং কৰিছিল সঁচাকৈয়ে সেই মুহূর্ত বিলাকে মনত স্থায়ীভাৱে সাচ বহুৱাই থৈছে। ঠিক তেনেদৰে অর্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক ড° প্রবীণ বৈশ্য ছাৰে ক্লাছত পাঠ্যক্রমৰ বাহিৰেও

যিবিলাক বহিঃজগতৰ জ্ঞান আমাক দিছিল, সেই জ্ঞানে আজিকোপতি আমাক জীৱন বাটত বাট বুলিবলৈ সাহস দি আছে।

এইখিনিতে শিক্ষা বিভাগৰ স্বনামধন্য অধ্যাপক ভৰত দেৱ শর্মা ছাৰে আমাক পঢ়ুওৱাৰ উপৰি National Service Scheme (NSS) ৰ জৰিয়তে কিদৰে সমাজ সেৱা কৰিব পাৰি তাক ভালদৰে বুজাইছিল আৰু আমাক বিভিন্ন সমাজসেৱামূলক কামত নিয়োজিত কৰিছিল। Programme Officer আছিল আমাৰ দেৱ শর্মাছাৰ। NSS ৰ জৰিয়তে প্রথমে শুৱালকুছিৰ কেইবাটিও ৰাস্তাত আমি ছাত্র-ছাত্রীসকলে শ্রমদান কৰিছিলো। শুৱালকুছি বালক মজলীয়া বিদ্যালয়তো মেৰামতিৰ কাম কৰিছিলো। এদিন শুৱালকুছিৰ শ্রীশ্রীসিদ্ধেশ্বৰ দেৱালয়ত আমি তলৰ পৰা ওপৰলৈ ইটা কঢ়িয়াই শ্রমদান কৰাৰ আনন্দই সুকীয়া আছিল।

এবাৰ আমাৰ কলেজত পাঁচদিনীয়া এটি NSS ৰ কেম্প হৈছিল। আমি বিশেষকৈ ল'ৰাবিলাকে সেই পাঁচদিন ৰাতিও কলেজত আছিলো। শ্রদ্ধেয় দেৱশর্মা ছাৰে আমাক ঘৰলৈ যাব দিয়া নাছিল। কেম্পৰ কেইদিন ৰাতি শোৱা সময়ত খুব জমি উঠিছিল। ডেক্সবোৰ যোৰা লগাই এক নম্বৰ হলত আমি আছিলো। ৰাতি আমাৰ লগৰে দুজনমানে আঠুৰাৰ ৰছীবিলাক কাতি দিছিল আৰু আমিও সাৰ পাই উঠি সিহঁতৰো ৰছীবিলাক কাতি দিছিলো। ফলত ৰাতি প্রায় টোপনি মৰাই নহৈছিল। ৰাতিপুৱা ছাৰে আমাক নিজৰ বিচনাবিলাক নিজকে ভালদৰে সজাই থবলৈ শিকাইছিল বাবে আজিলৈকে সেই নিয়মানুৱর্তিতা পালন কৰি আছো। ই সমগ্র জীৱনৰ বাবেই এটি ডাঙৰ শিক্ষা। কেম্পৰ সময়ত আমি কলেজৰ পুখুৰীটোৰ পানীমেটেকা বিলাক চাফ কৰি এটি ফিচাৰী কৰাৰ পৰিকল্পনা কৰিছিলো। ভবা মতেই কাম হৈছিল। কেম্প চলি থাকোতে এদিন দোভাগ ৰাতি কোনোবাই পুখুৰীটোত মাছ মাৰি থকাৰ উমান পাইছিলো। সত্যতা নিৰূপণ কৰি দেৱশর্মা ছাৰৰ লগতে আমি আটায়ে মিলি ৰাতিয়েই কলেজৰ পৰিচালনা সমিতিৰ সদস্যসকলক মাতি বিচাৰ কৰি তেওঁলোকক জৰিমণা বিহা হৈছিল। ১৯৭৯ চনত যেতিয়া অসম সাহিত্য সভাৰ ৪৬ সংখ্যক অধিবেশন শুৱালকুছিত অনুষ্ঠিত হৈছিল তেতিয়া আমি NSS ৰ সদস্যসকলে সাহিত্য সভাৰ মূল মঞ্চৰ খুঁটা পোটাকে আদি কৰি অধিবেশনৰ শেষলৈকে স্বেচ্ছাসেৱকৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিছিলো।

এবাৰ উত্তৰ গুৱাহাটী কলেজত NSS ৰ এটি State Level Camp অনুষ্ঠিত হৈছিল। দেৱশর্মা ছাৰে আমাক পাঁচজন ছাত্র চিদা কলিতা, মাধৱ বৈশ্য, কমল শর্মা, দুলাল শর্মা আৰু মোক উত্তৰ গুৱাহাটীৰ কেম্পলৈ পঠিওৱাৰ বাবে নির্বাচন কৰিছিল। উত্তৰ গুৱাহাটী কলেজত আমি আছিলো। সর্বমুঠ অসমৰ ৪৭ খন কলেজৰ ছাত্র-ছাত্রীৰে (প্রতিখনৰে ৪/৫ জনকৈ) সৈতে মুঠতে পাঁচদিন ধৰি চলা কেম্পত উত্তৰ গুৱাহাটীৰ বিভিন্ন বাট-পথৰ মেৰামতিৰ কাম কৰিছিলো। কেম্পৰ শেষৰ দিনা আমি এৰা-এৰি হৈ ঘৰমুৱা হ'বৰ সময়ত আটায়ে খুব কন্দা-কটা কৰা দৃশ্য আজিও অন্তৰত সজীৱ হৈ আছে।

মুঠতে কলেজখনে আমাক গোটেই জীৱনৰ বাবে জ্ঞান চক্ষু মোকলাই দিয়াৰ লগতে এক সুন্দৰ কর্ম সংস্কৃতিৰো পথ দেখুৱাই দিছে। যাৰ বাবে আজি হয়তো দেশৰ বোজা নহৈ চৰকাৰী চাকৰি কৰি এটি সুন্দৰ জীৱন যাপন কৰিব পাৰিছো।

আহি আহি আজি আমাৰ কলেজখনে পূর্ণ কৰিছে গৌৰৱময় ৫০ টা বছৰ। নামেই যাৰ পৰিচয়। এই সুযোগতে কলেজ স্থাপনৰ বাবে শুৱালকুছি হাটীসত্রৰ ৪২ বিঘা ভূমিদাঁতা বাক্‌সিদ্ধ পুৰুষ সাধু বুদৰাম - মাধৱ সত্রাধিকাৰদ্বয়লৈ কৌটিবাৰ প্রণাম জনাইছো। শ্রদ্ধা যাচিছো সেইসকললৈ যি সকলে কলেজখন স্থাপন কৰাৰ এটি সঠিক আৰু সুন্দৰ সপোন দেখিছিল। অশ্রু অঞ্জলি যাচিছো সেইসকললৈ যিসকল আমাৰ মাজৰ পৰা নাইকিয়া হ'ল। সেৱা জনাইছো আজিও যাক লগ পালে শ্রদ্ধাত আপোনা আপুনি মূৰ দোঁ খাই যায় সেই শিক্ষাগুৰুসকলক।

শেষত শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয় অসম তথা ভাৰত বর্ষৰ ভিতৰতে এক অগ্রণী শিক্ষানুষ্ঠান হিচাপে জাকত জিলিকা হওঁক তাৰ কামনাৰে ... । ■

# কলেজীয়া জীৱনৰ অনুভূতি

**হৃদয় মড়ল**

*প্ৰাক্তন ছাত্ৰ, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

স্কুলীয়া জীৱনৰ পৰিসমাপ্তিৰ পিছতেই আমাৰ জীৱনলৈ আহিল এটি নতুন কলেজীয়া জীৱন। স্কুলীয়া জীৱনত সময়মতে স্কুলত সকলো ছাত্ৰ-ছাত্ৰী একেলগে উপস্থিত থকা আৰু একেলগে ছুটি দিয়া এই নিয়মানুৱৰ্তিতাৰ পৰা ওলাই কলেজীয়া জীৱনৰ পৰিৱেশে আমাক কিছু অসুবিধা, কিছু বেলেগ বেলেগ ভাববোৰে মনত দোলা দিছিল। মনত একোবাৰ ভাব হৈছিল স্কুলীয়া জীৱনবোৰেই প্ৰকৃত সুন্দৰ জীৱন। স্কুলীয়া জীৱনত শিক্ষক-বাইদেউসকলৰ কঠোৰ শাসনৰ মাজৰ শিক্ষা ব্যৱস্থাক মনত বেছি ভাল লগা যেন ভাব হ'বলৈ ধৰিলে। লাহে লাহে কলেজীয়া জীৱনৰ গতি আগবঢ়াৰ লগে লগে যে আমি বুজিবলৈ পালো যে কলেজীয়া জীৱনৰ এনেকুৱা মুক্ত পৰিৱেশ আমাৰ বাবে সৃষ্ট, যিহেতু আমি এতিয়া কলেজীয়া ছাত্ৰ, মানে আমি ডাঙৰ হ'লো। এতিয়া বাধ্যবাধকতাৰ পৰা মুক্ত পৰিৱেশ আমাক দিয়া হৈছে। যিহেতু আমি ডাঙৰ হ'লো, মুক্ত পৰিৱেশৰ মাজৰ পৰা আমাৰ জীৱন সুন্দৰ কৰাৰ দায়িত্ব আমাৰ। ভাল আৰু বেয়াৰ মাজৰ পৰা ভালখিনি বিচাৰিবলৈ আৰু জীৱনৰ গতি সুন্দৰ কৰিবলৈ কলেজীয়া জীৱন এটি মুক্ত জীৱন বুলি নিজকে অনুভৱ কৰিলো।

শুৰালকুছি বুদৰাম-মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয় শুৰালকুছি তথা এই অঞ্চলৰ আমাৰ সময়ত উচ্চ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান। শুৰালকুছি বুদৰাম-মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ প্ৰাকৃতিক পৰিৱেশ এক সুন্দৰ পৰিৱেশ। তেতিয়া কলেজৰ দুটা ডাঙৰ ডাঙৰ পুখুৰী, শাল গছৰ বাৰী, খেলা-ধূলা কৰিব পৰাকৈ কলেজৰ ভিতৰত মুকলি সেউজীয়া দূৱৰি বনৰ দলিচাৰ সৈতে খেলপথাৰ, কাষতে ধাননি পথাৰ, এক অপূৰ্ব চকুত লগা পৰিৱেশ। শুৰালকুছিৰ ঠেক পৰিৱেশৰ ভিতৰত আমাৰ কলেজৰ প্ৰাকৃতিক পৰিৱেশে আমাৰ মনলৈ সেউজীয়া সেউজীয়া ভাৱৰ সৃষ্টি কৰিছিল। কলেজৰ off class-অত আমিবিলাকে জিৰণি কোঠাৰ সলনি সেউজীয়া বননিৰ দলিচাত বহি সময় পাৰ কৰা স্মৃতিবোৰ যেন এতিয়াও সজীৱ হৈ থাকে। শিক্ষক-শিক্ষয়িত্ৰীসকলেও ঠাণ্ডা বতৰত ৰ'দৰ আমেজ ল'বলৈ এই দলিচাতেই বহি ৰ'দৰ আমেজ লৈছিল।

সেই সময়ত ছাৰ বাইদেউসকলে আমাৰ লগত যি সদভাৱেৰে হাঁহি-ফূৰ্তিৰে কথা বাৰ্তা পাতিছিল সেইবোৰ আজিও মনত পৰে। Classৰ সময়ত যেন তেখেতসকল চাৰ, বাকী সময়ত তেওঁলোক যেন আমাৰ বন্ধু এনে এক সুন্দৰ পৰিৱেশে আমাৰ কলেজীয়া জীৱনৰ এক অনন্য অনুভূতি।

কিছুমান ছাত্ৰই কেতিয়াবা কলেজৰ ভিতৰৰ পথাৰত ক্ৰিকেট খেল খেলিলে দুই-এজন চাৰে গৈ তেওঁলোকৰ লগত গৈ অলপ সময় খেলি কলেজৰ পৰিৱেশ যেন আনন্দৰ পৰিৱেশ সৃষ্টি হৈছিল। সেই খন্তেকীয়া ক্ৰিকেটখন চাবলৈ সকলো যেন ব্যস্ত হৈ পৰে। মোৰ এতিয়াও মনত পৰে শ্ৰদ্ধাৰ শ্ৰীডিম্বেশ্বৰ শইকীয়া চাৰে বলিং কৰা দৃশ্য আৰু শ্ৰদ্ধাৰ শ্ৰীচিত্তৰঞ্জন দাস চাৰে বেটিং কৰা দৃশ্য মনত পৰিলে আজিও অন্তৰ সজীৱ হৈ উঠে।

কেতিয়াবা Common Roomৰ টেবুল টেনিছ খেলাত চাৰসকলে নিজে ছাত্ৰৰ লগত খেলা দৃশ্য আজিও মনত পৰি ৰয়।

আমাৰ কলেজৰ classবোৰ আজিও অন্তৰৰ মণিকোঠাৰ পৰা মনত ভাঁহি উঠে। বিশেষকৈ পৰম শ্ৰদ্ধাৰ প্ৰয়াত সৰোজ বুজৰবৰুৱা বাইদেউৰ অসমীয়াৰ class আৰু শ্ৰদ্ধাৰ শ্ৰীমামণি দেৱী বাইদেউৰ ৰাজনীতি বিজ্ঞানৰ class ; এই দুটি class মোৰ কলেজীয়া জীৱনৰ আটাইতকৈ ভাল লগা আছিল। দুয়োগৰাকী শ্ৰদ্ধাৰ বাইদেউৰে আমাৰ কলেজৰ ডাঙৰ হলবোৰত যেনেকৈ চিঞৰি চিঞৰি কষ্ট কৰি বুজাই দিছিল আজিও মনত পৰি থাকে। মই জনাত কোনো ছাত্ৰ-ছাত্ৰীয়ে সেই সময়ত এই দুটা class কেতিয়াও খতি কৰিব বিচৰা নাছিল। এই দুয়োগৰাকী বাইদেউৰ হৃদয়স্পৰ্শী classকেইটালৈ আমাৰ আজিও মনত পৰি ৰয়। লগতে এই লেখাৰ জৰিয়তে প্ৰয়াত সৰোজ বুজৰ বৰুৱা বাইডেৰ আত্মালৈ মোৰ গভীৰ শ্ৰদ্ধা নিৱেদন কৰিলো।

কলেজীয়া জীৱনৰ অনুভূতি লিখিবলৈ লওঁতেই বহুতো ভাল লগা, বেয়া লগা অনুভূতি অন্তৰত জুমুৰি দি ধৰিছেহি। কিন্তু সকলোবিলাক লিখিবলৈ মন গ'লেও পৃষ্ঠাৰ প্ৰতি গুৰুত্ব দি যৎসামান্যভাৱে অলপ লিখিলো। লিখাখিনিত হয়তো বহুতো ভুল-ত্ৰুটি হোৱাটো স্বাভাৱিক, তথাপি মনৰ অনুভূতিখিনি প্ৰকাশ কৰিলো।

এই ছেগতে শুৰালকুছি বুদৰাম-মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী কৰ্মচাৰীলৈ মোৰ সেৱা আৰু শ্ৰদ্ধা নিৱেদন কৰিলো। সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক অভিনন্দন জনাই মহাবিদ্যালয়খনিৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো। লগতে সোণালী জয়ন্তী বৰ্ষৰ অভিনন্দন জনালো।■

# অতীত-স্মৃতি সোঁৱৰণ

**চিম্পল কলিতা**
*প্ৰাক্তন ছাত্ৰী, শুংবুংমাংসং মহাবিদ্যালয়*

জয়জয়তে শুৰালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দলৈ মই মোৰ শ্ৰদ্ধা নিৱেদিছো। যেতিয়াই স্মৃতিপটত কলেজীয়া দিনবোৰে ভূমুকি মাৰে, তেতিয়াই এটি মধুৰ আৱেগে মনটো জুমুৰি মাৰি ধৰে। সঁচাই! বহুত মধুৰ আছিল সেই দিনবোৰ। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৯৪ চনত মই শুৰালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ সুযোগ লাভ কৰিছিলো। এটি নতুন পৰিৱেশত খোজ দি প্ৰথমতে ভয় ভয় লাগিছিল। কিন্তু স্কুলৰ সমনীয়াবোৰক যেতিয়া লগ পাইছিলো, তেতিয়া নতুন পৰিৱেশটো লাহে লাহে চিনাকি পৰিৱেশলৈ ৰূপান্তৰিত হৈছিল। ক্লাছৰুমৰ প্ৰথম বেঞ্চত বহাৰ বাবে দৌৰা-দৌৰি কৰাৰ কথা এতিয়াও মনত পৰে। লাহে লাহে ছাৰ-বাইদেউসকলৰ সংস্পৰ্শলৈ আহিবলৈ সক্ষম হৈছিলো। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত শ্ৰদ্ধাৰ দাস ছাৰে (চিত্তৰঞ্জন দাস) ঘোষণা কৰিছিল—'যিয়েই পৰীক্ষাত প্ৰথম বিভাগ পাব, তেওঁকেই মই পুৰস্কাৰ দিম।' ঘৰৰ তাগিদা আৰু পুৰস্কাৰৰ আশাত পঢ়াত এনেদৰে মনোনিৱেশ কৰিছিলো যে যাৰ ফলত সেই লোভনীয় পুৰস্কাৰটো পাবলৈ সক্ষম হৈছিলো। পুৰস্কাৰত আছিল এখন অভিধানসহ আন চাৰিখন কিতাপ। ১৯৯৬ চনত এই মহাবিদ্যালয়ৰপৰা দুটা বিষয়ত লেটাৰসহ প্ৰথম বিভাগ পাবলৈ সক্ষম হৈছিলো, যাৰ বাবে মই শিক্ষাগুৰুসকলৰ ওচৰত চিৰকৃতজ্ঞ। এইখিনিতে উল্লেখ নকৰি নো�ৰাৰি যে কেতিয়াবা 'তর্ক আৰু দর্শন'ৰ ক্লাছটো কৰিব নো�ৰাৰিলে খুব বেয়া লাগিছিল। ১৯৯৭ চনত এই মহাবিদ্যালয়তে ৰাজনীতি বিজ্ঞান বিষয়টো 'মেজৰ' বিষয় হিচাপে লৈ স্নাতক মহলত নামভৰ্তি কৰিছিলো। যেতিয়াই ৰাজনীতি বিজ্ঞান বিভাগৰ কথা ওলায়, তেতিয়াই দৃষ্টিপটত ভাহি উঠে শ্ৰদ্ধাৰ স্বৰ্গীয় ৰঞ্জিৎ চৌধুৰী ছাৰ, বিলাস দাস ছাৰ, মামণি বাইদেউ, যোগেশ ডেকা ছাৰৰ কথা। মনত পৰে বিলাস দাস ছাৰ আৰু যোগেশ ডেকা ছাৰৰ লগত যোৱা পিক্‌নিকৰ কথা। কিযে মনোৰম আছিল সেই দিনবোৰ!

'Youth Festival.' মনলৈ আহে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কেইটিমান মুহূর্ত। আমি কেইজনমান ছাত্ৰ-ছাত্ৰীৰ দল এটি যোগেশ ডেকা ছাৰৰ তত্ত্বাৱধানত Youth Festival -অত যোগদান কৰিছিলো। মই যোগদান কৰিছিলো তর্ক প্ৰতিযোগিতাত। তর্কৰ বিষয় আছিল—'গুৱাহাটী বিশ্ববিদ্যালয়ে লুইতৰ পাৰ জিলিকাব পৰা নাই।' প্ৰতিযোগিতাৰ আগদিনা সন্ধিয়া ডেকা ছাৰে প্ৰতিযোগিতাত কি ক'ব লাগিব, কেনেদৰে উপস্থাপন কৰিব লাগিব সেই সম্পর্কে মোক প্ৰস্তুত কৰি তুলিছিল। পুৰস্কাৰ লাভ কৰিব নোৰাৰিলেও যোগদানৰ স্মৃতিয়ে মনটো উৎসাহিত কৰি তোলে।

১৯৯৮ চন। সাধাৰণ নিৰ্বাচনৰ বাবে কলেজত প্ৰস্তুতি। লগৰবোৰে মোক জোৰ দিছিল সাধাৰণ সম্পাদক পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ। মনত অদম্য উৎসাহ। গভীৰভাৱে ভাবিবলৈ সময় নাই যে এই প্ৰতিদ্বন্দ্বিতাই পঢ়াত কিবা প্ৰভাৱ পেলাব নেকি? মাত্ৰ আনৰ উৎসাহতেই উৎসাহিত হৈ আগবাঢ়িছিলো নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ দিশে। তথাপিও মনোনয়ন পত্ৰ দাখিল কৰাৰ আগমুহূর্তত এটি ভাব আহিছিল যে এবাৰ এই ক্ষেত্ৰত শিক্ষাগুৰুসকলৰ পৰামর্শ লোৱা ভাল হ'ব। কাষ চাপিছিলো প্ৰথমতে যোগেশ ডেকা ছাৰ আৰু বিলাস দাস ছাৰৰ ওচৰত। যোগেশ দাস ছাৰে কৈছিল—'তোমাৰ আগত Part 1-অৰ ফাইনেল আছে। গতিকে যদি পঢ়াটো ঠিক ৰাখিব পাৰা, তেনেহ'লে ক'ব লগা একো নাই।' শেষত ঠিক কৰিছিলো, প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা। ভালে ভালে নিৰ্বাচন হৈ গ'ল। জয়ীও হ'লো। কিন্তু সন্মুখত এটি ডাঙৰ প্ৰশ্নবোধক—'এতিয়া কি কৰিব লাগিব?' লাহে লাহে নিজৰ পঢ়াৰ লগতে কলেজৰ কাম-কাজত মনোনিৱেশ কৰিছিলো। সাধাৰণ সম্পাদিকা হিচাপে নির্দিষ্ট কৰি যোৱা কামবোৰ সুকলমে সম্পাদন কৰিছিলো। এইখিনিতে মনত পৰে সৰস্বতী পূজাৰ কথা। এটা ডাঙৰ দায়িত্ব অর্পণ কৰা হৈছিল আমাৰ Union Bodyৰ ওপৰত। তত্ত্বাৱধায়ক হিচাপে আমাৰ লগত আছিল শৈলেন কলিতা ছাৰ। (তর্ক আৰু দর্শন বিভাগ)। দায়িত্ব এটা ফালৰপৰা এই কাৰণেই গধুৰ আছিল যে সৰস্বতী পূজাৰ নামত নির্দিষ্ট কোনো Fund নাছিল। অর্থাৎ ছাত্ৰ-ছাত্ৰীৰপৰা নামভৰ্তিৰ সময়ত কোনো সাহায্য (Festival fees) লোৱা নহৈছিল। সেয়েহে ছাত্ৰ-ছাত্ৰীৰ ঘৰে ঘৰে গৈ পূজাৰ বাবদ ৰৰঙণি সংগ্ৰহ কৰিছিলো। ঘৰে ঘৰে যাব লগা হোৱাৰ কাৰণ আছিল যে সৰস্বতী পূজাৰ আগে আগে ছাত্ৰ-ছাত্ৰীবিলাক কলেজলৈ নাহিছিল, বা আহিছিল যদিও উপস্থিতি বৰ সেৱেঙা আছিল। সমগ্ৰ পূজাখন সুকলমে চলাই নিয়াৰ ক্ষেত্ৰত শৈলেন কলিতা ছাৰৰ অৱদান অনস্বীকার্য। ছাৰে পূজাৰ দিনাখন নিজেই ধুতি-কুর্তা পিন্ধি ব্ৰাহ্মণৰ লগত বহিছিল। আমি আটায়ে নিজৰ ঘৰৰ অনুষ্ঠানৰ দৰে মনে-প্ৰাণে সকলোখিনি কৰিবলৈ চেষ্টা কৰিছিলো।

মনত পৰে 'মহাবিদ্যালয় সপ্তাহ'ৰ কথাবিলাক। বিভিন্ন অনুষ্ঠানত যোগদানৰ হেঁপাহ, ক্লাছৰুমত কৰা প্ৰস্তুতি, ছাৰ-বাইদেউৰ সহায়-সহযোগিতা—এই আটাইবোৰে আজিও মনটো উৎসাহিত আৰু উৎফুল্লিত কৰি তোলে। এটা সময়ত ইচ্ছা আছিল—বিশ্ববিদ্যালয়ৰ শিক্ষা শেষ কৰাৰ

পিছত যেন ইয়াতেই (কলেজত) কিবা এটা (শিক্ষকতা) কৰিব পাৰো। কিন্তু সকলোৱে নিয়তিক দোষ দিয়াৰ নিচিনাকৈ ময়ো মানৱ সুলভ স্বভাৱেৰে ক'ব বিচাৰিছো যে হয়তো নিয়তিৰ পৰিহাস, মই মোৰ লক্ষ্যত উপনীত হ'ব নোৱাৰিলো। বৰ্তমান মই গুৱাহাটীৰ 'নিউ গুৱাহাটী আদর্শ হাইস্কুল'ত সহকাৰী শিক্ষয়িত্রী হিচাপে কাম কৰি আছো।

সি যি নহওক, এতিয়া আকৌ এবাৰ মন যায় সেই কলেজৰ দিনবোৰলৈ উভতি যাবলৈ। নতুনকৈ নামভর্তি কৰিবলৈ। সহপাঠী আৰু শিক্ষাগুৰুসকলৰ লগত পাৰ কৰা মুহূর্তবোৰ ঘূৰাই পাবলৈ। সর্বশেষত কলেজৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মই মোৰ স্মৃতিৰ পৃষ্ঠাবোৰ সযতনে সাঁচি ৰাখিলো।■

# স্মৃতি যুগমীয়া

**মণিকান্ত কলিতা**

*প্রাক্তন ছাত্র, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

শুৱালকুছি গাঁওখন অতীজৰেপৰাই অসম প্রদেশৰ কামৰূপ জিলাৰ এখনি অতি জনবসতিপূর্ণ ঐতিহ্যমণ্ডিত ইতিহাসে গৰকা প্রকৃতিৰ ৰম্যভূমি হস্তাতাঁত বস্ত্রশিল্পৰ অতি নামী গাঁও। অকল বস্ত্রশিল্পই নহয় শিক্ষাৰ প্রতিও অতি আগ্রহী গাঁও।

অতীজৰেপৰা বিভিন্ন এল. পি, এম. ভি স্কুল চলি থকাৰ পিছত ১৯৩৯ চনত 'শুৱালকুছি ল'ৰা হাইস্কুল' নামেৰে এখন হাইস্কুল প্রতিষ্ঠিত হয়। এইখন বিদ্যালয়ে শুৱালকুছি আৰু ইয়াৰ আশে-পাশে থকা বিভিন্ন গাঁও, যেনে-বাথান, শ্রীহাটী, লাহ, বামুন্দী, বংশৰ, বৰবৰিদিয়া, হাজো, ৰামদিয়াকে ধৰি বিভিন্ন অঞ্চলৰপৰা আহি আগ্রহী ছাত্রসকলে শিক্ষা গ্রহণ কৰিছিল। ইয়াৰ পিছত জনসংখ্যাৰ হাৰ বৃদ্ধি হোৱাৰ লগে লগে অন্যান্য মাধ্যমিক শিক্ষাৰ বাবে হাইস্কুলৰ আৱশ্যকতা অনুভৱ কৰি শুৱালকুছিৰ ৰাইজে গণেশদাস হাইস্কুল, কালীৰাম কাৰিকৰ ছোৱালী হাইস্কুল, শুৱালকুছি বয়ন শিল্পী নৈশ বিদ্যালয় আৰু শুৱালকুছি বিদ্যাপীঠ হাইস্কুল প্রতিষ্ঠিত কৰাৰ উপৰিও ইংৰাজী আৰু অসমীয়া মাধ্যমৰ ব্যক্তিগত বিদ্যালয় কেইখনমানেও ৰাইজৰ সন্মান বৃদ্ধিত সহায়ক হৈছে।)

হাইস্কুলৰ শিক্ষা সাং কৰি কলেজৰ শিক্ষা লাভৰ বাবে বহু ভাল ভাল ছাত্র-ছাত্রীয়ে বিভিন্ন অসুবিধাৰ কাৰণে বাহিৰলৈ গৈ পঢ়িব নোৱৰাৰ প্রতি লক্ষ্য ৰাখি সেই সময়ৰ শুৱালকুছিৰ বয়োজ্যেষ্ঠ লোক তথা শিক্ষাৰ প্রতি অনুৰাগী লোকসকলৰ কিছুসংখ্যক লোকে শুৱালকুছিতেই এখন মহাবিদ্যালয় স্থাপনৰ সিদ্ধান্ত কৰি ১৯৬৩ চনতেই মহাবিদ্যালয় আৰম্ভ কৰাৰ প্রস্তুতি কৰি শুৱালকুছি ল'ৰা হাইস্কুলতেই গধূলিৰ ভাগত পঢ়োৱাৰ ব্যৱস্থা কৰে। এই বিষয়ত অনুৰাগী ব্যক্তিসকল আছিল ক্রমে ড° গণেশ দাস, ড° নাৰায়ণ কাকতি, হেমকান্ত দাস, ফটিক চন্দ্র দাস, মোহিনী শর্মা, অৰবিন্দ বৈশ্য, বাসুদেৱ শর্মা, ৰামচৰণ দাস, কৃষ্ণ মেধি, মৌজাদাৰ দেবেন ভড়ালী, সুৰেন ডেকা, সিদ্ধিৰাম দাস, নগেন শর্মা, শৰৎ চন্দ্র মেধি, মহিৰাম মহাজন, খর্গেশ্বৰ কলিতা, সোণাৰাম দাস, ড°দেবেন কাকতি, কেশৰ মেধি, দেবেন কলিতা, নবীন বৈশ্য, দেবেন্দ্র গোস্বামী, আদ্যনাথ চক্রৱর্তী, সুভ্রেন্দু শর্মা, ৰামেশ্বৰ দাস, দ্বাৰিকা শর্মা, দেবেন্দ্র নাথ দাস, লালমোহন দাস, মহেন্দ্র দাস, ৰামচৰণ দত্ত, সর্বানন্দ মেধি, দেবেন দাস আদি।

ওপৰত উল্লেখিত ব্যক্তিসকলৰ উপৰিও শুৱালকুছি আৰু ইয়াৰ চাৰিও দিশৰ শিক্ষাৰ প্রতি ধাউতি থকা ব্যক্তিসকলে দিনে-নিশাই শুৱালকুছিত এখন মহাবিদ্যালয় স্থাপনৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰি কৰি অৱশেষত ঈশ্বৰ শ্রীশ্রীহাটী সত্রৰ দশমজনা সত্রাধিকাৰ বাপ মাধৱ চন্দ্র মহন্তদেৱৰ লগত কলেজ স্থাপনৰ আগ্রহী ব্যক্তিসকলে কলেজ স্থাপনৰ বাবে মাটিৰ আৱশ্যকতাৰ বিষয়ে অৱগত কৰি সত্রৰপৰা কিছু জমী (মাটি) দান দিয়াৰ বিষয় আলোচনা কৰাত সত্রাধিকাৰ বাপে ভূমি দান দিয়াৰ বাবে সন্মতি প্রকাশ কৰাত ৰাইজে মহাবিদ্যালয়খন প্রথমজনা সত্রাধিকাৰ বাপ বুদৰাম আৰু দশমজনা সত্রাধিকাৰ বাপ মাধৱদেৱৰ নামত মহাবিদ্যালয়খনৰ নাম "বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়" নামেৰে সর্বসন্মতিৰে নামকৰণ কৰে।

শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়ৰ প্রথমজনা অধ্যক্ষ আছিল ড° তাৰাচৰণ ৰাষ্টোগীদেৱ। ড° ৰাষ্টোগীদেৱ ইয়াৰ পূর্বে তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ আছিল। তেজপুৰ মহাবিদ্যালয়ৰপৰা অৱসৰ গ্রহণৰ পিছত শুৱালকুছি মহাবিদ্যালয়ত প্রথমজনা অধ্যক্ষৰ দায়িত্ব গ্রহণ কৰি মহাবিদ্যালয়খনৰ গঠনমূলক সৃষ্টিৰ অৱতাৰণা কৰি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়খন এখন পূর্ণাংগ মহাবিদ্যালয়ৰ ৰূপত প্রতিষ্ঠিত কৰিবলৈ সক্ষম হয়।

১৯৬৮ চনৰ কোনোবা এদিন মাননীয় অধ্যক্ষ মহোদয় ড°ৰাষ্টোগী মহোদয়ৰ লগত সৌভাগ্যক্রমে মইসাক্ষাৎ লাভ কৰো। তেখেতে ইংৰাজী ভাষাতেই কথা-বতৰাখিনি কৈছিল আৰু ময়ো ইংৰাজীতেই তেখেতৰ লগত কথাখিনি কোৱাত মোক মাননীয় অধ্যক্ষ গৰাকীয়ে সুধিছিল— What is your educational qualification? I replied him to be Matriculate. He then expressed himself to be very sorry. Then he asked me to take admission in his S.B.M.S college and also advised me "you need not attend the classes as you are doing a service but you

must study at home regularly and I shall help you in the college what ever necessary. Simply you will pay regularly the monthly fees monthly."

সেই সময়ত অসমতো মহাবিদ্যালয়সমূহ ইংৰাজী মাধ্যমতেই চলা বাবে মাননীয় অধ্যক্ষ মহোদয়ৰ সুপৰামর্শখিনি আন্তৰিকতাৰে মানি লৈ শু: বু: মা: সত্রাধিকাৰ মহাবিদ্যালয়ত ১৯৬৯ চনত প্রাক্ বিশ্ববিদ্যালয় শ্রেণীৰ কলা শাখাত নামভর্তি কৰি এবছৰতেই উক্ত শ্রেণীৰ কৃতকার্যতা লাভ কৰিবলৈ সক্ষম হওঁ। মোৰ ফলাফলৰ বিষয় জানিব পাৰি শ্রদ্ধাৰ পৰামর্শদাতা অধ্যক্ষ ৰাষ্টোগী মহোদয়ে মোক লগ পাই পুনৰ ডিগ্রীত নামভর্তি কৰাৰ পৰামর্শ আগবঢ়োৱাত মই ডিগ্রী পঢ়িম বুলি কোৱাত তেখেতে বৰ ভাল পাইছিল।

মাননীয় অধ্যক্ষ মহোদয়ৰ পৰামর্শ অনুযায়ী ১৯৭০ চনত ডিগ্রী কলা বিভাগত নামভর্তি কৰি ১৯৭৪ চনত বি. এ পৰীক্ষাত উত্তীর্ণ হওঁ। মাননীয় অধ্যক্ষ মহোদয়ৰ সু-পৰামর্শ মানি লোৱাত ৰাষ্টোগীদেৱৰ আশীর্বাদ আৰু ভগৱানৰ দয়াত বি. এ. ডিগ্রী লাভ কৰিবলৈ সক্ষম হওঁ। এই সংক্রান্তত মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ সমন্বিতে সমূহ অধ্যাপক / অধ্যাপিকাসকললৈ মোৰ আন্তৰিক সেৱা জনাইছো।

যিহওক, ১৯৮৯/৯০ চনৰপৰা শুৱালকুছি মহাবিদ্যালয়ত বিজ্ঞান বিভাগৰ শিক্ষা আৰম্ভ হোৱাত মহাবিদ্যালয়ৰ সৌষ্ঠৱ বঢ়া আৰু উন্নত হোৱা পৰিলক্ষিত হয়। বর্তমান কলা আৰু বিজ্ঞান দুয়ো বিভাগতে মহাবিদ্যালয়খন অগ্রসৰ হোৱাত মহাবিদ্যালয়ৰ উদ্যোক্তাসকলৰ আত্মাই শান্তি পোৱাৰ উপৰিও এই বৃহত্তৰ এলেকাৰ ৰাইজৰ যথেষ্ট সহায়ক হোৱা বুলি উল্লেখ কৰিব পৰা যায়।

হে মোৰ সেৱাৰ থলী ৰাইজ, আপোনালোকে অতি ভালদৰে জানে যে শিক্ষাহে মানৱ-সমাজৰ একমাত্র অতি মূল্যৱান সম্পদ। যিয়ে মানুহক ভাল-বেয়াৰ বিষয় বুজিব পৰাৰ সম্যক জ্ঞান দিয়ে, শিক্ষিত মানুহেহে দেশ সেৱা কৰিব পাৰে, ভাল দিহা-পৰামর্শ আগবঢ়াব পাৰে, ভাল সমাজ গঠন কৰি দেশৰ উন্নতি সাধিব পাৰে আৰু তেতিয়াহে দেশ মহান হ'ব।

দেশৰ উন্নতি সাধিবলৈ হ'লে অন্যান্য উন্নত দেশসমূহৰ লগত সকলো ক্ষেত্রতে যোগাযোগ ৰাখিব পাৰিব লাগিব। তেনে ক্ষেত্রত শিক্ষাৰ অতি প্রয়োজন, কিয়নো বিভিন্ন উন্নত দেশসমূহত প্রচলিত বিভিন্ন ভাষা, শিক্ষা সম্পর্কে কিছু অভিজ্ঞতা অর্জন কৰিব পাৰিব লাগিব তেতিয়াহে তেনে উন্নত দেশসমূহৰ লগত যোগাযোগ সম্ভৱ হ'ব আৰু তেনে উন্নত দেশসমূহৰ বিভিন্ন উন্নয়নমূলক আঁচনি আমাৰ দেশতো প্রচলিত কৰিব পাৰিলেহে আমাৰ দেশো উন্নতিৰ পথত অগ্রসৰ হ'ব পাৰিব।

সদৌশেষত মই সমূহ অধ্যক্ষ, অধ্যাপক, অধ্যাপিকালৈ মোৰ হিয়া ভৰা আন্তৰিক সেৱা আৰু শুভেচ্ছা জনাইছো। তেখেতসকলৰ যত্ন আৰু চেষ্টাৰ ফলতহে উঠি অহা ছাত্র-ছাত্রীসকল দেশৰ সুনাগৰিক হ'ব আৰু তেতিয়াহে আমাৰ দেশৰ ভৱিষ্যৎ আশাব্যঞ্জক হ'ব বুলি কামনা কৰিব পৰা যাব।

ইংৰাজীত এষাৰ কথা পঢ়া মনত পৰে যে— "Students of today will be the citizens of tomorrow." ■

# শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল ইতিহাসৰ এক অনুভৱ

**হেমেন্দ্র নাথ বৈশ্য**

*প্রাক্তন ছাত্র, শুঃবুঃ মাঃ সঃ মহাবিদ্যালয়*

'মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ'—এই সত্য বাক্যশাৰীৰ অনুভৱ উপলব্ধি কৰিছো পঞ্চাছ বছৰ পিছতো। দুজন সাধু-সন্ত, সত্রাধিকাৰৰ মহানুভৱতা আৰু বদান্যতাতেই বস্ত্রনগৰী শুৱালকুছিত জন্ম হ'ল এখন উচ্চ শিক্ষাৰ অনুষ্ঠান। শুৱালকুছি হাইস্কুলৰপৰা সময়ৰ অগ্রগতিত পক্ষীৰাজ ঘোঁৰাত উঠি আহি পালেহি দুজনা দাতাকর্ণৰ মানস ভূমিডোখৰত। শুৱালকুছিৰ সাহসী, উদ্যমী, জ্ঞানী-গুণী ব্যক্তিসকলৰদ্বাৰা অনুপ্রণিত হৈ পূর্ণ পর্যায়ৰ কলেজ এখন পাবলৈ সক্ষম হ'ল বৃহত্তৰ অঞ্চলৰ ৰাইজে। গুৱাহাটীৰ বিভিন্ন মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্র-ছাত্রীসকলেও জন্মভূমিৰ স্বার্থত শুৱালকুছি মহাবিদ্যালয়ত ভর্তি হ'ল। আনকি কলেজখনৰ স্বার্থত বাহিৰত কর্মৰত শিক্ষাগুৰু দুই-চাৰিজনেও আহি শিক্ষা দান কৰিলে নিজৰ কলেজত। প্রথম বি এ পৰীক্ষা দিবলৈ আমি সাজু হ'লো। আমাৰ উদ্যমী মন। কলেজৰ সন্মান আমি ৰাখিবই লাগিব। কটন মহাবিদ্যালয়ৰপৰা বি এ চূড়ান্ত পৰীক্ষা দিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ে অনুমতি দিলে। আমি গুৱাহাটীলৈ গৈ কটনৰ ডি এছ হোষ্টেলত থাকি পৰীক্ষা দিলো। প্রথম বি এ দিয়া দলটো ভাল উত্তীর্ণৰ হাৰ লৈ বি এ পাছ কৰিলো। আমি উচ্চ শিক্ষাৰ বাবে এম এ পঢ়িবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ত আসনো পালো। এয়ে প্রমাণ কৰিলে শুৱালকুছি মহাবিদ্যালয়ৰ শিক্ষাৰ মান। 'যি মূলা বাঢ়িব দুপাততে চিন' বোলা কথাষাৰ শুৱালকুছিৰ ৰাইজে হৃদয়ংগম কৰিলে। অবুজ আনন্দত ৰাইজে নিজকে ধন্য মানিলে। ইতিমধ্যে সাক্ষী হৈ ৰ'ল বস্ত্রনগৰী শুৱালকুছিৰপৰা প্রথম এটি দলে গ্রেজুৱেশ্যন পালে।

শিক্ষাৰ উপৰি কলেজখনৰ ছাত্র-ছাত্রীসকলে পাৰদর্শিতা দেখুৱাইছিল সামাজিক, সাংস্কৃতিক দিশত। কলেজ সপ্তাহৰ প্রথম ছাত্র

একতা সভাই ইয়াৰ প্ৰমাণ দিলে। ক্ৰীড়াত উন্নত মানৰ প্ৰদৰ্শন, ৰগীত, লোকগীত, সু-গায়ক-গায়িকাৰ আত্মপ্ৰকাশ, নাটকত ভাল নাট্যকাৰ, অভিনেতাৰ সু-অভিনয়ে ৰাইজৰপৰা ভূয়সী প্ৰশংসা পাইছিল। বহু মহাবিদ্যালয়ত অধ্যাপনা কৰি অহা তেতিয়াৰ প্ৰথম আৰু প্ৰতিষ্ঠাপক অধ্যক্ষ ড° তাৰাচৰণ ৰাস্তোগীৰ মুখেৰেই প্ৰকাশ হৈছিল কলেজ সপ্তাহৰ ভাষণত 'Students of our S. B. M. S Collage are very smart in sports, Lok-geet, Bargeet, Debate and Drama with social activities. All performances are brilliant.'■

# স্মৃতিৰ এখিলা পাত

**লক্ষ্মী দেৱী**

*প্ৰাক্তন ছাত্ৰী, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

২০০৪ চনত অসমীয়া বিষয়ক গুৰু বিষয় হিচাপে লৈ স্নাতক ডিগ্ৰীৰ বাবে শুৰালকুছি বুদৰাম মাধৰ সত্ৰাধিকাৰ মহাবিদ্যালয়ত নামভৰ্তি কৰো। দিন বাগৰি যোৱাৰ লগে লগে মহাবিদ্যালয়ত সকলোৰে লগত গঢ়ি উঠে এক আত্মীয়তা। এই আত্মীয়তাই আজিও মোক নষ্টালজিক কৰি তোলে।

মহাবিদ্যালয়খনত কটোৱা সময়খিনি আজিও মোৰ কাৰণে সজীৱ আৰু জীপাল। শ্ৰেণীকোঠাৰ পাঠগ্ৰহণৰ সময়ত বন্ধু-বান্ধৱী আৰু ছাৰসকলৰ লগত কটোৱা মধুৰ ঘটনাবোৰে মোৰ মণিকোঠাত কেতিয়া গুণ গুণাবলৈ ধৰে মই গমেই নাপাওঁ। কলেজীয়া জীৱনৰ এই মধুৰ সময়খিনিৰ দুই-এটা কথা সকলোৰে আগত ব্যক্ত কৰিব ওলাইছো—

স্নাতক দ্বিতীয় বৰ্ষত শিক্ষক দিৱস অৰ্থাৎ ৫ ছেপ্টেম্বৰৰ দিনটো পৰিছিল কোনোবা এটা বন্ধৰ দিনত। তাৰ আগদিনাও মই ক্লাছলৈ যোৱা নাছিলো। শিক্ষক দিৱস হিচাপে ৰাতিপুৱা ৮ বজাত মই গৈছিলো অতুল চন্দ্ৰ দাস ছাৰৰ ঘৰলৈ। মোৰ লগতে আৰু কেইজনীমান বান্ধৱী আছিল। ছাৰৰ ঘৰত ছাৰক শিক্ষক দিৱসৰ শুভেচ্ছা দি থাকোতে ছাৰে ক'লে— 'ঠিক আছে আজি কলেজত মহাপুৰুষ শংকৰদেৱৰ তিথি উপলক্ষে কুইজ প্ৰতিযোগিতা আছে। তোমালোকে ইয়াৰপৰা গৈ তাত যোগদান কৰিবা।' মই হঠাৎ কুইজ প্ৰতিযোগিতাত যোগদান কৰিবলৈ কোৱাত ভয় খালো। অৱশ্যে শিক্ষক দিৱসৰ দিনা ছাৰৰ কথা পেলাবলৈ মন নগ'ল। কলেজলৈ আহি লগত সহযোগী এজনী লৈ মই কুইজ প্ৰতিযোগিতাত যোগদান কৰিলো। প্ৰতিযোগিতাৰ অন্তত ফলাফল ঘোষণা কৰাত আমি তৃতীয় স্থান লাভ কৰো। তৰ্ক প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, কবিতা আবৃত্তি আদি বিভিন্ন ধৰণৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পুৰস্কাৰ পাওঁ যদিও আকস্মিকভাৱে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পোৱা ফলাফলৰ আনন্দ কিছু পৃথক।

স্নাতক তৃতীয় বৰ্ষত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত উপ-সভাপতি পদৰ বাবে মুকেশৰ বিপৰীতে মোক বহুতে উঠিবলৈ কোৱা কথাটো ভাবিও কেতিয়াবা মোৰ বহুত ভাল লাগে। কাৰণ নিৰ্বাচনৰ বাবে মোক সকলোৱে হেঁচা দিয়াত প্ৰতিফলিত হৈছিল মোৰ প্ৰতি থকা তেওঁলোকৰ ভালপোৱা আৰু বিশ্বাস। অৱশ্যে মোৰ অধ্যয়নৰ কাম-কাজত মনোযোগ হেৰাই যাব বুলিয়েই মই এই কাৰ্যৰপৰা নিজকে বিৰত ৰাখিছিলো। ইয়াৰ উপৰিও ঋতুপৰ্ণ দাস ছাৰৰ লগত বামুন্দীৰ লাহেশ্বৰী পামত জেউতি, পিংকী, হিমাদ্ৰীহঁতৰ সৈতে বনভোজ খাবলৈ যোৱা, চিত্তৰঞ্জন দাস ছাৰৰ লগত কলেজ কেণ্টিনত বহি বিনা পইচাত চাহ খোৱা আদি ক'ত যে কিমান কথা।

এনেদৰেই হাঁহি-ধেমালিৰে শুৰালকুছি বুদৰাম মাধৰ সত্ৰাধিকাৰ মহাবিদ্যালয়ত মোৰ অধ্যয়নৰ কাম-কাজ আগবাঢ়ি গৈছিল। যদিও মই অসমীয়া বিভাগৰ ছাত্ৰী আছিলো তথাপি সকলো বিভাগৰ ছাৰ-বাইদেউসকলৰ লগত মোৰ আছিল অতি ঘনিষ্ঠতা। মহাবিদ্যালয়ত প্ৰতিবছৰে অনুষ্ঠিত হোৱা নৱাগত আদৰণী সভা আৰু অসমীয়া বিভাগত অনুষ্ঠিত হোৱা মেজৰ পাঠ্যক্ৰমৰ নৱাগত আদৰণী সভাৰ কামবোৰ কৰি কৰি কেতিয়া মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰীৰ শাৰীত উঠিলো ধৰিবই নোৱাৰিলো।

প্ৰতিভা সকলোৰে থাকে কিন্তু এই প্ৰতিভা প্ৰকাশৰ বাবে এখন সঠিক আৰু উপযুক্ত মঞ্চৰ দৰকাৰ হয়। শুৰালকুছি বুদৰাম মাধৰ সত্ৰাধিকাৰ মহাবিদ্যালয় হ'ল এনেকুৱা প্ৰতিভা প্ৰকাশৰ বাবে এখন উপযুক্ত মঞ্চ। সৰুৰেপৰা সঁচা কথা কৈ ভালপোৱা আৰু প্ৰতিটো কথা আৰু কামৰ যথাযথ উত্তৰ-প্ৰত্যুত্তৰ দি ভালপোৱা মই অনুভৱ কৰিছিলো হয়তো মোৰ হাতত কোনো দিনেই বিকাশ নঘটিব সৃষ্টিশীল সাহিত্যৰ। এই ভাব মনত লৈ মই বিৰত আছিলো অনুভূতিপ্ৰৱণ সৃষ্টিশীল ৰচনাৰপৰা। কিন্তু মোৰ মনৰ এই ভাব ভুল বুলি প্ৰমাণিত কৰিলে এই মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক নিহৰৰঞ্জন ছাৰে। অধ্যয়ন চ'ৰাৰপৰা অনুষ্ঠিত হোৱা চুটিগল্প কৰ্মশালাত অংশ গ্ৰহণ কৰি চুটিগল্প লিখাৰ বাবে প্ৰস্তুতিবদ্ধ কৰিছিল ছাৰে। কিন্তু নিয়মীয়া সময়ৰ ভিতৰত কোনো অনুভূতি মনলৈ নহাত মই লিখিব নোৱাৰিম বুলি ছাৰক জনালো। তেতিয়া ছাৰে মোক কৈছিল— 'কিয় নোৱাৰিবা তুমি,

তোমাৰ কাৰণে মই আৰু ১০ দিন বঢ়াই দিছো।' মোৰ প্ৰতি ছাৰৰ দৃঢ় বিশ্বাস দেখি মই আচৰিত হৈ মনতে ভাবিলো ছাৰে মোতকৈয়ো মোক ভালকৈ বুজিছেনে। ছাৰৰ বিশ্বাসক হাতত তুলি লৈ লাহে লাহে আৰম্ভ কৰিছিলো এটা গল্প লিখাৰ আৰু জন্ম দিছিলো 'পুৰস্কাৰ' নামৰ গল্পটোক। বিচাৰকৰ বিচাৰত এই গল্পটোৱে মোক দিছিল প্ৰতিযোগিতাখনিৰ প্ৰথম পুৰস্কাৰ।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰৰ প্ৰসংগপুথি অধ্যয়ন কোঠাত ছাৰ-বাইদেউসকলৰ লগত মুখামুখি হ'লেই মনত পৰে সেই সোণালী দিনবোৰৰ আকুলতালৈ। এই মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী হিচাপে বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ নেট পৰীক্ষাত উত্তীৰ্ণ হৈ JRF হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত যোগদান কৰিবলৈ পাই আনন্দ অনুভৱ কৰো। এই মহাবিদ্যালয়খনে সোণালী জয়ন্তী বৰ্ষত ভৰি দিয়াত অতি আনন্দিত হৈছো। সৰ্বশেষত সকলোলৈকে মোৰ নমস্কাৰ জনাই মহাবিদ্যালয়খনৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ এই লেখাৰ সামৰণি মাৰিছো।

জয়তু শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়।■

# মোৰ কলেজীয়া জীৱনৰ সোণোৱালী অনুভৱ

**ৰূপক বৈশ্য**

*স্নাতক তৃতীয় বৰ্ষ, শুঃবুঃমাঃসঃ মহাবিদ্যালয়*

'কলেজ'—এই শব্দটিয়ে মোক হাঁহি আৰু কান্দোনৰ জগতখন আকৌ এবাৰ মনত পেলাই দিয়ে, আকৌ সেই পৰিৱেশটিলৈ উভতি যাবলৈ মন যায়। এদিন ৰাতিপুৱা প্ৰায় ছয় মান বজাতে শুই উঠি মই মোৰ কলেজীয়া জীৱনৰ সোণোৱালী অনুভৱ তথা স্মৃতিবোৰৰ বিষয়ে লিখিবলৈ পাতনি মেলিছিলো। মোৰ কলেজীয়া জীৱনত ঘটি যোৱা সৰু-ডাঙৰ সকলোবোৰ মধুৰ স্মৃতি মোৰ এই লিখনিৰ জৰিয়তে অন্তৰ্ভুক্ত কৰিলো। সাধাৰণতে মহাবিদ্যালয়বোৰত নৱাগত ছাত্ৰ-ছাত্ৰীসকল আহিলে প্ৰথম দিনটোতে মহাবিদ্যালয়ৰ জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰীসকলে দুৱাৰডলিতে আদৰণি জনায়, কিন্তু মোক আদৰণি জনাইছিল এজাক কিনকিনীয়া বৰষুণে। কলেজীয়া জীৱনৰ প্ৰথম দিনটোতে মোৰ এটা তিতা অভিজ্ঞতা হৈছিল। মহাবিদ্যালয়ত প্ৰৱেশ কৰিয়ে মই বিজ্ঞান বিভাগৰ ৰসায়ন বিজ্ঞান বিষয়ৰ কোঠাটিত গৈ বহি ক্লাছ হ'ব বুলি ৰৈ আছিলো। অলপ পিছত যেতিয়া ছাত্ৰ-ছাত্ৰীসকল ক্লাছ কৰিবলৈ আহে মোক সুধিছিল মই বিজ্ঞান শাখাৰ নে কলা শাখাৰ? যেতিয়া মই ক'লো কলা শাখা বুলি তেতিয়া মোক এগৰাকী বাইদেৱে Hall 1-ত থৈ আহিছিল। পিছতহে কথাটো উপলব্ধি কৰি বহুত হাঁহিছিলো। আনহাতে, কলেজীয়া জীৱনৰ প্ৰথম দিনটোতে মই মোৰ হাতঘড়ী আৰু মই লগত নিয়া ছাতিটো হেৰুৱাইছিলো, কোনোবাই চুৰ কৰি নিছিল। তাৰ পিছত মই বস্তু দুটা বিচাৰি নাপাই বহুত কান্দিছিলো। সেই কথা মনত পৰিলে আজিও দুখ লাগে। বিদ্যালয় এখনৰপৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত নামভৰ্তি কৰি বহুত আনন্দিত হৈছিলো। এনে এখন মহাবিদ্যালয়ত পাঁচ বছৰ শিক্ষা লাভ কৰি মই মোৰ আন এটি জীৱন গঢ়িব পাৰিছো। মোৰ এই মহাবিদ্যালয়খনৰ শ্ৰেণীগৃহ, পুথিভঁৰাল আদিৰ লগত নলে-গলে লগা বন্ধুৰ নিচিনা হৈ পৰিছিলো। মই মোৰ কলেজীয়া জীৱনত যিসকল পূজনীয় ছাৰ-বাইদেউৰ সান্নিধ্য লাভ কৰিছো তেওঁলোকৰ অকৃত্ৰিম সাহচৰ্যৰ কথা ক'বলৈ গ'লে তাক ভাষাৰে প্ৰকাশ কৰাটো দুৰূহ। ছাৰ-বাইদেউসকলে পঢ়া-শুনা, খেলা-ধূলা, কবিতা আবৃত্তি কৰা আদি সকলো ক্ষেত্ৰতে আমাক উৎসাহিত কৰিছিল। কলেজত নামভৰ্তি কৰি প্ৰথম বৰ্ষতে সকলোৱে মাজত চিনাকি হৈ পৰিম বুলি ভৱা নাছিলো। আমাৰ ছিনিয়ৰ দাদা-বাইদেউসকলে তেওঁলোকৰ সংগত মোক বিভিন্ন শৈক্ষিক আৰু সাংস্কৃতিক কাৰ্যক্ৰমত অন্তৰ্ভুক্ত কৰিছিল, য'ত বহুতো কথা শিকিবলৈ পাইছিলো। মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা প্ৰত্যেকটো অনুষ্ঠান, যেনে— সৰস্বতী পূজা, নৱাগত আদৰণী সভা, মহাবিদ্যালয় সপ্তাহ আৰু বিভিন্ন আলোচনা সভাত নিজকে জড়িত কৰিবলৈ বহুত সুখী হৈছিলো। মহাবিদ্যালয়খনৰ শিলিখাজোপাৰ তলত আড্ডা দিয়াৰ কথা এবাৰ হ'লেও মনত পেলাবই লাগিব, নহ'লে কলেজীয়া জীৱনৰ স্মৃতি-চয়ন আধৰুৱা হৈ ৰ'ব। শিলিখাজোপাৰ তলত বহি বন্ধু-বান্ধৱীসকলৰ সৈতে আড্ডা দিয়া, কথা পতা আদি স্মৃতিয়ে এতিয়াও আমনি কৰে। মই মহাবিদ্যালয়খনৰ প্ৰত্যেকজন ছাৰ-বাইদেউকে সন্মান জনাইছিলো আৰু বৰ্তমানেও তেওঁলোকক শ্ৰদ্ধা জনাই আহিছো। বিভিন্ন ধৰণৰ প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ হৈ প্ৰতিদ্বন্দ্বিতাত নামিছিলো। যেনে— গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱ, আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা, আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতা আদি। মহাবিদ্যালয়খনত পাঁচ বছৰ অধ্যয়ন কৰি বহুত কথা শিকিবলৈ পাৰিছো। বিশেষকৈ মহাবিদ্যালয়খন আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ছাৰ-বাইদেউসকলৰ উপৰিও শ্ৰদ্ধাৰ অধ্যক্ষসকল আৰু কৰ্মচাৰীসকলৰ কথা নোকোৱাকৈ থাকিব নোৱাৰি। মই তেখেতসকলৰ শলাগ লৈছো। মহাবিদ্যালয়খনৰ এজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হৈছে প্ৰায় বৃদ্ধ অৱস্থাত উপনীত হোৱা প্ৰকাশ দা, তেওঁৰ চাহ কাপৰ সোৱাদ নল'লে দিনটো নেযায় যেন লাগে। মহাবিদ্যালয়খনত ছাত্ৰ একতা সভাৰ সহ-সম্পাদক আৰু তৰ্ক সম্পাদক হ'লো। মহাবিদ্যালয়খনৰ প্ৰতি কৰিবলগীয়া বহুত কাম ৰৈ

গ'ল কিন্তু যিখিনি পাৰো সেইখিনি কাম মহাবিদ্যালয়খনৰ বাবে কৰি থৈ আহিছো। ১৯৫৩ চনত স্থাপিত হোৱা এই মহাবিদ্যালয়খনে পঞ্চাছ বছৰত ভৰি থৈ সোণালী জয়ন্তী পাৰ কৰিলে, এনে এখন মহাবিদ্যালয়ৰ শ্রেণীকোঠাত বহি পাঠদান কৰিবলৈ পাই নিজকে গৌৰৱবোধ কৰিছো। ক'বলগীয়া বহুত কথায়ে থাকে কিন্তু কিছুমান অনুভৱ কথাৰে কৈ শেষ কৰিব নোৱাৰি। মহাবিদ্যালয়খনত কিছুমান অভাৱো মোৰ পৰিলক্ষিত হৈছে। মহাবিদ্যালয়খনৰ চাৰিসীমা এটি নাই বাবে বিভিন্ন সমস্যাৰ সৃষ্টি হৈ আহিছে। আনহাতে, অতিকৈ প্রয়োজনীয় বস্তু এবিধ হৈছে এখন খেলপথাৰ, মহাবিদ্যালয়ৰ এটি ছাত্রৰ দলে বিভিন্ন ক্রীড়া প্রতিযোগিতাত মহাবিদ্যালয়ৰ হৈ যোগদান কৰি আহিছে যদিও এখন নিজা খেলপথাৰ নাই বাবে ছাত্র-ছাত্রীসকলে অনুশীলন কৰাৰ সুবিধা নাপায়। মহাবিদ্যালয়খনৰ প্রতি মোৰ সদায় মৰম থাকিব। মহাবিদ্যালয়খনৰ প্রত্যেকটো কামতে ভৱিষ্যতে সহায়ৰ হাত আগবঢ়াম। মই মোৰ কলেজীয়া জীৱনত প্রত্যেকটি বিষয় অধ্যয়ন কৰিছো যদিও অসমীয়া বিষয়টিয়ে মোক এক সুকীয়া আমেজ দিয়ে। মই প্রথমদিনা অসমীয়া বিষয়ৰে মোৰ কলেজীয়া জীৱনৰ সর্বপ্রথম ক্লাছটো আৰম্ভ কৰিছিলো, পাঠদান কৰিছিল শ্রদ্ধাৰ শিক্ষাগুৰু ড° চিত্তৰঞ্জন দাস ছাৰে, তেওঁৰ কথা কোৱাৰ ভাব-ভংগীতে ভাবিছিলো যে ব'র্ডত কিয় একো লিখি নিদিয়ে তেওঁ যে ইমানবোৰ ল'ৰা-ছোৱালীক চিঞৰি চিঞৰি বুজাই আছে, পিছতহে বুজি পালো যে কলেজত পাঠদানবোৰ এনেকৈয়ে হয়। তাৰ পিছতে ছাৰসকলে কৈ থকা কথাবোৰ বহীত টুকি লৈ ঘৰত ভালদৰে লিখি লওঁ আৰু এটা প্রশ্নৰ উত্তৰ হৈ যায়।

বৰ স্ফূর্তিৰ দিন কলেজীয়া জীৱন। শেষত মহাবিদ্যালয়খনৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলো, এই মহাবিদ্যালয়খনৰপৰা যাতে বহু ছাত্র-ছাত্রী বাহিৰলৈ ওলাই গৈ সাফল্য বুটলিব পাৰে তাৰে কামনা কৰিলো। অনুভৱবোৰ লিখোতে যদি মোৰ কিবা ভুল-ত্রুটি হৈছে মার্জনা কৰিব।■

# অনুভৱৰ পানচে

**পূৰৰী ভৰালী**

*প্রাক্তন ছাত্রী, শুংবুংমাংসং মহাবিদ্যালয়*

১৯৯৬ চনত যেতিয়া হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰো তেতিয়া আন দহজন ছাত্র-ছাত্রীৰ দৰে মই ভবা নাছিলো গাঁৱৰপৰা গৈ গুৱাহাটীত পঢ়াৰ কথা। মই সদায় দশম শ্রেণীৰ শ্রেণীকোঠাৰ খিৰিকীৰে কলেজখনলৈ এবাৰ হ'লেও চাইছিলো আৰু ভাবিছিলো, কিবা যদি হ'ব লগা আছে গাঁৱৰ কলেজত পঢ়িও হ'ব পাৰিম। সেই সংকল্পকে মনত লৈ এদিন মই নামভর্তি কৰিছিলো শুৱালকুছি বুদৰাম মাধৱ সত্রাধিকাৰ মহাবিদ্যালয়ত। পিছত তাৰপৰাই ১৯৯৮ চনত মই উচ্চতৰ মাধ্যমিক পৰীক্ষা পাছ কৰো। বহু ছাত্র-ছাত্রীয়ে উচ্চতৰ মাধ্যমিক পৰীক্ষা পাছ কৰি ডিগ্রী পঢ়িবলৈ গুৱাহাটীলৈ যায়। মই কিন্তু নগ'লো। একেখন কলেজতে মই ডিগ্রীত নামভর্তি কৰো আৰু অর্থনীতি বিজ্ঞানত অনার্ছ লওঁ। পিছত ২০০১ চনত মই অনার্ছসহ ডিগ্রী লাভ কৰো। সঁচাকৈয়ে কলেজত পঢ়া সময়খিনিত মোৰ ক্ষন্তেকৰ বাবেও অনুভৱ হোৱা নাছিল মই যে আমাৰ গাঁৱৰ স্থানীয় কলেজত পঢ়িছো। ছাৰ-বাইদেউসকলে আমাৰ পঢ়া-শুনাক লৈ যিমান ছিৰিয়াছ আছিল হয়তো বহু নামী-দামী কলেজতো তেনেকুৱা ৰূপ দেখিবলৈ পোৱা নাযায়। তেওঁলোকৰ মৰম আৰু অকৃত্রিম আশীর্বাদৰ বাবেই যেন জীৱনত সফলতাৰ মুখ দেখা পাইছো, আজিও ভাবিলে মোৰ তেনেকুৱা লাগে। ইয়াৰ লগে লগে মনত পৰে একেলগে পঢ়া বন্ধু-বান্ধৱীবোৰৰ কথা। তেওঁলোকৰ লগত লাইব্রেৰী আৰু জিৰণিকোঠাত কটোৱা মুহূর্তবোৰৰ কথা ভাবিলে আজিও মনত কিবা এটা হেৰোৱাৰ বিষাদেৰে ভৰি পৰে। কেতিয়াবা বাছত, কেতিয়াবা কোনোবা মেলাত, বিহুৱে-উৎসৱে বাটে-ঘাটে, পুৰণি বন্ধু-বান্ধৱ আৰু ছাৰ-বাইদেউসকলক লগ পালে মনত পৰে কলেজীয়া দিনবোৰলৈ। কেনে মধুৰ আছিল সেই দিনবোৰ। সময়বোৰ কেৱল গৈ থাকে, গৈ থাকে পঢ়া, হাঁহি-খিকিন্দালি আদিৰ মাজেৰে। আন কথাই তেতিয়া আৰু আমনি নকৰে। ভাবিবলৈ যেন সময় নাই। কলেজৰপৰা আহি পিছদিনা কলেজলৈ কেতিয়া যাম, কি পিন্ধি যাম, কাৰ লগত কি কথা পাতিম যেন সেইবোৰেই মনৰ খেয়ালত দৌৰি ফুৰে। শেষ যেন নহয় পঢ়াৰ, বন্ধু-বান্ধৱীৰ স'তে কথা পতাৰ। সেই পাৰ হৈ যোৱা মুহূর্তবোৰ আৰু কোনো দিনেই উভতি নাহে। কেনে লাগে ভাবিলে। অৱশ্যে উভতি নাহিলেও পাৰ হৈ যোৱা সকলো কথাই মোৰ মনৰ মাজত সঞ্চিত হৈ থাকিব। নথকা হ'লে হয়তো সোণালী জয়ন্তী বর্ষত মোৰ পঢ়ি অহা কলেজখনৰ বিষয়ে কিবা এটা ভাবোতে সকলো কথা আকৌ এবাৰ মনৰ মাজত জল জল পট পট হৈ নপৰিলহেঁতেন। মোৰ পুৰণি বন্ধু-বান্ধৱীসকললৈ মনত পৰাৰ দৰে, ছাৰ-বাইদেউসকললৈ মনত পৰাৰ দৰে কলেজীয়া জীৱনলৈ মনত পৰোতে মোৰ লাইব্রেৰীৰ পুৰণি কিতাপৰ গোন্ধটোও আজি মনত পৰিছে। হয়তো সেই গোন্ধটোও মই জীৱনত এজন সঁচা বন্ধুৰ দৰেই মনত ৰাখিম চিৰদিনলৈ। শেষত মই পঢ়ি অহা কলেজখনলৈ সশ্রদ্ধে প্রণাম যাচিলো।■

# HIGHER EDUCATION IN NORTHEAST INDIA

**Krishna G Bhattacharyya**

The latest ranking of the top universities across the world, carried out by the Times Higher Education Supplement (THES), has none of the Indian Universities and institutions in the top 200. This has been the case in earlier years too. Why we have failed to make the grade? The reason is clear if we look at the ranking criteria. THES employ 13 separate performance indicators that capture the full range of university activities, from teaching to research to knowledge transfer. The 13 elements fall into five main categories: the Teaching-learning environment (30 per cent of the overall ranking score), Research output-input with respect to volume, income and reputation (30 per cent), Citations that describes the research influence (30 per cent), Industry income generated through innovations and inventions (2.5 per cent) and International outlook as reflected in number of faculty and students from other countries in staff, students and research (7.5 per cent). The reputation of a University is built over a long time through sustained good work by faculty, students and administration and it is very difficult to come near the pedestal at which stands institutions like Cambridge, Oxford, Harvard, MIT, CALTEC, etc.. But, are we trying? The second and third criteria (Research and Citations) together carry 60% of the total weightage and both are related to performance in research. Failure of the Indian Universities to find a place in the top 200 reflects two basic weaknesses - research in the Universities is far behind the level of the top 200 when it comes to volume, total income generated from research funding and the overall reputation about the quality of research. More importantly, the research carried out in the Universities and other Institutions like the IITs have failed to make any impact on the world of science and technology. We have a poor record in citations. Indian institutions have not helped industry and commerce in the country in a big way and they have few international collaborating works. Inbreeding is rampant in our Universities and Colleges and they have not developed the right kind of learning and research environment to attract teachers and students from abroad.

The other ranking system "QS World University Ranking" is also based on similar criteria. Highest emphasis is given to academic reputation of an institution (weightage 40 percentage). The other areas are (i) reputation of the institution as seen by the potential employers (10 per cent), (ii) Faculty/student ratio (20 per cent) being the most globally available and accessible measure of commitment to teaching, (iii) citations per faculty (20 per cent), (iv) international/national faculty ratio (5 per cent) and (v) international/national student ratio (5 per cent). We are nowhere in all the quality criteria.

In both quantitative and qualitative improvement, the activities in our Universities and Colleges do not stand global scrutiny. For example, whatever research we do in India is confined to the university campuses. The Colleges (more than 31,000) contribute very little, many of the College teachers do their PhDs as a professional requirement and that is the end of research for them. Recently there have been some positive signs that some of the teachers have turned to research as an activity along with teaching. Still we can hardly match the Universities in America, Europe, China, Japan, etc., with respect to the volume of research. With respect to quality, we are still way behind.

The rankings establish one important aspect: research is a major element of Higher Education and without it, any institution cannot claim to be of world standard. Europe has realized this as it is not happy

with more American Universities finding place in the rankings than European Universities. In February 2005, the European Union Academic Council for Doctoral Education (EUA CDE) met at Salzburg and realized that the core component of doctoral training should be the advancement of knowledge through original research. Majority of the research problems in India (for that matter, in NE India too) cannot be described as 'original'. For many universities doctoral programmes are not embedded in the institutional mission and in their strategies for development and policies. In fact, many universities do not have a long-term research strategy and have not cared to develop an appropriate and strong research environment in campus as well as in the colleges. This is not a part of the University's planning for the future. Research problems may be widely diverse, but each one of them should have a clear vision assuring quality. The crucial role of supervision and assessment of doctoral programmes has not been realized in many institutions. European and American universities have adopted the multiple supervision system where a doctoral student is supervised by several professors instead of a single one. Such a system leads to transparency, thorough scrutiny of the progress and ensures quality. The doctoral student is never alone, he works in a team and sometimes in different research environment. Multiple supervision may work across disciplines and this leads to imbibing an inter-disciplinary approach in research. Ideally, a doctoral student should have sufficient mobility to work in different institutions for his PhD that will make him better equipped with respect to understanding of the research problem and also the technological aspects of the same. We do not realize this in this region; we keep everything under the hush-hush situation confined to the guide and the student till the thesis is submitted.

Another important point is that getting a doctorate from an American or European university is much more difficult than from an Indian university. A Ph.D student from those universities understands how to create and interpret new knowledge, through original research which satisfies very rigorous peer review and extends the forefront of the discipline. He is capable of a systematic acquisition and understanding of a substantial body of knowledge which is at the forefront of an academic discipline and he has the general ability to conceptualize, design and implement a project for the generation of new knowledge. He must also have a detailed understanding of applicable techniques for research and advanced academic enquiry. Our PhD students hardly meet these requirements.

European universities specify that a PhD holder should be able to make informed judgments on complex issues in specialized fields, often in the absence of complete data, and be able to communicate their ideas and conclusions clearly and effectively to specialist and non-specialist audiences. PhD is not the end of the road, but he should continue to undertake pure and/or applied research and development at an advanced level, contributing substantially to the development of new techniques, ideas, or approaches. He should also have the qualities and transferable skills necessary for employment requiring the exercise of personal responsibility and largely autonomous initiative in complex and unpredictable situations, in professional or equivalent environments. Do we think of these things in our Universities and Colleges?

The EUA-CDE through Salzburg Il (October 2010) resolved that "the goal of doctoral education is to cultivate the research mindset, to nurture flexibility of thought, creativity and intellectual autonomy through a concrete research project. It is the practice of research that makes this mindset. lt cannot be taught." ln India, the National Knowledge Commission has talked about strengthening research in Indian universities, but there is a feeling that the Commission has failed to penetrate into the deep malaise that has plagued quality of higher education in general and research in particular in majority of our institutions. It talked a lot about quantitative expansion, but did not do enough for quality. Some reforms have been recently introduced to regulate admission into PhD programme, to make course work mandatory and to streamline the assessment process. However, private universities have been doing everything possible to defeat these reforms and the University Grants Commission has failed to develop an effective monitoring mechanism. You can get PhD guideship overnight if you can spend some money and you can get your PhD by spending a substantial

sum even without visiting these institutions, Every good intention turns into a mockery in India. We have failed to restructure our PhD programmes to prevent such ill-doings. In Europe and America, they are now talking about developing creativity, autonomy, and personal and professional skills in the researchers such that they are ready for careers in research and development as well as in any other sectors. ln India, we are just doing the opposite.

North East India, consisting of eight States, Arunachal Pradesh, Assam, Manipur, Meghalaya, Mizoram, Nagaland, Sikkim and Tripura has a population of 38.85 million in the last census (Table 1). Four States are having tribal population in majority, namely Mizoram (94.5%), Nagaland (89.1%), Meghalaya (85.9) and Arunachal Pradesh (64.2%) (Table 2). The region had a literacy rate of 65,8% as against the all India average of 65.2% with a lowest rate of 54.7% in Arunachal Pradesh to the highest of 88.5% in Mizoram. Per capita Net State Domestic Product (NSDP) varies from the lowest figure of Rs. 1,675 in Assam to the highest

figure of Rs. 3,571 in Arunachal Pradesh with an average of Rs. 2,223 for the region (1997- 98 at 1980-81 prices). Per Capita Monthly Consumption Expenditure (PCMCE) was as low as Rs. 147.52 in 2000 at 1983 prices with Assam having the lowest value of Rs. 99.81 and Nagaland the highest of Rs. 228.04.34.7% of people in the region were below poverty line in 2000 as against a national average of 26.1%. Highest percentage of people was estimated to be below poverty line in Sikkim (36.6%) and lowest percentage in Mizoram (19.5%).

**Table 1. Total Population - 2001 Census (Persons)**

| State | Population | Males | Females | Rural | Urban | Urban Population (%) | Rural Population (%) |
|---|---|---|---|---|---|---|---|
| Arunachal Pradesh | 1097968 | 579941 | 518027 | 870087 | 227881 | 20.75 | 79.25 |
| Assam | 26655528 | 13777037 | 12878491 | 23216288 | 3439240 | 12.90 | 87.10 |
| Manipur* | 2166788 | 1095634 | 1071154 | 1590820 | 575968 | 26.28 | 73.42 |
| Meghalaya | 2318822 | 1776087 | 1142735 | 1864711 | 454111 | 19.58 | 80.42 |
| Mizoram | 888573 | 459109 | 429464 | 447567 | 441006 | 49.63 | 50.37 |
| Nagaland | 1990036 | 1047141 | 942895 | 1647249 | 342787 | 17.23 | 82.77 |
| Sikkim | 540851 | 288454 | 252367 | 480981 | 59870 | 11.07 | 88.93 |
| Tripura | 3199203 | 1642225 | 1556978 | 2653453 | 545750 | 17.06 | 82.94 |
| Total NER | 38857769 | 20065658 | 18792111 | 32771156 | 6086613 | 15.66 | 84.34 |
| All India | 1028610328 | 532156772 | 496453556 | 742490639 | 286119689 | 27.82 | 72.18 |

* Excludes Mao Maram, Paomata and Purul sub-division of Senapati dist. Source: Basic Statistics of NER 2006 (NEDFI database)

Table 2. General Information on North East India

| State/ Country | Total Population (in million) | % of ST Population | Literacy Rate (%) | Per Capita NSDP | Per Capita MCE | % Below Poverty Line |
|---|---|---|---|---|---|---|
| Arunachal Pradesh | 1.09 | 64.2 | 54.74 | 3571 | 129.38 | 33.47 |
| Assam | 26.64 | 12.4 | 64.28 | 1675 | 99.81 | 36.09 |
| Manipur | 2.39 | 34.2 | 68.87 | 1948 | 130.88 | 28.54 |
| Meghalaya | 2.31 | 85.9 | 63.31 | 1804 | 145.65 | 33.87 |
| Mizoram | 0.89 | 94.5 | 88.49 | NA | 202.99 | 19.47 |

| | | | | | | |
|---|---|---|---|---|---|---|
| Nagaland | 1.99 | 89.1 | 67.11 | NA | 228.04 | 32.67 |
| Sikkim | 0.54 | 20.6 | 69.68 | NA | 117.52 | 36.55 |
| Tripura | 3.19 | 31.1 | 73.66 | 2117 | 125.92 | 34.44 |
| NE Region | 39.04 | 26.9 | 65.77 | 2223 | 147.52 | 34.69 |
| India | 1027.02 | NA | 65.20 | 2840 | 111.28 | 26.10 |

[Source: North Eastern Council (2002): *Basic Statistics of North Eastern Region,* Ministry of Home Affairs, Govt, of India, Shillong. Population and literacy figures refer to the year 2001. Per Capita NSDP and Per Capita MCE refer to the years 1997-98 and 1999-2000 respectively. Percentage of people below poverty line refers to the year 1999-2000.]

According to the 18th Human Development Report (UNDP 2007-2008), India's performance in Human Development is dismal with a HDI value of 0.619 (rank 128) whereas countries like Norway (HDI value 0.968) and 27 other countries in the world are having HDI values above 0.9. Even our small neighboring countries in Asia like Mauritius (0.804), Sri Lanka (0.743), Maldives (0.741) and Indonesia (0.728) have much better HDI than India. Among the states in India, there is a wide disparity across the country. The HDI varied from a highest value of 0.638 in case of Kerala to the lowest value of 0.365 in Bihar. The situation is worse in the North East India. In this region, the lowest HDI of 0.242 appears in Arunachal Pradesh and the highest value of 0.461 is in Manipur (1981 statistics). Ten years later in 1991 the lowest and highest figures improved to 0.328 (Arunachal Pradesh) and 0.548 (Mizoram). The HDI has improved since then, but it is not enough. With such poor HDI, it is obvious that much remains to be done in the Higher Education sector in this part of the country.

Higher education is always considered as a major contributing factor to the social, cultural and intellectual life of society as it improves the quality of human life and support human development in all respects. The current enrolment ratio in Colleges and Universities in India is below 11 %, which is less than the average of lower middle income countries in the world. In most developed countries, a significant proportion of the population (up to 50%) receives higher education. In terms of scientific information output, Indian contribution is just 1.23 % of the world share. However, the number of publications from India has increased considerably from 15,000 papers per year in 2000 to nearly 25,000 papers per year in the last five years. This increase is, however, not adequately reflected in quality. The influence of research activities of our Universities and Institutions on world science and technology as well as on economics and commerce is very little.

The situation in the N.E. Region is dismal. Although, the number of Colleges and Universities in the region has a satisfactory growth (Table 3), when it comes to quality, the region cannot boast of many institutions of high standard. The institutions have been providing mostly general education without addressing the needs of the students for learning skills that can ensure them of jobs later. Diverse courses, high quality teachers and teaching, good infrastructure and facilities, hard-working students are rare commodities in the region and each year, thousands of students move outside the state in search of better education, better skills and better potential for employment. That the performance of the Colleges and Universities of the N E Region can be described as poor compared to those in other regions of the country, is evident from Table 4 that compares a few representative universities. The Colleges have been in worse position.

Table 3. State-wise Number of Higher Educational Institutions (2006-2007)

| States | Universities | Arts Science &' Commerce Colleges | Engg., Tech., & Arch., College # | Medical Colleges (Allo/Ayur/Homeo / Unani/Nurs | Techers Training College | Polyte-chnics # | Others (Includes, Law Management MCA/IT) | Total I |
|---|---|---|---|---|---|---|---|---|
| Arunachal Pradesh | 1 | 10 | 1 | 1 | 2 | 3 | 0 | 17 |
| Assam | 5 | 348 | 4 | 10 | 40 | 12 | 29 | 443 |

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| Manipur | 2 | 58 | 1 | 1 | 6 | 3 | 6 | 5 |
| Meghalaya | 1 | 58 | 1 | 0 | 1 | 3 | 3 | 66 |
| Mizoram | 1 | 22 | 0 | 0 | 2 | 3 | 1 | 28 |
| Nagaland | 1 | 42 | 0 | 0 | 4 | 3 | 24 | 73 |
| Sikkim | 2 | 5 | 1 | 2 | 2 | 2 | 1 | 13 |
| Tripura | 1 | 14 | 1 | 3 | 1 | 2 | 4 | 25 |
| Total | 14 | 557 | : 9 | 17 | 58 | 31 | 68 | 740 |

Note: #: Figures estimated on the basis of intake capacity communicated by AICTE. Source: Ministry of Human Resource Development, Govt, of India.

With respect to the official mechanism of assessment and accreditation of Colleges and Universities through National Assessment and Accreditation Council (NAAC), it is to the credit of these institutions that the exercise generated a lot of interest during the first and second cycles and a large number of colleges from the region, particularly from Assam, completed the process. Somehow, the process lost the momentum and the enthusiasm waned during the third cycle beginning l April 2007 when CGPA (Cumulative Grade Point Average) system of grading was introduced (List of accredited institutions after 1 April 2007 is given in Appendix 1). The number of Colleges and other HE institutions going through either fresh assessment or reassessment has come down considerably (Table 5).

**Table 4. A comparison of the performance of the representative Universities of the country**

| Region | State Universities | Faculty | No: of Research publications/ year | Ph.D. awarded/ year | In horse journals | Books published / year | Citations as of 23 May 2006 |
|---|---|---|---|---|---|---|---|
| North zone | University of Rajasthan | 345 . | 538 | 219 | NA | 50 | 12,400 |
| | Punjab University | 636 | 582 | 227 | 4 | 25 | 5,610 |
| East zone | University of Calcutta | 650 | 664 | 139.6 | 20 | NA | 35,300 |
| | Patna University | 345 | 47 | 101.2 | NA | 4 | 3,420 |
| North-east | Gauhati University | 401 | 221 | 102.5 | NA | NA | 916 |
| zone | Sikkim-Manipal University | 102 | 5 (GS)* | NA | NA | NA | 58 |
| South zone | University of Madras | 306 | 600 | 381.2 | 5 | 50 | 34,800 |
| | University of Mysore | 354 | 328.33 | 152.66, | 3 | 86 | 10,400 |
| West zone | University of Mumbai | 587 | 112.5 | 322 | NA | 15 | 20,000 |
| | University of Pune | 300 | 184.33 | 232.25 | NA | 20 | 13,600 |

*[Source: Shetty et al., Indian Journal of Science and Technology, Vol 3, Issue 3, March 2010, p. 356]*

**Table 5. Summary of the number of accredited/reaccredited Universities and Colleges in the N E**

| S/N | State | Universities | | | | Colleges | | | |
|---|---|---|---|---|---|---|---|---|---|
| | | Number | A | B | C | Number | A | B | C |
| 1 | Arunachal Pradesh | 0 | 0 | 0 | 0 | 2 | 0 | 1 | 1 |
| 2 | Assam | 4 | 0 | 4 | 0 | 46 | 8 | 37 | 1 |
| 3 | Manipur | 0 | 0 | 0 | 0 | 8 | 1 | 6 | 1 |
| 4 | Meghalaya | 1 | 1 | 0 | 0 | 9 | 4 | 5 | 0 |
| 5 | Mizoram | 0 | 0 | 0 | 0 | 13 | 1 | 7 | 5 |
| 6 | Nagaland | 0 | 0 | 0 | 0 | 7 | 2 | 5 | 0 |
| 7 | Sikkim | 0 | 0 | 0 | 0 | 2 | 0 | 2 | 0 |
| 8 | Tripura | 0 | 0 | 0 | 0 | 1 | 0 | 1 | 0 |
| | Total | 5 | 1 | 4 | 0 | 88 | 16 | 64 | 8 |

Only 5 Universities and 88 Colleges in the whole of the region have completed assessment/reassessment and have valid accreditation status as of now. In Assam, where the total number of colleges is around 500, only 46 colleges have gone through the process alter Ol/04/2007 while the large majority has now no valid accreditation.

lt is generally recognized that three crucial elements, namely, (a) the general state of relationships between higher education and government (including the level of trust between the two); (b) the methods adopted by the external assessment agency (including the extent of standardization and whether rankings are involved); and (c) the character of the higher education institution itself (with factors such as efficiency and vision of the Head of the Institution, quality of teachers and students, general reputation based on performance of the students and their skill development, adopting to the pace of change and mitigating external threats) These factors are simply absent in the Region. The relationships between student skills, knowledge and achievement, the requirements of the workplace, professional body requirements, promotion of the department and marketability of students have all been brought into sharper focus now and no institution can do well if it is not conscious of the same and is implementing a strict regime of internal quality assessment and control.

ln a report compiled by NAAC on the state of Higher Education in the North East India, it is remarked that the measures of expansion and quality improvement in the Universities of the region are not enough. The financial position of the institutions is weak and is a cause for concern. The institutions have weak administrative structure and have failed to introduce healthy practices (Higher Education in North East, NAAC 2004).

In the whole process, the teachers are the main drivers and perhaps their interests have awned or they got tired of the hard work involved in the preparation.

Jawaharlal Nehru said once that a university stands for humanism, tolerance, reason, the adventure of ideas and for the search for truth. The progress and development of a nation depends on the standard of excellence set by its institutions of higher learning. It is a measure of human development and it speeds up national growth. However, excellence is not democratic, but democracies thrive on excellence; democratizing excellence through adopting best practices brings out quality enhancement and thereby advancement of the society. This has become very relevant for the Colleges and Universities of the N E region. An atmosphere of collaboration and mutual sharing of resources including human resources needs to be developed fast among all colleges, universities and other institutes of the region (e.g., IIT Guwahati, IIM Shillong, etc.). For the institutions of higher education, the desire to learn from each other and to share aspects of good practice should be a regular exercise. With the emphasis on collegiality and the recognition of the international role of the colleges and the universities, such desires will have to be manifested through regular exchange meetings of associations, both teacher and non-teacher, visits by

delegations from one institution to another, exchange teaching, etc. The Colleges of the Region should not shy away from such best practices.

All the major players in world economy have gone for strategic reforms in their higher education systems. Colleges and universities have been made to rethink their role and make some quick readjustments to the changing pattern of education. For example, China has experienced dramatic higher education expansion during the past decade. In 2002, the relevant age group participating in higher education reached 15 per cent, compared with 5 per cent in 1993 (India aims to achieve 15% enrolment in higher education by 2015). With more than 27 million students, China's current higher education system is the largest in the world. Under the context of rapid expansion, priority has been placed initially on quantitative growth. Universities, especially local universities were encouraged by the government to enroll more students. This has of course created many problems, such as decline of educational expense per student, deteriorating teaching conditions, and difficulty of providing employment for college graduates. Education quality has been questioned by employers, academics, and the public. The government soon realized that without rigid quality assurance, the expansion itself may not improve national and individual competitiveness. The priority of higher education has shifted from quantitative growth to quality enhancement. China established the Higher Education Evaluation Center (HEEC) in 2004. During its first five-year cycle, HEEC implemented an undergraduate teaching evaluation for 589 colleges and universities. HEEC has so far confined its work to the evaluation of undergraduate teaching.

China insists that undergraduate teaching typically reflects higher education quality, and thus teaching must be strengthened.. The results indicated that higher education institutions under evaluation tended to improve their campus and teaching facilities, increase educational spending, closely monitor teaching quality, and put emphasis on teaching. The evaluation of the standards of undergraduate teaching work has been evaluated in three stages: the institutions conduct self-evaluation; experts' teams enter the institutions to conduct investigations; and the institutions carry out rectifications and reforms. HEEC has developed a sophisticated indicator system for evaluation, which includes 7 first-level indicators and l9 second-level indicators. The discourse of evaluation is considered as the means and improvement of teaching quality. In India, the NAAC has been doing similar work, but it is difficult to say whether the quality of undergraduate education has shown some perceptible improvement after the NAAC started its activities since 1997. At least, we do not see it happen in the N E region. In fact, some of the institutions on whom we reposed our faith previously and held them in high pedestal, are exposed to be not so good after the NAAC evaluation. The reasons have to be found for this disillusion.

One thing must be said in favour of the colleges of the N E Region. In the age of increasing commercialization of higher education, the Colleges have continued to serve the interests of low-income students by keeping the colleges affordable. At the same time, the Colleges in the N E Region will have to develop appropriate strategies for attracting more students and tight the rapid decline in the number of undergraduate students particularly in some disciplines (eg. History, Mathematics, Sanskrit, Bengali, Hindi, Philosophy, etc.). The institutions and the teachers will have to canvas to bring better students to the colleges. In fact, each institution should build up relationship with the neighbouring High and Higher Secondary Schools for prospective students.

The most basic goals of undergraduate education remain the development of ability to think, write, and speak clearly; to reason critically; to solve problems; to work collaboratively; to acquire field-specific knowledge; and to acquire the judgment, analytic capacity, and independence of thought in undergraduate students. These critical goals of undergraduate education must endure. In general, the role of the Colleges and Universities in Assam and the N E Region should veer round to address the following issues:

(i) **Expanding college access to low-income students.** Too many students from low income and weaker sections of the society fail to enroll in higher education. This enormously diminishes individual opportunity and wastes precious human capital.

(ii) **Keeping colleges affordable.** The

affiliated colleges do not charge a large amount. Even then, many families cannot afford a post +12 education and believe that colleges are indifferent to their needs. The Colleges should be able to control costs while maintaining academic quality. One of the ways to do this is by making a cluster of colleges that will share facilities including manpower.

(iii) **Improving learning by utilizing new knowledge and instructional techniques.** In the last decade, cognitive research has uncovered many important insights about effective instructional practices and student learning. But, we have not always systematically implemented what we have leamed. We can make more extensive use of this knowledge to enhance student learning under differing circumstances with diverse groups of learners. Such efforts must be continuous and not episodic in nature. The Colleges should do some research, gather information about successful practices, and make that information available, especially to department heads and faculty members.

